অনুবাদ : ড° প্ৰফুল্ল কটকী



891.451
KOR

এমিলি ব্ৰণ্টিৰ

# ৱাদাৰিং হাইট্‌ছ

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম

[Emily Bronte's *Wuthering Heights* : translated in to Assamese by Dr. Prafulla Kotoky and published by Professor T. R. Taid, Director, Anundoram Borooah Institute of Language, Art & Culture, Assam, Ambikagiri Nagar, Guwahati-24, Assam, India, Price Rs. 75.00 ]

© ABILAC

04.08.99
KOT

প্ৰকাশক : সঞ্চালক
আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম
অম্বিকাগিৰি নগৰ, জু ৰোড,
গুৱাহাটী ৭৮১০২৪

891.451
KOT
com

প্ৰথম প্ৰকাশন : ডিচেম্বৰ, ১৯৯৪

Accession No. 12155
Date..........

মূল্য : ৭৫.০০ টকা

মুদ্ৰক : শৰাইঘাট ফটো টাইপচ
উদ্যোগিক পাম, বামুণীমৈদাম,
গুৱাহাটী ৭৮১ ০২১

# ৱাদাৰিং হাইট্‌ছ

এমিলি জেইন ব্ৰণ্টি (Emily Jane Bronte) (১৮১৮-৪৮) ইংৰাজী সাহিত্যৰ সুপ্ৰসিদ্ধ তিনিগৰাকী ব্ৰণ্টি বাইভনীৰ অন্যতম। আন দুগৰাকী হ'ল শ্বাৰ্লট ব্ৰণ্টি (১৮১৬-৫৫)— 'জেইন আয়াৰ' (Jane Eyre) নামৰ উপন্যাসৰ লেখিকা, আৰু আন ব্ৰণ্টি (১৮২০-৪৯)— 'এগনিচ গ্ৰে' (Agnes Grey) নামৰ উপন্যাসৰ ৰচয়িতা।

এমিলি ব্ৰণ্টিৰ 'ৱাদাৰিং হাইট্‌ছ' (Wuthering Heights) (প্ৰকাশ কাল : ১৮৪৭ চন) বিশ্ব সাহিত্যৰ এক অবিস্মৰণীয় আৰু অনন্য সৃষ্টি। কাৰিক আৰু নৈতিক আদৰ্শানুগত গাঁথনি আৰু কল্পনাশক্তিত ই শেক্সপিয়েৰৰ ৰচনাৰ সমপৰ্য্যায়ৰ বুলি সমাদৃত হৈছে। প্ৰেম-অনুৰাগ (ৰোমান্স) আৰু বাস্তৱতাৰ এক বিৰল সমাহাৰ ইয়াত সাধিত হৈছে।

সহজা প্ৰতিভাৰ (দ্ৰঃ ৰাজশেখৰ) অধিকাৰী (ইংৰাজীত যাক instinctive genius বুলি ক'ব পাৰি) এই গৰাকী লেখিকাই একান্ত আৱেগপ্ৰৱণ অন্তৰৰ বিভিন্ন প্ৰকাৰৰ ভাব অনুভূতিবোধক (প্ৰেম, ঘৃণা, বিদ্বেষ, হিংসা, কৰুণা, কামনা, বাসনা ইত্যাদি) যথাৰ্থ ৰূপদান কৰাত অতুলনীয় শক্তিৰ পৰিচয় দিছে। সাধাৰণ পাঠকৰ দৃষ্টিকোণৰ পৰা চালে তেওঁৰ উপন্যাসত প্ৰথমে চকুত পৰা বৈশিষ্ট্য কেইটা হ'ল— কাহিনী বিন্যাস আৰু চৰিত্ৰ চিত্ৰণৰ পাৰদৰ্শিতা, প্ৰকৃতিপ্ৰীতি আৰু কাব্যসুলভতা। কিন্তু ব্যক্তি হৃদয়ৰ গভীৰতা আৰু সংঘাতৰ সাৰ্থক ৰূপায়নতহে তেওঁৰ প্ৰকৃত কৃতিত্ব প্ৰকাশ পাইছে। অনুভূতিশীল পাঠকৰ অন্তৰত শেক্সপিয়েৰৰ 'কিং লীয়েৰ' নাটক আৰু ব্ৰণ্টিৰ 'ৱাদাৰিং হাইট্‌ছ' উপন্যাসে প্ৰায় একে প্ৰতিক্ৰিয়াৰে উদ্ৰেক কৰে।

— অনুবাদক

THE NORTH GAUHATI COLLEGE LIBRARY
DATE Ass 3711
26.9.07
COLLEGE NAGAR, GAUHATI-31

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই বিশ্ব-সাহিত্যৰ অমূল্য গ্ৰন্থসমূহ নিয়মীয়াকৈ অসমীয়া ভাষালৈ অনুবাদ কৰাৰ যি আঁচনি গ্ৰহণ কৰিছে তাৰে প্ৰথম পৰ্যায়ৰ গ্ৰন্থসমূহৰ ভিতৰত, এমিলি ব্ৰন্টিৰ ৱাদাৰিং হাইট্‌ছ এখন। ১৮৪৭ চনত প্ৰকাশ পোৱাৰ সময়ত, এটা অসুখী মনে সৃষ্টি কৰা জীৱন যাতনাৰ এখন ছবি বুলি, সমালোচকসকলে এই উপন্যাসখনক অৱহেলা কৰিছিল। পিছলৈ গাঁঠনিৰ জটিলতা, মননৰ কাব্যিক সমৃদ্ধি আৰু চৰিত্ৰ চিত্ৰণৰ গভীৰতাৰ কাৰণে 'ৱাদাৰিং হাইট্‌ছ' ইংৰাজী সাহিত্যৰ এক অমূল্য সম্পদ হিচাপে পৰিগণিত হ'ল। এনে এখন উপন্যাস অসমীয়া পাঠক সমাজলৈ আগবঢ়াবলৈ পাই আমি আনন্দিত হৈছো।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° প্ৰদ্যুম্ন কটকীয়ে উপন্যাসখনি অতি কম সময়ৰ ভিতৰতে অনুবাদ কৰি উলিয়াই দিয়াৰ বাবে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা তেখেতৰ ওচৰত কৃতজ্ঞ। উপন্যাসখন তুলনামূলক ভাবে ডাঙৰ; ড° কটকীৰ কামটোৰ প্ৰতি শ্ৰদ্ধা ব্যক্তিগত আকৰ্ষণৰ কাৰণেহে উপন্যাসখনি নিৰ্দ্ধাৰিত সময়ত পাঠক সমাজলৈ আগবঢ়াব পৰা হ'ল।

ভৱিষ্যতলৈও এই সংস্থাই বিশ্ব সাহিত্যৰ বিভিন্ন গ্ৰন্থ অসমীয়া ভাষালৈ অনুবাদ কৰি পাঠক সমাজলৈ আগবঢ়াই থাকিব।

টাবু টাইদ
সঞ্চালক,
আনন্দৰাম বৰুৱা
ভাষা-কলা-সংস্কৃতি সংস্থা

গুৱাহাটী,
১৭ ডিচেম্বৰ, ১৯৯৪

# ১

১৮০১

মোৰ ভাৰাঘৰৰ মালিকক দেখা কৰি মই এইমাত্ৰ ঘূৰি আহিছোঁ । অকল্পনীয় মানুহ । আগন্তুক দিনবোৰত ওচৰচুবুৰীয়া বুলি মাত এষাৰলৈ হ'লেও তেওঁকেইহে মই পাম । তিতিকি-বিৰক্তি পাবলগা হ'লেও তেওঁৰ পৰাইহে পাব লাগিব । এই অঞ্চলটো বাস্তবিকে মনোমোহা । সমাজৰ হাই উৰুমিৰ পৰা একেবাৰে ইমান নিলগত আন এখন ঠাই ইংলেণ্ডৰ আন কৰবাত যে বিচাৰি পালোহেঁতেন মোৰ সন্দেহ । একেবাৰে মানববিদ্বেষীৰ ভূ-স্বৰ্গ ! আৰু মিঃ হিথক্লিফ আৰু মই— এনে যে পাই যোৰ হৈছোঁ । এই নিঃসঙ্গতা যেন আমাৰ দুজনৰ মাজতে ভগাভগি কৰি ল'ম ! চমৎকাৰ লোক এই হিথক্লিফ । মই ঘোঁৰাত উঠি তেওঁৰ পিনে আগুৱাই যাওঁতে সৰু সৰু চকুহাল খোপা কৰি মোলৈ বিদৰেহে চাইছিল । তেওঁ তেনে কৰোঁতে তেওঁলৈ যে মোৰ মনটো কিদৰে পমি গৈছিল সেই কথাৰ ধাৰণা তেওঁতো কৰিবকে নোৱাৰে ! জাকিট চোলাৰ জেপত হাতদুখন ভৰাই মানুহটো থৰ লগাদি বৈ আছিল । মুখত কিবা এক অনামী দৃঢ়তাৰ চিন ।

তেওঁৰ ওচৰ চাপি মই ক'লোঁ, 'নমস্কাৰ, মহাশয়, আপুনিয়ে বোধহয় মিঃ হিথক্লিফ ?'

মূৰ দুপিয়াই তেওঁ মোৰ অনুমানৰ সত্যতা স্বীকাৰ কৰিলে ।

"মোৰ নাম, মহাশয়, লকউদ । আপোনাৰ নতুন ভাৰাঘৰীয়া । এইখিনি আহি পায়েই, লৰালৰিকৈ, যিমান পাৰি সোনকালে, মই আপোনাক মাত লগাই যাওঁ বুলি ওলালোঁহি । 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' (Thrush Cross Grange) ভাৰাত লবলৈ মই একেবাৰে নাচোৰবান্দা হৈ লাগিছিলোঁ; আশাকৰোঁ মই আপোনাক মক্কিলত পেলোৱা নাই । কালি কোনোবাই কোৱা শুনিলোঁ এই ঘৰটোৰ সম্পৰ্কত আপুনি হেনো নতুনকৈ কিবা এটা......"

'মহাশয়, থ্ৰাচক্ৰচ গ্ৰেঞ্জ মোৰ নিজৰ সম্পত্তি। পাৰিতপক্ষে মই কাকো মোক মক্কিলত পেলাবলৈ দিয়াত নাই। সোমাই আহক।'

'সোমাই আহক' কথাষাৰ কওঁতে তেওঁ দাঁত কপাটি লগাই কৈছিল। কোৱাৰ ধৰণটো শুনি মোৰ ভাব হ'ল তেওঁ যেন মোক 'জাহান্নামে যা' বুলিহে ক'লে। 'সোমাই আহক' বুলি ক'লে যদিও, পদূলিৰ দ্বাৰখন আঁতৰাই দিয়াৰ সৌজন্য তেওঁ নেদেখুৱালে। অথচ সেই দ্বাৰখনৰ ওপৰতে তেওঁ বুকুৰে হেলান দি আছিল। তথাপিতো, পৰিস্থিতিটো গমিপিতি চাই, তেওঁৰ কথাষাৰ ৰাখিবলৈকে মই ঠিক কৰিলোঁ। মোৰ মনত মানুহজন মোতকৈ বহুত বেছিগুণে পহীন গম্ভীৰ যেন লাগিল। তেওঁৰ প্ৰতি মোৰ কৌতূহল হ'ল।

মোৰ যোঁৱাই তেওঁৰ জপনাৰ ফাঁকেদি মূৰটো ভালেখিনি সুমুৱাই দিয়া দেখিহে তেওঁ জপনাৰ বান্ধ মোকোলালে। সেই বাবেই মই তেওঁক প্ৰথম চোতাল জেপৰ পৰা হাত উলিওৱা দেখিলোঁ। মোক বাট দেখুৱাই দি তেওঁ চোতালৰ মাঁজিয়েদি মুখখন গোমোঠা কৰি আগবাঢ়িল, আৰু লগে লগে জোজেফ নামৰ লগুৱা এটাক মোৰ ঘোঁৰাটো চাবলৈ আৰু বেইগিলাচমান মদ আনিবলৈ চিএঞৰি চিএঞৰি ক'লে।

লগুৱা বুলিবলৈ বোধহয় সেই এটিয়েই, মই মনে মনে ভাবিলোঁ। সিয়েই ঘোঁৰাও চম্ভালিব লাগে, আলহী-অতিথিৰো আলপৈচান ধৰিব লাগে। ভালেতোহে দুৱাৰ মুখৰ পৰা জপনামুখলৈকে একাঠুৱা বননিয়ে ছাটি ধৰিছে আৰু ফুল গছবোৰ হাবিত পোত যাইছে। চাপৰ বাঁতিৰ বন-জংঘল পাতলাবলৈকো উদভীয়া গৰু গাইৰ বাহিৰে আন কোনো নাই কিজানি!

জোজেফ বোলাটি আদহীয়া লোক; আদহীয়া বুলি বুঢ়া বুলিলেহে শুৱায়। বেচ বুঢ়া। তিৰি চেহেৰা কিন্তু মজবুত, একেবাৰে গাঁঠনুটি।

গৰাকীৰ ফৰ্মাচ শুনি জোজেফে যে ভাল নাপালে সেই কথা তাৰ মুখৰ তেৰতেৰণিৰ পৰাই বুজা গ'ল। নিজকে নিজে কোৱাদি, খং আৰু বিৰক্তিৰে সি ক'লে, 'হে ভগৱান!' আৰু মাতষাৰ মাতিয়েই মোৰ মুখলৈ সি বিটোহে খতৰ চাৱনিৰে চালে যে তাৰ বিষয়ে অতি উদাৰ মনোভাব এটা লৈয়ো মোৰ ভাব হ'ল যেন ভগৱানৰ অনুগ্ৰহ বিনে খোৱাগ্ৰাস হজম কৰাৰ সাধ্য তাৰ নাই। মোৰ আকস্মিক আৱিৰ্ভাবৰ লগত যে তাৰ বিৰক্তিৰ কোনো সম্বন্ধ নাই সেই কথাও কিন্তু মই নুবুজাকৈ নাথাকিলোঁ।

'ৱাদাৰিং হাইট্‌চ' (বা 'উত্তাল শিখৰ') হ'ল হিথক্লিফৰ ঘৰটোৰ নাম। ঠিক নামেই দিছে, কাৰণ ধুমুহাৰ বতৰত ঘৰটোক বতাহে সাগৰৰ ঢৌৱে কোবোৱাদি কোবাই থাকে। বতাহৰ হোঁ-হোঁৱনি অবিৰত চলি থাকে। তাত থকা মানুহবোৰে সকলোসময়তে বিশুদ্ধ, স্বাস্থ্যকৰ বায়ু সেৱন কৰিবলৈ পায়। উত্তৰীয়া বতাহ ছাটিৰ বেগ কিমান সেই কথা ঘৰটোৰ মূৰলৈ থকা দেৱদাৰু কেইজোপাৰ ছিগিভাগি থকা ডালবোৰলৈ চালেই বুজিব পাৰি। লিহলিহীয়া কাঁইটীয়া ওখ বাঁহবোৰ একেআগি হৈ পৰি থকা দেখিলেও বতাহৰ জোৰ তাত কিমান বুজা যায়। সেইদৰে পৰি থকা বাঁহবোৰ দেখিলে ভাব হয় যেন সামূহিক ভাবে সূৰ্য্য বন্দনাহে কৰা হৈছে, যেন কিবা ভিক্ষা মগাহে হৈছে। স্থপতি গৰাকীয়ে কিন্তু এই পৰিস্থিতিটো মনত ৰাখিয়েই ঘৰটো সজাইছিল। বেচ মজবুতকৈ সজা ঘৰ। খিৰিকিবোৰ সৰু সৰু আৰু ভিতৰলৈ সোমোৱা। চাৰিওপিনে কোণাবোৰত একো একোটা প্ৰকাণ্ড শিল বাহিবলৈ হেলনীয়া কৰি বহুৱাই দিয়া হৈছে।

দুৱাৰডলি পাৰ হওঁতেই মই থমকি ৰৈ ঘৰটোৰ আগপিনৰ কাৰুকাৰ্য্যবোৰলৈ চকু দিলোঁ। অদ্ভুত কিছুমান কাৰুকাৰ্য্যৰে বেৰবেইখন ভৰা। প্ৰধান দুৱাৰখনৰ পাৰে অনেক অদ্ভুত ৰকমৰ নক্সা কটা আছিল। তাৰে কিছুমান আছিল



গ্ৰিফিনৰ— এবিধ আচৰিত জীৱ ঃ মূৰ আৰু পাখি দুখন ঈগল চৰাইৰ, আৰু গাটো দেখাত সিংহৰ দৰে। নক্সাবোৰ পিচে জাহিখহি যাবলৈ ধৰিছিল। নঠা শিশুৰ নক্সাও তাত আছিল। চন এটাও কাটি খোৱা আছিল ঃ ১৫০০ চন। নাম এটাও দেখা পাইছিলোঁ ঃ 'হাৰেটন আৰ্নশ্ব'। গোঁড়োৱামুখীয়া গৃহস্থজনক মই ঘৰটোৰ বিষয়ে দুই চাৰি কথা সুধিম বুলি ভাবিছিলোঁ, নক্সাবোৰৰ বিষয়েও মোৰ মতামত প্ৰকাশ কৰাৰ ইচ্ছা আছিল, কিন্তু দুৱাৰডলিত তেওঁ যিটো ভাব প্ৰকাশ কৰিলে তাৰ অৰ্থ হ'ল, সোমৱা যদি সোনকালে সোমা, নোসোমালে গুলাই যা। মই পিচে ঘৰটোৰ একেবাৰে ভিতৰলৈকে সোমাই চোৱাৰ আগতে আৰু বেচিকৈ তেওঁৰ ধৈৰ্য্যচ্যুতি ঘটাবলৈ ইচ্ছা নকৰিলোঁ। সেইবাবে তেতিয়ালৈ মুখেৰে একো নামাতিলোঁ।

ভিতৰলৈ এখোজমান আগবাঢ়ি গৈয়েই পালোঁ পৰিয়ালটোৰ চ'ৰা কোঠা। তালৈ পোনে পোনে সোমাই যাব লাগে। আগচ'ৰা বুলিবলৈ একো নাই। 'ঘৰ' বুলিলে এই অঞ্চলত আচলতে এই কোঠাটোকে বুজোৱা হৈছিল। ইয়াতেই বান্ধনিশালো, চ'ৰাঘৰো। কিন্তু 'উত্তাল শিখৰত' পাকঘৰ আছিল অন্যপিনে, কিছুদূৰত। তাতে মই টিমিক চামাককৈ জুইৰ শিখা দেখিবলৈ পাইছিলোঁ আৰু বান্ধনিশালৰ বাচন-বৰ্তনৰ ঠুং ঠাং শব্দও মোৰ কাণত পৰিছিলহি। আহল বহল জুহালখনত মই ভজা, পোৱা, সিজোৱা আদি একো কামৰে চিন দেখা পোৱা নাছিলোঁ। তামৰ চচপেন বা টিনৰ কলহেৰে বেৰত চিকচিকাই ওলমি থকা মোৰ চকুত পৰা নাছিল। এটা মূৰত বহল বহল দন্তাৰ থাল জাপি থোৱা আছিল, লগতে আছিল ৰূপৰ ঘটি আৰু ডাঙৰ মগ কিছুমান। মাংস কাটিবলৈ ব্যৱহাৰ কৰা চেগুন কাঠৰ মেজ এখনত, চাল চোৱাকৈ, ঠাকে ঠাকে সেইবোৰ সজাই থোৱা আছিল। চালখনৰ তলৰ পিনে কোনো আবৰণ নাছিল, ফলত ইয়াক তৈয়াৰ কৰাৰ ধৰণটো চালেই চকুত পৰা হৈ আছিল। অৱশ্যে অ'ত ত'ত ওট কেক ভৰাই থোৱা কাঠৰ বাকচ, আৰু দম কৰি ৰখা গৰুৰ পিৰা, ভেৰাৰ মঙহ বা নিমখ সানি শুকুৱাই থোৱা গাহৰিৰ পিচ পিৰাই চালখনৰ একো একোটা অংশ ঢাকি ৰাখিছিল। জুহালৰ কাষৰ বেৰত বেলেগ বেলেগ প্ৰকাৰৰ, দেখিলেই গাৰ নোম শিঁয়ৰি উঠা, বন্দুকৰ শাৰী, খাপত ভৰাই থোৱা ডাঙৰ ডাঙৰ পিস্তল আৰু জাকজমককৈ ৰং সানি থোৱা তিনিটা টিনৰ বাকচ ওলোমাই থোৱা আছিল। কোঠাটোৰ মজিয়াখন আছিল নিমজ বগা শিলৰ। চকী কেইখন আছিল ওখ আৰু আওপুৰণি গঢ়ৰ আৰু সেউজীয়া ৰঙেৰে ৰঙোৱা। অলপ দূৰৈতো কেইখনমান আছিল— সেই কেইখনৰ ৰং আছিল ক'লা; ওজনত আছিল বৰ ভাৰী। কাঠৰ মেজখনৰ তলত, এটা চুকত এজনী বিৰাটকায়, চুটি চুটি নোমেৰে যৈৰী ৰঙৰ চিকাৰী কুকুৰ কুণ্ডলী পকাই শুই আছিল। তাইৰ ওচৰত কুঁ কুঁৱাই থকা এগাল পোৱালী। ঘৰটোৰ ভিতৰত, আন আন ঠাইত, আৰু কিছুমান কুকুৰ ৰখীয়া হিচাপে আছিল।

কোঠাটোৰ সাজসজ্জা আৰু তাত থকা আচবাববোৰত অসাধাৰণ বুলিবলৈ একো নাছিল। উত্তৰাঞ্চলৰ সহজ সৰল অনাড়ম্বৰী জীৱন যাপন কৰা যি কোনো এজন

আচাৰত কৃষকৰ বাবে এই পৰিৱেশ নিতান্তই স্বাভাৱিক। এনে এজন কৃষকৰ মুখত ফুটি উঠে দৃঢ়তা। তেওঁৰ হাতভৰি কৰ্মঠ। আঠুলৈকে পৰা পায়জামা আৰু মোজা পিন্ধিলে তেওঁক বেচ শুৱায়। সন্মুখৰ ঘূৰণীয়া মেজ এখনত ফেনিল মদৰ গিলাচেৰে, আৰামী চকীত ভৰি তুলি বহি থকা এনে এজন কৃষকৰ দৃশ্যটো, এই পাহাৰ অঞ্চলৰ পাঁচ ছয় মাইলৰ পৰিসীমাৰ ভিতৰত এটা সাধাৰণ কথা। বিশেষকৈ ৰাতিৰ আহাৰৰ সময় পাৰ হোৱাৰ পিচত ওলাই গলে যি কোনো লোকৰে চকুত এই দৃশ্যটো পৰিবই পৰিব। মিঃ হিথক্লিফ হ'ল কিন্তু ইয়াৰ ব্যতিক্ৰম। নিজৰ বাসস্থান আৰু জীৱন যাত্ৰাৰ পদ্ধতিৰ লগত তেওঁৰ বিৰাট বৈষম্য। দেখাত তেওঁ এক কৃষ্ণাংগ অথৱীৰ দৰে; সাজপাৰ আৰু আচাৰ-ব্যৱহাৰত যেন এক ভদ্ৰলোক। ভাঙিপাতি ক'বলৈ গ'লে, ক্ষুদ্ৰ জমিদাৰ এজন যি অৰ্থত ভদ্ৰলোক সেই অৰ্থত এওঁ ভদ্ৰলোক। সাজপাৰত আচলতে অপৰিপাটিয়েই, কিন্তু দেখাত তেনে নালাগে; নলগাৰ কাৰণটো হ'ল যে তেওঁৰ গাৰ গঠন আটিল আৰু সুশ্ৰী, আৰু তেওঁ দেখাত ওখ-পাখ। কিন্তু তেওঁ কিঞ্চিৎ বিষণ্ণ প্ৰকৃতিৰ। তেওঁক দেখিলেই তেওঁৰ এক অশালীন অহংকাৰ থকা বুলিহে বহুতৰে ভাব হোৱাটো স্বাভাৱিক কথা। কিন্তু মই জানো যে তেনে ধাৰণাৰ কোনো ভিত্তি নাই। সহজাত ধাৰণাৰেই মই বুজি পাইছো যে তেওঁৰ গহীনালিৰ কাৰণ মাত্ৰ এটা— নিজৰ ভাব-অনুভূতি আনৰ আগত প্ৰদৰ্শন কৰিবলৈ তেওঁ সদায় কুণ্ঠাবোধ কৰে। পাৰস্পৰিক সহানুভূতি প্ৰদৰ্শনৰ প্ৰতিও তেওঁ নিতান্তই অনুৎসাহী। তেওঁৰ প্ৰেম বা ঘৃণাৰ প্ৰকাশ হয় অপ্ৰকাশ্যভাৱে, গোপনে; প্ৰেম বা ঘৃণাৰ প্ৰতিদানকো তেওঁ বিবেচনা কৰে একপ্ৰকাৰ ঔদ্ধত্য হিচাপে। হিথক্লিফৰ প্ৰতি মই সুবিচাৰ কৰা হোৱা নাই নে কি ! মই মোৰ দৃষ্টিভংগী তেওঁৰ ওপৰত অযথা আৰোপ কৰিবৰ প্ৰয়াস কৰিছোনে কি ! অপৰিচিত লোক এজনক লগ পালে, কৰমৰ্দন কৰিবলৈ হাতখন আগবঢ়াই নিদিয়াৰ মোৰ বাবে যিটো কাৰণ হ'ব পাৰে, তেনে পৰিস্থিতিত সেইটো কাৰণ তেওঁৰ নহ'বও পাৰে ! হয়তো মোৰ দৃষ্টিভংগী আনৰ লগত অকণো নিমিলে। মোৰ সাদৰী আয়ে মোক প্ৰায়ে সতৰ্ক কৰি দি কৈছিল যে সুখী ঘৰ এখন বুলিবলৈ মোৰ কাহানিও নহ'ব। যোৱা গ্ৰীষ্মকালত এই কথাষাৰৰ সত্যতা মই প্ৰমাণ কৰাৰ দৰেই হ'ল !

নিৰ্মল বায়ু সেৱন কৰিবলৈ মই সমুদ্ৰ তীৰৰ এক গ্ৰীষ্মাবাসত আছিলোঁগৈ। তাতে মই এগৰাকী অনিন্দ্য ৰূপৱতী গাভৰুক হঠাতে লগ পাইছিলোঁ। মোৰ বাবে তেওঁ আছিল এগৰাকী সাইলাখ গোসানী। পিচে যেতিয়ালৈকে মই তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা নাছিলোঁ তেতিয়ালৈকেহে তেওঁ মোৰ আৰাধ্য দেৱী হৈ আছিল। মই মুখেৰে ফুটাই মোৰ প্ৰেম নিবেদন কৰা নাছিলোঁ, সঁচা; কিন্তু চকুৰ চাৱনিৰ যদি ভাষা থাকে, তেন্তে জৰামূৰ্খ এটায়ো নুবুজাকৈ নাথাকিলেহেঁতেন যে ৰূপৱতীৰ প্ৰেমত মই হাবুডুবু খাইছিলোঁ। গাভৰু গৰাকীয়ে মোৰ মনৰ ভাৱ এসময়ত বুজি পালে, আৰু বদলত মোক এটা চাৱনিও উপহাৰ দিলে। কি যে অপূৰ্ব সেই চাৱনি ! মনেৰে কল্পনা কৰিব পৰা যি কোনো চাৱনিৰ ভিতৰতে আটাইতকৈ মিঠা চাৱনি। কিন্তু মই কৰিলোঁ কি ? ক'বলৈ এতিয়া লাজেই লাগিছে— একেবাৰে নিৰাবেগ ভাৱে, শামুকৰ



দৰে কোঁচ খাই, নিজৰ খোলাটোত সোমাই গলোঁ। প্ৰতিটো নতুন চাৱনিতে মই আৰু বেচি দূৰলৈ আঁতৰি গলোঁ, আৰু অধিক নিৰাবেগ, নিৰাসক্ত। শেহত গৈ থৈ সেই সৰলচিতীয়া বেচেৰীৰ নিজৰ প্ৰতিক্ৰিয়াৰ ওপৰতে সন্দেহ জন্মিল। নিজৰেহে ভুল হৈছিল বুলি ভাবি তেওঁ বিব্ৰত বোধ কৰিলে, আৰু মাকক কুটুৰি কুটুৰি সৈমান কৰাই তাৰপৰা গুচি গ'ল।

মোৰ এই আচৰিত প্ৰকৃতিৰ বাবেই লোকে কোৱামেলা কৰে বোলে মই ইচ্ছাকৃতভাৱেই কাঠচিতীয়া মানুহ। এই ঘটনাবাবৰ যে কোনো সত্যতা নাই সেই কথা কেৱল মইহে জানো!

ডুৱাৰলৰ পিনে মিঃ হিথক্লিফ আগুৱাই গ'ল; ময়ো লগে লগে গ'লোঁ, আৰু তেওঁৰ বিপৰীতে এমূৰত বহিলোঁগৈ। কিছুসময়লৈ আমাৰ মাজত একো কথা-বাৰ্ত্তা নাই। সেইকণ সময়ৰ সুযোগতে মই কুকুৰজনীৰ গাত হাতফুৰাই মৰম কৰিবলৈ চাইছিলোঁ, কাৰণ ইতিমধ্যে তাই পোৱালী কেইটাৰ ওচৰৰ পৰা আঁতৰি আহি মনে মনে মোৰ পিচপিনে বৈ হিংস্ৰ আৰু লুব্ধ দৃষ্টিৰে মোৰ কলাফুলৰ মঙহলৈ দৃষ্টি দিয়া মই লক্ষ্য কৰিছিলোঁ— যেন এবখলা মঙহ কামুৰি একৰাই নিবই ! মই তাইৰ গাত হাত বুলোৱাত তাই দীঘল গেঙেৰি এটা মাৰিলে।

লগে লগে তাইৰ গৰাকীয়েও খেং খেঙাই উঠিল। 'কুকুৰজনীক চুক চুকাবলৈ নোলোৱাই ভাল।' এইবুলি কৈয়ে তেওঁ মাটিত এটা গোৰোহনি মাৰিলে। 'তাই লাই পোৱা কুকুৰ নহয়— লেৰেলা সান্দৰৰ সোৱাদ তাই নুবুজে। তাইক পোহনীয়া হিচাপে ৰখা হোৱা নাই।'

এইবুলি কৈয়েই দাঁতিৰ দুৱাৰ এখনৰ ওচৰলৈ গম্ভীৰ খোজেৰে গৈ তেওঁ আকৌ চিঞৰিলে ঃ 'জোজেফ'।

মাটিৰ তলৰ মদ থোৱা কোঠাৰ পৰা জোজেফে কিবা এটা অস্ফুট উত্তৰ দিয়া শুনা গ'ল, কিন্তু তাক ওপৰলৈ উঠি অহা দেখা নগ'ল। সেইবাবে তাৰ গিৰিহঁতেই তাৰ ওচৰলৈ নামি গ'ল। মোক সেই ভয়ংকৰ কুকুৰজনীৰ ওচৰত অকলেই এৰি থৈ গ'ল। অকল সেইজনীয়েই নহয়, তাইৰ লগতে ভেড়াৰ পালৰখীয়া কুকুৰ এহালো ক'ৰবাৰ পৰা লগ হলহি। গোটেইমখা কুকুৰে ঘূৰণীয়াকৈ বহি লৈ মোৰ চাল-চলনৰ ওপৰত যেন সতৰ্কভাৱে পহৰা দিবলৈহে বহিল।

অলপমানো লৰচৰ কৰিলেই জানোচা কুকুৰ কেইটাই সিহঁতৰ যোৱাল দাঁতেৰে মোক নেফানেফ কৰে, সেই ভয়তে মই ইফাল সিফাল নকৰাকৈ থৰ হৈ ৰলোঁ। ৰলোঁ হয়, পিচে মোৰ দুৰ্কপলীয়াৰ মনত এটা দুষ্ট বুদ্ধিও খেলালে। মই ভাবিলোঁ কুকুৰ অধম জীৱ, নিৰ্বাক অপমান সিহঁতে বুজি নাপায়। গতিকে হাতেৰে নোৱাৰি যেতিয়া অন্য প্ৰকাৰেই সিহঁতক এসেকা দিয়া যাওক। এই ভাবি মই সিহঁতলৈ চাই চকু টিপিয়ালো, আৰু মুখ ভেঙুচালি কৰিও দেখুৱালোঁ। তাকে কৰোঁতে মোৰ চেহেৰাৰ কঁৰবাত কিবা বিকৃতি যেন দেখি মহাশয়া ইমানকৈ জঁকি উঠিল যে প্ৰায় পাগলীৰ

দৰে তেওঁ মোৰ কোলাত জঁপিয়াই উঠিলহি। মই তৎমুহূৰ্তে তেওঁক মোৰ কোলাৰ পৰা ঠেলা মাৰি বগৰাই দি মেজখনেৰে ভেটা দি ধৰিলোঁ। তাকে কৰোঁতেই গোটেইমখা কুকুৰ জাঙুল খাই উঠিল; ঘোঁ-ঘোঁৱনি, ভুকভুকনি আৰম্ভ হ'ল, আৰু ঘৰটোৰ বেলেগ বেলেগ পিনৰ পৰা আধা ডজন চতুষ্পদী বীৰ মজিয়াত হাজিৰ হ'লহি— এইজাকনো অতপৰ ক'ত লুকাই আছিল গমেই পোৱা নাছিলোঁ। মোৰ গোৰোহা আৰু কোটচোলা সিহঁতে আক্ৰমণৰ প্ৰধান লক্ষ্য কৰি লৈ সক্ৰিয় হৈ পৰিল। মই যিমান পাৰোঁ জুহালৰ খুই চুঙাটোৰে ডাঙৰ কেইটাক বাধা দিবলৈ চেষ্টা কৰিলোঁ, আৰু শান্তি স্থাপনৰ বাবে সেই সময়ত তাত থাকিব পৰা যিকোনো লোকৰে পৰা সাহায্য ভিক্ষা কৰি প্ৰাণৰ কাতৰে চিঞৰিবলৈ ধৰিলোঁ।

মোৰ আৰ্তনাদ শুনি মিঃ হিথক্লিফ আৰু তেওঁৰ লগুৱাটো, হায়বাগ হোৱা যেন দেখুৱাই, ধীৰে ধীৰে ওপৰলৈ উঠি আহিল। ইমান এটা হৈ-চৈ হৈছে, অথচ তেওঁলোকৰ খোজ সচৰাচৰ বেগতকৈ এক চেকেণ্ডো খৰ হৈছিল যেন নালাগিল, অথচ জুহালৰ ওচৰত তেতিয়া মানুহৰ অসহায় আৰ্তনাদ আৰু কুকুৰৰ পিলাই চমকোৱা ভুকভুকনি মিলি যেন হিলদল ভাঙি নিয়া ধুমুহাৰহে সৃষ্টি হৈছিল।

ভাগ্য ভাল, ৰান্ধনিশালৰ পৰা এগৰাকী মহিলা কিছু বেগাবেগিকৈ ওলাই আহিল। তেওঁৰ চেহেৰা বেচ থুলন্তৰ। পিন্ধনত আছিল এটা গাউন, তাৰে আধাভাগ ওপৰলৈ কোচাই লোৱা, গাল দুখন জুইৰ ওচৰত থাকি থাকি ৰঙা পৰা। বাহুযুগল উদং। হাতত তাৱা এখন লৈ তেওঁ আমাৰ মাজত উপস্থিত হ'লহি, আৰু তেওঁৰ মুখ আৰু সেই অস্ত্ৰপাতৰ (তাৱাখনৰ) এনেহে সদ্ব্যৱহাৰ কৰিবলৈ ধৰিলে যে নিমিষতে ধুমুহা শান্ত হৈ পৰিল। যেন কিবা যাদুমন্ত্ৰহে কৰিলে। মহিলা গৰাকীয়ে খং আৰু উত্তেজনাত জোৰে জোৰে ফোঁপাবলৈ ধৰিলে— যেন ধুমুহাৰ পিচৰ সাগৰহে। তেনে সময়তে গৃহস্থ আহি সেইখিনিত উপস্থিত হ'ল, আৰু গোঁজৰণি মাৰি সুধিলে, 'বোলো তইঁতৰ গাত কোনখনা অপদেৱতা লম্ভিছে, হেঁ ?' সোধাৰ লগে লগে মোলৈ এনেদৰেহে চালে, যে সেই অতিথি বিমুখ ব্যৱহাৰৰ পিচত, চাৱনিটো মোৰ সহ্য নহ'ল।

'অপদেৱতা লম্ভাৰ কথা সুধিবলৈ আহিছে !' মই ভোৰভোৰাই ক'লোঁ। 'যি জন্তুহে কুকুৰ পুহিছে আপুনি । ভূতলগা গাহৰিৰ জাকটোও কিজানি ইমান সাংঘাতিক নাছিল । এজাক বাঘৰ মাজত মানুহ এটা অকলে এৰি দিয়াৰ দৰে কাম কৰিছে ।'

'বস্তুবাহানিত হাত নিদিয়া মানুহক সিহঁতে একো নকৰে ।' হিথক্লিফে ক'লে, আৰু কাষতে পেলাই থোৱা মেজখন দাঙি আনি আগৰ ঠাইত পাতি তাতে মদৰ বটল এটা থ'লে। 'কুকুৰৰ কামেই হ'ল পহৰা দিয়া। মদ এটোপ নধৰে জানো ?'

'নালাগে, ধন্যবাদ।'

'কামোৰা নাই নহয় ?'

'কামোৰাইহেঁতেন কামোৰাটোক মৰিয়াই আধামৰা কৰিলোহেঁতেন।'

উত্তৰ শুনি হিথক্লিফৰ মনটো যেন পাতল হ'ল; মুখত তেওঁ যেন এটা হাঁহিৰ ভাব বিৰিঙালে।



'এস, থওক হে। আপুনি দেখিছোঁ, মিঃ লকউদ, মিছাতে খং খাইছে। এয়া লওক, এগিলাচ খওক। তাতকৈ এটুপি খওক। অতিথি বুলিবলৈ ইয়াত কাচিৎ কোনোবাহে আহে। ফলত আলহীক নো সোধপোচ কৰিব লাগে কেনেকৈ ময়ো নাজানো, মোৰ কুকুৰবোৰেও নাজানে। আপোনাৰ স্বাস্থ্য কামনাৰে......'

ময়ো তেওঁৰ স্বাস্থ্য কামনাৰ প্ৰত্যভিবাদন জনাই এগিলাচ মদ মোৰ মুখৰ আগত ধৰিলোঁ। কুকুৰ এগালৰ কথাত লাগি গোমোৰা হৈ বহি থকাটো মূৰ্খালি হ'ব বুলি মই ভাবিলোঁ। তদুপৰি এই মানুহজনে আমোদ পাব পৰা কোনো কামকে মই নকৰিবলৈ ঠিক কৰিলোঁ; কাৰণ মই লক্ষ্য কৰিছিলোঁ যে তেওঁৰ মনটো ইতিমধ্যে লঘু স্ফূৰ্তি তামাচাৰ পিনে ঘোৰ খাইছিলেই।

নিৰীহ ভাৰাঘৰীয়া এজনক এনেদৰে অপদস্থ কৰাটো ভাল কথা হোৱা নাই বুলি বোধহয় তেওঁ উপলব্ধি কৰিব পাৰিলে, আৰু সেইবাবেই কথা পতাৰ নামত 'মই', 'আপুনি', 'ওঁ', 'আ', 'হয়', 'নহয়' আদি শব্দ বা শব্দাংশকে মুখৰ ভিতৰতে কৈ থোৱাতকৈ, মই নতুনকৈ থাকিবলৈ লোৱা ঠাইখনৰ সুবিধা অসুবিধাবোৰৰ কথাকে আলোচনা কৰা উভয়ৰ বাবে ভাল বুলি ভাবিলে।

আমি আলোচনা কৰা বিষয়বোৰত তেওঁ যি দখল দেখুৱালে, তাৰ পৰা তেওঁক মোৰ বুদ্ধিমান লোক যেনেই লাগিল। আজিলৈ ঘৰলৈ ওভতাৰ আগে আগে মই কালিলৈকে আকৌ এবাৰ ইয়ালৈ অহাৰ কথা ভাবিলোঁ।

আকৌ এবাৰ মই তালৈ যোৱাটো তেওঁ যে পেটেসমন্বিতে ভাল পোৱা নাছিল সেই কথা মই বুজিব পাৰিছিলোঁ। তথাপিও মই যাম। তেওঁৰ তুলনাত মই যে বহুত বেছিগুণে হলিগলি কৰি ভালপোৱা মানুহ সেই কথা ভাবিলেই মোৰ ভাল লাগি যায়।

## ২

কালি আবেলিটো কুঁৱলীয়ে ঢাকি থৈছিল। জাৰো পৰিছিল। মনে মনে ভাবিছিলোঁ যে কাঁইটীয়া পথাৰখনৰ মাজেদি বোকাপানী গচকি 'বাদাৰিং হাইট্‌চ'লৈ নগৈ পঢ়াকোঠাৰ গুৰিতে বহি আবেলিটো কটাই দিম।

পিচে দিনটোৰ প্ৰধান সাজ আহাৰ খাই ধুৰি আহাৰ পিচত ভৰামতে আৰাম কৰাৰ অভিপ্ৰায় মই এৰিব লগা হ'ল। এই সাজ আহাৰ মই দিনৰ বাৰ আৰু এক বজাৰ ভিতৰতে খাব লাগে। গৃহকৰ্ত্ৰী গৰাকীক— তেওঁ আছিল এগৰাকী বেচ থুলন্তৰ চেহেৰাৰ ভদ্ৰ মহিলা, কতদিন যে সেই একেখন ঘৰতে আছে, ভাব হয় যেন ঘৰটোৰ সমানেই তেওঁ পুৰণি; আচবাববোৰো সলনি হোৱা নাই। গৃহকৰ্ত্ৰীও সলনি হোৱা নাই—গৃহকৰ্ত্ৰী গৰাকীক কতবাৰ মই অনুৰোধ কৰিলোঁ যে দুপৰীয়াতে নিদি মোক সেই সাজ আহাৰ আবেলি পাঁচ বজাত দিলে ভাল হয়, নাই, কোনো ফল নহ'ল— মোৰ অনুৰোধ তেওঁ হয় বুজি নাপায়, নহয় বুজিব নোখোজে। গতিকে কালিও সেই সাজ গিলি ধুৰি আহি খটখটিত ভৰি দিয়ালৈকে মোৰ অভিপ্ৰায় আছিল দিনটোৰ বাবে কলৈকো নোলোৱা। কিন্তু কোঠালৈ সোমায়েই দেখিবলৈ পালোঁ যে জুহালৰ ওচৰত চাকৰণী ছোৱালী এজনী। তাইৰ ওচৰত শেটা, আৰু কাঠ কয়লাৰ খৰাহী। আঠুকাঢ়ি লৈ তাই জুহালত কয়লাৰ গুৰি ঢালি দি জুইকুৰা নুমাবলৈ যত্ন কৰিছে। ফলত গোটেই কোঠাটো ধুৱঁলী-কুঁৱলী হৈ পৰিছে। কোঠাটোৰ অৱস্থা দেখিয়েই মই তাত বহি আৰাম কৰাৰ আশা এৰি পেলালোঁ, আৰু মূৰত হেটটো লগাই লৈ তৎক্ষণাত বাহিৰ হ'লোঁ। চাৰিমাইল বাট বাটকুৰি বাই হিথক্লিফৰ পদুলিমুখ পাইছোঁ মাত্ৰ, এনেতে গুৰি গুৰি হিমবৃষ্টি আৰম্ভ হ'ল।

জনশূন্য সেই শিখৰত তেতিয়া প্ৰচণ্ড তুষাৰপাত হৈছিল। হাড়কঁপোৱা জাৰত মোৰ হাত-ভৰি ঠৰ যোৱাদি হৈছিল। জপনাৰ শিকলিডাল আঁতৰাব নোৱাৰি, ওপৰেদি বগাই পাৰ হ'লোঁ, আৰু চোতালৰ এলাঁতিয়ে থকা, শিলেৰে বন্ধোৱা পটিটোৰেদি দুৱাৰমুখলৈ আগবাঢ়িলোঁ। পটিটোৰ দুয়ো কাষে অ'ত ত'ত চেগা-চোৰোকাকৈ আছিল কিছুমান চাপৰ চাপৰ জোপোহা গছ।

দুৱাৰমুখ পাই ভিতৰলৈ যোৱাৰ অভিপ্ৰায়েৰে দুৱাৰত টুকুৰিয়ালোঁ। কিন্তু কাৰো সাৰসুৰ নাই। টুকুৰিয়াওঁতে টুকুৰিয়াওঁতে মোৰ আঙুলিৰ গাঠিত বিষ উঠিলগৈ, আৰু ভিতৰত কুকুৰৰ ঘৌ ঘৌৱনিও আৰম্ভ হ'ল; কিন্তু কোনো নৰমনিচৰ মুখ দেখা পোৱা নগ'ল।

মই মনে মনে ক'লোঁ, 'দুৰ্দ্দশীয়া জীৱবোৰ ক'ৰবাৰ, এনে কাঠচিতীয়া অতিথি



বিমুখ স্বভাৱৰ বাবে তহঁত গোট-জাতিৰ পৰা একেবাৰে এৰা পৰি থকাহে উচিত। মই হ'লে দিন দুপৰতে দুৱাৰখন এইদৰে দাং মাৰি কেতিয়াও থ'ব নোৱাৰোঁ। যি হয় হ'ব, মই সোমাই যামেই।'

এইবুলি মনতে ঠিবাং কৰি দুৱাৰখনৰ শলখাত ধৰি গাৰ জোৰেৰে জোকাৰিবলৈ ধৰিলোঁ। আৱাজ শুনি ওচৰৰ গুদাম ঘৰৰ পৰা চিকিকা বস্তৰ মুখেৰে জোজেফে ঘূৰণীয়া খিৰিকি এখনেদি মূৰটো উলিয়াই মাত লগালে ঃ 'বোলো কাক বিচাৰিছে ? গৃহস্থ জন্তু ৰখা ঘৰৰ পিনে আছেগৈ। তেওঁৰ লগত কথা আছে যদি ভঁৰাল ঘৰৰ মুখেদি যাওক।'

'দুৱাৰখন খুলি দিবলৈকো ভিতৰত কোনো নাইনে ?' মই লেন লগাই এক বিশেষ সুৰত চিঞৰি সুধিলোঁ। 'আইদেউৰ বাহিৰে কোনো নাই। আপুনি ওৰে নিশাটো টেটুফালি চিঞৰি থাকিলেও তেওঁ দুৱাৰ নোখোলে।'

'কিয় ? জোজেফ, তুমিতো মোক চিনি পাইছা। তুমি গৈ আয়েৰাক কোৱাচোন মই আহিছোঁ বুলি।'

'মই নোৱাৰোঁ। এইবোৰ কথাত সোমাবলৈ মই নাযাওঁ।' এইবুলি ভোৰভোৰাই কৈ জোজেফ অদৃশ্য হ'ল।

তুষাৰপাত আৰু ঘনকৈ হ'বলৈ ধৰিলে। আকৌ এবাৰ চেষ্টা কৰি চাওঁ বুলি মই দুৱাৰৰ শলখাত হাত দিলোঁ। তেনেতে পিচফালৰ চোতালত, কান্ধত ওখোন এডাল লৈ এজন ডেকা মানুহ ওলালহি। তেওঁৰ গাত কোটচোলা নাছিল। তেওঁ মোক পিচে পিচে গৈ থাকিবলৈ ইংগিত দিলে, ময়ো তেওঁৰ পিচ ধৰিলোঁ। এটা গা-ধোৱা ঘৰ, পকাকৈ বন্ধোৱা এখন চোতাল, চোতালৰ এমূৰে কয়লা থোৱা এখন চালি, পানীৰ কল আৰু পাৰৰ বাহ কিছুমান পাৰ হৈ, আগৰবাৰ মোক বহিবলৈ দিয়া সেই প্ৰকাণ্ড, বিতোপন, আৰামদায়ক হাউলিটো পালোঁগৈহঁক।

খৰি, কয়লা, আৰু জাৰৰ জোথৰেৰে একুৰা প্ৰকাণ্ড জুই জ্বলোৱা হৈছিল। জুইৰ পোহৰত, দেখিলেই মনটো ভাল লাগি যোৱাকৈ, ভিতৰখন জিলিকি পৰিছিল। ৰাতিৰ আহাৰৰ বাবে মেজত বিবিধ সামগ্ৰী লোভ লগাকৈ সজাই থোৱা আছিল। সেই মেজৰ ওচৰতে গৃহকৰ্ত্ৰী আইদেউ গৰাকীক বহি থকা মই দেখা পালোঁ। তেওঁৰ অস্তিত্ব সম্পৰ্কে এই মুহূৰ্তলৈকে মোৰ কোনো ধাৰণাই নাছিল।

ভদ্ৰ মহিলালৈ সৌজন্যসূচক ভাবে মূৰ দোঁৱাই মই ৰৈ থাকিলোঁ। ভাবিছিলোঁ যে তেওঁ মোক বহিবলৈ ক'ব। তেওঁ চকীত আউজি মোলৈ চালে, কিন্তু নিৰ্বাক নিস্পন্দ হৈ ৰ'ল। 'বৰ বেয়া বতৰ !' মই মাত লগালোঁ। 'মিচেচ হিথক্লিফ, আপোনাৰ চাকৰৰ অমনোযোগিতাৰ পৰিণাম দুৱাৰখনে বহন কৰিব লগা হ'ল। তাৰবাবে মই দুঃখিত। বহুতপৰৰ কষ্ট কৰিলতহে মই আহিছোঁ বুলি সিহঁতে গম পালে।'

মুখ ফুটাই তেওঁ একো নক'লে। মাত্ৰ মোৰ মুখলৈ একেথৰে চাই থাকিল। ময়ো

চাই থাকিলোঁ। তেওঁৰ দৃষ্টিত কোনো আবেগ অনুভূতিৰ চিন নাছিল, সি আছিল নিতান্তই এক উদাসীন চাৱনি। মোৰ বাবে একান্তই অনভিপ্ৰেত, গতিকে মই বৰ অপ্ৰস্তুত বোধ কৰিলোঁ।

মোক বাট দেখুৱাই আগবঢ়াই দিয়া ডেকা মানুহজনে কেটেৰা মাতেৰে ক'লে, 'বহক। তেখেত অলপতে পাবহি।'

তাৰ কথামতেই মই বহিলোঁ। লগে লগে মই সেই দুষ্ট কুকুৰজনীৰ— তাইৰ নাম আছিল জুন— মনোযোগ আকৰ্ষণ কৰিবলৈ তাইক নামধৰি মাতিলোঁ। এই দ্বিতীয়বাৰ দৰশনত যে তাই মোক চিনি পাইছে তাকে বুজাবলৈ তাই নেগুৰৰ আগটো লাহে লাহে নচাবলৈ ধৰিলে।

'বেচ ধুনীয়া কুকুৰ,' মই আকৌ মাত লগালোঁ।

'পোৱালীবোৰৰ আনক বিলাই দিয়াৰ কথা ভাবিছে নেকি ?'

'সেইবোৰ মোৰ নহয়'— বুলি অমায়িক ভদ্ৰমহিলা গৰাকীয়ে যেনেকৈহে কেটেৰাই উত্তৰ দিলে মই শুনি হতভম্ব হৈ গ'লোঁ। মিঃ হিথক্লিফেও বোধহয় সিমান কটা মাতেৰে জবাব নিদিলেহেঁতেন।

ওচৰতে, অলপ আন্ধাৰত, দলিচা এখনত, দেখিবলৈ মেকুৰী পোৱালি যেন লগা কিবা কিছুমান মোৰ চকুত পৰিছিল। সেইবোৰলৈ দেখুৱাই মই আকৌ ক'লোঁ, 'আপোনাৰ মৰমৰ কেইটা তেন্তে এই ৰাকৰ মাজতহে আছে।' তেওঁ অৱজ্ঞাৰে উত্তৰ দিলে, 'বেচ কথা কৈছে আপুনি, মৰমৰ বস্তুৰ ইয়াতকৈ ভাল বাছনি আৰু কিনো হ'ব পাৰে।'

দুৰ্ভাগ্যবশতঃ মই মেকুৰী বুলি ভবা সেইগাল আছিল এগাল মৰা শহাপহহে।

ভদ্ৰ মহিলাৰ মনোযোগ আকৰ্ষণ কৰিবলৈকে বুলিয়েই মই জুইশালৰ আৰু কিছু ওচৰ চাপি গ'লোঁ, আৰু চলি থকা বেয়া বতৰ সম্পৰ্কেও কিবা এটা মন্তব্য কৰিলোঁ।

মহিলাগৰাকীয়ে ক'লে, 'আপুনি ওলাই আহিবই নাপাইছিল', আৰু কোৱাৰ লগে লগে থিয় হৈ, কাঠৰ পাতটিখনৰ পৰা ৰং দিয়া দুটা সৰু টিন নমাই আনিবলৈ চালে।

অতপৰে মানুহগৰাকীৰ গাত পোহৰ ভালকৈ পৰা নাছিল। এতিয়া থিয় দিলত তেওঁৰ গোটেই গাটো আৰু মুখখন মই ভালকৈ দেখা পালোঁ। গঢ়নত তেওঁ আছিল ক্ষীণ, জোৱালী জোৱালী ভাবটো যেন তেতিয়াও আছিল। তেওঁৰ দেহৰ গঠন আছিল সুশ্ৰী আৰু নিপোটল; সৰু মুখখন আছিল অপূৰ্ব সুন্দৰ। তেনে ধুনীয়া এখন মুখ আগতে দেখা মোৰ মনতেই নপৰে। অংগ-প্ৰত্যংগবোৰ সৰু সৰু আৰু বৰ ধুনীয়া। পাতল হালধীয়া ৰঙৰ, বা সোণালী বুলিও ক'ব পৰা, কেঁকোৰা কেকুৰি চুলিৰ সৰু সৰু কোচা কেইটামানে তেওঁৰ নিমজ গালখন গুৱাই ৰাখিছিল। আৰু তেওঁৰ চকুযুৰি— সিহঁতৰ দৃষ্টি যদি মনোৰম হ'লহেঁতেন, মই তাক অপ্ৰতিৰোধ্য বুলি



অভিহিত কৰিলোহেঁতেন, পিচে, ভাগ্য ভাল, মোৰ অনুভূতিপ্ৰৱণ অন্তৰে তেওঁৰ চকুত আবিষ্কাৰ কৰিলে অৱজ্ঞা আৰু হতাশাৰ কিবা এক সম্মিলিত প্ৰকাশ। তেওঁৰ দৰে সুন্দৰী মহিলা এগৰাকীৰ ক্ষেত্ৰত তেনে প্ৰকাশ নিতান্তই অকল্পনীয়।

টিনৰ সৰু বাকচ দুটা তেওঁ চুকি পোৱাত নাছিল। মই তেওঁক সহায় কৰি দিওঁ বুলি থিয় হৈছোঁ মাত্ৰ, তেওঁ ভেকাহি মাৰি পঠিয়ালে ঃ 'মোক আপোনাৰ সহায় নালাগে। মই নিজেই নমাব পাৰিম।'

'ক্ষমা কৰিব,' মই লগে লগে বিনীতভাবে ক'লোঁ। পিন্ধি থকা ক'লা সুন্দৰ ফ্ৰকটোৰ ওপৰত ঢাকনী কাপোৰ এটুকুৰা (এপ্ৰন) ৰচীৰে বান্ধিবলৈ ধৰি আৰু চাহ এচামুচ কেটলিত ভৰাবলৈ লৈ তেওঁ মোক সুধিলে, 'আপোনাক চাহ খাবলৈ নিমন্ত্ৰণ কৰিছিলে নেকি ?'

'এপিয়লা পালে ভালেই পাম,' মই উত্তৰ দিলোঁ। ''আপোনাক মাতিছিলে নেকি ?' একেটা প্ৰশ্নকে তেওঁ আকৌ সুধিলে।

মিচিকিকৈ হাঁহি যেন কৰি মই উত্তৰ দিলোঁ, 'মতা-নমতাৰ আচল গৰাকীচোন আপুনিয়েই।'

ক'বলৈহে পালোঁ, তেওঁ চাহে চামুচে দলিয়াই দিলে, আৰু ৰুষ্ট মনেৰে আকৌ চকীত বহিল। তেওঁৰ কপালৰ শিৰ কোঁচ খালে, ৰোৱা ভাতুৰীয়া তল ওঠটো যেন কঁপি উঠিল,— ঠিক যেন এইমাত্ৰ কেঁকুৰি দিব খোজা এটা কেঁচুৱাহে !

এনে সময়তে আগতে মোক বাট দেখুৱাই অনা ডেকা মানুহটো আহি জুইৰ কাষত থিয় হ'ল। ইতিমধ্যে সি জলহ চোলা যেন লগা কিবা এটা গাত সুমাইছে। থিয়দি থকাতে সি একেবাৰে মোলৈ পোন্দোৰাকৈ এনেকৈহে চাবলৈ ধৰিলে যেন তাৰে মোৰে মাজত কিবা প্ৰাণঘাতী বিবাদহে ওৰ নপৰাকৈ আছে। মানুহটো ঘৰখনৰ চাকৰ হয়নে নহয় মোৰ সন্দেহ হ'ল; তাৰ সাজ-পাৰ আছিল অপৰিপাটি, আৰু মাত-কথা অমাৰ্জিত। হিথক্লিফ দম্পতীৰ সুৰুচিৰ লগত নিমিলা। তাৰ ঘন, মুগাবৰ্ণীয়া চুলিকোচা আছিল জপৰা, কোনোদিনে কাকৈ-ফণী নলগোৱা, ভালুকৰ নোমৰ দৰে তাৰ দীঘল গোফ কোচা গাললৈকে গজিছিল, আৰু হাত দুখন সাধাৰণ বনুৱাৰ হাতৰ দৰে খহটা আৰু ৰ'দে পোৰা ৰঙৰ। তাৰ চাল-চলন আছিল অবাধ, আচৰণ আছিল ৰূঢ়। গৃহকৰ্ত্ৰীৰ প্ৰতি সচৰাচৰ দেখুওৱা সমীহ তাৰ আচৰণত দেখা পোৱা নাছিলোঁ।

তাৰ প্ৰকৃত পৰিচয় জানিব নোৱাৰি, তাৰ অদ্ভুত আচৰণলৈ চকু নিদিয়াই ভাল হ'ব বুলি মই বিবেচনা কৰিলোঁ। ঠিক পাঁচ মিনিটমান পিচতে মিঃ হিথক্লিফ আহি পালে আৰু সেই অস্বস্তিকৰ পৰিস্থিতিৰ পৰা মই ৰক্ষা পালো বুলি ভাবি ল'লোঁ।

হিথক্লিফক দেখিয়েই মই বৰ উল্লাসেৰে কোৱাৰ দৰে কলোঁ, ''চাওক মহাশয়, মই কেনে কথা ৰখা মানুহ। আহিম বুলি কৈ গৈছিলোঁ, আহিলোৱেই। আৰু বতৰবাহে যি অৱস্থা হৈছে, আপোনাৰ ইয়াত আৰু আধাঘণ্টামান থাকিব লাগিব। আপুনি বা কি কয় !'

বৰফৰ টুকুৰাবোৰ গাৰ পৰা জোকাৰি জোকাৰি তেওঁ ক'লে, 'আধা ঘণ্টা ? এইটো বতৰত আপুনিনো কিয় ওলাই আহিল মই ভাবি পোৱা নাই। ইমান ডাঠকৈ বৰফ পৰিছে। ক'ৰবাত খালে-ডোঙে পিচলি পৰি ভিজিলেকে পোত যাব যে পাৰে সেই কথা আপুনি নিশ্চয় চিন্তা কৰা নাই। এই ঠাইৰ লগত চিনাকি মানুহবে এনেকুৱা গধূলিশবত বাটৰ আঁত হেৰায়, আৰু আপোনাৰ বাবে এই ঠাইখন এখন অচিনাকি জগত, আৰু সদায়হতে বতৰ যে সলনি হ'ব, তাৰো মই লক্ষণ দেখা নাই।'

'আপোনাৰ চাকৰ-বাকৰৰে এটা নাপাম নে ? মোক বাট দেখুৱাই লৈ যাব, আৰু ৰাতিটো মোৰ লগতে কটাই পুৰা গুচি আহিব। দিব নোৱাৰিবনে বাৰু এটা ?'

'নাই, নোৱাৰিম।'

'হেঃ ! বৰ মক্কিলৰ কথা হ'ল। নিজে চইচিটি যাব লাগিব আৰু।'

'হোঁঃ !'

জৰুলা কোট পিন্ধা ডেকা মানুহটোৱে তাৰ দৃষ্টি মোৰ পৰা আঁতৰাই নি যুৱতী মহিলা গৰাকীত নিক্ষেপ কৰি সুধিলে, 'চাহ কৰিবি নহয় ?'

হিথক্লিফলৈ চাই তেওঁ সুধিলে, 'তেখেতেও খাব নেকি ?'

প্ৰত্যুত্তৰত হিথক্লিফে কৰ্কশ মাতেৰে ক'লে, 'কৰ বুলিছোঁ নহয় !' ইমান টানকৈ কথাষাৰ ক'লে যে মই উচপ খাই উঠিলোঁ। কথা কোৱাৰ সুৰটোত প্ৰকৃততে এক অসৎ প্ৰকৃতি ফুটি উঠিছিল। 'চমৎকাৰ লোক' বুলি হিথক্লিফৰ বিষয়ে থকা মোৰ ধাৰণাৰ তেতিয়াই ওৰ পৰিল।

চাহ হ'লত, 'মহাশয়, চকীখন চপাই আনক' বুলি তেওঁ মোক মেজলৈ মাতিলে। আমি দুয়ো চাহৰ মেজত বহিলোঁ। হজুৱা ডেকাটোও বহিল। বহুত পৰলৈ কাৰো মুখত মাতবোল নাই। মাত্ৰ পৰিবেশন কৰা খাদ্য বস্তুবোৰৰ বিষয়েহে দুই এটা চমু মন্তব্য প্ৰকাশ কৰা হৈছিল।

মোৰ ধাৰণা হ'ল যে সেই গোমা পৰিবেশটো সৃষ্টি কৰাৰ মূলতে মই। গতিকে গোমা বতৰ আঁতৰাই ফৰকাল বতৰৰ সৃষ্টি কৰাৰ দায়িত্বও মোৰেই বুলি মোৰ ভাব হ'ল। তেওঁলোকতো সদায় এইদৰে গোমোঠা মাৰি, ইটোৱে সিটোৰ লগত মাতবোল নকৰাকৈ নাথাকে। যিমানেই বদ মেজাজী নহওক কিয়, এইদৰে কপালৰ গাঠি খোপা কৰি থকাটো তেওঁলোক কাৰোৰে প্ৰাত্যহিক অভ্যাস হ'ব নোৱাৰে।

চাহৰ পিয়লাত চুমুক দি মই মাত লগালোঁ, 'অভ্যাসৰ বাবেই আমাৰ ৰুচি আৰু ধৰ্মভাৰ যে কেনেকৈ সলনি হয়, সেইকথা ভাবিলেই আচৰিত লাগে। আপোনাৰ কথাকে ধৰক। আপোনাৰ সৰে ব্যস্ত জগতৰ পৰা নিৰ্বাসিত হৈ থকাদি থকা লোকৰ জীৱনত সুখ যে থাকিব পাৰে সেই কথা বহুতেই কল্পনা কৰিবলৈকো টান পাব। কিন্তু মই ন দি ক'ব পাৰোঁ যে আপোনাৰ অন্তৰ প্ৰদেশ আৰু পাৰিবাৰিক জীৱনৰ অধিষ্ঠাত্ৰী এই সাধ্বী গৃহিণী প্ৰমুখ্যে পৰিজনৰ দ্বাৰা পৰিবেষ্টিত হৈ—'



মই শেষ কৰিবলৈ নাপালোঁৱেই, হিথক্লিফ জাঙুল খাই উঠিল, আৰু মুখত এক পৈশাচিক পৰিহাসৰ ভাব ফুটাই তুলি ক'লে, "মোৰ সাধ্বী গৃহিণী ? ক'ত দেখিলে আপুনি মোৰ সাধ্বী গৃহিণী গৰাকীক ?"

"মই আপোনাৰ পত্নী শ্ৰীমতী হিথক্লিফৰ কথা কৈছোঁ।"

"এহে— তাৰ মানে আপুনি ক'ব খুজিছে যে তেওঁৰ আত্মাই এতিয়া অধিষ্ঠাত্ৰী দেৱীৰ পদবী ললে আৰু অশৰীৰী হৈয়ো তেওঁ এই 'ৱাদাৰিং হাইটচ'ৰ গৃহস্থালিখনৰ ভাল-বেয়াৰ তদাৰক কৰে। আপুনি ইয়াকে বুজাব খুজিছে। নহয় জানো ?"

এটা মস্ত ভুল কৰিলোঁ বুলি বুজিব পাৰি, মই ভুলটো শুধৰাবলৈ চালোঁ। এটা কথা মই মন কৰিব লাগিছিল ঃ উভয়ৰ মাজত পতি-পত্নীৰ সম্বন্ধ হ'বলৈ দুয়োৰো ভিতৰত বয়সৰ বহুত ব্যৱধান। এজনৰ বয়স আছিল চল্লিচৰ ওচৰাওচৰি। সেইটো বয়সত সাধাৰণতে কোনো মানুহেই ছোৱালীয়ে প্ৰেমত পৰি বিয়া কৰাবলৈ আগবাঢ়ি আহিব বুলি অলীক চিন্তা নকৰে। এনেবোৰ উদ্ভট কল্পনা বৃদ্ধ বয়সৰ বাবেহে একচেটীয়া— যেন সান্ত্বনাৰ প্ৰলেপ ! আনগৰাকীৰ বয়স দেখাত সোতৰ যেনো নালাগে।

পিচতহে মই কথাটো টং কৰিব পাৰিলোঁ। মোৰ গাৰ কাষতে বহি, ঘটি এটাৰ পৰা চাহপানী ঢোকাঢোকে পি থকা, আৰু নোধোৱা হাত-পাতেৰে কটি চোবাই থকা হজুৱা মানুহটোৱেই বোধহয় গাভৰু গৰাকীৰ গিৰিয়েক। সি হিথক্লিফৰে পুতেক, আন কোনো নহয়, বুলিয়েই মোৰ ধাৰণা হৈছিল। জীৱন্ত সমাধি বোধহয় ইয়াকে বোলে। তেওঁ বাৰু তাক কিয় বাছি ল'লে ? মই ভবাত কাৰণ এটাই মাত্ৰ হ'ব পাৰে ঃ সেই বৰ্বৰটোতকৈ যে ভাল মানুহ সংসাৰত থাকিব পাৰে সেই কথাৰ কোনো ধাৰণাই নিশ্চয় তেওঁৰ নাছিল। সেই অজ্ঞতাৰ বাবেই তাক তেওঁ জীৱনসংগী কৰি ললে। ভাবিলেই বেচেৰীলৈ পুতৌ হয়।

মোক দেখা পোৱাৰ পিচত তেওঁ নিজৰ পছন্দৰ বাবে নিশ্চয় আক্ষেপ কৰিব, সেই বিষয়ে মই সতৰ্ক হোৱা উচিত বুলি ভাবিলোঁ।

এই শেহৰ চিন্তাটো বৰ উদ্ভট যেন লাগিবও পাৰে। পিচে প্ৰকৃততে ই তেনে নহয়। এই চহা মানুহটো মোৰ দৃষ্টিত বৰ জঘন্য যেন লাগিছিল। অভিজ্ঞতাৰ পৰা মই জানো যে মোৰ ব্যক্তিত্ব বেচ আকৰ্ষণীয় আৰু চেহেৰাটোও চকুত লগা।

মোৰ অনুমান সাব্যস্ত কৰি হিথক্লিফে মাত লগালে— "শ্ৰীমতী হিথক্লিফ হ'ল মোৰ বোৱাৰী"। কোৱাৰ লগে লগে তেওঁ বোৱাৰী গৰাকীলৈ এনে এক দৃষ্টিৰে চালে যে তাতে তেওঁৰ অন্তৰৰ সমস্ত বিদ্বেষ প্ৰকাশ পালে। আনি দহজনৰ দৰে হিথক্লিফৰ ক্ষেত্ৰতো মুখভংগিতেই মনৰ ভাব প্ৰকাশ পায় বুলি ধৰি ললে এই কথাকে সঁচা বুলি ধৰিব লাগিব। ব্যতিক্ৰম হ'লে অৱশ্যে সুকীয়া কথা।

"হয়, হয়, মই এতিয়াহে কথাটো বুজিব পাৰিছোঁ।" উচৰতে থকা জন্তুটোলৈ চাই মই ক'লোঁ, "আপুনিয়েই এই দৰদী পৰী গৰাকীৰ ভাগ্যবান স্বামী।"

COLLEGE LIBRARY ... COLLEGE NAGAR, ...-01
R55 3711
26.9.07
12155

এই আবাৰ কথাই আগৰ আবাৰতকৈয়ো বেছিকৈহে নগৰত জগৰ লগালে। ডেকা মানুহজন ৰঙা-চিঙা পৰিলে। আৰু দুই হাতৰ মুঠি এনেদৰে মাৰি ললে যেন মোক এযোচা সোধাবলৈহে সাজু হৈছে। পিচে সি কিবা প্ৰকাৰে তৎক্ষণাত আত্মসংবৰণ কৰিলে; মোক উদ্দেশ্য কৰি মুখৰ ভিতৰতে কিবা এটা অভিশাপো ভোৰ ভোৰালে। মই পিচে তালৈ বৰ কাণসাৰ নিদিলোঁ।

হিথক্লিফে মাত লগালে, "আপোনাৰ অনুমান এইবাৰো মিছা হ'ল। আপোনাৰ এই দৰদী পৰী গৰাকী নিজৰ বুলি দাবী আমি এটায়ো কৰিব নোৱাৰোঁ। তেওঁৰ গৰাকীৰ মৃত্যু হৈছে। তেওঁ মোৰ বোৱাৰী আছিল বুলি মই কৈছিলোঁ। তাৰ মানে তেওঁ মোৰ ল'ৰাক বিয়া কৰাইছিল।"

"এই ডেকা মানুহজন তেন্তে আপোনাৰ....."

"নিশ্চয় মোৰ ল'ৰা নহয়।"

হিথক্লিফে আকৌ এবাৰ কুটিল হাঁহি এটা মাৰিলে— যেন সেই অভদ্ৰটোৰ পিতাক বুলি তেওঁ ঠাৰৰ কৰাটো কিবা ঠাট্টা মস্কৰাৰ কথাহে হ'ল।

নিগালে সিজনে খেংখেঙাই উঠিল; ক'লে "মোৰ নাম হেয়াৰটন আৰ্ণশ্ব, আৰু আপুনি এই নামৰ মৰ্যদা ৰক্ষা কৰাই ভাল হ'ব।"

"মইতো কোনো অসন্মান দেখুওৱা নাই," বুলি মই উত্তৰ দিলোঁ, কিন্তু তাৰ মান মৰ্যদা ঘোষণা কৰাৰ ভংগী প্ৰকৃতিটো দেখি মোৰ পেটে পেটে বৰ হাঁহি উঠিছিল।

সি মোলৈ চকু থিৰ কৰি চাওঁতে ময়ো তালৈ সেইদৰে চোৱা দেখি সি চকু ঘূৰাই নিলে— জানোচা মই তাৰ কাণ মুচৰি দিওঁ বা তাৰ অৱস্থা দেখি মোৰ মনত লগা স্ফূৰ্ত্তি হে হৈ কৰি প্ৰকাশ কৰি দিওঁ এই ভাবি সি কিজানি ভয় খালে। পৰিয়ালটোৰ সম্প্ৰীতিহীন পৰিবেশত মই অতিশয় অস্বস্তি অনুভৱ কৰিলোঁ। দৈহিক আৰাম আৰু স্বাচ্ছন্দ্যখিনি সেই বিষন্ন বাতাবৰণে নোহোৱা যেন কৰি পেলালে। তৃতীয়বাৰ সেইখন ঘৰলৈ যাব লগা হ'লে মোৰ বিশেষ প্ৰস্তুতিৰ প্ৰয়োজন হ'ব।

খোৱা-বোৱাৰ পৰ্ব শেষ হ'ল। কিন্তু আটাইবোৰ থম থমকৈ বহি আছে, কিবা এটা কথা-বতৰা পতাৰ উৎসাহ যেন কাৰো নাই। পৰিস্থিতিটো লক্ষ্য কৰি, বতৰবে বুজ লওঁ বুলি মই খিৰিকি এখনৰ কাষলৈ উঠি গলোঁ।

বাহিৰৰ দৃশ্য দেখি মোৰ মন সেমেকি গ'ল ঃ নিৰ্দিষ্ট সময়তকৈ যেন আগতেই গধূলি হৈছে। অন্ধকাৰে চৌদিশ আবৰি ধৰিছে, বাহিৰত অবিৰাম বৰফ পৰিছে, আৰু সোঁ সোঁ কৰে বতাহ বলিছে। পাহাৰৰ শিখৰ আৰু আকাশে যেন একেলগে পাকঘূৰণি খাইছে।

উদ্বিগ্ন মনেৰে মই ক'লো, "বাট দেখুৱাই নিবলৈ লগত কোনোবা এজন নহ'লে মই এতিয়া ঘৰলৈ যাবই নোৱাৰিম। ৰাস্তাটো ইতিমধ্যে বৰফত পোত গৈছেই; আৰু পোত নগৈ ওলাই থাকিলেও, ইমান ঘন আন্ধাৰত এখোজো আগবাঢ়ি যোৱাই টান হ'ব।"



"হেয়াৰটন, সৌ ভেড়া কেইটাক ভঁৰাল ঘৰৰ বাৰান্দালৈ খেদি দে। ইয়াত মুকলি গড়ালত ৰাতিটো থাকিবলৈ হ'লে আটাইবোৰ বৰফত পোত খাব। তক্তা এচটা লগাই দে।"

বাপেক-পুতেকৰ নিৰ্বিকাৰ হাবভাব দেখি মোৰ খঙটো চৰি গৈছিল। মই খং মুখেৰে সুধিলোঁ, "মই কৰোঁ কি ?"

মোৰ প্ৰশ্নৰ উত্তৰ কোনেও নিদিলে। পিচপিনলৈ ঘূৰি চাই মাত্ৰ জোজেফকহে দেখিবলৈ পালোঁ— কুকুৰক দিবলৈ বুলি হাতত লুঠৰি পিঠা এচৰীয়া লৈ সি আমাৰ পিনে আহিব লাগিছে। হিথক্লিফ আৰু হেয়াৰটন সাউত কৰে কোন মুহূৰ্ত্ততনো ওলাই গ'ল মই তলকিবই নোৱাৰিলোঁ। শ্ৰীমতী হিথক্লিফে, জুহালৰ পিনে সামান্য হাউলি, জুইশলাৰ মুঠা এটাৰ পৰা কাঠিবোৰ এটা এটাকৈ জুইত দি অলসভাৱে সময় পাৰ কৰাত লাগিছে। চাহৰ টিনবোৰ ওপৰৰ থাপত থবৰ সময়ত জুইশলাৰ মুঠাটো ওপৰৰ পৰা বাগৰি পৰিছিল।

জোচেফে চৰিযাটো মাটিত থৈ, কোঠাটোৰ চাৰিওপিনে পুংখানুপুংখ দৃষ্টিৰে চাই, ছটা মাতেৰে গেঙেৰি মাৰি ক'লে, "আন আটাইবোৰ ওলাই গ'ল, তইহে মাত্ৰ ইয়াত কেলেহুৱা পৰি থাকি কি কৰিছ মই ক'ব নোৱাৰোঁ। পিচে তইতো এটা গোটি গৰু, তোক কথা কৈ কি লাভ ? তইতো তোৰ ভুলৰ পথ নেৰ। তয়ো আগতে তোৰ মাৰৰ দৰে জাহান্নামৰ বাটহে ধৰিবি।"

এই কটূক্তি যে মোক লক্ষ্য কৰিয়েই কোৱা হৈছে সেই কথা বুজি পাবলৈ মোৰ সৰহ সময় নেলাগিল। মোৰ বৰ খং উঠিল, আৰু সেই বদমাহিচ বুঢ়াক লেংগোৰ মান সোধাই বাহিৰ কৰি দিওঁ বুলি চোচা মাৰি গ'লো। পিচে শ্ৰীমতী হিথক্লিফে জোজেফৰ কথাৰ যি জবাব দিলে, শুনি মই বৈ গ'লোঁ। তেওঁ ক'লে, "কেলেংকাৰী লগা নিলাজ পেটভাটো বুঢ়া, সিটোৰ নাম যে লৈছ, সৌশৰীৰে উঠাই নিব বুলি ভয় নোহোৱা হ'ল নেকি ? মই কৈ দিছোঁ, মোক হ'লে জোকাই নলবি। নহ'লে মই চয়তানক ক'ম তোক পোনে পোনে উঠাই লৈ যাবলৈ। জোজেফ, ৰ এইপিনে চা," এইবুলি তেওঁ ওচৰৰ থাক এটাৰ পৰা দীঘল আকাৰৰ এলাণ্ডুকলীয়া পুথি এখন নমাই আনিলে, আৰু তালৈ চাই কৈ গ'ল, "বাজীকৰণ বিদ্যা মই কিমান আয়ত্ত কৰিছোঁ তাক দেখুৱাওঁ, চা। অতি সোনকালে মই ইয়াক সম্পূৰ্ণকৈ শিকি পেলাব পাৰিম। ৰাঙলী গাইজনী হঠাতে মৰা নাছিল, আৰু তোৰ বাতৰ বিষটোও দৈবদুৰ্বিপাকত হৈছে বুলি নাভাবিবি ।"

জোজেফে কথাষাৰ শুনা মাত্ৰকে আতংকিত হৈ ক'লে, 'ইচ্ ৰাম, এইবোৰ বৰ বেয়া কথা। ভগবানে যেন আমাক অমংগলৰ পৰা ৰক্ষা কৰে।"

"সেইটো নহ'ব। দুৰাচাৰ, তইতো ত্যাজ্যই; আঁতৰ হ, নহ'লে মই তোৰ বেয়াকৈ অনিষ্ট কৰিম। তহঁত আটাইবোৰৰে মূৰ্ত্তি মই মম আৰু মাটিৰে সজাম; আৰু মোৰ কথা নামানি যেয়ে সীমা চেৰাই যাব তাকে মই— কি কৰিম নকওঁ, সময়ত দেখিবি। যা, মই তোলৈ দৃষ্টি দি আছোঁ।"

মোহিনী গাভৰুগৰাকীয়ে তেওঁৰ সুন্দৰ দুচকুত এনে এক কৃত্ৰিম বিদ্বেষৰ ভাব ফুটাই তুলিলে যে তাকে সঁচা বুলি ভাবি জোচেফে ভয়তে কঁপি কঁপি আৰু মুখেৰে "বৰ বেয়া কথা," "বৰ বেয়া কথা" বুলি কৈ কৈ সেই ঠাইৰপৰা আঁতৰি গ'ল।

তেওঁৰ এই সমস্ত কথাকাণ্ড মই একপ্ৰকাৰ তামাচাহে বুলি ভাবি ললোঁ— হয়তো তেওঁৰ বিষণ্ণ মনৰে কিবা এক অদ্ভুত প্ৰকাশ। জোজেফ ওলাই গ'লত, আমি মাত্ৰ দুই প্ৰাণী জুহালৰ গুৰিত ৰ'লোঁ। সেই সুযোগতে মই মোৰ বিপত্তিৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিবলৈ যত্ন কৰি ক'লোঁ ঃ "মিচেচ হিথক্লিফ," মোৰ মাতত আন্তৰিক সম্ভ্ৰম ফুটাই তুলি মই ক'লোঁ, "আপোনাক আমনি দিয়া বাবে ক্ষমা কৰিব। মোৰ ধাৰণা, এনে সুন্দৰ মুখশ্ৰীৰ অধিকাৰী হৈ, আপুনি উদাৰমনা নহৈ নোৱাৰে। অনুগ্ৰহ কৰি মোক কেইটামান সহজে চকুত পৰা চিন দেখুৱাই দিয়কচোন— তাৰে আঁত ধৰি ধৰি গৈ মই যাতে ঘৰ পাবগৈ পাৰোঁ। বাটৰ চিন মই একেবাৰে নাজানোঁ। ঘৰলৈ যোৱা নহয় যেন লণ্ডনলৈ যোৱাহে।"

চকি এখনত ভৰি তুলি আৰামেৰে বহিবলৈ লৈ তেওঁ উত্তৰ দিলে, "অহা বাটেই যাওকগৈ। ইয়াতকৈ বেছি মই একো দিহা দিব নোৱাৰোঁ।" কথাবাৰ কোৱাৰ সময়ত তেওঁৰ আগত মমবাতি এডাল জ্বলি আছিল, আৰু দীঘলীয়া ক'লা কিতাপখন মেলি থোৱা আছিল।

"বুজিলো বাৰু, পিচে কালিলৈ যদি ক'ৰবাত খালে-বিলে পৰি বা বৰফৰ মাজত পোত গৈ মোক মৰি থকা পায়, তেন্তে তাৰ বাবে কিছু পৰিমাণে আপুনি নিজেই দায়ী বুলি আপোনাৰ বিবেকে নক'ব নে ?"

"কিয় ক'ব ? মই আপোনাৰ লগত যাব নোৱাৰোঁ। ইহঁতে মোক বাৰীৰ ঢাপৰ বাজ হ'বলৈকে নিদিয়ে।"

"আপুনি মোৰ লগত যাব বুলি মই ক'ত ক'লোঁ ? এনে এটা দুৰ্যোগৰ নিশাত, মই নিজৰ সুবিধাৰ বাবে, আপোনাক দুৱাৰদলি পাৰ হ'বলৈকো ক'ব নোৱাৰো।" মই প্ৰত্যুত্তৰ ক'লোঁ। মই আপোনাক বাটটো বুজাই দিবলৈহে কৈছোঁ, দেখুৱাই দিবলৈ কোৱা নাই। নহ'লে পাৰিলে হিথক্লিফ মহাশয়ক মান্তি কৰাই মোক বাট দেখুৱাই দিবলৈ কোনোবা এজনক দিয়ওক।

"কোন যাব ? তেখেত নিজে আছে। আৰ্ণশ্ব আছে, জিলা আছে, আৰু ময়ো আছোঁ। কাক লাগে আপোনাক ?"

"খামত কাম কৰা লৰালৰি কোনো নাই নে ?"

"নাই, এই কেইটাহে আছে।"

"তাৰ মানে দেখা গ'ল যে মই আজি ৰাতিটোৰ বাবে ইয়াতে ৰৈ যাব লাগিব।"

"সেইটো কথাৰ চয়-নিশ্চয় আপুনি গৃহস্থৰ লগত বসক। মোৰ এই কথাত মাত মাতিবলৈ নাই।"



পাকঘৰৰ মুখৰপৰা হিথক্লিফে টান মাতেৰে ক'লে, "এইবোৰ পাহৰীয়া ঠাইলৈ নভবা নিচিন্তাকৈ নাহিবৰ বাবে আজি আপোনাৰ ভাল শিক্ষা এটা হ'ল যেন লাগিছে। আৰু থকাৰ কথা যে উলিয়াইছে, আলহীৰ কাৰণে মই বা-যোগাৰ নাৰাখোঁ। আপুনি থাকিবলৈ হ'লে হেয়াৰটন বা জোচেফৰ লগতে শুব লাগিব।"

মই ক'লোঁ, "এই কোঠাতে চকি এখনতে মইচোন শুব পাৰিম।"

"নহ'ব, সেইটো কথা নহ'ব। অচিনাকি মানুহ অচিনাকি মানুহেই। ধনীয়ে হওক বা দুখীয়াই হওক। মই কাকো ইয়াত টিপিল খিলাবলৈ দিব নোৱাৰোঁ। কি ঠিক আছে, কোনোবা অসতৰ্ক মুহূৰ্তত....." শালীনতাৰ সকলো সীমা চেৰাই গৈ জঘন্য মানুহটোৱে মন্তব্য কৰিলে।

এইখিনি অপমান পোৱাৰ পিচত মোৰ ধৈৰ্য্যৰ বান্ধ খোল খালে। "কটা যোৱাহঁত" বুলি খং আৰু বিৰক্তিৰে কৈ হিথক্লিফক ঠেলামাৰি তাৰ গাৰ কাষেদি চোতাললৈ বেগেৰে ওলাই গ'লোঁ। লৰালৰিৰ কোবত আৰ্ণশ্বৰ গাতে খুন্দিয়ালো। চাৰিওপিনে ইমান অন্ধকাৰ আছিল যে ওলাই যোৱাৰ বাটটোকে মই বিচাৰি পোৱা নাছিলোঁ। বাট বিচাৰি আন্ধাৰত ঘুৰ্মুটিয়াই ঘূৰোঁতে তেওঁলোকৰ পাৰস্পৰিক শিষ্ট আচৰণৰ আন এটা নমুনা মোৰ কাণত পৰিল।

প্ৰথমতে ডেকা মানুহটোৰ কথা কাণত পৰিল। মোৰ প্ৰতি তাৰ সহানুভূতি থকা যেন লাগিল। "বাগানৰ মূৰলৈকে তেওঁৰ লগত ময়ে যাওঁ।" বুলি কোৱা তাৰ মাত মোৰ কাণত পৰিল।

"তাৰ লগত তই জাহান্নাম পৰ্য্যন্ত যা" বুলি গৃহস্থজনে ভেকাহি মাৰি উঠিলে। সম্বন্ধত গৃহস্থ যেন লাগে, নহ'বও পাৰে। "যাবলৈ যে ঠেং দাঙিছ, বোলো ঘোঁৰাৰ দানা-পানী কোনে যোগাব, হোঁ ?"

"ঘোঁৰাবোৰৰ এদিনলৈ অযত্ন হোৱাটো একো ডাঙৰ কথা নহয়। মানুহ এটাৰ জীৱনটো তাতকৈ বহুত ডাঙৰ কথা। কোনোবা এটা নহয় এটা যাবই লাগিব।" এই আবাৰ আছিল শ্ৰীমতী হিথক্লিফৰ মাত। মাতষাৰ মই ভাবিব পৰাতকৈ বেছি সদয় যেন শুনালে।

হেয়াৰটনে মুখে মুখে জবাব দিলে ঃ "তোৰ কথামতেই হ'ব বুলি ভাবিছ নেকি ? তাক যদি বৰ লায়কৰ এটা বুলি ভাবিছ তেন্তে তই চুপ থকাই ভাল হ'ব।"

সমানে সমানে মুখ বজাই শ্ৰীমতী হিথক্লিফে ক'লে, "তেনেহ'লে তাৰ ভূতে তোক লম্ভিব, আৰু এই হিথক্লিফেও বেলেগ এজন ভাৰাঘৰীয়া বিচাৰি নাপাব। ঘৰ গৈ এবাপৰলীয়া হ'বগৈ।"

"শুনইক অ, সকলোৱে শুনইক— তাই শাপ দিছে"— জোজেফে ভোৰভোৰাই কোৱা এই কথা কেইআষাৰ মোৰ কাণত পৰিল। আন্ধাৰত খপজপাই ফুৰি মই তাৰ ওচৰত ওলাইছিলোঁগৈ।

কথা ক'লে কাণত পৰা দূৰত্বতে ৰহি জোজেফে লেমৰ পোহৰত গাখীৰ খীৰাই আছিল। তাক নোসোধা নেমেলাকৈয়ে মই লেমটো খাপমাৰি তুলি ল'লোঁ আৰু পিচদিনা পুৱা ঘূৰাই দিম বুলি কৈ বাহিৰলৈ ওলাই যোৱা দুৱাৰৰ পিনে বেগাই খোজ দিলোঁ।

"দেউতা চাওকচোন, এইটোৱে লেমটো লৈ পলাইছে" বুলি চিঞৰ বাখৰ কৰি বুঢ়া চাকৰটোৱে মোৰ পিচ ল'লে। "হেৰ চোৰ, চালা কুকুৰ, চালাকি কৰিবলৈ আহিছ, ধৰ ঔ তাক ধৰ"— ইত্যাদি নানানটা বিপন্ন আস্ফালন তাৰ মুখৰ পৰা আখৈ ফুটাদি ফুটিবলৈ ধৰিলে।

হাতত লেমটো লৈ, লৰি যোৱাদি গৈ, সৰু জপনাখনত হাত দিছোঁহে মাথোন, নোমাল গাৰে এটা দৈত্যাকাৰ কুকুৰে মোৰ গললৈকে জাঁপিয়াই মোক মাটিত বগৰাই পেলালে আৰু কেইটামান কুকুৰো সেইখিনিত উপস্থিত হ'ল। লেমটো নুমাই গ'ল। হিথক্লিফ আৰু হেয়াৰ্টনৰ চেপা অট্টহাস্যও মোৰ কাণত পৰিল। মোৰ খং আৰু অপমানবোধ দুগুণে চৰিল।

ভাগ্য ভাল, জানোৱাৰ কেইটাৰ লম্ফজম্ফ আৰু ভুকভুকনিহে বেছি আছিল। মোক জীয়াই জীয়াই নেফানেফ কৰাৰ বাসনা সিহঁতৰ নাছিল। কিন্তু সিহঁতে মোক পৰি থকাৰ পৰা থিয় হ'বলৈ নিদিয়ে— গোটেই জাকে বেৰি ধৰি আছে। সিহঁতৰ দুৰাশয় প্ৰভুহালে দয়া কৰি আগবাঢ়ি গৈ মোক তুলি আনিলত হে ৰক্ষা। থিয় দিলোঁ হয়, কিন্তু মূৰত টুপি নাই, টুপি ক'ৰবাত কেতিয়াবাই ছিটিকি পৰিছে। খঙত কঁপি কঁপি মই সেই পাপিষ্ঠহালক ক'লোঁ যে সিহঁতে মোক তৎমুহূৰ্ত্তে ওলাই যাবলৈ দিব লাগে, মোৰ বাট আগছি ধৰাটো ভাল কাম হোৱা নাই, আৰু এক মিনিট পলম কৰিলেই কথা ভাল নহ'ব, ইত্যাদি অনেকটা ভাবুকি দিলোঁ, প্ৰতিশোধ লোৱাৰ কথা ক'লোঁ। মোৰ সেই পৰিস্থিতিত মোৰ মুখৰ পৰা ওলোৱা ভাব ভাষাবোৰ ইমান কটু আৰু উগ্ৰ আছিল যে বেচেৰা ৰজা লিয়েৰে তেওঁৰ অশুণকাৰী জীয়েক দুজনীক দিয়া শাওশপনিবোৰো যেন হ্যাৰ তুলনাত একেবাৰে নিৰ্দোষ আৰু নৰম আছিল।

প্ৰচণ্ড উত্তেজনা আৰু আস্ফালনৰ ফলতেই বোধহয় মোৰ নাকেদি সোঁ সোঁ কৰে তেজ বৰবলৈ ধৰিলে। হিথক্লিফৰ চেপা অট্টহাস্য কিন্তু শাম নাকাটিলে। ময়ো গালি-গালাজ চলায়েই থাকিলোঁ। কিমান পৰ এইদৰে চলি থাকিলেহেঁতেন ক'ব নোৱাৰোঁ, পিচে আচম্বিতে সেইখিনিত এগৰাকী মানুহ গৈ ওলাল। বিচাৰ বিবেচনাত তেওঁ মোতকৈ ভাল। দুৰ্বৃত্ত কেইটাৰ তুলনাত তেওঁক দয়ামায়া থকা লোক যেনেই লাগিছিল। এই মানুহগৰাকী হ'ল জিলা— হিথক্লিফৰ গৃহস্থালি তদাৰক কৰা মোটোহা গাৰে মানুহজনী। হে চৈ হোৱাৰ কাৰণটো নো কি তাৰ বুজ লবলৈ তেওঁ বাহিৰলৈ ওলাই আহিছিল। আটাইবোৰে বেৰি ধৰি মোক মাৰ-কিল কৰিছে বুলিয়েই তেওঁ ভাবি লৈছিল। চিধা চিধি গৃহস্থৰ ওচৰ চাপিবলৈ সাহ নকৰি, পুত্ৰেক পাষণ্ডটোলৈকে টোৱাই তেওঁ বাক্যবাণ মাৰি পঠিয়ালে।



"বোলো আৰ্ণশ বোপা, কি কৰিবলৈ ওলাইছা ? দুৱাৰডলিতে নৰবধ কৰাৰ মতলব হৈছে নে কি ? এইখন ঘৰত আৰু মোৰ চাউল উঠলিল— মোৰ আৰু ইয়াত থকা নহ'ব। বেচেৰা বোপাটিলৈ চোৱাচোন। দম বন্ধ হয় এতিয়া। ছিঃ ছিঃ ! তোমালোকে এনেকুৱা কৰিব পোৱানে ? আহাঁ বোপা, ভিতৰলৈ আহাঁ। নাকৰ তেজ বোৱা মই বন্ধ কৰি দিম। চাবা, লাহে লাহে। আহা।"

এইবুলি কৈয়েই তেওঁ অতৰ্কিতে মোৰ মুখলৈ এচলু বৰফপানী মাৰি দিলে, আৰু হাতত ধৰি পাকঘৰলৈ টানি নিলে। হিথক্লিফো লগে লগে গ'ল। তেওঁৰ মনৰ সেই আকস্মিক উৎফুল্লতা আৰু নাই, তাৰ ঠাই তেওঁৰ স্বাভাৱিক বিষণ্ণতাই অধিকাৰ কৰিলে।

মোৰ গাটো বৰ বেয়া লাগিছিল। মূৰটো আচন্দ্ৰাই কৰিছিল। বেহুঁচ হোৱা যেন লাগিছিল। অগত্যা আন উপায় নেদেখি হিথক্লিফৰ ঘৰতে ৰাতিটো কটাব লগাত পৰিলোঁ। মোক ব্ৰাণ্ডি এগিলাচ দিবলৈ বুলি জিলাক কৈ হিথক্লিফ ভিতৰৰ কোঠা এটাত সোমালগৈ। মহিলা গৰাকীয়ে মোৰ দুৰ্গতিৰ বাবে সমবেদনা জনালে, গৰাকীৰ কথা মানি ব্ৰাণ্ডি এগিলাচ মোৰ আগত দিলেহি। সেই গিলাচ গলাধঃকৰণ কৰাৰ পিচত মোৰ গাটো বহুত ভাল পোৱা যেন লাগিল। অধিক সময় অপব্যয় নকৰি জিলাই মোক মোৰ বিচনা দেখুৱাই দিলেগৈ।

# ৩

ওপৰ মহলৰ কোঠালৈ মোক লৈ যাওঁতে জিল্লাই মোক মমবাতিডাল আঁৰ কৰি ৰাখিবলৈ, আৰু কোনো প্ৰকাৰ শব্দ নকৰিবলৈ ক'লে। ক'লে বোলে মোক শুবাবলৈ নিয়া কোঠাটো সম্বন্ধে মালিকৰ অৰ্থাৎ হিথক্লিফৰ কিবা এক অদ্ভুত ধাৰণা আছে, আৰু ইচ্ছাকৃতভাৱে তেওঁ তাত কাকো থাকিবলৈ নিদিয়ে।

কাৰণটো কি বুলি সুধিলত তেওঁ ভালদৰে নাজানে বুলি উত্তৰ দিলে। তেওঁ বোলে তাত দুবছৰ মানহে আছে, আৰু ঘৰখনত ইমানবোৰ আচৰিত আচৰিত কথা হৈ থাকে যে তেওঁৰ কৌতূহল নাইকিয়া হৈ গৈছে।

কথা শুনি মই ইমান হতভম্ব হৈ পৰিলোঁ যে মোৰ নিজৰো কৌতূহল যেন পলাই ফাট মাৰিলে। কোঠাৰ দুৱাৰখন বন্ধ কৰি মই বিচনাখন কোন পিনে আছে চালোঁ। আচবাব বুলিবলৈ কোঠাটোত আছিল এখন চকী, কাপোৰ থোৱা এটা দ্ৰূপা, আৰু ওক কাঠৰ এটা প্ৰকাণ্ড বাকচ। বাকচটোৰ ওপৰৰ পাটত বৰ্গাকৃতিৰ নক্সা কটা। দেখাত পাল্কী গাড়ীৰ খিৰিকিৰ দৰে লাগে।

বাকচটোৰ ওচৰ চাপি ভিতৰলৈ জুমি চাই দেখিলোঁ যে ই আচলতে পুৰণি ধৰণৰ এক বিশেষ প্ৰকাৰৰ বিচনাহে। ই ইমান সুবিধাজনককৈ সজা যে ঘৰখনৰ প্ৰতিজন মানুহৰে নিজাকৈ একোটা সুকীয়া কোঠা লোৱাৰ প্ৰয়োজন নাথাকে। আচলতে বাকচটোৱেই এটা ক্ষুদ্ৰ কক্ষৰ দৰে। বাকচটো পতা আছিল খিৰিকি এখনৰ ওচৰ চপাই, আৰু খিৰিকিখনৰ গোবৰ ঠেক পাট এচটা বাকচটোৰ ভিতৰলৈ সোমোৱা। সেইবাবে তাক মেজ হিচাপেও ব্যৱহাৰ কৰিব পৰা হৈছিল।

বাকচটোৰ মেলা মৰা কৰা পনিয়লী দুৱাৰখনৰ তক্তা দুটা দুমুৰে পিছলাই দি হাতত মমডাল লৈ মই বিচনাত উঠিলোঁ; আৰু উঠিয়েই আকৌ তক্তা দুটা টানি আনি একেলগ কৰিলোঁ। তাকে কৰি মই স্বস্তিৰ নিশ্বাস এৰিলোঁ। হিথক্লিফৰ, অকল হিথক্লিফৰে কিয়, আন যি কোনো লোকৰে, সজাগ দৃষ্টিৰ পৰা মই এতিয়া নিৰাপদ।

খিৰিকিৰ গোবৰ তক্তা চটাতে মই মমবাতিডাল থলোঁ। তাৰে এটা চুকত এজাপ কিতাপ ইখনৰ ওপৰত সিখনকৈ দমাই থোৱা আছে। বহুদিন লৰচৰ নকৰা বাবে কিতাপবোৰত বৰকমোষা ধৰিছিল। তক্তা চটাৰ গাত ডাঙৰ সৰু বিভিন্ন হৰফেৰে এটা নাম কটা আছিল। একেটা নামেই অ'ত ত'ত সামান্য বেলেগকৈ লিখা। নামটো হ'ল কেথেৰিন আৰ্ণশ; ক'ৰবাত কেথেৰিন হিথক্লিফ, আকৌ কোনোবা ঠাইত কেথেৰিন লিন্টন।



উদাস, অবসন্ন মনেৰে মই খিৰিকিত মূৰ দি কেথেৰিন আৰ্ণশ— হিথক্লিফ— লিনটনৰ নামৰ আখৰ জোটনিবোৰ আওৰাবলৈ চালোঁ। তেনেকৈ থাকোঁতেই মোৰ চকু মুদ খাই গ'ল। পিচে, পাঁচ মিনিটো কিজানি হ'ল কি নহ'ল, মই হঠাতে চকখাই সাৰ পাই গ'লোঁ : আন্ধাৰত, কেথেৰিনৰ নাম খুজোৱা এগাল বগা আখৰ ট ট কৰে জিলিকি আছে— প্ৰত্যেকটোৱেই একোটা ছায়ামূৰ্ত্তিৰ দৰে স্পষ্ট। নামটোৰ অনাহুত প্ৰৱেশত বাধা দিবলৈ মই ধৰমৰাই পোন হৈ বহি দেখোঁ যে মমৰ শলিতাডালে পুৰণা কিতাপ এখনত ধৰিছেগৈ, আৰু চামৰা পোৰাৰ দুৰ্গন্ধ কোঠাটোত বিয়পি পৰিছে।

কিতাপৰ বকলাত ধৰা জুই মই থপৰিয়াই নুমালোঁ। মই বৰ অস্বস্তিবোধ কৰিছিলোঁ। বমি বমি ভাবটো আগৰ পৰা আছিলেই। তাতে হাড়কঁপোৱা জাৰ। বিচনাতে মই পোন হৈ বহিলোঁ, আৰু আধাপোৰা কিতাপখন আঠুৰ ওপৰত মেলি ললোঁ। কিতাপখন আছিল সৰু সৰু আখৰৰ এখন বাইবেল। তাৰ পৰা এটা উৎকট মলঙা মলঙা গোন্ধ ওলাইছিল। আগলি উকাপাত খিলাত লিখা আছিল : কেথেৰিন আৰ্ণশ : তেওঁৰে কিতাপ। তাৰিখটো আছিল পোৱা শতিকাৰ আগৰ।

সেইখন কিতাপ জপাই থৈ মই আন এখন কিতাপ উলিয়াই আনিলোঁ। সেইখনৰ পিচত আৰু এখন। এইদৰেই আটাইবোৰ কিতাপ চোৱা হ'ল। কেথেৰিনৰ পুথিভঁড়াল আছিল সুনিৰ্বাচিত; তাত থকা গোটেইবোৰ কিতাপেই আছিল বছা বছা। পুথিভঁড়ালটোৰ জীৰ্ণ অৱস্থা বিবেচনা কৰিলে এসময়ত তাৰ উচিত উপযোগেই হৈছিল বুলি ভাবিব পাৰি, কিন্তু কিতাপবোৰৰ যথাৰ্থ সদ্ব্যৱহাৰ কিমান হৈছিল সেইটোহে কোৱা টান। প্ৰায় প্ৰতিটো অধ্যায়তে, প্ৰতিটো পৃষ্ঠাতে, য'ত যিমান ছপা আখৰ নথকা খালী ঠাই আছিল সেই আটাইবোৰ চিয়াঁহিৰে লেখা টিকা-টিপ্পনী আৰু মন্তব্যৰে ভৰি আছিল।

মন্তব্যবোৰ কেতবোৰ আছিল অসংলগ্ন বাক্য। বাকীবোৰত লেখা আছিল দস্তুৰমত এক দিনপঞ্জী। অপৈণত, শিশু হাতৰ লেখা। ওপৰৰফি পৃষ্ঠা এটাৰ মূৰত আছিল বন্ধু জোজেফৰ এক ব্যংগ চিত্ৰ। স্থূল চিত্ৰণ, কিন্তু বেচ প্ৰকাশক্ষম। দেখি মোৰ মনত বৰ স্ফূৰ্ত্তি লাগিল। প্ৰথম আঁকোতেই ই নিশ্চয় বৰ মূল্যবান বস্তু বুলি বিবেচিত হৈছিল।

অজ্ঞাত কেথেৰিনৰ প্ৰতি মোৰ হঠাত কৌতূহল হ'ল, আৰু ইতিমধ্যে অস্পষ্ট হৈ পৰা তেওঁৰ লেখাবোৰৰ পাঠোদ্ধাৰ কৰাত মই লগে লগে লাগি গ'লোঁ।

পৃষ্ঠাটোৰ তলৰ অনুচ্ছেদ এটাত এইদৰে লেখা আছিল : "এক ভয়ংকৰ ৰবিবাৰৰ দিন। পিতা যদি ঘূৰি আহিলহেঁতেন ! তেওঁৰ ঠাই লোৱা হিণ্ডলে হ'ল এক অতি ঘৃণনীয় লোক। হিথক্লিফৰ প্ৰতি তেওঁৰ আচৰণ দাৰুণ নিষ্ঠুৰ। হিথক্লিফ আৰু মই ইয়াৰ বিৰুদ্ধে দৃঢ়ভাৱে প্ৰতিবাদ কৰিম। এই সম্পৰ্কত আমি আমাৰ প্ৰাৰম্ভিক কাম অজি গধূলি কৰিছোঁৱেই।"

"দিনৰ দিনটো কলহৰ কাণে ঢলাদি বৰষুণ দি আছিল। আমি গীৰ্জালৈ যাব নোৱাৰিলোঁ। সেইবাবে জোজেফে ওপৰ চোতালত সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰিব লগাত পৰিল। হিণ্ডলে আৰু তাৰ ঘৈণীয়েকে তলৰ মহলত আৰামেৰে জুই পুৱাই আছিল। সিহঁতে বাইবেল পঢ়া নাছিল, মই ভাঠি ক'ব পাৰোঁ; অথচ সেই সময়তে হিথক্লিফ আৰু দুৰ্ভগীয়া হালোৱা ল'ৰাটোক হাতে হাতে প্ৰাৰ্থনাৰ পুথি লৈ ওপৰ মহলাত প্ৰাৰ্থনা কৰিবলৈ যাবলৈ আদেশ দিয়া হ'ল। মৰাদাৰ বস্তা এটাৰ ওপৰত আমাক শাৰী পাতি থিয় কৰোৱা হ'ল। জাৰত আমি থৰ থৰ কৰে কঁপিছোঁ, আৰু কুঁ কুঁৱাইছোঁ। ভাবিছিলোঁ যে জোজেফৰ কঁপনি উঠিব, আৰু আজিৰ সভাত এটা চুটি ধৰ্মোপদেশ দি সি সামৰি থ'ব। পিচে সেই আশা মিছা হ'ল। প্ৰাৰ্থনা তিনিঘণ্টা জুৰি চলিল। তথাপিতো, আমাক ওপৰৰ পৰা নামি আহোঁতে দেখা পাই, 'হ'লেই নে এতিয়াই ?' বুলি সুধিছেহে !"

"ৰবিবাৰবোৰত গধূলি সময়ত আমাক হাই উৰুমি নকৰাকৈ, চুপে চাপে খেলিবলৈ দিয়া হৈছিল। সামান্য হাঁহি খিকিন্দালি কৰিলেই আমাৰ অৱস্থা কাহিল কৰি দিছিলে।

তেনে অৱস্থাত স্বেচ্ছাচাৰীটোৱে শাসনৰ সুৰত কৰহি, "ইয়াত যে তহঁতৰ ওপৰত এজন মালিক আছে, সেই কথা বোধহয় তহঁতে পাহৰিয়েই গৈছ। মোৰ মেজাজ খেয়া কৰা কাকো মই সুদাই নেৰোঁ। ইয়াত গম্ভীৰ আৰু নিতাল পৰিবেশ মই বিচাৰোঁ। গণ্ডগোল কোনে কৰিছিলে ? অ'হ ল'ৰা, তই কৰিছিলি ? ফ্ৰান্সিচ, মৰমীজনী, তুমি যাওঁতে তাক চুলি জোকৰা বেইট্টামান দি যাবা। সি আঙুলি ফুটুওৱা মই শুনিছিলোঁ।"

"ফ্ৰান্সিচে তাক বেচমতে চুলি জোকৰা দিলে। তাকে কৰি আঁতৰি তাই গৈ গিৰিয়েকৰ কোলাত বহিল। ঘণ্টাৰ পিচত ঘণ্টা ধৰি সিহঁতে লাগ বান্ধ নথকা কথাকে চোবাই চোবাই আৰু চুমাচুমি কৰি, কেঁচুৱাৰ দৰে সময় কটাই দিলে। মনভুলোৱা আবোল তাবোল কথা। আমাৰ হ'লে লাজেই লাগে।"

"নাপিতৰ দোকানৰ বাৰান্দাতে আমি সাধ্যানুযায়ী পৰিপাটিকৈ থাকিবলৈ লৈছিলোঁ। আমাৰ পিন্ধানো কেইটা একেলগ কৰি, পৰ্দা এখনৰ কাম কৰিব পৰাকৈ ওলোমাই থৈছোঁহে মাত্ৰ, তেনেতে গোঁৱাশালৰ পৰা জোজেফ আহি ওলাল। সি কিবা এটা খবৰ লৈ আহিছে। আহিয়েই সোধ নাই পোচ নাই সি আটাইবোৰ বেচিজিল কৰি পেলালে, মোক কাণমোচৰাও দিলে, আৰু মুখেৰে গোৰ গোৰাবলৈ ধৰিলে ঃ

"মালিকক এইমাত্ৰ কবৰ দিয়া হ'ল, চাবাথৰ মাদ এতিয়াও শেষ হোৱাই নাই, প্ৰাৰ্থনাৰ শব্দ তহঁতৰ কাণত এতিয়াও বাজিয়েই আছে। এনেহলত তহঁতেনো এনেগোৰ ধুমধুপাল কৰিবলৈ ওলাব লাগেনে ? ধিক ! তহঁতক ধিক ! বহহঁক ! অপগণ্ডহঁত, বোলো তহঁত হে ল'ৰা-ছোৱালী উপজিলি ! পঢ়িবৰ যদি মন কৰ, পঢ়িবলগীয়া কিতাপৰ, ভাল কিতাপৰ আকাল হোৱা নাই। বহহঁত, বহ। নিজৰ আত্মাৰ কথা চিন্তা কৰ।"



"এইবুলি কৈ, দুবৈৰ জুহালৰ পৰা অহা শেঁতা পোহৰ এটা আমাৰ মুখত পোনে পোনে পৰাকৈ, সি আমাক আটাইবোৰকে শাৰী পাতি বহুৱালে। তাৰ মতলব আছিল যাতে সি আমাৰ হাতে হাতে গুজি দিয়া প্ৰাৰ্থনাৰ পাঠটো আমাৰ চকুত ভালকৈ পৰে। প্ৰাৰ্থনা নে বোজা এটা !"

"পৰিস্থিতিটো মোৰ সহ্য নহ'ল। সেই নীৰস কিতাপখন মই, পিছফালৰ নেটুপাতত ধৰি, কুকুৰৰ গড়ালৈকে দলিয়াই দিলোঁ,— লগে লগে ভাল কিতাপত মোৰ কচি নাই বুলি কৈও দিলোঁ।"

"হিথক্লিফেও তাৰখন কিতাপ একে ঠাইলৈকে ভৰিৰে লঠিয়াই দিলে।"

তেতিয়াতো তাত বেচ হৈ চৈ লাগি গ'ল।

পাদুৰী চাহাবে চিঞৰিবলৈ লাগিল ঃ "হিণ্ডলে বোপা, বোলো বেগাই এইফালে আহাঁ। কেথী আইদেৱে 'মুক্তিৰ শিৰোপা' নামৰ কিতাপৰ বাকল একৱাই পেলাইছে, আৰু হিথক্লিফে 'সৰ্বনাশৰ বাজআলি', প্ৰথম ভাগ, ভৰিৰে ছিটিকাই দিছে। ইহঁতক এইদৰে চলি থাকিবলৈ দিলে গোটেইখন লণ্ডভণ্ড কৰিব। আজি বুঢ়া দেউতা ইয়াত থাকিব লাগিছিল— দুয়োটাকে মজা দিলেহেঁতেন। পিচে কি হ'ব, তেওঁতো গ'লগৈ !"

"জুহালৰ দাঁতিত বহি স্বৰ্গসুখ উপভোগ কৰি থকাৰ পৰা হিণ্ডলে লৰালৰিকৈ উঠি আহিল আৰু আমাৰ দুটাৰ এটাক ডিঙিত, ইটোক হাতত ধৰি টানি নি পাকঘৰৰ পিচপিনে থকা কোঠাটোলৈ গতিয়াই সুমাই দিলে। জোজেফে গহীনাই ক'লে যে আমাক তাৰেপৰা সিটোৱে (চয়তানে) লৈ যাব । সেই কথাতে আশ্বস্ত হৈ, সিজনাৰ আগমনলৈ বাট চাই, আমি দুয়ো দুটা চুকত বহি থাকিলোঁ।"

"থাকত থোৱা এই কিতাপখন আৰু চিয়াহীৰ বটল এটাত মোৰ হাত পৰিল। পোহৰ পৰিবলৈ দুৱাৰখন কাণি দুৱৰীকৈ মেলি লৈ, সময় কটাবলৈকে বুলি, কুৰিমিনিটমান সময় এইবোৰ লিখিছোঁ; পিছে মোৰ লগৰীয়াজন অধৈৰ্য্য হৈ পৰিছে; তেওঁ বুধি দিছে বোলে গোৱালনীজনীৰ বৰ চোলাটোৰে গা ঢকা দি আমি দুয়ো মুকলিত এপাক ঘূৰি ফুৰি অহাই ভাল হ'ব। বুধিটো বেয়া নহয়। আমি নথকাতে সেই খিংখিঙিয়া বুঢ়াডাল দৈবাৎ সোমাই আহিলে, আমাক নেদেখি ভাবিব যে তাৰ ভৱিষ্যতবাণী ফলিয়ালে। ইয়াত এই সেমেকা মজিয়াত কঁপি থকা যি, বাহিৰৰ বৰষুণত তিতাও সি। বৰং বাহিৰত ইয়াতকৈ অলপ ভালহে লাগিব।"

মই ভবাত কেথেৰিনে আলচাটোকে কৰিলে, কাৰণ পিচৰ বাক্যটোত অন্য এটা বিষয়ৰ উত্থাপন কৰা হৈছে। এইবাৰ সুৰ বেদনাসিক্ত।

"হিণ্ডলেই মোক এনেকৈ কন্দুৱাব পাৰিব বুলি মই ভবাই নাছিলোঁ। মোৰ মূৰ অসহনীয়কৈ বিষাইছে। গাকত মূৰ পেলাব নোৱাৰিলে মোৰ স্বস্তি নাই। তথাপিতো মই সেও মানিবও নোখোজোঁ। বেচেৰা হিথক্লিফ ! হিণ্ডলেই তাক দগাবাজ বুলি গালি

পাৰিছে। তাক আমাৰ সতে বহিবলৈকো নিদিয়ে, আমাৰ লগত খাবলৈকো নিদিয়ে। হিথক্লিফ আৰু মোক একেলগে খেলিবলৈকো সি মানা কৰি দিছে। তাৰ আদেশ অমান্য কৰিলে হিথক্লিফক ঘৰৰ পৰা উলিয়াই দিব বুলিও সি ভাবুকি দিছে।

হিথক্লিফক অতিপাত লাই দি সি নষ্ট কৰিলে বুলি সি আমাৰ পিতাক দোষাৰোপ কৰিছে। (তাৰ আস্পৰ্ধা চোৱা।) হিথক্লিফক সি কিমানৰ মানুহ তাকো যেনো সি (হিণ্ডলেই) দেখুৱাই দিব।"

* * *

পুথিটো পঢ়ি থাকোঁতে মই কলমতিয়ানলৈ ধৰিলোঁ। মোৰ চকু হাতেলিখা শাৰীবোৰৰ পৰা ছপাআখৰা আখৰলৈ গ'ল। ৰঙীন আখৰেৰে মনোৰমকৈ আঁকাই-পকাই লেখা শিৰোনামা এটালৈ মোৰ চকু গ'ল ঃ "সাতৰ সত্তৰ গুণ, আৰু এক সত্তৰ নম্বৰৰ প্ৰথমটো । ৰেভাৰেণ্ড জেবেচ ব্ৰেণ্ডাৰহেমে গিমাৰ্টন চৰ্চ গীৰ্জাত দিয়া ধৰ্মমূলক বক্তৃতা"। জেবেচ ব্ৰেণ্ডাৰ হেমেনো তেওঁৰ বক্তৃতাত কি ক'ব সেই কথাকে, আধা সাৰে আধা টোপনিতে চিন্তা কৰি পাৰ নাপাওঁতেই মই বিচনাত ঢলি পৰিলোঁ, আৰু সেইপিনেই টোপনি গ'লোঁ।

হায় ! হায় ! বেয়া চাহ আৰু বেয়া মেজাজৰ পৰিণাম যে এনে হ'ব পাৰে মই ভবাই নাছিলোঁ। এনে এটা দুৰ্ভোগৰ নিশা কটাব লগা হোৱাৰ শুনিছেতো এই দুটাই নাছিল ! দ্বিতীয়বাৰ এনে এটা নিশা পাৰ কৰিব লগা হোৱাৰ অভিজ্ঞতা মোৰ মনত নপৰে।

টোপনি আহিল কি নাহিল, ক'ত আছো সেই কথাও বোধহয় মনত আছেই, তেনে অৱস্থাতে মই সমাপ্তিক দেখিবলৈ নললোৱেই। যেতিয়া হেনো ৰাতি পুৱালে, আৰু মই ঘৰলৈ যাবলৈ ওলালোঁ। মোৰ লগত বাট দেখুৱাই নিবলৈ জোজেফ। বাটটো কেৱাহাতে ওখ বৰফত ঢাক খাই আছে। খুপি খুপি কষ্টে মষ্টে আগুৱাই গৈ থাকোঁতে লগত তীৰ্থযাত্ৰীৰ লাখুটি এডাল নোলোৱা বাবে জোজেফে মোক অনবৰত বকি আছিল। সেইডাল নো কেনে লাখুটি মই বুজা নাছিলোঁ, কিন্তু তেনে এডাল লাখুটি নহ'লে যে মই ঘৰ পাবলৈ নোৱাৰিম সেই কথা সি মোক বাৰে বাৰে শুনাই আছিল। নিজে যে বৰ বুদ্ধিমান তাকে দেখুৱাবলৈ সি বৰ মধুৰ লাঠি এডাল মোৰ আগত ঘনেপতি টলিয়াই আছিল। তেনে এডাল লাঠিক বোধহয় সি তীৰ্থযাত্ৰীৰ লাঠি বুলি কৈছিল।

নিজৰ ঘৰত সোমাবলৈ এনে এডাল লাঠিৰ দৰকাৰ হ'ব পৰা কথাটো মোৰ মনত প্ৰথমে অতি অবাস্তৱ যেন লাগিছিল। কিন্তু হঠাতে মোৰ মনত এটা নতুন ভাব খেলালে। মই যেনো ঘৰলৈ বুলি গৈ থকা নাছিলোঁ, আমি দুটাই যেনো সেই বিখ্যাত জেবচ্ ব্ৰেণ্ডাৰহেমৰ "সাতৰ সত্তৰ গুণ" শীৰ্ষক বক্তৃতা শুনিবলৈহে গৈছিলোঁ; আৰু জোচেফেই নে মইহে নে পাদুৰীজনেই, একজনে নহয় একজন, একসত্তৰটাৰ প্ৰথমটো উলংঘন কৰিলো, আৰু তাৰ বাবে আমাক বাহিৰবাকৈ তিৰস্কাৰ কৰি, এঘৰীয়া কৰাৰ ব্যৱস্থা কৰা হৈছে।



আমি গীৰ্জা পালোগৈ। দিঠকত মই এই গীৰ্জাটোৰ কাষেদি দুবাৰ নে তিনিবাৰ পাৰ হৈ গৈছোঁ। দুটা পাহাৰৰ মাজৰ ওখ মুকলি ঠাই এটুকুৰাত ই অৱস্থিত। কাষতে এখন পিটনি। তাৰপৰা পচা ঘাঁহ-বনৰ যিটো দুৰ্গন্ধ বাহিৰ হয়, তাৰ দ্বাৰা তাত পোলাই দিয়া শৱবোৰ সুগন্ধি ঔষধ দি নপচাকৈ ৰখাৰ উদ্দেশ্য পুৰাপুৰি পূৰণ হয় যেন ধাৰণা হয়। গীৰ্জা ঘৰটো এতিয়ালৈকে নভগা-নিচিগাকৈ আছে হয়, কিন্তু তালৈ পাদুৰী হৈ যাব কোনেও নোখোজে। যাবই বা কিয় ? পাদুৰীজনৰ বছেৰেকীয়া পাৰিতোষিক মাত্ৰ কুৰি পাউণ্ড; থকাৰ ব্যৱস্থা হ'ল দুই কোঠালীৰ ঘৰ এটা; তাৰো এতিয়া দুই গুটি এক হয় হয় অৱস্থা, আৰু বাইজেও পাদুৰী চাহাবৰ পাৰিতোষিক বঢ়াই দিবলৈ বুলি গাই প্ৰতি এক পেনিকৈও খৰচ কৰিব নোখোজে, লাগে বেচেৰা যাজক খাবলৈ নাপাই মৰকেই। পিচে মই সমাপ্তিকহে দেখিলোঁ, জেবেচৰ বক্তৃতা বহুত বহিজে মনোযোগেৰে শুনিছে। তেওঁ ধৰ্মোপদেশ দিছে। আৰু সি যে কি ধৰ্মোপদেশ ! চাৰিশ নকৈ খণ্ডত বিভক্ত, প্ৰতিটো খণ্ডই একো একোটা সম্পূৰ্ণ বক্তৃতা, আৰু প্ৰতিটোৰ বিষয়বস্তু একো একোটা বেলেগ বেলেগ পাপকৰ্ম। তেওঁ এইবোৰ ক'ত বিচাৰি পাইছিলে মই ক'ব নোৱাৰোঁ, ব্যাখ্যাবোৰো তেওঁৰ নিজৰ মতে দিয়া। সিমানবোৰ পাপৰ লেখ পাবলৈ হ'লে মানুহ এজনে প্ৰতিবাৰতে একো একোটা সুকীয়া সুকীয়া পাপ কৰিব লাগিব।

সেইবোৰ আছিল অদ্ভুত প্ৰকৃতিৰ পাপকাৰ্য। অকল্পনীয় বিভিন্ন নৈতিক স্খলন।

মই অত্যন্ত ক্লান্তবোধ কৰিলোঁ। হামিয়াই হিকটিয়াই চটফটাই তত নোপোৱা যেন লাগিল। নিজৰ গা নিজে চিকুটি মোহাৰি, এবাৰ বহি, এবাৰ উঠি, হাতৰ তলুৱাৰে মোহাৰি, চাটিকুটি কৰিবলৈ ধৰিলোঁ। ওচৰতে বহি থকা জোজেফক কিলাকুটিৰে ঠেলা একোটা মাৰি বক্তৃতা পৰ্ব যদি কেতিয়াবা শেষ হয়, মোক ক'বলৈ ক'লোঁ।

তাতে বহি থাকোঁতে গোটেইবোৰ বক্তৃতা অনিচ্ছা সত্ত্বেও শুনি নাথাকি মোৰ উপায় নাছিল। শেহান্তৰত পাদুৰী চাহাবে এক সত্তৰৰ প্ৰথমটো উত্থাপন কৰিলে। সেই সংকটৰ মুহূৰ্তত মোৰ মনত বিজুলী সঞ্চাৰে এটা কথা খেলালে। মই থপহকৰে থিয় হৈ জেবচ্ ব্ৰেণ্ডাৰহেমক, কোনো খ্ৰিষ্টিয়ানেই ক্ষমা কৰিব নোৱৰা পাপৰ পাতকী বুলি সকলোৱে শুনাকৈ কৈ পেলালোঁ।

মই ক'লোঁ, "মহাশয়, এই চাৰিবেৰৰ পৰিসীমাৰ ভিতৰত বহি একেবাৰে মই আপোনাৰ বক্তৃতাৰ চাৰিশ নৱৈটা বিভাগ শুনিলোঁ। সেইসোপাৰ বাবে মই আপোনাক ক্ষমা কৰিছোঁ। সত্তৰৰ সাতগুণবাৰ মই মোৰ টুপি মূৰত সুমাই লৈ যাবলৈ ওলাইছিলোঁ। সত্তৰৰ সাতগুণ বাৰ আপুনি বিনা কাৰণত, অসংগতভাবে, মোক বহুৱাই থ'লে। এই চাৰিশ একানকৈ নম্বৰৰ বক্তৃতাটো সমূলি সহ্যৰ বাহিৰত। মোৰ ভুক্তভোগী বন্ধুসকল, ইয়াক এশিকনি দিয়ক। তাক চোঁচোৰাই তললৈ নমাই আনক, পিটি পিটি গুৰি কৰি দিয়ক। এই সংসাৰত তাৰ নাম গোন্ধ একো ৰ'ব নোৱাৰাকৈ তাক পিহি পেলাওক।"

মোৰ কথা শুনি, বক্তৃতাৰ মাজতে গহীন হৈ বৈ দি জেবেজে চিঞৰি চিঞৰি ক'লে, "তয়ে সেই মানুহটো।" কথাবাৰ কওঁতে সি বহি থকা দনিচাখনত বিলাকুটিৰে হেলান দি আছিল। 'সত্তৰৰ সাত গুণ বাৰ তই মুখেৰে অংগীভংগী কৰি ভেঙুচালি কৰি আছ—সত্তৰৰ সাত গুণ বাৰ মই অন্তৰাত্মাৰ নিৰ্দেশ বিচাৰিলোঁ। চা, এইটো হ'ল মানুহৰ দুৰ্বলতা। এইটোও ক্ষমা কৰিব পাৰি। এক সত্তৰৰ প্ৰথমটো ওলাইছে। ইয়াত লিখা মতে, ভাইসকল, তাৰ বিচাৰ কৰক। ভগবানৰ সন্তান মাত্ৰৰে এই সন্মান প্ৰাপ্য।"

তেওঁৰ কথাবাৰ শেষ হ'লনে নহ'ল, তাত গোটিখাই থকা গোটেই মথা মানুহে, হাতে হাতে তীৰ্থ যাত্ৰীৰ লাঠি জোকাৰি জোকাৰি মোলৈ খেদি আহিল। আত্মৰক্ষাৰ বাবে মোৰ আন এৰো উপায় নথকাত, মোৰ তেনেই কাষতে থকা জোজেফৰ লগতে জোঁটাপুতি কৰি, তাৰ হাতৰ পৰা কাঢ়ি লবলৈ চালোঁ। জোজেফেই আছিল আটাইতকৈ উগ্ৰ আক্ৰমণকাৰী। ইমানবোৰ মানুহৰ সমাগমৰ মাজত কেইবাডালো লাঠি সলনি হ'ল। মোলৈ টোৱাই মৰা ভুকু আনৰ মূৰত পৰিল। গোটেই গীৰ্জাটো আক্ৰমণ আৰু প্ৰত্যাক্ৰমণৰ শব্দেৰে বজনজনাই গ'ল। প্ৰতিটো মানুহেই তাৰ হাত ওচৰৰটোলৈ উঠাইছে। ৰেভাৰেণ্ড সকলো সৰহপৰ নিষ্ক্ৰিয় হৈ নাথাকিল। ধৰ্মোপদেশ দিয়া বেদীৰ তক্তা কেইডালৰ ওপৰত জোৰে জোৰে সি টুকুৰিয়াবলৈ ধৰিলে। তাৰ প্ৰতিধ্বনি ইমানকৈ উঠিল যে সেই শব্দতে মই সাৰ পালোঁ। সাৰ পাই মই ৰক্ষা পোৱা যেন পালোঁ। কি যে পৰম স্বস্তিৰ মুহূৰ্ত আছিল সেইটো !

প্ৰচণ্ড হৈ চৈ হৈছিল, আৰু ৰেভাৰেণ্ডে যে জোৰেৰে টুকুৰিয়াইছিল তাৰ মূলতে আছিল আচলতে বতাহে জোবাই থকা দেৱদাৰু গছ এডালৰ ডাল এটা। ডালটোৱে বাৰে বাৰে ঘৰৰ চিলিঙত জোবাই আছিল আৰু তাৰ ঠাল-ঠেঙুলিবোৰে বতাহত ঠেকা খাই, খিৰিকিৰ আয়নাত ঘহনা খাইছিল আৰু তাৰে পৰাই এক অস্বাভাৱিক আৱাজৰ সৃষ্টি হৈছিল।

শব্দটোনো আচলতে ক'ৰ পৰা আহিছে তাকে মই কণমান সময় কাণপাতি শুনিলোঁ, আৰু ৰহস্যটো বুজি পালোঁ। লগে লগে মই বাগৰ সলাই আকৌ টোপনি গ'লোঁ। আকৌ সেই সপোন। আগতকৈয়ো ভয়ানক।

এইবাৰ মই হেনো কাঠৰ বাকচৰ বিচনাখনত শুই আছোঁ, বতাহৰ হোঁ হোৱনি আৰু বৰফ পৰাৰ শব্দ মোৰ কাণত পৰিছে; দেৱদাৰুৰ ডালপাতে ঘৰৰ চিলিঙত জোবাই থকাৰ শব্দও মই শুনিছিলোঁ; দুশ্চুৰাৰ ছাটিয়েই যে সেই শব্দৰ কাৰণ সেইটোও মই বুজি পাইছিলোঁ। মই বৰ দিগদাৰি পাইছিলোঁ, আৰু পাৰিলে শব্দটো বন্ধ কৰিবলৈকো চেষ্টা কৰিছিলো। পিঙলিনা পুৰা খিৰিকিখনৰ এপাট খুটিটোৰ পৰা এবাই থকা দেখিছে হেনো ভাব হৈছে, নহ'লে পাহৰিছিলোঁৱেই। মোৰ এতিয়া ভাব হৈছে মই খিৰিকিৰে হাত মেলি গছৰ থানিটো ধৰিবলৈ যেন যত্ন কৰিছিলোঁ। পিচে গছৰ ঠালটোৰ ঠাইত মোৰ হাত পৰিল একেবাৰে বৰফ হেন চেঁচা এখন সৰু হাতৰ আঙুলিকেইটাতহে।



ভয়াবহ সপোনে মোক ভয়ত কাতৰ কৰি পেলালে। মই হাতখন কোঁচাই আনিব খুজিলোঁ, কিন্তু নোৱাৰিলোঁ। চেঁচা হাতখনে মোক চেপামাৰি ধৰি আছে। কাৰোবাৰ অতিশয় কৰুণ উচুপনি যেন মোৰ কাণত পৰিল। কোনোবাই যেন উচুপি উচুপি ক'লে, "মোক ভিতৰলৈ যাবলৈ দিয়া। মোক ভিতৰলৈ সোমাবলৈ দিয়া।"

হাতখন এৰুৱাবলৈ টনা-আজোৰা কৰি কৰি মই সুধিলোঁ, "তুমি নো কোন ?"

কঁপা কঁপা মাতেৰে উত্তৰ আহিল, "কেথেৰিন লিণ্টন। (মই বাৰু লিণ্টন বুলি কিয় ভাবিলোঁ ? মই কেথেৰিন আৰ্ণশ্ব বুলিহে বাৰে বাৰে পঢ়িছিলোঁ !) মই ঘৰলৈ আহিছোঁ। পিটনিৰ মাজত মই বাট হেৰুৱাইছিলোঁ।"

কথা কেইটা শুনাৰ লগতে সৰু শিশু এটিৰ মুখ এখনো মোৰ খিৰিকিৰে ছাঁয়াময়াকৈ দেখা যেন লাগিল। আতংকত মই নিষ্ঠুৰ হৈ পৰিলোঁ আৰু মোৰ হাতখন সেই সৰু হাতখনৰ পৰা এৰুৱাবলৈ কৰা বৃথাৰ চেষ্টাৰ পৰিবৰ্তে, সেই হাতখনকে ভিতৰপিনে টোঁচোৰাই আনি খিৰিকিৰ দাঁতিৰ লোহাত থৈ থেকেচিবলৈ ধৰিলোঁ। কৰোঁতে কৰোঁতে সৰু হাতখন তেজে তুমবলি হ'ল, আৰু বিচনাৰ কাপোৰ কানিও তেজত তিতি জুপজুপীয়া হ'ল। তথাপিতো 'মোক ভিতৰ সোমাবলৈ দিয়া' মাতষাৰ মোৰ কাণত পৰিয়েই থাকিল, মোৰ হাতখনো এৰুৱাই আনিব পৰা নাই, ফলত মই ভয়ত পাগল হোৱাদি হ'লোঁ।

শেহাত্তৰত মই ক'লোঁ, 'মই সোমাবলৈ দিওঁ কেনেকৈ ? তোমাক সুমুৱাই আনিব লাগে যদি মোৰ হাতখন এৰি দিয়া।'

মোৰ হাতৰ ওপৰত থকা সেই সৰু হাতৰ খামোচটো অলপমান ঢিলা হোৱা যেন পায়েই মই সাউতকৰে হাতখন খিৰিকিৰ বিষ্কাৰে সুমুৱাই আনিলোঁ, আৰু খিৰিকিৰ দাঁতিত পিৰামিড এটা যেন কৰি কিতাপবোৰ দ'ম কৰি দিলোঁ, আৰু সেই কাতৰ অনুৰোধৰ পৰা ৰক্ষা পাবলৈ কাণত সোপা দিলোঁ।

পোন্ধৰ মিনিটমান কাণত সোপা দি থকাৰ পিচত, এবাৰ সোপা গুচাই চালোঁ, কিননি বন্ধ হ'ল নে নাই। নাই, সেই কৰুণ কিননি চলিয়েই আছে।

"ইয়াৰ পৰা আঁতৰ হ।" মই টান মাতেৰে ক'লো, "মই তোক সোমাবলৈ নিদিওঁ। এলুৰি বছৰ একেৰাহে ইয়াত কান্দি থাকিলেও তোক মই সোমাবলৈ নিদিওঁ।"

"ঠিক কুৰি বছৰেই হ'ল।' অশৰীৰী আত্মাৰ মাত মোৰ কাণত পৰিল, 'কুৰি বছৰ ধৰি মই নিৰাশ্ৰয় আৰু নিঃসহায় হৈ আছোঁ।"

এইবাৰ বাহিৰত কিবা এটা সামান্য খচমচনিৰ শব্দ মোৰ কাণত পৰিল আৰু কিতাপৰ দমটো কোনোবাই আগলৈ ঠেলামাৰি দিয়া যেন কৈ লৰিলে।

মই জাপ মাৰি উঠিব খুজিলোঁ, কিন্তু হাত-ভৰি লৰচৰ কৰিব নোৱাৰোঁ। ফলত, চৰম আতংকত মই প্ৰাণকাতৰে চিঞৰিবলৈ ধৰিলোঁ।

পিচে চিঞৰৰ পৰিণাম হ'ল বিষম। মোৰ কোঠাৰ পিনে কোবাকুবিকৈ অহা খোজৰ শব্দ মোৰ কাণত পৰিল। মই কিংকৰ্তব্যবিমূঢ় হোৱাদি হ'লো। কোনোবাই

লাহেকৈ হেঁচি দুৱাৰখন খুলিলে, মোৰ বিচনাখনৰ মূৰৰ শিতানৰ ফালে থকা জনজ্ৰইনি এটা ক্ষীণ পোহৰো ভিতৰত পৰিল। কঁপি কঁপি মই বিচনাত বহি থাকিলোঁ। মোৰ কপাল ঘৰ ঘামে ঘামিবলৈ ধৰিলে। আগন্তুকজনে কোঠাৰ ভিতৰলৈ সোমাবলৈ সংকোচ কৰা যেন লাগিল। তেওঁ অস্ফুট সুৰেৰে ভোৰভোৰাই, কিবা বোধহয় কৈছিলেও।

কিছুপৰ সেইদৰেই থোৱাৰ পিছত সোধো-নোসোধোকৈ কোনোবাই লাহেকৈ সুধিলে,

"ইয়াত কোনোবা আছে নে কি ?" প্ৰশ্নৰ সুৰ শুনি বুজা গ'ল, উত্তৰৰ প্ৰত্যাশা তাত নাছিল।

মাতটো হিথক্লিফৰ বুলি মই বুজি পালোঁ। গতিকে মই উত্তৰ দিয়াটোৱেই উচিত হ'ব বুলি ভাবিলোঁ। মনে মনে থাকিলে, কি ঠিক, লাগে সোমায়েই আহিব।

লাহে লাহে, ভাবি গুণি মই লাহেকৈ দুৱাৰখন ফাঁক কৰিলোঁ। খুলিবলৈ পালোঁ কি নাপালোঁ, যি হে হ'ল। সেই কথা মই সহজে পাহৰিব নোৱাৰিম।

হিথক্লিফ দুৱাৰমুখতে থিয় দি আছিল। পিন্ধাত লংপেণ্ট আৰু কামিজ। হাতত এডাল গলি থকা মম। মুখখন ভয়ত শেঁতা পৰা। দুৱাৰখন মেলোতেই কেৰেক কৈ হোৱা শব্দটো শুনিয়েই তেওঁৰ অৱস্থা বিদ্যুত প্ৰবাহিত হোৱা মানুহৰ দৰে কাহিল হৈছিল। হাতৰ পৰা মমবাতি খপৰ কৰে সৰি পৰিছিল। তেওঁ ইমান ভয় খাইছিল যে মমডাল তুলি লবলৈকো যেন তেওঁৰ শক্তি নাছিল।

তেওঁৰ ভয়পাদুৰা স্বভাৱটো আৰু বেছি ওলাই নপৰক বুলি ভাবি মই মাত লগালোঁ, "এৰা, থাকোঁতে আপোনাৰ আলহীয়েই আছোঁ। বেয়া সমাজিক এটা দেখি ভয় খাই চিঞৰিছিলোঁ। ছেঃ, আপোনাৰ টোপনিত ব্যাঘাত কৰা হ'ল । মই বৰ লাজ পাইছো, মহাশয়।"

"কোন ? লকউদ ? ভগৱানে তোমাক দেখিব— তুমি ইয়াত সোমালাহি কেনেকৈ ? তুমি এতিয়া থাকিব লাগিছিল...."(ক'ত সেই কথা ফুটাই নক'লেও বুজা গ'ল তেওঁ ক্ৰহামাৰ কথাকে ক'ব খুজিছিল)। পৰি যোৱা মমডাল চকী এখনত থবলৈ লৈ এই কেইটা আধৰ কথা তেওঁ ক'লে। মমডাল হাতত থিৰেৰে ধৰি থকাটো তেওঁৰ বাবে অসম্ভৱ কথা যেন হৈছিল।

দাঁত কৰচি তেওঁ আকৌ সুধিলে, 'এই কোঠাটোলৈ তোমাক কোনে লৈ আহিলে ? কোন সেইগৰাকী লোক ? আৰু মই এতিয়াই এইঘৰৰ পৰা বাজ কৰি দিম যেন লাগিছে।" কথাবোৰ কৈ থাকোঁতে তেওঁ মাংসপেশীৰ প্ৰবল আলোড়ন দমাই ৰাখিবলৈ এহাতৰ নখ আনখন হাতৰ তলুৱাত প্ৰায় পুতি দিছিল।

ইতিমধ্যে মই বিচনাৰ পৰা মজিয়ালৈ নামিছিলোঁ। গাৰ কানি-কাপোৰবিলাক লৰালৰিকৈ ঠিক-ঠাক কৰি লৈ মই উত্তৰ দিলোঁ ঃ "আপোনাৰ চাকৰণী জিল্লাই মোক



ইয়াত সুমাই থৈ গৈছিলহি। তইক আপুনি ঘৰৰ বাহিৰ কৰি যদি দিয়ে দিয়ক, মোৰ ক'বলৈ কিটো আছে। এনে ব্যৱহাৰ তাই পাবই লাগে। এই ঠাইখিনি যে ভূতে বাহ লোৱা, তাকে বোধহয় তাই মোক ইয়াত শুবলৈ দি প্ৰমাণ চাব খুজিছিল। ইস্ বাম! ভূতপ্ৰেত এসোপামান ইয়াত গিজগিজাই আছে। এই কোঠাটো আপুনি বন্ধ কৰি থৈ ঠিক কামকে কৰিছে। ইয়াত কাৰোবাক ৰাখি আলহ-উদহ কৰিলেও কোনেও আপোনাৰ শলাগ নলয়। এই কথা আপুনি নিশ্চয়কৈ বুজিব।"

"আপোনাৰ কথাৰ অৰ্থ কি মই বুজা নাই।" হিথক্লিফে ক'লে, "আৰু আপুনি ইয়াত আহেই যেতিয়া ৰাতিটোৰ বাকী থকা কেইঘণ্টাৰ সময়ো ইয়াতে কাটি হৈ কটাওঁক। কিন্তু, ভগৱানৰ দোহাই, সেই বিকট চিঞৰ আৰু নামাৰিব। মাৰিলে কিন্তু আপোনাৰ কোনো ক্ষমা নাই। অৱশ্যে কোনোবাই আপোনাৰ গলা কাটিবলৈ ললে কথা সুকীয়া।"

"সেই কণমানি পিশাচীজনী খিৰিকিৰে সোমাব পৰাহেঁতেন তাই মোক হিজানি গলা টিপি মাৰিলেহেঁতেন।" মই প্ৰত্যুত্তৰত ক'লোঁ। "আপোনাৰ অতিথিবৎসল উপৰিপুৰুষসকলৰ অত্যাচাৰৰ বলি হ'বলৈ আৰু মই নাযাওঁ। ৰাৰু মোক কওকচোন মহাশয়, ৰেভাৰেণ্ড জেবচ্ ব্ৰেণ্ডাৰহেমে আপোনাৰ মাকৰ ফালৰ কুটুম্ব নাছিল নে ? আৰু সেই বচলী ছোৱালীজনী— কি নাম আছিল তাইৰ— কেথেৰিন লিনটন নে আৰ্ণশ্বি, নে আন কিবা— নামটো বাৰু যিয়েই নহওক, তাই বাৰু কাৰোবাৰ লগত মনে মনে সলাই অনা ছোৱালী নাছিল নে ? অধৰমী অশৰীৰী জীৱ— তাই মোক ক'লে যে তাই হেনো এই কুৰি বছৰ ধৰি পৃথিৱীত বিচৰণ কৰি ফুৰিছে। সন্দেহ নাই যে তাই মানুহ হৈ থাকোঁতে কৰা পাপৰ প্ৰায়শ্চিত্ত এতিয়া এইদৰে কৰিছে।"

এই কথাখেইটো কৈয়ে মোৰ হঠাতে মনত পৰিল যে কিতাপখনত হিথক্লিফৰ নাম কেথেৰিনৰ নামৰ লগত জড়িত হৈ আছিল। কথাটো মই অতপৰে একেবাৰে পাহৰিয়েই গৈছিলোঁ। নিজৰ অবিবেচনাৰ বাবে মই অতি অপ্ৰস্তুত হ'লোঁ। কিন্তু এৰো নোহোৱা যেন দেখুৱাই মই কৈ গ'লোঁ—

"মহাশয়, আচল কথাটো হ'ল যে ৰাতিটোৰ আগভাগ মই কটালোঁ....।" এইখিনিতে মই ডবক মাৰি ৰৈ গ'লো। "সেই পুৰণা কিতাপবোৰ পঢ়ি পঢ়ি" বুলিয়েই মই ক'বলৈ উদ্যত হৈছিলোঁ। কোৱাহেঁতেন, কিতাপবোৰত ছপা আখৰে আৰু হাতৰ আখৰেৰে লেখা কথাবোৰ যে মই জানো সেই কথাটো ওলাই পৰিলহেঁতেন। সেইবাবে, কথাৰ সুৰ সলনি কৰি মই ক'লোঁ, "আগৰাতিটো কটাই দিলোঁ খিৰিকিৰ দাঁতিত কাটি থোৱা নামটোৰ জোঁটনি আওৰাই আওৰাই। বৰ বিৰক্তিজনক কাম— সংখ্যা গণাৰ দৰে বিৰক্তিজনক। পিছে তাকে কৰি থাকিলে শেহত টোপনি আহে নে বা......।"

মোৰ কথা শুনি হিথক্লিফে প্ৰচণ্ড উত্তেজনাত ফোঁপাই জোঁপাই মোলৈ চাই চিঞৰি চিঞৰি ক'লে, "মোক এইদৰে কোৱাৰ ৰহস্য কি ? ইমান সাহ হ'ল কেনেকৈ

মোক এইবোৰ কথা কোৱাৰ ? মোৰ ঘৰতে আহোঁ, আৰু মোকে এইবোৰ কথা শুনাইছোঁ ! হায় ভগবান ! মানুহটো পাগল নহ'লে এনে কথা ক'ব নোৱাৰে।" এইবুলি কৈ কৈ তেওঁ খঙতে কপালত ভুকুৱাবলৈ ধৰিলে।

মানুহটোৰ কথাত খং খাম, নে মোৰ কৰুণগীয়া কথাকে কৈ যাম ভাবি মই বিবুধি হ'লো। কিন্তু সি ইমান উত্তেজিত হৈ পৰিছিল যে দেখি তালৈ মোৰ পুতৌ উপজিছিল। গতিকে মই সপোনৰ কথাকে কৈ যাবলৈ লাগিলোঁ। মই ক'লো যে, 'কেথেৰিন লিন্টন' নামটো কাঠত কাটি থোৱা দেখি, তাৰে আখৰ জোটনি আওৰাই থাকোঁতে থাকোঁতেই সপোনত নামটোৱে সশৰীৰী ৰূপ ললে। সপোনত কি দেখোঁ বা নেদেখোঁ তাৰ ওপৰততো মোৰ হাত নাই।

মই এইবোৰ কথা কৈ থাকোঁতে থাকোঁতে হিথক্লিফ লাহে লাহে বিছনাত বহি পৰিল। মই পিচে তেওঁৰ অনিয়মীয়া আৰু মাজে মাজে বিৰতি শেহত তাতে কাতি হৈ পৰিল। মই পিচে তেওঁৰ অনিয়মীয়া আৰু মাজে মাজে বিৰতি পৰা শ্বাস প্ৰশ্বাসৰ শব্দৰ পৰা ঠাৱৰ কৰিছিলোঁ যে কিবা এক উত্তাল আবেগ সংযত কৰি ৰাখিবলৈ মানুহজনে আপ্ৰাণ চেষ্টা কৰিছিল।

তেওঁৰ মনৰ সংঘাতৰ যে কিবা ভু পাইছোঁ সেই কথা লুকুৱাবলৈকে বুলি মই মোৰ সাজপাৰবোৰ পৰিপাটি কৰি লওঁতে খুঁতখাত শব্দ কৰিয়েই কৰিলোঁ। ঘড়ীত সময় চালোঁ, ৰাতিপুৱাবলৈ আৰু কিমান সময় আছে সেই বিষয়ে সশব্দে স্বগতোক্তিও কৰিলোঁ ঃ "এতিয়া তিনিয়েই বজা নাই। মই আৰু' ছয় বাজিলে বুলি ভাবিছিলোঁ। ইয়াত দেখিছোঁ সময় স্থিৰ হৈ ৰয়। আমি নিশ্চয় আঠ বজাতে শুইছিলোহঁক।"

ওলাই আহিব খোজা কেঁকনি এটা চেপি ৰাখি ঘৰৰ গৃহস্থই মাত লগালে, "জানকালি সদায় ন বজাত শুই চাৰি বজাত উঠাৰ অভ্যাস।" কথাষাৰ কওঁতে তেওঁ সেঁহাতটো লৰাইছিল— বেৰত পৰা তাৰ ছাঁটোৰ পৰা মই সেই কথা ধৰিব পাৰিছিলোঁ; আৰু সেই ছাঁ হাতে লৰচৰ কৰাৰ পৰা দেখিবলৈ পালোঁ যে তেওঁ চকুলো মচিছে।

হিথক্লিফে মোকো ক'লে, "মিঃ লকউদ, আপুনি মোৰ কোঠালৈকে যাব পাৰে। আপোনাৰ বিকট চিৎকাৰে মোৰ টোপনিক একেবাৰে দূৰলৈ খেদি পঠালে।"

"টোপনিয়ে মোকো এৰা দিলে," মই প্ৰত্যুত্তৰত ক'লোঁ। "পোহৰ হোৱালৈকে মই চোতালতে ইফাল-সিফাল কৰি থাকিম। পোহৰ হ'লে যামগৈ। মই আকৌ ইয়াত সোমাবলৈ নাহোঁ। সেই কথাত আপুনি নিশ্চিন্ত থাকক।"

গাঁৱৰে হওক বা নগৰৰে হওক, সামাজিক সংগসুখ বিচৰা ব্যাধিৰ পৰা মই এতিয়া একেবাৰে মুক্ত। বিচাৰ বিবেচনা থকা লোকে নিজৰ মাজতে সংগসুখ লাভ কৰিবলৈ চাব লাগে।

"বেচ মজাৰ লগ" বুলি হিথক্লিফে ভোৰভোৰালে। "এই মমডাল লওক, আৰু য'লৈকে মন যায় যাওক। মই সোনকালেই আপোনাক লগ ধৰিমগৈ। চোতালখনলৈ কিন্তু নাযাব। কুকুৰবোৰ মেলি থোৱা আছে। আৰু ঘৰটোৰ ভিতৰত— স্বয়ং জুন'



ইয়াৰ ৰক্ষাকৰ্ত্ৰী, আৰু— নাই, ঠিক আছে, খটখটিবোৰত আৰু ঘৰটোৰ মাজৰ বাটবোৰত আপুনি নিৰ্ভয়ে ফুৰিব পাৰে— কিন্তু আপুনি যাওক, সোনকালে যাওক। মই দুই মিনিটত আপোনাক লগ ধৰিম। গৈ আছোঁ।"

তেওঁৰ কথা মানি মই কোঠাটোৰ পৰা ওলালোঁ। কিন্তু ভিতৰৰ সৰু সৰু পটিবোৰ কোনটো কলৈ গৈছে তাৰ একো উৱাদিহ নাপাই, থৰ লাগি থিয়দি ৰ'লোঁ। তেনেদৰে তাতে ৰৈ থাকোঁতে হিথক্লিফৰ এক অন্ধ বিশ্বাসৰ কাৰ্য্য মোৰ চকুত পৰিল। তেওঁৰ বাহ্যতঃ যুক্তিবাদী যেন লগা মনটো যে সঁচা নহয়, তেওঁৰ আচৰণে তাৰে সাক্ষী দিলে।

তেওঁ জাপমাৰি বিচনাখনত উঠিল, জোৰেৰে ঠেলা মাৰি চিলিঙিখন খুলি দিলে, তীব্ৰ আবেগত নিজৰ ওপৰতে নিয়ন্ত্ৰণ তেওঁৰ হেৰাই গ'ল, দুগালেদি ধাৰাসাৰ চকুলোৰ বান বাগৰি গ'ল, আৰু উচুপি ক'বলৈ ধৰিলে ঃ

"সোমাই আহাঁ ! সোমাই আহাঁ ! কেথি, আহাঁ না। আহাচোন-আহাঁ ! আৰু এবাৰ আহাঁ ! হায় মোৰ হিয়াৰ প্ৰিয়তমা। এইবাৰ মোৰ কথা শুনা— কেথেৰিন,শেহবাৰলৈ মিনতি কৰিছোঁ, মোৰ কথা শুনা।"

অশৰীৰীৰ স্বাভাৱিক অশৰীৰী আচৰণেই দেখা গ'ল। নিজৰ অস্তিত্ব ই দৃশ্যতঃ ক'তো ঘোষণা নকৰিলে। বাহিৰত বতাহ আৰু তুষাৰপাত ভীষণ বেগে অবিশ্ৰান্ত চলি থাকিল। ৰৈ থকা ঠাইতে মোকো উৰুৱাই নিব যেন কৰিলে। বতাহৰ ছাটিত মমডাল নুমাই গ'ল।

বিষাদবিহ্বল এই মানসিক যন্ত্ৰণাৰ পৰিবেশত, আবেগৰ এনে উত্তাল প্ৰকাশৰ যুক্তি ক'ত সেইকথা মোৰ বিবেচনালৈ তেতিয়া অহা নাছিল। এইবোৰ শুনি যেন মোৰ খঙেই উঠিছিল। মই অলপ আঁতৰি গ'লোঁ। মই নিজৰ ওপৰতে অতীষ্ঠ হৈ উঠিছিলোঁ ঃ কিনো দৰকাৰ আছিল মোৰ সপোনৰ ভয়াবহ অভিজ্ঞতা সদৰি কৰাৰ ? মই জানো যে মোৰ বৃত্তান্ত শুনিয়েই হিথক্লিফৰ মনত আবেগিক সংঘাতৰ সৃষ্টি হৈছিল, কিন্তু কিয় হৈছিল সেই কথা মোৰ জ্ঞানৰ অগোচৰ হৈয়ে ৰৈছে।

মই সাৱধানে তললৈ নামি গ'লোঁ আৰু পাকঘৰৰ পিচফালৰ চোতাল পালোঁগৈ। তাতে চাই খুচৰি খুচৰি অঙঠা এটা পাই, ফুৰাই ফুৰাই মই মমডাল জ্বলাই ললোঁ।

চতুৰ্দিশ জনশূন্য, কণামেকুৰি এটাও দেখিবলৈ নাই। মাত্ৰ মোক দেখা পাই খুট ছাইৰ মাজত উম লৈ থকাৰ পৰা পখৰা মেকুৰী এটা মেও মেও কৰি আঁতৰি গ'ল। তাৰ মাতৰ সুৰটো শুনি মোৰ ভাব হৈছিল সি যেন মোৰ লগত কাজিয়া কৰিবলৈহে ফেঁপেৰি পাতিছে।

জুহালৰ গুৰিত দুখন বেঞ্চ প্ৰায় অৰ্ধবৃত্তাকাৰে লগ লগাই পাৰি থোৱা আছিল। ইয়াৰে এখনত মই বাগৰ দিলোঁ; ইখনত মেকুৰীটো আহি নেজ পাৰি বহিল। কোনোবা সোমাই আহি আমনি কৰাৰ আগতে পাৰিলে টিপ এটা মাৰি লওঁ বুলি ভাবি আমি দুয়ো কলমটিয়াবলৈ ললোঁ। তেনেতে কিবা এটা খৰমৰণি শব্দ শুনি চকু মেলি চাই

দেখোঁ যে জোজেফে ফাঁকে এটাৰে কাঠৰ জখলা এডাল চালৰ ওপৰলৈ তুলিছে। ওপৰ মহলাত থকা তাৰ কোঠালৈ উঠানমা কৰাৰ সেইটোৱেই উপায় বোধহয়।

মই ভুনাই কথা চিমিক ঢামাক পোহৰটোলৈ সি অতি বোষদৃষ্টিৰে চালে, বেঞ্চখনৰ পৰা মেকুৰীটো খেদাই লৈ তাতে বহিলে, আৰু তিনি ইঞ্চি দীঘল নলিচা এটাত ধপাত খাজিবলৈ ললে। এই অঁন্দৰমহলৰ বোধহয় সিয়েই হৰ্তাকৰ্তা; সেইবাবে তাত মোৰ অনধিকাৰ প্ৰবেশক সি মন্তব্য কৰাবো অযোগ্য এক লজ্জাজনক অবিবেকী কাৰ্য বুলিহে গণ্য কৰিলে যেন লাগিল। নলিচাডাল মুখত ভৰাই লৈ, হাত সাবটি আৰামেৰে বহি সি একান্তমনে ধোঁৱা উকিয়াবলৈ ধৰিলে। তাৰ আৰাম উপভোগত মই আমনি দিবলৈ নগলোঁ। শেষ হোঁপাটো মাৰি, গভীৰ হুমুনিয়াহ এটা ছাৰি সি থিয় হ'ল, আৰু অহাৰ দৰেই, গহীনাই ওলাই গ'ল।

ইয়াৰ পিচত হুহালৰ ওচৰলৈ অহাজন খৰখোজেৰে আহিল। মই সুপ্ৰভাত জনাবলৈ মুখ মেলিলোঁ, কিন্তু সম্ভাষণ নজনোৱাকৈয়ে মুখ জপাব লগা হ'ল। কাৰণ হেয়াৰটন আৰ্ণশ্বই সৰু সৰুকৈ তেওঁৰ উপাসনা আৰম্ভ কৰিছিলেই। যিহতে হাত দিছে, তাকে তেওঁ শাও শপনি দিছে। এটা চুকত থকা বস্তু-বাহানিবোৰ, কোৰ নে তেনে কিবা এখন বিচাৰি, লণ্ডভণ্ড কৰিছে। বৰফৰ সোঁত বৈ অহা নলাবোৰ কাটি বহলাই দিব লাগে। তেওঁ নাকটো ফুলাই বেঞ্চখনৰ পিচলৈ চালে, কিন্তু সৌজন্য বিনিময় কৰাৰ কথা নাভাবিলে। মোক ওচৰতে বহি থকা মেকুৰীটোৰ লগৰে বুলি ভাবিলে হবলা।

তাৰ গতিবিধি চাই মই ওলাই যাব পাৰিম বুলি ভাবি, বহি থকা টান বেঞ্চখনৰ পৰা উঠি, তাৰ পিচে পিচে যাবলৈ ওলালোঁ। ইয়াকে দেখি সি কোৰখনৰ নালেৰে ভিতৰফালৰ কোঠা এটাৰ দুৱাৰত খুন্দিয়াবলৈ ধৰিলে। মুখেৰে একো মাত নাই, কিন্তু তাৰ কাৰ্যৰ দ্বাৰাই মোক বুজালে যে মই জুহালৰ গুৰি এৰি উঠি যাব খুজিলে, সেই কোঠাটোলৈকে যাব লাগিব।

কোঠাৰ দুৱাৰ খোল খালে। ভিতৰপিনে যাই যাই কোঠাবোৰ। ঘৰৰ মহিলাসকল ইতিমধ্যে উঠিছিলেই, জিয়াই প্ৰকাণ্ড চুলা এটাত ফুৱাই ফুৱাই দপদপ কৰে একুৰা জুই জ্বলাইছিল। মিচেচ হিথক্লিফে জুহালৰ গুৰিতে লেপেটা কাঢ়ি বহি লৈ জুইৰ পোহৰতে কিবা এখন কিতাপ পঢ়ি আছিল। চকুহাল হাতেৰে দামগীয়া জুইৰ তাপৰ পৰা আঁৰ কৰি ৰাখিছিল। কিতাপখনতে তেওঁ নিমগ্ন হৈ থকা যেন লাগিছিল। মাজে মাজে অৱশ্যে ফিৰিঙতিবোৰ তেওঁৰ পিনে উৰালে চাকৰক ধমক দিছিল, আৰু একো এবোৰাৰ, তেওঁৰ গা শুঙি লেন লগাবলৈ অহা কুকুৰ একোটাক ওচৰৰ পৰা ঠেলি পঠিয়াইছিল।

হিথক্লিফক সেই ঠাইতো দেখা পাই মই আচৰিত হ'লোঁ। মোৰ পিনে পিঠি দি তেওঁ জুইৰ কাষত থিয় দি আছিল। বেচেৰী জিল্লাক তেওঁ সেইমাত্ৰ বেচমতে এজাউৰি দি থৈছিছে, ঘৰৰ বন পেলাই থৈ মাজে মাজে গাৰ এপ্ৰনটোৰ তলটো তাই উজাই



লোৱা মোৰ চকুত পৰিছিল। তাই যে খঙত জ্বলি আছিল সেইকথাও মই ধৰিব পাৰিছিলোঁ।

মই কোঠাত সোমাইছোঁহে, এনেতে হিথক্লিফে যুৱতী বোৱাৰী গৰাকীক হঠাতে ভৰ্ৎসনা কৰিবলৈ আৰম্ভ কৰি দিলে। 'তই, তই অপদাৰ্থ—' অপদাৰ্থ কি সেইকথা পুৰা কৰি নক'লে, হঁহ, ভেৰা যিলোনো এটা নিৰ্দোষ শব্দকে প্ৰয়োগ কৰিলেহঁতেন, কিন্তু শব্দটো উচ্চাৰিত নোহোৱাকৈয়ে ৰ'ল।

"তই আকৌ তোৰ আৰম্ভ কৰি দিছ। বাকীবোৰে নিজৰ জীৱিকা নিজে উলিয়াইছে। তই মোৰ দয়াৰ গুণে খাবলৈ পাইছ। কিতাপ পঢ়ি যলাবলৈ থ, কিবা এটা কৰিবলৈ ল। দিনে ৰাতিয়ে তোক মই চকুৰ আগত দেখি থাকিব লগা হ'ল। তাৰ মূল্য তই মোক দিবিনে ? শুনিছনে, বোলো অকাজভাগী, শুনিছ কি কৈছো মই ?"

"কিতাপ ৰাক মই আঁতৰাই থম, কাৰণ মই নথওঁ বুলিলে আপুনি জোৰ কৰি থোৱাব পাৰিব"— বোৱাৰী গৰাকীয়ে উত্তৰ দিলে, আৰু কিতাপখন জপাই চকী এখনলৈ দলি মাৰি দিলে। "কিন্তু কামৰ বেলিকা মই ভাল লগাটোহে কৰিম, তাৰ বাদে আন একোকে নকৰোঁ। আপুনি শাওশপনি, গালি-গঞ্জনা দি দি আপোনাৰ জিভা লুটিয়াই দিলেও নকৰোঁ।"

বোৱাৰী গৰাকীৰ গাত হাত দিবলৈ হিথক্লিফ উদ্যত হ'লত তেওঁ নিৰাপদ দূৰত্বলৈ দুখোজমান পিছুৱাই গ'ল। হিথক্লিফৰ হাত কিমান টান সেইকথা তেওঁ আগতে বুজি নোপোৱাকৈ থকা নাছিল যেন লাগিল।

কুকুৰ-মেকুৰীৰ কাজিয়াৰ দৰে কাজিয়া এখন চাই আমোদ উপভোগ কৰাৰ ইচ্ছা মোৰ নহ'ল। সেইবাবে, জুইৰ উম লোৱাৰ মন যেন দেখুৱাই মই জুহালৰ পিনে খৰকৈ আগুৱাই গ'লো। তেওঁলোকৰ মাজত লগা কাজিয়াখনবো যেন মই একো গম নাপাওঁ, তেনে এটা ভাবো দেখুৱালোঁ। মোক দেখি উভয়ে কাজিয়াৰ পৰা বিৰত হ'ল। হিথক্লিফে হাতৰ মুঠি, অভ্যাসবশতঃ, জেপত ভৰালে; বোৱাৰী গৰাকীয়ে ওঁঠ দুটা বেকাবেকি কৰি অলপ দূৰলৈ আঁতৰি গৈ বহিল। মই তাত থকাখিনি সময় তেওঁ শিলামূৰ্তিৰ দৰে থৰ হৈয়ে থাকিল। ইচ্ছাৰ বিৰুদ্ধে একোকে নকৰাৰ অংগীকাৰকে বোধহয় তেওঁ তেতিয়ালৈ সাব্যস্ত কৰিলে।

মই পিচে সৰহ সময় তাত নাথাকিলোঁ। তেওঁলোকৰ লগত পুৱাৰ চাহজলপান খাবলৈ মোক কৈছিলে, মই মান্তি নহ'লোঁ। পুৱাৰ পোহৰ ফটফটীয়া হোৱা মাত্ৰকতে মই, বাহিৰৰ তেতিয়ালৈ শান্ত হোৱা, স্থিৰ, হিম-শীতল, উন্মুক্ত প্ৰকৃতিৰ মাজলৈ ৰাটি ললোঁ।

বাৰীৰ শেহৰ সীমাটো পোৱাৰ আগতেই হিথক্লিফে মোক পিচফালৰ পৰা চিঞৰি চিঞৰি ৰ'বলৈ কৈছিল; তোৱা আৰু পিটিনিৰ অঞ্চলটো পাৰ নোহোৱালৈকে তেওঁ মোৰ লগত যাব বুলিও ক'লে। বৰ ভালেই কৰিলে, কাৰণ পাহাৰৰ নামনিৰ পৰা আৰম্ভ কৰি গোটেইখন বৰফেৰে ঢাকখাই ঢৌতকীয়া সাগৰ সদৃশ হৈ আছে। দ বাম একোৰে চিন নাই— সব একাকাৰ। কালি পাৰ হৈ অহা বাটৰ চিন-মোকাম বুলিবলৈ আজি একো নাই।

এটা কথা মোৰ চকুত পৰিছিল। চল পৰি থকা গোটেই অঞ্চলটোতে ৰাস্তাৰ এটা দাঁতিত, ছয় সাত গজ দূৰে দূৰে, এশাৰী শিলৰ খুটা পোনকৈ পোতা আছিল। ৰাতিৰ অন্ধকাৰত, ৰাস্তাৰ চিন বুজাবলৈ, নিচান হিচাপে এইবোৰ কামত লগোৱা হৈছিল, আৰু আন্ধাৰত জিলিকি থাকিবলৈ বুলি চূণ সানি বগাকৈ ৰখা হৈছিল। বৰ্তমানৰ দৰে পৰিস্থিতিত, অৰ্থাৎ অতি তুষাৰপাত হৈ ৰাস্তা-ঘাটৰ চিনচাব নোহোৱা কৰিলেও, শিলৰ খুটাবোৰে ৰাস্তাৰ চিন বুজাইছিল। কিন্তু এতিয়া দেখিলোঁ যে এটাৰ বাহিৰে বাকী আটাইবোৰ বৰফত পোত গ'ল; যিটো আছে তাৰো ক'লা বৰণৰ আগটোহে অলপকৈ ওলাই আছে। গতিকে হিণক্লিফে গোটেই পথচোৱা মোক সেইফালে, এইফালে, সোঁহাতে, বাওঁহাতে বুলি দেখুৱাই দি আচল ৰাস্তাহেদি লৈ গৈ আছিল।

বাটত আমি কথা-বতৰা তেনেকৈ একো পতা নাছিলোঁ। থ্ৰাচক্ৰচ পাৰ্ক পাই তেওঁ ৰৈ গ'ল, মোক ক'লে যে সেইখিনিৰ পৰা থকা ঠাইলৈ মোৰ বাট ভুল নহ'ব, মই অকলেই পাবিম। বিদায় বেলাৰ সৌজন্য প্ৰকাশ কৰি, মূৰটো দোঁৱাই, নিজৰ ওপৰতে ভৰসা কৰি মই আগবাঢ়ি গ'লোঁ। পাৰ্কত থকা দাৰোৱানৰ ঘৰটোত তেতিয়া কোনো নাছিল, ঘৰটো খালি আছিল।

সেইখিনিৰ পৰা গ্ৰেঞ্জলৈ, অৰ্থাৎ মোৰ থকা ঠাইলৈ, দূৰ হয় দুমাইল। পিচে মোৰ বাবে হ'লগৈ চাৰিমাইল। কাৰণ আঠ গছ-গছনিৰ মাজত মোৰ বাটৰ চিন হেৰাইছিল, ক্ষণটিতাই ঘূৰিব লগা হৈছিল। দুই এবাৰ ডিঙিলৈকে বৰফত পোত গৈছিলোঁ। এনে এক দুৰ্দশা মোৰ হৈছিল যে ভুক্তভোগীৰ বাহিৰে আনে তাক বুজিব নোৱাৰে। যেই কি নহওক, বহুত ঘঁৰাই-পকাই, দুৰ্ভোগ ভুগি যেতিয়া মই ঘৰ পালোঁগৈ, তেতিয়া ঘড়ীত বাৰ বাজিছে। দেখা গ'ল, 'ৱাদাৰিং হাইট্‌চ'ৰ পৰা মোৰ ঘৰলৈ চিধাচিধি যি দূৰত্ব সেই দূৰত্ব মই ঘণ্টাত এমাইলকৈ অতিক্ৰম কৰিছোঁ।

মই গৈ পোৱাত মোৰ পৰিচাৰিকা আৰু তেওঁৰ সাংগোপাংগ লগুৱা লিক্‌চো মোক আগবঢ়াই নিবলৈ স্ফূৰ্তিত হৈ চৈ কৰি দলে বলে ওলাই আহিল। তেওঁলোকে বোলে মোৰ আশা একেবাৰে এৰিয়েই দিছিল। আগদিনা নিশা মই মৰিলোঁ বুলিয়েই প্ৰত্যেকে ভাবি লৈছিল। মোৰ শটো বিচাৰ-খোঁচাৰ কৰি উলিয়াবৰ বাবে কি কৰা যায় সেই বিষয়ে আটায়ে জল্পনা কল্পনাও বোলে কৰিছিল।

'ঘূৰি আহি পালোঁহি যেতিয়া তোমালোকে চিন্তা কৰাৰ আৰু দৰকাৰ নাই' বুলি কৈ মই তেওঁলোকক শান্ত হ'বলৈ বুজনি দিলোঁ। মোৰ গাটো কলিজালৈকে জাৰত জঠৰ হোৱা যেন হৈছিল। নিজকে টানি নিয়াদি নি মই কোনোমতে মোৰ ওপৰ মহলত থকা কোঠাত সোমালোঁগৈ। তাতে শুকান সাজপাৰ সলাই, ত্ৰিশ চল্লিশ মিনিটমান সময় ইফালে সিফালে পায়চাৰি কৰি, গাটোলৈ অলপ গৰম আনি ললোঁ। তাৰ পিছত বহিলোঁগৈ। লগুৱাটোৱে একাপ ধোঁৱা বলি থকা কফি আৰু জা-জলপান আগবঢ়াই দিলে। সেইখিনি গলাধঃকৰণ কৰাৰ শক্তিও যেন তেতিয়া মোৰ নাছিল।

# ৪

আমি যে কিমান দাম্ভিক আৰু চল চহি চাপৰি বজোৱা মানুহ ! মোৰ নিজৰ কথাই কওঁ। মই ঠিক কৰি লৈছিলোঁ যে সৰ্বপ্ৰকাৰ সামাজিক সম্বন্ধৰ পৰা মই আঁতৰি থাকিম, আৰু বহুতো বিচাৰ-খোঁচাৰ কৰাৰ পিচত এনে এখন ঠাইত থিত লবলৈ পাইছিলোঁ যে মই নিজকে ভাগ্যবান বুলিয়ে ভাবিছিলোঁ। কিন্তু মই, সেই একেটা মানুহেই, আজি নিজকে ইমান অকলশৰীয়া যেন অনুভৱ কৰিলোঁ যে গোটেই দিনটো বিষণ্ণতা আৰু নিঃসংগতাৰ লগত যুঁজ কৰি, শেহান্তৰত পৰাজয় স্বীকাৰ কৰি লবলৈ বাধ্য হ'লোঁ। মিচেচ ডীনে ৰাতিৰ আহাৰসাজ লৈ আহোঁতে তেওঁক মই ক'লো যে মোৰ গৃহস্থালিখনৰ বিষয়ে কেইটামান কথা তেওঁৰ পৰা জানি লব লগা আছে, খাই থাকোঁতেই কথা কেইটা সুধিব পাৰিম, তেওঁ খন্তেক বহক। মোৰ পেটে পেটে আশা আছিল যে মিচেচ ডীনে ই কথা সি কথাৰ পৰা অনেক কথা উলিয়াব, আৰু কথাৰ মহলা মাৰি মাৰি মোৰ হয় টোপনি নিয়াব বা মোৰ মন সতেজ কৰি তুলিব।

ময়ে আগেভাগে আৰম্ভ কৰিলোঁ। "তুমিতো ইয়াত বহুত কাল আছা বুলি কৈছিলা, ষোল বছৰ বুলি কৈছিলা, নহয়নে ?"

"ওঠৰ বছৰ, মহাশয়। আইদেউৰ বিয়া হওঁতেই মই তেওঁৰ পৰিচাৰিকা হৈ আহিলোঁ। তেওঁ ঢুকুৱাৰ পিচত ঘৰৰ গৃহস্থই ঘৰখন চোৱা-চিতা কৰিবলৈ মোক ৰাখি থলে।"

"এ, হয় নেকি ! মই এইবুলি জনাই নাছিলোঁ?"

কেইটামান নীৰৱ মুহূৰ্ত পাৰ হ'ল। মোৰ মনত আশংকা হ'ল যে মিচেচ ডীন কথাৰ মহলা মাৰি ভাল পোৱা মানুহ নহয়। তেওঁৰ নিজৰ কথা হয়তো উলিয়াব, কিন্তু সেইবোৰ শুনি মোৰ কি লাভ হ'ব ?

পিচে অলপ সময় কিবা ভৱাগুণা কৰি থকা দি থকাৰ পিছত, মুঠি মৰা দুখন হাত দুটা আঁঠুৰ ওপৰত থৈ, ৰাঙলী গালত বিষণ্ণতাৰ ম্লান ছায়া পেলাই, স্বগতোক্তিৰ সুৰত হঠাতে কৈ পেলালে ঃ "এৰা, তেতিয়াতকৈ সময় বহুত সলনি হ'ল।"

"ঠিকেই, মোৰ বোধেৰে তুমি অনেক সলনি লক্ষ্য কৰিছা।"

"কৰিছোঁ, অকল সময় সলনি হোৱাকে যে কৰিছোঁ তেনে নহয়, বহুত অশান্তি আৰু দুখ দুৰ্দশাৰো মই সাক্ষী।"

"এ হে, মই চোন মোৰ ভাৰা ঘৰৰ মালিকৰ পৰিয়ালৰ কথাকে উলিয়াব পাৰোঁ।" মই মনে মনে ভাবিলোঁ। "আনন্দ কৰিবৰ বাবে ই এটা ভাল বিষয় হ'ব। সেই সুন্দৰী বালিকা বিধবা গৰাকীৰ বিষয়েও জানিব পৰা যাব। তেওঁ এই দেশৰে ছোৱালী, নে ফিঙফিঙীয়া মেজাজৰ থলুৱা লোকে আপোন বুলি লব নোখোজা কোনোবা বিদেশীনীহে, সেই কথা কথাৰ লাচতে ওলাই পৰিব। পিচৰটোৰ সম্ভাৱনাহে অৱশ্যে বেছি যেন লাগে।"

এই অভিপ্ৰায় মনত পুহিয়েই মই মিচেচ ডীনৰ পৰা হিথক্লিফে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' ভাৰা দি, তাতকৈ নিকৃষ্ট এটা ঘৰত আৰু বিষণ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত কিয় থাকিবলৈ লৈছে সেই কথা জানিবলৈ বিচাৰিলোঁ।

"তেওঁৰ বাগিচা আৰু মহল ভালদৰে চোৱা-চিতা কৰাৰ বাবে তেওঁৰ ধনৰ অভাৱ নেকি ? তেওঁ যথেষ্ট ধনী লোক নহয় নেকি ?" মই সুধিলোঁ।

"ধনী নহয় নেকি সুধিছে ?" মিচেচ ডীনে জবাব দিলে, "তেওঁৰ কিমান ধন-সম্পত্তি আছে কোনেও সঠিককৈ ক'ব নোৱাৰে, আৰু প্ৰতিবছৰে ই বাঢ়িহে গৈছে। আপুনি ঠিকেই কৈছে— এতিয়া থকাটোতকৈ ভাল এটা ঘৰত থাকিবলৈ টকাৰ নাটনি তেওঁৰ নাই; পিচে মানুহজনৰ হাতখন বৰ টান। আৰু ধৰি ললোঁ তেওঁ গ'লো বা থ্ৰাচক্ৰচ গ্ৰেঞ্জত থাকিবলৈ— কিন্তু যেতিয়াই তেওঁ ভনহভাবা নিৰপৰা ভাৰাতীয়া পাব পাৰি বুলি শুনিব, তেতিয়াই কেইশমান পাউণ্ড বেছিকৈ পোৱাৰ লোভত তেনে এটা সুবিধা এৰি দিব তেওঁ নুখুজিব। ভাবিলে ইমান আচৰিত লাগে। এই সংসাৰত ইমান অকলশৰীয়া, অথচ লোভৰ অন্ত নাই।'

"তেওঁৰ ল'ৰা এটা আছিল হ'ব পায়।'

'এৰা, ল'ৰা এটা তেওঁৰ আছিল— ঢুকাল।'

'সেই গাভৰু গৰাকী— মিচেচ হিথক্লিফৰ কথা কৈছোঁ— সেই ল'ৰাৰে বিধবা পত্নী নে কি ?'

'হয়।'

'তেওঁ পূৰ্বতে ক'ৰ আছিল ?'

'এ, আপুনি দেখিছোঁ একোকে নাজানে। মোৰ আগৰজন মালিকৰে ছোৱালী তেওঁ। বিয়াৰ আগতে তেওঁৰ নাম আছিল কেথেৰিন লিণ্টন। বেচেৰী ! মায়ে তাইক তুলি তালি ডাঙৰ দীঘল কৰা। মিঃ হিথক্লিফ ইয়ালৈ উঠি আহিব বুলি মই পেটে পেটে আশা কৰিছিলোঁ; তেতিয়াহ'লে আমি একেলগে থাকিব পাৰিলোহেঁতেন।'

হঠাতে উচপ খাই উঠাৰ দৰে উঠি মই ক'লোঁ, 'কি নামটো ক'লা ? কেথেৰিন লিণ্টন ?' পিচে এক মুহূৰ্তপৰ চিন্তা কৰি চালতে কথাটো ওলাই পৰিল ঃ এই কেথেৰিন মোৰ সপোনৰ অশৰীৰী কেথেৰিন নহয়। 'তেনেহ'লে', মই আকৌ সুধিলোঁ, 'মোৰ পূৰ্ববৰ্তী গৰাকীৰ নাম আছিল লিণ্টন ?'



'হয়, সেইটো নামেই আছিল।'

'আৰু সেই আৰ্ণশ্ব বোলাজন— হেৰেটন আৰ্ণশ্ব— হিথক্লিফৰ লগতে যে থাকে, তেওঁ কোন ? তেওঁলোকৰ লগা ভগা নে কি ?'

'নহয়, তেওঁ লিণ্টনৰ পৰিবাৰৰ ভাগিনীয়েকহে। তেওঁ এতিয়া নাই। ঢুকাল।'

'তেনেহ'লে তেওঁ গাভৰু গৰাকীৰ পেহীয়েকৰ পুতেক ?"

'হয়, আৰু তেওঁৰ স্বামীও আছিল তেওঁৰ পেহীয়েকৰ পুতেক। দুয়োফালৰ পৰা সম্বন্ধ। মাকৰ ফালৰ পৰাও, পিতাকৰ ফালৰ পৰাও। হিথক্লিফে লিণ্টনৰ বায়েকক বিয়া কৰাইছিল।'

'ৱাদাৰিং হাইট্‌চ'ৰ সন্মুখৰ দুৱাৰখনতে 'আৰ্ণশ্ব' নামটো খোদাই কৰি থোৱা দেখিছিলোঁ। তেওঁলোকৰ পৰিয়ালটো বোধহয় প্ৰাচীন পৰিয়াল।"

'বৰ পুৰণা পৰিয়াল, মহাশয়। সেইফালৰ হেয়াৰটনেই সৰ্বশেষৰ লোক; আমাৰ ফালৰ, মানে মই লিণ্টন পৰিয়ালৰ কথা কৈছোঁ, কেথিৰেই হ'ল সৰ্বশেষ। আপুনি 'ৱাদাৰিং হাইট্‌চ'লৈ কেতিয়াবা গৈছেনে ? সোধাৰ বাবে খং নকৰিব। তেওঁনো কেনে আছে জানিবৰ মন গৈছে।"

'মিচেচ হিথক্লিফৰ কথা কৈছা ? তেওঁক দেখাত ভালে থকা যেনেই লাগিল; বৰ ধুনীয়াও হৈ আছে দেখিবলৈ; কিন্তু মোৰ বোধেৰে বৰ সুখীহে নহয় হ'বলা।'

'সেইটোৱেইটো কথা। মই জানো নহয়। গৃহস্থজনক বাৰু আপোনাৰ কেনে লাগিল ?'

'বৰ অভদ্ৰ প্ৰকৃতিৰ লোক যেন লাগিল। তেওঁৰ সেইটোৱেই চৰিত্ৰ, নহয়নে ?'

'তেওঁৰ অভদ্ৰতাৰ কথা আৰু ক'ব লাগিছেনে ? মুখ নহয় যেনিবা কৰতৰ ধাৰ হে। আৰু অন্তৰখন শিলৰ দৰে টান। আপুনি তেওঁৰ লগত যিমানকৈ হাট-বাট নকৰাই ভাল।'

'মানুহজন যে এনে ইতৰ প্ৰকৃতিৰ হ'ল— জীৱনত তেওঁৰ বেচ লটিঘটি হৈ গৈছে কিজানি। তুমি বাৰু তেওঁৰ জীৱনৰ কথা কিবা জানানে ?'

'একেবাৰে কুলি চৰাইৰ জীৱন মহাশয়। মই গোটেইবোৰ কথা জানো। নজনাৰ ভিতৰত মাত্ৰ আছে— তেওঁ উপজিছিল ক'ত, মাক-বাপেক আছিল কোন, আৰু প্ৰথমতে টকা-পইচা ক'ত পালে— এই কেইটা কথা। আৰু হেয়াৰটনৰ কথানো কি ক'ম ! ক'বলৈ বেয়াহি লাগে। গেঁৰনেনীয়া শালিকা পোৱালীৰ দৰে তাক খ্যাপা কৰা হৈছে। বেচেৰা দুৰ্ভগীয়া ল'ৰাটো ! তাক কেনেকৈ বঞ্চিত কৰা হৈছে সেই কথা এই অঞ্চলত নজনা মানুহ তাৰ নিজৰ বাহিৰে আন কোনো নাই।'

'এটা কথা, মিচেচ ডীন। মোৰ ওচৰচুবুৰীয়া সকলৰ বিষয়ে তুমি যি পাৰা মোক কোৱাহেঁতেন মোৰ উপকাৰত আহিলহেঁতেন। মই এতিয়া বিচনাত পৰিলেগৈয়ো যে

টেপনি আহিব আশা কৰা নাই। তুমি পাৰিলে এঘণ্টামান বহাচোন। কথা-বতৰাকে পাতোঁ।'

'ঠিক আছে মহাশয়। মই বহিম বাৰু। মই অলপ চিলাইৰ কাম লৈ আহোঁগৈ। আহি যিমান সময় বিচাৰে, মই বহি কথা পাতি থাকিম— হাতেৰে চিলাই কৰিও থাকিম। পিচে আপোনাৰ দেখিছোঁ পানী লাগিছে। আপোনাক মই কঁপি থকা মন কৰিছোঁ। কিবা মদ এবাটি নিপিলে আপোনাৰ কঁপনি নকমে।'

মিচেচ ডীন বৰ গুণৱতী মহিলা বুলি মোৰ ভাব হ'ল। কামৰ মানুহ। তেওঁ এইমাত্ৰ আহিছোঁ বুলি সন্তৰ্পণে ওলাই গ'ল; মই জুইকুৰাৰ কাষ চাপি বহিলোঁ। মোৰ মুখটো গৰম যেন লাগিল, কিন্তু গাটোৰ বাকীখিনি চেঁচা হৈয়ে ৰ'ল। তদুপৰি একপ্ৰকাৰ আৱেগিক উত্তেজনাই মোৰ বিচাৰবোধ আৰু অনুভূতিক প্ৰায় মূৰ্খামিৰ পৰ্যায় পোৱাকৈ আলোড়িত কৰি তুলিছিল। ইয়াৰ পৰিণাম স্বৰূপে মই অস্বস্তিবোধ কৰা নাছিলোঁ; ভয় হ'লে খাইছিলোঁ। সেই ভয় এতিয়াও আছে— আজিৰ আৰু কালিৰ এই ঘটনাবোৰৰ পৰিণাম বা কি হ'বগৈ সেই চিন্তা মূলত সোমোৱা বাবেই এই ভাবৰ উদ্ৰেক।

মিচেচ ডীন সোনকালেই ঘূৰি আহিল। তেওঁৰ এহাতে এটা ধোঁৱা বলি থকা গামলা, আনহাতে সৰু টুকুৰী এটাত চিলাইৰ কাম। গামলাটো জুহালৰ কাষৰ তক্তা এটাতে গৰম হৈ থাকিবলৈ বুলি থৈ, চকীখন মোৰ ওচৰ চপাই লৈ তেওঁ বহিল। মোৰ ইমান সংগপ্ৰিয় পাই তেওঁ দেখদেখকৈয়ে বৰ ভাল পাইছিল।

মই তেওঁক কাহিনী আৰম্ভ কৰিবলৈ ক'ব লগা নহ'লেই; তেওঁ আৰম্ভ কৰি দিলেই। 'ইয়াত থাকিবলৈ অহাৰ আগতে মই প্ৰায় সদায়েই 'ৱাদাৰিং হাইট্চ'তে আছিলোঁ, কাৰণ মোৰ আয়ে, হেয়াৰ্টনৰ পিতাক মিঃ হিণ্ডলে আৰ্ণশ্বক, তুলি তালি ডাঙৰ দীঘল কৰিছিল। ল'ৰা-ছোৱালী কেইটাৰ লগত খেমালি ধুমুলা কৰাটো মোৰ দৈনিক অভ্যাসৰ দৰে হৈ পৰিছিল। মই অলপ তলৈ বাতৰি আনা নিয়াও কৰিছিলোঁ, খেৰ শুকুওৱাতো সহায় কৰিছিলোঁ, আৰু পামখনৰ ভিতৰতে যাকে যেতিয়াই দৰকাৰ হয়, যায় ফৰমাচ খাটিবলৈ, তাতে ইফাল সিফাল কৰি কটাইছিলোঁ। হাত ধৰি লিগিৰীৰ দৰে মোৰ কাম আছিল।

এদিনাখনৰ কথা। তেতিয়া গ্ৰীষ্মকালি। ফৰকাল পুৱা। দিনটো মোৰ এতিয়াও ভালকৈ মনত আছে। খেতি চপোৱাৰ বতৰ তেতিয়া। ৰবজনা গিবিহঁত, মিঃ আৰ্ণশ্ব, ক'ৰবালৈ যাবলৈ বুলি সাজিপাৰি ওলাই তলৰ মহলালৈ নামি আহিছিল। দিনটোত কৰিবলগীয়া কামৰ বাবে জোচেফক দিহা দিয়াৰ পিচত, তেওঁ হিণ্ডলে আৰু কেথি আৰু মোৰ পিনে ঘূৰিলে। মই ল'ৰা-ছোৱালীহালৰ লগত পুৱাৰ জলপান খাই আছিলোঁ। পুত্ৰেকলৈ চাই তেওঁ ক'লে, 'সুন্দৰ বোপাটি, মই আজি লিভাৰপুললৈ দিম। মাত্ৰ বৰ ডাঙৰ বস্তু হ'ব নালাগে, কাৰণ মই খোজকাঢ়ি অহা-যোৱা কৰিম। বহুত দীঘল বাট, যাওঁতেও তিনি কুৰি মাইল, আহোঁতেও সমানেই।'



হিণ্ডলেই বেহেলা এখন বিচাৰিলে। কেথিৰ তেতিয়া ছবছৰেই নৌ হয় এখোন, কিন্তু তেতিয়াই তাই ঘোঁৰা দৌৰাব পৰা হৈছিল। ঘোঁৰাশালত থকা যি কোনো ঘোঁৰাতে তেওঁ অনায়াসে উঠিব পাৰিছিল। তাইক কি লাগিব বুলি দেউতাকে সুধিলত তাই এডাল চাবুকৰ কথা ক'লে।

মোৰ কথাও তেওঁ পাহৰা নাছিল। তেওঁ আছিল দয়ালু লোক। অৱশ্যে মাজে মাজে কঠোৰ হয়, সঁচা। তেওঁ মোলৈ এমোনা আপেল আৰু নাচপতি আনিব বুলি ক'লে। ইয়াকে কৈ তেওঁ ল'ৰা-ছোৱালীহালক চুমাখাই, বিদায় লৈ গ'লগৈ।

তেওঁ আঁতৰি থকা তিনিওটা দিন আমাৰ বাবে যেন তিনিটা যুগহে। নাযায় নুপুৰায়। কণমানি কেথিয়ে দেউতাক কেতিয়া ঘূৰি আহিব মাজে মাজে সুধিবলৈ ললে। মিচেচ আৰ্ণশ্বই তৃতীয় দিনৰ নিশা আহাৰ খোৱাৰ সময়ত তেওঁ পাবহি বুলি আশা কৰিছিল। সেইদিনা তেওঁ গৃহস্থলৈ বাট চাই চাই গধূলিৰ খোৱা ইয়ণ্টাৰ পিচত সিঘণ্টাকৈ পিচুৱাই নি আছিল। কিন্তু তেওঁ ঘূৰি অহাৰ একো লক্ষণেই দেখা নগ'ল। ল'ৰা-ছোৱালী দুটাই ঘনে পতি পদূলিমুখলৈ ওলাই গৈ দেউতাক আহিছেনেকি চাই আছিল। গধূলি হ'লত সিহঁতবো ভাগৰ লাগিল, পদূলিলৈ যাবলৈ বাদ দিলে। গধূলি হ'ল। এন্ধাৰ হ'ল। মাকে সিহঁত দুটাক শুবলৈ যাবলৈ ক'লে, কিন্তু সিহঁত শুবলৈ নাযায়। সিহঁতক দেউতাকলৈ বাট চাই থাকিবলৈ লাগে। গৈ থৈ শেহাহৰত প্ৰায় এঘাৰমান বজাত দুৱাৰ-দাংডাল লাহেকৈ খোল খালে, আৰু গৃহস্থ ভিতৰলৈ সোমাই আহিল। আহিয়েই তেওঁ ধহমহাই চকী এখনত বহিল। তেওঁ হাঁহি আছিল আৰু কেঁকাইয়ো আছিলে। ল'ৰা-ছোৱালীহালক তেওঁ গাত পৰি লেসেৰ-পেসেৰ কৰিবলৈ নিদিলে, অলপ দূৰলৈ যাবলৈ ক'লে। তেওঁৰ হেনো কষ্টত মৃতপ্ৰায় অৱস্থা হৈছিল। তিনিও ভুৱনৰ লোভ দেখুৱালেও তেনে এটা যাত্ৰাত তেওঁ আকৌ বাহিৰ নহ'ব বুলি আমাক ক'লে।

হলো চোলাটো তেওঁ ভালদৰে মেৰিয়াই বুকুত সাবটি লৈ আহিছিল। তাকে মেলিবলৈ ধৰি তেওঁ ঘৈণীয়েকক সম্বোধি ক'লে, 'এই আপদীয়া যাত্ৰা, দেহা গুচি মাটি হ'ল, তাতে আকৌ যাত্ৰাৰ শেষত মৰণৰ ভয়। চোৱাচোন, জীৱনত মই এইদৰে কেতিয়াও প্ৰবঞ্চিত হোৱা নাছিলোঁ। যি কি নহওঁক, তুমি ইয়াক ভগৱানৰ দয়া বুলিয়েই ল'ব লাগিব। পিচে, এইটো ইমান ক'লা— যেন চয়তানৰ কোচৰ পৰাহে পৰিছে।'

আমি আটায়ে তেওঁক বেঢ়ি ধৰিলোঁ, কেথিৰ মূৰৰ ওপৰেদি জুমি চাই মই দেখিবলৈ পালোঁ লেতেৰা, ফটা-ছিটা কাপোৰ পিন্ধা, ক'লা চুলিৰ এটা শিশু। বয়সত কথা ক'বও পৰা, খোজকাঢ়িবও পৰা। মুখখন দেখিলে কেথৰিণতকৈ বয়সে ডাঙৰ যেনহে লাগে। তথাপিতো কোচৰ পৰা নমাই থিয় কৰাই দিলত সি থৰ লাগি চাইহে থাকিল, আৰু কোনেও বুজি নোপোৱা বাং বিং কিছুমান পালৈ ধৰিলে। দেখি মোৰ ভয়েই লাগিল। আৰ্ণশ্ব গৃহিণীয়ে তাক ঘৰৰ পৰা বাহিৰ কৰি দিবই খুজিলে। তেওঁ খঙত একেবাৰে উতলি উঠিল। সেই অঘৰী পোৱালীটোক যে ক'ৰবাৰ পৰা ঘৰলৈ

বুটলি অনা হৈছে, কোনো পোহপাল দিয়া হ'ব কেনেকৈ ? তেওঁলোকৰ নিজৰে ল'ৰা-ছোৱালী এহাল জানো নাই ? সেইহালক ভাতৰ কৰা কথা নহি জানো ? এই বুটলি অনাটোৰে কি কৰা হ'ব ? কি বিবেচনাৰে ইয়াক ঘৰ সুমুৱা হ'ল ? মতিচ্ছন্ন নহ'লে কোনোবাই এনে কাম কৰেনে ?'

গৃহস্থই তাকনো ক'ত কেনেকৈ পালে তাকে ক'বলৈ লৈছিল; কিন্তু ভাগৰত তেওঁ প্ৰকৃততে আধামৰা হৈ পৰিছিল। ইফালে গৃহিণী গৰাকীয়ে গালিৰ জাউৰি বৰষিয়ে আছে। তাৰে মাজত মোৰ কাণত যি কেইটা কথা গৃহিণীৰ তৰ্জন গৰ্জন ভেদ কৰি সোমালহি, তাৰপৰা বুজিলোঁ যে গৰাকীয়ে শিশুটিক লিভাৰপুলৰ ৰাস্তাত অনাহাৰে, অনাদৰে পৰি থকা পাইছিল। ভালদৰে খা-খবৰ কৰিও যেতিয়া তাৰ কোনো অভিভাৱক পোৱা নগ'ল, তেতিয়া তেওঁ ভাবিলে যে সেইবোৰ বিচাৰ-খোচাৰ কৰি তেওঁৰ সীমিত সময় আৰু সঞ্চয়ৰ অপচয় কৰাতকৈ, শিশুটিক লগতে লৈ যোৱাই ভাল হ'ব। কাৰণ শিশুটিক তেওঁৰ বাটৰ দাঁতিত যি অৱস্থাত পৰি থকা পাইছিল, সেই অৱস্থাতে তাক পুনৰ এৰি থৈ যাবলৈ তেওঁৰ বিবেকে তেওঁক বাধা দিলে।

বলকি বলকি আৰ্ণশ্বৰ পৰিবাৰ শেহত ক্লান্ত হৈ পৰিল। গৃহস্থই মোক শিশুটিক ধুৱাই পখলাই, নতুন কাপোৰ-কানি পিন্ধাই, নিজৰ ল'ৰা-ছোৱালী দুটাৰ লগতে শুৱাই দিবলৈ ক'লে।

মাক-বাপেকৰ থকা-খুন্দা লাগি থকা সময়ত হিণ্ডলে আৰু কেথি মাত্ৰ নীৰৱ দৰ্শক আৰু শ্ৰোতা হৈ আছিল। উখলা উখনি শাম কাটিলত সিহঁতে পিতাকৰ জোলাৰ জেপ লুকিকিবলৈ ধৰিলে— সিহঁতলৈ আনিব বুলি কোৱা বস্তু কেইটা আনিছেই বা ! হিণ্ডলেৰ হাত বেহেলা এখনত ঠিকেই পৰিল, কিন্তু সি অক্ষত অৱস্থাৰ বেহেলা নহয়, চেপা খাই ভাগি চুৰ্মাৰ হৈ আছে। তাৰ বয়স তেতিয়া চৌধ্য বছৰ, তথাপিতো ভগা বেহেলাত হাত পৰিলত সি হাও হাওকৈ কান্দিবলৈ ধৰিলে। কেথিক বাপেকে ক'লে বোলে অপৰিচিত শিশুটিৰ কথাত লাগি থাকোঁতেই তেওঁ চাবুকৰ কথা পাহৰি গ'ল। কথাষাৰ শুনা মাত্ৰকে তাই মুখ ভেঙুচালি কৰি হাঁহি শিশুটোৰ গালে থুৱাই দিলে। সভ্য আচৰণৰ এনে পুটৌ লগা অভাৱৰ বাবে বাপেকে তাইক বেচ একচৰ লগাই দিলে।

ককায়েক-ভনীয়েকে বাপেকে বুটলি অনাটোক লগত শুবলৈ দিয়াক চাবি কোঠাত সুমাবলৈকে নিদিলে। আন উপায় নাপাই মই ভাবিলোঁ— আগদুৱাৰৰ খটখটিতে থৈ দিওঁ। ৰাতিপুৱালৈ হয়তো তাক আৰু পোৱা নাযাব, আপদ খণ্ডিব। যেনে ভাব, তেনে কাৰ্য। কিন্তু কিবা প্ৰকাৰে, হয়তো আৰ্ণশ্বৰ মাত শুনিয়েই, শিশুটো গৈ তেওঁৰ দুৱাৰমুখত ৰ'লগৈ। কোঠাৰ পৰা ওলাই আহি তেওঁ তাক তাতে দেখা পালে। সি কেনেকৈ সেইখিনি পালেগৈ সেই কথাৰ বিচাৰ লওঁতে মই সকলো কথা ভেদ ভাঙি ক'ব লগা হ'ল। ফলত মোৰ কাপুৰুষালি আৰু অমানবিকতাৰ বাবে তেওঁ মোক ঘৰৰ পৰা বাহিৰ কৰি দিলে।

শিশুটিৰ নাম আছিল হিথক্লিফ; আৰ্ণশ্ব পৰিয়ালত তাৰ এয়ে আছিল প্ৰথম প্ৰবেশ।



মোক ঘৰৰ পৰা সেইদিনা বাহিৰ কৰি দিলে যদিও, একেবাৰে খেদাই দিলে বুলি মই ভবা নাছিলোঁ। সেইবাবে মই কেইদিনমানৰ মূৰত গৃহস্থৰ ঘৰলৈ ঘূৰি আহিলোঁ। আহি দেখোঁ যে তেওঁলোকে তাৰ নাম হিথক্লিফ থৈছে। আৰ্ণশ্ব দম্পতীৰ ল'ৰা এটি কেঁচুৱাতে ঢুকাইছিল; তাৰ নাম আছিল হিথক্লিফ। সেই তেতিয়াৰ পৰা হিথক্লিফ সেইটো নামেৰেই জনাজাত হৈ আহিছে। উকা নাম। আগে পিচে একো নাই। খ্ৰীষ্টান নাম আৰু উপাধি একেটাই।

কেথি আৰু হিথক্লিফৰ মাজত বৰ মিল হ'ল; কিন্তু হিণ্ডলেই তাক চকু পাৰিও দেখিব নোৱাৰিছিল। সঁচা কথা ক'বলৈ গ'লে, ময়ো তাক ভাল চকুৰে চোৱা নাছিলোঁ। আমি তাক নিৰ্লজ্জভাৱে হাৰাশাস্তি কৰিছিলো। হিথক্লিফৰ প্ৰতি যে অন্যায় কৰা হৈছে সেই কথা মই বুজিব পৰা নাছিলোঁ, আৰু ঘৰৰ গৃহিণী গৰাকীয়েও তাৰ প্ৰতি অন্যায় অবিচাৰ কৰা দেখিলেও তাৰ হৈ এষাৰো মাত মতা নাছিল।

হিথক্লিফ বাহিৰৰ পৰা দেখাত বিমৰ্ষ আৰু সহনশীল প্ৰকৃতিৰ ল'ৰা আছিল। যেকেটি খাই খাই গালি-গঞ্জনা তাৰ গাত নলগা যেন হৈছিলগৈ। হিণ্ডলেৰ চৰবোৰ সি বিনা প্ৰতিবাদে, বিনা চকুলোৰে সহ্য কৰিছিল। মোৰ চৰ-চাপৰবোৰ খায়ো সি উদাসী চকুৰে এনেদৰে চাইছিল যেন সি নিজেহে আঘাত পইছে, আনক তাৰবাবে জগৰীয়া কৰিবলৈ যেন একো নাই।

বুঢ়াগৰাকী আৰ্ণশ্বই হিথক্লিফক বাপেক নোহোৱা এটি নিমাখিত প্ৰাণী বুলি বিবেচনা কৰিছিল। পুতেকে হিথক্লিফক উৎপীড়ন কৰা বুলি গম পাই তেওঁ একেবাৰে অগ্নিশৰ্মা হৈ পৰিছিল। হিথক্লিফৰ প্ৰতি তেওঁৰ অস্বাভাৱিক মৰম সোমাইছিল; সি যিহকে কয় তাকে সঁচা বুলি মানি লৈছিল (অৱশ্যে সি কথাও কৈছিল কম, আৰু যি কৈছিল সঁচাকে কৈছিল)। তেওঁ তাক কেথিতকৈও বেছি মৰম কৰিছিলে। কেথি দেউতাকৰ প্ৰিয়পাত্ৰী আছিল সঁচা, কিন্তু তেওঁৰ লাই পাই পাই তাই বৰ কুটুতীয়া আৰু উদ্ধত প্ৰকৃতিৰ হৈ পৰিছিল।

এইদৰেই হিথক্লিফে আহিবে পৰাই পৰিয়ালটোৰ মাজত বিদ্বেষৰ বীজ সিঁচিলে। দুবছৰৰ পিছত আৰ্ণশ্ব গৃহিণীৰ পৰলোক হ'ল। মাকৰ মৃত্যুৰ পিচত ডেকা আৰ্ণশ্বই পিতাকক বন্ধু বুলি নাভাবি শত্ৰু বুলি গণ্য কৰিবলৈ ললে। হিথক্লিফে তেওঁক পিতৃস্নেহ আৰু ন্যায্য সা-সুবিধা সমূহৰ পৰা বঞ্চিত কৰিছে বুলি ভাবিবলৈ ধৰিলে। আৰু এই অবিচাৰবোৰৰ কথা ভাবি গুণি থকাৰ ফলত তেওঁৰ প্ৰকৃতি বৰ তিক্ত হৈ পৰিল।

প্ৰথম অৱস্থাত মই আৰ্ণশ্বৰ প্ৰতি অলপ সহানুভূতি দেখুৱাইছিলোঁ, কিন্তু এবাৰ ল'ৰা-ছোৱালী তিনিওটাৰে অহিলকলে দেখা দিলত মই এগৰাকী নাৰীৰ দৰে সিহঁতৰ সেৱা-শুশ্ৰূষা কৰিব লগা হ'ল। তেতিয়াৰে পৰাই মোৰ ভাবৰ পৰিবৰ্তন ঘটিল। হিথক্লিফৰ একেবাৰে যোৱা থোৱা অৱস্থা হৈছিল, তাৰ অৱস্থা অতি শোচনীয় হলত সি অনবৰত মোক তাৰ ওচৰত বিচৰা হ'ল। মোৰ ভাব হয় যে মই তাৰ বাবে বহুত

কৰিছোঁ বুলি সি ভাবি লৈছিল। কৰিবলৈ যে বাধা সেই কথা বুজিবৰ জোখেৰে বুধি তাৰ নাছিল। তৎসত্ত্বেও, মই ক'বই লাগিব যে তাৰ দৰে শান্ত স্বভাৱৰ ল'ৰাৰ সেৱা-শুশ্ৰূষা কৰিবলৈ অতি কম সংখ্যক ধাত্ৰীয়েহে পাইছে। বাকী দুটাৰ লগত তাৰ প্ৰকৃতিৰ প্ৰভেদ দেখি তাৰ বিৰুদ্ধে থকা মোৰ পক্ষপাত হ্ৰাস কৰিবলৈ মই বাধ্য হ'লোঁ। কেথি আৰু তাইৰ ককায়েকে মোক নাকনি-কাণনিকৈ শিকাইছিল; হিথক্লিফ কিন্তু ভেৰা পোৱালীৰ দৰে নিৰ্দ্ধ আছিল। সি কোনো ওজৰ আপত্তি নকৰিছিল। পিচে সি মোক আমনি নিদিয়াৰ মূলতে তাৰ শান্ত স্বভাৱেই আছিল বুলি ভাবিলে ভুল হ'ব; তেনে আচৰণৰ মূলতে আছিল তাৰ কঠোৰ সহনশীলতা।

হিথক্লিফ আৰোগ্য হৈ উঠিল। ডাক্তৰৰ মতে তাৰ আৰোগ্য লাভ বহুলাংশে মোৰ যত্নৰ বাবেহে হ'ল। মোৰ সেৱা যত্নৰ প্ৰশংসাও ডাক্তৰে নকৰাকৈ নাথাকিল। প্ৰশংসা শুনি মই ভেমত ওফন্দি পৰিলোঁ, আৰু যাৰ যোগেদি এই প্ৰশংসা পালোঁ সেই হিথক্লিফৰ প্ৰতি মোৰ মন কুমলিল। ফলত হিণ্ডলেই তাৰ শেষ মিত্ৰ গৰাকীকো হেৰুৱালে। পিচে মই যে হিথক্লিফৰ প্ৰতি অন্ধ স্নেহত পমি গৈছিলোঁ তেনেও নহয়। মোৰ গৰাকীয়েনো এই গোমোঠা মুখীয়া ল'ৰাটোক ইমান কিয় ভাল পাইছিল সেইটো মোৰ বাবে এটা সাঁথৰ হৈয়ে ৰ'ল। মোৰ মনত পৰাত সি যি আদৰ যত্ন পাইছিল তাৰবাবে কৃতজ্ঞতাৰ কোনো চিনেই সি দেখুৱাব পৰা নাছিল। আশ্ৰয়দাতাৰ প্ৰতি সি দুৰ্বিনীত নাছিল। সি মাত্ৰ আছিল একেবাৰে নিৰাবেগ প্ৰকৃতিৰ। কিন্তু গৃহস্থৰ অন্তৰত তাৰ প্ৰতি থকা গভীৰ স্নেহ সম্পৰ্কে সি সম্পূৰ্ণ সচেতন আছিল। সি ভালদৰে বুজি পাইছিল যে সি লাগে বোলা মাত্ৰকে বিচৰা বস্তুটো দিবলৈ ঘৰখনৰ তত নোহোৱা হয়।

এনেধৰণৰ এটা কথাই মোৰ মনত পৰিছে। এবাৰ গুচৰৰ হাটৰ পৰা আৰ্ণশ ডাঙৰীয়াই কেইটামান ঘোঁৰা পোৱালি কিনি আনিলে, আৰু তিনিওটা ল'ৰা-ছোৱালীকে গাইপতি একোটাকৈ দিলে। আটাইতকৈ ধুনীয়াটো ল'লে হিথক্লিফে, পিচে ই'ল। সি তাক ক'লে, "তয়ে মৰে ঘোঁৰা পোৱালি সদাই লওঁ আহ। মোৰটো মোৰ ভাল লগা নাই। তই যদি মান্তি নহৱ, তেন্তে তোৰ বাপেৰক, এই সপ্তাহৰ ভিতৰত যে মোক তই তিনিবাৰ কুন্দিছ, সেই কথা লগাই দিম। মোৰ বাহুটো দেখুৱাই দিম। এতিয়াও ক'লা পৰি আছে।'

মান্তি হওক চাবি হিণ্ডলেই তাক জিভা উলিয়াই নিয়াবিলেহে, আৰু কাণ মোচৰা এটাও দিলে।

হিথক্লিফ কিন্তু নাচোলবান্দা। "তই সোনকালে সদাই লোৱাই ভাল" এইবুলি কৈ সি চ'ৰাৰফ পালেহি (কথাটো উলিয়াওঁতে সিহঁত ঘোঁৰাশালত আছিল)। "তই সদাবই লাগিব। মই তোৰ হাতত ইমানদাৰে ক'লা পৰি যোৱাকৈ পিটন খোৱাৰ কথা ক'লে, বাপেৰে তোকো সুদাই লোৱ; বেছিবিহে এখুন্দা দিব।"



খেৰ আৰু আলু ওজন কৰিবলৈ ব্যৱহাৰ কৰা লোহাৰ দগা এটা হাতত তুলি লৈ তাৰপিনে চোঁৱাই হিণ্ডলেই ক'লে, 'আঁতৰ হ বুলিছোঁ, কুকুৰ।'

হিথক্লিফেও বেপৰোৱা হৈ উত্তৰ দিলে, 'মাৰচোন দগাটো মোৰ গালৈ, চাওঁ। বাপেৰ মৰিলেই তই যে মোক ঘৰৰ পৰা উলিয়াই দিবি বুলি কৈছিলি, সেই কথা মই নোকোৱাকৈ থাকিম বুলি ভাবিছনে কি ? দগাটো মাৰিলেই মই কৈ দিম। তেতিয়া দেখিম নহয়, বাপেৰে তোক লগে লগে ঘৰৰ বাজ কৰি দিয়ে নে নিদিয়ে।'

হিণ্ডলেই দগাটো হিথক্লিফৰ বুকুলৈ মাৰি পঠিয়ালে। সি লগে লগে মাটিত পৰি গ'ল, কিন্তু ধহমহাই তৎক্ষণাত পোন হৈ থিয় দিলে। তাৰ উশাহ-নিশাহ বন্ধ হোৱাৰ দৰে হ'ল, আৰু গোটেই মানুহটো শেঁতা পৰি গ'ল। মই বাধা নিদিয়াহেঁতেন সি তেতিয়াই যেনে আছে তেনে ভাবেই গৈ তাৰ আশ্ৰয়দাতাক কথাটো লগালেগৈহেঁতেন। তাৰ অৱস্থা তেওঁক দেখুৱাব পৰাহেঁতেনেই তাৰ প্ৰতিশোধ পূৰা হ'লহেঁতেন।

ডেকা হিণ্ডলেই তেতিয়া মাত লগালে ঃ 'মোৰ ঘোঁৰা পোৱালিটো লাগে তোক, ল, চালা অঘৰীৰ সঁচ। তোৰ ডিঙিটো সি ভাঙিলেই মোৰ শান্তি হ'ব। নে, পোৱালিটো নে, ক'ত মৰ মৰগৈ। এনেহৰা চপনীয়া ক'ৰবাৰ। পিতাক মিঠা কথাৰে ভুলাই ভুলাই তেওঁৰ তলী উদং কৰি দে। তেতিয়াহে তই কি বস্তু যদি তেওঁ বুজে। চালা চয়তানৰ বাচ্চা। নে, নে, লঠিয়াই সি তোৰ লাওখোলা ফালি দিলেই মোৰ হিয়া জুৰ পৰিব।'

হিথক্লিফে ঘোঁৰা পোৱালিটো খুলিবলৈ ললে। খুলি সি তাক নিজৰ আস্তাবললৈ নিব। ঘোঁৰা পোৱালিটোৰ পিচে পিচে সি গৈ আছে, তেনেতে হিণ্ডলেই পিচপিনৰ পৰা পোৱালিটোৰ গাত দিলে গোৰ মাৰি। গোৰ মাৰি আৰু সি নৰ'ল, যিমান বেগেৰে পাৰি তাৰ পৰা লৰি আঁতৰি গ'ল। সি আশাকৰা মতে হিথক্লিফৰ লাওখোলা ভাগিল নে নাই চাবলৈ তেতিয়া তাৰ সময় নাই।

গোৰ খাই পৰি যোৱাৰ পৰা হিথক্লিফ ইমান অবিচলিত ভাৱে পোন হৈ থিয় দিলে যে দেখি মই অবাক হ'লোঁ। সি নিজ মতলব মতেই কাম কৰি গ'ল। ঘোঁৰাৰ জীণ আৰু লেকাম সলনি কৰি ললে। তেতিয়াহে সি কলাফুলত পৰা উধনীয়া গোৰটোৰ বিষ পাতলাবলৈ বুলি খেৰৰ দম এটাৰ ওপৰত বহিল। খন্তেকপৰ তাতে বহি থকাৰ পিচত সি ভিতৰ সোমাল।

তাৰ ভৰিৰ ঘাবোৰ ঘোঁৰাৰ লাঠিৰ কোবত হোৱা বুলি ক'বলৈ মই তাক সহজে সৈমান কৰাব পাৰিলোঁ। লগাটো পালে যেতিয়া ক'ত কি ফাঁকি-ফুকা দিয়া যায় সেইবোৰ তাৰ চিন্তাৰ বিষয় নহয়। এনেবিলাক দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে সি প্ৰতিবাদ কাচিংহে কৰিছিল। তাকে দেখি, সি অলপো প্ৰতিশোধ পৰায়ণ নহ'ব বুলি মোৰ দৃঢ় বিশ্বাস হৈছিল। পিচে মোৰ অনুমান ভুল হৈছিল। কিয়, সেইকথা আপুনি লাহে লাহে জানিবলৈ পাব।

## ৫

বয়স বঢ়াৰ লগে লগে ৰবগৰাৰী আৰ্নশ্বৰ দেহাও পৰি আহিবলৈ ধৰিলে। তেওঁ সদায় হাতে-কামে লাগিয়েই আছিল, স্বাস্থ্যও ভালেই আছিল, বেমাৰ-আজাৰ বুলিবলৈ বৰ এটা নাছিল। তথাপিতো তেওঁৰ গাৰ জোৰ হঠাতে কমি গ'ল, আৰু ঘৰৰ চলা-ফুৰা কৰিব নোৱৰা হৈ জুইশালৰ ওৰিতে সৰহ সময় বহি থাকিবলগীয়া হ'লত, তেওঁৰ মেজাজটোও অতিপাত খিটখিটিয়া হ'বলৈ ধৰিলে। সাধাৰণ সৰু কথা একোটাতে তেওঁ বিৰক্তি পাবলৈ ললে। তেওঁৰ কৰ্তৃত্ব কোনোবাই উলংঘা কৰিছে বুলি সামান্য সন্দেহো যদি হ'বলৈ হ'ল, তেতিয়াতো কথাই নাই, জুনি পৰি একেবাৰে ঘৃতাহুতি হ'ব।

তেওঁৰ আদৰৰ হিথক্লিফৰ ওপৰত কোনোবাই যদি কিবা কৰ্তৃত্ব চলাবলৈ গৈছে বুলি তেওঁৰ কেনেবাকৈ সন্দেহ হ'ল, তেতিয়াই তেওঁ এনেকুৱা পৰিস্থিতিৰ সৃষ্টি কৰে। কোনোবাই তাক ক'বলাই কিবা কথা বেয়াকৈ ক'ব সেইটো সন্দেহতে তেওঁ সদা সৰ্তক হৈ থাকে। হিথক্লিফক তেওঁ মৰমৰ চকুৰে চায় বাবেই আন আটাইয়ে তাক দেখিব নোৱাৰে, আৰু তাৰ অপকাৰ কৰিবলৈ ছেলু বিচাৰি ফুৰে— এনে এটা ভাব কেনেবাকৈ তেওঁৰ মূৰত সোমাই নোলোৱা হ'ল।

হিথক্লিফৰ বাবে এইটো অলপো সুবিধাৰ কথা নহ'ল। আমাৰ মাজত অলপ বেছি দয়া-মায়া থকা কেইটাই গৰাকীৰ মন বুজি চলি তেওঁৰ খং নোতোলাকৈয়ে থাকিবলৈ বিচাৰিছিল, আৰু সেইবাবেই ল'ৰাটোৰ প্ৰতি থকা তেওঁৰ পক্ষপাতিত্বক প্ৰশ্ৰয় দিছিল। ফলত হিতে বিপৰীত হ'ল। লাই পাই পাই তাৰ অহংকাৰ, উদ্ধতালি আৰু কুটিল প্ৰবৃত্তিবোৰ চৰিলেহে। তথাপিতো, এই পৰিস্থিতিকে মানি চলাটো একপ্ৰকাৰে অপৰিহাৰ্য্য হৈ পৰিছিল। দুই তিনিবাৰ মান হিণ্ডলেই বাপেকৰ মুখৰ আগতে তেওঁৰ প্ৰতি এনে অৱজ্ঞা প্ৰকাশ কৰিছিল যে বাপেক খঙত একেবাৰে টিঙিৰি তুলা হৈ পৰিছিল। লাঠি লৈ কুবাই পুতেকক মাৰেই আৰু, পিচে তাকে কৰিবলৈ গাত শক্তি নথকাই খঙত মানুহটো থক থক কৰে কঁপিছিল।

দিনবোৰ এইদৰে হাই-কাজিয়াৰ মাজতে পাৰ হৈ গৈ আছিল। পৰিবৰ্তন আহিল ওচৰ চুবুৰীয়া পাদুৰী এগৰাকীৰ পৰামৰ্শৰ পৰা। তেওঁ লিণ্টন আৰু আৰ্ণশ্বৰ বয়সীয়া ল'ৰা-ছোৱালীক লেখা-পঢ়া শিকাই আৰু বাৰীখনতে যি পাৰে খেতি-বাতি কৰি

জীৱিকা উলিয়াইছিল। তেৱেঁই ক'লে বোলে হিণ্ডলেক কলেজলৈ পঢ়িবলৈ পঠিয়াই দিয়াটোৱেই ভাল হ'ব। দেউতাকেও কথাটো শলাগিলে। কিন্তু মনত তেওঁৰ বেজাৰো লাগিল। তেওঁ দুখ কৰি ক'লে ঃ "এই হিণ্ডলেটো একেবাৰে অকৰ্মণ্য। যলৈকে নপঢ়িয়াও কিয়, সি কতো একো উন্নতি কৰিব নোৱাৰে।"

মই মনে প্ৰাণে আশা কৰিছিলোঁ যে ঘৰখনলৈ এতিয়াৰ পৰা শান্তি আহিব। এটা কথা ভাবি মোৰ দুখ লাগিছিল। বৰজনা হিণ্ডলেইতো একো বেয়া কাম কৰা নাছিল। বাটত পৰি থকা কেঁচুৱা এটা তুলি আনি ডাঙৰ কৰাটো কিমান মহানুভৱতাৰ কাম ! কেইজনেনো তেনে কাম কৰে ? কিন্তু তেওঁৰ তেনে কাম কৰাৰ পৰা লাভ কি হ'ল ? ভাল কাম এটা কৰিও ঘৰে ঘৰোৱাহে অশান্তি হ'ল। মই ভাবো যে তেওঁৰ বৃদ্ধ বয়সৰ অসুখ বিসুখ আৰু অসন্তোষ পাৰিবাৰিক মতানৈক্যৰ পৰাহে হৈছিল। তেওঁ নিজেও এই বুলিয়েই ভাবিছিল। আচলতে, মহাশয়, তেওঁৰ অৱস্থা জৰাজীৰ্ণ হৈ পৰিছিল। তথাপিতো আমাৰ দিনবোৰ একপ্ৰকাৰ ভালেৰেই চলি গ'লহেঁতেন, কিন্তু লেঠা লগালে কেথি আৰু জোচেফ নামৰ চাকৰ এটাই। জোচেফক আপুনি চিনি পাব লাগে, সোঁ তাত ওপৰ মহলত এতিয়া লগ পাই অহা মানুহটোৱেই। সি হ'ল নিজকে বৰ সাধু বুলি ভবা এটা ভণ্ড। তাৰ দৰে আনক হাইৰাণ কৰি মৰা মানুহ আন এটা নাছিলো, আগলৈকো নোলাব। বাইবেলখন পাত পাত কৰি তাত থকা সমস্ত (ঐশ) প্ৰতিশ্ৰুতি সি নিজৰ গাতে ফলিয়াব বুলি ভাবি ল'ব, কিন্তু অভিশাপবোৰ আনলৈ ঠেলিব, সেইবোৰ আনৰ গাতহে লাগিব বুলি ভাবি সি আত্মসন্তুষ্টি লাভ কৰে। ধৰ্মোপদেশ দিয়াৰ, নীতিকথা কোৱাৰ তাৰ এটা বিশেষ গুণ আছে। মানুহক সহজে ভুলাব পাৰে। তাৰ জোৰতে সি বগলীভকতে ৰবগৰাৰী আৰ্ণশ্বৰ মন তাৰ প্ৰতি কোমলাই ললে, আৰু তেখেত যিমানেই দিনকদিনে অথৰ্ব হৈ যাবলৈ ধৰিলে, তাৰ প্ৰতিপত্তিও সিমানেই বাঢ়ি গ'ল।

এই জোৰেৰেই দিনে নিশাই বৃদ্ধ গৃহস্থগৰাকীৰ আগত আত্মাৰ সদ্গতিৰ কথা আৰু তেওঁৰ ল'ৰা-ছোৱালীক কঠোৰ শাসন কৰাৰ প্ৰয়োজনীয়তাৰ কথা কুহুলিয়াই কুহুলিয়াই তেওঁক অতীষ্ঠ কৰি তুলিলে। হিণ্ডলেক এটা পাষণ্ড বুলি গণ্য কৰিবলৈ সি বৃদ্ধক উচটাবলৈ ললে, আৰু প্ৰতি ৰাতি খতিক্ষণ নোহোৱাকৈ হিথক্লিফ আৰু কেথেৰিনৰ বিৰুদ্ধে লেনপেন নিচিনা সজ্ঞ কথা বৃদ্ধৰ কাণত ফুচফুচাবলৈ ধৰিলে। হিথক্লিফৰ প্ৰতি বৃদ্ধৰ পক্ষপাতিত্ব থকা বুলি জানিয়েই সি কেথেৰিনৰ গাতে দোষ জাপিছিল আটাইতকৈ বেছিকৈ।

সঁচা কথা, কেথেৰিনৰ এনে কিছুমান অভ্যাস হৈছিল যিবোৰ আন কোনো ছোৱালীৰ ক্ষেত্ৰতে মই আগতে দেখা নাছিলোঁ। দিনৰ দিনটো তাই আমাক হাৰাশাস্তি কৰি মাৰিছিল। পুৱা চকু মেলাৰ পৰা ৰাতি চকু টিপ মৰালৈকে তাইক চকুৰে চকুৰে চাই নাথাকিলে নহৈছিল— কিবা এটা অঘটন তাই ঘটাবই ঘটাব। তাইৰ উচ্ছ্বসিত প্ৰাণচাঞ্চল্য আছিল সদায় তুংগত। তাইৰ মুখ কেতিয়াও বন্ধ নহৈছিল— হাঁহিছে, গাইছে, নতুবা যাকে তাইৰ নিচিনাকৈ চলা নেদেখিছে, তাকে যিমান পাৰে উৎপাত

কৰিবলৈ হাক দিলে। সিহঁতক অকলেই প্ৰাৰ্থনা কৰিবলৈ ক'লে—তাৰ কিবা কাম কৰিবলৈ থকা বুলি সি সিহঁতক শুনালে।

কেনেবিনে ক'লে যে তাই প্ৰথমতে পিতাকক শুভৰাত্ৰি জনাই যাব। এইবুলি কৈয়ে, আমি হাক দিবলৈ নাপালোৱেই, তাই পিতাকৰ ভিভি দুহাতেৰে মেৰাই ধৰিলে।

বেচেৰীয়ে কি হৈছে তৎক্ষণাত বুজি পালে, আৰু চিএৰ মাৰি দিলে, "পিতা ঢুকাল অ' ইথক্লিফ। পিতা ঢুকাল।"

লগে লগে দুয়োটাই হিয়া ধাকুৰি কান্দিবলৈ ধৰিলে। ময়ো সিহঁতৰ লগতে কান্দোনত যোগ দিলোঁ। জোচেফে আমাক কন্দা কটা কৰা বাবে ককৰ্থনা কৰি ক'লে, যে স্বৰ্গত সাধু গৰাকীৰ বাবে আমি হিয়ালি জিয়ালি কৰি কৰি কন্দাটো শোভনীয় কাম হোৱা নাই। জোজেফে মোক গাত বৰ তোলাটো সুমুৱাই লৈ গিমাৰটনলৈ গৈ ডাক্তৰজনক আৰু যাজকজনক মাতি আনিবলৈ ক'লে। ঠিক সেই মুহূৰ্তত ডাক্তৰৰে বা যাজকৰে প্ৰয়োজন কি মই ঠিক বুজি পোৱা নাছিলোঁ। তথাপিতো, প্ৰবল বতাহ বৰষুণ সত্ত্বেও মই গ'লো। ডাক্তৰজনক মোৰ লগত লৈ মই ঘুৰি আহিলোঁ। যাজকজনে পিচদিনা পুৱা আহিব বুলি সমিধান দিলে।

ডাক্তৰজনক ঘটনাৰ আদ্যোপান্ত জোজেফেই কওক বুলি, তেওঁলোকক তলৰ মহলাতে এৰি, মই ল'ৰা-ছোৱালীকেইটাৰ কোঠা পালোঁগৈ। সিহঁতৰ কোঠাৰ দুৱাৰখন খাণি দুৱৰাকে মেলা আছিল। তেতিয়া মাজনিশা পাৰ হৈছিল, অথচ সিহঁতৰ কোনো শুবলৈ যোৱা নাছিল। কিন্তু সিহঁতৰ মন তেতিয়া কিছু শান্ত হৈছিল, মই সান্ত্বনা দিবৰ প্ৰয়োজন নাছিল। কণ কণ প্ৰাণী দুটাই পৰস্পৰে পৰস্পৰক যিদৰেহে বুজনি দি আছিল যে শুনি মই বিস্ময়ত হতবাক হৈছিলোঁ। সিহঁতৰ সেই শিশুসুলভ আলাপত যেন এখন বিৰল স্বৰ্গৰাজ্যৰহে সৃষ্টি হৈছিল। সেই স্বৰ্গৰাজ্যৰ তুলনা কোনো যাজকৰ কল্পনাত কেতিয়াও প্ৰতিভাত হোৱা নাছিল। উচুপি উচুপি সিহঁতৰ কথা শুনি থাকোঁতে মোৰ মনলৈ এটা অভিলাষ বাৰে বাৰে আহিছিল— সেই অভিলাষ আছিল আমি আটাইকেইটা প্ৰাণী সেইখন ঘৰতে একেলগে মিলিজুলি শান্তি সম্প্ৰীতিৰে, নিৰাপদে থকাৰ অভিলাষ।

৬

বাপেকৰ শেষকৃত্যৰ বাবে হিণ্ডলে ঘৰলৈ ঘুৰি আহিছিল। লগতে সি ঘৈণীয়েক এজনীকো লৈ আহিছিল। আমি আটায়ে এই কথাত অতি আচৰিত হৈ গৈছিলোঁ। এই কথাটোকে লৈ ওচৰ-চুবুৰীয়াইতবো সৰ্বপ্ৰকাৰ খু-চা কৰাৰ সুন্দৰ সুযোগ মিলিছিল।

ঘৈণীয়েকনো ক'ৰ মানুহ, ক'ত উপজিছিল সেই কথা হিণ্ডলেই আমাক একো কোৱা নাছিল। বোধহয় তাই ধনী পৰিয়ালৰ ছোৱালী নাছিল। নামজ্বলা পৰিয়ালৰ ছোৱালীও তাই বোধহয় নাছিল। নহ'লে তাইৰ লগত বিয়াৰ কথা হিণ্ডলেই বাপেকক নজনোৱাকৈ নাথাকিলহেঁতেন।

নিজৰ ফালৰ পৰা ঘৰখনত তেনেকৈ অশান্তি সৃষ্টি কৰা মানুহ তাই নাছিল। ঘৰখনত সোমায়েই, ঘৰখনত য'ত যিহকে দেখা পালে তাতে তাই উৎফুল্লিত হোৱা যেন লাগিছিল। শেষকৃত্যৰ বাবে কৰা যা যোগাৰ আৰু শবানুগমনকাৰী সকলৰ উপস্থিতিৰ বাদে ঘৰখনৰ পৰিবেশ আৰু পৰিস্থিতিও তাইৰ পচন্দ হৈছিল।

সেই সময়ত তাইৰ কথা কাণ্ড দেখি তাইক মোৰ অলপ নিৰ্বোধ যেন লাগিছিল। তাই লৰালৰিকৈ তাইৰ কোঠালৈ সোমাল আৰু মোকো জোৰকৈ লগতে লৈ গ'ল। অথচ মই তেতিয়া ল'ৰা-ছোৱালীহালক সজাই পৰাই উলিওৱাত ব্যস্ত হৈ আছিলোঁ। কঁপি কঁপি, হাতৰ তলুৱা দুখনৰ এখন ইখনেৰে চেপা মাৰি ধৰি বাৰে বাৰে তাই মোক সুধিবলৈ লাগিলে, "গ'লনে ? মানুহবোৰ গ'লনে ?"

তাৰ পিছত তাই মোক প্ৰায় উন্মাদ আবেশত ক'বলৈ ললে যে শোক প্ৰকাশক ক'লা আচ্ছাদন দেখিলে তাই সহ্য কৰিব নোৱাৰে— মনটোত বৰ ছাটিফুটি লাগে। মাজে মাজে তাই উচপ খাই উঠিছিল। তাইৰ গাৰ কঁপনিও উঠিছিল, আৰু শেহত গৈ তাই কান্দি দিলে। কি হৈছে বুলি মই সুধিলত ক'লে যোলে তাই ক'ব নোৱাৰে। কিন্তু তাইৰ হেনো মৰাৰ কথা ভাবিলে বৰ ভয় লাগে। তাইক দেখিলে মৰিবলৈ ওলোৱা ছোৱালী যেন মোৰ ভাব নহৈছিল। তাইৰ গাটো ক্ষীণ আছিল হয়। মোৰোতো গাটো ক্ষীণ। মোক দেখিলেওতো কোনেও মৰিবলৈ ওলাইছো বুলি ভাবিব নোৱাৰে। তাইৰ গাভৰু বয়স; গাল মুখ তেজগোৰা। চকুহাল আছিল হীৰাৰ টুকুৰাৰ দৰে উজ্জ্বল। তাইৰ কেইটামান কথা মই মন কৰিছিলোঁ ঃ খটখটি বগাই ওপৰলৈ উঠি আহোঁতে তাই ঘন ঘনকৈ উশাহ লৈছিল, ওচৰে-পাঁজৰে সামান্য শব্দ হ'লেই তাইৰ গাত কঁপনি উঠিছিল, আৰু মাজে মাজে অতিশয় কষ্টেৰে দুই এটা কাহ মাৰিছিল। কিন্তু এই

লক্ষণবোৰে কিহৰ ইংগিত দিছিলে মই বুজা নাছিলোঁ। তাইৰ প্ৰতি সহানুভূতি দেখুউৱাৰ প্ৰবৃত্তিও মোৰ তেতিয়া হোৱা নাছিল। লকউদ মহাশয়, আপুনি বোধহয় নাজানে, অচিনাকি লোকে প্ৰথমতে নিজে আগবাঢ়ি আহি আমাৰ সৈতে মিলামিচা নকৰিলে, আমি সাধাৰণতে নিজে উপযাচি গৈ তেওঁলোকৰ লগত হলিগলি নকৰোঁ।

আৰ্ণশ্ব বোপাটি ঘৰৰ পৰা আঁতৰি থকা তিনি বছৰতে হৈছিল, তাৰ ভিতৰতে তেওঁৰ বহুত সলনি হৈ গ'ল। তেওঁ বহুত ক্ষীণালে, শেঁতাও পৰিলে। কথা বতৰা কোৱা আৰু সাজপাৰ কৰাৰ ধৰণো বহুত বেলেগ হ'ল। ঘূৰি আহিৰৰ দিনাই তেওঁ মোক আৰু জোচেফক পাকঘৰৰ পিচফালে থকা কোঠা এটাত থাকিবলৈ লবলৈ ক'লে। যাই ঘৰটো বোলে তেওঁক লাগিব। মজিয়াত কাৰ্পেট পাৰি আৰু বেৰত কাগজ মাৰি আছুতীয়াকৈ এটা সৰু কোঠা চ'ৰাঘৰ হিচাপে সজাবলৈ তেওঁ ওলাইছিলেই; পিচে ৰঙা পাথৰৰ মজিয়াখন, চিকচিকিয়া জুইশালখন, ৰঙীণ থাল-বাচন ৰখা ঠাকবোৰ, কুকুৰৰ গৰাল, আৰু আহল বহল ঠাইখিনি তেওঁৰ ঘৈণীয়েকৰ ভাল লগা দেখি সেইবোৰ সলনি কৰাৰ ভাবটো তেওঁ বাদ দিলে।

নতুনকৈ চা চিনাকি হোৱা মানুহবোৰৰ মাজত ননদ এজনী পাই তাই বৰ খুচি হৈছিল। প্ৰথমে প্ৰথমে তাই অনবৰতে কেথেৰিনৰ লগত লাগ বান্ধ নোহোৱা আনেক বাৰে ভচহ কৰাৰ মেল মাৰিছিল; তাইক সাৱটি ধৰি চুমা খাইছিল, তাইক লগত লৈ অ'ত ত'ত ঘূৰি ফুৰিছিল আৰু বহুতো উপহাৰো দিছিল। পিচে এই সাদৰ লেৰেলিবলৈ সৰহ দিন নালাগিল। তাইৰ আচৰণ খিটখিটিয়া হ'বলৈ ধৰিলে, আৰু লগে লগে হিণ্ডলেয়ো নিজৰ নিষ্ঠুৰ প্ৰকৃতিৰ পৰিচয় দিবলৈ ধৰিলে। হিথক্লিফৰ প্ৰতি বিৰাগ প্ৰকাশ কৰা কিবা এটা কথা শুনা মাত্ৰকতে তাৰ প্ৰতি থকা হিণ্ডলৰ পুৰণা বিদ্বেষ পুনৰ উক দি উঠিছিল। হিথক্লিফক হিণ্ডলেই লগৰ পৰা খেদাই চাকৰৰ লগত থাকিবলৈ দিলে। স্থানীয় গীৰ্জাৰ সহকাৰী যাজকজনৰ ওচৰত সি লেখা পঢ়া শিকিছিল, তাকো বন্ধ কৰি দিলে। অকল ইমানেই নহয়, আন আন ল'ৰাৰ লগত তাক পথাৰত আনৰ সমানেই টান কাম কৰিবলৈকো লগালে।

হিথক্লিফে তাৰ এই লাঞ্ছনা প্ৰথমতে সহজভাবেই লৈছিল, কাৰণ কেথেৰিনে নিজে শিকাখিনি তাক শিকাইছিল, আৰু পথাৰলৈ গৈ তাৰ লগত খেমালি ধুমুলাও কৰিছিল, কামো কৰিছিল। কিন্তু দিনক দিনে আচাৰ ব্যৱহাৰত সিহঁত বৰ্বৰ প্ৰকৃতিৰ হৈ যাবলৈ ধৰা দেখা গ'ল। ডেকা অভিভাৱক হিণ্ডলেই সিহঁতৰ কাৰ্য্য আৰু আচৰণৰ প্ৰতি কোনো মনোযোগেই নিদিয়ে। যি কৰে কৰক, মাত্ৰ তেওঁৰ পৰা দূৰত থাকক— এই মনোভাব। দেওবাৰে দেওবাৰে সিহঁত দুটা গীৰ্জালৈ যায় নে নাযায় আনকি সেই কথাৰো তেওঁ খবৰ নাৰাখে। গীৰ্জাৰ দেওবৰীয়া প্ৰাৰ্থনাত হিথক্লিফ আৰু কেথেৰিন অনুপস্থিত হ'বলৈ ধৰা দেখি, সহকাৰী পাদুৰীজন আৰু জোচেফেহে কথাটো হিণ্ডলৰ কাণত পেলালে। এনো কথাৰে খা-খবৰ নাৰাখে বুলি তেওঁলোকে নবীন মুৰব্বীজনক গৰিহণাও দিলে। অভিযোগ শুনি হিণ্ডলেই হিথক্লিফক বেচ এবেতন দিবলৈ (বেতেৰে



কোবাবলৈ) আৰু কেথেৰিনক দুপৰীয়াৰ সাজ আহাৰ আৰু নিশাৰ সাজৰ মাজত একো খাবলৈ নিদিবলৈ আদেশ দিলে।

বিস্তীৰ্ণ পতিত বনভূমিত লৰি ঢাপৰি ফুৰাটো আছিল সিহঁত দুটাৰ বাবে আটাইতকৈ ডাঙৰ চখ। পুৱাতে ওলাই গৈ দিনৰ দিনটো সেইদৰে কটোৱাটো সিহঁতৰ অভ্যাসত পৰিণত হৈছিল। তাৰ বাবে শাস্তি বিহিলে সিহঁতে তালৈ ভ্ৰূক্ষেপেই নকৰা হ'ল। পাদুৰী মহাশয়ে কেথেৰিনক মুখস্থ কৰিবলৈ বাইবেলৰ পাঠ দেখুৱাই দিয়ে, কিন্তু দিয়াতেই থাকে। জোচেফে হিথক্লিফক নিজৰ হাতৰ বিষ উঠালৈকে পিটে, কিন্তু একো লাভ নহয়। দুয়োটা লগালগি হ'লেই আন আটাইবোৰ কথা সিহঁতে পাহৰি যায়। বহুত সময়ত সিহঁতে প্ৰতিশোধ লবৰ বাবে দুষ্টামি কামৰ কথাও আলচ কৰিছিল। তেতিয়াতো আন কথা মনত ৰখাৰ প্ৰশ্নই নুঠে। সিহঁতৰ উদ্ধতালি আৰু বেপৰোৱা আচৰণ দিনক দিনে চৰি যোৱা দেখি মই মনত বৰ কষ্ট পাইছিলোঁ। সিহঁতৰ ওপৰত মাত মাতিবলৈকো মই সংকোচ কৰিছিলোঁ। এটা কথাত মোৰ ভয় হৈছিল। ল'ৰা-ছোৱালীহালক মৰমৰ চকুৰে চাওঁতা এনেয়ে মোৰ বাহিৰে কোনো নাই। মই শাসনৰ সুৰত কিবা কথা শুনালে সিহঁতৰ ওপৰত থকা মোৰ কৰ্তৃত্বকণো জানোচা নাইকিয়া হৈ যায়! মোৰ ভয় হৈছিল সেইবুলিয়েই।

এদিন দেওবাৰ এটাত সন্ধিয়া পৰত সিহঁত দুটাক চ'ৰাঘৰীয়া কোঠাৰ পৰা বাহিৰ কৰি দিয়া হ'ল। অলপ হৈ চৈ কৰিছিলে, নে তেনেকুৱা কিবা সামান্য কথাতে সেই শাস্তি বিহা হ'ল। গধূলিৰ সাজ খাবৰ পৰত মই সিহঁত হালক মাতিবলৈ গ'লোঁ, কিন্তু ক'তো নাপালোঁ।

সিহঁত দুটাক বিচাৰি ঘৰটো তলে ওপৰে চলাথ কৰিলোঁ; আগচোতাল, পিচচোতাল, ঘোঁৰাশাল সকলোতে পিটপিটকৈ বিচাৰিলোঁ, কিন্তু ক'তো সিহঁতক পোৱা নগ'ল। খঙৰ প্ৰকোপত হিণ্ডলেই আমাক দুৱাৰ বন্ধ কৰি থবলৈ ক'লে— ৰাতি সিহঁত আহি সোমাব খুজিলেও দুৱাৰ খুলি দিয়া নহ'ব।

ঘৰৰ বাকী কেইটা প্ৰাণী টোপনিত পৰিলগৈ। মই শুবলৈ যাব পৰা নাই। মনটো খুদুৱাই আছে। নিষেধ সত্ত্বেও সিহঁত দুটা ঘূৰি আহিলে দুৱাৰ খুলি ভিতৰলৈ সোমাবলৈ দিয়াৰ অভিপ্ৰায়েৰে, মই খিৰিকি এখনৰ এপাট খুলি, বাহিৰলৈ মুৰ উলিয়াই, কাণ উনাই চাই আছোঁ। বাহিৰত ছিপ ছিপ কৰে বৰষুণ দি আছে। কোনোবাই মাতিলেও সহজে নুশুনি।

খন্তেক পৰ এইদৰে চাই থাকোঁতেই, ৰাস্তাহিদি কোনোবা অহাৰ শব্দ মই শুনিবলৈ পালোঁ; পিচমুহূৰ্ত্ততে হাতত লণ্ঠন এটা লৈ কোনোবা এজন পদূলিয়েদি সোমাই অহা দেখিলোঁ।

মূৰত চাদৰ এখন মেলি লৈ, মই লৰালৰিকৈ দুৱাৰ খুলি ওলাই গ'লোঁ। দুৱাৰত টুকুৰিয়াই হিণ্ডলক জানোচা সিহঁতে জগাই দিয়ে, সেইটোৱে আছিল মোৰ চিন্তা। ওলাই গৈ দেখিলোঁ হিথক্লিফ অকলে। লগত কেথেৰিনক নেদেখি মোৰ বুকুখন চিৰিং কৰি গ'ল।

'কেথেৰিন আহিছে ক'ত ?' মই তপতে তপতে সুধিলোঁ; 'ক'তো একো অঘটন হোৱা নাই নহয় ?'

''তাই থ্ৰাচক্ৰচ গ্ৰেঞ্জত আছে।' হিথক্লিফে উত্তৰ দিলে। 'ময়ো বৈ গলোঁহেঁতেন, কিন্তু থাক বুলি কোৱাৰ শিষ্টাচাৰকণ সেইঘৰ মানুহৰ থাকিলেহে।''

'তোৰ হ'বই লাগে', মই খঙেৰে ক'লো, 'তোক ইয়াৰ পৰা একেবাৰে উলিয়াই নপঠিয়ালে তোৰ সুত নালাগিছে দেখিছোঁ। 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ত যে ওলালিগৈ, তহঁতক পাইছিলে কিহে ?'

'নেলী, আগতে মোক তিতা কাপোৰবোৰ সলাই লবলৈ দে, তাৰ পিছত সকলো কথা ক'ম,' হিথক্লিফে ক'লে।

গৃহস্থৰ যাতে টোপনি নাভাগে সেই বিষয়ে মই তাক সাৱধান কৰি দিলোঁ। মমডাল মই নুমাই দিলোঁ। সি কাপোৰ সলাবলৈ লৈ কৈ গ'ল,

'কেথেৰিন আৰু মই মুকলি মনেৰে বাহিৰত এপাক ঘূৰি আহোঁ বুলি কাপোৰধোৱা ঘৰটোৰ পৰা মনে মনে ওলাই গৈছিলোঁ। 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ চাকিবোৰ জ্বলি থকা দেখি আমি ওচৰ চাপি গ'লোঁ— বোলো চাওঁৱেইচোন ৰবিবাৰৰ সন্ধিয়াবোৰনো ইহঁতে কিদৰে কটায় ! ল'ৰা-ছোৱালীবোৰে বাৰান্দাৰ এচুকত থিয় হৈ কঁপি কঁপি বাইবেলৰ পাঠ অভ্যাস কৰে নে নকৰে। আৰু সেই সময়ত মাক-বাপেক হালে খাই বৈ জুহালৰ গুৰিত বহি আপোনমনে নাচিবাগি আৰু গাই মেলি, জুইৰ আঙঠিৰ দৰে চকু ৰঙা কৰে নে নকৰে। কৰে বুলি ভাবিছ নেকি ? নে সিহঁতে ধৰ্মোপদেশকে পঢ়ে, নে বাইবেলৰ পাঠ ভালদৰে আয়ত্ত কৰিব নোৱাৰিলে ঘৰৰ লগুৱাই বাইবেলত থকা নাম কিছুমানকে মুখস্থ কৰিবলৈ লগাই দিয়ে আৰু তাকে কৰিবলৈ লাগি যায় ?'

''মই ভবাত তেনে হ'ব নালাগে,'' মই ক'লোঁ। ''সিহঁত ল'ৰা-ছোৱালীকেইটা ভাল আৰু সিহঁতৰ উদ্ভণ্ডালিৰ বাবে তহঁতৰ দৰে যেনেকৈ খোৱা নহয়।''

সি ক'লে, 'নেলী, তই আবোল-তাবোল গাবলৈ ধ। তোৰ কথাৰ কোনো যুক্তি নাই। 'ৱাদাৰিং হাইটচ'ৰ পৰা আমি বাগিচালৈ কোবাকুবিকৈ, প্ৰায় দৌৰাৰ দৰে, বাট লৈছিলোঁ— একেবাৰে পোনে পোনে, বাটত ক'তো ৰোৱাও নাছিলোঁ। কেথেৰিনৰ আছিল সুদা ভৰি, সেইবাবে তাই একেবাৰে পিচ পৰি গ'ল। কালিলৈ বৰফৰ দ খাদত তাইৰ চটি যোতাযোৰ তই বিচাৰিবগৈ লাগিব। আমি টাপৰ ভগা পটি এটাইদি কোনোমতে ছুহুৰি বাগানত সোমাই, আন্ধাৰত খেপিয়াই খেপিয়াই আগুৱাই গৈ শোৱনি কোঠাৰ খিৰিকি এখনৰ তলত থকা ফুলৰ টাৱ এটাত বহিলোঁগৈ। খিৰিকিখন তেতিয়াও জাপোৱা নাছিল, পৰ্দাবোৰো পুৰাকৈ টনা নাছিল, সেইবাবে ভিতৰৰ পৰা অলপ পোহৰ সেইখিনি ঠাইত পৰিছিল। খিৰিকিৰে জুমি চাই আমি ভিতৰখন দেখা পালোঁ। কি যে সুন্দৰকৈ সজোৱা ! মজিয়াত ৰঙীণ কাৰ্পেট পৰা, চকী মেজবোৰো ৰঙীণ ঢাকনিৰে ঢকা। ওপৰৰ চিলিংখন ঢক ঢক কৰে বগা, দাঁতি কেইটাত দীঘল



দীঘল সোণালী আঁচ টনা। মজিয়াৰ মাজভাগত, মিহি ৰূপালী তাঁৰত ওলমি আছিল কাচৰ সৰু সৰু ঘূৰণীয়া গুটি কিছুমান। পাতল পোহৰত সেইবোৰ যে ইমান ধুনীয়াকৈ জিলিকি আছিল ! বৃদ্ধ লিণ্টন দম্পতীক তাত আমি দেখা পোৱা নাছিলোঁ। এড্গাৰ আৰু তাৰ ভনীয়েকজনী আপোন খুচিমতে তাত আছিল। তেনে আৰামত থাকিবলৈ পাই সিহঁত সুখী হোৱা নাছিলনে ? আমি হ'লে স্বৰ্গসুখ পোৱা বুলি ভাবিলোঁহেঁতেন। এতিয়া বাৰু অনুমান কৰি চচোন— তোৰ সেই ভাল ল'ৰা-ছোৱালীহঁতে কি কৰি আছিল ? ইজাবেলাই— ইজাবেলাৰ বয়স বোধহয় এঘাৰ বছৰ হ'ল, নহয়নে ? আমাৰ কেথীতকৈ সৰু তাই— ইজাবেলাই কোঠাটোৰ এমূৰত বহি কান্দি আছিল— কন্দা বুলি ক'লে ঠিক কোৱা নহ'ব, চিঞৰত গগণ ফালি আছিল, যেন কোনোবা ডাইনীয়ে তাইৰ গাত তপত লোৰ শলাহে সুমুৱাই দিছে। এড্গাৰে জুহালৰ ওচৰত বহি উচুপি আছিল। সিহঁতৰ বোধহয় কিবা কাজিয়া লাগিছিল। বুৰ্বক কেইটা ক'ৰবাৰ। বোধহয় কুকুৰটো লৈয়েই ককায়েক-ভনীয়েকৰ মাজত কাজিয়া। দৃশ্যটো দেখি আমাৰ যে ইমান হাঁহি উঠিছিল। বেচেৰাহঁতলৈ পুতৌ হৈছিল। কেথেৰিন আৰু মোৰ মাজত কিবা এটা বস্তু লৈ কাজিয়া হোৱা কেতিয়াবা দেখিছ ? কেতিয়াবা দেখিছ আমাক গোটেই কোঠাটো ইমূৰৰ পৰা সিমূৰলৈ লণ্ডভণ্ড কৰি, মাটিত বাগৰি, কান্দি কাটি, চিঞৰি বাখৰি তামাচা কৰা ? নালগে নালাগে। হেজাৰটা জীৱনৰ বিনিময়তো মোক 'থ্ৰাচক্ৰচ গ্ৰেঞ্জৰ' সুখ নালাগে— মোৰ ইয়াতেই ভাল। আনকি তাত গৈ পৰ্বত শিখৰৰ পৰা জোজেফক তললৈ দলিয়াই দিয়াৰ সুবিধা পালেও বা হিণ্ডলেৰ তেজেৰে চোতালখন ৰাঙলী কৰিবলৈ সুযোগ ওলালেও মই এইঘৰ এৰাত নাই কিন্তু।'

'চুপ ! চুপ ! কি কথাবোৰ কৰ অ'।' বুলি মই মাজতে মাত মাতিলোঁ। 'আচল কথাটো চোন, হিথক্লিফ, তই মোক কোৱাই নাই। কেথেৰিনক এৰি থৈ আহিব লগা হ'ল কেনেকৈ ?'

''মই যে এইমাত্ৰ ক'লো যে এডগাৰহঁতৰ অৱস্থাটো দেখি আমাৰ হাঁহি উঠিছিল বুলি— সিহঁতে আমাক হাঁহা শুনিলে, আৰু শুনিয়েই কাঁড় একোপাট অহানি আহি দুৱাৰমুখ পালেহি। খন্তেক পৰ একেবাৰে নিমাত নিতাল হৈ সিহঁত ৰ'ল, কিন্তু পিচ পাকতে 'আই ঔ', 'বোপাই ঔ' বুলি সিহঁতৰ কি গগণভেদী চেদাউৰি। 'মা, ক'ত আছা, ইয়ালৈ আহা ঔ, পিতাই ঔ.....'' কি যে চিঞৰ বাখৰ ! সিহঁতক ভয় খুৱাবলৈ বুলি আমিও বিকট চিঞৰ মাৰিবলৈ লাগি গ'লোঁ, কিন্তু বেছি পৰ আমি তাত নৰলোঁ, কাৰণ কোনোবাই দুৱাৰ খোলাৰ শব্দ আমাৰ কাণত পৰিল। আমি ভাবিলো এতিয়া পলোৱাহে কথা। যেই চিন্তা সেই কাম। মই কেথিক হাতত ধৰি টানি লৈ দৌৰিবলৈ ধৰিলোঁ। তাইকো লগে লগে দৌৰিবলৈ ক'লো। তাই কিছুদূৰ মোৰ লগে লগে দৌৰিছিল, কিন্তু এবাৰ কিবা প্ৰকাৰে পিচল খাই তাই হঠাতে পৰি গ'ল। মই পিচে অলপ আগে আগে দৌৰিয়েই থাকিলোঁ। তাই যে পৰি গ'ল মই গমেই পোৱা নাছিলোঁ। পৰি গৈ তাই মোক চিঞৰি চিঞৰি ক'লে, ''দৌৰ হিথক্লিফ, দৌৰ। যিমান

পাৰ দৌৰি থাক। এইবোৰে সিহঁতৰ্ মস্ত কুকুৰটো মোৰ গাত লগাই দিছে, আৰু এয়া নি মোক কামোৰ মাৰি ধৰি আছে।'

"বুজিছ নেলী, দৈত্যৰ দৰে সেই কুকুৰটোৱে কেথিৰ সৰু গাঠিত কামোৰ মাৰি ধৰিছিলে। তাৰ নাৰীসুলভ গেঙনিও মোৰ কাণত পৰিছিল। কেথিয়ে কিন্তু অত্যাহি হৈ চিঞৰা নাছিল। তেনে কামকৰা লোক তাই নহয়। কুকুৰে কামোৰ মাৰি ধৰাৰ কথা নালাগেই, বলীয়া গৰু এজনীৰ দুই শিঙৰ মাজত বহুৱাই দিলেও, প্ৰাণঘাতৰে চিঞৰিবলৈ তাই নাযায়। মই পিচে চিঞৰিছিলোঁ, যিমান পাৰি সিমানে শাও শপনি উজাৰি দিছিলোঁ, আৰু ওচৰ পাই, কুকুৰটোৰ দুপাৰি দাঁতৰ মাজত শিল এটা হেচি ভৰাই দিছিলোঁ। শিলটো তাৰ ডিঙিৰ নলীয়েদি ভিতৰলৈ ঠেলি দিবলৈ মই প্ৰাণপণে চেষ্টা কৰিছিলোঁ। তেনে সময়তে চাকৰ নামৰ জানোৱাৰ এটা, হাতত লেম এটা লৈ, সেইখিনিত হাজিৰ হ'লহি। কুকুৰটো আঁতৰাওক চাৰি সি তাক কামোৰটো এৰি নিদি ধৰি থাকিবলৈহে লগাই দিলে।

'ধৰি থাক, স্কালকাৰ, ধৰি থাক, ঢিলাই নিদিবি', বুলি সি কুকুৰটোক লগাই দিলে। পিচে স্কালকাৰে কি কৰি আছে দেখি তাৰ সুৰটো অলপ সলনি হ'ল। কুকুৰটোৰ গলত টেপা মাৰি ধৰি, উশাহ লব নোৱৰা কৰি তাক কেথিৰ সৰু গাঠিৰ পৰা আঁতৰাই নিয়া হ'ল। একৰাহি দিওঁতে তাৰ প্ৰকাণ্ড বঙা জিভাখন আধাফুট মান দীঘলকৈ ওলমি পৰিছিল; তাৰ কোঁহাৰিৰ পৰা টোপ টোপকৈ কেঁচা তেজৰ টোপাল সৰিছিল।

চাকৰটোৱে কেথিক তুলি ধৰিলে, তাই একেবাৰে ক্লান্ত আৰু পীড়িত হৈ পৰিছিল। ভয়ত নহয়, যন্ত্ৰণাত। সি তাইক ভিতৰলৈ লৈ গ'ল। ময়ো পিচে পিচে গ'লোঁ। মোৰ মুখত অশ্ৰাব্য গালি আৰু প্ৰতিশোধৰ ভাবুকি।

দুৱাৰমুখৰ পৰাই লিণ্টনে কি হৈছে বুলি সুধিলে।

"স্কালকাৰে সৰু ছোৱালী এজনী কামুৰিছে, আৰু তাইৰ লগতে সৰু ল'ৰা এটাও আছে।" এই বুলি কওঁতে সি মোৰ গাত খামোচ মাৰি ধৰি আছিল। "দেখাত একেবাৰে অচিনাকি ল'ৰা। কিজানি ডকাইতহঁতে ইহঁতক সকলো শুই নিঃপালি দিলে ভিতৰৰ পৰা দুৱাৰ খুলি দিবলৈ বুলি, খিৰিকিৰে ভিতৰলৈ সুমুৱাই দিবলৈ চাইছিল। তেতিয়াতো ডকাইতহঁতে বিনা আয়াসে আমাক আটাইবোৰকে মাৰিব পাৰিলেহঁতেন। মুখৰ বাচ বিচাৰ নথকা হাৰামজাদা চোৰ, চুপ কৰ তই। তই জাননে, এই কামৰ বাবে তই ফাঁচী কাঠত ওলমিবি। লিণ্টন মহাশয়, আপোনাৰ বন্দুকটো পেলাই নথব, উলিয়াওক।"

কুৰ্মিয়া বুঢ়াই ক'লে, "পেলাই থোৱাৰ কথাই নুঠে। কালি মই মোৰ ভাৰাখিনি পাইছোঁ বুলি এই বদমাচ কেইটাই নিশ্চয় জানে। সিহঁতে মোক ঠগাব পাৰিব বুলি ভাবিছিল। আহ, ভিতৰলৈ আহ! সেই হালকো লৈ আহ। সিহঁতক মই অলপ সোধ-পোচ কৰিব লাগিব। জন, শিকলিডাল খুটা এটাত বান্ধ, জেনি, স্কালকাৰক অলপ পানী দে। এজন বিচাৰপতিক ঠগাবলৈ আহে, তাতে আকৌ নিজৰ ঘৰতে, আকৌ



আজিৰ ৰবিবাৰৰ শুভ দিনটোতে। আকলটোতো কম নহয়। মেৰী, মোৰ কুকুৰ বাঘে, চাওঁ এইপিনে অকণমান আহাঁচোন। ভয় কৰিব নালাগে। এই বদমাচটো এটা সৰু ল'ৰাহে। তথাপিতো তাৰ দুষ্ট স্বভাৱটো মুখত ফুটি উঠিছেই। সাপৰ আৰু খলৰ সৰু বৰ কি আছে ? এই পাষণ্ডক এতিয়াই লগে লগেই ফাঁচীত ওলোমাই দিলেই দেশৰ দহৰ মংগল হ'ব। ডাঙৰ হৈ ই বহিজৰ কিমান কি অপকাৰ যে নকৰিব, কাৰ সাধ্য জানে।"

এইবুলি কৈয়েই বুঢ়াই মোক টানি চাকিৰ পোহৰলৈ লৈ গ'ল। মিচেচ লিণ্টনে বিত চকুযোৰ লগাই লৈ মোলৈ চালে, আৰু চায়েই আতংকত শিয়ৰি উঠিল। ভয়াতুৰ ল'ৰা-ছোৱালী কেইটাও ওচৰ চাপি আহিল। ইজাবেলাই খেও লগাই লগাই ক'লে,

"ভয়ংকৰ বস্তু এইটো, পিতা। তাক মাটিৰ তলৰ কোঠাটোত বন্ধ কৰি থোৱা। মোৰ পোহনীয়া ডবিকটো চুৰ কৰি নিয়া সৰবজানৰ পুতেকটো যে, ই ঠিক তাৰে নিচিনা দেখিবলৈ। নহয়নে বাৰু, এড্গাৰ ?"

"সিহঁতে মোক চাইচিতি থাকোঁতেই, কেথি ওচৰ চাপি আহিল। একেবাৰে শেষৰ কথাষাৰ তাইৰ কাণত পৰিছিল। তাই হাঁহি দিলে। এড্গাৰ লিণ্টনে বহুত পৰ থৰ লাগি চাই থকাৰ পিচত তাইক চিনি পালে। সিহঁতে আমাক গীৰ্জাত লগ পায় নহয়। বাহিৰত অৱশ্যে আমাৰ লগালগি তেনেকৈ প্ৰায় নহয়েই।'

এড্গাৰে মাকৰ কাণত ফুচফুচাই ক'লে, "এইজনী আৰ্ণশ্ব আইটিহে। চাচোন চা, স্কালকাৰে তাইক কেনেকৈ কামুৰিলে— এতিয়াও তেজ বৈ আছে।"

"আৰ্ণশ্ব আইটি ? কব কি ? হ'বই নোৱাৰে, বাজে কথা। আৰ্ণশ্ব আইটিয়ে এটা অঘৰী পোৱালীৰ লগত গাওঁ ঘূৰি ফুৰিব ? পিচে হয়োচোন, বেচেৰীয়ে শোক সূচক ক'লা কাপোৰ পিন্ধি আছে। এ, হয় হয়, আৰ্ণশ্ব আইটিয়েই হয়। ইস্, ছোৱালীজনী ওবে জনমটোলৈ লেঙেৰী নহ'লেই ৰক্ষা।"

এড্গাৰে মোৰ পৰা ঘূৰি কেথেৰিনৰ পিনে চাই ক'লে, "আৰু ককায়েকটোৰ কাণ্ড চা— কেনে অক্ষমণীয় অসাৱধানতা সি দেখুৱাইছে। খিলডাৰ্চে মোক কৈছে নহয় (খিলডাৰ্চক চিনি পাব নহয় ? তেওঁ স্থানীয় গীৰ্জাৰ যাজক), সি তাইক একেবাৰে গুৰু গোঁসাই নামানি, বেপৰোৱা হৈ ডৰ ডৰ কৰে ঘূৰি ফুৰিবলৈ দিয়ে। কিন্তু এইটো ইয়াত কোন ? এইটোৰ লগ তাই ললে কিয় ? অ', বুজিছোঁ, বুজিছোঁ, এইটি হ'ল, আমাৰ সেই কাল হোৱা ওচৰ চুবুৰীয়াজন যে, তেওঁ লিভাৰপুলৰ পৰা বুটলি অনা 'আজব চীজ'টো। এটা পোৱালী লস্কৰ— বোধহয় আমেৰিকান বা স্পেন দেশীয় কোনোবা পৰিত্যক্ত বালক।"

ভদ্ৰ মহিলাই মাত লগালে, 'যেয়ে নহওক লাগে, সি মুঠতে এটা দুষ্ট ল'ৰা। ভাল মানুহৰ ঘৰত থাকিবৰ ই লায়ক নহয়। তাৰ মুখত কি কথা ওলাইছিল তই শুনিলিনে ? মোৰ ল'ৰা-ছোৱালীয়ে এনেবোৰ মাতকথা শুনিবলৈ পাব লগা হ'ল। মই বৰ দুখ পাইছোঁ।"

"তই আৰু খং নাখাবি, নেলী— মই এক্কো অবাইচ মাত মতা নাছিলোঁ। মই আকৌ শাওশপনি দিবলৈহে লাগি গৈছিলোঁ। ৰবৰ্টক ক'লে মোক তাৰপৰা আঁতৰাই নিবলৈ। কেথিও নগ'লে মই নাযাওঁ বুলি মই জেদ ধৰিলোঁ। পিচে সি মোক বাগানখনলৈ টোচ্চোৰাই লৈ গ'ল। মোৰ হাতত এটা লেম গোঁজকৈ গুজি দিলে, ক'লে বোলে আৰ্ণশ্বক মোৰ সমস্ত কীৰ্তিকলাপৰ কথা লগাব, আৰু সেই কেইটা কথা কৈয়েই মোক 'এতিয়া যা গৈ' বুলি কৈ দুৱাৰখন লগে লগে বন্ধ কৰিয়েই দিলে।

'পৰ্দাবোৰ এচুকত কোচাই থোৱা আছিল। এইবাৰ মই চোৰাংচোৱাগিৰি কৰোঁ বুলি লাগিলোঁ। কাৰণ কেথেৰিন ঘূৰি আহিব খুজিলে সিহঁতে তেওঁক যদি ওলাই আহিবলৈ নিদ নোখোজে, তেন্তে মই মনে মনে ঠিক কৰিছিলোঁ যে সিহঁতৰ খিৰিকিৰ আয়না মই ভাঙি চূৰ্ণাকৃত কৰি দিম।

খিৰিকিৰ একোণেদি জুমি চাই দেখিলোঁ কেথেৰিন কোমল গাদী পৰা চকী এখনত শান্তভাৱে বহি আছে। আমি ওলাই বাওঁতে গোৱালনী ছোৱালীজনীৰ ৰব চোলাটো খুজি লৈ গৈছিলোঁ; কেথেৰিনে সেইটো পিন্ধি আছিল। লিণ্টন পত্নীয়ে সেইটো এতিয়া সোলোকোৱালে। তেওঁ খুব জোকাৰি জোকাৰি কেথেৰিনৰ লগত কথা পাতি থকা মই দেখিবলৈ পাইছিলোঁ। যিয়েই হওক, তাইতো এজনী গাভৰু ছোৱালী। সিহঁতে তাইৰ প্ৰতি আৰু মোৰ প্ৰতি কৰা ব্যৱহাৰৰ মাজত পাৰ্থক্য আছিল। তাৰ পিচত দেখিলোঁ যে চাকৰণীজনীয়ে একটিয়া গৰমপানী আনি তাইৰ ভৰি ধুৱাই দিছে। লিণ্টন মহাশয়ে এগিলাচ সুস্বাদিত শোৰা বাকী কেথিক দিলে। ইজাবেলাই একাঁহী পিঠাও তাইৰ কোচত বাকি দিলে। এডগাৰে হাঁ কৰি মুখ মেলি অলপ আঁতৰৰ পৰা দৃশ্যটো চাই আছিল। পিচত সিহঁতে তাইৰ ডাঠ চুলিকোচা মেলি, ফণিয়াই শুকুৱালে। এইখিনি কৰা হলত সিহঁতে তাইক আজোখা চটি যোতা দুপাত ভৰিত সুমাবলৈ দিলে, আৰু চকৰী লগোৱা চকী এখনত বহুৱাই জুইশালৰ ওচৰলৈ লৈ গ'ল। তাই বেচ স্ফূৰ্তিত আছিল। তাইক খাবলৈ দিয়া বিস্কুটবোৰ তাই কণমানি কুকুৰ পোৱালী এটা আৰু স্কালকাৰলৈ দলিয়াই আছিল। এতিয়া তাই এহাতে খাইছে, আনহাতে সেই একেটা দৈত্য যেন কুকুৰ স্কালকাৰৰে নাকত ধৰি চেপি আছে। তাইৰ প্ৰফুল্লিত অৱস্থা দেখি লিণ্টন দম্পতীৰ মুখলৈ যেন পানী আহিল— কেথেৰিনৰ মৰম লগা মুখখনৰ প্ৰতিবিম্ব যেন তেওঁলোকৰ মুখত ফুটি উঠিছিল। দেখিলোঁ যে তেওঁলোক কেথিৰ নীৰৱ প্ৰশংসাত বিভোৰ হৈ পৰিছে। আমাৰ কেথি সিহঁতঁতকৈ কিমান ওপৰৰ— তাই পৃথিৱীৰ আন সকলোৰে ওপৰত। নহয় জানো, নেলী ? তই কি কত ? সিহঁতনো বাক কেথিৰ যোগ্য নে ?"

'তাৰ গাত লেপখন টানি দি আৰু চাকিটো নুমাবলৈ লৈ মই ক'লোঁ, "তই ভবাৰ দৰে এই আধাৰ ইমানতে সামৰণি নপৰে। হিথক্লিফ, তোৰ আৰু শুধৰণি নহ'ল। মিঃ হিণ্ডলেই এতিয়া কি কৰে চাই থাক। কথা অলপতে নৰ'ব।"

মই কোনো কথা ফলিয়ালে। মই কোনোতকৈ বেছিকৈহে ফলিয়ালে। ঘটনাৰ



আদ্যোপান্ত শুনি আৰ্ণশ্ব একেবাৰে জুলিপকি উঠিল। যি হ'বৰ হ'ল, দুয়োদৰৰ মাজৰ কথাটো আৰু বেয়ালৈ নাযাওক বুলি ভাবি লিণ্টন মহাশয়ে পিচদিনা আমাৰ ঘৰত এপাক মাৰিও গলহি। আৰ্ণশ্বই নিজৰ পৰিয়াল যিটো গতত চলাইছে, সেই বিষয়েও তেওঁক এপ্ৰাউবি বেচকৈ শুনালে। ফলত তেতিয়াৰ পৰা তেওঁ অলপ বেছি হুচিয়াৰ হ'বলৈ ললে।

হিথক্লিফৰ ভাগ্যত মাৰ কিল একো নপৰিল, কিন্তু তাক কোৱা হ'ল যে কেথেৰিন আহিটিক সি কোৱা প্ৰথম কথাষাৰেই তাক ঘৰৰ পৰা আঁতৰ কৰি পঠাবৰ বাবে যথেষ্ট। শ্ৰীমতী আৰ্ণশ্বই ননেক ঘূৰি আহিলে তেওঁক শাসনত ৰখাৰ দায়িত্ব ল'লে; সেই শাসন অৱশ্যে জোৰ বা বাধ্যবাধকতাৰ শাসন নহয়। চলচাতুৰীৰ শাসনহে। বাধ্যবাধকতাৰে কেথেৰিনক শাসনত ৰাখে তেনে সাধ্য কাৰ ?

## ৭

থ্ৰাচক্ৰচ গ্ৰেঞ্জত কেথি পাঁচ সপ্তাহ কাল থাকিলে— একেবাৰে খ্ৰীষ্টমাচ পৰ্যন্ত। সেইতিয়ালৈ তাইৰ সৰু গাঠি একেবাৰে ভকালে, আৰু তাইৰ আচাৰ ব্যৱহাৰো বহুত ভাল হ'ল। তাইৰ শিক্ষয়িত্ৰী গৰাকী মাজে সময়ে অহা-যোৱা কৰি আছিলে; তেওঁ তাইৰ প্ৰশংসা কৰিছিলে আৰু ধুনীয়া ধুনীয়া কাপোৰকানি উপহাৰ দিছিলে। উপহাৰবোৰ তাই উলাহেৰে লৈছিলে। তাইৰ আত্মমৰ্যাদাবোধৰ উৎকৰ্ষও সাধিত হ'ল। আগৰ দৰে তাই দিহিঙে দিপাঙে ঘূৰি ফুৰা, গাত পিন্ধা সাজপাৰৰ লাগ বান্ধ নোহোৱা, মূৰত টুপি নোহোৱা ছোৱালীজনী হৈ আৰু নাথাকিল। এতিয়া তাইৰ চালচলন, চেহেৰাপাতিয়েই সলনি হৈ গ'ল। লিচ্‌পিচিয়া ক'লা ঘোঁৰা এটাৰ পৰা তাই যেতিয়া নামে, তেতিয়া তাইৰ ব্যক্তিত্ব আৰু আচৰণত এক সম্ভ্ৰমশীল গাম্ভীৰ্য প্ৰতিফলিত হয়। তাইৰ চুলিবোৰ মুগা বৰণীয়া আৰু কেঁকোৰা কেঁকুৰি। মূৰত এটা নিমজ চালৰ টুপি।

হিণ্ডলেই তাইক ঘোঁৰাৰ পৰা নমাই আনোতে উচ্ছ্বাসত চিঞৰি উঠিল— 'কেথি, তই দেখোন বৰ ধুনীয়াজনী হলি অ'। তোক চিনি পোৱাই টান হ'ল। একেবাৰে ভদ্ৰ মহিলা হৈ পৰিলি দেখোঁ। ইজাবেলা লিণ্টনৰ এইৰ লগত তুলনাই নহয়, নহয়নে বাৰু ফ্ৰান্সেচ ?'

হিণ্ডলেৰ পত্নীয়ে ক'লে, 'তাইৰ গঢ়গতি ইজাবেলাৰ নাই হয়, পিচে তাই শাসন মানি চলি থাকিব লাগিব, নেপৰোৱা হৈ দিন কটালে বিচাৰিব নালাগিব। এলেন, কেথেৰিন আইটিক তাইৰ বস্ত্ৰ বাহানিবোৰ ঢিলিল কৰি লোৱাত সহায় কৰি দে। ৰবী, আইটো, তুমি চুলিবোৰ আউল বাউল কৰি নেপেলাবা। তোমাৰ টুপিটো মই খুলি দিছো, ৰবী।'

মই তেওঁক কাপোৰকানি সলোৱাত সহায় কৰি দিলোঁ। দীঘল বগা পেণ্ট এটাৰ ওপৰত ৰেচমী ফ্ৰক এটা, আৰু চিকুচিকিয়া জোতা এযোৰেৰে তাইক বৰ মোহনীয় দেখা লাগিছিল। কুকুৰ কেইটা জপিয়াই জপিয়াই তাইৰ ফাললৈ অহা দেখি কেথিৰ চকুহাল আনন্দত তিৰবিৰাই উঠিল, কিন্তু কুকুৰ যেইটাই চেলেকি জানোচা কাপোৰবোৰ লেয়া কৰে, সেইটো ভয়তে তাই সিহঁতক পিঠি পিহি মৰম নকৰিলে।

তাই মোক মাহেঁকৈ চুমা এটা খালে। মই খ্ৰীষ্টমাচ্ কেক্ কৰাৰ বাবে ব্যস্ত আছিলোঁ; মোৰ হাত ময়দাৰে ভৰি আছিল। সেইবাবে তাইক মই মৰমেৰে সাবটি মাৰি লব নোৱাৰিলোঁ। তাই হিথক্লিফক বিচাৰি ইফালে সিফালে চালে। আৰ্ণশ্ব দম্পতীয়ো



সিহঁত দুটাৰ লগ হোৱালৈ লক্ষ্য কৰি থাকিল। তেওঁলোকে ভাবিছিল যে সিহঁত দুটাক আঁতৰাই ৰাখি যি কৃতকাৰ্যতা লাভ কৰিব বুলি ভাবিছিল সেই কৃতকাৰ্যতা তেতিয়াই স্পষ্ট হ'ব।

হিথক্লিফক প্ৰথমে বিচাৰি পোৱা নগৈছিল। কেথেৰিন আঁতৰি থকাৰ আগতে সি আছিল অসাৱধান আৰু অমনোযোগী; তাৰ খা-খবৰ লওঁতাও তেনেকৈ নাছিল। কেথেৰিন নথকাত তাৰ তেনে অৱস্থা দহগুণে বাঢ়িল।

মোৰ বাহিৰে আন কোনেও তাক লেতেৰা ল'ৰা বুলি কৈ সপ্তাহত এবাৰকৈও গা ধুবলৈ যাবলৈ কোৱাৰ সৌজন্যকণ দেখুওৱা নাছিল। তাৰ বয়সৰ ল'ৰা-ছোৱালীয়ে চাবোন আৰু পানীৰ সংস্পৰ্শ স্বাভাৱিকতেই ভাল নাপায়েই। সেইবাবে তাৰ গা আৰু পিন্ধা কাপোৰৰ কথা ক'বলৈকে নাই। একে সাজ কাপোৰকে একেবাহে দিনে ৰাতিয়ে তিনি মাহ পিন্ধিছে। সেই সাজ ধূলি মাকতিৰে ভাঠ হৈ আছিল। ঘন চুলিখিনিত কোনো দিনেই ফণীৰ আঁচোৰ পৰা নাই। তাৰ গাল মুখ আৰু হাতত মলিৰে তৰপা বন্ধা। সেইবাবেই ফিটফাট্ সাজ-পাৰেৰে ধুনীয়া ছোৱালী এজনী ঘৰলৈ অহা দেখি সি বোধহয় দীঘল বেঞ্চখনৰ তলত লুকাই আছিল। হাত মোজাযোৰ খুলি খুলি কেথিয়ে মাত লগালে, 'হিথক্লিফ আহনে'? দেখা গ'ল যে তেওঁৰ আঙুলিবোৰ আচৰিত ৰকমে শেঁতা পৰি গৈছে— কামবনৰ নামত একো কৰিবলৈ নথকাত, আৰু ভিতৰতে সোমাই থকাৰ বাবেই তেনে হৈছিল।

হিথক্লিফৰ অস্বস্তিকৰ কথা বুজিব পাৰি হিণ্ডলেই বৰ আমোদ পাইছিল। তেওঁ এতিয়া মাত লগালে, ''হিথক্লিফ, তই এতিয়া ওলাই আহিব পাৰ। কেথি আহিছে। আনবোৰ চাকৰৰ দৰে তয়ো তাইক এতিয়া আদৰ সম্ভাষণ জনাবহি পাৰ।''

কেথিয়ে হিথক্লিফক লুকাই থকাতে চকামকাকৈ দেখিলে। দেখিয়েই তাই উৰি যোৱাদি গৈ তাক সাবট মাৰি ধৰি তাৰ গালত টপাটপ কেইবাটাও চুমা খাই দিলে। তাকে কৰি তাই তাৰ পৰা পিচ হোঁহকা মাৰি অলপ আঁতৰি থিয় দিলে, আৰু খিলখিলকৈ হাঁহি দি ক'লে—

''কি হৈছে হিথক্লিফ ? তোক ইমান বিষণ্ণ আৰু খঙাল দেখাইছে ? তইচোন বহুত ক'লাই পৰিলি ! হ'ব পাৰে যে মই এড্‌গাৰ আৰু ইজাবেলক সদায় দেখি থকাৰ বাবে তোক ক'লা পৰা যেন লাগিছে। এই হিথক্লিফ, কথা নকৱ কিয় ? তই মোক পাহৰিলি নে কি ?''

কেথিয়ে প্ৰশ্নটো সোধাৰ কাৰণ নথকা নহয়, কাৰণ লাজ আৰু অহংকাৰে হিথক্লিফক একেবাৰে বিমূঢ় কৰি পেলাইছিল, আৰু সি থকা ঠাইতে ঠৰ হৈ ৰৈ আছিল।

মিঃ আৰ্ণশ্বই প্ৰশ্ৰয়ৰ সুৰত ক'লে, ''কেথিৰ লগত কৰমৰ্দন কৰ, হিথক্লিফ। ইয়াৰ বাবে মাজে সময়ে অনুমতি দিয়া হয়।''

হিথক্লিফৰ এইবাৰ মাত ফুটিল। সি গোজোৰা মাৰি উত্তৰ দিলে, ''নকৰোঁ। মই কাৰো ঠাট্টা মন্তব্য সহ্য নকৰোঁ।'' এইবুলি কৈয়েই সি থিয় দি থকাৰ পৰা উচাং মাৰি যাবই খুজিছিল, তেনেতে কেথিয়ে তাক খাপ মাৰি ধৰিলে।

'মই তোক ইতিকিং কৰিব খোজা নাছিলোঁ'; তাই মাত লগালে। 'কিবা কাৰণত মোৰ হাঁহি উঠি গ'ল— সিমানেই কথা। হিথক্লিফ, হাত আগবঢ়াই দে, হাতত হাত মিলা। তই ইমান গোমোঠা মুখেৰে আছ কিয় ? তোক দেখাতহে আপচু লাগিছিল। মুখখন আঁতৰাই-পিটাই, চুলি কোচা চুচি মাজি আহিলে তোক আকৌ ভাল দেখাব। তই যে ইমান জধলা হৈ আছ।'

নিজৰ মুঠিত সুমাই ধৰি থকা মলিয়ন আঙুলি কেইটালৈ কেথিয়ে ভয়ে ভয়ে চালে, নিজৰ পিন্ধি থকা সাজটোলৈকো চকু দিলে— ভয়, আনোচা হিথক্লিফৰ গাত লাগি নিজৰ গাটোও লেতেৰা হয় !

কেথেৰিনৰ সন্ত্ৰস্ত ভাব গতিলৈ লক্ষ্য কৰি হিথক্লিফে 'তই মোক চুবই নাপাইছিলি', বুলি গোজোৰা মাৰি উত্তৰ দিলে, আৰু নিজৰ হাতখন উচাং মাৰি আঁতৰাই নিলে। 'মই যিমান মন যায় তিমান লেতেৰা পেতেৰা হৈ থাকিম। মই লেতেৰা হৈ থাকি ভাল পাওঁ, আৰু লেতেৰা হৈয়ে থাকিমো।'

এইবুলি কৈয়েই সি কোঁ-কোঁৱাই কোঠাৰ বাহিৰ ওলাল। তাৰ কাণ্ড দেখি গৃহস্থ আৰু গৃহস্থনীয়ে বেচ স্ফূৰ্ত্তি পালে। কেথেৰিনে কিন্তু বৰ অশান্তি পালে; তাইৰ কথাষাৰেনো ক'ত কি ক্ষগৰ লগাই এনে অপ্ৰিয় পৰিস্থিতি এটাৰ সৃষ্টি কৰিলে সেই কথা তাই ভাবি গুণি ওৰেই নোপোৱা হ'ল।

নবাগতা গৰাকীৰ আলপৈচান ধৰি অতহি, মই ঘৰখন সাৰি-পুচি চিজিল কৰিলোঁ; বৰদিনৰ উপযুক্তকৈ ঘৰখনত আনন্দ উছাহৰ পৰিবেশ সৃষ্টি কৰাকৈ কেইকুৰামান ঈশ্বৰ উপযুক্ত কোঠাত আলৈ আঁ গীতৰ দলৰ তামান দিন প্ৰশংসা কৰে ধৰিলোঁ, আৰু সেইবোৰ কৰি মেলি আজৰি হৈ অকলে অকলে বহি ঈশস্তুতি গাবলৈ ধৰিলোঁ। জোজেফে মই গোৱা বন্দনা গীতবোৰ গানৰ দৰে লাগে বুলি প্ৰশংসা কৰে ধৰিলোঁ। জোজেফে মই গোৱা বন্দনা গীতবোৰ গানৰ দৰে লাগে বুলি প্ৰশংসা কৰে হয়, এতিয়া কিন্তু সি মই গোৱা গীত শুনিবলৈ ওচৰ চাপি নাহিল; সি অকলশৰে তাৰ কোঠাত প্ৰাৰ্থনাত বহিলগৈ।

আৰ্ণশ দম্পতীয়ে কেথেৰিন আইটিক ইটো সিটো সৰু সুৰা বস্তু কিছুমান দেখুৱাই ভালৰি লগাই আছিল। তাই সেইবোৰ নি লিণ্টন পৰিয়ালৰ ল'ৰা-ছোৱালী কেইটাক, পৰিয়ালটোৰ প্ৰতি কৃতজ্ঞতাৰ চানেকি হিচাপে দিব। সিইতক তেওঁলোকে পিচদিনাটো তেওঁলোকৰ লগত কটাবলৈ নিমন্ত্ৰণ কৰিছিল। নিমন্ত্ৰণ তেওঁলোকে গ্ৰহণ কৰিছিলে, পিচে এটা চৰ্ত্তত ঃ ল'ৰা-ছোৱালীকেইটাক সেই 'অবাইচ মাত মতা দুষ্ট ল'ৰাটোৰ' পৰা সাৱধানে আঁতৰাই ৰাখিব লাগিব !

এনে এটা পৰিস্থিতিত মই অকলশৰীয়া হৈয়েই থাকিব লগাত পৰিলোঁ। ভজা মচলাৰ মিঠা মিঠা গোন্ধ মোৰ নাকত লাগিছিলহি। পাকঘৰৰ চিক্‌চিকাই থকা বাচন বৰ্তনবোৰ দেখি মোৰ ভাল লাগিছিল। চিক্‌চিকিয়া কাঠৰ চন্দুকত থকা চালে চকুবোৰা



ঘৰটো, ট্ৰে এখনত সজাই থোৱা ৰূপৰ পিয়লাবোৰ— ৰাতিৰ আহাৰৰ সময়ত সেইবোৰ সুস্বাদু পানীয়ৰে ভৰোৱা হ'ব— আৰু সৰ্বোপৰি, মই যিহি মচি ক'তো এটা সৰু দাগো নথকাকৈ ৰখা, নিমজ মজিয়াখন— এইবোৰকে চাই চিতি মই অকলে অকলে সময় কটাই আছিলোঁ।

মোৰ মনটো আগৰ দিনলৈ উৰা মাৰিছিল ঃ পৰিপাটিকৈ সজাই থোৱা কোঠাটোলৈ সোমাই আহি বৰজনা আৰ্ণশ্বই মোক মৰমেৰে 'আমাৰ বাংচালী আইটিজনী অ'' বুলি মাতিবহি, মই ওলাই আহিলেই মোৰ হাতত এটা চিলিং গুজি দিব— সেয়া বৰদিনৰ বকচিচ্। মোৰ মনত পৰিল হিথক্লিফৰ প্ৰতি থকা তেওঁৰ মৰমৰ কথা— তেওঁ ঢুকুৱাৰ পিচত তাৰ আলৈ আথানি হয় বুলি তেওঁৰ মনত যে কিমান চিন্তা ! সেইটো কথা মনত পৰিলে বেচেৰা ল'ৰাটোৰ এতিয়াৰ অৱস্থাটোৰ কথা মোৰ মনলৈ আহে। এইবোৰ কথা মনলৈ আহিলত মোৰ গান গোৱা তল পৰিল, মোৰ চকুত কান্দোন ওলাল। পিচে লগে লগে মোৰ মনত খেলালে যে তাৰবাবে কন্দাকটা কৰি থকাতকৈ পাৰিলে তাৰ অৱস্থাৰ কিবা সলনি ঘটাবৰ চেষ্টা কৰাহে ভাল। ভাবটো মনলৈ অহাৰ লগে লগেই মই তাক বিচাৰি ভিতৰ চোতাললৈ গ'লোঁ।

তাক বেচি দূৰলৈ বিচাৰি যাব লগা নহ'লেই। আস্তাবলত নতুনকৈ অনা ঘোঁৰাটোৰ নিমজ গাটো পিহি থকাতেই মই তাক পালোঁগৈ।

মই তালৈ চাই ক'লোঁ, ''খৰধৰ কৰ, হিথক্লিফ। পাকঘৰটো থাকিবলৈ বেচ আৰাম লগা হৈছে। জোজেফ ওপৰ মহলাত আছে গৈ। লৰালৰি কৰ, কেথি আইটি ওলাই অহাৰ আগতে তোক ভালকৈ পিন্ধাই উৰাই দিব লাগে। তাৰ পিচত তহঁতে জুহালৰ ওৰিত বহি শোৱা পৰলৈকে যিমান মন যায় কথা চোৰাই থাকিব পাৰিবিহঁক।'

মই কলোঁহে হয়, সি হ'লে মোলৈ মুৰ দাঙিয়েই নাচালে। ঘোঁৰাৰ গা পিহি দিয়াতে সি ব্যস্ত হৈ থকা যেন দেখুৱালে।

তথাপি মই ক'লোঁ, ''আহ, আহ। সোনকালে কৰ। আহিছ নহয় ? তহঁত দুয়োৰে বাবে একোটাকৈ সৰু সৰু পিঠাও ভাজি থোৱা আছে। তোক সজাই পৰাই উলিয়াওঁতেই প্ৰায় আধাঘণ্টামান লাগিব।''

মই তালৈ পাঁচ মিনিট সময় ৰ'লোঁ, কিন্তু তাৰ পৰা কোনো জবাব নাপাই মই গুচি আহিলোঁ। কেথেৰিনে ককায়েক বৌৱেকৰ লগত ৰাতিৰ আহাৰ খালে। জোজেফে মই একেলগে বহি খালোঁ। একেলগে বহাহে, বাক্য বিনিময় হ'লে নাই। হ'ব ক'ৰ পৰা— এটাৰ মুখত যদি তিৰস্কাৰ, এটাৰ আচৰণত উদ্ধতালি। হিথক্লিফৰ আহাৰ মেজত সজাই থোৱাতে থাকিল। নিশা ন বজালৈকে সি কামতে লাগি থাকিল। তাৰ পিচত মুখখন গোমোঠা কৰি, নিবোকাটো হৈ নিজৰ কোঠাত সোমালগৈ। কেথি নিশা দুপৰলৈকে বহি থাকিল। তাইৰ নতুন বন্ধু-বান্ধৱীক অভ্যৰ্থনা জনাবলৈ তাই বহুতো যা-যোগাৰ কৰিব লগা হৈছিল।

পিচদিনা পুৱা হিথক্লিফ সোনকালেই শুই উঠিলে। বন্ধৰ দিন। মনৰ বিৰক্তি মনতে লৈ সি গৈ মুকলি প্ৰান্তৰ পালেগৈ। পৰিয়ালটো গীৰ্জালৈ যোৱাৰ পৰলৈকে আৰু তাৰ দেখাদেখি নাই। আগদিনাৰ লঘোণীয়া শৰীৰৰ কষ্ট আছিলেই। অকলশৰে থাকি কথাবোৰ সি বোধহয় নিৰলে ভাবিও চালে। সাতে সোতৰে তাৰ মনটো অলপ পাতলিল, মনবনাল যেন হ'ল। মোৰ ওচৰ চাপিবলৈ ইচ্ছা কৰি চুচুক চামাককৈ সি কিছুপৰ কটালে। কিছুসময় যোৱাৰ পিচত, বুকুত সাহ বান্ধি, সি মোক আচম্বিতে ক'লে, "নেলী, মোক অলপমান চাফ-চিকুণ কৰি দে। মই ভাল হ'ম।"

মই ক'লো, "হবিতো ভাল, কিয় নহ'বি। এতিয়াৰ পৰাই। ভাবি চাচোন, কেথি আইটিৰ মনত তই কিমান দুখ দিছ। যবলৈ ঘূৰি অহাটোৱেই ভুল হ'ল বুলি তাই ভাবিছে নিশ্চয়। আনে তাইৰ খা-খবৰ কিমান লয়, তোৰ কিমানকৈ নলয়। তাতেই বোধহয় তাইৰ প্ৰতি তোৰ— ঈৰ্ষা। নহয় নে বাৰু ? দেখাতত্তো তেনে যেনেই লাগে।"

কেথেৰিনক ঈৰ্ষা কৰা মানে কি সেই কথা তাৰ বুজাৰ শক্তি নাই, কিন্তু তাইক দুখ দিয়াৰ কথাটো তৎমুহূৰ্তত তাৰ মনত ফটফটীয়া হৈ পৰিল।

বৰ গহীন হৈ সি মোক সুধিলে, 'তেওঁ মনত দুখ পালে বুলি কৈছিল নেকি ?'

'ৰাতিপুৱা তই আকৌ গুলাই গুচি গলি বুলি মই ক'লত তাই কান্দি পেলাইছিল।'

'হয়নে ? ময়োতো যোৱা নিশা কান্দিছিলোঁ, আৰু মোৰ কন্দাৰ কাৰণ তাইৰ কন্দাৰ কাৰণতকৈ আছিল বেছি ।'

মই ক'লোঁ, 'তোৰ কাৰণটো হ'ল, তই অন্তৰত অভিমান আৰু পেটত ভোক লৈ নিশাটো খৰমলাই কটালি। অহংকাৰী লোকে নিজৰ অশান্তি মাতি আনেই। কিন্তু তই যদি তোৰ অভিমানী আচৰণৰ বাবে লাজ পাইছ তেন্তে তাই আহিলে তই ক্ষমা খুজিব লাগিব। এই কথাটো তই মনত ৰাখিবি। তই তাইৰ ওচৰলৈ আগবাঢ়ি গৈ তাইক চুমা এটা দিবি আৰু কবি— কি ক'ব সেইটো তই জান; মাত্ৰ তোৰ কথা আৰু ব্যৱহাৰত আন্তৰিকতা ফুটি ওলাব লাগিব। জাকজমকীয়া সাজ এটা পিন্ধি আহিলে বুলিয়েই তই তাইক অপৰিচিত কোনোবাৰ দৰে ভাবিব নোৱাৰিবি। এতিয়া চা, মোৰ দুপৰীয়াৰ ভাত ৰান্ধিবলৈ আছে। তথাপিতো মই তোক সজাই পৰাই উলিয়াই দিম। এনেদৰে দিম যে তোৰ কাষত এড্‌গাৰ লিণ্টনক একেবাৰে পুতলা এটাৰ দৰে দেখাব। প্ৰকৃততে দেখাত তেনে হয়োতোন। তই তাতকৈ বয়সত সৰু, তথাপি তাতকৈ ওখ, আৰু তোৰ বুকুৰ ছাটি তাতকৈ দুগুণ বহল। চকু পচাৰতে তই তাক খুন্দিয়াই বগৰাই দিব পাৰ। পাৰিবি বুলি তই নিজে বাৰু কেতিয়াও ভবা নাইনে ?'

হিথক্লিফৰ মুখখন বক্তীয়াল হৈ পৰিল। কিন্তু খন্তেকৰ বাবেহে। তাৰ মুখৰ হাঁহি মাৰ গ'ল। মুখখন বিবাদৰ ডাৱৰে ঢাকি ধৰিলে। সি দীঘলকৈ এটা হুমুনিয়াহ চাৰিলে।

"কিন্তু নেলী, এটা কথা নহয়। মই তাক এবাৰ নহয় যেনিবা কুৰিবাৰ খুন্দিয়াই বগৰাই দিলোঁ, কিন্তু তাৰ ফলত সি দেখিবলৈ মোতকৈ কম ধুনীয়া হৈ নাযায়। ময়ো



তাৰ ফলত বেচি ধুনীয়া হৈ নপৰোঁ। মোৰ চুলি যদি পাতল ৰঙচুৱা আৰু গাৰ চাল যদি উজ্জ্বল হ'লহেঁতেন ! মোৰ আচৰণ যদি তাৰ দৰেই হ'লহেঁতেন, আৰু তাৰ সমান ধনী হোৱাৰ সম্ভাৱনা যদি মোৰ থাকিলহেঁতেন !'

মই তাৰ কথাৰ লগতে যোগ দি ক'লোঁ, "আৰু কথাই কথাই তাৰ দৰে মা, মা কৈ পেনেৰি পাতি থাকিলিহেঁতেন ! তাৰ দৰে তয়ো যদি গাঁৱৰ ল'ৰা এটাই আঙুলি জোকাৰিলেই ভয়ত বেজেমূত্ৰা গৰুৰ দৰে কঁপিলিহেঁতেন, আৰু দুটোপালমান বৰষুণ দিলেই ঘৰত সোমাই থাকিলিহেঁতেন ! হেৰ হিথক্লিফ, তোৰ কথাবোৰ শুনি মোৰ তোক বৰ অলপধতুৰা যেন লাগিছে অ'। আহ, আয়নাৰ ওচৰত থিয় দেহি। তই কি বিচাৰিব লাগে মই তোক বুজাই দিম। তোৰ চকুহালৰ মাজত সেই বেখা দুডাল মন কৰিছনে ? আৰু ডাঠ ঢেলাউৰি জোৰ ? খেনুভিৰীয়া নহৈ মাজতে তললৈ বহি যোৱা যে, মন কৰিছ ? আৰু সেই গভীৰ ক'লা চকুহাল— পতা বহলকৈ কোনোদিনেই মেল নাখায়, যেন তাৰ তলেদি গোপনেহে চায়। গালৰ সোতোৰা সুতুৰিবোৰ আঁতৰাবলৈ যত্ন কৰ, চকুহাল বহলকৈ মেলি চাবলৈ শিক, সাহস আৰু আত্মবিশ্বাসেৰে জগতখন চাবলৈ ল। স্পষ্ট প্ৰমাণ নোহোৱাকৈ কাকো শত্ৰু বুলি ভাবি নলবি। কাকো অযথা সন্দেহ নকৰিবি। মুখখন সদায় কোবখোৱা ভতুৱা কুকুৰৰ দৰে কৰি নাথাকিবি। আৰু নিজৰ দুখকষ্টৰ বাবে জগতখনক জগৰীয়া কৰি নাথাকিবি।'

'তাৰমানে, মোৰ চকুহাল এড্‌গাৰ লিণ্টনৰ দৰে বিশাল আৰু নীলাও হ'ব লাগিব, আৰু মোৰ কপালখনো বহল হ'ব লাগিব। হোৱাটো ময়ো বিচাৰোঁ, কিন্তু বিচাৰিলেইতো নহয়।'

'কথা এটা মনত ৰাখিবি, বোপাই। তোৰ গাৰ বৰণটো একেবাৰে ক'লা হ'ল কি হ'ল— অন্তৰখন সৎ হ'লে মুখখনো ধুনীয়া হৈ পৰে। আৰু অন্তৰখন যদি কপটি হ'ল, ধুনীয়াৰো ধুনীয়া মুখখনো দেখিবলৈ কুৎসিত হৈ পৰে। এতিয়া তই গা-পা ধুই, চুলি ফণিয়াই, পৰিপাটি হৈ, মনটোত স্ফূৰ্তিৰে আছ। চাচোন চা, আয়নাত চাই ক, তোৰ বাৰু নিজকে ধুনীয়া লগা নাইনে ? মই ক'ম লাগিছে। ঠিক কোনোবা ছদ্মবেশী ৰাজকোঁৱৰৰ দৰে। কি ঠিক, তোৰ বাপেৰ হয়তো আছিল চীন দেশৰ সম্ৰাট, মাৰ হয়তো আছিল কোনোবা ভাৰতীয় মহিষী— ভাবি লব পাৰ যে উভয়েই ইমান ধনী যে তেওঁলোকে অকলেই নিজৰ এসপ্তাহৰ উপাৰ্জনেৰেই 'ৱাদাৰিং হাইট্‌চ' আৰু 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' একেলগে কিনি লব পাৰিলেহেঁতেন। হয়তো কোনোবা দুষ্ট নাবিকে পাই তোক অপহৰণ কৰি আনি ইংলেণ্ড পোৱালেহি। তোৰ দৰে অৱস্থা মোৰ হোৱা হ'লে, মই মোৰ জন্ম সম্পৰ্কে উচ্চ ধাৰণা পোষণ কৰিলোহেঁতেন। আৰু মই কি আছিলোঁ সেই কথাকে মনত পেলাই সামান্য এটা খেতিয়কৰ হাতত পোৱা উৎপীড়ন-অত্যাচাৰ পাহৰি থাকিব পাৰিলোহেঁতেন।'

এইদৰে মই কিছুপৰ তাক বুজাই বঢ়াই থাকিলোঁ। হিথক্লিফৰ মুখৰ গোজোৱা চকনিটো লাহে লাহে আঁতৰিল। দেখাত তাক প্ৰসন্ন যেন লগা হ'ল। কিন্তু বাস্তাহিদি আগুৱাই অহা গুমগুমনি এটা কাণত পৰিলত হঠাতে আমাৰ কথা বতৰা বন্ধ হৈ

তাইক সেই সময়ত সেইদৰে দেখি মোৰ ভাব হ'ল ঃ "এনেনো দয়ামায়া নাইকিয়া প্ৰাণী ! এসময়ৰ খেলাৰ লগৰী ল'ৰা এটাৰ দুৰ্দশাতো তাই কেনেদৰে আওকাণ কৰিব পাৰিলে চোৱা । তাই ইমান আপোনপেটীয়া বুলি ভাবিবই পৰা নাছিলোঁ ।"

পিচে মোৰ ধাৰণা আছিল অমূলক । মই লক্ষ্য কৰিলোঁ যে কেথেৰিণে মুখলৈ এগৰাহ নিব খুজিছে, কিন্তু মুখত ভৰাব পৰা নাই । আকৌ পাতত থৈ দিছে । গাল দুখন ৰঙা পৰা । ওপৰেদি দুধাৰি চকুলো বৈ গৈছে । ইচ্ছা কৰিয়েই তাই কাঁটাডাল পিচলাই তললৈ পেলাই দিলে, আৰু সেইডাল বুটলি লোৱাৰ অজুহাতত মেজৰ তললৈ মুৰ সুমালে । নিগনি অহা চকুপানী লুকাবৰ বাবে সেইটো আছিল এটা অচিলা মাত্ৰ । তাইক নিমৰমিয়াল বুলি ভাবি থাকিব আৰু মই নোৱাৰিলোঁ । গোটেই দিন তাই যন্ত্ৰণাত চটফটাই কটোৱা কথাটো মোৰ চকুত নপৰাকৈ নাথাকিল । হিথক্লিফৰ ওচৰলৈ যাবলৈ তাই চেগ বিচাৰি আছিল । মই পিচতহে গম পাইছিলোঁ, তাক এটা কোঠাত আৰ্ণশ্বই বন্ধ কৰি থৈছিল ।

গধূলিলৈ নাচৰ আয়োজন হৈছিল । কেথেৰিণে হিথক্লিফক মুকলি কৰি দিবলৈ বুলি আৰ্ণশ্বক খাটনি ধৰিলে । ইজাবেলা লিণ্টনৰ নাচৰ লগৰীয়া নাই বুলি যুক্তিও দেখুৱালে, ফল পিচে নধৰিলে । ইজাবেলাৰ লগত মোক নাচিবলৈ ক'লে ।

নাচগানৰ স্ফূৰ্তি তামাচাই আমাৰ মনৰ পৰা দিনটোৰ বেজাৰ মচি পেলালে। সেই সময়তে হাত গিমাৰটনৰ বেণ্ড পাটিটোও গৈ ওলাইছিল। সেইটো নামজ্বলা দল। বৰদিনৰ সময়ত ঘৰে ঘৰে গৈ দলটোৱে 'কেৰল' (ঈশস্তুতি) গাই গাই দান বৰঙণি গোটায়। দলটোৱে গোৱা 'কেৰল' শুনিবলৈ সকলোৰে আগ্ৰহ।

কেইটামান 'কেৰল' গোৱাৰ পিচত দলটোক গীত গাবলৈ কোৱা হ'ল। গীতবোৰ মিচেচ আৰ্ণশ্বৰ বৰ পছন্দ হৈছিল। সেইবাবে ইটোৰ পিচত সিটোকৈ কেইবাটাও গীত দলটোৱে গালে।

কেথেৰিণেও গীত শুনি ভাল পাইছিল, কিন্তু ওপৰৰ খটখটিৰ পৰাহে শুনিবলৈ বেছি ভাল লাগিব বুলি কৈ সমজুৱাৰ মাজৰ পৰা তাই উঠি গ'ল। ময়ো পিচে পিচে আহিলোঁ। মানুহ ইমান গোট খাইছিল যে আমি তাৰ পৰা উঠি অহা কথাটো কাৰো নজৰত নপৰিল।

কেথেৰিণ পিচে ওপৰৰ খটখটিত নৰ'ল। আৰু ওপৰলৈ তাই উঠি গ'ল, আৰু ছাতিৰ ওপৰৰ সৰু কোঠাটো পালেগৈ। হিথক্লিফক তাতেই জব্দ কৰি থোৱা হৈছিল। তাক তাই বাহিৰৰ পৰা মাতিলে। কিন্তু কিছু পৰলৈ, তাই মাতেহে মাতে, সি একোকে সঁহাৰি নিদিয়েই। শেহত যেনিবা বেৰৰ জলঙাৰে দুয়োটাই কথা পাতিবলৈ ল'লে।

বেচেৰাইকে তাতে একান্তমনে কথাপাতি থাকিবলৈ এৰি দি মই তললৈ নামি আহিলোঁ। গান গোৱা শেষ হ'বৰ হৈছিল, নতুনকৈ চাহ জলপানৰ আয়োজন কৰা হৈছিল, গতিকে মই যথাসময়তে সিহঁত দুটাক সাৱধান কৰি দিবলৈ বুলি ওপৰলৈ উঠি গ'লোঁ।



পিচে মই গৈ তাইক বাহিৰত নাপালোঁ। ভিতৰতহে তাইৰ মাত শুনিলোঁ। কোঠাটোৰ ওপৰৰ খিৰিকেৰে অতি কষ্টেৰে বান্দৰ বগোৱাদি বগুৱা বাই তাই কোঠাৰ ভিতৰলৈ সোমাইছিল। মই বহুত কাকুতি মিনতি কৰিহে তাইক কোনোমতে তাৰ পৰা ওলাই আহিবলৈ মান্তি কৰাব পাৰিলোঁ।

পিচে তাইৰ লগত হিথক্লিফো ওলাই আহিল। তাই মোক জোৰ দি ধৰিলে যে তাক মই মোৰ লগতে পাকঘৰলৈ লৈ যাব লাগে। মোৰ লগৰ চাকৰটোও তেতিয়া ঘৰত নাছিল—ওচৰৰ এঘৰলৈ গুচি গৈছিল। ঘৰখনত চলি থকা খকাখুন্দাবোৰৰ পৰা সি আঁতৰি থাকিবলৈ বিচাৰিছিল। সি সেইবোৰক প্ৰেত প্ৰশস্তি বুলি অভিহিত কৰিছিল। মই প্ৰথমতে তাইক ক'লোঁ যে তেনেবোৰ কূটকৌশলত সোমাবলৈ মই নাযাওঁ। পিচে হিথক্লিফ আগদিনা ৰাতিৰ পৰা একেবাৰে লঘোণে আছে বুলি মোৰ মনত পৰাৰ লগে লগে মই মান্তি হ'লোঁ। সি বাৰু এবাৰলৈ হিণ্ডলেক ঠগিব খুজিছে, ঠগক। মই নেদেখা ভাও ধৰিম।

সি পাকঘৰলৈ গ'ল। মই জুহালৰ ওচৰতে টুল এখনত তাক বহিবলৈ দিলোঁ। খাবলৈকো ভাল ভাল বস্তুকে দিলোঁ। পিচে তাৰ হেনো গা ভাল নাছিল। বেছি খাব নোৱাৰিলে। মই কুটুৰি কুটুৰিও খুৱাব নোৱাৰিলোঁ। সি কিলাকুটি দুটা আঁঠুত দি,দুহাতৰ তলুৱাত মুখ গুজি, নিৰ্বাক ভাবনাত নিমগ্ন হৈ ৰ'ল।

সি নো কি গুণিগাঁথি আছে বুলি সুধিলত সি মোক উত্তৰ দিলে,'হিণ্ডলেক এসেকা কেনেকৈ দিব পাৰি সেই কথাকে ভাবি আছোঁ। তাকে কৰিবলৈ কিমান দিন ৰ'ব লাগে ঠিক নাই। যিমান দিন লাগে,ৰ'ম। মাত্ৰ মই মৰাৰ আগতে সি নমৰিলেই হয়।'

'ছিঃ ছিঃ, হিথক্লিফ, এনেবোৰ কথা মুখলৈ আনিব নাপায় নহয়। দুষ্টলোকক শাস্তি দিবলৈ ভগৱান আছে নহয়। আমি ক্ষমা কৰিবলৈ শিকিব লাগে।'

'সেইবোৰ কথা মই নাজানোঁ। তাক মজা দিয়াৰ সুখকণ মই ভগৱানলৈ এৰি নিদিওঁ। পিচে, দিম কেনেকৈ তাকেহে ভাবি আছোঁ। সেইটো ভাবিলে মোৰ গাৰ বিষো মই পাহৰি যাওঁ।'

পিচে, লকউদ মহাশয়, মই পাহৰিয়েই গৈছো যে এইবোৰ কথা শুনি থাকি আপুনি মন পাতলাব নোৱাৰে। ময়ো যে আৰু! ছেদভেদ নোহোৱাকৈ এই এপৰ বেলি এখন মহাভাৰত বলকি থাকিলোঁ। ইপিনেদি আপোনাৰ ভাতৰ মগুখিনি তেনেই চেঁচা হ'ল। আপোনাৰ দেখিছোঁ টোপনিও ধৰিছে। হিথক্লিফৰ কথা মই থোৰতে ছটামান শব্দতে আপোনাক ক'ব পাৰিলোহেঁতেন।'

এই বুলি কৈয়েই পৰিচাৰিকা গৰাকী থিয় হ'ল, আৰু হাতত থকা গোঁঠামেলাবোৰ একাষৰীয়াকৈ থলে। মোৰ কিন্তু জুহালৰ ওচৰৰ পৰা উঠাৰ শক্তি নাছিল, আৰু মই কলমটিয়াবলৈকো আৰম্ভ কৰি দিয়া নাছিলোঁ।

"বহুকচোন অকণমান, মিচেচ ডীন, লৰালৰি কৰিব লাগিছে কিয়। আপুনি গোটেই

# ৮

ফুন মাহৰ কোনোবা এটা ফৰকাল পুৱাত প্ৰাচীন আৰ্শ্বি পৰিয়ালৰ শেষ বংশধৰ ভূমিষ্ঠ হৈছিল। সেইটিয়েই আছিল মই তুলিতালি ডাঙৰ দীঘল কৰা প্ৰথম সোণামুৰাটি।

দুবৰ পথাৰ এখনত আমি ধানখেৰ জোকাৰি আছিলোঁ; তেনেতে দেখোঁ পথাৰত আমাক জলপান দি দিয়া হোৱালীজনী, অন্য দিনাতকৈ এঘণ্টামান বেলি আগতে, উধাতু খাই পথাৰৰ বতিয়াৰ মাজে মাজে আমাৰ ফাললৈ লৰি আহিছে। দূৰৈৰ পৰাই তাই মোক চিঞৰি আহিছিল। আমাৰ ওচৰ পাই তাই ক'লে ঃ

"বাঃ, কি সুন্দৰ কেঁচুৱা।" তাই লৰি অহাৰ ভাগৰত হেঁফাই ফোঁপাই ক'লে। 'এনে ধুনীয়া ল'ৰা আগতে ওপজাই নাই। কিন্তু আইদেউৰ অৱস্থা বেয়া। ডাক্তৰে কৈছে তেওঁ বোলে নাবাচিব। তেওঁ হেনো এই কেইবামাহো ধৰি ক্ষয় ৰোগত ভুগিছে। ডাক্তৰে হিণ্ডলেক কোৱা মই শুনিছোঁ আইদেউ বোলে অহা জাৰকালিলৈকে থকাই টান। তুমি তৎক্ষণাত ঘৰলৈ আহাঁ। নেলী, তুমিতো বুজিছাই, কেঁচুৱাকণক আপদাল কৰাৰ ভাৰ তোমাৰ গাতেই পৰিব। গাখীৰ চেনি চেলেকাই, দিনে ৰাতিয়ে যত্ন লৈ ডাঙৰ দীঘল কৰিব লাগিব। তোমাৰ ঠাইত মই হ'ব লাগিছিল—মাক নাবাচেই যেতিয়া কেঁচুৱাটি তোমাৰেই হ'ব নহয়।'

তাইৰ কথা শুনি মোৰ চুতি হেৰাল। হাতৰ ওখোন দলিয়াই দি, গাৰ কানিকাপোৰ পৰিপাটি কৰি মূৰত ওকাখন গাঠি মাৰি লৈ মই সুধিলোঁ, "আইদেউৰ অৱস্থা বৰ কাহিল নেকি?"

"মোৰ তেনে যেনেই লাগিছে। তেওঁক দেখিলে পিচে ধৰা টান। কেঁচুৱাটিক লৈ তেওঁৰ যিমানবোৰহে কথা—যেন সি ডাঙৰ হোৱা দেখি যাবলৈ তেওঁ জীয়াই থাকিব। আনন্দত তেওঁ এতিয়া একেবাৰে আপোন পাহৰা হৈ আছে। নহ'বনো কিয়। কেঁচুৱাকণ যে ইমান ধুনীয়া। তেওঁৰ ঠাইত মই হোৱা হ'লে মই নিশ্চিত যে মই কেতিয়াও নমৰোঁ। কেঁচুৱাটি দেখিলেই মই ভাল হৈ গ'লোঁহেঁতেন।...আচাৰ আইদেৱে ফুলি উঠিল। সেই সময়তে সেই বুঢ়া শগুন জৰ্জ বোলাটো আহি ওলাল। সি কয় পাৰিছে। তই তাইক আনোতেহে মই জানিছিলোঁ যে তাই বেচিদিন জীয়াই নাথাকে। এতিয়াতো আৰু ভালকৈয়ে বুজা গৈছে—অহা জাৰকালিলৈকে টিকে নে নাই তাতে সন্দেহ। কথাটো ভাবি চিন্তি থাকি মনত দুখ নিদিবি। তই মই কৰিব পৰাৰ ভিতৰত



একো নাই। আৰু এটা কথাও নহয়, এই জেংখৰিদালৰ দৰে ছোৱালীজনী বিয়া কৰোৱাৰ আগতে তই ভালদৰে ভাবিচিন্তি চাব লাগিছিল।'

'গৃহস্থই পিচে কি ক'লে?' মই তাইক সুধিলোঁ।

'কিবা এটা ক'লে, মই ববকৈ কাণ দিয়া নাছিলোঁ। মই কেঁচুৱাটি চাবলৈহে অধৈৰ্য হৈ পৰিছিলোঁ।' এই বুলি কৈয়ে তাই আকৌ পৰম উল্লাসেৰে কেঁচুৱাৰ বৰ্ণনা দিবলৈ লাগিল। মোৰ উল্লাসো তাইৰ উল্লাসতকৈ কোনো গুণে কম নাছিল। খৰখেদাকৈ ময়ো ঘৰলৈ বুলি খোজ ললোঁ। কেঁচুৱাটি নিজে চাই তাৰ ৰূপ গুণ বখানিবলৈ ময়ো অধৈৰ্য হৈ পৰিছিলোঁ। মোৰ পিচে হিণ্ডলেৰ কাৰণে দুখ লাগিছিল ঃ তেওঁৰ অন্তৰত মাত্ৰ দুজনৰ বাবেহে ঠাই আছিল—নিজৰ বাবে আৰু তেওঁৰ পত্নীৰ বাবে। আত্মপ্ৰীতি আৰু পত্নীপ্ৰেম—এই দুটাৰ বাহিৰে তেওঁৰ অন্তৰত আন একোৰে স্থান নাছিল। পত্নী বিয়োগৰ শোক যে তেওঁ কিদৰে সহ্য কৰিব মই কল্পনাকে কৰিব পৰা নাছিলোঁ।

আমি গৈ ঘৰ পাই দেখো হিণ্ডলে আগফালৰ দুৱাৰ মুখতে থিয় দি আছে। সোমাই যাওঁতে মই কেঁচুৱা কেনে আছে বুলি সুধিলোঁ।

তেওঁ বেচ স্ফূৰ্তিৰে ক'লে-"লৰিব পৰা হলেই অ', নেল।'

'আইদেউৰ কেনে?' মই সুধিলোঁ,'ডাক্তৰে বোলে কৈছে তেওঁৰ হেনো....'

খন্তেক ৰঙাচিঙা পৰি তেওঁ মোৰ মুখতে ধৰিলে, "থ, থ, তোৰ জাহান্নামে যোৱা ডাক্তৰৰ কথা। দেখিবি নহয়, আজিৰ পৰা এসপ্তাহৰ মূৰত ফ্ৰান্সিচ একদম ভাল হৈ যাব। তই ওপৰ মহলালৈ যাবি নে কি? তই কবিগৈ তেওঁক, তেওঁ কথা নাপাতে বুলি ক'লে মই যাম। মই তেওঁৰ ওচৰৰ পৰা আঁতৰি অহাৰ ফালটো হ'ল, তেওঁ কথা বন্ধ নকৰেই; কিন্তু তেওঁৰ বাবে কথা পতাটো অনিষ্টকৰ। কবি যে মিঃ কেনেথে কৈছে বোলে তেওঁ মুখ বন্ধ কৰি থাকিব লাগিব।'

মই গৈ আৰ্শ্বি আইদেউক এই কথাখিনি কলোঁ। তেওঁ বৰ স্ফূৰ্তিত থকা যেন লাগিছিল। তেওঁ হাঁহি হাঁহি উত্তৰ দিলে,'এলেন, তই জানো বিশ্বাস কৰিবি? মই এটা কথাও কোৱা নাই। তেওঁহে দুবাৰ কান্দি কান্দি ওলাই গৈছে। তই বাৰু কবি গৈ, যা, মই কথা নকওঁ বুলি কথা দিছোঁ। তাৰ মানে কিন্তু তেওঁক ঠাট্টা নকৰিম বুলি মই কোৱা নাই দেই।'

বেচেৰী। ঢুকুৱাৰ এসপ্তাহৰ আগলৈকে বাংগালী স্বভাবটোৱে তেওঁক লগ এৰা দিয়া নাছিল। তেওঁৰ স্বামীয়ে কিন্তু পত্নীৰ স্বাস্থ্যৰ দিনক দিনে উন্নতি হৈছিল বুলি বুকু ডাঠি কৈছিল; সেই বিষয়ে কোনোবাই সামান্য সন্দেহ প্ৰকাশ কৰা যেন দেখুৱালেও তেওঁ খন্তত জাঁকি উঠিছিল। ডাঃ কেনেথে তেওঁক এদিন ক'লে বোলে ৰোগীৰ সেই অৱস্থাত তেওঁৰ দৰৱে আৰু কাম নিদিয়ে, আৰু তেওঁ ৰোগী চাবলৈ আহি আহি তেওঁৰ খৰচ বঢ়োৱাৰ কোনো প্ৰয়োজন নাই। ক'বলৈ পালেহে, আৰ্নশ্বি একেবাৰে জাঙুল খাই উঠিল ঃ 'মই জানো, তুমি অহাৰ প্ৰয়োজন নাই। মোৰ পত্নী ভাল হৈ

গৈছে। তোমাৰ দৰবৰ আৰু দৰকাৰ নাই। তেওঁৰ ক্ষয়ৰোগ হোৱা নাছিল। জ্বৰহে হৈছিল। এতিয়া জ্বৰ এৰিলে। তেওঁৰ নাড়ীৰ স্পন্দন মোৰ সমানেই ধীৰ হৈছে। তেওঁৰ গাল মুখ এতিয়া আগৰ দৰেই তপত হৈ থকা নাই— চেঁচা পৰিছে।'

তেওঁৰ পত্নীকো আৰ্ণশ্বই একে কথাকে ক'লে। ভদ্ৰ মহিলাই তেওঁৰ স্বামীৰ কথা বিশ্বাস কৰা যেনো লাগিল। পিচে এদিন ৰাতি স্বামীৰ কান্ধত হেলান দি বহি থাকোঁতে তেওঁ ক'লে যে পিচদিনালৈ তেওঁ চলাফুৰা কৰিব পাৰিব বুলি ভাবিছে। কিন্তু তেনেতে তেওঁৰ কাহ আৰম্ভ হ'ল; পাতলীয়া কাহ। স্বামীয়ে তেওঁক দুবাহুৰ মাজত সুমুৱাই লৈ পোনাকৈ বহুৱাই দিলে। তেওঁ দুহাতেৰে স্বামীক ডিঙিত মেৰিয়াই ধৰিলে, তেওঁৰ মুখ বিবৰ্ণ হ'ল, আৰু লগে লগেই তেওঁৰ প্ৰাণপখী অজান দেশলৈ উৰা মাৰিলে।

চাকৰণী জোৱালীজনীয়ে ঠিকেই ঠাৱৰ কৰিছিল। কেঁচুৱাটিৰ, অৰ্থাৎ হেয়াৰটনৰ, দায়িত্ব মোৰ গাতে পৰিল। ল'ৰাটোৰ স্বাস্থ্য পাতি ভালে থকা দেখিলে আৰু কন্দাকটা কৰা নুশুনিলে মিঃ আৰ্ণশ্বই তাৰ খা-খবৰ তেনেকৈ নলৈছিল। কিন্তু নিজৰ আচৰণত মানুহজন বৰ বেপৰোৱা আৰু উগ্ৰ স্বভাৱৰ হৈ পৰিল। তেওঁৰ শোকৰ প্ৰকৃতি আছিল অদ্ভুত ঃ বাহিৰত মানুহক দেখুৱাই কন্দাকটা নকৰে বা গীৰ্জালৈ গৈ প্ৰাৰ্থনাও নকৰে— পিচে ভগৱান আৰু মানুহ কাকো তেওঁ নমনা হ'ল। ভগৱানকো শাও দিয়ে, মানুহকো। লগে লগে মানুহটোৱে এক অসংযমী জীৱনো যাপন কৰিবলৈ আৰম্ভ কৰি দিলে।

চাকৰনাকৰবোৰে আৰ্ণশ্বৰ অত্যাচাৰী আৰু উন্মত্ত আচৰণ বেছি দিন সহ্য কৰিব নোৱাৰিলে। এটা এটাকৈ প্ৰায়বোৰ আঁতৰি গ'ল। থকাৰ ভিতৰত মাত্ৰ জোজেফ আৰু মইহে ৰ'লোঁ। তেওঁক এৰি যাবলৈ মোৰ মত নগ'ল। আৰু এটা কথা নহয়, আপুনি জানিবই পায়, মই হ'লোঁ তেওঁৰ তোলনীয়া বায়েক। গতিকে তেওঁৰ আচৰণ মই সহজে ক্ষমা কৰি দিব পাৰিছিলোঁ। একেবাৰে অসম্বন্ধৰ এজনে হয়তো কথাবোৰ তেনেভাৱে লব নোৱাৰিলেহেঁতেন।

জোজেফো ৰৈ গ'ল। আধিখন্দুৱা খেতি আৰু পথাৰ সমান কৰা লগুৱাবোৰৰ ওপৰত চৰ্দাৰী কৰাটো হ'ল তাৰ কাম। দুষ্ট দগাবাজক শাসন কৰাটো তাৰ বাবে এক প্ৰকাৰ বৃত্তিৰ দৰেই আছিল। সি ৰৈ যোৱাৰ সেইটোও হ'ল এটা কাৰণ।

গৰাকীৰ অসৎ আচৰণ, কাৰ্য, আৰু অবাঞ্ছিত লগভাগবোৰ কেথেৰিন আৰু হিথক্লিফৰ বাবে এক আদৰ্শৰ দৰে হ'ল। হিথক্লিফৰ প্ৰতি যেনেহে ৰূঢ় আচৰণ তেওঁ কৰিবলৈ ল'লে যে তেনেকুৱা পৰিস্থিতিত দেৱতাও দানৱৰ শাৰীলৈ অধঃপতিত হ'বলৈ বাধ্য। আৰু সঁচা কথা ক'বলৈ গ'লে, ল'ৰাটোৰ গাত তেতিয়া নৃশংস কিবা এটা লম্ভিছিল যেন অনুমান হৈছিল। হিণ্ডলেই দিনক দিনে নিজকে অসংযমী আচৰণৰ দ্বাৰা সংশোধনৰ বাহিৰলৈ নিয়া দেখি তাৰ উল্লাসৰ যেন অন্ত নপৰিছিল; দিনক দিনে তাৰ আচৰণৰ উগ্ৰতা, আৰু গোমোঠালি অধিক প্ৰকট হৈ পৰিছিল।



ঘৰখনৰ অৱস্থা কি যে হৈছিল মই বুজাবলৈ অপাৰগ। ঘৰ নহয় যেনিবা নৰকহে হৈছিল। স্থানীয় পাদুৰীজনে আহিবলৈ এৰিলে। কোনো ভাল মানুহ আমাৰ ঘৰলৈ নহা হ'ল। একমাত্ৰ ব্যতিক্ৰম হ'ল এড্গাৰ লিণ্টন—তেওঁ কেথি আহিদেউৰ ওচৰলৈ মাজে সময়ে আহে। পোন্ধৰ বছৰ বয়সতে কেথি অঞ্চলটোৰ ৰাজকুমাৰী যেন হৈছিল। তেওঁৰ সমান ধুনীয়া কোনো নাছিল। কিন্তু তেওঁ বৰ উদ্ধত আৰু আকোৰগোজ স্বভাৱৰ হৈ পৰিছিল। তেওঁৰ শৈশৱ পাৰ হোৱাৰ পিচত, তেওঁক মই ভাল পাব পৰা নাছিলোঁ। তেওঁৰ গৰ্বভাৱটো শাম কটাবলৈ কৈ কৈ তেওঁক মই বিৰক্ত কৰিবলৈকো এৰা নাছিলোঁ। তেওঁ পিচে মোক তাৰ বাবে বেয়া পোৱা নাছিল। পুৰণা সম্পৰ্কবোৰৰ প্ৰতি তেওঁৰ আচৰিত অনুৰাগ আছিল। আনকি হিথক্লিফৰ প্ৰতিও তেওঁৰ মৰমৰ কোনো হীনদেড়ি হোৱা নাছিল। কিন্তু ডেকা ল'ৰা লিণ্টনে তেওঁৰ উচ্চতৰ পদমৰ্যদা সত্ত্বেও তেওঁৰ মনত সিমান গভীৰলৈকে ৰেখাপাত কৰিব পৰা নাছিল।

জুহালৰ দাঁতিৰ বেৰলৈ চাওক—সৌ যে ছবিখন দেখিছে, সেইখনেই মোৰ আগৰ গৰাকীৰ ছবি। তেওঁৰ আৰু তেওঁৰ পৰিবাৰৰ ছবি দুখন দুকাষে ওলোমাই ৰখা হৈছিল। কিন্তু আহিদেউৰ ছবিখন দূৰৈত থোৱা হৈছে। নহ'লে তেওঁ কেনে আছিল সেই বিষয়ে আপুনি কিবা আভাস পালেহেঁতেন। ছবিখন আপুনি ইয়াৰ পৰা ভালকৈ মনিব পাৰিছেনে বাৰু?''

শ্ৰীমতী ডীনে মমডাল দাঙি ধৰিলত মোৰ চকুত পৰিল কোমল আঁহ পাহৰ মুখ এখন। 'ৱাদাৰিং হাইট্চ্'ৰ যুৱতী গৰাকীৰ লগত সেইখন মুখৰ আচৰিত মিল। কিন্তু ফুটি উঠা ভাবটো যেন অধিক বিষণ্ণ কিন্তু অধিক মনোৰম আৰু সৌহাৰ্দপূৰ্ণ। এখন সুন্দৰ ছবি। পাতল ৰঙৰ দীঘল চুলিকোচা কেঁকোৰা ভাঁজ লৈ বাহুৰ ওপৰত পৰি আছিল। চকুহাল আছিল ডাঙৰ আৰু তাত ফুটি উঠিছিল এটা দৃঢ়তাৰ ভাব। সমগ্ৰ ছবিখনেই আছিল এক স্বাভাৱিক সৌষ্ঠৱৰ প্ৰতিমূৰ্তি যেন।

'বৰ সুন্দৰ ছবি', মই ক'লোঁ। 'যাৰ ছবি তেওঁৰ চেহেৰাৰ লগত মিলে নে?'

'খুব মিলে। পিচে আনন্দত থাকিলে তেওঁক ইয়াতকৈ বেচি ধুনীয়া দেখাইছিল।'

লিণ্টন পৰিয়ালৰ লগত পাঁচ সপ্তাহ একেৰাহে থকাৰ পৰাই কেথেৰিনে তেওঁলোকৰ লগত ঘনিষ্ঠতা ৰক্ষা কৰি চলিছিল। তেওঁলোকৰ লগত থাকোঁতে কেথিয়ে নিজৰ স্বভাৱৰ বিষম ফালটো প্ৰকট নকৰিছিল আৰু কৰাৰ প্ৰয়োজনো নহৈছিল। পৰিয়ালটোৱেও তেওঁক ইমান আদৰ সাদৰ কৰিছিল যে তেওঁলোকৰ প্ৰতি ৰূঢ় আচৰণ কৰাৰ কথা ভাবিলেই তেওঁ লজ্জিত হৈ পৰিছিল। ফলত নিজৰ চতুৰ সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰেৰে পৰিয়ালৰ মুৰব্বী বৃদ্ধ আৰু বৃদ্ধা গৰাকীক তেওঁৰ নিজৰ অজ্ঞাতেই গভীৰভাৱে প্ৰভাৱিত কৰিছিল। কেথিয়ে ইজাবেলাৰ প্ৰশংসা আৰু তাইৰ ককায়েকৰ মনপ্ৰাণ আদায় কৰিবলৈকো সমৰ্থ হৈছিল। তাইৰ আকাংক্ষা আৰু অভিলাষ আছিল বৰ উচ্চ; পৰিয়ালটোৰ ওপৰত নিজৰ প্ৰতি এটা ভাল ধাৰণা জন্মাব পাৰি তাই বৰ গৰ্ববোধ কৰিছিল। ইয়াৰ ফলতেই তাইৰ এক দুতলীয়া চৰিত্ৰই গঢ়

লৈছিল। কিন্তু কাকো প্ৰতাৰণা কৰাৰ অভিপ্ৰায় তাইৰ নাছিল। লিন্টন পৰিয়ালত হিথক্লিফৰ প্ৰতি অতি বেয়া ধাৰণা আছিল। হিথক্লিফক সেই পৰিয়ালৰ লোকে 'অসভ্য গুণ্ডা', 'পশুতকৈয়ো অধম' আদি আখ্যা দিছিল। নিজেও যাতে তদনুৰূপ আখ্যা পাব লগা নহয় সেই বিষয়ে কেথেৰিন সচেতন আছিল। কিন্তু নিজৰ ঘৰত বিনম্ৰ আচৰণ কৰাৰ কথা তেওঁ যেন ভাবিবই নোৱাৰিছিল। ঘৰত তেওঁৰ প্ৰকৃতি আছিল অবাধ্য আৰু উদ্ধত।

দেখাদেখিকৈ 'ৱাদাৰিং হাইট্চ'লৈ যোৱাৰ সাহস মিঃ এড্গাৰৰ নাছিল। আৰ্ণশ্বৰ কীৰ্তিকলাপ শুনি সি ভয় খাইছিল, আৰু তেওঁৰ পৰা আঁতৰি ফুৰিবলৈ বিচাৰিছিল। তথাপিতো যেতিয়াই আহে তেতিয়াই তাক আমি পৰম সৌজন্য সহকাৰেই ওলগ জনাইছিলোঁ। সি কিয় আহে বুজি পাই, গৃহস্থই তাক অপমান কৰাৰ পৰা বিৰত থাকিছিল, আৰু তেনেদৰে বিৰত থাকিব নোৱাৰিলে, একেবাৰে আঁতৰি দিছিল। মোৰ ধাৰণা যে তাত তাৰ উপস্থিতি কেথেৰিনৰ মনঃপুত নাছিল। তাই চালাক নাছিল, বঢ়কী স্বভাৱৰো নাছিল। তাইৰ দুই বন্ধু লগালগি হোৱাত তাইৰ আপত্তি আছিল। কাৰণ হিথক্লিফে লিন্টনৰ বিৰুদ্ধে তাৰ উপস্থিতিতে বিযোদগাৰ কৰিলে, তাইৰ বাবে চুপ কৰি থাকিবলৈ টান হৈছিল; কিন্তু তাৰ অনুপস্থিতিত নহৈছিল। তেতিয়া তাই হিথক্লিফৰ কথাতে হয়ভৰ দিছিল। আকৌ লিন্টনে হিথক্লিফৰ বিৰুদ্ধে ঘৃণা আৰু শত্ৰুতা প্ৰকাশ কৰিলে তাৰ প্ৰতিবাদ কৰাৰ সাহো তাইৰ নাছিল। যেন তাইৰ খেলাৰ লগৰীয়াক কোনোবাই নিন্দা কৰিলে তাৰ প্ৰতিবাদ কৰাটো তাইৰ কাৰ্য নহয়।

কেথেৰিনৰ এনেধৰণৰ দোধোৰ্‌মোৰ্ অৱস্থা আৰু অসংখ্য অসুবিধাৰ পৰিস্থিতি লক্ষ্য কৰি মোৰ অনেকবাৰ পেটে পেটে হাঁহি নুঠাকৈ থকা নাই। তাৰো পিচে এইবোৰ কথা মোৰ ঠাট্টা মস্কৰাৰ পৰা আঁৰ কৰি ৰাখিবলৈ যত্ন নকৰাকৈ থকা নাছিলে। তাইৰ প্ৰতি মোৰ এনে ভাবচিন্তা সৎপ্ৰবৃত্তিৰ পৰিচায়ক নহয়, কিন্তু তাইৰ অহংকাৰ ইমান বাঢ়ি গৈছিল যে তাইৰ প্ৰতি পুতৌ বা অনুকম্পা দেখুৱাটো প্ৰায় অসম্ভৱ কথা যেন হৈছিল। নিজৰ অহংকাৰী স্বভাৱটো এৰি নম্ৰ হ'বলৈ শিকক—এয়ে আছিল তাইৰ প্ৰতি মোৰ আচৰণৰ উদ্দেশ্য।

শেহাতৰত তাই মোক বিশ্বাসত লৈ, অকপটে পেটৰ কথা খুলি কোৱা হ'ল। দিহা পৰামৰ্শ ল'বলৈ বুলি গুচৰ চাপিবলৈ মোৰ বাহিৰে তাইৰ বাবে আন দ্বিতীয় প্ৰাণী নাছিল।

এদিনা আবেলি মিঃ হিণ্ডলে ঘৰত নাছিল। সেই সুযোগতে হিথক্লিফে সকলো কামৰ পৰা নিজকে অব্যাহতি দিলে। সেই সময়ত মই ভবামতে তাৰ বয়স ষোলমান হৈছিল। গঢ়ে পিতে সি আপচু নাছিল, বুদ্ধি বৃত্তিতো পিচ পৰা নাছিল। তথাপিতো, কোনোবাকৈ, তাৰ চেহেৰা দেখিলেই তাৰ প্ৰতি মানুহৰ এটা বিৰূপ ভাব হৈছিল, তাৰ অন্তঃপ্ৰকৃতি সম্বন্ধেও মনত সন্দেহ জন্মিছিল। পিচে তাৰ এতিয়াৰ চেহেৰাৰ লগত তেতিয়াৰ সেই চেহেৰাৰ কোনো মিলেই নাই। প্ৰথম কথা হ'ল, আগ বয়সতে পোৱা



শিক্ষাৰ সুফল তেতিয়ালৈ তাৰ গাত নাথাকিল। অবিৰত কঠোৰ শ্ৰম কৰিব লগা হোৱা বাবে, তাৰ মনত জ্ঞানান্বেষণৰ প্ৰতি একালত থকা স্পৃহা তল পৰিছিল। শাৰীৰিক শ্ৰম আৰম্ভ হৈছিল নিচেই সোনকালে, আৰু শেষ হৈছিল দিনটোৰ শেহলৈ, বহুত পলমকৈ। এনেকুৱা পৰিস্থিতিত কিতাপৰ প্ৰতি বা বিদ্যা শিক্ষাৰ প্ৰতি ধাউতি কাৰো নাথাকে। হিথক্লিফৰো সেয়ে হ'ল। সৰু কালতে, বৃদ্ধ আৰ্ণশ্বৰ মৰম আৰু প্ৰশ্ৰয় পাই সি নিজকে আনতকৈ ওপৰৰ বুলি ভাবিবলৈ লৈছিল। সেই গৰ্ববোধো এতিয়া ক্ৰমাৎ নাইকিয়া হৈ গ'ল। পঢ়াশুনাত কেথেৰিনৰ সমানে যাবলৈ বেচেৰাই আপ্ৰাণ চেষ্টা কৰিছিল, কিন্তু পৰা নাছিল। তাৰ বাবে তাৰ মনত দুঃখ হৈছিল, কিন্তু তাক বাহিৰত দেখুওৱা নাছিল। গতিকে পঢ়াশুনা সি একেবাৰে বাদেই দিলে। বহুতো বুজাই মেলিও তাক পঢ়াশুনাত পুনৰ লগাব পৰা নগ'ল। কাৰণ দুনাই আৰম্ভ কৰিলেও আগৰ সমানলৈ উঠিব নোৱাৰিব বুলি সি ভালদৰে বুজি পাইছিল। এনেয়ে পঢ়াশুনাত পিচ পৰা, তাতে দেখাশুনাতো সি হ'ল আপচু। সাতে সোতৰে লগলাগি তাৰ চলন ফিৰণ, আচৰণ, অস্বাভাবিক হৈ পৰিল। সি তলমূৰকৈ খোজ কাঢ়িবলৈ ল'লে—তাৰ খোজকাঢ়ন দেখিলে কাৰো তাৰ প্ৰতি মনত এটা সমাদৰৰ ভাব নোপজে। দা-সম্ভৱৰোৰ হ'বলৈ ধৰিলে সামাজিকভাবে অশোভনীয়। মানুহৰ লগত হলিগলি নকৰে, কথা বতৰা প্ৰায় নকয়েই, গোমোঠা মাৰি থাকে। তাৰ চা-চিনাকি লোকৰ সংখ্যাও আছিল অতি সীমিত। মুষ্টিমেয় যি কেইজন আছিল তেওঁলোকৰ মনতো তাৰ প্ৰতি অনুৰাগতকৈ বিৰাগৰ ভাবহে সি সৃষ্টি কৰিছিল। তাকে কৰিয়েই যেন সি আনন্দ পাইছিল। কিন্তু কামৰ পৰা আজৰিৰ সময়খিনিত কেথেৰিনৰ লগত তাৰ এৰা এৰি নহৈছিল। পিচে তাইৰ প্ৰতি থকা তাৰ অনুৰাগৰ ভাব সি কথাৰে প্ৰকাশ নকৰা হ'ল। তাইৰ কিশোৰী সুলভ আদৰ চেনেহকো সি খং আৰু ঈৰ্ষাৰে চোৱা হ'ল। যেন তাৰ প্ৰতি স্নেহৰ তেনে আতিশয্যৰ কোনো যুক্তি থাকিব নোৱাৰে বুলি সি বুজিহে পাইছিল। এইমাত্ৰ আপোনাক কোৱা আবেলি বেলাটোৰ কথা। মই কেথি আহিদেউক সাজপাৰবোৰ পৰিপাটিকৈ পিন্ধাত সহায় কৰি দিছোঁ। তেনেতে সি ভিতৰলৈ সোমাই আহি ক'লেহি যে সেইদিনালৈ আৰু তাৰ কাম কৰাৰ ইচ্ছা নাই। কেথিয়ে কিবা প্ৰকাৰে এড্গাৰক ককায়েক ঘৰত নথকাৰ খবৰটো দিছিল, কিন্তু তাই ভৰা নাছিল যে হিথক্লিফ কামবন নেওচি গুচি আহিব। তাই ভাবিছিল যে ঘৰত তাই অকলে থাকিব, আৰু সেই ভাবিয়েই তাক সোধপোচ কৰিবলৈ তাই সাজু হৈছিল।

হিথক্লিফ সোমাই আহিয়েই সুধিলে, 'কেথি, এতিয়া তোৰ কিবা কামবন আছে নে কি? নে কৰবালৈ যাবলৈ ওলাইছ?'

'নাই ওলোৱা। ক'লৈনো যাম। বৰষুণেহি দি আছে।'

'তেন্তে সেই পোচাকী ফ্ৰকটো পিন্ধি আছ কিয়? কোনোবা অহাৰ কথা আছে বোধহয়।'

অলপ অপ্ৰস্তুত হৈ কেথিয়ে উত্তৰত ক'লে, 'জনাত তেনেকৈ কোনো আহিব লগা নাই। পিচে হিথক্লিফ, তইতো এতিয়া পথাৰতহে থাকিব লাগিছিল। দুপৰীয়াৰ সাজ

হিথক্লিফৰ লগত সেই তেতিয়াতে ঠেঁটামোজা লগাৰ পৰাই তাইৰ মনৰ উত্তেজনা শাম কটাই নাছিল।

'ইয়াৰ বাবে মই দুঃখিত, কেথেৰিন আইটি,''—মাত্ৰ ইয়াকে কৈ মই পুনৰ একান্তমনে কামত ধৰিলোঁ।

এড্‌গাৰৰ চকুত কথাটো নপৰিব বুলি ভাবি লৈ তাই মোৰ হাতৰ পৰা কাপোৰ টুকুৰা থাপ মাৰি লৈ দলিয়াই দিলে, আৰু মোৰ বাহুত খামোচ মাৰি ধৰি বৰ দুখ পোৱাকৈ মুচৰি দিলে। তাইৰ এই কাৰ্যত মোৰ প্ৰতি থকা তাইৰ ঘৃণা আৰু বিদ্বেষ প্ৰকট হৈ পৰিছিল।

কেথিক মই ভাল নাপাওঁ বুলি আগতে কৈছোঁৱেই। মাজে মাজে তাইৰ অহংকাৰ খৰ্ব কৰিবলৈ সুযোগ পালে মই ভাল পাইছিলোঁ। এতিয়া তাই মোক মুচৰি দিলত মই দুখ পাই, বহাৰ পৰা থপহকৈ উঠিলোঁ, আৰু চিঞৰি চিঞৰি ক'লোঁ,''কেথি আইদেউ, এইবোৰ ভাল কথা নহয়। মোক এইদৰে মুচৰি দিবলৈ তোমাৰ কোনো অধিকাৰ নাই। মই এইবোৰ কথা সহ্য কৰি নাথাকিম।'

''মিছলীয়া ক'ৰবাৰ। মই তোৰ গাত হাতেই দিয়া নাই।' এই বুলি কৈ তাই আকৌ মোক বাহু মুচৰি দিবলৈ উদ্যত হ'ল। তাইৰ কাণ দুখন তেতিয়া খঙত ৰঙা পৰিছিল। খং লুকুৱাই ৰাখিব তাই কোনো দিনেই নাজানিছিল। খং উঠিলে গোটেই মানুহজনী ৰঙা চিঙা পৰিছিল।

ময়ো সমানে ৰঙাচিঙা পৰি তাইক ভেকাহি মাৰি ক'লোঁ,'মোৰ গা চোৱাই নাই বুলি কৈছিলা যে, এয়া কি? এতিয়াতো বেচ হাতেলোটে ধৰা পৰিছা।'

খঙৰ ভমকত তাই ঠটা মাটিত গোবোহনি মাৰিলে, এক মিনিটমান সময় কি কৰিব নকৰিব যেন ভাবি ৰ'ল, আৰু পিচ মুহূৰ্তত খঙত ৰ'ব নোৱাৰি মোৰ গালত ঠাচ কৰে বেচকৈ এচৰ বহুৱাই দিলে। মোৰ দুচকুৰ পৰা ধাৰাসাৰে লোতক বৈ আহিল।

''কেথেৰিন, সোণজনী, কেথেৰিন, নাপায় বুলিছোঁ নহয়। ইচ্‌। ইচ্‌। তুমি কি কাম কৰিলা।'' লিণ্টনে মৃদু প্ৰতিবাদৰ সুৰত ক'লে। তাৰ প্ৰেমৰ পাত্ৰীৰ মিছলীয়া চৰিত্ৰ আৰু উগ্ৰ প্ৰকৃতি দেখি সি এক প্ৰকাৰ স্তম্ভিত হৈ পৰিছিল।

খঙত কঁপি জপি কেথেৰিনে আকৌ মোলৈ চাই হুংকাৰ চাৰিলে,'এলেন, তোক ইয়াৰ পৰা বাহিৰ ওলাই যা বুলিছোঁ নহয়।'

কণমানি হেয়াৰটনে মোৰ লগ নেৰে। পাচে পাচে ফুৰে। সেইদিনাৰ সেই উখনা উখনিৰ সময়তো সি মোৰ ওচৰতে মজিয়াত বহি আছিল। মোৰ চকুত পানী দেখি সিও কান্দি দিলে, আৰু উচুপি উচুপি 'দুষ্ট কেথি পেহী'ৰ বিৰুদ্ধে অনেক অভিযোগ প্ৰকাশ কৰিলে। ফলত পেহীয়েকৰ খঙৰ জাউৰি তাৰ ওপৰতো পৰিল। তাই সেই কণমানি প্ৰাণীটোক দুবাহুত ধৰি লৈ এনেদৰে ঘটালিবলৈ ধৰিলে যে বেচেৰাৰ মুখ বিবৰ্ণ হৈ নীলা পৰিল। এড্‌গাৰে তাইৰ হাত দুখন ল'ৰাটোৰ গাৰ পৰা এৰুৱাই



আনিলে। ল'ৰাটোৱে মুক্তি পালে, কিন্তু এড্‌গাৰে অনুভৱ কৰিলে যে কাৰোবাৰ হাতে তাৰ কাণ মুচৰিছে। সি ঘূৰি চাই দেখিলে যে হাতখন কেথিৰ, আৰু সেই হাত তাই তামচা কৰি তাৰ কাণত লগোৱা নাই।

খং আৰু অপমানত হতভম্ব হৈ সি দুখোজ পিচুৱাই গ'ল। মই হেয়াৰটনক কোচত তুলি লৈ পাকঘৰলৈ খোজ ল'লোঁ। কিন্তু পাকঘৰৰ দুৱাৰখন মই খোলা ৰাখিলোঁ, যাতে সিহঁত দুটাৰ কাজিয়াই নো কি ৰূপ লয় মই দেখা পাওঁ।

লাঞ্ছিত লিণ্টনে আগবাঢ়ি গৈ থুলি থোৱা হেটটো হাতত ল'লে। খঙত তাৰ মুখ শেতা পৰিছিল, আৰু ওঁঠ দুটা কঁপিছিল।

মই স্বগতোক্তি কৰি ক'লোঁ,''বেচ হৈছে, সময় থাকোঁতেই সেই গৰাকীৰ মন মেজাজৰ আচল ৰূপটো বুজি ল।''

দুৱাৰৰ পিনে আগবাঢ়ি গৈ কেথেৰিনে লিণ্টনক সুধিলে,'ক'লৈ যাবলৈ ওলাইছা?'

সি তাইৰ কথাষাৰৰ উত্তৰ নিদি এনাঁতিয়েদি পাৰ হৈ যাবলৈ বিচাৰিলে।

''তুমি যাব নোৱাৰা'', তাই জোৰেৰে ক'লে।

''মই যাবই লাগিব। যামেই'', সি সৰুকৈ উত্তৰ দিলে।

''নহ'ব'', তাই আকৌ ক'লে, আৰু লগে লগে দুৱাৰৰ হেণ্ডেলত হাত দিলে। 'এতিয়াই তুমি যাব নোৱাৰা, এড্‌গাৰ লিণ্টন। অলপ বহা। মোক এইটো মানসিক অৱস্থাত এৰি থৈ নাযাবা। গোটেই নিশা মই অশান্তিত ভুগিব লাগিব। আৰু তোমাৰ কাৰণে কষ্ট পাবলৈ মই প্ৰস্তুত নহয়।'

'তুমি মোক যি ব্যৱহাৰ কৰিলা, তাৰ পিচত আৰু মই থকাটো সম্ভৱ নে?' সি সুধিলে।

কেথেৰিন নিমাতে ৰ'ল।

লিণ্টনে কৈ গ'ল,'তোমাৰ ব্যৱহাৰ আৰু আচৰণ দেখি মই শংকিত আৰু লজ্জিত হৈছোঁ। ইয়ালৈ আৰু মই কদাপি নাহোঁ।'

তাৰ কথা শুনি তাইৰ চকু চলচলীয়া হ'ল, আৰু পতা যেন কঁপি উঠিল।

'তদুপৰি তুমি কওঁ বুলিয়েই মিছা কথা কৈছা।'

কান্দি কান্দি তাই ক'লে,'মই কোৱা নাছিলোঁ। ইচ্ছাকৃতভাৱে মই একো কৰা নাছিলোঁ। ঠিক আছে, যাব খুজিছা যদি যোৱা। আঁতৰ হোৱা। মই এইবাৰ কান্দিম। কান্দি কান্দি নিজকে বেমাৰী কৰি পেলাম।'

এই বুলি কৈ তাই চকী এখনৰ ওপৰত আঁঠুকাঢ়ি বহি লৈ সঁচাসচিকৈ ৰাউচি জুৰি কান্দিবলৈ লাগি গ'ল।

এড্‌গাৰ যাওঁ বুলি ওলাল যে ওলাই গ'লেই, পিচে পদূলিমুখ পৰ্যন্তহে গ'ল। তাতে সি থমকি ৰ'ল। মই ভাবিলোঁ তাক উচটনি দিয়া ভাল হ'ব। এই বুলি ভাবি তাক

মই ক'লোঁ, 'মহাশয়, এই ছোৱালীজনী বৰ উদ্ধত স্বভাৱৰ। বেচিকৈ লাই পাই পাই বেয়া হোৱা ছোৱালী। আপুনি ঘৰলৈ ঘূৰি যোৱাই ভাল হ'ব। নহ'লে তাই কান্দি কান্দি নিজেও ভুগিব, আমাকো হায়ৰাণ কৰি মাৰিব।'

বেচেৰাৰ মনটো আছিল কোমল। সি খিৰিকিৰে কেনাহিঁকৈ ভিতৰলৈ চালে। তাইক তেনে অৱস্থাতে এৰি গুচি যাবৰ জোখাৰে মনৰ জোৰ তাৰ যে নাছিল তেনে নহয়, আছিল। পিচে কিমান বল? আধা মৰা নিগনি এটা বা আধা খোৱা চৰাই এটা এৰি যাবলৈ মেকুৰী এটাৰ মনৰ জোৰ যিমানকণ সিমানকণহে, তাতকৈ বেছি নহয়।

হায়! মই ভাবিলোঁ মনে মনে, ইয়াক আৰু বচোৱা নাযায়। ই ডুবিলে। আপোন ভাগ্যই ইয়াক টানিছে।

হয়ো, কাৰণ লিণ্টন হঠাতে উভতি খৰ খোজেৰে ভিতৰলৈ সোমাল, আৰু দুৱাৰখন ভিতৰৰ পৰা জপাই দিলে। অলপ পিছতে আৰ্ণ্চ ঘূৰি আহিল। নিচাত একেবাৰে টং হৈ আহিছে। উচ্চ বাচ্য কৰি গগণ বিদাৰিছে। বাগীত মতলীয়া হৈ থাকিলে তাৰ তেনে আচৰণ হয়েই। আৰ্ণ্চ ওভতাৰ খবৰ দিবলৈ বুলি ভিতৰলৈ সোমাই গৈ মই দেখিলোঁ যে কাজিয়াৰ পিচত সিহঁত হালৰ হলিগলি চলিলহে—সমস্ত ভয় শংকা পৰিহৰি, বন্ধুত্বৰ ভাব দলিয়াই পেলাই, প্ৰেমিক যুগলৰ ৰূপত সিহঁত মতলীয়া হৈ পৰিছে।

হিণ্ডলে ঘূৰি অহাৰ খবৰ পাই লিণ্টনে নবালনিকৈ খোঁৱাত উঠি চেকুৰ দিলে; কেথেৰিন তাইৰ কোঠাত সোমাল। মই নবালনিকৈ কণমানি হেয়াৰটনক আৰ্ণ্চৰ চকুত নপৰাকৈ লুকুৱাই ৰাখিলোঁ, আৰু তেওঁৰ চৰাই চিকাৰ কৰা বন্দুকটোৰ গুলী কেইটা উলিয়াই ৰাখিলোঁ, কাৰণ মদৰ ৰাগীত থাকিলে সেই বন্দুকটো লিবিকি বিদাৰি থকাটো তেওঁৰ অভ্যাস। ওচৰত থকা লোকৰ বাবে সেইটো হয় বিপজ্জনক পৰিস্থিতি। সেই সময়ত তেওঁক কোনোবাই কিবা ক'লেও জলাৰ, একেথৰে তেওঁলৈ সন্নৰপৰ চাই থাকিলেও জলাৰ। গুলী কেইটা উলিয়াই থলেই পৰিস্থিতি আয়ত্তৰ ভিতৰত থাকিব বুলি ভাবি মই তাকে কৰিলোঁ। এতিয়া তেওঁ বন্দুকৰ ঘোঁৰা টিপিলেও আৰু গুলী ফুটাৰ ভয় নাই।

# (৯)

অশ্ৰাব্য গালি গালাজ আৰু শাওশপনিৰে চৌদিশ মুখৰিত কৰি আৰ্ণ্চ ভিতৰলৈ সোমাই আহিল। আহিয়েই, কণমানি হেয়াৰটনক মই পাকঘৰৰ বেৰৰ থাকত বহুৱাই থোৱা সি দেখিবলৈ পালে। আৰ্ণ্চৰ আচৰণৰ আতিশয্যত বেচেৰা হেয়াৰটন ভয়ত পেপুৱা লাগে। আৰ্ণ্চই পুতেকৰ প্ৰতি দেখুৱায় হয় বন্য জন্তুৰ উন্মত্ত প্ৰীতি, নহয় উন্মাদৰ উন্মত্ততা। মৰম কৰিবলৈ ল'লে সি পুতেকক জোৰেৰে সাৱটি মাৰি ধৰি চুমা খাই উশাহ নোপোৱা কৰি মৃতপ্ৰায় কৰে। খং উঠিলে হয় পুতেকক জুইলৈ দলিয়াই দিব খোজে, নহয় বেৰত আচাৰি তাৰ মূৰটো গুড়ি কৰিব যেন কৰে। ফলত বাপেকলৈ তাৰ ইমান ভয় যে তেওঁৰ চকুৰ আঁতৰ কৰিবলৈ মই তাক য'তে বহুৱাই থওঁ, তাতেই সি চুপচাপ বহি থাকে।

'লেয়া, আজি দেখিলোঁহে', এই বুলি কৈয়ে হিণ্ডলেই মোক পিচফালৰ পৰা গলধনৰ চালত ধৰি আঁতৰাই নিলে—মানুহে কুকুৰকহে সেইদৰে চাল ছটাত ধৰি দাঙি নিয়ে। 'হায় স্বৰ্গ! হায় নৰক! মোৰ ল'ৰাটো তই মাৰিলিহেঁতেন এতিয়া। মোৰ চকুৰ আঁৰ কৰি যে তাক সদায় ৰাখ, এতিয়াহে কাৰণটো বুজিলোঁ। তই কিন্তু বেচ বুজিবি, নেলী, চয়তানৰ কৃপাত, মই তোৰ মুখত মাংস কটা চুৰীখন ভৰাই দিম। হাঁহিব নালাগে, মই এইমাত্ৰ কেনেথক তললৈ মূৰ কৰি ব্লেকহৰ্চ পিটনিত পুতি থৈ আহিছোঁ। আৰু এটা মৰা আৰু দুটা মৰাৰ ভিতৰত প্ৰভেদ বা ক'ত? তহঁতৰ কোনোবা এটাক মই মাৰিব লাগিব, নহ'লে মোৰ শান্তি নহ'ব।'

'কিন্তু মাংস কটা কটাৰী গিলিবলৈ মোৰ কোনো আগ্ৰহ নাই, মিঃ হিণ্ডলে', মই উত্তৰ দিলোঁ। ''কটাৰীখনেৰে হেৰিং মাছহে কটা হয় বেছিকৈ। আপুনি যদি বেয়া নাপায় মোক গুলী কৰিয়েই মাৰক।'' মই [illegible]

''গুলী কৰি মাৰিব লাগে? তই জাহান্নামে যাবি। ঘৰখন [illegible] যেন কৰি ৰখাত মানুহক বাধা দিয়ে এনে আইন ক'ত আছে? মোৰ এইখন ঘৰ নহয়, বাঁহতল। মেল, মুখ মেল।''

এইবুলি কৈ চুৰীখন হাতত লৈ তাৰ জোঙা আগটো মোৰ দুপাৰী দাঁতৰ মাজত সি লগাই দিলে। মই পিচে তাৰ এই তামচাবোৰলৈ কেতিয়াও পৰোৱা কৰা নাছিলোঁ। মই থু থু কৰি দিলোঁ, সি চুৰীখন উলিয়াই নিলে। মই কলো যে চুৰীৰ সোৱাদটো ভাল নহয়, কোনোপধ্যেই আৰু তাক মই মুখত নিদিওঁ।

মোক এৰি দি সি ক'লে, "এ, মই এতিয়াহে বুজিছোঁ, সেই বাচ্চাটো হেয়াৰটন নহয়। তই বোৱা নাপাবি নেলী। যদি হয়, তেন্তে সি মোক দেখি মোৰ ওচৰলৈ আগবাঢ়ি অহা নাই কিয়? সেইটো লোৱৰ বাবেই তাক জীয়াই জীয়াই কাটি টুকুৰা টুকুৰ কৰিব লাগে। আৰু মোক দেখা মাত্ৰকে যিহে তাৰ দেদাউৰি। যেন ভূত পিশাচ হে দেখিলে। এই জহৰা পোৱালি, এইফালে আহ। দৰদী অন্তৰৰ বাপেক এটাৰ ওচৰ কেনেকৈ চাপিব লাগে মই তোক শিকাম। দৰদী অন্তৰৰ ঠিকেই, পিচে প্ৰবঞ্চিত। এই নেলী, এই বাচ্চাটোৰ চুলিবোৰ চুটিকৈ কাটি দিলে তাক দেখাত বেচি ভাল নালাগিবনে বাৰু? নেজ কাটি দিলে কুকুৰক বেছি হিংস্ৰ যেন দেখায়। আৰু হিংস্ৰ প্ৰকৃতি মই বেচ ভাল পাওঁ। কেচি এখন আনচোন। পৰিপাটিকৈ অথচ চুটিকৈ কাটি দিয়া যাওঁক। আৰু আমাৰ কাণবোৰ ৰখাটোও ভাল কথা নহয়, বুজিছ। কাণবোৰ নাথাকিলে আমি একেবাৰে গাধা হৈ পৰিম। এ,এ, আমাৰ মইনা নে কোন। মইনাটি শুৱ এ। নাকান্দিবি, নাকান্দিবি, মোৰ বাছাটো, চুমা এটা দে মোক। দেচোন চুমা এটা। খা মোক চুমা এটা। নাখাব চুমা? হেয়াৰটন? ব, তই পোৱালিৰ নেলু মই মূচৰি ভাঙিহে এৰিম। কি বুলি ভাবিছ তই মোক?"

বেচেৰা হেয়াৰটনে বাপেকৰ দুবাহুৰ মাজত চেপা খাই, ভৰি হাত আচাৰি, ছাটিফুটি কৰি চিঞৰত গগণ ফালিব লাগিছে। বাপেকো নাচোৰবান্দা। এৰি নিদিয়ে। তেওঁ তাক ওপৰ মহললৈ তুলি লৈ গ'ল আৰু খটখটিৰ সীতিত দিয়া দীঘল কাঠৰ ওপৰত বহৱাই দিলে। ভয়ত তাৰ কান্দোন দুগুণে চৰিল। ল'ৰাটো ভয়ত মূচকচ যাব বুলি মই চিঞৰি চিঞৰি তেওঁক তলৰ পৰা সাৱধান কৰি দিলোঁ, আৰু বেচেৰাক বাপেকৰ হাতৰ পৰা একবাই আনিবলৈ বুলি ওপৰ মহলালৈ বগাবলৈ ললোঁ।

মই বাপেক পুতেকৰ ওচৰ পাইছোঁহে, এনেতে হিণ্ডলেই কিবা এটা শব্দ শুনি আগলৈ মূৰটো হলাই তললৈ চালে। হাতত যে সৰু ল'ৰাটো লৈ আছে সেইকথা তেওঁ পাহৰিলেই।

খটখটিৰ মূৰত কাৰোবাৰ খোজৰ শব্দ শুনি হিণ্ডলেই মোক সুধিলে, 'সেইটো কোন আহিছে?'

খোজৰ শব্দৰ পৰাই সেইটো হিথক্লিফ হ'ব লাগিব বুলি মই জানিছিলোঁ। গতিকে আৰু আগুৱাই নাহিবলৈ বুলি তাক সংকেত দিবলৈ ময়ো তললৈ হাউলিছিলোঁ। ঠিক সেই মুহূৰ্ত্তে হেয়াৰটন বাপেকৰ অসতৰ্ক হাতৰ পৰা ছিটিকি তললৈ পৰিল।

ভয়াৰ্ত চীৎকাৰ কৰিবলৈকো আমি সময়কে নাপালোঁ; দেখা পালো যে হতভাগ্য শিশুটি নিৰাপদে ৰ'ল। সি ছিটিকি পৰাৰ সেই সংকটজনক মুহূৰ্ত্তে হিথক্লিফ গৈ তলত হাজিৰ হৈছিল গৈ আৰু কিবা স্বাভাৱিক প্ৰতিক্ৰিয়া স্বৰূপেই বোধহয় ওপৰলৈ হাত মেলি হেয়াৰটনক সি খপজাৰি ধৰিলে। সি মাটিত পৰিবলৈ নাপালে। ল'ৰাটোক খুজিছিল তাকে নিৰ্ণয় কৰিবলৈ সি ওপৰলৈ চালে। গাৰ বাৰতে থিয় কৰাই লৈ, কাৰ দোষতনো এনে এটা সম্ভাব্য ঘটনাৰ সৃষ্টি হ'ব



ওপৰত আৰ্ণশ্বিক দেখা পাই হিথক্লিফৰ যিহে বিমৰ্ষ চেহেৰা হ'ল। কোনো কৃপণ লোকে লটাৰীৰ টিকট এটা পাঁচ চিলিঙত বেচি দি যদি পিচদিনা জানিব পাৰে যে সেই টিকটটোৱে পাঁচহেজাৰ পাউণ্ড পুৰস্কাৰ জিকিছে, তেন্তে সেইজন লোকৰ মুখৰ চেহেৰা যি দৰে বিবৰ্ণ হ'ব, হিথক্লিফৰো তেনেকুৱাই হ'ল। সদায় বিচাৰি ফুৰা প্ৰতিশোধৰ সুযোগ এটা হেৰুৱাই সি একেবাৰে বিধ্বস্ত হৈ পৰিল। কথাৰে নালাগে, তাৰ চেহেৰাতে সেই ভাবটো ফুটি উঠিছিল। আন্ধাৰত হোৱাহলে, মই ডাঠি ক'ব পাৰোঁ, হেয়াৰটনৰ মূৰটো খটখটিত খুন্দিয়াই সি প্ৰতিশোধ ললেহেঁতেন, কিন্তু তেনে দুৰ্ভাগ্যজনক ঘটনা ৰ পৰিবৰ্ত্তে দেখিলোঁ যে সি এনে এটা মহান কাম কৰিলে যাৰ ফলত তাৰ যেন একপ্ৰকাৰ মোক্ষ লাভেই হ'ল। মই ততাতৈয়াকৈ তললৈ নামি গৈ বেচেৰা অসহায় হেয়াৰটনক মোৰ বুকুত সাৱটি ললোঁ।

হিণ্ডলে তললৈ নামি আহিল, কিন্তু ধীৰে ধীৰে। পৰিস্থিতিয়ে তাক কিছু শান্ত কৰিলে। সি লাজো পাইছিল।

তেওঁ মোকহে জগৰীয়া পাতিলে। "দোষটো তোৰগাতহে, এলেন। ল'ৰাটোক তই মোৰ চকুৰ আঁতৰ কৰি ৰাখিব লাগিছিল। মোৰ হাতৰপৰা তাক লৈ যাব লাগিছিল। তাৰ গাত ঘা লাগিছেনে কি?"

"ঘা লাগিছেনে কি সুধিবলৈ আহিছে।' খঙেৰে মই উত্তৰ দিলোঁ। 'নমৰিল কি হ'ল, যিটোহে ভয় খাইছে সি, ডাঙৰ হৈ সি গোটি গৰু হ'ব। তাৰ মগজু লৰি গৈছে। হায় বিধাতা! ল'ৰাটোক আপুনি কি ব্যৱহাৰ কৰিছে! মাকে কবৰৰ ভিতৰৰ পৰা নেদেখাকৈ আছেনে? আপুনি বৰ্বৰতকৈও অধম। নিজৰ গাৰ তেজ মঙহৰ লগত সম্বন্ধ থকা কাৰোবাক নো কোনোবাই এনে ব্যৱহাৰ কৰেনে?'

তেওঁ ল'ৰাটোক চুব খুজিলে, কিন্তু তেওঁক দেখিয়েই সি মোৰ গাত চেপাখাই ভয়ত আকৌ চেৰেঙ ফেৰেঙ কৈ কান্দিবলৈ ধৰিলে।

"আপুনি ল'ৰাটোৰ লগত নালাগিব," মই হিণ্ডলেক ক'লো। 'সি আপোনাক ভাল নাপায়। আচল কথা ক'বলৈ গ'লে, আপোনাক সবেই বেয়া পায়। আপোনাৰ এটা সুখী পৰিয়াল আছে, অথচ আপুনি তাৰ এই অৱস্থা কৰিছে।"

"এয়া কি দেখিছ, আৰু দেখিবি," হাঁহি হাঁহি বিপথগামী মানুহজনে ক'লে। তেওঁৰ কোমলা মনটো আকৌ টান হ'ল।

'সন্নহতে তয়ো আঁতৰি যা, আৰু এই বাচ্চাটোকো মোৰ পৰা আঁতৰাই ৰাখ। আৰু হিথক্লিফ, তয়ো শুন। তয়ো মোৰ দেখা শুনাৰ পৰা দূৰত থাকিবি........ তোক মই আজি নাতিয়েই মাৰি পেলাম বুলি কোৱা নাই। পিচে ঘৰত যদি জুই দি দিওঁ তেতিয়া হলে কথা বেলেগ। সেইটো অৱশ্যে মোৰ ওপৰতহে নিৰ্ভৰ কৰা কথা।'

এই বুলি কৈ কৈ তেওঁ বটলৰ পৰা এগিলাচ ব্ৰাণ্ডি গিলাচত ঢালিলে।

'নাই, নাই, তেনেবোৰ অপকৰ্ম নকৰিব। মিঃ হিণ্ডলে, আপোনাক মই সাৱধান

কৰি দিছোঁ । আপোনাৰ নিজৰ কথা বাৰু নাভাবে নালাগে, কিন্তু এই দুৰ্ভগীয়া ল'ৰাটোৰ কথা ভাবিব।'

'মোতকৈ আন যি কোনো লোকেই ভাববাবে ভালকৈ ভাবিব।'

তেওঁৰ হাতৰপৰা মদৰ গিলাচটো কাঢ়ি লৈ যাবলৈ ধৰি মই ক'লোঁ, 'নিজৰ আত্মাৰ শান্তিৰ কথা চিন্তা কৰক।'

'নকৰো, মই বৰং এই আত্মাটোক নৰকত হে নিৰ্বাসন দিম— ইয়াক সৃষ্টি কৰাজনৰ মজা মই তেতিয়া চাম।' "এয়া জাহান্নামৰ উদ্দেশ্য কৰি........" এই বুলি কৈ তেওঁ মদগিলাচ ঢোক ঢোক কৈ মুখত ঢালি দিলে।

মদৰ গিলাচটো থেকেচো মাৰি থৈ, অধৈৰ্য্য হৈ তেওঁ আমাক আঁতৰি যাবলৈ হুকুম দিলে। লগে লগে মুখত অশ্ৰাব্য গালি গালাজ আৰু ফুটানি ফুটিবলৈ ললে। সেইবোৰ মই মুখত আনিব নোৱাৰোঁ। আনকি এতিয়া মনত পৰিলেও ঘিণ লাগে।

দুৱাৰখন জপাই দি হিথক্লিফে মুখেৰে ভোৰভোৰাই ক'লে, "মদ গিলি গিলি মৰি থাকিলেও আপদ খণ্ডে, পিচে সিও নহয়। সি নিজে দেহাৰ ওপৰত তো বেচ অত্যাচাৰ কৰিছে, কিন্তু তাৰ শৰীৰ পোটোকাই নপৰে। মিঃ কেনেথে কৈছে নহয়, গিমাৰটন অঞ্চলৰ আন আটাইবোৰ মানুহতকৈ এই পাপীটো পিচতহে মৰিব। প্ৰথমে পাপত ডুবিব, পিচত নৰকত সুমুৱাব। নিজৰ কথা সঁচা বুলি প্ৰমাণ নহলে কেনেথে নিজৰ ঘৈণীজনীকে দি দিব। পিচে কিবা ইফাল সিফাল হ'লে কথা সুকীয়া।"

মই পাক ঘৰলৈ গলোঁ, আৰু নিচুকণি গীত গাই গাই অসহায় শিশুটিক শুৱাবলৈ লাগিলোঁ। হিথক্লিফ ভঁৰাল ঘৰৰ পিনে গ'ল বুলি ভাবিছিলোঁ, কিন্তু পিচত দেখিলোঁ যে জুহালৰ সীতিৰ পৰা দূৰলৈ টানি লৈ দীঘল বেঞ্চ এখনত হাতভৰি মেলি দি চুপ হৈ সি পৰি আছে।

কেথেৰিনে তাইৰ কোঠাৰ পৰা এই সমস্ত হৈ চৈৰ গম পাই আছিল। এতিয়া মই নিচুকণি গীত গাই গাই হেয়াৰটনক শুৱাবলৈ যত্ন কৰা শুনি, ফুচ্‌ফুচাই সুধিলে,

"নেলী, তই অকলে আছ নেকি?"

"আছোঁ, আইদেউ।"

তাই পাকঘৰলৈ সোমাই আহি জুহালৰ ওচৰ চাপিল। তাই কিবা ক'ব বুলি অনুমান কৰি, মই মূৰ তুলি চালোঁ। তাইৰ মুখত দেখিলোঁ চিন্তা আৰু উদ্বিগ্নতাৰ চাপ। ওঁঠহাল আধা ফাঁক হৈ আছে, কিবা ক'ব খোজা যেন লাগিল। তাই দীঘলকৈ উশাহ টানিলে, কিন্তু শুনাত হুমুনিয়া কঢ়াৰ নিচিনা লাগিল। মুখৰ পৰা কথা নোলাল।

তাইৰ অলপ সময়ৰ আগৰ দুৰ্ব্যৱহাৰ মই পাহৰা নাছিলোঁ, সেইবাবে তাইলৈ আওকাণ কৰি মই আকৌ জ'ৰা নিচুকুৱাত লাগিলোঁ।

'হিথক্লিফ ক'ত আছে?' তাই মোক নিচুকণি গীতৰ মাজতে সুধিলে।

'ঘোঁৰাশালত নিজৰ কামত লাগি আছে।'



'হিথক্লিফে মোৰ কথা বোধহয় শুনা নাছিল। তাৰ কিজানি তেতিয়া টোপনি গৈছিল।'

আৰু কেইটামান নীৰৱ মুহূৰ্ত বাগৰি গ'ল। কেথেৰিনৰ দুগালেদি কেইটোপালমান চকুলো বাগৰি যোৱা মোৰ চকুত পৰিল।

"নিজৰ দুৰ্ব্যৱহাৰৰ বাবে তাই বাৰু অনুতাপ কৰিছিনে কি?" মই নিজকে সুধিলোঁ। 'তেনেহ'লেতো একেবাৰে নতুন কথা হ'ব। যি হয় হওক , মই আগধৰি খুচৰিবলৈ নাযাওঁ। তায়েই আগতে কি কয় কওক।'

নিজৰ কথাৰ বাহিৰে আনৰ কথাত মূৰ ঘমাবলৈ যোৱা ছোৱালী কেথেৰিন নহয় বুলি মই ঠিকেই বুজিছিলোঁ। পিচ মুহূৰ্ত্তত তাই ক'লে, 'নেলী, মই বৰ অসুখী অ।'

'এৰা, সেইটোতো বৰ বেয়া কথা। কিন্তু তোমাকনো কোনোবাই সন্তোষ লগাব পাৰেনে? চিন্তা ভাবনা বুলিবলৈ একো নাই, আহবোৰ বন্ধু বান্ধৱ আছে, তথাপিতো তোমাৰ সন্তোষ নাই। বৰ পুতৌ লগা কথা।'

মোৰ ওচৰতে তাই ঘপকৈ আঠুকাঢ়ি বহি ললে, আৰু মৰম লগা চকুহাল মোৰ মুখৰ ওচৰ চপাই আনিলে। তাইৰ সেই দৃষ্টিত এনে কিবা এটা আছিল যে কোনেও তাইৰ প্ৰতি তেতিয়া ৰোষ পুহি ৰাখিব পৰাটো সম্ভৱ নহয়। ৰোষ পুহি ৰখাৰ যুক্তি থাকিলেও নোৱাৰি।

তাই মোক সুধিলে, 'নেলী, কথা এটা ক'ম, গোপনে ৰাখিবি নে?'

'গোপনে ৰাখিব লগা কথা হয় জানো ?' মই সুধিলোঁ। মুখৰ গোমোঠা ভাবটো তেতিয়া মই পাতলাই লৈছিলোঁ।

'গোপনীয় কথাই হয়। মোক বৰ চিন্তাত পেলাইছে। কাৰোবাৰ আগত কৈ মই অলপ সকাহ পাব লাগিব। মই কি কৰিম তাকে তোক সুধিব খুজিছোঁ। আজি এড্গাৰ লিণ্টনে মোক ক'লে সি হেনো মোক বিয়া কৰায়। মই তাক জবাব এটা দিছোঁ। পিচে হয় ক'লো নে না ক'লো, সেই কথা কোৱাৰ আগতে তই মোক ক চোন, মই হয় ক'ব লাগিছিল নে না ক'ব লাগিছিল?"

'কেথেৰিন আইটি, সেইটি উত্তৰ মই তোমাক কেনেকৈ দিওঁ। আজি আবেলি তাৰ সন্মুখতে তুমি যি ব্যৱহাৰ কৰি দেখুৱালা, সেই কথা মনত পেলালে মই ক'ম যে তুমি না বোলাই উচিত হ'ব। তোমাৰ আচৰণ আৰু উদ্ধতালি দেখাৰ পিচতো যে সি তোমাক বিয়া কৰাবলৈ বিচাৰিছে, তাৰপৰা বুজা যায় যে সি হয় এটা গেটিগৰু, নহয় বিপদৰ আশংকা বাচি লোৱা এটা মূৰ্খ।"

'তই যদি এইদৰেই কৱ, তেন্তে তোৰ লগত আৰু কথাই নাপাতোঁ' তাই খঙেৰে উত্তৰ দিলে, আৰু লগে লগে বহাৰ পৰা উঠিল। 'মই তেওঁৰ প্ৰস্তাৱত মান্তি আছোঁ বুলি কলোঁ, নেলী। বেগেতে ক, মোৰ ভুল হ'ল নেকি?'

তুমি তেওঁৰ প্ৰস্তাৱত সন্মত হ'লা? তেন্তে কথাটো আলোচনা কৰাৰ পৰা লাভ কি? তুমি কথা দিছা, কথা ঘূৰাব নোৱাৰা।'

'কিন্তু কচোন, মই মান্তি হোৱাটো ভাল হলনে? ক।'

হাত দুখন মোহাৰি মোহাৰি, চকু থোপা কৰি, উত্তেজিত সুৰত চিঞৰি চিঞৰি তাই মোক সুধিলে।

'সেইটো প্ৰশ্নৰ সঠিক উত্তৰ দিয়াৰ আগতে বহুত কথা বিবেচনা কৰিবলগীয়া আছে।' মই গহীনাই উত্তৰ দিলোঁ। 'প্ৰথম কথা, আৰু আটাইতকৈ জৰুৰী কথাটো হ'ল, তুমি মিঃ এড্‌গাৰক ভাল পোৱানে?'

'কোনে কয় নাপাওঁ বুলি? নিশ্চয় পাওঁ।'

তাইৰ উত্তৰ শুনাৰ পিচত মই তাইক এই প্ৰশ্ন দুটা কৰিলোঁ। বাইশ বছৰীয়া ছোৱালী এজনীক এই দুটা প্ৰশ্ন সোধা একো অবিবেচনাৰ কাম হোৱা নাছিল।

'কেথি আইটি, তেওঁক তুমি কিয় ভাল পোৱা?'

'কি অনৰ্থক প্ৰশ্ন কৰ তই। ভাল পাওঁ— সেয়ে যথেষ্ট যুক্তি।'

'কেতিয়াও নহয়, কি ভালপোৱা ক'ব লাগিব।'

'ঠিক আছে। তেওঁ সুদৰ্শন। তেওঁৰ লগ মোৰ ভাল লাগে।' মই মন্তব্য দিলোঁ যে ভাল নহয়, বেয়া।

'তেওঁ তৰুণ, আৰু সদায় হাঁহি মুখীয়া।'

'হলেও, ভাল নহয়, বেয়া।'

'আৰু এটা কাৰণ হ'ল, তেওঁ মোক ভাল পায়।'

'আচলতে ভালো নাপায়, বেয়াও নাপায়।'

'আৰু তেওঁ বৰ ধনী হ'ব আৰু তেতিয়া মই হ'ম অঞ্চলটোৰ আটাইতকৈ প্ৰতাপী মহিলা। আৰু তেতিয়া এনে এজন স্বামী লৈ মোৰ কিমান গৰ্ব যে নহ'ব।'

'সেইটোৱেই আটাইতকৈ বেয়া কথা। বাৰু এতিয়া কোৱাচোন, তুমি তেওঁক কি দৰে ভাল পোৱা?'

'আন সহজনী ছোৱালীয়ে যিদৰে ভাল পায়, সেইদৰেই ভাল পাওঁ। তই চুপতি কৰিবলৈ নদি, নেলী।'

'চুপতি কৰা নাই। মোৰ সোধা কথাৰ উত্তৰ দিয়া।'

'মই তেওঁৰ ভৰিৰ তলৰ মাটি ভাল পাওঁ, তেওঁৰ মূৰৰ ওপৰৰ বতাহ ভাল পাওঁ, তেওঁ স্পৰ্শ কৰা যি কোনো বস্তু আৰু তেওঁ উচ্চাৰণ কৰা শব্দ মাত্ৰেই মোৰ প্ৰিয়। তেওঁৰ সমস্ত হাবভাৱ আৰু কাৰ্য্য ভাল পাওঁ। তেওঁক মই নিঃশেষকৈ, সামগ্ৰিক ভাবে ভালপাওঁ। হলনে এতিয়া?'

'কিন্তু কিয়?'



'সেয়া, তই আকৌ চুপতি কৰাত লাগিলি। এইটো কিন্তু বৰ বেয়া কথা। মোৰ বাবে এইটো তামাচাৰ কথা নহয়।' মুহূৰ পিনে মুখ ঘূৰাই, ভ্ৰূকুটি কৰি কেথিয়ে কলে।

মই কলোঁ, 'মই মুঠেই তামাচা কৰা নাই, কেথি। তুমি মিঃ এড্‌গাৰক ভাল পোৱা, কাৰণ তেওঁ দেখিবলৈ ধুনীয়া, বয়সত ডেকা, প্ৰফুল্লচিত্ত, ধনী, আৰু তোমাক ভাল পায়। একেবাৰে শেহৰটো কোনো কাৰণ নহয়— তেওঁ ভাল নাপালেও তুমি তেওঁক সম্ভৱতঃ ভাল পোৱা, আৰু তেওঁ ভাল পোৱাটো এটা কাৰণ হ'লেও, আগৰ চাৰিটা আকৰ্ষণৰ অবিহনে তুমি তেওঁক ভাল পাবলৈ নোৱোৰা।'

'নহয়, নিশ্চয় নহয়- তেওঁ দেখাত আপচু হোৱাহেঁতেন, বা আচাৰ ব্যৱহাৰ নভলা হোৱাহেঁতেন তেওঁক মই মাত্ৰ পুতৌ কৰিলোহেঁতেন। বচ্। সিমানেই।'

'কিন্তু সংসাৰত আৰু অনেক সুদৰ্শন, ধনবান তৰুণ আছে। এড্‌গাৰতকৈ দেখাত সম্ভৱতঃ বেছি ধুনীয়া, আৰু তেওঁতকৈ বেছি ধনী। তেনে এজনক তুমি ভাল পোৱাত বাধা ক'ত?'

'তেনে কোনো লোক থাকিলেও তেওঁ মোৰ বিচাৰত নপৰে। এড্‌গাৰৰ নিচিনা সুন্দৰ মই কাকো নেদেখোঁ।'

'কেতিয়াবা কাৰোবাক হয়তো দেখিবা— আৰু এড্‌গাৰো সদায় সুদৰ্শন হৈ নাথাকে, ডেকা হৈয়ো নাথাকে, হয়তো এতিয়াৰ সমান ধনী হৈয়ো নাথাকিব।'

'এতিয়াতো হয়। আৰু মোৰ কথা হ'ল বৰ্ত্তমানটো লৈহে। কথাবোৰত তোৰ যুক্তি থাকিব লাগে।'

'তেনেহলে আৰু ভাবিবলৈকে নাই। মাত্ৰ বৰ্তমানটোৰেইহে যদি চিন্তা কৰিছা তেন্তে লিণ্টনকে বিয়া কৰোঁৱা।'

'সেইটোকে কৰিবলৈ মই তোৰপৰা অনুমতি বিচৰা নাই। মই তেওঁক বিয়া কৰামেই। পিচে মই উচিত কাম কৰিছোঁনে নাই সেইকথা তই মোক নকলি।'

'কৈছো, অকল বৰ্ত্তমানটোৰ কথাকে ভাবি যদি কোনোবাই বিয়া কৰায়, তেন্তে তুমি উচিত কামেই কৰিছা। বাৰু, এতিয়া কোৱাঁচোন, তোমাৰ অশান্তি কিহৰ বাবে হৈছে? তোমাৰ ককাইদেৰেৰে তোমাৰ এই সিদ্ধান্ত শুনি সন্তোষ পাব, লিণ্টনৰ মাক বাপেকেও মই ভবাত আপত্তি কৰিব নালাগে। এখন অপৰিপাটি, অস্বস্তিকৰ, আৰামহীন ঘৰৰ পৰা এখন চহকী, অভিজাত ঘৰলৈ তুমি ওলাই যাবাঁ। তুমি এড্‌গাৰক ভাল পোৱা, এড্‌গাৰেও তোমাক ভাল পায়— দেখাত সকলো ভালেই মিলিছে। গতিকে কেৰোণটো ক'ত?'

'ইয়াত, ইয়াত'— এখন হাতেৰে কপালত, আনখনেৰে বুকুত সোপবিয়াই কেথেৰিনে উত্তৰ দিলে। 'আত্মা যতে নাথাকক কিয়, মই অন্তৰেৰে উপলব্ধি কৰিছোঁ, মোৰ আত্মাই মোক কৈছে, মোৰ প্ৰত্যয় জন্মিছে, মই ভুল কৰিছোঁ।'

'বৰ আচৰিত কথা। মই এতো বুজিব পৰা নাই।'

'মোৰ গোপন ৰহস্যটো তাতেই। কিন্তু তই যদি মোক উপলুঙা নকৰ, কথাটো মই তোক মুকলিকৈ ক'ম। মই খুব স্পষ্টকৈ হয়তো ক'ব নোৱাৰিম, কিন্তু মোৰ কেনে লাগিছে সেই কথা মই বুজাব পাৰিম।'

তাই আকৌ মোৰ ওচৰত বহিল। তাইক আগতকৈ বেছি বিমৰ্ষ আৰু গহীন যেন লাগিল।

কেইমিনিটমান কিবা ভাবিগুণি নীৰবে থকাৰ পিচত তাই মোক হঠাতে সুধি পেলালে, 'নেলী, তই কাৰ কেতিয়াও অদ্ভুত সপোন নেদেখনে?'

''দেখোঁ, কিন্তু নেদেখোঁ। কেতিয়াবা কেতিয়াবা...... ''

''ময়ো দেখোঁ। ময়ো এনে কিছুমান সপোন দেখিছোঁ যিবোৰে পিচত আৰু মোৰ লগ এৰা নাই; সিহঁতে মোৰ ভাব চিন্তাকে সলনি কৰি দিছে। মনৰ ৰং সলাই দিছে। এইটোও তেনে এটা সপোনেই। মই তোক সপোনটো ক'ম, কিন্তু চাবি, সপোনটো কৈ থাকোঁতেই তই হাঁহিব নোৱাৰিবি।''

''নালাগে থাকক, কেথেৰিন অহিলেউ।'' মই লৰালৰিকৈ ক'লোঁ, ''ভূত প্ৰেতৰ কথা চিন্তা নকৰাকৈও আমাৰ শোক দুখৰ অন্ত নাই। ভয়লগা সপোনৰ কাহিনী নুলিয়াবা। স্ফূৰ্তি কৰা। মনটো ফৰকাল কৰা। নিজক ভাল পাবলৈ শিকা। কণমানি হেয়াৰটনলৈ চোৱাচোন। সি কোনো দুঃস্বপ্ন দেখা নাই। টোপনিতে সি কিমান মধুৰ লগাকৈ মিচিকিয়াই হাঁহিছে।''

'ঠিকেই। আৰু কি শুৱনাকৈ বাপেকে নিজানত শাও-শপনি দি আছে। এই নোদোকা শিশুটিৰ সমান বয়সৰ পৰাই তেওঁক দেখা তোৰ মনত আছে নহয়। তেতিয়াও আছিল ইমান কণমানি, ইমান নিষ্পাপ। যি কি নহওক, তই মোৰ সপোনৰ কথা শুনিবই লাগিব। কাহিনী বৰ দীঘলীয়া নহয়। আৰু আজি নিশাটো স্ফূৰ্তিত কটোৱা মোৰ বাবে সম্ভৱ নহয়।'

'মই নুশুনো। মই নোৱাৰোঁ। নুশুনো বুলিছো মই নুশুনো।' পুনৰবাৰ মই লগে লগে উত্তৰ দিলোঁ।

সেই সময়ত মোৰ মনত সপোন সম্বন্ধে বহুত অন্ধবিশ্বাস আছিল। এতিয়াও আছে। কেথেৰিনৰ মুখমণ্ডলত মই শোকৰ গভীৰ সাঁচ দেখিবলৈ পাইছিলোঁ। সেই ৰূপ আছিল অস্বাভাৱিক। বিষাদে ঢকা সেই মুখখন কিবা অশুভ পৰিণতিৰ সম্ভাব্য আগতীয়া সংকেত বুলি আশংকা কৰি মই চিন্তিত হৈ পৰিছিলোঁ।

মই তাইৰ সমাজিক নুশুনো বুলি ক'লত তাই ক্ষুব্ধ হ'ল। সপোনৰ কথা ক'বলৈ তাই আকৌ আগবাঢ়িল। কিন্তু পিচ মুহূৰ্ত্ততে দেখাত বেলেগ এটা বিষয় লৈ তাই পুনৰ মুখ মেলিলে।

''নেলী, এটা কথা। মই স্বৰ্গত থাকিলেও বৰ অশান্তিত থাকিলোহেঁতেন।'



'কাৰণ তুমি স্বৰ্গত থকাৰ উপযুক্তই নহয়, সেই বাবে।' মই প্ৰত্যুত্তৰত তাইক ক'লো। ''পাপী মাত্ৰেই স্বৰ্গত অশান্তি ভোগে।''

'সেই কাৰণে নহয়। মই এবাৰ সপোনত দেখিছিলোঁ মই বোলে স্বৰ্গত আছিলোঁ।'

'কেথেৰিন আইটি, মই তোমাৰ সপোন নুশুনোঁ বুলি কৈছোঁ নহয়। মই শোওঁ গৈ।'

এইবুলি কৈয়েই মই চকীৰ পৰা উঠিব খুজিছিলোঁ, কিন্তু তাই মোক গাত ধৰি বহুৱাই দিলে।

'এয়ো তাৰ কথা নহয় অ', তাই কলে। 'মই মাত্ৰ ক'ব খুজিছিলোঁ যে স্বৰ্গত মোৰ ভাল নালাগিল— নিজৰ ঘৰ যেন নালাগিল। সেইবাবে মই পৃথিবীলৈ ঘূৰি আহিবলৈ বিচাৰি হিয়া ঢাকুৰি কান্দিছিলোঁ। তাকে দেখি দেবদূত সকলৰ ইমান খং উঠিল যে মোক গটা মাৰি স্বৰ্গৰপৰা পেলাই দিলে, আৰু মই আহি এই বিস্তীৰ্ণ প্ৰান্তৰৰ 'ৱাদাৰিং হাইট্‌চ্'ৰ শিখৰতে পৰিলোঁহি। আনন্দতে কান্দি কান্দি মই সাৰ পাই গলোঁ। সেইটোৱেই মোৰ ৰহস্য। মোৰ স্বৰ্গলৈ যোৱাৰ প্ৰয়োজন নাই, এড্‌গাৰ লিণ্টনক বিয়া কৰোৱাৰ দৰ্কাৰ নাই। সৌ দুৰ্জ্জনটোৱে হিথ্‌ক্লিফক ইমান বেয়া ব্যৱহাৰ নকৰাহেঁতেন, এইবোৰ কথা মই নাভাবিলোঁহেঁতেনেই। এতিয়া আৰু হিথ্‌ক্লিফক বিয়া কৰোৱাটো মোৰ বাবে বৰ লাঞ্ছনাজনক কথা হ'ব। তাক যে মই কিমান ভাল পাওঁ সেই কথা আৰু সি নজনাকৈয়ে ৰ'ব। আৰু সি দেখিবলৈ ধুনীয়া বাবেহে যে মই তাক ভাল পাওঁ তেনে নহয়। আচল কথা হ'ল, তাৰ লগত মোৰ আহে আঁহে মিলে। অন্তৰ বোলা বস্তুটো কিহেৰে সজা নাজানোঁ, কিন্তু তাৰে মোৰে অন্তৰ হ'ল একেখনেই। কিন্তু লিণ্টনৰ লগত মোৰ জুই পানীৰ প্ৰভেদ, জোনাক আৰু বিজুলীৰ প্ৰভেদ।'

তাই এই কেইআষাৰ কথা কৈ শেষ কৰাৰ আগতেই মই হিথ্‌ক্লিফৰ উপস্থিতিৰ উমান পালোঁ। ঘূৰি চাই দেখোঁ, সি বেঞ্চখনৰ পৰা উঠি, হাতত সাৰে ভৰিত সাৰে, ওলাই গৈছে। তাক বিয়া কৰালে তাই নিজকে তললৈ নমোৱা হ'ব বুলি কেথেৰিনে কোৱালৈকে সি কাণ উনাই কথাবোৰ শুনি আছিল; সেইখিনি শুনাৰ পিচত আৰু আন কথা শুনিবলৈ সি বৈ নাথাকিল।

কেথি মাটিত বহি আছিল বাবে হিথ্‌ক্লিফ ওচৰতে আছিল যদিও সি তাইৰ চকুত পৰা নাছিল, আৰু এতিয়া সি ওলাই যাওঁতেও তাই তাক লক্ষ্য নকৰিলে। কিন্তু মই তাইৰ কথাষাৰ শুনি উচপ খাই উঠিলোঁ, আৰু তাইক মনে মনে থাকিবলৈ ক'লোঁ।

থতমত খাই, চাৰিওপিনে সন্তৰ্পণে চাই তাই সুধিলে, 'কিয়, কি হৈছে? মনে মনে থাকিবলৈ যে কৈছ?'

মই ক'লোঁ, 'জোজেফ ওচৰতে আছে।' কোৱাৰ লগে লগে মোৰ চকুত পৰিল যে তাৰ গাড়ী বাস্তাইদি ইতিমধ্যে আগুৱাই আহিছেই। 'তাৰ লগতে হিথ্‌ক্লিফো আহিব। মোৰ ধাৰণা, অলপ আগতে সি এই দুৱাৰ চুকতে আছিল।'

'দুৱাৰ চুকৰ পৰা সি মোৰ কথা নিশ্চয় শুনা নাছিল।'

তাই মাত লগালে, 'হেয়াৰটনক মোৰ হাতলৈ দে, আৰু তই খোৱা-বোৱাৰ যোগাৰ কৰ। ৰন্ধা বঢ়া হ'লে তোৰ লগত মই একেলগে খাম। বিবেকৰ এই অস্বস্তিকৰ তাড়নাৰ পৰা মই নিজক ৰক্ষা কৰিব লাগে। হিথক্লিফে এইবোৰ কথাৰ একো ভূ পোৱা নাই বুলি ভাবিব পাৰিলেই মই ৰক্ষা পাওঁ। ভূ সি পোৱা নাই, নহয়নে? পাইছে নে কি? প্ৰেমত পৰা মানে কি সি নিশ্চয় নাজানে। জানে জানো?'

"সি নজনাৰ কাৰণ মই একো দেখা নাপাওঁ। তুমি যদি জানা, সিও জানিব।" মই প্ৰত্যুত্তৰত কলোঁ। 'আৰু তুমিয়েই যদি তাৰ পচন্দৰ পাত্ৰী, তেন্তে বেচেৰাৰ দুৰ্ভাগ্যৰ অবধি ন'ৰব। তুমি লিন্টনৰ পত্নী হোৱাৰ লগে লগে সি সকলো হেৰুৱাব— হেৰুৱাব প্ৰেম, হেৰুৱাব বন্ধুত্ব। এই বিচ্ছেদ তুমি কি দৰে সহ্য কৰিবা— সেই কথা ভাবি চাইছানে? আৰু সংসাৰত একেবাৰে অকলশৰীয়াহৈ সিয়েই বা থাকিব কেনেকৈ? কাৰণ, কেথেৰিন আইটি—"

মোৰ কথা শেষ হ'বলৈ নাপালেই। তাই আৰ্তস্বৰে ক'লে, "সি একেবাৰে অকলশৰীয়া। আমাৰ বিচ্ছেদ।" কি কথা কৈছ তই এইবোৰ। তাইৰ কথাত খঙৰ ভাব ফুটি উঠিছিল। "আমাৰ বিচ্ছেদ কোনে ঘটায়, শুনোঁচোন। যেয়ে এনে কৰিবলৈ যত্ন কৰিব, তাৰে মিলৰ গতি হ'ব। গ্ৰীক ক্ৰীড়াবিদ মিলৰ কথা জান নহয়। গছ এজোপা দুচিৰা কৰিবলৈ গৈ তাৰ চেপাত সোমাই যে মৰিছিল। এলেন, মই কৈ দিছোঁ, মই জীয়াই থকা দিন কেইটাত কোনেও আমাৰ বিচ্ছেদ ঘটাব নোৱাৰে— কোনো মানুহেই নোৱাৰে। মই হিথক্লিফক ত্যাগ কৰি পেলাবলৈ মান্তি হোৱাৰ আগতেই, পৃথিৱীত থকা হাজাৰটা লিন্টন নিঃচিহ্ন হৈ যাব। মই হিথক্লিফক এৰিব খোজা নাই— মই সেইটো কথা বুজোৱা নাই। এনে এটা চৰ্তৰ বিনিময়ত মই লিন্টনৰ পত্নী হ'বলৈ নাখাওঁ। এতিয়ালৈকে তাৰ লগত মোৰ যি সম্বন্ধ সেই সম্বন্ধ চলি থাকিব। মোৰ প্ৰতি তাৰ যি ভাব অতদিন আছে, তাৰ প্ৰতিও মোৰ অনুৰূপ ভাব সদায় থাকিব। এড্‌গাৰে তাৰ বিদ্বেষ পাহৰিব লাগিব। অন্ততঃ সি হিথক্লিফক সহ্য কৰিব লাগিব। হিথক্লিফৰ প্ৰতি মোৰ প্ৰকৃত ভাবৰ পৰিচয় পালে সহ্য সি কৰিব। মই এতিয়া বুজিব পাৰিছোঁ, নেলী, তই মোক এক স্বাৰ্থপৰ, তুচ্ছ প্ৰাণী বুলি গণ্য কৰিছ। কিন্তু এই কথাটো তই কেতিয়াও ভবা নাই যে হিথক্লিফ আৰু মোৰ বিয়া হ'লে, আমি দুয়োটা মগনীয়া হৈ যাম। কিন্তু লিন্টনক বিয়া কৰালে মই হিথক্লিফক উন্নতিৰ জখলাত আগুৱাই যোৱাত সহায় কৰিব পাৰিম। আৰু মোৰ ককাইদেউৰ কবলৰ পৰাও তাক আঁতৰাই ৰাখিব পাৰিম।" "কেথেৰিন আইটি, তোমাৰ গিৰিহঁতৰ টকাৰে তুমি হিথক্লিফক সহায় কৰাৰ কথা ভাবিছা? তুমি ভবাৰদৰে সি সহজে পোনাব পৰা লোক নহয়। মোৰ সামান্য বিচাৰ বুজিৰে চি[illegible]ছোঁ, লিন্টনৰ পত্নী হ'বলৈ ওলোৱাৰ অভিপ্ৰায় হিচাপে এইটোৱেই নিকৃষ্ট।"

কেথি জাঙুৰ খাই উঠিল। 'নহয়, কেতিয়াও নিকৃষ্ট অভিপ্ৰায় নহয়। এইটোৱেই শ্ৰেষ্ঠ। আনবোৰ অভিপ্ৰায় হ'ল মোৰ খহতেকীয়া বাসনা চৰিতাৰ্থ কৰাৰ, বা এড্‌গাৰৰ



বাবে তাৰ অভিলাষ পূৰণ কৰাৰ অহিলা মাত্ৰ। কিন্তু এই অভিপ্ৰায় হ'ল এনে এজন লোকক কেন্দ্ৰ কৰি যিজনে এড্‌গাৰৰ প্ৰতি আৰু মোৰ নিজৰ প্ৰতিও, মোৰ কি ভাব সেই বিষয়ে ভালকৈ জানে। কথাটো মই ভালদৰে প্ৰকাশ কৰিব পৰা নাই; কিন্তু তই নিশ্চয়কৈ জান, প্ৰত্যেকেই জানে, যে এই পাৰ্থিব অস্তিত্বৰ উৰ্দ্ধতো মোৰ এক অস্তিত্ব আছে। প্ৰত্যেকৰে থাকে। মোৰ অস্তিত্ব যদি ইয়াতেই সীমাবদ্ধ হৈ যায়, তেন্তে মোৰ সাৰ্থকতাই বা ক'ত? হিথক্লিফৰ দুখ কষ্টবোৰেই হ'ল মোৰ বাবে এই সংসাৰত আটাইতকৈ অধিক দুখ কষ্ট। আৰম্ভণিৰে পৰা তাৰ দুখ যন্ত্ৰণা মই লক্ষ্য কৰি আহিছোঁ আৰু সেইবোৰ মোৰ নিজৰ দুখ যন্ত্ৰণা যেনেকৈ অনুভৱ কৰিছোঁ। মোৰ জীয়াই থকাৰ সাৰ্থকতা হিথক্লিফতে। যদি আন সকলো বিনাশ প্ৰাপ্ত হয়, মাত্ৰ হিথক্লিফ ৰৈ যায়, তাতেই মোৰ অস্তিত্ব ৰক্ষা পৰিব। সি নাথাকি আন সকলো থাকিলেও মোৰ বাবে এই সংসাৰখনেই অচিনাকি হৈ পৰিব। মই আৰু তেতিয়া ইয়াৰ এটা অংশ হৈ নাথাকিম। লিন্টনৰ প্ৰতি মোৰ প্ৰেম হ'ল অৰণ্যৰ ডাল-পাতৰ দৰে। মই ভালদৰে জানো যে শীতকালে গছগছনিৰ পৰিবৰ্ত্তন ঘটোৱাদি, কালৰ গতিত, এই প্ৰেমো সলনি হ'ব। হিথক্লিফৰ প্ৰতি মোৰ প্ৰেম হ'ল ভূগৰ্ভত নিমজ্জিত প্ৰাচীন প্ৰস্তৰখণ্ডৰ দৰে— বাহ্যতঃ দৃশ্যমান নহয়, কিন্তু (ভূখণ্ডৰ আৱয়বিক গঠন সংহতিৰ বাবে) নিতান্তই প্ৰয়োজনীয়। নেলী, তই জানো বুজিবি। ময়েই হিথক্লিফ, নিৰন্তৰে সি মোৰ মনোজগত অধিকাৰ কৰি আছে; মোৰ জীৱনৰ আনন্দ হিচাপে নহয়, অস্তিত্ব হিচাপে। সেইবাবে, আমাৰ মাজত বিচ্ছেদৰ কথা আৰু নকবি। এইটো অসম্ভৱ কথা; তদুপৰি—"

কথা নৌ শেষ কৰি তাই তভক মাৰি ৰ'ল, আৰু মোৰ বুকুত মুখ গুজিলে। কিন্তু মই জোৰেৰে তাইক মোৰ গাৰ পৰা আঁতৰাই দিলোঁ —তাইৰ মূৰ্খামি দেখি মোৰ ধৈৰ্য্যচ্যুতি ঘটিছিল।

মই কলোঁ, 'তোমাৰ এই লাগবান্ধ নোহোৱা কথাবোৰৰ যদি কিবা অৰ্থ হয়, তেন্তে মই এই এটা কথাকে মাত্ৰ বুজি পাইছোঁ যে বিবাহ পাশত আবদ্ধ হ'লে স্বীকাৰ কৰি ল'ব লগা কৰ্ত্তব্যবোৰৰ বিষয়ে তোমাৰ কোনো ধাৰণা নাই। সেয়ে যদি নহয়, তেন্তে মই ক'ব লাগিব যে তুমি কোনো নিয়মনীতি মানি চলিব নোখোজা এজনী দুষ্ট ছোৱালী। পিচে তোমাৰ এই গোপন ভাব চিন্তা মোৰ আগত উজাৰ কৰি মোক আৰু দিগদাৰি দি নাথাকিবা। মই তোমাৰ কথাৰ গোপনীয়তা ৰক্ষা কৰিব নোৱাৰিম।"

'এই এটা কথাৰ গোপনীয়তা অন্ততঃ তই ৰক্ষা কৰিবি?' তাই বৰ উৎকণ্ঠাৰে মোক সুধিলে।

'ক'ব নোৱাৰোঁ। মই কথা নিদিওঁ।' মই দোহাৰিলোঁ। তাই একেটা কথাকে পুনৰ পেৰিবলৈ লৈছিল, কিন্তু তেনেতে জোচেফ সোমাই আহিল। লগে লগে আমাৰ কথোপকথনৰ অন্ত পৰিল। কেথেৰিনে তাই বহি থকা মূঢ়াটো এচুকলৈ সামৰি থৈ হেয়াৰটনক ওমলাবলৈ লাগিলে। মই ৰন্ধাবঢ়াত ধৰিলোঁ।

ৰন্ধা বঢ়া হ'লত, খোৱাখিনি নি দিওলৈৰ আগত কোনে দিব গৈ সেই কথা লৈ

মোৰ আৰু লগৰ চাকৰণীজনীৰ মাজত উখনাউখনি লাগিল। আমাৰ মাজত কথা কটাকটি শেষ হয়গৈ মানে বক্কাবোৰ চেষ্টা যেন হ'লগৈ। গৈ থৈ আমি ঠিক কৰিলোঁ যে হিণ্ডলেই কিবা খাব নে নাখায় সেইটোকে প্ৰথমে সুধি লোৱা হ'ব, কাৰণ তেওঁ অকলে থাকিলে তেওঁৰ ওচৰলৈ যাবলৈ আমাৰ সাহে নুকুলাইছিল।

'সেই এলেহুৱা অপদাৰ্থটো এতিয়া মানে পথাৰৰ পৰা আহি পালেনে? সি কৰিছে কি?' জোজেফে হিথক্লিফৰ কথা সুধিলে।

'মই বাৰু তাক মাতি আনিছোঁ', মই উত্তৰ দিলোঁ। 'সি ভঁৰাল ঘৰতে থাকিব লাগে।'

মই গৈ ভঁৰাল ঘৰৰ ওচৰত হিথক্লিফক মাতিলোঁ, কিন্তু কোনো উত্তৰ নাপালোঁ। ঘূৰি আহি মই কেথেৰিনক কাণে কাণে কলোঁ যে তাই কোৱা কথাৰ ভালেখিনি যে হিথক্লিফৰ কাণত পৰিছে সেই বিষয়ে মোৰ সন্দেহ নাই। ককায়েকে তাৰ প্ৰতি কৰা নিষ্ঠুৰ ব্যৱহাৰৰ কথা উলিয়াওঁতেই সি কেনেকৈ সেই ঠাইৰ পৰা নিঃশব্দে ওলাই গৈছিল সেই কথাও মই তাইক কলোঁ।

কথাষাৰ কলো কি নকলোঁ, আতংকত তাই বিহ্বল হৈ পৰিল, হেয়াৰটনক কোলাৰ পৰা নমাই এফলীয়া কৰি থলে, আৰু হিথক্লিফক নিজেই বিচাৰি ওলাল। তাইনো কিয় সেইদৰে উত্তেজিত হৈ পৰিছে, বা তাইৰ কথাইনো হিথক্লিফক কিয় বেজাৰ লগাব, সেই কথা ভাবিবলৈ সেইমুহূৰ্ত্ততে তাইৰ আজৰি ক'ত?

তাই ওলাই গৈ ঘূৰি নহাই হ'ল। বহুত পলম কৰিছে। জোজেফে ক'লে যে আমি তেওঁক বিচাৰি ওলাই যোৱাই ভাল হ'ব। জোজেফ চালাক চতুৰ লোক। সি ক'লে বোলে সিহঁত দুটাই মিঃ হিণ্ডলেৰ অন্তহীন গালিৰ আউৰি শুনাৰ পৰা ৰক্ষা পাবলৈ বুলি আঁতৰি আছে। সি ভগবানৰ নামো দুবাৰমান ললে। আমি দুয়ো এইদৰে চিন্তিত হৈ গুণাগথা কৰি থাকোঁতেই আইদেউ ধুমুহা গতিৰে কোঠালৈ সোমাই আহি জোজেফক আদেশ দিলে যে সি তৎক্ষণাত ওলাই গৈ, হিথক্লিফক যতে ঘূৰি ফুৰা দেখা পায়, তাৰ পৰাই তাক পোনে পোনে ঘূৰাই আনিব লাগে।

'ওপৰ মহলালৈ উঠি যোৱাৰ আগতে মই তাৰ লগত কথা পাতিব খোঁজো। এইটো নিতান্তই জৰুৰী। পদূলিমুখৰ জপনা খোলা আছে। সি ওচৰে পাঁজৰে ক'ৰবাত আছে, কিন্তু কিংটোৰ দূৰত নহয়। মই টেটুফালি তাৰ নাম ধৰি চিঞৰিলোঁ কিন্তু তাৰ কোনো সঁহাৰি নাপালোঁ।'

জোজেফে প্ৰথমতে ওলাই যাবলৈ মন কৰা নাছিল। কিন্তু আইদেউ নাচোৰবান্দা— যাবই লাগিব। গতিকে মূৰত হেটটো লগাই লৈ, অনিচ্ছা সত্বেও, ভোৰভোৰাই সি ওলাই গ'ল।

সি যোৱাৰ পিচত কেথেৰিনে কোঠাটোৰ ভিতৰতে ইফাল সিফাল কৰি স্বগতোক্তি কৰা দি কবলৈ ধৰিলে, —'কলৈনো গ'ল জানো! ক'ত বা আছেগৈ। মইনো কি কৈছিলোঁ, নেলী? মই পাহৰিলোঁ কি কৈছিলোঁ। আজি আবেলি মোৰ আচৰণত সি ক্ষুণ্ণ



হৈছিল নে কি। কচোন ক, তাক মনত দুখ দিয়া কথা মই কিনো ক'লোঁ। সি ঘূৰি আহিলেই হয়। মই তাকেই বাঞ্ছা কৰিছোঁ।'

মই নিজেও বৰ অস্বস্তি বোধ কৰিছিলোঁ। তথাপিতো কেথিক শান্ত কৰিবলৈ বুলি ক'লোঁ, "কিহৰ বাবে অনাহক চিঞৰ বাখৰখন কৰিছা? সামান্য কথাতে বিতত হোৱাৰ তোমাৰ কি এইটো স্বভাব? জোনাক নিশা মুকলি পথাৰৰ পিনে হিথক্লিফ ফুৰিবলৈ ওলাই গৈছে, তাতেনো ভয়খাব লগা কিটো হ'ল? হয়তো বা সি খেৰৰ পুঁজিৰ ওপৰত উঠি গোঙোৰা লাগি বহি আছে, তুমি মাতিলত মতা নাই। মই ঠিক জানিছোঁ সি তাতেই আছে। চাই থাকা, মই তাক টানি উলিয়াই আনিম।'

মই তাক বিচাৰি ওলাই গলোঁ, কিন্তু নাপালোঁ। জোজেফো হতাশ হৈ উভতি আহিল। আহোঁতে সি ভোৰভোৰাই আহিছে— হিথক্লিফৰ দৰে অপগণ্ড এটা আৰু নাই। জপনাখন খুলি থৈ গৈছে, আৰু আইদেউৰ ঘোঁৰা মুকলি হৈ গৈ দুডৰা মাটিৰ শস্য খাই তছিলং কৰিছে। এতিয়া মানুহকে বিচাৰাঁ নে ঘোঁৰাকে চম্ভালা, কি কৰা কৰাঁ। কালিলৈ পুৱাহে মজাটো ওলাব। যাৰ পথাৰ খান্তাং কৰিছে সি সুদাই এৰা ভকত নে?"

তাৰ ভোৰভোৰণিৰ মাজতে কেথেৰিনে সুধিলে, "এই গৰ্দভ, হিথক্লিফক পালি নে নাই? মই কোৱামতে তই তাক বিচাৰি গৈছিলি নে নাই?"

"মানুহ বিচৰাতকৈ ঘোঁৰা বিচৰাহে বুদ্ধিমানৰ কাম হ'ব। পিচে এই ঘোপমৰা অন্ধকাৰত ঘোঁৰাকে বিচাৰি পাওঁ নে মানুহকে পাওঁ? আৰু হিথক্লিফে বোধহয় মোৰ চিঞৰবলৈ কাণ কলা কৰিছে। তুমি মাতি চোৱাচোন, তোমাৰ মাত শুনেই বা।"

জহকালি। গধুলিতে বেচ অন্ধকাৰ হৈ পৰিছিল। আকাশৰ মেঘ দেখি বৰষুণ দিব বুলি ভাব হৈছিল। মই ক'লোঁ যে আমি বহি থকাই ভাল হ'ব— বৰষুণৰ আগন্তুক দেখি সি আহি নিজে নিজে সুৰ সুৰ কৰে ঘৰ সোমাবহি।

পিচে কেথেৰিনে নামানে। তাই উচপিচাই আছে। এবাৰ দুৱাৰ মুখত, এবাৰ পদূলি মুখত, এইদৰে টাঁতবাটি কৰি আছে। তাইৰ মনটো বৰ অস্থিৰ হৈ পৰিছিল। শেহত গৈ তাই ৰাস্তাৰ দাঁতিত, দেৱালখনৰ গাতে হেলান দি ৰহিল। ইতিমধ্যে মেঘৰ গাজনি আৰম্ভ হ'ল। ডাঙৰ ডাঙৰ টোপাল পৰিবলৈ ধৰিলে। সেইবোৰলৈ তাইৰ ভ্ৰূক্ষেপেই নাই। মাজে মাজে তাই হিথক্লিফক চিঞিয়াই মাতে, কাণ থিয় কৰি উত্তৰ আহে নেকি শুনে, পুনৰ আকৌ মাতে। শেহত গৈ তাই ৰাউচি জুৰি কান্দিবলৈ ললে। এনেহে ৰাউচি, হেয়াৰটন হে নালাগে, কোনো কেঁচুৱায়েই সেইদৰে কান্দিব নোৱাৰে।

মাজনিশালৈকে আমি উজাগৰে বহি আছিলোঁ। প্ৰচণ্ড ধুমুহা তেতিয়া আৰম্ভ হ'ল। লগে লগে কাণতালমৰা ঢেৰেকনি আৰু চকুত চাট মাৰি ধৰা বিজুলী। এজোপা ডাঙৰ গছ ধুমুহাৰে নে বজ্ৰপাতৰ হেতুকেই দুটুকুৰা হৈ ছিগি ঘৰৰ ওপৰত পৰিল। ঘৰৰ চালখনৰ এচোৱা তললৈ বহি গ'ল।

যিহে ভয়ংকৰ শব্দ হ'ল, আমি ভাবিলোঁ বজ্ৰপাতেই পৰিলে। জোজেফে আঁঠুকাঢ়ি

ভগৱানৰ নাম জপ কৰিবলৈ ধৰিলে, আৰু পূৰ্বাপৰ প্ৰথা অনুযায়ী সন্তক পালন আৰু দুষ্টক দমন কৰিবলৈ খাটনি ধৰিলে। মোৰ ভাব হ'ল যে ভগৱানৰ ক্ৰোধদৃষ্টি আমাৰ ওপৰতো পৰিছে। আৰ্ণ্মিকে মই যাইকৈ ভগৱানৰ ওচৰত জগৰীয়া বুলি ভাবিলোঁ। তেওঁৰ কোঠাৰ দুৱাৰত টুকিয়াই টুকিয়াই তেওঁ মৰিল নে আছে তাকে ঠিৰাং কৰিবলৈ মই যত্ন কৰিলোঁ। তেওঁ মই শুনাকৈয়ে উত্তৰ দিলে। তাকে শুনি জোজেফে পুনৰবাৰ ভগৱানক প্ৰাৰ্থনা জনালে যাতে তেৰাই তাৰ দৰে সজ্জনৰ কল্যাণ আৰু তৰ গিৰিহঁতৰ দৰে দুৰ্জনবোৰৰ শাস্তি বিধান কৰে। পিছে কুৰি মিনিট মানৰ ভিতৰতে অশান্ত অৱস্থাৰ শাম কাটিলে, আমাৰ কাৰো একো অনিষ্ট নহ'ল, মাত্ৰ কেথেৰিনহে জুকলি জুপুৰিকৈ তিতিলে। আঁকোৰগোজ ছোৱালী, বৰষুণৰ পৰা তাই ভিতৰলৈ উঠি নাহিল যি নাহিলেই। তাই যেন হাড়লৈকে ভিজিলে।

বৰষুণ বতাহ এৰিলত তাই জুকলি জুপুৰি হৈ সোমাই আহি তিত্ৰা গাবেই দীঘল বেঞ্চখনত বেৰৰ পিনে মুখ দি বাগৰ দিলে।

আও দেখি মোৰ আৰু সহ্য নহ'ল। তাইৰ বাহু দুটাত ধৰি জোকাৰি জোকাৰি ক'লোঁ, "আইটি, মৰিবলৈ মতলব কৰা নাইতো? নে কৰিছা? এতিয়া ৰাতি কিমান হ'ল কিবা ক্ষু আছেনে? চাৰে বাৰ বাজিল। আহাঁ, আহাঁ, বিচনালৈ আহাঁ। সেই অভাগা ল'ৰাটোৰ বাবে বাট চাই থকাৰ লাভ নাই। সি নিশ্চয় গিমাৰটনলৈ গৈছে, আৰু এতিয়া তাতে থাকিব। ইমান ৰাতিলৈকে তাৰ বাবে আমি উজাগৰে নাথাকোঁ বুলি সি ধৰি লৈছে। সি বোধহয় ভাবিছে যে মাত্ৰ হিণ্ডলেহে সাৰে থাকিব। দুপৰ নিশা তাক ঘৰ সোমাবলৈ তেওঁ দুৱাৰ খুলি দিয়াটো সি নিশ্চয় নিবিচাৰে।"

'হবই নোৱাৰে,' জোজেফে মাত লগালে, 'সি গিমাৰটনত নাই। মই ঠিক ধৰিছোঁ, সি কৰবাত পিটনিৰ মাজৰ গাতত সোমাল। তাক এতিয়া কেনেকৈ বিচাৰি উদ্ধাৰ কৰা হয়, সেই কথাহে ভাবিব লাগে।' এই বুলি কৈ সি বাইবেলৰ উদ্ধৃতি দি সজ্জন-দুৰ্জনৰ সুখভোগ-দুখভোগ, আৰু ভগৱানৰ লীলা ইত্যাদি কথাৰ পাতনি তনিলে।

মইমতীয়া ছোৱালীজনীক তিতা কাপোৰবোৰ সলাবলৈ মই কলোঁহে কলোঁ, তাই কাণসাৰেই নকৰিলে। গতিকে তাইক তাতে এৰি মই কণমানি হেয়াৰটনক লৈ বিচনালৈ গ'লোঁ। জোজেফে বাইবেলৰ পাঠ মাতিয়েই থাকিল। হেয়াৰটনক বিচনাত শুৱাই দিয়াৰ লগে লগে সি টোপনিত লালকাল দি পৰিল।

জোজেফে বাইবেল পঢ়ি থকা কিছুপৰ পিচলৈকে মোৰ কাণত পৰি আছিল। এনসময়ত সি ওপৰ মহলালৈ খখলা বাই উঠি যোৱাও মই গম পাইছিলোঁ। তাৰ পিচত ময়ো টোপনিত পৰিলোঁ।

পিচদিনা পুৱা মই আন কালতকৈ পলমকৈ সাৰ পালোঁ। মই উঠালৈ খিৰিকিৰ ফাঁকেদি বেলিৰ পোহৰ আহি ভিতৰত পৰিছিলেই। উঠি গৈ দেখিলোঁ, কেথেৰিন আইটি জুহালৰ গুৰিত তেওঁৰ নিৰ্দিষ্ট ঠাইত বহি আছে। ঘৰৰ দুৱাৰখনো কাণি দুৱাৰীকৈ খোলা। হিণ্ডলেও উঠি আহি জুহালৰ ওচৰত থিয় হৈছিল। দেখাত তেওঁৰ



চকুৰ পৰা টোপনিৰ জাল যেন আঁতৰাই নাই; চকুমুখ তেওঁৰ সোমোৱা।

মই তেওঁৰ ওচৰ পাওঁতে গৈ তেওঁ কেথেৰিনক সোধা শুনিলোঁ, "তোৰ হৈছে কি কেথি? একেবাৰে তিঁতা মেকুৰীৰ দৰে হৈ আছ যে? ইমান শেঁতা আৰু মনমৰা হৈ পৰিছ কিয়, আইটি?"

কওঁ নকওঁ কৈ তাই ক'লে, 'মই বৰষুণত তিতিছিলোঁ। মোৰ জাৰো লাগি আছে সেই বাবেই।'

গৃহস্থৰ হাবভাব কিছু সংযত যেন দেখি মই ক'লোঁ, "বৰ দুষ্ট ছোৱালী এইজনী। কালি গধূলিৰ বৰষুণ জাকত এইজনী ভালকৈ তিতিছে। আৰু ওৰে ৰাতিটো ইয়াতে বহি আছে। এবাৰ বহিল যে বহিলেই, মই আৰু লৰাব নোৱাৰিলোঁ।"

মিঃ আৰ্ণশ্বই বিস্ময়ত আমাৰ ফাললৈ তথা লাগি চালে। 'গোটেই ৰাতি বহি আছে? কিহৰ বাবে? গাজনি ঢেৰেকণিৰ ভয়ত নহয় নিশ্চয়। সেইবোৰ কেতিয়াবাই শাম কাটিলে।'

যি পৰ্যন্ত পৰা যায় হিথক্লিফৰ অনুপস্থিতিৰ কথা আমি এজনীয়েও উলিয়াব খোজা নাছিলোঁ। সেইবাবে মই ক'লোঁ, 'জানো, তাইৰ মূৰত কি ভাব সোমাল গোটেই ৰাতি বহি থাকিবলৈ, তাইহে জানে।' কেথি আইটিয়ে একো নামাতিলে।

সেইদিনাৰ পুৱা বেলাটো আছিল উজ্জ্বল আৰু শীতল। মই কোঠাটোৰ খিৰিকিখন খুলি দিলোঁ, লগে লগে ওচৰৰ ফুলনিৰ পৰা অহা সুবাসে কোঠাটো ভৰাই পেলালে। কিন্তু কেথেৰিনৰ খং উঠিল; কেটেৰা মাৰি তেওঁ মোক ক'লে, 'এলেন, খিৰিকিখন জপাই দে। মই জাৰত কঁপি কঁপি মৰিব লাগিছোঁ, দেখা নাইনে?' এই বুলি কৈ তাই পানীছাই হৈ থকা জুহালৰ কাষলৈ চাপি গ'ল। কথা কেইটা কওঁতে তাই দাঁত কৰচিছিল।

হিণ্ডলেই তাইৰ হাতখনত ধৰি চাই ক'লে, "এইজনীৰ গা বেয়া। সেইবাবেই বোধহয় তাই যোৱা নিশা শুবলৈ নগৈ ইয়াত বহি থাকিল। কি যে অশান্তি! এইখন ঘৰত আকৌ কাৰোবাৰ অসুখ ওলোৱাটো মোৰ সহ্য নহ'ব। বৰষুণত তিতিবলৈ যাবলৈ তোক পাইছিলে কিহে?"

দুৰ্মুখ জোজেফে চেগ চায়েই আছিল। সি মাত লগালে, "কিহে পাব আৰু। আনদিনা যিহে পায়। ডেকা ল'ৰাৰ পিচত লাগিছে।"

"বাপু, তই কি মানুহ অ', জোজেফৰ পিনে চাই তেওঁ ক'লে, 'তোৰ ঠাইত যদি মই হলোঁহেতেন, এই গোটেই মখাকে মই দুৱাৰৰ বাহিৰ কৰি দিলোঁহেতেন। আন কথা নাই। যিদিনাই মই ঘৰত নাথাকিম, সেইদিনাই লিণ্টন ডেকাটি মনে মনে আহি সোমাবহি। আৰু তই নেলী, তয়ো এজনী ভাল মানুহ। তই পাকঘৰত বহি চাই থাকিবি— এমূৰে এই গৰাকী, সিমূৰে সেইজন— মুখামুখিকৈ বহি লৈ কি যে প্ৰেমালাপ! হিথক্লিফ নামৰ সেই চয়তান, অধমটোৰ লগত ৰাতি বাৰবজালৈকে মুকলি পথাৰত ঘূৰি ফুৰা এইবোৰ ভাল কাম বুলি কোনে ক'ব? তইঁতে ভাব, মোৰ চকুত

এবো পৰা নহি। মই কলা। পিচে মই কণা নহওঁ যেই। লিন্টনক অহা যোৱা কৰা মই দেখা পাইছিলোঁ। আৰু তই, (মোৰ ফাললৈ চাই তেওঁ ক'লে), মই বেটীয়ে বাটত খোঁৱাৰ খুৱাৰ শব্দ শুনিয়েই এইপিনে এই গৱাকীক দুৱাৰ মেলি দিবলৈ কোৱাও মই শুনিছিলোঁ।"

কেথেৰিনে খঙেৰে মাত লগালে, 'চুপ থাকহঁত। লুকাই চুৰকৈ পৰৰ কথাৰ ভাগ লৈ থকাটোৱেই হ'ল তহঁতৰ স্বভাৱ। মোৰ আগত দম্ভালি মাৰিবলৈ নাহিবিইক। হিণ্ডলে শুনা, এডগাৰ লিন্টন কালি হঠাতে আহি ওলাইছিল। আৰু তাক লবালৰিকৈ ঘূৰি যাবলৈ কলোঁ মই। কাৰণ তুমি তেতিয়া যি অৱস্থাত আছিলা, সেই অৱস্থাত তাক লগ পাবলৈ তুমি ইচ্ছা নকৰিলাঁহেতেন বুলি মই বুজি পাইছিলোঁ।'

কৰূণয়েকে মাত দিলে, 'তই যে মিছা মাতিছ, কেথি, সেইকথা মোৰ বুজিবলৈ বাকী নাই। তই হলি এক নম্বৰ আও গৰু। বাৰু, লিন্টনৰ কথা সম্প্ৰতি বাদ দে, এটা কথা তই মোক কচোন— যোৱা নিশা তই হিথক্লিফৰ লগত নাছিলিনে? সচাঁটো ক, তাৰ কিবা অপকাৰ হ'ব বুলি তই কথা লুকুৱাব নালাগে। মই তাক দুচকু পাৰি লেখিব নোৱাৰোঁ, সেইটো জনা কথা। পিচে অলপ দিন আগতে সি মোৰ এটা উপকাৰ নকৰা নহয়। সেই কথাকে বিবেচনা কৰি, তাৰ প্ৰতি মই কিছু দয়াপৰবশ হৈ লেখুৱাব পাৰোঁ— তাৰ মূৰটো বাৰু মই নাভাঙো। মোৰ কোপদৃষ্টিৰ পৰা ৰক্ষা পৰিবলৈকে, তাক মই আনি, এতিয়াই, এই ৰাতিপুৱাতে কামলৈ উলিয়াই পঠাম। সি ওলাই যোৱাৰ পিচত তোৰ লগত মই দৰকাৰী কথা বতৰা পাতিম।'

কেথেৰিনে জবাব দিলে, 'যোৱা নিশা মই হিথক্লিফক দেখাকে নাই।' কোৱাৰ লগে লগে তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। 'আৰু তুমি যদি তাক ঘৰৰ পৰা উলিয়াই পঠাব খুজিছাঁ, মও তাৰ লগতে ওলাই যাম। পিচে তাক ঘৰৰ পৰা বাহিৰ কৰি দিয়াৰ সুবিধাটো তুমি বোধহয় নাপাবা— সি গলেই বোধহয়।' কৈ অতালে নৰ্টালে, তাই হুক হুক কৈ কান্দিবলৈ ধৰিলে, কান্দোন নাথামেহে নাথামে।

হিণ্ডলেই তাইক বেচেকৈ এজাউৰি গালি দিলে, আৰু তাইক নিজৰ কোঠালৈ যাবলৈ হুকুম কৰিলে। বিনা কাৰণত তাই হিয়া ধাকুৰি কান্দি থকাটো তেওঁৰ সহ্য নহয় বুলিও শুনাবলৈ নাপাহৰিলে। মই বুজাই বঢ়াই তাইক তাইৰ নিজৰ কোঠালৈ যাবলৈ সৈমান কৰালোঁ, কিন্তু কোঠালৈ সোমায়েই তাই যিটোহে দৃশ্যৰ সূচনা কৰিলে তাক মই কস্মিন কালেও নাপাহৰোঁ। মই নিজে ভয় খালোঁ। কেথি আইটি হঠাতে বলীয়া হৈ পৰিল বুলি মোৰ ভাব হ'ল। লৰালৰিকৈ ডাক্তৰক খবৰ দিবলৈ যাবলৈ মই জোচেফক কাকুতি কৰিলোঁ।

ডাক্তৰ কেনেথে কেথিক দেখা মাত্ৰেই ক'লে যে তাই ভয়ানক ভাবে অসুস্থ। তাইৰ তেতিয়া জ্বৰ উঠিছিল। আচলতে তাইৰ বলিয়ালিৰ আৰম্ভণি হৈছিলেই।

ডাক্তৰে তাইৰ কিছু তেজ বাহিৰ কৰি দিলে, আৰু খাদ্যৰ ভিতৰত মাত্ৰ ছানা কটা গাখীৰ আৰু পনীয়া মণ্ড দিবলৈ ক'লে। তাই যাতে খটখটিয়েদি বাগৰি নিদিয়ে বা



খিৰিকিয়েদি বাহিৰলৈ জপিয়াই নিদিয়ে সেই বিষয়ে চকু ৰাখিবলৈ কলে। এইদৰে দিহা দি ডাক্তৰ গ'লগৈ, কাৰণ তেওঁৰ অনেক ৰোগীৰ ঘৰলৈ তেতিয়া যাব লগা আছিল। ইয়াৰ সিঘৰৰ মাজৰ দূৰত্বও তেতিয়া তিনি মাইলতকৈ কম নহয়।

মই যে খুব পকৈত শুশ্ৰূষাকাৰিণী আছিলোঁ তেনে নহয়। জোচেফ আৰু গৃহস্থজনে মই পৰাখিনিও কৰিব নোৱাৰে। যি কি নহওঁক, আমাৰ আটাইৰে যত্নত ৰোগী ক্ৰমাৎ ভালৰ ফাললৈ আহিল। ৰোগী হিচাপে কেথি আইটিৰ মেজাজ আছিল অত্যন্ত খিটখিটিয়া। তেওঁৰ ওচৰত বহি থকাটোও আছিল ক্লান্তিকৰ।

বৃদ্ধা লিন্টন আইদেউ আমাৰ ঘৰলৈ কেইবাবাৰো আহি খা-খবৰ লৈ সহায় সাবথি কৰি আছিল। সময়ত গালিও পাৰে, ঢমকিও দিয়ে, কামবনৰ দিহা দিও যায়। কেথেৰিনে গা টঙাবলৈ লোৱা দেখি তেওঁ তাইক 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'লৈ লৈ যাব খুজিলে। নেৰা নেপেৰাকৈ লাগিল। আমি ৰক্ষা পোৱা যেন পালোঁ। পিচে ভদ্ৰ মহিলাই নিজৰ এই উদাৰতাৰ বাবে পিচত অনুতাপ কৰিব লগা হ'ল। তেওঁ আৰু তেওঁৰ স্বামী উভয়ৰে গালে কেথেৰিনৰ জ্বৰ বাগৰিল, আৰু দুদিনমান আগাপিচাকৈ দুয়ো চকু মুদিলে।

কেথি আইটি আমাৰ লগলৈ আকৌ ঘূৰি আহিল। এইবাৰ তেওঁ আগতকৈয়ো বেচি খিংখিঙিয়া আৰু উদ্ধত হৈ আহিল। ধুমুহা বৰষুণৰ সেই সন্ধিয়াৰ পৰা হিথক্লিফৰ কোনো গুং সূত্ৰই পোৱা নগ'ল। এদিনাখন উখনা উখনি লাগি থাকোতে খং উঠিলত মই ক'লোঁ যে হিথক্লিফ আঁতৰি যোৱাৰ মূলতে তেওঁৱেই জগৰীয়া। তেতিয়াৰ পৰা কেইমাহলৈকে তাই মোৰ লগত কথা বতৰাই নপতা হ'ল— চাকৰণী হিচাপে মোক যি দুই এক আষাৰ মাতবোল কৰে সিমানেই। জোচেফকো নমতা হ'ল। কিন্তু তাক নামাতিলে কি হ'ব, সি আপোনমনে তাইক উদ্দেশ্য কৰি কথা কৈ থাকিব, যেনিবা তাই এজনী সৰু ছোৱালীহে। কেথিয়ে নিজকে এগৰাকী সম্ভ্ৰান্ত মহিলা আৰু আমাৰ কৰ্ত্ৰী বুলি ভাবি সেইদৰে আচৰণ কৰিবলৈ ললে। লগে লগে তেওঁ ভাবিবলৈও ললে যে অলপ আগতে অসুখত পৰি তেওঁ উঠিছেহে, তেওঁৰ প্ৰতি আমি বিশেষভাবে সদয় হৈ দেখুৱাব লাগে। ডাক্তৰেও ক'লে যোলে তেওঁৰ লগত বৰ খটিবাজ কৰা ভাল নহয়, যি দৰে ভাল পায় সেই দৰেই চলিবলৈ দিব লাগে। কোনোবাই তেওঁৰ কথাৰ ওপৰত মাত মাতিলেই তেওঁক মাৰিবলৈ ষড়যন্ত্ৰ কৰা হৈছে বুলি কেথিয়ে ভাবি লবলৈ ধৰিলে।

মিঃ আৰ্ণশ্ব আৰু তেওঁৰ লগৰীয়াবিলাকৰ পৰা কেথি দূৰে দূৰে থাকিবলৈ ল'লে। খং উঠিলেই তেওঁ ফিটিহে যাব খোজাৰ দৰে হয়। গতিক দেখি আৰু ডাক্তৰৰ কথাও মনত ৰাখি, কেথিয়ে যিহকে বিচাৰে তাকে কৰায়েকে বিনা বাক্যব্যয়ে দি দিয়া হ'ল। তাইৰ উত্তলা স্বভাৱত ঘিউ ঢালিবলৈ কোনো প্ৰস্তুত নাছিল। তাই যিহকে বিচাৰে তাকে আৰ্ণশ্বই লগে লগে দিয়ে মৰমত যে দিয়ে তেনে নহয়; আচলতে জেদত নাগিহে দিয়ে। লিন্টন পৰিয়ালৰ লগত সম্বন্ধ কৰি, নিজৰ পৰিয়ালৰ নাম যশ তাই বৃদ্ধি

কৰিব, এইটোৱেই আছিল তেওঁৰ আশা। বায়েকৰ পৰা এইদৰে প্ৰশ্ৰয় পাই থাকি তেওঁ আমাক দাস বন্দীৰ দৰে যেন ভবিবে গচকিহে ৰাখিব।

কেথেৰিনক পাই এড্গাৰ লিণ্টন ইমান মুগ্ধ হ'ল যে দেউতাকৰ মৃত্যুৰ তিনি বছৰ পিচত, গিমাৰটনৰ গীৰ্জালৈ তেওঁক বিবাহপাশৰ বাবে লৈ যাওঁতে তেওঁ নিজকে পৃথিৱীৰ আটাইতকৈ সুখী মানুহটো বুলি ভাবি লৈছিল।

মোৰ প্ৰবল আপত্তি সত্ত্বেও, 'বাদাবিং হাইট্চ' এৰি মই ইয়ালৈ কেথিৰ লগত আহিব লগা হ'ল। কণমানি হেয়াৰটনৰ তেতিয়া পাঁচ বছৰ মানহে বয়স। মই তাক বৰ্ণমালাখন শিকাবলৈ লৈছিলোঁহে মাথোন। এৰা এৰি হ'বৰ সময়ত আমি বেজাৰত কাতৰ হৈ পৰিছিলোঁ, পিচে কেথেৰিনৰ চকুৰ পানীৰ জোৰ আমাৰ চকুলোতকৈ বেচি বুলি প্ৰমাণিত হ'ল। মই ইয়ালৈ আহিব নোখোজা দেখি কেথিয়ে গৈ গিৰিয়েক আৰু ককায়েকক লগালে। গিৰিয়েকে মোক দৰমহা বহুত বঢ়াই দিব বুলি প্ৰলোভন দিলে। ককায়েকে ধমক দি মোক বাপেৰকালি সামৰি সুতৰি লৈ ওলাবলৈ ক'লে। গৃহিণী নহইকীয়া ঘৰত কোনো তিৰোতা মানুহ থকাটো তেওঁ হেনো নিবিচাৰে। হেয়াৰটনক কোনে চোৱাচিতা কৰিব বুলি ক'লত ক'লে বোলে সহকাৰী পাদুৰী জনৰ হাততে তাক লাহে লাহে গতাই দিয়া হ'ব। গতিকে মোৰ আৰু উপায় নাথাকিল। আহিবলৈ বাধ্য হলোঁ। এবাৰ কথা পিচে মই তেওঁক নুগুনোৱাকৈ নাথাকিলোঁ। মই ক'লোঁ যে নিজকে জাহান্নামৰ পথত আৰু অধিক বেগেৰে আগুৱাই নিবৰ বাবেহে সজ মতিৰ মানুহখিনিক ঘৰৰ পৰা এটা এটাকৈ বাজ কৰি দিয়া হৈছে। হেয়াৰটনক চুমা খাই মই বিদায় ল'লোঁ। তেতিয়াৰ পৰা সি মোৰ ওচৰত একেবাৰে অপৰিচিত হৈ পৰিল। এলেন ডীন নামৰ এগৰাকী মানুহে যে এদিন তাক নিজৰ প্ৰাণতকৈয়ো অধিক ভাল পাইছিল আৰু তেওঁ তাৰ একান্ত আপোন আছিল সেই কথা সি এতিয়া ভাবিবও নোৱাৰে। এইবোৰ স্বাভাৱিক কথা। সংসাৰত এনেকুৱাই হয়।

গৃহকৰ্ত্ৰীৰ কাহিনী এইখিনি পাওঁতেই, ঘড়ীৰ কাঁটালৈ চাই দেখো নিশা ডেৰ বাজি গ'ল। তেওঁ আৰু বহি থকাৰ কথা নুশুনিলে। আচলতে কাহিনীৰ পিচৰ ভাগ পিচত শুনিবলৈ থবলৈ মনো ইচ্ছা কৰিলোঁ। ইতিমধ্যে এলেন ডীন শুবলৈ গলেই। মও চাওঁচোন, এদুমটি মাৰিব পাৰোনে কি। মিহে মূৰ কামোৰণি, আৰু কামি হাড়লৈকে গাৰ বিষ। তথাপি......।

# ১০

নিৰ্জন বাসৰ কি যে সুন্দৰ পূৰ্বাভাস। চাৰি সপ্তাহ ধৰি এই উৎপীড়ন, টনা আজোৰা, বেমাৰ। আচৰিত শীতল বতাহ, ডাৱৰে ওন্দোলোৱা উত্তৰ আকাশ, অগম্য বাটাঘাট, আৰু গাঁৱৰ এলেহুৱা ডাক্তৰ। মানুহ দুনুহ এটা দেখা পাবলৈ বুলিবলৈ নাই, তাৰ ওপৰত আকৌ ডাক্তৰ কেনেথৰ সাৱধানবাণী— বসন্তকাল আৰম্ভ নোহোৱালৈকে ঘৰৰ বাহিৰ ওলোৱা নিষেধ। মজাৰ পৰিস্থিতি!

মিঃ হিথ্‌ক্লিফে এই মাত্ৰ মোক দেখাকৰি গ'লহি। সাদিনমানৰ আগতে তেওঁ মোলৈ কেইজোৰমান কাম চৰাই দি পঠাইছিল। এইবাৰলৈ বোলে শেষ, পাৰলৈ আৰু নহ'ব। অহা বছৰলৈ ৰ'ব লাগিব। পাষণ্ড! মোৰ এই বেমাৰৰ বাবে সি সম্পূৰ্ণ নিৰ্দোষ নহয়। কথাটো তেওঁক কবৰ বৰ মন গৈছিল। কিন্তু কওঁনো কেনেকৈ? ভদ্ৰলোক আহি মোৰ নবীয়াপাটিৰ ওচৰত পুৰা এঘণ্টা বহি গৈছে— তেনে এজন লোকক নো টান কথা এষাৰ শুনাওঁ কেনেকৈ! তদুপৰি তেওঁ দৰৱ জাতি, ঔষধ পথ্য, খজুৰতি, বেজজানী— এইবোৰৰ কথা পতাই নাছিল।

এই সময়কণ ভাল লাগিছে। পঢ়াশুনা কৰিব নোৱাৰোঁ এতিয়াই, বৰ দুৰ্বল হৈ আছোঁ; কিন্তু মনোগ্ৰাহী কিবা এটা নিশ্চয় উপভোগ কৰিব পাৰিম। মিচেচ ডীনক তেওঁৰ কাহিনীটোকে শেষ কৰিবলৈ চোন ক'ব পাৰি। তেওঁ কৈ যোৱা মতে, প্ৰধান প্ৰধান ঘটনাবোৰ মোৰ মনত আছে। ঠিক মনত পৰিছে, কাহিনীৰ নায়ক ঘৰ এৰি গুচি গ'ল, আৰু পিচৰ তিনি বছৰলৈকে তেওঁৰ কোনো খবৰ বাতৰি নাই। নায়িকাৰ বিয়া হৈ গ'ল। ঘণ্টি টিপি মিচেচ ডীনক মাতিব লাগিল— মোক বেচ আনন্দ মনেৰে কথা বতৰা পাতিব পৰা হোৱা দেখিলে তেওঁ ভালেই পাব।

মিচেচ ডীন আহি মোৰ ওচৰ পালে।

'ঔষধটো খাবলৈ আৰু কুৰি মিনিট সময় ৰ'ব লাগিব, মহাশয়'— তেওঁ প্ৰথমেই মাত লগালে।

'ঔষধৰ কথা থওক। মোৰ ইচ্ছা হ'ল—''

'ডাক্তৰে কৈছে বোলে আপুনি গুলি দৰৱবোৰ বন্ধ কৰিব লাগে।' 'নিশ্চয়, পৰম আনন্দৰে কৰিম। মই কি ক'ব খুজিছোঁ শুনক। মোৰ কাষলৈ আহি ইয়াতে বহক। দৰৱৰ বটলৰ পৰা হাত গুচাওক। আপোনাৰ চোলাৰ জেপৰ পৰা গোঠনিখন উলিয়াই লওঁক, আৰু আগতে এবাৰ পৰা এতিয়ালৈ মিঃ হিথ্‌ক্লিফৰ কাহিনী কৈ যাওক। ঘৰৰ

পৰা ওলাই সি ক'লৈ গ'ল? বিদেশত গৈ শিক্ষা সমাপ্ত কৰি বেচ ভৱা গৱা পুৰুষ হৈ ঘূৰি আহিল নে কি? বিশ্ববিদ্যালয়ত পঢ়িবলৈ সি জলপানী পাইছিলনে? নে সি আমেৰিকালৈ গৈ তাত টকাই টকা কৰিলে? নে ইংলেণ্ডত বাটাত ডকাইতি কৰি অতি সহজে ধনকুবেৰ হ'ল?

"মিঃ লকউদ, সি এইবোৰৰ প্ৰত্যেকটোতে অলপমানকৈ হলেও বোধহয় নলগাকৈ নাছিল। পিচে মই চিনাংকৈ একো ক'ব নোৱাৰোঁ দেই। সি টকা ক'ত পালে মই নাজানোঁ বুলি আগতে কৈছোঁৱেই। অজ্ঞান অন্ধকাৰৰ পাট নাদৰ পৰা নিজৰ মনটো উদ্ধাৰ কৰিবলৈকে বা টকা সি ক'ত কেনেকৈ পালে সেই কথাও মোৰ অগোচৰ। পিচে, আপোনাৰ সন্মতি সাপেক্ষে, মই জনাখিনি মোৰ মতে কৈ যাব খুজিছোঁ। মাত্ৰ কাহিনীটো শুনি আপুনি বিৰক্তি নাপাই আমোদ পালেই হ'ল। আজিপুৱা আপুনি গাটো কিছু ভাল পাইছেনে বাৰু?"

'বহুত ভাল পাইছোঁ।'

'সেইটো খবৰহে মোক লাগে।'

কেথেৰিন আইটিৰ লগত মই 'থাচক্ৰচ গ্ৰেঞ্জ'লৈ গলোঁ।

তেওঁৰ মোৰ প্ৰতি আচৰণো আগতকৈ বহুত সদয় হ'ল। দেখি মই ভাল পালোঁ, হতাশো হ'লোঁ। আইটিয়ে লিণ্টনক অতিশয় ভাল পাইছিল যেন মোৰ ভাব হ'ল। তেওঁৰ ননীয়েকৰ প্ৰতিও কেথেৰিনে খুব মৰম সনৰ দেখুৱাইছিল। ককায়েক ননীয়েক দুয়ো কেথিৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি অনবৰত তৎপৰ আছিল। কিন্তু পাৰস্পৰিক বুজাপৰা যে কিবা এটা হৈছিল মোৰ তেনে ভাব নহয়। কেথিয়ে নিজৰ জিদ পূৰামাত্ৰই বজাই ৰাখিছিল— তাইৰ গিৰিয়েক আৰু ননদেহে তাইৰ ওচৰত সেও মানি চলিছিল। এনেবোৰ ক্ষেত্ৰত ৰূঢ় আচৰণৰ কথাই নুঠে, কাৰণ প্ৰতিবন্ধকতা আৰু অনীহাৰ সন্মুখীন হ'ব লগা নহলে আচৰণৰ কৰ্কশতানো কোনে দেখুৱাবলৈ যাব?

এটা কথা মই লক্ষ্য কৰিছিলোঁ। গৃহিণীয়েকৰ মনৰ প্ৰফুল্লতা ক'ৰবাত কিবা কাৰণত ম্লান পৰে বুলি এচ্‌গাৰ লিণ্টনৰ পেটে পেটে বৰ ভয়। পিচে এই ভাবটো তেওঁ কেথিৰ পৰা লুকুৱাই ৰাখিছিল। কিন্তু কেথিৰ কিবা কথাত মই বা আন চাকৰ চাকৰণী কোনোবাই যদি মুখে মুখে উত্তৰ দিয়া শুনিলে, তেন্তে তেওঁৰ কপালৰ গাঠি থোপা খালে। তাৰ পৰাই বুজিব লাগিব যে তেওঁ বেয়া পাইছে। তেওঁৰ নিজৰ ক্ষেত্ৰত কিন্তু এনেকুৱা প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা আমি দেখা নাছিলোঁ। মোৰ মুখৰা প্ৰকৃতিৰ বাবে তেওঁ মোক অনেকবাৰ বকিছে। তেওঁ আমাক স্পষ্টকৈ কৈছিল যে কেথিক বিৰক্ত কৰিলে বা তেওঁৰ খং তোলালে তেওঁ (লিণ্টনে) যিমান দুখ পায়, তৰোৱালেৰে খোচ এটা মাৰিলেও তেওঁ সিমান দুখ নাপাব।

এনে এগৰাকী মৰমিয়াল গৃহস্থৰ খং তোলোৱাৰ ইচ্ছা মোৰ একেবাৰে নাছিল। সেইবাবে মই সাধাৰণ কথাবোৰত খংখোৱা স্বভাৱটো যিমান পাৰি দমাই ৰাখিবলৈ ললোঁ। ছমাহ মান কেথিয়ে বৰ শান্ত আৰু সংযত ভাবে দিন কটালে, কাৰণ তেওঁৰ



খং তোলাৰ অৱকাশ আমি ওলাবলৈকে দিদিছিলোঁ। মাজে মাজে তেওঁ বেজাৰত মনমাৰি মাতবোল নকৰাকৈ বহি থাকিছিল। গিৰিয়েকে তেনে পৰিস্থিতিত সহানুভূতিশীল নীৰৱতা অৱলম্বন কৰি তেওঁৰ প্ৰতি যেন সমাদৰহে দেখুৱাইছিল। লিণ্টনৰ মতে অসুখৰ বাবে হোৱা দুৰ্ব্বলতাৰ কাৰণেই তেওঁৰ পত্নীয়ে হতাশা আৰু নিৰানন্দৰ কবলত পৰি ভুগিব লগা হৈছিল— মানসিক বিষণ্ণতাত তেওঁ আগতেতো ভোগা নাছিল। তেওঁৰ মনলৈ প্ৰফুল্লতা ঘূৰি আহিলে লিণ্টনৰ মনতো প্ৰফুল্লতা ফুটি উঠিছিল। মোৰ দৃঢ় বিশ্বাস যে তেওঁলোক দুয়ো গভীৰৰ পৰা গভীৰতৰ হৈ গৈ থকা এক সুখানুভূতিত আকণ্ঠ ডুবি গৈ আছিল। পিচে এই সুখানুভূতিবো এদিন ওৰ পৰিল। এনেকুৱা হয়েই। মানুহৰ আচল চৰিত্ৰ লুকাই নাথাকে —এদিন নহয় এদিন সি ওলাই পৰেই। নম্ৰ আৰু সহিষ্ণু প্ৰকৃতিৰ লোকসকলো আনৰ ওপৰত প্ৰভুত্ব খটাবলৈ বিচৰা বোৰতকৈও বোধহয় সেচিকৈহে আৰু যুক্তিসংগত ভাবে আত্মকেন্দ্ৰিক। এওঁলোকৰ ক্ষেত্ৰতো সেয়ে দেখা গ'ল— এটা সময়ত তেওঁলোকৰ নিজৰ নিজৰ মনত এই কথা স্পষ্ট হৈ পৰিল, যে এগৰাকীৰ ভাব চিন্তাৰ কেন্দ্ৰ আনগৰাকী প্ৰকৃততে নহয়।

চেপ্তেম্বৰ মাহৰ এদিন এটা মনকাল সন্ধিয়া বেলাত মই বাগিচাৰ পৰা এপাচি আপেল চিঙি লৈ ঘৰলৈ ঘূৰিছোঁ। পাচিটো বেচ গধুৰ হৈছিল। সাজ লাগিবৰ হৈছিল। ইতিমধ্যে জোনৰ পোহৰ চোতালৰ চুকে কোণে বিয়পি পৰিছিল। পাকঘৰৰ ওচৰৰ খটখটিতে মই পাচিটো নমালোঁ আৰু অকণমান সময় উশাহ সলাই লবলৈ বুলি বহিলোঁ। কোমল, মৃদু বতাহ বলিছিল। মোৰ দৃষ্টি জোনটোত আবদ্ধ আছিল। প্ৰবেশ পথলৈ পিঠি দি মই থিয় দি আছিলোঁ, তেনেতে পিচফালৰ পৰা কোনোবাই নাম ধৰি মতা শুনিলোঁ ঃ

'সেইখিনিত থিয় দি থকাজনী নেলী নহয় নে?'

মাতষাৰ আছিল গলগলীয়া, সুৰটো অপৰিচিত। তথাপিতো মোৰ নামটো উচ্চাৰণ কৰাৰ ধৰণটোত এনে কিবা এটা আছিল যে মোৰ চিনাকি চিনাকি লাগিল। কোনেনো মাতিছে বুলি মই ঘূৰি চালোঁ, ভয়ে ভয়েহে ঘূৰি চাইছিলোঁ, কাৰণ দুৱাৰবোৰ জপাই থোৱা আছিল আৰু তেনে অৱস্থাত কোননো আহিব পাৰে বুলি মোৰ মনত শংকা হৈছিল। পিচে মই কাকো দেখা নাপালোঁ।

বাৰান্দাত কোনোবা এটাই ইফালে সিফালে অহা যোৱা কৰি থকা দেখিলোঁ। ওচৰ চাপি গৈ দেখোঁ, এজন ওখ পাখ মানুহ, পিন্ধনত ক'লা সাজ এযোৰ। মুখখনো ক'লা, চুলিবোৰো ক'লা। তেওঁ একাষে হাউলি, দুৱাৰৰ খিলিটোত হাত দি বৈ আছিল, যেন দুৱাৰখন খুলিবহে খুজিছিল।

'কোননো হ'ব এইজন?' মই মনে মনে ভাবিলোঁ। 'মিঃ আৰ্ণশ্ব নে কি? এহ, নহয়। মাতটোৰ মিল নাই।'

আগন্তুকে মাত লগালে, "মই এঘণ্টা পৰ বৈ আছোঁ। চাৰিওপিনে নিমাত নিতাল।

মই সোমাবলৈ সাহ কৰা নাই।" মই মানুহজনক চিনি নাপাই তেওঁৰ মুখলৈ থৰ লাগি চাই আছোঁ।

"মোক চিনি পোৱা নাই? ভালকৈ চা, মই অচিনাকি মানুহ নহয়।"

জোনৰ পাতল পোহৰ মানুহজনৰ গাত পৰিছিল। গাল দুখন তেওঁৰ শেতাঁ; গোফেৰে আধা ঢাক খোৱা। ভ্ৰূ যুগল বিয়পি পৰা, চকুদুটা দলৈ সোমোৱা, আৰু সাধাৰণ লোকৰ চকুতকৈ যেন কিবা বেলেগ— দেখিলে তেনে ভাব হয়। হঠাতে মোৰ চকুহাল কাৰ মনত পৰিল।

মই পৰম বিস্ময়ত চিঞৰি দিলোঁ— 'এ, তই? তই আহিছ?' মানুহজন যে এই জগতৰ বাসিন্দা মোৰ সন্দেহেই হৈছিল। 'সঁচাকৈয়ে তয়ে হয়? হয়নে ক।'

"হয়, হয়, মই হিথ্‌ক্লিফেই। তোৰ ভুল হোৱা নাই।"

এইবুলি কৈ সি খিৰিকিৰ ওপৰলৈ চালে— তাত তেতিয়া পাতল জোনাক পৰিছিল। কিন্তু ভিতৰ ফালে কোনো পোহৰৰ আভাস নাছিল। খন্তেক ৰৈ সি সুধিলে, "সিহঁত ঘৰত আছেনে? তাই ক'ত? নেলী, মই ঘূৰি আহিলত তই বৰ স্ফূৰ্তি পোৱা নাই, নহয়? তই চিন্তা কৰিব নালাগে। তাই ইয়াতে আছেনে? ক। মই তাইৰ লগত, অৰ্থাৎ তোৰ গৃহকৰ্ত্ৰীৰ লগত মাত্ৰ এটা কথা পাতিম। যা, কগৈ, যে গিমাৰ্টনৰ পৰা এজন মানুহ আহিছে, তেওঁক দেখা কৰিবলৈ বিচাৰিছে।'

মই উত্তেজিত কণ্ঠে কলোঁ, 'তেওঁ বা এই খবৰটো কি ভাবে লয়! খবৰটো শুনি তেওঁ কি কৰিব মই ভাবিয়েই পোৱা নাই। ইমান আচম্বিতে ওলাইছহি— মোৰে কি কৰোঁ কি নকৰোঁ লাগি গৈছে— তেওঁ যে একেবাৰে কিংকৰ্তব্যবিমূঢ় হৈ পৰিব। এৰাতো, তই হিথ্‌ক্লিফেই হয়, সন্দেহ নাই। পিচে বহুত সলনি হলি। তোক দেখিলে আগৰ মানুহটো বুলি চিনিহে টান। কৰবাত চিপাহী চক্ৰৱী হৈছিলি গৈ নে কি?"

অধৈৰ্য হৈ সি ক'লে, "মই কৈছো নহয়, যা। খবৰটো দেগৈ। নিদিয়মানে মোৰ শান্তি নাই।"

এইবুলি কৈয়েই সি দুৱাৰৰ খিলি খুলিলেই। মই ভিতৰলৈ সোমাই গলোঁ। কিন্তু ভিতৰৰ বহা কোঠাতোত লিণ্টন দম্পতিক দেখা পাই মোৰ গতি যেন স্থিৰ হৈ গ'ল, মই আগবাঢ়িব নোৱৰা হলোঁ।

শেহত গৈ থৈ মমবাতি কেইডাল জ্বলাই দিব লাগিব নে কি বুলি মই তেওঁলোকক সুধিলোঁ আৰু দুৱাৰখন মেলি দিলোঁ।

তেওঁলোক দুয়ো এখন খিৰিকিৰ ওচৰত বেৰৰ ফালে পিঠি দি বহি আছিল। দূৰৈত, বাগিচাৰ গছগছনি আৰু সেউজ বনানীৰ সিপাৰে, গিমাৰ্টন উপত্যকাটো দেখা পোৱা গৈছিল। তাঠ কুঁৱলীৰ আবৰণ এটা যেন অকাই পকাই ওপৰলৈ উঠিছিল। এই কুঁৱলীৰ ৰূপালী দৌলৰ ঊৰ্দ্ধত 'বাদাৰিং হাইট্চ' দৃষ্টি গোচৰ হৈছিল— কিন্তু আমাৰ পুৰণা ঘৰটো দেখা নগৈছিল, সেইটো ঘৰ বিপৰীত দাঁতিত পৰিছিল।



কোঠাটোত, বহি থকা দম্পতি যুগলৰ মনত, আৰু উভয়ে উপভোগ কৰি থকা সেই নৈসৰ্গিক দৃশ্যত যেন কিবা এক অপূৰ্ব প্ৰশান্তি বিৰাজ কৰিছিল। সেই শান্তি ভংগ কৰিবলৈ মোৰ মত নগ'ল। দিব লগা খবৰটো দিবলৈ মই সাহ কৰিব নোৱাৰিলোঁ। সেইবাবে, মমবাতি কেইডাল জ্বলোৱা কথাটো সুধিয়েই মই ওলাই যাব খুজিছিলোঁ, কিন্তু হঠাতে মই এটা ভুল কৰিবলৈ ওলাইছোঁ বুলি মোৰ উপলব্ধি হ'ল। আৰু সেইবাবে, মুখ ঘূৰাই, মুখৰ ভিতৰতে ভোৰভোৰাই কোৱাদি ক'লোঁ, 'আইটি, গিমাৰ্টনৰ পৰা কোনোবা এজন আহিছে, তোমাক লগ পাব খোজে।'

'তেওঁক কি লাগে?' কেথিয়ে মোক সুধিলে।

'মই সোধা নাই।'

"হ'ব বাৰু। পৰ্দাবোৰ পেলাইদে নেলী। চাহ আনচোন। মই তৎক্ষণাত আহিম।"

এই বুলি কৈয়ে কেথি কোঠাটোৰ পৰা ওলাই গ'ল। মানুহজননো কোন এডগাৰ লিণ্টনে মোক সুধিলে। সুধিব লাগে বাবেই সোধা যেন লাগিল, কাৰণ তেওঁৰ প্ৰশ্নত ঔৎসুক্যৰ কোনো ভাব প্ৰকাশ পোৱা নাছিল।

'আইদেৱে লগ পাবলৈ নিবিচৰা মানুহ এজন আহি ওলাইছে। হিথ্‌ক্লিফ নামৰ মানুহ এজনক আপোনাৰ নিশ্চয় মনত আছে, মহাশয়। মিঃ আৰ্ণশ্বৰ ঘৰত যে আছিল।'

'কি কৈছ? সেই অঘৰী, হালোৱা ল'ৰাটো? সিয়েই আহিছে বুলি তই কেথিক নকলি কিয়?"

'মনে মনে থাকক, মহাশয়। সেইবোৰ নামেৰে তেওঁক আৰু নামাতিব। আইদেৱে আপোনাৰ মুখত এইবোৰ কথা শুনিলে মৰ্মান্তিক দুখ পাব। সি পলাই যাওঁতে তেওঁৰ হিয়া ভাগি যোৱাৰ দৰে হৈছিল। এতিয়া সি ঘূৰি আহিলত তেওঁৰ মন আনন্দ উল্লাসেৰে ভৰি পৰিব।'

মিঃ লিণ্টন কোঠাটোৰ এটা দাঁতিলৈ খিৰিকি এখনৰ কাষলৈ গ'ল আৰু বাহিৰৰ খাঁহনি ডবালৈ মূৰ উলিয়াই চাই ৰ'ল। খিৰিকিৰে বোধহয় কেথি আৰু হিথ্‌ক্লিফক তেওঁ দেখা পালে, কাৰণ মই তেওঁক কোৱা শুনিলোঁ, "সোণজনী, তাত ৰৈ নাথাকিবা। অহাজন যদি দেখৰ মানুহ হয় তেন্তে তেওঁক ভিতৰলৈকে লৈ আহাঁ।'

তেওঁৰ কথা শেষ হ'ল কি নহ'ল, দুৱাৰৰ খিলি খটক কৰা শব্দ মোৰ কাণত পৰিলেই। কেথেৰিন ওপৰ মহলালৈ উৰি অহাদি আহিল। একেবাৰে উধাতু খাই আহিছে, উত্তেজনাত তেওঁৰ উশাহ নিশাহ বন্ধ হোৱাৰ অৱস্থা। ইমান উত্তেজিত যে তেওঁৰ আনন্দ তেওঁৰ মুখত ফুটি উঠা নাছিল। বৰং তেওঁক দেখিলে ভাব হ'ব যেন কৰবাত কিবা অঘটন এটাহে ঘটিল।

যোঁপাই জোপাই আহি তেওঁ এডগাৰক ডিঙিত সাবট মাৰি ধৰি উত্তেজিত হৈ ক'লে, 'শুনাচোন শুনা, হিথ্‌ক্লিফ ঘূৰি আহিছে। হিথ্‌ক্লিফ আহিছে।' কৈ কৈ তেওঁ গিৰিয়েকৰ ডিঙিৰ সাবটটো ইমান টান কৰিলে যেন তেওঁক চেপি মাৰিবহে খুজিছে।

গিৰিয়েকে অলপ টান মাতেৰে ক'লে, ''ভাল হৈছে, হিথ্‌ক্লিফ ঘূৰি আহিছে। সেইবুলি এতিয়া মোক চেপি মাৰিবানে? হিথ্‌ক্লিফক্তো মই কেতিয়াও ইমান টুকুলা বুলি ভৱা নাছিলোঁ। ইমান উত্ৰাৱল হ'বলৈ কি হৈছে?'

কেথিয়ে উত্তৰ দিলে, 'তুমি যে তাক ভাল পোৱা নাছিলা সেইটো মই ভালকৈ জানো।' কথাষাৰ কওঁতে তেওঁ আনন্দৰ অধীৰতা যেন কিছু শাম কটাই ললে। 'তথাপিতো, অন্ততঃ মোৰ বাবেই, তোমালোক দুজনৰ মাজত এতিয়া বন্ধুত্বৰ ভাব হ'ব লাগিব। তাক ওপৰলৈ আহিবলৈ কওঁনে?'

'ইয়ালৈ? এই চ'ৰাঘৰৰ মজিয়ালৈ?'

'নহ'লে কলৈ?' কেথিয়ে উত্তৰ দিলে।

এডগাৰে বৰ বিৰক্তি পোৱা যেন লাগিল। তেওঁ ক'লে যে হিথ্‌ক্লিফক পাকঘৰলৈকে মাতি নি বহুৱাব পাৰে।

লিণ্টনৰ কথা শুনি কেথিয়ে তেওঁলৈ এনে এক মস্কৰাৰ দৃষ্টিৰে চালে যে এডগাৰৰ আকোৰ গোঁজালি দেখি তেওঁ হাঁহিবই নে কান্দিবই ক'ব নোৱৰা ভাব এটা তাত ফুটি উঠিল।

'নহ'ব', কেথিয়ে উত্তৰ দিলে। 'মই গৈ পাকঘৰত বহিব নোৱাৰোঁ। এলেন, ইয়াতে দুখন মেজ আনি পাৰ। এখন তোৰ গৃহস্থ আৰু ইজাবেলাৰ বাবে; তেওঁলোক সম্ভ্ৰান্ত পৰ্যায়ৰ লোক, তেওঁলোকৰ বাবে সুকীয়া মেজ। আনখন মোৰ আৰু হিথ্‌ক্লিফৰ বাবে। আমি তলৰ মানুহ, আমাৰ বাবেও সুকীয়া মেজ। হ'বনে সেইলৰে কৌৱাচোন, মোৰ সোণটো। নে মই অন্য কৰবাত জুই একুৰা ধৰাব লগিব? লাগিব যদি কোৱাঁ। মই তললৈ নামি গৈ মোৰ আলহীক লগ দিওঁগৈ। মোৰ যে ইমান আনন্দ লাগিছে— এই আনন্দ সচাঁ বুলি ভাবিবলৈ টান পাইছোঁ।'

এই বুলি কৈয়েই তেওঁ আকৌ বিজুলী সঞ্চাৰে যাবলৈ ওলাইছিল। এডগাৰে পিছে বাধা দি ৰাখিলে। মোলৈ চাই তেওঁ ক'লে, ''তই গৈ তাক ওপৰলৈ মাতি আন।'' আৰু কেথেৰিনক ক'লে, 'কেথি, সি ঘূৰি আহিলত তোমাৰ মনত খুব আনন্দ লাগিছে, ভাল কথা; পিচে অলপ মাত্ৰাজ্ঞান বজাই চলিলে ভাল হয়। তোমালোকৰ পলাতীয়া চাকৰ এটাক তুমি এতিয়া ভাই হিচাপে আদৰিবলৈ ওলাইছা— সেই বুলিয়েই যে গোটেই ঘৰখনেই তোমাৰ ছেৱতে নাচিব লাগিব তাৰ কোনো মানে নাই।''

মই তললৈ নামি গলোঁ। গৈ দেখো যে হিথ্‌ক্লিফ বাৰান্দাত ৰৈ আছে। স্বাভাবিকতেই, তাক ভিতৰলৈ মাতি নিব বুলি সি ভাবি আছে। কোনো বাক্যব্যয় নকৰাকৈ সি মোৰ আঙুলিৰ ঠাৰ বুজি পিছে পিছে ওপৰলৈ উঠি আহিলে, আৰু মই নি তাক কেথি আৰু তাইৰ গিৰিয়েকৰ আগত থিয় কৰাই দিলোঁ। তেওঁলোক দুজনৰ ৰঙাচিঙা পৰি থকা গালমুখ দেখিয়েই দুয়োৰে মাজত বেচকৈ এখন থকাখুন্দা লাগি গৈছে বুলি বুজিব পাৰি। কিন্তু হিথ্‌ক্লিফক দুৱাৰমুখত দেখা পায়েই কেথিৰ মুখমণ্ডল অন্য এটা ভাবত আকৌ জিলিকি উঠিল। তেওঁ প্ৰায় জপিয়াই যোৱাদি গৈ হিথ্‌ক্লিফৰ



হাত দুখনত ধৰি তাক লিণ্টনৰ ওচৰলৈ লৈ গ'ল, আৰু লিণ্টনৰ হাত দুখনত তাৰ হাত দুখন লগাই দিলে। হিথ্‌ক্লিফৰ লগত যে কৰমৰ্দন কৰিবলৈ লিণ্টনৰ একান্ত অনিচ্ছা সেই কথা তেওঁৰ মুখৰ ভাব দেখিয়েই মই বুজিব পাৰিছিলোঁ।

জুই আৰু মমৰ পোহৰত তেতিয়াহে মই হিথ্‌ক্লিফৰ মুখখন ভালকৈ দেখিবলৈ পালোঁ। তাৰ শৰীৰৰ পৰিবৰ্তন দেখি মই তবধ মানিলোঁ।

সি আগৰ হিথ্‌ক্লিফ হৈ থকা নাছিল, সি বেচ ওখ পাখ, গায়ে গাৰিয়ে নিপোটল আৰু আটিল চেহেৰাৰ হ'ল। তাৰ ওচৰত থিয় দিলে লিণ্টনক তেনেই লেৰেলা চেপেটা আৰু চুটি চাপৰ যেন লগা হ'ল। তাক মূৰ পোনাই খোজকাঢ়ি গৈ থকা দেখিলে সি কেতিয়াবা সৈন্য বাহিনীত আছিল বুলিহে ধাৰণা হ'ব। মুখৰ আঁহ পাহ দেখিলে সি যে লিণ্টনতকৈ বয়সে ডাঙৰ সেই কথা সহজে বুজা যায়। তাৰ মুখত এক বুদ্ধিদীপ্ত ভাব ফুটি উঠিছিল; দেখিলে বুৰ্বক যেন লগা আগৰ ভাবটো আঁতৰিল। ভ্ৰূযুগলত অৰণো কিবা এক হিংস্ৰতাৰ ভাব লুকাই থকা যেন লাগিছিল। গভীৰ হ'লা চকুহালতো এক আদিম বৰ্বৰতাৰ চাপ যেন স্পষ্ট হৈছিল। তাৰ আচৰণ ঠিক নম্ৰনীয় বুলি কোৱা নগলেও পূৰ্ব্বৰ কৰ্কতা তাত নাছিল; বৰঞ্চ সামগ্ৰিক ভাবে এক সম্ভ্ৰম বোধহে তাৰ কথাবতৰাত প্ৰতিফলিত হৈছিল।

তাক এই নতুন ৰূপত দেখি মই যিমান আচৰিত হৈছিলোঁ, মোৰ মালিক লিণ্টন তাতকৈ বেচি হলেও কম আচৰিত হোৱা নাছিল। এসময়ত হালোৱা ল'ৰা আখ্যা দিয়া মানুহটোক এতিয়া কি বুলি সম্বোধন কৰিব ভাবি তেওঁ বিমোৰত পৰিল। হিথ্‌ক্লিফে লিণ্টনৰ নিশকতীয়া হাতখন এৰি দিলে, আৰু নিৰ্বিকাৰ ভাবে তেওঁলৈ চাই থিয় দি ৰ'ল।

কেইই ছেকেণ্ডমানৰ পিচত লিণ্টনে মাত লগালে ঃ 'বহক, মহাশয়, বহক। আগৰ দিনৰ কথা সুমৰণ কৰি মোৰ পৰিবাৰে আপোনাক মই পৰম আন্তৰিকতাৰে অভ্যৰ্থনা জনোৱাটো বিচাৰে। নকৰলেও হ'ব, মোৰ পৰিবাৰে ভালপোৱা যি কোনো কামকে কৰিবলৈ মই সদায় আগ্ৰহী।'

'মইয়ো', হিথ্‌ক্লিফে উত্তৰ দিলে। 'বিশেষকৈ মই ভাগ ল'ব লগা কিবা কাম যদি থাকে তেনে কামৰ দ্বাৰা তেওঁৰ মনত সন্তোষ দিবলৈ মই সদায় তৎপৰ। মই আজি পৰম আনন্দেৰে ইয়াত দুঘণ্টামান কটাই যাম।'

হিথ্‌ক্লিফ কেথেৰিনৰ মুখামুখিকৈ বহিল। তাই তাৰ মুখলৈ এনেদৰে থৰ লাগি চাবলৈ ললে যেন তাইৰ চাৱনিটো আঁতৰাই নিলেই সি কৰবাত অন্তৰ্ধান হ'ব। সি ঘৰকৈ মূৰ তুলি তাইলৈ চোৱা নাছিল। কটাক্ষ দৃষ্টিপাত একেটাই যথেষ্ট বুলি বোধহয় সি ভাবিছিল। কিন্তু প্ৰতিটো কটাক্ষপাততে যেন ফুটি উঠিছিল তাইৰ সান্নিধ্য লাভত পোৱা তাৰ অপৰিসীম আনন্দ।

হিথ্‌ক্লিফ আৰু কেথি উভয়ে উভয়ৰ সান্নিধ্যৰ আনন্দত ইমান নিমগ্ন হৈ পৰিছিল যে তেওঁলোকে সংসাৰখনকে পাহৰি যোৱা যেন হৈছিল। কিন্তু এডগাৰ লিণ্টনৰ কথা

সুকীয়া ঃ তেওঁ ইমান অস্বস্তি পাইছিল যে তেওঁৰ মুখ শেঁতা আৰু বিবৰ্ণ হৈ পৰিছিল। এটা সময়ত কেথি বহাৰ পৰা উঠিল, আৰু কাৰ্পেটখন গচকি পাৰ হৈ হিথক্লিফৰ ওচৰলৈ গৈ, তাৰ হাতদুখন নিজৰ হাতত লৈ হাঁহিত আপোন পাহৰা যেন হৈ ক'লে—

''কহিলে এই আটাইবোৰ মোৰ সপোন যেন লাগিব। তোকযে আকৌ এবাৰ লগ পালোঁ, তোৰ লগত কথা পাতিলোঁ, তোক আনকি স্পৰ্শও কৰিলোঁ— এইবোৰ কথা মই কালিলৈ বিশ্বাস কৰিবকে নোৱাৰিম। তই যে কিমান নিষ্ঠুৰ, হিথক্লিফ। তই এই আদৰ আপ্যায়ন পোৱাৰ যোগ্যই নহয়। তিনিবছৰ মোৰ পৰা আঁতৰি আছ, খবৰ নাই, খাতি নাই, মোলৈ মনতো পৰা নাই।'

সি মুখৰ ভিতৰতে অস্পষ্টকৈ ক'লে, 'তই মোৰ বাবে ভবাতকৈ কিজানি মই তোৰ কথা অলপ বেছি ভাবিছোঁ। অলপ দিনৰ আগতেহে, কেথি, মই তোৰ বিয়াৰ খবৰ শুনিবলৈ পাইছোঁ। আজি তলৰ চোতালত ৰৈ থাকোঁতে ভাবি থৈছিলোঁ যে তোৰ মুখখন এবাৰ চাবেই তোক দেখি ভালপোৱা যেন ভাও কৰি দেখুৱাই আঁতৰি যাম; তাৰ পিছত হিণ্ডলেৰ লগত মোৰ বজা দফা হ'ব, আৰু তাকে কৰি, আপোনঘাতী হৈ আইনৰ মেৰপাকৰ পৰা সাৰি যাম। পিচে তই উলহৰ মাদলি হৈ ইমান আন্তৰিকতাৰে মোক সোধপোচ কৰাৰ পিচত মোৰ মনৰ পৰা সেই ভাব আঁতৰিল। মই কিন্তু তোক সাৱধান কৰি দিছোঁ— ইয়াৰ পিচৰ বাৰ তোক বেলেগ ৰূপত দেখিবলৈ পালে মই কিন্তু সুদাই নেৰিম। আকৌ এবাৰ তই মোক খেদাই পঠাব নোৱাৰিবি। মোৰ কথা ভাবি বাৰু তোৰ সচাঁকৈয়ে বেজাৰ লাগিছিলনে? কাৰণোতো নোহোৱা নহয়। তোক এৰি থৈ গুচি যোৱাৰ পিচত মই জীৱনত বহুত তিক্ততাৰ, বহুত সংগ্ৰামৰ মুখামুখি হৈছোঁ। কেথি, তই মোক খং নকৰিবি, সেই সংগ্ৰাম মই চলাই আছিলোঁ কেৱল তোৰ কথা ভাবিয়েই।'

এইবোৰ কথাবতৰা শুনিলত লিণ্টনৰ অশান্তিয়ে চৰম সীমা পালেগৈ। তেওঁ নিজৰ পত্নীক ক'লে, 'কেথেৰিন, চেঁচা চাহ খাবৰ মন নাই যদি মেজলৈ আহাঁ।' কথাত তেওঁ স্বাভাৱিক সুৰটো আৰু নম্ৰতা ৰক্ষা কৰিবলৈ যত্ন কৰিছিল। ''মিঃ হিথক্লিফ আজি ৰাতি ক'ত থাকিব জানো— কিন্তু যতে নাথাকক, তেওঁ বহুদূৰ খোজ কাঢ়িব লগীয়া হ'ব। ইফালে মোৰ পিয়াহ লাগিছে।''

তেওঁলোক আটায়ে মেজৰ ওচৰ চাপি আহিল। ঘণ্টি টিপি ইজাবেলাক মতা হ'ল, তেওঁ আহি লগ হ'ল। চকী কেইখন মেজৰ ওচৰ চপাই দি মই আঁতৰি গলোঁ।

খোৱাবোৰা তেওঁলোকৰ তেনেকৈ নহলেই। দহ মিনিটমানতে সকলোৰেই সামৰিলেই। কেথেৰিনৰ পিয়লা নভৰোৱাকৈয়ে ৰ'ল— তেওঁ একোকে খাব ব'ব নোৱাৰিলে; এডগাৰে অসাৱধানবশতঃ বাটিত পানী ঢালি দিলে, আৰু কবলৈ গলে তেওঁ একোৱেই মুখত নিদিলে।

আৰু কিছুসময় কটাই, এঘণ্টাৰ বেছি নহয়— হিথক্লিফ গ'লগৈ। ওলাই যাওঁতে



তাক মই 'গিমাৰটন'লৈ যাব নেকি বুলি সুধিলোঁ, সি 'ৱাদাৰিং হাইটচলৈহে' যাব বুলি ক'লে। ৰাতিপুৱা ওলাই যাওঁতে মিঃ আৰ্ণশ্বই হেনো তাক সেইদিনালৈ নিমন্ত্ৰণ কৰিছিল।

মিঃ আৰ্ণশ্বই হিথক্লিফক নিমন্ত্ৰণ কৰিছিল! আৰু সি আৰ্ণশ্বৰ ওচৰলৈ গৈছিল! মইতো ভাবি অবাক। সি যোৱাৰ পিচত এই অবিশ্বাস্য কথাটোকে ভাবি আছিলোঁ বহুতপৰ। মনে মনে মোৰ চিন্তাও হৈছিল। জানোচা সি বিড়াল তপস্বীৰ ভাও দি কিবা এটা অপঘাত ঘটাবলৈকে ইয়ালৈ ঘূৰি আহিছে। মোৰ মনে মনে ভাব হৈছিল যে সি আঁতৰি গৈছিল, আঁতৰি থকাই যেন ভাল আছিল।

মাজনিশা কেথি হাতত সাৰে হুবিত সাৰে মোৰ কোঠাত সোমাল, আৰু মোৰ বিচনাৰ কাষত বহিলে, মোৰ চুলিত টানি মোক ভাত ঘুমটিৰ পৰা জগাই দিলে।

অনুনয়ৰ সুৰত তাই ক'লে, 'এলেন, মোৰ মনটো বৰ উত্ৰাৱল হৈ আছে। মোৰ ইমান ভাল লাগিছে যে মোৰ লগত আৰু কোনোবা থাকি মোৰ সুখৰ ভাগ ল'ব লাগে। এডগাৰে মুখ ওফোন্দাই আছে। তেওঁৰ নিজৰ কোনো আগ্ৰহ নথকা কথা এটাত মই ইমানকৈ আনন্দত অধীৰ হৈ পৰাটো তেওঁৰ পছন্দ হোৱা নাই। তেওঁ কোনো কথাকে ক'ব নোখোজে। তেওঁৰ হেনো গা ভাল লগা নাই, টোপনি ধৰিছে। তেওঁৰ তেনে অৱস্থাত মই লেকলেকাই থকা বাবে মোক তেওঁ নিষ্ঠুৰ আৰু আপোনপেটীয়া বুলিহে কৈছে। সামান্য খং উঠিলেই তেওঁ গা ভাল নলগাৰ ভাও জোৰে। হিথক্লিফক প্ৰশংসা কৰি মই কেইটামান কথা কলোঁ, আৰু লগে লগে তেওঁ, হিংসাতেই নে মূৰ কামোৰণিৰ বাবেই জানো, ক'ব নোৱাৰোঁ, দিলে কান্দি। কন্দাই কান্দি থাকক বুলি মই গুচি আহিছোঁ।'

মই কেথিক কলোঁ, 'তেওঁৰ আগত হিথক্লিফৰ প্ৰশংসা কৰাৰনো দৰকাৰ কি আছিল? ল'ৰাকালত ইটোৱে সিটোক দেখিব নোৱাৰিছিল, আৰু এতিয়া এডগাৰক প্ৰশংসা কৰা শুনিলেও হিথক্লিফৰ সহ্য নহ'ব। এইটো স্বাভাৱিক কথা। লিণ্টনক হিথক্লিফৰ কথা একো নক'বা। নহলে দেখিছোঁ দুয়োটাৰ মাজত ভালকৈ এখুন্দা লাগিব গৈ।'

'কিন্তু এইবোৰ জানো দুৰ্ব্বলতাৰ চিন নহয়,' কেথিয়ে মুখ পাতি ধৰিলে। 'মই হিংসাত কেৰা নহয়— লোকৰ ভাল এটা দেখিলে জ্বলি পুৰি মৰা স্বভাৱ মোৰ নাই। ইজাবেলাৰ সোণালী চুলিৰ উজ্জ্বলতা দেখিতো মোৰ অন্তৰ ঈৰ্ষাৰ দাবানলত দগ্ধ হোৱা নাই। তাইৰ গাৰ বৰণৰ শুভ্ৰতা আৰু মসৃণতা দেখিও মোৰ অসহ্য হোৱা নাই। তাইৰ সুৰুচিসম্পন্নতায়ো মোৰ হিংসাৰ উদ্ৰেক কৰা নাই। গোটেই পৰিয়ালটোৱে তাই আলাসৰ লাৰু— সেই কথাত মই জানো কেতিয়াবা মুখ ওফোন্দাইছোঁ? মই মন কৰিছোঁ, নেলী, আমাৰ মাজত কেতিয়াবা উখলা-উখলি হলে তয়ো তৎক্ষণাত ইজাবেলাৰ ফালেহে হৱ। আৰু ময়ো, নিৰ্বোধ মাক এজনী সন্তানৰ কথাতে পমি যোৱা দি, তাইতৰ কথাতে হুঁহুভৰ দিওঁ। ইজাবেলাক বৰ ভাল হোৱালী বুলি কৈ, কাবৌ

কাকুতি কৰি, তাইৰ মন ভাল লগাওঁ। আমি দুজনী মিলেৰে থকা দেখিলে কাকেয়েকে ভাল পায়— মোৰ তাতেই সন্তোষ। কিন্তু ককায়েক ভনীয়েক দুয়ো একেই ঃ আদৰত নষ্ট হোৱা ল'ৰা ছোৱালী। তেওঁলোকৰ ভাব যেন গোটেই সংসাৰখনেই তেওঁলোকৰ মন যোগাবলৈহে বৈ আছে। দুয়োকে মই ভালৰি লগাই থাকোঁ ঠিকেই, কিন্তু মই ভাবোঁ দুয়োকে ভালকৈ এজাউৰি শুনালে সিহঁতৰ শুধৰণি হ'ব।'

'আইদেউ, তোমাৰ ধাৰণাটো ভুল হৈছে', মই কলোঁ, 'তেওঁলোক দুয়ো তোমাৰ লগত এইবোৰ চুপতিহে কৰি থাকে, মই জানো নহয়। গতিকে তোমাৰ মন যোগাই চলিবলৈ যত্ন কৰি থাকে মানে সিহঁতৰ খামখেয়ালিবোৰলৈ বৰকৈ মন কাণ নিদিবাঁ। লাগিব লগা কিবা গুৰুতৰ বিষয় হলে তেতিয়া কৌশলি পাতি ধৰিবাঁ। তেতিয়া দেখিবাঁ, তুমি দুৰ্বল বুলি ভাবি থকা মানুহবোৰো তোমাৰ সমানেই জেদী।'

প্ৰত্যুত্তৰত তাই হাঁহি হাঁহি ক'লে, 'তেনেহুৱা অৱস্থাত আমি মৰণ পণ কৰি যুঁজিম, নহয়নে নেলী? আচলতে তেনে নহয়, বুজিছা। লিণ্টনৰ প্ৰেমত মোৰ ইমান গভীৰ আস্থা আছে যে মোৰ ভাব হয় যেন মই তেওঁক মাৰি পেলাবলৈ উদ্যত হলেও তেওঁ মোৰ গালৈ হাত নাদাঙিব।'

তেওঁৰ মৰমৰ বাবেই যে তাই তেওঁক সমীহ কৰি চলা উচিত, সেই কথা মই তাইক বুজাই কলোঁ। 'মইতো সমীহ কৰি চলোঁৱেই' তাই উত্তৰ দিলে, 'কিন্তু তেৰোঁ খুটি নাটি কথাবোৰত লাগি থকাটো মই ভাল নাপাওঁ। কিছুমান কথা কেঁচুৱাৰ দৰে। মই হিথক্লিফক প্ৰশংসা কৰি কলোঁ যে তাৰ আমূল পৰিবৰ্তন হৈছে, সি এতিয়া সকলোৰে সন্মানৰ পাত্ৰ হোৱাৰ যোগ্য, আৰু তাৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ পোৱাটো যি কোনো ভদ্ৰলোকৰ বাবেই গৌৰৱৰ কথা হ'ব। এইবোৰ কথা আচলতে তেওঁৰ মুখত শুনালেহে শুৱালেহেঁতেন, কিন্তু তেওঁৰ প্ৰতিক্ৰিয়া হ'ল কি— যেন কান্দিবহে। তেওঁ হিথক্লিফৰ লগত সহজ হ'বলৈ যত্ন কৰা উচিত— এদিন হয়তো তাক তেওঁৰ ভালো লাগি যাবগৈ পাৰে। লিণ্টনক সি বেয়া পাবৰ কাৰণ নথকাতো নহয়, তৎসত্ত্বেও সি তেওঁৰ প্ৰতি সুন্দৰ সৌজন্য দেখুৱাইছে। এই কথাটোতো নধৰিলে নহ'ব।'

''সি যে 'ৱাদাৰিং হাইট্‌চ'লৈ গৈছে, তাৰ কাৰণটো তুমি কি বুলি ভাবাঁ বাৰু?'' মই তাইক সুধিলো। 'দেখাত তাৰ সৰ্বপ্ৰকাৰেই সলনি হৈ গৈছে, এক ধাৰ্মিক খ্ৰীষ্টিয়ান যেন লাগে— যেন শত্ৰুকো সি সহায়ৰ হাত আগবঢ়াবলৈ উদ্যত।'

'কথাটো ভাবি ময়ো তোৰ দৰেই প্ৰথমতে আচৰিত হৈছিলোঁ। পিচে কাৰণটো সি মোক ভাঙি পাতি কৈ গৈছে। সি হোনো আজি পুৱা তালৈ গৈছিল। তই তাতে আছ বুলি সি ভাবিছিল, আৰু তোৰ পৰাই মোৰ খা-খবৰ লোৱাৰ মতলব তাৰ আছিল। সি যোৱা দেখি জোচেফে হিণ্ডলেক খবৰ দিলেগৈ— সিজন ওলাই আহি সি অতদিনে ক'ত আছিল, কি কৰিছিল ইত্যাদি খবৰ সুধিলে। সমস্ত খা-খবৰ লোৱা হ'লত তাক তেওঁ ভিতৰলৈ মাতিলে। ভিতৰত কেইবাজনো মানুহে জুৱা খেলি আছিল। হিথক্লিফ



গৈ সিহঁতৰ লগতে বহিল। মোৰ দাদাই তাৰ লগত খেলি কিছু টকা হেৰুৱালে। পিছে হিথক্লিফৰ হাতত বহুত টকা থকা দেখি তাক আকৌ গধূলিলৈ খেলিবলৈ মাতিলে। সিও সন্মত হ'ল, আৰু কথামতেই কাম। গৈছে তালৈ। হিণ্ডলে ইমান উতনুৱা স্বভাৱৰ যে সি ভালভাবে চহিচিতি লগভাগ গোটাই ল'ব বুলি আশা কৰিব নোৱাৰি। আগতে ইমান দুৰ্ব্যৱহাৰ কৰি থোৱা মানুহ এটাক যে পুৰাপুৰি বিশ্বাস কৰিব নালাগে, সেই ভাব তাৰ মনত নোসোমায়েই। কিন্তু হিথক্লিফৰ বাবে তাৰ পূৰ্বৰ অপমানকাৰীৰ ওচৰ চপাৰ মাই কাৰণ হ'ল— 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ ওচৰে পাঁজৰে থাকিব পৰাকৈ, সি আগৰ থকা ঘৰটোতে, থকাৰ বন্দৱস্ত কৰি লবলৈ তাৰ ইচ্ছা। সিয়ে ময়ে এসময়ত একেলগে থকা ঘৰটোৰ প্ৰতি তাৰ আকৰ্ষণো আছে। মনে মনে তাৰ আৰু এটা ভাব আছে— 'ৱাদাৰিং হাইট্‌চ'ত থাকিলে মই মাজে মাজে গৈ তাক লগ পাই থাকিব পাৰিম— সি গিমাৰটনত থাকিবলৈ ললে সেইটো সুযোগ মই নাপাম। 'হাইট্‌চ'ত থকাৰ বাবে সি ভাল ভাড়া দিবলৈ প্ৰস্তুত, সেই কথা সি আগ্ৰহিক কৈছে। মোৰ দাদাৰ কথা তইতো জানই— টকাৰ খক তাৰ কোনোদিন নকমিল। গতিকে হিথক্লিফৰ প্ৰস্তাৱত সি সন্মত নহৈ নাথাকে। লোভ তাৰ চিৰসংগী। পিছে হ'ব কি— এহাতেৰে গোটাই আনি, আনহাতে ছটিয়াই দিয়াটোৱেই হ'ল তাৰ দস্তুৰ।'

''ৱাদাৰিং হাইট্‌চ'নো ডেকা মানুহৰ থকা ঠাই হ'লনে? পিছে হিথক্লিফ তাত থাকিবলৈ লোৱাৰ পৰিণাম কি হ'ব পাৰে, আইদেউ, তুমি ভাবি চোৱা নাই হবলা।''

'নভবাঁ নহয়, চাইছোঁ ভাবি। চিন্তা মোৰ হিথক্লিফৰ বাবে নহয়। তাৰ সুস্থ মগজুৱে তাক বিপদৰ পৰা বচাই ৰাখিব। ভয় হৈছে মোৰ হিণ্ডলেৰ কথা ভাবিহে। পিছে নৈতিক অধঃপতন আৰু বেছি হোৱাৰ অৱকাশ তাৰ নাই। দৈহিকভাবে একো অপকাৰ ভগবানে নকৰালেই হয়। আজিৰ সন্ধিয়াৰ ঘটনাৰ পিচত, মই মানুহৰ ভাগ্য ভগবানৰ হাতত বুলি স্বীকাৰ কৰি লৈছোঁ। মই ভগবানৰ বিৰুদ্ধে খঙত বিদ্ৰোহ কৰি উঠিছিলোঁ— নেলী, তই নুবুজিবি, মই যে কিমান তিক্ততা আৰু দুৰ্ভোগ সহ্য কৰিব লগা হৈছে। আকৌ এইটোও ভাগ্যৰে জোৰ যে মই এই সমুদ্ৰ দুখ কষ্ট অকলেই সহ্য কৰিব পাৰিলোঁ। যি কি নহওঁক, সম্প্ৰতি এইবোৰৰ অন্ত পৰিছে, এতিয়াৰ পৰা মই বিনা প্ৰতিবাদে যি কোনো যন্ত্ৰণাকে সহিব পাৰিম। এতিয়াৰ পৰা, কোনো তুচ্ছ, সামান্য প্ৰাণীয়েও যদি মোৰ গালত এচৰ মাৰে, প্ৰত্যুত্তৰত মই ইখন গালো আগবঢ়াই দিয়েই ক্ষান্ত নাথাকিম, মোক চৰিয়াবলৈ তেওঁক মই কিবা প্ৰকাৰে যে প্ৰৰোচিত কৰিলোঁ, তাৰ বাবে মই ক্ষমাহে খুজিম। মোৰ কাৰ্য্যৰ দ্বাৰা মোৰ ভাব মই প্ৰমাণ কৰিম। মই এতিয়াই গৈ এড্‌গাৰৰ লগত মিত্ৰতাৰ সন্ধি কৰিমগৈ। শুভৰাত্ৰি, তই শো, নেলী; মই আচলতে এজনী দেৱদূতী— যাওঁ।'

আত্মসন্তুষ্টিৰ এনে এটা ভাব প্ৰকাশ কৰি তাই গ'লগৈ। তাইৰ অংগীকাৰৰ সফল স্বৰূপ প্ৰকাশ পালে পিচদিনা পুৱা— মিঃ লিণ্টনৰ মনৰ আগৰ খিটখিটিয়া ভাবটো আঁতৰিল (কেথেৰিনৰ উল্লাসৰ আতিশয্য হেতুকে তেওঁৰ মনটো তেতিয়াও অৱশ্যে

কিছু সেমেকি আছিল), আৰু কেথিয়ে আবেলি পৰত ইজাবেলাক লৈ 'ৱাদাৰিং হাইট্‌চ'লৈ যাব খুজিলত তেওঁ কোনো আপত্তি নকৰিলে। প্ৰতিদিনত কেথিয়েও লিণ্টনৰ প্ৰতি এনে সস্নেহ ভাব দেখুৱালে যে প্ৰায় এসপ্তাহৰ ঘৰখনৰ চাকৰ বাকৰ পৰ্যন্ত সকলোৱেই এক সহজ আনন্দৰ পৰিবেশত বুৰ গৈ থাকিল। ঘৰখন যেন একপ্ৰকাৰ স্বৰ্গ ৰাজ্যলৈহে পৰিবৰ্তন হ'ল।

হিথক্লিফে— ভৱিষ্যতে মই মিঃ হিথক্লিফ বুলিহে তেওঁৰ নাম উল্লেখ কৰিম— প্ৰথমে প্ৰথমে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জলৈ' সসংকোচে, চমিটিতিহে গৈছিল। গৃহস্থই নো তাক কিমান আদৰ দিয়ে তাকে চাই লৈছিল। কেথেৰিনেও, তাক দেখা মাত্ৰেই আগৰ দৰে আনন্দত আত্মহাৰা হোৱা ভাবটো, আগৰ সমানকৈ দেখুৱাবলৈ এৰিলে। ক্ৰমান্বয়ে হিথক্লিফৰ 'থ্ৰাচক্ৰচ গ্ৰেঞ্জলৈ' অহা যোৱা কৰাটো নিতান্তই স্বাভাৱিক আৰু প্ৰত্যাশিত বুলি সকলোৱে ভাবি ল'লে।

ল'ৰালি কালৰ গহীনালি স্বভাৱটোৱে তেতিয়াও হিথক্লিফৰ লগ এৰা নাছিল। ফলত ভালেই হৈছিল। মনৰ ভাব অনুভূতিৰ অবাধিত প্ৰকাশত সিয়েই বাধা দিছিল। ইহঁত দুটাৰ আচৰণৰ এনেবোৰ সতৰ্কতাৰ ফলত লিণ্টনৰো মনৰ অস্বস্তি শাম কাটিবলৈ ল'লে।

পিচে তেওঁৰ অস্বস্তিৰ এটা নতুন কাৰণ ওলাল। ইজাবেলা লিণ্টনে আলহী হিথক্লিফৰ প্ৰতি এক অপ্ৰত্যাশিত আৰু দুৰ্বাৰ আকৰ্ষণ দেখুৱাবলৈ ল'লে। তাই তেতিয়া ওঠৰ বছৰীয়া ৰূপহী গাভৰু। বুদ্ধিবৃত্তিত চোকা, কিন্তু ব্যৱহাৰ আৰু কথাবতৰাত কিবা যেন ল'ৰালি ভাব। ভাব অনুভূতিও তীব্ৰ, আৰু খং তুলিলে একেবাৰে জঁকি উঠে— এনেহে স্বভাৱৰ ছোৱালী ইজাবেলা। মৰমৰ ভনীয়েকৰ কাণ্ড দেখি ককায়েকতো অবাক। অজ্ঞাত কুলশীল মানুহ এটাৰ লগত সম্বন্ধ কৰিলে পৰিয়ালৰ মান সম্মান নো ক'ত ৰয়? তদুপৰি উদ্বেগৰ আৰু এটা কাৰণ আছিল। পৰিয়ালত সেইমতে পুৰুষ উত্তৰাধিকাৰী নাই। গতিকে এদিন সমস্ত সম্পত্তি হিথক্লিফৰ হাতলৈ যোৱাৰ সম্ভাৱনাহে স্পষ্ট। হিথক্লিফৰ চৰিত্ৰ তেওঁৰ বুজিবলৈ আৰু বাকী নাছিল। এতিয়া দেখাত বাহিৰত বহুত পৰিবৰ্তন হৈছে, কিন্তু ভিতৰি কোনো পৰিবৰ্তন হোৱা নাই, আৰু সেইটো স্বভাৱৰ পৰিবৰ্তন হোৱাৰ কথা নাহো। হিথক্লিফৰ প্ৰকৃতি মনত পৰিলেই ভয় লাগে— তেনে এটা মানুহৰ হাতত ইজাবেলাক গতাই দিব লগা হোৱাৰ আগন্তুক হোৱা দেখি তেওঁৰ মন আশংকাত কঁপি উঠিল।

ভনীয়েক ইজাবেলাই যে নিজৰ ফালৰ পৰাহে হিথক্লিফৰ প্ৰতি এই দুৰ্বলতা দেখুৱাইছিল, তাৰ নিজৰ যে কোনো আনুভূতিক প্ৰবণতা এই বিষয়ত নাছিল, সেই কথা এডগাৰে জনা নাছিল। এইটো কথা জনাহঁতেনে তেওঁৰ ভয় আৰু চিন্তা আৰু বাঢ়িলহেঁতেন। ভনীয়েকৰ প্ৰেমৰ কথা কাণত পৰা মাত্ৰকে তেওঁ ভাবি লৈছিল যে হিথক্লিফৰ পৰা আগধৰি সঁহাৰি পালতহে ভনীয়েকৰ তাৰ প্ৰতি আকৰ্ষণ হৈছিল। কিন্তু কথাটো আছিল ওলোটাহে। সিহঁত দুটাৰ মাজত এনে এটা সম্বন্ধই গঢ় লৈ উঠা বুলি শুনি ককায়েকে হিথক্লিফকে ইয়াৰ বাবে জগৰীয়া বুলি ভাবি ল'লে। হিথক্লিফহে আগতে আগবাঢ়ি আহিছিল বুলি তেওঁৰ ধাৰণা হৈছিল।



কিছুদিন ধৰি আমি এটা কথা লক্ষ্য কৰিছিলোঁ ঃ কিবা এটা কথাত ইজাবেলা আহিটি ভিতৰি ভিতৰি যেন সেই পুৰি মৰিছে। তেওঁ যেন অত্যন্ত ক্লান্ত হৈ পৰিছিল। স্বভাৱটো তেওঁৰ খিটখিটিয়া হৈ পৰিছিল, অলপতে খং উঠা হৈছিল। কেথি আইদেউক তেওঁ অনবৰতে নানা প্ৰকাৰে অতিষ্ঠ কৰি থাকে। আইদেউৰ সহ্য গুণটো এনেয়ে কম, তাতে এইদৰে বিৰক্তি দি দি একেবাৰে ধৈৰ্য্যচ্যুতি ঘটোৱাৰ উপক্ৰম। তাইৰ গা-মন বোধহয় ভাল নহয় বুলি ভাবি তাইৰ তেনে আচৰণত আমি বৰ গুৰুত্ব দিয়া নাছিলোঁ। আমাৰ চকুৰ আগতে দিনক দিনে তাই শুকাই খীণাই যোৱা আমি মন কৰিছিলোঁ। এদিন পুৱা তাইৰ মইমতালি যেন অলপ চৰিল। পুৱাৰ জলপান নাখায় বুলি তাই জিদ ধৰিলে। কাৰণ বহুত ঃ চাকৰ বাকৰে তাইৰ কথা নুশুনে; কোনোবাই দুৱাৰখন ইচ্ছাকৰি খুলি থৈ দি তাইৰ পানী লগাইছে, আগচৰাৰ জুইকুৰা আমি তেওঁক দিগদাৰিত পেলাবলৈকে নুমাও বুলি নুমাই থৈছো ইত্যাদি এশ এবুৰি অবাস্তৱ অভিযোগ। কেথি আইদেউৰ ওপৰতো তাইৰ ক্ষোভ— তেওঁ হেনো তাইক কোনো গুৰুত্বই নিদিয়ে; ককায়েকেও হেনো তাইক অৱহেলা কৰে ইত্যাদি। তাইৰ অভিযোগবোৰ শুনি কেথি আইদেৱেও তাইক ভালকৈ এজাউৰি শুনাই দিলে, আৰু বিচনাতে শুই থাকিবলৈ ক'লে। লগতে ইয়াকো ক'লে যে তাইৰনো কি হৈছে চাই দিবলৈ ডঃ কেনেথকো তেওঁ মতাই পঠিয়াব।

কেনেথৰ নাম শুনিয়েই ইজাবেলা বিচনাৰ পৰা জাপ মাৰি উঠিল আৰু ক'লে বোলে তাইৰ গা ঠিকেই আছে, মাত্ৰ কেথেৰিনৰ দুৰ্ব্যৱহাৰলৈহে তাইৰ জীৱনটো দুসহ কৰি তুলিছে।

কেথেৰিন আইদেৱে মুখপাতি ধৰি ক'লে, 'দুষ্ট ছোৱালী, সকলোৰে আদৰ পাই পাই তুমি চৰি গৈছা, নহয়? কেতিয়াবা তোমাক মই কেতিয়া কি বেয়া ব্যৱহাৰ কৰিলোঁ? তোমাৰ নিশ্চয় মতিভ্ৰম হৈছে। নহলে এই যুক্তিহীন কথাবোৰ তোমাৰ মুখত ওলাব কেনেকৈ?'

ইজাবেলাই উচুপি উচুপি ক'লে, 'কালি মোক তুমি দুৰ্ব্যৱহাৰ কৰিছা। আৰু এতিয়াও কৰিছা।'

'কালি? কেতিয়া, কিহৰ বাবে?' নবৌয়েকে সুধিলে।

'কিয়, কালি মুকলি পথাৰত ফুৰিবলৈ যাওঁতে।'

'পাহৰিলা? তুমি মোক ক'লা, যিপিনেই মন যায়, সেইপিনেই ফুৰিবলৈ যাবলৈ; অথচ তুমি নিজে হিথক্লিফৰ লগ লৈ ফুৰিলা।'

'আৰু তাকে কৰিলত তোমাক দুৰ্ব্যৱহাৰ কৰা হ'ল?' কেথি আইদেৱে হাঁহি হাঁহি সুধিলে। 'তোমাৰ লগ আমি বেয়া পাই তোমাক আঁতৰাবলৈ এইদৰেনেই ইংগিত দিছিলোঁ বুলি তুমি ভাবিছা হয়, কিন্তু কথাটো সঁচা নহয়। তুমি আমাৰ লগত আহাঁ নে নাহা সেই কথালৈ আমি মন কৰাকে নাছিলোঁ। হিথক্লিফৰ কথা বতৰাবোৰত তুমি একো ৰস নাপাবা বুলি মই মাত্ৰ ধৰি লৈছিলোঁ।'

কান্দি কান্দি ইজাবেলাই ক'লে, 'মই নামানোঁ তোমাৰ কথা। মই আঁতৰি যোৱাটোকেই তুমি বিচাৰিছিলা, কাৰণ মই হিথক্লিফৰ ওচৰতে থাকিবলৈ ইচ্ছা কৰিছিলোঁ।' মোলৈ চাই কেথি আইলেৰে সুধিলে, 'এইজনীৰ মূৰ ঠিক আছেনে? ইজাবেলা শুনা, হিথক্লিফ আৰু মই কি কথা পাতিছিলোঁ মই আখৰে আখৰে কৈ শুনাম। তোমাৰ কসৰ ভাগ ক'ত ওলালহেঁতেন মোক ক'ব লাগিব।'

'কথাবতৰা কি পাতিছিলা সেই কথাত মই লগা নাই। মই মাত্ৰ ইচ্ছা কৰিছিলোঁ.....।' বাক্যটো শেষ কৰিবলৈ তেওঁ দ্বিধাবোধ কৰিলে।

তাইক থেৰো গেৰো কৰা দেখি কেথি আইলেৰে ক'লে, ''কোৱা, নিঃসংকোচে কি ক'ব খুজিছা কোৱা।''

''কওঁ তেন্তে। তেওঁৰ ওচৰত থাকিবলৈ বিচাৰিছিলোঁ। মই কৈ দিছোঁ, সদায় সদায় মোক এইদৰে আঁতৰাই পঠাব নোৱাৰিবা। তুমি, বৌ, বৰ আপোনপেটীয়া; তোমাৰ বাদে আন কাৰোবাকো যে কোনোবাই ভাল পাব পাৰে সেই কথা তোমাৰ সহ্য নহয়।'

কেথি আইলেৰে আচৰিত হৈ ক'লে, 'তুমি হ'লা মনলগা জেতত লগা এজনী বান্ধৱী। পিচে তোমাৰ এই অৰ্কবামিত মই পতিয়ন নাযাওঁ দেই। তুমি যে হিথক্লিফৰ পৰা বিমুগ্ধ প্ৰশংসা বিচাৰিব পাৰা বা তাক তোমাৰ মনৰ লোক বুলি ভাবিব পাৰা, সেইটো মোৰ ওচৰত একেবাৰে অসম্ভৱ কথা যেন লাগিছে। আশাকৰোঁ তোমাক বুজাত মোৰ ভুল হৈছে, নহয়নে ইজাবেলা?'

'নাই, মুঠেই হোৱা নাই', হিথক্লিফৰ মোহত পৰা ছোৱালীজনীয়ে উত্তৰ দিলে। 'তুমি এডগাৰক যিমান ভাল পাইছিলা, তাতকৈ বহুত বেছিগুণে মই হিথক্লিফক ভাল পাওঁ। আৰু তোমাৰ আপত্তি নাথাকিলে তেৰোঁ মোক ভাল পাব বুলি মই ভাবোঁ।'

'গোটে ৰাজ্য এখন দিম বুলিলেও মই তোমাৰ দৰে এইদৰে দুই হাত তুলি নাচিবলৈ নাযাওঁ।' কেথেৰিনৰ মাতত দৃঢ়তা স্পষ্ট। মোলৈ চাই তেওঁ ক'লে, ''নেলী, এইজনীয়ে কি যে বলিয়ালি আৰম্ভ কৰিব খুজিছে। তাইক বুজাব লাগিব। তয়ো মোৰ লগ হ চোন। হিথক্লিফ কেনে প্ৰকৃতিৰ মানুহ তাইক তই ক। সি হ'ল এটা মস্ত কেৌঁশাল। ভদ্ৰোচিত আচাৰ ব্যৱহাৰ কি, সি নাজানে। শিষ্টাচাৰ কাক বোলে সি নুবুজে। যেন এক অনুৰ্বৰ, ৰুক্ষভূমি। সেইটো মানুহত অন্তৰ থাকিবলৈ তোমাক মই কোন সতেৰে কওঁ! হিথক্লিফৰ চৰিত্ৰ সম্বন্ধে একো নাজানা বাবেই তুমি এইবোৰ সপোন ৰচিছা। তাৰ ৰুক্ষ, কৰ্কশ বাহ্যিক কপটোৰ অন্তৰালত এখন সুকোমল অন্তৰ লুকাই আছে বুলি নাভাবিবা। সি খহটা হীৰাৰ টুকুৰা নহয়— গৰ্ভত মাণিক থকা শামুকো নহয়। সি হ'ল উগ্ৰ প্ৰকৃতিৰ এক নিৰ্মম, দুৰ্দান্ত মানুহ। তাৰ ইটো সিটো প্ৰতিপক্ষক অনিষ্ট নকৰিবলৈ বুলি তাক মই কেতিয়াও কোৱা নাই, সেইবোৰ পক্ষক অনিষ্ট কৰাটো বৰ স্বাৰ্থপৰ আৰু নিষ্ঠুৰ কাম হ'ব বুলি কেতিয়াও মই তাক কোৱা নাই। বৰঞ্চ মই তাক কৈছোঁ, সিহঁত সিহঁতৰ ভাগে থাকক, তই হস্তক্ষেপ নকৰিবি, কাৰণ সিহঁতৰ কিবা এটা অনিষ্ট



হ'লে মই বেয়া পাম। সেইদৰেহে তাক তাৰ প্ৰতিশোধ পৰায়ণতাৰ পৰা মই নিবৃত্ত কৰিব পাৰোঁ। এতিয়া হয়তো সি তোমাক চেনেহ দেখুৱাব, কিন্তু যি মুহূৰ্ততে কিবা প্ৰকাৰে তুমি তাৰ বোজা হৈছা বুলি ভাব এটা তাৰ মনত সোমাব, সেই মুহূৰ্ততে সি তোমাক পিহি শেষ কৰি পেলাব। লিণ্টন পৰিয়ালৰ কাৰো সি ভাল পাব নোৱাৰে বুলি মই ভালদৰে জানোঁ। তৎসত্ত্বেও যে সি তোমাৰ বিষয় সম্পত্তিৰ লোভত তোমাক বিয়া কৰাবলৈ ওলাব, সেই কথাও অলপো অসম্ভৱ নহয়। আক্ৰোহৰূপী পাপ তাৰ দিনক দিনে বাঢ়িছে। মই তাক এইটো ৰূপতেই চিনোঁ। আৰু চোৱা, মই তাৰ বন্ধু। ইমান আপোন বন্ধু যে সি, তাৰ ফালৰ পৰা যদি একান্তই তোমাক পাবলৈ বিচাৰিলেহেঁতেন, মই হয়তো উচ্চ বাচ্য একো নকৰি তোমাক তাৰ ফান্দত পৰিবলৈ এৰি দিলোহেঁতেন।''

নবৌৰেকৰ কথা শুনি ইজাবেলাৰ তেওঁৰ প্ৰতি খঙহে চৰিল। তেওঁ বাৰে বাৰে ক'লে, 'ছিঃ ছিঃ, কেনে লাজৰ কথা। নবৌ, তুমি একুৰি শত্ৰুতকৈও ভয়ানক, তোমাৰ মুখত অমৃত, ভিতৰত হলাহল।'

'তাৰ মানে তুমি মোক বিশ্বাস কৰা নাই, নহয়?' কেথি আইলেৰে ইজাবেলাক সুধিলে। 'তুমি বোধহয় মোৰ কিবা অসৎ অভিপ্ৰায় থকা বুলি ভাবিছা।'

ইজাবেলাই জ্বলিপকি উঠি ক'লে, 'নিশ্চয় আছে। তোমাৰ কথা মনত পৰিলেই মোৰ ভয় লাগে।'

কেথেৰিন আইলেৰে ক'লে, 'বেচ কথা তেন্তে। তুমি যদি এইদৰেই ভাবিছা, তেন্তে মোৰ কথাৰ সচা মিছা প্ৰমাণ তুমি নিজে চোৱা। মোৰ ক'ব লগা কথা মই ক'লো। বাকীবোৰ এতিয়া তোমাৰ উদ্ধত আত্মম্ভৰিতাৰ গৰাহত।'

এই বুলি কৈয়ে কেথেৰিন কোঠাটোৰ পৰা ওলাই গ'ল। তেওঁ আঁতৰি গলত ইজাবেলাই উচুপি উচুপি কবলৈ ধৰিলে, 'তেওঁৰ অহংকাৰৰ বাবে এতিয়া মই ভুগিব লাগিব। সকলোৰেই মোৰ বিৰুদ্ধে। মোৰ একমাত্ৰ আশাও তেওঁ ভাঙি চুৰমাৰ কৰি দিছে। কিন্তু তেওঁ কৈ যোৱা কথাবোৰ গোকাটি মিছা, নহয় জানো? মিঃ হিথক্লিফ দানৱ নহয়। তেওঁৰ সম্ভ্ৰমবোধ আছে। সেয়ে নহ'লে তেওঁ কেথেৰিনক ইমান দিন কেনেকৈ মনত ৰাখিলেহেঁতেন?'

মই প্ৰত্যুত্তৰত ক'লোঁ, 'হিথক্লিফক তোমাৰ মনৰ পৰা আঁতৰোৱা। সি এটা অমংগলীয়া প্ৰাণী; তোমাৰ জীৱনৰ লগৰীয়া হোৱাৰ অনুপযুক্ত। মিচেচ লিণ্টনে কথাবোৰ বৰ চোকাকৈ কৈছে, কিন্তু তেওঁৰ কথাত প্ৰতিবাদ নাথাকে। হিথক্লিফৰ অন্তৰখন কেনে সেইকথা মোতকৈ বা আন কোনোবাতকৈ তেওঁ বেছি ভালকৈ জানে। আৰু মই এইটোও জানো যে হিথক্লিফ প্ৰকৃততে যিমান বেয়া তাতকৈ বেছি বেয়া বুলি দেখুৱাবলৈ তেওঁ নাযায়। মুখে পেটে একে লোকে নিজৰ কাম কাজৰ মাজত লুক চাক নাৰাখে। হিথক্লিফ অতদিন চলিছে কেনেকৈ? সি ধনী হ'ল কেনেকৈ? 'ৱাদাৰিং হাইটচ'ত সি আছে কিয়? সেইটো ঘৰৰ মালিকৰ লগত সেখোন তাৰ ঘৃণাৰ সম্বন্ধ। মানুহে কোৱাকুই কৰা শুনিছোঁ বোলে হিথক্লিফ ঘূৰি অহাৰ পিছত মিঃ আৰ্ণশৱ

প্ৰকৃতি আৰু অধিক বেয়াৰ পিনেহে গৈছে। দুয়োটাই বোলে গোটেই ৰাতি বহি বহি কটায়। হিণ্ডলেই মাটি বন্ধকত থৈ টকা লৈছে। কামৰ ভিতৰত তাৰ মাখোন জুৱাখেলা আৰু মদ খোৱা— আন কাম নাই। এইবোৰ কথা সাদিনমানৰ আগতে মোৰ কাণত পৰিছে। জোজেফে মোক কৈছে। তাক মই গিমাৰটনত লগ পাইছিলোঁ।.... জোজেফকতো তুমি জানাই। বুঢ়া হৈছে। তাৰ গাত দুটা এটা বদগুণ নথকা নহয়, আছে। কিন্তু সি মিছা কথা নকয়। সি হিথক্লিফৰ বিষয়ে কোৱা কথাবোৰ যদি সঁচা হয়, তেনেহ'লে তেনেকুৱা এটা মানুহক তুমি পতিৰূপে পাবলৈ নিশ্চয় নিবিচাৰাঁ। কথাটো ভাবি চাবাঁ।' প্ৰত্যুত্তৰত তেওঁ ক'লে, 'এলেন, তয়ো আনবোৰৰ লগ ললি। তোৰ এই কুৎসা ৰটনালৈ মই কাণ নিদিওঁ। মোৰ প্ৰতি তোৰ এনেহে বিদ্বেষ যে তই মোক বুজাব খুজিছ যে সংসাৰত সুখ বোলা বস্তুটো নাই।'

তাই নিজে যি ভাল দেখে কৰক বুলি এৰি দিয়াহেঁতেন তাই এই দুৰ্ভাগ্যজনক আকৰ্ষণৰ পৰা মুক্তি পালেঁহেঁতেন, নে নিজৰ ভুল পথতে অটল হৈ ৰলহেঁতেন, সেই কথা মই ক'ব নোৱাৰোঁ। সেই সময়ত তাইৰ ভবা চিন্তা কৰিবলৈ ফুৰ্তি নাই। পিচদিনাখন ওচৰৰ চহৰত এখন বিচাৰ সভা হৈছিল। মোৰ মালিকো তালৈ গৈছিল। তেওঁ ঘৰত নথকা বুলি গম পাই হিথক্লিফ আনদিনাতকৈ সোনকালে আহি আমাৰ ঘৰত ওলাল।

কেথেৰিন আৰু ইজাবেলা বেযাৰেযিৰ ভাবত পুথিভঁৰালৰ কোঠাত মনে মনে বহি আছিল। ইজাবেলাৰ পেটে পেটে ভয়— কিজানি কি ভুলেই তাই নকৰিলে! তাতে আকৌ উত্তেজনাৰ মুহূৰ্ত এটাত গোপন ভাববোৰ সদৰি কৰি দিলে। কেথেৰিনে কথাটো আকৌ ভালকৈ গমিপিতি চাই ইজাবেলাক নিতান্তই দোষী বুলি সাব্যস্ত কৰি বিতুষ্ট হৈ ৰ'ল।

হিথক্লিফ খিৰিকিৰ নীতিয়েদি পাৰহৈ যোৱা কেথেৰিনৰ চকুত পৰিল। মই জুহালখন অতাই আছিলোঁ। কেথেৰিনৰ ওঁঠত এটা কুৎসুধীয়া হাঁহি বিবিড়ি পৰা মোৰ নজৰত পৰিল। ইজাবেলা নিজৰ চিন্তাতে, নে কিতাপ এখনতে, নিবিষ্ট হৈ আছিল। দুৱাৰখন মেল খালতহে গম পালে যে কোনোবা আহিছে। তেতিয়া আৰু তাৰ পৰা আঁতৰি যোৱাৰ সময় নাছিল। পৰাহেঁতেন অৱশ্যে তাই তাৰ পৰা ললি নপলোৱাকৈ নাথাকিলাহেঁতেন।

কেথেৰিনে ৰংমনেৰে হিথক্লিফক আদৰণি জনাই ক'লে, 'সোমাই আহঁ' আৰু চকী এখন জুহালৰ ওচৰলৈ টানি দিলে। 'ইয়াতে দুই জীৱ থম থম কৰে বহি আছে। মাতবোল নাই। দুয়োৰো মাজৰ মনৰ দাৱভাল গুচাবলৈ তৃতীয় এজন ব্যক্তিৰ প্ৰয়োজন। সেই যোগ্য ব্যক্তিজন হ'লা তুমিয়েই। হিথক্লিফ, এটা কথাত আজি মোৰ বৰ গৰ্ব হৈছে। মই আজি তোমাক এনে এগৰাকী ব্যক্তি দেখুৱাম যি মোতকৈ তোমাক বেছি ভাল পায়। সাধাৰণ অৰ্থত ভাল পোৱা নহয়; মাত্ৰাধিক প্ৰীতিৰ সম্বন্ধৰ কথা মই কৈছোঁ। তুমি বেচ খুচি হ'বা বুলি মই জানো। নহয়, নহয়, নেলীৰ কথা মই কোৱা নাই, নেলীলৈ চাব নালাগে। মোৰ এই ননদজনী তোমাৰ চেহেৰাপাতি আৰু নৈতিক



সৌন্দৰ্য্যৰ প্ৰতি ইমান আকৃষ্ট হৈ পৰিছে যে তোমাৰ প্ৰেমৰ বানত তাই প্ৰায় উটি যোৱাৰ দৰে হৈছে। এড্গাৰ লিণ্টনৰ ভনী হৈৰাই হোৱাৰ সুযোগ এতিয়া তোমাৰ হাতত পৰিছে। ইজাবেলা, তুমি উঠি যাব নোৱাৰা।' (এই বুলি কৈ তেওঁ ইজাবেলাৰ হাত এখনত জোৰেৰে থাপমাৰি ধৰিলে। হতভম্ব হৈ পৰা বেচেৰী ইজাবেলা যেন তাৰ পৰা ললি পলাব পাৰিলে ৰক্ষা পৰে।)

কেথেৰিনৰ কথাত কৃত্ৰিম দুষ্টালিৰ সুৰ। 'হিথক্লিফ, তুমি নাজানা, এইমাত্ৰ তোমাৰ কথা লৈ আমাৰ মাজত কুকুৰ মেকুৰীৰ দৰে তুমুল তৰ্কাতৰ্কি হৈ গৈছে। তৰ্কত মই হাৰিছোঁ। ইজাবেলাই মোক কৈ দিছে বোলে মই যদি সাজ সজে থাট এৰি দিওঁ তেন্তে তেওঁ তোমাৰ হিয়াত এনে এক বাণ নিক্ষেপ কৰিব যে সেই বাণে তোমাক চিৰদিনলৈ শালি থব। মোৰ ছবি তোমাৰ মনৰ পৰা চিৰদিনলৈ অন্তৰ্হিত হ'ব।'

ইজাবেলাই সম্ভ্ৰমৰ সুৰত ক'লে, ''কেথেৰিন, তুমি সঁচা কথা কোৱাটোকে মই কামনা কৰোঁ। মিছামিছি মোৰ অপযশ নাগাবা। ধেমালিতো তেনে নকৰিবা। মিঃ হিথক্লিফ অনুগ্ৰহ কৰি আপোনাৰ এই বান্ধৱী গৰাকীক মোৰ প্ৰতি দয়া পৰৱশ হৈ মোক এৰি দিবলৈ কওঁক। আপুনি আৰু মই যে অন্তৰংগ বন্ধু নহয় সেইকথা তেওঁ পাহৰি গৈছে। তেওঁ বিটো কথা ভাবি আমোদ পাইছে, মোৰ বাবে সেইটো কথাই অত্যন্ত পীড়াদায়ক হৈছে।'

হিথক্লিফে আৰামকৈ চকীখনত বহি ললে, কিন্তু তাৰ প্ৰতি ইজাবেলাৰ অনুৰাগৰ যি সম্বেদন দিয়া হ'ল তালৈ সি কোনো আগ্ৰহকে নেদেখুৱালে। গতিকে তাই সেই ঠাইৰ পৰা আঁতৰি যাবলৈ আকৌ উচপিচালে, আৰু তাইৰ হাতখন এৰি দিবলৈ কেথেৰিনক কাণত ফুচফুচাই সনিৰ্বন্ধ অনুৰোধ জনালে।

'মই তোমাক এৰি দিয়াত নাই।' কেথেৰিনে ক'লে। 'মই তোমাৰ বাটৰ নেং বুলি আকৌ এবাৰ শুনাব মোৰ ইচ্ছা নাই। তুমি এতিয়া ইয়াত থাকিব লাগিব। হিথক্লিফ, মই দিয়া এই সুন্দৰ খবৰটোত তুমি সন্তোষ প্ৰকাশ কৰা নাই কিয়? ইজাবেলাই শপত খাই কৈছে যে তোমাৰ প্ৰতি তাইৰ যি প্ৰেম তাৰ তুলনাত মোৰ প্ৰতি থকা এড্গাৰৰ ভালপোৱা তেনেই সামান্য। এনে এবাৰ কথা কালি তেওঁ কৈছিল, কোৱা নাছিলনে এলেন? আৰু পৰহি যে আমি একেলগে ফুৰিবলৈ ওলাইছিলোঁ তেতিয়াৰ পৰা তাই খং আৰু বেজাৰত একোকে খোৱা নাই, অনশন কৰি আছে। কাৰণটো হ'ল যে মই হেনো তাইক তোমাৰ লগ লোৱাৰ যোগ্য নহয় বুলি আঁতৰাই পঠাইছিলোঁ। তাই সেইদৰেই ভাবিছে।'

চকীখন সিঁহঁতৰ পিনলৈ ঘুৰাই লৈ হিথক্লিফে ক'লে, 'মই ভবাত তুমি তেওঁৰ বিষয়ে কোৱা কথা সচাঁ নহয়। অন্ততঃ এতিয়া মোৰ ওচৰৰ পৰা তেওঁ আঁতৰি যাব খুজিছে।' এই বুলি তেওঁ স্থিৰ, অপলক দৃষ্টিৰে ইজাবেলালৈ চাই ৰ'ল। যেন এক আচৰিত, বীভৎস পশুলৈহে তেওঁ দৃষ্টিপাত কৰিছে। আপাতঃ ঘৃণনীয় দৃশ্য, কিন্তু তাৰো প্ৰতি এক কৌতূহলী মনে যেন ক্ৰিয়া কৰিছে।

বেচেৰীয়ে তেনে এটা পৰিস্থিতি আৰু সহ্য কৰি থাকিব নোৱাৰিলে। তাই এবাৰ বঠা পৰে, এবাৰ শেতা পৰে। তাইৰ দুগালেদি চকুলো বৰবৰৈ ধৰিলে। তাই কেথেৰিনৰ হাতৰ পৰা জোৰকৈ ওলাবলৈ চালে। নোৱাৰিলে। হাতটো অকাই পকাই ঘূৰালে— মিছা হ'ল। শেষ উপায় হিচাবে তাই কেথেৰিনৰ হাতত নখৰ আগ বহুৱাই দিলে। কেথি আহিলেভৰ হাতৰ ঠাইত তেজ বিৰিঙি প'ল। বজ্ৰমুঠি মোকলা হ'ল।

মন্ত্ৰণাত চটফটাই কেথেৰিনে ইজাবেলাক এৰি দিলে, আৰু ক'লে, 'এইজনী এজনী সাক্ষাৎ বাঘিনী। যাগৈ যা, শিয়ালী, ভগৱানৰ দোহাই, তই ইয়াৰ পৰা আঁতৰি যা। হিথ্‌ক্লিফৰ আগতে তাই হাঁতোৰা উলিয়াই দেখুৱালে। ছিঃ ছিঃ। তেওঁ কি ধাৰণা ল'ব তই কল্পনা কৰিবও নোৱাৰনে? চাবা হিথ্‌ক্লিফ— এইবোৰ হাত নহয়, হাঁতোৰা। হাঁতোৰাই হাঁতোৰাৰ কাম কৰিব। তুমি তোমাৰ চকুহালৰ বিষয়ে সাৱধান হ'বা।'

'মোক আক্ৰমণ কৰিব খুজিলে সেই দুখন হাত মই মুচৰি ভাঙিম', হিথ্‌ক্লিফে নিৰ্মমভাৱে উত্তৰ দিলে। কথাষাৰ ইজাবেলাৰ কাণত নপৰিল, কাৰণ ইতিমধ্যে তাই কোঠাটোৰ পৰা ওলাই গৈছিল আৰু তাই ওলাই যোৱাৰ লগে লগে দুৱাৰখনো জপাই দিয়া হৈছিল। 'কিন্তু কেথি, তই সেই নিঃসহায় প্ৰাণীটোক এইদৰে জোকোৱাৰ কাৰণ কি? তই আচল কথাকে কৈছিলি নে?'

কেথেৰিনে মাত লগালে, 'সেই বিষয়ে কোনো সন্দেহ নাই। মই সঁচা কথাকে কৈছোঁ। আজি কেইবা সপ্তাহো ধৰি তাই তোমাৰ বাবে আকুল হৈ আছে। আজি পুৱা তাই তোমাৰ কথা কৈ কৈ এনে কিছুমান বলিয়ালি বকিবলৈ ললে যে তাইৰ ব্যাকুলতা শাম কাটক বুলি মই তোমাৰ প্ৰকৃতিৰ বিষয়ে সহজ কথাত তাইক ভালদৰে বুজাই দিলোঁ। ফলত তাই মোক ভালকৈ এজাউৰি শুনালে। তুমি পিচে এইটো কথাত লাগি নাথাকিবা। তাইক মই তাইৰ উদ্ধত কথাৰ বাবে মজা দিবলৈ বুলিহে এইবোৰ কথা কৈছিলোঁ। হিথ্‌ক্লিফ, মোৰ মৰমৰ হিথ্‌ক্লিফ, তুমি বিশ্বাস নকৰিব পাৰা। কিন্তু তাইক মই বৰ ভাল পাওঁ— সেইবাবে তাই তোমাৰ বাহুগ্ৰাসত পৰাটো মই বিচৰা নাই।'

'তেন্তে মোৰ ফালৰ পৰা ক'ব লগাটো কওঁ ঃ তাইক বাহুগ্ৰাসে গ্ৰাস কৰাৰ অভিপ্ৰায় মোৰ নাই, কাৰণ তাইক মই খুব বেয়া পাওঁ। যি ভাল পাওঁ, সেয়া পৈশাচিক ধৰণৰহে। মমৰ পুতলাৰ দৰে সেই পেঙেলীজনীৰ লগত মই অকলে থাকিবলৈ হলে আমাৰ মাজত দৈনিক যি কাণ্ড ঘটিব, শুনিলে শান্তি নাপাবা। তাইক মই চকুৰে সৰিয়হ ফুল দেখুৱাম— তাইৰ সেই নীলা চকুহাল ক'লা পেলাই দিম। সেইহাল চকুত লিণ্টন পৰিয়ালৰ ছাপ আছে— সেই কথা মোৰ সহ্য নহয়। মই ঘৃণা কৰোঁ।'

'সেই হাল ইমান মনোৰম চকু', কেথেৰিনে উত্তৰ দিলে। 'যেন কপৌৰ চকু। শান্ত, নিৰ্দোষ, যেন দেৱদূতীৰ হে চকু।'

অলপ সময় মনে মনে থাকি সি সুধিলে, 'তাই তাইৰ ককায়েকৰ সম্পত্তিৰ উত্তৰাধিকাৰী নহয় জানো?' কেথেৰিনে উত্তৰ দিলে, 'মই ভবাত হ'ব নালাগে। ভগৱানে নকৰক, আধা ডজন ভাগিনীয়েক আছে— উত্তৰাধিকাৰ সেই আবেই



দেখোন নেফানেফ কৰিব। এইটো চিন্তা সম্প্ৰতি বাদ দিয়া। ওচৰ চুবুৰীয়াৰ সম্পত্তি কেনেকৈ হাত কৰিব পাৰা সেইটোৱেই তোমাৰ ধান্দা। এটা কথা মনত ৰাখিবা, এই গৰাকী ওচৰচুবুৰীয়াৰ সম্পত্তিবোৰ হ'লে মোৰ।'

হিথ্‌ক্লিফে উত্তৰ দিলে, 'মোৰ হোৱাহেঁতেনো তোমাৰেই হ'লহেঁতেন। কিন্তু ইজাবেলা লিণ্টন দেখাত আজলী হলেও তাই সমূলি মূৰ্খ নহয়। পিচে, তই কোৱাৰ দৰে প্ৰসংগটো সম্পূৰ্ণ বাদ দিয়াই ভাল।'

মুখৰপৰা প্ৰসংগটো সিহঁতে তেতিয়ালৈ বাদ দিলে। কেথেৰিনে বোধহয় তাইৰ চিন্তাৰ পৰাও তাক বাদ দিলে। হিথ্‌ক্লিফে কিন্তু গধূলি সময়ত গোটেই প্ৰসংগটো আকৌ মনত পেলালে। মোৰ চকুত এটা কথা ধৰা পৰিছিল। কেথেৰিন ঘৰত নথকা সময়ত সি, হিথ্‌ক্লিফে, অকলে অকলে হাঁহি থাকে— হাঁহি থাকে বুলি ঠিক ক'ব নোৱাৰি, কাঠ হাঁহি মাৰে বুলি ক'লেহে উচিত কোৱা হ'ব। মুখেৰে বিৰ বিৰ কৈ কিবা কিবিবোৰ বলকিও থাকে; আকৌ মাজে মাজে কিবা চিন্তাত আপোন পাহৰা হৈ বিভোৰ হৈ থাকে।

মই তাৰ গতিবিধি মন কৰি থাকিবলৈ থিৰ কৰিলোঁ। মোৰ চিন্তা কেথেৰিনতকৈও মোৰ গৰাকী এড্‌গাৰ লিণ্টনৰ প্ৰতিহে বেছি হ'ল। তাৰ কাৰণো নোহোৱা নহয়। লিণ্টন আছিল দয়ালু, বিশ্বাসযোগ্য আৰু সন্মানীয়। কেথেৰিন ঠিক তেওঁৰ বিপৰীত নহলেও, তেওঁৰ দৰে নহয়। কাৰণ তেওঁ যেন প্ৰবৃত্তিতে অলপ ঢিলা। সেইবাবে তেওঁৰ মূল্যবোধত মোৰ সিমান আস্থা নাছিল। তেওঁৰ ভাব অনুভূতিৰ প্ৰতি যে মোৰ সহানুভূতি আছিল তাতোকৈ কম। আচম্বিতে কিবা এটা পৰিস্থিতিৰ উদ্ভৱ হ'ব, আৰু তাৰে গৰিমা লৈ হিথ্‌ক্লিফ 'ৱাদাৰিং হাইট্‌চ' আৰু 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ পৰা আঁতৰি যাব— এনে এটা গোপন আশা মই মনত পুহি ৰাখিছিলোঁ। মোৰ আশা আছিল যে হিথ্‌ক্লিফ আহি ওলোৱাৰ আগতে আমি যিদৰে কালাতিপাত কৰিছিলোঁ ঠিক সেইদৰেই পুনৰ দিন যাপন কৰিবলৈ পাম। আমাৰ ঘৰত তাৰ সঘন পদাৰ্পণ আমাৰ সকলোৰে বাবে এটা দুঃস্বপ্ন যেন হৈ পৰিছিলে। 'ৱাদাৰিং হাইট্‌চ'ত সি খোপনি পুতিবলৈ লোৱাটো আমাৰ বাবে অস্বস্তিকৰ উৎকণ্ঠাৰ কাৰণ হৈছিল। সি তাত থকাৰ কাৰণটোও আমি ভাবি উলিয়াব পৰা নাছিলোঁ। মনত আমাৰ এনেহে লাগিছিল যেন 'ৱাদাৰিং হাইট্‌চ'ত ভগৱানে তেওঁৰ অবাধ্য মেৰ শাৱককহে মেলি দিছে, দলৰ পৰা সি আঁতৰি আহিছে, আৰু তাৰ সমীপতে এক ক্ৰুৰ, নিষ্ঠুৰ, হিংস্ৰ জন্তুৱে বিচৰণ কৰি ফুৰিছে— যি কোনো মুহূৰ্ত্ততে তাৰ ওপৰত জপিয়াই পৰি সি তাক নিঃশেষ কৰি পেলাব।

# ১১

কেতিয়াবা কেতিয়াবা অৱলশৰে এই কথাবোৰ ভৰা চিন্তা কৰি থাকি থাকি মই হঠাতে ভয় খাই উঠো, আৰু লগে লগে মূৰত ওৰণাখন মাৰি লৈ 'ৰাদাৰিং হাইটচ'লৈ খোজ লওঁ— চাওঁ গৈ তাতনো সব ঠিকে ঠাকে আছে বা নাই। হিথক্লিফৰ চালচলন আৰু ধ্যান ধাৰণা সম্পৰ্কে মানুহৰ মাজত কি কোৱাকুই হয়, সেইবোৰ কথা তাক জনাই দিয়াটো মোৰ কৰ্তব্য বুলি লৰালে মোৰ বিবেকে মোক বাধ্য কৰিছিল। পিচে হয় কি, তাৰ ঘৰৰ ওচৰ পাওঁ, ঘৰত নোসোমোৱাকৈ মই ঘূৰি আহোঁ, কাৰণ তাৰ বদ অভ্যাস আৰু আচৰণবোৰ মোৰ মনত পৰাৰ লগে লগে মোৰ কৰ্তব্য বোধবো অন্ত পৰে। সি মোৰ কথা যে মানিব সেই বিষয়ে মোৰ সন্দেহ ওপজে।

এদিনাখন মই গিমাৰটনলৈ বুলি ওলাই যাওঁতে, বাট বদলি কৰি, 'ৰাদাৰিং হাইটচ'ৰ সমুখেদি গৈছিলোঁ। তেতিয়া আছিল আবেলি সময়। উজ্জ্বল এটা আবেলি। বাট পথবোৰ আছিল শুকান আৰু পৰিষ্কাৰ।

গৈ গৈ মই এক প্ৰস্তৰ স্তূপ পালোঁগৈ। স্তূপটো থকা ঠাইতে, বাওঁ হাতেদি ৰাস্তাটো ঘূৰিছে, আগলৈ সেইখন বিস্তীৰ্ণ মুক্ত প্ৰান্তৰ। প্ৰস্তৰ স্তূপটো আছিল খহটা। ইয়াৰ উত্তৰ দিশত ইংৰাজী ডব্লিউ, এইচ (WH) আখৰ দুটা কটা আছিল। পূব পিনে কটা আছিল ইংৰাজী জি (G) আখৰটো, আৰু দক্ষিণ-পশ্চিম পিনে কটা আছিল ইংৰাজী টি আৰু জি (TG) আখৰ দুটা। আখৰ কেইটাই থ্ৰাচক্ৰচ গ্ৰেঞ্জ, ৰাদাৰিং হাইটচ' আৰু গাওঁখনলৈ যোৱাৰ পথৰ সংকেত বুজাইছিল।

আবেলিৰ ঈষৎ হালধীয়া ৰ'দ জাকে গ্ৰীষ্মৰ আগলি বতৰা দিছিল। কিয় জানো, মোৰ মনটো হঠাতে আবেগ প্ৰবণ হৈ পৰিল। অতীতলৈ মোৰ মনে উৰা মাৰিলে। কুৰিবছৰ আগতে হিণ্ডলে আৰু মোৰ বাবে এই টুকুৰা আছিল অতি প্ৰিয় ঠাই। ইয়াতে আমি উভয়ে প্ৰায়ে একেলগে বহি কথাপতি সময় কটাইছিলোঁ।

কালৰ গতিত জীৰ্ণ হৈ পৰা প্ৰস্তৰ স্তূপটোলৈ মই বহুত সময় একেলগে চাই ৰ'লোঁ। গুৰিলৈ চাই দেখোঁ যে তলৰ পিনে ফুটা এটাত এতিয়াও বহুত শামুকৰ খোলা সোমাই আছে। সৰু সৰু শিলগুটি কিছুমানো আছে। সেইবোৰ আমিয়েই তাত ভৰাইছিলোঁ। বিগত দিনৰ সেই পৰিস্থিতিটো মূৰ্তিমান ৰূপত মোৰ মানস পটত জিলিকি উঠিল। হিণ্ডলেলৈ মোৰ মনত পৰিল। কব নোৱৰাকৈয়ে মোৰ মুখৰ পৰা 'বেচেৰা হিণ্ডলে' কথাষাৰ ওলাই আহিল। ল'ৰা মানুহ হিণ্ডলেই মোৰ চকুলৈ চাই থকা যেন লাগিল। চকুৰ পলকতে সেই দৃশ্যও নাইকিয়া হৈ গ'ল। কিন্তু মোৰ মনটো



কিবা এক অশুভ চিন্তাই আগুৰি ধৰিলে। মই যিমান পাৰোঁ বেগাই 'ৰাদাৰিং হাইটচ'ৰ পিনে খোজ দিলোঁ। ক'ববাত কিবা যেন অমংগলৰ আশংকাই মোক বিত্ত কৰিলে। 'কিজানি সি আৰু নায়েই।' 'কিজানি সি সোনকালেই মৰিব। সেইবাবেহে মোৰ তাক দেখা পোৱা যেন লাগিল।' এনেবোৰ আশংকাই মোক 'ৰাদাৰিং হাইটচ'ৰ পিনে গতিয়াই ভুকুৱাই লৈ যোৱা যেন লাগিল।

যৱৰ যিমানে ওচৰ চাপিছোঁ, সিমানে মোৰ বুকুৰ ধপ্‌ধপনিও চৰিল। শেহত গৈ থৈ যেতিয়া ঘৰটো মোৰ চকুত পৰিল, মোৰ সৰ্বশৰীৰত কঁপনি উঠিল। দুৱাৰৰ সিপাৰে এটা সৰু ল'ৰা— মলডাৰে মূৰ সুমুৱাই দি মোৰ পিনে চাই আছে। মই ভাবিলোঁ যে মোৰ মনৰ চকুৰে দেখা ল'ৰা হিণ্ডলেৰ প্ৰেতাত্মা সেইটো, সি মোতকৈ আগতে এইখিনি পাই মোলৈ চাই আছে। অলপ পিচতহে মোৰ সবিৎ ঘূৰিল— তেতিয়াহে মোৰ থ্‌ চ আহিল যে ল'ৰাটো হেয়াৰটনহে, আন কোনো নহয়। এসময়ৰ মোৰ মৰমৰ হেয়াৰটন। দহ মাহৰ আগতে মই এৰি থৈ যোৱা হেয়াৰটন। মই আগতে দেখাতকৈ তাৰ বিশেষ সলনি হোৱা নাই।

'পোণাটি, ভগবানে তোৰ মংগল কৰক', মই ল'ৰাটিলৈ চাই ক'লো। মোৰ মনৰ যুক্তিহীন ভয় ভাববোৰ তেতিয়ালৈ অন্তৰ্দ্ধান হৈছিল। 'তই মোক চিনিব পৰা নাই, হেয়াৰটন? মই নেলীহে। নেলী অ', তোৰ যে আয়া আছিল নেলী। মনেই।'

সি মোৰ ওচৰৰ পৰা অলপ দূৰলৈ আঁতৰি গ'ল, আৰু হাতত এটা শিলগুটি বুটলি ললে।

'মই, বাছা, তোৰ দেউতাৰক লগ পাবলৈ আহিছোঁ,' তাৰ প্ৰতিক্ৰিয়া দেখি মোৰ ভাব হ'ল যে নেলী তাৰ মনত কিবাকৈ থাকিলেও, মনেই যে সেইজনী মানুহ সেইকথা সি ধৰিব পৰা নাই।

সি তাৰ পাওপাত অস্ত্ৰপাটি মোলৈ এনেই আৰু। কথা বেগতিক দেখি মই কোমল কথা কৈ তাক নিৰস্ত কৰাবলৈ চালোঁ, পিচে নোৱাৰিলোঁ। হাতৰ শিলগুটি সি মোৰ মূৰলৈ টোৱাই মাৰি পঠিয়ালেই। দলিটো আহি মোৰ ওৰণাত লাগিল। লগে লগে তাৰ মুখৰ পৰা সৰ সৰ কৰে ওলাবলৈ ললে অশ্ৰাব্য গালিৰ জাউৰি। খোনাই খোনাই সেই বতিনুওটিয়া ল'ৰাটোৱে মোক শাও শপনি দিবলৈ নেৰাই হ'ল। গালি গালাজবোৰৰ অৰ্থ সি বুজি পাইছিলেনে নাই নাজানোঁ, কিন্তু কোৱাৰ গতটো সি আয়ত্ত কৰিছিল বঢ়িয়াকৈ।

সেই সোপা অবাহিত মাত মুখৰ পৰা ওলাওঁতে তাৰ মুখৰ শিশুসুলভতা অন্তৰ্হিত হৈছিল, তাৰ মুখখন দেখাইছিল বিকৃত আৰু কুৎসিত।

তাৰ এনে আচৰণে মোৰ খং তোলাতকৈ বেজাৰহে দিলে। মোৰ কান্দি দিম যেন লাগিছিল। তথাপি জেপৰ পৰা সুমথিৰা এটা উলিয়াই তাক সন্তুষ্ট কৰিবলৈ বুলি আগবঢ়াই দিলোঁ।

সি কন্তেক পৰ থেৰো গেৰো কৰি থাকিল, কিন্তু পিচ পাকতে চিনাই নিয়াদি মোৰ হাতৰ পৰা টেঙাটো থপিয়াই লৈ গ'ল।

মই আৰু এটা সুমথিৰা উলিয়াই সি থপিয়াব নোৱৰা দূৰত্বত তাৰ আগত ধৰিলোঁ।

'বাছা অ', এই অবাইচ্‌ মাতবোৰ তোক কোনে শিকালে অ'? কাৰপৰা শিকিলি? যাজক মহাশয়ৰ পৰা?'

'যাজক নে ফাজক, মাৰ গুলী। তয়ো জহান্নামে যা। দে, মোক টেঙাটো দে।'

'কোনে তোক এইবোৰ বোলমাত শিকালে ক, সুমথিৰাটো তেতিয়াহে পাবি। তোৰ শিক্ষক কোন?'

'কোন হ'ব আৰু— পিতাই চয়তানটো।'

'পিতায়েৰৰ পৰা তই শিক কি?' মই তাক সুধিলোঁ।

সি উত্তৰ নিদিলে, কিন্তু সুমথিৰাটো থপিয়াই নিবলৈ ওপৰলৈ জপিয়ালে। মই আৰু ওখত টেঙাটো তাৰ আগত দাঙি ধৰিলোঁ। 'আগতে ক, পিতাৰে তোক কি শিকায়?'

'একো নিশিকায়— মাত্ৰ তাৰ আগত মোক মুখ নেদেখুৱাবলৈ কয়। মোক দেখিলে তাৰ সহ্য নহয়, কাৰণ মই তাক দিখিলেই শাও দিওঁ। শপত খাওঁ।'

'কি বিপদ! চয়তানে হবলা তোক পিতাৰক শাওশপনি দিবলৈ শিকায়?'

সি কওঁ নকওঁকৈ ক'লে, ''এ, এ.... নহয়, নিশিকায়।'

'কোনে শিকায় তেন্তে?'

'হিথক্লিফে।'

হিথক্লিফক সি ভাল পায় নেকি বুলি মই তাক সুধিলো।

'ও পাওঁ' বুলি সি উত্তৰ দিলে।

তাক ভালপোৱাৰ কাৰণ নো কি জানিব খুজি মই তাৰ পৰা মাত্ৰ এনে কেইটামান বাক্যহে উলিয়াব পাৰিলোঁ ঃ তাৰ প্ৰতি পিতাকৰ দুৰ্ব্যৱহাৰৰ পেটক হিথক্লিফে তোলে আৰু তুলিবও পাৰে। বাপেকে তাক গালি গালাজ দিয়া বাবে সি (হিথক্লিফে) বাপেকৰ অনুৰূপ আচৰণ কৰে। তেওঁ মোক কৈছে যে মই নিজে যি ইচ্ছা যায় সেইমতে কৰিব লাগে, চলিব লাগে।

'পাদুৰী মহাশয়ে তেন্তে তোক লিখা-পঢ়া কৰিবলৈ নিশিকায়?' মই তাক সুধিলোঁ।

'নাই, নিশিকায়। হিথক্লিফে মোক কৈছে যে আমাৰ দুৱাৰ মুখত হাজিৰ হোৱা দেখিলেই পাদুৰী বেটাৰ দাঁত খুন্দিয়াই সৰকাই দিব লাগে।'

মই সুমথিৰাটো তাৰ হাতত তুলি দিলোঁ, আৰু বাপেৰক কবলৈ কলোঁ যে নেলী ডীন নামৰ মহিলা এগৰাকী তেওঁক লগ পাবলৈ বিচাৰি বাগানৰ মুখত ৰৈ আছে।

বাগানৰ পটিয়েদি সি ভিতৰলৈ বুলি বাট ললে। সি ঘৰৰ ভিতৰ সোমোৱাও মোৰ চকুত পৰিল। পিছে, অলপ পৰৰ পিচত ভিতৰৰ পৰা যিজন মানুহ ওলাই আহিল সেইজন হিণ্ডলে নহয়, হিথক্লিফহে। তাক দেখা মাত্ৰকে মই ভূত দেখাদি, উৰ্দ্ধশ্বাসে ভিৰাই লবিবলৈ ধৰিলোঁ, আৰু পুনৰ গৈ সেই প্ৰস্তৰ স্তূপৰ ওচৰ পালোঁগৈ। সেইখিনি পোৱালৈকে মই বোৱা বাদেই, পিচলৈ ঘূৰি চোৱাও নাছিলোঁ।



ইজাবেলা আইটিৰ কাহিনীৰ লগত এইখিনি কথাৰ তেনেকৈ একো সম্পৰ্ক নাই; পিচে সেই দিনাৰ সেই অভিজ্ঞতাৰ পিচত মই থিৰ কৰি ললোঁ যে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'লৈ হিথক্লিফৰ অহা যোৱাত মই যি কোনো প্ৰকাৰেই নহওক কিয়, বাধা দিবই লাগিব। কেথেৰিন আইদেউ তাৰ ফলত বোধহয় ক্ষুণ্ণ হ'ব, কিন্তু উপায় নাই। তাৰ অবাঞ্ছিত প্ৰভাৱৰ পৰা ঘৰখন মই ৰক্ষা কৰিব লাগিব।

ইয়াৰ পিচৰবাৰ হিথক্লিফ 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'লৈ যেতিয়া যায়, তেতিয়া কেথি আইদেৱে পাৰ চৰাই এজাকলৈ চাউল ছটিয়াই আছিল। তিনিদিন ধৰি বৌৱেক নন্দেকৰ মাতবোল নাছিল, পিচে কেথি আইদেৱে তেওঁৰ নানানটা অভিযোগৰ পেনপেননি শুনাই আমাক জুলুম কৰি থকাও নাছিল। আমি সেয়ে বহুত বুলি স্বস্তি লাভ কৰিছিলোঁ।

ইজাবেলা আইদেউক হিথক্লিফে অনাহকত সৌজন্য প্ৰদৰ্শন কেতিয়াও কৰা নাছিল। এইবাৰ যেতিয়া সি আহিল, আহিয়েই সি আইদেউক দেখিলে। দেখিয়েই সি প্ৰথমতে ঘৰৰ আগপিনে কোনোবা আছেনে নাই সাৱধানে চাই ললে। মই তেতিয়া পাকঘৰৰ খিৰিকিৰ ওচৰত থিয় দি আছিলোঁ, কিন্তু তাক দেখা মাত্ৰেই নিজকে গা ঢকা দিলোঁ। আগচোতালৰ মাজৰ বাটটো পাৰ হৈ হিথক্লিফ ইজাবেলাৰ ওচৰলৈ আগুৱাই যোৱা মোৰ চকুত পৰিল; কিবা কথা তেওঁক সি কলেও। ইজাবেলা বৰ অপ্ৰতিভ হোৱা যেন লাগিল। মোৰ ধাৰণা হ'ল যেন তাই তাৰ ওচৰৰ পৰা আঁতৰি যাব খুজিছে। তেওঁক যোৱাত বাধা দিবলৈ বুলি হিথক্লিফে নিজৰ হাতখন তাইৰ কান্ধত থলে, তেওঁ মুখখন ঘূৰাই দিলে। সি ইজাবেলা আইটিক কিবা কিবি প্ৰশ্ন সোধা যেন লাগিল, কিন্তু তেওঁ কোনো প্ৰশ্নৰে উত্তৰ দিবলৈ মন নকৰিলে। সি সতৰ্কভাৱে ওচৰে পাঁজৰে ভালকৈ চাই ললে, আৰু কোনেও তাক দেখা নাই বুলি ভাবি, সি দুৰ্বৃত্তই ইজাবেলাক সাবট মাৰি ধৰিলে।

'বিশ্বাসঘাতক, পাষণ্ড। তই এটা মস্ত ঠগ, ভণ্ড, প্ৰবঞ্চক। ক তই নহৱ বুলি।' তাৰ কাণ্ড দেখি মোৰ মুখৰ পৰা এই কথাবোৰ যেন মই কব নোৱৰাকৈয়ে ওলাই আহিল।

'কাক বিশ্বাসঘাতক বুলিছ অ' নেলী', মোৰ গাৰ কাষতে মই কেথেৰিনৰ মাত শুনিলোঁ। মই ইমান একান্তভাৱে সিহঁত হালৰ গতিবিধি লক্ষ্য কৰি আছিলোঁ যে কেথেৰিন আইটি কেতিয়া আহি মোৰ ওচৰত থিয় দি আছিল মই গমেই পোৱা নাছিলোঁ। 'কোন হ'ব আৰু আইদেউ— তোমাৰ এই অযোগ্য বন্ধুটি।' অলপ ৰসিকতা কৰি মই কলোঁ— 'সেই বদমাইচটো। মনে মনে সোমাই আহিছিল। ছেঃ সি আমাক দেখিলেই। সেয়া সি ভিতৰ পিনে সোমাই আহিছে। সি চোন তোমাক কৈছিলে যে ইজাবেলাক সি ঘিণ কৰে, দেখিবকে নোৱাৰে। এতিয়াতো তাইৰ লগত প্ৰেম কৰিবলৈ ওলাওঁতেই হাতেলোটে ধৰা পৰিছে। সিনো এতিয়া কি সম্ভাব্য অজুহাত দেখুৱায় মই হ'লে ভাবিয়েই পোৱা নাই।'

ইজাবেলাই হিথক্লিফৰ বাহুবন্ধনৰ পৰা নিজকে মুক্ত কৰি ওলাই যোৱা কেথেৰিনে

স্বচক্ষে দেখিবলৈ পালে। তাই গৈ বাগিচা পালেগৈ। এক মিনিটমান পিচতে দুৱাৰ ঠেলি হিথক্লিফ ভিতৰলৈ সোমাই আহিল।

মই মোৰ উষ্মা প্ৰকাশ কৰিবলৈ ওলাইছিলোৱেই, কিন্তু কেথেৰিনে খঙেৰে মোৰ মনে মনে থাকিবলৈ ক'লে। মই মোৰ মুখৰ ৰব ৰব কথা বন্ধ নকৰিলে মোক পাকঘৰৰ পৰা উলিয়াই দিব বুলিও তেওঁ মোক ক'বলৈ নাপাহৰিলে। 'তোৰ কথা শুনিলে মানুহে ভাবিব, তয়েহে এইখন ঘৰৰ গৃহিণী। তই যিমানৰ মানুহ সিমানতে থাকিবি। তাতকৈ উধাবলৈ নাযাবি।' এই বুলি তেওঁ মোক শঁকিয়াই দিলে। তাৰ পিছত হিথক্লিফলৈ চাই তেওঁ ক'লে, 'হিথক্লিফ, তোৰ মতলবটো কি? এই গণ্ডগোলবোৰৰ মানে কি? মই তোক কৈছিলো নহয়, ইজাবেলাৰ পিচত নালাগিবলৈ। মই কাবৌ কৰিছোঁ, তই মোৰ কথা শুনিবি। নহলে চাবি, তোৰ বাবে এইখন ঘৰৰ আদৰ আপ্যায়নৰ ইতি পৰিব, লিন্টন পৰিয়ালৰ ঘৰৰ দুৱাৰ তোৰ বাবে বন্ধ হৈ যাব। সেয়ে হোৱাটো যদি নিবিচাৰ তেন্তে মোৰ কথা শুনিবি।' সেই দুৰ্বৃত্তই উত্তৰ দিলে : 'তোৰ গৃহস্থ লিণ্টনে মোৰ মুখত দুৱাৰ বন্ধ কৰে? কৰককচোন বাৰু, চাওঁ। ভগৱানৰ দোহাই, তেনে প্ৰয়াস যাতে সি নকৰে। মই তাক তাহানিৰে পৰা দুচকু পাৰি দেখিব নোৱাৰোঁ। সি সেও মানি ধৈৰ্য্য ধৰি থাকিলেহে ভাল হয়। তাক স্বৰ্গগামী কৰিবলৈ মোৰ মন দিনক দিনে পাগল হৈ পৰিছে।'

ভিতৰ ফালৰ দুৱাৰখন জপাই দি কেথেৰিনে ক'লে, 'চুপ থাক। মোক বিৰক্ত নকৰিবি। মোৰ কথালৈ তই কাণ দিয়া নাই কিয়? ইজাবেলা আপোন ইচ্ছাৰে তোৰ ওচৰ চাপিছিল নে?'

'সেই কথা তোক কিয় লাগে?' পাষণ্ডটো একেবাৰে গৰ্জ্জি উঠিল। 'তাই বিচাৰিলে তাইক চুমাখোৱাৰ মোৰ অধিকাৰ আছে। আপত্তি কৰিবলৈ তই কোন? মই তোৰ গিৰিয়েৰ নহয়, মোলৈ তোৰ ঈৰ্ষা হ'ব লাগে কিয়?'

কেথেৰিনে উত্তৰ দিলে : 'তোলৈ মোৰ ঈৰ্ষা হোৱা নাই। কথাবোৰ গোজৰণি মাৰি কৈছ কিয়? স্বাভাবিক সুৰতে ক। তোৰ যদি পচন্দ হৈছে, ইজাবেলাক তই বিয়া কৰাবি। কিন্তু পচন্দ জানো তোৰ হৈছে? আচল কথাটো ক চোন হিথক্লিফ। সেয়া, তোৰ দেখোন মাত নাই। মই ভালকৈ জানো তাই তোৰ পচন্দৰ নহয়।'

মই মাজতে মাত লগালোঁ— 'মিঃ লিণ্টনে জানো তেওঁৰ ভনীয়েকক এইটো মানুহক বিয়া কৰাব খুজিলে সন্মতি দিব?'

কেথেৰিনে স্পষ্টকৈ কৈ দিলে, 'কিয় নিদিব। দিবতো।' হিথক্লিফে ক'লে, 'সি এইবোৰ জেঁতাত লাগিবলৈ নোযোৱাই ভাল। তাৰ মতামতৰ মোৰ দৰ্কাৰ নাই। তোক কেইটামান কথা, কেথেৰিন, মই কব লগা আছে। এতিয়া প্ৰসংগটো ওলাইছে যেতিয়া ভালেই হৈছে। তই এটা কথা জানি থোৱা ভাল— তই যে মোক পৈশাচিক ব্যৱহাৰ কৰিছ সেই কথা মই নজনা নহয়। পৈশাচিক বুলি কৈছোঁ। ওঁ, পৈশাচিক। শুনিছনে নাই? তই যদি ভাবি লৈছ যে মই তোৰ ব্যৱহাৰৰ পৈশাচিকতা গম পোৱা নাই, তেন্তে



তই এক মহা মূৰ্খ। আৰু যদি ভাবিছ যে ভালৰি লগোৱা কথাৰে মোক ফুচুলাব পাৰিবি, তেতিয়াও এটা কথাই প্ৰমাণ হ'ব— তই মূৰ্খ। আৰু যদি ভাবিছ যে মই এইবোৰ ব্যৱহাৰৰ প্ৰতিশোধ নোলোৱাকৈ সহি থাকিম, তেন্তে জানি থবি, তোৰ ভুল হৈছে। মই কি কৰোঁ তই সোনকালেই দেখিবি। তই যে তোৰ ননদৰ মনৰ গোপন কথাটো মোক কলি, তাৰ বাবে বহুত ধন্যবাদ। তই জানি থবি, এই সুযোগৰ পূৰ্ণ ব্যৱহাৰ মই কৰিম। তই আঁতৰি থাকিলেই ভাল হ'ব, কথাবোৰ খাত পাতি নলবি।'

কেথেৰিন আহিলেৱে নিজৰ কাণ দুখনকে যেন বিশ্বাস নকৰিব। তেওঁ পৰম আশ্চৰ্য্য প্ৰকাশ কৰি ক'লে, 'এইটোৰ চৰিত্ৰৰ এই এটা নতুন দিশ চোন। কি কৈছ? মই তোক পৈশাচিক ব্যৱহাৰ কৰিলোঁ, আৰু তই মোৰ ওপৰত প্ৰতিশোধ লবি? অকৃতজ্ঞ জানোৱাৰ, কি প্ৰতিশোধ লবি? কেনেকৈ লবি? কি পৈশাচিক ব্যৱহাৰ তোক মই কৰিলোঁ, কচোন শুনোঁ।'

হিথক্লিফে টান মাতেৰে উত্তৰ দিলে : 'মই তোৰ ওপৰত প্ৰতিশোধ বিচৰা নাই। মোৰ মতলব সেইটো নহয়। স্বেচ্ছাচাৰী শাসনকৰ্ত্তাই নিজৰ লগুৱা লিকচৌক পিহি পেলায়। সিহঁতে সিহঁতৰ বিৰুদ্ধে মূৰ দাঙি উঠিব নোৱাৰে— সিহঁতৰ তলতীয়া যিবোৰ সেইবোৰক সিহঁতে হেঁচি মাৰে। তোৰ নিজৰ স্ফূৰ্ত্তিৰ বাবে তই মোক অত্যাচাৰ কৰি কৰি মাৰিব খোজ, মাৰ, মই আপত্তি নকৰোঁ। মাত্ৰ মোকো তেনে অলপ স্ফূৰ্ত্তি কৰি লবলৈ দে। আৰু চা, তই যাতে মোক অপমান নকৰ, চাবি। মোৰ কাৰেংটো ধূলিসাৎ কৰি, তাৰ ঠাইত জুপুৰী এটা সাজি তাতে মোক ঘৰ হিচাপে থাকিবলৈ দি, নিজৰ বদান্যতাত উল্লসিত হ'বলৈ নাযাবি। ইজাবেলাক মই বিয়া কৰোৱাটো তই সচাকৈয়ে বাঞ্ছা কৰ বুলি ভাবিব লগা হলে মই ডিঙিত বেপ দি আপোনঘাতী হ'ম।'

কেথেৰিনে অসহিষ্ণু হৈ মাত দিলে, 'আৰু এই সমস্তৰে গুৰি কথা হ'ল যে তোৰ প্ৰতি মোৰ ঈৰ্ষানল দপদপাই জ্বলি উঠা নাই। (ইজাবেলাক বিয়া কৰাই) ঘৈণী এজনী গোটাই ল বুলি তোক মই আৰু এবাৰ নকওঁ। তেনে কৰিবলৈ যোৱা মানে চয়তানৰ হাতত নিমাখিত অসহায় প্ৰাণী এটা গতাই দিয়াৰ তুল্য হ'ব। সেইটি কাম মই কৰিবলৈ নাযাওঁ। তই দেখিছোঁ আনক যন্ত্ৰণা দিয়েহে তৃপ্তি পাৱ। তোৰ কাৰ্য্যই তাকেই প্ৰমাণ কৰিছে। ভাবি চাচোন, তই ইয়াত ওলাওঁতেই এড্গাৰ লিণ্টনৰ তোৰ ওপৰত কিমান খং উঠিছিল! এতিয়া লাহে লাহে তেওঁৰ তোৰ প্ৰতি থকা কুৰাৰি শাম কাটি আহিছে। ময়ো স্বস্তিৰ নিশ্বাস পেলাব পৰা হৈছিলোঁ। কিন্তু আমি শান্তিত থকা দেখি তোৰ গা ছাটি ফুটি কৰিলে— সহ্য নহ'ল, আকৌ এখন কাজিয়া লগাবলৈ ওলালি। কৰিব খুজিছ কৰ কাজিয়া এড্গাৰৰ লগত, আৰু তাকে কৰি ভনীয়েক জনীকো প্ৰতাৰণা কৰ। মোৰ ওপৰত প্ৰতিশোধ লবৰ বাবে ইয়াতকৈ সুন্দৰ ব্যৱস্থা আৰু তই নাপাবি।'

কিছু সময়লৈ দুয়োৰো কথা বতৰা বন্ধ হ'ল। খঙত বঙাচিঙা পৰি, কেথেৰিন অহিদেউ মুখ গোমোঠা কৰি জুহালৰ ওচৰত বহিলগৈ। তেওঁ ইমান উত্তেজিত হৈছিল

যে উত্তেজনা যেন তেওঁ দমাই ৰাখিব নোৱৰাত পৰিছিল।হিথক্লিফ ভুহালৰ ওচৰতে হাত সাৰটি থিয় দি ৰ'ল। তাৰ মন কুচিন্তাত নিমগ্ন। সিহঁত দুটাক তেনে অৱস্থাতে এৰি মই মোৰ গিৰিহঁতৰ ওচৰলৈ বুলি গ'লো। কেথেৰিনে তলৰ মহলত অতপৰেনো কি কৰি আছে বুলি তেওঁ উচপিচাই আছিল।

মোক দেখা পাই তেওঁ সুধিলে, 'এলেন, আইদেৰেৰা ক'ত আছে তই দেখিছনে?'

'দেখিছোঁ, তেওঁ পাক ঘৰত বহি আছে।' মই কৈ গ'লোঁ, 'হিথক্লিফৰ দুৰ্ব্যৱহাৰত তেওঁ অত্যন্ত ক্ষুব্ধ হৈছে। আৰু মই ভাবো যে এই মানুহজনৰ আমাৰ ইয়ালৈ অহাযোৱা কৰাটোত অলপ হকাবধা কৰিব লগা হৈছে। এওঁক লাই দি থকাৰ পৰা ভাল নহ'বগৈ যেন পাইছোঁ। আমি এইখন পৰ্য্যায়লৈতো হৈছেই।' এই বুলি কৈ আগচোতালত কি হৈছিল সেই সমস্ত কথা তেওঁক বিবৰি কলোঁ। পিচৰ থকা খুন্দাৰ কথাও কলোঁ। কথাবোৰ কওঁতে মই কেথেৰিন আইদেউৰ গাত দোষাৰোপ কৰি কোৱা হৈছে যেন নালাগিছিল। পিচত বোধহয় তেওঁ হিথক্লিফৰ ফলীয়া হৈ মাত মাতি, নিজৰ গাতে দোষ জপি লৈছিল যদি সেইটো সুকীয়া কথা।

মোৰ বক্তব্য শেষ হবলৈ পালেহে নাপালে, খঙত জুলি পকি উঠি মিঃ লিণ্টনে ক'লে, ''এইবোৰ কথা অসহ্য। কেথেৰিনে হিথক্লিফক বন্ধু বুলি গণ্য কৰাটোৱেই অত্যন্ত লজ্জাৰ কথা হৈছে। মোক এনে এটা মানুহৰ লগ লগাই দি তেওঁ কি যে বেয়া কাম নকৰিছে। এলেন, বাহিৰা মানুহ দুটা মোৰ ওচৰলৈ মাতি আন। সেই ইতৰ বজ্জাতটোৰ লগত কেথেৰিনে তৰ্ক কৰি থকাটো মোৰ সহ্য হোৱা নাই। তাক মই বহুত প্ৰশ্ৰয় দিলোঁ, আৰু নহ'ব।'

. এই বুলি কৈয়েই তেওঁ তলৰ মহলালৈ নামিলেই। চাকৰ বাকৰবোৰক তেওঁৰ লগতে নগৈ, খটখটিৰ দাঁতিতে ৰৈ থাকিবলৈ তেওঁ কলে। তেওঁৰ লগত গলোঁ মাথোন মই। আমি দুয়ো তলৰ পাকঘৰ পালোঁগৈ। তাত গৈ দেখোঁ, হিথক্লিফ আৰু কেথেৰিন আইটিৰ মাজত উখনা উখনি পূৰ্ণ মাত্ৰাত চলি আছে। কেথেৰিন আইদেৱে হিথক্লিফক শক্তিয়ে আঁটে মানে আকৌ গালি গালাজ দিবলৈ ধৰিলে। হিথক্লিফে খিৰিকিৰ দাঁতিলৈ গৈ, তলমূৰকৈ কেথেৰিনৰ নিন্দা ভৰ্ৎসনা শুনি আছিল। তেওঁৰ ৰণচণ্ডী মূৰ্ত্তি দেখি তেতিয়ালৈ তাৰ চুৰ্ত্তি হেৰাল— সি কেইই মুহূৰ্ত্তমানলৈ চুপ মাৰি ৰ'ল। হিথক্লিফেই লিণ্টনক প্ৰথমে দেখিলে। দেখিয়েই সি কেথেৰিনক চুপ কৰিবলৈ তৎক্ষণাৎতে ইংগিত দিলে। কাৰণটো বুজিব পাৰি তেৱোঁ নীৰৱ হৈ গ'ল।

কেথেৰিনক উদ্দেশ্য কৰি লিণ্টনে সুধিলে, 'এইবোৰ হৈছে কি? সৌ ইতৰ প্ৰাণীটোৰ সেইবোৰ মাত কথা শুনাৰ পিচতো তুমি কি যুক্তিত তাৰ লগত ইয়াত কথাবাৰ্ত্তা পাতি আছাঁহি? তুমি বোধহয় ভাবিছা যে এই অসভ্যটোৰ এইবোৰ স্বাভাৱিক আচৰণ, আৰু তুমি এইবোৰ সহ্য কৰাত অভ্যস্ত। সেই বুলিয়েই মোৰো এনেবোৰ আচৰণ সহ্য হৈ যাব বুলি তুমি ধৰি লৈছা নে কি?'

গিৰিয়েকৰ খং উঠালৈ তাই যেন ভ্ৰূক্ষেপেই কৰা নাই, এনেভাৱ দেখুৱাই,



কেথেৰিনে সুধিলে, 'তুমি দুৱাৰ চুকত ৰৈ আমাৰ কথাবতৰা শুনি আছিলাঁহি নেকি?' তেওঁৰ মতলবটো হ'ল, গিৰিয়েকৰ খং চৰে যদি চৰক।

হিথক্লিফে প্ৰথমতে মূৰ দাঙি চাইছিল; কেথেৰিনৰ কথা শুনি সি এইবাৰ তাচ্ছিল্যৰ সুৰত হোঁ হোঁ কৈ হাঁহি দিলে। লিণ্টনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈকে সি তেনে কৰা যেন লাগিল।

দৃষ্টি আকৰ্ষণ সি কৰিলেও, কিন্তু সি ভবামতে এড্‌গাৰ লিণ্টনে উত্তেজনাৰ বশবৰ্ত্তী হৈ তাৰ প্ৰতি কোনো বাক্যবাণ নিক্ষেপ নকৰিলে। শান্ত ভাৱে, ঝুথি মাথি এই কেইটা কথাহে তেওঁ ক'লে :

'মই আজি পৰ্য্যন্ত আপোনাক সহ্য কৰিয়েই আহিছিলোঁ। আপোনাৰ দুশ্চৰিত্ৰৰ সত্ত্বেও মই নাপাওঁ বুলিহে যে সহ্য কৰিছিলোঁ তেনে নহয়। আপোনাৰ গতি প্ৰকৃতি আৰু আচৰণৰ ভু মই ভালকৈয়ে পাওঁ। তথাপিতো মই ভাবিছিলোঁ যে আপোনাৰ এই স্খলনৰ বাবে আপুনি নিজে পুৰাপুৰিকৈ দায়ী নহয়; আংশিক ভাৱেহে জগৰীয়া। কেথেৰিনে আপোনাৰ লগত পৰিচিতজনৰ সম্বন্ধ বজাই ৰাখিব খুজিলত ময়ো সন্মত হৈছিলোঁ। সেয়া হ'ল মোৰ মূৰ্খালি। আপোনাৰ উপস্থিতি হ'ল এক নৈতিক গৰল— যাড়ে হিমজুৰে ধৰ্মপ্ৰাণ ব্যক্তিও ইয়াৰ বিষময় প্ৰভাৱৰ পৰা হাত সাৰিব নোৱাৰে। সেই বাবে, আৰু পৰিস্থিতি যাতে আৰু বেয়ালৈ নাযায় সেইকথা চিন্তা কৰি মই ঠিক কৰিছোঁ যে এইখন ঘৰত আপোনাক আৰু সোমাবলৈ দিয়া নহ'ব। আপোনাক এই মুহূৰ্ত্ততে ইয়াৰ পৰা বাহিৰ ওলাবলৈ কোৱা হৈছে, তিনি মিনিট সময়ো যদি পলম কৰে পৰিণতি আপোনাৰ বাবে বেচ অপমানজনক হ'ব।'

লিণ্টনৰ প্ৰতি পৰম অৱজ্ঞাৰ ভাব চকুৰে মুখে বিয়পাই হিথক্লিফে খন্তেকলৈ তেওঁৰ আপাদমস্তক নিৰীক্ষণ কৰি ক'লে, 'কেথি, তোৰ এই ভেড়া পোৱালিটোৱে চোন ষাঁড়ৰ দৰে গুজৰিছে! চাবি, কৰবাত আকৌ মোৰ লগত ফেঁপেৰি পাতি লৈ নিজৰ মূৰটো ভাঙিব। ভগবানৰ দোহাই, মিঃ লিণ্টন, মোৰ বৰ আক্ষেপ ৰ'ল যে তুমি মোৰ জোখৰ নহলা। চিকা মাৰি মই হাত গোন্ধাও কেনেকৈ?'

পৰাধী লিণ্টনে বাৰান্দাৰ পিনে কেৰাহিকৈ চাই, মানুহকেইটাক মাতি আনিবলৈ মোক ঠাৰে চিয়াঁৰে বুজালে। তেওঁ নিজে তাৰ লগত মৰামৰি কৰিবলৈ ইচ্ছা কৰা নাছিল।

মই তেওঁৰ সংকেত বুজি সেইমতে কাম কৰিবলৈ ওলালোঁ। কিন্তু কেথি আইদেৱে কিবা এটা সন্দেহ কৰি মোৰ পিচে পিচে ওলাল। মানুহ কেইটাক মাতিব খুজিলত তেওঁ মোক পিচলৈ টানি আনিলে, আৰু লগে লগে দুৱাৰখন ধুম কৰে মাৰি জপাই দি তলা বন্ধ কৰি থলে।

এড্‌গাৰ লিণ্টন তেওঁৰ কাৰ্য্য দেখি বিস্ময়ত হতবাক যেন হ'ল। তেওঁৰ খঙো উঠিছিল জমদগ্নি যেনকৈ। তাকে দেখি কেথিয়ে ক'লে, 'সজ উপায় লোৱা। তেহে গুৱাৰ। হিথক্লিফক আক্ৰমণ কৰাৰ জোখেৰে সাহস যদি নাই, তেন্তে কিবা এটা

অক্সুহাত উলিয়াই লোৱাঁ, নতুবা নিজে এপিটিন খাবলৈ সাজু হোঁৱা। তোমাৰ যি কণ সাহ আছে তাতকৈ বেচিকৈ থকা বুলি দেখুৱাবলৈ যোৱা বেমাৰটোৰ পৰা তেতিয়া নিস্তাৰ পাবা। নহ'ব, নহ'ব, তোমাৰ হাতত মই চাবিটো নিদিওঁ। তাতকৈ মই ইয়াক গিলিয়েই থম। তোমালোক দুয়োজনৰে প্ৰতি দয়া পৰবশ হৈ যিমানবোৰ কৰিলোঁ, তাৰ ফল এতিয়া হাতে হাতে পাইছোঁ। এটা হ'ল দুৰ্ব্বল চিতীয়া, আনটো হ'ল দুৰ্বিনীত। দুয়োটাকে লাই দি সহি থকাৰ মূৰত এতিয়া পাইছোঁ এই কৃতঘ্নতা। অবিশ্বাস্য। এড্‌গাৰ, মই তোমাৰ পক্ষ লৈ তোমাক আৰু তোমাৰ পৰিয়ালক সমৰ্থন কৰিছিলোঁ। এতিয়া ভাবিছোঁ, মোৰ বিষয়ে তুমি এটা কুৎসিত ধাৰণা পোষণ কৰাৰ বাবে হিথ্‌ক্লিফে তোমাক বেতাই চামৰা উঠাই দিলেহে ভাল হয়। ইমান সাহ তোমাৰ! ইমান বেয়াকৈ ভাবিব পাৰা তুমি মোৰ বিষয়ে!।'

তেনে এক পৰিণতিৰ বাবে এড্‌গাৰ লিণ্টনৰ বেত্ৰাঘাতৰ প্ৰয়োজন নহ'ল। তেওঁ কেথেৰিনৰ মুঠিৰ পৰা চাবিটো কাঢ়ি নিবলৈ চালে। নিৰাপত্তাৰ কথা চিন্তা কৰি কেথিয়ে তাক জুহালৰ মাজলৈ দলিয়াই দিলে। তাকে দেখি এড্‌গাৰ লিণ্টন উত্তেজনাত কঁপিবলৈ ধৰিলে, আৰু তেওঁৰ চকু মুখ ভয়ানক ভাবে শেঁতা পৰি আহিল। অপমান আৰু আতংকেই মেৰাই ধৰি তেওঁক জৰ্জৰিত কৰি পেলালে। তাকে দেখি তেওঁৰ পত্নীয়ে ঠাট্টা কৰি ক'লে, ''বাঃ বাঃ। কেনে সাহসীটো চোঁৱা। আগৰ দিনত হোৱাহেঁতেন ইয়াৰ বাবে তুমি 'নাইট' পদবী পালাঁহেঁতেন। আমি হাৰি গলোঁ। হাৰি গলোঁ। ৰজাই নিজৰ সৈন্যসামন্ত লৈ মিগনিৰ দেশলৈ অভিযান চলালে যি হ'ব, হিথ্‌ক্লিফে তোমালৈ টোঁৱাই আঙুলি দাঙিলেও সেয়ে হ'ব। ভয় নকৰিবা। তোমাৰ অনিষ্ট নহয়। তোমাক বেত্ৰাঘাত নকৰে। তোমাৰ দৰে মানুহক ভেৰা পোৱালীৰ লগত বিজালে নুশুৱায়; আচলতে তোমাক পিয়াহ খাই থকা শহা পোৱালী বুলিবহে লাগে।'

হিথ্‌ক্লিফে মাত লগালে, 'কেথি, তই তোৰ এই দুগ্ধপোষ্য, কাপুৰুষ প্ৰাণীটোৰ লগতে সংসাৰ কৰি সুখেৰে থাক। তোৰো যে আৰু ৰুচি! মুখেদি লেলাউটি বৈ থকা, বেঙে মূতা গৰু কঁপাদি কঁপি থকা, এইটিহে তোৰ পচন্দ হ'ল। এইজনৰ বাবেই তই মোক নেওচিলি। মই তাক ঘোচা মাৰিবলৈ নাযাওঁ, কিন্তু বেচকৈ এগোৰ তাৰ পেটত কৰ্বাম। তেহে মোৰ গাত সুত লাগিব। সি উচুপি আছেনে কি অ'? নে ভয়তে মৰভাও জুৰিছে?' বদমাচটোৱে এইবোৰ কথা কৈ কৈ, লিণ্টন বহি থকা চকীখনৰ পিনে আগুৱাই আহি চকীখন ঠেলি দিলে। সি আঁতৰি থকাই ভাল আছিল, কাৰণ চকীখনত জোকাৰটো পৰা মাত্ৰকে এড্‌গাৰ লিণ্টন জাপ মাৰি উঠিল আৰু তাৰ ডিঙিত অতৰ্কিতে এনে এটা ভুকু বহুৱাই দিলে যে হিথ্‌ক্লিফ নহৈ, অলপ ধতুৰা আন কোনোবা হোৱাহেঁতেন সেই পিনেই নাম খালেহেঁতেন।

এক লহমা সময় সি উশাহ নিশাহ ল'ব নোৱাৰা হৈ পৰি ৰ'ল। সি চটফটাই পৰি থকা কণ সময়ৰ ভিতৰতে মোৰ গৃহস্থ লিণ্টন পাচ দুৱাৰেদি চোতাললৈ ওলাই গ'ল, আৰু তাৰ পৰা আগফালৰ দুৱাৰ পালেগৈ।



কেথেৰিনে চিঞৰি ক'লে, 'লৈয়া, হ'ল আৰু। তোৰ আৰু ইয়ালৈ অহাটো ইমানতে শেষ হ'ল। যাগৈ ইয়াৰ পৰা এতিয়াই। তেওঁ আকৌ ওলায়হিহে লাগে— এইবাৰ অকলে নাহে, লগত আধা ডজনমান পানি পহৰীয়া আৰু খজা বন্দুক এগাল লৈহে আহিব। আমাৰ কথা বতৰা যদি তেওঁৰ কাণত পৰিছিল তেন্তে তেওঁ তোক কখিন কালেও ক্ষমা নকৰিব। তই মোক বৰ বেয়া পৰিস্থিতিত পেলালি, হিথ্‌ক্লিফ। যেই কি নহওঁক, তই ইয়াৰ পৰা এতিয়াই আঁতৰি যা। বৰ নাথাকিবি, লৰালৰি কৰ। তই ইয়াত ফান্দত পৰাটো মই নিবিচাৰোঁ— বৰং মই লিণ্টনকে বেহত আবদ্ধ হৈ পৰাটো সহ্য কৰিব পাৰিম।'

'গলধনৰ গেলেহা কিলটোৰ কৰফৰণি মাৰ নোযোৱাকৈয়ে মই ইয়াৰ পৰা পৃষ্ঠভংগ দিম বুলি ভাবিছ নে কি? জহান্নামৰ নামত শপত খাই কৈছোঁ, সেইটি নহ'হে। এই কোঠাৰ দুৱাৰডলিৰ বাজ হোৱাৰ আগতেই মই তাৰ কামিহাড়বোৰ পচা আখ্ৰোট ভঙাদি চেপি গুড়ি কৰিম। মই এতিয়াই তাক এমজা বেচকৈ দি নগলে, পিচত হয়তো তাক মই মাৰিয়েই পেলাম। সেইবাবে কৈছোঁ, সি যদি বাচি থকাটো বিচাৰ তেন্তে এপালি দিবলৈ দে। বিধি পথালি নিদিবি।'

অলপ আসৈ মাতি মই উত্তৰ দিলোঁ ঃ 'তেওঁ নিজে নাহে। গাৰোৱানটো আছে, মালী দুটাও আছে। সিহঁতক লগাই তোক গতিয়াই নি ৰাস্তাত থৈ অহাটো তই নিশ্চয় নিবিচাৰ। সিহঁতৰ গাইপতি এবোডালকৈ টোকোন আছে। সিহঁতে তেওঁৰ আদেশ পালন কৰিবনে নাই সেই কথা বহা কোঠাৰ খিৰিকিয়েদি চাই থাকিব।'

মালী দুটা আৰু গাৰোৱানটো গেটি খাইছিলেই। কিন্তু সিহঁতৰ লগত লিণ্টনো আছিল। গোটেইবোৰ চোতাল পাইছিলহি। হিথ্‌ক্লিফে পৰিস্থিতিটো পুনৰ ভাবি চাই, তিনিটা ছোটলোকৰ লগত হতাহতি নকৰিবলৈকে থিৰ কৰিলে। সি জুই চুঁচাটোৰে কোবাই দুৱাৰখনৰ তলাটো ভাঙিলে, আৰু বাকী কেইটা পিচ দুৱাৰেদি হুৰমূৰকৈ সোমাই অহাৰ মুহূৰ্ত্তত সি আগদুৱাৰেদি ওলাই গ'ল।

কেথি অহিদেউ বৰ উত্তেজিত হৈ পৰিছিল। তেওঁ মোক তেওঁৰ লগতে ওপৰ মহললৈ উঠি যাবলৈ ক'লে। ঘটি যোৱা ঘটনাবোৰত মোৰ অবিহণা কিমান আছিল সেই সম্পৰ্কে বোধহয় তেওঁৰ কোনো ধাৰণা নাছিল। ময়ো যিমান দিনলৈ পাৰি তেওঁ নজনাকৈ থকাটোৱেই বাঞ্ছা কৰিছিলোঁ।

চোফাখনত নিজৰ শৰীৰটো পেলাই দি উত্তেজিত সুৰত তেওঁ ক'লে, 'মই প্ৰায় পাগল হৈ গৈছোঁ, নেলী। মোৰ মূৰত যেন হেজাৰটা কমাৰৰ হাতুৰীৰ কোব পৰিছে। ইজাবেলাক কবি, তাই যেন মোৰ ওচৰ নাচাপে। এই সমস্ত ঘটনাৰ মূলতে তাই। তাইয়ে বা আন কোনোবাই যদি মোৰ খং চৰায়, মই উন্মত্ত হৈ যাম। আৰু চা, নেলী। এড্‌গাৰ লিণ্টনৰ লগত আজি ৰাতি যদি আকৌ তোৰ দেখা দেখি হয়, তেন্তে কবি যে মই ভীষণ ভাবে অসুস্থ হৈ পৰা আশংকা হৈছে। মোৰ আশংকাই যেন সঁচা হয়— সেয়ে হলেই মই ভাল পাম। তেওঁ মোক ভয়ানকভাবে দুৰ্ভোগ ভোগাইছে, উৎপীড়ন

কৰিছে। মই তেওঁক চক খুৱাই দিব খুজিছোঁ। কি ঠিক আছে, তেওঁ আহি হয়তো মোক আকৌ এজাউৰি গালি পাৰিব। ওজৰ আপত্তি শুনাব। মই বেচকৈ বুজিছোঁ যে মযো ওলোটা অভিযোগ তেওঁৰ ওপৰত অনা ভাল হ'ব। ভগৱানেহে জানে তেনে অভিযোগৰ শেষ ক'ত হ'ব। নেলী, কৰিবিনে তই ওলোটা অভিযোগ তেওঁৰ ওপৰত? ক। তইতো জান, এই গোটেই ঘটনাটোৰ বাবে মই কোনো প্ৰকাৰে দায়ী নহওঁ। আঁৰলত কৈ কাণ উনাই থাকি, লোকৰ কথা শুনিবলৈ তেওঁক কিহে পাইছিল? তই আমাৰ ওচৰৰ পৰা যোৱাৰ পিচত হিথক্লিফে যিবোৰ কথা ক'লে সেইবোৰ আছিল সম্পূৰ্ণ অসংযত, আৰু আপত্তিজনক। কিন্তু ইজাবেলাৰ পৰা তাৰ মনোযোগ মই সহজেই আৰু শীঘ্ৰেই আঁতৰাব পাৰিলোহেঁতেন। সেয়ে হোৱাহেঁতেন আনবোৰ কথালৈ চিন্তা কৰিবলগীয়া নাছিল। কিছুমান মানুহৰ গাত কিবা এজনা থাকে— সেই জনাৰ উচটনিতে নিজৰ বিষয়ে আনৰ পৰা বেয়া কিবা এটা শুনিবলৈ মনে যেন উচপিচাই থাকে। এই ক্ষেত্ৰতো সেয়ে হৈছে। এডগাৰে আমাৰ কথোপকথন নুশুনাহেঁতেন, কথা ইমানলৈ নগ'লহেঁতেন। তেওঁবো ইমান লঘু লাঞ্ছনা পাব লগা নহ'লহেঁতেন। মইতো হিথক্লিফক তাৰ আচৰণৰ বাবে ভালকৈ এজাউৰি শুনাইছিলোঁৱেই। তৎ সত্ত্বেও এড্‌গাৰে মোক সিমান বেয়াকৈ ক'লে, তাৰ পিচত আৰু মই কোনো কথালৈ চিন্তা কৰা নাই। সিহঁত দুটা কোনটো কেনেকৈ মৰে মৰক, মোৰ চিন্তা কৰাৰ দৰ্কাৰ নাই। মই ভালকৈ বুজিছোঁ যে আজিৰ পৰিস্থিতিৰ পৰিণতি যিয়েই নহওক কিয়, আমি আটাইবোৰ ছেদেলি ভেদেলি হৈ পৰিবলৈ বাধ্য। কিমান দিন কোন কাৰপৰা এৰা এৰি হৈ থাকে কোনে জানে। তই চাই থাকিবি, নেলী, হিথক্লিফৰ লগত যদি মই বন্ধুত্বৰ সম্পৰ্ক ৰক্ষা কৰি চলিব নোৱাৰোঁ, এড্‌গাৰে যদি এই বিষয়ত নীচ ধাৰণা এটা লয় আৰু ঈৰ্ষা প্ৰকাশ কৰে, তেন্তে মই মোৰ নিজৰ অন্তৰ চূৰ্ণ কৰি দি, সিহঁত দুটাৰ অন্তৰ বিদীৰ্ণ কৰি দিম। মোক চৰম পৰ্যায়লৈ ঠেলি থাকিলে, সেইটোৱেই হ'ব এই সমস্তৰে অন্ত পেলোৱাৰ এক সহজ উপায়। পিচে এই পন্থা মই এতিয়াই নলওঁ— যেতিয়া দেখিম যে আশা আৰু একেবাৰেই নাই তেতিয়াহে। লিণ্টনক চমক খুৱাই দিয়াটো মোৰ অভিপ্ৰায় নহয়। এতিয়ালৈকে তেওঁ মোক প্ৰৰোচিত কৰা নাই, কৰিবলৈ সাহ কৰা নাই। আশাকৰোঁ তেওঁ এই সুবিবেচনা পৰিহাৰ নকৰিব। কৰিলে কি পৰিণতি হ'ব সেই কথা তেওঁক তই সোঁৱৰাই দিবি। মোৰ মেজাজ যে উতলা সেই কথা যেন নাপাহৰে তেওঁ। নেলী, তোৰ মুখৰ এই নিৰ্বিকাৰ ভাবটো তই আঁতৰা— মোৰ বাবে যে তোৰ চিন্তাৰ অন্ত নাই তেনে এটা ভাব ফুটাই তোল।'

কিমান অবিচলিত ভাৱে কেথেৰিণৰ এই কথাবোৰ মই শুনি আছিলোঁ ভাবিলে এতিয়া আচৰিত লাগে। তেতিয়া কিন্তু মোৰ ভিতৰি ভিতৰি খুব খং উঠিছিল। আইদেৱে কথাবোৰ আন্তৰিকতাৰেই কৈছিল, পিচে মোৰ ভাব হৈছিল যে যি পৰাকী মানুহে অনিষ্ট সিদ্ধিৰ বাবে তেওঁৰ ভাব অনুভূতিবোৰ উত্তেজিত কৰি দেখুৱাবলৈ আগতেই প্ৰস্তুত হৈ লব পাৰে, সেই পৰাকী মানুহে সেইবোৰ ভাব অনুভূতি সময়ত সহজেই নিয়ন্ত্ৰণো কৰিব পাৰে। মই মনে মনে ঠিক কৰি ললোঁ যে আইদেউৰ স্বাৰ্থপৰ



উদ্দেশ্য সিদ্ধি কৰিবলৈ, তেওঁ বিচৰা মতে মই তেওঁৰ স্বামীক 'ভয় খুৱাবলৈ' আৰু তেওঁৰ চিন্তা বঢ়াবলৈ নাযাওঁ।

সেইবাবে অলপ পিচতে এড্‌গাৰ লিণ্টন চৰা ঘৰৰ পিনে অহা দেখিও মই তেওঁক একো নকলোঁ। কিন্তু গিৰিয়েক ঘৈণীয়েকৰ মাজত আকৌ কাজিয়া লাগেনে কি সেই কথা জানিবলৈ বুলি তেওঁৰ পিচে পিচে গৈ উৎসুক হৈ ৰ'লোঁ।

কথা আৰম্ভ কৰিলে লিণ্টনেই।

'কেথেৰিণ, যতে আছাঁ ততে থাকা,' তেওঁৰ মাতত খঙৰ কোনো আভাস নাই, শোকৰ সুৰ কিন্তু স্পষ্ট। 'মই সৰহ সময় নৰওঁ। মই কাজিয়া কৰিবলৈও অহা নাই, মিটমাট কৰিবলৈকো অহা নাই। মই মাত্ৰ জানিব খুজিলোঁ, আজি সন্ধিয়া যিবোৰ ঘটনা ঘটি গ'ল, ইয়াৰ পিচতো তুমি —— (হিথক্লিফ)ৰ লগত তোমাৰ ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰি চলিবানে ........?'

কেথেৰিণ জাঙুৰ খাই উঠিল। গোবোহনি এটা মাৰি উত্তৰ দিলে, 'কাবৌ কৰিছোঁ, কাকুতি কৰি কৈছোঁ, সেই প্ৰসংগ আকৌ নুলিয়াবা। তোমাৰ তেজ বেচ চেঁচা, সহজে উতলি নুঠে। তোমাৰ শিৰে শিৰে বৰফ চেঁচা পানীহে চলে। কিন্তু মোৰ তেজ উতলি আছে, আৰু এনে নিৰ্বিকাৰ, শীতল আচৰণ দেখিলে, মোৰ তেজ নাচি উঠে।'

লিণ্টন নিজৰ প্ৰশ্নতে লাগি থাকিল— 'মোৰ পৰা যদি অব্যাহতি পাবৰ মন কৰিছা তেনেহ'লে মোৰ প্ৰশ্নৰ উত্তৰ দিয়া। তুমি মোৰ প্ৰশ্নৰ উত্তৰ দিবই লাগিব। তোমাৰ এই ভাবুকিত মই সেও মানিম বুলি নাভাবিবা। ইচ্ছা হ'লেই তুমি নিৰ্বিকাৰ ভাও এটা দিব পাৰা, সেই কথা মই এতিয়া ভালকৈ বুজি পাইছোঁ। কোৱা মোক, এতিয়াৰ পৰা তুমি হিথক্লিফক এৰি দিবানে? নে মোক এৰিবা? আমাৰ উভয়ৰ লগতে তুমি সম্পৰ্ক ৰক্ষা কৰি চলিব নোৱাৰিবা, আৰু তুমি কাক এৰিবা, কাক ধৰিবা সেইকথা মই খাটাংকৈ জানিবলৈ বিচাৰিছোঁ।'

কেথেৰিণ পাগলীৰ দৰে হৈ, উত্তেজনাত চিঞৰি দিলে, 'মোক অকলে থাকিবলৈ লাগে। মই কৈছোঁ, মোক অকলে থাকিবলৈ দিয়া। মই থিয় হৈ ৰ'ব নোৱৰা হৈছোঁ, তুমি দেখা নাইনে এড্‌গাৰ? এডগাৰ, তুমি, তুমি, মোৰ ওচৰৰ পৰা যোৱা।'

মোক বিচাৰি তেওঁ বেলটো ইমান জোৰে টিপিলে যে স্প্ৰিংডালৰ একোবা এৰাই গ'ল। মই লাহে ধীৰে কোঠালৈ সোমাই আহিলোঁ। এনেহে খঙৰ ভমক, কি ক'ম। সাধু সন্ন্যাসীৰো থিৰ যুগুতি নাইকিয়া কৰিব পৰা খঙ। মই আহি দেখোঁ যে চোফাখনৰ এমূৰৰ কাঠ ডালত মূৰটো খেকেচি খেকেচি তেওঁ চটফটাই পৰি আছে। দাঁতবোৰ এনেদৰে কৰচিছে যেন আটাইগাল ভাগি গুৰি হৈহে যাব।

মিঃ লিণ্টনে ওচৰতে থিয় দি চাই আছে। তেওঁৰ যেন হঠাতে কেথেৰিণৰ প্ৰতি দয়া উপজিল। তেওঁ মোক অলপমান পানী আনিবলৈ ক'লে। কেথেৰিণ নিজে কথা ক'ব পৰা অৱস্থাত নাছিল।

মই পানী এগিলাচ আনিলোঁ হয়, কিন্তু তেওঁ সেয়া এটাও নামাৰে। সেইবাবে মই পানীখিনি তেওঁৰ গালেমুখে ছটিয়াই দিলোঁ। কেইচেকেণ্ডমানৰ ভিতৰতে হাত ভৰি দীঘলকৈ মেলি দি কেথেৰিণ ঠেৰঙা হৈ পৰিল, চকুহাল পিৰিকতি নপৰাকৈ বহলকৈ মেল খাই গ'ল; গালমুখ বিবৰ্ণ হ'ল, আৰু এনেহে লাগিল যেন তেওঁৰ মৃত্যু সন্নিকট।

লিণ্টন ভয়ত কঁপিবলৈ ধৰিলে।

মই ফুচফুচাই ক'লোঁ, 'ভয় খাব লগা একো হোৱা নাই।' মোৰ পেটে পেটে ভয় নলগাকৈ থকা নাছিল, হলেও লিণ্টনে সেও মনাটো মই বিচৰা নাছিলোঁ।

'তেওঁৰ ওঁঠত তেজ বিৰিঙিছে', ভয়ত কঁপি কঁপি লিণ্টনে ক'লে।

'চিন্তা নকৰিব', মই গেঙেৰা মাৰি ক'লোঁ। তেওঁ সেই ঠাইত উপস্থিত হোৱাৰ আগে আগে, কেথেৰিণে যে এইদৰে জঁক উঠাৰ ভাওঁ ধৰিব বুলি কৈছিল, সেই কথাও মই তেওঁক কবলৈ নাপাহৰিলোঁ।

অসাৱধানবশতঃ গোটেই বৃত্তান্তটো মই ডাঙৰ ডাঙৰকৈ কলোঁ। কেথেৰিণে গোটেইবোৰ কথা শুনিলে, আৰু লগে লগে তেওঁ চক খোৱা যেন কৰি জাপ মাৰি উঠিলে। তেওঁৰ চুলিবোৰ আউলি জাউলী হৈ কান্ধলৈ ওলমি পৰিলে, চকুহাল টেৰ টেৰ কৰে বহা পৰিলে, ডিঙি আৰু বাহুৰ মাংসপেশীবোৰ অদ্ভুতভাৱে গোটি মাৰি টান হোৱা যেন হৈ পৰিল। মই মনে মনে হাড়মূৰ ভাগি যোৱাকৈ এপিটন খাবলৈ সাজু হলোঁ। তেওঁ কিন্তু মোৰ প্ৰতি কোনো দুৰ্ব্যৱহাৰ নকৰিলে; সন্মুখৰ পিনে কিছু সময় ঠৰ লাগি চাই থাকিলে আৰু এসময়ত কোঠাটোৰ পৰা লৰি যোৱাদি ওলাই গ'ল।

মোৰ গিৰিহঁতে মোক কেথি আইদেউৰ পিচে পিচে যাবলৈ নিৰ্দেশ দিলে। মই তেওঁৰ কোঠাৰ দুৱাৰমুখলৈকে গলোঁ। কিন্তু তেওঁ মোক আৰু যাবলৈ নিদিলে। ভিতৰৰপৰা দুৱাৰখন বন্ধ কৰি দিলে।

পিচদিনা তেওঁ পুৱাৰ জলপান খাবলৈ ওলাই নাহিল। সেইবাবে জা-জলপান তেওঁৰ কোঠালৈকে নি দিম নে কি বুলি মই গৈ সুধিলোঁ। নালাগে বুলি তেওঁ জোকোৰা মাৰি উত্তৰ দিলে। দুপৰীয়াৰ সাজ খাবলৈকো তেওঁ নোলাল। মই আকৌ গৈ সুধিলোঁ, একে জবাবকে পালোঁ।

পিচদিনাও পৰিস্থিতিৰ সলনি নহ'ল।

মিঃ লিণ্টন পঢ়া কোঠাত সোমাই থাকিল। তেওঁৰ পৰিবাৰে খাইছে নেখাইছে, কি কৰিছে নকৰিছে সেইবোৰলৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। ইজাবেলাৰ লগত তেওঁৰ এঘণ্টামান সময় কথা বতৰা হ'ল। কথাৰ্য়েকে ভনীয়েকৰ মুখৰ পৰা হিথক্লিফৰ তাইৰ প্ৰতি ভাব আৰু আচৰণ সম্বন্ধে দুই চাৰি কথা উলিয়াবলৈ চালে। তাই পিচে খাটাং কথা একো নকলে— গাত নলগা ধৰণে দুই এটা জবাব দিলে মাথোন। নিৰাশ হৈ লিণ্টনে সেই চেষ্টা এৰি পেলালে। কিন্তু সেই অপদাৰ্থটোৰ লগত হাতবাটি চলাই থাকিবলৈ হলে তেওঁলোকৰ মাজত আৰু কোনো প্ৰকাৰ সম্পৰ্ক নাথাকিব বুলি ভনীয়েকক সতৰ্ক কৰি দিবলৈ তেওঁ নাপাহৰিলে।



ইজাবেলা আইটিয়ে বিষণ্ণ মনে অকলে অকলে ইফাল সিফাল কৰি সময় কটাবলৈ ধৰিলে। তেওঁৰ চকুৰ পৰা পানী যেন নুগুকায়েই। কথাৰ্য়েকে নিজকে কিতাপৰ দ'মৰ মাজত আবদ্ধ কৰি ৰাখিবলৈ ললে— কিতাপ কিন্তু এখনো তেওঁ মেলি লোৱা নাছিল। মোৰ ধাৰণা যে তেওঁ পেটে পেটে হয়তো ভাবি আছিল যে কেথেৰিণে নিজৰ দুৰ্ব্যৱহাৰৰ বাবে অনুতাপ কৰি তেওঁৰ ওচৰলৈ গৈ ক্ষমা খুজিব, আৰু উভয়ৰ মাজত মিটমাট হ'ব। কিন্তু কেথেৰিণে নাচোৰবান্দা হৈ লঘোণতে দিন কটাবলৈ ললে। তেওঁ খুব সম্ভৱতঃ ধৰি লৈছিল যে প্ৰতিবাৰতে খাবৰ পৰত এডগাৰৰ কেথেৰিণলৈ মনত পৰি শোকে খুন্দা মাৰি ধৰে, আৰু অভিমানৰ বাবেহে, তেওঁ গৈ নিজ পত্নীৰ ভৰিত দীঘল দি পৰি ক্ষমা প্ৰাৰ্থনা নকৰাকৈ আছে। ঘৰখনত বিবেচনা থকা প্ৰাণী এটা বুলিবলৈ কোনোবা আছে যদি একমাত্ৰ ময়েই— এনে এটা ভাবকে মনতে পোষণ কৰি মই দৈনন্দিন কামকাজ কৰি নিজকে ব্যস্ত কৰি ৰাখিলোঁ।

মই ইজাবেলাৰ প্ৰতি অযথা কোনো সহানুভূতি দেখুৱাবলৈ যোৱা নাছিলোঁ। আইদেউ কেথেৰিণকো মই বুজনি দিবলৈ বা ভৎৰ্সনা কৰিবলৈ যোৱা নাছিলোঁ। লিণ্টনৰ হা-হুমুনিয়াহলৈকো মই কাণ দিয়া নাছিলোঁ। মই পিচে ভালকৈ বুজিলোঁ যে কেথেৰিণৰ মুখৰ মাত এবাৰ শুনিবলৈ ব্যগ্ৰ হৈ থাকি হতাশ হৈ তেওঁ মোৰ মুখৰ পৰা তেওঁৰ নামটোকে শুনিবলৈ উদগ্ৰীৱ হৈ আছিল।

তেওঁলোক তিনিও আপোনা আপুনি পুনৰ সমিলমিল হবলৈ ঘূৰি অহাটোকে মই বিচাৰিছিলোঁ। এনে এটা প্ৰক্ৰিয়া ক্লান্তিকৰ ভাবে দীঘলীয়া হ'ব বুলি মই বুজি পাইছিলোঁ, কিন্তু মই ভবা দৰেই ইয়াৰ সূচনা হোৱা দেখা পাই মোৰ মনত অতি আনন্দ লাগিছিল।

তৃতীয় দিনৰ দিনা কেথেৰিণ আইদেউৰ দুৱাৰ খোল খালে। তেওঁৰ পানীখোৱা কলহ আৰু কাঁচৰ লোটাৰ পানীখিনি সলনি কৰি দিবলৈ মোক ক'লে, আৰু অলপমান জুলীয়া আহাৰো বিচাৰিলে। তেওঁ মৰিবলৈ ওলাইছিল বুলি ভাবি লৈছিল। মই বুজিলোঁ যে কথাষাৰ তেওঁ এডগাৰ লিণ্টনৰ কাণত পৰাটো বিচাৰিছিল। মই পিচে শুনিহে থলোঁ, কাকো একো নকলোঁগে, আৰু তেওঁৰ বাবে অলপমান চাহ আৰু জলপান নি দিলোঁ।

তেওঁ পৰম আগ্ৰহেৰে চাহ জলপানখিনি খালে। খাই উঠি গাৰুতে হেলান দি ৰহিল। কিন্তু বহাৰ লগে লগে হাত দুখন মুঠিয়াই ধৰি তেওঁ কেঁকাবলৈ ধৰিলে।

'মই মৰি যাম। মই নাবাচোঁ। মৰাই ভাল। মই মৰিলেনো কাৰ কি ক্ষতি হ'ব। মোৰ খবৰেকেনো লয় কোনে। সেই সোণা মই নোখোৱাই ভাল আছিল।' এইবুলি তেওঁ সকলোৰে শুনাকৈ আক্ষেপ কৰি চিঞৰিবলৈ ধৰিলে। অলপ পিচতে কিন্তু তেওঁ ভোৰভোৰাই কোৱা এই কেইটা কথা মোৰ কাণত পৰিল : 'নহ'ব, মই নমৰোঁ। মই মৰিলে তেওঁ ভালহে পাব। তেওঁ মোক অকণো ভাল নাপায়। মই নোহোৱা হ'লে মোৰ অভাৱ তেওঁ অনুভৱকে নকৰিব।'

বাহ্যতঃ শান্তভাব এটা দেখুৱাই মই সুধিলোঁ, 'আইদেউ, আপুনি কিবা বিচাৰিছিল নে কি?' তেওঁৰ বিকৃত মুখভংগী আৰু দুৰ্ব্যৱহাৰ সত্বেও মই তেওঁৰ ওচৰ চাপিছিলোঁ।

তেওঁৰ চুলিকোচা শুকাই খাঁলাই যোৱা মুখখনৰ ওপৰত পৰি আছিল। মোৰ কথা শুনি চুলিকোচা মুখৰপৰা আঁতৰাই তেওঁ সুধিলে, 'সেই হতভগীয়াজনে কি কৰি আছে? টোপনিত পৰি বেহুঁচ হৈ আছে, নে মৰিলে?'

'আপুনি মিঃ লিণ্টনৰ কথা কৈছে? তেওঁৰ এটাও হোৱা নাই। মই ভবাত তেওঁ ভালেই আছে। মাত্ৰ তেওঁ পঢ়াশুনাত অত্যধিক নিমগ্ন হৈ আছে। লগ ভাগ বুলিবলৈ আন কোনো নাই নহয়; সেইবাবে তেওঁ অহৰ্নিশে কিতাপৰ মাজতে ডুবি আছে।'

মই এইদৰে কোৱাটো উচিত নাছিল। তেওঁৰ প্ৰকৃত অৱস্থাটো জনাহেঁতেন মই নকলোহেঁতেন। পিছে মই ভাবি লৈছিলোঁ যে তেওঁ নিজৰ অৱস্থা যিমান কাহিল বুলি দেখুৱাইছিল, তিমান কাহিল প্ৰকৃততে নাছিল। তেওঁ ভাওহে ধৰিছিল বুলি মই ধৰি লৈছিলোঁ। এইটো ধাৰণাৰ পৰা মই নিজকে মুক্ত কৰিব পৰা নাছিলোঁ।

মোৰ কথা শুনা মাত্ৰকে কেথেৰিণে হতভম্ব হোৱাদি হৈ ক'লে, 'কিতাপৰ মাজত সোমাই আছে? ইফালে মই মৃত্যুৰ দুৱাৰডলিত। হায় বিধাতা! মোৰ কি হৈছে তেওঁ জানেনে? মোৰ কিমান পৰিবৰ্তন হৈ গ'ল তেওঁ খবৰ ৰাখিছেনে?' বিপৰীতফালৰ বেৰত ওলোমাই থোৱা আইনা এখনত নিজৰ মুখখন চাই চাই তেওঁ প্ৰায় বিননি জুৰিলে। 'এইখন কেথেৰিন লিণ্টনৰ মুখেই নে? মই ধেমালিতে এইবোৰ কৰা বুলি ভাবিছে হ'বলা। নাটক কৰিছোঁ বুলি ধৰি লৈছে নে কি? মই যে ধেমালি কৰা নাই, মোৰ অৱস্থাটো যে গুৰুতৰ এই কথাটো তেওঁক কৈ থৈ আহিবগৈ নোৱাৰনে? নেলী, এটা কথা কওঁ— যদি তেতিয়ালৈ মই জীয়াই থাকোঁ, মই তেওঁৰ প্ৰতিক্ৰিয়া জানিব পাৰিলেই এই দুটাৰ এটা কৰিম— হয় লঘোণ দি দি মৰিম— তেওঁৰ যদি অন্তৰ বোলা বস্তু এটা নাথাকে তেতিয়া সেইটো কোনো শাস্তিয়েই নহ'ব তেওঁৰ বাবে— নহয়, গা ভাল পালেই দেশান্তৰী হৈ গুচি যাম। তই বাৰু তেওঁৰ সম্পৰ্কে এতিয়া মোক সঁচা কথা কৈছনে? ভাবি চিন্তি চাই কবি। মোৰ জীৱন সম্পৰ্কে তেওঁ সঁচাকৈয়ে ইমান নিস্পৃহ নে?'

'কিনো কয় আইদেউ, আপোনাৰ এই মস্তিষ্ক বিকাৰ হোৱাৰ কথাৰ তেওঁ ভূকে নাপায়। এটা কথা পিছে ঠিক: আপুনি লঘোণ দি দি মৰিব পাৰিব বুলি তেওঁ অকণো আশংকা নকৰে।' কেথেৰিণৰ কথাৰ উত্তৰত মই কলোঁ।

'নকৰে আশংকা? তই ভাবিছ নে কি মই সেইদৰে মৰিব নোৱাৰিম? মই যে সেইদৰে মৰিব পৰা জনীহে সেই কথা তই তেওঁক গৈ ক'ব নোৱাৰ নে? তেওঁক পতিয়ন নিয়াবলৈ তোৰ নিজৰ মনেৰে ভাবি যি পাৰ ক গৈ। মই যে লঘোণ দি মৰিব পাৰিম সেই কথা তই ন দি কগৈ।'

'এটা কথা পিছে আপুনি পাহৰি গৈছে নহয়, আইদেউ। আজি সন্ধিয়া আপুনি বেচ তৃপ্তিৰে কিছু খোৱা লোৱা কৰিলে নহয়। ইয়াৰ শুভফল কালিলৈ আপোনাৰ মুখত যে ফুটি উঠিব।'



'মই মৰা বুলি শুনিলে তেওঁ চকু মুদিব বুলি সঠিককৈ জানিব পৰাহেঁতেন মই তৎক্ষণাত আপোনঘাতী হলোঁহেঁতেন। এটা এটাকৈ এই তিনিটা কি যে ভয়ংকৰ নিশা পাৰ নহৈছে! মোৰ চকুৱে চকুৱে লগা নাই। কিয়ে যন্ত্ৰণাত মই নকটাইছোঁ এই তিনি ৰাতি! মোৰ গাত কিবা এজনা লম্ভিছে, নেলী। মোৰ ভাব হৈছে তই মোক ভাল নাপাৱ। কি আশ্চৰ্য্যৰ ব্যাপাৰ! মোৰ ধাৰণা আছিল যে জগতৰ আটাইবোৰ মানুহেই পৰস্পৰৰ প্ৰতি হিংসা খিয়াল দেখুৱালেও, মোক ভাল নোপোৱাকৈ কোনো থাকিব নোৱাৰিব। আৰু এতিয়া চা, মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে আটাইবোৰ মানুহ মোৰ শত্ৰু হৈছে। এই বিষয়ে মোৰ সন্দেহ নাই। এই নিৰ্বিকাৰ মানুহবিলাকৰ সন্মুখত মৰণ আঁকোৱালি লোৱাটো কি যে এক হতাশজনক ব্যাপাৰ! ইজাবেলাই ইমান ভয় খাইছে যে তাই মোৰ কোঠালৈ আহিবলৈকে সাহস নকৰা হ'ল। কেথেৰিণৰ মৃত্যুৰ মুহূৰ্ত্তটো চাব লগা হোৱাটো তাইৰ বাবে কি যে বেদনাদায়ক নহ'ব! এড্গাৰ লিণ্টনে বোধহয় গম্ভীৰ ভাবে থিয় দি থাকি সমস্ত দৃশ্যটোৰ দৰ্শক হৈ থাকিব। অলপ পিছত, তেওঁৰ ঘৰলৈ শান্তি ঘূৰাই অনাৰ বাবে ভগৱানক ধন্যবাদ দি প্ৰাৰ্থনা কৰিব, আৰু প্ৰাৰ্থনা সমাপ্ত কৰি আকৌ কিতাপৰ মাজত সোমাবলৈ ঘূৰি যাব। এটা জীয়া মানুহ হিচাপে তেওঁৰ কোনো ভাব অনুভূতি নাই নে কি, কচোন। মই মৰিবলৈ ওলাইছোঁ, আৰু তেওঁ কিতাপৰ মাজত ডুব গৈ আছে। ইয়াৰ মানে কি?'

মিঃ লিণ্টনৰ দাৰ্শনিক নিৰ্লিপ্ততাৰ যি ভাবটো কেথেৰিণৰ মূৰত মই সুমাই দিছিলোঁ, সেইটো তেওঁ সহ্য কৰিব পৰা নাছিল। ইফালে সিফালে বিচনাত বাগৰি, মূৰ ঘূৰ্ণিয়াই তেওঁ ইমান অস্থিৰ হৈ দেখুৱালে যেন তেওঁ পাগলীহে হ'ব। দাঁতেৰে কামুৰি গাৰুটো তেওঁ চিৰাচিৰ কৰি ফালি পেলালে। হঠাতে তেওঁ জাপ মাৰি থিয় হ'ল— গাল মুখলৈ চাব নোৱাৰি, যেন জুইহে জ্বলিছে আৰু মোক খিৰিকিখন খুলি দিবলৈ ক'লে। তেতিয়া জাৰকালিৰ মাজভাগ, উত্তৰ-পূব দিশৰ পৰা যোৱেৰাই বতাহ বলি আছিল, গতিকে মই খিৰিকি খুলিবলৈ আপত্তি কৰিলোঁ।

কেথেৰিণৰ মুখৰ ৰং ইমান সলনি হ'বলৈ ললে —এই বগাপৰে, এই শেতাপৰে, যে মোৰ দেখি ভয় লাগিল। তেওঁৰ মনৰ স্থিৰতাও সলনি হ'বলৈ ধৰিলে— এই উগ্ৰ, এই সৌম্য অৱস্থা দেখি তেওঁৰ পূৰ্বৰ বেমাৰলৈ মোৰ মনত পৰিল। কোনো কথাতেই তেওঁক বিৰোধিতা কৰি তেওঁৰ খং নোতোলাবলৈ ডাক্তৰে তাহানিতে সকলোকে সাৱধান কৰি দিছিল।

এক মিনিট আগলৈকে তেওঁ আছিল অতি উগ্ৰ। কিন্তু এই মুহূৰ্ত্তত তেওঁ বেচ শান্ত। এটা বাহুত ভেজা দি তেওঁ বিচনাত পৰি আছে। তেওঁৰ কথামতে খিৰিকিখন খুলি দিবলৈ যে মই সন্মত নহলোঁ, তালৈ তেওঁৰ ভ্ৰূক্ষেপেই নাই। অলপ আগতে ফালিচিৰি পেলোৱা গাৰুটোৰ পৰা পাখিবোৰ এটা এটাকৈ উলিয়াই বিচনাত বিধে বিধে সজাইছে। একান্তই লৰা ধেমালি। তেওঁৰ মন উগ্ৰভাবনাৰ পৰা আঁতৰি গৈ লঘু চিন্তাত নিমগ্ন হ'ল।

'সেইটো হ'ল ভৰিকৰ পাখি,' তেওঁ অনুচ্চ সুৰত আপোন মনে কৈ গ'ল, 'এইটো আৰু' বনবীয়া হাঁহৰ। এইটো পাৰৰ পাখি। আজিকালি দেখিছোঁ পাৰৰ পাখিও গাৰুত সুমাই দিয়ে। ভালেটিহে মই নমৰিলোঁ। এইবাৰ শোওঁতে মই ইয়াক আঁতৰাই পেলাম। এইটো হ'ল বনবীয়া কুকুৰাৰ পাখি, আৰু এইটো টিঁয়া চৰাইৰ পাখি। বৰ ধেমেলীয়া এই টিঁয়া পক্ষীবোৰ। মানুহৰ মূৰৰ ওপৰত মণ্ডলাকাৰে ঘূৰে। এই চৰাইৰ পাখি মই আন হাজাৰটা চৰাইৰ পাখিৰ মাজতো চিনি পাম। যিটো টিঁয়া চৰাইৰ পাখি এইটো— সেইটো টিঁয়া চৰায়ে তাৰ বাহলৈ উৰা মাৰি গৈছিল, কিন্তু বাটতে ধুমুহা বৰষুণে কোবালে। এই পাখিটো কঁইটীয়া বননিৰ পৰা বুটলি লোৱা হৈছিল। চৰাইটো গুলীয়াই মৰা হোৱা নাছিল। এই চৰাইটোৰ বাঁহটো ঠাৰবগালি আমি দেখিছিলোঁ— বহুতো সোনালে ভৰ্ত্তি হৈ আছিল। হিথ্‌ক্লিফে এই বাহটোৰ ওপৰতে চিটিকা পাতিছিল। ডাঙৰ চৰাইবোৰ সিয়ান; ওচৰেই নাচাপে। টিঁয়া চৰাই গুলীয়াই নামাৰিবলৈ মই তাক প্ৰতিজ্ঞা কৰাইছিলোঁ। তেতিয়াৰ পৰা সি মৰাও নাই। এইবোৰ। আৰু বহুত পাখি। এই নেলী, কচোন, সি মোৰ টিঁয়াবোৰ গুলীয়াই মাৰিছিল নে কি? টিঁয়া চৰাই ৰঙাও থাকেনে কি অ'? চাওঁ ব।'

তেওঁৰ কথাৰ মাজতে মই কলোঁ, 'এইবোৰ লৰালি তামাচা থোৱা।' আৰু কৈয়ে তেওঁৰ পৰা গাৰুটো টানি আনিলোঁ। আনোতে বটা ফালটো মই মজিয়াৰ গাদীলৈ মুৰ কৰি ধৰিছিলোঁ, কাৰণ তেওঁ পাখিবোৰ সোপাসোপে উলিয়াবলৈ ধৰিছিল। মই তেওঁক কলোঁ, নিতাল মাৰি চকুমুদি দীঘল দি পৰি থাকা। তোমাৰ মনৰ থিৰ নোহোৱা হৈছে। পাখিবোৰ সিচঁৰতি কৰি কি কাণ্ড যে নকৰিলা! গোটেইখন খেৰেত কৰি পেলাইছা। পাখিবোৰ বৰফৰ কণিকা উৰাদি উৰিছে।'

মই ইফালে সিফালে লৰা ধপৰা কৰি পাখিবোৰ বুটলিবলৈ ধৰিলোঁ।

স্বপ্নাবিষ্টৰ দৰে তেওঁ কৈ গ'ল : 'বুজিছ নেলী, তোক মোৰ এই মুহূৰ্তত এজনী বুঢ়ী মানুহৰ ৰূপত দেখা যেন লাগিছে। তোৰ চুলিবোৰ যেন পকা, কান্ধলৈ ওলমি পৰা। এই বিচনাখন যেন পেনিষ্টন পাহাৰৰ তলৰ গুহাটো, তই যেন আমাৰ চেঁউৰী গৰুবোৰলৈ দলিয়াই জখম কৰিবলৈ ভূতৰ দলি গোটাই ফুৰিছ। মোক ওচৰত থকা বছৰৰ পিচত তোক দেখিবলৈ ঠিক এনেকুৱাই হ'ব। এতিয়া অৱশ্যে তই তেনে নহয় বুলি মই জানো। তই ভুল কৰিছ নেলী; মই আবোল তাবোল গোৱা নাই। মোৰ মনটো ভ্ৰম হোৱা নাই, ঠিকেই আছে। নহলে মই তোক সেই ডাইনীজনী বুলিয়েই ভাবিলোহেঁতেন, আৰু ভাবি ললোহেঁতেন যে মই পেনিষ্টন পাহাৰৰ তলৰ গুহাৰ মাজত আছোঁ। কিন্তু চা, মই ভালকৈ জানো যে এতিয়া নিশা, আৰু মেজৰ ওপৰত দুডাল মমবাতি আছে। সেই দুডালৰ পোহৰত ক'লা বৰ পেৰাটো তিৰবিৰাই আছে।'

'ক'লা বৰ পেৰা? ক'ত দেখিলা? তুমি কথাবোৰ টোপনিতে কোৱা যেন শুনাইছে।'



'বেৰখনৰ গাতে লাগি যে আছে, সেইটো বৰ পেৰা নহয় কি? সদায় তাতেই আছে। আজি কেনেবাটো দেখাইছে। পেৰাটোৰ গাত সেইখন মুখ নহয় নে? কাৰ মুখ?'

'মই কৈছোঁ নহয়, এইটো কোঠাত কোনো বৰ পেৰা নাই বুলি। নাছিলো কোনো দিনে।' এই বুলি কৈ মই তেওঁৰ মুখখন চাই থাকিব পৰাকৈ পৰ্দাখন কোচাই ধৰিলোঁ।

'সৌ মুখখন তই সঁচাকৈয়ে দেখা নাইনে?' আৰ্চীখনলৈ একান্তমনে চাই চাই তেওঁ মোক সুধিলে।

মই তেওঁক কি উত্তৰ দিছিলোঁ মনত নাই, কিন্তু সেইখন যে তেওঁৰ নিজৰ মুখৰে প্ৰতিফলন সেই কথা তেওঁক মই বুজাব নোৱাৰিলোঁ। সেইবাবে মই উঠি গৈ আৰ্চীখন এখন চাদৰেৰে ঢাকি দিলোঁ।

উদ্বিগ্নভাবে তেওঁ ক'লে, 'সেই মুখখন এতিয়াও তাতে আছে। সেয়া, লৰচৰ কৰিছে। কাৰ মুখনো সেইখন? তই আঁতৰি গলে যাবে সেইখন মুখ তেওঁ আৰ্চীৰ পিচৰ পৰা ওলাই নাহিলেই ৰক্ষা। নেলী, তই ঠিক জানিবি এই কোঠাটোত ভূত লম্ভিছে। মোৰ অকলে থাকিবলৈ ভয় লাগিছে।'

কেথেৰিণৰ হাতখন মোৰ মুঠিত সুমাই লৈ মই তেওঁক শান্ত হ'বলৈ কলোঁ, কাৰণ তেওঁ কেইবাবাৰো ভয়ত জিকাৰ মাৰি উঠিছিল, আৰু আৰ্চীখনৰ ফালে একেথৰে চাই আছিল। মই তেওঁক সান্ত্বনা দি কলোঁ, 'আইদেউ, আৰ্চীখনৰ পিচত কোনো নাই। আপুনি নিজৰ ছাঁটোহে তাত দেখিছে।'

'মোৰ নিজৰ ছাঁ?' তেওঁ সেহাই সেহাই প্ৰশ্ন কৰিলে, 'আৰু এইমাত্ৰ ঘড়ীত বাৰ বজাৰ কোব পৰিল। কথাটো তেন্তে সঁচা। ই তেন্তে প্ৰকৃততে মাৰাত্মক।'

এই বুলি কৈয়ে তেওঁ কাপোৰবোৰ খামুচি ধৰি চকুৰ ওপৰলৈ তুলি ললে। মই তেওঁৰ গিৰিয়েৰক মাতি আনিবলৈ বুলি মনে মনে দুৱাৰমুখলৈ যাব খুজিছিলোঁ, কিন্তু তেনেতে এক ভয়ংকৰ চিৎকাৰ শুনি মই উভতিলোঁ। চাদৰখন আয়নাখনৰ পৰা পিচলি পৰিছিল।

মই টান মাতেৰে সুধিলোঁ, 'হৈছে কি? কিহৰ বাবে এই চিৎকাৰ? এতিয়া কোৱাচোন, ভয়াতুৰ প্ৰকৃততে কোন? সেইখন আৰ্চী, আইদেউ। তাতে আপুনি নিজকে দেখিছে। ওচৰতে মযো থিয় দি ওলোৱা নাই জানো?'

কঁপি কঁপি, উদ্ভ্ৰান্ত হৈ, তেওঁ মোক সাৱটি ধৰিলে। ভয়ৰ ভাৱটো লাহে লাহে মুখৰ পৰা গ'ল। তাৰ ঠাইত লাজৰ ৰঙা বৰণ এটা জিলিকিলে।

'ইস বাপ! মই ভাবিছিলোঁ মই ঘৰত আছিলোঁ,' হুমুনিয়াহ চাৰি তেওঁ ক'লে। 'মই 'ৰাদাৰিং হাইট্‌চ'ৰ নিজৰ কোঠাত শুই থকা বুলি ভাবিছিলোঁ। দুৰ্বল হৈ থকা বাবে মোৰ চিন্তাবো কিবা খেলিমেলিবোৰ হৈছে। মই ক'ব নোৱাৰাকৈয়ে চিৎকাৰ কৰিছিলোঁ। তই মোক একো ক'ব নালাগে, মাত্ৰ মোৰ লগত থাক। শুবলৈ মোৰ ভয় লাগে— সিবোৰহে সপোন দেখোঁ, মই অতিশয় শংকিত হৈ পৰোঁ।'

'আইদেউ, ভালদৰে এখুমটি আহিলে আপোনাৰ ভাল লাগিব,' মই কলোঁ। 'আশাকৰো এইবাৰ আপোনাৰ এটা ভাল শিক্ষা হৈছে। ভবিষ্যতে লঘোণ দিয়াৰ কথা নাভাবিব আৰু।'

'হায়। হায়। মই যদি পুৰণা ঘৰৰ নিজৰ বিচনাখনত পৰি থাকিবলৈ পালোহেঁতেন।' এখন হাতেৰে আনখন মোহাৰি মোহাৰি, পৰম তিক্ততাৰে তেওঁ ক'লে। 'খিৰিকিৰ দাঁতিত পাইন গছবোৰে থকাৰ ডাল কোবাই থকা শব্দ শুনা গৈছে। এবাৰ যদি সেই বতাহৰ ঘ্ৰাণ লবলৈ মই পালোহেঁতেন— মুক্ত প্ৰান্তৰৰ ওপৰেদি বৈ অহা সেই বতাহৰ সুঘ্ৰাণ। এবাৰ মাথোন মোক সেই ঘ্ৰাণ লবলৈ দে, নেলী।'

তেওঁক শান্ত কৰিবলৈ মই খিৰিকিখন এক মুহূৰ্তৰ বাবে খুলি ধৰিলোঁ। এজাটি শীতল বতাহ সোমাই আহিল। পিচ পলকতে মই খিৰিকিখন বন্ধ কৰি দি, নিজৰ থিয় দি থকা ঠাইলৈ ঘুৰি আহিলোঁ।

জঠৰ হোৱা দি তেওঁ তেতিয়াও বিচনাতে দীঘল দি পৰি ৰ'ল। তেওঁৰ দুগাল চকুলোৰে ধুৱাই পেলাইছিল। গাৰ দুৰ্বলতাই তেওঁৰ মনটোও একেবাৰে দুৰ্বল কৰি পেলাইছিল। আমাৰ টিঙিবিৰুৱা হেন কেথেৰিণক এতিয়া উচুপি থকা কেঁচুৱা এটিতকৈ বেলেগ যেন নালাগিছিল।

এনময়ত তেওঁ হঠাতে মুৰ পোনাই থিয় হৈ মোক সুধিলে, 'মই ইয়াত সোমাই থকা কিমান দিন হ'ল বাৰু, নেলী?'

'সোমবাৰে গধূলিৰে পৰা সোমাই আছা; আৰু এতিয়া হ'ল বৃহস্পতিবাৰৰ নিশা। কবলৈ গলে, শুকুৰবাৰৰ পুৱা।'

'একেটা সপ্তাহৰ ভিতৰতে? ইমান কম সময় হে নে?'

'মাত্ৰ চেঁচা পানী আৰু বদ মেজাজৰ ওপৰতে বৰ্ত্তি থকালৈ চাই নিচেই চুটি সময়ো বুলি কোৱা নাযায়।' মই উত্তৰত কলোঁ।

'এস্, মোৰ আৰু' অন্তহীন সময় যেনহে লাগিছে। যেন দিন যায় ৰাতি নুপুৱায়। তই কোৱাতকৈ সময় বেচি হ'ব— মোৰ কেইটামান কথা মনত পৰে নহয়। প্ৰথমতে বহা কোঠাত আছিলোঁ। তাতেই সিহঁত দুটাৰ কাজিয়াৰ সূত্ৰপাত হোৱা নাছিল জানো? এডগাৰে বৰ নিৰ্মম ভাবে হিথক্লিফৰ খং তোলাইছিল, আৰু মই বলিয়াৰ দৰে হৈ এইটো কোঠালৈকে লৰি আহি সোমাই থাকিছিলোঁ— দুৱাৰখন ভিতৰ ফালৰ পৰা বন্ধ কৰি দিয়াৰ লগে লগেই মই চৌদিশে আন্ধাৰ দেখিবলৈ ধৰিলোঁ, আৰু মজিয়াতে মুৰ ঘূৰাই পৰি গলোঁ। মোক প্ৰৰোচিত কৰি থাকিলে মই যে মুৰ ঘূৰাই পৰি যাম, বা পাগলী হৈ যাম— সেইবোৰ কথা মই এডগাৰক সঁকিয়াই দিব পৰা নাছিলোঁ। মোৰ মুখত তেনে কথা তেতিয়া ওলোৱাও নাছিল, মূৰটোতো সিমান বুধি খেলোৱা নাছিল। তেওঁৰ কিজানি মোৰ যন্ত্ৰণা উপলব্ধি কৰিব পৰা নাছিল। মই মাত্ৰ ইয়াকে সেই সময়ত ভাবিব পৰাত আছিলোঁ যে মই তেওঁৰ মাতঘাৰ নুশুনা দূৰত্বলৈ আঁতৰি যাব পাৰিলে ৰক্ষা পৰোঁ। চকুমেলি চাব পৰা আৰু কাণপাতি শুনিব পৰা হোৱাৰ জোখেৰে সুস্থ



যেতিয়া হলোঁ, তেতিয়ালৈ ৰাতি পুৱাইছিল। কিছুমান চিন্তাই মোৰ মনত একেবাৰে খলি পুতি ললে। লগ নেৰা হ'ল। মই ভাবি ললোঁ যে মই ঠিক পগলা হৈ গৈছোঁ। তোক কওঁ ৰ, কিবোৰ ভাব চিন্তা মোৰ মুৰত খেলাইছিল। মেজৰ খুৰা এটাত মুৰটো লগাই মজিয়াত মই পৰি আছোঁ। চকুৰে জলক তৰক দেখিছোঁ— খিৰিকিখনৰ চৌকাঠ কেইডালকে ভালকৈ মনিব পৰা নাই। সেই অৱস্থাত মোৰ ভাব হ'ল মই যেন আমাৰ পুৰণি ঘৰৰ কোঠা এটাত বনচোম কাঠৰ পুৰণি তক্তাপোচখনত শুই আছোঁ। কিবা এক গভীৰ বেদনাত মোৰ বুকুখন বিষাই গৈছিল— সাৰ পাই কিন্তু মোৰ মনত নাই কি আছিল সেই বেদনা। বেজাৰটোনো কিহৰ বাবে হৈছিল তাকে বহুত পৰ গুণাগথা কৰি ৰলোঁ। ভবা চিন্তা কৰি থাকি থাকি মই বিতত হলোঁ। হঠাতে মোৰ ভাব হ'ল যে মোৰ জীৱনৰ বিগত সাতোটা বছৰ একেবাৰে অৰ্থহীন ভাবে পাৰ হ'ল। শূন্যতাৰে ভৰা। আচৰিত কথা। দিঠকত তেনে ভাবক প্ৰশ্ৰয় দিয়াৰ কথা মই মনত পেলাব নোৱাৰিলোঁ। মোৰ লৰালি কালৰ কথা। পিতা ঢুকুৱাৰ সৰহ দিন হোৱা নাই। তেওঁ ঢুকুৱাৰ পিচত, হিণ্ডলেই কটোৰা জাৰী কৰিলে যে হিথক্লিফ আৰু মই মিলামিছা কৰিব নালাগে, তেতিয়াৰ পৰাই মোৰ দুখ যন্ত্ৰণাৰ আৰম্ভ হ'ল। প্ৰথমবাৰৰ বাবে জীৱনত মই অকলশৰীয়া হলোঁ। ৰাতিৰ ৰাতিটো মই হতাশাত কান্দিছোঁ— তাৰ পিচত এবাৰ মই সপোনতে খিৰিকিখন খুলিবলৈ বুলি হাত মেলোঁতে হাতখনে মেজত খুন্দা খালে। মই হাতখন কাৰ্পেটলৈ নমাই আনিলোঁ আৰু তেতিয়াই মই সাৰ পালোঁ। মোৰ বেদনাবোৰে হতাশাৰ ৰূপ ললে। নিজকে ইমান দুৰ্দশাগ্ৰস্ত বুলি কিয় ভাবিছিলোঁ মই ক'ব নোৱাৰোঁ, বোধহয় সাময়িকভাবে মোৰ মনৰ স্থিৰতা তেতিয়া হেৰাই গৈছিল। তেনেদৰে ভাবিব লগা হোৱাৰ কাৰণতো একো নাছিল। কিন্তু এটা কথা ভাবি চা চোন, বাৰ বছৰ বয়সতে মোক 'ৰাদাৰিং হাইটছ'ৰ পৰা আঁতৰাই আনিলে, মোৰ পূৰ্বৰ সকলো সম্পৰ্কৰ ছেদ পৰিল, বিশেষকৈ হিথক্লিফৰ লগত। অথচ সেই হিথক্লিফ আছিল তেতিয়া মোৰ বাবে সেহলাও যেন, মোৰ সৰ্ব্বস্ব। যেন একেটা খোচতে মই লিণ্টন পত্নী হৈ পৰিলোঁ, এই 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ অধিকাৰিণী হ'লোঁ, এজন অচিনাকি লোকৰ পত্নী হলোঁ। মোৰ পূৰ্ব্বৰ সংসাৰৰ পৰা, মোৰ সমস্ত সম্পৰ্কৰ পৰা মই নিৰ্বাসিত হলোঁ, যেন এক সমাজ বহিৰ্ভূত ব্যক্তি। কল্পনা কৰি চাচোন, দুৰ্গতিৰ কি গভীৰ পিটনিত পৰি মই ককবকাই আছোঁ। তই যিমানেই নহয় বুলি নকৰ লাগে, তয়েতো মোৰ অৱস্থা নাজল নাথল কৰাৰ গুৰি ধৰিছিলি। মোক শান্তিৰে থাকিবলৈ দিবলৈ তই এডগাৰক ক'ব লাগিছিল— কোৱাটো তোৰ উচিত আছিল। উস্ উস্, মই জ্বলি পুৰি মৰিছোঁ। মই বাহিৰলৈ ওলাই যাব পৰাহেঁতেন। মই যদি আকৌ ছোৱালীৰ বয়স পালোহেঁতেন। মুকলি মনেৰে, যথেচ্ছা, প্ৰায় বন্যপ্ৰাণীৰ দৰে, বাধাহীন ভাবে ঘুৰি ফুৰিলোঁহেঁতেন। দুখ-কষ্ট হাঁহি হাঁহি সহ্য কৰিলোঁহেঁতেন; দুখ শোকৰ হেঁচাত উন্মাদ প্ৰায় নহলোঁহেঁতেন। মই ইমান সলনি হৈ গলোঁ কিয়? কাৰোবাৰ মুখৰ দুই চাৰিটা কথা শুনিলেই মোৰ গাৰ তেজ টগবগ কৰি উথলি উঠে কিয়? মই ভালদৰে জানো,' আকৌ এবাৰ বিস্তীৰ্ণ প্ৰান্তৰত মুকলি মনেৰে লৰি ঢাপৰি ফুৰাৰ জীৱনটো পালে মই পুনৰ

আগৰ মানুহজনী হৈ যাম। ...... খিৰিকিখন আকৌ বহলাই মেলি দে, মেলি ৰাখ। খৰখৰ কৰ, তই দেখোঁ ৰহাতে বলি, নুঠ কিয়?'

'তুমি জানত কঁপি কঁপি মৰাটো মই নিবিচাৰোঁ, সেই বাবেই উঠা নাই।' মই উত্তৰ দিলোঁ।

প্ৰত্যুত্তৰত তেওঁ মোক বিষণ্ণ ভাবে ক'লে, 'তাৰ মানে তই ক'ব খুজিছ যে মোক জীয়াই থকাৰ সুযোগ এটা তই নিদিয়। ঠিক আছে। মই নিজে ইমান অথৰ্ব্ব হোৱা নাই নহয়। মই নিজেই খুলিম।'

মই বাধা দিব পৰাৰ আগতেই তেওঁ বিচনাখনৰ পৰা কাতি হৈ উঠি, কোঠাটোৰ মজিয়া পাৰ হৈ কোঁ কোঁ কৈ গৈ খিৰিকিৰ গুৰি পালেগৈ। খোজ তেওঁৰ অস্থিৰ, ঢলং পলং। খিৰিকিখন খুলি দি তেওঁ বাহিৰলৈ মূৰ উলিয়াই চালে। বৰফ চেঁচা বতাহে তেওঁক যে শাণে কটা দিছে, তালৈ তেওঁৰ ধ্যানেই নাই। মই তেওঁক কাবৌ কোকালি কৰি পুনৰ বিচনাত উঠালোঁ। তেওঁৰ যে ভ্ৰম হৈছে, সেই কথা বুজিবলৈ মোৰ বাকী নাথাকিল। তেওঁ প্ৰলাপ বকিবলৈ ল'লে। পিচে সেই অৱস্থাত তেওঁৰ শৰীৰৰ শক্তি মোৰ গাৰ শক্তিতকৈ যে বহুত বেচি আছিল, সেই কথা বুজিবলৈকো মোৰ টান নহ'ল।

আকাশত তেতিয়া জোন নাছিল। বাহিৰৰ সমস্ত জগতখন আন্ধাৰে আবৰি আছিল। ওচৰৰে বা নিলগৰে কাৰো কোনো এটা ঘৰৰ পৰাই পোহৰৰ ৰেঙনি এটাও চকুত পৰা নাছিল। চাকি চুকাবোৰ বহুত আগতেই গৃহস্থই নুমাইছিল। 'ৱাদাৰিং হাইট্‌চ'ৰ চাকি চুকাৰ পোহৰতো ইয়াত কেতিয়াও চকুত নপৰেই। ...... তথাপিতো কেথেৰিণে জোৰ দি কবলৈ ললে যে সেই ঠাইৰ পোহৰ তেওঁৰ চকুত পৰিছে।

তেওঁ পৰম উৎসাহেৰে মোলৈ চাই ক'লে, 'চা, সেইটো মোৰ কোঠা। তাতে মমডাল জ্বলি আছে। ওচৰৰ গছ গছনিবোৰ বতাহত কেনেকৈ হালিছে জালিছে। আৰু এডাল মমবাতি জ্বলি আছে। সেইডাল জোজেফৰ খুপৰীটোত...... জোজেফ বহুত ৰাতিলৈকে নোশোৱে। নহয় জানো? তইতো জান তাৰ অভ্যাসৰ কথা। সি মই ঘূৰি যোৱালৈকে বাট চাই আছে। মই ঘৰলৈ ঘূৰি গলে সি গেটত তলা লগাব। সি আৰু কিছু সময় ৰ'ব দেই। তালৈ যোৱাটো জানো কম কথা। দুৰ্গম যাত্ৰা। উৎসাহেই নহয় যাবলৈ। তাতে আৰু আমি গিমাৰটন পাৰ্ক পাৰ হৈ যাব লাগিব নহয়। আমি দুয়ো একেলগে এই ঠাইৰ ভূত-প্ৰেতবোৰৰ সম্মুখীন হৈছোঁ। মনত-পৰেনে বাৰু? আমি যে ইটোৱে সিটোক, কোনে পাৰে কবৰবোৰৰ মাজত অকলে থিয় হৈ অশৰীৰী আত্মাবোৰৰ লগত মুখামুখি হোৱাৰ প্ৰত্যাহ্বান জনাইছিলোঁ। কিন্তু, হিথক্লিফ, তই পাৰ যদি এতিয়া গা চোন চাওঁ। তই যাওঁ বুলিলে মই তোৰ লগ হ'ম। মই তাত অকলে পৰি থাকিবলৈ নাযাওঁ। বাইজে মোক বাৰফুট দত কবৰ দিলেও আৰু গোটেই গীৰ্জা ঘৰটোকে আনি তাৰ ওপৰত জাপি দিলেও, তয়ো মোৰ লগত নথকালৈকে মোৰ শান্তি নহয়। ...... মই শান্তি নাপাওঁৱেই। মই ঠিককৈ জানো।'

এইবোৰ আবৰি বিবৰি গাই তেওঁ খন্তেক পৰ নিমাতে ৰ'ল। অলপ পিচত এটা



অদ্ভুত হাঁহি মাৰি আকৌ আৰম্ভ কৰিলে: ''সি কথাটো ভাবি চাইছে...... সি মোক তাৰ ওচৰলৈ যোৱাটো বিচাৰিছে। কোন বাটেনো যোৱা যাব। সেই কাৰ্কইয়াৰ্ডৰ মাজেদি নহ'ব...... তই বৰ লেহেম অ'। কথা নকৰিবি, তই সদায় মোতকৈ পিচ পৰ।'

তেওঁৰ বলিয়ালি বলকনি মুখপাতি ধৰিবলৈ যোৱাটো বৃথা বুলি জানি মই তেওঁৰ কথা মনে মনে শুনি আছিলোঁ। তেওঁক এৰি নিদিয়াকৈ কেনেকৈ তেওঁৰ গাত কিবা এখন কাপোৰ মেৰাই দিব পাৰি সেইটোৱে হ'ল মোৰ ডাঙৰ চিন্তা। কাৰণ খিৰিকিখন দুফালকৈ মেলি থোৱা আছে; সেইটো অৱস্থাত তেওঁক এৰি দিবলৈ মোৰ সাহ নাই। ঠিক তেনেতে দুৱাৰখনৰ হাতল ঘূৰোৱাৰ শব্দ মোৰ কাণত পৰিল। মই উচপ খাই উঠি ঘূৰি চাই দেখোঁ যে মিঃ লিণ্টন কোঠালৈ সোমাই আহিছে। তেওঁ সেইমাত্ৰ পঢ়া কোঠাৰ পৰা ওলাই আহিছিল। বাৰান্দাই দি পাৰ হৈ যাওঁতে দুপৰ নিশা আমাৰ দুজনীৰ কথা-বতৰা শুনি, কৌতূহলী হৈয়েই সোমাই আহিল।

কোঠাটোৰ সেই বিৰূপ পৰিবেশটো চকুত পৰিলতে তেওঁৰ মুখৰ পৰা এক আতংকৰ শব্দ প্ৰায় ওলাইছিলেই; মই অতি তৎপৰতাৰে সংকেত দি, তাক বন্ধ কৰি, মোৰ আশ্চৰ্য্যৰ ভাব প্ৰকাশ কৰি মাত লগালোঁ, 'মহাশয়, আপুনিহে।'

লগে লগে মই কলোঁ, 'আইদেউৰ বৰ অসুখ। মোৰ বৰ হাৰাশাস্তি হৈছে। তেওঁক মই চম্ভালিবই পৰা নাই। আহকচোন, আপুনি পাৰে যদি তেওঁক বিচনালৈ যাবলৈ মান্তি কৰাওক। আপোনাৰ খং-ৰাগ পাহৰি পেলাওক। তেওঁ নিজৰ মতেহে চলিব। আনৰ মতে তেওঁক চলোৱা টান।'

তেওঁ খৰকৈ আমাৰ ওচৰ চাপি আহি সুধিলে, 'কি হৈছে? কেথেৰিণৰ অসুখ? খিৰিকিখন জপাই দে, এলেন। কেথেৰিণ, চাওঁ, কেথেৰিণ, তোমাৰ...'

এই কেইটা কথা কৈ তেওঁ ৰৈ গ'ল। কেথেৰিণৰ শোতোৱা পৰি যোৱা বিবৰ্ণ মুখ খনলৈ চাই তেওঁৰ মুখৰ মাত হেৰাল। ভয়ত বিহ্বল হৈ, তেওঁ মাত্ৰ এবাৰ মোলৈ, এবাৰ কেথেৰিণলৈ চাইছে।

মই কৈ গলোঁ, 'আইদেউ ইয়াতেই ওফোন্দ পাতি সোমাই আছে। একো খোৱাবোৱা কৰা নাই। কাকো একো অভিযোগ কৰা নাই। আজি সন্ধিয়ালৈকে এই কোঠাত আমাক কাকো সোমাবলৈ দিয়া নাই। গতিকে তেওঁ কেনে আছে আমি আপোনাক জনাবও পৰা নাছিলোঁ। তেওঁৰ এনে অৱস্থা হৈছে বুলি আমি নিজেই জনা নাছিলোঁ। পিচে ৰব বেচি কিবা এটা হৈছে বুলি মই ভবা নাই।' কথাকেইটা বৰ কৰুভাবে কলোঁ নে কি কাৰণ মোৰ কথা শুনিয়েই লিণ্টন জাঙুৰ খাই উঠিল। তেওঁ মুখপাতি ধৰি মোক সুধিলে, ''এলেন ডীন, তই কৈছ কি? বৰ বেচি একো নহয় বুলি কৈছ? মোক এই কথা নজনোৱাৰ কৈফিয়ৎ ভালদৰে তই দিব লাগিব, মনত ৰাখিবি'— তেওঁ মোক টান মাতেৰে ক'লে। এই কেইটা কথা কৈয়েই তেওঁ নিজৰ পত্নীক দুবাহুৰ মাজত সুমাই লৈ, বৰ চিন্তিত ভাবে তেওঁৰ চকুলৈ চাই ৰ'ল।

প্ৰথমতে কেথেৰিণ আইদেৰে নিজৰ স্বামীক চিনি পাইছে নাপাইছে বুজিবই পৰা নগ'ল। তেওঁৰ উদাস দৃষ্টিত নিজৰ স্বামী যেন ধৰা পৰাই নাই। মস্তিষ্কৰ বিকৃতিয়ে কিন্তু তেওঁক একেবাৰে অন্যমনস্ক কৰি ৰখা নাছিল— দুই এটা মুহূৰ্তত তেওঁ সুস্থিৰ ভাবে কথা বতৰাও পাতিব পৰা হৈছিল। বাহিৰৰ অন্ধকাৰলৈ একান্তভাৱে চাই থকাৰ পৰা তেওঁ লাহে লাহে চকু ঘূৰাই আনি লিণ্টনৰ ওপৰত নিবদ্ধ কৰি খন্তেক থকাৰ পিচত, কোনে তেওঁক বুকুত লৈ আছে তেওঁ চিনি পালে। গিৰিয়েকলৈ চাই তেওঁ খঙৰ সুৰেৰে ক'লে, 'তুমি তেন্তে আহি ওলালা, এড্‌গাৰ লিণ্টন। ...... কিছুমান মানুহ আছে, লাগ বুলিলে কেতিয়াও পাবলৈ নাই, নিবিচাৰিলে ওচৰতে ওলায়। তুমিও তাৰে এজন। বোধহয় এতিয়া বেচ কন্দাকটা হ'ব ইয়াত। মই ঠিক বুজি পাইছোঁ। পিচে কি হ'ব, মোক সৌ সংকীৰ্ণ সৰু ঘৰটোৰপৰা কোনোৱেই কোনো প্ৰকাৰেই আঁতৰ কৰি ৰাখিব নোৱাৰিব। লেয়ে মোৰ জিৰণিৰ ঠাই। বসন্তৰ আগমনৰ আগেয়েই মই তালৈ যামেই। তাতহে, ইয়াত নহয়— লিণ্টন পৰিবাৰৰ এই ঘৰত নহয়। কথাটো টং কৰিবা। তাতেইহে, মুকলি প্ৰান্তৰত। আৰু তুমি ক'ত থাকা— ইয়াতে, নে তাতে, মোৰ লগ লোৱা, নে আনৰ লগত থাকা, সেইটো তোমাৰ কথা।'

'কেথেৰিণ, তুমি কি কৰিছা? এইবোৰ কথাৰ মানে কি?' লিণ্টনে অসহায় হৈ সুধিলে। 'মই তোমাৰ কোনো নহওঁ নে কি? মোৰ লগত তোমাৰ আৰু কোনো সম্পৰ্ক নাই নেকি? তুমি সেই দুৰ্বৃত্তটোক ভাল পোৱা নেকি— সেই হিথ—'

'চুপ কৰা', মিচেচ লিণ্টনে ক'লে, 'এই মুহূৰ্ততে চুপ কৰা আৰু এবাৰ যদি তুমি সেইটো নাম উচ্চাৰণ কৰা, মই ততালিকে খেল খতম কৰিম। খিৰিকিয়েদি জপিয়াই দিম। তুমি এতিয়া স্পৰ্শ কৰি থকা মোৰ শৰীৰটো তুমি পাবা, কিন্তু মোৰ শৰীৰটো পুনৰবাৰ তুমি স্পৰ্শ কৰাৰ আগতেই মোৰ আত্মাই সৌ শৈল শিখৰত অৱস্থান কৰিবগৈ। তোমাক মই নিবিচাৰোঁ, এড্‌গাৰ, তোমাৰ প্ৰতি মোৰ কোনো আকৰ্ষণ নাই। তুমি তোমাৰ কিতাপৰ মাজলৈ ঘূৰি যোৱা... মোৰ ভাবি ভাল লাগিছে যে তোমাৰ বাবে কিতাপৰ মাজতে সান্ত্বনাৰ থল এখন আছে; মোৰ মাজত তোমাৰ বাবে সান্ত্বনাৰ যি স্থল আছিল, সি কেতিয়াবাই নোহোৱা হৈ গৈছে।'

মই মাজতে কলোঁ, 'মহাশয়, আইলেডিৰ মনৰ স্থিৰতা নোহোৱা হৈছে। আজি গোটেই গধূলিটো তেওঁ আবোল তাবোল বকি আছে। তেওঁক নিতাল মাৰি থাকিবলৈ দিয়ক; তেওঁৰ আলপৈচানো ঠিকমতে ধৰা হওঁক— তেওঁ ক্ৰমে সুস্থ হৈ আহিব। আগলৈ আমি যাতে তেওঁক বিৰক্ত কৰি থং নোতোলো, সেই কথা মনত ৰাখিব লাগিব।'

মিঃ লিণ্টনে খঙেৰে ক'লে, 'মই তোৰপৰা আৰু একো উপদেশ বিচৰা নাই। তোৰ আইদেৱেৰৰ প্ৰকৃতি তোৰ জনা আছিল। তথাপিতো তেওঁক বিৰক্ত কৰিবলৈ তই মোক উচটনিহে দিলি। তদুপৰি, এই তিনিদিন তেওঁ কেনে ধৰণে কটাইছে সেই বিষয়ে ঘূণাক্ষৰেও এটা কথাও নকলি। বৰ নিৰ্দয় কাম কৰিলি। কেইবামাহো ধৰি বেমাৰত পৰি থকা হেতেনো এনে অৱস্থা নহয়গৈ।'



মই নিজপক্ষ সমৰ্থন কৰিবলৈ চালোঁ। আন কোনোবাই ধূৰ্তালি আৰু উদ্ধতালি কৰি বিপদ চপাব, আৰু মই গালি খাম। সেইটো নহ'ব।

মই ডাঙৰকৈ ক'লো, 'আইদেউৰ প্ৰকৃতি মইমত আৰু উগ্ৰ বুলি মই নজনা নহয়। জানো। কিন্তু তেওঁৰ এই অতি খঙাল প্ৰকৃতিটোক যে আপুনি উদগনি দিব, সেইটো কথাহে মই জনা নাছিলোঁ। তেওঁ ভাল পাওঁক বুলিয়েই যে মই হিথক্লিফৰ পিনে নেদেখা ভাও জুৰি থাকিব লাগিছিল সেইটো কথা মই বুজা নাছিলোঁ। আইদেউৰ অৱস্থাৰ খবৰটো দি মই বিশ্বাসী ভৃত্যৰ কৰ্তব্য কৰিছোঁ, আৰু বিশ্বাসী ভৃত্যৰ বানচো মোৰ মিলিছে। যি কি নহওক, আগলৈ সাৱধান হ'বলৈ শিকনি এটা পালোঁ। ইয়াৰ পিচৰ বাৰ এনে পৰিস্থিতি হ'লে আপুনি নিজে খা-খবৰ ল'ব।'

'আৰু এবাৰ যদি এনে এটা খবৰ মোলৈ আন, তেন্তে চাবি, এলেন ডীন, তই মোৰ লগ এৰিব লাগিব।' তেওঁ মোক সাৱধান কৰি দি ক'লে।

'তেন্তে হ'লে আপুনি আৰু একোকে শুনিবলৈকে নাপাব, মিঃ লিণ্টন,' মই কলোঁ। 'আপুনি নথকাৰ চেগ চাই চাই হিথক্লিফ আহি আপোনাৰ ভনীয়েকৰ লগত পীৰিতি কৰি থাকিবহি, আৰু আপোনাৰ পৰিবাৰৰ কাণত আপোনাৰ বিৰুদ্ধে বিহ ঢালি থাকিব, সেইবোৰ কথাত আপোনাৰ সন্মতি আছে যদি মই নাজানো।'

গাত হুঁচ নাথাকিলেও, কেথেৰিণে আমাৰ কথাবতৰাৰ উমান ধৰিব পাৰিছিল। 'হায়! হায়! নেলীয়ে বিশ্বাসঘাতকতা কৰিলে' বুলি তেওঁ আৰ্তনাদ কৰি উঠিল। 'নেলী মোৰ গুপ্ত শত্ৰু— তই নেলী, তই এজনী ডাইনী। সেই বাবেই তই আমালৈ দলিয়াবলৈ পকা চপৰা বিচাৰি ফুৰ। এতিয়া যিবোৰ কথা মুখেৰে পাতিলি সেইবোৰ সঁচা নহয় বুলি সৈ কাঢ়ি হাওঁ হাওঁ কৰে চিঞৰিবি। ৰবি অলপ।' এই বুলি কৈ তেওঁ চকু দুটা থোপা কৰি মেলি এনেকৈহে চালে চাৱনিটো যেন বলিয়াৰহে। লিণ্টনৰ বাহুৰ মাজৰ পৰা উফাল মাৰি আহিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰিলে। ফল কি হয় চাবলৈ মই বাট নাচালোঁ। নিজৰ দায়িত্বতে ডাক্তৰ মাতিবলৈ বুলি স্থিৰ কৰি মই ওলাই গলোঁ।

বাগিচাখন পাৰ হৈ ৰাস্তা ধৰিবলৈ যোৱাৰ সময়তে বাৰীৰ এচুকত বগা কিবা এটাই ইফাল সিফাল কৰি থকা যেন মোৰ ভাব হ'ল। নিজে নিজে লৰচৰ কৰিছে— বতাহত লৰচৰ কৰা নহয়। মোৰ লৰালৰি হৈছিল যদিও কিহেনো লৰচৰ কৰিছে চাওঁ বুলি মই ৰৈ গলোঁ। মনতে ভাবিলোঁ, এতিয়াই খুদুৱনি মাৰি নললে, পিচত মনত ভাব হ'ব যেন সিপুৰীৰ কোনোবাহে আবিৰ্ভাব হৈছিল। গতিকে সময়তে সন্দেহ দূৰ কৰা ভাল।

ওচৰ চাপি গৈ মই যি দেখিলোঁ, দেখি হতবাক হলোঁ। ইজাবেলা আইটিৰ কুকুৰটোক কমাল এখনেৰে টেঁটুত বান্ধি ওলোমাই থোৱা আছে আৰু সি প্ৰায় মৰোঁ মৰোঁ হৈছে। মই লৰালৰিকৈ কুকুৰটো মোকোলাই দিলোঁ আৰু কোলাত তুলি লৈ বাগিচালৈ নিলোঁ। যোৱা নিশা ওপৰ মহলত শুবলৈ যাওঁতে কুকুৰটো ইজাবেলাৰ পিচে পিচে যোৱা মই দেখিছোঁ। গতিকে সেই কুকুৰটোৱেই কোঠাৰ পৰা ওলাই

আছিল কেনেকৈ আৰু কোন অনিষ্টকাৰীয়ে তাক এই যন্ত্ৰণা ভোগালে, ভাবি মই পাৰ নোপোৱা হলোঁ।

কুকুৰটোৰ ভিতিৰ গাঠিটো খুলি থাকোঁতেই দূৰৈত কদমত চলা ঘোঁৰাৰ খুৰাৰ শব্দ মোৰ কাণত পৰিছিল। কিন্তু সেই মুহূৰ্তত মোৰ মূৰত যতবোৰহে চিন্তাই জুমুৰি দি ধৰিছিল, ক'ৰ কি শব্দ আহিছে তালৈ মনোযোগ দিবলৈ মোৰ সময়েই নাছিল। ৰাতি দুটা বজাত সেই ঠাইত ঘোঁৰাৰ খুৰাৰ শব্দ শুনিবলৈ পোৱাটো কিন্তু প্ৰথমতে আচৰিত কথা আছিল।

ভাগ্যৰ ফেৰত, মই ৰাস্তালৈ ওলাই আহোঁতেই সেইখিনিতে ডাক্তৰ কেনেথক লগ পাই গলোঁ। তেওঁ গাঁৱত এজন ৰোগী চাবলৈ ওলাই গৈছিল। মোৰ মুখে কেথেৰিনৰ অসুখৰ কথা শুনি তেওঁ মোৰ লগতে ঘূৰি লিণ্টন পৰিয়ালৰ ঘৰৰ মুখে ওলাল।

ড° কেনেথ আছিল খৰাংখাচ প্ৰকৃতিৰ মানুহ। তেওঁ খোলাখুলিকৈ কৈ দিলে যে তেওঁৰ নিৰ্দেশ মানি নচলিলে কেথেৰিণে এই দ্বিতীয়বাৰ পুৰণা ৰোগৰ আক্ৰমণটো অতিক্ৰম কৰি জীয়াই যে থাকিব তেওঁৰ সন্দেহ।

মোলৈ চাই ড° কেনেথে ক'লে, 'নেলী ডীন, মোৰ মনেৰে এই অসুখৰ অন্তৰালত আন কিবা এটা কাৰণ আছে। এই 'গ্ৰেঞ্জ'ত হৈছে কি অ'? বহুত কিবা কিবি কথা কাণত পৰিছে। কেথেৰিণৰ দৰে ইমান সুঠাম, নিপোটল, স্বাস্থ্যৱতী ছোৱালী এজনী সামান্য কাৰণত বেমাৰত পৰাৰ কথা নহয়। আচলতে এনে মানুহ বেমাৰত নপৰেই। এনেবোৰ মানুহৰ জ্বৰ হ'লে ভাল কৰাটো টান। অসুখ আৰম্ভ হ'ল কেনেকৈ?' 'গিৰিহঁতেই কওঁক,' মই উত্তৰ দিলোঁ। 'পিচে আপুনিতো আৰ্ণশ্ব পৰিয়ালৰ গৰম মেজাজৰ কথা জানেই। মিচেচ লিণ্টনেই এই বিষয়ত আনতকৈ ওপৰত— তেওঁৰ মেজাজেই আটাইতকৈ চৰা। মই মাত্ৰ ইয়াকে ক'ব পাৰোঁ ঃ এখন কাজিয়াতে ইয়াৰ সূত্ৰপাত হৈছিল। তেওঁ বৰ উত্তেজিত হৈ পৰিছিল, আৰু মূৰ্চ্ছা যোৱাৰ দৰে হৈছিল। ক'বলৈ গ'লে কথা সিমানেই— অন্ততঃ তেওঁ তাকেই ক'ব। তেওঁ তেনে অৱস্থাতে যোঁ কোঁৱাই গৈ নিজৰ কোঠা সোমালগৈ, আৰু দুৱাৰ বন্ধ কৰি তাতে নিজকে আবদ্ধ কৰি ৰাখিলে। খোৱা বোৱাও এৰিলে। এতিয়া তেওঁ মাজে মাজে ভ্ৰম বকে, মাজে মাজে আধা আধি সপোনত থকা দি থাকে, ওচৰত থকাবোৰক চিনিও পায়, কিন্তু তেওঁৰ মনটো বৰ্তমানে অলীক চিন্তা-ভাবনাৰে ভৰি আছে।'

ডক্তৰ কেনেথে প্ৰশ্নসূচক ভাবেৰে সুধিলে, 'মিঃ লিণ্টনে বোধহয় বৰ দুখ পাব?'

'দুখ পোৱাৰ কথা কৈছে? কিবা এটা অঘটন ঘটিবলৈ হ'লে তেওঁৰ হিয়া ভাগি যাব। তেওঁক আপুনি অনাহক বেচিকৈ ভয় নুখুৱাব।'

ডাক্তৰে ক'লে, 'ভাল বাৰু। মই তেওঁক সাৱধান কৰি দিছিলোঁৱেই। মোৰ সাৱধানবাণী আওকাণ কৰাৰ পৰিণতি তেওঁ ভোগ কৰিব লাগিব। অলপ দিনৰ পৰা তেওঁৰ হিথক্লিফৰ লগত খুব ঘনিষ্ঠতা হোৱা নাইনে?'

মই কলোঁ, ''হিথক্লিফ প্ৰায়েই 'গ্ৰেঞ্জলৈ' আহে। মিঃ লিণ্টনে ভাল পায় বুলি যে



আহে তেনে নহয়; অহাৰ আচল কাৰণটো হ'ল আইসৰে তেওঁক লৰালি কালৰ পৰা পাইছে, একেলগে ডাঙৰ হৈছে, ঘনিষ্ঠতা আছে। পিচে ইজাবেলা আইটিৰ প্ৰতি অহেতুক আকৰ্ষণ দেখুওৱাৰ বাবে, সম্প্ৰতি তেওঁক ইয়ালৈ আহিবলৈ মানা কৰি দিয়া হৈছে। তেওঁ যে আকৌ কেতিয়াবা এইখন ঘৰলৈ আহ যাহ কৰিবলৈ পাব, আশা নাই।''

ডাক্তৰৰ দ্বিতীয় প্ৰশ্নটো হ'ল, 'মিচ লিণ্টনেও তেওঁৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱায় নে কি?'

এই বিষয়টো আলোচনা কৰিবলৈ মোৰ ইচ্ছা নাছিল। সেইবাবে ইয়াৰ ওৰ পেলাবলৈ ক'লোঁ, 'তেওঁৰ পেটৰ কথা মই কেনেকৈ জানিম?'

মূৰ জোকাৰি ডাক্তৰে ক'লে, 'তই নাজান। তেওঁ বৰ চালাক ছোৱালী। তেওঁৰ পেট পোৱা টান। পিচে আচলতে ছোৱালীজনী মস্ত মূৰ্খ। বিশ্বাসযোগ্য সূত্ৰৰ পৰা কথা এটা মোৰ কাণত পৰিছে। যোৱা নিশা (কি যে ভয়ংকৰ নিশা পাৰ নহ'ল) হিথক্লিফ আৰু তাই তহঁতৰ ঘৰৰ পিচফালৰ বাৰীত একেলগে ফুৰিছে— দুঘণ্টামানতকৈও বেচি সময় ফুৰিছে। সি তাইক তাৰ পৰাই ঘোঁৰাত উঠি তাৰ লগত গুচি যাবলৈ জোৰ কৰিছিল। তাই এবাৰ ভিতৰলৈ যাব খোজোঁতে সি যাবলৈ বাধা দিছে। মই শুনামতে, তাই তাক পিচৰ বাৰ লগ পাওঁতে যাবলৈ সাজু হৈ থাকিব বুলি কথা দিলতহে তাক সেইবাবলৈ এৰাব পাৰিছে। পিচৰ বাৰ লগনো কেতিয়া পাব সি তাইৰ পৰা শুনিবলৈ নাপালে। তই কিন্তু সময় থাকোতেই মিঃ লিণ্টনক কথাটো জনাই থোৱা ভাল হ'ব।'

এই কথাটো শুনাৰ লগে লগে মোৰ মনত নতুন ভয় সোমাল। মই কেনেথক এৰি থৈ, ভিৰাই ধৰি উভতি লৰ দিলোঁ। কণমানি কুকুৰটোৱে তেতিয়াও বাগানত কেংকেঙাই আছিল। মই খন্তেক ৰৈ তাক ওলাই যাবলৈ দিবলৈ বুলি জপনাখন খুলি দিলোঁ; কিন্তু সি ওলাই নাগৈ ঘূৰি ঘূৰি থকা ঠাইতে ঘাঁহনি ডখা শুঙিবলৈহে ধৰিলে। পিচ পাকতে সি ৰাস্তালৈ দৌৰ মাৰিবলৈ ধৰিছিলেই, পিচে মই তাক সাপমাৰি ধৰি মোৰ লগতে লৈ আহিলোঁ।

ইজাবেলাৰ কোঠালৈ গৈ দেখোঁ মোৰ সন্দেহেই সঁচা। কোঠা খালী। ...২ কেইঘণ্টামানৰ আগতে ওলোৱাহেঁতেন, বৌৱেকৰ অসুখৰ খবৰে হয়তো তাইৰ এই অবিবেচনাৰ কাৰ্য্যত বাধা দিলেহেঁতেন। কিন্তু এতিয়া কি কৰা যায়? লগে লগেই সিহঁতৰ পিচ ল'লে হয়তো সিহঁতক লগ পোৱাগৈ যাব পাৰে। কিন্তু মই নিজেতো সিহঁতৰ পিচ ল'ব নোৱাৰোঁ। পৰিয়ালটো জগাই দি, হৈ চৈ এটাৰ সৃষ্টি কৰাৰ সাহসো মোৰ নহ'ল। মিঃ লিণ্টনক ঘটনাটো জনোৱাৰতো কথাই নাই। তেওঁলৈ মোৰ পুতৌ হ'ল। এনেয়ে তেওঁ কেথেৰিণৰ অসুখৰ বাবে অলকা লাগি আছে, তাতে আকৌ নতুনকৈ এটা দুখৰ খবৰ দিবলৈ মোৰ মত নগ'ল।

গতিকে মই যি হয় হওঁক বুলি, মনে মনে থকাটোকে স্থিৰ কৰিলোঁ। ড° কেনেথ অলপ পিছতে পালেহি; তেওঁ অহা খবৰ দিবলৈ মই বিমৰ্ষ মনেৰে লিণ্টনৰ ওচৰ পালোঁগৈ।

কেথেৰিন শুই আছিল। তেওঁ যে স্বস্তিৰে শোৱা নাছিল সেই কথা মই দেখিয়েই বুজি পাইছিলোঁ। তেওঁৰ মনৰ উদ্ভ্ৰান্ত চিন্তাবোৰ লিণ্টনে কিছু শাম কটাব পাৰিলে। মই সোমাই যাওঁতে তেওঁ গাৰুটোতে কিলাকুটিৰে হেলান দি পত্নীৰ মুখৰ প্ৰতিটো ভাঁজ, প্ৰতিডাল ৰেখা একান্ত মনোযোগেৰে চাই আছিল। সেইখন মুখত যেন বেদনাৰ মূৰ্ত্ত প্ৰকাশ হোৱা তেওঁ দেখা পাইছিল।

ডাক্তৰে ৰোগীক পৰীক্ষা কৰি চাই ক'লে যে শান্ত আৰু নিৰুদ্বেগ পৰিবেশ এটাত ৰাখিব পাৰিলে তেওঁ ভাল হৈ উঠিব। তেওঁৰ কথাৰ পৰা মই যি বুজি পালোঁ, ডাক্তৰে ৰোগীৰ মৃত্যু হ'ব বুলি আশংকা কৰা নাছিল, ৰোগী উন্মাদ হৈ যাব পাৰে বুলিহে ভয় কৰিছিল।

সেই নিশা মোৰ চকুৰে চকুৰে নালাগিল। মিঃ লিণ্টনৰো টোপনি নাহিল। আচলতে আমি কোনো বিচনালৈ নগলোঁৱেই। পিচদিনা পুৱা চাকৰ নাকৰবোৰো আনকাল উঠা সময়তকৈ বহুত আগতেই উঠিলে। সিহঁতে ইফাল সিফাল কৰোঁতে হাতত সাৰে ভৰিত সাৰে কৰিছিল, কথাবতৰাও ফুচফুচাইহে পাতিছিল। প্ৰত্যেকেই ব্যস্ত হৈ পৰিছিল। ব্যতিক্ৰম আছিল মাত্ৰ ইজাবেলা। তাই যে ইমান কুম্ভকৰ্ণৰ দৰে শুব পাৰিছে সেইটো কথাকে বাকীবোৰ মানুহে কোৰাকুই কৰিবলৈ ললে। মিঃ লিণ্টনেও ভনীয়েক শোৱাৰপৰা উঠিল নে নাই খবৰ ল'লে। তাই উঠি আহি তেওঁৰ ওচৰ চপাটো মিঃ লিণ্টনে আশা কৰিছিল। বৌয়েকৰ ইমান অসুখ, অথচ নন্দেকজনীক ওচৰে পাঁজৰে দেখিবলৈকে নাই— এই কথাটো ভাবি ককায়েক অলপ বিমৰিষো হ'ল।

ভনীয়েকক মাতি আনিবলৈ জানোচা পঠায় এই ভাবি মোৰ গাত কঁপনি উঠিছিল। পিচে মোৰ কপাল ভাল, ভনীয়েক পলাই যোৱাৰ খবৰটো প্ৰথমতে মই দিব লগা নহ'ল। চাকৰণী এজনী— ভৰা চিন্তা কৰিব পৰা মূৰ এটা তাইৰ নাছিল— নিচেই পুৱাতে কিবা সকামত গিমাৰটনলৈ গৈছিল। তাই ফোঁপাই জোপাই লৰি আহি, চিএৰ বাখৰ কৰি কথাটো ৰজনজনা কৰি দিলে।

"হায়! হায়! হায়! আৰু কি হ'ব লগা আছে, কোনে জানে? মহাশয়, মহাশয়, আমাৰ সৰু আইদেৱে ...'

তাইৰ চিএৰ বাখৰত অতীষ্ঠ হৈ মই কলোঁ, 'মুখ বন্ধ কৰ! কেপ্‌কেপাই নাথাকিবি!'

মিঃ লিণ্টনে তাইক অলপ প্ৰশ্ৰয় দি ক'লে, 'কি ক'ব খুজিছ, মেৰী, লাহে লাহে ক। কথাটো কি? তোৰ সৰু আইদেৱেৰ কি হৈছে?'

'গ'ল, গ'ল, তেওঁ গুচি গ'ল। সৌ তাত যে থাকে হিথক্লিফ, তাৰ লগতে পলালে।'

অত্যন্ত উত্তেজিত হৈ লিণ্টনে ক'লে, 'মিছা কথা। এইটো অসম্ভৱ কথা। এনে এটা ভাব তোৰ মূৰত সোমাল কেনেকৈ? এলেন ডীন, যা চোন, তাইৰ খবৰ লোৱা।



অবিশ্বাস্য কথা। হ'ব নোৱাৰে।'

ইয়াকে কৈ কৈ তেওঁ চাকৰণীজনীক দুৱাৰমুখলৈ লৈ গ'ল, আৰু তাই কিহৰ ভিত্তিত এনে এটা অশুভ বতৰা দিলেহি জানিবলৈ বিচাৰিলে।

তাই খোনাই খোনাই উত্তৰ দিলে ঃ "গাখীৰ আনিবলৈ যোৱা ল'ৰা এটা মই বাটতে লগ পালোঁ। সি হে সুধিলে আমাৰ ঘৰত, মানে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জত', কিবা অঘটন ঘটিছেনে কি বুলি। মই ভাবিলোঁ সি আইদেউৰ অসুখৰ কথা সুধিছে, সেইবাবেই মই ঘটিছে বুলি উত্তৰ দি থলোঁ। তেতিয়া সি মোক সুধিলে, 'সিহঁত হালক বিচাৰি কোনোবা গৈছে চাগে ইতিমধ্যে, নহয় জানো?' তাৰ প্ৰশ্ন শুনি মই অবাক হৈ তালৈ চাই ৰলোঁ। তাকে দেখি সি বুজিলে যে মই আচলতে একো গম পোৱা নাই। তেতিয়াহে সি ক'লে বোলে গ'ল নিশা, মাজ নিশাৰ অলপ পিচতে, গিমাৰটনৰ পৰা দুমাইল মান দূৰত, এখন কমাৰৰ দোকানত, ঘোঁৰাত উঠি অহা মতা-মাইকী মানুহ এহালে ঘোঁৰাৰ খুৰাত কাঁটা লগাবলৈ নামিছিল। মানুহ হালনো কোন, কমাৰৰ জীয়েকে চুৰকৈ জুমি চাইছিল। চাই তাই দুয়োকে চিনি পালে। মানুহটোৱে হিথক্লিফ তাই স্পষ্টকৈ জানিলে। তাৰ বাদে আন কোনো হ'ব কেই নোৱাৰে। মানুহটোৱে তাইৰ বাপেকৰ হাতত কামৰ পয়চাখিনি দিয়াও তাই দেখিছে। মহিলাগৰাকীয়ে ওৰণিৰে মুখ ঢাকি ৰাখিছিল, পিচে খাবলৈ বুলি পানী এগিলাচ খুজি লৈ, খাবলৈ ধৰোঁতেই ওৰণি পিচলি গ'ল, আৰু সেই সুযোগতে তাই মানুহ গৰাকীক ভালকৈ দেখি চিনি পাইছে। ঘোঁৰাৰ লেকাম ধৰিছিল হিথক্লিফেই। সিহঁত গাওঁৰ ওখোৱা মেখোৰা ৰাস্তা পাৰ হৈ গুলাই গৈছিল। কমাৰৰ জীয়েকে পিতাকক সেই মানুহ হালনো কোন একো কোৱা নাছিল, কিন্তু আজি পুৱা গোটেই গিমাৰটন তাই হৌজাল-বৌজাল কৰি দিছে।"

আনক দেখুৱাবলৈকে, মই লৰি ইজাবেলাৰ কোঠালৈ গলোঁ; গৈ দেখোঁ কোঠা উদং। ঘূৰি আহি কলোঁহি, 'এৰা, চাকৰণীজনীৰ কথাই সঁচা, ইজাবেলা পলাইছে।' মিঃ লিণ্টন আকৌ বিছনাত বহিছিল। মোক ঘূৰি অহা দেখি মোৰ চকুলৈ মূৰ দাঙি চালে, মোৰ চকুৰ ভাষা বুজি পালে, আৰু কোনো বাক্যব্যয় নকৰি পুনৰ তলমূৰ কৰিলে।

'সিহঁতক বাটতে আগচি ধৰি, তাইক ঘূৰাই অনাৰ ব্যৱস্থা কৰিব নালাগে জানো?' মই কলোঁ। 'কিনো কৰিলে ভাল হ'ব এতিয়া?'

ককায়েকে উত্তৰ দিলে, 'তাই নিজ খুচিমতে গৈছে। তাই মন কৰিলে যোৱাৰ অধিকাৰ তাইৰ আছে। তাইৰ কথা কৈ আৰু মোক আমনি নিদিবি। এতিয়াৰ পৰা তাই আৰু মোৰ নামতহে ভনী। তাৰ মানে মই কোৱা নাই যে তাইক মই পৰিত্যাগ কৰিছোঁ। তাইহে মোক এৰিছে।'

সেই প্ৰসংগত তেওঁ সিমানকে ক'লে। ভনীয়েকৰ বিষয়ে আৰু এটা কথাও নুলিয়ালে। তাই গৈ ক'ত ঘৰ লৈছে সেই কথা মই জনা মাত্ৰকে তাইৰ বয়বস্তুবোৰ পঠাই দিবলৈ মাত্ৰ মোক কলে।

# ১৩

দুমাহলৈ পলৰীয়া হাল আঁতৰি থাকিল। সেইখিনি সময়তে কেথেৰিণ আইদেউৰ অসুখ আৰু বেচি বাঢ়িলে। বাঢ়িলেও, ভালো হ'ল। ডাক্তৰৰ মতে অসুখ আছিল মস্তিষ্কৰ প্ৰদাহৰ ফলত হোৱা জ্বৰ। এড্গাৰ লিণ্টনে তেওঁৰ পৰিবাৰক যি পৰিচৰ্য্যা সেই সময়ত কৰিলে, কোনো মাকেই তেওঁৰ একমাত্ৰ ল'ৰাকো তেনে শুশ্ৰূষা কৰিব নোৱাৰে। দিনে নিশাই তেওঁ ৰোগীৰ ওচৰত বহি চাই থাকে, আৰু ৰোগীৰ খেজালনি, আমনি, সমস্ত সহ্য কৰি থাকে। মতিভ্ৰম ৰোগীৰ আলপৈচান ধৰা জানো কম কথা। ড° কেনেথে মন্তব্য কৰিছিল বোলে তেওঁ কেথেৰিণক যমৰ দুৱাৰমুখৰপৰা ওভোতাই আনিছে। আনিছেহে আনিছে, তেওঁ এটা চিন্তাও গোটাই ল'লে— চিন্তাটো হ'ল কেথেৰিণৰ ভৱিষ্যতক লৈ। পিচে লিণ্টনে তেওঁক নিজৰ খোৱা শোৱালৈ আওকাণ কৰি, নিজৰ স্বাস্থ্যৰ বিনিময়ত বুলিয়েই ক'ব পাৰি, নেৰানেপেৰা শুশ্ৰূষা কৰি কেথেৰিণক সুস্থ কৰি তুলিলে। ড° কেনেথে ৰোগী বিপদ মুক্ত বুলি ঘোষণা কৰিলত, লিণ্টনৰ মন তেওঁৰ প্ৰতি অসীম কৃতজ্ঞতাৱে উপচি পৰিল। ঘণ্টাৰ পিচত ঘণ্টাকৈ তেওঁ ৰোগীৰ কাষত বহি, ৰোগী ক্ৰমাৎ ভালৰ্লৈ আহিথলৈ ধৰা অৱস্থাটো পৰ্য্যবেক্ষণ কৰি থাকে। তেওঁৰ একান্ত আশা যে শাৰীৰিক ভাবে সুস্থ হৈ উঠাৰ লগে লগে কেথেৰিণে মানসিক সুস্থতাও ঘূৰাই পাব। তেওঁ আগৰ কেথেৰিণ হৈ পৰিব।

বহুদিন ধৰি শয্যাগত হৈ পৰি থকাৰ পিচত, মাৰ্চ্চ মাহৰ আগভাগত পোন প্ৰথমবাৰৰ বাবে কেথেৰিণে বিচনা এৰিব পৰা হ'ল। তেওঁ কোঠাৰ পৰা ওলোৱা সোমোৱা কৰিবলৈ ল'লে। মিঃ লিণ্টনে ৰোগীৰ গাৰুৰ কাষত কেইটিমান বসন্ত কালত ফুলা হালধীয়া গুটিমালী ফুল সজাই থৈছিলে। চকু মেলি, বহুদিনৰ মূৰত সুন্দৰ ফুল কেইপাহি দেখি, আনন্দত তেওঁৰ মন উথলি উঠিল। তেওঁ ফুল কেইপাহ হাতত তুলি ললে।

" 'ৱাদাৰিং হাইটচ'ত এইবিধেই আটাইতকৈ আগেয়ে ফুলা ফুল' তেওঁ মন্তব্য কৰিলে। 'এই ফুলে মোৰ মনত মৃদু বতাহ আৰু মিঠা ৰ'দ, আৰু বিগলিত বৰফৰ স্মৃতি জগাই তোলে। এড্গাৰ, দক্ষিণী পচোৱা বলিব পায়, নহয়? বৰফ পৰা বোধহয় শেষ হ'ল?'

তেওঁৰ স্বামীয়ে উত্তৰ দিলে ঃ 'বৰফ গলি গলি শেষ হৈছে। বিস্তীৰ্ণ তৃণভূমিত, মাত্ৰ দুঠাইত, মই দুটা ডাঙৰ চপৰা দেখিছোঁ। আকাশ নীলা। স্কাইলাৰ্ক চৰাইবোৰে উলাহতে আকাশত উৰিবলৈ লৈছে। জান জুৰিবোৰ পানীৰে পাৰলৈকে উপচি আছে। কেথেৰিণ,



যোৱাটো বসন্তত, এই সময়তে তোমাক মোৰ এই ঘৰলৈ আনিবলৈ মই উদগ্ৰীৱ হৈ পৰিছিলোঁ। এতিয়া ভাবিছোঁ, তুমি পৰ্ব্বতৰ পৰা দুই এক মাইল ওপৰত থকাটোৱেই ভাল আছিল কিজানি। ওপৰৰ বতাহ ইমান মিঠা— মৃদু বতাহে তোমাৰ স্বাস্থ্য সোনকালেই ঘূৰাই আনিব।'

'তালৈ মই মাত্ৰ এবাৰহে যাম', ৰোগীয়ে উত্তৰত ক'লে, 'আৰু তুমি মোক তাতে এৰি থৈ আহিবা। তাতেই মই চিৰদিন থাকিম। অহাটো বসন্তত তুমি মোক এইটো ঘৰত বিচাৰি ব্যাকুল হবা; আজিৰ দিনটোলৈ মনত পেলাই তুমি তেতিয়া ভাবিবা, তুমি এই দিনটোত কিমান সুখী আছিলা।'

মৰম সাদৰ আৰু মিঠা মিঠা কথাৰে লিণ্টনে নিজৰ পত্নীক ওপোচাই পেলালে। কেথেৰিণে কিন্তু অন্যমনস্ক ভাবে ফুল কেইটালৈ চাই ৰ'ল। তেওঁৰ চকুৰ কোণত পানী গোট খালে, আৰু পিচ মুহূৰ্ত্তত দুগালেদি বাগৰি আহিল। কেথেৰিণ যে ভাল হৈ আহিছে সেই কথা আমি বুজি পাইছিলো। একে ঠাইতে বহুদিন সোমাই থকাৰ বাবেহে তেওঁৰ মন এনেদৰে নিৰাশাৰে ভৰি পৰিছিল। গতিকে ঠাই সলনি কৰিলে তেওঁৰ মনটো ফৰকাল হ'ব বুলি আমি ভাবিছিলোঁ।

কেইবাসপ্তাহো ধৰি বাৰহাল নকৰাকৈ পৰি থকা আগফালৰ কোঠাটোত জুই একুৰা ধৰিথলৈ গৃহস্থই মোক ক'লে। খিৰিকিৰ কাষত, গাত ৰ'দ পৰাকৈ এখন আৰামী চকীও পাৰি দিবলৈ ক'লে। তেনেমতেই মই কৰিলোঁ। লিণ্টনে তেওঁৰ পৰিবাৰক দাং কোলাকৈ আনি জুইৰ কাষত চকীত বহুৱাই দিলে। তেওঁ বহুতপৰ জুইৰ উম লৈ তাতে বহি থাকিল। চাৰিওফালৰ ইটো সিটো চিনাকি বস্তুবোৰকে দেখি বহুতদিনৰ মূৰত তেওঁৰ মনটো মুকলি হ'ল; বেমাৰী হৈ একেটা কোঠাতে পৰি থাকি থাকি বিষণ্ণ হোৱা মনটো যেন পাতল হ'ল। পিচে গধূলি সময়লৈ তেওঁ ভাগৰত একেবাৰে লালকাল হৈ পৰিল, কিন্তু আগৰ কোঠালৈ তেওঁক আমি কোনোপধেই ঘূৰাই নিব নোৱাৰিলোঁ; আমাৰ কাকুতি মিনতি সমস্তই বৃথা হ'ল। গতিকে বহা কোঠাৰ চোফাখনকে বিচনাৰ দৰে পাৰি দিয়া হ'ল। অন্য এটা কোঠা ঠিকঠাক কৰি নোলোৱালৈকে তেওঁ তাতেই থাকক।

খটখটিয়েদি উঠা নমা কৰিলে ভাগৰ লাগে; সেয়ে নহওক বুলি বহা কোঠাৰ ওপৰতে নতুনকৈ কোঠা এটা তেওঁৰ বাবে আমি চিজিল কৰি দিলোঁ। কেইদিনমানৰ ভিতৰতে তেওঁ এড্গাৰৰ কান্ধত ভৰ দি ইটো কোঠাৰ পৰা সিটো কোঠালৈ যাব পৰা হ'ল। তেওঁ একেবাৰে ভাল হৈ উঠিব বুলি মই আশা কৰিছিলোঁ। তেওঁৰ সেৱা শুশ্ৰূষাত মই একান্ত মনযোগেৰে লাগিয়েই থাকিলোঁ। তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠিব বুলি কৰা আশাৰ কাৰণ আৰু এটা আছিল ঃ কাৰণ তেওঁ জীয়াই থকাৰ ওপৰতে আৰু এটা প্ৰাণী জীয়াই থকাৰ কথাটো নিৰ্ভৰ কৰিছিল। আমি আশা কৰিছিলোঁ যে অনতিপলমে লিণ্টনৰ অন্তৰত আনন্দ দিবলৈ এটি উত্তৰাধিকাৰীৰ জন্ম হ'ব, আৰু সেয়ে হ'লে তেওঁৰ মা-সম্পত্তিবোৰ কোনোবা অনাত্মীয় লোকে আত্মসাৎ কৰাৰ পৰা ৰক্ষা পৰিব।

এইখিনিতে এটা কথা উল্লেখ কৰা দৰকাৰ। ঘৰ এৰি পলাই যোৱাৰ ডেৰমাহ মানৰ মূৰত ইজাবেলাই চমু চিঠি এখন লিখি, হিথক্লিফৰ লগত তাইৰ বিয়া হোৱা বুলি কথাষোৰক জনাইছিল। চিঠিখনত ভাবাবেগৰ লেশ মাত্ৰও নাছিল — কিন্তু শেষৰপিনে ক্ষমা প্ৰাৰ্থনাৰ সুৰ প্ৰকাশ কৰা বাক্য এটা আছিল।

মই জনাত লিণ্টনে চিঠিখনৰ উত্তৰ নিদিলে। আৰু এপখেকমান যোৱাৰ পিচতে, মই তাইৰ পৰা এখন দীঘলীয়া চিঠি পালোঁ। পাই মই আচৰিত্তো হ'লোঁ, কাৰণ মধু যামিনীৰ দিন পাৰ হৈছে কি নহৈছে এনে সময়তে নৱ বিবাহিতা ছোৱালী এজনীৰ পৰা দীঘলীয়া চিঠি এখন পোৱাটো অপ্ৰত্যাশিত কথা। মই চিঠিখন ৰাখি থৈছোঁ। অতীতৰ বহুতো স্মৃতিয়েই অতি মূল্যবান। আপোনাক পঢ়ি শুনাও, ৰ'ব। চিঠিখনত তেওঁ লিখিছে,

প্ৰিয় এলেন,

কালি ৰাতি মই 'ৱাঁদাৰিং হাইট্চ'লৈ আহিলোঁ। ইয়ালৈ আহিহে কেথেৰিণৰ অসুখৰ কথা গম পালোঁ। ইয়াৰ আগতে মই জনাই নাছিলোঁ। মই তেওঁলৈ লিখাটো বোধহয় সমীচীন নহ'ব। বাদলৈ চিঠি দিলেও যে উত্তৰ পাম আশা নাই— তেওঁৰ বোধহয় মোৰ ওপৰত খুব খং উঠি আছে, হয়তো মনত এতিয়াও বৰ দুখ পায়েই আছে। কিন্তু কাৰোবালৈ লিখিবই লাগিব, আৰু তোৰ বাদে আন কালৈনো মই লিখিম?

এড্গাৰক কবি, তেওঁৰ মুখখন এবাৰ দেখিবলৈ পোৱাৰ বিনিময়ত মই সমস্ত জগতখন দিবলৈ প্ৰস্তুত। আৰু কবি যে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' এৰি যোৱাৰ চৌবিশ ঘণ্টাৰ পিচতে, মোৰ অন্তৰখন তালৈ ঘূৰি গৈছে। মোৰ অন্তৰ এতিয়াও তাতে আছে। লিণ্টনৰ আৰু কেথেৰিণৰ প্ৰতি মোৰ অন্তৰ স্নেহৰ উষ্ণতাৰে উপচি আছে। মই এই ভাব প্ৰকাশ কৰি দেখুৱাব নোৱাৰো (এই কেইটা কথাৰ তলত আঁচ টানি বিশেষ গুৰুত্ব বুজোৱা হৈছে)। তেওঁলোকে মই যাম বুলি আশা কৰিব নালাগে, আৰু মোৰ বিষয়ে যি ধাৰণা লয় লওক। মাত্ৰ মোক দুৰ্বলচিত্তীয়া আৰু তেওঁলোকলৈ মৰম চেনেহ নাইকিয়া বুলি নধৰিলেই হয়।

চিঠিখনৰ বাকী অংশ কেৱল তোৰ বাবে। মই তোক দুটা প্ৰশ্ন সুধিব খুজিছোঁ। প্ৰথমটো হ'ল,

তই ইয়াত থাকোঁতে মানবীয় সহানুভূতিবাচক সাধাৰণ গুণবোৰ কেনেকৈ ৰক্ষা কৰি আছিলি? মই দেখিছোঁ ইয়াত মোৰ চৌপাশৰ মানুহবোৰ একেবাৰে ভাব-লেশহীন, অনুভূতি বুলিবলৈ তেওঁলোকৰ একো নাই।

দ্বিতীয়টো প্ৰশ্নত মই বিশেষ আগ্ৰহী। প্ৰশ্নটো হ'ল,

হিথক্লিফ বাৰু প্ৰকৃততে মানুহ নে? যদি মানুহ হয়, সি পাগল নে কি? যদি নহয়, সি এটা পিশাচ নে কি? এই প্ৰশ্ন কেইটা কিয় মই কৰিছোঁ তাৰ কাৰণটো মই নজনাও। কিন্তু মই কাবৌ কৰিছোঁ, তই যেতিয়া মোক চাবলৈ ইয়ালৈ আহিবি, তই মোক কবি— মই বিয়া কৰোৱা এই প্ৰাণীটো প্ৰকৃততে কি? আৰু এলেন, তই সোনকালেই এদিন



আহ। আহিবই লাগিব। চিঠিৰ উত্তৰ দিব নালাগে। তই নিজেই আহিবি। আহোঁতে এড্গাৰৰ পৰা কিবা এটা লৈ আহিবি।

এতিয়া শুন মোৰ নতুন ঘৰে মোক কিদৰে লৈছে, আৰু মই ভবাত ভৱিষ্যতেও ল'ব। ঘৰখনত ব্যৱহাৰিক সা-সুবিধাখিনি নাই, সেইটো বেলেগ কথা। সেইবোৰ কথালৈ মই ববকৈ মূৰ ঘমোৱা নাই। সেইবোৰৰ অভাবেই মোৰ অশান্তিৰ একমাত্ৰ কাৰণ হোৱাহেঁতেন মই আনন্দত নাচি উঠিলোহেঁতেন।

'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ পিচপিনে তেতিয়া বেলি লহিয়াইছে। তাৰ পৰাই মোৰ অনুমান হ'ল, তেতিয়া আবেলি ছয় মান বাজিছে। সেই সময়তে আমি আহি 'ৱাদাৰিং হাইট্চ' পালেহি। মোৰ লগৰজনে, অৰ্থাৎ হিথক্লিফে, এঘণ্টামান বৈ উদ্যানখনকে কেন্দ্ৰ কৰি গোটেই ঠাইখিনি এবাৰ চকু ফুৰাই চাই ললে। গতিকে আমি ঘৰৰ পদূলিমুখ পাওঁমানে আন্ধাৰেই হ'ল। আমি গৈ প্ৰথমতে ভৰাল ঘৰৰ চোতালত ভৰি দিলোঁ। পুৰণা ভৃত্য জোজেফে হাতত মমবাতি এডাল লৈ আমাক আগবঢ়াই নিবলৈ ওলাই আহিল। তাৰ স্বভাবো যেনে কাৰ্য্যও তেনে। মমবাতিডাল মোৰ মুখৰ সমানকৈ ওপৰলৈ দাঙি, বিদ্বেষপূৰ্ণভাৱে কেৰাহিকৈ সি মোলৈ চালে, চাই ওঁঠ কামুৰিলে, আৰু মোৰ পৰা মুখ ঘূৰালে। তাৰ অভ্যৰ্থনাত তাৰ প্ৰকৃতিটো ধৰা পৰিল।

আমাক তাতে এৰি সি ঘোঁৰা দুটা আস্তাবললৈ লৈ গ'ল; ঘূৰি আহি সি পদূলিৰ গেটখন বন্ধ কৰি থলে। আমি যেন এক প্ৰাচীন দুৰ্গৰ ভিতৰতহে সোমালোঁ, তেনে এটা ভাব মোৰ মনলৈ আহিলে।

হিথক্লিফে চোতালতে ৰৈ জোজেফৰ লগত কথা পাতিবলৈ ধৰিলে। মই পাকঘৰলৈ সোমাই গলোঁ। যিহে চেহেৰা পাকঘৰৰ— তই যোৱাৰে পৰা বোধহয় সোতা-বাঢ়নীৰ মুখ দেখা নাই। চাৰিওপিনে আবৰ্জনা, লেতেৰা। তই থকা দিনৰ পাকঘৰটোৱেই সেইটো বুলি তোৰ চিনি পোৱাই টান হ'লহেঁতেন।

পাকঘৰৰ জুহালৰ গুৰিত, দেখিলেই অতি অঘাইতং যেন লগা ল'ৰা এটা বহি আছিল। গায়ে গাবিয়ে বেচ নোদোকাটো। পিন্ধনত তাৰ ময়লা চোলা এটা। চকুহাল দেখাত কেথেৰিণৰ দৰে লাগে। মুখৰ সাঁচটোও তেওঁৰ দৰেই।

ল'ৰাটো এড্গাৰৰ সম্বন্ধীয় ভাগিনীয়েক হ'ব বুলি মই অনুমান কৰিছিলোঁ। এড্গাৰৰ ভাগিনীয়েক মানে এক প্ৰকাৰে মোৰো ভাগিনি। গতিকে তাৰ লগত সৌহৃদ পতোৱাৰ মতলবেৰে মই তাৰ লগত কৰমৰ্দন কৰি, তাক চুমা খাবলৈ আগবাঢ়িলোঁ। তাৰ লগত প্ৰথমৰ পৰাই এটা বন্ধুত্বৰ ভাব গঢ়ি লোৱা ভাল হ'ব বুলি মই ভাবিছিলোঁ।

তাৰ ভোটোকা ভোটোক আঙুলিৰে হাত দুখন মোৰ হাতত লবলৈ মই তাক 'ভালনে তোমাৰ?' বুলি সুধি ওচৰ চাপি গলোঁ।

সি এনে এটা দোৱানত মুখৰ ভিতৰতে কিবা ভোৰভোৰালে যে মোৰ বুজাৰ সাধ্য

নহ'ল।

মই পুনৰবাৰ তালৈ চাই কলোঁ, 'তুমিয়ে মযে বন্ধু হ'ম, নহয় নে হেয়াৰ্টন?' কিবা এবাৰ অশ্লীল উচ্চাৰণ কৰি সি মোক কৈ দিলে যে মই তাৰপৰা তৎক্ষণাত আঁতৰি নহলে সি থ্ৰটলাৰ বোলা কুকুৰটো মোৰ গাত লগাই দিব।

যেনে কথা তেনে কাম। সি কুকুৰটোক মাতিলেই। 'চাওঁ, থ্ৰটলাৰ, এইপিনে' বোলা মাত্ৰকতে কোঠাৰ এচুকত এটা প্ৰকাণ্ড চিকাৰী কুকুৰ কাণমুৰ জোকাৰি থিয় হ'ল। 'এতিয়া ক, ইয়াৰ পৰা যাব নে নাযাৱ?', সি মোক কৰ্তৃত্বৰ সুৰত সুধিলে।

প্ৰাণৰ মায়াত মই তাৰপৰা আঁতৰিবলৈকে ঠিক কৰিলোঁ। দুৱাৰডলি পাৰ হৈ ওলাই আহি, মই সেইখিনিতে আনবোৰো গেট খাওক বুলি থমকি ৰলোঁ। মিঃ হিথক্লিফক ওচৰে পাজৰে কতো দেখা পোৱা নগ'ল। মই গৈ জোজেফক ঘোঁৰাশালৰ মুখত লগ ধৰি, মোৰ লগতে ভিতৰলৈ সোমাই আহিবলৈ তাক খাটনি ধৰিলোঁ। পিচে সি নাকটো কোঁচাই, মোলৈ একেথৰে কিছু সময় চাই থাকি, উত্তৰ দিলে, 'হৰি। হৰি। এনে কথানো কোনোবাই কেতিয়াবা শুনিছেনে? তুমি কি কৈছা মই কি জানো।'

মই ভাবিলোঁ যে সি কাণ গধুৰ মানুহ, ভালকৈ নুশুনে। সেইবাবে ডাঙৰ ডাঙৰকৈ কলোঁ, 'মই কৈছোঁ যে তুমি মোৰ লগত ভিতৰলৈ আহিব লাগে।' মানুহটোৰ দুৰ্বিনীত আচৰণত মই বৰ বিৰক্তও হৈছিলোঁ।

সি উত্তৰত ক'লে, 'নাই, নোৱাৰিম। মোৰ আন কাম কৰিব লগা আছে।' কোৱাৰ লগে লগে সি লেমৰ ফিটাডাল বঢ়াই দিলে আৰু পোহৰত মোৰ সাজপাৰ আৰু মুখৰ চেহেৰালৈ চাই চৰম অৱজ্ঞা প্ৰকাশ কৰিলে। সাজপাৰ মোৰ ঠিকেই আছিল, মুখৰ চেহেৰাহে ভাগৰ জোগৰত ক'লামলা পৰিছিল।

চোতালখনতে মই এপাক ঘূৰিলোঁ। এপিনেদি এটা কোঠাত পোহৰ এটা দেখি সেই কালৈলে গলোঁ আৰু বন্ধ দুৱাৰত টুকিয়ালো। ভাবিছিলোঁ কোনোবা চাকৰ নাকৰ হয়তো ওলাই আহিব।

দুৱাৰ মুখতে কিছুপৰ মই ৰৈ থাকিলোঁ। এসময়ত দুৱাৰখন মেল খালে আৰু এজন লেংলেঙীয়া, ক্ষীণকায় মানুহ ওলাই আহিল। পিন্ধনত তেওঁ একেবাৰে ভাঙলা। চুলিবোৰ দীঘল আৰু কান্ধলৈকে পৰা। তাৰ বাবেই মানুহজনৰ মুখত গঢ়গতিৰ চিন ধৰা টান। তেওঁৰ চকুযোৰহে আছিল কেথেৰিণৰ দৰে— কেথেৰিণৰ ঠিক নহয়, যেন তেওঁৰ এক ক্ষীণ আভাস হে। কেথেৰিণৰ চকুৰ সৌন্দৰ্য্য তাত প্ৰতিফলিত হোৱা নাছিল।

মোক দেখা পাই তেওঁ খঙেৰে সুধিলে, 'তুমি কোন? কি লাগে ইয়াত?'

'মোৰ নাম আছিল ইজাবেলা লিণ্টন', মই উত্তৰ দিলোঁ। 'আপুনি, মহাশয়, মোক আগতে দেখিছে। অলপ দিনৰ আগতে মিঃ হিথক্লিফৰ লগত মোৰ বিয়া হৈছে। তেওঁৱেই মোক ইয়ালৈ লৈ আহিছে। মই ভবাত আপোনাৰ অনুমতি সাপেক্ষেই



আনিছে।'

ভোকাতুৰ কুকুৰনেচীয়া বাঘৰ দৰে মোলৈ হিংস্ৰ দৃষ্টিৰে চাই, সেই মানুহজনে মোক সুধিলে, 'সি তেন্তে ঘূৰি আহিছে?'

'হয়', মই উত্তৰ দিলোঁ, 'আমি এইমাত্ৰ পাইছোঁহি। কিন্তু তেওঁ মোক পাকঘৰৰ দুৱাৰ মুখতে এৰি কেনিবাদি গ'ল। মই ভিতৰলৈ সোমাই যাব খুজিছিলোঁ, পিচে আপোনাৰ সৰু ল'ৰাটিয়ে বাধা দিলে, আৰু চিকাৰী কুকুৰ এটা লগাই দিব খুজি মোক থাককৈয়ে ভয় খুৱালে।' 'সি নাৰকীয়ে তাৰ মুখৰ জবাব ৰাখিছে যদি ভালেই হৈছে' মোৰ ভৱিষ্যতৰ আশ্ৰয়দাতাই মুখৰ ভিতৰতে ভোৰভোৰাই ক'লে। তাকে কৈ থাকোঁতে তেওঁ দূৰলৈ, আন্ধাৰৰ আৱৰণ ভেদ কৰি একাগ্ৰ সন্ধানী দৃষ্টিৰে চালে— হিথক্লিফক কৰবাত দেখা পায়েই বা! লগে লগে আৰম্ভ হ'ল শাও শপনিৰ এক অবিৰাম স্বগতোক্তি! হিথক্লিফ 'পাষণ্ডই' তেওঁক ঠগবাজি কৰাহৈতেন তেওঁ কি প্ৰতিশোধ ললেহেঁতেন সেই কথাও তেওঁ যোগ দিবলৈ নাপাহৰিলে।

এই দ্বিতীয়টো কোঠালৈ সোমাই অহাৰ বাবে মোৰ এতিয়া অনুশোচনা হ'ল। তেওঁ গালি গল্পনা সোপা উজাৰি দি থকাৰ সময়তে মই ভাবিলোঁ যে আঁতৰি গুচি যাওঁ, কিন্তু মনৰ ইচ্ছা কাৰ্য্যকৰী কৰিবলৈ নৌ পাওঁতেই তেওঁ মোক ভিতৰলৈ যাবলৈ হুকুম কৰিলে, আৰু মই সোমাই যোৱাৰ লগে লগে দুৱাৰখন জপাই দাং মাৰি থলে।

ভিতৰত একুৰা জুই দপদপাই জ্বলি আছিল। সভাঘৰ যেন বিৰাট ঘৰটোত পোহৰ বুলিবলৈ সেই এটাই— জুইকুৰাই। কোঠাটোৰ মজিয়াখনৰ ৰং বিবৰ্ণ হৈ যোৱা। সৰু কালতে মই ৰ লাগি চাই থকা দস্তাৰ থালবিলাক ধূলি-মাকতি লাগি একেবাৰে বিবৰ্ণ হৈ পৰিছে; কত দিন যে সেইবোৰ ধোৱা-মোহৰা কৰা নাই।

মই বোলো কাম কৰা মানুহ এজনী মাতোঁ, শোৱা কোঠা এটা মোক দেখুৱাই দিয়ক— মাতোনে বুলি মই সুধিলো হয়, কিন্তু মিঃ আৰ্ণশ্বিই ও আঁ একোকে নকৰিলে। জেপত হাত দুখন সুমাই তেওঁ কোঠাটোৰ ইমূৰ সিমূৰ কৰি থাকিল। মই যে তাত আছোঁ, সেই কথা যেন তেওঁ পাহৰিলেই। তেওঁ ইমান গভীৰ চিন্তাত নিমগ্ন হৈ আছিল, আৰু তেওঁৰ মুখৰ চেহেৰা ইমান মানবদ্বেষী যেন লাগিল যে কথাষাৰ দুনাই সুধিবলৈ মোৰ সাহ নহ'ল।

মোৰ মনালৈ সেই সময়ত কিবোৰ ভাব আহিছিল তাই শুনিলে আচৰিত নহবি, এলেন। সেই আতিথেয়তাশূন্য নিৰ্জ্জন পৰিৱেশত— নিৰ্জ্জন বুলি ক'লে ঠিক কোৱা নহ'ব, নিৰ্জ্জনতাতকৈ অধিক— মই অকলে অকলে বহি আছোঁ। মোৰ মনত পৰিছিল যে চাৰিমাইল দূৰতে মোৰ আপোন ঘৰখন আছে, আৰু তাত আছে এই সংসাৰত মই ভালপোৱা একমাত্ৰ মানুহ কেইগৰাকী। হয়তো আটলাণ্টিক মহাসাগৰো মই অতিক্ৰম কৰি যাব পাৰিম, কিন্তু সেই চাৰিটা মাইল ডেই পাৰ হৈ যোৱাৰ কথা মোৰ বাবে অসম্ভৱ।

মই নিজকে প্ৰশ্ন কৰিলোঁ— মই এতিয়া কলৈ যাওঁ? কি কৰোঁ? সামান্য আৰাম

ক'ত পাম? এড্‌গাৰ আৰু কেথেৰিন কাকো তই নকবি, মই সাৱধান কৰি দিছোঁ, হিথ্‌ক্লিফৰ বিপক্ষে আৰু মোৰ সপক্ষে মোৰ ওচৰত থিয় হৈ মাত মাতোতা প্ৰাণী কোন ওলাব, এইটো চিন্তাই সৰ্বোপৰি তেতিয়া মোক বিতত কৰিছিল।

'ৱাদাৰিং হাইট্‌চ'ত মই আপোন ইচ্ছাৰেই, আনন্দেৰেই, থাকিবলৈ গৈছিলোঁ, কাৰণ মই জানিছিলোঁ যে তাত থাকিলে হিথ্‌ক্লিফৰ লগত অকলে থকাৰ পৰা মই বাচিম। কিন্তু কেনেবোৰ মানুহৰ মাজত আমি সোমাবলৈ ওলাইছিলোঁ সেই কথা তেওঁতো জানিছিল— সেইবোৰ মানুহে যে আমাৰ কথাত অনাহক হস্তক্ষেপ কৰিব, সেই কথা তেওঁ চিন্তাই কৰা নাছিল।

বহুতপৰ মই অকলে অকলে বেজাৰ মনেৰে গুণাগথা কৰি বহি থাকিলোঁ। ঘড়ীত আঠ বজাৰ কোব পৰিল— আঠৰ পিচত ন, তথাপিতো মিঃ আৰ্ণশ্বই একেদৰেই বুকুলৈ তল মূৰে, হাত দুখন জেপত ভৰাই, নীৰৱে ইমুৰ সিমুৰ কৰিয়েই থাকিলে। মাত্ৰ মাজে মাজে কেতিয়াবা একোটা কেকনি বা তিক্ততাসূচক শব্দ তেওঁৰ মুখৰ পৰা বাহিৰ হৈছিল।

ঘৰখনত ক'ৰবাত তিৰোতা মানুহৰ মাত কাণত পৰেনে কি শুনিবলৈ মই কাণ উনাই ৰ'লোঁ। অনুশোচনাৰে মোৰ মন ভৰি পৰিছিল। অশুভ কিবা এটা ঘটাৰ আশংকাত মোৰ মন ভয়ত কঁপি উঠিছিল। শেহান্তৰত মোৰ আত্মসংবৰণৰ সীমা পাৰ হ'ল, মই দীঘল দীঘলকৈ হুমুনিয়া চাৰিবলৈ ধৰিলোঁ, আৰু ফেকুঁৰি ফেকুঁৰি কান্দিবলৈ ল'লোঁ।

কিমান ব্যাকুল ভাবে মই কান্দিছিলোঁ সেই কথা যেন মই নিজেই গম পোৱা নাছিলোঁ। মোৰ কান্দোন শুনি মিঃ আৰ্ণশ্ব, ঘুখি মাখি ইমুৰ সিমুৰ কৰি থাকোঁতেই, মোৰ সন্মুখত থিয় দি ৰ'লহি, আৰু মোলৈ অতি আচৰিত ভাবে চালে। তেওঁ মোলৈ তেনেদৰে চোৱাৰ সুযোগ লৈ মই ক'লোঁ, 'ইমান দূৰ আহি মোৰ ভাগৰ লাগিছে। মই শুব খুজিছোঁ। বাইজনী ক'ত আছে? তাই উপমাচি নাহে যেতিয়া, আপুনিয়েই কওঁকচোন তাইক, মোৰ ওচৰলৈ আহিবলৈ।'

'ইয়াত কোনো চাকৰণী নাই। তুমি নিজে সব চাইচিতি যা-যোগাৰ কৰি ল'ব লাগিব।'

'মই তেন্তে ক'ত শুব লাগিব?' মই উচুপি উচুপি সুধিলোঁ, ভাগৰ আৰু দুৰৱস্থাত জৰ্জৰিত হৈ মই আত্মসম্মানবোধ হেকৰাই পেলাইছিলোঁ।

'জোজেফে তোমাক হিথ্‌ক্লিফৰ কোঠাটো দেখুৱাই দিব। সৌ দুৱাৰখন খোলা, সি তাতেই আছে।'

মই তেওঁ কোৱামতেই কৰিবলৈ উদ্যত হৈছোঁ, কিন্তু তেওঁ মোক হঠাতে বাধা দি, একেবাৰে এক আচৰিত সুৰত ক'লে, 'ৰ'বা, ভিতৰফালৰ পৰা তুমি দুৱাৰখনৰ তলা বন্ধ কৰি দিবা আৰু খিলিটোও লগাই দিবা।' 'কিন্তু মিঃ আৰ্ণশ্ব, কিয় তেনেকুৱা কৰিব লাগে?' মই ইচ্ছাকৃতভাবে হিথ্‌ক্লিফৰ সৈতে আবদ্ধ হৈ থাকিব লগা হোৱা কথাটো



ভাল পোৱা নাছিলোঁ।

তেওঁ উত্তৰ দিলে, 'এয়া চোৱা', এই বুলি কৈ নিজৰ জেপৰ পৰা এটা আচৰিত ধৰণে সজা পিষ্টল বাহিৰ কৰিলে। পিষ্টলৰ নলটোৰ লগত দুয়ো দাঁতিয়ে ধাৰ থকা এখন স্প্ৰিং লগোৱা ছুৰী গজালি থোৱা আছে। 'হতাশগ্ৰস্ত মানুহ এটাৰ বাবে ই এক ডাঙৰ প্ৰলোভন। হয়নে নহয়? প্ৰত্যেক নিশা মই এইটো হাতত লৈ তাৰ দুৱাৰখন খোলা আছে নে কি চাওঁ। এই প্ৰলোভন মই বাধা দি ৰাখিব নোৱাৰোঁ। মই যদি এবাৰলৈয়ো দুৱাৰখন খোলা পাওঁ, তাৰ পিনে হ'ল আৰু। কোনো ব্যতিক্ৰম নোহোৱাকৈ, প্ৰতি নিশা মই এই চেষ্টা চলাওঁ। হয়তো আগ মুহূৰ্ত্ত, এনে কাৰ্য্য কৰাৰ বিপৰীতে এশ এটা যুক্তি মোৰ মনলৈ আহিছে; তথাপি, মোৰ গাত কিবা পিশাচ এটা বোধহয় আছে, মোক বলাই ঘটাই লৈ ফুৰিছে, সিয়েই মোক এই মানুহটোক মাৰিবলৈ অহৰহ মোৰ কাণত ফুচফুচাই আছে। —তাক মৰাৰ ফলত মোৰ উদ্দেশ্যবোৰ যদি বিফলো হয় হওক, তথাপি মই তাক মাৰিব লাগিব। তুমিতো হিথ্‌ক্লিফক ভাল পোৱা। সেই ভালপোৱাৰ স্বাৰ্থতে সেই পিশাচটোক যতদিন পাৰা প্ৰতিৰোধ কৰি ৰাখিবা। সময় আহিলে, সৰগৰ সমস্ত দেৱতাকুলেও তাক ৰক্ষা কৰিব নোৱাৰিব।'

মই পৰম উৎসুকতাৰে অস্ত্ৰপাটিলৈ চকু দিলোঁ। এক বীভৎস চিন্তা মোৰ মূৰত সোমাল। এনে এটা বস্তু মোৰ থাকিলে কিমান যে ক্ষমতা হাতলৈ নাহিব। মই তেওঁৰ হাতৰ পৰা বস্তুটো মোৰ হাতত লৈ লিৰিকি বিদাৰি চালোঁ। ধাৰৰ ফালটোত আঙুলি বুলায়ো চালোঁ। এক নহমাৰ বাবে মোৰ মুখত প্ৰতিফলিত হৈ যোৱা ভাব এটা লক্ষ্য কৰি তেওঁ অতি আচৰিত হ'ল। সেই ভাব বিভীষিকাৰ নাছিল, আছিল এক আক্ৰোহী লোভী আকাঙ্ক্ষা। তেওঁ তৎক্ষণাত মোৰ হাতৰ পৰা পিষ্টলটো থপিয়াই নিলে, আৰু খাপৰিত ভৰাই থলে।

তেওঁ ক'লে, 'হিথ্‌ক্লিফক এই কথা তুমি কলেও ক'ব পাৰা। তাক সাৱধান কৰি দিবা। তাৰ ওপৰত নজৰো ৰাখিবা। আমাৰ মাজৰ সম্বন্ধ কি প্ৰকাৰৰ, তুমি বোধহয় এতিয়া বুজিছাই। তাৰ বিপদৰ কথা ভাবি তুমি বিচলিত হোৱা নাই দেখোন। আচৰিত কথা।'

'হিথ্‌ক্লিফে আপোনাৰ কি অপকাৰ কৰিছে?' মই সুধিলোঁ। 'তেওঁৰ কি দোষৰ বাবে আপুনি তেওঁক ইমান ভয়ানক ভাবে হিংসা কৰে? তাৰ সলনি তেওঁকচোন আপুনি ঘৰ এৰি যাবলৈকে ক'ব পাৰে।'

'সেইটো নহ'ব,' একেবাৰে গৰ্জি উঠি আৰ্ণশ্বই ক'লে, 'সি ইয়াৰ পৰা যাব খুজিলে মই তাক জীয়াই নাৰাখিম। তাক যদি তুমি এই ঠাই এৰিবলৈ কোৱা, জানি থবা, তুমিয়েই তাৰ হত্যাকাৰিনী বুলি পৰিগণিত হবা। মই কি সব হেৰুৱাব লাগিব? একো ঘূৰাই নাপাম? হেয়াৰটন মগনীয়া হ'ব লাগিব নেকি? ঈশ্বৰৰ দোহাই, মই সব ঘূৰাই পাবই লাগিব, পামেই। সেয়ে নহয়, মই তাৰ সোণবোৰ গালো হস্তগত কৰিহে এৰিম। তাৰ পিচত মোক লাগিব তাৰ তেজ। তাৰ আত্মা মোক নালাগে— সেইটি বস্তু নৰকৰ ভাগৰ। তাৰ আত্মা নৰকত সোমালে নৰক দহগুণ বেচি কলাকাৰ হ'ব, বেচি

অন্ধকাৰ হ'ব।'

'এলেন, তই মোক তোৰ পূৰ্বৰ গৃহস্বামীৰ অভ্যাসৰ কথা কৈছিলি। মানুহজন প্ৰায় পাগল বুলিয়েই ক'ব লাগিব। অন্ততঃ যোৱা নিশা তেওঁৰ অৱস্থা তেনেকুৱাই আছিল। তেওঁৰ ওচৰত থাকিবলৈ মোৰ বুকু কঁপি উঠিছিল। তেওঁৰ ব্যৱহাৰৰ তুলনাত জোজেফ বোলা চাকৰটোৰ অভদ্ৰ আচৰণো বহুত ওপৰৰ যেন লাগিছিল।

মানুহজনে আকৌ আগৰ দৰে চিন্তাত নিমগ্ন হৈ, জেপত হাত ভৰাই, নখে মাটি লেখি, আগপিচ কৰিবলৈ ধৰিলে। সেই সুযোগতে মই খিলিদাল খুলি পাক ঘৰলৈ দৌৰ দিলোঁ।

জোজেফ জুহালৰ ওচৰতে বহি আছিল। জুইত এটা ডাঙৰ গামলাত কিবা বহাই থোৱা আছিল। ওচৰতে বেঞ্চ এখনত, কাঠৰ বাকচ এটাত এবাটি ওট্‌মিল। গামলাটো উতলিবলৈ ধৰিছিল; সি তাত হাত দি চাই নমাই আনিবলৈ ধৰিছিলেই। মই ভাবিছিলোঁ যে সি আমাৰ বাবে কিবা ৰন্ধা-বঢ়া কৰিছে। মোৰ ইমান যে ভোক লাগিছিল! সেইবাবে মই ভাবিলোঁ যে যিহকে নাৰাঙ্কক লাগে, অন্ততঃ খাব পৰা হ'ব লাগে। সেইবাবে জোজেফক উদ্দেশ্য কৰি মই কলোঁ যে লুথুৰি পিঠা ('পৰিজ')খিনি মযে সিজাম। এইবুলি কৈয়ে মই গামলাটো সি হাতে পোৱাৰ পৰা আঁতৰাই নি ৰাখিলোঁ, আৰু মোৰ হেট আৰু ঘোঁৰাত উঠি আহোঁতে পিন্ধা পোচাক সলাবলৈ ওলালোঁ। মই সি ওনাকৈ কলোঁ, 'মিঃ আৰ্ণশ্বই মোক নিজেই নিজৰ খদ্য খোৱাৰ দিহা কৰি লবলৈ কৈছে। মযো তাকেই কৰিম। মই তোমালোকৰ মাজত ভদ্ৰ মহিলা সাজি নাথাকিম দেই। তেনে কৰিবলৈ হ'লে লঘোণত মৰিব লাগিব।'

মোৰ কথা শুনি বহুতে থাকি সি ভোৰভোৰালে, 'হায় বিধাতা, এয়া আৰু' নতুন আদেশ। ইতিমধ্যে মোৰ দুজনা গৃহস্বামী আছেই, এতিয়া এগৰাকী গৃহকৰ্ত্ৰীও মোৰ মূৰৰ ওপৰত জাপ খালে দেখিছোঁ।' কথাষাৰ কওঁতে সি তাৰ শিৰদিৰা মোজাযোৰ আঁঠুৰ পৰা সৰু খাটিলৈকে মোহাৰি আছিল। 'মোৰ দেখিছোঁ ইয়াৰ পৰা ওলোৱাৰ সময় আহিল। এই পুৰণি ঠাইকণ এদিন এৰি যাব লগা হ'ব বুলি মই ভৰা নাছিলোঁ। পিছে এতিয়া দেখিছোঁ সময় পালেহিয়েই।'

তাৰ এই খুনখুননিলৈ মই কাণ নিদিলোঁ। মই হাতেকামে লাগি গলোঁ। কি ৰং-ৰহইচৰ সময় হ'ব লাগিছিল এই কেইটা দিন, অথচ হ'ল কি! ইয়াকে ভাবি ভাবি মোৰ অমুনিয়াহ ওলাইছিল। পিছে মই সেইবোৰ চিন্তা মনৰ পৰা লগে লগে দূৰ কৰিলোঁ। বিগত দিনবোৰৰ সুখৰ স্মৃতিয়ে মোক বৰ পীড়া দিছিল। অতীতৰ সুখস্মৃতিয়ে যিমানেই মোৰ মনত উক দিবলৈ ধৰিলে, সিমানেই তাক নিবাৰিত কৰিবলৈ বেচি খৰধৰকৈ মই কামত লাগিলোঁ, খৰধৰকৈ মই হেতাৰে লুথুৰি লৰাবলৈ লাগি গলোঁ।

মোৰ কাম কাজৰ গত দেখি জোজেফৰ খং উঠিলে। 'হ'ল আৰু আজি', সি বিনতিৰে ক'লে, 'হেয়াৰটন, তোৰ আজি খোৱাটো হ'ল আৰু। এইসোপা লুথুৰি হ'ল, নে পকা দলি? কোনে খাব? মই হোৱাহেঁতেন বাটিয়ে কঁহীয়ে আটাইবোৰ থেকেচি ভাঙিলোঁহেতেন। ৰক্ষা তেওঁ, সিহঁত দুটাৰ কাণত এতিয়াও এই হেঁতা কেৰাহীৰ টুঁ ঠাং



শব্দ কাণত পৰা নাই।'

সঁচা কথা, মই ৰন্ধা বঢ়াত লাগি গোটেইবোৰ কিবা ওলট পালট কৰি পেলালোঁ। ডাঙৰ ডাঙৰ চাৰিটা বাটিত লুথুৰিবোৰ বাকি দিছিলোঁ। এটেকেলি খাটি গাখীৰো গুৱালৰ ঘৰৰ পৰা আনাই থোৱা আছিল। টেকেলিটো দেখা মাত্ৰকে থাপমাৰি ধৰি, মুখে ওঁঠে লগাই, হেয়াৰটনে ঢোক ঢোককৈ গাখীৰ পিবলৈ ধৰিলে।

মই প্ৰতিবাদ কৰি কলোঁ যে সি সৰু এটা পিয়লাত বাকি লৈহে গাখীৰখিনি খাব লাগে। সি জুঠা কৰাৰ পিচত সেইখিনি গাখীৰ মই খাব নোৱাৰোঁ। পিচে এইষাৰ কথাতে জোজেফৰ লাগিল লৌকোহ; সি জাঙুল খাই উঠিলে। সি ক'লে বোলে গাখীৰ টেকেলি একো চুৱা হোৱা নাই, আৰু মোৰ ইমান চিকচাকো ভাল নহয়। ইত্যাদি প্ৰকাৰে সি বহুত ভোৰভোৰালে।

ইয়াৰ মাজতে সেই পোৱালী পিশাচটোৱে গাখীৰ টেকেলিত মুখ দি পিয়েই থাকিল। মাজে মাজে মূৰ তুলি সি মোলৈ বেপৰোৱা ভাৱে চায়, আকৌ গাখীৰৰ টেকেলিত মুখ লগায়।

মই কলোঁ, 'মই মোৰ আহাৰ অন্য এটা কোঠাত খাম। ইয়াত নহ'ব। চ'ৰাঘৰ বুলিবলৈ বেলেগ ঠাই এচমকা নাইনে ইয়াত?'

'কি কৈছা? চ'ৰাঘৰ? চ'ৰা ঘৰাহে হয়। ক'ত চ'ৰা ঘৰটো আছে? ইয়াত চ'ৰাঘৰ ত'ৰাঘৰ নাই। আমাৰ লগ যদি তুমি ভাল পোৱা নাই, তেন্তে সৌৱা গৃহস্বামী আছে, তেওঁৰ লগ লোৱা গৈ। আৰু যদি গৃহস্বামীক ভাল নালাগে, তেন্তে আমাৰ লগ লোৱা।'

'তেন্তে মই ওপৰ মহলালৈ যাওঁ। মোক কোঠা এটা দেখুৱাই দিয়া।'

মোৰ বাটিটো থাল এখনৰ ওপৰত থৈ, আৰু অলপ গাখীৰ মোৰ নিজৰ বাবে আনিবলৈ বুলি মই বাহিৰ ওলাই গলোঁ।

মুখেৰে ভোৰভোৰাই জোজেফ উঠো নুঠোকৈ বহাৰপৰা থিয় হ'ল আৰু মোৰ আগে আগে ওপৰ মহলালৈ যোৱা খটখটিত উঠিল। আমি ওপৰ মহলাৰ অহিবা বন্ধ দমাই থোৱা কোঠাটোৰ দাঁতি পালোঁগৈ। যাওঁতে বাটত পোৱা ইটো সিটো কোঠাৰ দুৱাৰবোৰ মেলি সি ভিতৰলৈ ভুমুকি মাৰি চায়, আকৌ দুৱাৰখন বন্ধ কৰি থয়, আকৌ আগবাঢ়ে।

শেহত গৈ গৈ আমি এটা কোঠা পালোঁগৈ। কোঠাটোৰ উৰঁলি যাব ধৰা দুৱাৰখন ঠেলামাৰি সি ভিতৰলৈ সোমাই গ'ল আৰু ক'লে, 'ইয়াত এইটো কোঠা আছে। দুই এবাটি লুথুৰী জলপান ইয়াতে বহি খাব পাৰি। ঘেহুৰ মুঠা কেইটামান চুকটো পেলাই থোৱা আছে। ধূলিবালি লাগি থকা নহয়। একেবাৰে চফা। তোমাৰ দামী চিকন কাপোৰত ধূলি লাগিব বুলি ভয় কৰিছা যদি তোমাৰ বহল কমালখনকে ওপৰত পাৰি লোৱা।'

তথাকথিত 'কোঠাটো' আছিল এটা পাৰঘাঁহৰ দৰে— নাংখা নিংখি বস্তুৰে ভৰাই থোৱা। ভিজা ঘেহুঁৰপৰা ওলোৱা ভেকুৰা ভেকুৰি গোন্ধ। কেউ দাঁতিয়ে নানা তৰহৰ

বস্তু সদায় খোৱা। মাজখিনিতে খালি।

জোজেফক মই খঙেৰে সুধিলোঁ, 'তুমি মোক কি বুলি ভাবিছা? এই ঠাইত মানুহ শুব পাৰে নেকি? মই মোৰ শোৱা কোঠাটো বিচাৰিছোঁ।'

তাচ্ছিল্যৰ সুৰত সি মোৰ কথাৰ হিরুক্তি কৰি ক'লে, 'শোৱা কোঠা? যি কেইটা শোৱা কোঠা আছে, আটাইকেইটা তুমি দেখিছাই। সেইটো মোৰ।'

সি অন্য এটা কোঠালৈ আঙুলিয়াই দেখুৱালে। এইটো কোঠাও প্ৰথমতে দেখুওৱাটোৰ দৰেই, মাত্ৰ ইয়াত বেৰৰ দাঁতিয়ে দাঁতিয়ে বস্তুবোৰ নাই, খালি। ইয়াতে এখন চাপৰ, বহল, আঠুৱা নথকা খাট আৰু নীলৰঙী এখন তুলি। তুলিখন এমূৰলৈ মেৰাই থোৱা আছিল।

'তোৰ শোৱা কোঠাৰ মোৰ কি দৰ্কাৰ?' তাৰ কথা শুনি মই জ্বাতুল খাই উঠিলোঁ। 'মিঃ হিথক্লিফ বোধহয় ঘৰৰ মূধচত উঠি নোশোৱে। নে শোৱে?'

কথাটো যেন নতুনকৈ হে বুজিলে তেনে ভাব দেখুৱাই জোজেফে ক'লে, 'অ', মিঃ হিথ্‌ক্লিফৰ শোৱা কোঠাৰ কথা কৈছা? কথাটো একেবাৰতে ক'ব নোৱাৰিলা নে কি? তেতিয়াতো মই তোমাক এই বিষয়ে সবিশেষ জনালোহেঁতেন। তেওঁৰ কোঠাটো তুমি চাব নোৱাৰিবা। কোঠাটো তেওঁ সদায়ে তলা মাৰি থয়। তেওঁৰ বাদে আন কোনো তাত সোমোৱা নিষেধ।'

মই নকৈ নোৱাৰিলোঁ, 'তোমাৰ এইখন বঢ়িয়া ঘৰ। আৰু যেনে ঘৰ তেনে বাসিন্দা। এই সোপাৰ বলিয়ালিৰ লগত মোৰ ভাগ্য জড়িত কৰিবৰ দিনা, সংসাৰৰ যতমানে বলিয়ালি বোধহয় মোৰ মূৰতে খুপ খাইছিল— নহলে মোক কিহে পাইছিল এনে এটা পথ ল'বলৈ? যেই কি নহওক, সেইটো কথা বৰ্তমানে থাকক। ঘৰটোত আৰু কোঠা আছে। ভগৱানৰ দোহাই, খৰ কৰ, মোক এটুকুৰা জেগা দেখুৱাই দে, মই কাটি হওঁ ক'ৰবাত।'

মোৰ কথাৰ সি কোনো উত্তৰ নিদিলে, মাত্ৰ কাঠৰ খট্‌খটিয়েদি তললৈ গপগপ কৰে নামি গ'ল, আৰু এটা কোঠাৰ মুখত ৰ'লগৈ। তাত থকা কাঠৰ উচ্চ মানৰ আচবাব পত্ৰবোৰ দেখি মই বুজিলোঁ যে তাত সেইটোৱেই আটাইতকৈ ভাল কোঠা হ'ব।

কোঠাটোত এখন কাৰ্পেট পৰা আছিল। দামী কাৰ্পেট। কিন্তু ওপৰৰ চানেকিবোৰ ধূলি মাকটিৰে পোতখাই অস্পষ্ট হৈ গৈছে। কোঠাটোত এখন জুহালো আছিল। ওচৰ পাঁজৰে টুকুৰা টুকুৰি কাগজ সিটিৰতি হৈ আছিল। এখন বনচোম কাঠৰ পালেং, তাৰ ওপৰত দামী দামী আৰু আধুনিক ফেচনৰ বিচনাৰ আৰু পৰ্দাৰ কাপোৰ। কিন্তু সেইবোৰ ভষে মধে ব্যৱহাৰ কৰা হৈছে বুলি দেখিলেই ধৰিব পাৰি। পৰ্দাৰ বচিবোৰ অ'ত ত'ত ওলমি থকা; আঙঠিবোৰো পুৰাকৈ নাই। অ'ত ত'ত ছিগি আছে। এফালেদি এখন পৰ্দাৰ এটা মূৰ মাটিলৈকে ওলমি আছে। কোঠাটোৰ চকীবোৰো ভগাছিগা, কিছুমান বেচিকৈয়ে ভগাছিগা। বেৰৰ কাঠবোৰতো ঘুণে ধৰি ফুটা কৰা—



ঠায়ে ঠায়ে ফুটাবোৰ ডাঙৰেই।

সেইটো কোঠাতে সোমাই বাতিটোলৈ বাগৰ এটা মাৰো বুলি মন বান্ধিছোঁ মাথোন, তেনেতে সেই জ্ঞানমূৰ্খটোৱে ঘোষণা কৰিলে বোলে কোঠাটো গৃহস্বামীৰহে।

তেতিয়ালৈ খোৱা বস্তুবোৰ চেঁচা হৈছিল; মোৰ ভোকো হৰিছিল, ধৈৰ্য্যৰো সীমা চেৰাইছিল। মই তাক কলোঁ যে লৰালৰিকৈ ঠাই এটুকুৰা মোক সি জোগাৰ কৰি দিব লাগে, মই তাতে অলপ জিৰণি লম।

মুখেৰে অশালীন কথা কিছুমান মাতি মাতি সি ক'লে, 'কোন জাহান্নামলৈ তুমি যাবা? তুমি বিবাহিতা; আৰু এতিয়া ক্লান্ত। তুমি হেয়াৰটনৰ সৰু কোঠাটোৰ বাহিৰে আন আটাইবোৰ কোঠা দেখিলা। ঘৰটোত তুমি দীঘল দিবলৈ আৰু এটা কোঠা নাই।'

মোৰ ইমান খং উঠিলে যে মোৰ হাতত থকা থালবাটি থেকেচ কৰে মাটিলৈ পেলাই দিলোঁ। লুথুৰী পিঠা ছিটিকি পৰিল; কাঁহীবাটি ভাগি টুকুৰা টুকুৰ হ'ল। খটখটিৰ মূৰতে মই বহি দিলোঁ আৰু দুহাতৰ তলুৱাৰ ফাঁকত মুখখন গুজি লৈ উচুপিবলৈ ধৰিলোঁ।

''এহ হে, ভাল কৰিলা, কেথি আইটি, ভাল কৰিলা। গৃহস্বামী এতিয়া এই পিনেই আহিব, আৰু ভগা টুকুৰাবোৰৰ ওপৰত ভৰি দিব, আৰু লগে লগে তেওঁ কি সুধিব, কি হ'ব, ভগৱানেহে জানে। অপদাৰ্থ ক'ৰবাৰ। এই কাৰ্য্যৰ বাবে তুমি এতিয়াৰ পৰা বৰদিনৰ সময়লৈকে উপবাস খাটি প্ৰায়শ্চিত্ত কৰিবলগীয়া। তুমি বৰ বাগ দেখুৱাইছা। সেই ধুনীয়া ধুনীয়া বস্তু কেইটা ভাঙি চূৰ্ণ বিচূৰ্ণ কৰিলা। পিচে তোমাৰ এই দেমাকি কিমান দিন দেখুৱাবা, চাম। হিথ্‌ক্লিফে এনে ব্যৱহাৰ সহ্য কৰি থাকিব বুলি ভাবিছা নেকি? এই দুষ্টালি কৰি তুমি ধৰা নপৰাকৈ ৰলেই হয়। ধৰা পৰিলে তোমাৰ কি গতি হ'ব কোনে জানে!'

মোক বকি বকি সি তলৰ মহলাত থকা তাৰ নিজৰ গুহা যেন কোঠাটোত সোমাবলৈ গ'ল। লগতে মমবাতিডালো লৈ গ'ল। মই এন্ধাৰতে বহি থাকিলোঁ।

মই ভাবিচিন্তি চাই দেখিলোঁ যে কামটো ভাল নহ'ল। গতিকে মোৰ খং, অহংকাৰ দমাই থৈ যি হৈ গ'ল তাৰ চিন মোকাম যিমান পাৰি নাইকিয়া কৰিবলৈ মই যত্নপৰ হলোঁ।

একেবাৰে অপ্ৰত্যাশিতভাবে সহায় কৰোঁতা এটিও আহি ওলাল— সেইটি হ'ল চিকাৰী কুকুৰটি, থ্ৰটলাৰ। আমাৰ পুৰণা কুকুৰ স্কাল্‌কাৰৰ পোৱালী বুলি মই তাক চিনি পালোঁ। পোৱালিতে ই 'থ্ৰাচক্ৰচ গ্ৰেঞ্জত' আছিল। পিতাই হিণ্ডলেক এই পোৱালিটো দিছিলে। কুকুৰটোৱে মোক চিনি পালে যেন মোৰ অনুমান হ'ল, কাৰণ চিনাকি ভাবত ই নাকটো মোৰ নাকত লগাই দিলে, আৰু পিচ মুহূৰ্ত্ততে মাটিত পৰি থকা লুথুৰিবোৰ চেলেকিবলৈ ধৰিলে। মই আন্ধাৰতে খেপিয়াই খেপিয়াই ভগা চীনা মাটিৰ টুকুৰাবোৰ গোটাই পেলালোঁ, কাঠত লাগি থকা গাখীৰবোৰ হাতৰ ৰুমালেৰে মচি পেলালোঁ।

আমাৰ কাম সমাপ্ত হৈছে নহৈছে, তেনেতে মই আৰ্ণশ্ব আমাৰ পিনে অহাৰ খোজ শুনিবলৈ পালোঁ। থট্‌লাৰে পিচ ঠেঙৰ মাজত নেগুৰ গুজি বেৰৰ দাতিত থিয় দিলে; মই ওচৰৰ দুৱাৰখনৰ মুখলৈ আঁতৰি গলোঁ। কুকুৰটো পিছে ধৰা নপৰাকৈ নাথাকিল বুলি মই বুজি পালোঁ। কাৰণ তলৰ মহলত লৰা ঢপৰা কৰা আৰু তাৰ লগে লগে কুকুৰৰ কেংকেঙনি আহি মোৰ কাণত পৰিছিল। বহুত পৰ ধৰি সেই কেংকেঙনি চলি আছিল, কাণত পৰিলেই ভুক্তভোগী জীৱৰ প্ৰতি কাৰো পুতৌ নোহোৱাকৈ নাথাকিলাহেঁতেন। কুকুৰটোৰ দশাতকৈ মোৰ দশা ভাল আছিল। আৰ্ণশ্বই মোক লক্ষ্য নকৰাকৈয়ে মোৰ দাঁতিয়েদি পাৰ হৈ গ'ল আৰু কোঠাত সোমাই দুৱাৰ জপাই দিলে।

ঠিক তাৰ পিচতেই জোজেফে হেয়াৰটনক শুৱাবলৈ লৈ আহিলে। মই সোমোৱা কোঠাটো আছিল হেয়াৰটনৰ, আৰু মোক তাত দেখি বুঢ়াটোৱে (জোজেফে) ক'লে, 'হুহলৰ ওচৰলৈ গ'লে তোমাৰ ঠাই হ'ব, তোমাৰ অহংকাৰো বজাই ৰাখিব পাৰিবা। সেইটো কোঠা এতিয়া খালি হৈ আছে। গোটেইটো তুমি দখল কৰি লব পাৰা...।'

তাৰ কথা শুনি মই পাৰ পেৰাদি পালোঁ। হুহলৰ ওচৰৰে চকী এখনত আৰামকৈ সোমাই লোৱাৰ লগে লগে মোৰ চকু দুটা জাপ খাই আহিলে। মই টোপনি গলোঁ।

মোৰ ভাল টোপনিয়েই হৈছিল— বেচ গধুৰ টোপনি। মিঃ হিথক্লিফ আহি মোক জগাই দিলে। সি তেতিয়াহে ঘৰ সোমাইছিলহি। সোমায়েই মই তাত কি কৰি আছোঁ সি মোক সুধিলে।

তেতিয়ালৈকে উজাগৰে থকাৰ কাৰণটো মই তাক কলোঁ— কলোঁ যে আমাৰ কোঠাৰ চাবিটো তাৰ জেপত আছিল। 'আমাৰ' বুলি নকলোঁ যেনিবা কোদোৰ বাইঁতহে হাত দিলোঁ। সি ডাঠি কলে যে কোঠাটো মোৰ কস্মিন কালেও নাছিল, আৰু কস্মিন কালেও নহ'বও। সি আৰু ক'লে যে— বাদ দে, তাৰ ভাষাৰ মই পুনৰাবৃত্তি কৰিব নোৱাৰোঁ। তাৰ স্বাভাৱিক আচৰণৰ কথাও মই তোক নকওঁ। সি বৰ ধূৰ্ত। মোৰ তালৈ ঘৃণা লাগি গৈছে। তাৰ কথা আৰু কাম দেখি তাৰ প্ৰতি মোৰ বিৰাগ জন্মিছে। তাৰ গতিমতি দেখি মোৰ কেতিয়াবা কেতিয়াবা ইমান আচৰিত লাগে যে সি যে এটা ভয়ানক প্ৰাণী সেই কথা মই পাহৰিয়েই যাওঁ। তৎসত্বেও, মই সঁচাকৈ কৈছো নেলী, হিথক্লিফলৈ মোৰ যিমান ভয় লাগে, বিষাক্ত সাপ এটা বা বাঘ এটালৈকো সিমান ভয় নালাগে। কেথেৰিণৰ বেমাৰৰ কথা সিয়েই মোক কৈছে আৰু ককাইদেউকেই তাৰ বাবে জগৰীয়া কৰিছে। সি মোক কৈছে যে এড্‌গাৰক এসেকা দিব নোৱৰালৈকে তাৰ হৈ ময়েই শাস্তি ভোগ কৰিব লাগিব।

মই হিথক্লিফক ঘৃণা কৰোঁ। মই বৰ দুৰ্ভগীয়া। মই এক মহামূৰ্খ। এইবোৰ কথাৰ সামান্য আভাসো 'গ্ৰেঞ্জ'ৰ কাকো নিদিবি। তই আহিবি বুলি মই সদায় বাটলৈ চাই ৰ'ম। মোক নিৰাশ নকৰিবি।

ইয়াবেলা।

# ১৪

চিঠিখন পঢ়ি অতায়েই মই গৃহস্বামীৰ ওচৰলৈ গৈ কলোঁ যে তেওঁৰ ভনীয়েক 'ৱাদাৰিং হাইট্চ'লৈ আহিছে, আৰু আইদেউৰ অসুখ বুলি শুনি দুখ প্ৰকাশ কৰিছে, লগতে তেওঁ ককায়েকৰ ওচৰলৈ আহিবলৈকো একান্ত ইচ্ছা কৰিছে। ককায়েকে তেওঁক ক্ষমা কৰাৰ চিন হিচাপে তেওঁলৈ কিবা এটা বস্তু যথাসম্ভৱ সোনকালে মোৰ যোগেদি পঠাই দিবলৈকো তেওঁ কৈছে। এই আটাইবোৰ কথা তেওঁ মোলৈ লিখা এখন চিঠিত ব্যক্ত কৰিছে বুলি মই ক'লোঁ।

লিণ্টন মহাশয়ে ক'লে 'ক্ষমা'? তাইক মই ক্ষমা কৰিবলগীয়া কিটো আছে? এলেন, আজি আবেলি তই 'ৱাদাৰিং হাইট্চ'লৈ মন কৰ যদি যাবি। ইজাবেলাক কবিগৈ যে মই তাইৰ ওপৰত খং কৰা নাই। তাইক হেৰুৱাইহে মই কষ্ট পাইছোঁ। কষ্টৰ বিশেষ এটা কাৰণ আছে ঃ হিথক্লিফৰ লগত তাই সুখী হ'ব বুলি মোৰ মনে ধৰা নাই। তাইক মই গৈ দেখা কৰাৰ কথাই নুঠে। কবিগৈ যে আমাৰ এই এৰাএৰি চিৰকালৰ বাবে হ'ল। তাই যদি সঁচাকৈয়ে মোৰ কথা কিবা অলপমানো ভাবে তেন্তে তাইক কবি, তাইক বিয়া কৰোৱা সেই বদমাইচটোক দেশান্তৰী হ'বলৈ মান্তি কৰাব লাগে।'

মই অনুনয়ৰ সুৰত সুধিলোঁ, 'আপুনি তেওঁলৈ সামান্য দুই এষাৰ কথাও নিলিখেনে?'

'নাই, নিলিখোঁ', তেওঁ উত্তৰ দিলে। 'দৰ্কাৰ নাই। হিথক্লিফৰ পৰিয়ালৰ লগত মোৰ যোগাযোগ যিমান সম্ভৱ কমকৈ হ'ব। মোৰ পৰিয়ালৰ লগতো সেই পৰিয়ালৰ কোনো যোগাযোগ থকাটো মই নিবিচাৰোঁ। এনে যোগাযোগ প্ৰায় নহবই।'

মিঃ এড্‌গাৰৰ উদাসীনতাই মোক অতিকৈ হতাশ কৰিলে। তেওঁৰ এই ভাব অনুভূতিবোৰনো মই কেনেকৈ সামান্য কোমলাই, মোলায়েম কৰি ভনীয়েকক কমগৈ সেই কথাকে মই 'ৱাদাৰিং হাইট্চ'লৈ যাবলৈ ওলাই চিন্তা কৰি আছিলোঁ। ইজাবেলাক সান্ত্বনা দিবলৈ বুলি দুটামান আখৰো নিলিখাৰ কাৰণটো মই তাইক কি বুলি নো কমগৈ সেইটো কথাও ভাবি মই বিমোৰত পৰিছিলোঁ।

ৰাতিপুৱাৰ পৰা ইজাবেলাই মই যাম বুলি বাট চাই আছিল। বাৰীৰ মাজৰ বাটেদি দুৱাৰমুখলৈ আগবাঢ়োঁতে তাই মোলৈ খিৰিকিৰে চাই থকা মোৰ চকুত পৰিছিল। দূৰৰ পৰাই মই তাইলৈ চাই মূৰ দুপিয়াইছিলোঁ। কিন্তু কোনোবাই জানোচা দেখে, এই আশংকাত তাই মোক নেদেখাৰ দৰে নিজকেই আঁতৰাই নিলে।

দুৱাৰত টোকৰ নমৰাকৈয়ে মই সোমাই গলোঁ। আগৰ সেই আনন্দমুখৰ, হাঁহি কিৰিলিৰে উৰি যাওঁ উৰি যাওঁ ঘৰটোৰ কি যে হতচিৰি, নিমাওমাও চেহেৰা! এই কথা মই কবই লাগিব। ইজাবেলাৰ ঠাইত যদি মই হলোঁহেতেন, মই অন্ততঃ জুহালৰ গুৰিৰ ঠাইখিনিকে সাৰিপুচি আঁতৰাই ললোঁহেঁতেন। মেজ বেঞ্চখনৰ ধূলি মাকতিবোৰ জাবি জোকাৰি নিকা কৰি থলোহেঁতেন। পিচে কি হ'ব— চাৰিওপিনৰ অযত্নৰ পৰিবেশটোত তেওঁৰ হতাশাগ্ৰস্ত মনটো যেন সহজতে অভ্যস্ত হৈ পৰিছিল। তেওঁৰ মৰমলগা মুখখন শেতা হৈ পৰিছিল, আৰু এটা উদাস উদাস ভাব তাত ফুটি উঠিছিল। তেওঁৰ চুলিবোৰ আউলি জাউলি হৈ আছিল, কিছুমান চুলি দীঘলকৈ আঠুঁলকৈ ওলমি আছিল, কিছুমান বেণী এডাল যেন কৰি মুৰত মেৰাই থোৱা আছিল। সাজপাৰৰ কথানো কি ক'ম— বোধহয় আগদিনা গধূলিৰ পৰাই পিন্ধা সাজ তেওঁ তেতিয়ালৈকে সলোৱা নাছিল।

হিণ্ডলে সেই সময়ত ঘৰত নাছিল। মিঃ হিথক্লিফ মেজ এখনৰ ওচৰত বহি পকেট বহী এখনৰ পাত লুটিয়াই আছিল। মোক দেখা পাই সি থিয় হ'ল, মোৰ ভালবেয়াৰ খবৰ ললে, আৰু বহিবলৈ চকী এখনো আগবঢ়াই দিলে।

সেইটো পৰিবেশত অকল হিথক্লিফকেই মাৰ্জিত যেন লাগিছিল। দেখাত তাক তেতিয়া যিমান ভাল লাগিছিল, আগতে কেতিয়াও তেনে লগা নাছিল। পৰিস্থিতিয়ে সিহঁতক ইমান সলনি কৰিলে যে পোন প্ৰথমবাৰ লগ পোৱা মানুহ এজনে ভাবিবলৈ বাধ্য হ'ব যে হিথক্লিফৰ দৰে জাতভদ্ৰ, শিষ্টাচাৰী ভদ্ৰলোক দ্বিতীয় এজন আৰু নাই, আৰু তেওঁৰ পত্নী ইজাবেলাৰ দৰে জাধলী তিৰোতা আৰু এজনী ভূ-ভাৰতত পাবলৈ নহ'ব।

মোক দেখি ইজাবেলা উলাহেৰে আগবাঢ়ি আহিল, আৰু ককায়েকৰ পৰা আশাকৰা চিঠিখন লবলৈ হাত মেলিলে।

মই মূৰ জোকাৰিলোঁ— কিন্তু সংকেতটো তেওঁ বুজি নাপালে। মই ওৰণাখন খুলি কোঠাটোৰ এদাঁতিত থবলৈ ওলালত তেৱোঁ পিচে পিচে গ'ল, আৰু মোক ফুচফুচাই কলে যে মই কি নিছোঁ লগে লগেই তেওঁক দিব লাগে।

হিথক্লিফে পৰিস্থিতিটো বুজি পাই ক'লে, 'নেলী, তই ইজাবেলাৰ বাবে যদি কিবা আনিছ— আনিছ ঠিকেই, ননাকৈ নো সুদা হাতে আহিছনে? ইয়াতে দি দে। লুকুৱাৰ কৰিব নালাগে। আমাৰ মাজত লুকুৱাব লগা কোনো কথা নাই।'

মই উত্তৰ দিলোঁ— 'দিবলৈ মই একো অনা নাই।' সঁচা কথাটোকে সদৰি কৰাটো ভাল হ'ব বুলি মই ভাবিলোঁ। 'আমাৰ গৃহস্বামীয়ে ভনীয়েৰক কবলৈ কৈ পঠাইছে বোলে সম্প্ৰতে তেওঁ ইয়ালৈ নাহেও, চিঠিপত্ৰও নিলিখে। আইদেউ, ককাইদেৱেৰাই তেওঁৰ মৰম স্নেহ তোমালৈ যাচিছে, আৰু তুমি যাতে সুখী হোৱা সেই শুভেচ্ছাও জনাইছে। তেওঁক যি মনোকষ্ট দিলা, তাৰ বাবে তেওঁ তোমাক ক্ষমা কৰিছে বুলিও কৈ পঠাইছে। তেওঁ আৰু কৈ পঠাইছে বোলে দুইখন ঘৰৰ মাজত আহযাহ ৰক্ষা কৰাৰ



কোনো প্ৰয়োজন নাই, কাৰণ তাৰ পৰা ভাল কিবা এটা হ'ব বুলি তেওঁ ভবা নাই।'

হিথক্লিফৰ পত্নীৰ ওঁঠ দুটা সামান্য কঁপি উঠিল। তেওঁ খিৰিকিৰ গাঁতিৰ নিজৰ বহা ঠাইলৈ ঘূৰি গ'ল। গিৰিয়েক উঠি আহি, জুহালৰ কাষত, মোৰ ওচৰতে বহি ললে, আৰু কেথেৰিণৰ বিষয়ে ইটো সিটো কথা সুধিবলৈ লাগিলে।

কেথেৰিণৰ অসুখৰ সম্পৰ্কে যিমানখিনি কোৱাটো উচিত সিমানখিনি মই তেওঁৰ আগত কলোঁ, আৰু সি পেৰি পেৰি অসুখটো আৰম্ভনো হ'ল কেনেকৈ সেই কথা মোৰ পৰা উলিয়ালে।

নিজে নিজে বেমাৰ মাতি লৈছে বুলি কৈ মই কেথেৰিণক দোষাৰোপ কৰিলোঁ। আনেও কৰিব, কাৰণ সেইটো তেওঁৰ প্ৰাপ্য। মই হিথক্লিফক কলোঁ যে লিণ্টন মহাশয়ে যিটো ভাল বুলি ভাবিছে, তেৱোঁ তাকেই মানি ল'ব লাগে, আৰু ভাললৈকে হওক বা কাললৈকে হওক, লিণ্টন পৰিয়ালৰ কথাত সি অযথা সোমাবলৈ যাব নালাগে। 'মিচেচ লিণ্টন ক্ৰমাৎ ভাললৈ আহিছে', মই কৈ গলোঁ, 'কিন্তু তেওঁ আগৰ মানুহজনী হৈ আৰু নুঠে। এই যাত্ৰালৈ কথমপি জীৱনটো বাচিছে। তেওঁৰ প্ৰতি তোৰ কিবা অলপমানো ভাব আছে যদি তেওঁৰ ওচৰলৈ তই নাযাবি। আচলতে তই এই দেশ একেবাৰে এৰি গুচি যোৱাটোৱেই ভাল হ'ব। এনে এটা কথাত তই মন বেয়া কৰিব লগাও একো নাই। কাৰণ কেথেৰিণ লিণ্টন তোৰ বিগত দিনৰ বান্ধৱী কেথেৰিণ আৰ্ণশ্ব নহয়। মোৰ পৰা সৌ যুৱতী গৰাকী যিমান পৃথক, লিণ্টন পত্নী কেথেৰিণো, কেথেৰিণ আৰ্ণশ্বৰ পৰা সিমান পৃথক। তেওঁৰ চেহেৰা সলনি হ'ল, তেওঁৰ চৰিত্ৰ তাতোকৈ বেচি সলনি হ'ল। পৰিস্থিতি গুণে তেওঁৰ সহচৰ হৈ থাকিব লগা হোৱা পুৰুষজনে, কেথেৰিণ পূৰ্ব্বতে কি আছিল সেই কথা মনত ৰাখি, মানবীয় বিবেচনাৰ খাতিৰত, কৰ্ত্তব্যবোধৰ তাগিদাতহে তেওঁৰ প্ৰতি স্নেহৰ ভাব এটা ৰক্ষা কৰিব পাৰিব।'

নিজকে সংযত যেন দেখুৱাবলৈ চেষ্টা কৰি হিথক্লিফে মাত লগালে, 'তেনে এটা কথা তেনেই স্বাভাৱিক। তোৰ গৃহস্বামীয়ে কেৱল মানবতাৰ স্বাৰ্থত আৰু কৰ্ত্তব্যৰ বিবেচনাৰেহে তেওঁৰ পত্নীৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰিব। কিন্তু তই ভাবিছনে কি যে তেওঁৰ মানবীয়তা আৰু কৰ্ত্তব্যবোধৰ ওচৰতে মই কেথেৰিণক সমৰ্পণ কৰিম? কেথেৰিণৰ প্ৰতি মোৰ যি ভাব, তেওঁৰ স্বামীৰ তেওঁৰ প্ৰতি তেনে ভাবৰ লগত তুলনা হয় বুলি তই ভাব নে কি? তই আজি এই ঘৰ এৰি যোৱাৰ আগতে মোৰ আগত এটা প্ৰতিজ্ঞা কৰি যাব লাগিব— প্ৰতিজ্ঞাটো হ'ল যে তই তেওঁৰ লগত মোৰ সাক্ষাৎকাৰ সুচল কৰি দিবি। তেওঁ মান্তি হওকেই বা নহওকেই মই তেওঁক দেখা কৰিমেই। তই কি কব?'

'মই ক'ম হিথক্লিফ, তই এই কাম কৰিবলৈ কেতিয়াও নাযাবি। যোৱা উচিত নহয়। মোৰ গাত ভেজা দি এনে এটা কাৰ্য্য তোক মই কৰিবলৈ নিদিওঁ। মিঃ লিণ্টন আৰু তোৰ মাজত আৰু এবাৰ লগালগি হোৱা মানেই কেথেৰিণৰ অনিবাৰ্য মৃত্যু মাতি অনা, মনত ৰাখিবি।'

'তোৰ সহায়ত তেনে এটা পৰিস্থিতিৰ হাত সৰা যাব পাৰে', হিথক্লিফে কৈ গ'ল,

'আৰু এনে এটা দুৰ্যোগৰ সম্ভাৱনা যদি হয়— মিঃ লিণ্টনে তেওঁৰ পত্নীৰ জীৱন বিপন্ন কৰা আৰু এটা মাত্ৰ কামো যদি কৰে, তেন্তে ঠিক আছে, ময়ো চৰম পন্থা ল'ম— তাৰবাবে মোক কোনেও দুৰিব নোৱাৰিব। তই বাৰু মোক অকপটে ক চোন, লিণ্টনৰ অবিহনে কেথেৰিণে অন্তৰত বৰ দুখ পাব নেকি? তেনে হোৱাৰ আশংকাত অৱশেষে মোৰ মনটো কেঁচ খাই যায়। মই পিচ হোঁহকা মাৰোঁ। এইটো কথাতে পৰাই, কেথেৰিণৰ প্ৰতি গিবিয়েকৰ আৰু মোৰ মনৰ ভাৱৰ পাৰ্থক্যটো তই বুজিব পাৰিবি। সি যদি মোৰ ঠাইত আৰু মই যদি তাৰ ঠাইত হলোঁহেঁতেন, মই তাৰে আঙুলি এটাও নোটোৱালোহেঁতেন— তাৰ প্ৰতি থকা তীব্ৰ ঘৃণা সত্ত্বেও তেনে কাম মই নকৰিলোঁহেঁতেন। হ'ব পাৰে সেই ঘৃণাৰ তীব্ৰতাই মোৰ নিজৰ জীৱন বিষময় কৰি তুলিছে, তথাপিতো মই তাৰ বিৰুদ্ধে এখোজো আগ নাবাঢ়িলোঁহেঁতেন। তই হয়তো বিশ্বাস কৰিবলৈ টান পাবি, তেনে এটা পৰিস্থিতি হোৱাহেঁতেন, তাক মই কেথেৰিণৰ সংগৰ পৰা নিলগত নাৰাখিলোহেঁতেন— যিমান দিন তেওঁ তাৰ সংগ বিচাৰে সিমান দিন মই সেই সুযোগৰ অনুমতি তাক দিলোঁহেঁতেন। যি মুহূৰ্তত তাই তাৰ প্ৰতি ভাব নোহোৱা হ'ল বুলি গম পালোঁহেঁতেন, সেই মুহূৰ্ততে মই তাৰ বুকু চিৰি ৰক্তপাত কৰিলোঁহেঁতেন। কিন্তু তেনে এটা ক্ষণ অহাৰ আগলৈকে— তই মোক বিশ্বাস নকৰ, মই জানো তইতো মোক বুজি নাপাব— মই যন্ত্ৰণাত তিল তিল কৈ মৰিলোঁহেঁতেন, কিন্তু তাৰ চুলি এডালো স্পৰ্শ নকৰিলোঁহেঁতেন।'

'তথাপিতো, তই এতিয়া কি কৰিবলৈ ওলাইছ?' মই মুখ পাতি ধৰিলোঁ। 'মানুহ গৰাকী লাহে লাহে ভাল হৈ আহিবলৈ লৈছে, আৰু তই ওলাইছ তেওঁক লগ ধৰি, তেওঁৰ মন আকৌ অশান্তিৰে ভৰাই তুলিবলৈ। তেওঁ তোক এতিয়া প্ৰায় পাহৰিয়েই পেলাইছে। তেনেহলত তই তেওঁক দেখা দি পুনৰ তেওঁৰ মনটো বেদনা আৰু সংঘাতেৰে উতলাই তুলিলে, তেওঁৰ উপকাৰ কৰা হ'ব বুলি তই ভাবিছ কেনেকৈ?'

হিথক্লিফে ক'লে, 'কেথেৰিণে মোক প্ৰায় পাহৰিয়েই পেলাইছে বুলি তই কৈছ যদিও আচলতে কথাটো সঁচা নহয়। তই জান, নেলী, তেওঁ মোক পাহৰি যোৱা নাই। তই জান, ময়ো জানো, লিণ্টনৰ কথা যদি তেওঁ এবাৰ ভাবে, মোৰ কথা হেজাৰবাৰ ভাবে। এসময়ত ময়ো ভাবিছিলোঁ যে তেওঁ মোক প্ৰায় পাহৰি গ'ল— ভাবি ভাবি বেদনাত ক্লান্ত হৈ পৰিছিলোঁ— সেইটো আছিল মোৰ জীৱনৰ এক অতীব ক্লান্তিকৰ অধ্যায়। ইয়ালৈ যেতিয়া মই যোৱা গৰমৰ দিনত ঘূৰি আহোঁ, তেতিয়াও সেইটো ভাবেই মোক অহৰহ পীড়া কৰি আছিল। কিন্তু কেথেৰিণে নিজে কোৱা কথাইহে মোৰ মনত এই মাৰাত্মক চিন্তাটো পুনৰ সুমুৱাই দিলে। আৰু এবাৰ এই চিন্তা মনত সোমোৱাৰ পিচত লিণ্টন বা ইজাবেলাৰ বাবে মোৰ মনত ঠাই ক'ত? মোৰ জীৱনৰ সমস্ত স্বপ্নবো অস্তিত্ব যেন তেতিয়া নাইকিয়া হৈ গ'ল। এতিয়াৰ পৰা মাত্ৰ দুটা শব্দই মোৰ ভৱিষ্যত আবৰি ৰাখিব— মৃত্যু আৰু নৰক— কেথেৰিণক হেৰুৱাৰ লগা হ'লে নৰক হ'ব মোৰ জীৱনৰ নামান্তৰ।'

'তথাপিতো এটা কথা ভাবি মই আচৰিত হওঁ। এডগাৰ লিণ্টনৰ তেওঁৰ প্ৰতি



অনুৰাগ মোৰ অনুৰাগতকৈ গভীৰতৰ বুলি মই যে ক্ষন্তেকৰ বাবে হ'লেও ভাবিব পাৰিছিলোঁ। সেইটো মোৰ মূঢ়তাৰ পৰিচায়ক। খীনমিন মানুহটো— সি তাৰ সমস্ত সত্তাৰে চাবিকুৰি বছৰ ধৰি তেওঁক ভাল পালেও সেই ভাল পোৱা মই এটা দিনতে তেওঁক নিবেদন কৰা ভাল পোৱাৰ সমান হ'ব নোৱাৰে। কেথেৰিণৰো আছে এক গভীৰ অন্তৰ। তেওঁৰ সমস্ত প্ৰেমৰ অধিকাৰী মাত্ৰ লিণ্টনেই হ'ব সেইটো যেন গঙ্গুৰত সাগৰ ভৰোৱাৰ দৰে কথা। ছিঃ ছিঃ। কেথেৰিণে তাক তইৰ নিজৰ কুকুৰটো বা ঘোঁৰাটোতকৈ বেচি ভাল পায় বুলি তই যদি ভাবিছ, তেন্তে ভুল কৰিছ। মোক ভাল পোৱাদি তাক কোনোবাই ভাল পাব প্ৰাৰে নে কি? তাই তাক কিহৰ বাবে ভাল পাব?'

হঠাতে পৰম উৎফুল্ল মনেৰে ইজাবেলাই কৈ পেলালে, "কেথেৰিণ আৰু এডগাৰে পৰস্পৰক অতি ভাল পায়। তেওঁলোকৰ বিষয়ে এইদৰে কোৱাৰ অধিকাৰ কাৰো নাই। আৰু মোৰ ককাইদেউক কোনোবাই এইদৰে লঘু কৰি ভাবিলে সেই কথা মই নীৰৱে সহ্য কৰাত নাই।'

'তোমাৰ ককাই দেৰেবাই তোমাকো চোন অতিপাত ভাল পায়, নাপায় জানো?' হিথক্লিফে তেওঁক মুখ পাতি ধৰিলে, 'পিচে, ক'তা, তেওঁচোন পৰম আনন্দেৰে তোমাক সংসাৰত উটুৱাই দিলে?'

'মোৰ মনোবেদনাৰ কথা তেওঁতো নাজানে? মই তেওঁক সেইবোৰ কথা একো কোৱা নাই।'

'তুমি কিবা কথা তেওঁক কৈছা। তেওঁলৈ তুমি চিঠি দিছা, নাই দিয়া জানো ?'

'মোৰ যে বিয়া হ'ল সেই কথাকে লিখি জনাইছিলোঁ। তোমাক চিঠিখন মইচোন দেখুৱাইছিলোঁৱেই। তুমি সেখোন জানাই।'

'তাৰ পিচত আৰু একো লিখা নাই?'

'নাই লিখা।'

মই মাত লগালোঁ, 'ইজাবেলা অহিদেউক বিয়াৰ পিচত বৰ বেলেগ যেন দেখাইছে। তেওঁ বৰ মনমৰা হৈ পৰিছে। তেওঁ কাৰোবাৰ পৰা প্ৰত্যাশিত ভালপোৱা পুৰাকৈ পোৱা নাই যেন লাগিছে। কাৰ ভাল পোৱা সেই কথা মই অনুমান কৰিব পাৰিছোঁ। পিচে মই বোধহয় মুকলিকৈ নোকোৱাই ভাল হ'ব।'

হিথক্লিফে ক'লে, 'মই ভবাত তেওঁৰ নিজৰে। তেওঁ দিনে দিনে জাধলী তিৰোতা এজনী হৈ যাবলৈ ধৰিছে। মোৰ সন্তোষ লগাবলৈ যত্ন কৰি কৰি তেওঁ ভাগৰি পৰিছে। বৰ বেচি সোনকালেই এই অৱস্থাটোৰ উদ্ভৱ হ'ল। তই কিজানি বিশ্বাস নকৰিবি, আমাৰ বিয়াৰ পিচদিনাই তেওঁ ঘৰলৈ ঘূৰি যাবলৈ বিচাৰি কন্দাকটা কৰিছিল। এটা কথা ভালেই হৈছে— তেওঁৰ আচৰণ অতি সুৰুচি সম্মত নোহোৱা বাবে এইখন ঘৰৰ লগত তেওঁ মিলি যাব পাৰিব। ইচ্ছামতে অ'ত ত'ত ঘূৰি ফুৰি মোৰ নাক কাণ কটাবলৈ মই এওঁক নিদিম। এই বিষয়ে মই বেচ সাৱধান হ'ম।"

মই মাত লগালোঁ, 'এটা কথা হিথক্লিফ, তই পাহৰিলে নচলিব— তোৰ পৰিবাৰ

আলাসত ডাঙৰ হোৱা ছোৱালী; তেওঁ ঘৰ-ঘৰোৱাহঁৰ আদৰ সাদৰ পাই ডাঙৰ হৈছে। ঘৰৰ একমাত্ৰ ছোৱালী— অটাইৰে আলাসৰ লাৰু। গতিকে তেওঁ এতিয়া ইয়াত অনাদৰ অৱহেলা পাব নালাগিব। তই তেওঁৰ লগত থকাকৈ এজনী বেটী যোগাৰ কৰি দে— ঘৰ দুৱাৰ তাই পৰিপাটি কৰি ৰাখিব। তই তেওঁক মৰমেৰে ব্যৱহাৰ কৰিব লাগিব। মিঃ এড্‌গাৰৰ বিষয়ে তোৰ মনোভাব যিয়েই নহওক কিয়, ইজাবেলাৰ আসক্তিৰ গভীৰতা তই স্বীকাৰ নকৰি নোৱাৰিবি। সেয়ে নোহোৱা হ'লে তেওঁ নিজৰ ঘৰৰ সুখ স্বাচ্ছন্দ্য, আৰু বন্ধু বান্ধৱক এৰি থৈ তোৰ লগত এনে এখন হাবিতলীয়া ঠাইত থাকিবলৈ আপোন ইচ্ছাৰে ওলাই নাহিলহেঁতেন।'

হিথ্‌ক্লিফে উত্তৰ দিলে, ''পূৰ্বৰ লগভাগ, সুখ স্বাচ্ছন্দ্য, নিজৰ মানুহ দুনুহ তেওঁ এৰিছে এক ভ্ৰান্তি বশতঃ। তেওঁ মোক ৰোমান্সৰ নায়ক হিচাবে কল্পনা কৰিছিল। ভাবিছিল যে তেওঁক মই আৰাধ্যা গোঁসানী হিচাবে ভক্তি থাকিম। মোৰ বিষয়ে তেওঁ আকোৰগোজকৈ এনে এক অদ্ভুত অভিলাষী ধাৰণা পোষণ কৰিছে যে তেওঁক মই বিচাৰ বিবেচনা থকা প্ৰাণী হিচাবে গণ্য কৰিবলৈকো টান পোৱা হৈছোঁ। মোৰ বিষয়ে তেওঁৰ যি অযথা ধাৰণা, তেওঁৰ কাৰ্য্যও তদনুৰূপ। পিচে এতিয়ালৈ তেওঁ মোৰ স্বৰূপ চিনিছে বুলি মোৰ ধাৰণা হৈছে। প্ৰথমে প্ৰথমে তেওঁৰ মুখৰ হাঁহি আৰু অংগীভংগীবোৰ দেখিলেই মোৰ খং উঠিছিল— এতিয়া সেইবোৰ লাহে লাহে নোহোৱা হৈছে। মোৰ প্ৰতি তেওঁৰ অনুৰাগৰ বিষয়ে, আৰু তেওঁৰ নিজৰ সম্পৰ্কেও মোৰ ধাৰণা তেওঁক স্পষ্ট কৰি শুনাইছিলোঁ, কিন্তু তেওঁ মূৰ্খ, মই যে সঁচাসচিকৈয়ে তেওঁৰ বিষয়ে তেনে ধাৰণা পোষণ কৰিছিলোঁ, সেই কথা বুজাৰ সাধ্য তেওঁৰ নাই। মই যে তেওঁক ভাল নাপাওঁ সেই কথা তেওঁক বুজোৱাটোতো সহজ কথা নাছিল। একোবাৰ মোৰ ভাব হৈছিল যে সেই কথাটো বোধহয় তেওঁৰ মূৰত নোসোমাবই। এতিয়াও তেওঁ যেন কথাটো ভালদৰে বুজা নাই। আজি পুৱা তেওঁ এটা বিস্ময়কৰ আবিষ্কাৰহে যেন কৰিলে এনে ভাবত ঘোষণা কৰিলে যে তেওঁৰ মনত মোৰ প্ৰতি ঘৃণা উদ্ৰেক কৰাত মই প্ৰকৃততে কৃতকাৰ্য্য হৈছোঁ। কি যে এক দুঃসাধ্য ব্যাপাৰ! সঁচাকৈয়ে যদি তেওঁৰ এইকেৰা উপলব্ধি হৈছে তেন্তে তেওঁৰ প্ৰতি মই কৃতজ্ঞ হ'ম। ইজাবেলা, তোমাৰ কথা মই বিশ্বাস কৰিব পাৰোঁনে? মোক ঘিণ কৰা বুলি তুমি ধুৰূপ নে? তোমাক যদি মই এবেলাৰ বাবেও অকলে এৰি যাওঁ, তুমি কেঁকুৰি কোঁকুৰি, কাওবাও কৰি মোৰ ওচৰলৈ ঘূৰি নহাকৈ থাকিবানে? তেওঁ এতিয়া ভাবিছে, তই আগত আছ বাবে, মই একেবাৰে মৰমিয়াল স্বামীটি হৈ দেখুৱালে ভাল হয়। মই বুজিছোঁ নহয় তেওঁৰ মনৰ কথা। আচল কথাটো ওলাই পৰিলে তেওঁৰ সন্মানত লাগে। পিচে এই অনুৰাগ যে একান্তই একপক্ষীয় আছিল সেই কথা কোনোবাই জানে নে নাজানে মোক নালাগে। এই বিষয়ে মই তেওঁক একো ভুৱা দিয়া নাই। তেওঁক মৰম দেখুৱাই প্ৰতাৰণা কৰিছোঁ বুলি তেওঁ মোক ক'ব নোৱাৰে।

'থ্ৰাচক্ৰছ গ্ৰেঞ্জ'ৰ পৰা ওলাই আহিয়েই তেওঁ মোক প্ৰথমতে যিটো কাম কৰা দেখিলে সেইটো আছিল— তেওঁৰ পোহনীয়া কুকুৰটোক মই ৰছীৰে ওলোমাই দিছিলোঁ।



সেই কাম নকৰিবলৈ তেওঁ কিমান যে কাকুতি নকৰিলে, মই ক'ত শুনিলোঁ! মই বৰং কলোঁহে যে এটা মাত্ৰ ব্যতিক্ৰম বাদ দি তেওঁৰ লগত জড়িত আন সমস্ত প্ৰাণীকে ফাঁচীত ওলোমাই দিবলৈ পালেহে মোৰ শান্তি। এটা মাত্ৰ ব্যতিক্ৰম মানে বোধহয় তেওঁ নিজৰ কথাকে বুজিলে। কিন্তু কোনো প্ৰকাৰ আসুৰিক কাৰ্য্যই তেওঁৰ মনত ঘৃণা বা বিৰক্তিৰ উদ্ৰেক কৰা নাছিল। মোৰ ধাৰণা হৈছে যে এনে কাৰ্য্যৰ প্ৰতি তেওঁৰ যেন এক সহজাত আকৰ্ষণহে আছে— মাত্ৰ তেওঁ নিজে অক্ষত হৈ ৰ'ব পাৰিলেই হয়। এতিয়া ক চোন, এই পুতৌ লগা, নীচমনা, গোলামী চৰিত্ৰৰ, কুকুৰধুলি জীৱটোৱে বাৰু তাইক মই ভাল পাওঁ বুলি কেনেকৈ ভাবিব পাৰে? এইদৰে ভৱাটো তাইৰ বাবে চৰম মূৰ্খতাৰ পৰিচায়ক নহয় নে? একেবাৰে এক অবাস্তৱ কথা নহয়নে? তোৰ গৃহস্বামীক তই কৈ দিবি গৈ, নেলী, যে মোৰ জীৱনত এই জনীৰ দৰে ইমান তুচ্ছ, নগণ্য জীৱ এটা লগ পোৱা নাই। তাই আনকি লিণ্টন নামটোতো কলংক সানিছে। তাইনো কিমান কি সহ্য কৰিব পাৰে, সেই কথা পৰীক্ষা কৰিবলৈকো মই এৰি দিছোঁ, কাৰণ উৎপীড়নৰ নতুন কৌশল উদ্ভাৱন কৰিব মই নোৱৰা হৈছোঁ। মাৰধৰ কৰাৰ পিচতো তাই নিৰ্লজ্জ ভাৱে পুনৰ কাওমাও কৰি ওচৰ চাপেহি। পিচে তই তেওঁক কবিগৈ, ভনীয়েৰৰ বাবে চিন্তা কৰি অন্তৰত দুখ পাব নালাগে। মই আইন বহিৰ্গত একো কাম এতিয়ালৈকে কৰা নাই। তেওঁ মোৰ পৰা বিবাহ বিচ্ছেদ বিচাৰিব লগা একো কাম মই এতিয়ালৈকে কৰা নাই। এইটো কথাও লগতে কওঁ, আমাৰ মাজত বিচ্ছেদ ঘটাবলৈ কোনোবা ওলালেও ইজাবেলাই সহ্য নকৰিব। তাই মোৰ পৰা আঁতৰি যাবলৈ ইচ্ছা কৰিলে যাব পাৰে— তাইৰ উপস্থিতিটো হ'ল এক বিৰক্তিজনক উপদ্ৰৱ স্বৰূপ; তাৰ তুলনাত তাইক উৎপীড়ন কৰি পোৱা তৃপ্তি তেনেই নগণ্য।'

হিথ্‌ক্লিফৰ কথা শুনি মোৰ ধৈৰ্য্যচ্যুতি ঘটিল। মই খঙেৰে ক'লোঁ, 'হিথ্‌ক্লিফ, তই পাগলৰ দৰে কথা কৈছ, আৰু মোৰ ধাৰণা, তোৰ পত্নীয়েও তই পাগল বুলিয়েই ধৰি লৈছে। সেইবাবেই তেওঁ তোক এতিয়ালৈকে সহ্য কৰি আহিছে। তই এতিয়া তেওঁ তোক এৰি যাব পাৰে বুলি কৈছ যেতিয়া, খুব সম্ভৱ তেওঁ এই সুযোগৰ সদ্ব্যৱহাৰ কৰিব। আপোন ইচ্ছাৰে এইটো মানুহৰ লগত দিন কটাবলৈ থাকি যাবলৈ তুমি, ইজাবেলা, নিশ্চয় ইমান মোহত পৰা নাই। নে মই ভুল কথা কৈছোঁ?'

খঙত চকু ৰঙা কৰি ইজাবেলাই উত্তৰ দিলে, 'এলেন, সাৱধান!', তাইৰ চকুহালত গিৰিয়েকৰ প্ৰতি ঘৃণা স্পষ্ট হৈ পৰিছিল। 'তেওঁ কোৱা এটা কথাও বিশ্বাস নকৰিবি। এওঁ হ'ল মিছা কথাৰ ভৰাঁল, এটা পাষণ্ড। এওঁতো মানুহ নহয়। এটা অসুৰ। তেওঁক এৰি গুচি যাব পাৰোঁ বুলি আগতেও কৈছে। যাবলৈ মই যত্ন নকৰাও নহয়। পিচে তেনে প্ৰচেষ্টা দুনাই আৰু নকৰোঁ। তই, এলেন, মোক কথা দি যাব লাগিব— কথা দে যে এওঁ কোৱা কেনেৰকৰী কথাবোৰৰ এটা কথাও ঘুণাক্ষৰেও ককাইদেউ বা কেথেৰিণৰ আগত নকৱ। যিহৰে ভাও নধৰক কিয়, এওঁৰ উদ্দেশ্য হ'ল এড্‌গাৰক একেবাৰে হতাশাগ্ৰস্ত কৰা। তেওঁ মোক কৈছেই বোলে এড্‌গাৰৰ ওপৰত ৰাও

মাৰিবলৈ যে তেওঁ মোক বিয়া কৰাইছে। সেইটোহে আছিল তেওঁৰ প্ৰকৃত উদ্দেশ্য। তেনে সুবিধা তেওঁ লবলৈ নাপায়— ধ্ৰুৱপ জানিবি। তেনে হোৱাৰ আগতে মই মৰিম। মোৰ আশা, মোৰ প্ৰাৰ্থনা, তেওঁ যেন নিজৰ এই নৃশংস বিচাৰ বিবেচনা পাহৰি যায়— তেওঁৰ হাততেই যেন মোৰ মৃত্যু হয়। মই কল্পনা কৰিব পৰা একমাত্ৰ উপভোগটো হ'ল— মোৰ মৃত্যু, নহয় তেওঁৰ মৃত্যু।'

'হ'ব, হ'ব, আজিলৈ ইমানতে সামৰ,' হিথক্লিফে উত্তৰ দিলে। 'কাছাৰীত সাক্ষী দিবলৈ মাতিলে, তই যোৱা কথাবোৰ মনত ৰাখিবি, নেলী। তই সেই মুখখনলৈ ভালকৈ এবাৰ চা। সেইখন মুখে মোক যেন অভিযুক্ত কৰিবলৈ উদ্যত হৈছে। নহ'ব, নহ'ব, ইজাবেলা, তই তোৰ নিজৰ অভিভাৱক এতিয়া হ'ব নোৱাৰিবি। মই তোৰ আইনতঃ অভিভাৱক; সেইবাবে তোক মোৰ লগতে ৰাখিব লাগিব। এই দায়িত্ব যিমানেই বিৰক্তিজনক নহওক, উপায় নাই, মই পালন কৰিবই লাগিব। এতিয়া ওপৰ মহলালৈ যা গৈ। মই এলেন ডীনক গোপনে এটা কথা ক'ব লগা আছে। সেইপিনে নহ'ব, মই ওপৰ মহলালৈ যাবলৈ কৈছোঁ, তলৈ যা। কথা ক'লে শুনিবি। এইপিনে, এই বাটেদিহে ওপৰলৈ উঠে। এস, বাছাই নাজানেই!'

এইখিনি কথা কৈ তেওঁ ইজাবেলাক বাহুত ধৰি কোঠাৰ পৰা গতিয়াই উলিয়াই দিলে, আৰু এইলৰে ভোৰভোৰাই পুনৰ কোঠালৈ সোমাই আহিল ঃ 'মোৰ কোনো দয়া মমতা নাই। একো দয়ামমতা নাই। যিমানেই কুকুৰ ধুলি জীৱটোৱে কাওমাও কৰিব, সিমানেই মই তাইক গচকি পেটৰ নাড়ীভুৰু উলিয়াই দিম। এইটো এটা নৈতিক শিক্ষা— কষ্ট যিমানেই বেছি হ'ব, মোৰ উৎপীড়নৰ উৎসাহো সিমানেই বাঢ়ি যাব।'

মোৰ ওৰণাখন মূৰত লবলৈ লৰালৰি কৰি মই তাক সুধিলোঁ, 'দয়া মমতা কথাষাৰৰ অৰ্থ কিবা বুজি পাবনে? জীৱনত কেতিয়াবা কাবোবাৰ বাবে দয়া মমতা অনুভৱ কৰি পাইছনে?'

মই যাবলৈ ওলোৱা দেখি হিথক্লিফে ক'লে, 'ওৰণাখন থ। তই এতিয়াই যাব নোৱাৰ। নেলী, মোৰ এই ফালিলৈ আহ। কেথেৰিণক লগ পাবলৈ মই কৃতসংকল্প; সোনকালেই তেওঁক মই লগ পাব লাগে। মোৰ উদ্দেশ্য সিদ্ধি কৰাত তই সহায় কৰিব লাগে। মোৰ কথা শুনি মোৰ মতে চলি যদি তই সহায় কৰ, ভালেই। নহ'লে মই তোক বাধ্য কৰিম। মই শপত খাই কৈছোঁ ঃ মই কাৰো একো অনিষ্ট নকৰোঁ। কোনো গণ্ডগোল সৃষ্টি কৰাৰ অভিপ্ৰায় মোৰ নাই। মিঃ লিণ্টনৰ খং তোলাৰ বা তেওঁক অপমান কৰাৰ মতলবো মোৰ নাই। মই মাত্ৰ কেথেৰিণৰ নিজৰ মুখৰ পৰা তেওঁৰ গা এতিয়া কেনে আছে সেই কথা জানিবলৈ বিচাৰিছোঁ। তেওঁৰ অসুখনো কিয় হ'বলৈ পালে আৰু এই সময়ত মই তেওঁক কি প্ৰকাৰে সহায় কৰিব পাৰোঁ সেই কথাও মই তেওঁক সুধিব লাগে। যোৱা নিশা, 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ বাগিচাত ছয় ঘণ্টা কাল পৰ দি আছিলোঁ। আজি ৰাতি মই আকৌ তালৈ যাম। ভিতৰলৈ সোমোৱাৰ সুযোগ এটা নাপাও মানে প্ৰতি নিশা, প্ৰতি দিনে তালৈ গৈ থাকিম। এডগাৰ লিণ্টনে মোৰ বাট আগচিলে তাক খুচিয়াই ওফৰাই পেলাবলৈ মই কুণ্ঠিত নহম। তাক এনে পিটন দিম যে মই তাত থকা সময়খিনিত সি কেওমেও কৰিব নোৱাৰিব। তাৰ চাকৰ বাকৰবোৰে



মোক ধৰিবলৈ আহিলে সিহঁতক এই পিস্তলবোৰ দেখুৱাই মই ভয় খুৱাই আঁতৰাই পঠাম। পিছে লিণ্টনৰ বা তাৰ চাকৰ বাকৰবোৰৰ লগত মুখামুখি হ'ব নলগাটোহে আটাইতকৈ ভাল কথা হ'ব। এই কামটো তই অতি সহজে কৰিব পাৰ। মই গলে তোক সংকেত দি জনাম, আৰু তেতিয়া তই মোক কেথেৰিণ অকলে থকাৰ চল চাই, কাৰো চকুত নপৰাকৈ ভিতৰলৈ লৈ যাবি। মই ওলাই নোযোৱালৈকে তই পহৰা দি থাকিবি। তই ধীৰ বিবেচনাৰ তিৰোতা। মই কোনোমতে কৰিবলৈ মান্তি হ। বহুত অশান্তি এৰ যাব।'

মোৰ গৃহস্বামীৰ ঘৰত তেনে এক বিশ্বাসঘাতকতাৰ কাৰ্য্য কৰাটো মোৰ পক্ষে অসম্ভৱ বুলি মই উত্তৰ দিলোঁ আৰু তাৰ নিজৰ সন্তোষৰ স্বাৰ্থত কেথেৰিণৰ মন পুনৰ অশান্ত কৰি তোলাটো যে অতি নিষ্ঠুৰ আৰু স্বাৰ্থপৰ কাৰ্য্য হ'ব সেই কথাও তাক সোঁৱৰাই দিলোঁ।

মই কলোঁ, 'নিচেই সাধাৰণ কথা একোটাতে তেওঁ বিষম ভাবে উত্তেজিত হৈ পৰে। তেওঁ অত্যন্ত আবেগ সৰ্ব্বস্ব জীৱ। মই বৰ্তিয়াকৈ জানো যে অপ্ৰত্যাশিত ভাবে তই তেওঁৰ আগত দেখা দিলেগৈ তেওঁ স্থিৰ হৈ ৰ'ব নোৱাৰিব। হিথক্লিফ, তই মনৰ পৰা এই ধান্দা এৰি পেলা। অন্যথাই মই মোৰ গৃহস্বামীক তোৰ মতলবৰ কথা জনাই দিবলৈ বাধ্য হম। তেনে কৰিলে তেওঁ নিজৰ ঘৰ গৃহস্থালি আৰু পৰিয়ালবৰ্গক অবাঞ্ছিত অনুপ্ৰৱেশৰ বিৰুদ্ধে সুৰক্ষিত কৰাৰ ব্যৱস্থা নিশ্চয় ল'ব।'

'তেনেহলে তোক মই ইয়াত আটক কৰি ৰাখিম, নেলী।' হিথক্লিফে উত্তেজিত সুৰত ক'লে। 'কালিলৈ পুৱাৰ আগতে তই 'বাদাৰিং হাইট্‌চ' এৰি যাবলৈ নাপাবি। মোক দেখিলে কেথেৰিণে মনৰ স্থিৰতা ৰক্ষা কৰিব নোৱাৰিব বুলি কোৱাটো এটা প্ৰলাপ মাথোন। আৰু তেওঁক চমক খুৱাই দিয়াৰ কথা যে কৈছ, চমক খুৱাব মই নোখোজো। তেওঁক তই এনে এটা সম্ভাৱনাৰ বাবে প্ৰস্তুত কৰি লবি। মই তেওঁক লগ পাবগৈ পাৰো নে কি সুধিবি। কেথেৰিণে মোৰ নামটোও মুখলৈ নানে বুলি তই কৈছ, মোৰ কথাও কোনেও তেওঁৰ আগত নুলিয়ায় বুলিছ। ঘৰখনত মই যদি এটা নিষিদ্ধ বিষয়, তেন্তে কাৰ আগত কেথেৰিণে মোৰ কথা উলিয়াব? তেওঁ তহঁত সকলোকে গিৰিয়েকৰ চোৰাংচোৱা বুলি ভাবে। হায়! হায়! মই বেচকৈ বুজিছোঁ, তহঁত আৰু মাজত থাকি তেওঁ নৰক যন্ত্ৰণা ভোগ কৰিছে। তেওঁৰ নীৰৱতা, আৰু ইটো সিটো অনেকটা কথাৰ পৰা, তেওঁৰ মনৰ গতিবিধি মই বুজিব পাৰিছোঁ। তই কৈছ যে তেওঁ প্ৰায়ে ছাটিফুটি কৰি থাকে, সদায় উগুল-থুগুল মনেৰে থাকে। এইবোৰ শান্ত মনৰ চিন বুলি কবি নে কি? তই তেওঁৰ মনটো অস্থিৰ হ'ব পাৰে বুলি কৈছ— তেওঁৰ সেই ভয়ংকৰ নিঃসংগ পৰিবেশত মনটো অস্থিৰ নহৈ হ'ব কি? আৰু সেই নেধা, অধম প্ৰাণীটো— কৰ্তব্য আৰু মানৱতাৰ স্বাৰ্থত তেওঁৰ আলপৈচান ধৰি থকা জীৱটো। পুতৌ দেখুৱাবলৈ গৈছে; কৰুণা দেখুৱাইছে। তাৰ নিষ্প্ৰাণ পৰিচৰ্যাৰে সি তেওঁক স্বাস্থ্য দান কৰিব পাৰিব বুলি ভবা কথাটো ফুলৰ গামলাত ওক গছ এজোপা ডাঙৰ দীঘল কৰিব পাৰি বুলি ভবাৰ দৰে কথা। কথাটো এতিয়াই ইয়াতেই ঠিক কৰা যাওক। তই

ইয়াতে বন্দী হৈ ৰবি, আৰু মই লিণ্টন আৰু তাৰ লগুৱা লিকচৌৰ লগত হতাহতি কৰি, কেথেৰিনৰ ওচৰলৈ সোমাই যাম, নে মোৰ অতদিনৰ বান্ধৱীৰ দৰে, মোৰ কথা শুনিবি আৰু মোৰ মতে কৰিবি? কি কৰ ঠিক কৰ, কাৰণ তই যদি তোৰ কথাতে আঁকোৰগোজকৈ লাগি থাক, তেন্তে মই আৰু এক মিনিট সময়ো ইয়াত নষ্ট কৰাৰ যুক্তি নাই।'

লকউদ মহাশয়, আপুনি বুজিছেই নিশ্চয়, মই কমেও পঞ্চাচ বাৰ হিথক্লিফৰ লগত যুক্তিতৰ্ক কৰিলোঁ, নিমানবাৰ মই তাৰ কথা ৰাখিব নোৱাৰোঁ বুলিও খোলাখুলিকৈ ক'লো— কিন্তু শেহত গৈ থৈ সি মোক এটা মোকাবিলা কৰিবলৈ মান্তি কৰালে— তেওঁৰ পৰা চিঠি এখন নি কেথেৰিণক দিবলৈ মোক মান্তি কৰালে। লগতে এইটো কথাও থাকিল যে তেওঁ যদি হিথক্লিফক দেখা কৰিবলৈ সন্মত হয়, তেন্তে গিৰিয়েক ঘৰত নথকা সময়ৰ সঙ্কেতটো মই তেওঁক জনাব লাগিব। তেনে অৱস্থাত তেওঁ কেথেৰিণক লগ পাবলৈ অবাধে সোমাই যাব। মই ওচৰত নাথাকিম, আৰু মোৰ লগৰীয়া চাকৰ চাকৰণীবোৰকো মই নিৰাপদ দূৰত্বত ৰাখিম। এইটো ব্যৱস্থা কৰিবলৈ মই গাত ললোঁ।

মোৰ সিদ্ধান্তটো ভুল হ'ল নে শুধ হ'ল? মোৰ আশংকা যে মই ভুল সিদ্ধান্ত ললোঁ। সেই অৱস্থাত সেইটোৰ বাহিৰে বিকল্প কাৰ্যকৰী ব্যৱস্থা দেখাত নাছিল, তথাপিতো মোৰ ভাব হয় যেন কথাটো ভাল নহ'ল। মই তেতিয়া ভাবিছিলো যে হিথক্লিফৰ কথাত মান্তি হৈ মই আৰু এটা বিষম পৰিস্থিতিৰ উদগীৰণত বাধা দিলোঁ। লগতে মই ইয়াকো ভাবিছিলোঁ যে কেথেৰিণৰ মানসিক সংকটত ইয়াৰ ফল হয়তো ভালহে হ'ব। কিন্তু লগে লগে মোৰ এটা কথা মনত পৰিল। ইদবৰ কথা সিঘৰত নেভেটিবলৈ এড়গাৰ লিণ্টনে এসময়ত মোক সতৰ্ক কৰি দিছিল। এই সিদ্ধান্তৰ সম্পৰ্কত মোৰ মনত উদ্ভৱ হোৱা অশান্তি মই এই বুলি দূৰ কৰিবলৈ যত্ন কৰিছিলোঁ ঃ মোৰ এই কাৰ্য বিশ্বাসঘাতকতা বুলিও বিবেচিত যদি হয় হওক, এই প্ৰকাৰ কাৰ্যৰ কিন্তু ইয়াতেই শেষ। ইয়াৰ পুনৰাবৃত্তি আৰু নহ'ব। এই ভাবেৰেই মই মনক বুজনি দিছিলোঁ।

তথাপিতো 'থাচক্ৰচ গ্ৰেঞ্জ'লৈ ঘূৰি যাওঁতে মোৰ মনটো তাৰ পৰা অহাতকৈ গধুৰ হৈ পৰিছিল। কেথেৰিনৰ হাতত চিঠিখন দিয়া ভাল হ'ব নে নহয়, সেই বিষয়েও চিঠিখন দিয়াৰ আগতে মোৰ মনত বহুত সংশয়ৰ সৃষ্টি হৈছিল। তথাপিতো প্ৰায় নিজৰ ইচ্ছাৰ বিৰুদ্ধেই চিঠিখন মই তেওঁৰ হাতত দিলোঁ।

অ', ডা' কেনেথ আহিছে। মই ওলাই গৈ তেখেতক আপোনাৰ গা বহুত ভাল বুলি কৈ আহোঁ গৈ। মোৰ কাহিনী দীঘলীয়া। শেষ কৰিবলৈ আৰু এটা পুৱা বেলা খতি কৰিব লাগিব।

কাহিনী দীঘলীয়া নহয়, শোকাবহহে। এনে এটা পৰিবেশত এনে এটা কাহিনী শুনিবলৈ মই বিচাৰিছিলোঁ বুলি ক'ব নোৱাৰোঁ। নিচে সেই কথা চিন্তা কৰি লাভ নাই।



শ্ৰীমতীৰ কাহিনীৰ পৰা মই সজ শিক্ষাকে লাভ কৰিম। প্ৰথমতে মই ঠিক কৰিলোঁ যে কেথেৰিণ হিথক্লিফৰ উজ্জ্বল দুচকুৰ আকৰ্ষণৰ প্ৰতি মই নিজকে সদা সতৰ্ক কৰি ৰাখিব লাগিব। সেই যুৱতীৰ ওচৰত মোৰ হিয়া সমৰ্পণ কৰিবলৈ হলে মই নিজকে এটা অদ্ভুত পৰিস্থিতিত জড়িত কৰি পেলোৱা হ'ব— কোনে জানে জীয়েক যদি মাকৰে দ্বিতীয় সংস্কৰণেহে হৈ পৰে।

# ১৫

আৰু এটা সপ্তাহ পাৰ হৈ গ'ল। বসন্ত কাল সাদিন ওচৰ চাপিল, মোৰ স্বাস্থ্যও তদনুৰূপে ভাল হৈ আহিল। মোৰ প্ৰতিবেশীৰ সমস্ত কাহিনী ইতিমধ্যে মই মোৰ গৃহ পৰিচাৰিকা গৰাকীৰ মুখৰ পৰা শুনিবলৈ পাইছোঁ। কামৰ মাজে মাজে সুৰুঙা উলিয়াই তেওঁ বেলেগ বেলেগ সময়ত মোক গোটেই ইতিহাস সদৰি কৰি ক'লে। মই তেওঁৰ ভাষাতেই, মাত্ৰ কিছু চুৰুককৈ কাহিনীটো বিবৰি যাম। কাহিনী কোৱাত তেওঁ বেচ পাৰ্গত। এই বিষয়ত তেওঁক চেৰ পেলাব পাৰিম বুলি মই নাভাবোঁ।

'ৱালবিং হাইট্চ'লৈ যোৱাৰ দিনা গধূলি পৰত, শ্ৰীমতী ডীনে কৈ গ'ল, মিঃ হিথক্লিফে 'থাচক্ৰচ গ্ৰেঞ্জ'ৰ ওচৰে পাঁজৰে ইফাল সিফাল কৰি আছিল বুলি মই জানিছিলোঁ— জানিছিলোঁ মানে তেওঁক প্ৰায় দেখাৰ দৰেই বুলি ধৰক। সেইবাবে মই ঘৰৰ বাহিৰ ওলোৱা নাছিলোঁ, কাৰণ চিঠিখন তেতিয়াও মই হাতত লৈয়েই ফুৰিছিলোঁ। তেওঁৰ মুখামুখি হৈ আকৌ ভাবুকি খাবলৈ বা বিৰক্ত হ'বলৈ মই ইচ্ছা কৰা নাছিলোঁ।

মোৰ গৃহস্বামী ঘৰবালে বুলি ওলাই নোযোৱালৈকে চিঠিখন কেথেৰিণৰ হাতত নিদিবলৈ মই ঠিক কৰিছিলোঁ, কাৰণ চিঠিখন পাই তেওঁৰ প্ৰতিক্ৰিয়া কি হ'ব সেই কথা মই অনুমান কৰিব পৰা নাছিলোঁ। ফলত তিনি দিনৰ পিচতহে তেওঁক মই চিঠিখন দিব পাৰিলোঁ। চতুৰ্থ দিনটো আছিল দেওবাৰ। সিদিনা পৰিয়ালৰ বাকীবোৰ মানুহ গীৰ্জালৈ যোৱাৰ পিচতহে চিঠিখন তেওঁৰ কোঠালৈ নি মই দিলোঁগৈ। মই অৱশ্যে ঘৰত অকলে নাছিলোঁ। মোৰ লগত ঘৰৰ কামকাজ চোৱাচিতা কৰিবলৈ চাকৰ এটাও আছিল। সাধাৰণতে আমি এটা কাম কৰিছিলোঁ : গীৰ্জাৰ প্ৰাৰ্থনাৰ সময়খিনিত আমি আগফালৰ দুৱাৰৰ তলা মাৰি থৈছিলোঁ। কিন্তু সেইদিনা বতৰটো বৰ সুন্দৰ আৰু ফৰকাল হোৱা দেখি মই দুৱাৰখন দুফালকৈ মেলি থৈছিলোঁ। খোলা দুৱাৰেদি কোন সোমাই আহিব মই জানিছিলোঁৱেই; সেইবাবে, মোৰ কথা ৰাখিবলৈ, মই প্ৰস্তুত হ'লোঁ। চাকৰটোক মই ক'লো যে আইদেৱে সুমথিৰা কেইটামান বিচাৰিছে, সি নৰমানি গৈ গাৱঁৰ পৰা কেইটামান পেটাই আনক। দাম পিচদিনা দি দিব। মোৰ কথা শুনি সি ওলাই গ'ল। মই ওপৰ মহলালৈ উঠিলোঁ।

মিচেচ লিণ্টনে তেতিয়া এটা ঢিলা সোলোকা বগা সাজ পিন্ধি আছিল। গাত এখন পাতল চাদৰ পেলাই লৈছিল। আনকালৰ দৰে সেইদিনাও তেওঁ খোলা খিৰিকিৰ দাতিত বহি আছিল। তেওঁৰ ঘন, দীঘল চুলি কোচাৰ কিছু অংশ অসুখৰ আৰম্ভণিতে কাটি পেলোৱা হৈছিল। এতিয়া তেওঁ চুলিখিনি সাধাৰণভাৱে আঁচুৰি, আগটো কাণৰ



ওপৰত পেলাই থৈছিল। তেওঁৰ চেহেৰা সলনি হৈ পৰিছিল। এই কথাটো মই হিথক্লিফক কৈছিলোৱেই। কিন্তু মনৰ শান্ত সৌম্য ভাবটো থাকিলে তেওঁক সেই পৰিবৰ্তনবোৰৰ ফলত অতি সুন্দৰ দেখাইছিল। তেওঁৰ সেই সৌন্দৰ্য আছিল যেন অপাৰ্থিৱ।

তেওঁৰ চকুৰ পূৰ্বৰ তীব্ৰ চাৱনিৰ ঠাই লৈছিল এক স্বপ্নীল, বিষাদিত কোমলতাই। তেওঁৰ দৃষ্টি সমীপৰ জগতখনত নিবদ্ধ নাছিল, সি যেন প্ৰসাৰিত হৈছিল দূৰৰ, আৰু দূৰৰ দিগবলয়লৈ, যেন এই বিশ্বৰ বলয় ৰেখাৰ সিপাৰলৈ। তেওঁৰ মুখৰ বিবৰ্ণতা গালৰ মঙহ অহাৰ লগে লগে কিছু আঁতৰিল, কিন্তু তাৰ ঠাই ললে তেওঁৰ মানসিক অৱস্থাৰ পৰিণতি এক অদ্ভুত চাৱনিয়ে। সেই চাৱনিত যেন তেওঁৰ যন্ত্ৰণাৰ উৎস প্ৰকট হৈ পৰিছিল। তেওঁক দেখা যি কোনো লোকৰে দৃষ্টি তেওঁৰ মুখাবয়ৱত নিবিষ্ট হৈ পৰিছিল। তেওঁক তেনে অৱস্থাত দেখিলেই মোৰ ভাব হৈছিল— অকল মোৰে নহয়, মই ভাবোঁ আন যি কোনো লোকৰে ভাব হৈছিল— যে তেওঁ আৰোগ্যৰ পথত আগবঢ়া নাছিল— আগবাঢ়িছিল অনিবাৰ্য অৱক্ষয়ৰ পথতহে।

তেওঁৰ সন্মুখৰ খিৰিকিৰ চৌকাঠৰ তলৰ পটিত এখন কিতাপ মেলি থোৱা আছিল। গাত নলগা যেনেকৈ মৃদু বতাহ বলি আছিল, আৰু মেলি থোৱা কিতাপখনৰ পাতবোৰ বতাহে মাজে মাজে লুটিয়াই আছিল। বোধহয় লিণ্টন মহাশয়েই কিতাপখন সেই ঠাইত থৈছিল, কাৰণ মই জনাত কেথেৰিণ আইদেৱে কোনোদিনে কিতাপ পঢ়া বা আন কোনো প্ৰকাৰৰ কাৰ্যত মনটো ব্যস্ত ৰাখিবলৈ যত্ন কৰা মই দেখা নাছিলোঁ। আগতে তেওঁৰ ৰাপ থকা কিছুমান বিষয়ৰ প্ৰতি তেওঁৰ মন আকৃষ্ট কৰিবলৈ লিণ্টন মহাশয়ে প্ৰায়ে যত্ন কৰা মই দেখিছিলোঁ।

তেওঁৰ এনে প্ৰচেষ্টাৰ প্ৰতি কেথেৰিণ আইদেউ সম্পূৰ্ণ সজাগ আছিল, আৰু মন ভালে থাকিলে গিৰিয়েকৰ এনে কাৰ্য শান্তচিত্তে সহ্য কৰিছিল, কিন্তু মাজে মাজে ক্লান্ত একোটা হুমুনিয়াহ কাঢ়ি সেই সমস্তই যে বৃথা চেষ্টা সেই কথাকে যেন ঘোষণা কৰিছিল। শেহত এনে হয়গৈ যে তেওঁ একেবাৰে বিমৰ্ষ হৈ পৰে, আৰু শোকাতুৰ মুহূৰ্তত তেওঁৰ স্বামীক চুমাৰে ওপোচাই পেলায়। কেতিয়াবা আকৌ এনে হয় যে অধৈৰ্য হৈ তেওঁ মুখ ঘূৰাই দিয়ে, লিণ্টনৰ হাতৰ মাজত মুখ ঢাকে, বা খঙেৰে তেওঁক ঠেলামাৰি নিজৰ কাষৰ পৰা আঁতৰাই দিয়ে। তেনেকুৱা সময়ত তেওঁ কেথেৰিণক অকলশৰে থাকিবলৈ এৰি দিয়ে, কাৰণ তেওঁ ক্ৰমান্বয়ে বুজি পাই আহিছিল যে কেথেৰিণৰ ভাল কিবা এটা কৰাটো তেওঁৰ সাধ্যৰ বাহিৰত।

গিমাৰ্টনৰ গীৰ্জাৰ ঘণ্টাধ্বনি তেতিয়াও কাণত পৰিয়েই আছিল। উপত্যকাৰ মাজেদি বৈ যোৱা নিজৰাটোৰ কুলু কুলু শ্ৰুতিমধুৰ শব্দও তেতিয়া আমাৰ কাণত পৰিছিল। গ্ৰীষ্ম কালত মৃদু বতাহৰ কঁপনিত গছৰ পাতত ৰিব্ ৰিব্ শব্দ হয়, সেই শব্দে তেতিয়া তটিনীৰ এই শ্ৰুতিমধুৰ সংগীত যেন ব্যাহত কৰে। এতিয়া কিন্তু তেনে নহয়, কাৰণ গছৰ পাতবোৰ ডাঠ হৈ ডালবোৰ ঢাকি ধৰিবৰ নৌ অথোন। গতিকে

ঘুৰিটোৰ কলৰব এতিয়াও কাণত পৰিছেহি। 'ৰাদাৰিং হাইট্‌চ'ত থাকিলে বতাহ বলি নথকা দিনত এই শব্দ সদায়েই শুনা যায়, বিশেষকৈ বৰফ গলাৰ পিছত, বা একেৰাহে কেইবাদিনো বৰষুণ হোৱাৰ পিছত। আজি এই সময়ত, এই সুমধুৰ কুলু কুলু শব্দ শুনি কেথেৰিণে 'ৰাদাৰিং হাইট্‌চ'ৰ কথাকে ভাবি আছিল। ভাবি আছিল বুলি কৈছোঁহে, কিন্তু তেওঁ কিবা ভাবিছিল নে নাই, কিবা কাণপাতি শুনিছিল নে নাই, সেই কথা ভাঠি কোৱা নাযায়। কাৰণ, মই এইমাত্ৰ কৈছোঁৱেই, তেওঁ উদাস দৃষ্টিৰে আগলৈ, বহুত দূৰলৈ চাই আছিল। তেওঁক দেখিলে তেওঁ কিবা শুনিছেই নে চাইছেই ঠিক কৰি ধৰা টান।

মই কেথেৰিণৰ ওচৰ চাপি লাহেকৈ কলোঁ, 'আইদেউ, আপোনাৰ চিঠি এখন আহিল।' তেওঁৰ এখন হাত আঁঠুৰ ওপৰত তুলি থোৱা আছিল। সেইখন হাততে মই চিঠিখন গুজি দিলোঁ। 'আপুনি চিঠিখন এতিয়াই পঢ়ক। জবাব এটা বিচাৰিছে। মই খুলি দিম নেকি চিঠিখন?'

তেওঁৰ চকুৰ দৃষ্টি নসলোৱাকৈ ক'লে, 'দে'।

মই চিঠিখন খুলিলোঁ। এখন চুটি চিঠি।

'এতিয়া পঢ়ক এইখন, মই ক'লো।'

তেওঁ হাতখন আঁতৰাই নিলে, চিঠিখন মাটিত পৰি গ'ল। মই আকৌ চিঠিখন তেওঁৰ কোলাত তুলি দিলোঁ, আৰু তেওঁ তাত চকু ফুৰাব বুলি আশা কৰি বৈ থাকিলোঁ। কিন্তু তেওঁ চিঠিখন পঢ়াৰ কোনো লক্ষণকে নেদেখুৱালত মই সুধিলোঁ, 'মই পঢ়িব লাগিব নে কি আইদেউ? চিঠিখন হিথক্লিফে দিছে।'

তেওঁ যেন উচপ খাই উঠিল। কিবা এটা মনত পৰি যেন মনত কষ্ট পাইছে তেনে এটা ভাব মুখত ফুটি উঠিল। তেওঁ যেন নিজৰ মনতে কিবা কিছুমান ভাব জুকিয়াই লবলৈ যত্ন কৰিছে তেনে এটা আভাস তেওঁৰ মুখাবয়বত প্ৰকাশ পালে। চিঠিখন তেওঁ হাতত তুলি ললে, দেখাত পঢ়িবলৈ লোৱা যেন লাগিল। পটি পটি চিঠিখনৰ তললৈ হিথক্লিফৰ চহীটো যেতিয়া পালেগৈ, তেতিয়া তেওঁ দীঘলীয়াকৈ হুমুনিয়াহ কাঢ়িলে। কিন্তু চিঠিখনৰ কথাবোৰ তেওঁৰ বুজা যেন নালাগিল, কাৰণ কি উত্তৰ দিমগৈ বুলি সুধিলত তেওঁ মাথোন নামটোলৈ আঙুলিয়াই দিলে, আৰু মোলৈ এক কৰুণ প্ৰশ্নসূচক উদ্বিগ্ন চাৱনিৰে চাই ৰ'ল। মই দেখিলোঁ যে কথাটো তেওঁক বুজাই দিব লগা হৈছে। সেইবাবে তেওঁৰ ওচৰ চাপি মই কলোঁ, 'তেওঁ আপোনাক দেখা কৰিবলৈ বিচাৰিছে। তেওঁ আহি বাগিচাত সোমাই আছে, আৰু মই কি উত্তৰ নিওঁ তালৈকে অধৈৰ্য হৈ বাপ পিটি আছে।'

এই কথা কেইটা কৈ আতাইছোঁ নতাইছোঁ, মই দেখিলোঁ তলৰ ঘাঁহনিত ৰ'দ লৈ শুই থকা প্ৰকাণ্ড কুকুৰ এটা কাণদুটা জোকাৰি থিয় হৈছে আৰু কাৰোবাক দেখি ভুকিব খুজিছে যেন কৰিছে। কিন্তু পিছ পলকতে আগন্তুকক পৰিচিত লোক বুলি বুজি পাই সি নেজ জোকাৰি চিনাকি ভাবটো প্ৰকাশ কৰিছে।



মিচেচ লিণ্টনে আগলৈ হাউলি উৎসুক হৈ কাণপাতি ৰ'ল। পিচ মুহূৰ্ততে ভিতৰলৈ সোমাই অহাৰ কোনোবা মানুহৰ খোজৰ শব্দ কাণত পৰিল। খোলা দুৱাৰ দেখি হিথক্লিফে ভিতৰলৈ সোমাই অহাৰ প্ৰলোভন সামৰিব নোৱাৰিলে। মই তাক কথা দি পাহৰিলোঁ বুলি সি বোধহয় ভাবি লৈছিল, সেইবাবে সি নিজেই নিজৰ উদ্ধত ভাবেৰেই অভীষ্ট সিদ্ধিৰ পথত আগবাঢ়িবলৈ ঠিক কৰিলে।

কেথেৰিণে ৰ লাগি কোঠাৰ দুৱাৰমুখলৈ চাই ৰ'ল। হিথক্লিফে প্ৰথমতে আচল কোঠাটো বিচাৰি পোৱা নাছিল। তাক ভিতৰলৈ সুমাই আনিবলৈ কেথেৰিণে মোলৈ ইংগিত দিলে। পিচে মই দেখুৱাই দিয়াৰ আগতেই সি কেথেৰিণ বহি থকা কোঠাটো বিচাৰি উলিয়ালে,— মই গৈ নাপালোঁৱেই, দুৱাৰমুখহে পাইছিলোঁগৈ,— আৰু দীঘল দীঘল দুটা নে এটা খোজতে সি আইদেউৰ ওচৰ চাপিল আৰু তেওঁক দুবাহুৰ মাজত সাবটি ধৰিলে। প্ৰায় চাৰি মিনিট সময়লৈ সি মুখেৰে এষো মতা নাছিল, তেওঁক তাৰ বাহু বন্ধনৰ পৰা মুকলি কৰিও দিয়া নাছিল। সেইখিনি সময়ত তেওঁৰ মুখত অজস্ৰ চুম্বন সি আকি দিছিল। মই ভবাত তেতিয়ালৈকে সিমানবোৰ চুমা সি তাৰ জীৱনত খোৱা নাছিল। কিন্তু প্ৰথমে চুমা কেথেৰিণেই খাইছিল। এটা কথা মই স্পষ্টকৈ বুজিব পাৰিছিলোঁ ঃ তেওঁৰ শেতা বিবৰ্ণ মুখলৈ চাবলৈ তাৰ সাহ হোৱা নাছিল। তেওঁক দেখা পোৱাৰ মুহূৰ্তৰ পৰাই সি ভালকৈ বুজি পাইছিল যে কেথেৰিণ আৰু সম্পূৰ্ণ সুস্থ হৈ নুঠে। মৃত্যু তেওঁৰ সন্নিকট বুলি সি উপলব্ধি কৰিছিল। এই উপলব্ধি মোৰো হৈছিল।

'অ কেথি ! অ' মোৰ জীৱনী ! তোৰ এনে অৱস্থা মই কেনেকৈ সহ্য কৰো।' এয়ে আছিল সি উচ্চাৰণ কৰা প্ৰথম কথা। তাৰ কথাৰ সুৰত তাৰ হতাশা ফুটি উঠিছিল।

এইবাৰ সি ইমান অপলক দৃষ্টিৰে তেওঁলৈ চাবলৈ ধৰিলে যে মই ভাবো দৃষ্টিৰ একাগ্ৰতাৰ বাবেই তাৰ দুচকু চলচলীয়া হৈ পৰিব। কিন্তু তাৰ দুচকু চিন্তাত ৰঙাহে পৰিল, সজল হৈ নপৰিল।

মুৰটো পিচফালে হলাই দি কেথেৰিণে হঠাৎ চলচলীয়া হৈ পৰা দুচকুৰে তালৈ একথিৰে চাই ক'লে, 'ইয়াৰ পিচত? হিথক্লিফ, তই আৰু এডগাৰ লগলাগি মোৰ হিয়াখন চুৰমাৰ কৰিলি। অথচ তহঁত দুয়ো মোৰ ওচৰলৈ আহি কন্দকটা কৰ—যেন তহঁত দুটাক হে মই পুতৌ কৰিব লাগে। মই তহঁতক পুতৌ নকৰোঁ। মই নকৰোঁ। তহঁত দুয়ো মোক মাৰিলি— ইয়াৰ ফলত তহঁতৰ বেচ ভালেই হৈছে। তহঁত যে কিমান বলী। মই যোৱাৰ পিচত আৰু কিমান বছৰ বাৰু তই জীয়াই থাকিবি, কচোন।'

হিথক্লিফে তেওঁক সাবটি ধৰোঁতে আঁঠুকাঢ়ি লৈছিল। এতিয়া সি পোন হৈ থিয় দিব খুজিছিল, কিন্তু কেথেৰিণে তাক চুলিত ধৰি বহুৱাই দিলে।

পৰম তিক্ততাৰে তেওঁ ক'লে, 'আমি দুয়োটা নমৰালৈকে মই যদি তোক ধৰি থাকিব পাৰিলোহেঁতেন । তই কি কষ্ট পাৱ নাপাৱ সেইবোৰ মোৰ চিন্তাৰ বিষয় নহয়। তই কষ্ট নুভুগিবি কিয়? মই ভুগিছোঁ। মই কবৰৰ তলত আশ্ৰয় ললেগৈ তই সুখী হবি নে? তেতিয়া তই মোক পাহৰি যাবিনে? আজিৰ পৰা কুৰি বছৰৰ পিচত তই কিজানি

কৰি, 'সেইটো কেথেৰিন আৰ্ণশ্বৰ সমাধি। বহুত দিনৰ আগতে মই তেওঁক ভাল পাইছিলোঁ; তেওঁক হেৰুৱাই মই বৰ কষ্ট পাইছিলোঁ। পিচে সেইবোৰ অতীতৰ কথা। তেওঁ যোৱাৰ পিচত আন বহুতক মই ভাল পাইছোঁ— তেওঁতকৈ মোৰ ল'ৰা-ছোৱালীবোৰ মোৰ বাবে বেচি মৰমৰ। মই মৰিবৰ সময়ত, তেওঁৰ লগ ল'ম বুলি মোৰ মনত আনন্দ লগাৰ কথা নহয়। ল'ৰা-ছোৱালী কেইটা এৰি যাব লগা হ'ল বুলি দুখহে লাগিব।'— হিথক্লিফ, তই এইদৰে নকৰিবনে বাৰু?"

নিজৰ মূৰটো তেওঁৰ দুহাতৰ মাজৰ পৰা উফাল মাৰি আঁতৰাই আনি, দাঁত কৰচি কৰচি, হিথক্লিফে ক'লে, 'মোক আৰু উৎপীড়ন নকৰিবি, নহ'লে ময়ো তোৰদৰে পাগল হৈ যাম।'

সেই সময়ত সিহঁতৰ সেই যুগল দৃশ্য যি কোনো স্থিৰ চিত্তৰ লোকৰ বাবেই অতি আশ্চৰ্যজনক আৰু ভয়ংকৰ বুলি বিবেচিত নোহোৱাকৈ নাথাকিলেহেঁতেন। কেথেৰিণে হয়তো ভাবিছিল যে তেওঁৰ পাৰ্থিৱ শৰীৰৰ লগতে পাৰ্থিৱ চৰিত্ৰটোও এৰি থৈ যাব নোৱাৰিলে স্বৰ্গৰাজ্যও হ'ব তেওঁৰ বাবে নিৰ্বাসনৰ স্থান মাত্ৰ। শেঁতা গাল, নিস্তেজ ওঁঠ, আৰু তিৰবিৰাই থকা চকুৰে তেওঁৰ সমস্ত মুখাৱয়ৱত এক বন্য হিংস্ৰতাৰ ভাব ফুটি উঠিছিল। তেওঁৰ হাতৰ খামোচত হিথক্লিফৰ চুলিৰ একোচা তেতিয়াও ৰৈ গৈছিল। হিথক্লিফে এটা হাতত ভেজা দি উঠিবলৈ যত্ন কৰি আনটো হাতেৰে কেথেৰিনৰ সাবট মাৰি ধৰিছিল। সি তেওঁক সেই দুৰ্বল অৱস্থাত ইমান জোৰেৰে হেঁচি ধৰিছিল যে তেওঁৰ দুবাহুৰ মাজৰ পৰা সি গুলাই গলত তেওঁৰ গাত নীলা নীলা দাগ বহি যোৱা দেখা গৈছিল।

একে উন্মত্তভাবে সি তেওঁক সুধিলে, 'তোক কোন জনাই লগ্নিছে যে মৰিবলৈ ওলাই তই মোক এইদৰে কৰ পাৰিছ? তই ভাবিছ নে কি যে তোৰ এই সমস্ত কথা মোৰ মনত ৰৈ যাব, আৰু তই মোক এৰি যোৱাৰ পিচত অহৰ্নিশে মোৰ বুকুত শেল মৰাদি মাৰি থাকিব? মই তোক মাৰিলোঁ বুলি কওঁতে যে তই সঁচা কোৱা নাই সেই কথা তই ভালকৈ বুজি পাব, মই জানো। এই কথাটোও তই, কেথেৰিণ, ভালকৈ জান যে মোৰ বাবে তোক পাহৰি যোৱাটো মোৰ নিজৰ অস্তিত্ব পাহৰি যোৱাৰ দৰেই অসম্ভৱ কথা। তই শান্তিত থাকিবি আৰু মই নাৰকীয় যন্ত্ৰণাত তিলতিলকৈ ভুগি মৰিম— এইখিনিয়েই তোৰ পৈশাচিক স্বাৰ্থপৰতাৰ বাবে যথেষ্ট নহয় নে?' কেথেৰিন ইমান উত্তেজিত হৈ পৰিছিল যে তেওঁৰ বুকুৰ স্পন্দন দ্ৰুত হৈছিল, তেওঁৰ ফোপনি উঠিছিল, আৰু তেওঁ অত্যন্ত ক্লান্ত হৈ পৰিছিল। তেওঁৰ বুকুৰ ধপধপনি মোৰ কাণত পৰিছিল।

'মই শান্তি নাপাম', তেওঁ সেঁহাই সেঁহাই ক'লে। উত্তেজনাৰ চাপ শাম নকটালৈ তেওঁ আৰু একো ক'ব নোৱাৰিলে। মাজতে ৰৈ গ'ল।

অলপ পিচত লাহে লাহে তেওঁ পুনৰ কবলৈ আৰম্ভ কৰিলে : "হিথক্লিফ, মই ভোগাতকৈ অধিক যন্ত্ৰণা তই ভোগ কৰাটো মই বিচৰা নাই। আমাৰ দুয়োৰে বিচ্ছেদ



নঘটাটোৱেই মোৰ চৰম অভিলাষ। মই মৰাৰ পিচত, মোৰ কিবা কথাই যদি তোক যন্ত্ৰণা দিয়ে, ঠিক জানিবি, সমাধিৰ গহ্বৰত থাকিও, ময়ো সেই একেই যন্ত্ৰণা ভোগ কৰিম। মোৰ কথা ভাবি, মোক ক্ষমা কৰি দে। আহ, মোৰ ওচৰলৈ আহ। আকৌ আঁঠুকাঢ়ি মোৰ ওচৰ চাপ। তোৰ জীৱনত তই মোক কেতিয়াও একো অন্যায় কৰা নাই। মোৰ ওপৰত তই যদি খং ৰাখ, মোৰ কটু কথাতকৈও তোৰ সেই খং তোৰ নিজৰ বাবে অধিক যন্ত্ৰণাদায়ক হ'ব। এইখিনিলৈ নাহ' আকৌ? আহচোন।'

হিথক্লিফ গৈ তেওঁৰ চকীৰ পিচফালে থিয় হ'ল, আৰু তেওঁৰ গাত হেলান দিলে, কিন্তু এনেভাৱে দিলে যে তাৰ মুখখন কেথেৰিণৰ চকুত নপৰে। তাৰ মুখখন প্ৰবল আবেগত নীলা হৈ গৈছিল। তাক চাবলৈ তেওঁ ঘূৰি বহিলে, কিন্তু সি বাধা দিলে। হঠাতে সি উচাট মাৰি আঁতৰি গৈ জুহালৰ ওচৰ পালেগৈ, আৰু তাতে আমাৰ ফালে পিঠি দি নীৰৱে থিয় হৈ ৰ'ল।

কেথেৰিণৰ সশংকিত দৃষ্টিয়ে তাক অনুসৰণ কৰিছিল। তাৰ প্ৰতিটো চলন বিচলনেই তেওঁৰ মনত নতুন আবেগৰ উদ্ৰেক কৰিছিল। খন্তেক পৰ মনে মনে থাকি আৰু একেথৰে তালৈ চাই থাকি তেওঁ আকৌ কথা ক'বলৈ ধৰিলে। এইবাৰ কথাবোৰ মোক সম্বোধন কৰি কোৱা। তেওঁৰ কথাত ক্ৰোধ আৰু হতাশাৰ সুৰ স্পষ্ট। তেওঁ কৈ গ'ল : 'চাচোন, নেলী, মৃত্যুৰ হাতৰ পৰা বচাবলৈ সি মোক তিলমান দয়া-মৰমো দেখুৱাব নোখোজে। সি আৰু' বোলে মোক ভাল পায়! তাৰ ভালপোৱাৰ প্ৰমাণ সেইটোৱেই! হব বাৰু। সেইটো হিথক্লিফ মোৰটো হিথক্লিফ নহয়। মোৰ হিথক্লিফক মই এতিয়াও ভাল পায়েই থাকিম। তাক মোৰ লগতে লৈ যাম— সি মোৰ অন্তৰাত্মাত সোমাই আছে।' তাৰ পিচত চিন্তা কৰি কোৱাদি ক'লে, 'এই ভগ্নস্তূপ বন্দীশালখনেই মোৰ যন্ত্ৰণাৰ প্ৰধান কাৰণ। ইয়াত সোমাই থাকি থাকি মোৰ অসহ্য লাগিছে। মই সেই বিশাল মুক্ত জগতখনত বিচৰণ কৰিবলৈ বিচাৰোঁ। অভিলাষ মাত্ৰ নহয়— প্ৰাণে মনে উপভোগ কৰিবলৈ বিচাৰোঁ সেই মুক্ত জগতৰ স্বাদ। সেই জগতৰ এক সত্তা হবলৈ লাগে মোক। নেলী, তই ভাবিছ, তোৰ অৱস্থা মোতকৈ ভাল, আৰু তই অধিক সৌভাগ্যৱতী। তোৰ গাত শক্তি আছে, স্বাস্থ্য আছে। তোৰ মোলৈ পুতৌ হয়, মই জানো। সোনকালেই এই পৰিস্থিতিৰ সলনি হ'ব। মই তোক পুতৌ কৰিম। মই তহঁত সকলোৰে উৰ্দ্ধলৈ গতি কৰিম। আচৰিত কথা, হিথক্লিফ মোৰ ওচৰ নাচাপে।' তেওঁ নিজকে কোৱাদি কৈ গ'ল,'মই ভাবিছিলোঁ সি মোৰ ওচৰ চাপিব খুজিছিল। হিথক্লিফ, সোণটো। তই এতিয়া বেজাৰ কৰি নাথাকিবি। আহচোন, মোৰ কাষলৈ আহ, হিথক্লিফ।'

হিথক্লিফৰ ওচৰ চপাৰ ইচ্ছা তেওঁৰ ইমান প্ৰবল হ'ল যে তেওঁ চকীখনৰ এদাঁতিত ধৰি থিয় দিলে। তেওঁৰ একান্ত মিনতি শুনি সি তেওঁলৈ ঘূৰি চালে। দৃষ্টিত তাৰ প্ৰচণ্ড উন্মত্ততা। তাৰ সজল, বহল চকু দুটা এটা সময়ত কেথেৰিণৰ ওপৰত স্থিৰ হৈ ৰ'ল। আবেগত তাৰ বুকুৰ উঠানমা তীব্ৰ হ'ল। এক লহমা সিহঁত আঁতৰা আঁতৰি হৈ আছিল, কিন্তু তাৰ পিচত কোন মুহূৰ্তত, মই তৰ্কিবই নোৱাৰিলোঁ, কেথেৰিণ তাৰ পিনে যেন জাপ মাৰি গ'ল আৰু সি তেওঁক এনে এক দৃঢ় বাহুবন্ধনত সুমাই ললে

যে তাৰ পৰা তেওঁ জীৱন্তে ওলাই আহিব পাৰিব বুলি মই ভাবিব পৰা নাছিলোঁ। আচল কথা, তেওঁ দেখ্‌দেখকৈয়ে বাহ্যজ্ঞান শূন্য হৈ পৰিছিল। হিথ্‌ক্লিফে ওচৰতে থকা চকী এখনলৈ নিজকে দলিয়াই দিয়া দি দিলে, আৰু কেথেৰিণ আহিদেউ মূচকচ গ'ল নেকি চাবলৈ বুলি মই লৰালৰিকৈ ওচৰ চাপিলত, সি মোলৈ চাই দাঁত কৰচিবলৈ ধৰিলে, আৰু পগলা কুকুৰৰ দৰে মুখেদি ফেনাবলৈ ললে, আৰু প্ৰবল আসক্তিৰে কেথেৰিণক নিজৰ বুকুৰ মাজলৈ টানি নিলে। তাক দেখি সেই সময়ত মোৰ এনেহে লাগিছিল যেন সি মানুহ নামধাৰী জীৱ নহয়। মোৰ ভাব হ'ল যে সেই মুহূৰ্তত মই কিবা কথা কলেও সি কিজানি বুজি নাপাব; সেইবাবে মই অলপ আঁতৰত, কিংকৰ্তব্যবিমূঢ় হৈ, নিমাতে থিয় দি থাকিলোঁ।

কেথেৰিণে অলপ লৰচৰ কৰা দেখি মই অলপ আশ্বস্ত হলোঁ। হাতখন মেলি তেওঁ তাৰ গলত সাবটি ধৰিব খুজিছিল, আৰু নিজৰ গালখন তাৰ গালৰ ওচৰ চপাই দিছিল। এই গোটেইখিনি সময় তেওঁ তাৰ কোলাতে আছিল। উন্মত্তভাৱে তেওঁক আকোঁৱালি লৈ আৰু ঘনে ঘনে চুমা খাই সি কৈ গ'ল ঃ 'তই কিমান নিষ্ঠুৰ সেই কথা মই এতিয়া বুজিছোঁ। নিষ্ঠুৰ আৰু অবিশ্বাসী। তই মোক কিয় ঘিণ কৰিছিলি? কচোন কেথি, তই নিজৰ অন্তৰখনক বিশ্বাসঘাতকতা কৰিছিলি কিয়? তোৰ প্ৰতি মোৰ এষাৰিও পুতৌৰ মাত নাই। এয়া তোৰ প্ৰাপ্য। তই নিজে নিজক তিল তিলকৈ মাৰিছ। বুজিছোঁ, এতিয়া তই মোক চুমাৰে ওপচাই পেলাব পাৰ, কান্দিব পাৰ; মোৰ পৰা হাজাৰ চুমা আদায় কৰি লব পাৰ, মোক কন্দুৱাব পাৰ। মোৰ চুমা আৰু চকুপানীয়ে তোক ধ্বংস কৰিব, তোক অভিশপ্ত কৰিব। তই মোক ভাল পাইছিলি। তেনেহলত মোক ত্যাগ কৰাৰ তোৰ কি অধিকাৰ আছিল? কি অধিকাৰ? উত্তৰ দে মোক। লিণ্টনৰ প্ৰতি সাময়িক আকৰ্ষণৰ বাবে? ভগৱান বা চয়তানে দিয়া কোনো প্ৰকাৰ দুখ-যন্ত্ৰণা, অধঃপতন, আনকি মৃত্যুৱেও আমাৰ বিচ্ছেদ ঘটাব নোৱাৰিলেহেঁতেন। তেনেহলত তই স্বইচ্ছাৰে এই বিচ্ছেদ ঘটালি। মই তোৰ অন্তৰ চূৰ্ণ-বিচূৰ্ণ কৰা নাই। কৰিছ তই নিজে। আৰু তোৰ নিজৰ অন্তৰ ভাঙি চুৰমাৰ কৰোঁতে তই মোৰ অন্তৰো ভাঙি গুড়ি কৰি দিলি। মই এতিয়াও সবল হৈ আছোঁ—সেইটোৱেই মোৰ দুৰ্ভাগ্য। মই জীয়াই থাকিবলৈ বিচাৰোঁ জানো? হায় বিধাতা। তোৰ অবিহনে, তোৰ আত্মা সমাধিৰ গহ্বৰত ৰাখি, মোৰ জীয়াই থকাৰ অৰ্থই বা কি?'

কেথেৰিণে উচুপি উচুপি কলে ঃ 'মোক এৰি দে। মোক এৰি দে। মোক অকলে থাকিবলৈ দে। মই যদি কিবা অন্যায় কৰিছিলোঁ, তাৰ প্ৰায়শ্চিত্ত মই মোৰ মৃত্যুৰে কৰিছোঁ। যথেষ্ট হৈছে। তয়ো মোক এৰি গুচি গৈছিলি। কিন্তু তোক মই ভৰ্ৎসনা নকৰোঁ। মই তোক ক্ষমা কৰি দিছোঁ। তয়ো মোক ক্ষমা কৰি দে।' 'ক্ষমা? কাক ক্ষমা কৰিব লাগে? ক্ষমা নাই। কি হত কি হ'ল! কি সুন্দৰ এহাল চকু কি হ'ল। আকৌ মোক এটা চুমা দে, কেথি। তোৰ চকুহাল মই চাব নোৱাৰোঁ। তই মোৰ প্ৰতি যি কৰিলি তাৰ বাবে তোক মই ক্ষমা কৰি দিছোঁ। মই মোৰ হত্যাকাৰিণীক ভাল পাওঁ। কিন্তু তোৰ হত্যাকাৰীক? সেইটো কেনেকৈ সম্ভৱ হ'ব?'

খন্তেক পৰ সিহঁত দুয়ো নীৰৱে ৰ'ল। চকুলোৱে দুয়োটাৰে গাল উটি গ'ল। মোৰ



ধাৰণা, সাবটাসাবটি কৰি সিহঁত দুয়ো উচুপিছিল। এনে একোটা পৰিস্থিতিত হিথ্‌ক্লিফেও কান্দিব পাৰে যেন লাগিছিল।

ইতিমধ্যে বেলি লহিয়ালে। আবেলি হ'ল। মোৰ বৰ অস্বস্তি লাগিল। সুমথিৰা টেঙা বিচাৰি আনিবলৈ পঠোৱা মানুহটো ঘূৰি আহিল। ছাঁবোৰ দীঘল দীঘল হ'ল। গিমাৰটনৰ গীৰ্জাৰ চূড়াত কুঁৱলীৰ আৱৰণ এটা ডাঠ হৈ দেখা দিলে।

'গীৰ্জাৰ প্ৰাৰ্থনা শেষ হ'ল', মই জাননী দিলোঁ। 'গৃহস্থ আহি আধাঘণ্টামানৰ ভিতৰত ইয়াত ওলাবহি।' মোৰ কথা শুনি হিথ্‌ক্লিফে গেঙনি এটা মাৰি মোক এজাউৰি শাওপাত দিলে, আৰু কেথেৰিণক আৰু জোৰেৰে বুকুৰ মাজলৈ টানি ললে। তেওঁ নিশ্চল হৈয়ে ৰ'ল।

খন্তেক পিচতে কেইটামান চাকৰ পাকঘৰৰ পিনে আগবাঢ়ি অহা মই দেখা পালোঁ। সিহঁতৰ পিচে পিচে কিছু দূৰত লিণ্টন। পদূলিৰ গেটখন তেওঁ নিজেই খুলিলে, আৰু জহকালি যেন লগা আবেলিৰ কোমল মিঠা ৰ'দ চেৰেঙাৰ উম উপভোগ কৰি কৰি লাহে লাহে ঘৰৰ পিনে আগুৱাই আহিল।

মই উৎকণ্ঠিত হৈ ক'লো, 'তেওঁ আহি পালেই। ভগৱানৰ দোহাই, ইয়াৰ পৰা ওলাই তললৈ নামি যা। আগফালৰ খটখটিত কোনো নাই, তাত কাকো লগ নাপাবি। খৰ কৰ। তেওঁ ভিতৰ নোসোমোৱালৈকে গছবোৰৰ মাজত লুকাই থাক গৈ।'

কেথেৰিণৰ বাহু বন্ধনৰ পৰা নিজকে মুক্ত কৰিবলৈ লৈ হিথ্‌ক্লিফে ক'লে, 'মই যাওঁ কেথি। কিন্তু মই যদি জীয়াই থাকোঁ, তই টোপনি যোৱাৰ আগতে মই তোক আকৌ লগ পাম। মই তোৰ খিৰিকীৰ পৰা দহ হাত দূৰলৈকো নাযাওঁ।'

দুৰ্বল দেহাৰ শক্তিৰে আঁটি মানে তাক সাবটি ধৰি কেথিয়ে ক'লে, 'তই যাব নোৱাৰ। মই কৈ দিছোঁ, তই নোৱাৰ যাব।'

সি মিনতিৰ সুৰত ক'লে, 'মাত্ৰ এঘণ্টাৰ বাবে।'

'একমিনিটৰ বাবেও নোৱাৰ যাব,' তেওঁ উত্তৰ দিলে।

ভীতিবিহ্বল অনুপ্ৰবেশকাৰীয়ে উত্তৰ দিলে, 'মই যাবই লাগিব। লিণ্টন ওলাবহিয়েই এতিয়া।'

এইবুলি কৈ সি বহাৰ পৰা উঠি তেওঁৰ হাতৰ সাবটৰ পৰা নিজকে মুকলি কৰিব খুজিলে, কিন্তু কেথেৰিণে তাক আৰু জোৰেৰে সাবটি ললে। উত্তেজনাত তেওঁৰ উশাহ চুটি হ'ল। তেওঁৰ মুখমণ্ডলত এক উন্মাদ দৃঢ়তা পৰিস্ফুট হৈ পৰিল।

তেওঁ চিঞৰি চিঞৰি ক'লে, 'নহ'ব। নোৱাৰ যাব। নাযাবি। নাযাবি না। এয়ে শেষ বাৰ। এডগাৰে আমাক একো অপকাৰ নকৰে। হিথ্‌ক্লিফ, মই মৰিম। মই মৰিম।'

জাপ মাৰি উঠি আকৌ চকীখনত বহি লৈ হিথ্‌ক্লিফে ক'লে, 'জহন্নামে যাবলৈ ধৰা মূৰ্খটো আহি ওলালহিয়েই। মৰমী জনী, মনে মনে থাকা। নাকান্দিবা। কেথেৰিণ, নাকান্দিবা। মই বাৰু থাকিম। নাযাওঁ। সি মোক ইয়াতে গুলী কৰিলেও মই মুখত আশীৰ্বাদৰ মাত এষাৰ লৈয়ে মৰিম।'

আকৌ দুয়ো বাহুবন্ধনত নিমগ্ন হ'ল। খটখটিৰে গৃহস্থ ওপৰলৈ উঠি অহাৰ শব্দ মোৰ কাণত পৰিল। মই স্ত্ৰৱ ঘামে ঘামিবলৈ ললোঁ। মই ভয়ত পেপুৱা লাগিলোঁ।

মই বৰ উত্তেজিত সুৰত হিথক্লিফক কলোঁ, 'তই তেওঁৰ বলিয়ালি প্ৰলাপলৈ কাণ দিছ কিয়? তেওঁ কি কৈছে নিজেই নাজানে। নিজক বচাবৰ বাবে কাণ্ডজ্ঞান তেওঁৰ নোহোৱা হ'ল বুলিয়েই তই তেওঁক ডুবাবি নে? উঠ। তই তৎক্ষণাত নিজকে তেওঁৰ পৰা আঁতৰাই আনিব পাৰ। তই কৰা কামৰ ভিতৰত এইটোৱেই আটাইতকৈ নৃশংস। আমি আটাইবোৰ নিগমে মৰিলোঁ— গৃহস্থ, গৃহস্থনী, চাকৰ, সকলো একেলগে ডুবিলোঁ।'

অসহায় হৈ মই হাত দুখন মোহাৰি মোহাৰি চিঞৰিবলৈ ধৰিলোঁ। মোৰ চিঞৰ শুনি লিণ্টন খৰ খুজীয়াকৈ ওপৰলৈ উঠি আহিল। উত্তেজনাৰ সেই চৰম মুহূৰ্তটোত এটা কথাত চকু পৰিলত মই সামান্য স্বস্তিৰ নিশ্বাস এৰিলোঁ— কেথেৰিণৰ হাত দুখন হিথক্লিফৰ গাৰ পৰা এৰাই পৰিছে আৰু তেওঁৰ মূৰটো তললৈ দোঁ খাই গৈছে।

'সেই পৰাকী মৰিলেইহনে মূচকচেই গ'ল—কি বা হ'ল।' মোৰ মনত তেনে এটা ভাবেই খেলালে। 'সি হৈছে ভালেই হৈছে। মৰিছে যদি উত্তম হয়। জীয়াই থাকি আটাইৰে বাবে এটা বোজা হ'বলৈহে হৈছে। আটাইকে ভাল দুৰ্ভোগ ভোগাইছে।'

এড্‌গাৰ লিণ্টন তেওঁৰ অনিমন্ত্ৰিত অভ্যাগতৰ ওপৰত জাপিয়াই পৰিল। বিস্ময় আৰু ক্ৰোধত মানুহটো তেতিয়া একেবাৰে শেতা পৰি গৈছিল। তেওঁ কি কৰিবলৈ উদ্যত হৈছিল মই ক'ব নোৱাৰোঁ। ইটোৱে কিন্তু যেনেকৈ পাতি নধৰিলে, শান্ত হৈয়ে ৰ'ল। দেখাত প্ৰাণহীন দেহাটো সি দুবাহুৰ মাজত সুমাই ললে।

'মোৰ কথা শুন।' সি এড্‌গাৰক ক'লে, 'যদি তই মানুহেই হৱ, পিশাচ নহৱ, তেন্তে পোন প্ৰথমে কেথেৰিণক ভাল কৰিবলৈ চা। পিচে পৰেও মোৰ লগত তোৰ কথা হ'ব পাৰিব।'

এইবুলি কৈ সি আগফালৰ বহা কোঠালৈ ওলাই গৈ তাতে বহিল। মিঃ লিণ্টনে মোক মাতি পঠালে। বহুত কষ্ট কৰি, অনেক প্ৰবন্ধে, অনেক সাধ্য সাধনা কৰি আমি তেওঁৰ উঁহ ঘূৰাই আনিলোঁ। কেথেৰিণে হুমুনিয়াহ এটা চাৰিলে, কেঁকালে, কিন্তু কাকো চিনি নাপালে। পত্নীৰ জীৱনৰ প্ৰতি উদ্বিগ্নতাত লিণ্টনে ঘৃণিত শত্ৰু হিথক্লিফৰ কথা পাহৰিয়েই গ'ল। মই কিন্তু পাহৰা নাছিলোঁ। চেগ চাই মই তাৰ ওচৰলৈ গৈ ক'লোঁ যে কেথেৰিণ ভালৰ পিনে আহিছে, আৰু সি ততালিকে আঁতৰ হ'ব লাগে। ৰাতিটো কি দৰে পাৰ হয় সেই কথা পুৱা সি মোৰ পৰা জানিবলৈ পাব বুলিও মই তাক আশ্বাস দিলোঁ।

মই কোঠাৰ পৰা ওলাই যাবলৈ আপত্তি নকৰোঁ, কিন্তু মই বাগিচাত লুকাই থাকিমগৈ। আৰু নেলী, মনত ৰাখিবি, কালিলৈ তই তোৰ কথা ৰাখিব লাগিব। মই সৌ নাগফলা কেইজোপাৰ ওচৰতে ৰৈ থাকিম। তই যদি কথা নাৰাখ, ঠিক জানিবি, আধাধেনা দুৱাৰখনেদি ভিতৰলৈ এবাৰ ভুমুকিয়াই চালে, আৰু মই কোৱা কথাৰ সত্যতা দেখা পাই 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ পৰা ওলাই গ'ল।

# ১৬

সেই নিশা বাৰ বজাত, আপুনি 'ৱাদাৰিং হাইট্‌চ্'ত দেখা কেথেৰিণ নামৰ ছোৱালীজনীৰ জন্ম হৈছিল। সাত মহীয়া গৰ্ভৰ এটি ক্ষুদ্ৰকায় শিশু। তাৰ দুঘণ্টাৰ পিচতে শিশুটিৰ মাকে ইহলীলা সামৰিলে। অন্তিম মুহূৰ্তত, তেওঁ হিথক্লিফকো নিচিনাকিলে, এড্‌গাৰকো চিনি নাপালে। সেই যে বেহুঁচ হৈছিল, তাৰ পিচত তেওঁৰ সংজ্ঞা আৰু পুৰাপুৰিকৈ ঘূৰি নাহিল।

কেথেৰিণক হেৰুৱাই এড্‌গাৰ বলীয়া হোৱাদি হ'ল। সেইটো এটা বৰ দুখলগা আৰু দীঘলীয়া কাহিনী। তেওঁৰ বেদনা কিমান গভীৰ আছিল সেই কথা তেওঁৰ কাৰ্য আৰু আচৰণৰ পৰা জনা গ'ল।

উত্তৰাধিকাৰী নোহোৱাটো তেওঁৰ বেদনাৰ এটি প্ৰধান কাৰণ বুলি মোৰ ভাব হৈছিল। ক্ষীণমিন শিশুটিক চাই চাই মই সেই কথাই ভাবিছিলোঁ, ভাবি ভাবি মোৰ দুখ লাগিছিল।

বেচেৰা নিঃসহায় শিশুটি! এটি অবাঞ্ছিত প্ৰাণী। তাইৰ জীৱনৰ প্ৰথম কেইঘণ্টাত কান্দি কান্দি মৰি যাবলৈ ওলোৱা যেন হওঁতেও আগবাঢ়ি আহি তাইক হাতত তুলি ল'বলৈ কোনো নাছিল। পিচলৈ অৱশ্যে আমি তাইৰ ভাল আদৰ যত্ন লৈছিলোঁ। প্ৰয়োজনতকৈও বেচি যেনেকৈয়ে লৈছিলোঁ। কিন্তু হ'লে কি হ'ব, ওপজাৰ সময়ত আপোন বুলিবলৈ নথকা ছোৱালীটিৰ মৰিবৰ সময়তো একেই দশা হয় গৈ নে কি?

পিচদিনাৰ ব'দালি পুৱা— বতৰ বেচ ফৰকাল আছিল। বহিৰ্জগতৰ পৰিবেশ আছিল আনন্দমুখৰ, কিন্তু 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ত নিমাওমাও পৰিবেশ। ব'দৰ পোহৰ আহি কোঠাত পৰিছিলহি। তোফা এখনত এড্‌গাৰ লিণ্টন চকু মেলি শুই আছিল— ৰ'দৰ জিলিকনি তেওঁৰ গালে মুখে পৰিছিল। তেওঁৰ কাষত কেথেৰিণৰ মৃত শৰীৰটো পৰি আছিল। দেখাত তেওঁকো নিষ্প্ৰাণ যেনেই লাগিছিল। তেৰোঁ সমানেই স্থাণুৰ হৈ আছিল। লৰচৰ নাই। নিদাৰুণ মানসিক যন্ত্ৰণাৰ পৰা নিষ্কৃতি পোৱাৰ ক্লান্তিত তেওঁ যেন অৱশ হৈ পৰিছিল। কিন্তু কেথেৰিণৰ মৃত দেহৰ জড়তা আছিল পূৰ্ণ শান্তিৰ প্ৰতীক। প্ৰাণহীন অৱস্থাতো তেওঁক অপৰূপা যেন লাগিছিল। ভ্ৰূযুগল তেওঁৰ নিমজ হৈ আছিল, চকুৰ পতা জাপ খাই আছিল, ওঁঠহালত যেন এটি মিচিকি হাঁহি বিৰিঙিছিল। স্বৰ্গৰ অপেচৰীও কিজানি দেখিবলৈ সিমান ধুনীয়া নহয়। যি পৰম শান্তিত তেওঁ বিশ্ৰাম লৈছিল, সেই শান্তি যেন ময়ো মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিলোঁ। স্বৰ্গীয় শান্তিত নিমগ্ন হৈ থকা সেই মূৰ্তিটো চাই থাকোঁতে মোৰ মনো এক পবিত্ৰতাৰ

আভাসেৰে সিক্ত হৈ পৰিছিল। মাত্ৰ কেইঘণ্টামানৰ আগতে কিবা যেন প্ৰেৰণা প্ৰণোদিত হৈ তেওঁ উচ্চাৰণ কৰা এই কথা বেইখাৰ মোৰ মনলৈ আহিল ঃ ''আমাৰ পৰা সুদূৰত, আমাৰ সকলোৰে পৰা উৰ্দ্ধত। মৰ্তত্তেই বা স্বৰ্গতেই যতেই বিচৰণ কৰি নাথকক তেওঁৰ আত্মাই ভগৱৎ শান্তিত আশ্ৰয় লৈছে।''

মোৰ নিজৰ কথা এটা বৰ অদ্ভুত যেন লাগে ঃ মৃতকৰ ওচৰত পৰ দি থাকিলে, আন কোনোৱে যদি কাষত বৈ কন্দাকটা কৰি নাথাকে, তেন্তে এক বিৰল সুখানুভৱ মোৰ হয়। এই পাৰ্থিব সংসাৰ বা নৰক একোৱেই বিঘ্নিত কৰিব নোৱৰা এক শান্তি যেন মই প্ৰত্যক্ষ কৰোঁ। পৰলোকৰ স্বৰূপ যেন তেনে অৱস্থাত মই উপলব্ধি কৰিব পৰা হওঁ— অন্তহীন আলোকময় এক অস্তিত্ব, য'ত জীৱন অসীম, প্ৰেম সহানুভূতিৰে প্লাবিত, আৰু আনন্দ অবিমিশ্ৰ আৰু সম্পূৰ্ণ। কেথেৰিণৰ নিষ্প্ৰাণ দেহৰ কাষত বৈ থাকোঁতে, লিণ্টনৰ প্ৰেমো স্বাৰ্থভাৱশূন্য নাছিল বুলি মোৰ ধাৰণা হৈছিল, নহলেনো মুক্তি পাই আঁতৰি যোৱা কেথেৰিণৰ বাবেনো তেওঁ ইমানদৰে শোক কৰেনে?

সংসাৰত থকা দিন কেইটা তেওঁ শান্তিত নাছিল—তেওঁ কটাইছিল এক উচ্ছৃংখল জীৱন; ধৈৰ্যৰে জীৱনৰ জয় পৰাজয় গ্ৰহণ কৰাৰ প্ৰবৃত্তি তেওঁৰ নাছিল। তেনে এক ব্যক্তিৰ আত্মাই পৰলোকত শান্তি পাব জানো পাৰে? নিৰুদ্বেগ মুহূৰ্তত, যুক্তিতৰ্কৰে চালিজাৰি চাই, এনেবোৰ সন্দেহক হয়তো প্ৰশ্ৰয় দিব পাৰি, কিন্তু মৰা শ এটা আগত লৈ নোৱাৰি।

শৱ দেহ দেখিলে সদায়েই এক শান্তিৰ ভাবেই আহে—মৃতকৰ জীৱন পৰিক্ৰমাৰ লগত সি অসম্পৃক্ত নে কি সেই ভাব তেতিয়া মনত নেখেলায়।

'মহাশয়, আপুনি কওঁকচোন বাৰু, এনেবোৰ মানুহ পৰলোকত সুখী হ'ব পাৰেনে? মোৰ জানিবৰ বৰ মন যায়।'

শ্ৰীমতী ডীনৰ উত্তৰ মই নিদিলোঁ। প্ৰশ্নটো মোৰ বাবে কিবা বামাচাৰী যেন লাগিছিল। শ্ৰীমতী ডীনে কৈ গ'ল ঃ 'কেথেৰিণ লিণ্টনে যি ভাবে জীৱন অতিবাহিত কৰিলে, সেই কথা ভাবিলে তেওঁ যে পৰলোকত সুখী হ'ব পাৰিছে, তেনে নালাগে। পিচে তেওঁ এতিয়া ভগৱানৰ হাতত। এইবোৰ কথা চিন্তা কৰাৰ প্ৰয়োজন নাই।'

এডগাৰ লিণ্টনক টোপনি গৈ থকা যেন লাগিছিল। সূৰ্যোদয়ৰ লগে লগে মই কোঠাটোৰ পৰা হাতত সাৰে ভৰিত সাৰে বাহিৰলৈ ওলালোঁ। বাহিৰৰ মুকলি বতাহত মোৰ গা মন ভাল লাগিল। চাকৰ-বাকৰবোৰে ভাবিছিল যে মই গোটেই নিশা উজাগৰে বহি থকাৰ পিচত টোপনি ভাঙিবলৈ বাহিৰলৈ ওলাইছোঁ, কিন্তু মোৰ মাই উদ্দেশ্য আছিল হিথক্লিফক দেখা কৰা। বাগিচাৰ গছবোৰৰ মাজতে যদি সি ওৰে ৰাতি সোমাই আছে তেন্তে এইপিনে ঘৰৰ ভিতৰত কি ঘটিছে সি গম পোৱাৰ কথা নহয়। গিমাৰটনলৈ অৱশ্যে খবৰ পঠোৱা হৈছিল, আৰু খবৰ লৈ যোৱা মানুহটোক ঘোঁৰা দেখুৱাই যোৱা যদি সি দেখা পাইছে তেতিয়া হয়তো সি ঘটনাটো অনুমান কৰিবও পাৰে। যদি সি ঘৰৰ তেনেই ওচৰত আছিলেই তেন্তে হ'লে ঘৰৰ দুৱাৰ খিৰিকি



জপোৱা মেলা, চাকৰি পোহৰ ইফালে সিফালে অনা নিয়া কৰা ইত্যাদিৰ পৰা ভিতৰত যে কিবা এটা ঘটিছে সেই কথা কিজানি বুজিব পাৰিছে।

মই হিথক্লিফক লগ কৰিবলৈ ওলাইছিলোঁ যদিও তাৰ মুখামুখি হ'বলৈ পেটে পেটে ভয়ো খাইছিলোঁ। দুঃসংবাদটো তাক দিবই লাগিব বুলি মই ঠিক কৰিছিলোঁ, কিন্তু কেনেকৈ দিয়া যায় সেইটোহে ভাবি পোৱা নাছিলোঁ। হিথক্লিফ বাগানৰ গছৰ আঁৰ লৈ থিয় দি আছিল। মই তাক তাতে লগ পালোঁ। বুঢ়া গছ এজোপাত সি হেলান দি আছিল— টুপিটো মূৰৰ পৰা খুলি লৈছিল। তাৰ চুলিবোৰ নিয়ৰত তিতি জপ্‌জপীয়া হৈ আছিল। সি সেই একেটা ভংগীতে নিশ্চয় বহুতপৰ নিথৰ হৈ থিয় দি আছিল, কাৰণ চৰাই চিৰিকটিবোৰে মানুহ এটা যে ওচৰতে থিয় দি আছে তালৈ ভ্ৰূক্ষেপেই কৰা নাছিল— সিহঁতে তাক জগাকাঠ বুলিহে ভাবিছিল। পাতসীয়া এহালে এবাৰ ইফালে এবাৰ সিফালে উৰাউৰি কৰি ওচৰতে বাঁহ সাজি থকা মোৰ চকুত পৰিছিল। মই ওচৰ চাপিলত চৰাই হাল উৰি গ'ল, আৰু হিথক্লিফে মই যোৱা গম পাই মূৰ তুলি মোলৈ চাই ক'লে, 'কেথেৰিণ মৰিল। তই খবৰ দিবলৈ অহালৈ জানিবলৈ মই বৈ থকা নাই। চকুৰ পৰা কমাল গুচা— মোৰ আগত সোঁত সোঁতাই থাকিবলৈ নাহিবি। তহঁত আটাইবোৰ জহন্নামে যাইক। তহঁতৰ চকুপানীৰ তেওঁৰ দৰকাৰ নাই।'

মই অকল কেথেৰিণৰ শোকতে কন্দা নাছিলোঁ, হিথক্লিফৰ বেজাৰতো মই কান্দিছিলোঁ। তালৈ মোৰ বৰ দুখ লাগিছিল। নিজৰ বা আনৰ কাৰো প্ৰতিয়েই কোনো মায়া মমতা নথকা লোককো আমি প্ৰায়ে সহানুভূতি দেখুৱাওঁ। তাৰ মুখলৈ প্ৰথমবাৰ চায়েই ঘটনাৰ সম্বেদ সি পাইছে বুলি মই ধৰিব পাৰিছিলোঁ। তাক দেখি একেবাৰে অবাস্তৱ ভাব এটা মোৰ মনলৈ আহিছিল। তাৰ ওঁঠ দুটা যেন কঁপিছিল, সি একেথিৰে তললৈ চাই আছিল। তাকে দেখি মই ভাবিলোঁ যে তাৰ অন্তৰখন ভাগি পৰিছে, আৰু এতিয়া সি বোধহয় ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

উচুপনি বন্ধ কৰি মই ক'লোঁ, 'এৰা, আইদেউ ঢুকাল। তেওঁ স্বৰ্গগামী হ'ল। নিজৰ অসৎ ধান্দাবোৰ এৰি, আনৰ দেখি শুনি শিকনি লৈ সত্ পথত চলিলে আমি সকলোৱে এদিন তেওঁক স্বৰ্গত লগ পামগৈ।'

দাঁত কৰচি সি মোক গেঙেৰি দি সুধিলে,'তেওঁ তেন্তে সময় থাকোঁতেই সত্ শিকনি লৈছিল বুলি তই ক'ব খুজিছ নে কি? তেওঁ সাধু সন্ন্যাসীৰ দৰে ইহলীলা ত্যাগ কৰিছে নেকি? ক চোন, তেওঁ ঢুকোৱাৰ খুটি-নাটি সমস্ত বৃত্তান্ত মোক ক, কেনেকৈ ?'

কেথেৰিণ নামটো সি মুখলৈ আনিব খুজিছিল, কিন্তু নোৱাৰিলে। কোৱাৰি দুটা ইফটি বিকটি কৰি সি বৈ থাকিল। তেনে আচৰণত তাৰ অন্তৰ্দ্বন্দ্ব প্ৰতিফলিত হৈছিল। মই যে তাৰ দুখত দুখী, তালৈ তাৰ ভ্ৰূক্ষেপেই নাই। সি ভয়ংকৰ মূৰ্তিৰে, অপলক দৃষ্টিৰে মোলৈ চাই আছিল। বহুতপৰ সেইদৰে চাই থকাৰ পিচত সি মোক সুধিলে, 'তেওঁ কেনেকৈ ঢুকাল?' বহুত কষ্ট কৰিহে যেন প্ৰশ্নটো সি মুখলৈ আনিছে। কথাষাৰ

সোঁথোঁতে তাৰ দৰে অলপ কষ্টৰে কেৰেপ নকৰা মনগজ মানুহটোৱো গোটেই গাটো কঁপিছিল।

তাৰ অৱস্থা দেখি মই মনে মনে ভাবিলোঁ, বেচেৰা ! ইয়াৰ অন্তৰ আৰু ভাব চিন্তাও আন দহজনৰ পৰা বেলেগ নহয়। তাকে আনৰ পৰা লুকুৱাবলৈ যত্ন কৰি নিজকে আনতকৈ বেলেগ বুলি দেখুৱাবলৈ যোৱাৰ পৰা লাভ কি? ভগৱানে তো তোৰ অহংকাৰ নেদেখাকৈ থকা নাই। তোৰ অহংকাৰৰ বাবেই ভগৱানে তোক এইদৰে লঘু কৰি শাস্তি বিহিছে।'

এইখিনি আছিল মোৰ মনৰ ভাব। এইবাৰ সি শুনাকৈ মই উত্তৰ দিলোঁ, 'একেবাৰে শান্তভাৱে, যেন এটা ভেৰা পোৱালীৰ দৰে, তেওঁ শেষ নিশ্বাস কাঢ়িলে। টোপনিৰ পৰা হঠাতে সাৰ পাই, আকৌ হাত ভৰি মেলাই টোপনি যোৱা কেঁচুৱা এটাৰ দৰে, তেৰোঁ শেষ নিদ্ৰাৰ কোলাত পৰিল। এটা দীঘল হুমুনিয়া কাঢ়ি তেওঁ অৱস হৈ হাতভৰি মেলি দিলে, আৰু পাঁচ মিনিট পিচতে তেওঁৰ হৃৎস্পন্দনৰ সহাঁৰি পোৱা নগ'ল।'

সসংকোচে, সোঁথো নোসোধেকৈ, সি আকৌ সুধিলে, 'তেওঁ, তেওঁ বাৰু মোৰ কথা কিবা কৈছিলনে?' ইমান ভয়ে ভয়ে সি প্ৰশ্নটো কৰিছিল যেন উত্তৰটো শুনিবলৈ তাৰ সাহে নুকুলাইছিল। ভাবিছিল প্ৰত্যুত্তৰত এনে কিছুমান দীঘলীয়া বৃত্তান্ত শুনিব লগা হ'ব যিবোৰ তাৰ সহ্যৰ সীমাৰ বাহিৰত হ'ব।

'তেওঁ সংজ্ঞা ঘূৰাই নাপালে। তই এৰি যোৱাৰ পিচৰে পৰা তেওঁ কাকো চিনি পোৱা যেন নেদেখুৱালে। এটা মৃদু মিচিকিয়া হাঁহি যেন ওঁঠ দুটাত বিয়পাই তেওঁ পৰি ৰ'ল। তেওঁৰ মনটো যেন অতীতৰ সোণালী দিনবোৰলৈ উভা মাৰিছিল। এটা শান্ত স্বপ্নৰ পৰিৱেশত তেওঁ চিৰ নিদ্ৰাৰ আশ্ৰয় ল'লে। একেদৰেই যেন পৰলোকত তেওঁ সাৰ পাই উঠে।'

মাটিত গোৰোহানি মাৰি আৰু ভয়ংকৰ দৃঢ়তাৰে, চৰম উত্তেজনাত হিথক্লিফে নিক্‌বিনিপ জ্ঞানশূন্য হৈ চিঞৰি দিলে, 'নৰকত তাই সাৰ পাওঁক। তাইতো মোক শেহলৈকে ফাঁকি দিয়েই গ'ল। তাই এজনী মিছলীয়া মানুহ। তাই ক'ত আছে? সৌ তাত? স্বৰ্গত? নহয়; তাই স্বৰ্গত নাই। তাই মৰা নাই। ক'ত আছে তাই? হায়। হায়! তই কৈছিলি বোলে মোৰ দুখযন্ত্ৰণাৰ কথা তই নাভাৱ। মই এটা মাত্ৰ প্ৰাৰ্থনা কৰিম— মোৰ জিভা জঠৰ হৈ নোযোৱালৈকে মই ইয়াৰ হেজাৰ বাৰ পুনৰাবৃত্তি কৰিম— কেথেৰিণ আৰ্ণশ, মই জীয়াই থাকোঁ মানে যাতে তোৰ শান্তি নহয়। তই কৈছিলি মই তোক মাৰিলোঁ বুলি। আহ্‌ তেন্তে, মোৰ গাত লম্ভিবলৈ আহ্‌। মৃত আত্মাই তাৰ হত্যাকাৰীক লম্ভে। মই এই কথা বিশ্বাস কৰোঁ। পৃথিৱীত প্ৰেতাত্মাবোৰে বিচৰণ কৰে বুলি মই জানো। মোৰ লগত অহৰহ থাক এতিয়া তই। যি ৰূপতে ইচ্ছা সেই ৰূপতে থাক। মোক পাগল কৰি দে। মাত্ৰ তোক বিচাৰি পাব নোৱৰা এই শূন্যতাত, এই অন্ধকূপত মোক অকলে নেৰিবি। হায় ভগৱান! মই বুজাব নোৱাৰোঁ এই যন্ত্ৰণা। মই মোৰ জীৱনস্বৰূপ তোৰ অবিহনে, মোৰ আত্মাস্বৰূপ তোৰ অবিহনে জীয়াই থাকিব নোৱাৰোঁ।'



এইবুলি আৰ্তনাদ কৰি কৰি সি তাৰ মূৰটো গছটোৰ গছডালত খুন্দিয়াবলৈ ধৰিলে আৰু একোবাৰ মূৰ তুলি চকুহাল বহলকৈ মেলি ওপৰলৈ চাই এনেদৰে গুজৰিবলৈ ধৰিলে যে দেখিলে ভাব হ'ব যেন সি মানুহ নহয়, যাঠি জোঙেৰে খুচি খুচি মাৰিবলৈ লোৱা কিবা এক বন্য প্ৰাণীহে। গছৰ বাকলিত মই কেইবা ঠাইতো তেজৰ চেকুৰা লাগি থকা দেখা পালোঁ। তাৰ হাত আৰু কপালতো তেজৰ দাগ আছিল। বোধহয় আগদিনা নিশাও হিথক্লিফে অনেকবাৰ এনেকুৱা উন্মত্ত আচৰণ কৰিছিল। তাৰ কাণ্ড দেখি তালৈ মোৰ পুৱৌ ওপজা নাছিল—মই স্তম্ভিতহে হৈছিলোঁ। তথাপি, তাক তেনে অৱস্থাত এৰি যাবলৈ মই মন কৰা নাছিলোঁ। কিন্তু যেই মাত্ৰ সি সামান্য সম্বিৎ ঘূৰাই পাই মোক তালৈ একেথৰে চাই থকা দেখিলে, সেই মাত্ৰকতে সি গুজৰি গুমৰি মোক তাৰ পৰা আঁতৰ হ'বলৈ ক'লে। মই তাৰ কথা মতেই সেই ঠাই এৰিলোঁ। তাক শান্ত কৰা বা প্ৰবোধ দিয়াটো মোৰ সাধ্যৰ বাহিৰত আছিল।

তেকুৱাৰ পিচৰ শুকুৰবাৰটোত কেথেৰিণৰ কবৰ দিয়াৰ দিন ঠিক কৰা হৈছিল। তেতিয়ালৈকে তেওঁৰ কফিনটো অনাবৃত হৈ প্ৰকাণ্ড চ'ৰাঘৰটোতে থাকিল। ফুল আৰু সুগন্ধি পাত তাৰ ওপৰত ছটিয়াই থকা হৈছিল। অতন্দ্ৰ প্ৰহৰী যেন হৈ লিণ্টনে দিনে ৰাতিয়ে কফিনটো ৰখি আছিল। আৰু মোৰ বাদে আন কোনেও নজনাকৈ হিথক্লিফেও ৰাতি ৰাতি কোঠাৰ বাহিৰত, টোপনি খতি কৰি পৰ দি আছিল।

হিথক্লিফৰ লগত মই কোনো প্ৰকাৰ যোগাযোগ ৰখা নাছিলোঁ। তথাপিতো মই বুজি পাইছিলোঁ যে পাৰিলে সি ভিতৰলৈ সোমাই কফিনটোৰ ওচৰ চাপিবলৈ চল চাই আছে। মংগলবাৰৰ দিনা, গধূলি হোৱাৰ অলপ পিচতে, ভাগৰতে লানকাল দি, লিণ্টন মহাশয় কেইঘণ্টা মানৰ বাবে কফিনটোৰ কাষৰ পৰা আঁতৰি গৈছিল। হিথক্লিফে তাৰ প্ৰেয়সীৰ পচি যাবলৈ ধৰা মূৰ্তিটোক শেষ বাৰলৈ বিদায় জনাবৰ বাবে সুযোগ এটা দিবলৈ মোক অনবৰত কাকুতি কৰি আছিল। গধূলিৰ সেইটো সুযোগতে মই গৈ সি থকা পিনৰ খিৰিকি এখন খুলি দিলোঁ, আৰু সি হাতত সাৰে ভৰিত সাৰে ভিতৰলৈ সোমাই আহিল। সি ইমান সন্তৰ্পণে আৰু সাৱধানে সোমাইছিল যে সি সোমোৱাৰ চিন ধৰিব পৰা টানেই হ'লহেঁতেন। কিন্তু মৃতদেহৰ মুখৰ কাপোৰখন অলপমান ইফাল সিফাল হৈ থকা দেখি মই বুজিলো যে সেইটো হিথক্লিফৰ কাম—সি ইতিমধ্যে আহি গৈছে। তদুপৰি মই মজিয়াতে পাতল চুলিৰ গাঁঠি এটাও দেখা পালোঁ। ৰূপালী সূতা এডালেৰে তাক মেৰাই থোৱা আছিল। হাতত তুলি লৈ চাই দেখিলোঁ যে সেইখিনি কেথেৰিণৰ ডিঙিৰ মাদলী এটাত ভৰাই থোৱা সূতাৰ লগৰ সূতা। হিথক্লিফে মাদলিটো মেলি, তাত থকা চুলিবোৰ উলিয়াই, নিজৰ চুলি তাত ভৰাই, আকৌ বন্ধ কৰি থৈছিল। মই দুয়োখিনি চুলি একেলগ কৰি মেৰিয়াই মাদলীটোতে ভৰাই থলোঁ।

মিঃ আৰ্ণশ্বক ভনীয়েকৰ সমাধি দিয়ালৈ মতা হৈছিল। তেওঁ পিচে নাহিল, নহয়ৰ কোনো কাৰণো নেদেখুৱালে। গতিকে নিজৰ স্বামীৰ বাহিৰে, ওচৰ পাঁজৰৰ আত্মীয়বন্ধুৱা খোৱা মানুহ আৰু চাকৰ বাকৰহে সমাধিৰ সময়ত গোট খাইছিল। ইজাবেলাক আহিবলৈ কোৱা হোৱা নাছিল।

কেথেৰিণৰ সমাধি পিছে গীৰ্জাৰ চাৰিসীমাৰ ভিতৰত নহ'ল। তেওঁৰ আত্মীয় স্বজনৰ কবৰ দিয়া ঠাইতো নহ'ল। কথাটো দেখি গাওঁৰ ৰাইজ আচৰিত হৈছিল। গীৰ্জাৰ কাষৰে হেলনীয়া ঠাই এটুকুৰা বাচি লৈ তাতে তেওঁক সমাধিস্থ কৰা হ'ল। এতিয়া গছ-লতাই তাক ঢাকি পেলাইছে। ওপৰত শেলুৱে গজি পিচল কৰি থৈছে। পিচলৈ তেওঁৰ স্বামীকো সেই ঠাইতে সমাধিস্থ কৰা হৈছিল। ইমূৰে সিমূৰে একোটা শিলৰ টুকুৰা থোৱা হৈছে, তাৰ পৰাহে সেই ঠাইত সমাধি কেইটা আছিল বুলি চিন ধৰিব পাৰি।

# ১৭

কেথেৰিণৰ সমাধিৰ শুকুৰবাৰৰ দিনটোৰ পিচৰ এমাহলৈ ফৰকাল দিন নাছিল। সেইদিনা সন্ধিয়া আকাশ গোমালেঃ বতাহৰ দক্ষিণমুৱা গতি উত্তৰ-পুব মুৱা হ'ল। প্ৰথমে আহিল বৰষুণ, তাৰ পিচত তুষাৰপাত আৰু বৰফ।

সেই শুকুৰবাৰটোৰ দিনা পুৱা বতৰৰ এনেহে গতি হ'ল যে আগৰ তিনিটা সপ্তাহ যে সুন্দৰ ফৰকাল দিন আছিল ভাবিবলৈকে টান লগা হ'ল। প্ৰিমৰ'জ আৰু ক্ৰকাচ ফুলবোৰ বৰফত পোত খালে, লাৰ্ক চৰাইৰ কুজন নীৰৱ হ'ল, গছগছনিৰ কোমল নতুন পাতবোৰ ফাটি ছিটি গ'ল, ক'লা পৰিল। গোটেই পৰিৱেশটো শীতল আৰু অনুৎসাহজনক হৈ পৰিল। মিঃ লিন্টন তেওঁৰ কোঠাতে সোমাই থাকিল। আগফালৰ কোঠাটো মই এক প্ৰকাৰ শিশুশালালৈ সলনি কৰিছিলোঁ। তাতে ক্ষীণকায় কেঁচুৱাটি আপডাল কৰি মই সৰহ সময় বহি থকা কৰিলোঁ। কেঁচুৱাটি আঠুৰ মাজত সুমাই লৈ থাকোঁ, তাই পিছে অনবৰত কান্দিয়েই থাকে। নিচুকাবলৈ বুলি মই মাজে মাজে হাতত তুলি লওঁ, আৰু জোকাৰোঁ। পৰ্দা নথকা খিৰিকিখন বৰফৰ টুকুৰাৰে পোত খাই গৈছিল। মই তাকে চাই চাই বহি আছিলোঁ। তেনেতে দুৱাৰখন হেঁচা মাৰি খুলি কোনোবা এগৰাকী ফোঁপাই জোপাই, অথচ হাঁহি হাঁহি ভিতৰলৈ সোমাই অহা দেখিলোঁ।

দেখি আচৰিত হোৱাতকৈ মোৰ খং হে উঠিল বেচি। মই ভাবিছিলোঁ কোনোবা এজনী চাকৰণীয়েই হ'ব। সেইবাবে মই দাবী দি ক'লোঁ, 'হৈছে, হৈছে। বহুবালি দেখুৱাবলৈ থ। মিঃ লিন্টনে তোৰ এই হাঁহি খিকিন্দালি শুনিলে কি ক'ব?'

মোৰ কথাৰ উত্তৰত এটি পৰিচিত কণ্ঠই মাত লগালে, 'বেয়া নাপাবি। ভয় কৰিব নালাগে, এডগাৰ শুই আছে। মই হাঁহি ৰাখিবলৈকে টান পাইছোঁ।'

সেইদৰে কৈ কৈ আগন্তুক গৰাকী জুহালৰ কাষলৈ আহিল, আৰু ফোঁপাই জোপাই, জুইৰ কাষত থিয় দি এহাতেৰে নিজৰ পেটত হেঁচি ধৰিলে।

'' 'ৱাদাৰিং হাইট্চ্'ৰ পৰা গোটেই ছোৱা বাট মই দৌৰি দৌৰি আহিছোঁ,'' অলপ বৈ তেওঁ ক'লে। ''মাজে মাজে উৰি আহিছোঁ বুলিও ক'ব পাৰি। কতবাৰ যে উজুটি খাই পৰিছোঁ তাৰো লেখ নাই। ইচ্, গোটেই গাত বিষ উঠিছে। তই ভয় খাব নালাগে, ৰ। অলপ দম লৈ লওঁ, সব কথা ক'ম। পিচে এই মুহূৰ্ততে এটা কাম কৰ—ঘোঁৰা গাড়ীখনক কৈ থৈ আহ— মোক গিমাৰটনত থৈ আহিবগৈ লাগিব। চাকৰ বাকৰ এটাক ক'চোন, মোৰ আলমাৰীৰ পৰা শুকান কাপোৰ-কানি কি পায় উলিয়াই আনক।''

আগন্তুক গৰাকী আছিল ইজাবেলা— হিথ্‌ক্লিফৰ পত্নী। তাইৰ পৰিস্থিতি মুঠেই হসাদৰ নাছিল। তাইৰ চুলিবোৰ মুকলিকৈ কান্ধলৈকে পৰি আছিল। তাৰ পৰা টপ্‌টপ্‌কৈ পানী সৰিছিল। তাই ছোৱালী মানুহৰ সাজকে পিন্ধি আছিল। সেই সাজে তাইৰ বয়সত মানে, কিন্তু পদবীত নুশুৱায়। হাতখৰা চুটি ফ্ৰক এটা পিন্ধিছে, মূৰত ওৰণা নাই, ডিঙিতো একো মৰা নাই। ফ্ৰকটো পাতল চিকণ; তিতি গাত লিপিট খাই ধৰিছে। ভৰিত পাতল চটি যোতা এযোৰ মাত্ৰ। এখন কাণৰ তলত এটুকুৰা কটা। অতিপাত ঠাণ্ডা বাবেহে তাৰ পৰা তেজৰ ধাৰ বোৱা নাছিল। তাইৰ গাল-মুখ শেঁতা, গাল এখনতো এটা আঁচোৰ। তাইক ইমান ক্লান্ত দেখাইছিল যে থিয় দি থাকিব নোৱাৰিবই যেন লাগিছিল। তাইক ভালকৈ চাই চিটি মইতো বেচ ভয়েই খালোঁ।

ঘোঁৰাগাড়ী বন্দবস্ত কৰিবলৈ ক'লত মই ক'লোঁ, 'আইজনী, আগতে গাৰ কাপোৰ-কানি গোটেইবোৰ সলাই লোৱা। তাৰ পিছতহে মই তোমাৰ কথা শুনিম। তাৰ আগতে মই ইয়াৰ পৰা লৰচৰ নকৰোঁ। আৰু গিমাৰটনলৈ তুমি আজি ঘূৰি যাব নোৱাৰিবা। গতিকে ঘোঁৰাগাড়ীক সাজু হ'বলৈ কোৱাৰ দৰকাৰ নাই।'

'যাব মই লাগিবই। যামেই। খোজকাঢ়িয়েই হওক বা গাড়ীত উঠিয়েই হওক, মই যামেই। কাপোৰ-কানিবোৰ সলাই লোৱাত মোৰ আপত্তি নাই। আহ! চাচোন, ডিঙিয়েদি তেজ বৈ আহিছে। জুইৰ তাপত বেচিকৈ ধৰিছে।'

ঘোঁৰাগাড়ীখনক সাজু হ'বলৈ ক'বলৈ তাই মোক পেৰি থাকিল। অগত্যা গাৰোৱানটোক সাজু হ'বলৈ কোৱা হ'ল; এজনী চাকৰণীয়ে শুকান কাপোৰৰ টোপোলা এটাও বান্ধি সাজু কৰিলে। তেতিয়াহে তাই গাৰ তিতা কপোৰবোৰ সলাবলৈ মান্তি হ'ল, আৰু ডিঙিৰ ঘা টুকুৰা মোক নাৰি চাৰি চাবলৈ দিলে।

মোৰ কাম শেষ হ'লত জুয়ালৰ ওচৰত আৰামী চকী এখনত তাই বহি ল'লে। চাহ একাপ হাতত লৈ তাই মোক ক'লে, 'এলেন, মোৰ মুখামুখিকৈ বহ। কেথেৰিণৰ কেঁচুৱাটি আঁতৰাই থৈ আহ। তাইক মই চাব খোজা নাই। মই সোমাই অহাৰ গতিটো দেখি তই হয়তো ভাবিবি যে কেথেৰিণৰ প্ৰতি মোৰ কোনো ভাব নাই। পিছে সেইটো কথা সঁচা নহয়। মই কান্দিছোঁ, বুজিছ। হিয়া ঢাকুৰি কান্দিছোঁ। কন্দাৰ কাৰণ মোৰ মিলমাল নোহোৱাকৈয়ে মই এই ঘৰ এৰি গৈছিলোঁ। এই এটা কাৰণৰ বাবেই মই নিজকে কেতিয়াও ক্ষমা নকৰিম। সেইবুলি কিন্তু নাভাবিবি যে সেই জানোৱাৰটোৰ প্ৰতি মোৰ কিবা সহানুভূতি আছে। মোক সৌ জুই চুঙাটো দে চোন। সি মোক দিয়া এইটোৰেই শেষ চিন হিচাপে মোৰ হাতত আছে।' এইবুলি কৈ তাই সোণৰ আঙঠি এটা অনামিকাৰ পৰা একবাই আনি মাজিলৈ দলিয়াই দিলে। 'এইটো মই ভাঙি গুড়ি কৰি পেলাম' বুলি চৰম আক্ৰোশেৰে আঙঠিটো জুই চুঙাটোৰে কোবাবলৈ ধৰিলে। 'এইবাৰ ইয়াক পুৰিম'— এইবুলি কৈ কোবাই চেপেটা কৰা আঙঠিটো তুলি খৰকৈ কয়লাৰ মাজলৈ দলিয়াই দিলে। 'সি মোক ঘূৰাই পায় যদি নতুন এটা কিনি দিব। সি



মোক বিচাৰি আহিব পাৰে। অন্ততঃ এডগাৰক অপ্ৰস্তুত কৰিবলৈকে সি ইয়ালৈ আহিব পাৰে। মই নাথাকোঁ বুজিছ, থাকিলে জানোচা সি সেইটো অচিলাকে লৈ এইখিনি পাবহি। তাৰ মূৰত কেতিয়া কি দুৰ্মতি খেলায় কোনে জানে। তদুপৰি এডগাৰেও মোৰ প্ৰতি একো সদয় ব্যৱহাৰ কৰা নাই, কৰিছে জানো? তাৰ সহায় বিচাৰি মই নাহোঁ, তাক আৰু বেচি জঞ্জালতো মই নেপেলাওঁ। প্ৰয়োজনৰ তাগিদাতহে মই ইয়াত আশ্ৰয় বিচাৰি সোমালোঁ। সেই দুৰ্বৃত্তটো ওচৰে পাঁজৰে নাই বুলি জনাহেঁতেন মই পাক ঘৰতে বৈ গলোহেঁতেন, তাতে মুখ হাত ধুই, হাত ভৰি সেকি, লগা বস্ত্ৰ কেইপদ তোৰ পৰা লৈ সেই দানবৰ অৱতাৰটোৰে লগ পাব নোৱাৰা ঠাইলৈ গুচি গলোহেঁতেন। তাৰ যে কি প্ৰচণ্ড খং নুঠিছিল! সি মোক ধৰিব পৰাহেঁতেন কি যে নহ'লহেঁতেন! দুখৰ কথা, আৰ্ণশ্ব গাৰ বলত তাৰ জোৰৰ নহয়। হিণ্ডলেই তাক চূৰ্ণ বিচূৰ্ণ কৰি পেলাব যদি পাৰিলেহেঁতেন! তেন্তে হ'লেতো মই তাৰ তেনে গতি নোচোৱাকৈ লৰি পলাই নাহিলোহেঁতেনেই।'

মই মাজতে মাত দিলোঁ, 'আইটি, ইমান খৰকৈ কথা নকবা। তোমাৰ ডিঙিত বান্ধি দিয়া কমালখন খহি পৰিব। সেইখন খহি পৰিলে কটা টুকুৰাৰ পৰা আকৌ তেজ ওলাব। চাহখিনি খোৱা, অলপ দম লোৱা, আৰু হাঁহিবলৈ এৰা— এই ঘৰৰ এইটো পৰিবেশত হাঁহি তামাচা শোভা নাপায়, বিশেষকৈ তোমাৰ এই অৱস্থাত।'

'তই ঠিকেই কৈছ। নহয় বোলাৰ উপায় নাই। সেয়া শুনচোন, কেঁচুৱাকণে আকৌ কান্দিছে— অনবৰত কান্দিয়েই আছে। তাইৰ কান্দোন মোৰ কাণত নপৰাকৈ আঁতৰলৈ পঠাই দে চোন— এঘণ্টাৰ বাবে আঁতৰ কৰি পঠিয়াই দে। মই সৰহ সময় নকৰোঁ।'

মই ঘণ্টি টিপি চাকৰণী এজনীক মাতি আনি কেঁচুৱাটিক আঁতৰাই নিবলৈ ক'লোঁ। 'ৱাদাৰিং হাইট্চ'ৰ পৰা তেনে দুৰৱস্থাৰে তাই ওলাই অহাৰ কাৰণটোনো কি আৰু তাইনো আমাৰ লগত নাথাকি ক'লৈ যাব খুজিছে সেইবোৰ কথা তেতিয়াহে মই ইজাবেলাক সুধিলোঁ।

'মই ইয়াত থকা উচিত, আৰু মোৰ থাকিবৰ মনো আছে,' তাই ক'লে। 'এডগাৰকো সান্ত্বনা দিব লাগে, কেঁচুৱাকণাৰো লালন পালন কৰিব লাগে। তদুপৰি এই 'গ্ৰেঞ্জেই' হ'ল মোৰ আপোন ঠাই। পিছে সি (হিথক্লিফে) মোক ইয়াত থাকিবলৈ নিদিয়ে। ইয়াত থাকি খাই বৈ হৃষ্ট পুষ্ট হৈ স্ফূৰ্ত্তিৰে দিন কটোৱা দেখিলে তাৰ সহ্য হ'ব বুলি ভাবিছ নে কি? আমাৰ শান্তি ব্যাহত নকৰাকৈ সি থাকিব পাৰিব বুলি তই নাভাবিবি। এটা কথাত পিছে এতিয়া মোৰ সন্তোষ— মই জানো যে সি মোক একান্তই ঘৃণা কৰে। সি দেখা পাব পৰাৰ দূৰত্বত বা মোৰ মাত তাৰ কাণত পৰাৰ দূৰত্বত মই থাকিলেই তাৰ ছটি ফুটি আৰম্ভ হয়। মই তাৰ ওচৰ চাপিলেই তাৰ মুখৰ মাংসপেশীবোৰ লগে লগে ঘৃণাত কোঁচ খায়, মুখখন বিকৃত হৈ পৰে। তদুপৰি, মই যে তাক ঘৃণা কৰাৰ যুক্তিযুক্ত কাৰণ আছে সেইটো কথাও সি জানে। মোক দেখিলেই

ঘৃণাত সি উথলি উঠাৰ সেইটোও এটা কাৰণ। পূৰ্বৰ বিদ্বেষতো আছেই। মোৰ দৃঢ় বিশ্বাস, ইয়াৰ পৰা কোনোমতে ওলাই গ'লে, সি মোক সমস্ত ইংলেণ্ড জুৰি বিচাৰি ফুৰিবলৈ নাবায়। সেইবাবে মই লৰালৰিকৈ ইয়াৰ পৰা ওলাব লাগে। এসময়ত ভাবিছিলোঁ তাৰ হাতত মৰাই ভাল, মাৰিলে সি মোক মাৰক। তাৰ প্ৰতি মোৰ প্ৰেম সমূলে নিৰ্বাপিত হ'ল। সেয়ে মোৰ স্বস্তি। তাক মই কিমান ভাল পাইছিলোঁ সেই কথা মোৰ মনত পৰে; বোধহয় এতিয়াও মই তাক ভাল পাব পাৰিম যদিহে—। নহি, নহি, নালাগে, সি মোক গোঁসানী আৰাধনাৰ দৰে আৰাধিলেও তাৰ দানবীয় প্ৰকৃতি নাইকিয়া নহয়, কিবা কৈ এবাৰ নহয় এবাৰ সি উক দি উঠিবই। কেথেৰিণে তাক ইমান ভালকৈ জানিও যে তাক ইমান ভাল পাব পাৰিলে, তাৰ কাৰণ বোধহয় তাইৰ ৰুচি বৰ বিকৃত আছিল। নহ'লে এনে কথা সম্ভৱ নহয়। পিশাচটো। তাৰ অস্তিত্ব যদি নাইকিয়া হৈ গ'লহেঁতেন ! মোৰ স্মৃতিত তাৰ অস্তিত্ব নাইকিয়া যদি হ'লহেঁতেন !'

'চুপ! চুপ! ইমানলৈ নাযাবা। সি এটা মানুহ, পিশাচ নহয়। তাৰ কথা অলপ ভালকৈ ভাবাচোন। তাতকৈয়ো বেয়া মানুহ সংসাৰত আছে নহয়।'

'সি মানুহ নহয়', ইজাবেলা গুজৰি উঠিল। 'সি মোৰ পৰা কোনো সদয় ভাবো দাবী কৰিব নোৱাৰে। মই তাক মোৰ অন্তৰখন দিছিলোঁ। সি সেই অন্তৰখন মুচৰি মাৰি পেলাই মোলৈ দলিয়াই দিলে। এলেন, তই জানই, মানুহে অন্তৰেৰে অনুভৱ কৰে, কিন্তু মোৰ অন্তৰকে সি নাইকিয়া কৰিলে যেতিয়া তাৰ বাবে মই কিবা অনুভূতি দেখুৱাওঁ কেনেকৈ? আৰু দেখুৱাবলৈকো নাযাওঁ, নাযাওঁ। আজিৰ পৰা আৰম্ভ কৰি তাৰ মৰাৰ দিনলৈকে সি কেঁকাই থাকিলেও নাযাওঁ। কেথেৰিণৰ বাবে কান্দি কান্দি চকুৰে তেজৰ লো বোৱালেও নাযাওঁ। নাযাওঁ, নাযাওঁ, কেতিয়াও নাযাওঁ।' এইবুলি কৈ ইজাবেলাই কান্দিবলৈ ধৰিলে, কিন্তু পিচ পাকতে, চকুহাল মচি লৈ আকৌ এইদৰে ক'বলৈ আৰম্ভ কৰিলে ঃ

''কিহৰ বাবে মই পলোৱাৰ পথ ল'বলৈ বাধ্য হলোঁ তই মোক সুধিছ। এই পন্থা ল'বলৈ মই বাধ্য হ'লো কাৰণ মোৰ ওপৰত তাৰ প্ৰচণ্ড খং উঠিছিল, আৰু সি আচৰণত হিংস্ৰ হৈ পৰিছিল। সকলো বিচাৰ বিবেচনা সি পাহৰি গ'ল। তাক জ্বলাব পাৰি মই ভালেই পাইছিলোঁ। কিন্তু আত্মৰক্ষাৰ কথাও মই পাহৰি যোৱা নাছিলোঁ। সেইবাবে মই আগে ভাগে পলালোঁ। তাৰ হাতত পৰিলে সি মোৰ ওপৰত বেচিকৈ প্ৰতিশোধ লব।

কালি মিঃ আৰ্ণশ্ব কেথেৰিণৰ সমাধিলৈ অহাৰ কথা আছিল। সেই উদ্দেশ্যে তেওঁ নিজকে প্ৰকৃতিস্থ কৰিও ৰাখিছিল—বৰ বেচি নিচা কৰা নাছিল। আনকালে হ'লে বলিয়াৰ দৰে লৰালৰি কৰি ছয় বজাতে পাটিত পৰিব, বাৰ বজাত নিচা লগাই একেবাৰে মৰা। তেওঁ উঠি আহি জুহালৰ কাষত বহিল আৰু ইৰটিৰ পিচত সিৰটিকৈ জিন আৰু ব্ৰেণ্ডি পিবলৈ ল'লে।



হিথক্লিফ নামটো মুখলৈ আনিবলৈকে মোৰ ভয় লাগে। যোৱা ৰবিবাৰৰ পৰা আজি এই এসপ্তাহ দিন সি ঘৰত নাই। তাক কোনে খুৱাইছে মই কব নোৱাৰোঁ। সৰগৰ দেৱতা সকলেই নে মৰতৰ আত্মীয় স্বজনেই, সিহে জানে। আমাৰ লগত বহি কিন্তু সি এই এসপ্তাহে জলপান এটাও খোৱা নাই। আজি ৰাতিপুৱা আহি ক'ৰবাৰ পৰা ওলাইছেহি, আৰু চিধাই ওপৰ মহললৈ গৈ নিজৰ কোঠাত তলা বন্ধ কৰি সোমাই আছেগৈ— তাৰ লগ যেনিবা কোনোবাই বিচাৰিছেহে। তাতেই সি মেথডিষ্টৰ (নিয়মনিষ্ঠ খ্ৰিষ্টিয়ানৰ) দৰে প্ৰাৰ্থনা কৰি সোমাই আছে। দেৱ-দেৱীৰ নামত উপাসনা কৰিছে নিৰ্জীৱ ধূলি বালিক; ঈশ্বৰক প্ৰাৰ্থনা কৰোঁতে ভাবিছে তাৰ নিজৰ কৃষ্ণাঙ্গ পিতাকৰ কথা। এইবোৰ মন্ত্ৰ পাঠ সি বহুতপৰ ধৰি কৰিছে—ইমান সময় কৰিছে যে শেহলৈ তাৰ মাত ভাগি গৈছে— এইবোৰ সামৰি সি আকৌ উধাও হ'ল। সদায় চিধাচিধি এই 'গ্ৰেঞ্জ'লৈ আহে। এডগাৰে যে চিপাহী চন্তৰী এটা মাতি আনি তাক হাজোতত ভৰোৱাই থোৱা নাই সেইটো কথাহেহে মই বৰ আচৰিত হৈছোঁ। কেথেৰিণৰ কথা ভাবি মোৰ দুঃখ হয়, কিন্তু এই দুঃখদায়ক অত্যাচাৰ এটাৰ পৰা আঁতৰি আহিব পৰাটো মোৰ বাবে বৰ ডাঙৰ কথা। সেইবাবেই এই শোকাবহ পৰিস্থিতিতো মোৰ মনটোত স্ফূৰ্তি দেখা পাইছ।'

'বাদাবিং হাইটচ্'ত জোজেফৰ অন্তহীন উপদেশবাণী শুনাতে মই অভ্যস্ত হৈ পৰিছিলোঁ। প্ৰথমতে তাৰ কথাবোৰ শুনি দুঃখ পাই কান্দিছিলোঁ। পিচলৈ মোৰ চকুলো নোলোৱা হ'ল। আগতে ভীত সন্ত্ৰস্ত হৈ, জগৰীয়া ভাবেৰে ঘৰৰ ভিতৰত ইফাল সিফাল কৰিছিলোঁ। পিচলৈ সেইবোৰ ভাব কমিল। জোজেফৰ যি কোনো কথাতে মই কান্দো বুলি তই নাভাবিবি, কিন্তু সি আৰু হেয়াৰটন হ'ল দুটা জঘন্য জীৱ। পোৱালী গৃহস্থটি তাৰ উগ্ৰ সমৰ্থক। সেই ঘৃণনীয় বুঢ়া মানুহটো মোৰ অলপো সহ্য নহয়, তাতকৈ বৰং মই হিণ্ডলেৰ লগত বহি তাৰ ভয়লগা কথাবোৰকে শুনি থাকিব পাৰোঁ।

হিথক্লিফ ঘৰত থাকিলে মই পাকঘৰতে সোমাই থাকিবলৈ বাধ্য হওঁ। তাতে চাকৰ বাকৰৰ লগত কথা পাতি সময় কটাও, নতুবা জেকা, মানুহ দুনুহ নথকা কোঠাবোৰৰে এটাত লঘোণে ভোকে পৰি থাকোঁ। যেতিয়া সি ঘৰত নাথাকে— এই সপ্তাহত সি ঘৰত নাছিল— মই জুহালৰ কাষত মেজ চকী এযোৰ পোটাই লওঁ। মিঃ আৰ্ণশ্বই কি কৰে নকৰে তালৈ মই ভ্ৰূক্ষেপ নকৰোঁ। মোৰ কামত তেওঁ হেঁচাওপৰাও নলগায়। আগতকৈ তেওঁ এতিয়া বহুত শান্ত। মাত্ৰ কোনেও তেওঁক জোকাই নললেই হ'ল। আগৰ সমানকৈ জৰকি নুঠে, কিন্তু আগতকৈ আজিকালি অধিক বিষণ্ণ। জোজেফে ডাঠি কৈছে যে তেওঁৰ বোলে বহুত সলনি হ'ল আৰু ভগৱানৰ কৃপা বোলে তেওঁ পাইছে। তাৰ মতে, তেওঁৰ অন্তৰ যেন 'অগ্নিত পৰিশোধিত' হৈছে। মই পিচে তেওঁৰ ধ্যান ধাৰণা, চাল চলন ভালৰ ফাললৈ অহাৰ কোনো লক্ষণ দেখা নাই। অৱশ্যে আহিছে নাহিছে চোৱাৰ মোৰ কোনো দৰ্কাৰো নাই। কালি গধূলিৰে পৰা মই এচুকত বহি পুৰণা কিতাপ পত্ৰ পঢ়ি আছিলোঁ। ৰাতি তেতিয়ালৈ বাৰমান বাজিবৰ হৈছিল। বাহিৰত বৰফ পৰিছিল। বতাহো মাৰিছিল। মোৰ মনটো ইমান বিষণ্ণ হৈ পৰিছিল যে ওপৰ মহলালৈ উঠি যাবলৈ যেন কিবা আলস্য লগা দি লাগিছিল। মোৰ ঘনে ঘনে

কেথেৰিনলৈ মনত পৰিছিল, তাইৰ সমাধিস্থল মোৰ চকুত ভাহি উঠিছিল। কিতাপৰ পৃষ্ঠাৰ পৰা মূৰ তুলিলেই সেই দুখ লগা দৃশ্যটো মোৰ চকুৰ আগত ভাহি উঠে।'

'হিণ্ডলে মোৰ বিপৰীতে বহি আছিল। এহাতত মূৰটো হেলান দি তেৰোঁ বোধহয় একেটা কথাকে চিন্তা কৰি আছিল। তেওঁ মদ গিলিছিল, কিন্তু মদৰ ৰাগীত একেবাৰে কাণ্ডজ্ঞান শূন্য হৈ যোৱা নাছিল। দুই তিনি ঘণ্টামান ধৰি তেওঁ লৰচৰ কৰা নাছিল, মুখেৰে এৰো মতাও নাছিল। গোটেই ঘৰটো নিজম পৰি আছিল। কাৰো ক'তো সাৰ সুৰ নাই। বতাহৰ উচুপনি যেন লগা শব্দই হে খিৰিকিবোৰ মাজে মাজে লৰাই আছিল। কয়লাৰ অঙঠাবোৰ মাজে মাজে ভাগি পৰিছিল, তাৰ পৰা প্ৰায় অস্ফুট একেটা শব্দ হৈছিল। মমৰ ফিটাডাল মাজে মাজে কাটি দিওঁতে কিবিচ কৰে কেচিৰ শব্দ হৈছিল। সিমানেই। তাৰ বাহিৰে আৰু কোনো সাৰ সুৰ নাই। হেয়াৰটন আৰু জোজেফ দুয়োৰে টোপনিত বিচনাত পৰি আছিল। একেবাৰে এক বিষণ্ণ পৰিৱেশ। কিতাপৰ পাত লুটিয়াই মই মাজে মাজে হুমুনিয়াহ চাৰিছিলোঁ, মোৰ ভাব হৈছিল যে পৃথিবীৰ পৰা সমস্ত আনন্দ যেন চিৰ কাললৈ অন্তৰ্হিত হৈছিল। কোনোপথেই যেন আৰু আনন্দৰ সোঁতাৰ পৃথিবীত প্ৰবাহিত কৰাৰ পৰা নহ'ব—মোৰ তেনে লাগিছিল। পাকঘৰৰ দুৱাৰত হোৱা খট্ খট্ শব্দই এসময়ত এই বিষণ্ণ নীৰৱতা ভংগ কৰিলে। হিথক্লিফ কেথেৰিণৰ কবৰ ৰখি থকাৰ পৰা উলটি আহিল— হঠাতে বতাহ বৰষু অহাত মই ভবাত আন দিনাতকৈ সোনকালেই সি ঘূৰিছিল।

আগফালৰ দুৱাৰ বন্ধ কৰি থোৱা আছিল। আন এখন দুৱাৰেদি সি সোমাই আহিবলৈ যত্ন কৰা আমাৰ কাণত পৰিল। মোৰ মনৰ ভাব মুখত প্ৰায় ফুটি ওলাইছিলেই, চেপা দি ৰাখিবলৈ টান হৈছিল। তাকে দেখি অতপৰে দুৱাৰ মুখলৈ ৰ লাগি চাই থকা মিঃ হিণ্ডলেই মোৰ পিনে ঘূৰি চাই ক'লে, 'মই তাক পাঁচ মিনিট সময় বাহিৰত ৰখি থওঁ। তোমাৰ আপত্তি আছে নেকি?'

'নাই, নাই। আপুনি তেওঁক গোটেই নিশাটো বাহিৰত ৰাখিলেও মই ভালেই হে পাম।' মই উত্তৰ দিলোঁ। 'লওক, এই চাবিটোৰে তলাটো বন্ধ কৰি, খিলিডাল লগাই দিয়ক।'

'হিথক্লিফে দুৱাৰমুখ পোৱাৰ আগতেই আৰ্ণশ্বই এই কামখিনি সামাধা কৰিলে। ইয়াৰ পিছত তেওঁ চকীখন মোৰ মেজৰ ইফালে চপাই ল'লে। তেওঁৰ চকুৰ পৰা এক তীব্ৰ ঘৃণাৰ উষ্মা বাহিৰ হৈছিল। অনুৰূপ ভাবকে মোৰ চকুতো বিচাৰি তেওঁ ক'লে, 'তোমাৰ আৰু মোৰ দুয়োৰে সৌ মানুহটোৰ লগত মকাবিলা কৰিব লগা আছে। আমি যদি ভীৰু নহওঁ, তেনে হ'লে দুয়ো লগলাগি কামটো এতিয়াই কৰি পেলাব পাৰোঁ। তুমি তোমাৰ ককাইদেৱাৰৰ দৰেই কোমল মনা নেকি? তুমি কি ভাবিছা? এবাৰলৈকো মূৰ তুলি এয়াৰো নমতাকৈ শেহলৈকে এইদৰেই সহি সামৰি থাকিবাৰেই কটাই দিবা বুলি ঠিক কৰিছানে কি? মই আৰু সহ্য কৰি থাকিব নোৱাৰা হৈছোঁ। মোৰ তাক বেচেকৈ এনেকা দিবৰ মন আছে। মাত্ৰ কোবটো ঘূৰি আহি মোৰ



গাত নপৰিলেই হয়। পিচে হিংসা আৰু বিশ্বাসঘাতকতা হ'ল দুমুখীয়া যাঠি; যাৰে টৌওৱা যায় তাতকৈ যি টৌৱায় তাকহে বেচিকৈ ঘাইল কৰে।'

হিণ্ডলেই ডাঙৰকৈ ক'লে, 'বিশ্বাসঘাতকতা আৰু হিংসাৰ প্ৰত্যুত্তৰ হ'ল হিংসা আৰু বিশ্বাসঘাতকতা। শ্ৰীমতী হিথক্লিফ, মই তোমাক একো কৰিবলৈ নকওঁ, মাত্ৰ ইয়াতে থিৰ হৈ বহি থাকিবা, মুখেৰে একো নামাতিবা। বোবা ভাও ধৰিবা। পাৰিবানে, কোৱা। এই পাষণ্ডটোৰ খতম লগাব পাৰিলে তুমি মোৰ সমানেই ভাল পাবা বুলি মই বুজি পাইছোঁ। তুমি তাক আঁতৰ কৰিব নোৱাৰিলে সিয়েই তোমাৰ মৃত্যুৰ কাৰণ হ'ব। সি মোক ডুবাব। এই জহামামে যোৱা পাষণ্ডটো ভাল লক্ষিলহি। সেয়া, দুৱাৰত সি টকিয়াবলৈ ললেই, সি হে যেন গৃহস্থ। তুমি মুখ নেমেলোঁ বুলি প্ৰতিজ্ঞা কৰা, আৰু ঘড়ীৰ ঘন্টা বজাৰ আগতেই— এক বাজিবলৈ তিনি মিনিট আছে— তুমি মুক্ত হ'বা।'

'মই তোলৈ চিঠিত লিখা সা-সৰঞ্জামবোৰৰ সি বুকুৰ মাজৰ পৰা উলিয়াই ল'লে, আৰু মমডাল ঠিক নুমাব ধৰিছে, এনেতে মই তেওঁৰ হাতত থাপ মাৰি ধৰিলোঁ।'

'মই মনে মনে নাথাকিম', মই ডাঙৰ ডাঙৰকৈ ক'লোঁ। 'তাৰ গাত আপুনি হাত নিদিব। দুৱাৰখন বন্ধই থাকক। আমি চুপ্ চাপ বহি থাকোঁহক।'

'নহ'ব, ভগৱানৰ দোহাই, মই কামটো কৰিম বুলি ঠিক কৰিলোঁ যেতিয়া কৰিহে এৰিম', মিঃ হিণ্ডলেই দৃঢ়প্ৰতিজ্ঞ হৈ ক'লে। 'তুমি নিবিচাৰিলেও মই তোমাক উপকাৰ এটা কৰিব লাগিব, আৰু হেয়াৰটনৰ প্ৰতিও সুবিচাৰ কৰিব লাগে। মোক কেনেকৈ ৰক্ষা কৰিবা সেই কথা ভাবি তুমি মূৰ ঘমাব নালাগে। কেথেৰিণ গলেই। এই মুহূৰ্ততে মই মোৰ নিজৰ ডিঙিত বেপ দি মৰিলেও কোনেও কান্দিবলৈ নাযায়, কোনো লজ্জিত হ'বও নালাগে। কাম শেষ কৰাৰ এয়ে সময়।'

'মোৰ তেতিয়া ভালুকৰ সৈতে যুঁজা বা পাগলৰ লগত যুক্তি তৰ্ক কৰাৰ দৰে অৱস্থা। মোৰ বাবে মাত্ৰ এটা উপায়েই আছিল। মোৰ চিলিঙৰ ওচৰলৈ বগাই গৈ, বাহিৰলৈ মূৰ উলিয়াই, ভিতৰ সোমাই আহিলে তাৰ কি দশা হ'ব সেই কথা তাক (হিথক্লিফক) চিঞৰি চিঞৰি ক'লোঁঃ 'তই আজি বাহিৰত ক'ৰবাত থকাই ভাল হ'ব'; মই জয়োল্লাসিত যেন হৈ ডাঙৰ ডাঙৰকৈ ক'লোঁ, 'তই সোমাই আহিব খুজিলে মিঃ আৰ্ণশ্বই তোক গুলীয়াই মাৰিব।'

'তই ভালে ভালে দুৱাৰ খোল', সি মোক দাবী দিয়াৰ সুৰত ক'লে। তাকে কওঁতে সি মোৰ প্ৰতি এনে কিছুমান মাত মাতিছিল যে সেইবোৰ আৰু মই ইয়াত দুনাই মুখলৈ আনিব খোজা নাই।

'মই এইবোৰ জঞ্জালত সোমাবলৈ যাব খোজা নাই। ঠিক আছে, সোমাই আহ আৰু গুলীখাই মৰ। মই মোৰ কাম কৰিলোঁ।'

সেইবুলি কৈ মই খিৰিকিখন জপাই দি, জুহালৰ ওৰিৰ মোৰ ঠাইলৈ আহিলোঁ। সি সম্মুখীন হোৱা বিপদৰ বাবে তাৰ প্ৰতি চিন্তা কৰাৰ ভাবটো মই নেদেখুৱালোঁ। সিমানখিনি কপটাচৰণ মোৰ বাবে সম্ভৱ নহয়।

'আৰ্ণশ্ব মোৰ ওপৰত অগ্নিশৰ্মা হৈ উঠিল। মই বোলে সেই বদমাইচটোক এতিয়াও ভাল পাওঁ, দেখুৱাইছে তাক কেটেৰা জোঙেৰা কৰোঁ, আৰু কত কথা। মই বোলে ছোট মন এটা দেখুৱালোঁ—তাৰ বাবে তেওঁ মোক বেঙকৈ এজাউৰি গালি দিলে। মই পেটে পেটে ভাবিছিলোঁ (বিবেকৰ আঁচোৰ মই খোৱা নাছিলোঁ) যে হিথক্লিফে তেওঁৰ দুখৰ ওৰ পেলালে তেওঁৰ প্ৰতি এটা ডাঙৰ উপকাৰ কৰা হ'ব, আৰু তেওঁ যদি হিথক্লিফৰ লিহ লগায়, তেন্তে মোৰ প্ৰতি এটা ডাঙৰ উপকাৰ কৰা হ'ব। এইবোৰ চিন্তাকে মনত আউৰি থাকোঁতেই, মোৰ পিচফালৰ চাপৰ খিৰিকিৰ ফ্ৰেমটো হিথক্লিফে বাহিৰৰ পৰা ভুকুৱাই ভাঙি পেলালে। কেটেৰ ক'লা মুখখনেৰে সি ভিতৰলৈ এনে ভাবে জুমি চালে যে দেখিলেই গাৰ নোম শিয়ৰি উঠে। খিৰিকিৰ মাজত ওখকৈ দিয়া লোৰ শলিডালৰ বাবে সি সোমাই আহিবও নোৱাৰে। তাৰ অৱস্থা দেখি মোৰ হাঁহি উঠিল। মই নিজে নিৰাপদ অৱস্থাত থকা বুলি ধৰি লৈছিলোঁ। হিথক্লিফৰ মূৰৰ চুলি আৰু গাৰ কাপোৰ-কানি বৰফৰ টুকুৰাৰে বগা হৈ আছিল। তাৰ আৰু খং দুয়োটাই গোট খাই তাৰ দাঁতে দাঁতে মাৰিছিল। কুকুৰৰ দাঁতৰ দৰে জোঙাল দাঁতবোৰ আন্ধাৰতো জিলিকিছিল। 'ইজাবেলা', সি বাহিৰৰ পৰা চিঞৰি চিঞৰি মোক ক'লে, 'মোক ভিতৰলৈ সোমাই যাবলৈ দে, নহ'লে তই পিচত পস্তাবি।' তাকে কওঁতে, জোজেফৰ ভাষাত, সি দাঁত কৰ্চি আছিল।

তাৰ কথাৰ উত্তৰত মই ক'লোঁ, 'মই নৰহত্যাত জড়িত হ'ব নোৱাৰোঁ। হিণ্ডলেই হাতত ছুৰী এপাট আৰু গুলী ভৰোৱা পিষ্টল এটা লৈ বৈ আছে।'

'মোক পাকঘৰৰ দুৱাৰেদি সুমুৱাই দে', বুলি সি আকৌ কাকুতি জুৰিলে।

প্ৰত্যুত্তৰত মই ক'লোঁ, 'মোতকৈ আগতে সি সেইখিনি পাবগৈ। বৰফ পৰিলতে যে গুচি আহিলি, তাৰ পৰা বুজা গ'ল, তোৰ প্ৰেম কিমান গভীৰ। হিথক্লিফ, তই নাহি মই হোৱাহেঁতেন, মই লেখেৰিণৰ সমাধিত দীঘল দি পৰি বলোহেঁতেন, আৰু প্ৰভুভক্ত কুকুৰৰ দৰে তাতেই মৰিলোহেঁতেন। সংসাৰত জীয়াই থাকি আৰু এতিয়া কাম নাই, নহয়? লেখেৰিণেই তোৰ জীৱনৰ সমস্ত আনন্দৰ উৎস বুলি তই মোক ভালকৈ বুজাই দিছিলি নহয়। এতিয়া পিচে কেনেকৈ বাচি আছ?'

খিৰিকিৰ ভগা টুকুৰাৰ ওচৰলৈ আহি হিথক্লিফে সুধিলে, 'সি সৌ খিনিতে আছে, নহয় নে? মোৰ অস্ত্ৰপাট উলিয়াই আনিব পৰাহেঁতেন তাক এনেকা দিব পাৰিলোহেঁতেন।'

'এলেন, তই নিশ্চয় মোক অত্যন্ত কু-কৰ্মী বুলি ভাবিছ কিজানি। কিন্তু গোটেইবোৰ কথা তই এতিয়াও নাজান। সেইবাবে তেনে এটা সিদ্ধান্ত নল'বি। হিথক্লিফৰ জীৱন নাশ কৰাৰ কোনো প্ৰচেষ্টাতে মই কোনো পধেই সহায়ো নকৰিলোহেঁতেন বা সহাঁৰিও দিদিলোহেঁতেন। কিন্তু তাৰ মৃত্যুৰ আকাঙ্ক্ষা মই কৰিবই লাগিব। সেইবাবে মই তাক ঠাট্টা কৰি কথাবোৰ কোৱাৰ পিচত পৰিস্থিতিয়ে যি ৰূপ ল'লে, তাক দেখিহে মই একেবাৰে হতাশ হলোঁ, ভয়ো খালোঁ। সি আৰ্ণশ্বৰ পিষ্টলটো তেওঁৰ হাতৰ পৰা জোৰেৰে কাঢ়ি ল'লে।



কাঢ়া-আজোৰা কৰোঁতে পিষ্টলটো ফুটিল, আৰু ছুৰীপাত বিপৰীত দিশে বেকা হৈ গৈ আৰ্ণশ্বৰ মণিবন্ধত খোচ খাই লাগি ধৰিলে। হিথক্লিফে জোৰেৰে টানি তাক উলিয়াই আনিলে, তাকে কৰোঁতে মঙহ বখল খাই গ'ল। এইবাৰ সি মস্ত এটা পাথৰ দাঙি লৈ তাৰে খিৰিকিখনৰ শলিডাল মৰিয়াই ভাঙিলে, আৰু আপমাৰি ভিতৰলৈ সোমাই আহিলে। অসহ্য বিষত আৰু কোনোবা এডাল শিৰ ছিগি অত্যাধিক ৰক্তপাত হোৱাত আৰ্ণশ্ব সংজ্ঞাহীন হৈ পৰি আছিল।

সেই অৱস্থাতে দুৰ্বৃত্তটোৱে তেওঁৰ গাত উঠি গচকি তেওঁক পিহি পেলালে, আৰু মূৰটো বাৰে বাৰে পকা মজিয়াত থেকেচিবলৈ ধৰিলে। এই কাৰ্য কৰি থাকোঁতে মই গৈ যাতে জোজেফক মাতি আনিব নোৱাৰোঁ সেই উদ্দেশ্যে সি এহাতেৰে মোক ধৰি আছিল।

অমানবিক আত্মসংবৰণৰ দ্বাৰাহে হিথক্লিফে আৰ্ণশ্বক একেবাৰে খতম নকৰাকৈ এৰিব পাৰিলে। সি প্ৰায় ৰুদ্ধশ্বাস হৈ পৰিছিল। সেই অৱস্থাৰেই সি দেখাত নিৰ্জীৱ যেন লগা দেহটো টোচোৰাই নি দীঘলীয়া বেঞ্চখনত পেলাই দিলেগৈ। তাতে সি আৰ্ণশ্বৰ কোটৰ হাতটো ফালি তাৰে খুব জোৰেৰে ঘাঁ টুকুৰা বান্ধিলে। তাকে কৰি থাকোঁতে সি পাবেমানে থুৱাই আছিল আৰু শাও দি আছিল।

মোৰ হাতটো এৰি দিয়াৰ লগে লগেই মই লৰি গৈ বুঢ়া চাকৰটোৰ ওচৰ পালোগৈ, আৰু তাক যিমান খৰকৈ পাৰি ঘটনাটো বিবৰি কলোঁ। সি লাহে লাহে মোৰ বৃত্তান্তটোৰ তাৎপৰ্য বুজা যেন লাগিল, কাৰণ সি হেঁকাই ফোঁপাই, একোবাৰত একেলগে দুটাকৈ খটখটি দেও দি, খৰকৈ তললৈ নামি আহিল। মুখেৰে কৈ আহিছে ঃ 'এতিয়া আৰু কিটো কৰিবলৈ আছে ! এতিয়া কৰিবলৈ আৰু কি আছে?'

হিথক্লিফ গৰ্জি উঠিলে ঃ 'এতিয়া কৰিবলৈ ইয়াকে আছে ঃ তোৰ গৃহস্থ বলীয়া হৈছে; আৰু এমাহ মান যদি সি জীয়াই থাকে তেন্তে মই তাক পগলা ফাটেকলৈ নিম। চালা দাঁত নাইকিয়া লাপুং কুকুৰ, মোক দুৱাৰ মাৰি বাহিৰত থবলৈ ইমান সাহ তোৰ হ'ল ক'ৰ পৰা? সেইখিনিতে ভোৰভোৰাই ফৰফৰাই থিয় দি থাকিব নালাগে। এই খিনিলৈ আহ। এইটোক শুশ্ৰূষা মই নকৰোঁ। ঘাঁ টুকুৰা ধুৱাই দে। মমডাল জ্বলি আছে, চাবি।'

দৃশ্যটো দেখি ভয়ত পেপুৱা লাগি হতভম্ব জোকাৰি জোজেফে ক'লে, 'তাৰ মানে, তুমি এওঁক হত্যা কৰিলা। জীৱনত এনে দৃশ্য কদাপি দেখা নাই। হে ভগৱান-'

হিথক্লিফে তাক এনে এটা গতা মাৰিলে যে সি হুমখুৰি খাই তেজৰ ডোঙাতে পৰি গ'ল। তাৰ গালৈ গামোচা এটুকুৰা হিথক্লিফে দলিয়াই দিলে। পিচে তাৰে তেজবোৰ টুকি ঠাই টুকুৰা শুকুৱাই পেলোৱাৰ সলনি সি দুই হাত প্ৰাৰ্থনাৰ ভংগীত যোৰ কৰি মুখেৰে পুতপুতাবলৈ ধৰিলে। তাৰ প্ৰাৰ্থনাৰ পুৰণিও পুৰণি আওপুৰণি বিং বাং ভাষা শুনি মোৰ হাঁহি উঠি গ'ল। সেই সময়ত মোৰ মানসিক অৱস্থা এনেহে আছিল যে যি

কোনো কথাকে মই বেপৰোৱাভাৱে লব পাৰিছিলোঁ। কোনো কথাতেই মই সন্ত্ৰস্ত নহৈছিলোঁ। ফটা কাঠত ওলমাৰ আগমুহূৰ্তত কিছুমান অপৰাধীয়ে একো যেন হোৱাই নাই তেনে যেনেকৈ দেখুৱাদি মোবো কামকাজ আৰু ধ্যানধাৰণা দুৰ্ভাবনাহীন হৈছিল।

অত্যাচাৰীটোৱে এইবাৰ মোৰ কাণে চাই ক'লে, 'এহ্ তোৰ কথা পাহৰিছিলোঁৱেই। সেই কামটো তই কৰিবি। জাহান্নামে যা। কাল নাগিনী, তই তাৰ লগ লৈ মোলৈ বুলি ফন চাটিছ, নহয়? সেই কামটো তোৰ বাবে উপযুক্ত হ'ব।'

এইবুলি কৈ সি মোক ইমানদৰে জোকাৰিবলৈ ধৰিলে যে মোৰ দাঁতে দাঁতে কৰচানি খাই কুট কুট আৱাজ হ'বলৈ ধৰিলে। এইবাৰ সি মোক জোজেফৰ ওখিতে বহুৱাই দিলে। সি তেতিয়ালৈ তাৰ প্ৰাৰ্থনা পাঠ কৰি অতাইছিল। এইবাৰ সি জনাই দিলে যে সি তৎমুহূৰ্তত 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'লৈ যাব। মিঃ লিণ্টন স্থানীয় বিচাৰক— তেওঁৰ ওচৰত সি গোচৰ দিবগৈ। সেই সময়ত লিণ্টনৰ এজনীহে নালাগে আঠেকুৰি জনী ছোৱালীয়েক মৰিলেও, ঘটনাটোৰ তদন্ত বোলে তেওঁ কৰিবই লাগিব।

নিজৰ মতলবত সি ইমান নাচোৰবান্দা হৈ লাগিল যে যোৱাৰ আগতে মোৰ মুখৰ পৰা গোটেই ঘটনাটো আকৌ এবাৰ শুনি লোৱাটো সি জৰুৰী বুলি ভাবিলে। অগত্যা উপায়হীন হৈ ময়ো ঘটনাৰ আদ্যোপান্ত তাৰ প্ৰশ্ন অনুসৰি কলোঁ। মোৰ গাৰ ওপৰতে থিয় দিয়াদি হৈ, খং আৰু আক্ৰোশত ফোঁচ্ ফোঁচাই সি সমস্ত কথা শুনি ললে।

গোটেই ঘটনাটোৰ মূলতে যে হিথক্লিফ নহয় সেই কথা জোজেফক বুজোৱাই টান হৈছিল। পিচে তেনেতে আৰ্ণশ্বই তেওঁ তেতিয়াও জীয়াই আছে বুলি সেহাই সেহাই মাত লগালে। যোজেফে লৰালৰিকৈ দুঢোকমান মদ গিলাই দিলে। তাৰ জোৰতে আৰ্ণশ্বই ভালদৰে হুঁচ পালে আৰু কিছু লৰচৰ কৰিব পৰা হ'ল।

বেহুঁচ হৈ পৰি থকা অৱস্থাত লাঠিগোৰ গাত কি পৰিছিল তাৰ জ্ঞান আৰ্ণশ্বৰ নাছিল বুলি জানি হিথক্লিফে ক'লে যে সি ৰাগীৰ জালত একেবাৰে মাতাল হৈ আছে, গতিকে তাক বিচনালৈ নিব লাগে। এইফেৰা সত্ উপদেশ দি সি গ'লগৈ। মই বৰ ভাল পালোঁ। হিণ্ডলেই জুহালৰ ওচৰৰ মজিয়াতে দীঘল দিলে। মই নিজৰ কোঠালৈ গলোঁ। ইমান সহজে যে সাৰি যাম সেই কথা মই ভাবিবই পৰা নাছিলোঁ।

আজি আগবেলা, দুপৰীয়াৰ প্ৰায় আগে আগে মোৰ কোঠাৰ পৰা ওলাই আহি দেখোঁ যে মিঃ আৰ্ণশ্ব জুহালৰ ওখিত বহি আছে। দেখাত মানুহজনৰ মৃতপ্ৰায় অৱস্থা। তাৰ পাপ গ্ৰহটোও ওচৰতে আছিল। তাৰো অৱস্থা তেনেকুৱাহি— শেঁতা আৰু লেলেলা পৰা, মৰামুৱা। দুপৰীয়াৰ আহাৰ খোৱাৰ ইচ্ছা এটায়ো নেদেখুৱালে। বৈ থাকোঁতে থাকোঁতে ভাত-আঞ্জা চেঁচা হ'ল। মই আৰু বাট নাচালোঁ। অকলেই খাবলৈ ললোঁ।



আনবোৰে নাখালে বাবে যে মই খং মনেৰে নাখালোঁ তেনে নহয়। মাজে মাজে মোৰ এক সন্তুষ্টিৰ ভাবো মনলৈ আহিছিল। মাজে মাজে সিহঁত দুটালৈ চাই মই ভাবিছিলোঁ যে সিহঁতকৈ মই ওপৰৰ। বিবেকৰ তাড়ণা মই ভোগা নাই—সেইটো আছিল মোৰ বাবে পৰম স্বস্তিৰ কাৰণ।

খোৱাবোৱা শেষ কৰি মই জুহালৰ ওচৰ চাপি গলোঁ। সাধাৰণতে তেনে কৰাৰ স্বাধীনতা মোৰ নাথাকে। আৰ্ণশ্বৰ বহা আসনৰ ওচৰেদি গৈ, এচুকত তেওঁৰ ওচৰতে আঁঠুপাতি বহিলোঁ।

হিথক্লিফে মোলৈ লক্ষ্য কৰা নাছিল। সি নিশ্চল হৈ বহি আছিল। যেন এটুকুৰা পাথৰহে। মই তাৰ গোটেই অৱয়বটোলৈ লক্ষ্য কৰিলোঁ। তাৰ যিখন কপালত মই এসময়ত পুৰুষালিৰ পুৰাপুৰি চিন দেখা পাইছিলোঁ সেইখন কপালত এতিয়া কিবা এক নৃশংসতাৰ চাপ। চিন্তাত তাৰ কপাল থুপ খাই আছে। তাৰ জেঠীসদৃশ্য চকুযুগল অনিদ্ৰাৰ হেতুকে সোমাই পতিনাদ যেন হ'ল। অনিদ্ৰাই কেৱল নহয়,অশ্ৰুপাতো বোধহয় এটা কাৰণ। তাৰ চেলাউৰিবোৰ মই তিতি থকা দেখিছিলোঁ। তাৰ ওঠ দুটাত আগৰ তীব্ৰ অৱজ্ঞাৰ ভাবটো নাইকিয়া হৈছিল; তাৰ ঠাইত ফুটি উঠিছিল কিবা এক সংজ্ঞাবিহীন বেদনাৰ ছাপ। হিথক্লিফ নহৈ আন কোনোবা হোৱাহেঁতেন, এনেকুৱা শোকৰ প্ৰতিমূৰ্তি দেখি মই মুখ ঢাকিলোহেঁতেন। তাৰ বেলিকা কিন্তু মই খুব ভালহে পালোঁ। পৰাভূত শত্ৰুক অপমান কৰাটো বৰ নীচ কাম হ'লেও, এই ক্ষেত্ৰত মই তেনে এটা কামকে নকৰি নোৱাৰিলোঁ। জোঙা মাৰি এদালেৰে তাৰ গাত খোঁচ এটা মাৰিলোঁ। তাৰ দুৰ্বলতাৰ সুযোগ লৈহে মই ছলেৰে ছল [illegible] সুখকণ উপভোগ কৰিব পৰাটো সম্ভৱ।

—''ছিঃ ছিঃ আইটি'', মই মাত লগালোঁ, ''তোমাৰ কথা শুনিলে মানুহে ভাবিব যে জীৱনত তুমি বাইবেলখনৰ পাত এটাও লুটিয়াই চোৱা নাই। ভগৱানে যদি তোমাৰ শত্ৰুক শাস্তি দিয়ে, তুমি তাতেই সন্তুষ্ট থকা উচিত। ভগৱানৰ বিচাৰৰ ওপৰত তোমাৰ নিজৰ বিচাৰ আৰোপ কৰিবলৈ যোৱাটো ধৃষ্টতা আৰু নীচতাৰ পৰিচায়ক।''

'আনৰ ক্ষেত্ৰত, তই কোৱা কথাটো সঁচা; কিন্তু হিথক্লিফৰ ক্ষেত্ৰত নহয়। তাক মই নিজ হাতেৰে এশিকনি দিবলৈ নাপালে মোৰ গা নুজুৰায়। শাস্তি সি কম পাওক, তাতো মই ৰাজী, মাত্ৰ সি জানিব লাগিব যে সেই শাস্তি তাক মই দিছোঁ। তাৰ ওচৰত মোৰ বহুত দেনা আছে। মাত্ৰ এটা চৰ্তত মই তাক ক্ষমা কৰিব পাৰোঁ। চকুৰ সলনি চকু কাঢ়ি, দাঁতৰ সলনি দাঁত কাঢ়ি, প্ৰতিটো যন্ত্ৰণাৰ মোচৰৰ বাবে একোটা মোচৰ দি, মোক সি যিমান ভোগালে, তাক মই সিমান ভোগাবলৈ পাব লাগিব। আঘাত মোক সিয়েই প্ৰথমে হানিছিল, সেইবাবে ক্ষমাও প্ৰথমে সিয়েই মাগিব লাগিব। তেতিয়া হয়তো, এলেন, মই তাৰ প্ৰতি অলপ সদয় হ'ব পাৰোঁ। পিচে মই তাৰ ওপৰত প্ৰতিশোধ লব পৰাটো একেবাৰে অসম্ভৱ কথা। সেইবাবে তাক মই ক্ষমা কৰিব নোৱাৰোঁ। হিণ্ডলেই পানী অলপ খুজিছিলে। পানী এগিলাচ আগবঢ়াই দি মই তেওঁক কেনে আছে সুধিছিলোঁ।

'যিমান বেয়া হ'লে মোৰ ভাল লাগিলহেঁতেন, সিমান নহয়। মোৰ বাহুটো বাদ দি, গোটেই গাটোত এনেহে বিষ যেন মই ক'ৰবাত হেজাৰটা ভূতৰ লগতহে যুঁজ কৰি আহিছোঁ', তেওঁ উত্তৰত ক'লে।

'হ'বই, আচৰিত হ'ব লগা কি আছে।' মই মন্তব্য কৰিলোঁ, 'কেথেৰিণে বৰ গৰ্ব কৰি কৈছিল যে তাই তোমাক কোনোবাই শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ পৰা ৰক্ষা কৰি থাকে। তাইৰ কথাষাৰৰ অৰ্থ এয়ে আছিল যে তোমাক অনিষ্ট কৰিব খোজা কেইজনমান লোকে তাই বেয়া পাব বুলি ভাবিয়েই তোমাৰ গালৈ হাত নাদাঙে। সমাধিৰ অটল গহ্বৰৰ পৰা মানুহ আচলতে উঠি নাহে, আহিব নোৱাৰে। নোৱাৰাটো ভালৰ কাৰণেহে হয়। নহ'লে তাই যোৱা নিশা যিহে বীভৎস দৃশ্য দেখিলেহেঁতেন। বুকু আৰু বাহুত আপোনাৰ ঘাঁ লগা নাইনে? সেইবোৰ ঠাইত আপোনাৰ জখম হোৱা নাইনে?'

'মই ক'ব নোৱাৰোঁ। কিন্তু তুমি কিহৰ ইংগিত দিছা? মই বেঁহচ হৈ পৰি থাকোঁতে সি মোক মৰিয়াবলৈ মনসাহ কৰিছিলে নেকি?'

মই খুচফুচাই ক'লোঁ, 'সি আপোনাক গৰকি, ওলিয়াই, মাটিত মুখ থেকেচা দি অত্যাচাৰ কৰিছিলে। দাঁতেৰে কামুৰি আপোনাক বথলিয়াই পেলাবলৈ তাৰ জিভাৰ পানী পৰি আছিল— সি তো পুৰাপুৰি মানুহ নহয়— আধাহে মানুহ। আধাও নহয়।'

'মোৰ দৰেই মিঃ আৰ্ণশ্বয়ো, আমাৰ উভয়ৰ শত্ৰু হিথক্লিফৰ মুখলৈ মূৰ দাঙি চালে। সি তাৰ নিজৰ নিদাৰুণ মানসিক যন্ত্ৰণাত ছাটিফুটি কৰি আছিল, আৰু তাৰ চাৰিওপিনে কি ঘটিছে দেখাত তাৰ একো খবৰ লোৱা নাছিল। যিমানেই অধিক সময় সি থিয় দি থাকিলে সিমানেই বেচিকৈ তাৰ চিন্তাৰ ক্ৰূৰতা তাৰ চকুৰে মুখে ফুটি উঠা দেখা গ'ল।

'উস! ভগৱানে যদি এই শেষ যন্ত্ৰণাৰ মুহূৰ্ততো তাক চেপি মাৰিবৰ জোখেৰে মোক বল শক্তিকণ দিলেহেঁতেন, মই হাঁহি হাঁহি নৰকলৈ গলোহেঁতেন'— অধৈৰ্য্যৰ সুৰত মানুহজনে কেঁকাই কেঁকাই মাত লগালে। কথা কেইটা কওঁতে তেওঁ পোন হ'বলৈ চেষ্টা কৰি চটফটাইছিল, কিন্তু নোৱাৰিলে; হতাশ হৈ আকৌ দীঘল দি পৰিল। তেওঁ বুজি পালে যে প্ৰতিপক্ষৰ লগত যুঁজিবলৈ গাত শক্তি তেওঁৰ নাই। সকলোৰে শুনাকৈ মই মাত লগালোঁ, ''সি যে তোমালোকৰ মাজৰ এগৰাকীক মাৰিলে সেয়ে আটিছে। 'গ্ৰেঞ্জ'ত সকলোৰে জানে যে হিথক্লিফ নলগাহেঁতেন তোমাৰ ভনীয়েৰা আজিও বাচি থাকিলেহেঁতেন। আনে যিহকে নাভাবক কিয়, মই কিন্তু জানো তাৰ প্ৰেমতকৈ তাৰ ঘৃণা সহ্য কৰাটো সহজ। সি আহি ওলোৱাৰ আগতে আমি কিমান সুখী আছিলোঁ, কেথেৰিণ কিমান সুখী আছিল— সেই কথা ভাবিলে সি আৱিৰ্ভাৱ হোৱা দিনটোক অভিশাপ দিবৰ মন যায়।''

'মোৰ কথা হিথক্লিফৰ কাণত পৰিল, আৰু কথাৰ সত্যতাও সি উপলব্ধি কৰিলে যেন বোধ হ'ল। কওঁতাই কি ভাবত কথাবোৰ কৈছে তালৈ সি বৰ ভ্ৰূক্ষেপ কৰা



নাছিল। দেখিলোঁ যে তাৰ দুচকুৰ পৰা সৰসৰ কৰে পানী বাগৰি জুহালৰ ছাইত পৰিছে। দুখৰ চুটি চুটি হুমুনিয়াহত তাৰ উশাহ যেন বন্ধ হোৱাৰ উপক্ৰম।

''নিদাৰুণ অৱজ্ঞাৰে মই তালৈ একেথৰে চাই ৰ'লোঁ। মোৰ হাঁহি উঠি গ'ল। নৰকৰ কপাট হঠাতে মোৰ বাবে খোল খাই গৈছে বুলি মোৰ বেচ ভয়ো লাগি গ'ল। হাঁহি মোৰ থামি গ'ল। দানৱ হেন হিথক্লিফ ইমান নিষ্প্ৰভ আৰু ক্লান্ত হৈ আছিল যে অৱজ্ঞাৰ আৰু এটা শব্দও মই উচ্চাৰণ কৰিবলৈ ইচ্ছা নকৰিলোঁ।'

শোকসন্তপ্ত হিথক্লিফে মোক ধমক দি ক'লে, 'ইয়াৰ পৰা গুচ্। মোৰ চকুৰ আঁতৰ হ।' কথা কেইটা তাৰ মুখত ভালকৈ ফুটা নাছিল, কিন্তু তাকে কৈছিল বুলি মই ধৰি লৈছিলোঁ।

'মাফ কৰিবি' মই উত্তৰ দিলোঁ, 'কেথেৰিণক ময়ো ভাল পাইছিলোঁ। এতিয়া তেওঁৰ ককায়েকক পৰিচৰ্যাৰ প্ৰয়োজন হৈছে। কেথেৰিণৰ কথা ভাবি ময়েই তেওঁক আলপৈচান ধৰিম। কেথেৰিণ গ'ল, এতিয়া হিণ্ডলেতে তেওঁক মই দেখা পাইছোঁ। হিণ্ডলেৰ চকু দুটা ঠিক কেথেৰিণৰ চকুৰ দৰে, তই কালি খোকা মাৰি উলিয়াই আনিব খুজিছিলি কাৰণেহে এতিয়া ৰঙা ক'লা পৰি আছে, আৰু তেওঁৰ....'

'উঠ বুলিছোঁ, হতভাগী মূৰ্খ, নহ'লে তোক মই গৰকি মাৰি পেলাম— হিথক্লিফ গৰ্জি উঠিল, আৰু মোৰ ফালে এচোঁচা ললেহি। ময়ো পিচলৈ এহেঁচোকা মাৰিলোঁ।'

পলাবলৈ সাজু থাকি মই মাত লগালোঁ, 'পিচে বেচেৰী কেথেৰিণে তোক বিশ্বাস কৰি হাস্যকৰ, ঘৃণাজনক আৰু সন্মান হানিকৰ শ্ৰীমতী হিথক্লিফ উপাধিটো লোৱাহেঁতেন তেওঁৰো অৱস্থা একেই হ'লহেঁতেন। তোৰ এই জঘন্য ব্যৱহাৰ তেওঁ নীৰবে সহি নাথাকিলেহেঁতেন। তেওঁৰ ঘৃণা আৰু বিৰক্তি প্ৰতিবাদত সৰৱ হৈ উঠিলহেঁতেন।'

'হিথক্লিফ আৰু মোৰ মাজতে আছিল কাঠৰ বেঞ্চখন— তাৰ পিচফালটো ওখ; আৰ্ণশ্বও তাতে বহি আছিল। সেইবাবে মোক ধৰিবলৈ যত্ন নকৰি, সি মেজৰ পৰা কটাৰী এখন তুলি লৈ মোৰ মূৰলৈ দলি মাৰি পঠিয়ালে। কটাৰীখন আহি মোৰ কাণৰ লতিৰ তলত লাগিল। মোৰ মুখৰ কথা মুখতে ৰখিল। পিচ মুহূৰ্ততে মই দুৱাৰমুখলৈ জাপ দিলোঁ, আৰু তাৰ গালৈ এখন কটাৰী কমুতি মাৰি পঠিয়ালোঁ। মোৰ ধাৰণা সেইখন তাৰ গাত মোৰ গাতকৈ দকৈ বহিছে।

সি উন্মত্ত হৈ মোলৈ চোঁচা লৈছিল, কিন্তু আৰ্ণশ্বই তাক গৰা মাৰি ধৰি বাট ভেটিলে। তাকে কৰোঁতে দুয়োটা জোতাপুতি লাগি জুহালৰ ওচৰত পৰি গ'ল। তাতেই মোৰ তাৰ লগত শেষ দেখা।

মই পাক ঘৰৰ মাজেদি পলাইছোঁ। পাক ঘৰতে পাই জোচেফক মই তাৰ গৃহস্বামীৰ ৰক্ষাৰ বাবে তৎক্ষণাত যাবলৈ ক'লোঁ। লৰালৰিতে মই হেয়াৰটনক ঢলিৰে ওপৰাই নিলোঁ। সি সেই সময়তে দুৱাৰ মুখত পাৰি থোৱা চকী এখনৰ পিঠিটোত কুকুৰ-

পোৱালী কেইটামান ওলোমাই কটি দিয়াৰ খেল খেলি আছিল। পাক ঘৰৰ পৰা ওলাই মই ওখ বাস্তাটোৰেদি দিলোঁ দৌৰ। মোৰ এনেহে লাগিছিল যেন মই নৰকৰ পৰা মুক্তি পোৱা এক সৌভাগ্যশালী আত্মাহে। কিছুদূৰ ঢাপিয়াই, দৌৰি, আৰু মাজে মাজে উৰি অহাদি অহাৰ পিচত মই বাস্তা এৰি বিস্তীৰ্ণ মুকলি প্ৰান্তৰৰ মাজেদি পোনালোঁ। কেতিয়াবা পথাৰৰ আলিত উজুটি খাই পৰিছোঁ, কেতিয়াবা পিটনিত পৰিছোঁ, বোকাই বালিয়ে তেনেই লুতুৰি পুতুৰি হৈছোঁ— তথাপিও লক্ষ্য এটাই, কেনেকৈ 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' পাওঁহি। 'গ্ৰেঞ্জ'ৰ চাকিৰ পোহৰ লক্ষ্য কৰি বাট বুলিছোঁ। তালৈ আৰু নাযাওঁ। 'ৱাদাৰিং হাইটচ্'ত এবাৰতো থকাতকৈ মই লাগে চিৰকাললৈ নৰকবাসীয়েই হ'ম।

ইজাবেলাৰ কথা বন্ধ হ'ল। তাই এপিয়লা চাহত চুমুক দিলে। চাহ খাই থিয় হ'ল আৰু মুৰত ওৰণাখন মাৰি দিবলৈ ক'লে। মই এখন বৰ কাপোৰ আনি দিছিলোঁ, সেইখনো ভালকৈ গাত মেৰ হত্তুৱাই মেৰোৱাই ল'লে। তাই যাবলৈ ওলাল। মই আৰু এঘণ্টামান ৰৈ যাবলৈ কাবৌ কোকালি কৰিলোঁহে কৰিলোঁ, তাই মান্তি নহ'ল। তাই যোৱাৰ আগতে চকী এখনত থিয় দি দেৱালত ওলোমাই থোৱা এড্গাৰ আৰু কেথেৰিণৰ ছবি দুখনত চুমা খালে, মোকো খালে, আৰু গাড়ীত উঠিলগৈ। তাইৰ লগত ওলাল ফেনী— চাকৰণী মেৰাণীজনী। বহুতদিনৰ মূৰত তাইৰ কর্ত্রীক লগ পাই তাইৰ কিমান যে স্ফূৰ্তি। ইজাবেলা সেই যি গ'ল আৰু গলেই—এই অঞ্চললৈ আৰু ঘূৰি নাহিল। কিন্তু কথাবোৰ কিছু থানথিত লগাৰ পিচত ককায়েক ভনীয়েকৰ মাজত নিয়মীয়াকৈ চিঠিৰ আদান প্ৰদান হৈছিল।

মোৰ ধাৰণা দক্ষিণৰ কোনোবা ঠাইত, লণ্ডনৰ ওচৰত, তাই নতুনকৈ ঠাই ল'লেগৈ। ইয়াৰ পৰা আঁতৰি যোৱাৰ কেইমাহমান পিচতে তাইৰ এটি ল'ৰা হৈছিল। তাৰ নামো লিণ্টন থোৱা হৈছিল। তাই চিঠিত লিখা মতে প্ৰথমৰে পৰাই সি বেমাৰী আৰু খিংখিঙীয়া প্ৰকৃতিৰ আছিল।

মিঃ হিথক্লিফে এদিন বাটত মোক লগ পাই ইজাবেলা ক'ত থাকে সুধিছিল। মই নকলোঁ। সি ক'লে যে নককাৰী কথা ক'ব লগা একো নাছিল— মাত্ৰ তাই ককায়েকৰ ওচৰলৈ নাহিলেই হ'ল। ককায়েকে ৰাখিব খুজিলেও, তাৰ মতে তাই তেওঁৰ লগত থকাটো ভাল নহ'ব।

মই নকলেও, আন কোনোবা চাকৰৰ পৰা হিথক্লিফে ইজাবেলাৰ থকা ঠাইৰ কথা আৰু তাইৰ ল'ৰা এটা হোৱাৰ কথা গম পালে। পিচে সি তাইক উৎপীড়ন কৰিবলৈ নগ'ল। তাইৰ প্ৰতি তাৰ আকৰ্ষণ হেৰাই যোৱাটোৱেই বোধহয় তাৰ অনীহাৰ কাৰণ আছিল।

মোক লগ পালেই সি কেঁচুৱাটোৰ কথা সুধিছিল। কেঁচুৱাটোৰ নামটো শুনি সি ক্ৰূৰ হাঁহি এটা মাৰি কৈছিল : "তাৰ মানে সিহঁতে কেঁচুৱাটোকো মই ঘৃণা কৰাটো বিচাৰে, হয়নে নহয়?"

মই ক'লোঁ যে সি কেঁচুৱাটোৰ বিষয়ে একো কথাকে জনাটো কোনেও নিবিচাৰে।



'পিচে সিহঁতে মনত ৰখা ভাল হ'ব যে মই যেতিয়াই ইচ্ছা তেতিয়াই কেঁচুৱাটো লৈ আহিম।'

সৌভাগ্যক্ৰমে, তেনে এটা দিন অহাৰ আগতেই কেঁচুৱাটোৰ মাকৰ, অৰ্থাৎ ইজাবেলাৰ মৃত্যু হৈছিল। সেয়া কেথেৰিণৰ মৃত্যুৰ প্ৰায় তেৰ বছৰৰ পিচৰ কথা। লিণ্টনৰ বয়স তেতিয়া বাৰ বছৰ নে অলপ বেছি।

ইজাবেলাৰ অপ্ৰত্যাশিত আবিৰ্ভাৱৰ পিচদিনা গৃহস্বামীৰ লগত মোৰ কথা বতৰা হোৱাৰ সুযোগেই নোলাল। তেওঁ কথাবতৰা পাতিবলৈ এৰি দিছিল, আৰু তেওঁৰ লগত কোনো কথাকে আলোচনা কৰিব পৰা নগৈছিল। কেতিয়াবা পিচে তেওঁক দুই চাৰিটা কথা শুনিবলৈ মান্তি কৰাব পাৰিছিলোঁ। ভনীয়েকে গিৰিয়েকক এৰি গুচি গৈ যে ভাল কাম কৰিলে সেই কথা তেনেবোৰ সময়ত তেওঁ স্পষ্টকৈ কোৱা মোৰ মনত আছে। হিথক্লিফক তেওঁ ইমান তীব্ৰভাৱে ঘৃণা কৰিছিল যে তেওঁৰ দৰে শান্তস্বভাৱৰ লোক এগৰাকীৰ পক্ষে সেইটো সম্ভৱপৰ বুলি ভবাই টান হয়। তাৰ প্ৰতি তেওঁৰ বিদ্বেষ ইমান তীব্ৰ আছিল যে তাৰ লগত হঠাতে দেখাদেখি হৈ যাব পাৰে বা তাৰ নাম কাণত পৰিব পাৰে এনে সম্ভৱপৰ ঠাইলৈ তেওঁ যোৱাটোৱেই বাদ দিছিল। বেজাৰ আৰু এনেবোৰ বিবেচনা গোট খাই তেওঁক একেবাৰে ঘৰ সোমা স্বভাৱৰ কৰিলে। স্থানীয় বিচাৰকৰ বাবটো তেওঁ বাদ দিলে, গীৰ্জালৈও নোযোৱা হ'ল, গাৱঁৰ মানুহৰ লগত সকলো প্ৰকাৰ সংশ্ৰৱ ত্যাগ কৰিলে, আৰু নিজৰ ঘৰ আৰু বাগানৰ মাজতে একেবাৰে অকলশৰে দিন কটাবলৈ ল'লে। ব্যতিক্ৰম মাত্ৰ ইমানেই যে অকলে অকলে মুকলি পথাৰৰ পিনে মাজে মাজে যায়, আৰু যায় তেওঁৰ পত্নীৰ সমাধিৰ পিনে, তাকো বাইকৈ গধূলি, বা নিচেই পুৱাতে যাতে আন মানুহ বাহিৰলৈ ওলোৱাৰ আগতে তেওঁ ঘূৰি ঘৰ সোমাবহি পাৰে।

কিন্তু তেওঁ ইমান ভাল মানুহ আছিল যে সদায়দিন তেওঁ একেবাৰে অসুখী হৈ কটাব নোৱাৰিলে। কেথেৰিণৰ আত্মাই তেওঁক লম্ভি থাকক এনে প্ৰাৰ্থনা তেওঁৰ নাছিল। তেনে প্ৰাৰ্থনা আছিল হিথক্লিফৰ।

সময় অতিবাহিত হোৱাৰ লগে লগে তেওঁৰ মনলৈ আহিল উদাসীনতা, আৰু সাধাৰণ আনন্দতকৈ অধিক মধুৰ এক বিষণ্ণতা। কেথেৰিণৰ স্মৃতি তেওঁৰ মনত নিবিড় আৰু প্ৰেমসিক্ত হৈয়ে ৰ'ল। কেথেৰিণে স্বৰ্গবাস কৰিছে বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল আৰু আশা কৰিছিল যে তেৱোঁ এদিন সেই ৰাজ্যলৈ উত্তৰণ কৰিব। তেওঁৰ পাৰ্থিব সান্ত্বনা আৰু আসক্তিও আছিল। কেথেৰিণৰ শিশুটিৰ প্ৰতি প্ৰথমতে কেইদিনমান তেওঁ দেখাত উদাস আছিল বুলি মই আগতে কৈছিলোঁ। কিন্তু সেই উদাসীনতা এপ্ৰিল মাহত বৰফ গলাৰ দৰে গলি গ'ল। কেঁচুৱাটিয়ে কলকলাবলৈ বা খৰগোৱা চোচৰা কৰিবলৈ আৰম্ভ কৰাৰ আগতেই তেওঁৰ হিয়াত সি নিগাজী স্থান অধিকাৰ কৰি ল'লে, আৰু কেঁচুৱাটিৰ ভালবেয়াৰ বিবেচনাই তেওঁৰ বাবে সৰ্বপ্ৰথম কথা হ'ল।

শিশু কন্যাটিৰ নাম ৰখা হ'ল কেথেৰিণ— কিন্তু লিণ্টন মহাশয়ে পত্নী কেথেৰিণৰ নামটো কেতিয়াও চুটিকৈ নমতাৰ দৰে, এতিয়া জীয়েকৰ নামটোও পুৰাকৈ নামাতিছিল। পত্নী কেথেৰিণৰ নামটো চুটিকৈ নমতাৰ কাৰণ এটা বোধহয় আছিল— হিথক্লিফে তেওঁক চুটি নামেৰে মাতিছিল। কণমানিজনীক তেওঁ সদায় কেথি বুলি মাতিছিল, সেইটো মাতেৰেই মাকৰ পৰা তাইৰ প্ৰভেদটো স্পষ্ট হৈছিল, অথচ মাকৰ লগত থকা সম্বন্ধৰো ই স্মাৰক হিচাপে কাম কৰিছিল। কেথিৰ প্ৰতি তেওঁৰ স্নেহ, কেথেৰিণৰ জীয়েক হিচাপে যিমান, তেওঁৰ নিজৰো জীয়েক বুলি কিজানি সিমান নাছিল।

লিণ্টন আৰু হিওলে আৰ্ণশ্বক মই প্ৰায়ে বিশ্লেষি চাইছিলোঁ। একে পৰিস্থিতিতে এই দুজন মানুহৰ আচৰণ আৰু কাৰ্য ইমান বেলেগ বেলেগ কিয় হয় সেই কথা মই ভাবি উলিয়াব পৰা নাছিলোঁ। তেওঁলোক উভয়ে আছিল মৰমিয়াল স্বামী, নিজৰ সন্তানৰ প্ৰতি আকৰ্ষণো আছিল উভয়ৰে। ভালেই হওক বা বেয়াই হওক, উভয়ে একে বাট বুলিব নোৱাৰাৰ কাৰণটো মই বিচাৰি পোৱা নাছিলোঁ। পিচে মোৰ মনত ধাৰণা হৈছিল যে লিণ্টনক অধিক দৃঢ় আৰু প্ৰতিৰোধক্ষম যেন লাগিলেও, হিওলে আৰ্ণশ্ব আছিল আচলতে পুতৌ লগাকৈ দুৰ্বল। লিণ্টনৰ সমান তেওঁ কোনোপধ্যেই নাছিল। কল্পনা কৰা যাওঁক যে তেওঁলোক দুয়োজন একো একোখন জাহাজৰ কেপ্টেইন। বিষম পৰিস্থিতিত হিওলেই জাহাজ এৰি পলুকা মাৰিব; সাৰেং সকলবোৰে জাহাজখন ডুবাৰ পৰা ৰক্ষা কৰিবলৈ চাওঁক চাৰি, নিজৰ মাজতে উখনাউখনি কৰি উচ্ছৃংখল হৈ হৈ-চৈ এটা কৰিব, জাহাজখন ৰক্ষা পৰাৰ আশা আৰু নাথাকে। লিণ্টন কিন্তু তেনে এটা পৰিস্থিতিত সাহস আৰু দৃঢ়তাৰে পৰিস্থিতি চম্ভালিবলৈ সাজু হ'ব। তেওঁ ভগৱানৰ ওপৰত ভৰসা কৰিছিল, ভগৱানেও তেওঁক আকোঁৱালি লৈছিল। এজন আছিল সদায় আশাবাদী; ইজন মাত্ৰ হতাশ হৈছিল। নিজ নিজ ভাগ্য তেওঁলোকে বাছি লৈছিল, আৰু কাৰো দোষাৰোপ নকৰাকৈ তাক বহন কৰিবলৈ তেওঁলোক বাধ্য।

পিচে, লকউড মহাশয়, আপুনি মোক নীতি শিক্ষাৰ বিষয়ে বক্তৃতা দি থকাটো নিবিচাৰে। আপুনি এই আটাইবোৰ কথা নিজে বিচাৰ কৰি চাব। অন্ততঃ আপোনাৰ নিজৰ মতে ভাবি চাব। মই নিজেও নো তাতকৈ কি বেছি কৰিছোঁ?

আৰ্ণশ্বৰ মৃত্যু দেখাদেখিকৈয়ে ওচৰ চাপি আহিছিল। ভনীয়েকৰ মৃত্যুৰ ছমাহৰ পিচতে তেওঁ ঢুকাল। ঢুকুৱাৰ আগতে কি হৈছিল সেই কথা আমি 'গ্ৰেঞ্জ'ত থকাবোৰে ভালকৈ জানিবলৈ নাপালোঁ। সমাধিৰ যা-যোগাৰত যি পাৰোঁ সহায় কৰি দিবলৈ বুলি যাওঁতে যি শুনিলোঁ সিমানেহে। মিঃ কেনেথেই দুঃসংবাদটো মিঃ লিণ্টনক দিছিলহি।

পুৱাতে ঘোঁৰাৰে আহি সেইদিনা তেওঁ আমাৰ চোতালত নামিছিলহি। পুৱা বুলিও একেবাৰে উপজি পুৱাতে। সিমান পুৱাতে কোনোবা ওলালেহি কিবা বেয়া খবৰ আনিছে বুলি বুকুত ঢক কৰে মাৰে নহয়।

মই ভয় খাই নাযাবলৈ বুলি মিঃ কেনেথে কথাষাৰ পাতলাই উলিয়ালে। তেওঁ



ক'লে, 'বুজিছ নেলী। তয়ো ময়ে এতিয়া শোকাচাৰ পালন কৰিব লগা হ'ল। এইবাৰ কোন সিপৰীয়া হ'ল বাৰু, ক'চোন পাৰ যদি।'

চক খাই মই সুধিলোঁ, 'কোন? কোন ঢুকাল?'

ঘোঁৰাৰ পৰা নামি আৰু পদীখন গজাল এটাত ওলোমাই থৈ তেওঁ ক'লে, 'অনুমান কৰ। আৰু তোৰ এপ্ৰনখনৰ আগটো কাটি ল। তোৰ দৰ্কাৰ হ'ব।'

'হিথক্লিফ ঢুকোৱা নাই তো?' মই প্ৰায় আৰ্তনাদৰ সুৰত সুধিলোঁ।

'কি কৈছ? সি মৰিলে তই কান্দিবি নে কি?' ডাক্তৰ কেনেথে মোক সুধিলে। 'নাই, নাই, হিথক্লিফ মৰা নাই। সি বেচ মজবুত ডেকাটো হৈয়ে আছে। এই মাত্ৰ দেখি আহিছোঁ, তেওঁ গালে ফুটি যাওঁ ফাটি যাওঁ যেন হৈ আছে। ঘৈণীয়েক মৰাৰ পিচৰ পৰা খুব শকত হৈছে সি।'

অধৈৰ্য হৈ মই সুধিলোঁ, 'কোন তেন্তে, মিঃ কেনেথ? কৈ নিদিয়ে কেলেই?'

'হিওলে আৰ্ণশ্ব— তোৰ পুৰণি মিত্ৰ হিওলে ঢুকাল,' তেওঁ উত্তৰ দিলে। 'বৰ অসংযত, অবাধ জীৱন এটা কটাই গ'ল। এ, তই চোন চকু চলচলীয়া কৰিলিয়েই। নাকান্দিবি। মৰিবৰ সময়তো তাৰ একো সলনি নহ'ল, বুজিছ। এসোপা খায়েই মৰিল— কি নবাবৰ চাল একেবাৰে। বেচেৰা! বেয়াও লাগে দে চোন— যিমান নহওক, বহুত দিনৰ লগ। হওঁতে সি মোক কম অপকাৰ কৰি যোৱা নাই। তাৰ যে কিমান দুষ্ট বুদ্ধি নাছিল, ভাবিবলৈকে টান। বয়স হোৱা নাছিল— একুৰি সাত পাৰ হ'ল কি নহ'ল, সিমানহে। তোৰো সিমানেই হে বয়স। তহঁত দুয়োৰে একে বছৰতে জন্ম বুলি বাৰু কোনে ভাবিব পাৰিব?'

কেথেৰিণৰ মৃত্যুতকৈও, আৰ্ণশ্বৰ মৃত্যুৰ শেলপাত মোৰ বাবে অধিক দুঃসহ আছিল। আগৰদিনৰ কথাবোৰ মনত পৰিল। আগফালৰ মুকলি কোঠাত বহি মই আপোন মানুহ এজন ঢুকুৱাৰ দৰে কান্দিলোঁ। আন কোনোবা এটা চাকৰক লগতলৈ মিঃ লিণ্টনৰ ওচৰলৈ যাবলৈ মই কেনেথক ক'লোঁ।

এটা প্ৰশ্ন বাৰে বাৰে মোৰ মনত খুন্দিয়াই আছিল— 'হিওলেই ন্যায্য বিচাৰ পালেনে?' যেতিয়া যিহকে কৰি নাথাকোঁ কিয়, সেই প্ৰশ্নটোৱে মোক আমনি দি থাকে। এই চিন্তাটোৱে মোক ইমানকৈ লগ লেৱা হ'ল যে মই ঠিক কৰিলোঁ লিণ্টনৰ পৰা অনুমতি লৈ মই 'ৱাদাৰিং হাইট্‌চ'লৈ যাম আৰু তাত শেষ কৃত্যৰ যা-যোগাৰত যি পাৰো সহায় কৰি দিমগৈ। মিঃ লিণ্টন প্ৰথমে মান্তি নহয়েই, পিচে মই তেওঁক বৰকৈ পেৰিবলৈ ধৰিলোঁ, আৰু কেনে নিঃসংগ অৱস্থাত সি মৰি পৰি আছে সেই কথাও ক'লোঁ। মই ক'লোঁ যে মোৰ আগৰ গৃহস্বামী আৰু তোলনীয়া ভাই হিচাপে মোৰ ওপৰত, তেওঁৰ নিজৰ থকাদি, হিওলেৰো কিছু দাবী আছে। সৰু ল'ৰা হেয়াৰটন যে তেওঁৰ পত্নীৰ ভতিজাক সেই কথাও মই তেওঁক সোঁৱৰাই দিলোঁ, আৰু ক'লোঁ যে ওচৰ সম্পৰ্কৰ আন কোনো লোক নাথাকিলে তেওঁৱেই তাৰ অভিভাৱকৰ দায়িত্ব ল'ব লাগিব। তদুপৰি সা-সম্পত্তি কালৈ থৈ গৈছে আৰু দেনা পাওনা কি এৰি থৈ গৈছে

সেইবোৰৰ খা-খবৰ লৈ যথোচিত কৰাটোও তেওঁৰেই কৰ্তব্য হ'ব বুলিও মই ক'লোঁ। এনেবোৰ বৈষয়িক ব্যাপাৰত লাগিবৰ জোখেৰে সেই সময়ত তেওঁৰ মনৰ প্ৰস্তুতি নাছিল। তৎসত্ত্বেও তেওঁ মোক তেওঁৰ উকীলৰ লগত যোগাযোগ কৰিবলৈ ক'লে, আৰু শেহান্তৰত মোক 'ৱাদাৰিং হাইট্চ'লৈ যাবলৈ অনুমতি দিলে। তেওঁৰ উকীলেই আৰ্ণশ্বৰো উকীল আছিল। মই গাঁৱলৈ গৈ উকীলজনক মোৰ লগতে আহিবলৈ ক'লোঁ। তেওঁ মূৰ জোকাৰি অসম্মতি প্ৰকাশ কৰি ক'লে যে হিথক্লিফক অকলে যি কৰে কৰিবলৈ এৰি দিয়া ভাল হ'ব। তেওঁ সন্দেহ প্ৰকাশ কৰি ক'লে বোলে হেয়াৰ্টনৰ ভিক্ষাৰী দশাহে হোৱা সম্ভৱ।

'বাপেক ধাৰত পোত খাই মৰিছে, আটাইবোৰ সম্পত্তি বন্ধকত দি থোৱা আছে। স্বাভাৱিকতে এতিয়া যিজন উত্তৰাধিকাৰী হ'ব তেওঁ ধকৱাবোৰৰ অন্তৰ কিছু কোমলাব পাৰিলেহে যদি তেওঁলোকে এৰা ধৰা কৰে। তালৈকে কিছু সময় লাগিব, ততাতৈয়াকৈ এতিয়াই নহয়।'

'ৱাদাৰিং হাইট্চ'লৈ গৈ মই ক'লো যে সমাধিৰ কাম কাজবোৰ সুচাৰুৰূপে সম্পন্ন হৈ যোৱাত সহায় কৰিবলৈকে বুলি মই তালৈ গৈছিলোঁ। জোজেফে মোক দেখি বৰ ভাল পালে। তাক বৰ দুখত থকা যেন লাগিছিল। হিথক্লিফে ক'লে যে তাৰ মতে মই যোৱাৰ দৰ্কাৰ নাছিল, কিন্তু গলোঁৱেই যেতিয়া, ইচ্ছা কৰিলে ৰৈ গৈ সমাধিৰ বাবে যা-যোগাৰ কৰাত যি পাৰোঁ সহায় কৰি দিব পাৰোঁ।

'আচলতে সেই নিৰ্বোধটোৰ শটো চাৰি আনিতে কোনো নিয়ম নিষ্ঠা পালন নকৰাকৈয়ে পুতি থবহে লাগিছিল। কালি আবেলি মই তাক দহ মিনিট সময় অকলে এৰি থৈ গৈছিলোঁ। সেই সময়তে সি ঘৰটোৰ দুৱাৰ দুখন ভিতৰৰ পৰা তালকৈ শলখা লগাই জপাই দিলে, আৰু ইচ্ছাকৃতভাৱেই সি গোটেই ৰাতি মদ খাই খাই মৰিছে। ৰাতিপুৱা ঘোঁৰাৰ নাকৰ ঘেৰ ঘেৰণিৰ দৰে শব্দ এটা আমাৰ কাণত পৰিলত আমি দুৱাৰ ভাঙি সোমাই গৈ দেখোঁ কাঠৰ দীঘল বেঞ্চ এখনত তেওঁ চীৎ খাই পৰি আছে। হেঁচি ঠেলি, চিকুটি বাঁকুহি চালোঁ হে চালোঁ, কোনোপধেই সি সাৰ নাপায়। মিঃ কেনেথক খবৰ দিয়ালোঁ, পিচে তেওঁ আহি পোৱালৈ জানোৱাৰটো এটা মৰা শ লৈ পৰিণত হ'লেই। ঠেঁচা পৰি ঠৰঙা লাগিল। সেইবাবেই কৈছোঁ তাৰ বাবে এতিয়া বেচি হৈ চৈ কৰাৰ আৱশ্যক নাই,' হিথক্লিফে ক'লে।

বুঢ়া চাকৰ জোজেফেও হিথক্লিফে দিয়া বৃত্তান্তটোক সঁচা বুলি দোহাৰিলে। তথাপি সি ভোৰভোৰাই ক'লে, 'হিথক্লিফ নিজেই ডাক্তৰৰ ওচৰলৈ যোৱা ভাল আছিল। মই ওচৰত থাকিব লাগিছিল। পিচে মোক হে পঠালে। মই ডাক্তৰৰ ওচৰলৈ যাওঁতে তেওঁ মৰা নাছিল— ঘূৰি আহি দেখোঁ এই অৱস্থা।'

অন্ত্যেষ্টিক্ৰিয়া যথোচিত সন্মান আৰু নিয়ম নিষ্ঠাৰে হ'ব লাগিব বুলি মই টানি ধৰিলোঁ। মিঃ হিথক্লিফে ক'লে, 'যিদৰে মন যায় কৰি থাক। এটা কথা মাত্ৰ মনত ৰাখিবি। গোটেইখিনি খৰচ মোৰ জেপৰ পৰাহে যাব।'

সি মুখখন গোমোঠা কৰি থাকিল। যেন একো হোৱাই নাই তেনে এটা ভাব।



ভালো পোৱা নাই, বেয়াও পোৱা নাই— এনে এটা নিৰ্বিকাৰ ভাব। ভাবাবেগ তাৰ মুখত যদি কিবা ফুটি উঠিছিল সেইটো হ'ল এটা টান কাম কৃতকাৰ্যতাৰে সম্পন্ন কৰাৰ বাবে অহা সন্তোষৰ ভাব। তাতোকৈ ডাঙৰ কথা, এবাৰত মই দেখিলোঁ তাৰ মুখত বেচ আনন্দ উল্লাসৰ চিন ফুটি উঠিছে। কফিনটো ঘৰৰ পৰা উলিয়াই নিয়াৰ সেই মুহূৰ্তটোতে। লোকক দেখুৱাই সি শবানুগামীও হৈছিল। হেয়াৰ্টনক লগত লৈ কফিনৰ পিচে পিচে গৈছিল। কিন্তু তাকে কৰাৰ আগমুহূৰ্তত দুৰ্ভগীয়া ল'ৰাটোক ওচৰৰ মেজ এখনত তুলি লৈ পৰম উল্লাসৰ সুৰত সি কৈছিল, 'সোণাই, এতিয়াৰ পৰা আৰু তই মোৰ। একেজোপা বতাহৰ কোব খাই দুজোপা গছৰ এজোপা আন জোপাৰ দৰে ভাল পাত ভাগিছিগি বাৰভঁজীয়া হয়নে নহয় দেখা যাব।'

তাৰ কথা শুনি নিৰ্বোধ প্ৰাণীটিয়ে বৰ ভাল পোৱা যেন লাগিল। সি হিথক্লিফৰ মোচ কোচাত আৰু গালত আঙুলি ঘঁহাবলৈ ল'লে। পিচে মই তাৰ কথাৰ মানে বুজি পালোঁ, আৰু বেঙেৰাই মাত দিলোঁ, 'হিথক্লিফ, সেই ল'ৰাটো মোৰ লগতে থ্ৰাচক্ৰচ গ্ৰেঞ্জলৈ যাব লাগিব। তাৰ ওপৰত তো তোৰ সামান্য অধিকাৰো নাই।'

'লিণ্টনে সেইদৰে কৈছে নেকি?' সি সুধিলে।

'নিশ্চয় কৈছে, তেওঁ মোক ল'ৰাটো লগত লৈ যাবলৈ আদেশ দিছে', মই উত্তৰত ক'লোঁ।

'বেচ কথা', বদমাইচটোৱে উত্তৰ দিলে,'এইটো কথা বাৰু এতিয়ালৈ থ। পিচে সৰু ল'ৰা এটা ডাঙৰ কৰাৰ চখ এটা মোৰ আছে। গতিকে তই তোৰ গৃহস্বামীক কবিগৈ, যে এইটো ল'ৰা আঁতৰাই নিলে মই নিজৰটো ল'ৰা ইয়ালৈ আনি ল'ব লাগিব। কোনো বিচাৰ বিবেচনা নকৰাকৈ সুৰ সুৰ কৰে হেয়াৰ্টনক ইয়াৰ পৰা মই লৈ যাবলৈ নিদিওঁ। পিচে সেইটো ল'ৰা যে মই আনিম, সেই বিষয়ে মই নিশ্চিত। কথাটো কবি গৈ।'

এইটো ইংগিতেই আমাৰ হাত বান্ধি পেলালে। মই ঘূৰি গৈ এড্গাৰ লিণ্টনক কথাটো ক'লোঁ। প্ৰথমৰ পৰাই বিষয়টোত তেওঁৰ কোনো উৎসাহ নাছিল, এতিয়া আৰু এই কথাত হস্তক্ষেপ কৰাৰ কথা তেওঁ নাভাবিলে। ইচ্ছা কৰাহেঁতেনো যে তেওঁৰ হস্তক্ষেপৰ ফলত কিবা লাভ হ'লহেঁতেন কোৱা টান। ফলত, 'ৱাদাৰিং হাইট্চ'ত এতিয়া আলহীয়েই গৃহস্থ হ'ল। তেওঁ উকীলক প্ৰমাণ কৰি দেখুৱালে—আৰু উকীলেও মিঃ লিণ্টনক প্ৰমাণ সহ দেখুৱালে যে আৰ্ণশ্বই তেওঁৰ সমস্ত মাটি নগদ টকাৰ বিনিময়ত বন্ধকত দি থৈ গৈছে। তেওঁৰ চখ্ আছিল চিকাৰ কৰাৰ। সেই চখতে সমস্ত টকা উৰাই গৈছে। বন্ধক লোৱা মানুহটো আছিল হিথক্লিফ।

এইদৰেই, যি হেয়াৰ্টন অঞ্চলটোৰ ভিতৰতে মাতব্বৰ, মানী, আৰু সম্ভ্ৰান্ত লোক হৈ থাকিব লাগিছিল, সেই হেয়াৰ্টনৰ আজি অৱস্থা নাই—সি তাৰ বাপেকৰ পৰম শত্ৰুৰ ওচৰত একান্ত নিৰ্ভৰশীল। নিজৰ ঘৰতে এতিয়া সি চাকৰ থকাদি থাকে। দৰমহা নোহোৱা চাকৰ। নিজৰ অৱস্থাৰ পৰিবৰ্তন ঘটাবও সি নোৱাৰে, কাৰণ তাৰ বন্ধু বুলিবলৈ কেওঁ নাই। তদুপৰি তাক যে অন্যায় কৰা হৈছে, বঞ্চিত কৰা হৈছে সেই কথাও সি নাজানে।

# ১৮

শ্ৰীমতী ডীনে কৈ গ'ল, সেই দুৰ্দশাগ্ৰস্ত কালছোৱাৰ পিছৰ বাৰটা বছৰেই মোৰ জীৱনৰ আটাইতকৈ সুখময় কাল। কামানি ছোৱালীজনীৰ সাধাৰণ অসুখ অশান্তিৰ বাহিৰে সেই কেইটা বছৰত আন এৰো বিপদ বিঘিনি নাছিল। ধনীৰে হওঁক বা দুখীয়াৰে হওক, ল'ৰাছোৱালী বুলিলে অসুখ অশান্তি থাকেই।

ছমাহৰ পিচৰ পৰা কেঁচুৱাটি লহপহকৈ বাঢ়ি আহিল। মাকৰ মৃত্যুৰ দুবছৰ নৌহওঁতেই তাই দুই চাৰিটা কথাও ক'ব পৰা হ'ল, আৰু পৰি ধৰি খোজকাঢ়িবলৈকো ল'লে।

নিৰানন্দ, নিষ্প্ৰাণ ঘৰখনলৈ এই সামান্য প্ৰাণীটোৱেই যেন আনন্দৰ প্লাবন আনিলে। মুখখন দেখিবলৈ তাইৰ বৰ ধুনীয়া। আৰ্ণশ্ব পৰিয়ালৰ ধুনীয়া, ক'লা চকু আৰু লিণ্টন পৰিয়ালৰ উজ্জ্বল বং; সৰু সৰু হাত ভৰি, আৰু হালধীয়া কেকোৰা চুলি তাই জন্মগত বৈশিষ্ট্যৰূপে পাইছিল। তাই অতি স্ফূৰ্তিবাজ ছোৱালী আছিল, কৰ্কশতা তাইৰ মুঠেই নাছিল। অন্তৰখন তাইৰ অতি অনুভূতিপ্ৰৱণ আৰু স্নেহশীল আছিল। আনৰ লগত আন্তৰিক সম্বন্ধ স্থাপন কৰিব পৰা গুণটোৱে তাই মোক তাইৰ মাকলৈ মনত পেলাই দিছিল। তেৱোঁ মানুহক নিবিড়ভাৱে ভাল পাব পাৰিছিল। তৎসত্ত্বেও, তাই হুবহু মাকৰ দৰে নাছিল। তাই কপৌ এটাৰ দৰে কোমল আৰু নিৰ্জু স্বভাৱৰ আছিল। মাততো আছিল বৰ মৃদু, ভাবভংগীত আছিল এক বিষণ্ণতাৰ চাপ। তাইৰ খং উগ্ৰ নাছিল, প্ৰেম নাছিল তীব্ৰ। তাইৰ প্ৰেম আছিল গভীৰ আৰু সূক্ষ্ম।

পিছে তাইৰ যে কেৱল গুণেই আছিল, দোষ নাছিল, তেনে নহয়। মুখে মুখে উত্তৰ দিয়া আৰু জেদী প্ৰকৃতি এটা তাইৰ আছিল। অৱশ্যে শান্ত হওঁক, দুষ্ট হওঁক সকলো ল'ৰাছোৱালীৰে এই স্বভাৱটো থাকেই। কোনোবা চাকৰে যদি তাইক কিবা লগালে, তাই তৎক্ষণাত ক'ব, 'পিতাক কৈ দিম, ৰ।' আৰু পিতাকে যদি চকুৰ চাৱনিৰেও তাইক তিৰস্কাৰ কৰি কিবা ক'লে, তেন্তে হ'লেতো তাৰ পৰিণতি হৃদয় বিদাৰক হ'ব। পিতাকে কোনোদিনে এষাৰ টান মাতো তাইক দিয়া মোৰ মনত নপৰে।

জীয়েকৰ শিক্ষাৰ দায়িত্ব লিণ্টনে সম্পূৰ্ণভাৱে নিজে লৈছিল। এই দায়িত্বটো তেওঁ এক প্ৰকাৰ ধেমালি হিচাপে লৈছিল। সৌভাগ্যক্ৰমে, প্ৰখৰ বুদ্ধি আৰু শিক্ষাৰ প্ৰতি থকা ধাউতিৰ বাবে সোনকালেই তাই এগৰাকী ভাল ছাত্ৰী হৈ উঠিছিল। কথাবোৰ তাই দ্ৰুত গতিত আয়ত্ত কৰিব পাৰিছিল। জীয়েকক শিক্ষাদান কৰাটো লিণ্টনৰ বাবে সাৰ্থক হৈছিল।



তেৰ বছৰ বয়সলৈকে তাই অকলে ওচৰৰ উদ্যানখন পাৰ হৈও এখোজো যোৱা নাছিল। ক'ৰবাত কাচিৎ লিণ্টন মহাশয়ে তাইক এমাইল দুমাইল বাট লগত লৈ বাহিৰলৈ ওলাইছিল। তেওঁ আন কাৰো লগত তাইক যাবলৈ দিয়া নাছিল। গিমাৰটন বোলা ঠাই টুকুৰা তাই দেখা নাছিল, তাৰ নামহে শুনিছিল। নিজৰ ঘৰটোৰ বাহিৰে তাই সোমোৱা আন একমাত্ৰ ঘৰটো হ'ল গীৰ্জা ঘৰটো। তাইৰ বাবে 'ৱাদাৰিং হাইট্চ' আৰু হিথক্লিফৰ কোনো অস্তিত্ব নাছিল। তাইৰ জীৱন আছিল একেবাৰে নিঃসংগী। দেখাত তাইৰ অসন্তোষ বুলিবলৈ নাছিল। কেতিয়াবা খিৰিকিৰে বাহিৰৰ জগতখনলৈ চাই থাকি থাকি তাই সোধে, 'এলেন, পাহাৰবোৰৰ শিখৰলৈ যাব পৰা হ'বলৈ মোক আৰু কিমানদিন লাগিব? পাহাৰবোৰৰ সিপাৰে বাৰু কি আছে? সাগৰ?'

'নহয়, কেথি আইটি। সাগৰ নহয়। এইবোৰৰ দৰে সিপাৰেও পাহাৰেই' বুলি মই উত্তৰ দিছিলোঁ।

তাই এদিন সুধিছিল, 'সৌ সোণালী শিলৰ টুকুৰাবোৰ আচলতে কি বাৰু? সেইবোৰৰ তলত থিয় দিলে কেনে লাগে বাৰু?'

পেনিষ্টন ক্ৰেগৰ হঠাতে যোৰ লোৱা নামনি ভাগটোৱে তাইৰ দৃষ্টি বৰকৈ আকৰ্ষণ কৰিছিল। বিশেষকৈ অস্তগামী সূৰ্যৰ কিৰণ ইয়াৰ চূড়াত পৰিলে যি সময়ত ই জিলমিলাই থাকে আৰু সমস্ত পাৰ্শ্বভূমি পাতল আন্ধাৰে আৱৰি ধৰে, সেই সময়ত।

মই তাইক বুজাই কৈছিলোঁ যে সেইবোৰ প্ৰকাণ্ড শিলৰ টুকুৰা। সিবোৰৰ ফাঁকত মাটি বুলিবলৈ নাই। সেইবাবে তাত জোপোহা গছ এজোপাও গজিব নোৱাৰে।

'ইয়াত সন্ধিয়া হৈ গলেও পাহাৰ শিখৰৰ শিলবোৰ ইমান উজ্বল হৈ কিয় থাকে?' তাই মোক সুধিছিল।

'কাৰণ শিলবোৰ আমাতকৈ বহুত ওখত আছে', মই তাইক বুজাইছিলোঁ। 'তুমি তালৈ উঠিব নোৱাৰা। বৰ থিয় আৰু ওখ। শীতকালি আমাৰ ইয়াতকৈ আগতে তাত বৰফ পৰে। তদুপৰি, উত্তৰ-পূব দিনৰ সেই ক'লা গাঁতটোত মই গ্ৰহকালিৰ মাজভাগলৈকে বৰফ জমা হৈ থকা দেখিছোঁ।'

'বাঃ। তুমি সেই শিলবোৰত উঠিছা?' উল্লাসত অধীৰ হৈ তাই ক'লে। 'তেন্তে ময়ো (তোমাৰ দৰে) এগৰাকী মহিলা হ'লে তালৈ যাব পাৰিম। দেউতা তালৈ গৈছেনে, এলেন?' মই টপৰাই উত্তৰ দিলোঁ, 'সেই শিলবোৰ যে চাবলগীয়া নহয়, সেইকথা তোমাক দেউতাৰাই ক'ব, আইটি। তেখেতৰ লগত তুমি ঘূৰি ফুৰা মুকলি ঘাঁহনি পথাৰখনেই বেচি ভাল। তদুপৰি 'থ্ৰাচক্ৰচ' পাৰ্কখনেই পৃথিৱীৰ ভিতৰতে আটাইতকৈ ভাল ঠাই।'

মোৰ কথা শুনি তাই মনে মনে ভোৰভোৰাই ক'লে, 'কিন্তু মোৰ বাবে পাৰ্কখন চিনাকি ঠাই; সেই শিলৰ টুকুৰাবোৰতো মই ওচৰৰ পৰা দেখাগৈ নাই। আটাইতকৈ ওখ সেই ঠাইৰ পৰা চাৰিওফালে চাবলৈ বৰ ভাল লাগিব। মোৰ পোৱালি ঘোঁৰা মিন্নিৰ পিঠিত উঠি কেতিয়াবা তালৈ যাম।'

এজনী চাকৰণীয়ে তাইক পৰীৰ গহ্বৰৰ কথা ক'লত তাই একেবাৰে উত্ৰাৱল হৈ পৰিল। তাই তালৈ যাবই। দেউতাক লিণ্টনক এইবোৰ কথাকে কৈ কৈ তাই আমনি দি থাকিবলৈ ল'লে। তেৱোঁ কৈ থলে যে ডাঙৰ হ'লে তাই সেই ঠাইলৈ যাব পাৰিব। কিন্তু কেথি আইটিয়ে তাইৰ বয়স সদায় মাহৰ হিচাপতহে জোখে, আৰু "মই এতিয়া 'পেনিষ্টন ক্ৰেগ'লৈ যাব পৰা হৈছোঁনে" বুলি ঘনে পতি পেৰেনিয়াই থাকে।

সেই পাহাৰৰ পিনে যোৱা ৰাস্তাটো 'ৱাদাৰিং হাইটচ'ৰ ওচৰেদি গৈছে। সেই বাটেদি যাবলৈ এড্গাৰৰ মত নাছিল। সেইবাবে কেথি আইটিয়ে সদায় একেটা উত্তৰকে পাইছিল ঃ 'এতিয়াও নৌ অথোন, আইজনী, এতিয়াও নৌ।'

গিৰিয়েকক এৰি যোৱাৰ পিচত ইজাবেলা বাৰ বছৰতকৈ বেচি দিন জীয়াই আছিল বুলি মই কৈছোঁৱেই। তেওঁৰ পৰিয়ালৰ মানুহবোৰৰ শাৰীৰিক গঠনত আছিল আলসুৱা। এই অঞ্চলৰ মানুহবোৰৰ তেজগোৰা চেহেৰা ঃ গালে মুখে ফাটি যাওঁ ফুটি যাওঁ যেন। ইজাবেলা আৰু এড্গাৰৰ তেনে চেহেৰা নাছিল। ইজাবেলাৰ একেবাৰে শেহৰ বেমাৰটো কি আছিল মোৰ মনত নাই। যিমান দূৰ এতিয়া মনত পৰে ককায়েক-ভনীয়েক উভয়েই একেদৰে ঢুকাইছিল। জ্বৰ হৈছিল। প্ৰথমতে পাতলীয়া কুহকুহীয়া জ্বৰ, কিন্তু নেৰে, আৰু যিমানেই দিন যায় সিমানেই জ্বৰৰ হেঁচাত ৰোগীৰ দেহাও কাহিল হৈ পৰে— ক্ষয় হৈ যায়, শেহত ৰোগী মৰেগৈ।

ইজাবেলাই এবাৰ ককায়েকলৈ এখন চিঠি দিছিল— সেই চিঠিত তাই লিখিছিল বোলে চাৰিমাহ বেমাৰত ভোগাৰ পিচত তেতিয়া তাইৰ ভাললৈ অহা যেন লাগিছিল। যদি পাৰে এবাৰ তাইৰ ঘৰলৈ যাবলৈ ককায়েকক তাই বৰকৈ কাকুতি-মিনতি কৰিছিল, কাৰণ তাইৰ বোলে বহুত কথা নেহা লগাবলগীয়া আছিল। তাই ককায়েকৰ পৰা বিদায় ল'বলৈও বিচাৰিছিল, আৰু পুতেক লিণ্টনক নিজৰ হাতৰ পৰাই ককায়েকৰ ওচৰত গতাই দি নিশ্চিন্ত হ'ব খুজিছিল। তাইৰ ইচ্ছা আছিল ল'ৰাটোক ককায়েকৰ লগত থৈ গ'লেহে তাৰ পঢ়াশুনা হ'ব। বাপেক হিথক্লিফৰ পুতেকক ভৰণ পোষণ দিয়াৰ বা তাৰ শিক্ষাদীক্ষাৰ দায়িত্ব লোৱাৰ অভিপ্ৰায় নাছিল বুলি তাই ধৰি লৈছিল।

ভনীয়েকৰ অনুৰোধ ৰক্ষা কৰাত ককায়েক লিণ্টনে অকণো পলম নকৰিলে। সাধাৰণ উপলক্ষত তেওঁ ঘৰ এৰি ক'লৈকো নগৈছিল, কিন্তু ভনীয়েকৰ চিঠি পাই তৎক্ষণাত তেওঁ যাবলৈ ওলাল। কণমানি কেথিক মোৰ দায়িত্বত থলে। তাইক অকলে নেৰিবলৈ বাৰে বাৰে মোক সকিয়াই দিলে। আনকি মোৰ লগতো তাই বাগানৰ বাহিৰ ওলোৱাটো তেওঁ নিষেধ কৰিলে। জীয়েক অকলে ফুৰাৰ কথাটো তেওঁ বিচৰা নাছিল।

তেওঁ তিনি সপ্তাহ ঘৰৰ পৰা আঁতৰি আছিল। প্ৰথমৰ দুই এদিন কেথি পুথিভঁৰালৰ কোঠাৰ এচুকত মন বেয়া কৰি বহি থাকিল। নপঢ়েও, নেখেলেও। চুপ চাপ বহি থাকি তাই মোক একো দিগদাৰ দিয়া নাছিল। পিচে দিন একেদৰে নগ'ল। কেইদিনমানৰ পিচত তাই বৰ আমনি দিবলৈ ধৰিলে। কথাই কথাই খং, কথাই কথাই গপ ঠেহ।



অলপ কথাতে লাগে। মোৰো তেতিয়া আৰু তাইৰ পিচে পিচে ওপৰ মহল তল মহল কৰি লৰি ফুৰিবৰ বয়স নাই। গতিকে তাই নিজে নিজেই ওমলি-জামলি থাকিবলৈ বুলি মই এটা উপায় উলিয়ালোঁ।

ঘৰৰ কাষৰ মুকলি ঠাইখিনিতে তাইক একোপাক মই ফুৰি আহিবলৈ দিলোঁ। মন গ'লে খোজ কাঢ়ি যায়, মন গ'লে ঘোঁৰাত উঠি যায়। তাই ঘূৰি আহিলে মই তাইৰ সঁচা বা সাজিকোৱা আটাইবোৰ বৃত্তান্ত ধৈৰ্য ধৰি শুনোঁ।

তেতিয়া জহকালি। সুন্দৰ ফৰকাল বতৰ। তাইৰ অকলে অকলে ফুৰাত ইমান নিচা বহিল যে কেতিয়াবা নিচেই পুৱাৰে পৰা এপৰ বেলি তাই বাহিৰতে থকা হ'ল। গধূলি সময়খিনি তাইৰ কাল্পনিক কাহিনীবোৰ মোক শুনাওঁতেই পাৰ হয়। চৌহদৰ জপনাত সাধাৰণতে তলা মাৰি থোৱা থাকে। সেইবাবে তাই বাহিৰলৈ ওলাই যাব বুলি মই ভবা নাছিলোঁ, আৰু খোলা থাকিলেও তাই দূৰলৈ যাবলৈ সাহ কৰিব বুলি মই শংকা কৰা নাছিলোঁ।

দুৰ্ভাগ্যক্ৰমে মোৰ ধাৰণা মিছা প্ৰমাণিত হ'ল। এদিন পুৱা আঠ বজাত তাই মোৰ ওচৰলৈ আহি ক'লে যে সেইদিনা তাই আৰৱ দেশৰ বেপাৰী সাজি লগত দলবল লৈ মৰুভূমি পাৰ হ'ব। গতিকে তাই লগত নিবলৈ, মানুহ আৰু জন্তু উভয়ৰ বাবে যথেষ্ট ৰচদ পাতিৰ মই যোগান ধৰিব লাগে। জন্তুৰ ভিতৰত এটা ঘোঁৰা আৰু তিনিটা উট। এটা ডাঙৰ চিকাৰি কুকুৰ আৰু দুটা সৰু সৰু, চুটি চুটি নোমৰ কুকুৰকে তাই উট বুলি লৈছিল। মই এসোপামান মিঠৈ, লাৰু আৰু মিঠা মিঠা খোৱা বস্তু যোগাৰ কৰি এটা মোনাত ভৰাই দিলোঁ। ঘোঁৰাৰ জীনৰ এফালে তাই মোনাটো আৰি ল'লে আৰু পৰী এজনীৰ দৰে পৰম উল্লাসেৰে জাপ মাৰি ঘোঁৰাত উঠিল। জুলাই মাহৰ ৰ'দৰ পৰা ৰক্ষা পাবলৈ চেপেটা, বহল টুপিটো মূৰত ল'লে, আৰু পাতল ওৰণাখন উৰি ল'লে। এইদৰে সৈতম হৈ তাই কুকুৰখুজীয়া কদমত ঘোঁৰা চলাই দিলে। মই ঘোঁৰা দৌৰাবলৈ মানা কৰিছিলোঁ, আৰু সোনকালে ঘূৰি আহিবলৈ কৈছিলোঁ। মোৰ কথা তাচ্ছিল্য কৰি তাই হাঁহি হাঁহি উৰাই দিলে।

দুষ্টজনী চাহখোৱাৰ পৰত নোলালহি। ডাঙৰ চিকাৰী কুকুৰটো বুঢ়া হৈছিল— আৰু আৰামপ্ৰিয়ও আছিল— সি আহি ওলাল; কিন্তু যাত্ৰীদলৰ বাকীবোৰৰ কাকো ক'তো দেখিবলৈকে পোৱা নগ'ল। কেথিও নাই, ঘোঁৰাও নাই, কুকুৰ দুটাও নাই। মই ইফালে সিফালে তাইক বিচাৰি যাবলৈ আক তাক পঠিয়ালোঁ, আৰু শেহত নিজেই ওলালোঁ।

আমাৰ ওচৰৰ এখন বাৰীৰ চাপত এটা মানুহে জেওৰা দি আছিল। ছোৱালীটি দেখিছিলেনে নে কি বুলি সুধিলত সি ক'লে,'ৰাতিপুৱাতে দেখিছিলোঁ। ঘোঁৰাৰ চাবুক হিচাপে ল'বলৈ বুলি মোৰ হতুৱাই হেজেল গছৰ ঠানি এটা কটাই লৈছিল। তাৰ পিচত ঘোঁৰা দৌৰাই সৌ পিনৰ দাঁতিৰ বাটটোৰেদি গুচি গৈছে। তাৰ পিচত আৰু মই দেখা নাই।'

এইয়াৰ কথা শুনি মোৰ কেনে অৱস্থা হৈছিল আপুনি নিশ্চয় অনুমান কৰিব পাৰিছে। চাঁত বৰে মোৰ মনত খেলালে যে তাই নিশ্চয় 'পেনিষ্টন ক্রেগচ'লৈ গৈছে।

'তাইৰ কি দশা হ'ব!', কথাষাৰ মোৰ মুখৰ পৰা আপোনা আপুনি ওলোৱাদি ওলাল। মানুহটোৱে মেৰামতি কৰি থকা জেওৰাখনৰ এটা সুৰুঙাইদি মই ঘাই বাস্তালৈ পোনাই দিলোঁ।

যেন কিবা এটা জেদত লাগিছে মই ইমাইলৰ পিচত সিমাইলকৈ বাটবুলি গৈ আছোঁ। গৈ গৈ কেকুৰি এটা পাৰ হৈ 'ৱাদাৰিং হাইট্চ'ৰ ওচৰ পালোঁগৈ। কিন্তু ওচৰে পাঁজৰে ক'তো কেথেৰিনক দেখিবলৈ পোৱা নগ'ল।

পেনিষ্টন ক্রেগচ হিথক্লিফৰ ঘৰৰ পৰা ডেৰমাইল দূৰত; গ্রেঞ্জৰ পৰা চাৰি মাইল। গতিকে তালৈ গ'লে ৰাতি হ'ব বুলি মোৰ ভয় লাগিল।

'সেইবোৰত উঠিবলৈ গৈ যদি তাই পিচল খাই পৰি, হাড়মূৰ ভাঙি মৰিছে—তেতিয়া কি হ'ব। হায় ভগৱান!'

মোৰ উৎকণ্ঠা সঁচাকৈয়ে বৰ যন্ত্রণাদায়ক হৈছিল। পিচে পাম খেতিৰ ঘৰটোৰ ওচৰেদি লোৱাকুৰিকৈ খোজ দিওঁতে মোৰ হঠাতে সৰু কুকুৰ দুটাৰ এটাত— চালি বেলাটোত— চকু পৰিল। ভয়ংকৰ প্ৰাণী সেইটো। তাক দেখি মোৰ যেন ধাতু আহিল। খিৰিকি এখনৰ তলত সি নেজ পেলাই শুই আছে। মূৰটো উখহি আছে। কাণৰ পৰা তেজ বৈ আছে। জপনাখন খুলি মই নবালনিকৈ দুৱাৰৰ ওচৰলৈ পোনালোঁ, আৰু ভিতৰলৈ সোমাই যাবলৈ বিচাৰি টুকিয়ালোঁ। এজনী তিৰোতা মানুহ দুৱাৰখুলি ওলাই আহিছিল— মানুহজনী মোৰ চিনাকি, আগতে গিমাৰটনত আছিল। আৰ্ণশ্বৰ মৃত্যুৰ পিচৰ পৰাই তাই তাত আছে।

মোক দেখি তাই ক'লে, 'বুজিছোঁ, তুমি তোমাৰ সৰু আইটিজনীক বিচাৰি এইখিনি পাইছাহি। ভয় নকৰিবা। তাই ইয়াতে বেচ নিৰাপদে আছে। গৃহস্থহে পিচে ঘৰত নাই। ভালেই হৈছে।'

'তেওঁ ঘৰত নাই নেকি? নে আছে?', মই কোঁপাই জোপাই সুধিলোঁ। এপাচি চিন্তা মূৰত লৈ, টপলিয়াই অহা দি আহি মই একেবাৰে লাবেজান হৈ পৰিছিলোঁ।'

'নহয়, মানে তেওঁ আৰু জোজেফ দুয়ো ওলাই গৈছে। এঘণ্টামানৰ আগতে ঘূৰি আহি পোৱাৰ আশা নাই। আহা, সোমাই আহা। অকণমান জিৰাই লোৱাহি।'

তাইৰ কথামতে মই ভিতৰলৈ সোমাই গৈ দেখোঁ, জুহালৰ ওচৰত কেথিয়ে এখন চকীত বহি লৈ আৰামত ভৰি নচুৱাই আছে। সেইখন তাইৰ মাকৰ কেঁচুৱাকালৰে চকী। তাই হেটটো খুলি বেৰত ওলোমাই থৈছে। তাই বেচ আৰামত থকা যেনেই লাগিল। হাঁহি মাতি পৰম উল্লাসেৰে হেয়াৰটনৰ লগত পেৰ্‌পেৰকাই আছে। হেয়াৰটন এতিয়া গজলীয়া ডেকা, বয়স তাৰ ওঠৰ বছৰত সোমাল। বেচ চকল চেহেৰা। সি কেথিলৈ পৰম বিস্ময়ত ৰ লাগি চাই আছিল। তাই সোধা অন্তহীন প্ৰশ্নবোৰৰ সি



একোটোকে বুজা নাছিল। তাই কোৱা কথাবোৰৰো মাথামুণ্ড সি একো ধৰিব পৰা নাছিল।

ছোৱালীটি দেখা পাই মই অতি আনন্দিত হ'লোঁ, কিন্তু সেই আনন্দ লুকুৱাই ৰাখি, মুখত খং ভাব এটা বিৰিঙাই ক'লোঁ, 'দেউতাৰা ঘূৰি নহালৈকে আৰু তুমি যৌবাত উঠিবলৈ নাপাবা। আজিয়েই শেষ। দুষ্ট ছোৱালী—তোমাক মই আজিৰ পৰা দুৱাৰডলিৰ বাজ হ'বলৈ নিদিওঁ।'

'বাঃ এলেন', আনন্দত উৰুলীকৃত হৈ জাপিয়াই মোৰ কাষলৈ আহি তাই ক'লে,'আজি ৰাতি তোমাক মোৰ এটা মজাৰ সাধু ক'বলৈ আছে। মোক তুমি ভাল বিচাৰি পালাহি ইয়াত। এই ঠাইলৈ তুমি আগতে আহিছা নে?'

'হেটটো পিন্ধি লোৱা আৰু তৎক্ষণাত ঘৰলৈ আহা', মই ক'লোঁ। 'কেথি আইটি, তোমাৰ বাবে মোৰ আজি ভয়ানক দুৰ্গতি হৈছে। তুমি মোক বৰ অন্যায় কৰিছা। এতিয়া ঠেহ পাতি মুখ ওফোন্দাই উচুপি লাভ নাই। তোমাক বিচাৰি চাৰিওপিনে চলাথ কৰোঁতে মোৰ যি কষ্ট হ'ল তাক নোহোৱা কৰিবা কেনেকৈ? মিঃ লিণ্টনে মোক কৈ গ'ল তোমাক বাহিৰলৈ যাবলৈ নিদিবলৈ, আৰু তুমি মনে মনে আহি এইখিনি পালাহি। তুমি অতি ধূৰ্ত ছোৱালী, মই এতিয়াহে বুজিলোঁ। তোমাক আৰু কোনেও বিশ্বাস নকৰিব।'

মোৰ বকনি শুনি তাই উচুপি উচুপি সুধিলে, 'পিতাইডোন মোক একো কৈ যোৱা নাছিল। তুমি ভালকৈ জানিবা, এলেন, তেওঁ মোক কেতিয়াও গালি নিদিয়েহি। তেওঁৰ কেতিয়াও খং নুঠে। তোমাৰ হে উঠে।'

'হৈছে, হৈছে' মই ক'লোঁ। 'চাওঁ ফিটাডাল মই বান্ধি দিওঁ। এতিয়া আৰু ঠেহ্‌পেচ্ ধৰি থাকিব নালাগে। ইচ্, লাজো নালাগে। তেৰ বছৰীয়া বুঢ়ী। এতিয়াও কেঁচুৱা হৈয়ে আছে।'

মূৰৰ পৰা হেটটো আঁতৰাই দলিয়াই দি, মোৰ পৰা দূৰলৈ গৈ ধোঁৱা ওলাই যোৱা চুঙাটোৰ ওচৰত গপ পাতি বৈ থকা দেখি তাইক এইদৰে মই ক'লোঁ।

ইয়াকে শুনি চাকৰণীজনীয়ে ক'লে,'মিচেচ ডীন, এই ধুনীয়া আইটিজনীক খং নকৰিবা। তুমি চিন্তা কৰা বুলি ভাবিহে আমি এওঁক ইয়াতে ৰখালোঁ। তেওঁতো আৰু আগলৈ যাবলৈ ওলাইছিল। হেয়াৰটন তেওঁৰ লগত যাবলৈ উপযাচি ওলাইছিল, আৰু মই ভাবিলোঁ যে সি যোৱাটো ভালেই হ'ব। পাহাৰৰ ওপৰত একেবাৰে হাবিতলীয়া বাট।' এই সময়ছোৱাত হেয়াৰটনে জেপত হাত দুটা ভৰাই ওচৰতে থিয়দি আছিল। সি ইমান অপ্ৰস্তুত হৈছিল যে কি ক'ব ভাবিয়েই পোৱা নাছিল। তাৰ মুখৰ পৰা এষাৰ কথাও ওলোৱা নাছিল। কিন্তু তাৰ মুখৰ ভাব দেখি বুজা গৈছিল যে মই গৈ তাত ওলালত সি একেবাৰে ভাল পোৱা নাছিল।

চাকৰণীজনীৰ কথালৈ কাণ নিদি মই সুধিলোঁ,'মই কিমান পৰ বৈ থাকিম? দহ মিনিটৰ ভিতৰতে আন্ধাৰ হ'ব এতিয়া। কেথি, ঘোঁৰা পোৱালিটো ক'ত এৰিলা? আৰু

ফিংঞ নামৰ কুকুৰটো একা? লৰালৰি কৰা, নহ'লে মই তোমাক ইয়াতে এৰি থৈ গুচি যাম।'

তাই উত্তৰত ক'লে,'ঘোঁৰা পোৱালিটো আগফালৰ চোতালত আছে। ফিংঞকো তাতে বান্ধি থোৱা আছে। তাক আন কুকুৰে কামুৰিছে। চার্লিকো কামুৰিছে। মই এই আটাইবোৰ কথা তোমাক ক'বলৈ ওলাইছিলোৱেই। পিচে তোমাৰ খং উঠি আছে। নালাগে শুনিব, যোৱা।'

মই তাইৰ হেটটো তুলি লৈ মূৰত পিন্ধাই দিওঁ বুলি আগবাঢ়ি গলোঁ। কিন্তু সেইটো ঘৰত থকা মানুহবোৰে তাইৰ পক্ষ লোৱা দেখি তাই কোঠাটোৰ ভিতৰতে ডেও দি নাচিবলৈ ধৰিলে। মই খেদা মাৰি গৈ ধৰিব খুজিলত নিগনিৰ দৰে ইফালে সিফালে, আচবাব পত্ৰবোৰৰ ওপৰেদি বাগি দি ইপিনে সিপিনে লৰিবলৈ ধৰিলে। তাইক খেদি ফুৰিবলৈ যোৱাটো মোৰ বাবে বৰ হাস্যকৰ কথা হৈ পৰিল।

হেয়াৰটন আৰু চাকৰণীজনীয়ে দৃশ্যটো দেখি হাঁহিবলৈ ধৰিলে। তাই নিজেও সেই হাঁহিত যোগ দিলে। তাইৰ দুষ্টালি বাঢ়িল হে। খং উঠি মই দাবী দি ক'লোঁ,'কেথি আইটি, এটা কথা। এই ঘৰটো কাৰ সেই কথা জানিলে তুমি তৎক্ষণাত ইয়াৰ পৰা ওলাবলৈ বিচাৰিবা।'

হেয়াৰটনৰ পিনে মুখ ঘুৰাই চাই তাই সুধিলে,'তোমাৰ দেউতাৰাৰ ঘৰ, নহয় নে? তেলমুৰা হৈ, লাজতে ৰঙাচিঙা পৰি সি ক'লে,'নহয়'।

তাইৰ চকুৰ স্থিৰ দৃষ্টি সি সহ্য কৰিব নোৱাৰিলে। অথচ সেই হাল চকু তাৰ নিজৰ চকুৰ দৰেই।

'কাৰ তেন্তে? তোমাৰ প্ৰভুৰ?' তাই আকৌ সুধিলে।

সি আৰু ৰঙাচিঙা পৰিল, আৰু মুখেৰে শপত জাতীয় কিবা শব্দ এটা ভোটভোটাই মুখ ঘুৰালে।

ছোৱালীজনীয়ে নেৰে, বিৰক্তি লগাকৈ পেঁপেনিয়াই আছে। মোৰ ফালে চাই সনির্বন্ধ অনুৰোধৰ সুৰত তাই সুধিলে,''তেওঁৰ প্ৰভু কোন? তেওঁ 'আমাৰ ঘৰ', 'আমাৰ মানুহ' বুলি কৈছিল। তেওঁক মই মালিকৰে ল'ৰা বুলি ভাবিছিলোঁ। আৰু তেওঁ মোক কেতিয়াও আইদেউ ('মিচ') বুলি সম্বোধন কৰা নাই। চাকৰ যদি সি সেইদৰেহে সম্বোধন কৰিব লাগিছিল, নহয় জানো?''

এই বালিকাসুলভ কথাত হেয়াৰটনৰ মুখ শাওণৰ মেঘৰ দৰে ক'লা পৰিল। মই মনে মনে তাইক জোকাৰি দিলোঁ আৰু শেহাতৰত তাইক মোৰ লগত ওলাবলৈ সাজু কৰালোঁ।

থেঞ্জত থকা চোৰাবী ল'ৰাবোৰক কোৱাদি, এই অজলা আত্মীয় ল'ৰাটিলৈ চাই কেথিয়ে ক'লে,'বা, মোৰ ঘোঁৰাটো লৈ আহ গৈ। তই মোৰ লগত আহিব পাৰ।



পিটনিত কেনেখিনিত নো ভূত প্ৰেতবোৰ চিকাৰীৰ স্বপত ওলায় মোৰ চাবৰ মন গৈছে। আৰু তইঁতে যে জলপৰী নে কি বোৰৰ কথা কৱ, সেইবোৰৰ সাধু শুনিবৰো মন গৈছে। পিচে লৰালৰি কৰ। কি হ'ল, লৰচৰেই দেখোন নকৰ? মোৰ ঘোঁৰাটো আন বুলিছোঁ নহয়।'

'তোৰ চাকৰ হোৱাৰ আগতে তই শাওপাত খাই নৰককলৈ যোৱাটো মই চাই ল'ম', ল'ৰাটোৱে গেঙেৰি দি উত্তৰ দিলে।

আচৰিত হৈ কেথেৰিণে সুধিলে,'কি চাই ল'বি?'

'তই নৰককলৈ যোৱাটো চাম, বুজিছ, নিলাজী ডাইনী', সি দাঁত কৰচি উত্তৰ দিলে।

'কেথি আইটি, হৈছে আৰু, বন্ধ কৰা। তুমিও আৰু কি যোৱ মানুহৰ যে লগ নালাগিলাহি।' মই মাজতে মাত দিলোঁ। 'ভাল ঘৰৰ সৰু ছোৱালী এজনীক নো এনেবোৰ কথা কোনোবাই কয়নে? আহাঁ, তাৰ লগত তৰ্ক কৰিবলৈ নালাগিব। আহাঁ, আহাঁ, মিন্নিক আমি নিজেই বিচাৰি আনি গুচি যাওঁ।'

কিন্তু তাই অতি আচৰিত হৈ মোলৈ থৰ লাগি চাই সুধিলে,'সি মোক এইদৰে ক'বলৈ সাহ পালে ক'ত? মই কেনেকৈ সি কাম কৰিব নালাগে জানো? ঐ বদমাইচ জীৱ, তই কি কৈছিলি মই পিতাক কৈ দিম। তেতিয়া চাবি।'

এই ভাবুকিটো হেয়াৰটনৰ গাতে নালাগিল। সেইবাবে তাই খঙত জ্বলি পৰি উঠিল, তাইৰ চকু চলচলীয়া হ'ল। চাকৰণীজনীলৈ চাই কেথিয়ে ক'লে,'ঘোঁৰাটো তই আনগৈ। এই মুহূৰ্ততে মোৰ কুকুৰটোকো মেলি দে।' চাকৰণীজনীয়ে উত্তৰ দিলে,'আইটি, লাহে লাহে কোৱাঁচোন। আমাক শিষ্টাচাৰ দেখুৱালে তোমাৰ হানি এৰো নহয়। এই হেয়াৰটন গৃহস্বামীৰ ল'ৰা নহয় সঁচা, কিন্তু সি সম্বন্ধত তোমাৰ দাদা। মোৰ নিজৰ বেলিকা কথা হ'ল যে তোমাৰ আলপৈচান ধৰিবলৈ মোক নিয়োগ কৰা হোৱা নাই।'

'সি মোৰ সম্বন্ধীয় দাদা! কি যে কৱ!' অৱজ্ঞাৰ হাঁহি এটা মাৰি তাই ক'লে।

'হয়তোন, আচলতে হয়', চাকৰণীজনীয়ে উত্তৰ দিলে।

মনত বৰ দুখ পোৱা যেন দেখুৱাই কেথি আইটিয়ে ক'লে,'এলেন, সিহঁতক এনেবোৰ কথা ক'বলৈ নিদিবি। পিতা গৈছে লণ্ডনৰ পৰা মোৰ সম্বন্ধীয় দাদাক আনিবলৈ। মোৰ সেই দাদাজন ভদ্ৰলোকৰ ল'ৰা। মোৰ......' ইয়াকে কৈ তাই বৈ গ'ল আৰু কান্দি দিলে। এনে এটা হজুৱা ল'ৰাৰ লগত যে তাইৰ কিবা সম্বন্ধ থাকিব পাৰে সেই কথা ভাবি তাই বৰ বিচলিত হৈ পৰিল।

'নাকান্দিবা, নাকান্দিবা,' মই তাইক সৰু সৰুকৈ ক'লোঁ। 'মানুহৰ কত ৰকমৰ কত যে সম্বন্ধীয় দাদা থাকিব পাৰে! তাৰ পৰা তো ক্ষতি এৰো নহয়। তেনেবোৰ মানুহক ভাল নালাগিলে বা মানুহবোৰ অশিষ্ট হ'লে সিবোৰৰ পৰা আঁতৰি থাকিলেই হ'ল।'

তাই বাৰে বাৰে কৈ গ'ল,'সি মোৰ সম্বন্ধীয় দাদা নহয়, এলেন, নহয়, নহয়।'

কথাটো ভাবি ভাবি তাই শোকত বিহ্বল হৈ পৰিছিল। সেই চিন্তাৰ পৰা যেন পৰিত্ৰাণ বিচাৰি তাই মোৰ বুকুত মুৰ গুজি দিলে।

কেথি আৰু চাকৰণীজনীৰ কথাত মই বৰ বিৰক্ত হৈছিলোঁ। কেথিয়ে যে কৈ দিলে লিণ্টন অলপতে আহিব বুলি, সেই কথা চাকৰণীজনীৰ মুখেদি গৈ তো হিথক্লিফৰ কাণত পৰিব। কেথিয়েও পিতাক ঘূৰি অহাৰ লগে লগে হেয়াৰটনৰ দৰে হজুৱা ল'ৰা এটানো কেনেকৈ তাইৰ সম্বন্ধীয় ককায়েক হ'ল সেই কথা সুধিব।

তাক চাকৰ বুলি ভবাত হেয়াৰটনৰ মনত উদ্ৰেক হোৱা নিদাৰুণ বিৰক্তিৰ ভাবটো লাহে লাহে পাতলিল। কেথিৰ বেজাৰ দেখি তাৰো মনত দুঃখ লাগিল। ঘোঁৰাটো আনি সি দুৱাৰ মুখত বান্ধিলে। তাইৰ মন ভাল লগাবলৈ সি এটা ধুনীয়া কুকুৰ পোৱালীও আনি তাইক দিলেহি।

কন্দা বন্ধ কৰি তাই তাৰ পিনে এবাৰ ভীতিবিহ্বল চাৱনিৰে চালে আৰু পিচ মুহূৰ্ততে পুনৰ হুকহুকাই কান্দিবলৈ ধৰিলে।

বেচেৰা ল'ৰাটোৰ প্ৰতি ছোৱালীটিৰ বিৰূপ মনোভাব দেখি মই হাঁহি সামৰিব নোৱাৰিলোঁ। ল'ৰাটো আছিল গায়ে-পাৰিয়ে আটিল, হৃষ্টপুষ্ট, সুগঠিত। নাক মুখ দেখিবলৈ ভাল। শকত আৱত, স্বাস্থ্যবান। পিন্ধনত হে তাৰ কাপোৰ কানি কাম অনুযায়ী। পথাৰত কাম কৰা আৰু বিস্তীৰ্ণ প্ৰান্তৰে শহাপহু আৰু আন আন চিকাৰ বিচাৰি ঘূৰা মানুহৰ সাজ। তৎসত্ত্বেও মোৰ ভাব হৈছিল যে তাৰ চেহেৰাৰ পৰা তাৰ যে এটা ডাঙৰ মন আছে সেই কথা ধৰা টান নহয়। বাপেকৰ গাত থকাতকৈ তাৰ গাত বহুত ভাল গুণ আছিল। পিচে পৰিস্থিতিৰ গুণত তাৰ সজ গুণবোৰৰ বিকাশ নহ'ল। ফলত বনবাতে ছাটি ধৰি বাঢ়িবলৈ নিদিয়া শস্যৰ দৰে তাৰো দশা হ'ল। বেয়া গুণবোৰহে বাঢ়িল। পিচে অনুকূল পৰিবেশ পোৱাহেঁতেন তাৰ সজ গুণবোৰৰ সুন্দৰ বিকাশ হ'লহেঁতেন। মই ভবাত মিঃ হিথক্লিফে তাক শাৰীৰিক দুৰ্ব্যৱহাৰ কৰা নাছিল। হেয়াৰটনৰ নিৰ্ভীক প্ৰকৃতিৰ বাবে হিথক্লিফে হেনো ব্যৱহাৰ কৰাৰ কথা ভাবিব নোৱাৰিছিল। ভয় ভক্তি বোলা কথাটো তাৰ নাছিলেই। হিথক্লিফে তাৰ প্ৰতি থকা নিজৰ বিদ্বেষ এনেভাৱে প্ৰয়োগ কৰিছিল যে তাৰ ফলত হেয়াৰটন এটা পশুৰ স্তৰলৈ নামিলে। লেখা পঢ়া কৰিবলৈ তাক কোনোদিনে শিকোৱা নহ'ল। কিবা বদ অভ্যাস দেখিলে তাক দবী ধমকি দি মুচিতেই আঁতৰোৱা নহ'ল। হিথক্লিফৰ অসুবিধা নকৰিলে কোনো বদ অভ্যাসৰ বাবেই সি গালি খাব লগা নহৈছিল। ভালৰ পিনে ধাউতিৰ যে কথাই নাই, বেয়াৰ প্ৰতিও তাৰ বিৰাগ নাই। মোৰ যি ধাৰণা পৰিল তাৰ পৰা বুজিলোঁ যে তাৰ অধঃপতনৰ বাবে জোজেফো কম জগৰীয়া নহয়। পুৰণি পৰিয়ালটোৰ সিয়েই হে মূৰব্বী বুলি তাক উচটাই দি দি ল'ৰাকালত সি তাক নষ্ট কৰিলে। কেথেৰিণ আৰ্ন্শ আৰু হিথক্লিফ সৰু থাকোঁতে সি সিহঁতৰ ওপৰতে সমস্ত দোষ দি কৈছিলে বোলে গৃহস্থৰ ধৈৰ্য্যচ্যুতি ঘটোৱাৰ মূলতে সিহঁত দুটাই, সিহঁত দুটাৰ কুকৰ্মৰ বাবেহে বোলে গৃহস্থই মনত মুখ দি সমস্ত কথা পাহৰি থাকিব লগা হৈছিল। ঠিক এইদৰেই এতিয়াও



হেয়াৰটনৰ সমস্ত দোষ ত্ৰুটিৰ বাবে সি তাৰ (হেয়াৰটনৰ) সম্পত্তি অন্যায়ভাৱে আত্মসাৎ কৰা হিথক্লিফকে জগৰীয়া কৰিলে।

ল'ৰাটোৱে শপত শাতি খালে বা গালি গালাজ পাৰিলে জোজেফে শুনি থাকে, তাক শাসন নকৰে। তাৰ কথা আৰু কাৰ্য যিমানেই নিৰ্দাহ নহওক কিয়, সি চাই থাকে বা শুনি থাকে, প্ৰতিবাদ কৰি কথা এষাৰ নকয়।

ল'ৰাটো অধঃপাতে যোৱা দেখি সি সন্তোষহে পাইছিল। সি একেবাৰে ভুল বাটে গৈ আছে বুলি জোজেফে বঢ়িয়াকৈ বুজিছিল। তাৰ আত্মা যে জাহান্নামৰ পথত সেই কথা সি জানিছিল, পিচে তাৰ মতে ল'ৰাটোৰ তেনে অধোগতিৰ বাবে জগৰীয়া সি নহয়, হিথক্লিফহে। হেয়াৰটনৰ তেজ এদিন তাৰ হাতত লাগিব বুলি সি বুজি পাইছিল, আৰু সেইটোৱেই আছিল তাৰ বাবে পৰম সন্তোষৰ কথা।

জোজেফে হেয়াৰটনৰ মনত বংশ গৌৰৱৰ ভাব এটা সুমাই দিছিল। পৰাহেঁতেন ল'ৰাটো আৰু 'ৱাদাৰিং হাইট্‌চ'ৰ বৰ্তমানৰ গৰাকীৰ মাজত সি বিদ্বেষৰো সূচনা কৰিলেহেঁতেন, কিন্তু হিথক্লিফৰ প্ৰতি তাৰ আছিল এক যুক্তিহীন ভয়। তেওঁৰ প্ৰতি তাৰ ভাব বক্ৰোক্তি, শ্লেষ, আৰু গোপন নিন্দা-তিৰস্কাৰতে প্ৰকাশ পাইছিল।

'ৱাদাৰিং হাইট্‌চ'ত তেতিয়াৰ দিনত চাল চলন কেনেকুৱা আছিল মই খুব ভালকৈ নাজানো। মই আনৰ পৰা শুনা কথাহে কৈছোঁ। মই নিজ চকুৰে বৰ বেছি দেখা নাছিলোঁ। গাঁৱৰ ৰাইজে কোৱামতে হিথক্লিফৰ হাত বৰ টান আছিল আৰু তেওঁৰ আধিখন্দুৱা খোৱা ৰাইজৰ প্ৰতি তেওঁ আছিল বৰ নিষ্ঠুৰ। কিন্তু ঘৰখনৰ ভিতৰত এটা পুৰণিকলীয়া, সম্ভ্ৰান্ত, আৰামদায়ক পৰিবেশ স্পষ্ট হৈছিল। গৃহস্থালিখন তিৰোতা মানুহে চলোৱা বাবেহে সি সম্ভৱ হৈছিল। হিণ্ডলেৰ দিনত লাগি থকা খৰাখুন্দা কাজিয়াবোৰ এতিয়া আৰু ঘৰৰ ভিতৰত নলগা হ'ল। গৃহস্থ অতি বিষণ্ণ মনে থাকে, ভাল বেয়া কোনো লোকৰে লগত কোনো কথাবাৰ্তা নাপাতে, তথাপি তেওঁ—

এইবোৰ কথা কৈ থাকিলে মোৰ কাহিনী আগ নাবাঢ়ে। কেথি আইটিৰ লগত মিলমাল হওক বুলি হেয়াৰটনে সন্ধিৰ চিন হিচাপে দিয়া কুকুৰ পোৱালিটো আইটিয়ে নললে, আৰু নিজৰ কুকুৰ দুটা উলিয়াই দিবলৈ ক'লে। মেলি দিলত সিহঁত দুয়োটা খোৰাই খোৰাই, তলমূৰ কৰি কেথিৰ ওচৰ পালেহি। লগে লগে আমি আটায়ে ঘৰলৈ বুলি যাত্ৰা কৰিলো। মানুহ, জন্তু সকলোৰে তেতিয়া অৱস্থা কাহিল।

দিনটোনো কেনেকৈ কটালে সেই বিষয়ে মই কেথিৰ মুখৰ পৰা এষাৰ কথাও উলিয়াব নোৱাৰিলোঁ। কোৱাৰ ভিতৰত মাত্ৰ ক'লে যে 'পেনিষ্টন ক্ৰেগ্‌চ'লৈ যোৱাটোৱেই আছিল তাইৰ লক্ষ্য। মইতো সেইটো অনুমান আগতেই কৰিছিলোঁ। 'ৱাদাৰিং হাইট্‌চ'ৰ ওচৰ পাওঁতে হেয়াৰটন ওলাই আহি তেওঁলোকক দেখিলে। তাৰ লগত কেইটামান কুকুৰ আছিল। সেই কেইটাই তাইৰ লগৰ কুকুৰহালক কামুৰিলে।

কুকুৰ কেইটাৰ ভিতৰত কাজিয়া বাজকৈয়ে হৈছিল। দুয়ো পক্ষই নিজৰ নিজৰ কুকুৰ অতি কষ্টেৰেহে আঁতৰাই নিব পাৰিছিল। তাতেই পৰিচয়ৰ সূত্ৰপাত। কেথেৰিণে

হেয়াৰটনক নিজৰ পৰিচয় দিলে আৰু ক'লে যাবলৈ ওলাইছে তাকো ক'লে। শেহত তাক তাই বাটটো দেখুৱাই দিবলৈকো ফুচুলাই ফুচুলাই মান্তি কৰালে।

হেয়াৰটনেই তাইক পৰীৰ গহ্বৰৰ ৰহস্যৰ কথা ক'লে আৰু আন বহুতো আচৰিত আচৰিত ঠাইৰ কথাও ক'লে। কিন্তু মোৰ লগত বেযাবেবি হোৱা বাবে ক'ত কি দেখিলে সেইবোৰ কথা তাই মোক নক'লে।

এটা কথা পিচে মই ভালকৈ বুজিব পাৰিলোঁ। তাক চাকৰ বুলি ভাবি তাৰ অনুভূতিত আঘাত নিদিয়ালৈকে আৰু হিথক্লিফৰ চাকৰণীজনীয়ে হেয়াৰটন তাইৰ সম্বন্ধীয় ককায়েক বুলি কৈ তাইক লাজত নেপেলোৱালৈকে তাইৰ পথ প্ৰদৰ্শকজন তাইৰ বেচ প্ৰিয়পাত্ৰই হৈছিল।

হেয়াৰটনে তাইৰ প্ৰতি প্ৰয়োগ কৰা তিৰস্কাৰৰ কথাবোৰ তাইৰ অন্তৰত লাগি আছিল। ঘৰত তাইক সকলোৱে 'আইজনী', 'মাজনী','সোণজনী','পৰীজনী' বুলি মাতে, কিন্তু বাহিৰত ক'ৰ এটা অচিনাকি মানুহে তাইক ইমান জঘন্য ভাবে অপমান কৰে! এইটো ঘটনা কেনেকৈ ঘটিব পাৰিলে সেই কথা যেন তাইৰ বাবে এক ভঙাৰ নোৱৰা সাঁথৰ হৈ ৰ'ল। মই পিচে এই প্ৰসংগটো পিতাকৰ ওচৰত নুলিয়াবলৈ তাইক প্ৰতিজ্ঞা কৰোৱালোঁ।

মই কেথি আইটিক ক'লোঁ যে তাইৰ পিতাকে 'ৰাদাৰিং হাইট্‌চ'ৰ গোটেই ঘৰখনকে ভাল নাপায়। তাই তালৈ গৈছিল বুলি শুনিলে তেওঁ যে বৰ বেজাৰ পাব সেই কথাও মই তাইক বুজাই ক'লোঁ। মই বিশেষকৈ তাইক ক'লোঁ যে তাই তালৈ যোৱা বুলি গম পালে পিতাকে মোক কামত আওহেলা কৰা বুলি চাকৰিৰ পৰা বিদায় দিব, আৰু মই 'গ্ৰেঞ্জ' এৰি গুচি যাব লাগিব। তেনে এটা সম্ভাৱনা কেথিয়ে কেতিয়াও বাঞ্ছা কৰা নাছিল। গতিকে তাই পিতাকক পূৰ্ণাঙ্গকৰেও এই বিষয়ে একো নকয় বুলি মোক কথা দিলে আৰু তাই কথা ৰাখিলেও। মোৰ কথা ভাবিয়েই ৰাখিলে। মুঠৰ ওপৰত কেথি আছিল এজনী সৰু মৰমলগা ছোৱালী।

# ১৭

দাঁতিত ক'লা আঁচ টনা চিঠি এখনৰ পৰা মোৰ গৃহস্বামী লিণ্টনৰ প্ৰত্যাৱৰ্তনৰ তাৰিখটো জানিব পাৰিলোঁ। ইজাবেলা ইতিমধ্যে ঢুকাল। জীয়েকক শোকাচাৰ পালনৰ যাৱতীয় নিয়ম পালন কৰাবলৈ লিণ্টনে মোলৈ লিখিছিল। তদুপৰি তেওঁৰ ডেকা ভাগিনীয়েকটোৰ বাবে এটা কোঠা আৰু আন প্ৰয়োজনীয় বস্তুৰ যোগাৰ কৰি থবলৈ মোক সেই চিঠিৰেই জনাইছিল।

পিতাক ঘূৰি আহি পাবহি বুলি শুনি কেথেৰিণ আনন্দত উৰুলীকৃত হৈ পৰিল। তাইৰ 'আচল' সম্বন্ধীয় ককায়েকটোৰ বিষয়েও তাইৰ যেন জল্পনা-কল্পনাৰ শেষ নোহোৱা হ'ল। তাইৰ কল্পনাত সি অসংখ্য গুণৰ আকৰ ৰূপে উদ্ভাসিত হৈছিল।

লিণ্টন মহাশয় ঘূৰি আহি পাব লগা প্ৰত্যাশিত সন্ধিয়াটো পালেহি। পুৱাৰে পৰা কেথি আইটি নিজৰ বস্তুবাহানি থানথিত লগাই থোৱাত ব্যস্ত হৈ আছিল। এতিয়া গধূলি পৰত, নতুন ক'লা ফ্ৰকটো পিন্ধি— বেচেৰী! পেহীয়েকৰ মৃত্যুৰ সংবাদে তাইক বিশেষ শোকাভিভূত কৰা নাছিল— তাই মোক নানানটা কথা পেপেনিয়াই থাকিবলৈ লাগিলে— তাই সেইবোৰ কথা বিশেষ বুজাও নাছিল। পিতাকহঁতক দূৰৈৰ পৰাই আগবঢ়াই আনিবলৈ বুলি তাই চোতালৰ মূৰলৈকে অহা যোৱা কৰি আছিলে, আৰু মোকো তাইৰ লগে লগে অহাযোৱা কৰিবলৈ বাধ্য কৰিছিলে।

গছৰ ছাঁত, ওখোৰা মোখোৰা, শেলুৱৈ বন্ধা ঘাঁহনিৰ ওপৰত অহা যোৱা কৰি থাকোঁতে তাই কেপকেপাই আছিল। 'লিণ্টন মোতকৈ মাত্ৰ ছমাহৰহে সৰু', তাই কৈছিল,'তাক খেলাৰ লগৰীয়া হিচাপে পালে কি যে মজাৰ নহ'ব! ইজাবেলা পেহীয়ে পিতালৈ তাৰ সুন্দৰ চুলিৰ একোচা নমুনা পঠাইছিল। মোৰ চুলিতকৈ পাতল, কিন্তু সমানেই মিহি। শণসূতাৰ দৰে, বগা আৰু লহপহীয়া। মই সৰু কাচৰ বাকচ এটাত চুলিকোচা সাৱধানে ৰাখি থৈছোঁ। এই চুলি যাৰ তেওঁৰ লগত পৰিচয় হ'বলৈ পালে যে কিমান ভাল লাগিব— এই আশাটো মই সদায় পুহি ৰাখিছোঁ। ইচ্, মোৰ যে ইমান ভাল লাগিছে!— মই ইমান সুখী! পিতা, পিতা, মৰমৰ পিতা! আহাঁ এলেন, আমি লৰি যাওঁ বলাঁ। আহাঁ, দৌৰোঁ।'

এবাৰ তাই দৌৰি আগলৈ যায়, ঘূৰি আহে, আকৌ দৌৰি যায়। মই লাহে ধীৰে গৈ গেটৰ ওচৰ পাওঁগৈ মানে তাই কেইবাবাৰো সেইদৰে লৰা-ঢপৰা কৰিলে। এইবাৰ তাই অহাযোৱা কৰা বাটটোৰ দাঁতিৰ ঘাঁহনিতে বহি ললে, আৰু ধীৰে সুস্থিৰে ধৈৰ্য

ধৰি তাতে বহি থাকিবলৈ যত্ন কৰিলে, কিন্তু নোৱাৰিলে। এক মিনিট সময়ো তই থিৰেৰে ব'ব নোৱাৰে।

ইমান বেলি কৰিছে !' তাই অধৈৰ্য হৈ ক'লে। 'সৌৱা, ৰাস্তাত মই ধূলি উৰা দেখিছোঁ। পিতাইত আহিছে। এ, নহয়। কেতিয়া পাবহি? আমি আৰু অলপ আগবাঢ়ি যাওঁ ব'লা, এলেন। মাত্ৰ আধা মাইল। ওঁ বুলি কোৰঁচোন, সৌ কেঁচুবিটোত যে বাৰ্চ গছৰ জোপা কেইটা আছে, সেই ঠাই পৰ্যন্ত যাওঁ। ব'লা।'

মই মান্তি নহ'লোঁ। শেষত্তৰত যেনিবা তাইৰ উৎকণ্ঠাৰ শেষ হ'ল। যোঁৱা গাড়ীখন দূৰত দেখা গ'ল।

গাড়ীখন ওচৰ চাপিলত, খিৰিকিৰে মুখ উলিয়াই চাই থকা পিতাকক দেখা পায়েই কেথি আইটিয়ে আনন্দত আপোন পাহৰা হৈ দুহাত মেলি, জপিয়াই কিৰিলিয়াই দিলে। খৰখৰ কৰি লিন্টন মহাশয় গাড়ীৰ পৰা নামিল— জীয়েকৰ দৰেই তেওঁৰো গাত ওত নোহোৱা হৈছিল। বহুত সময়লৈ বাপেক-জীয়েকৰ কথাই অন্ত নপৰিল। আনৰ কথা ভাবিবলৈ তেতিয়া তেওঁলোকৰ সময় নাই। বাপেক-জীয়েকে পৰস্পৰে সাবটা সাবটি কৰি থাকোঁতেই গাড়ীৰ ভিতৰলৈ ভুমি চাই মই দেখিলোঁ লিন্টন ল'ৰাটো এচুকত শুই আছে। তাৰ গাত এটা শচমৰ বৰ চোলা, যেন জাৰ কালিহে ! শেতা লাহী গাৰে, মাইকী মুৰা ল'ৰা এটা। মোমাই ভাগিনৰ মাজৰ মিল ইমান আছিল যে তাক মোমায়েকৰ ভায়েক বুলি ক'লেও কোনেও অবিশ্বাস নকৰিলেহেঁতেন। পিচে ভাগিনীয়েকৰ মুখত আছিল কিবা যেন এক ক্লান্তি আৰু অৱসাদৰ ভাব; দেখিলে ভাব হ'ব যেন স্বভাৱত সি খিঙখিঙীয়া। মোমায়েকক দেখিলে তেনে নালাগিছিল।

মোৰ গৃহস্বামীয়ে মই ভাগিনীয়েকক চাই থকা দেখিলে। মোৰ ওচৰলৈ আহি কৰমৰ্দন কৰি তেওঁ মোক ক'লে যে দীঘলীয়া যাত্ৰাৰ অন্তত ভাগিনীয়েক ক্লান্ত হৈ পৰিছে, গতিকে সি গাড়ীতে শুই থাকক, তাক জগাব নালাগে। গাড়ীৰ দুৱাৰখন তেওঁ মোক জপাই দিবলৈ ক'লে।

কেথিয়েও তাক এবাৰ চাবলৈ বৰ মন কৰিছিল, কিন্তু পিতাকে তাইক মাতি লৈ গ'ল, আৰু বাগিচাৰ মাজৰ বাটেদি দুয়ো কথা পাতি পাতি আগুৱাই গ'ল। মই চাকৰ বাকৰবোৰক গৃহস্বামীহঁত আহি পোৱাৰ খবৰটো দিবলৈ বাপেক জীয়েকৰ আগে আগে খৰকৈ খোজ দিলোঁ।

সন্মুখৰ কোঠাৰ খটখটি পাই, লিন্টনে জীয়েকক ক'লে, 'আইজনী, তোমাক এটা কথা কওঁ। তোমাৰ এই পেহীয়েৰৰ ল'ৰাটো তোমাৰ দৰে বলীও নহয়, ৰংমনাও নহয়। অলপ দিনৰ আগতে তাৰ মাক ঢুকাইছে। সেইবাবে সি তৎক্ষণাত তোমাৰ লগ লৈ, তোমাৰ সমানে লৰি ঢাপৰি খেলাধূলা কৰিব বুলি আশা নকৰিবা। অন্ততঃ আজিৰ গধূলিটো সি নিৰলে কটাওক, বাজী ?'' কেথেৰিণে উত্তৰ দিলে, 'নিশ্চয়। তুমিতো মুকে কৰা নাই।' পিচে মই তাক এবাৰ চাই লওঁ। সি এবাৰলৈকো বাহিৰলৈ



তেতিয়ালৈ গাড়ীখন আহি দুৱাৰমুখত ৰ'ল। ল'ৰাটোক জগাই দিয়া হ'ল, আৰু মিঃ লিন্টনে তাক গাড়ীৰ পৰা নমাই আনিলে।

ভাগিনীয়েকলৈ চাই তেওঁ ক'লে, ''লিন্টন, এইজনী তোমাৰ ভনী, কেথি।' এই বুলি কৈয়েই দুয়োটাৰে সৰু সৰু হাত দুখন তেওঁ মিলাই দিলে। 'তাইৰ তোমাক ভাল লাগিছেই। চাবা আৰু', তুমি আজি ৰাতি কান্দাকটাখন কৰি তাইৰ মনত দুখ নিদিবা। ৰংমনে থাকিবলৈ যত্ন কৰিবা। যাত্ৰাৰ অন্ত পৰিল। আপোন মনে জিৰাই শঁতাই, খেলাধূলা কৰি ফুৰাৰ বাহিৰে তোমাৰ আন একো কৰিবলৈ নাই।'

কেথেৰিণৰ কৰমৰ্দনৰ পৰা হাতখন একৰাই আনি সি ক'লে, 'মই তেন্তে শোওঁ গৈ।' কৈয়েই সি ওলাই আহিব খোজা চকুপানী মচিবলৈ হাতখন চকুলৈ নিলে।

মই সৰু সৰুকৈ ক'লোঁ, 'হ'ল আৰু। নাকান্দে নহয়। ইমান ভাল ল'ৰাটো আমাৰ। তুমি এতিয়া তাইকো কন্দুৱাবা। চোৱাঁচোন, তুমি কন্দা দেখি তাই কিমান বেজাৰ পাইছে।'

তাৰ বাবে বেজাৰ লাগিছেই নে কি নাজানো, কেথি আইটিয়েও মন বেয়া কৰি পিতাকৰ ওচৰলৈ গ'ল। তিনিও গৈ পুথিভঁৰালৰ কোঠাটোত সোমাল। তাতেই ইতিমধ্যে চাহৰ যা-যোগাৰ কৰা হৈছিল।

মই লিন্টনৰ টুপি আৰু বৰ চোলাটো খুলি দিলোঁ আৰু মেজৰ কাষতে এখন চকীত তাক বহুৱাই দিলোঁ। কিন্তু চকীত বহিয়েই সি আকৌ কান্দিবলৈ ধৰিলে। মোমায়েকে তাক কি হৈছে সুধিলে।

উচুপি উচুপি সি ক'লে, 'মই চকীত বহিব নোৱাৰোঁ।'

'নালাগে বহিব চকীত। চোফাত বহাঁগে। এলেনে তোমাক তাতে চাহ নি দিবগৈ।' মোমায়েকে ধৈৰ্য ধৰি উত্তৰ দিলে।

গোটেই বাটছোৱাত, ঠেই পেচ পাতি থকা অসুখীয়া ল'ৰাটোৱে মোমায়েকক হাবাশাস্তি কৰি আহিছে বুলি মোৰ ধাৰণা হ'ল।

লিন্টন লাহে লাহে চোফাৰ ওচৰলৈ গৈ, তাতে দীঘল দি পৰিল গৈ। কেথিয়ে সৰু টুল এখনত তাৰ চাহ কাপ ওচৰ চপাই দিলে।

প্ৰথমে প্ৰথমে তাই চুপচাপ বহি আছিল। পিচে সৰহপৰ তাই মনে মনে থাকিব নোৱাৰিলে। পেহীয়েকৰ পুতেকক তাই বৰ আদৰুৱা কৰি ল'বলৈ বিচাৰিছিল। তাই তাৰ চুলিত হাত বুলাই দিবলৈ, গালত চুমা খাবলৈ, আৰু তাইৰ নিজৰ পিয়লাত চাহ বাকি দিবলৈ আৰম্ভ কৰি দিলে। সি যেন এটা কেঁচুৱাহে। তাইৰ মৰম সাদৰ তাৰ ভাল লাগিল। ক'বলৈ গলে সিও এটা কেঁচুৱাইহে। সি তাৰ চকুপানী মচিলে, আৰু এটা পাতল মিচিকিয়া হাঁহিও তাৰ ওঁঠত বিৰিঙি উঠিল।

সিহঁত হালক এক মিনিটমান সময় চাই থাকি মিঃ লিন্টনে মোক ক'লে, 'সি ইয়াত নিজকে মিলাই লব পাৰিব। এলেন, আমি তাক ইয়াত ৰাখিব পাৰিলে ভাল হ'ব।

সমনীয়া লগ এটা পালে তাৰ মনটো ভালে থাকিব, আৰু গাত বলশক্তিও দিনে দিনে বাঢ়িব ।'

'ঠিকেইতো, যদিহে তাক আমি ৰাখিব পাৰোঁ,' মই মনতে ভাবিলোঁ । কিন্তু ৰাখিব পৰা যে হ'ব সেই বিষয়ে মোৰ মনলৈ ঘোৰ সন্দেহ আহিল। 'ৱাদাৰিং হাইট্‌চ'ত, তাৰ পিতাক আৰু হেয়াৰ্টনৰ লগত, এই কৃশকায় প্ৰাণীটো তিষ্ঠিব কেনেকৈ ? সেই দুই ব্যক্তি তাৰ খেলাৰে লগৰীয়া হ'ব, নে তাক তেওঁলোকে কিবা শিকাব বুজাবহে ! পিচে মোৰ সন্দেহৰ অৱসান ঘটিবলৈ সবহ সময় নালাগিল। মই ভবাতকৈয়ো সোনকালেই তাৰ নিৰসন হ'ল । চাহ খোৱা হ'লত, ল'ৰা-ছোৱালী হালক ওপৰ মহললৈ লৈ গৈছোঁ । তাতে লিণ্টনক শুৱাইছোঁ । তাৰ টোপনি নহালৈকে সি মোক তাৰ ওচৰৰ পৰা এৰি নিদিয়ে । তাৰ টোপনি গলত মই তললৈ নামি আহি বৰ চ'ৰাৰ ডাঙৰ মেজখনৰ কাষত থিয় দিছোঁ, আৰু এড্‌গাৰ লিণ্টনৰ শোৱা কোঠাত থবলৈ বুলি মম এডাল জ্বলাইছোঁ। তেনেতে পাকঘৰৰ পৰা চাকৰণী এজনী আহি মোক খবৰ দিলে বোলে হিথক্লিফৰ চাকৰ জোজেফ আহি দুৱাৰমুখত ৰৈ আছে। গৃহস্থৰ লগত বোলে তাৰ কথা আছে।

কথাটো শুনিয়েই মোৰ মনটোত খৰকৈ উতুল খুতুল লাগিল। 'ময়ে আগতে তাক কি লাগে সুধি লওঁ, ৰ', মই কলোঁ। 'এনে অসময়ত মানুহক দিগদাৰি দিবলৈ ওলাইছেহি । ইমান দূৰৰ পৰা তেওঁলোক আহি এইমাত্ৰ পাইছেহি হে । গৃহস্থই যে তাক লগ কৰিব মই কব নোৱাৰিছোঁ ।'

এই কেইটা কথা কৈ ওলাবলৈ নৌ পাওঁতেই, জোজেফ পাকঘৰেদি সোমাই আহিলেই, আহি বৰ চ'ৰাত হাজিৰ হ'লহি । পিন্ধনত তাৰ দেওবৰীয়া সাজ, মুখখনত তিক্ততা আৰু এক কৃত্ৰিম শুদ্ধাচাৰিতাৰ ভাব স্পষ্ট । এহাতে হেটটো আনহাতে লাঠিডাল লৈ সি দুৱাৰডলিত থকা কঠখনত জোতাযোৰ মচি ল'বলৈ ধ'ল ।

একেবাৰে নিৰ্বিকাৰ ভাৱে মই তাক শুভ সন্ধ্যা জনাই সুধিলোঁ, 'আজিনো এই ৰাতিখন তই কিয় ওলালিহি ?'

সি মোক এফালিলৈ গটা মাৰি দি ক'লে, 'মিঃ লিণ্টনৰ লগতহে মোৰ কথা আছে।'

'মিঃ লিণ্টন শুইছেগৈ । জৰুৰী প্ৰয়োজন নাথাকিলে তেওঁ তোৰ কথা এতিয়া নুশুনিব । তই বৰং সৌ তাতে বহি কি খবৰ আছে মোৰ আগত কৈ যা', মই কলোঁ ।

জপাই থোৱা দুৱাৰবোৰলৈ চাই সি সুধিলে, 'তেওঁৰ কোঠা কোনটো ?'

মই বুজিলোঁ যে সি মোৰ কথা শুনাত নাই । সেইবাবে বৰ অনিচ্ছাৰে মই পুথিভঁৰালৰ কোঠাটোলৈ গৈ অসময়ত অহা জোজেফৰ কথা লিণ্টন মহাশয়ক কলোঁ । লগতে ইয়াকো কলোঁ যে তাক পিচদিনা পুৱা আহিবলৈ কৈ তেতিয়ালৈ পঠাই দিয়াই ভাল হ'ব ।'

পিচে মিঃ লিণ্টনে মোক তাকে কবগৈ বুলি কবলৈ নাপালেই, জোজেফ মোৰ পিচে পিচে গৈ তাত থিয় দিলেগৈ । কোঠাৰ মেজখনৰ এচুকত, সি লাখুটিডালত



দুহাতেৰে ধৰি, থিয় দিলে, আৰু যেন তেওঁ অসন্মতি প্ৰকাশ কৰিবই বুলি আশংকা কৰি, ডাঙৰ ডাঙৰকৈ ক'লে ঃ 'হিথক্লিফে পুতেকক লৈ যাবলৈ মোক পঠাইছে । আৰু তাক নিনিয়াকৈ মই ঘূৰি যাব নোৱাৰোঁ ।'

তাৰ কথা শুনি এড্‌গাৰ লিণ্টন এক মিনিটমান সময় মৌন হৈ ৰ'ল । তেওঁৰ চকুৰে মুখে এক সীমাহীন বেদনাৰ ছায়া প্ৰকট হ'ল । তেওঁ নিজ বিবেচনাৰেই ল'ৰাটোৰ আদৰ যত্ন লালোহেঁতেন । তাতে এতিয়া তেওঁৰ মনত পৰিল ইজাবেলাৰ আশা আৰু আশংকাৰ কথা, পুতেকৰ বাবে তাইৰ চিন্তা আৰু উৎকণ্ঠাৰ কথা, আৰু পুতেকক তাই তেওঁৰ হাতত গতাই থৈ যোৱাৰ কথা । এইবোৰ কথা ভাবি, ল'ৰাটোক এতিয়া হিথক্লিফৰ হাতত এৰি দিব লগা হ'ব যেন দেখি, তেওঁৰ অন্তৰে হাহাঁকাৰ কৰি উঠিলে, আৰু কি প্ৰকাৰে ইয়াক বাধা দিব পাৰি সেই কথা চিন্তা কৰি চালে ।

তেওঁ কোনো উপায় দেখা নাপালে । ভাগিনীয়েকক লগতে ৰাখি থোৱাৰ সামান্য ইচ্ছাৰো ৰূপ পালে হিথক্লিফ যে নিজৰ দাবীত আৰু অধিক জেদী হ'ব সেই কথাও তেওঁ উপলব্ধি কৰিলে । গতিকে বাপেকৰ ওচৰত ল'ৰা গতাই দিয়াৰ বাহিৰে আন উপায় তেওঁৰ মনত নেখেলালে । পিচে ল'ৰাটিক তেতিয়া টোপনিৰ পৰা জগাবলৈ তেওঁৰ মত নগ'ল ।

তেওঁ শান্তভাৱে ক'লে, 'মিঃ হিথক্লিফক কবিগৈ যে তাৰ ল'ৰা কালিলৈ 'ৱাদাৰিং হাইট্‌চ'লৈ যাব । সি এতিয়া ভাগৰত লালকাল দি শুই আছে, এতিয়া আৰু কোনো ঠাইলৈকে সি যোৱাৰ কথা নহয় । ল'ৰাটোৰ মাকে মইহে তাৰ অভিভাৱক হোৱাটো বাঞ্ছা কৰিছিল, আৰু বৰ্তমান সময়ত তাৰ স্বাস্থ্যও অতিশয় দুৰ্ব্বল ।'

হাতৰ লাঠিডাল মাটিত খুকি খুকি কৰ্কশ সুৰত জোজেফে ক'লে, 'নহ'ব । হিথক্লিফে ল'ৰাৰ মাকৰ ইচ্ছাও নামানে, আন কাৰো ইচ্ছাৰ কথাও নুশুনে । তেওঁক তেওঁৰ ল'ৰা লাগিবই। মই তাক লগত লৈ যামেই। কথা সিমানেই।'

মিঃ লিণ্টনে স্পষ্টকৈ ক'লে, 'ল'ৰাটো আজি ৰাতি দিব নোৱাৰ বুলিছোঁ, নোৱাৰ । তললৈ নামি যা, আৰু তোৰ গৃহস্বামীক মই এইমাত্ৰ যি কথা কলোঁ তাকে আখৰে আখৰে কগৈ । এলেন, তাক বাটো দেখুৱাই দে । যা বুলিছোঁ ।'

সেই বুলি কৈ জোজেফক কান্ধত ধৰি বাহিৰ উলিয়াই দি তেওঁ কোঠাৰ দুৱাৰ বন্ধ কৰি দিলে ।

জোজেফে চিঞৰি চিঞৰি ক'লে, 'বেচ বাৰু, কালিলৈ তেওঁ নিজে আহিব, তেওঁক যদি পাৰা এইদৰে বাহিৰ কৰি দিবা, দেখা যাব ।' এই বুলি সৰিয়াই দি সি লাহে লাহে তাৰ পৰা গ'লগৈ ।

# ২০

যোৱেফৰ ভাবুকি যাতে বাস্তৱত পৰিণত হ'বলৈ নাপায় সেই উদ্দেশ্যে মিঃ লিণ্টনে মোক ক'লে যে কেথি আইটিৰ বোৱা পোৱালীজনীতে উঠাই ভাগিনীয়েকটিক পিচদিনা সোনকালে পুৱাতে হিথক্লিফৰ ঘৰলৈ লৈ যাব লাগে । তেওঁ কৈছিলে,—

'ভাগিনটোৰ ভাগ্য ভৱিষ্যতে ভালেই হওক বা বেয়াই হওক তাৰ ওপৰত আৰু আমাৰ হাত নাই । সেইবাবে সি কলৈ গ'ল মোৰ ছোৱালীজনীক তই নকবি । এতিয়াৰ পৰা আৰু তাই তাৰ লগত মিলা-মিছা কৰিব নোৱাৰিব । সিযে ওচৰতে আছে সেই কথা তাই নজনাকৈয়ে থকা ভাল । নহলে তাই 'বাদাবিং হাইট্‌চ' লৈ যাবলৈ ছটফটাই থাকিব । মাত্ৰ ইয়াকে কবি যে বাপেকে তাক হঠাতে মাতি পঠালে, আৰু সেইবাবে সি আমাক এৰি যাব লগা হ'ল ।'

পুৱা পাঁচ বজাতে সৰু ল'ৰা লিণ্টনে বিচনাৰ পৰা কোনোপধ্যে উঠিবৰ মন নকৰে । আকৌ এঠাইলৈ যাব লাগিব বুলি ক'লত সি অতি আচৰিত হ'ল । পিচে মই কথাটো পাতলাই দি ক'লো যে সি তাৰ পিতাক মিঃ হিথক্লিফৰ ওচৰলৈহে যাব লাগে । তেওঁ তাক চাবলৈ বৰকৈ ইচ্ছা কৰিছে । সি আগদিনাৰ দীঘলীয়া যাত্ৰাৰ ভাগৰ মাৰি নোৱাৰালৈ বাট চাবলৈ তেওঁৰ ধৈৰ্য্য নাই ।

একেবাৰে হতভম্ব হৈ সি সুধিলে, 'মোৰ পিতা ! আয়ে তো মোক কেতিয়াও মোৰ পিতা এজন আছিল বুলি কোৱা নাছিলে । তেওঁ থাকে ক'ত ? মই মোমাইদেউৰ লগতে থাকিম ।'

'ইয়াৰপৰা অলপ দূৰত তেওঁ থাকে', মই উত্তৰত কলোঁ, 'সৌ পাহাৰবোৰৰ সিপাৰেই তেওঁ থাকে । বৰ দূৰ নহয় । মন কৰিলে তুমি খোজকাঢ়ি আহিবও পাৰিবা । ঘৰলৈ গৈ পিতাৰক দেখা পাবা গৈ, তোমাৰ ভালহে লাগিব লাগে । মাৰাক যিদৰে ভাল পাইছিলা, তেওঁকো সেইদৰে ভাল পাবলৈ যত্ন কৰিবা । তুমি তেওঁক ভাল পালে তেৱোঁ তোমাক ভাল পাব ।'

ল'ৰাটিয়ে সুধিলে, 'বুজিলো বাৰু । কিন্তু এইবোৰ কথা আগতে কোনেও মোক কোৱা নাছিল কিয় ? আনৰ দৰে আই পিতাই একেলগে থকা নাছিল কিয় ?'

'তেওঁ ব্যৱসায় চলাব লাগে । ব্যৱসায় এই ফালে । সেইবাবে তেওঁ ইয়াতে থাকে । স্বাস্থ্যজনিত কাৰণত তোমাৰ মা দক্ষিণ পিনে থাকিব লগা হৈছিল । সেইটোৱেই কাৰণ', মই উত্তৰত কলোঁ ।



ল'ৰাটোৱে মোক পেৰিবলৈ ললে ঃ 'আয়ে মোক তেওঁৰ বিষয়ে একোকে কোৱা নাছিল কিয় ? মোমাইদেউৰ কথা তেওঁ প্ৰায়ে কৈছিল । দেখাৰ আগতেই মোমাইদেউক মোৰ ভাল লাগি গৈছিল । পিতাক নো মই কেনেকৈ ভাল পাব পাৰিম ? তেওঁক মই চিনিয়েই নাপাওঁ ।'

মই তাক কলোঁ, 'সব ল'ৰা-ছোৱালীয়েই মাক-বাপেকক ভাল পায় । তোমাৰ মাৰাই বোধহয় ভাবি ললে যে বৰকৈ দেউতাৰাৰ কথা কৈ থাকিলে তুমি কিজানি তেওঁৰ লগতে থাকিবলৈ বিচাৰিবা । সেইবাবেই নকলে চাগে । লৰালৰিকৈ ওলোৱা । এনে এটা সুন্দৰ পুৱাত ঘোঁৰাৰ পিঠিত এঘণ্টা উঠি যোৱাটো এঘণ্টা বেচিকৈ শোৱাতকৈ বেচি উপকাৰী ।'

ল'ৰাটোৱে সুধিলে, 'তায়ো যাব নে কি আমাৰ লগত ? কালি লগ পোৱা সৰু ছোৱালীজনী ?'

'এতিয়া নাযায়', মই উত্তৰ দিলোঁ ।

'মোমাইটি যাব ?' ল'ৰাটোৱে আকৌ সুধিলে ।

'নাযায় । মইহে তালৈকে তোমাৰ লগত যাম ।'

লিণ্টনে আকৌ গাৰুত মুৰ গুজিলে, আৰু কিবা অলস চিন্তাত নিমগ্ন হ'ল ।

কিছুপৰ তলকা মাৰি থাকি সি উত্তৰ দিলে, 'মোমাইটি লগত নহলে মই নাযাওঁ । তুমি মোক কলৈ নিব খুজিছা মই নাজানো ।'

পিতাকক লগ পাবলৈ যাবলৈ মন নকৰাটো যে ভাল কথা নহয় সেই কথা মই তাক বুজাবলৈ যত্ন কৰিলোঁ । তথাপি সি লৰচৰেই নকৰে, সাজপাৰ কৰিবলৈ নুঠে । শেহত গৈ থৈ তাক বিচনাৰ পৰা উঠাবলৈ মোমায়েকৰ সহায় ল'ব লগা হ'ল; তেওঁহে ফুচুলাই মেলি তাক উঠালে ।

বেচেৰা ল'ৰাটোক মিছা আশ্বাস কিছুমান দিয়া হ'ল । সি বেচি দিনলৈ আঁতৰি থাকিব নালাগে, মোমায়েক আৰু কেথিয়ে তাৰ খা-খবৰ লবগৈ, ইত্যাদি অনেক কথা । আটাইবোৰ ভুৱা । এনেকুৱা সজা কথা আৰু বহুতো মই তাক ওৰে বাটচোৱা শুনাই গৈছিলোঁ । একেটা কথাকে বাৰে বাৰেও কৈছিলোঁ ।

ফৰকাল বতৰ । মুকলি প্ৰান্তৰৰ কেঁচা ঘাঁহৰ গোন্ধ, আৰু মিন্নিৰ কদমত চলা গতি—আটাইবোৰ মিলি তাৰ মনৰ বিষণ্ণতা অলপ পৰৰ পিচতে পাতলালে । সি তাৰ নতুন ঘৰৰ সম্পৰ্কে ইটো সিটো কথা, আৰু ঘৰত কোন কোন থাকে ইত্যাদি বিষয়ে আগ্ৰহেৰে জানিবলৈ বিচাৰিলে ।

'' 'বাদাবিং হাইট্‌চ' 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ দৰেই ভাল লগা ঠাইনে বাৰু ?'' এৰি থৈ যোৱা উপত্যকাৰ নামনি অঞ্চললৈ শেহবাৰলৈ চাই সি সুধিলে । সেই সময়ত তাৰ পৰা উঠা পাতল কুঁৱলীয়ে নীলাভ আকাশত বৃত্তাকাৰ ৰূপ লৈছিল ।

লিণ্টন বোপাটিৰ প্ৰশ্নৰ উত্তৰত মই কলোঁ, '' 'বাদাবিং হাইট্‌চ' ইয়াৰ সমানকৈ

গছগছনিৰে পোত খোৱা নহয়। ইমান ডাঙৰ নহয় । কিন্তু তাৰপৰা চাৰিওপিনৰ গ্ৰাম্যাঞ্চল বৰ ভালকৈ দেখা পোৱা যায় । তাৰ বতাহ ইয়াৰ বতাহতকৈ বিশুদ্ধ আৰু শুকান । তোমাক ভালকৈ সুজিব । প্ৰথমতে দেখিলে ঘৰটো তোমাৰ বৰ পুৰণা আৰু আন্ধাৰে আৱৰা যেন লাগিব পাৰে, পিচে ই এক সম্ভ্ৰান্ত পৰিয়ালৰ ঘৰ । এই অঞ্চলত মোমাইটিয়েৰাৰ ঘৰৰ পিচতে এইটোৱেই আটাইতকৈ ভাল ঘৰ । ইয়াত মুকলি পথাৰত আপোন মনে ফুৰি ফুৰিবলৈ তুমি ইমান ভাল পাবা । হেয়াৰটন আৰ্ণ্শ, কেথি আইটিৰ মোমায়েকৰ ল'ৰা । এক প্ৰকাৰে তাৰ লগত তোমাৰো তেনে সম্বন্ধই হয় গৈ । ধুনীয়া ধুনীয়া ঠাইবোৰ সিয়েই তোমাক দেখুৱাই ফুৰিব । ফৰকাল বতৰত সেউজীয়া চুক এটা চাই তুমি তাতে বহি কিতাপ পঢ়ি থাকিবও পাৰিবা । মাজে মাজে হয়তো তোমাৰ মোমাইটিয়েৰায়ো তোমাৰ লগতে ফুৰিবলৈ ওলাই আহিব । তেওঁ প্ৰায়ে পাহাৰবোৰত ফুৰে ।'

'মোৰ পিতা দেখিবলৈ কেনেকুৱা ? মোমাইটিৰ সমান ডেকা আৰু সুদৰ্শন চেহেৰাৰ নে ?'

'বয়সত তেওঁ ডেকা, কিন্তু তেওঁৰ চুলি আৰু চকু ক'লা । মুখখন দেখাত মোমাইটিয়েৰাৰ দৰে কোমল নহয় । কঠোৰ । কিন্তু তেওঁতকৈ গাৱে গাবিয়ে ডাঙৰ আৰু ওখও । প্ৰথমতে দেখিলে তেওঁক তোমাৰ বৰ শান্ত আৰু দয়ালু প্ৰকৃতিৰ যেন নালাগিবও পাৰে— কাৰণ চালচলনত তেওঁ তেনে নহয় । তথাপিতো, মনত ৰাখিবা, তেওঁৰ লগত তুমি মুকলি মনেৰে আৰু অন্তৰংগ ভাবে কথা পাতিব লাগিব । স্বাভাৱিকতেই তেওঁ তোমাক মোমাইটিয়েৰাই ভাল পোৱাতকৈয়ো বেচি ভাল পাব, কাৰণ তুমি তেওঁৰ নিজৰ।'

'ক'লা চুলি আৰু চকু', লিণ্টন বোপাই কিবা এটা ভাবিলে, আৰু ক'লে, 'তেওঁলো কেনেকুৱা মই কল্পনা কৰিবলৈকে টান পাইছোঁ । তাৰ মানে মই তেওঁৰ নিচিনা নহয় হওঁ জানো ?'

'সিমান নোহোৱা', মই উত্তৰ দিলোঁ । ল'ৰাটোৰ গাৰ বগা বৰং, পাতল চেহেৰা, আৰু ডাঙৰ ডাঙৰ অৱসন্ন চকু হাললৈ চাই মই মনে মনে ভাবিলোঁ, মিল তিলমানো নাই । চকু দুটা মাকৰ চকুৰ দৰে দেখাত হয়, কিন্তু কিবা খং ৰাগৰ মুহূৰ্তত উত্তেজিত নহলে তাত তো মাকৰ চকুৰ তিৰবিৰণি আৰু উদ্দীপ্ত ভাব ফুটি নুঠে ।

'কিয়ে আচৰিত কথা । তেওঁ যে মোক আৰু মাক চাবলৈ এবাৰো যোৱা নাছিল ।' সি মনতে বিৰবিৰালে । 'তেওঁ মোক কেতিয়াবা দেখিছেনে ? দেখিছে যদিও মোৰ কেঁচুৱাতে দেখাহে । তেওঁৰ বিষয়ে মোৰ এক্কো কথাই মনত নপৰে ।'

মই ল'ৰাটিক ক'লোঁ, 'এটা কথা নহয়, লিণ্টন বোপাটি । তিনিশ মাইলতো কম দূৰ নহয় । তোমাৰ বাবে দহ বছৰ আৰু এজন বয়সস্থ লোকৰ বাবে দহ বছৰ একে নহয় । এনেও হ'ব পাৰে যে মিঃ হিথক্লিফে আজি যাওঁ কালি যাওঁ কৰি থাকোঁতেই বছৰৰ পিছত বছৰ বাগৰি গ'ল, যাবলৈ হয়তো সুবিধাকে কৰিব নোৱাৰিলে।



এতিয়াতো আৰু বহুত পলম হৈ গ'ল । এই বিষয়ে তেওঁক প্ৰশ্ন সুধি বিৰক্ত নকৰিবা । মিছামিছি তেওঁৰ মনত দুখ দিয়াহে হ'ব ।'

বাকীছোৱা বাট ল'ৰাটো আপোন চিন্তাতে নিমগ্ন হৈ আছিল । এসময়ত আমি গৈ পাম ঘৰৰ মুখ পালোঁগৈ । ল'ৰাটোৰ মুখত সেই সময়ত কি ভাব অনুভূতিনো ফুটি উঠিছে তাকে বুজ লবলৈ মই তাৰ মুখলৈ চালোঁ । সি একান্তমনে ঘৰটোৰ পুৰণিকলীয়া কাৰুকাৰ্য্য আৰু গছগছনিবোৰলৈ অলপ পৰ চাই ৰ'ল । সি যে তাৰ নতুন ঘৰটো আৰু তাৰ পৰিবেশ ভাল পোৱা নাছিল সেই কথা তাৰ মুখত ফুটি উঠিছিল । কিন্তু লগে লগেই সি তাৰ অপছন্দও প্ৰকাশ কৰা নাছিল— সিমানকণ কাণ্ডজ্ঞান তাৰ আছিল । কিজানি ভিতৰখন বাহিৰখনৰ দৰে নহয়েই বা ।

ল'ৰাটো ঘোঁৰাৰ পৰা নমাৰ আগতেই মই আগবাঢ়ি গৈ দুৱাৰ খুলিলোঁ । তেতিয়া চাৰে ছয় বাজি গৈছিল । পৰিয়ালটোৱে পুৱাৰ জা-জলপান খাই আঁতৰিছে মাথোন । চাকৰ এটাই খোৱা মেজখন মচি পৰিষ্কাৰ কৰি আছিল । জোজেফ তাৰ গৃহস্বামীৰ চকীৰ ওচৰতে থিয় দি আছিল— কিবা লেঙেৰা ঘোঁৰা এটাৰ কথা সি কৈ আছিল । হেয়াৰটন খেৰণি লৈ যাবলৈ সাজু হৈছিল ।

মোক দেখা পাই হিথক্লিফে মাত লগালে, 'নেলী, তই আহিলি । নিজৰ মাল কিজানি নিজেহে বুটলিবগৈ লগা হ'ব পাৰে বুলি মই চিন্তাহে কৰিছিলোঁ । তই লগতে তাক লৈয়েই আহিলি, ভাল কৰিলি । দেখা যাওকচোন ই আমাৰ কি কামত আহে ।'

এই বুলি কৈয়ে সি দুৱাৰৰ ফালে খোজ ললে । হেয়াৰটন আৰু জোজেফে কথাটোনো কি জানিবলৈ কৌতূহলী হৈ মুখ আঁ কৰি পিচে পিচে গ'ল । বেচেৰা লিণ্টন বোপাটিয়ে তিনিওটাৰ মুখলৈ ভয়ে ভয়ে চালে ।

'চাইলাথ আপোনাৰ বৰ গহীনাই ল'ৰাটোৰ মুখলৈ চাই থাকি জোজেফে ক'লে, দৰেই । এইটো আপোনাৰে ল'ৰা ।'

পুতেক বিব্ৰত হোৱাকৈ একেথৰে তালৈ চাই থাকি কাঠ হাঁহি এটা মাৰি হিথক্লিফে ক'লে,

'বেচ। বেচ ধুনীয়াটো দেখাত। কেং মৰম লগা । ইয়াক বাৰু শামুক আৰু টেঙা দৈ খুৱাই ডাঙৰ কৰিছেনে কি ? এ, নৰকলৈকে যাওঁ, সেইটোতো মই ভবাতকৈয়ো বেয়া কথা । চয়তানটোৱে জানে যে মই বৰ আশাবাদী নাছিলোঁ।'

পৰিস্থিতি দেখি লিণ্টন কঁপিবলৈ ধৰিলে । বেচেৰা একেবাৰে হতভম্ব হৈ পৰিছিল । সি বাপেকৰ কথাৰ অৰ্থ ভালদৰে বুজা নাছিল । তাকে উদ্দেশ্য কৰিয়েই কথাবোৰ কৈছিল নে কি সেইটোও সি জনা নাছিল । আচলতে, সেই কঠোৰ প্ৰকৃতিৰ, দাঁত নিকটাই হাঁহি থকা অপৰিচিত মানুহটোৱেই যে তাৰ বাপেক তাকো সি ধাৰণা কৰা নাছিল । হিথক্লিফে ওচৰতে মুঢ়া এটা পাৰি তাক 'ইয়ালৈ আহ' বুলি ক'লত সি মোৰ কান্ধত মুখ গুজি কান্দিবলৈ ধৰিলে।

'ছিঃ ছিঃ'' বুলি কৈ হিথক্লিফে হাত মেলি তাক জোৰেৰে টানি নি দু আঁঠুৰ মাজত সুমাই ধৰিলে, তাৰ থুতুৰিটোত ধৰি মুখখন ওপৰলৈ দাঙি ধৰি ক'লে, 'এইবোৰ পেনপেননি ইয়াত নচলিব। তোৰ নাম কি ? লিণ্টন ? ও লিণ্টন। আমি তোক অনিষ্ট নকৰোঁ নহয়। তই সহিলাখ মাৰৰে ল'ৰা হলি। হুবহু। অই গেঁৰ নসৰা মুৰ্গী পোৱালী, তোৰ গাত মোৰ চিন কি আছে অ ?''

হিথক্লিফে এইবাৰ ল'ৰাটোৰ টুপিটো গুচাই দিলে, আৰু তাৰ দীঘল, শণ যেন চুলিকোচা পিচফাললৈ লুটিয়াই দিলে, তাৰ ক্ষীণ আৰু সৰু সৰু আঙুলিত হাত বুলাই চালে। এই পৰীক্ষা নিৰীক্ষাৰ সময়ত লিণ্টনে কন্দা বন্ধ কৰি, ডাঙৰ ডাঙৰ নীলা চকুহাল বহলকৈ মেলি তাৰ পৰীক্ষক জনলৈ চাই আছিল। ল'ৰাটোৰ হাতভৰি আটাইবোৰ ক্ষীণ আৰু দুৰ্বল বুলি জনাৰ পিচত হিথক্লিফে তাক সুধিলে, 'তই জানো মোক চিনি পাইছ ?'

''নাই পোৱা', কিবা এক ভয়াৰ্ত দৃষ্টিৰে তালৈ চাই চাই লিণ্টনে উত্তৰ দিলে।

'মোৰ কথা অন্ততঃ শুনিছ।'

'নাই শুনা,' সি পুনৰ উত্তৰ দিলে।

'নাই শুনা ? মাৰৰ বাবে কি লজ্জাৰ কথা ! মোৰ প্ৰতি তোৰ পুত্ৰোচিত ভাব জগাই তুলিবলৈ তাই তেতে একোকে নকৰিলে। বাৰু এতিয়া জানি থ, তই মোৰ ল'ৰা। মাৰ নটিনীয়ে তোৰ এইহেন বাপেৰটোৰ কথা তোক জানিবলৈ নিদি বৰ জঘন্য কাম কৰিলে। শুন, এতিয়া কোচমোচ খাব নালাগে। ৰঙাচিঙা পৰিবও নালাগে। হওক তেও, তোৰ গাত যে বগা তেজ নাই সেইটো দেখিবলৈ পোৱাটোও কম ভাগ্যৰ কথা নহয়। ভাল ল'ৰা হবি— তোৰ বাবে যি কৰিব লাগে মই কৰিম। নেলী, তোৰ ভাগৰ লাগিছে যদি বহ, নাই লগা যদি ঘৰলৈ ঘুৰি যা। ''গ্ৰেঞ্জ'ত থকা সেই অকৰ্মণ্যটোৰ আগত তই ইয়াত যি দেখিছ, যি শুনিছ আখৰে আখৰে ভেটিবিটো বুলি মই জানোৱেই। তই যোৱাই ভাল সোনকালে, তই ইয়াত থাকু মানে এইটোৰ ইয়াত মনেই নবহিব।'

'হিথক্লিফ, ল'ৰাটিক, তই মৰমৰ চকুৰে চাবি বুলি আশা কৰিলোঁ। নহলে তাক বেছিদিন নাপাবি। মনত ৰাখিবি এই পৃথিৱীত নিজৰ বুলিবলৈ তোৰ সিয়েইহে যি। প্ৰত্যুত্তৰত মই ক'লোঁ।

হাঁহি হাঁহি সি কলে, 'মই তাক খুব মৰম কৰিম। তই ভয় কৰিব নালাগে। মাত্ৰ আন কোনেও তাক মৰম কৰাটো মই নিবিচাৰোঁ। তাক মই একচেতীয়াকৈ মৰম কৰিবলৈ বিচাৰোঁ। তাৰ মৰম আনে ল'বলৈ বিচাৰিলে মোৰ সহ্য নহ'ব। আৰু, মৰম কৰাৰ কথা যে কৈছ, চা, চাই যা মই মৰম কৰোঁনে নকৰোঁ। জোজেফ, এই ল'ৰাটোৰ বাবে কিছু জা-জলপান লৈ আহ। হেয়াৰটন, নৰকৰ দমৰা, যা, কামলৈ যা।' সিহঁত দুটা আঁতৰি গলত সি ক'লে, 'মোৰ ল'ৰাটোৱেই হ'ল তোৰ গৃহস্বামীৰ ঘৰটোৰো সম্ভাব্য উত্তৰাধিকাৰী। সেই উত্তৰাধিকাৰ তাৰ বাবে সাব্যস্ত হোৱাৰ আগতে



তাৰ মৰণ বাঞ্ছা মই নকৰোঁ। তদুপৰি, সি মোৰ, আৰু মোৰ পো-পোৱালি সহজে সিহঁতৰ সম্পত্তিৰ উত্তৰাধিকাৰী হোৱা চাবলৈ মই উদগ্ৰীৱ হৈ আছোঁ। মোৰ ল'ৰাই সিহঁতৰ সতিসন্ততিক সিহঁতৰ পৈত্ৰিক মাটিকে চহাবলৈ দিন হাজিৰাত নিযুক্ত কৰা মোক চাবলৈ লাগে। এইটো কথাৰ বাবেইহে মই এই পোৱালিটোক প্ৰতিপাল কৰিবলৈ লৈছোঁ। তাৰ নিজৰ পৰিচয়ত তাক মই ঘৃণাৰ চকুৰেহে চাওঁ। সি মোৰ মনত এনে কেতবোৰ স্মৃতি উদ্ৰেক কৰে যাৰ বাবে তাক মই সহ্য কৰিব নোৱাৰোঁ। পিচে সেই বিবেচনাটোৱেই যথেষ্ট। সি মোৰ লগত নিৰাপদেই থাকিব। মই তাৰ ভাল আদৰ যত্ন লম। তোৰ গৃহস্বামীয়ে তাৰ জীয়েকৰ কিবে লয় সেইদৰেই, তাতকৈ কম নহ'ব। ওপৰ মহলাত মই তাৰ বাবে এটা কোঠা আটক ধুনীয়াকৈ সজোৱাই ৰাখিছোঁ। মই তাৰ বাবে এটা মাষ্টৰো বন্দবস্ত কৰি থৈছোঁ। কুৰি মাইল দূৰৰ পৰা আহিব। সপ্তাহত তিনি বাৰকৈ। ইহঁকে শিকোঁ বোলে, শিকাব। পোৱালিটোৰ কথা মানি চলিবলৈ মই হেয়াৰটনক কৈ দিছোঁ। তাৰ লগৰবোৰৰ পৰা সি বেলেগ, আৰু ওপৰৰ। সি ভদ্ৰ ঘৰৰ। এই কথাটো যাতে মানি চলা হয় সেই বিষয়ে মই সকলো বন্দোবস্ত কৰি থৈছোঁ। মাত্ৰ কথা হ'ল যে এই পোৱালিটো ইমানৰ যোগ্য নহয়। মোৰ আশা আছিল তাক লৈ মই সংসাৰত গৌৰৱ কৰিব পাৰিম। সেইটোৱেই হ'ব সংসাৰত মোৰ বাবে পৰম আশীৰ্বাদ। পিচে কি হ'ব, এই ভয় পাদুৰা, পেনপেনাই থকা প্ৰাণীটো দেখি মই বৰ হতাশ হৈছোঁ।'

হিথক্লিফে এইবোৰ কথা কৈ থাকোঁতে জোজেফে এবাটি গাখীৰ আৰু নুঠিৰ ছিজোৰা আনি ল'ৰাটিৰ আগত হাজিৰ কৰিলে। পৰম বিতৃষ্ণাৰে কন্তখিনি লিবিকি বিদাৰি থাকি সি কলে যে সেইসোপা সি খাব নোৱাৰে।

পুতেকৰ প্ৰতি থকা বাপেকৰ ঘৃণা আৰু অবজ্ঞাৰ ভাব জোজেফৰ চকুৰে মুখেও ফুটি উঠা মই ধৰিব পাৰিলোঁ। কিন্তু বাপেকৰ আগত পুতেকক দুৰ্ব্যৱহাৰ কৰি কিবা কবলৈ তাৰ সাহস নাছিল, কাৰণ পুতেকক সন্ত্ৰমেৰে ব্যৱহাৰ কৰিব লাগিব বুলি হিথক্লিফে ইতিমধ্যেই তাক আৰু আনবোৰ চাকৰ নাকৰক নিৰ্দেশ দি থৈছিল।

লিণ্টনৰ মুখলৈ চাই, আৰু ওচৰৰ আনে শুনে বুলি ভয় কৰি, মাতটো সৰু কৰি জোজেফে সুধিলে, 'খাব নোৱাৰা ? কিয় ? হেয়াৰটন বোপাটি সৰু থাকোঁতে এইবোৰকে খাইছিল, আন বেলেগ একো খোৱা নাছিল। আৰু মই ভাবোঁ, সি খাব পৰাবোৰ তুমিও খাব পাৰিবা।'

লিণ্টনে বেঢ়েৰাই মাত দিলে, 'মই এই সোপা নাখাওঁ। লৈ যা মোৰ ওচৰৰ পৰা।'

জোজেফে খঙেৰে খোৱাৰ থালিখন তুলি আমাৰ ওচৰলৈ আনিলে। হিথক্লিফৰ নাকৰ প্ৰায় তলতে থালখন লৈ সি সুধিলে, 'এই বোৰনো খাব নোৱাৰাৰ কাৰণ কি হ'ল ?'

'কি হৈছেনো ?' সি সুধিলে।

'এ', জোজেফে মাত লগালে, 'সৌ বাপুটিয়ে কৈছে তেওঁ বোলে এইবোৰ খাব নোৱাৰে । মই পিচে কাৰণটো বুজিছোঁ । তেওঁৰ মাকবো খোৱা বোৱাত এনেবোৰ চাকচিক আছিল । তেওঁৰ মাকৰ বেলিকা তেওঁ যি ঘেঁহৰ ৰুটি খায়, সেই ঘেঁহ সিচিবৰ পৰাই আমি হুচিয়াৰ হ'ব লগা হৈছিল ।'

হিথক্লিফে খঙেৰে উত্তৰ দিলে, 'তাৰ মাকৰ নাম মোৰ আগত নলবি । সি কি খাব পাৰে তাকে তাক দে । বচ্ । নেলী, তইতো জানিবি, সি সাধাৰণতে কি খায় ?'

মই কলোঁ যে তপতোৱা গাখীৰ বা চাহ হলেই হয় । পৰিচাৰিকাজনী তাকে আনিবলৈ গ'ল ।

'হওঁক তেওঁ,' মই মনে মনে ভাবিলোঁ, 'বাপেকৰ আপোনপেটিয়া স্বভাৱৰ বাবেই ল'ৰাটো সুখত থাকিব পাৰিব । সি তাৰ লেৰেলা চেপেটা চেহেৰাটো দেখিছেই, আৰু তাক যে সাৱধানে চোৱাচিতা কৰিব লাগিব সেই কথাও বুজি পাইছে । হিথক্লিফৰ ধান্দাৰ যে কিছু সলনি হৈছে সেই কথা মই গৈ মোৰ গৃহস্বামীক কমগৈ । তেওঁ শুনিলে অলপমান শান্তি পাব ।'

আৰু ৰৈ থকাৰ প্ৰয়োজন নেদেখি, মই কোঠাৰ পৰা বাজ ওলালোঁ । ঠিক সেই সময়তে এটা চিকাৰী কুকুৰ লিণ্টনৰ পিনে চিনাকি ভাৱত আগবাঢ়ি গ'ল । ভয়ত সি কুকুৰটো খেদি পঠাবলৈ 'ছেই, ছেই' কৰি চিঞৰিছিল আৰু হাত জোকাৰিছিল । তাৰ ওচৰৰ পৰা আঁতৰি আহিবলৈ মই সেইটো সুযোগকে ললোঁ । পিচে তাক মই ঠগিব নোৱাৰিলোঁ । মই যে তাক এৰি গুচি আহিছোঁ সেইটো কথা তাৰ সতৰ্ক দৃষ্টিত ধৰা পৰিল । বাহিৰৰপৰা দুৱাৰখন জপাই দিওঁতেই তাৰ বাৰে বাৰে কৰা কৰুণ চিৎকাৰ মোৰ কাণত পৰিল ঃ 'মোক এৰি নাযাবা । নাযাবা ঐ । মই ইয়াত নাথাকোঁ । নাথাকোঁ ইয়াত ।'

লগে লগে দুৱাৰৰ খিলি বন্ধ কৰি দিয়া শব্দ মোৰ কাণত পৰিল । জোজেফহঁতে তাক ওলাই আহিবলৈ নিদিলে । মই আহি মিনিৰ পিঠিত উঠি, ধীৰ কদমত ঘৰ পালোঁহি । মোৰ অভিভাবকত্বৰ চমু অধ্যায়বো ওৰ পৰিল ।

# ২১

কেথি আইটিয়ে সেইদিনা কান্দিকাটি আমাক বৰ আমনি কৰিলে । ৰাতিপুৱা বৰ স্ফূৰ্ত্তিৰে শোৱাৰ পৰা উঠিছে । ভাবিছে পেহীয়েকৰ পুতেকৰ ওচৰত গৈ বহিব । কিন্তু যেই মাত্ৰ সি গুচি যোৱা বুলি শুনিলে সেই মাত্ৰকতে তাই ইমান হুৱাওৱাৰে কান্দি ইমনি বিননিখন ধৰিলে যে তাইক বুজনি দিয়াই টান হ'ল । শেহান্তৰত দেউতাকে নিজে আহি তাইক নিচুকাব লগা হ'ল । তেওঁ কলে যে ল'ৰাটো সোনকালেই ঘূৰি আহিব, কিন্তু লগতে 'যদিহে মই তাক লগ পাওঁ' কথাষাৰো লগাই দিলে । আৰু তেনে আশাতো নাছিলেই !

পিতাকৰ কথাবাবত তাই বৰ পতিয়ন যোৱা নাছিল । কিন্তু সময়ৰ শক্তি বৰ বেচি । তাই মাজে মাজে লিণ্টন কেতিয়া আহিব বুলি বাপেকক সুধি আছিল, কিন্তু শেহলৈ তাৰ কথা তাই পাহৰিলে । ইমানকৈ পাহৰিলে যে পিচত যেতিয়া দেখিলে তেতিয়া তাক তাই চিনিবই নোৱাৰিলে ।

ইটো সিটো কামত গিমাৰটনলৈ যাওঁতে 'ৱাদাৰিং হাইটচ্'ত গৃহস্থালি তদাৰক কৰা মানুহজনীক মই মাজে মাজে লগ পাইছিলোঁ । তেতিয়া মই সৰু ল'ৰাটি কেনে আছে তাইক সুধিছিলোঁ । কাৰণ কেথি আইটি নিজৰ ঘৰত আবদ্ধ হৈ সোমাই থকা দি লিণ্টনো 'ৱাদাৰিং হাইটচ্'ত আবদ্ধ হৈ সোমাই থাকিছিল । বাহিৰত তাক দেখা পোৱা নগৈছিল । সেইজনী মানুহৰ পৰাই মই গম পালোঁ যে তাৰ স্বাস্থ্য ভাল হোৱা নাছিল, আৰু চাকৰ বাকৰবোৰক সি বোলে বৰ আমনি দি থাকিছিল । তাইৰ মতে মিঃ হিথক্লিফে তাক আগতকৈয়ো বেয়া পোৱা আৰু দেখিব নোৱৰা হৈছিল । পিচে সি পাৰিতপক্ষে আনৰ পৰা কথাটো লুকুৱাই ৰাখিবলৈ যত্ন কৰিছিল।

লিণ্টনৰ মাতটোৱেও তাৰ কাণত বিন্ধিছিল, আৰু তাৰ সৈতে একেটা কোঠাতে সি সৰহপৰ বহি থাকিবও নোৱাৰিছিল ।

বাপেক পুতেকৰ মাজত কথাবাৰ্ত্তা প্ৰায় নহৈছিল । লিণ্টনে পঢ়িব লগা পাঠ পঢ়ে আৰু তাৰ নিজৰ কোঠাত সোমাই থাকে । কেতিয়াবা গোটেই দিন বিছনাতে পৰি থাকে । তাৰ সদায় কাহ, কফ, পানীলগা, মূৰ কামোৰণি, গাৰ বিষ ইত্যাদি এটা নহয় এটা থাকেই ।

তিৰোতা জনীয়ে মোক কৈছিল, 'ইমান অলপ ধতুৱা, আৰু নিজৰ বিষয়ে সজাগ প্ৰাণী মই দ্বিতীয় এটা আৰু দেখা নাছিলোঁ । সন্ধিয়া যদি অলপ সময় বেচিকৈ খিৰিকিখন খোলা থাকিল, হ'ল আৰু । 'ইমান চেঁচা বতাহ । মই মৰিম ঐ' বুলি

চিএৰ বাথৰ লগাই দিব। সদায় সদায় লাক মিঠাই নহলেই তাৰ নহয়। গাখীৰৰতো কথাই নাই— প্ৰতিদিনে লাগিবই লাগিব। মাত্ৰ গাখীৰ, গাখীৰ আৰু গাখীৰ। জাৰকালি তাৰ বাদে আমি আনবোৰ কেনেকৈ কঁপি মৰো তালৈ তাৰ ভ্ৰূক্ষেপ নাই; সি নিজে পচমৰ বৰ চোলা এটাৰে গাটো মেৰাই লৈ জুইৰ ওচৰত চকী এখনত বহি থাকিব। কাষতে ইটো সিটো বস্তু চেনেকি থাকিবলৈ বা চোবাই থাকিবলৈ যোগাৰ দি থাকিব লাগিব। হেয়াৰটন যদি কেনেবাকৈ তাৰ লগতে ধেমালি কৰোঁ বুলি ওচৰ চাপিল, নিশ্চয় জানিবা, দুয়োটাৰ মাজত কাজিয়া লাগিবই; কাজিয়া লাগি এটা ভোৰভোৰাই, শাওশপনি আওঁৰাই আঁতৰিব, আনটো কান্দি কান্দি বহি থাকিব। হেয়াৰটন ল'ৰাটো প্ৰকৃতিত কঠুৱা হয়, কিন্তু সি দুষ্ট প্ৰকৃতিৰ নহয়। মই ঠিককৈ জানো, লিণ্টন হিথক্লিফৰ নিজৰ লৰা নোহোৱাহেঁতেন, হেয়াৰটনে তাক থেকেচি গুৰি কৰি দিলেও বাপেকে অকণো বেয়া নাপালেহেঁতেন। সি আমাক যতবোৰ দিগদাৰি দিয়ে তাৰ আধাখিনিও জানিলে বাপেকে তাক ঘৰৰ বাহিৰ কৰি দিলেহেঁতেন। পিচে তাকে কৰিব লগা পৰিস্থিতিলৈ সি নোসোমায়েই। সি পুতেকৰ কোঠালৈ নাযায়েই, আৰু পুতেকে তেনে আচৰণ তাৰ (হিথক্লিফৰ) সন্মুখত তাৰ নিজৰ কোঠাত কৰিলে, তাক তৎক্ষণাত তাৰ নিজৰ কোঠালৈ পঠাই দিয়ে।'

মানুহজনীৰ কথাৰ পৰা মই বুজিলোঁ যে কাৰোপৰা কণমানো সহানুভূতি নাপাই সৰু ল'ৰা লিণ্টন আগতে নহলেও এতিয়া আপোনপেটীয়া আৰু কোনেও ভাল নোপোৱা স্বভাৱৰ হৈ পৰিছে। ফলত তাৰ বিষয়ে জনাৰ আগ্ৰহ মোৰ ক্ৰমাৎ কমি আহিল। পিচে তাৰ দুৰ্ভাগ্যৰ কথা ভাবিলে মোৰ এতিয়াও দুখ লাগে। মই এতিয়াও ভাবোঁ যে তাক আমাৰ লগত থৈ দিয়াহেঁতেনেই ভাল হ'লহেঁতেন।

মিঃ এড্গাৰে ভাগিনীয়েকৰ খা-খবৰ লবলৈ মোক প্ৰায়ে উৎসাহিত কৰি আছিল। তাৰ কথা তেওঁ বৰকৈ চিন্তা কৰিছিল, আৰু মোৰ ধাৰণা তাক এবাৰ চাই অহাৰ বাবে লাগিলে বিপদৰ সন্মুখীন হ'বলৈকো তেওঁ প্ৰস্তুত আছিল। লিণ্টন ঘৰৰ পৰা বাজ হৈ গাওঁৰ পিনে আহে নে নাহে সেই কথা গৃহস্থী চঞ্চলা মানুহজনীক সুধিবলৈ তেওঁ মোক এবাৰ কৈছিল।

মই নোসোধাকৈ থকা নাছিলোঁ। মানুহজনীয়ে মোক কৈছিল যে মাত্ৰ দুবাৰ সি ঘৰৰ বাজ ওলাইছে সেই তেতিয়াৰ পৰা। দুয়োবাৰ অৱশ্যে ঘোঁৰাত উঠি ওলাইছিল, আৰু বাপেক হিথক্লিফ লগত আছিল। প্ৰতিবাৰতে, পিচৰ তিনি চাৰি দিন মানলৈ সি বিচনাৰ আশ্ৰয় ল'ব লগা হৈছিল।

মোৰ যিমান দূৰ মনত পৰে লিণ্টন 'ৱাদাৰিং হাইট্চ'লৈ যোৱাৰ দুবছৰৰ পিচত সেইজনী গৃহপৰিচাৰিকা গ'লগৈ। তাইৰ ঠাইত অন্য এজনী মানুহ আহিল। তাইক মই চিনি নাপাওঁ। তাই এতিয়াও তাত আছে।

'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ত সময় প্ৰবাহ তাৰ চিৰাচৰিত মৃদু আৰু নিৰুদ্বেগ গতিত চলি থাকিল। কেথি আইটিয়ে ষোলত ভৰি দিলে। তাইৰ জন্ম দিনত আমি কোনো প্ৰকাৰ



ৰং তামাচা কৰা নাছিলোঁ, কাৰণ সেই দিনটো তাইৰ মাকৰ মৃত্যু দিৱসো আছিল। সেই দিনটো তাইৰ দেউতাকে সদায় পুথিভঁড়াল কক্ষত সোমাই থাকি কটায়— কেতিয়াও তাৰ ব্যতিক্ৰম নহয়। গধূলি সময়ত সেই দিনটোত তেওঁ গিমাৰটন গীৰ্জাৰ পিনে ফুৰিবলৈ ওলাই যায়, আৰু তাতে মাজ নিশাৰ পিচলৈকে ঘূৰি ফুৰি কটায়। সেইবাবে কেথেৰিণৰ স্ফূৰ্ত্তি তামাচা কৰিবৰ মন গলে নিজে নিজেই যি মন যায় কৰিব লগা হয় আৰু কৰে।

এইবাৰৰ বিশ মাৰ্চৰ দিনটো আছিল এক ৰৌদ্ৰোজ্জ্বল বসন্তৰ দিন। পিতাক পঢ়া কোঠাত সোমালত, কেথি সাজিপাৰি ফুৰিবলৈ যাবলৈ বুলি ওলাই আহিল। তাই মোক কলে যে মোৰ সৈতে মুকলি পথাৰত এপাক ফুৰিবলৈ তাই পিতাকৰ অনুমতি বিচাৰিছিল। অলপ দূৰ গৈ এঘণ্টাৰ ভিতৰতে ঘূৰি আহিবলৈ পিতাকে তাইক অনুমতি দিছে।

তাই ক'লে, 'এতিয়া লৰালৰি কৰি ওলা, এলেন। মোৰ কলৈ যাবলৈ মন গৈছে, মই জানো। দলনিত যে এজাক ডাউকৰ বাহ আছে, তালৈ যাম। সিহঁতে বাহবোৰ ইতিমধ্যে সাজিলে নে নাই মোৰ চাবৰ মন গৈছে।'

'সেই ঠাই চোন বহুত দূৰ আগলৈ', মই কলোঁ। 'সিহঁতে দলনিৰ দাঁতিত কণী নাপাৰে নহয়।'

'নহয়, নহয়, তই নাজান। মই পিতাৰ লগত তেনেই ওচৰলৈকে গৈছোঁ।'

মই মোৰ ওৰণা মূৰত লগাই লৈ, কথাটো আৰু বিশেষ ভৱা চিন্তা নকৰাকৈ, তাইৰ লগত ওলাই গলোঁ। তাই প্ৰায় জঁপিয়াই যোৱাৰ দৰে এবাৰ মোৰ আগ হয়, আকৌ ঘূৰি আহে, আকৌ আঁতৰাই যায়— এইদৰে মোৰ লগত আগবাঢ়িল। যেন এটা তজবজীয়া চিকাৰী কুকুৰহে।

যৰকাল বলালি দিন। দূৰৰ পৰা বা নাতিদূৰৰ পৰা লাৰ্ক পখীৰ গীত আহি আমাৰ কাণত পৰিছিল। মোৰ খুব ভাল লাগিছিল। পিচলৈ পৰা একোচা সোণালী চুলি, গোলাপী গাল মুখ, আৰু তিৰবিৰাই থকা চকুহালেৰে মোৰ পৰম প্ৰিয় কেথিক অপূৰ্ব লাগিছিল। সেই সময়ত তাই এজনী পৰীৰ দৰে আছিল; দুখ বুলিবলৈ যেন তাইৰ নাছিল, সুখতেই দিন কটাইছিল। ভাবিলে দুখ লাগে, এনে এজনী ছোৱালীয়ে পিচলৈ সন্তোষত দিন যাপন কৰিবলৈ নাপালে।

'কেথি আইটি, তোমাৰ ডাউক চৰাইবোৰ ক'ত?' মই তাইক সুধিলোঁ। 'সিহঁত থকা ঠাইৰ আমি ওচৰ চাপিলোঁ কিজানি। 'গ্ৰেঞ্জ'ৰ চাৰিসীমা কেতিয়াবাই এৰি থৈ আহিলোঁ।'

'অলপ দূৰ গ'লেই হ'ব, মাত্ৰ অলপ দূৰ', বুলি কৈ কৈ তাই আগবাঢ়ি গৈয়েই থাকিল। 'সৌ পাহাৰটোলৈ উঠি গৈ, সেই টিপটো পাৰ হবি। আৰু তই সি দাঁতি পাবগৈ মানে মই চৰাইজাক হুৰাই উৰাই দিম।'

কিন্তু পাহাৰ আৰু টিপ যে এটা নহয়। অনেক। গতিকে সেইবোৰ বগাই বগাই

শেহাতকৈত মই ভাগৰি পৰিলোঁ । মই তহঁক কলোঁ যে আমি আৰু আগবাঢ়িব
নোৱাৰোঁ, তাৰ পৰাই ঘূৰি যাব লাগিব ।

কিন্তু তাই মোতকৈ বহুত আগবাঢ়ি গ'ল দেখি মই তহঁক পিচৰপৰা চিঞৰিলোঁ ।
কিন্তু তাই নুশুনিলেই, নে শুনিও নুশুনাৰ ভাও জুৰিলে, ক'ব নোৱাৰোঁ । কিন্তু তাই
গৈয়েই থাকিল । শেহত তাই এটুকুৰা দ পিটনিত জপিয়াই পৰিল আৰু 'ৱাদাৰিং
হাইট্চ'ৰ দুমাইল মান ওচৰ পাওঁতেহে তহঁক আকৌ মই পিচে পিচে ঢপলিয়াই গৈ
লগ পালোঁ । দুজনমান মানুহে তহঁক আওৰি ধৰা মোৰ চকুত পৰিল । তাৰে এটা
মানুহ আছিল হিথ্‌ক্লিফ ।

ডাউবৰ বাহ লণ্ডভণ্ড কৰি থাকোঁতেই তাই হাতেলোটে ধৰা পৰিল ।

সেইখিনি ঠাই আছিল হিথ্‌ক্লিফৰ । গতিকে চোৰাংকৈ চিকাৰ কৰা হোৱালী বুলি
ভাবি সি কেথি অহঁটিক গালি গালাজ পাৰি আছিল । কষ্টেমষ্টে গৈ গৈ সিহঁতৰ ওচৰ
পাওঁতে, কেথিয়ে এই বুলি কৈ থকা মোৰ কাণত পৰিল, 'মই চৰাই দেখাও নাই, ধৰাও
নাই । এটাও নাপালোঁ ।' তাই নিজৰ কথাৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ হাত দুখন
মেলি দিলে । 'মই কণীবোৰ নিম বুলিও অহা নাছিলোঁ । পিতাৰ মুখে শুনিছিলোঁ
এইপিনে বোলে ডাউবৰ কণী বহুত আছে । মই কণীবোৰ চাবলৈহে আহিছিলোঁ ।'

অসৎ অভিপ্ৰায়ৰ দৃষ্টিৰে মোলৈ চাই হাঁহি এটা মাৰি হিথ্‌ক্লিফে বুজালে যে কেথি
আইটিক সি চিনি পাইছে, আৰু সেইবাবে চকুৰে মুখে বিদ্বেষৰ ভাব ফুটাই সি সুধিলে,
'তোমাৰ পিতা নো কোন ?'

'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ মিঃ লিণ্টন,' তাই উত্তৰ দিলে । 'মই ভাবিছিলোঁ তুমি মোক
চিনি পোৱা নাছিলা, নহলে তুমি সেইদৰে মোক নকলাহেঁতেন ।'

অত্যন্ত বিদ্ৰূপৰ সুৰত সি সুধিলে, 'তোমাৰ পিতা বৰ মানী আৰু শ্ৰদ্ধেয় ব্যক্তি
বুলি তুমি ভাবা দেখিছোঁ ।'

হিথ্‌ক্লিফৰ পিনে কৌতূহলী দৃষ্টিৰে চাই কেথিয়ে সুধিলে, 'তুমিনো কোন ? সৌ
মানুহটো মই আগতে দেখিছোঁ । সি তোমাৰ ল'ৰা নে কি ?'

কেথিয়ে কোৱা মানুহটো আছিল হেয়াৰটন— ভাত পেটি খোৱা আনটো মানুহ ।
বিগত দুবছৰত গাত মঙহ ধৰোৱা আৰু শক্তি বঢ়োৱাৰ বাদে তাৰ আন একো সলনি
হোৱা নাই । দেখিবলৈ সি আগৰ দৰেই অশুৱনি আৰু আচৰণতো পূৰ্ব্বৰ দৰেই ৰাক্ষ
হৈয়েই আছিল ।

'কেথি —হইটি', কথাৰ মাজতে মই মাত লগালোঁ, 'আমি ওলাই অহা এঘণ্টাৰ
ঠাইত এতিয়া তিনিঘণ্টা হ'ব । আমি ঘূৰি যাও বলা ।'

হিথ্‌ক্লিফে মোক হেঁচা মাৰি একাষৰীয়া কৰি থৈ ক'লে, 'সেই মানুহটো মোৰ ল'ৰা
নহয় । পিচে মোৰ নিজৰ ল'ৰা এটা আছে, আৰু তাক তুমি লগো পাইছা আগতে ।
যদিও তোমাৰ বাইজনীয়ে যাওঁ যাওঁ লগাইছে, মই ভাবো তোমালোক দুয়োৱে অলপ



জিৰাই শঁতাই লোৱা ভাল হ'ব । মুকলি পথাৰৰ এই টিলাটো পাৰ হৈয়েই আমাৰ
ঘৰ । অলপমান জিৰাই ললে, ঘৰ গৈ সোনকালেহে পাবাগৈ । তোমালোকক
যথাযোগ্য সমাদৰেৰেই সোধপোচ কৰা হ'ব ।'

হিথ্‌ক্লিফৰ প্ৰস্তাৱত কোনোপধ্যেই মান্তি হ'ব নালাগে বুলি মই কেথিৰ কাণত
ফুচফুচাই কলোঁ । তালৈ যোৱাৰ প্ৰশ্নই নুঠে ।

'কিয় ?' তাই ডাঙৰকৈ সুধিলে, 'লৰা ঢপৰা কৰি কৰি মোৰ ভাগৰ লাগিছে ।
ৰাস্তাটোও নিয়ৰ পৰি পিচল হৈ আছে । মই ইয়াত বহিব নোৱাৰোঁ । এলেন, আমি
তালৈ যোৱা ভাল হ'ব । তদুপৰি তেওঁ কৈছে বোলে পুতেকক মই দেখিছোঁ । মই
ভবাত তেওঁৰ ভুল হৈছে । পিচে তেওঁ ক'ত থাকে মই অনুমান কৰিব পাৰিছোঁ ।
'পেনিচটন ক্ৰেগচ'ৰ পৰা আহি যে পাম ঘৰটোত সোমাইছিলোঁ, তাতে । নহয়
জানো ?'

'তাতে থাকোঁ । আহ নেলী, আপত্তি নকৰিবি । আমাক দেখি গলে তাই বৰ ভাল
পাব । হেয়াৰটন, তই ছোৱালীজনীৰ সৈতে আগবাঢ় । তই মোৰ সতে আহ, নেলী,'
হিথ্‌ক্লিফে ক'লে । কোৱাৰ লগে লগে সি মোৰ বাহু এটাত ধৰি লৈছিল । তাৰ হাতৰ
পৰা নিজকে মোকলাই ল'বলৈ টনা-হেঁচা কৰি মই কলোঁ, 'নহ'ব, কেথি কলৈকো যাব
নোৱাৰে ।' পিচে তাই ইতিমধ্যে গলেই, আৰু প্ৰায় দৌৰি যোৱাদি গৈ দুৱাৰমুখ
পালেগৈ । হেয়াৰটন তাৰ লগে লগে নগ'ল । সি মাজ বাটতে পুলুকা মাৰি
আঁতৰিলে ।

মই ক'লোঁ, 'হিথ্‌ক্লিফ, এইবোৰ বৰ অন্যায় কথা হৈছে । লোকে তোৰ কথা
ভালকৈ নকয় বুলি তই জানই । তাতে আৰু' তোৰ তাত তাই লিণ্টনক লগ পাবগৈ ।
আমি ঘূৰি গৈ ঘৰ পোৱাৰ পিচত সকলো কথা জনাজাত হৈ পৰিব । আৰু দোষটো
মোৰ গাতেই পৰিব ।'

সি ক'লে, 'তাই লিণ্টনক লগ পোৱাটো মই বিচাৰোঁ । এই কেইদিন তাৰ গা-মূৰ
কিছু ভাল হৈছে । কোনোবাই লগ পাব পৰাকৈ তাৰ গা সাধাৰণতে ভালে নাথাকেই ।
আমি বাৰু তহঁক মোৰ ঘৰলৈ যোৱা কথাটো গোপন কৰি ৰাখিবলৈ মান্তি কৰাম ।
তেতিয়াতো আৰু চিন্তা কৰিবলগীয়া একো নাই ।'

'চিন্তা কৰিবলগীয়া কথা এয়ে যে তহঁক তোৰ ঘৰলৈ সোমাবলৈ দিছোঁ বুলি
জানিলে বাপেকে মোৰ ওপৰত বেয়া ভাব ল'ব । মই ভালকৈ জানো যে তহঁক তোৰ
ঘৰলৈ নিয়াত তোৰ এক কু-অভিসন্ধি আছে ।' মই উত্তৰ দিলোঁ ।

'মোৰ মতলব একেবাৰে চফা । মই তোক ভাঙি পাতি কওঁ, ব । মই বিচাৰোঁ
ইহঁত হাল ইটো সিটোৰ প্ৰতি আকৰ্ষিত হওক । তাৰ পিচত বিয়া । মই তোৰ গৃহস্বামীৰ
ইহঁত হাল ইটো সিটোৰ প্ৰতি আকৰ্ষিত হওক । তাৰ পিচত বিয়া । মই তোৰ গৃহস্বামীৰ
ভালৰ বাবেহে কৈছোঁ । তাৰ সেই গাভৰু ছোৱালীজনী যদি মোৰ ইচ্ছাৰ অনুকূলে
যোৰ খায়, তেন্তে তাই লিণ্টনৰ সৈতে উত্তৰাধিকাৰৰ সমভাগী হ'ব । বেয়ানো কি

হ'ব ?' "আৰু দৈবাৎ যদি লিণ্টন মৰি থাকে— আৰু তাৰ জীৱনৰ নো কি ভৰষা
আছে, সদায় বেমাৰ নুগুছেই, তেতিয়াতো কেথিয়েই উত্তৰাধিকাৰী হ'ব।' মই তাৰ
কথাৰ মূৰত কলোঁ।

'নাই, হ'ব নোৱাৰিব। ইচ্ছা পত্ৰত তেনে কোনো কথা লিখা নাই। তাৰ সম্পত্তি
তেতিয়া মোলৈ আহিব। পিচে হাই কাজিয়া যাতে নহয় সেই উদ্দেশ্যে মই সিহঁত
হালৰ বিয়া হোৱাটো বিচাৰোঁ, আৰু এই মতলব পূৰ কৰিবলৈ মই দৃঢ় সংকল্প।'

'আৰু মায়ো এই এটা কথাত দৃঢ় সংকল্প ঃ এই ছোৱালীটি আৰু দ্বিতীয়বাৰ মোৰ
সৈতে তোৰ ঘৰ পচকিবলৈ ইয়ালৈ নাহে। তই জানি থবি।' ইতিমধ্যে আমি পদুলিৰ
ওচৰ পাইছিলোঁগৈ। কেথি আইটি আমালৈ বৈ আছিল।

মোক মনে মনে থাকিবলৈ কৈ হিথক্লিফে আগবাঢ়ি গৈ দুৱাৰখন
খুলিবলৈ ল'লে। কেথিয়ে তালৈ বাৰে বাৰে চালে— মানুহটোৰ সম্বন্ধে কি ধাৰণা
কৰিব তাকে যেন তাই ঠিক কৰিব পৰা নাই, তেনে ভাব। এবাৰ তাইৰ চকুৱে চকুৱে
পৰিলত সি মিচিকি কৰে হাঁহি এটা মাৰিলে, তাইক কথা কওঁতে মাতটোও অলপ
নৰমসুৰীয়া কৰিলে। মই ভাবিলোঁ যে মাকৰ স্মৃতিয়ে হয়তো তাইৰ কিবা অনিষ্ট চিন্তা
কৰাত তাক বাধা দিব। পিচে তেনে চিন্তা মোৰ মূৰ্খতাৰ পৰিচায়ক বুলিহে প্ৰমাণিত
হ'ল। লিণ্টন ল'ৰাটি জুইশালৰ কাষত থিয় দি আছিল। সি পথাৰৰ ফালৰ পৰা এপাক
ঘূৰি আহি তেতিয়া ঘৰ সোমাইছিলহি। টুপিটো মূৰৰ পৰা খোলাই নাই। শুকান
জোতাযোৰ দি দিবলৈ সি জোজেফক চিঞৰি আছিল।

বয়স চাই সি ঠিকেই ওখপাখ হৈছিল। যোলত সোমোৱা নৌ এথোন। চকুমুখ
এতিয়াও ধুনীয়া, বৰটো মোৰ মনত পৰাতকৈ যেন বেচি মুকলি। পিচে সেইবোৰ হাৱা
পানীৰ গুণত হে হোৱা। আচল স্বাস্থ্য তাৰ তেতিয়াও নাছিল।

কেথি আইটিৰ পিনে ঘূৰি চাই হিথক্লিফে সুধিলে, 'এইটি কোন, চিনি পাইছা ?'
ইটোৰ পৰা সিটোলৈ দৃষ্টি আঁতৰাই নি তাই সসন্দেহে সুধিলে, 'তোমাৰ ল'ৰা ?'

'ঠিকেই ধৰিছা। মোৰে ল'ৰা। পিচে তাক তুমি এইবাৰহে জানো প্ৰথমবাৰ
দেখিলা ? ভাবোঁচোন, এ তুমি দেখিছোঁ পাহৰিলাই। লিণ্টন, তোৰ মনত পৰা নাহিনে ?
তোৰ মোমায়েৰৰ জীয়েক। তই যে চাবলৈ বুলি অধৈৰ্য্য হৈ আমাক কুটুৰি থাকি
বিৰক্তি দি আছিলি। এই জনীয়েই ছোৱালী।'

নামটো শুনিয়েই আনন্দত আৰু বিস্ময়ত অধীৰ হৈ কেথিয়ে ক'লে, 'এইটো
লিণ্টন ? সেই অকণমানি লিণ্টনটো ? সি তো মোতকৈ ওখ আছিল। তুমি লিণ্টন
হয়া ?'

লিণ্টন আগবাঢ়ি আহি নিজৰ পৰিচয় সাব্যস্ত কৰিলে। তাই তাক হেঁপাহেৰে চুমা
খালে। সময়ে যে সিহঁত দুটাক কিমান সলনি কৰিলে তাকে ভাবি ইটোৱে সিটোলৈ
আচৰিত হৈ ৰ লাগি চাই থাকিলে।



ওখ পাখই কেথি আইটি ঠিক জোখৰে হৈছিল— যিমান ওখ হ'ব পৰা সম্ভৱ,
সিমানখিনি ওখ তাই হৈছিল। তাইৰ গাটো শকত, অথচ ল-নি। ঠৰডা নহয়, গুণা
এগছৰ দৰে লেউ সেউ। পৰিপূৰ্ণ স্বাস্থ্য। প্ৰাণোচ্ছল। লিণ্টনৰ চাৱনি আছিল শেঁতা,
খোজ কাটলো আছিল মন্থৰ। তাৰ গাটোও আছিল অত্যন্ত ক্ষীণ। কিন্তু তাৰ কথাবাৰ্ত্তা
আৰু আচৰণত এনে এক সৌজন্য প্ৰতিফলিত হৈছিল যে তাৰ গুণত তাৰ সমস্ত
শাৰীৰিক ন্যূনতা যেন তল পৰিছিল। তাৰ বাবেই তাক ভাল লগা হৈছিল।

লিণ্টনৰ লগত অনেক প্ৰীতি সৌজন্য বিনিময় কৰাৰ পিচত কেথি আইটি
হিথক্লিফৰ ওচৰ চাপিল। সি তেতিয়া দুৱাৰ মুখত ৰৈ আছিল। এবাৰ বাহিৰলৈ চায়,
এবাৰ ভিতৰলৈ। পিচে বাহিৰলৈ চাই থকা যেন দেখুৱালেও, ভিতৰলৈহে তাৰ বেচি
চকু। ভিতৰত থকা ল'ৰা-ছোৱালী হালে কি কৰিছে সেইটো চাবলৈহে সি আছিল
বেচি কৌতূহলী।

'তেন্তে তুমি মোৰ পেহা হোৱা ?' তাই তাক চালাম ঠুকি সুধিলে। 'প্ৰথমবাৰ
দেখা পাওঁতে তুমি বৰ গোমোঠা মাৰি থাকিলেও মোৰ তোমাক ভাল লগা যেন
লাগিছিল। লিণ্টনক লগত লৈ তুমি 'গ্ৰেঞ্জলৈ' নোযোৱা কিয় ? অত বছৰ ইমান
ওচৰতে আছোঁ, অথচ আমাৰ তালৈ যোৱা নাই, এইটো তো বৰ আচৰিত কথা। কিহৰ
বাবে নোযোৱাকৈ আছা ?'

হিথক্লিফে উত্তৰ দিলে, "তুমি ওপজাৰ আগতেই মই কেইবাবাৰো 'গ্ৰেঞ্জ'লৈ
গৈছিলোঁ। বাৰু সেই পৰ্য্যন্ত থাকক। আৰু যদি চুমা আছে, লিণ্টনক দিয়া। মোক
দিলে কি হ'ব, অযথা ব্যয় কৰাহে হ'ব।"

এইবাৰ কেথি মোৰ ওচৰলৈ উৰি অহাদি আহি মোক সাবট মাৰি ধৰি টপটপ চুমা
খাই খাই মোক ক'লে, 'দুষ্ট এলেন। তোক বেয়া পাইছোঁ যা। মোৰ ইয়াত
সোমাবলৈকে দিদিছিলি নহয়। আজিৰ পৰা পিচে মই প্ৰতিদিনে পুৱা ইয়ালৈ
খোজকাঢ়ি আহিম। আহিম নে খুড়া ? পিতাকো মাজে মাজে লৈ আহিম। আমাক
লগ পালে তোমাৰ ভাল নালাগিব জানো ?'

'নিশ্চয়', হিথক্লিফে উত্তৰ দিলে, পিচে কথাষাৰ কওঁতে সি এনেভাৱে মুখ বিকটাই
ক'লে যে তাতে তাৰ দুয়োগৰাকী ভাবী অতিথিৰ প্ৰতি গভীৰ বিদ্বেষ প্ৰকট নোহোৱাকৈ
নাথাকিল। 'পিচে কথা এটা হ'ল নহয়,' কেথেৰিণৰ পিনে মুখ ঘূৰাই সি ক'লে,
'কওঁ বুলি ভাবিলোঁ যেতিয়া কওঁৱেই আৰু। তোমাৰ পিতাৰাৰ মোৰ প্ৰতি বৰ
ভাল ভাব নাই। এসময়ত আমাৰ মাজত কাজিয়া লাগিছিল। বৰ বেয়াকৈ লাগিছিল।
তুমি যদি তেওঁৰ আগত ইয়ালৈ আহিছিলা বুলি কোৱাগৈ, তেন্তে আগলৈ এই পিনে
আহিবলৈ নিদিব। গতিকে তোমাৰ
সম্ভাৱ মূৰ মৰিব। তোমাক আৰু তেওঁ ইয়ালৈ আহিবলৈ নিদিব। গতিকে তোমাৰ
যদি পেহীয়েৰৰ পুতেকক আগলৈকো লগ পোৱাৰ ইচ্ছা আছে তেন্তে তুমি কাকো এই
কথা নকবা। কিন্তু তুমি আহি থকাত বাধা নাই।'

কথা শুনি কেথেৰিন অয়াপৰি যোৱাদি গ'ল । তাই হিথক্লিফক সুধিলে, 'তোমালোকৰ মাজত দন লাগিছিল কিয় ?'

হিথক্লিফে উত্তৰ দিলে, 'তোমাৰ পিতাৰে মোক বৰ টোকোনা বুলি ধৰি লৈছিল, আৰু ভাবিছিল যে মই ভনীয়েকক বিয়া কৰাবৰ লায়ক নহওঁ । তৎসত্বেও যেতিয়া মই তাইক আনিহে এৰিলোঁ, তেতিয়াতো পিতাৰাৰ দৰ্প চূৰ্ণ হ'ল । এই বাবেই তেওঁ মোক কেতিয়াও ক্ষমা নকৰে ।'

কেথেৰিনে উত্তৰ দিলে, ''সেইটো অন্যায় কথা । মই তেওঁক কেতিয়াবা সেইবুলি কম । কিন্তু লিণ্টন আৰু মইতো তোমালোকৰ কাজিয়াৰ বাবে দায়ী নহওঁ । ঠিক আছে তেন্তে, মই ইয়ালৈ নাহোঁ । তেওঁ যাব 'গ্ৰেঞ্জ'লৈ ।''

লিণ্টনে সৰু সৰুকৈ ক'লে, 'মই যাবলৈ বহুত দূৰ হ'ব । চাৰি মাইল খোজ কাটি যাবলৈ হ'লে মই মৰিব লাগিব । তুমিয়ে আহিবা, মিচ কেথেৰিন, মাজে মাজে আহিবা । প্ৰতিদিনে পুৱা আহিব নালাগে । সপ্তাহত দুবাৰ বা এবাৰ ।'

বাপেকে পুতেকলৈ তীব্ৰ ঘৃণাৰ চাৱনিৰে চালে ।

মোলৈ চাই সি ক'লে, 'নেলী, দেখিছোঁ আটাইবোৰ পণ্ডশ্ৰমহে হ'ল । অজগৌটোৱে তাইক মিচ কেথেৰিন বুলিহে মাতিছে । সি কিমানৰ লায়ক বুজি পাবলৈ তাইক সৰহ সময় নালাগে । আৰু বুজি পোৱাৰ লগে লগে তাই তালৈ পিঠি দিব । কিন্তু হেয়াৰটন হোৱাহেঁতেন— তই নাজান নেলী, তাৰ সমস্ত বদগুণ সত্ত্বেও, সিহে মোৰ পছন্দৰ । দিনটোত মই কুৰিবাৰ তাৰ কথা ভাবোঁ । এই ল'ৰাটো যদি আন কোনোবা হ'লহেঁতেন সি মোৰ প্ৰিয়পাত্ৰ হৈ পৰিলহেঁতেন । পিচে মই ভবাত তাইৰ প্ৰেমৰ পৰা সি নিৰাপদ । সেই অধম জীৱটোক যদি চটফটীয়া হোৱা নেদেখোঁ, তেন্তে হেয়াৰটনক তাৰ বিৰুদ্ধে মই উচটাই দিম । মই ভবাত সি ওঠৰ বছৰ হোৱালৈকে যে টানিব আশা নাই । অহাআমে যাওঁক সেই মৰকুঁচিয়াটো । চাচোন, চা, সি ভৰি মচাতহে লাগিছে— তাইৰ পিনে চাবলৈ তাৰ আগ্ৰহিয়েই নাই । বোলো লিণ্টন ।'

'পিতা, কিবা কৈছা ?'

'বোলো সেইয়েৰৰ জীয়েকজনী ওলাইহেছি, তইনো তাইক বাৰীখনতে এপাক ঘূৰাবলৈগে নোৱাৰনে ? ইফালে সিফালে নি শহাৰ গাত এটা বা নেউলৰ বাহ এটাকে দেখুৱাব পাৰ । তই জোতা সলোৱাৰ আগতে তাইক বাগানলৈ লৈ যা । ঘোঁৰাশাললৈকো নি তোৰ ঘোঁৰাটো দেখুৱাগৈ ।'

কেথিলৈ চাই লিণ্টনে সুধিলে, 'বাৰী ঘৰ পকাই ঘূৰাতকৈ তুমি ইয়াতে অলপপৰ বহিবলৈকে ভাল পাবা যেন পাইছোঁ, নহয় নে ?' তাৰ কথাত এনে এটা সুৰ ফুটি উঠিল যাৰ পৰা বুজা গ'ল যে ওলাই যাবলৈ সি একেবাৰে অনিচ্ছুক ।

দুৱাৰমুখেদি বাহিৰলৈ চাই কেথিয়ে ক'লে, 'তুমিহে জানা ।' তাইৰ কথাৰ সুৰৰ পৰা বুজা গ'ল যে ওলাই যাবলৈ তাইৰ মনটো আছে ।



লিণ্টন কিন্তু বহাৰ পৰা নুঠিল । সি জুইৰ কাষ চাপিহে গ'ল । হিথক্লিফ বহাৰ পৰা উঠি পাক ঘৰলৈ গ'ল, তাৰ পৰা চোতাললৈ ওলাই হেয়াৰটনক চিঞৰি মাতিলে ।

হেয়াৰটন হিথক্লিফৰ ওচৰলৈ গ'ল, আৰু দুয়োটা লগ হৈ আকৌ আমি থকা ঠাইত ওলালহি । হেয়াৰটনে গা ধুই উঠিছিলহে । তাৰ চিকচিকাই থকা গাল আৰু ভিজা চুলিৰ পৰা সেই কথা দেখিলেই বুজিব পৰা গৈছিল ।

ঘৰ চোৱাচিতা কৰা মানুহজনীয়ে পূৰ্ব্বতে কোৱা কথাষাৰ মনত পৰিলত কেথেৰিণে হিথক্লিফক সুধিলে, 'পেহা, সেইটোতো মোৰ মোমাইদেউৰ লৰা নহয় । হয় জানো ?'

'হয়, তোমাৰ মাৰৰ ভতিজাক । তাক তোমাৰ ভাল লগা নাইনে ?'

কেথেৰিণৰ চকুৰে মুখে এটা অস্বস্তিৰ ভাব ফুটি উঠিল । হিথক্লিফে আকৌ সুধিলে, 'ধুনীয়া ল'ৰা, নহয় নে ?'

শিষ্টাচাৰবিহীন সেই প্ৰাণীটো বেতাৰ দৰে থৰ দি ৰ'ল । এবাৰ সি হিথক্লিফৰ কাণে কাণে কিবা এটা ক'লে ।

হিথক্লিফে হাঁহি দিলে । হেয়াৰটন বিবৰ্ণ হৈ পৰিল । মই মন কৰিলোঁ যে কোনোবাই তাক অসন্মান কৰে বুলি সি সদা সতৰ্ক, আৰু তাৰ নিজৰ হীনাৱস্থা সম্পৰ্কেও সি একেবাৰে সজাগ নোহোৱা নহয় । পিচে তাৰ প্ৰভু বা অভিভাৱকজনে তাৰ সংকোচ ভাবটো এই বুলি কৈ আঁতৰ কৰি দিলে ঃ

'হেয়াৰটন, তই আমাৰ পছন্দৰ হৈ পৰিবি । তাই কৈছে তই বোলে— কি কৈছিলে ? কিবা এটা কৈছিলে আৰু । শুনিলে ভাল লগা কথা । এই শুন । তই ছোৱালীজনীক বাগানখনত এপাক ঘূৰাই আনগৈ । চাবি আৰু, ভদ্ৰলোকৰ দৰে চলিবি । অবাইচ মাত নামাতিবি । তাই নাচালে তয়ো তাইৰ মুখলৈ থৰ লাগি চাই নাথাকিবি । তাই তোলৈ চালে তই তোৰ মুখ ঢাকি পেলাবি । কথা কওঁতে লাহে লাহে কবি । হাত দুটা জেপত ভৰাই নথবি । যা ! যা ! যিমান পাৰ ছোৱালীজনীৰ মন যোগাই ফুৰাই আনগৈ ।'

কেথি আৰু হেয়াৰটন খিৰিকিৰ ওচৰেদি পাৰ হৈ যোৱালৈকে সি চাই থাকিলে । হেয়াৰটনে মুখখন কেথেৰিণৰ পিনে কৰাই নাই । বিপৰীত পিনে ঘূৰাই ৰাখিছে । সদায় দেখি থকা ঠাইখন আৰু তাৰ দৃশ্যৰাজিক সি অচিনাকি কোনোবাই চোৱাদি আৰু শিল্পীৰ একাগ্ৰতাৰে চাবলৈ ধৰিলে ।

কেথেৰিণে চল বুজি এবাৰ তালৈ চালে । কিন্তু তাক ভাল লগাৰ কোনো ভাব তাইৰ মুখত ফুটি উঠা দেখা নগ'ল । তাই আপোনমনে ভাল লগা বস্তু ইটো সিটো চাই গ'ল । তাই নিজমনে গুণগুণকৈ গীত এটা সৰু সৰুকৈ গাই গৈছিল । সিহঁতে পৰস্পৰৰ মাজত কোনো বাক্য বিনিময় কৰা নাছিলে ।

হিথক্লিফে মাত লগালে, 'মই তাৰ মুখখন সী থলোঁ নে কি ? গোটেই সময়খিনিত

সি টু শব্দ এটাও কৰা নাই । নেলী, তাৰ এই বয়সত বা তাতোকৈ কমত মই কেনে আছিলোঁ তোৰ মনত আছে নহয় ? মই এনে বেঙা আছিলোঁনে ? জোজেফে ক'বৰ দৰে, 'তাগদ নোহোৱা'?'

'ইয়াতকৈয়ো বেয়া আছিলি । মুখেৰে তো কথাই নুফুটিছিল তোৰ ।' 'তাক মোৰ ভাল লাগে' । সি ডাঙৰ ডাঙৰকৈ কৈ গ'ল । 'সি মোৰ আশা পূৰ্ণ কৰিছে— সি আজন্ম জধামূৰ্খ এটা হোৱাহেঁতেন মই ইমান ভাল নাপালোঁহেতেন । পিচে সি মূৰ্খ নহয় । তাৰ ভাব অনুভূতি মই বুজি পাওঁ । তেনেবোৰ ভাব অনুভূতি মোৰো আছিল ।'

'তাৰ মনত এতিয়া কি কষ্ট হৈছে মই ঠিককৈ বুজিব পাৰিছোঁ । এয়া আৰম্ভণিহে পিচে, সি আৰু ভুগিব । তাৰ ৰুক্ষতা আৰু অজ্ঞানতাৰ পটি নাদৰ পৰা সি কেতিয়াও ওপৰলৈ উঠিব নোৱাৰিব । তাৰ বাপেক বজ্জাতটোৱে মোক যিমান তললৈ নমাইছিল, মই তাক তাতকৈ বেচি তললৈ নমাইছোঁ । তাৰ আসুৰিক প্ৰকৃতি লৈ সি গৰ্ব্ব কৰে । পশু প্ৰবৃত্তি ব্যতিৰেকে যি কোনো বিবেচনাকে মূৰ্খামি আৰু দুৰ্ব্বলতাৰ পৰিচায়ক বুলি ঘিণ কৰিবলৈ মই তাক শিকাইছোঁ । হিণ্ডলেই পুতেকক দেখাহেঁতেন, বেচ গৰ্ব্ববোধ কৰিলোহেঁতেন বুলি বাৰু তই নাভাবনে ? মই মোৰ ল'ৰাক লৈ যিমান গৰ্ব কৰিছোঁ, ঠিক সেই দৰেই ? পিচে তফাৎ এটা আছে । এটা যেনিবা এটুকুৰা সোণ, কিন্তু ব্যৱহাৰ কৰা হৈছে ৰাস্তা বন্ধা শিলৰ টুকুৰাৰ দৰে; আনটো যেন এডোখৰ টিন, দেখাত ৰূপৰ যেন কৰিবলৈ ঘঁহি মাজি চিকচিকিয়া কৰা হৈছে । মোৰ ল'ৰাৰ গাত গুণ বুলিবলৈ একো নাই । তথাপি যি সামান্য আছে তাৰে যিমান পাৰি তাক উপযুক্ত কৰি তুলিবলৈ মই যত্ন কৰিম । তাতেই মোৰ সাৰ্থকতা । হিণ্ডলেৰ পুতেকৰ গাত বৰ ভাল ভাল গুণ আছিল । পিচে এতিয়া সেইবোৰ সমূলে লোপ পালে । কোনো কামতেই নাহে । ততোধিক শোচনীয় । মোৰ অনুশোচনা কৰিবলৈ একো নাই । তাৰ হ'লে আছে । মোৰ বাদে আনে যিমান আছে বুলি জানে তাতকৈ বহুত বেচি । ইয়াৰে সৰ্বোত্তম হ'ল এই যে হেয়াৰটন মোৰ অত্যন্ত অনুৰাগী । বাপেক হিণ্ডলেৰ প্ৰতিও সি তিমান অনুৰাগী নাছিল । ধৰি ল সেই বজ্জাত কালটো সমাধিৰ অটল গৰ্ভৰ পৰা পুতেকৰ দুষ্কাৰ্যৰ বাবে মোক জগৰীয়া কৰি গালি গালাজ দিবলৈ ওলাই আহিছে । তেতিয়াতো বেচ মজা হ'ব । দেখিবি পুতেকে বাপেকক কদৰ্থনা কৰিবলৈ লাগি গৈছে । সংসাৰত বন্ধু বুলিবলৈ একমাত্ৰ ময়েই । মোক লাঞ্ছনা কৰিলে সি কাকো সহ্য নকৰে ।'

এই বুলি কৈ নিজৰ চয়তানী চিন্তাত নিজেই বস পাই হিথক্লিফে কাঠ হাঁহি এটা মাৰিলে । মই তাৰ কথাৰ কোনো জবাব নিদিলোঁ, কাৰণ জবাব সি বিচৰা নাই বুলি মই বুজি পাইছিলোঁ ।

এই গোটেই সময়ছোৱাত লিণ্টন আমাৰপৰা বহুত দূৰত বহি আছিল । কোনে কি কৈছে নকৈছে তাৰ কাণত পৰা নাছিল । পিচে সি অস্থিৰ হৈ ইচাট বিচাট কৰা আমাৰ চকুত পৰিল । ভাগৰ লাগিব বুলি ভয় কৰি কেথেৰিণৰ সংগৰ পৰা নিজকে বঞ্চিত কৰা বাবে তাৰ বোধহয় অনুশোচনা হৈছিল ।



বাপেকে মন কৰিলে যে লিণ্টনে খিৰিকিয়েদি বাহিৰলৈ চাই আছে । বাৰে বাৰে টুপিটো পিন্ধো নিপিন্ধো কৰি সি মুখলৈ হাত নিয়াও তাৰ চকুত পৰিল ।

তাকে দেখি যেন তাৰ মনলৈ কিছু উৎসাহ আহিল । পুতেকলৈ চাই সি ৰুক্ষমনেৰে কোৱাৰ ভাওঁ ধৰি ক'লৈ, 'এই এলেহুৱা ল'ৰা । উঠ । কি চাই আছ ? সৌৰ সিহঁতৰ পিচত । সিহঁত গৈ মৌ বাহ থকা চুকটো পাইছেগৈহে ।'

যেন গাৰ সমস্ত শক্তি প্ৰয়োগ কৰি লিণ্টন থিয় হ'ল, আৰু জুহালৰ ওৰি এৰিলে । খিৰিকিখন মেলি থোৱাতে আছিল । লিণ্টন ওলাই যোৱাৰ লগে লগে কেথিয়ে নিবোকা লগৰীয়া হেয়াৰটনক দুৱাৰখনৰ ওপৰত কি লিখা আছে সোধা মোৰ কাণত পৰিল ।

হেয়াৰটনে তলমূৰ ওপৰ কৰি হেবাং এটাৰ দৰে নিৰ্ব্বাক হৈ তাইলৈ চাই ৰ'ল । কি উত্তৰ দিব ভাবি নাপাই সি মূৰ খজুৱাবলৈ ললে ।

'কিবা লাগবান্ধ নোহোৱা কথা লিখা আছে আৰু । মই পঢ়িব পৰা নাই ।'

'পঢ়িব পৰা নাই ? সেইটো আৰু' কেনে কথা ? মইতো পঢ়িব পাৰিছোঁ ... ইংৰাজীত লিখা আছে দেখোন । কিন্তু তাত লিখিছে কিয় সেইটো কথাহে মোক লাগে ।

লিণ্টনে খিক খিককৈ হাঁহিলে । তাৰ মনৰ প্ৰফুল্লতাৰ সেয়ে আছিল প্ৰথম প্ৰকাশ । কেথেৰিণক সি ক'লে, 'সি পঢ়িবকে নাজানে । এনে এটা জধামূৰ্খ কৰবাত থাকিব পাৰে বুলি বাৰু তুমি বিশ্বাস কৰিবানে ?'

কেথেৰিণে গহীন হৈ সুধিলে, 'সি মানসিক ভাবে সুস্থ নে কিবা বিকাৰ আছে ? মই এতিয়ালৈকে তাক দুবাৰ প্ৰশ্ন কৰিলোঁ, কিন্তু প্ৰতিবাৰতে সি এনে অজলাৰ দৰে চালে যে মোৰ মনেৰে মই কি সুধিছোঁ সি একো বুজাই নাই । ময়ো তাক বুজিব পাৰিছোঁ বুলি কব নোৱাৰোঁ ।'

লিণ্টনে আকৌ হোঁ হোৱাই হাঁহিলে আৰু অৱজ্ঞাৰ দৃষ্টিৰে হেয়াৰটনলৈ চালে । সেই মুহূৰ্ত্তত সি কিবা কথা বুজিব পৰা অৱস্থাত আছিল বুলি কোৱা টান ।

লিণ্টনে ক'লে, 'তাৰ দোষৰ ভিতৰত মাত্ৰ এটাই ঃ এলাহ । হয় নে নহয় আৰ্ণশ ? মোমাইদেউৰ জীয়েকে তোক একেবাৰে গোট গৰু বুলি ভাবিছে । তই কব নহয়, 'কিতাপ পঢ়া' তোক নালাগে বুলি । এতিয়া বুজিছ তাৰ ফল কেনে হয় ? কেথেৰিণ, তুমি তাৰ অদ্ভুত ইয়ৰ্কচায়াৰ উচ্চাৰণ মন কৰিছা নে ?'

হেয়াৰটন গৰগৰাই উঠিল । লিণ্টনক সি নিতৌ লগ পায় । সেইবাবে তাৰ কথাৰ উত্তৰ দিবলৈ সি সক্ষম । তালৈ চাই সি চয়তানক আঙুলি ক'লে, 'কি দৰ্কাৰডাল আছে কিতাপ পঢ়াৰ ?' সি এই বিষয়ে ব্যাখ্যা কৰিবলৈকো উদ্যত হৈছিল, কিন্তু তেনেতে কেথি আৰু লিণ্টনে হাঁহি দিলে । হেয়াৰটনৰ অদ্ভুত কথাবাৰ্তাই যে সিহঁতক স্ফূৰ্ত্তিৰ খোৰাক যোগাব পাৰিছে সেই কথা ভাবি তাই বৰ ভাল পালে ।

লিণ্টনে খিকখিকাই হাঁহি সুধিলে, 'চয়তানক টনা আঁজোৱা কৰিছ কিয় ? পিতাই তোন তোক অবাইচ মাত নামাতিবলৈ কৈছিল । তই দেখিছোঁ তেনে মাত এটা নকতাকৈ মুখকে মেলিব নোৱাৰ । ভদ্ৰলোকৰ দৰে আচৰণ কৰিবলৈ চেষ্টা কৰচোন । এতিয়ালৈ কৰ ।'

লিণ্টনে এইদৰে কৰবলৈহে পালে, হজুৱা ল'ৰাটো একেবাৰে দাং খাই উঠিল । তাক যে অপমান কৰা হৈছে সেই কথা সি বুজি পালে । সি ক'লে, তই নামতহে মতা ল'ৰাটো, চিৰি চেহেৰাবে গোটেইটো তিৰোতা সজীয়া । সেয়ে নোহোৱাহেঁতেন তোক এই মুহূৰ্ত্তত বগৰাই দিলোঁহেঁতেন, জনা নাই বেটা ছিবিশলী ।'

সিহঁতৰ কথাবতৰা হিথক্লিফৰ কাণত পৰিছিল; মোৰ কাণতো পৰিছিল । তাক সেই ঠাইৰ পৰা গুচি যোৱা দেখি সি হাঁহি এটা মাৰিলে, কিন্তু পিচ মুহূৰ্ত্তত, দুৱাৰমুখত বৈ অদৰকাৰী কথা চোবাই থকা লিণ্টন আৰু কেথেৰিণলৈ অত্যন্ত খং আৰু বিদ্বেষ দৃষ্টিৰে চালে । হেয়াৰটনৰ দোষ ত্ৰুটীৰ কথা কৈ থাকোঁতে থাকোঁতে সিহঁতৰ কথাবতৰা বেচ ৰসাল হৈ পৰিছিল । তাৰ বিষয়ে বহুতো গল্প গুজৱ লিণ্টনে কেথেৰিণক শুনালে । হেয়াৰটনৰ মুখৰ আৰু হিংসকী কথাবোৰ শুনি তাই বেচ স্ফূৰ্ত্তি পাইছিল । কিন্তু তেনেবোৰ মাতকথাই প্ৰমাণ কৰা তাৰ অসৎ প্ৰকৃতিৰ কথা তাইৰ মনলৈ অহা নাছিল । মোৰ হ'লে লিণ্টনৰ প্ৰতি কিবা সহানুভূতি হওঁক চাবি তাক মোৰ ভাল নলগাহে হ'ল । মোৰ ভাব হ'ল যে বাপেকে তাক তাচ্ছিল্যৰ চকুৰে চোৱাৰ কাৰণ নথকা নহয় ।

আমি আবেলিলৈকে তাত থাকিলোঁ । তাতকৈ আগতে কেথি আইটিক তাৰপৰা আঁতৰাই আনিবকে নোৱাৰিলোঁ । ভাগ্য ভাল, মোৰ গৃহস্বামী তেওঁৰ পঢ়া কোঠাৰ পৰা ওলোৱাই নাছিল, আৰু সেইবাবে আমি বহুত সময় ঘৰৰ পৰা আঁতৰি থকা বুলিও তেওঁ গম নাপালে ।

ঘৰলৈ ঘূৰি আহোঁতে মই মনে মনে ঠিক কৰিছিলোঁ যে আমি সেইমাত্ৰ এৰি থৈ অহা মানুহবোৰৰ স্বভাৱ চৰিত্ৰৰ বিষয়ে মই কেথেৰিণক কম, কিন্তু সিহঁতৰ প্ৰতি মোৰ কিবা বেয়া ভাব এটা আছে বুলি ধাৰণা এটা কেনেবাকৈ তাইৰ মূৰত সোমাল ।

'সেয়া— মই জানোঁ নহয় এলেন, তই পিতাৰ পক্ষ লবি । তই যে নিৰপেক্ষ নহয় সেই কথা মই এতিয়া বেচকৈ বুজি পাইছোঁ । নহ'লে লিণ্টন ইয়াৰ পৰা বহুত দূৰত থাকে বুলি অত বছৰে তই মোক ফাঁকি দি প্ৰবঞ্চনা কৰি নাথাকিলিহেঁতেন । আচলতে মোৰ খুব খং উঠিছে, কিন্তু মোৰ মনটো এতিয়া ইমান ভাল লাগিছে যে সেই খং মই দেখুৱাব নোৱাৰোঁ । তই পিচে মোৰ পেহাৰ বিষয়ে ইয়াত একো নুলিয়াবি। তেওঁ মোৰ পেহা, মনত ৰাখিবি, আৰু তেওঁৰ লগত কাজিয়া কৰা বাবে পিতাক মই বেচমতে এজাউৰি শুনাই দিম ।'

এই মন্তেই তাই অনৰ্গল কথা কৈ থাকিলে, মোক মোৰ কথা কবলৈ সুযোগকে নিদিলে । তাইৰ ভুল হৈছে বুলি পতিয়ন নিয়াবলৈ মই চেষ্টা কৰিবলৈ এৰি দিলোঁ।



'ৱাদাৰিং হাইটচ'লৈ যোৱাৰ কথা সেই নিশা তাই লিণ্টনক নকলে, কাৰণ তেওঁক সেইদিনা তাই লগেই নাপালে । পিচদিনা গোটেই কথাটো ওলাই পৰিল । মই বিৰক্ত হলোঁ। তথাপিতো মই বৰ বেয়া পোৱা নাছিলোঁ । মই ভাবিছিলোঁ যে কথাটো ওলালেই যেতিয়া কেথেৰিণক লিণ্টনৰ ওচৰলৈ দুনাই নাযাবলৈ সতৰ্ক কৰি দিয়াৰ দায়িত্ব মোতকৈ পিতাকেই বেচি ভালকৈ বহন কৰিব পাৰিব। পিচে 'ৱাদাৰিং হাইটচ'লৈ তাইনো কিয় যাব নালাগে সেই সম্পৰ্কে তেওঁ তাইক পতিয়ন নিয়াই বুজাব নোৱাৰিলে। তাইৰ ওপৰত আৰোপ কৰা বাধা নিষেধবোৰৰ যুক্তিযুক্ততা থকাটো তাই বিচাৰিছিল।

ৰাতিপুৱা পিতাকৰ লগত মুখামুখি হোৱাৰ পিচতেই তাই ক'লে, 'কালি মুকলি পথাৰৰ মাজেদি ঘূৰিবলৈ যাওঁতে কাক লগ পালোঁ অনুমান কৰাচোন । এ, পিতা, এইবোৰৰ গুৰিতে তুমিয়েই । তুমিতো ভাল কাম কৰা নাই । কৰিছা জানো, কোৰাঁচোন । মই দেখিলোঁ— পিচে শুনা, এলেনৰ লগ হৈ তুমি মোক অতদিনে যে ভাঁৰি আছিলা, সেই কথা মই কেনেকৈ ধৰা পেলালোঁ সেইকথা ক'ম এতিয়া । মই অনবৰত আশা কৰি আছোঁ লিণ্টন আহিব বুলি, সি নহা দেখি মই হতাশ হৈ পৰিছোঁ, অথচ তুমি মোক ফাঁকি দি আছা ।'

ইয়াৰ পিচত তাই পিতাকক আগদিনা 'ৱাদাৰিং হাইটচ'লৈ' যোৱাৰ এটা পুংখানুপুংখ বিৱৰণ দিলে। তাত কি হ'ল, কি নহ'ল, তাকো ক'লে । কথাবোৰ তাই কৈ থাকোঁতে মোৰ গৃহস্বামীয়ে মোলৈ বেইবাৰো তিৰস্কাৰৰ দৃষ্টিৰে চালে, কিন্তু তাইৰ বৃত্তান্ত শেষ নোহোৱালৈকে একো নামাতিলে । তাই কৈ অন্তালত তেওঁ তাইক ওচৰ চপাই নি, লিণ্টন ওচৰতে থকাৰ কথাটোনো কিয় তেওঁ তাইৰ পৰা লুকুৱাই ৰাখিছিল সেই সম্পৰ্কে তাই কিবা জানে নে কি সুধিলে । নিৰ্দ্দোষ সংগসুখ এটা উপভোগ কৰাত বিনাকাৰণত তেওঁ তাইক বাধা দিছে বুলি তাই ভাবিব পাৰে কেনেকৈ ?

'কাৰণটো হ'ল তুমি হিথক্লিফক বেয়া পোৱা, সেই বাবে ।' 'তেন্তে কেথি, কথাটো হ'ল এনেকুৱা। মই তোৰ ভাব অনুভূতিতকৈ মোৰ ভাব অনুভূতিক বেছি গুৰুত্ব দিওঁ— তই সেই বুলি ভাব নেকি ? নহয়, মই হিথক্লিফক বেয়া পাইছিলোঁ বাবে নহয়, হিথক্লিফে মোক বেয়া পায় বাবেহে মই বাধা দিছিলোঁ। সি হ'ল একেবাৰে নৃশংস প্ৰকৃতিৰ মানুহ । যাৰ প্ৰতি এবাৰ বিদ্বেষ তাৰ মনত সোমাল, সামান্য চেনু পালেই তাক অন্যায় অবিচাৰ কৰি শেষ কৰাতেই তাৰ আনন্দ, নহলে তাৰ শান্তি নাই । মই জানিছিলোঁ যে তোমাৰ পেহীয়েৰাৰ ল'ৰাৰ লগত যোগাযোগ হোৱাহেঁতেন হিথক্লিফৰ লগত চিনাকি নোহোৱাকৈ তুমি থাকিব নোৱাৰিলাহেঁতেন। এই কথাও মই জানিছিলো যে মোৰ ছোৱালী বুলিয়েই সি তোমাকো ঘৃণাৰ চকুৰে চাব । সেইবাবে, অকল তোমাৰ মংগল কামনা কৰিহে তুমি যাতে লিণ্টনৰ লগত আকৌ লগালগি নোহোৱা তাৰ ব্যৱস্থা কৰিছিলোঁ । অন্য কাৰণ একো নাছিল । তুমি

ডাঙৰ হ'লে আটাইবোৰ কথা তোমাক ক'ম বুলি মই ভাবি আছিলোঁ, পিচে বহুত পলম হৈ গ'ল ।"

পিতাকৰ কথাত মুঠেই পতিয়ন নগৈ কেথেৰিণে ক'লে, 'কিন্তু পিতা, হিথক্লিফক যে মই বৰ অমায়িক পালোঁ । লিণ্টনে মৰে লগালগি হোৱাত তেওঁ হলে একো আপত্তি কৰা নাই । তেওঁ কলে বোলে যেতিয়াই ইচ্ছা তেতিয়াই মই তেওঁৰ ঘৰলৈ যাব পাৰোঁ, মাত্ৰ মই তোমাক জানিবলৈ দিব নালাগিব, কাৰণ তুমি তেওঁৰ লগত কাজিয়া কৰিছিলা, আৰু ইজাবেলা পেহীক বিয়া কৰোৱা বাবে তুমি তেওঁক কস্মিন কালেও ক্ষমা নকৰা । তুমিহে নিদিয়া, দোষ তোমাৰ গাতহে । তেওঁতো লিণ্টনকে মোকে অন্ততঃ বন্ধুত্বৰ সম্পৰ্ক স্থাপন কৰাত বাধা দিয়া নাই । দিছা তুমিহে ।'

মোৰ গৃহস্বামীয়ে দেখিলে যে জীয়েকে পেহাক হিথক্লিফৰ দুষ্ট চৰিত্ৰৰ বিষয়ে কোনো কথাকে বিশ্বাস নকৰে । সেইবাবে তেওঁ মোটামুটি ভাবে তাৰ ইজাবেলাৰ প্ৰতি কৰা ব্যৱহাৰ আৰু 'ৱাদাৰিং হাইট্চ' হস্তগত কৰি লোৱাৰ কথা তাইক কলে । এই সম্পৰ্কে তেওঁ দীঘলীয়া বিবৰণ দিবলৈ সাহ নকৰিলে, কাৰণ তেওঁৰ পুৰাতন শত্ৰু হিথক্লিফৰ নাম মনলৈ অহাৰ লগে লগে মিচেচ লিণ্টনৰ মৃত্যুৰ সময়ৰে পৰা তাৰ প্ৰতি তেওঁৰ অন্তৰত কন্ধ হৈ থকা ভয় আৰু ঘৃণাত আকৌ এবাৰ তেওঁৰ বুকু কঁপি উঠিল । 'সি আহি তেওঁৰ জীৱনত খেলি মেলি নলগোৱাহেঁতেন তেওঁ আজিও জীয়াই থাকিলহেঁতেন'— এই বেদনাদায়ক ভাবটোৱে অহৰহ তেওঁক পীড়ি আছিল । হিথক্লিফক তেওঁ হত্যাকাৰী বুলিয়েই গণ্য কৰিছিল ।

কেথি আইটিয়ে বেয়া কাম কাক বোলে নাজানিছিলেই । তাইৰ নিজৰো দোষ বুলিবলৈ তেনেকৈ একো নাছিল । সামান্য অবাধ্যতা আৰু অবিচাৰৰ ধৰিব নলগীয়া দুই এক কাৰ্য্য, হঠাতে তমক কৈ উঠি পিচ মুহূৰ্ত্তত শাঁত পৰা খং, নতুবা নিচিন্তাকৈ হঠাতে কৰি পেলোৱা কিবা একেটা কাম— তেওঁৰ নিজৰ দোষ বুলিবলৈ ইমানেই । এইবোৰৰ ক্ষেত্ৰতো আকৌ কৰাৰ বা কোৱাৰ লগে লগে অনুতাপ । এনে এজনী ছোৱালীৰ বাবে, ঘৃণা, বিদ্বেষ আৰু প্ৰতিহিংসাৰ এনে অনুশোচনাবিহীন আৰু বছৰৰ পিচত বছৰ ধৰি জীপ দি ৰখা সংকল্প আছিল নিতান্তই অভাবনীয় । মানৱ প্ৰকৃতিৰ এই নতুন দিশটোৰ লগত পৰিচিত হৈ তেওঁ ইমানেই বিস্ময়াভিভূত হৈ পৰিছিল যে পিতাকে বিষয়টো আৰু বহলাই তেওঁৰ আগত মেলাৰ আৱশ্যকতা নেদেখিলে । মানৱ চৰিত্ৰৰ এইটো ফালৰ লগত তেওঁৰ পূৰ্ব্ব পৰিচয় তেওঁৰ নিজৰ সমস্ত ধ্যান ধাৰণা আৰু অধ্যয়নৰ বৰ্হিভূত আছিল । তেওঁ এই বুলি কৈ কথাৰ মোখনি মাৰিলে :

"সেই মানুহটোৰ ঘৰ আৰু পৰিয়ালৰ লগত কোনো সংস্ৰৱ মই কিয় ৰাখিব নোখোজোঁ, সেই কথা, আইজনী, তুমি লাহে ধীৰে গম পাবাঁ । এতিয়া যোৱাঁ, তোমাৰ নিজৰ কামত আৰু খেলা-ধুলাত লাগাগৈ । তাৰ কথা আৰু মনলৈ নানিবা ।"

পিতাকক চুমা খাই, কেথি আইটি কেইঘণ্টামানৰ বাবে আগৰ অভ্যাস অনুসৰি নিজৰ পাঠ পঢ়াত নিমগ্ন হ'ল । তাৰ পিচত তাই পিতাকৰ লগতে বাগানত ফুৰিলে



আৰু গোটেই দিনটো গতানুগতিকভাবেই পাৰ কৰি দিলে । কিন্তু সন্ধ্যা সময়ত, তাই সাজপাৰ সলাই লোৱাত সহায় কৰিবলৈ বুলি তাইৰ কোঠালৈ সোমাই গৈ দেখোঁ, তাই বিচনাৰ দাঁতিত আঠুকাঢ়ি উঁচুপি আছে ।

"ছিঃ ছিঃ, আঁকৰী ছোৱালী কৰবাৰ ! এই সামান্য কথাটোতে নো কোনোবাই কান্দেনে ! আচলতে দুখ বুলিবলৈ তোমাৰ তো একো নাই, কেথি আইটি । ভাবিলোৱা— এক মিনিটৰ বাবে ভাবি লোৱা— তোমাৰ পিতাৰা আৰু মই মৰিলোঁ, আৰু তুমি সংসাৰত অবলম্বহীয়া হৈ গ'লা । তেতিয়া তোমাৰ কেনে লাগিব ? বৰ্ত্তমানৰ পৰিস্থিতিটো তেনে এটা শোকাবহ সম্ভাৱনাৰ লগত বিজাই চোৱাচোন, কেনে পাবা ? গতিকে বিবোৰ বন্ধু বান্ধৱ আছে, তাৰ বাবেই ভগৱানৰ ওচৰত কৃতজ্ঞতা জনোৱা, অধিক বিচাৰিব নালাগে ।"

তাই প্ৰত্যুত্তৰত ক'লে, "মই মোৰ নিজৰ বাবে কন্দা নাই, এলেন । মই তাৰ বাবেহে কান্দিছোঁ । সি কালিলৈ আকৌ মোক দেখা পাবলৈ আশা কৰিছিল, এতিয়া সি যে কিমান নিৰাশ হ'ব ! সি মোলৈ বাট চাই থাকিব, অথচ মই নাযাম ।"

"যত মানে বাজে কথা", মই কলোঁ । "তুমি তাৰ কথা যিমান ভাবিছা, সিও তোমাৰ কথা সিমান ভাবিছে বুলি তুমি ধৰি লৈছা কিয় ? তাৰ লগ সংগ বুলিবলৈ হেয়াৰটন জানো নাই ? সম্বন্ধীয় ল'ৰা এটাক দুটা আবেলিত দুবাৰ মাত্ৰ লগ পাইছা, আৰু তাৰ বেজাৰতে ইমান কন্দাকটা ! কোনেও এনে নকৰে দেই । শতকৰা নিৰানব্বৈজনে নকৰে । তোমাক হে দেখিলোঁ । তোমাৰ বিয় যোৱা নহ'ল লিণ্টনে অনুমান কৰিব পাৰিব, আৰু তোমাৰ কথা ভাবিবলৈকো এৰি দিব ।"

আঠু কাঢ়ি থকাৰ পৰা উঠি তাই সুধিলে, "মই যাব নোৱাৰাৰ কাৰণটো জনাই তালৈ চিঠি এখন লিখি দিম নে ? আৰু তাক পঢ়িবলৈ দিম বুলি কোৱা কিতাপ কেইখনো পঠাই দিম । তাৰ কিতাপবোৰ মোৰবোৰৰ সমান ভাল নহয় । মোৰবোৰ সি বৰকৈ বিচাৰিছিল । তাক লাগেই । মোৰ কিতাপবোৰ যে বৰ ভাল লগা সেই কথাও মই তাক কৈছিলোঁ । লিখিম নে চিঠি এখন ?"

"নাই, নাই, নহ'ব, চিঠি লিখিব নোৱাৰিবা," মই তাইক খাটাংকৈ কলোঁ । "তুমি লিখিবা, সি উত্তৰ দিব, আকৌ তুমি লিখিবা— এই পৰ্ব্বৰ অন্তই নপৰিব । নাই, নহ'ব । কেথি আইটি, তোমালোক পৰস্পৰৰ লগত যে চা-চিনাকি হৈছিলা সেই কথা একেবাৰে বাদেই দিব লাগিব । তোমাৰ পিতাৰাই ইয়াকে বিচাৰিছে । এয়ে যাতে হয়, তালৈ মই চকু ৰাখিম ।"

তাই আকৌ কাকুতিৰ সুৰত আৰম্ভ কৰিলে, "কিন্তু চুটি চিঠি এখন লিখিলেনো.....?"

"মনে মনে থাকা", মই ভেকাহি মাৰি কলোঁ । "তোমাৰ চিঠি লিখা পৰ্য্যায় সুৰু হ'বলৈ আমি নিদিওঁ । শুবলৈ লোৱা ।"

তাই মোলৈ অত্যন্ত দুষ্টামিৰ দৃষ্টিৰে চালে— ইমান দুষ্টামিৰ দৃষ্টি যে মই প্ৰথমতে তাইক শুভৰাত্ৰি জনাই চুমা দিবকে নুখুজিছিলোঁ । মই তাইৰ গাত কাপোৰ কানি দি দিলোঁ, আৰু কোঠাৰ দুৱাৰ জপাই, ক্ষুণ্ণ মনেৰে ওলাই গলোঁ । ওলাই গলোঁহে হয়, মনটোৱে নসহিলে । বেয়া লাগিল । গতিকে লাহে লাহে মই তাইৰ কোঠালৈ ঘূৰি আহিলোঁ । কোঠাত সোমাই দেখোঁ কি, মেজৰ ওচৰত, শুদা কাগজ এটুকুৰা আৰু পেঞ্চিল এডাল হাতত লৈ, কেথি থিয় দি আছে । মই সোমাই যোৱা দেখি তাই দোষী দোষী ভাবত কাগজ পেঞ্চিল লুকুৱাই পেলালে ।

"কেথেৰিণ, চিঠি লিখিলেও কিন্তু নি দিবলৈ কোনো নোলায়, মই কৈ থলোঁ দেই । সন্দহতে মই তোমাৰ মমডাল নুমাই দিছোঁ ।"

মমডাল মই নুমাই দিছোঁ কি নিদিছোঁ, তাই মোৰ হাতৰ ঠাৰিতে মাৰি দিলে আৰু কেটেৰা মাতেৰে ক'লে,

"খামুন্দি বুঢ়ী ক'ৰবাৰ ।"

তাইক মই তাতে এৰি কোঠাৰ বাহিৰ ওলালোঁ । ওলোৱা মাত্ৰকতে তাই ভিতৰৰ পৰা দুৱাৰ বন্ধ কৰি খিলি লগাই দিলে । তাইৰ তেনে খিটখিটিয়া মেজাজ মই আগতে দেখা নাছিলোঁ ।

লিখিবলৈ লোৱা চিঠিখন তাই লিখিলেও আৰু গাখীৰ নিবলৈ অহা গাৰ্ৰৰ ল'ৰা এটাৰ হতুৱাই যথাস্থানত দিয়ালেও । কথাটো পিচে মই অলপ দিন পিচতহে গম পালোঁ । কেই সপ্তাহমান পাৰ হোৱাৰ পিচত কেথিৰ মন ভাল হ'ল । মন ভাল হ'ল হয়, কিন্তু তাইৰ নতুন অভ্যাস এটা মোৰ চকুত পৰিল । তাই বাগানৰ চুক একোটাত গৈ অকলে অকলে বহি থাকিবলৈ ভাল পোৱা হ'ল । তাতে তাই কিবা কিতাপ এখন লৈ বহি থাকে, আৰু মই ওচৰ চাপিলে, তাই উচপ খাই উঠে, আৰু কিতাপখনৰ ওপৰতে হলি পৰে । কাৰণটো হ'ল কিতাপখন মোৰ পৰা আঁৰ কৰাটো । কিতাপখনৰ পাতৰ মাজৰ পৰা নবক্কা কাগজৰ টুকুৰা কিছুমানৰ মূৰবোৰ ওলাই থকা মোৰ চকুত পৰিছিল ।

তাইৰ আৰু এটা ফাকটি মোৰ নজৰত পৰিছিল । নিচেই পুৱাতে উঠি তাই পাকঘৰৰ ওচৰে পাঁজৰে যেনেতেনেকৈ কিবা এটা দিবহি এনে ভাবত বাট চাই থাকে । পঢ়া কোঠাত তাইৰ মেজত এটা সৰু ড্ৰয়াৰ আছিল । ঘণ্টাৰ পিছত ঘণ্টা ধৰি তাই তাকে খুচৰি মুচৰি থকা মোৰ চকুত পৰিছিল । সেই ড্ৰয়াৰটোৰ চাবিটো তাই নেৰে, সাৱধানে লগতে লৈ ফুৰে ।

এদিন তাই ড্ৰয়াৰটো খুচৰি মুচৰি থাকোঁতে মই মন কৰিলোঁ যে আগতে তাত থকা পুতলা আদি নাপিলুপা বস্তুবোৰ নাই । তাত ভাঁজ কৰি কৰি থোৱা কাগজৰ টুকুৰা কিছুমানহে আছে । মোৰ সন্দেহ হ'ল । তাতনো সেইবোৰ কিহৰ কাগজ জানিবলৈ মোৰ কৌতূহল হ'ল । সেই ৰহস্যময় সঞ্চিত সম্পত্তিপদ নো কি বস্তু জানিবই লাগিব বুলি মই ঠিক কৰিলোঁ । এদিন ৰাতি, তাই আৰু দেউতাৰ ওপৰ মহলত থকাৰ



সুযোগতে, মই মোৰ ঘৰৰ চাবিজোটৰ মাজত বিচাৰি ড্ৰয়াৰৰ তলাটো খুলিব পৰা চাবি এটা পালোঁ । সেইটোৰে ড্ৰয়াৰটো খুলি সমস্ত কাগজপত্ৰ তাৰ পৰা উলিয়াই মোৰ হলৌ চোলাৰ মাজত লৈ, পিচত লাহে ধীৰে পঢ়ি চাম বুলি মোৰ কোঠালৈ লৈ গলোঁ ।

সন্দেহ মোৰ হৈছিলেই, তথাপি কাগজবোৰ পঢ়ি চাই মই আচৰিত হলোঁ । সেইবোৰ আছিল চিঠি । প্ৰায় প্ৰতিদিনে লিণ্টনে তাইৰ চিঠিৰ উত্তৰত লিখা চিঠি । আগৰ তাৰিখবোৰ চুটি চুটি, আৰু যেন ভয়ে ভয়ে লিখা । পিচৰ তাৰিখবোৰ দীঘল দীঘল, একেবাৰে মুকলি প্ৰেম পত্ৰ । লেখকৰ বয়সৰ অনুপাতে সেইবোৰত অলীক ভাব কল্পনাৰ প্ৰকাশ অনেক । কিন্তু অ'ত ত'ত এনেবোৰ ভাব চিন্তা ফুটি উঠিছে যে সেইবোৰ কোনো অধিক অভিজ্ঞ মনবাহে সৃষ্টি বুলি সহজেই বুজিব পাৰি । সেইবোৰ পঢ়ি কেথি সন্তুষ্ট হৈছিল নে নাই নাজানোঁ, কিন্তু মোৰ বাবে সেই সোপা আছিল পেলনীয়া আবৰ্জনা মাথোন ।

যিমানবোৰ চিঠি পাবোঁ পঢ়ি অতাই মই আটাইবোৰ হাঁচতি এখনত বান্ধি একাষৰীয়াকৈ থৈ খালি ড্ৰয়াৰটো আকৌ বন্ধ কৰি থলোঁ ।

অভ্যাস অনুসৰি সেইদিনাও পুৱাতে উঠি কেথেৰিণ পাকঘৰৰ ওচৰ পালেগৈ । মই তাইনো কি কৰে চাই আছোঁ । এনেতে দেখোঁ এটা সৰু ল'ৰা আগবাঢ়ি আহিছে আৰু তায়ো দুৱাৰমুখলৈ আগবাঢ়ি গৈছে । গোৱালনী ছোৱালীজনীয়ে তাৰ ঘটিটোত গাখীৰখিনি ভৰাই দিয়াৰ চেগতে, কেথিয়ে ল'ৰাটোৰ জেপত কিবা এটা ভৰাই দিলে আৰু জেপৰ পৰা কিবা এটা উলিয়ায়ো ললে ।

মই তাই নেদেখাকৈ বাগানৰ বাটেদি গৈ ল'ৰাটো ঘূৰি যোৱালৈ খাঁপ পিটি বৈ থাকিলোঁ । সি ওচৰ চাপিলত মই তাৰ জেপৰ পৰা বস্তুটো কাঢ়ি লব খুজিলোঁ । সি নেৰে, যিমান পাৰে যত্ন কৰিছে বস্তুটো লৈ আঁতৰিবলৈ । টনা আঁজোৰাত ঢোলোকনি খাই গাখীৰ আমাৰ গাত পৰিল । মই পিচে তাৰপৰা চিঠিখন উলিয়াই ল'ব পাৰিলোঁ, আৰু তৎক্ষণাত ঘৰলৈ ঘূৰি নগলে ভাল নহ'ব বুলি ধমকী দি তাক নবালবিকৈ আঁতৰাই পঠিয়ালোঁ, আৰু বাগানৰ সীমাৰ বেৰৰ দাঁতিত গা ঢকা দি প্ৰেমপত্ৰখন পঢ়িলোঁ । লিণ্টনৰ চিঠিতকৈ তাইৰ চিঠি বেচি খোলা মনৰ আৰু ভাবো অধিক স্বতঃস্ফূৰ্ত । হলেও সামান্য ভাব, তুচ্ছ কথা ।

ল'ৰা-ছোৱালীহালৰ কথাকে ভাবি গুণি মই ঘৰৰ ভিতৰ সোমালোঁ । সেইদিনা বতৰ ডাৱৰীয়া, টিপ টিপকৈ বৰষুণ দি আছিল । গতিকে কেথিৰ বাবে বাহিৰলৈ ওলাই এচুকত বহি কিতাপ মেলি লোৱাৰ সুবিধা নাছিল । সেইবাবে পুৱাৰ পঢ়াশুনা শেষ কৰি তাই ড্ৰয়াৰটোৰ ওচৰলৈকে আগবাঢ়িলে । তাতেই যেন তাই শান্তি বিচাৰি পাব । ওচৰৰ মেজত বহি পিতাকে পঢ়ি আছিল । মযো কিবা এটা কৰাৰ ভাও ধৰি কোঠালৈ সোমাই গলোঁ । ফাটি থকা পৰ্দা এখনৰ মুৰটো সীৱলৈ লোৱা যেন দেখুৱাই মই তাইনো কি কৰে তাকে আঁৰ চকুৰে চাই থাকিলোঁ ।

বাহত সৰু সৰু পোৱালী এগাল এৰি থৈ আহাৰ বিচাৰি উৰি যোৱা চৰাই একনীয়ে

ঘূৰি আহি যদি দেখে যে তাইৰ বাহ লণ্ডভণ্ড কৰি থোৱা আছে, পোৱালী কেইটা তাত নাই, তেন্তে তাইৰ চেকচেকনি আৰু অ'ত উৰি ত'ত পৰি কৰা আৰ্তনাদ কিমান হতাশাজনক হয় তাৰ অভিজ্ঞতা আপোনাৰ আছে নিশ্চয়, লকউদ মহাশয় । ত্ৰয়াবটো খালি দেখা পাই 'উস্' বুলি যি এবাৰ মাত্ৰ হিয়াভগা মাত কেথিয়ে মাতিলে, সেইষাৰ মাত বাহভগা, পোৱালী চুৰি হোৱা চৰাই জনীৰ চিচিয়নীতকৈ কম বেদনাক্লিষ্ট নাছিল । লগে লগে তাইৰ খহিয়াল মুখখনো ক'লা পৰি গ'ল । তাইৰ 'উস্' মাৰ শুনি পিতাকেও মূৰ তুলি চালে । তেওঁ তাইক সুধিলে,

'কি হ'ল অ', আইজনী ? কৰবাত দুখ পালি নে কি ?' তেওঁৰ দৃষ্টি আৰু প্ৰশ্নৰ সুৰটোত ফুটি উঠা ভাবৰ পৰা কেথি আশ্বস্ত হ'ল যে চিঠি সোপা পিতাকৰ হাতত পৰা নাই ।

'একো হোৱা নাই পিতা,' তাই সেপচুকি উত্তৰ দিলে ।

'এলেন, এলেন, ওপৰ মহলালৈ আহচোন । মোৰ গাটো ভাল লগা নাই ।'

মই তাইৰ কথামতে পিচে পিচে গলোঁ ।

মই ওচৰ চাপিলত তাই মোৰ ওচৰত আঠু কাঢ়ি লৈ ক'লে, "এলেন, তই নিছ । মোক ঘূৰাই দে । আগলৈ আৰু কেতিয়াও মই এনে কাম নকৰোঁ । পিতাক নকবি । ইতিমধ্যে কৈছ নে কি ? ক, কোৱা নাই বুলি ক । মই বৰ দুষ্ট হৈছোঁ, মই স্বীকাৰ কৰিছোঁ । আগলৈ আৰু এনে কাম নকৰোঁ।'

অত্যন্ত গহীন সুৰত মই তাইক থিয় হ'বলৈ কলোঁ । মই আৰম্ভ কৰিলোঁ, 'তাৰ মানে আইটি, তুমি বহুত আগবাঢ়ি গলা । তোমাৰ লাজ লাগিব লাগিছিল । আজৰি সময়ত এই ৰাবৰ জোখৰ সোপাকে পঢ়ি থাকাঁ, নহয় ? এই সোপা দেখোঁ ছপা কৰি কৰিব পাৰা ? এই পৰ্যন্ত মই তেওঁক এইবোৰ দেখুওৱা নাই, কিন্তু তোমাৰ এই গোপন কাহিনী মই সদৰি কৰি নিদিম বুলি নাভাবিবা । ছিঃ ! ছিঃ ! তুমিয়েই এই বলিয়ালি আৰম্ভ কৰিছা, নহয় । সি এনেবোৰ কাৰ্য আৰম্ভ কৰাৰ কথা ভাবিব পাৰে বুলি মোৰ বিশ্বাসেই নহয় ।'

ফেঁকুৰি ফেঁকুৰি কেথিয়ে ক'লে, 'মই আৰম্ভ কৰা নাছিলোঁ । মই আৰম্ভ কৰা নাছিলোঁ ।' ইমানকৈ তাই উচুপিছিল যেন তাইৰ অন্তৰ ভাগিহে যাব । 'মই তাক ভাল পোৱাৰ কথা এবাৰো ভবা নাছিলোঁ যেতিয়ালৈকে ...'

"ভালপোৱা ?" যিমান পাৰি সিমান তাচ্ছিল্যৰ সুৰত মই কথাষাৰ উচ্চাৰণ কৰিলোঁ । "ভালপোৱা ? কোনোবাই কেতিয়াবা এনে কথা শুনিছে ? কিয়, তেন্তে বছৰেকত এবাৰকৈ আমাৰ যেহু নিবলৈ অহা সেই যেহু বনা কলৰ মালিকটোক বিয়া কৰোৱাৰ কথাওটোন মই কব পাৰোঁ । ভাল পোৱাৰ কথা কৈছা । তোমাৰ জীৱনত লিণ্টনক তুমি মাত্ৰ দুবাৰ লগ পাইছা, আৰু সেই দুবাৰত ঘণ্টাৰ লেখত চাৰিঘণ্টা সময়ো হয় কি নহয় । তোমাৰ আবোল তাবোলৰ আবৰ্জনা সোপা ইয়াতে



আছে । মই পঢ়া কোঠালৈ লৈ যাওঁ বৰা । এনেকুৱা 'প্ৰেম'ৰ বিষয়ে পিতাৰেনো কি কয় শুনা যাওঁক ।"

তাই সেই মহামূল্যবান চিঠি সোপা মোৰ হাতৰ পৰা থপিয়াবলৈ চালে । মই মূৰৰ ওপৰলৈ গোটেই গাঁঠটো তুলি ধৰিলোঁ । তেতিয়া যে তাইৰ কি আকুতি বিকুতি । মই লাগে চিঠিবোৰ পুৰিয়েই পেলাওঁ, কিন্তু পিতাকক যেন নেদেখুৱাওঁ । মই আচলতে কথাটোত বেচি গুৰুত্ব দিয়া নাছিলোঁ, ছোৱালী মানুহৰ মনৰ অলীক কল্পনা বুলিয়েই তাক গণ্য কৰিছিলোঁ । তাইক দাবী ধমকী নিদি গোটেই কথাটো মই হাঁহি হাঁহি উকৰাই দিবও পাৰোঁ । সেইবাবে মই শেহাত্তৰত অলপ ঢিলাই দি তাইক সুধিলোঁ, 'মই যদি এই সোপা পুৰি পেলাওঁ, তেন্তে তুমি তালৈ আকৌ চিঠি নিলিখা আৰু তাৰ চিঠি নাৰাখা, আৰু কোনো কিতাপৰ আদান প্ৰদানো নকৰা বুলি মোক কথা দিবানে ? মইতো দেখিছোঁ, তোমালোকে কোনো খেল ধেমালিৰ বস্তুৰ আদান প্ৰদান কৰা নাই ।'

'খেলধেমালিৰ বস্তু আমি আদান প্ৰদান নকৰোঁ', তাই অহংকাৰেৰে ক'লে । খন্তেকলৈ তাইৰ লাজ যেন তল পৰিল ।

'তেন্তে আন একো বস্তুৱো দিয়া-অনা নকৰিবা । আৰু নকৰা বুলি যদি নোকোৱা, তেন্তে চোঁৱা, এয়া মই ওলালোঁ ।'

তাই মোৰ সাজ পাৰত থাপ মাৰি ধৰি ক'লে, 'মই প্ৰতিজ্ঞা কৰিছোঁ, এলেন । মই নকৰোঁ । সেই সোপা জুইত দি দে, জুইত দি দে ।'

জুহালৰ জুইত চিঠিবোৰ পুৰি পেলাবলৈ মই আগবাঢ়িলত, তাই যেন কথাটো সহ্য কৰিব নোৱাৰিলে । তাই মোক বৰকৈ কাবোঁ কোকালি কৰি দুই এখন ৰাখিবলৈ খিচাৰিলে ।

'দুই এখন ? কিয় ? লিণ্টনৰ কথা মনত পেলাবলৈ ?' হাঁচতিখনৰ গাঁঠি খুলি মই এটা মূৰ জুইৰ ওচৰত ধৰিলোঁ, এখন এখনকৈ চিঠি জুইত পৰিল, আৰু জুই দপদপাই জ্বলি উঠিল ।

'এই এখন ৰাখিমেই ।' এই বুলি কৈ তাই জ্বলি থকা জুইত হাত ভৰাই দি আধাপোৰা কেইখনমান চিঠি উলিয়াই আনিলে । তাকে কৰোঁতে তাইৰ আঙুলি পুৰিলে ।

তাই চিংকাৰ কৰি ক'লে, "এই হিয়াহীনা মৰতীজনী । মই এখন ৰাখিমেই ।' এই

'হব বাৰু,' মই কলোঁ । 'পিতাৰাক দেখুৱাবলৈ ময়ো কেইখনমান ৰাখিম', আৰু লগে লগে বাকী থকাবোৰ আকৌ মুঠা কৰি হাঁচতিত ভৰালোঁ আৰু দুৱাৰ মুখৰ পিনে যাবলৈ ধৰা যেন কৰি দেখুৱালোঁ ।

লগে লগে তাই আধা পোৰা চিঠিৰ টুকুৰাবোৰ জুইত পেলাই দিলে, আৰু মোকো অগ্নি সংস্কাৰ কাৰ্য্য সামাধা কৰিবলৈ ক'লে । বাকী থকা চিঠিবোৰ মই জুইত সপি দিলোঁ । আটাইবোৰ পুৰি ছাই হৈ গ'ল, আৰু তাই বৰ দুখ মনেৰে নিজৰ কোঠাত সোমালগৈ । মই গৈ গৃহস্বামীক ক'লোঁগৈ যে জীয়েকৰ গা বেয়া যেন লগাৰ ভাবটো

প্ৰায় আঁতৰিলেই, কিন্তু তাই অলপপৰ নিতাল মাৰি শুই থকা ভাল হ'ব ।

তাই দুপৰীয়া ভাত খাবলৈ নুঠিলে । কিন্তু আবেলি চাহ খোৱাৰ পৰত কোঠাৰ পৰা ওলাই আহিল । মুখ বিবৰ্ণ । চকু ৰঙা পৰা । বাহিৰত দেখাত আচৰিত ধৰণে শান্ত ।

পিচদিনা, লিণ্টনে পঠোৱা চিঠিৰ প্ৰত্যুত্তৰত মই লিখিলোঁ, 'শ্ৰীমান হিথক্লিফে বোপাক লিণ্টন আইটিলৈ চিঠি নিদিবলৈ অনুৰোধ কৰা হ'ল । দিলেও তেওঁ সেই চিঠি নাবাখিব ।' তেতিয়াৰ পৰা গাৰ্ডীৰ নিবলৈ অহা ল'ৰাটোও খালি হাতেপেৰেই অহা হ'ল ।

# ২২

গ্ৰীষ্মকাল শেষ হ'ল । শৰতকাল পালেহি । সাধু মাইকেলৰ জন্ম তিথি (২৯ ছেপ্তেম্বৰ) কেতিয়াবাই পাৰ হৈ গ'ল । পিচে সেই বছৰ লখিমী চপোৱা পলম হৈছিল । কিছুমান পথাৰ তেতিয়াও দাবলৈকে আছিল ।

মিঃ লিণ্টনে জীয়েকক লগত লৈ প্ৰায়ে পথাৰৰ শস্য চপোৱা মুনিহ-তিৰোতাবোৰৰ মাজত ফুৰিবলৈ যায় । শস্য চপোৱা শেষ হোৱা সময়লৈ তেওঁলোক সচৰাচৰ আন্ধাৰ হোৱালৈকে পথাৰত থাকে । সন্ধিয়া পৰত জাৰ পৰে, বতৰটোও সেমেকা হয় । গতিকে মোৰ গৃহস্বামীৰ পানী লাগিলে আৰু এদিন দুদিনকৈ গৈ পানীলগা নেৰাই হ'ল । শেহত পানীলগা কলিজাত বহিলগৈ । ফলত জাৰকালিৰ সৰহখিনি দিন তেওঁ ভিতৰতে সোমাই থাকিব লগা হ'ল, বাহিৰলৈ ওলোৱা তেওঁৰ তেনেকৈ নহলেই ।

পীৰিতিৰ প্ৰথম ৰাগিনীতে বাধা পাই বেচেৰী কেথি ভয় আৰু বেদনাত বৰকৈ বিমৰিষ আৰু বিৰসবদনা হৈ পৰিছিল । পিতাকে তাইক পঢ়াশুনা কমাকৈ কৰিবলৈ, আৰু তাৰ ঠাইত বেচিকৈ শাৰীৰিক ব্যায়াম আদি কৰিবলৈ কৈছিল । তাই তেওঁৰ লগ আৰু একেবাৰে নোপোৱা হ'ল । তেওঁৰ ঠাই যথাসম্ভৱ ময়ে পূৰাবলৈ চালোঁ । এনে কৰাটো মই মোৰ কৰ্ত্তব্য বুলি বিবেচনা কৰিছিলোঁ । পিচে মই সৰহপৰ তাইক লগ দিব নোৱাৰোঁ, দুই তিনি ঘণ্টা মানহে পাৰোঁ, কাৰণ মোৰ দৈনন্দিন কৰ্ত্তব্য কাম সোপা থাকেই । তদুপৰি, দেখদেখকৈয়ে মোৰ লগ তাইৰ বাবে পিতাকৰ লগৰ সমান বাঞ্ছনীয় নাছিল ।

অক্টোবৰ মাহৰ শেহৰ পিনে কি নবেম্বৰ মাহৰ আদিতে কোনো এটা দিনৰ কথা । আবেলি সময় । নতুনকৈ কিনকিনিয়া বৰফ পৰিছিল । বাট পথবোৰ গছৰ পাতেৰে ওপচা, পিছল, আৰু চেঁচা । আকাশ আধা আধি মেঘে ঢকা । ক'লা, ওন্দোলোৱা পছোৱা মেঘ— যেন বৰষুণ এই পৰে পৰে । সোনকালেই ধাৰাসাৰে বৰষুণ দিব বুলি মই খাটাংকৈ বুজিছিলোঁ । সেইবাবে মই কেথি আইটিক সেই দিনালৈ ফুৰিবলৈ ওলাব নালাগে বুলি কৈছিলোঁ । কিন্তু তাই মোৰ কথা নুশুনিলে । অগত্যা অনিচ্ছা সত্বেও মই পানীকোট এটা পিন্ধি আৰু হাতত ছাতিটো লৈ তাইৰ লগত ওলালোঁ । প্ৰথমতে কথা আছিল বাগানৰ মূৰলৈকে যোৱাৰ । মনচন ভাল নাথাকিলে তেওঁ ফুৰাৰ নিয়মটো কৰিয়েই সামৰি থৈছিল । এডগাৰৰ গা ভালে নথকা বাবে কেথিৰ মন সদায়েই বিমৰ্ষ হৈ আছিল । এডগাৰো যে অস্বাভাৱিক বিমৰ্ষহৈ পৰিছিল সেই কথা তেওঁৰ

ক্ৰমাগতভাৱে বাঢ়ি যোৱা নীৰৱতা আৰু বেজেৰুৱা মুখখনৰ পৰাই বুজা গৈছিল। মতো বুজিছিলোঁ, কেথিয়েও বুজিছিল।

তাই বেজাৰ মনেৰে আগবাঢ়িছিল। আগৰ দৰে আজিকালি তাই লৰি ঢাপৰি বা জঁপিয়াই নাযায়। সেইদিনা কিন্তু শীতল বতাহ বলি থকা সত্ত্বেও তাইৰ খোজ ধীৰ আৰু মন্থৰ হৈয়ে আছিল। তাই মাজে মাজে হাতটো চকুৰ ওচৰলৈ তুলি, গাল দুখন মোহাৰি পেলোৱা মোৰ চকুত পৰিছিল। তাই গোপনে চকুলো টুকিছিল।

তাইৰ মনটো বেলেগ চিন্তালৈ ঢাল খুওৱাৰ মই উপায় বিচাৰিছিলোঁ। ৰাস্তাটোৰ এলাঁতিয়েদি এটা থিয় গড়া, ওখোৰা মোখোৰা। তাতে কাঁইটীয়া হেজেল আৰু বাওনা জাতৰ ওক গছৰ পাতলীয়া জংগল। ওক গছবোৰৰ শিপাবোৰ প্ৰায়ে আধা আধি ওলায়েই আছিল। উঘালিয়েই পৰিব নে বৈ থাকিব ক'বলৈকে টান হয়। মাটিবোৰ ঢিলা, শিপাবোৰে ভালদৰে খামুচি ধৰিবলৈ সুচল নাপায়। ধুমুহা বতাহত কিছুমান গছ ইতিমধ্যেই একতীয়া হৈ পৰি গৈছিলেই। গ্ৰীষ্ম কালত কেথি আহিটিয়ে এইবোৰতে উঠি, জঁপিয়াই স্ফূৰ্তি কৰিছিল। ডালে পাতে বগায়, গছৰ মূৰ লৈ বাই আনি আকৌ নিজৰ সৈতে জিলাই দিয়ে— চাতকৈ মাটিৰ পৰা কুৰি ফুটমান ওপৰ পায়গৈ। একপ্ৰকাৰৰ দোলনা খেলা। তাইৰ এনেকুৱা চটফটীয়া আৰু স্ফূৰ্তিবাজ লৰালি স্বভাৱ দেখি মই ভালেই পাইছিলোঁ। তথাপিতো ওখ ডালত বগোৱা দেখিলেই মই তাইক গালি পাৰিছিলোঁ। পিছে মোৰ গালি পৰাৰ সুৰটোৰ পৰা তাই ততাতৈয়াকৈ নামি নাহিলেও হ'ব বুলি ভালকৈ বুজি পাইছিল। দুপৰীয়াৰ সাজ খোৱাৰ পৰা আবেলি চাহ খোৱাৰ পৰলৈকে তাই দোলনাখনত বতাহত দুলি দুলি পুৰণা নিচুকনী গীত, লৰা ওমোলোৱা গীত আদি অকলে অকলে গাই গাই কটায়। মোৰ পৰা শিকা গীত সেইবোৰ। নহলে চৰাই চায়। সেই খিনিতে চৰাইৰ বাহো বহুত আছিল। চৰাই বহি থাকে— কিবা হয়তো ভাবে, হয়তো কিহবাৰ সপোন দেখে— আলাসত চাং পাতে। মুঠতে তাই তেতিয়া আছিল এজনী বাংগালী পটি গাভৰু। সুখী— কিমান সুখী কথাৰে বুজাব নোৱাৰি।

এজোপা মোচৰ খাই থকা গছৰ শিপাৰ তলৰ কোণা এটালৈ দেখুৱাই মই কলোঁ, ''চোৱা আইটি, আজকালি এতিয়াও লৌ হয় অথোন। সৌ তাত সৰু ফুলটো দেখিছানে? তেনেকুৱা বহুত নীলা নীলা ফুলে গ্ৰীষ্মকালি এই ডোখৰ ঠাই একেবাৰে দলিচাৰ দৰে কৰি ৰাখিছিল। অলপ বগুৱাবাই যোৱাচোন, ফুলটো আনি পিতাৰাক দেখুৱালে তেখেতে ভাল পাব।''

অকলশৰে থুলি থকা ফুলটো কেথিয়ে অপলক দৃষ্টিৰে চাই থাকি শেহত ক'লে 'নাই, নিচিডো, ফুলপাহ দেখাত বিষণ্ণ যেন লাগে। নালাগেনে বাৰু, এলেন ?'

'লাগে, কিয় নালাগে। যেন তোমাৰদৰেই লঘোণীয়া আৰু বিবৰ্ণ চেহেৰাৰ। তোমাৰ গাল দুখনো শেঁতা। এতিয়া হাতত ধৰাধৰিকৈ দুয়ো লৰ দিওঁ বলা। তোমাৰ গতি লেহেম যেতিয়া মই তোমাৰ সৈতে সমানে পাৰিম। বলা।'



'নালাগে', তাই উত্তৰত ক'লে, আৰু লাহে ধীৰে হৃফাল সিফাল কৰিয়েই থাকিল। মাজতে তাই একোবাৰ বয়, ক'ৰবাত এখোপা শেলুৱৈ, ক'ৰবাত বা আক' বগা পৰা এখোপা ঘাঁহকে চায়। ক'ৰবাত আক' মুগা পৰা পাতৰ দমৰ ওপৰত গজি থকা সুমথিৰা বৰণীয়া ভেকুলী ছাতি একোটাকে তাই মনোযোগ দি চাবলৈ লয়। মাজে মাজে তাই মুখখন মোৰ পৰা ঘূৰাই লয়, আৰু হাতেৰে মচে। তাই যে চকুলো মচিছিল মই ধৰিব পাৰিছিলোঁ।

তাইৰ ওচৰ চাপি কান্ধত হাতখন থৈ মই মৰমেৰে সুধিলোঁ, 'কেথেৰিণ আইজনী, তুমি কান্দিছা কিয় ? পিতাৰাৰ পানী লাগিছে বুলিয়েই তুমি কন্দাকটা কৰিব লাগেনে ? পানী লগাহে, আন একো নহয় নহয়। সেয়ে ভাগ্যৰ কথা।'

এইবাৰ আৰু তাই চকুলো সামৰিবলৈ কোনো যত্নকে নকৰিলে। উচুপনিত তাইৰ উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। 'ওহো, পানী লগাতকৈ বেয়া কিবা এটা নিশ্চয় হ'ব', তাই ক'লে। 'তই আৰু পিতাই মোক অকলশৰীয়া কৰি থৈ যোৱাৰ পিচত মই কি কৰিম ? তই কোৱা কথা কেইটা মই পাহৰা নাই, এলেন। সদায় মোৰ মনত আছে। তই আৰু পিতা নোহোৱা হ'লে সংসাৰখন যে কিমান শুকান শুকান লাগিব, জীৱনটো যে কিমান সলনি হৈ নাযাব!'

মই উত্তৰত কলোঁ, 'তুমি যে আমাতকৈ আগতে নমৰিবা, সেই কথানো কোনে ক'ব পাৰে ? অমংগলীয়া কিবা এটা ঘটিব বুলি আগৰে পৰা চিন্তা কৰি থকাটো ভাল কথা নহয়। আমাৰ কোনোবা এজন যোৱাৰ আগতে আমাৰ অটাইৰে আৰু বহুবছৰ পৰমায়ু আছে বুলিয়েই আমি ভাবি থাকিম। পিতাৰা ডেকা মানুহ, মোৰো গাত বল শক্তি অটুট আছে, আৰু বয়সো মোৰ দুকুৰি পাঁচ পূৰাকৈ হোৱা নাই। মোৰ আই চাৰিকুৰি বছৰলৈকে জীয়াই আছিল। শেহলৈকে বেচ ওজস্বীয়া হৈয়ে আছিল। আৰু ধৰি লোৱা পিতাৰা তিনিকুৰি বছৰলৈকে থাকিলে— তেতিয়াওচোন তেওঁ তোমাৰ লেখতকৈ বেচি বছৰ জীয়াই থাকিল। কিবা এটা অঘটন ঘটাৰ কুৰি বছৰ পূৰ্বেই তাৰ কাৰণে শোক কৰাটো মূৰ্খামি নহয় নে ?'

ভীতিবিহ্বল প্ৰত্যাশাৰে আৰু যেন অধিক প্ৰবোধ বিচাৰি তাই মোলৈ চাই ক'লে, ''ইজাবেলা পেহী দেখোন পিতাতকৈ সৰু আছিল ?''

মই উত্তৰত কলোঁ, 'ইজাবেলা পেহীয়াৰাক সেৱা শুশ্ৰূষা কৰিবলৈ লগত তুমি মই নাছিলোঁ নহয়। তেওঁতো পিতাৰাৰ সমান সুখী নাছিল। তুমি এতিয়া কৰিবলগীয়াৰ ভিতৰত এটা কথাই জৰুৰী— পিতাৰাক ভালকৈ চোৱাচিতা কৰা, আৰু নিজে ৰংমনে থাকা। তোমাক ৰঙিয়াল মনে থকা দেখিলে তেওঁ আনন্দমনেৰে থাকিব। আৰু এটা কথা: কোনো কাৰণতেই তেওঁৰ মনত চিন্তাৰ বোজা নিদিবা। এইটো কথা বিশেষকৈ মনত ৰাখিবা। মই কথাৰ লুকঢাক কৰিব খোজা নাই, কিন্তু তুমি যদি গুৰু গোঁসাই নমনা হৈ বেপৰোৱা ভাবে চলিবলৈ লোৱা, তেন্তে তুমিয়েই তেওঁৰ মৃত্যুৰ কাৰণ হবা। তেওঁ মৰিলেই যিটো মানুহে ভাল পায়, তেনে এটা মানুহৰ পুতেক এটাৰ বাবেই

তোমাৰ মনপ্ৰাণ যদি উচ্ছাটন হ'বলৈ দিয়া তেন্তে তাৰ পৰিণাম কি হ'ব পাৰে ভাবি চাবা । পিতাৰে বহুত ভাবি গুণি চাই হিথক্লিফৰ লবাৰ লগত তোমাৰ যোগাযোগ নথকাই উচিত হ'ব বুলি ঠিক কৰিছিল আৰু সেইমতেই ব্যৱস্থাও লৈছিল । কিন্তু তাৰ বাবেই তুমি এতিয়া তেওঁৰ ওপৰত উষ্মা প্ৰকাশ কৰিছা বুলি যদি তেওঁ কেনেবাকৈ ভু পায়, তেন্তে ফল ভাল নহ'ব বুলি জানিবা ।'

'পিতাৰ অসুখৰ বাহিৰে সংসাৰত আন একো কথাৰ বাবেই মোৰ মনে এতিয়া ইচাট বিচাট নকৰে' কেথেৰিণে ক'লে । 'পিতাৰ তুলনাত মোৰ বাবে আন যি কোনো কথাই তুচ্ছ । মোৰ গাত [illegible] থাকে মানে, তেওঁক অশান্তি দিয়া কোনো কাম কেতিয়াও নকৰোঁ, তেওঁৰ মনত কষ্ট দিয়া এটা শব্দও মুখেৰে উচ্চাৰণ নকৰোঁ । পিতাক মই নিজতকৈয়ো ভাল পাওঁ, এলেন । ইয়াৰ প্ৰমাণো দিব পাৰোঁ । প্ৰতি নিশা মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ যেন মই পিতাতকৈ পিচত মৰোঁ । কাৰণ মই আগতে গলে পিতাই যি মনোবেদনা পাব সেই বেদনা তেওঁ পোৱাটো মই কল্পনা কৰিবও নোৱাৰোঁ । তেওঁ কষ্ট ভোগাতকৈ মইহে ভুগিম— এইটোৱেই মোৰ প্ৰাৰ্থনা । ইয়াৰ পৰাই বুজিবি তেওঁক মই নিজতকৈ বেচি ভাল পাওঁ ।'

মই উত্তৰত কলোঁ, 'সত্য কথা । পিচে কামতহে কথাৰ প্ৰমাণ হ'ব দেই । আৰু এটা কথা মনত ৰাখিবা ঃ তেওঁ ভাল হোৱাৰ পিচত, এই ভয়ৰ মুহূৰ্তত কৰা তোমাৰ সংকল্পবোৰ তুমি যাতে পাহৰি নোযোৱা ।'

কথা পাতি পাতি গৈ গৈ আমি এটা ঘৰ পালোঁগৈ । ঘৰটোৰ দুৱাৰখন ৰাস্তাৰ একেবাৰে কাষতে । সেইটো মুহূৰ্তত কেথেৰিণৰ মনটো হঠাতে ফৰকাল হৈ পৰিছিল । ঘৰটোৰ সীমাৰ দেৱালখনত তাই আপমানি উঠি বহি ললে । কাষতে এজোপা বগী জামুৰ গছ । ওপৰৰ ডালত কেইটামান জামু পকি মোক খা মোক খা কৈ আছে । ডাল কেইটাৰ ছাঁ ৰাস্তাত পৰে । তলৰ ডালবোৰত জামু নাছিল । ওপৰ ডালৰ কেইটা তলৰ পৰা হাত মেলিলে নাপায়, কিন্তু কেথেৰিণ উঠি থকাৰ পৰা পায় । সেই জামুকেইটা পাৰিবলৈ বুলি হাত মেলোতেই তাইৰ হেটটো মূৰৰ পৰা সৰি পৰিল । দুৱাৰখনত তলা মৰা আছিল । সেইবাবে তাই হেটটো বুটলি আনিবলৈ গছৰপৰা চুচৰি নামি গ'ল । মই তাইক কৰবাত পৰিব বুলি বাৰে বাৰে তলৰ পৰা সঁকিয়াই আছিলোঁ । অলপ পিচতে তাই বন্ধ দুৱাৰৰ সি পাৰে অদৃশ্য হ'ল ।

নামি গ'ল হয়, কিন্তু উঠি অহাটো সহজ নাছিল, কাৰণ বেৰখনৰ ভিতৰ ফালটো একেবাৰে নিমজ, তাত বগৰাবাই ওপৰলৈ উঠা নাযায় । ওচৰত থকা আন দুই এজোপা গছৰ ডালে পাতে ধৰি তাই উঠিবলৈ চালে, কিন্তু মিছা হ'ল, নোৱাৰিলে । এই কথাটো মোৰ মনত তেতিয়ালৈকে খেলোৱাই নাছিল । মই তলত তাইলৈ পৰ দি থাকোঁতেই ভিতৰফালৰ পৰা খিলখিলকৈ হাঁহি তাই মোক ক'লে, 'এলেন, তই চাবিটো বিচাৰি আনগৈ । নহ'লে মই চকিদাৰৰ ঘৰ বিচাৰি যাব লাগিব । এই ফালৰ পৰা বেৰ বগোৱা অসম্ভৱ ।'



মই উত্তৰত তাইক কলোঁ, 'যতে আছা তাতে থাকা । মোৰ হাতত এথোপা চাবি আছে । ইয়াৰে খুলিব পাৰি নে কি চাওঁচোন । নোৱাৰিলে মই যাম বাৰু ।'

দুৱাৰখনৰ ওচৰতে কেথেৰিণে জপিয়াই নাচিবাগি স্ফূৰ্তি কৰিবলৈ ললে । মই আটাইবোৰ চাবি এটা এটাকৈ লগাই চালোঁ । এটাৰেও দুৱাৰখন খোলা নগ'ল । সেইবাবে মই তাইক তাতে থাকিবলৈ আকৌ দঢ়াই দঢ়াই কৈ তলাটো খুলিব পৰা চাবিটো আনিবলৈ বুলি যিমান বেগাই পাৰি ঘৰলৈ যাবলৈ ওলাইছোঁ মাথোন, এনেতে কিবা এটা শব্দ মোৰ পিনে আগুৱাই অহা শুনি মই ৰৈ গলোঁ । শব্দটো আছিল ঘোঁৰাৰ খুৰাৰ । কেথিৰ নাচোন বন্ধ হ'ল । লগে লগে ঘোঁৰাও ওচৰ চাপিল । ঘোঁৰাটোও ৰৈ গ'ল ।

'সেয়া নো কোন ?' মই লাহেকৈ সুধিলোঁ ।

কেথেৰিণে চিন্তিত হৈ মাত লগালে, 'এলেন, দুৱাৰখন পাৰিলে খুলি দে ।'

গলগলীয়া মাতেৰে এজনে (অশ্বাৰোহীয়ে) ক'লে, 'এয়া লিণ্টন আইটি দেখোন । তোমাক ইয়াত পালোঁ ভালেই হ'ল । লৰালৰি নকৰিবা । মই তোমাক কথা এটা সুধিব লগা আছে ।'

কেথেৰিণে উত্তৰ দিলে, 'মিঃ হিথক্লিফ, মই তোমাৰ লগত কথা নাপাতোঁ । পিতাই তোমাক বেয়া মানুহ বুলি কৈছে । তুমি বোলে পিতাকো মোকো দুয়োকো ঘিণ কৰা । এলেনেও তাকেই কৈছে ।'

হিথক্লিফে মাত লগালে, 'আচল কথা সেইটো নহয় । মই ভবাত মোৰ ল'ৰাটোক মই ঘিণ নকৰোঁ, আৰু তাৰ কথাকে তোমাক মই ক'ব খুজিছোঁ । এ, লাজ কৰিছা দেখিছোঁ ! তুমি লাজ কৰিব লগা কথা আছে । দুই তিনি মাহৰ আগলৈকে তুমি লিণ্টনলৈ চিঠি দি আছিলা নহয় ? পীৰিতিৰ খেলা খেলিছিলা ? হয় নে নহয় ? তাৰ বাবে তোমালোক দুয়োটাক বেচমতে বেতাব লাগিছিল । বিশেষকৈ তোমাক । কাৰণ তুমি বয়সত তাতকৈ ডাঙৰ । দেখা গৈছে, দয়া মায়াও তোমাৰ কম । তুমি তালৈ লিখা চিঠিবোৰ মোৰ হাতত আছে, আৰু তুমি যদি মোক এতিয়া লাগবান্ধ নোহোৱা উত্তৰ দিয়া, গোটেই সোপা চিঠি মই পিতাৰাৰ হাতত পেলোৱাই দিম । মই ভবাত পীৰিতিৰ খেল খেলি তোমৰ আমনি লাগিল, আৰু সেইবাবে এৰি পেলালা । হয়নে নহয় বাৰু ? পিচে তাৰ লগত তুমি মোৰ ল'ৰা লিণ্টনকো নৈৰাশ্যৰ গভীৰ খাদত যে পেলাই দিলা তাৰ গম আছেনে ? সি সঁচাকৈ তোমাক ভাল পাইছিলে । সি তোমাৰ বাবে মৰি গৈছে । তোমাৰ প্ৰেমৰ চাতুৰীত তাৰ হিয়া ভাগি গৈছে । সঁচাকৈয়ে ভাগিছে, মই বহুৎ লগাই কোৱা নাই । কিমান সঁচা মোৰ কথা ? এই মুহূৰ্তত মই তোমাৰ আগত জীয়াই জীয়াই থিয় দি থকাটো যিমান সঁচা, তিমান সঁচা । ডেৰমাহ ধৰি হেয়াৰটনে তাক উপলুঙা কৰিছে, আৰু মই তাতোকৈ কঠোৰ ব্যৱস্থা লৈছোঁ, আৰু এই বলিয়ানিৰ পৰা তাক ৰক্ষা কৰিবলৈ কত কি যে ভাবুকি নিদিছোঁ, তথাপি তাৰ অৱস্থা দিনক দিনে

শোচনীয় হৈ হে যাব লাগিছে । তুমি তাক ৰক্ষা নকৰিলে, অহা গ্ৰীষ্ম কালৰ আগতে সি ধূলিত মিহলি হৈ যাব ।'

মই ভিতৰ যালৰ পৰা ক'লোঁ, 'বেচেৰী সৰু ছোৱালীজনীক এই যম ফাঁকি কথাবোৰ তই কেনেকৈ ক'ব পাৰিছ ? যোৱা মানুহ গুচি যা । ইমান মিছা কথা তই সাজিব পাৰিছ ? কেথি আইটি, মই শিলেৰে মৰিয়াই তলাটো ভাঙি পেলাম । তুমি তাৰ সেই বাবে ভচহ কথাবোৰ বিশ্বাস নকৰিবা। তুমি নিজৰ গাতে চিকুটি চোৱাচোন অপৰিচিত কাৰোবাৰ প্ৰেমত পৰি কোনোবা মৰিব পৰাটো কেনে অসম্ভৱ কথা ।'

হিথ্‌ক্লিফ দুৰ্জনটোৱে ডাঙৰকৈ মাত লগালে, 'ওচৰতে যে চুটকীয়া কোনোবা বৈ আছে মই জনাই নাছিলোঁ । মিচেচ ডীন, মোৰ গুণৱতী আইদেউ, তোক মোৰ ভাল লাগে, পিচে তোৰ এই ইলুটি সিলুটি কথাবোৰ মই ভাল নাপাওঁ । তোৰ এই 'বেচেৰী ছোৱালীজনী'ক মই ঘিণ কৰোঁ বুলি ইমান গেৰেকটি ফাঁকি কথা এটা তই বাৰু কেনেকৈ ক'ব পাৰিলি ? তদুপৰি তাইক এনে কিছুমান মনে সজা কথা কলি যে তাই মোৰ দুৱাৰ মুখকে নগচকা হ'ল । কেথেৰিণ লিণ্টন (নামটো মনত পৰিলেই মোৰ ভাল লাগে) আইটি জনী, এই সপ্তাহ মই ঘৰত নাথাকোঁ । মই সঁচা কৈছোঁ নে মিছা কৈছোঁ চাবগৈ । যাবা সেই, নিজে চাবাগৈ, ভাল ছোৱালী । তোমাৰ পিতাৰাক মোৰ ঠাইত আৰু লিণ্টনক তোমাৰ ঠাইত কল্পনা কৰি চোৱাচোন । তেতিয়াহে বুজি পাবা, পিতাৰে কাৰো কোকালি কৰি থাকিলেও তোমাৰ প্ৰতি নিৰ্বিকাৰ হৈ থকা তোমাৰ প্ৰেমিকে তোমাৰ বাবে যদি খোজ এটাও নললায়, তেন্তে তুমি কেনে পাবা ? মূৰ্খামি কৰি তুমিও একেটা ভুলকে নকৰিবা । মই শপত খাই কৈছোঁ— মিছা হলে নৰকেই মোৰ গতি হওঁক— লিণ্টন মৰিবলৈ ওলাইছে, আৰু তোমাৰ বাদে আন কোনেও তাক বচাব নোৱাৰে ।'

তলাটো খোল খালে, মই ওলাই আহিলোঁ ।

মোলৈ কঠোৰ দৃষ্টিৰে চাই হিথ্‌ক্লিফে আকৌ ক'লে, 'মই শপত খাই কৈছোঁ, লিণ্টন মৃত্যুৰ পথত । বেদনা আৰু হতাশাই তাৰ মৃত্যু ওচৰ চপাই আনিছে । নেলী, তই তাইক যাবলৈ যদি নিদিয়, তই নিজে যাব পাৰ । মই পিচে অহা সপ্তাহৰ আজিৰ এই সময়লৈকে আঁতৰি থাকিম । মই ভবাত তোৰ গৃহস্বামীয়েও জীয়েকক তেওঁৰ ভাগিনীয়েকৰ ওচৰলৈ অহাত আপত্তি নকৰিব ।'

ভীতি বিহ্বল চকুৰে হিথ্‌ক্লিফলৈ চাই কেথেৰিণ বৈ যাব খুজিছিল । সেইবাবে মই তাইৰ কান্ধত ধৰি প্ৰায় টোঁচোৰাই নিয়াদি তাইক আৰু ভিতৰলৈ সুমুৱাই নিলোঁ । হিথ্‌ক্লিফৰ বাহ্যিক কঠোৰতাত তাৰ গোপন শঠতাৰ প্ৰমাণ পাব পৰা নগৈছিল ।

সি তাৰ ঘোঁৰাটো আৰু ওচৰ চপাই নিলে, আৰু তলমূৰৈ কৈ গ'ল :

'কেথেৰিণ আইটি, লিণ্টনক যে মই সহ্য কৰিব নোৱাৰোঁ সেই কথা মই তোমাৰ পৰা লুকুৱাব খোজা নাই । হেয়াৰটন আৰু জোজেফে যে মোৰ সমান কণো সহ নকৰে। সঁচা কথা, সি নিৰ্দয় মানুহ কেইটামানৰ মাজত থাকিব লগা হৈছে । সি



সহানুভূতি আৰু প্ৰেম বিচাৰে । তোমাৰ পৰা মৰমৰ মাত এষাৰেই তাৰ বাবে অব্যৰ্থ মহৌষধ হ'ব । মিচেছ ডীনৰ নিষ্ঠুৰ সকীয়নিবোৰলৈ কাণ নিদিবা । অলপ দয়াপৰৱশ হোৱা, আৰু তাক কেনেকৈ লগ ধৰিব পাৰা চোঁৱা । দিনে নিশাই সি তোমাৰে সপোন দেখি থাকে । তুমি নোযোৱাও, তালৈ চিঠিও নিলিখা । সেইবাবে সি ভাবি লৈছে তুমি তাক ঘিণ কৰা । তাৰ ধাৰণাটো যে ভুল সেই কথা তাক বুজাব নোৱাৰি ।'

মই দুৱাৰখন জপাই দিলোঁ আৰু দুৱাৰখন খোলখাই নাযাবলৈ বুলি শিল এটাৰে খোলা তলাটো হেঁচি ধৰিলোঁ । ইতিমধ্যে বৰষুণ দিবলৈ আৰম্ভ কৰিছিলে । গছৰ পাতৰ পৰা টপ টপকৈ পানী পৰিছিলেই । ছাতিটো মেলি ধৰি মই কেথিক মোৰ ওচৰলৈ চপাই আনিলোঁ । বতৰৰ বেহৰূপ চাই আৰু পলম কৰা উচিত নহয় বুলি আমি বুজি পাইছিলোঁ ।

ঘৰলৈ উভতি যাওঁতে, লৰালৰিত আমি হিথ্‌ক্লিফে কোৱা কথাৰ প্ৰসংগটো আলোচনা কৰা নাছিলোঁ । কেথেৰিণৰ অন্তৰ যে দুটা গভীৰ বেদনাত এতিয়া ভাৰাক্ৰান্ত হৈ পৰিলে সেই কথা কিন্তু মই সহজেই উপলব্ধি কৰিব পাৰিলোঁ । তাইৰ চকু মুখ বেজাৰত ইমান ক'লা পৰিছিল যে তাইৰ চকুমুখ যেন নালাগিছিলেই । তাই শুনা কথাৰ প্ৰতিটো শব্দই ধ্ৰুৱ সত্য বুলি যে তাই মানি লৈছিল সেই কথা স্পষ্টকৈয়ে বুজা গৈছিল ।

আমি ঘৰ সোমোৱাৰ আগেয়ে গৃহস্বামী বিচনাত পৰিলেই । কেথিয়ে সাৰ সুৰ নকৰাকৈ সোমাই গৈ তেওঁ কেনে আছে সুধি মাত দিলে, পিচে তেওঁৰ তেতিয়া গভীৰ টোপনি । ঘূৰি আহি তাই মোক তাইৰ লগত পঢ়া কোঠাত বহিবলৈ মাতিলে । আমি একেলগে চাহ খালোঁ । লগে লগে তাই উলৰ কম্বল এখনৰ ওপৰত দীঘল দিলে । ভাগৰ লাগিছে বুলি কৈ তাই মোক কথা পাতিবলৈ মানা কৰিলে ।

মই কিতাপ এখন ওচৰতে পাই তাকে পঢ়াৰ ভাও ধৰি বহি থাকিলোঁ । অলপ পিচতে তাই বোধহয় মই পঢ়াত একেবাৰে নিমগ্ন আছোঁ বুলি ভাবি ললে । লগে লগে তাইৰ নীৰৱ অশ্ৰুপাত আৰম্ভ হ'ল । তাই যেন আজিকালি কান্দি থাকিয়েই ভাল পায়, মোৰ এনে ভাব হ'ল । কিছুসময়লৈ তাইক কান্দি থাকক বুলি এৰি দিলোঁ, পিচে সবহ পৰলৈ নহয় । মই মাত লগালোঁ । হিথ্‌ক্লিফে পুতেকৰ সম্পৰ্কে কোৱা কথাবোৰ মই উপলুঙা আৰু তাচ্ছিল্য কৰি উৰাই দিবলৈ বিচাৰিলোঁ । তাই মোৰ কথাতে হয়তো মোৰ কথাতে হয়ভৰ দিব বুলি মোৰ ভাব হৈছিল । কিন্তু হায়, তাৰ কথাই তাইৰ মনত কৰা প্ৰতিক্ৰিয়া খণ্ডন কৰাৰ সামৰ্থ্য মোৰ নাছিল । সি যি বিচাৰিছিল সেয়ে হ'ল ।

তাই মোক ক'লে, 'তোৰ কথাই বোধহয় ঠিক, এলেন । পিচে তাৰ বিষয়ে আচল কথাটো নজনালৈকে মই শান্তি নাপাওঁ । মই লিণ্টনক ক'ব লাগিব যে তালৈ লিখিবলৈ এৰি দিয়াটো মোৰ দোষ নহয় । মই তাক বুজাব লাগিব যে তাৰ প্ৰতি মোৰ মনৰ ভাবৰ কোনো সলনি নহয় ।'

তাইৰ এই নিৰ্বোধ সহজ বিশ্বাসৰ বিৰুদ্ধে খং বা ধমকী একোৱেই কামত নাহে।

সেই ৰাতিলৈ আমি মন কৰি, মাতবোল নোহোৱাকৈ এৰা এৰি হ'লোঁ । কিন্তু পিচদিনা,
মই মোৰ মনগৰী পটিগাভক আইটিৰ মৌৱাৰ কাষে কাষে বুলি বুলি 'বাদাবিং
হাইটচ'লৈ' গৈ আছোঁ । তাইৰ মনৰ দুখ, শেতা গাল মুখ, আৰু মনমৰা চাৱনিটো
মোৰ সহ হোৱা নাছিল । মই আশা কৰিছিলোঁ যে লিণ্টনে আমাৰ প্ৰতি কৰা
আচৰণেই হিথক্লিফে তাইক কোৱা কথাৰ অসাৰতা প্ৰতিপন্ন কৰিব । এনে এটা
ধাৰণাৰ বশবৰ্তী হৈয়েই মই পিচদিনা তাইৰ লগত 'বাদাবিং হাইট্চ'লৈ বুলি খোজ
লৈছিলোঁ।



# ২৩

পিচদিনা পুৰা পাতলীয়া ভাবে
গোটেই ৰাতি মুষলধাৰে বৰষুণ দি থকাৰ পিচত,
তুষাৰপাত হ'বলৈ ল'লে, লগে লগে চিপচিপীয়া বৰষুণো চলি থাকিল। সৰু সৰু জান
জুৰিবোৰ পানীৰে উপচি পৰিল । ওখ ঠাইৰ পৰা জিল জিলকৈ বৈ অহা পানী। আমি
'বাদাবিং হাইটচ্'লৈ যাওঁতে সেইবোৰ পাৰ হৈ যাব লগা হৈছিল। মোৰ ভৰি তেনেই
তিতিছিল । মোৰ খঙো উঠি আছিল । মনটো গোমোঠা হৈ আছিল। বিষম
পাৰিপাৰ্শ্বিকতাৰ লগত মোৰ মন যেন বজিতা খাই পৰিছিল।
হিথক্লিফৰ পাম ঘৰলৈ আমি বান্ধনী ঘৰৰ বাটেদি সোমালোঁ । মিঃ হিথক্লিফ সঁচা
সঁচাকৈয়ে আঁতৰি আছিল নে নাই তাৰ চয় নিশ্চয় কৰি লোৱাটো আছিল মোৰ
অভিপ্ৰায় । তাৰ কথাত মোৰ বিশ্বাস তেনেকৈ নাছিল ।
দপদপকৈ জ্বলি থকা জুই একুৰাৰ কাষত জোজেফ আত্মবিভোৰ হৈ অকলে বহি
আছিল । যেন দিব্য ধামতহে বিচৰণ কৰি ফুৰিছে । ওচৰৰ মেজ এখনত মদৰ বটল
আৰু গিলাচ, আৰু কেইটুকুৰামান ওট পিঠা । তাৰ চুটি, ক'লা বৰণৰ পাইপটো তাৰ
মুখত ভৰাই থোৱা আছিল ।
হাতভৰি সেকি লবলৈ বুলি কেথেৰিণ পোনে পোনে গৈ জুহালৰ কাষত বহিল ।
মই গৃহস্থ ঘৰত আছে নে নাই জোজেফক সুধিলোঁ ।
মোৰ প্ৰশ্নৰ উত্তৰ পাবলৈ ইমান সময় ল'ব লগা হ'ল যে মই জোজেফ বুঢ়াৰ কাণ
গধুৰ হ'ল বুলি ভাবিলোঁ । পিচৰবাৰ মই ডাঙৰকৈ সুধিলোঁ ।
সি নাকী সুৰীয়া খেং খেঙনি এটা মাৰি উত্তৰ দিলে, 'নাই— না— ই । তইঁত
য'ৰে পৰা আহিছ তলৈকে উলটি যাগৈইক, যা ।'
ভিতৰৰ পৰা, মোৰ সতে একেলগে, কোনোবাই খঙেৰে তাক মতা মোৰ কাণত
পৰিল । 'মই তোক কিমান বাৰ মাতিব লাগিব ? জুহালত অকণমান কেইটামানহে আছে।
জোজেফ । তৎক্ষণাত আহ ।'
পাইপত জোৰেৰে কেইটামান হোঁপা মাৰি সি একান্তমনে কয়লা জ্বলোৱা লোৰ
তিয়াই থনলৈ চাই থকাৰ পৰা বুজা গ'ল যে সি নিৰ্বিকাৰ । কোনে মাতিছে মাতক।
ঘৰ চোৱাচিতা কৰা মানুহজনী আৰু হেয়াৰটনক ক'তো দেখিবলৈ পোৱা নগ'ল । এটা
বোধহয় ওলাই গ'ল, আনজনী কিজানি নিজ কামত ব্যস্ত । আমি পিচে লিণ্টনৰ মাত
বুজি পালোঁ, আৰু সেইবাবে ভিতৰৰ কোঠালৈ সোমাই গ'লোঁ ।

আমি সোমাই যাওঁতে লিণ্টনে জোজেফ সোমাই যোৱা বুলি ভাবি তাৰ ওপৰত জঁপি পৰি উঠি ক'লে, 'তই কবৰাৰ খুপৰিত পৰি থাকি লঘোণত মৰিলেই ভাল পাম ।' কথাষাৰ কৈয়েই সি নিজৰ ভুল বুজি পালে আৰু তাতেই বৈ গ'ল । কেথি আইটি তাৰ ওচৰলৈ উৰি যোৱাদি গ'ল ।

অডিজি থকা বিৰাট চকীখনৰ হাতনি ডালৰপৰা মূৰটো পোন কৰি সি সুধিলে, 'মিচ লিণ্টন নেকি ?' 'অহোঁ, মোক চুমা নাখাবা । মোৰ দম বন্ধ হৈ যাব খোজে। উস্। তুমি আহিব পাৰা বুলি পিতাই কৈছিলে,' কেথেৰিণৰ সাবটৰ পৰা নিজকে কষ্টেৰে মুক্ত কৰি সি কৈ গ'ল । তাই বৰ অনুতপ্ত যেন হৈ ওচৰতে থিয় দি ৰ'ল। 'বেয়া নোপোৱা যদি দুৱাৰখন জপাই দিবাঁনে ? তুমিয়েই মেলি থৈ আহিলা। সেইজাকে সেই জঘন্য প্ৰাণী জাকে জুইত দিবলৈ এটুকুৰা কয়লা নানে। ইমান জাৰ !'

মই অঙঠাবোৰ খুচৰি দিলোঁ আৰু এখনাহি কয়লা আনি জুইত দিলোঁ । নিশকতীয়াটোৱে তাৰ গাত ফুটছাই পৰিছে বুলি আপত্তি কৰিলে । কিন্তু তাৰ বৰ বেয়া কাহ এটা আছে । কাহি কাহি সি ভাগৰি পৰে । দেখাতো তাক জ্বৰত ভুগি থকা নবীয়া যেন লাগিছিল । সেইবাবে তাৰ আপত্তিৰ উত্তৰত একো নামাতিলোঁ ।

লিণ্টনে অলপ আৰাম পোৱা যেন দেখুৱালত কেথেৰিণে লাহেকৈ সুধিলে, 'পিচে লিণ্টন, মোক দেখি তোমাৰ ভাল লাগিছেনে ? মই তোমাক কিবা কৰি দিব পাৰোঁনে বাৰু ?'

উত্তৰত সি ক'লে, 'তুমি আগতে নাহিলা কিয় ? চিঠি দিয়াৰ সলনি তুমি নিজে আহিব লাগিছিল । সেই দীঘল দীঘল চিঠিবোৰ লিখোঁতে লিখোঁতে মই ক্লান্ত হৈ পৰিছিলোঁ । মই বৰং তোমাৰ লগত কথা পাতিবলৈকে ভাল পালোঁহেঁতেন । এতিয়া মোৰ কথা পতাৰো শক্তি নাই, আন কিবা কৰাৰো শক্তি নাই । এই জিল্লাজনী কলৈ গ'ল ? (মোলৈ চাই) পাক ঘৰলৈ গৈ তাই তাত আছেনে কি চাই আহিবাঁনে ?'

কয়লা দি জুই জ্বলাই দিয়াৰ বাবেতো মই ধন্যবাদ নাপালোৱেই; সেইটোও এটা কাৰণ। তদুপৰি তাৰ কথামতে ইফাল সিফাল কৰিবলৈকো মোৰ ইচ্ছা নাছিল। সেইবাবে মই কলোঁ, 'জোজেফৰ বাহে তাত আন কোনো নাই।'

অনাকালে মুখ ঘূৰাই সি খঙেৰে ক'লে, 'মোক পানী এগিলাচ লাগে । পিতা ঘৰৰ পৰা যোৱাৰ পৰাই জিল্লাই অনাহকত গিমাৰটনলৈ যাকো মাৰি আছে । অসহ্য হৈছে আৰু। মই তলৰ মহলালৈ নামি আহিবলৈ বাধ্য হৈছোঁ, কাৰণ ওপৰ মহলাৰ পৰা মাতিলে সিহঁতে নুশুনে বুলি ঠিক কৰি লৈছে ।'

এটা সময়ত কেথেৰিণৰ তাৰ প্ৰতি প্ৰশ্ৰয় পূৰ্ণ আচৰণ যেন ব্যাহত হ'ল । সেই সুযোগতে মই তাক সুধিলোঁ, 'হিথক্লিফ বোপাটি, পিতাৰে তোমাৰ আদৰ যত্ন লয়নে বাৰু ?' 'আদৰ যত্ন লয়নে সুধিছা । পিতাই অন্ততঃ সিহঁতবোৰক মোৰ প্ৰতি অলপ বেচি মনোযোগী কৰায় । পাষণ্ডবোৰ ক'ৰবাৰ ! মিচ লিণ্টন, তুমি কিজানি ক'লে এটা কথা বিশ্বাস নকৰিবা— হেয়াৰটন নামৰ সেই জানোৱাৰটোৱে মোক ঠাট্টা মস্কৰা



কৰে। মই তাক ঘিণ কৰোঁ । আচলতে মই সিহঁত আটাইবোৰকে ঘিণ কৰোঁ । সিহঁতজাক জঘন্য মানুহ ।'

পানী বিচাৰি কেথি ভিতৰলৈ গ'ল । কাপোৰ সলোৱা কোঠাটোত পানীৰ কলহ এটা পাই তাৰে পৰা মগ্ এটাত এমগ্ পানী ভৰাই আনিলে । সি তাইক তাৰ লগতে মেজত থকা মদৰ বটলৰ পৰা এচামুচ মলো মিহলি কৰি দিবলৈ ক'লে, তায়ো সেইমতেই মিহলাই দিলে । এঢোক মাৰি সি যেন কিছু শান্ত হ'ল, আৰু তাইক দয়ালু আৰু সজ্জ বিবেচনা থকা বুলি শলাগিলে।

তাই আগতে সোধা প্ৰশ্নটোকে আকৌ সুধিলে, 'মোক দেখি তোমাৰ ভাল লগা নাইনে ?' তাৰ মুখেদি এটা মিচিকিয়া হাঁহি বিৰিঙি যোৱা দেখি তাই বৰ ভাল পালে।

'ওঁ, লাগিছেতো । তোমাৰ মাতৰ দৰে মাত এষাৰ শুনিবলৈ পোৱাটো এটা নতুন কথা । পিচে তুমি নহা দেখি মই বৰ বিৰক্ত হৈছিলোঁ । দোষটো মোৰ গাতে বুলি পিতাই ডাঠি কৈছিল । মোক তেওঁ অকৰ্মণ্য, ফাঁকিবাজ, এক জঘন্য প্ৰাণী বুলি গালিও পাৰিছিলে । পিতাৰ মতে তুমি মোক ঘিণ কৰা । তেওঁ আৰু কৈছিলে যে মোৰ ঠাইত তেওঁ হোৱাহেঁতেন ইমান দিনে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ মালিকৰ গাদীত তোমাৰ পিতাৰাৰ সলনি তেওঁ বহিলেহেঁতেন । পিচে, মই জানো, তুমি মোক ঘিণ নকৰা, মিচ . কৰা জানো?'

কেথি আইটিয়ে মাজতে মাত লগালে, 'তুমি মোক কেথি, নহলে কেথেৰিণ বুলিয়েই মাতিবা । তোমাক ঘিণ কৰোঁ ? অসম্ভৱ কথা । পিতা আৰু এলেনৰ পিচতে, মই তোমাক আন যি কোনো মানুহতকৈ বেচি ভাল পাওঁ । মিঃ হিথক্লিফক কিন্তু মোৰ ভাল নালাগে । তেওঁ ঘূৰি অহাৰ পিচত ইয়ালৈ আহিবলৈ মোৰ সাহস নহ'ব । তেওঁ বহুদিন ঘৰৰ পৰা আঁতৰি থাকিব নেকি ?'

লিণ্টনে উত্তৰ দিলে, 'বহুত দিন নাথাকে । পিচে চিকাৰৰ বতৰ আৰম্ভ হোৱাৰ পৰাই তেওঁ সঘনে ঘাঁহনি পথাৰৰ পিনে যায় । তেওঁ ঘৰত নথকা সময়ত তুমি দুই এঘণ্টা মোৰ লগত কটাই যাবহি পাৰা । আহিবাঁনে ? আহিবাঁ বুলি কোৱাঁচোন । মই ভাবি পাইছোঁ যে তোমাৰ আগত মই উগ্ৰ দেখুৱাব নালাগে । তুমি মোক বিৰক্ত নকৰা, আৰু সদায় মোক সহায় কৰিবলৈ সাজু হৈ থাকিবাঁ— কোৱাঁচোন, হ'বনে নহয় সেইদৰে ?'

তাৰ দীঘল, কোমল চুলি কোচাত হাত বুলাই বুলাই তাই ক'লে, 'পিতাৰ অনুমতি পোৱাহেঁতেন মই আধাখিনি সময় তোমাৰ লগতে কটালোহেঁতেন । সোণমুৱাটো মোৰ। তুমি যদি মোৰ ভাই হলাহেঁতেন !'

সি অধিক উৎফুল্লিত হৈ মাত লগালে, 'সেয়ে হোৱাহেঁতেন তুমি তোমাৰ পিতাৰাক ভাল পোৱাৰ সমানেই মোকো ভাল পালাহেঁতেন, নহয় জানো ? পিচে পিতাই কৈছে যে মোৰ পত্নী হলে পিতাৰাহে নালাগে সমগ্ৰ সংসাৰখনতকৈয়ো তুমি মোক বেচি ভাল পাবা । সেইবাবে মই ভাবোঁ যে তুমি মোৰ পত্নী হোৱাই ভাল ।'

'ও হয়, সেইটো কেতিয়াও নহ'ব । পিতাতকৈ আন কাকো মই বেচি ভাল পাব নোৱাৰো।' তাই গহীনাই উত্তৰ দিলে। 'তদুপৰি আৰু এটা কথা আছে নহয়, কেতিয়াবা কেতিয়াবা মানুহে ঘৈণীয়েকক বেয়া পায় । ঘিণ কৰে । কিন্তু ভায়েক ভনীয়েকক কোনেও বেয়া নাপায় । আৰু তুমি মোৰ ভাই হলে আমাৰ লগতে থাকিব পাৰিবা, যাক মোক ভালপোৱাৰ দৰে পিতাই তোমাকো ভাল পাব ।'

মানুহে যে ঘৈণীয়েকক বেয়া পায় সেই কথা লিণ্টনে মানি নললে । কিন্তু কেথিয়ে দৃঢ়ভাবে ক'লে যে বহুত মানুহে ঘৈণীয়েকক বেয়া পায় । উদাহৰণ স্বৰূপে লিণ্টনৰ বাপেকে (হিথক্লিফে) তাইৰ পেহীয়েকৰ প্ৰতি কৰা আচৰণৰ কথাকে তাই উলিয়ালে। সেইটো কথা তাই ভবাত এক উপযুক্ত নিদর্শন হ'ব বুলি তাইৰ বিবেচনাই তাইক কৈছিল ।

নভবা নিচিন্তাকৈ তাই তেনে ধৰণে কথা কৈ যোৱাত মই বাধা দিবলৈ চালোঁ, কিন্তু কামত নাহিল। তাই যতমানে কথা জানে আটাইবোৰ সদৰি কৰি দিলে। লিণ্টন বোপাই অত্যন্ত বিৰক্ত হৈ ক'লে যে তাই কোৱা আটাইবোৰ কথা মিছা।

প্রত্যুত্তৰত তাই ক'লে, 'পিতাই মোক কৈছে । পিতাইটো ফাঁকি কথা নকয় ।'

'মোৰ পিতাই তোমাৰ পিতাৰাক ঘিণ কৰে,' লিণ্টনে ডাঙৰ ডাঙৰকৈ ক'লে । 'তেওঁ তোমাৰ পিতাৰাক এটা তলগুঁজীয়া অজগৈ বুলি কয় ।'

কেথেৰিণ জাঙুল খাই উঠিল । তাই ক'লে, 'তোমাৰ পিতাৰা দুষ্ট মানুহ । পিতাৰাই কোৱা কথা মোৰ আগত কৈ শুনাব যে পাৰিছা তাৰ মানে তুমিও দুষ্ট। ইজাবেলা পেহীয়ে যিদৰে তেওঁক এৰি গ'ল, পিতাৰা দুষ্ট নোহোৱাহেঁতেন জানো এৰিলেহেঁতেন? নিশ্চয় নেৰে ।'

লিণ্টনে ক'লে, 'তাই এৰি যোৱা নাছিল । মোৰ কথা মিছা বুলি ক'বলৈ নাযাবা ।'

'কিয় এৰা নাই ? এৰিছিলে'— কেথেৰিণেও ডাঙৰ ডাঙৰকৈ চিঞৰি উত্তৰ দিলে।

'ঠিক আছে। মোৰো কিবা এটা কবলৈ আছে। শুনি লোৱা । তোমাৰ মাৰাই তোমাৰ বাপেৰাক দেখিব নোৱাৰিছিল, ঘিণ কৰিছিল। এতিয়া পিচে ?'

কেথেৰিণৰ ইমান খং উঠিছিল যে তাই আৰু তাৰ লগত কথা কটাকটি কৰিব নোৱৰা হ'ল । তাই 'উস্'। বুলি আৰ্তনাদ কৰাদি কৰিলে ।

'তোমাৰ মাৰাই মোৰ পিতাক ভাল পাইছিলে ।'

'মিছলীয়া ক'ৰবাৰ । মই তোমাক ঘিণ কৰোঁ,' যোঁপাই জোপাই তাই ক'লে, খঙত তাইৰ মুখ ৰঙা চিঙা পৰিছিল ।

চকীখনৰ কোণত কুচিমুচি সোমাই লৈ, কেথেৰিণৰ অসহায় অৱস্থা উপভোগ কৰিবলৈ বুলি ডিঙিটো পিচফালে হলাই সি কলে, 'ভাল পাইছিলে। তোমাৰ



মাৰাই মোৰ পিতাইক ভাল পাইছিলে। সঁচা কথা।' ডিঙিটো পিচফালে লোৱাৰ কাৰণটো হ'ল যে কেথেৰিণ সি বহি থকা চকীখনৰ পিচপিনে থিয় দি আছিল।

মই কলোঁ, 'হিথক্লিফ মইনা, তুমি চুপ কৰা । এইবোৰ কথা তুমি বাপেৰাৰ পৰা শুনিছা, নহয় নে ?'

সি উত্তৰ দিলে, 'নহয়, নাই শুনা। তই চুপ কৰ । কেথেৰিণ, জানি লোৱা, তোমাৰ মাৰাই মোৰ পিতাক ভাল পাইছিল। পাইছিল ! পাইছিল ! পাইছিল !'

কেথিয়ে আৰু সহ্য কৰিব নোৱাৰিলে। অধৈৰ্য্য হৈ তাই চকীখন ইমান জোৰেৰে জোকাৰি দিলে যে লিণ্টন হাতল এটাত মুখ দি থেকেচা খাই পৰিল। লগে লগে তাৰ এনে এছাট কাহে ধৰিলে যে তাৰ দম বন্ধ হোৱাৰ উপক্ৰম হ'ল । কেথেৰিণক কাহে কৰি দিলে বুলি হোৱা তাৰ বিজয় বোধ কৰবালৈ গ'ল। ইমান বেচিপৰ তাৰ কাহে ধৰি থাকিলে যে মোৰো ভয় লাগি গ'ল। পৰিস্থিতি দেখি কেথেৰিণে যিমান পাৰে কান্দিছে । কি যে বেয়া কাম নকৰিলে তাকে ভাবি তাই বিচুৰ্তি হ'ল । মুখেৰে কিন্তু তাই একো মাত নাছিল ।

কাহে এৰালৈকে মই তাক ধৰি আছিলোঁ । কাহ এৰিলত সি মোক গটা মাৰি দিলে, আৰু তলমূৰকৈ বহি ৰ'ল। কেথেৰিণেও বেজাৰ কৰিবলৈ এৰিলে, আৰু তাৰ মুখে মুখে বহি গম্ভীৰ ভাবে জুইকুৰালৈ চাই ৰ'ল ।

দহমিনিটমান সময় যোৱাৰ পিছত মই তাক সুধিলোঁ, 'হিথক্লিফ বোপা, এতিয়া অলপ বাৰু পাইছানে?'

সি প্রত্যুত্তৰত ক'লে, 'মই যেনেকুৱা পাইছোঁ, তাই ঘিণলাগী, নিমৰমিয়াল জনীয়েও তেনে পাব লাগিছিল । তেহে মোৰ গা জুৰায় । হেয়াৰটনে কোনো দিনে মোৰ গাত হাত দিয়া নাই । কোনো দিনে সি মোক মৰিওৱা নাই । আজি মই বহুত ভাল পাইছিলোঁ, আৰু এতিয়া এয়া,' সোঁত সোঁতাই সি ক'লে ।

'মই তোমাক মৰা নাছিলোঁ', কেথিয়ে লাহেকৈ ক'লে । আকৌ আবেগ বিহ্বল হৈ পৰে কিজানি বুলি ভয় কৰি তাই ওঁঠ দুটা চেপি ধৰিলে । অতি কষ্ট খাই থকা মানুহৰ দৰে সি কেঁকাই গোঁথাই, হুমুনিয়াহ চাৰি, উস্ আস্ কৰি থাকিল । প্ৰায় পোন্ধৰ মিনিটমান সময় সি এই ভাবে থাকিল । মোমায়েকৰ জীয়েকৰ মনত দুখ দিবলৈকে সি এই ভাও জুৰিছিল । তাইৰ উচুপনি শাম কটা যেন পালেই তাৰ কেঁকনি গোঁথনিৰ মাত্ৰা চৰিছিল । মাততোও বৰ কাতৰ ভাবে, শেহাই শেহাই মাতিছিল ।

কেথেৰিণে তাৰ কষ্ট সহ্য কৰিব নোৱাৰি শেহাশ্বৰত ক'লে, 'তোমাক আঘাত দি মই মনত কষ্ট পাইছোঁ, লিণ্টন । কিন্তু সেই সামান্য ঠেলাটো মোৰ গাত লগাহেঁতেন ইমান কষ্ট মই নাপালোঁহেতেন । তুমিও যে ইমান দুখ পাবা সেইটো মোৰো অনুমান কৰিব পৰা নাছিলোঁ । তুমি আচলতে বেচি দুখ পোৱা নাই, নহয় লিণ্টন ? পাইছা জানো ? কোৱাঁচোন । তোমাক কষ্ট দিলোঁ বুলি ভাবি ঘৰলৈ উভতিব লগা হ'লে মোৰ বৰ বেয়া লাগিব । কোৱাচোন ।'

সি ভোৰভোৰাই উত্তৰ দিলে, 'তোমাৰ লগত মই কথা নাপাতোঁ । তুমি মোক
ইমান আঘাত দিছা যে আজি গোটেই ৰাতি মোক কাহকফে দম বন্ধ কৰি থকা দি
থাকিব । আজি ৰাতি আৰু ক'ত মোৰ টোপনি হ'ব । তুমি নিজে ভূগিব লাগিছিল,
তেহে বুজিলাহেঁতেন এই যন্ত্ৰণা কি । তুমিতো কতি জুৰি শুবাগৈ, মইহে ছটফটাই পৰি
থাকিব লাগিব । ওচৰে পাঁজৰেও মোৰ ওচৰত কোনো নাথাকে। এনেকুৱা ভয়ানক
ৰাতি তুমি কটাব লগা হ'লে কি কৰিলাহেঁতেন মই ভাবি পাব নাপাওঁ ।' এই বুলি
কৈয়েই সি নিজৰ দুখ নিজতে পতিয়াই ইনাই বিনাই কান্দিবলৈ ধৰিলে।

'এনেকুৱা কষ্টৰ নিশা কটোৱাৰ অভ্যাস তোমাৰ আছেই যেতিয়া, কেথেৰিণে
তোমাৰ আৰাম নষ্ট কৰিলে বুলি কোৱাৰ যুক্তি নাই', মই মাত লগালোঁ । 'তাই আজি
নহাহেঁতেনো তোমাৰ একো বেলেগ নহলহেঁতেন । যি কি নহওঁক, তোমাক আমনি
দিবলৈ তাই আৰু নাহে । আমি গুচি যোৱাৰ পিচত তুমি কিজানি শান্তিৰে থাকিব
পাৰিবা ।'

লিণ্টনৰ গাৰ ওপৰত উবুৰি খাই কেথেৰিণে সুধিলে, 'আমি যাওঁ গৈ তেন্তে,
লিণ্টন ? মই গুচি যোৱাটো তুমি বিচাৰিছা নে কি, লিণ্টন ?'

সি ৰুক্ষভাৱে উত্তৰ দিলে, 'কৰাটো তো কৰিলাই । এতিয়া নকৰা কৰিব নোৱাৰা
নহয় ।' কোৱাৰ লগে লগে সি কুচিমুচি তাইৰ কাষৰ পৰা আঁতৰি গ'ল । 'কৰিলে
বেয়াটোহে কৰিবা । মোক আমনি দি দি মোৰ জ্বৰ তোলাই দিবা ।'

তাই আকৌ ক'লে, 'ঠিক আছে তেন্তে, মই তেনেহ'লে যাব লাগিব ?'

সি উত্তৰত ক'লে, 'মোক শান্তিৰে থাকিবলৈ দিয়া । তুমি কেপকেপাই থাকিলে
মোৰ অসহ্য লাগে ।'

তাই খন্তেক পৰ থমকি ৰ'ল। 'আহা, আমি গুচি যাওঁ' বুলি মই মাতিছোঁহে
মাতিছোঁ, তাই নুশুনে। অস্বস্তিকৰ কেইটামান মুহূৰ্ত পাৰ হৈ গ'ল । লিণ্টনে মুখেৰেও
নামাতে, মূৰ তুলিও নাচায় । দেখি শুনি তাই দুৱাৰমুখৰ পিনে এখোজ দুখোজকৈ
আগবাঢ়িল । ময়ো লগতে ওলালোঁ ।

অলপ দূৰ ওলায়েই আমি কিবা এটা চিৎকাৰ শুনি ৰৈ গলোঁহঁক । লিণ্টন বহি
থকাৰ পৰা জুহালৰ ওকিল মজিয়াত বাগৰি পৰিল । চিৎকাৰটো তাৰেই । বৰ কষ্ট
পোৱা যেন দেখুৱাই সি ইকাটি সিকাটি কৰি বেঁকাই গোঁথাই পৰি আছিল । দেখা শুনাৰ
মনত দুখ দিবলৈ সি পাৰেমানে কষ্টৰ ভাওঁ জুৰিছে বুলি দেখিলেই ক'ব পাৰি ।

তাৰ গতিবিধি মই ভালদৰে লক্ষ্য কৰি বুজিলোঁ যে তাৰ মন ভাল লগাবলৈ
যোৱাটো একেবাৰে মূৰ্খামিৰ কথাহে হ'ব । কেথেৰিণৰ কিন্তু কথা বেলেগ । তাৰ
আৰ্তনাদ শুনিয়েই তাই ভয় খাই লৰি ঘূৰি গৈ আঁঠুকাঢ়ি বহি লৈ কান্দিবলৈ ধৰিলে,
লগে লগে তাই তাক বুজনিও দিছে, নাকান্দিবলৈ কাকুতি মিনতিও কৰিছে । এসময়ত
সি ভাগৰি জুগৰি শান্ত হৈ পৰিল । পিচে সি চিঞৰ বাখৰ কৰা দেখি তাই কষ্ট পাইছে
বুলি ভাবি তাইৰ প্ৰতি দয়া পৰবশ হৈ হে যে সি শান্ত হ'ল, তেনে নহয় ।



মই কলোঁ, 'তাক দীঘল বেঞ্চখনতে শুৱাই দিওঁ । তাতে সি যিমান মন যায় বাগৰি
জুগৰি থাকিব পাৰিব । তাক ৰখি থাকিবলৈ আমি ৰৈ থাকিব নোৱাৰোঁ । তুমি যে তাক
একো সহায় কৰি দিব নোৱাৰা, আৰু তোমাৰ প্ৰতি অনুৰাগো যে তাৰ বেমাৰৰ কাৰণ
নহয়, সেই কথা কিজানি তুমি এতিয়া ভালকৈ বুজি পাইছা । এৰা, উঠাই দিলোঁ ।
এতিয়া আহা । তাৰ এই কাজলামি চাই থাকিবলৈ ওচৰত কোনো নাই বুলি জানিলেই
সি নিতাল মাৰি পৰি থাকিব।' কেথেৰিণে তাৰ মূৰৰ তলত গাৰু এটা পাৰি দিলে,
আৰু এগিলাচ পানীও নি দিলে। পানী গিলাচ সি আঁতৰাই থলে, আৰু গাৰুটোৰ
ওপৰত মূৰটো বৰ কষ্ট পোৱা যেন কৈ ইফাল সিফাল কৰিবলৈ ধৰিলে। গাৰু নহয়
যেনিবা এটুকুৰা শিল বা কাঠৰ মূঢ়া এটা হে তাৰ মূৰৰ তলত দিয়া হ'ল।

গাৰুটো বেচি আৰামদায়ককৈ তাই পাতি দিলে। সি আপত্তি কৰি ক'লে সেইটোৰে
বোলে তাৰ নহয়, বৰ চাপৰ হৈছে । কেথেৰিণে আৰু এটা গাৰু আনি ইটোৰ
ওপৰতে জাপি দিলে । এইবাৰ বৰ ওখ হ'ল বুলি সি আপত্তি কৰিলে ।

উপায় নেদেখি তাই সুধিলে, 'কেনেকৈনো দিম তেন্তে ?' সি ভৰি দুটা কোচাই
তাইৰ ওচৰ চাপি গ'ল । তাই বেঞ্চখনৰ ওচৰতে আঁঠু কাঢ়ি থকা দি আছিল । সি
গৈ তাৰ মূৰটো তাইৰ কান্ধতে থলে ।

'সেইটি নহ'ব', মই টানকৈ কলোঁ । 'গাৰুটোৰেই তোমাৰ হ'ব, লিণ্টন বোপা ।
এই ছোৱালীজনীয়ে ইতিমধ্যেই বহুত সময় তোমাৰ লগত নষ্ট কৰিছে । আমি ইয়াত
আৰু পাঁচ মিনিটো ৰ'ব নোৱাৰোঁ ।'

'পাৰোঁ, পাৰোঁ, নিশ্চয় পাৰোঁ', কেথেৰিণে উত্তৰ দিলে। ''এওঁ এতিয়া ধৈৰ্য্য
ধৰিছে, আৰু ভালভাৱে কথা শুনিছে। এওঁ এতিয়া ভাবিছে যে ইয়ালৈ আহি এওঁক
কষ্ট দিয়া হ'ল বুলি ভাবি থাকি আজি ৰাতি তেওঁতকৈ মই বেচি মনোকষ্ট পাম । আৰু
সেইবাবেই জানোচা আকৌ নহাকৈ থাকোঁ । সেইটোও এওঁ ভাবিছে । আচল কথাটো
কোৱা, লিণ্টন । তোমাৰ কষ্টৰ কাৰণ হৈছোঁ যদি মই আকৌ ইয়ালৈ নাহোঁ ।'

'মোক আৰোগ্য কৰি তুলিবলৈ তুমি আহিবই লাগিব,' সি উত্তৰ দিলে । 'তুমি
অহা উচিতো— কাৰণ তুমি মোক দুখ পোৱাইছা । বেচ মতে দুখ পোৱাইছা । তুমি
মানিবই লাগিব এই কথা। মোৰ এতিয়া গা যিমান বেয়া, তোমালোক আহোঁতে সিমান
বেয়া নাছিল । আছিল জানো ?'

'পিচে তুমিহে কান্দি কান্দি, খং কৰি, উত্তেজিত হৈ নিজকে বেমাৰী কৰি দিছা ।''
'মিছেই নহওঁক কিয়,
লিণ্টনে কলে, 'নহয়, মই নিজে নিজকে বেমাৰী কৰা নাই । আমাৰ মাজত আকৌ লেটি হ'ব ।'

'তুমি মোক বিচাৰা ? তুমি কেতিয়াবা কেতিয়াবা মোক চাব খোজা? সঁচা ?
'বেছকৈ বহাঁ। সি ভেকাহি মাৰি ক'লে।
'সঁচা বুলিতো মই তোমাক কৈছোৱেই ।' সি ভেকাহি মাৰি ক'লে। 'বেছকৈ বহাঁ।
তোমাৰ আঁঠুত মোক ভেঁজা দি বহিবলৈ দিয়া। ঠিক আয়ে যেনেকৈ কৰিছিল—

গোটেই আবেলিটো এইদৰে বহি থাকে । কত দিন তেনেকৈ গৈছে । মনে মনে লবচৰ
নকৰাকৈ বহি থাকা । কথা নকবা । গান গাব জানা যদি গান এটা কিন্তু গাব পাৰা।
নহুবা সুন্দৰ, ধুনীয়া মনোগ্ৰাহী বেলেড এটাকে গাব পাৰা । তুমি মোক শিকাম বুলি
যে কৈছিলা, তেনে এটা বেলেড । নহুবা কাহিনী এটাকে । মই পিছে বেলেড এটাহে
ভাল পাম । আৰম্ভ কৰা ।'

কেথেৰিণে তাইৰ মনত থকা আটাইতকৈ দীঘল বেলেডটোকে গালে । দুয়োটাৰে
মনত তেতিয়া বেচ স্ফূৰ্ত্তি । এটাৰ পিছত এটাকৈ লিণ্টনে তাইক কেইবাটাও বেলেড
গোৱালে । মই কৈ আছোঁ, আৰু নালাগে, সাময়, আজিলৈ হ'ব, ক'ত মোৰ কথালৈ
কাণ দিয়ে । গৈ গৈ ধৰীত বাৰ বাজিল । দুপৰীয়া ভাত খাবলৈ হেয়াৰটন ঘূৰি আহিল।
চোতালত তাৰ মাত শুনিলোঁ । উঠো নুঠোকৈ কেথেৰিণ বহাৰ পৰা উঠিল । লিণ্টনে
তাইৰ ফ্ৰকটোত ধৰি সুধিলে, 'কালিলৈ আকৌ আহিবানে কেথেৰিণ, কালিলৈ এবাৰ?'
মই উত্তৰ দিলোঁ, 'নাহে । পৰহিলৈকো নাহে ।' কিন্তু তাই চাপৰি তাৰ কাণে কাণে
কিবা এটা বেলেগ উত্তৰ ফুচফুচাই দিলে । লগে লগে তাৰ মনটো ফৰকাল হৈ পৰিল।
ঘৰৰ বাজ ওলালত মই কেথিক কলোঁ, 'আইটি, মনত ৰাখিবা, কালিলৈ তুমি
আহিব নোৱাৰিবা । ভাবিছা নে কি আহিবা বুলি ?'
প্ৰত্যুত্তৰত তাই মাথোন হাঁহিলে ।
'চাওঁচোন তুমি কেনেকৈ ওলোৱা,' মই কৈ গলোঁ । 'সেই তলাটো মই ভাল কৰাই
আনিম । আৰু তোমাৰ ওলাই যোৱাৰ বাট বন্ধ হৈ যাব।'
হাঁহি হাঁহি তাই ক'লে, ''মই দেৱাল বগাই ওলাই যাব পাৰিম । এই 'গ্ৰেঞ্জ'টোতো
এখন ফাটেক নহয়, এলেন, আৰু তয়ো ফাটেকৰ দাৰোগা নহয়। আৰু এটা কথা
নহয়— মোৰতো প্ৰায় সোতৰ বছৰ বয়স হ'ল। মই এতিয়া এজনী পূৰ্ণ বয়স্কা
মহিলা। মই চোৰাচিতা কৰিলে লিণ্টন সোনকালেই ভাল হৈ উঠিব বুলি মোৰ দৃঢ়
বিশ্বাস । মইতো তাতকৈ বয়সে ডাঙৰ । অলপ বেচি জ্ঞানবুজা, আৰু তাৰ সমান
লৰামতীয়া নহয়। হয়নে নহয় ? আৰু মই অলপ ফুচুলালেই মই যিহকে কৰিবলৈ কওঁ
তাকেই সি কৰিব। সিটো এটা বেচ ভাল ল'ৰা । মৰম লগা । মাত্ৰ তাৰ মনটো ঠিকে
থাকিব লাগে। মোৰ হাতত পৰিব লাগিছিল— মই তাক একেবাৰে আলো লৌৰাটো
কৰি তুলিলোহেঁতেন । আমি ইটোৱে সিটোৰ ধ্যান ধাৰণাবোৰৰ লগত পৰিচিত হলে
আমাৰ মাজত কাজিয়া নালাগে, নহয়নে বাৰু ? এলেন, তাক তই ভাল নাপাৱ ?''
'ভালপোৱা ? তাক ?' মই উত্তেজিত হৈ কলোঁ । 'বদমেজাজী মৰকুটীয়া এটা—
কোনোমতে লেলাই খেলাই এই কেইবছৰ পাৰ কৰিছে । ভাগ্যে, হিথক্লিফে ভৱাৰ
দৰে, সি কুৰিৰ দেওনা পাৰ হ'বলৈ নবয় । অহা বসন্ত কাললৈকে টানে নে নটানে
সেয়ে মোৰ সন্দেহ । যেতিয়াই মৰে মৰক, তাৰ পৰিয়ালৰ একো হানি নহয় । আমাৰ
ভাগ্য ভাল যে বাপেকে তাক নিজৰ লগলৈ লৈ গ'ল । সি যিমানেই মৰম পাব
সিমানেই মূৰত উঠিব । সিমানেই আপোনপেটা হ'ব । কেথি আইটি, এটা কথা ভাবি



মোৰ ভাল লাগিছে— তাক তোমাৰ স্বামী হিচাপে পোৱাৰ সম্ভাৱনা একেবাৰে নাই।'
এইখিনি কথা শুনি কেথি একেবাৰে গম্ভীৰ হৈ পৰিল । ইমান গাড় নলগা ভাবে
তাৰ সম্ভাব্য মৃত্যুৰ কথা ক'লত তাইৰ অনুভূতিত আঘাত লাগিল ।
বহুতপৰ গুণাগঁথা কৰি থাকি তাই কলে, 'সি মোতকৈ সৰু । সি দীৰ্ঘজীৱী
হোৱাটোকে মই কামনা কৰোঁ, আৰু হবও। মই যিমান দিনলৈ জীয়াই থাকিম সিও
থাকিব লাগিব। সি প্ৰথমতে এই উত্তৰাঞ্চললৈ আহোঁতে যিমান সবল আছিল,
এতিয়াও সিমানেই আছে। এই বিষয়ে মোৰ কোনো সন্দেহ নাই । অলপ জাৰ
লাগিলেই তাৰ অসুখ হয়। মাত্ৰ সিমানেই । পিতাৰ যেনেকুৱা, তেনেকুৱা। তই কৈছ
পিতা ভাল হৈ যাব। সিনো তেন্তে কিয় নহ'ব ?'
'ঠিক আছে । এইবোৰ কথা লৈ আমাৰ মূৰ ঘমোৱাৰ দৰ্কাৰ নাই । আইটি, এটা
কথা শুনি লোঁৱা, আৰু মনতো ৰাখি থবা— মই মোৰ কথা নেৰোঁ । তুমি যদি আকৌ
'বাদাবিং হাইট্চ'লৈ যাব খোজা— অকলেই হওক বা মোৰ লগতেই হওঁক মই
তোমাৰ পিতাৰাক জনাই দিম । আৰু তেওঁৰ বিনানুমতিত তাৰ লগত তোমাৰ
যোগাযোগ পুনৰ আৰম্ভ হ'ব নোৱাৰিব ।'
'হৈছেই', তাই মুখৰ ভিতৰতে কোবাদি গোজোৰা মাৰি ক'লে ।
'হৈছে যদি হৈছে । কিন্তু চলাই থাকিবলৈ দিয়া নহ'ব ।' মই কলোঁ ।
'দেখা যাওকচোন', তাই উত্তৰ দিলে । কৈয়েই তাই মোক পিচপেলাই চেকুৰ
মাৰিলে ।
নিশাৰ সাজ খোৱাৰ আগতেই আমি দুয়ো ঘৰ সোমাইছিলোহি । গৃহস্বামীয়ে আমি
বাগানত ফুৰি আছিলো বুলি ভাবিছিলে, সেইবাবে আমি অতপৰ ক'ত আছিলোঁ
নুসুধিলে। ঘৰ সোমায়েই মই লৰালৰিকৈ ভিজা জোতা আৰু মোজা খুলি পেলালোঁ।
কিন্তু অত বেলি 'হাইট্চ'ত বহি থকাৰ ফল যি হ'ব লগা আছিল হ'ল । পিচদিনা পুৱা
মই বিচনাৰ পৰা উঠিবই নোৱাৰোঁ। তেতিয়াৰ পৰা তিনি সপ্তাহ ধৰি মই ঘৰৰ কুটা
এডালতো হাত দিব পৰা নাছিলোঁ । তেনে অৱস্থা আগতে কম্মিন কালেও মোৰ হোৱা
নাছিল— তাৰ পিচতো ভগৱানৰ কৃপাত এতিয়ালৈকে হোৱা নাই ।
কেথি আইটিয়ে মোক সেই কেই সপ্তাহ নথৈ সেৱা শুশ্ৰূষা কৰিলে। অনবৰত
মোৰ লগ হৈ থাকিল। নবীয়া পৰি মই তেনেই দুৰ্ব্বল হৈ পৰিছিলোঁ।
দপদপাই চলি কৰি থকা মানুহ এজনীৰ বাবে এনে অৱস্থা এটাত পৰাটো বৰ
আমনি লগা কথা । মোৰ পিচে আপত্তি কৰিবলৈ কোনো কাৰণেই নাছিল । পিতাকৰ
কোঠাৰ পৰা ওলায়েই কেথেৰিণ মোৰ বিচনাৰ ওচৰ পাবহি । তাই যেন দিনটো
পিতাক আৰু মোৰ শুশ্ৰূষাৰ বাবেই দুভাগত ভগাই লৈছিল । এক মিনিটৰ বাবেও
কোনো খেলাধূলা, আমোদ প্ৰমোদৰ কথা নাই । নিজৰ খোৱা-বোৱা, পঢ়াশুনা, ৰং-
ধেমালি আদি আটাইবোৰ কথাকে তাই আওহেলা কৰিবলৈ ল'লে । তাইৰ দৰে

ধাত্ৰী আৰু ক'ত ওলাব। পিতাকক ইমান আদৰ যত্ন কৰিও, মোৰো ইমান আলপৈচান ধৰিলে—কি ক'ম। গভীৰ মৰমিয়াল অন্তৰ এখন নাথাকিলে কাৰো বাবে এনে সেৱা-শুশ্ৰূষা কৰা সম্ভৱ নহয়।

'অ', মই এইমাত্ৰ ক'লোঁ যে তাইৰ গোটেই সময়খিনি আমাৰ দুয়োৰে সেৱা-শুশ্ৰূষাতে শেষ হয়। পিচে, পিতাকৰ সোনকালে শোৱাৰ অভ্যাস। সন্ধিয়া ছয় বজাৰ পিচত মোকো সাধাৰণতে একো নালাগে। সেইবাবে গধূলিবোৰ তাইৰ নিজৰ বাবে থাকে।

বেচেৰী। চাহ খোৱাৰ পিচত তাইনো অকলে অকলে কি কৰি থাকে মই চিন্তা কৰি চোৱাই নাছিলোঁ। মোক শুভৰাত্ৰি জনাবলৈ আহোঁতে তাইৰ গাল দুখন যেন বেচি উজ্জ্বল আৰু তেজ গোলা হোৱা যেন মোৰ লাগিছিল। তাইৰ গোটেই লাহী গাটোৱেই তেজাল যেন দেখাইছিল। পঢ়া কোঠাত দপদপীয়া জুইৰ ওচৰত বহি থকাৰ বাবেই তেনে হৈছিল বুলি মই ভাবিছিলোঁ। জাৰত, মুকলি পথাৰৰ মাজেদি ঘোঁৰাত উঠি অহা যোৱা কৰাৰ বাবেহে যে তাইৰ চেহেৰাই তেনে ৰূপ লৈছিল সেই কথা মোৰ সপোনৰো অগোচৰ আছিল।

# ২৪

তিনি সপ্তাহৰ মূৰত মই বিচনা এৰি ঘৰৰ ভিতৰতে ফুৰাচকা কৰিব পৰা হ'লোঁ। প্ৰথম বাৰৰ বাবে সন্ধিয়া বাহিৰত বহোঁতে, মোৰ দৃষ্টিশক্তি তেতিয়াও ক্ষীণ হৈ থকা বাবে কেথেৰিণকে কিবা এটা পঢ়ি শুনাবলৈ ক'লোঁ। আমি বহিছিলোঁ পুথিভঁৰালৰ কোঠাটোত। গৃহস্বামী তেতিয়ালৈ শুলেই। তাই মান্তি হ'ল, পিচে নোৱাৰাত পৰিহে তাই সন্মত হৈছে যেন মোৰ ভাব হ'ল। মোৰ ভাল লগা কিতাপ পঢ়ি শুনাবলৈ তাই ভাল নাপাব পাৰে বুলি ভাবি মই তাইক তাইৰ নিজৰ পচন্দ মতে যি পঢ়ে পঢ়িবলৈ এৰি দিছিলোঁ।

তাই তাৰ প্ৰিয় গ্ৰন্থ এখন লৈ লাহে ধীৰে এঘণ্টামান সময় পঢ়িলে। তাৰ পিচত আৰম্ভ হ'ল প্ৰশ্নৰ ওপৰত প্ৰশ্ন :

"এলেন, তোৰ ভাগৰ লগা নাই ? তই এতিয়া শুই থকাই ভাল নহ'ব জানো ? ইমান পৰলৈকে বহি থাকিলে তোৰ গা বেয়া লাগিব, এলেন, ইত্যাদি।'

মই মাজে মাজে তাইৰ প্ৰশ্নৰ উত্তৰত একে কথাকে ক'লোঁ, 'নাই, নাই, আইটি, মোৰ ভাগৰ লগা নাই।'

মোক লৰাব নোৱৰা যেন দেখি, তাইৰ পঢ়াত যে মন নাই সেই কথা দেখুৱাবলৈ অন্য এটা বুধি পাঙিলে। তাই হামিয়াবলৈ আৰু এঙামুৰি ভাঙিবলৈ আৰম্ভ কৰিলে। লগে লগে ক'বলৈ ল'লে, 'এলেন, মোৰ ভাগৰ লাগিছে।'

ইথ দিয়া তেন্তে, কথাকে পাতোঁ,' মই উত্তৰ দিলোঁ। এইবাৰ আৰু বেয়াহে হ'ল। তাইৰ মনৰ অস্থিৰতা আৰু খং ভাব প্ৰকাশ পালে, আৰু আঠ বজালৈকে ঘনে ঘনে ঘড়ী চাবলৈ ল'লে। শেহান্তৰত তাই আৰু বহি থাকিব নোৱাৰিলে, নিজৰ কোঠালৈ গ'লগৈ। দেখাত তাইৰ বৰকৈ টোপনি ধৰিছিল, তাইৰ চকুহাল ফুলা ফুলা যেন লাগিছিল, মনটোও খিটখিটিয়া হৈছিল, আৰু ঘনে ঘনে চকু মোহাৰিছিল।

দ্বিতীয় দিনা তাইক আৰু অধৈৰ্য যেন লাগিল। তৃতীয় দিনা তাই মূৰ কামুৰিছে বুলি কৈ আঁতৰি গ'ল।

তাইৰ গতিবিধি মোৰ অদ্ভুত যেন লাগিছিল। বহুত পৰ একেলগে বহি থকাৰ পাচত মই ভাবিলোঁ তাই ভাল পাইছেনে সুধি চাওঁ; আৰু ওপৰ মহলত আন্ধাৰত অকলে অকলে থকাতকৈ তলত আহি চোফাত দীঘল দি থাকক, মাতি আনোঁ। এইবুলি মই তাইক বিচাৰি গ'লোঁ।

কেথেৰিণ ওপৰ মহলাতো নাই, তল মহলাতো নাই। মই এঠাইতো তাইক দেখা নাপালোঁ। চাকৰ নাকৰবোৰেও তাইক দেখা নাই বুলি ক'লে। মই পিতাকৰ কোঠাৰ দুৱাৰত কাণ পাতিলোঁ— কিজানিবা তাই তেওঁৰ ওচৰলৈকে গ'ল। নাই, ভিতৰত

সাবসুৰ নাই । মই তাইৰ কোঠালৈ গ'লোঁ, মমডাল নুমালোঁ আৰু খিৰিকিৰ ওচৰত বহি ললোঁ ।

বাহিৰত তেতিয়া যথিংফুটা জোনাক । পাতলকৈ বৰফ পৰিছিল। মাটি ভিজিছিল। মই ভাবিলোঁ তাই কিজানি মুকলি বতাহ খাবলৈ বাগানলৈ গৈছে। বাগানৰ ভিতৰৰ জেওবাৰণৰ ওচৰেদি কোনোবা এটা বওবাবাই যোৱা মোৰ চকুত পৰিছিল, কিন্তু সেয়া কেথি নাছিল। মানুহটো পোহৰৰ পিনে আহিলত দেখোঁ ঘোঁৰা-চোৰা এটাহে।

সি বস্তুপৰ থিয় দি গাড়ী যোৱা বাটটোলৈ চাই ৰৈ থাকিল । তাৰ পিচত কিবা এটা যেন হঠাতে তাৰ চকুত পৰিল এনে ভাবত খৰকৈ আগবাঢ়ি গৈ আকৌ পিচ পাকতে ঘুৰি আহিল। এইবাৰ দেখোঁ সি কেথেৰিণৰ ঘোঁৰীজনী লেকামত ধৰি ধৰি আনিছে, আৰু কেথেৰিণ কাষে কাষে খোজ কাঢ়ি আহি আছে।

মানুহটোৱে ঘাঁহনিৰ ওপৰেদি কোনো সাবসুৰ নোহোৱাকৈ ঘোঁৰীজনী আস্তাবললৈ লৈ গ'ল, আৰু কেথেৰিণ চ'ৰা কোঠাৰ খিৰিকিৰে ভিতৰলৈ আহিল আৰু মনে মনে মই তাইলৈ বাট চাই বহি থকা ঠাইত সোমালহি ।

তাই দুৱাৰখন লাহেকৈ জপালে, বৰফত ভিজা জোতাযোৰ আৰু হেটটো খুলিলে আৰু এনেভিয়াবে গাৰ হলো-চোলাটো সোলোকাই থবলৈ আগবাঢ়িল । মই যে তাত ঢোৰাংচোৰাগিৰি কৰি আছোঁ তাই ক'বই নোৱাৰে । তেনেতে মই ঘপহুকৰে থিয় হৈ তাইৰ আগত ওলাই দিলোঁ । তাই চক খাই এপলক মান সময় থৰ লাগি ৰ'ল । মুখেৰে কিবা এটা অস্ফুট শব্দও বাজ হ'ল ।

মোৰ অসুখত তাই ধৰা আলপৈচানৰ কথা ভাবি তাইক টান কথা কবৰ মোৰ সত নগ'ল। মই তাইক কোমলকৈ সুধিলোঁ, "কেথি আইটি, এই সময়তনো তুমি কলৈ ঘোঁৰা ঢেকুৰিয়াই গৈছিলা ? আৰু অজুহাত একোটা উলিয়াই মোক ফাঁকিকে নো কিয় দিব লাগে? কলৈ গৈছিলা? কোৱা ।'

'বাগানৰ ইমূৰলৈ' তাই খোনাই খোনাই ক'লে। 'মই ফাঁকি দিয়া নাই ।'

'আন কলৈকো যোৱা নাই ?' মই সুধিলো । 'নাই যোৱা' বুলি তাই মুখৰ ভিতৰতে কৈ জবাব এটা দিলে ।

মই বৰ বেজাৰেৰে ক'লোঁ, 'চোৱা, কেথি আইটি । তুমি জানা যে তুমি ভাল কাম কৰা নাই । নহলে তুমি মোক ফাঁকি দিবলৈ নোযোৱা । তুমি ফাঁকি দিয়াত মই বেজাৰ পাইছোঁ । তোমাৰ পৰা মই জীয়া ফাঁকি এবাৰ শুনাতকৈ, মই তিনিমাহ দিন বেমাৰী হৈ বিচনাত পৰি থাকিম, সিও ভাল।'

তাই আপমাৰি মোৰ ওচৰলৈ আহিল আৰু চকুপানী টুকি টুকি মোক সাবটি ধৰিলে।

'এলেন, তই খং কৰ বুলি মোৰ ইমান ভয় লাগে ।' তাই কৈ গ'ল । 'খং নকৰ বুলি ক, আৰু মই তোক আচল কথাটো ক'ম । মই কথাটো লুকুৱাই ৰাখিব খোজা নাই।'

আমি দুয়ো খিৰিকিৰ কাষত বহি ললোঁ। গোপন কথাটো যিয়েই নহওক কিয়, মই তাইক গালি নাপাৰোঁ বুলি আশ্বাস দিলোঁ। কথাটো অৱশ্যে মই জানিছিলোৱেই। তাই



কৈ গ'ল ঃ

"এলেন, মই 'বাদাবিং হাইট্চ'লৈ গৈ আছোঁ । তই অসুখত পৰা দিন ধৰি এদিনো বাদ পৰা নাই। মাত্ৰ তই কোঠাটো এৰাৰ আগত তিনিবাৰ আৰু পিচত দুবাৰ যি ব্যতিক্ৰম হৈছে। মই মাইকেলক মিন্নিক নিতৌ সন্ধিয়া সাজু কৰি ৰাখিবলৈ, আৰু ঘুৰি অহাৰ পিচত আস্তাবলত ভৰাই থবলৈ নিৰ্দেশ দিছিলোঁ । তই আকৌ তাকো গালি পাৰিব নোৱাৰিবি, মনত ৰাখিবি। মই সাধাৰণতে চাৰে ছয় বজাত 'হাইট্চ' পাওঁগৈ, আৰু চাৰে আঠ বজালৈকে থাকোঁ। তাৰ পিচত কলমত ঘোঁৰা চেকুৱাই ঘৰলৈ ওভতোঁ। মই মন ভাল লগাবলৈ বুলি তালৈ যোৱা নাছিলোঁ । আচলতে মই বৰ অশান্তি পাই আছিলোঁ । কেতিয়াবা কেতিয়াবা মোৰ মন ভালো আছিল সপ্তাহত এবাৰ মানকৈ । প্ৰথমতে ভাবিছিলোঁ যে মই লিণ্টনক দিয়া কথা ৰক্ষা কৰিবলৈ তোৰ অনুমতি লোৱাটো টান কাম হ'ব । আমি সেইদিনা তাৰপৰা ওলাই আহোঁতে মই তাক পিচদিনা আকৌ লগ পাম বুলি কথা দিছিলোঁ । কিন্তু পিচদিনা তই ওপৰ মহলাতে থাকিলি বাবে মই সেই অসুবিধাৰ পৰা ৰক্ষা পালোঁ । আবেলি মাইকেলে বাগানৰ জপনাখন বন্ধ কৰি থবৰ সময়ত মই তাৰ পৰা চাবিটো ৰাখি থওঁ। মই তাক কৈছিলোঁ বোলো পেহীৰ ল'ৰাটোৰ অসুখ, সি ইয়ালৈ আহিব নোৱাৰে, অথচ সি মোক মাতি আছে, আৰু মই গলে সি ভাল পাব, কিন্তু পিতাই মোক যাবলৈ নিদিয়ে ।

এইদৰে বুজাই মেলি মই তাৰ লগত ঘোঁৰাৰ বন্দবস্ত কৰিলোঁ । সি পঢ়ি ভাল পায়, আৰু অলপতে সি ইয়াৰ চাকৰি ইস্তফা দি যাবগৈ— তাৰ বিয়া পাতিছে । সি মোক ক'লে যে মই যদি পুথিভঁৰালৰ পৰা তাক কিতাপ ধাৰে দিওঁ, তেন্তে সি মই যি কৰিবলৈ কওঁ, কৰিব । মই পিচে তাক মোৰ নিজৰ কিতাপকে দিলোঁ । সেইবাবে সি আৰু ভাল পালে ।

মই দ্বিতীয়বাৰ যাওঁতে তাক মই বেচ স্ফূৰ্তিৰে থকাই দেখিলোঁ । জিল্লাই (জিল্লা সিহঁতৰ ঘৰুৱা কামবনৰ তদাৰক কৰা মানুহজনীৰ নাম) এটা পৰিষ্কাৰ পৰিচ্ছন্ন কোঠাত বহুৱাই একুৰা জুই ধৰি দিলে । তাই আমাক ক'লে বোলে জোচেফ প্ৰাৰ্থনা সভালৈ গৈছে আৰু হেয়াৰটন আৰ্ণশ্বৰ লগত কুকুৰজাক লৈ উৰিক চিকাৰ কৰিবলৈ গৈছে । মই পিচতহে গম পালোঁ যে সি সেইদৰে ওলাই গলে আমাৰ হাবি বননিবোৰ খান্তাং কৰিহে ওভতে । জিল্লাই আমাক ক'লে যে ঘৰত সেই সময়ত আন কোনো নাই যেতিয়া আমি যি ইচ্ছা কৰিব পাৰোঁ ।

তাই মোক অলপ আদাকল মিহলোৱা ৰুটি আৰু এগিলাচ গৰম মদ আনি দিলে। তাইক মোৰ বৰ ভাল স্বভাৱৰ লোক যেন লাগিছিল। লিণ্টন আৰামী চকীখনত বহিছিল। মই বহিছিলোঁ জুহালৰ ওচৰৰ সৰু দোলনা চকীখনত। আমি দুয়োটাৰ কত যে কথা নোলাল । হাঁহি মাতি মহা আনন্দেৰে আমি কথা পাতি আছিলোঁ । গ্ৰীষ্মকালত আমি কলৈ যাম, কি কৰিম সেইবোৰ কথাকে আলচি আছিলোঁ। গোটেই কথাবোৰ তোৰ আগত মই পুনৰাবৃত্তি নকৰোঁ দেই । সেইবোৰ ফাং ফুং বুলি তই হাঁহি দিবি কিজানি।

এসময়ত পিচে আমাৰ মাজত কাজিয়া লগাৰো উপক্ৰম হৈছিল । গ্ৰীষ্ম কালৰ এটা গৰম দিন কটোৱাৰ আটাইতকৈ সুন্দৰ উপায়টোৰ কথা ওলাইছিল। সেইটো

হ'ল ঃ পুৱাৰ পৰা গধূলিলৈকে মুকলি পথাৰত ঘাঁহনিৰ ওপৰত পৰি থকা । ওচৰৰ ফুলবিলাকত পৰি মৌ গুটিবোৰে কৰা অলস গুণ গুণ শব্দ তোমাৰ কাণত পৰিব। তোমাৰ মুখৰ ওপৰৰ আকাশত লাৰ্ক চৰায়ে গীত গোৱা তুমি শুনিবলৈ পাবা। নীলা আকাশ, ৰ'দ জিলমিল দিন । কি মজা । সেইটোৱেই আছিল তাৰ ধাৰণা— তাৰমতে সেই সুখেই স্বৰ্গ সুখ, তাতকৈ বেচি সুন্দৰ অভিজ্ঞতা আৰু একো হ'ব নোৱাৰে। মোৰ ধাৰণাটো আছিল বেলেগ ঃ পচোৱা বতাহ বলি থাকিব, মই বতাহত লৰি থকা গছৰ সেউজীয়া ডাল এটাত ধৰি ওলমি থাকিম, মোৰ মুখৰ ওপৰৰ আকাশেদি শুকুলা মেঘৰ ভাৰবোৰ পাল তুলি উৰি যাব, আৰু অকল লাৰ্ক চৰায়েই নহয়, কুলি, কেতেকী, মইনাৰ সুললিত মধুৰ আৰাও চাৰিওফালৰ পৰা আহি মোৰ কাণত পৰিব, দূৰৈত দেখা যাব বিস্তীৰ্ণ উন্মুক্ত শ্যামল প্ৰান্তৰ— তাৰ মাজত অ'ত ত'ত বজলা বৰণীয়া একোটা টিপ। ওচৰতে দীঘল দীঘল কঁহৰাই বতাহত ঢৌ খেলি খেলি হালিব জালিব । অকণ্যাৰ পৰা আহিব সোঁ সোঁ শব্দ, আৰু তাৰ লগত যোগ হ'ব পানীৰ খল খলনি উঠাৰ শব্দ। সমগ্ৰ সংসাৰ যেন আনন্দত মতলীয়া । লিণ্টনৰ আদৰ্শ হ'ল সমস্ত জগত নিবিড় শান্তিৰ ভাবাবেশত আপ্লুত হৈ ৰওক; মোৰ আদৰ্শ হ'ল, আনন্দৰ অবাধ স্ফূৰণত সমস্ত সংসাৰ আলোড়িত হৈ উঠক ।

মই তাক কৈছিলোঁ যে তাৰ কল্পনাৰ সেই সুখৰ সংসাৰ হ'ব প্ৰায় অৰ্দ্ধমৃত । তাৰ মতে মোৰ কল্পনাৰ সেই সুখৰ সংসাৰ হ'ব উন্মত্ত, মাতাল । মই কলোঁ যে তাৰখন সংসাৰত মই টোপনিত পৰিম, তাৰমতে মোৰ খন সংসাৰত সি উশাহকে লব নোৱাৰিব । কোৱাৰ লগে লগে সি খিঙখিঙীয়া হৈয়ো পৰিল । শেহত দুয়ো থৈ আমি ঠিক কৰিলোঁ যে উপযুক্ত বতৰত আমি আমাৰ দুয়োটা পৰিকল্পনাকে বাস্তৱত পৰীক্ষা কৰি চাম । ইয়াৰ লগে লগে আমি দুয়োটাই ইটোৱে সিটোক চুমা খালোঁ, আৰু আমাৰ মাজত পুনৰ প্ৰীতিৰ ভাব আহি গল । এঘণ্টা সময় তাতে বহি থাকি মই ডাঙৰ কোঠাটোৰ মিহি, কাৰ্পেট নথকা মজিয়াখন চালোঁ । ভাবিলোঁ, মেজখন মাজৰ পৰা আঁতৰাই ন'লে তাত খেলিবলৈ মজাৰ হ'ব । কোঠাটো আন্ধৰাই লবলৈ বুলি জিলাক মাতিবলৈ মই লিণ্টনক ক'লোঁ । তাতে আমি কাণিমুণি খেল খেলাৰ কথা ভাবিছিলোঁ। আগতে যে খেলিছিলোঁ আমি, তোৰ মনত থাকিব লাগে, এলেন । সি পিচে সেই খেল নেখেলে বুলি ক'লে, তাৰ বোলে ভাল নালাগে। সি মোৰ লগত বল খেলিবলৈহে বিচাৰিলে। পুৰণি বয়বস্তুৰ মাজত, এটা থাকত, আমি দুটা বল বিচাৰি পালোঁ। কত ৰকমৰ বস্তুৰ দ'ম ! পুৰণা পুতলা, বেডমিণ্টনৰ চাট্‌ল কক, পাতল বেট, সৰু খেলনা গাড়ীৰ চকা, আৰু কত কি । বল দুটাৰ এটাত ইংৰাজী চি (C) আখৰটো লিখা আছিল, আনটোত এইট্‌চ (H) আখৰটো । মই চি (C) আখৰ থকাটো ল'লোঁ, কাৰণ তেতিয়া সেইটো নামেৰে মোৰ নাম বুজাব । সেইদৰে, তাৰ নাম বুজাবলৈ এইট্‌চ (H) আখৰটো থকা বলটো ললে । পিচে আখৰটোৰ একাল এৰাই আছিল। সেইটো তাৰ পচন্দ নহ'ল ।

খেলত মই তাক বাৰে বাৰে ঘটুৱালোঁ । ফলত তাৰ আকৌ খং উঠিল, আৰু কান্দিবলৈ ললে। সি তাৰ চকীলৈ উভতি গ'ল। পিচে খং ভাৱটো তাৰ বেছিপৰ নাথাকিল। তাৰ মন সোনকালেই ভাল হ'ল। দুটা নে তিনিটা ধুনীয়া গানো গালে—



তই শিকোৱা গানেই, এলেন । শেষত মই ঘৰলৈ উভতিবলৈ ওলালত সি মোক পাচদিনা গধূলিও তাৰ ওচৰলৈ যাবলৈ কাবৌ কোকালি কৰিলে, আৰু ময়ো কথা দিলোঁ যাম বুলি ।

মিন্নিৰ পিঠিত উঠি খৰ কদমত মই ঘৰ পালোঁহি । পিচদিনা পুৱালৈকে মই কেৱল 'ৰাদাৰিং হাইট্‌চ' আৰু মোৰ পৰম প্ৰিয় লিণ্টনৰ কথাকে ভাবি আছিলোঁ । পিচদিনা মোৰ মনটো গধুৰ হৈ আছিল । কাৰণ হ'ল দুটা ঃ প্ৰথম কাৰণ তোৰ গাটো ভাল নাছিল ; দ্বিতীয়তে, মই 'ৰাদাৰিং হাইট্‌চ'লৈ আহযাহ কৰা কথাটো পিতাই গম পোৱাটো মই পেটে পেটে বিচাৰিছিলোঁ; মোৰ ভাব হৈছিল, গম পোৱাৰ পিচত তেখেতে মই তালৈ যোৱাত আপত্তি নকৰিব । এই চিন্তাতে মোৰ মনত উথল-পুথল ভাব। পিচে গধূলি চাহৰ পৰ্ব্ব শেষ হোৱাৰ পিচত দেখিলোঁ বাহিৰত সুন্দৰ জোনাক। আৰু ওলাই যোৱাৰ লগে লগে মোৰ মনৰ গতিকে মই ঘোঁৰাত উঠি ওলাই গলোঁ, বিষণ্ণতাও আঁতৰিল।

'আৰু এটা সুন্দৰ সন্ধিয়া আজি মই লিণ্টনৰ লগত কটাব পাৰিম;' এয়ে আছিল মোৰ গোপন প্ৰত্যাশা । মোৰ প্ৰিয় লিণ্টনৰ সাহচৰ্য্যতে মোৰ আনন্দ।

ঘোঁৰাত উঠি মই সিহঁতৰ বাগানেদি গৈ আছোঁ । গৈ গৈ ঠিক পিচফাললৈ ঘুৰিব খুজিছোঁ, এনেতে দেখোঁ আৰ্ণশ বোলা সেই মানুহটো মোৰ ফাললৈ আহিছে । ওচৰ পাই সি মোৰ হাতৰ পৰা লেকামডাল ল'লে আৰু মোক আগদুৱাৰেদি সোমাবলৈ হুকুম দিলে। সি মিন্নিৰ ডিঙিত থপৰিয়াই তাইক মৰম কৰিলে, আৰু তাই বৰ মৰমলগা বুলি শলাগিলেও। সি মোৰ লগত কথা পাতিব খুজিছিল যেন মোৰ অনুমান হ'ল । মই মাত্ৰ তাক ক'লোঁ যে সি মোৰ ঘুঁৰীজনীৰ ওচৰ নচপাই ভাল, ক'ৰবাত লাঠি মাৰি দিব পাৰে।

সি তাৰ হজুৱা উচ্চাৰণেৰে ক'লে, 'লাঠি মাৰিলেও বেচি দুখ দিব নোৱাৰে', আৰু হাঁহি এটা মাৰি ঠেং কেইটালৈ চালে ।

মই ভাবিলোঁ প্ৰমাণেই চোৱা যাওক এবাৰ, লগাই দিওঁ । পিচে সি মোক দুৱাৰ খুলি দিবলৈ বুলি আঁতৰি গ'ল ।

দুৱাৰখনৰ ওপৰৰ খিলিটো খুলিবলৈ লৈয়েই সি কাৰত লগাই থোৱা নামফলিখনলৈ চাই, ঠতমত খোৱা যেন দেখুৱাই, অথচ মুখত আনন্দৰো হাঁহি বিৰিঙাই, বেঙাৰ দৰে ক'লে ঃ

'মিচ কেথেৰিণ, মই সৌখন পঢ়িব পাৰোঁ, জানা ।' 'বেচতো !' মই খুব স্ফূৰ্তি

পাই কলোঁ। 'পঢ়াচোন, তুমি দেখিছোঁ বেচ চালাক হৈছা।'

আখৰবোৰ জোটাই জোটাই, ঘোঁহাই ঘোঁহাই সি নামটো মাতিলে।

'সংখ্যা কেইটা পঢ়া। তাত কি লিখা আছে?' দি মই ক'লোঁ ঃ

সি আৰু আগবাঢ়িব নোৱৰা দেখি, তাক উত্তৰ

'সেইবোৰ মই এতিয়াও পঢ়িব পৰা হোৱা নাই ।' তাৰ অসমৰ্থতাত মই হাঁহি

কলোঁ, 'তুমি দেখিছোঁ এটা মস্ত ভেৰাবাম ।'

মূৰ্খটোৱে মোলৈ একেথৰে চাবলৈ ধৰিলে । ওঁঠত কাঠহাঁহি এটা যেন ওলাও

নোলাওঁ, চকু দুটা যেন খোপা— এনেহে ভাব যেন মোৰ হাঁহিত সিও যোগ দিবনে নিদিয়ে সেই কথা সি ঠিক কৰিব পৰা নাই। তামাচা কৰিহে তাক 'ভেবাৰাম' বুলিলোঁ, নে অপমান কৰিবলৈ বুলিয়েই সেইদৰে কলোঁ, সি যেন ভাবি পাব পোৱা নাই।

মই হঠাতে গহীন হৈ দি তাৰ দোধোৰ মোৰ অবস্থাৰ অন্ত পেলালোঁ। মই লিণ্টনক লগ কৰিবলৈহে গৈছোঁ, তাৰ ওঁচৰলৈ যোৱা নাই বুলি কৈ তাক তাৰ নিজৰ কামত যাবলৈ কলোঁ।

জোনৰ পোহৰত মই ধৰিব পাৰিলোঁ যে সি গোটেই মানুহটো বৰ চিন্তাত পৰিছে। সি খিলিৰ পৰা হাত নমাই অলপ আঁতৰলৈ গৈ থিয় দি ৰ'ল। মুখত তাৰ কথা নাই। তাৰ যে সম্মানত লাগিছে, সেই কথা তাক দেখিলেই বুজা যায়। নিজৰ নামটো গোটাব পাৰিছিল বুলিয়েই সি নিজকে লিণ্টনৰ সমান বুলি ভাবি লৈছিল কিজানি। মই তেনে বুলি নভবা দেখি সি একেবাৰে ভেবা লাগিলে।'

মই মাজতে মাত লগালোঁ, 'হৈছে আৰু। কেথেৰিণ আইটি, বহুত হৈছে। মই তোমাক তিৰস্কাৰ কৰিব খোজা নাই, কিন্তু তুমি তাত যি আচৰণ কৰাৰ কথা কৈছা, সেই আচৰণ মই ভাল বুলি ক'ব নোৱাৰোঁ। হিথক্লিফ বোপাৰ দৰে হেয়াৰটন বোপাও তোমাৰ সম্পৰ্কীয় বুলি মনত ৰখাহেঁতেন তেনে আচৰণ কিমান অন্যায় হৈছে তুমি নুবুজাকৈ নাথাকিলাহেঁতেন। লিণ্টন বোপাৰ সমানেই জনাবুজা হ'বলৈ ওলোৱাটো তাৰ কাৰণে প্ৰশংসা কৰিবলগীয়া কথাহে। কেৱল লোকৰ আগত যশাবলৈকে বোধহয় সি আখৰ চিনা নাছিল। লেখাপঢ়া নজনা বাবে তুমি তাক আগতেও লাজ দিছা। মোৰ বিশ্বাস, নিজৰ অজ্ঞতা আঁতৰাই তোমাৰ মনত ৰং দিয়াহে আছিল তাৰ উদ্দেশ্য। পাৰক নোৱাৰক সি চেষ্টা কৰিছিল। তাৰ বাবেই তাক উপলুডা কৰি তুমি তোমাৰ নিজৰ শিষ্টাচাৰহীনতাৰহে প্ৰমাণ দিলা। তাৰ পৰিৱেশত ডাঙৰ দীঘল হোৱাহেঁতেন, তোমাৰ আচৰণ কম অমাৰ্জিত হ'লহেঁতেন বুলি তুমি ভাবা নেকি? ল'ৰাকালত সিও তোমাৰ দৰেই বুদ্ধিমান আছিল, কথা বতৰাও তোমাৰ দৰেই সহজেই বুজিব পাৰিছিল। দুষ্টমতি হিথক্লিফে তাক একেবাৰে আওহেলা কৰি কৰি তাৰ এনে গতি কৰিলে বাবেই আজি সি তোমাৰ হাতত এইদৰে লাঞ্ছিত হ'বলগা হ'ল। মই বৰ দুখ পাইছোঁ।'

মোৰ কথা শুনি কেথেৰিণে প্ৰায় চিৎকাৰ কৰাদি কৰি ক'লে, 'এলেন, তই কান্দিবি যেনেই পাইছোঁ। পিচে অলপ ৰ চোন, পিচৰখিনিও শুনি ল। তেতিয়াহে বুজিবি, সি বৰ্ণমালা ফলা মোক ভাল লগাবলৈকে শিকিছে নে নাই। পিচৰ খিনিও শুনি ললেহে বুজিবি সেই পশুটোৰ প্ৰতি ভাল ব্যৱহাৰ কৰাৰ প্ৰয়োজন আছিল নে নাই। এতিয়া শুন ঃ মই সোমাই গ'লোঁ। গৈ দেখোঁ লিণ্টন কাঠৰ দীঘল বেঞ্চখনত দীঘল দি পৰি আছে। মোক দেখা পাই সি সুৰ দাঙি বহিলে। সি মোক ক'লে,

'কেথেৰিণ, মৰমীজনী, আজি মোৰ গা ভাল নহয়, কথা আজি তুমিয়েই কৰা, মই শুনিমহে। আহাঁ, মোৰ কাষতে বহাঁহি। তুমি তোমাৰ কথা ৰাখিবা বুলি মই জানোঁ। কালিলৈকো আহিবা বুলি তুমি কোৱাৰ আগেয়ে তোমাৰ পৰা কথা আদায় কৰিম বুলি মই ভাবিয়েই থৈছোঁ।'

তাৰ গা ভাল নহয় দেখি তাক আমনি দিয়া উচিত নহ'ব বুলি মই বুজি পাইছিলোঁ।



মই কথাবোৰ লাহে লাহে কৈছিলোঁ আৰু তাক কোনো প্ৰশ্ন কৰা নাছিলোঁ। তাৰ যাতে কোনো কথাতে খং নুঠে তালৈ মই বিশেষ লক্ষ্য ৰাখিছিলোঁ। মোৰ বছা বছা কিতাপ কেইখনমান মই লগত লৈ গৈছিলোঁ। তাৰে এখনৰ পৰা সি মোক কিছু অংশ পঢ়িবলৈ ক'লে, আৰু ময়ো ঠিক পঢ়োঁ বুলি লৈছোঁ, এনেতে আৰ্ণশ্ব দুৱাৰ ঠেলি সোমাই আহিল। আগতে পোৱা অপমানৰ কথা চিন্তা কৰি তাৰ মন কিজানি খঙত উতলি আছিল। সি চিধাই আমাৰ ফাললৈ আহিল, আৰু লিণ্টনক হাতত ধৰি চোঁচোৰাই বহাৰ পৰা বগৰাই পেলাই দিলে।

'তোৰ নিজৰ কোঠালৈ যা' খঙৰ ভমকত তাৰ মুখৰপৰা কথাষাৰ যেন নুফুটিবই। মুখখন তাৰ গোমোঠা হৈ দেখাত ভয়ংকৰ হৈ পৰিছিল। 'তোকহে লগ পাবলৈ আহিছে, তাইকো লাগিলে লগতে লৈ যা। এইটো কোঠাৰ বাহিৰত তহঁতে মোক ৰাখিব নোৱাৰ। ওলা দুইটা।'

সি পাৰেমানে আমাক শাও শপনি দিলে। লিণ্টনক সি মুখেৰে মাতিবলৈকে সুযোগ নিদিলে। তাক হেঁচি ঠেলি সি পাকঘৰ পোৱালেগৈ। ময়ো লগে লগে গলোঁ। মোক দেখি সি মোলৈকো ভুকু দাঙিলে। পাৰিলে মোকো গটা মাৰি পেলাই দিবৰ মতলব। খন্তেক সময়ৰ বাবে মই ভয়ত কিংকৰ্তব্য-বিমূঢ় হৈ পৰিলোঁ। মোৰ হাতৰ পৰা এখন কিতাপ পৰি গ'ল। সেইখন সি চুটমাৰি বাহিৰলৈ পেলাই দিলে আৰু ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিলে।

জুহালৰ গুৰিত কোনোবাই টেকটেকাই হাঁহি মোৰ কাণত পৰিল। শুনিলেই বুজা যায় সেই হাঁহি আছিল ক্ৰূৰ হাঁহি। ঘূৰি চাই দেখোঁ, জোজেফ নামৰ জঘন্য মানুহটো, শুকান হড়ুলা হাত দুখন মোহাৰি মোহাৰি কঁপি কঁপি থিয় দি আছে। মোলৈ কুটিল দৃষ্টিৰে চাই সি ক'লে ঃ

'তোমাক এপালি দিব বুলি মই ভালকৈ জানিছিলোঁ। বেচ ল'ৰা হেয়াৰটন। এতিয়াহে তাৰ আচল প্ৰকৃতিটো ওলাইছে। সৌ তাত কাৰ দখল থাকিব, সেই কথা সি জানে। আৰু ময়ো জানোঁ। এ হে হে হে। সি তোমাক এইপিনলৈ উফৰি আহিব লগাৰ দৰে কৰিলে। এ হে হে হে।'

বুঢ়া বদমাইচটোৰ তিৰস্কাৰলৈ আওকাণ কৰি মই লিণ্টনক সুধিলোঁ, 'আমি তেন্তে কলৈ যাওঁ এতিয়া?' খঙত কঁপি কঁপি লিণ্টন শেতা হৈ গৈছিল। তাৰ ধুনীয়া মুখখন তেতিয়া ভয়ংকৰ দেখাইছিল। তাৰ খীণ মুখখন আৰু ডাঙৰ চকুহাল এক উন্মত্ত, অসহায় ক্ৰোধত ফুলি পৰিছিল। দুৱাৰখনৰ হাতনিত ধৰি সি জোকাৰিবলৈ ধৰিলে— দুৱাৰ ভিতৰৰ পৰা ইতিমধ্যে বন্ধ কৰা হৈছিলেই।

'মোক সোমাই যাবলৈ নিদিলে তোক মই মাৰি পেলাম। মোক সোমাই যাবলৈ নিদিলে তোক মই মাৰি পেলাম' বুলি লিণ্টনে চিৎকাৰ কৰিবলৈ ধৰিলে। 'চয়তান। তোক মই মাৰি পেলাম। মাৰি পেলাম মই তোক' বুলি উত্তেজিত হৈ সি চিঞৰিবলৈ ধৰিলে।

জোজেফে আকৌ গোৰগোৰাই হাঁহিলে ঃ 'ঠিকেই হৈছে। বাপ চাই বেটা।

একেবাৰে বাপেকৰ স্বভাৱ। আমাৰ মাজত চয়তানৰ প্ৰবৃত্তিটোও অলপ অচৰপ আছে নহয় । এই ল'ৰা, হেয়াৰ্টনৰ কথাত নধৰিবা। ভয় নাখাবা। সি তোমাক ধৰিবহি নোৱাৰে।'

মই লিণ্টনৰ হাত দুখনত ধৰি তাক সেইখিনিৰপৰা আঁতৰাই আনিবলৈ চালোঁ, কিন্তু সি ইমান বীভৎস চিৎকাৰ কৰিলে যে মই ভয় খাই তাৰ হাত এৰি দিলোঁ। কিছুপৰ সেইদৰে চিএৰাৰ পিছত তাৰ কাহে ধৰিলে, মুখেদি তেজ বলে, আৰু সি মাটিত ঢলি পৰিল ।

ভয়ত বিতত হৈ মই চোতাললৈ দৌৰ মাৰিলোঁ, আৰু টেটুফালি জিলাক চিএৰিলোঁ। মোৰ চিএৰ তাইৰ কাণত লগে লগেই পৰিল। ভৰাল ঘৰৰ পিচফালে চালি এখনৰ তলত তাই গাখীৰ খিৱাই আছিল। তৎক্ষূৰ্তি হেৰুৱাই তাই ঘৰে বন ততে এৰি মোৰ আগত থিয় দিলে আৰু কি কৰিব লাগে সুধিলে ।

কি কৰিব লাগে কওঁ চাবি মোৰ উশাহ নলোৱাই তেতিয়া টান হৈছে। তাইক ভিতৰলৈ চোচোৱাই নিয়াদি নি মই লিণ্টন কেনি আছে চালোঁ । ইতিমধ্যে সি কি অঘটন ঘটালে তাকে চাবলৈ হেয়াৰ্টন কোঠাৰপৰা ওলাই আহিছিল। সি বেচেৰাক দাঙি ওপৰলৈ লৈ যাবলৈ ধৰিছে । জিল্লা আৰু মই তাৰ পিচে পিচে গলোঁ। কিন্তু খটখটিৰ ওপৰ মূৰ পাওঁতে সি মোক ভিতৰলৈ সোমোৱাত বাধা দিলে আৰু মোক ঘৰলৈ উভতিবলৈহে হুকুম কৰিলে।

মই উত্তেজিত স্বৰত চিএৰি চিএৰি ক'লোঁ, 'তই লিণ্টনক মাৰিলি। মই ভিতৰ সোমামেই ।'

জোজেফে দুৱাৰখনত তলা লগাই দি ক'লে যে তেনে কাম মই কৰা অনুচিত। লগতে সি মোক হেয়াৰ্টনৰ দৰেই পাগল হৈ জন্ম লৈছোঁ নে কি সুধিলে ।

মই কান্দি কান্দি তাতে থিয়দি থাকিলোঁ । জিল্লা আকৌ মোৰ ওচৰ পালেহি । তাই কলে যে অলপ পিচতে লিণ্টন ভাললৈ আহিব । কিন্তু ওচৰত হৈ থকা চিএৰ-বাখৰবোৰ তাৰ সহ্য হোৱা নাই । এইবুলি কৈয়েই তাই মোক দাঙি নিয়াৰ দৰে আন এটা কোঠালৈ লৈ গ'ল ।

'এলেন, সেই পৰিস্থিতিত মই মোৰ মূৰৰ চুলি উঘালি নাইকিয়া কৰিম যেন লাগিছিল। কান্দোতে কান্দোতে মোৰ চকুদুটা যেন কণাহে হ'ব। আৰু তই সহানুভূতিত গলি যোৱা সেই দুৰ্বৃত্তটো তেতিয়া মোৰ সন্মুখত থিয় দি আছিল। সি মোক মাত লগাই গোটেই ঘটনাটোৰ বাবে যে সি দায়ী নহয় তাকে কবলৈ চেগ চাই ফুৰিছিল। মই যেতিয়া গোটেইবোৰ কথা পিতাক জনাই দিম বুলি চিএৰি চিএৰি তাক কৈ দিলোঁ, আৰু তাৰ কনী দশা হ'ব, নতুবা ফাঁচীশালত ওলমিব বুলি শুনালোঁ, সিও হুৱাওৱাৰে কান্দি দিলে আৰু নিজৰ ভয়ভাবটো লুকুৱাবলৈ ললালবিকৈ তাৰপৰা আঁতৰি গ'ল ।

তথাপিতো সি মোৰ লগ নেৰিলে । বহুতপৰৰ মূৰত সিহঁত আটাইবোৰে জোৰ কৰি মোক তাৰপৰা পঠিয়াই দিলে । মই ওলাই এশগজমান দূৰ আহিছোঁহে, এনেতে দেখোঁ সি হঠাতে বাস্তাৰ কাষৰ জোপাৰ আঁৰৰ পৰা আহি মোৰ আগত ওলাল, মিনিক



ৰখালে, আৰু মোৰ হাতত থাপ মাৰি ধৰি ললে ।

'মিচ কেথেৰিণ, মই বৰ বেয়া পাইছোঁ, পিচে এই কথাও ভাল নহয় যে --'

সি মোক মাৰি পেলাবলৈ ওলাইছে বুলি ভাবি মই তাক চাবুকেৰে এচাট মাৰিলোঁ।

লগে লগে সি মোক এৰি দিলে; এৰি দিলে হয়, কিন্তু কিযে বীভৎস শাও শপনি ! মই তাক তাতে এৰি জোৰ কদমত ঘোঁৰা চেকুৱাই ঘৰ পালোঁহি । তেতিয়ালৈ মোৰ আধা মৰা অৱস্থা ।

সেইদিনা ৰাতি মই তোক শুভৰাত্ৰি জনোৱা নাছিলোঁ। পিচদিনা মই 'বাদাৰিং হাইট্‌চ লৈ নগলোঁ । যাবৰ কিন্তু খুব মন গৈছিল, কিন্তু কিবা অমংগলৰ আশংকাত মই অত্যন্ত উত্তেজিত হৈ আছিলোঁ, জানোচা মই তালৈ গৈ লিণ্টন মৰিল বুলি শুনোঁ। মাজে মাজে মোৰ তেনে ভাব হৈছিল। মাজে মাজে আৰু' হেয়াৰ্টনৰ লগত মুখামুখি হোৱাৰ আশংকাত মোৰ বুকু কঁপি উঠিছিল।

তৃতীয় দিনা মই মনত বল বান্ধিলোঁ। অনিশ্চিত অৱস্থা এটা মই আৰু সহ্য কৰি থাকিব নোৱাৰিলোঁ । আকৌ এবাৰ মই সুত কৰে বাহিৰ ওলালোঁ । মই পাঁচ বজাতে ওলাইছিলোঁ। এইবাৰ ঘোঁৰা নিয়া নাই, খোজকাঢ়ি গৈছিলোঁ। ভাবিছিলোঁ যে মই কোনেও নেদেখাকৈ গৈ চিধাচিধি লিণ্টনৰ কোঠাত সোমামগৈ। পিচে মই যোৱাৰ আগজাননী কুকুৰ জাকেই দিলে । জিল্লা আগবাঢ়ি আহি মোক ক'লে বোলে ল'ৰাটো (অৰ্থাৎ লিণ্টন) ভাললৈ আহিছে। এটা সৰু, বেচ পৰিপাটি, আৰু মজিয়াত দলিচা পৰা কোঠাত মোক নি তাই বহুৱালেগৈ । তাতে মই লিণ্টনক চোফা এখনত বাগৰ দি মই দিয়া কিতাপ এখন পঢ়ি থকা দেখিলোঁ । তাকে দেখি মোৰ মনত যে কি স্ফূৰ্তি! কিন্তু এলেন, তই কিজানি নাজান, তাৰ এনে বদমেজাজ, এঘণ্টা পৰলৈ সি মোক নামাতেও, নাচায়ো মোৰ ফালে ! আৰু এঘণ্টাৰ মূৰত যেতিয়া তাৰ মুখ খুলিলে তেতিয়া তাৰ কথা শুনিতো মই হতভম্ব হৈ গ'লোঁ । তাৰ মতে দুদিনৰ আগৰ সেই হুলস্থুলৰ বাবে মইহে জগৰীয়া, হেয়াৰ্টনৰ গাত বোলে তাৰবাবে একো দোষ নাই ! ধীৰ, সংযত উত্তৰ দিয়া পৰিছিলোঁ যে

তাৰ কথা শুনি মই ইমান আবেগপূৰ্ণ হৈ পৰিছিলোঁ যে ধীৰ, সংযত উত্তৰ দিয়া মোৰ তেতিয়া সম্ভৱ নহ'লহেঁতেন— অত্যন্ত আবেগিক উত্তৰকে দিব লাগিলহেঁতেন। সেইবাবে মই বহাৰপৰা উঠি কোঠাৰ বাহিৰ ওলালোঁ । সি পিচফালৰপৰা নাহেকৈ, শুনা-নুশুনাকৈ 'কেথেৰিণ !' বুলি মাতিছিল, কিন্তু তাৰ উত্তৰত মই কিবা এটা কোৱাটো সি বিচৰা নাছিল। সেইবাবে মই পিচলৈ ঘূৰি নাচালোঁ, উভতি আহিলোঁ আৰু পিচদিনা দিনৰ দিনটো ঘৰতে থাকিলোঁ। কন্মিনকালেও লিণ্টনৰ ওচৰ আৰু নাচাপোঁ বুলি সেইদিনা মই দ্বিতীয়বাৰৰ বাবে প্ৰায় স্থিৰ কৰিলোঁ। পিচে লিণ্টনৰ একো খা-খবৰ নাপাই মোৰ মনটো ইমান চট্‌ফটাবলৈ ল'লে যে মই টোপনিতো শান্তি নোপোৱা হলোঁ, দিঠকতো স্থিৰেৰে ৰ'ব নোৱৰা হলোঁ। গতিকে মোৰ সংকল্প গোট মাৰি টান নৌ হওঁতেই, ভাপ হৈ উৰিলে। দুদিনৰ আগতে ভাবিছিলোঁ, তালৈ যোৱাটো মোৰ ভুল হৈছে ! এতিয়া ভাবিলোঁ তালৈ নোযোৱাকৈ থকাটো মোৰ ভুল হৈছে ! মাইকেল আহি মিনিৰ পিঠিত জীন লগাবনে বুলি সুধিলত মই 'লগাগে' বুলি উত্তৰ দিলোঁ । মিনিৰ পিঠিত উঠি পাহাৰৰ ওপৰেদি গৈ থাকোঁতে কিবা এক কৰ্তব্য সম্পাদন কৰিবলৈ ওলোৱা বুলি মই নিজকে পতিয়ন নিয়াইছিলোঁ ।

ডোঙাল পাবলৈ হ'লে আগফালৰ খিৰিকিবোৰ পাৰ হৈ যাব লাগে। গতিকে মোৰ উপস্থিতি লুকুৱাবলৈ যত্ন কৰা যে বৃথা সেই কথা মই বেচ বুজি পাইছিলোঁ।

মই আগফালৰ চ'ৰা কোঠালৈ সোমোৱা দেখি লিণ্টন তাতে থকা বুলি জিলাই মোক ক'লে। মই সোমাই যাওঁতে আৰ্ণশ্বও তাতে বহি আছিল, কিন্তু মোক দেখি সি তৎক্ষণাত তাৰ পৰা ওলাই গ'ল। লিণ্টন ডাঙৰ আৰামী চকীখনত হেলান দি আধা আধি টোপনি যোৱা অৱস্থাত পৰি আছিল। মই জুইশালৰ ওচৰলৈ গৈ, গহীন ভাৱত ক'বলৈ আৰম্ভ কৰিলোঁ।

'লিণ্টন। মোক তোমাৰ ভাল নালাগে বুলি মই জানোঁ। তোমাক আঘাত দিবৰ মতলবেৰেই মই ইয়ালৈ আহোঁ বুলি তুমি ভাবা। প্ৰতিবাৰতে তোমাৰ তেনে ভাবেই প্ৰকাশ পোৱা মই দেখিছোঁ। সেইবাবে, আজিৰপৰা আৰু মই তোমাৰ ওচৰলৈ নাহোঁ। আজিৰপৰা আমাৰ এৰাএৰি। তুমি মোক লগ পাবলৈ মন নকৰা বুলি মিঃ হিথক্লিফক ক'বা। এই বিষয়ে তেওঁ যেন আৰু নানানটা জালপাত জোৰা দিয়া কথা কৈ নুফুৰে।'

এইখিনি কথা মই তাক ভাবুকি দিবলৈ বুলি কোৱা নাছিলোঁ; একপ্ৰকাৰে পেটৰ কথাহে কৈছিলোঁ। হলেও হওক এৰা এৰি, সেয়ে বৰং ভাল— মোৰ মনত তেতিয়া তেনে এটা ভাব।

লিণ্টনে মাত লগালে, 'কেথেৰিণ বহঁচোন। হেটটো খুলি থোৱা। তুমি মোতকৈ বহুত সুখী; সেইবাবে তুমি মোতকৈ ভাল হবাই। পিতাই মোৰ দোষবোৰৰ কথা কৈ মোক অনবৰতে খেদেছি থাকে। মোৰ প্ৰতি অৱজ্ঞা দেখুওৱাৰো অন্ত নপৰে। ফলত মোৰ প্ৰায়ে নিজৰ মনতে সন্দেহ হয়— মই কিজানি সঁচাসচিকৈয়ে পিতাই কোৱাৰ দৰেই, একেবাৰে অলাগ্ৰক বা। তেনে সন্দেহ মনলৈ আহিলেই মোৰ ইমান খং উঠে আৰু মই ইমান তিক্ত-বিৰক্ত হৈ পৰোঁ যে মই কাকো সহ্য কৰিব নোৱাৰা হওঁ, সকলোকে ঘিণ কৰিবলৈ ধৰোঁ। মই অপদাৰ্থ; মোৰ মেজাজো বেয়া। মনো বেয়া। প্ৰায় সদায়েই বেয়া। তুমি সম্বন্ধৰ জেদ পেলোৱাৰ কথা কৈছা— ইচ্ছা কৰিছা যদি পেলোৱা। অশান্তি এটাৰপৰা হাত সাৰিবা। মাত্ৰ কেথেৰিণ, মোৰ প্ৰতি সুবিচাৰ কৰি এই এটা কথা ভাবি চাবা। মই তোমাৰ সমানে ভাল, সহানুভূতিশীল আৰু অমায়িক হ'ব পৰাহেঁতেন, ময়ো তোমাৰদৰেই, বৰং তোমাতকৈও বেচিকৈহে সুখী আৰু স্বাস্থ্যবান হ'ব পাৰিলোঁহেঁতেন। তোমাৰ মৰমৰ যোগ্য মই হওঁনে নহওঁ নাজানোঁ, কিন্তু তোমাৰ মোৰ প্ৰতি দেখুওৱা সহৃদয়তাৰ গুণে মই তোমাক আজি বেচিকৈ ভাল পাওঁ। মোৰ যি স্বভাৱ, তাক মই তোমাৰপৰা লুকুৱাই ৰাখিবতো নোৱাৰোৱেই, দমাই ৰাখিবও নোৱাৰোঁ। তাৰ বাবে মই কিন্তু সদায়েই অনুতপ্ত। এই অনুশোচনা মোৰ শেষলৈকে থাকিব। মৰাৰ দিনলৈকে থাকিব।' মোৰ মনেৰে সি সঁচা কথাকে কৈছিল। তাক মই ক্ষমা কৰা উচিত বুলি মোৰ ভাব হ'ল। পিচ মুহূৰ্ততে হয়তো সি আকৌ কাজিয়া কৰিব— কৰক, মই আকৌ তাক ক্ষমা কৰিব লাগিব। আমাৰ দুয়োৰে মাজত আকৌ মিলমাল হ'ল, কিন্তু তাত থকা গোটেইখিনি সময় আমি দুয়োটাই কন্দাকটা কৰিলোঁ। ঠিক বেজাৰত কন্দা নহয়; লিণ্টনৰ যে তেনে বিষম প্ৰকৃতি, তাৰ বাবেহে কন্দা। সেই প্ৰকৃতিৰ বাবেই সি তাৰ বন্ধু-বান্ধৱকো শান্তিত থাকিবলৈ নিদিব, আৰু নিজেও শান্তিত নাথাকিব।



সেইনিশাৰ পিচত প্ৰতিদিনে মই গৈ তাক তাৰ বহাকোঠাত লগ ধৰিছোঁ। লিণ্টনৰ পিতাক পিচদিনা ঘৰলৈ ঘূৰিলে। তিনিদিনমান আমি প্ৰথম সন্ধিয়াটো কটোৱাদি, বেচ হাঁহি তামাচাৰেই কটাইছোঁ। বাকীবোৰ দিন বিষণ্ণ মনেৰে অশান্তিত কটাইছোঁ। কেতিয়াবা তাৰ আপোনপেটীয়া স্বভাৱ আৰু বিদ্বেষৰ বাবে, কেতিয়াবা তাৰ কষ্টৰ কথা ভাবি মই মনত কষ্ট পাইছিলোঁ। কিন্তু তাৰ বদমেজাজ মই নিৰ্বিকাৰভাৱে সহ্য কৰিবলৈ শিকিছোঁ।

মিঃ হিথক্লিফে ইচ্ছা কৰিয়েই মোৰ পৰা আঁতৰি ফুৰে। মই তেওঁক প্ৰায় নেদেখাৰ দৰেই। যোৱা দেওবাৰে মই আনদিনাতকৈ অলপ আগতে গৈছিলোঁ। গৈ শুনো যে হিথক্লিফে বেচেৰা লিণ্টনক আগবাতিৰ আচৰণৰ বাবে নিৰ্মমভাৱে গালি গালাজ পাৰি আছে। তেওঁনো কথাটো গম পালে কেনেকৈ ক'ব নোৱাৰোঁ। বোধহয় মনে মনে শুনি আছিল। লিণ্টনৰ আচৰণ অতিশয় প্ৰৰোচনামূলক আছিল হয়, পিচে সেইটো মোৰ গাতহে লাগিব লাগে, আনৰ গাত লগাৰ কথা নহয়। মই সোমাই গৈ হিথক্লিফৰ কথাৰ মাজতে কৈ দিলোঁ যে আমাৰ কথাত তেওঁ মূৰ ঘমাব নালাগে। তেওঁ ঢেকঢেককৈ হাঁহি ওলাই গ'ল। যাওঁতে কৈ গ'ল বোলে মই কথাটো তেনেধৰণে লোৱাত তেওঁ ভালেই পাইছে। মই লিণ্টনক কৈ দিছোঁ যে আগলৈ খং উঠা কথা কিবা কবলৈ থাকিলে সি মোৰ কাণত ফুচফুচাইহে ক'ব পাৰিব, আনৰ কাণত পৰাকৈ ডাঙৰকৈ নহয়।

"এতিয়া এলেন, তই সমস্ত কথা শুনিলি। 'ৱাদাৰিং হাইট্চ'লৈ যোৱাত মোক বাধা দিব নোৱাৰিবি। দিলে দুটা আমাই যন্ত্ৰণাত ছটফটাম। পিতাক কথাটো তই নকলে কাৰো শান্তিত ব্যাঘাত নহয়। তই নকৱ, নহয় ? ক'লে কিন্তু বৰ নিষ্ঠুৰ কাম কৰা হ'ব।'

মই উত্তৰত ক'লোঁ, 'কওঁনে নকওঁ, মই ৰাক কালিলৈ ঠিক কৰিম। ভাবি চাব লাগিব। এতিয়া শোৱাগৈ যোৱা। মই কথাটো চিন্তা কৰি চাওঁ।'

কেথেৰিণৰ কোঠাৰপৰা মই পোনে পোনে মোৰ গৃহস্বামীৰ কোঠালৈ গলোঁ, আৰু তাতে তেওঁক সকলো কথা বিবৰি কলোঁ। নোকোৱাৰ ভিতৰত থাকিল কেথি আহিটিৰ লিণ্টন বোপাৰ লগত হোৱা কথা বতৰাবোৰ। হেয়াৰটনৰ কথাও মই একেবাৰে উল্লেখ কৰা নাছিলোঁ।

কথাবোৰ শুনি কেথিৰ দেউতাক অতি বিচলিত আৰু চিন্তিত হ'ল। বাহিৰত কিন্তু তেওঁ মনৰ ভাৱ সিমানকৈ মোৰ আগত প্ৰকাশ নকৰিলে। তাইৰ লগত বিশ্বাস ভংগ কৰা বুলি কেথেৰিণে পিচদিনা পুৱা গম পালে। তাইৰ গোপন যাত্ৰাবোৰৰ যে অন্ত পৰিল, সেই কথাও তাই বুজিলে।

পিতাকৰ আদেশৰ বিৰুদ্ধে তাই কত যে কন্দা-কটা, আপত্তি-বিপত্তি নকৰিলে! পিচে অটাইবোৰ মিছা হ'ল। লিণ্টনৰ প্ৰতি সদয় হ'বলৈ পিতাকক কিমান যে কাকুতি-মিনতি নকৰিলে! পিতাকে মাত্ৰ ক'লে যে তেওঁ তালৈ চিঠি লিখি জনাব যে যেতিয়াই ইচ্ছা কৰে তেতিয়াই সি 'গ্ৰেঞ্জ'লৈ আহিব পাৰিব, কিন্তু 'ৱাদাৰিং হাইট্চ'ত সি যে কেথিক কেতিয়াও আৰু দেখিবলৈ নাপাব সেই কথাও তেওঁ তাক লিখি জনাব। ভাগিনীয়েকৰ দেহ-মনৰ অৱস্থাৰ গম পোৱা হ'লে তেওঁ কিজানি সেইৰূপ সুযোগ আগবঢ়োৱাৰ কথাও নাভাবিলেহেঁতেন।

# ২৫

মিচেছ ডীনে ক'লে, 'মহাশয়, এইবোৰ ঘটনা ঘটিল গ'লবাৰৰ ক্ৰাছকালি। এবছৰতকৈ কেইদিনমানহে বেচি হৈছে কি নহৈছে। পৰিয়ালৰ অচিনাকি লোক এজনৰ আগত, বাৰ মাহৰ মূৰত এই সমস্ত বৃত্তান্ত মেলিব লাগিব বুলি তেতিয়া মই ভবাও নাছিলোঁ। পিচে এটা কথা। আপুনিও জানো সদায়দিন অচিনাকি হৈ ৰ'ব? ডেকা মানুহ, অকলশৰীয়া জীৱন এটা কিমান দিনলৈ কটাব। কেতিয়াবা কেতিয়াবা মই ভাবোঁ যে কেথেৰিণ লিণ্টনক দেখি প্ৰেমত নপৰাকৈ থাকিব পৰা মানুহ ওলোৱা টান। আপুনি হাঁহিছে; পিচে তাইৰ কথা জানিবলৈ আপুনি ইমান ব্যগ্ৰ কিয়? তাইৰ কথা ক'লেই চোন আপোনাৰ মুখখন পোহৰ হয়, কিয়? আপোনাৰ জুহালৰ কাষৰ বেৰত তাইৰ ফটোখন আৰি থ'বলৈ কৈছে কিয়? আৰু কিয়নো বাৰু—'

তাইক থমাই দি মই ক'লোঁ, 'ধীৰে, আইটি, ধীৰে। তাইক মই ভাল পাই পেলোৱাটো অতি সম্ভৱ। কিন্তু তাই মোক ভাল পাব কিয়? এনে ভুল ধাৰণাৰ বশৱৰ্ত্তী হৈ মোৰ মনৰ শান্তি মই বিপন্ন কৰিবলৈ যাওঁ কিয়? তাতে আৰু' মোৰ ঘৰো ইয়াত নহয়। ব্যস্ত সংসাৰৰ মানুহ মই; ব্যস্ত সংসাৰৰ বুকুলৈকে মই ঘূৰি যাব লাগিব। এতিয়া বাৰু কৈ যোৱা। কেথেৰিণে পিতাকৰ আদেশ মানি ল'লেনে?'

'ল'লে। পিতাকৰ প্ৰতি স্নেহেই আছিল তাইৰ অন্তৰৰ প্ৰধান অনুভূতি। পিতাকৰ কথাত কোনো খং নাছিল। নিজৰ অমূল্য সম্পদসমূহ বিপদাপন্ন কৰি শত্ৰুৰ হাতত এৰি দিব লগা হোৱা এজন লোকৰ যি মৰ্ম্মস্পৰ্শী বেদনা, তেনে বেদনাসিক্ত কোমলতাৰেই তেওঁ নিজৰ ভাব প্ৰকাশ কৰিছিল। তাইৰ জীৱনৰ পাথেয় হিচাবে থৈ যাবলৈ কেইটামান শব্দৰ স্মৃতিৰ বাদে হয়তো তেওঁৰ তেতিয়া একো নাই বুলিয়েই তেওঁৰ ভাব হৈছিল।

কেইদিনমান পিচত তেওঁ মোক কৈছিল:

'এলেন, ভাগিনটো এবাৰ অহাহেঁতেন বা চিঠি এখনকে দিয়াহেঁতেন ভাল আছিল। তই বাৰু তাৰ বিষয়ে কি ভাব মোক খোলাখুলিকৈ কচোন : সি ভাললৈ আহিছেনে? নে, ডাঙৰ হৈ অহাৰ লগে লগে তাৰ চৰিত্ৰ চেহেৰাৰ উন্নতি হ'ব বুলি তই ভাব?'

'ল'ৰাটো বৰ নিশকতীয়া, মহোদয়', মই উত্তৰত ক'লোঁ। 'ডেকা-ডাঙৰ হোৱালৈ যে বাচি থাকিব কোৱা টান। এটা কথা কিন্তু ঠিক। বাপেকৰ লগত তাৰ মিল নাই। দুৰ্ভাগ্যক্ৰমে কেথেৰিণে তাক বিয়া কৰালেও, তাক তাইৰ শাসনতে ৰাখিব পাৰিব।



অৱশ্যে তাক বৰ বেছি লাই দিয়ে যদি কথা সুকীয়া। তেনে কৰাটো হ'ব মূৰ্খামিৰ কথা। মহোদয়, তাক ভালদৰে জনাবুজাৰ বাবে আপুনি বহুত সময় পাব। কেথেৰিণৰ উপযুক্ত সি হ'বনে নহয় আপুনি নিজেই বুজিব পাৰিব। সাবালক হ'বলৈ তাক আৰু চাৰি বছৰৰ বেছি লাগিব।''

মোৰ কথা শুনি এডগাৰে দীঘলকৈ হুমুনিয়াহ এটা কাঢ়িলে, আৰু খিৰিকিৰে গিমাৰটন পাৰ্কলৈ চালে। ফেব্ৰুৱাৰী মাহৰ আবেলি। পাতল কুঁৱলী পৰিছিল। ৰ'দ আছিল শেতা। গিমাৰটন পাৰ্কত দেৱদাৰু গছ দুজোপা, আৰু কবৰৰ শিল কেইটা অস্পষ্টকৈ আমাৰ চকুত পৰিছিল।

স্বগতোক্তিৰ সুৰত তেওঁ কৈ গ'ল : 'ভৱিতব্য ওচৰ চাপি আহক বুলিয়েই সদায় প্ৰাৰ্থনা কৰি আহিছোঁ। আৰু এতিয়া সি বাস্তৱ ৰূপ লৈ মোৰ আগত উপস্থিত হ'ব খুজিলত মই শিয়ৰি উঠিছোঁ; মোৰ ভয় লাগিছে। ঠেক উপত্যকাৰ মাজেদি দৰা সাজি অহাৰ স্মৃতি মোৰ মনত এতিয়াও সেউজীয়া হৈ আছে। মধুৰ সেই স্মৃতি। কিন্তু মোৰ ভাব হৈছে যেন খুব সোনকালেই, কেইমাহমান কি কেইসপ্তাহমানৰ ভিতৰতে মোক লৈ গৈ উপত্যকাৰ মাত্ৰত সুমাই থোৱা হ'ব। বিবাহৰ সেই স্মৃতিতকৈ, আসন্ন মৃত্যুৰ এই পূৰ্ব্বাভাস বেছি মধুৰ যেন লাগিছে। এলেন, তইতো জান, কণমানি কেথিক্ৰনীক লৈ মই কিমান সুখী। জাৰে-জহে, দিনে-নিশাই তাই এক জীৱন্ত মূৰ্তিমান আশাৰ ৰূপত মোৰ কাষত আছে। কিন্তু পুৰণি গীৰ্জ্জাৰ চৌহদৰ কবৰস্থানত, জুনমাহৰ সন্ধিয়াবোৰত, সেউজীয়া ঘাঁহনিত বাগৰি জুগাৰি, কেতিয়া এপৰ বেলিলৈকে, কেথিৰ মাকৰ কবৰৰ সেউজীয়া ঘাঁহনিত বাগৰি জুৰাৰি, কেতিয়া মই এই ঘাঁহনিৰ তলত, তেওঁৰ কাষত আশ্ৰয় পাম্‌গৈ সেই কথা চিন্তা কৰি কৰিও মই কম সুখ অনুভৱ কৰা নাই। মই কেথিৰ বাবে কি কৰিব পাৰোঁ? মই তাইক কি অৱস্থাত এৰি থৈ যাম? লিণ্টন হিথক্লিফৰ পুতেক— এই কথাটো মই ধৰাই নাই। মোৰ অবিহনে সি যদি তাইৰ বাবে মোৰ শূন্যস্থান পূৰাব পাৰে তেন্তে মোৰ পৰা তাইক সি আঁতৰাই নিয়াতো মই আপত্তি নকৰোঁ। সেইটো যদি সম্ভৱ হয়, তেন্তে হিথক্লিফে তাৰ অভিসন্ধি সাৰ্থক কৰাত, মোৰ শেষ সম্পদো অপহৰণ কৰি নিয়াত মোৰ আক্ষেপ নাই। কিন্তু লিণ্টন ল'ৰাটো যদি গড়লাৰেক হয়, বাপেকৰ হাতৰ পুতলা মাত্ৰ হয়, তেন্তে তাৰ হাতত মোৰ ছোৱালীজনী মই চমজাই দিওঁ কেনেকৈ? তাইৰ বাংচালী মনটো চেপি ৰখাটো মোৰ বাবে বৰ কঠিন কাম হলেও মই তাকেই কৰিব লাগিব। অন্য উপায় মোৰ নাই। মই জীয়াই থাকোঁমানে তাই শোকতে থাকিব লাগিব, আৰু মই এৰি গ'লে তাই হ'ব অকলশৰীয়া। আইজনী মোৰ। তেনে হোৱাতকৈ মই তাইক ভগৱানৰ ওচৰতে সঁপিছোঁ। মোতকৈ আগতে তাইক সমাধি দি যাবলৈ পালেই ভাল হয়।'

মই উত্তৰত ক'লোঁ, 'মহোদয়, তাইক ভগৱানৰ হাতলৈ এৰক। প্ৰভুৱে নকৰক, আপোনাৰ যদি কিবা এটা হয়, আমি যদি আপোনাক হেৰুৱাব লগা হয় তেন্তে তেৰাৰ স্বৰ্গীয় ছত্ৰছায়াত জীয়াই থাকোঁমানে মৰে তাইৰ বন্ধু আৰু উপদেষ্টাৰ স্থান ল'ম।

কেথি আইটি ভাল ছোৱালী। ইচ্ছা কৰি তেওঁ আওবাটে যাব বুলি মই নাভাবোঁ। নিজ নিজ কৰ্ত্তব্য কৰি যোৱা মানুহে শেষত সিদ্ধিলাভ কৰেই।'

বসন্ত কাল পালেহি; আগফালৰ বাগিচাত জীয়েকক লগত লৈ মোৰ গৃহস্বামীয়ে পুৱা-গধূলি আকৌ ঘূৰিবলৈ ল'লে। ঘূৰিবলৈ ল'লে যদিও তেওঁ গাত ভালকৈ বলশক্তি তেতিয়াও ঘূৰাই পোৱা নাছিল। সংসাৰৰ আওভাও নোপোৱা ছোৱালী কেথি; পিতাক ওলাই-সোমাই ফুৰিবলৈ ধৰা দেখি তেওঁ বেমাৰৰ পৰা গা টঙাইছে বুলি তাই ধৰি লৈছিল। আৰু এটা কথা হৈছিলে— তেওঁৰ গাল দুখন টুপটুপীয়া ৰঙা হৈছিলে, আৰু চকুলৈ উজ্জ্বলতাও আহিছিলে। এইবোৰ দেখি পিতাকৰ আৰোগ্য প্ৰায় নিশ্চিত বুলি তাই ভাবিছিলে।

কেথেৰিণৰ সপ্তদশ জন্মদিনত পিতাক গীৰ্জ্জাৰ চৌহদত থকা কবৰস্থানলৈ যোৱা নাছিল। সেইদিনা বৰষুণ দি আছিল। মই তেওঁক সুধিছিলোঁ, 'মহোদয়, আপুনি আজি ৰাতি বোধহয় ওলাই নাযায়?' তেওঁ ক'লে, 'এইবাৰলৈ অলপ পলমেই কৰিম।'

ভাগিনীয়েক লিণ্টনক চোৱাৰ প্ৰবল ইচ্ছা প্ৰকাশ কৰি তেওঁ তালৈ আকৌ চিঠি লিখিলে। শাৰীৰিক ভাৱে অক্ষম ল'ৰাটো আহিব পৰা হৈ থকাহেঁতেন পিতাকেও তাক আহিবলৈ অনুমতি দিলেহেঁতেন। এই বিষয়ত মোৰ সন্দেহ নাই। পিচে হ'ব কি, আগে শিকাই দিয়ামতে সি লিখিলে বোলে পিতাক হিথক্লিফে সি 'গ্ৰেঞ্জ'লৈ অহাত আপত্তি কৰে। মোমায়েকে তালৈ মনত পেলাই চিঠি লিখাত কিন্তু সি বৰ ভাল পালে। ঘূৰিবলৈ ওলাওঁতে কেতিয়াবা বাটত মোমায়েকৰ লগত দেখা হ'ব বুলিও সি আশা প্ৰকাশ কৰিলে। কেথেৰিণ আৰু তাৰ মাজত যাতে সদায় ইমান এৰাএৰি হৈ নাথাকে তাৰ বাবেও সি নিজে তেওঁক অনুৰোধ জনাব বুলি লিখিলে।

চিঠিখনৰ সেই অংশটো সহজ আৰু সম্ভৱতঃ কথাবোৰো তাৰ নিজা। কেথেৰিণক লগ পাবলৈ দিবলৈ সি নিজেই মোমায়েকক ভালকৈ ক'ব পাৰিব বুলি হিথক্লিফে বুজিছিল। চিঠিখনৰ পিচৰ অংশত এইখিনি কথা লিখা আছিল :

'তেওঁ ইয়ালৈ আহিব লাগে বুলি মই নকওঁ। কিন্তু মোৰ পিতাই মোক তেওঁৰ ঘৰলৈ যাবলৈ নিদিয়ে, আৰু আপুনি তেওঁক মোৰ ঘৰলৈ আহিবলৈ নিদিয়ে বাবেই মই তেওঁক লগ পাব নোৱাৰিম নে? মাজে সময়ে তেওঁক লৈ 'হাইট্‌চ'ৰ পিনে ঘোঁৰাত উঠি ঘূৰিবলৈ আহকচোন। আপোনাৰ উপস্থিতিতে আমি দুই চাৰিটা বাক্যবিনিময় কৰিম। এনেকৈ একেবাৰে এৰাএৰি হৈ থাকিবলৈ আমি কি জগৰ কৰিলোঁ? মোৰ ওপৰত আপোনাৰ খং উঠা নাই বুলি, মোক আপুনি বেয়া পোৱাৰ কোনো কাৰণ নাই বুলি আপুনি নিজেই কৈছে। মোমাইদেউ, কালিলৈ মোলৈ চিঠি এখন দি, 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ বাহিৰে ক'ত আপোনাক লগ পাম মোক জানিবলৈ দিয়ক। পিতাৰ চৰিত্ৰ যে মোৰ চৰিত্ৰ নহয়, সেই কথা আপুনি মোক লগ পালে বুজিব বুলি মোৰ বিশ্বাস। পিতাৰ মতে, মোক তেওঁৰ পুতেক বুলি কোৱাতকৈ, আপোনাৰ ভাগিনীয়েক বুলি ক'লেহে বেচি শুৱায়। সঁচা কথা, মোৰ গাত থকা কেতবোৰ দোষৰ বাবে মই



কেথেৰিণৰ অযোগ্য পাত্ৰ। কিন্তু সেইবোৰ দোষ উলাই কৰিবলৈ তেওঁ মতি হৈছে। সেইবাবে, তেওঁৰ কথা ভাবিয়েই আপুনিও সেইবোৰ দোষ-ত্ৰুটী উলাই কৰক। আপুনি মোৰ স্বাস্থ্যৰ খবৰ লৈছে— মোৰ গা এতিয়া আগতকৈ ভাল। কিন্তু নৈৰাশ্য আৰু নিঃসঙ্গতাৰ মাজত, মোক কেতিয়াও ভাল নোপোৱা আৰু আগলৈকো কেতিয়াও ভাল পাব নোৱৰা মানুহ কিছুমানৰ মাজত নিৰানন্দ ভাৱে দিন যাপন কৰিব লগা হলে মোৰ গা-মন নো ভালে থাকিব কেনেকৈ?'

ভাগিনীয়েকৰ বাবে মোমায়েকৰ মন কুমলিছিল সঁচা; তথাপি তেওঁ সি বিচৰা অনুমতিটো নিদিলে, কাৰণ তেওঁ কেথেৰিণৰ লগত যাব নোৱাৰে।

জহকালি তেওঁলোকৰ লগালগি হ'ব পাৰে বুলি তেওঁ লিণ্টনলৈ লিখিলে। তেতিয়ালৈকে তেওঁ তাক মাজে সময়ে চিঠি-পত্ৰ দি থাকিবলৈকো ক'লে। তেওঁ নিজেও যি পাৰে দিহা পৰামৰ্শ তাক চিঠিৰে দি থাকিবলৈ গাত ল'লে। কেনে এক বিষম পৰিস্থিতিত ল'ৰাটো থাকিব লগা হৈছিল, সেই কথা তেওঁ ভালকৈ উপলব্ধি কৰিছিল।

লিণ্টনে মোমায়েকৰ কথা নেপেলালে। অবাধে মোমায়েকলৈ চিঠি লিখিবলৈ পোৱাহেঁতেন নিজৰ ওজৰ-আপত্তি আৰু দুখ-শোকৰ কথাৰেই তাৰ চিঠিবোৰ ভৰিলহেঁতেন। কিন্তু তাৰ পিতাকে সি লিখা চিঠিবোৰত সতৰ্ক দৃষ্টি ৰাখিছিল, আৰু মোমায়েকে তালৈ লিখা প্ৰতিটো আখৰ সি তেওঁক দেখুৱাব লাগিছিল। সেইবাবে তাৰ ব্যক্তিগত দুঃখ-যন্ত্ৰণাৰ কথা লিখাৰ পৰিবৰ্তে, তাৰ বান্ধৱী আৰু স্নেহৰ পাত্ৰীৰ পৰা বিচ্ছিন্ন হৈ থাকিব লগাৰ বেদনাৰ কথাহে সি লিখিছিল। মোমায়েকক সোনকালেই লগ পোৱাৰ সুবিধা এটা দিবলৈও সি বিনম্ৰভাৱে প্ৰাৰ্থনা জনাইছিল। সেই সুবিধা নিদিলে, মোমায়েকে তাক মিছা আশা দি ভুৰুকিয়াইছে আছে বুলি ভাবিবলৈ সি বাধ্য হ'ব বুলিও চিঠিত সি স্পষ্টকৈ লিখিলে।

এফালে ভাগিনীয়েকৰ চিঠি, আনফালে ঘৰত জীয়েক কেথেৰিণৰ খাটনি— সাতে সোতৰে গেট খাই মোৰ গৃহস্বামীৰ মন কোমলালে। সপ্তাহত এবাৰমানকৈ সিহঁত দুটাক একেলগে খোজকাঢ়ি বা ঘোঁৰাত উঠি ফুৰিবলৈ দিবলৈ তেওঁ মান্তি হ'ল। তাকো এটা চৰ্ত্তত— মই লগত থাকিব লাগিব, আৰু 'গ্ৰেঞ্জ'ৰ ওচৰে পাঁজৰেহে ফুৰিব পাৰিব, দূৰলৈ যাব নোৱাৰিব। তেওঁ নিজে লগত যাবলৈ অক্ষম, কাৰণ জুনমাহত দেখা গ'ল যে তেওঁৰ স্বাস্থ্য বেচিকৈ পৰিছেহে। জীয়েকৰ ভৱিষ্যতৰ বাবে তেওঁ প্ৰতিবছৰে উপাৰ্জ্জনৰ একোটা অংশ সাঁচি গৈছিল। তথাপিতো, জীয়েকে পূৰ্ব্বপুৰুষসকলৰ ঘৰটো পাওক, বা অদূৰ ভৱিষ্যতে তালৈ ঘূৰি যাব পৰা হওক, এনে এটা অভিলাষ তেওঁৰ আছিল। স্বাভাৱিক অভিলাষ, যি কোনো পিতৃমাতৃৰে থাকে। সেইটো সম্ভৱ হোৱাৰ একমাত্ৰ উপায় হ'ল তেওঁৰ উত্তৰাধিকাৰীৰ লগত তাইৰ বিয়া হোৱাটো। পিচে তাৰ স্বাস্থ্যৰ অৱস্থা যে তেওঁৰ নিজতকৈও শোচনীয় সেই বিষয়ে তেওঁৰ কোনো ধাৰণাই নাছিল। বোধহয় কাৰো নাছিল। ৱাদাৰিং হাইট্‌চলৈ কোনো ডাক্তৰক অহাযোৱা কৰা কাৰো চকুত পৰা নাছিল, আৰু লিণ্টন বোপায়ো আমাৰ কাৰো আগত নিজৰ অৱস্থা সম্পৰ্কে একো কোৱা নাছিল।

মোৰ আশংকাবোৰ যেন অমূলক হয় এয়ে আছিল মোৰ আশা। মুকলি পথাৰত ফুৰা আৰু ঘোঁৰাত উঠাৰ কথা কৈছে যেতিয়া তাৰ স্বাস্থ্য আচলতে ভালহে হৈছে বুলিহে মই ভাবি ললোঁ। নিজৰ অভিলাষ পূৰ্ণ কৰাৰ বাবে সি যি ব্যগ্ৰতা দেখুৱাইছে, তাৰপৰাও তাৰ স্বাস্থ্য শোচনীয় নহয় বুলিহে বুজিব লাগিব। অৱশ্যে এইবোৰ আছিল মোৰ মনৰ যুক্তি-তৰ্কহে।

হিথক্লিফে লিণ্টনক কি অমানুষিক ব্যৱহাৰ কৰিছিল সেই কথা মই পিচতহে গম পালোঁ। মৰিবলৈ ওলাই থকা ল'ৰা এটাক বাপেকে এটাই যে তেনে নিৰ্দয় ব্যৱহাৰ কৰিব পাৰে, ভাবিবলৈকো টান। কেথেৰিণৰ প্ৰতি লিণ্টনৰ যি আকৰ্ষণ, তাৰ মূলতে আছিল হিথক্লিফ। সিহে সেই আপাতদৃষ্টিত স্বাভাৱিক যেন লগা বাসনা তীব্ৰতৰ কৰাইছিল। বেমাৰী পুতেকটো মৰি থাকিলে তাৰ আক্ৰোশী আৰু নিৰ্মম পৰিকল্পনা যে একেবাৰে বৰবাদ হৈ যাব সেই উপলব্ধি হোৱাৰ লগে লগে পুতেকৰ প্ৰতি তাৰ আচৰণো আৰু অধিক উগ্ৰ আৰু হিংস্ৰ হ'ল। কেথেৰিণ আৰু লিণ্টনৰ মাজত সম্বন্ধটো যাতে পকা হয়, তাৰ বাবে সি দুগুণ উৎসাহী হৈ পৰিল।

# ২৬

জহকালিৰ শেহৰ পিনৰ এটা দিনত পিতাকে কেথেৰিণক ভাগিনীয়েক লিণ্টনৰ ওচৰলৈ যাবলৈ দিওঁ নিদিওঁকৈ অনুমতি দিলে। আমি দুয়োজনী ঘোঁৰাত উঠি তালৈ ওলালোঁ।

দিনটো আছিল গুপগুপীয়া গৰম। ৰ'দ নাছিল, আকাশৰ অ'ত ত'ত পাতল বগীন মেঘৰ খেলা। আকাশ ওন্দোলোৱা, কিন্তু বৰষুণৰ আগন্তুক নাছিল। চাৰি আলিৰ ওচৰত, মাইলৰ খুটা এটাৰ ওচৰতে আমি লগালগি হ'বলৈ ঠিক কৰিছিলোঁ। সেইখিনি পাই দেখিলোঁ যে গৰখীয়া ল'ৰা এটাই আমাক কিবা খবৰ দিবলৈ ৰৈ আছে। আমাক দেখি সি ক'লে, "ডেকা লিণ্টন 'হাইটচ'ৰ ঠিক এইফালেই আছিল। তেওঁ আপোনালোকক আৰু অলপ আগবাই যাবলৈ কৈ গৈছে।"

মই মন্তব্য কৰিলোঁ, "তেনেহ'লেচোন ডেকা লিণ্টনে মোমায়েকৰ প্ৰথমটো চৰ্তকে উলংঘন কৰিলে! তেওঁ আমাক 'গ্ৰেঞ্জ'ৰ সীমাতে থাকিবলৈ কৈছিল, কিন্তু আমিচোন সেই সীমা পাৰ হৈ আহিলোৱেই।"

'ঠিক আছে। তাক লগ পালে আমি ঘোঁৰা কেইটাৰ মূৰ কেইটা এইফালে ঘূৰাই ল'ম। তেতিয়া আমি ঘৰৰ পিনে যাত্ৰা কৰাৰ দৰে দেখাব' কেথেৰিণে যেমানি কৰি ক'লে।

'হাইটচ'ৰপৰা পোৱা মাইলমান দূৰতে আমি তাক লগ পালোঁগৈ। তাৰ ওচৰত ঘোঁৰা নাছিল। সেইবাবে আমি নামিবলৈ বাধ্য হ'লোঁ। আমাৰ ঘোঁৰা কেইটা আমি চৰিবলৈ এৰি দিলোঁ।

আমি যোৱালৈ বাট চাই লিণ্টন ঘাঁহনিতে দীঘল দি পৰি আছিল। আমি তাৰ তেনেই ওচৰ নচপা পৰ্যন্ত সি পৰি থকাৰ পৰা পোন নহ'লেই। থিয় হ'লত দেখোঁ, তাৰ খোজবোৰ বৰ দুৰ্বল, থৰক বৰক, মুখখন একেবাৰে শেঁতা। মই তালৈ চাই কলোঁ, 'হিথক্লিফ বোপা, ফুৰিবলৈ আহিবৰ জোখাৰেতো তোমাৰ গাত শক্তি নাই। কিয় ওলালা ঘৰৰ পৰা? তোমাক বৰ অসুস্থ যেন দেখাইছে!'

কেথেৰিণে তালৈ বেজাৰ মনেৰে চালে। তাৰ অৱস্থা দেখি তাই স্তম্ভিত হ'ল। তাইৰ ওঁঠৰ আনন্দৰ ৰেখা মাৰ গ'ল, তাৰ ঠাইত এক উদ্বিগ্নতাৰ ভাব ফুটি উঠিল। ইদিনৰ পিচত সিদিনকৈ বহুতদিন পিচুৱাই থোৱাৰ পিচত দুয়োটা লগালগি হোৱাত যি আনন্দ প্ৰকাশ পাব লাগিছিল, তেনে আনন্দৰ ধল তাত নোলাল। আনদিনাতকৈ সেইদিনা তাৰ গা বেচি বেয়া নে কি বুলি তাই সুধিলে।

'নহয়, নহয়, মোৰ গা বেয়া নহয়। বহুত ভাল, বহুত ভাল', সি উত্তৰ দিলে। কথাষাৰেইটো কওঁতে তাৰ টোপনি ধৰিছিল, আৰু গাত কঁপনি উঠিছিল। সি তাইৰ হাতত ধৰি আছিল, নহ'লে যেন সি পোন হৈ ব'বকে নোৱাৰিব। ডাঙৰ নীলা চকুহাল বহলকৈ মেলি সি সসংকোচে তাইলৈ চাইছিল। চকু দুটা গাতত সোমাইছিল। তাৰ দৃষ্টি আছিল নিস্তেজ আৰু অৱসন্ন।

কেথেৰিণে তাৰ কথাত ক'লে, 'কিন্তু আগৰবাৰ লগ পোৱাতকৈ তোমাৰ গা এতিয়া বেয়া। তুমি খীণাইছাও, আৰু ...'

সি জবাবনিকৈ মাত দিলে, 'মোৰ ভাগৰ লাগিছে। ইমান গৰমত খোজ কঢ়া টান। ইয়াতে অলপ বহোঁ আহাঁ। পুৱাৰ ভাগত মোৰ সদায় গা বেয়া লাগে। পিতাই কৈছে মই বোলে বৰ খৰকৈ বাঢ়িছোঁ, সেইবাবে।'

তাৰ কথাত কেথেৰিণ পতিয়ন নগ'ল। তাই তাৰ ওচৰতে বহি ল'লে। তাইৰ কাষতে সিও আউজি বহিলে।

পৰিবেশটো পাতলাই দিবলৈ বুলি কেথিয়ে তালৈ চাই ক'লে, "এই হ'ল তোমাৰ কল্পিত স্বৰ্গৰাজ্য। তোমাৰ বাৰু মনত পৰেনে যে আমি দুয়ো আমাৰ নিজৰ স্বৰ্গৰাজ্যৰ কল্পনা কৰিবলৈ ঠিক কৰিছিলোঁ? তোমাৰ আৰু মোৰ কল্পিত স্বৰ্গৰাজ্য। আমাৰ নিজ নিজ বিবেচনাত সবাতোকৈ মনোৰম বুলি বিবেচিত ঠাইখনত তুমি আৰু মই কটোৱাৰ কথা যে কল্পনা কৰিছিলোঁ। কেতিয়া কটাম সেইটোও আমিয়ে নিৰূপণ কৰাৰ কথা আমি ভাবিছিলোঁ। সেই আঁচনি তোমাৰ নিশ্চয় মনত আছে। এইখন ঠাই প্ৰায় তোমাৰ কল্পনাৰ ঠাইখনৰ দৰেই— মাত্ৰ এতিয়া ইয়াৰ আকাশত ডাৱৰ আছে, কিন্তু কোমল, পাতল ডাৱৰ। এনে বতৰ ৰদালি বতৰতকৈ ভালহে। অহা সপ্তাহত, তুমি যদি পাৰা, আমি 'গ্ৰেঞ্জ'ৰ পাৰ্কলৈ ঘোঁৰাত উঠি যাম, আৰু তাত মোৰ মনৰ স্বৰ্গৰাজ্য কল্পনা কৰি আমি তাত থাকিম।"

তাইনো কিহৰ কথা কৈছে লিণ্টনে মনত পেলাব নোৱাৰিলে। কথা পাতি থাকিবলৈ সি বৰ টানো পাইছিল যেন লাগিছিল। তাই আৰম্ভ কৰা বিষয় সম্পৰ্কত তাৰ অনীহা দেখি আৰু কথা বতৰা পাতি থাকিবলৈ তাক অনিচ্ছুক যেন পাই তাই অতিশয় হতাশ হ'ল। তাৰ শৰীৰ আৰু আচৰণত বহুতো পৰিবৰ্তন দেখা গ'ল। আগতে ঠেহ্ পৰ লাগিলে ফুচুলালে ভাগে; এতিয়া কিন্তু সি ৰুক্ষ আৰু উদাসীন হৈ পৰিল। আগৰ ইচ্ছা কৰি কন্দাকটা কৰি আদৰ বিচৰা ল'ৰাটো আৰু নাই। তাৰ ঠাইত এতিয়া আছে এটা ৰুগীয়া, অক্ষম বালক— সান্ত্বনাৰ বাণী সি শুনিব নোখোজে। আনে কিৰাকিৰি হাঁহি উঠা কথা কৈ তাৰ মন ভাল লগাব খুজিলেও তাৰ খংহে উঠা হ'ল; তাকে কৰি লোকে তাক অপমান কৰিছে বুলি ভবা হ'ল।

কথা বতৰা পাতি তাত বৈ থাকিলে লিণ্টনৰ যে কষ্ট হ'ব সেইকথা কেথিয়ে বুজি পালে। ময়ো বুজিলোঁ। সেইবাবে তাই সেইদিনালৈ এখাএৰি হ'বলৈ বুলি উঠিল।



তাই ঘূৰিবলৈ ওলালতে লিণ্টনৰ অৱসাদ আৰু ক্লান্তি যেন নাইকিয়া হ'ল। তাৰ কি কৰোঁ নকৰোঁ লাগিল। সি সভয়ে 'ৱাদাৰিং হাইটচ'ৰ পিনে চালে, আৰু অন্ততঃ আৰু আধাঘণ্টা সময় আমাক তাত থাকিবলৈ খাটনি ধৰিলে।

পিচে কেথিয়ে তাক ক'লে, 'ৰ'বলৈ কৈছা হয়, পিচে ইয়াত থকাতকৈ তুমি ঘৰত থাকিহে আৰাম পাবা। তদুপৰি, আজি মোৰ কথা বতৰা, সাধু কোৱা, গানগোৱা একোৱেই তোমাক ভাল লগাব নোৱাৰিব বুলি মই বুজি পাইছোঁ। এই ছমাহতে তুমি মোতকৈ বেছি জনাবুজা হোৱা দেখিছোঁ; নহলেতো তোমাৰ মন ভাল লগাব পৰাহেঁতেন মই আপোন মনেৰেই বৈ গলোঁহেঁতেন।'

সি উত্তৰত ক'লে, 'ৰ'বাচোন, নিজে অলপ জিৰাবলৈকে বহঁা। আৰু শুনাচোন কেথেৰিণ, মই বৰ অসুস্থ বুলি নাভাবিবা। আনকো নক'বা। এই গুপগুপীয়া বতৰ আৰু গৰমৰ বাবেহে মোৰ মনটো বিষণ্ণ হৈ পৰিছে। তোমালোক আহি পোৱাৰ আগতে মই বহুত বাট খোজ কাঢ়িলোঁ। মোৰ বাবে অলপ বেছিয়েই হ'ল। মোৰ গা মোটামুটি ভালেই বুলি মোমাইদেউক কবাগৈ। কবাগৈ নে?'

'লিণ্টন, তুমি এইদৰে ক'বলৈ কৈছা বুলি মই ক'মগৈ। তোমাৰ গা পূৰাপূৰি ভাল বুলি মোৰ বিশ্বাস হোৱা নাই'— কেথেৰিণে এই বুলি তাৰ কথাৰ উত্তৰত ক'লে। দেখদেখ মিছা কথা এটাক লিণ্টনে জোৰেৰে সঁচা বুলি সাব্যস্ত কৰিব খোজা দেখি তাই বৰ আচৰিত হ'ল।

তাইৰ বিচলিত মুখখনৰপৰা দৃষ্টি আঁতৰাই আনি লিণ্টনে কৈ গ'ল, "অহা বৃহস্পতিবাৰে আকৌ আহিবা, কেথেৰিণ। তোমাক আজি আহিবলৈ দিয়া বাবে মোমাইদেউক মোৰ ধন্যবাদ জনাবা। আৰু এটা কথা ঃ তুমি যদি কেনেবাকৈ মোৰ পিতাৰ মুখামুখি হোৱা, আৰু তেওঁ যদি কিবাকৈ মোৰ কথা সোধে, তেন্তে মই কথা-বতৰা নাপাতি একেবাৰে ভেবাবাম হৈ থাকিলোঁ বুলি নকবা। বেজাৰ কৰি মন মাৰি নাথাকিবা। তোমাক তেনেকৈ থকা দেখিলে পিতাৰ খং উঠিব।'

হিথক্লিফৰ খঙৰ পাত্ৰী তাই হ'ব বুলি ভাবি লৈ কেথেৰিণে উত্তেজিত সুৰত ক'লে, 'তাৰ খঙলৈ মই পৰোৱাই নকৰিলেহে পাৰিছোঁ।'

কঁপি কঁপি লিণ্টনে ক'লে, 'তুমি নকৰা হয়, কিন্তু মই কৰোঁ। পিতাক মোৰ বিৰুদ্ধে নুচটাবা, কেথেৰিণ; তেওঁ বৰ নিৰ্দয় মানুহ।'

'তেওঁ তোমাক বৰ কষ্ট দিয়েনেকি, লিণ্টন বোপা?' মই তাক সুধিলোঁ। 'তাৰ সুপ্ত বিদ্বেষে সক্ৰিয় ৰূপ লৈছে নেকি?'

লিণ্টনে মোৰ পিনে চালে, কিন্তু একো জবাব নিদিলে। কেথি আৰু দহমিনিটমান তাৰ কাষত বহি ৰ'ল। সেইকণ সময়তে লিণ্টনৰ টোপনি ধৰিলে, আৰু তাৰ মূৰ দোঁ খাই বুকুত লাগিলগৈ। অৱসাদ আৰু যন্ত্ৰণাৰ অস্ফুট শব্দ কেইটামানৰ বাহিৰে তাৰ মুখৰ পৰা একো কথা ওলোৱা নাছিল। কেথি কেটাৰেন জামু বুটলিবলৈ বুলি আঁতৰি

গ'ল, আৰু একোচ আনি মোকো দুটামান দিলে, নিজেও খালে। লিণ্টনক নিদিলে। তাক জগালে মিছাতে আমনি দিয়াহে হ'ব বুলি তাই ভাবিলে।

কিছুপৰৰ পিচত মোৰ কাণত ফুচফুচাই তাই সুধিলে, 'এতিয়ালৈ আধা ঘন্টা হ'লনে, এলেন? ইয়াত আমি থকাৰ পৰা কি লাভ হ'ব? সিতো শুনেই।.সিপিনে পিতাই আমাক বিচাৰি হুলস্থুলখন লগাব।'

'তুই থকা অৱস্থাতে তাক এৰি যোৱাটো উচিত নহ'ব,' মই কলোঁ। 'সি সাৰ পোৱালৈকে ধৈৰ্য্য ধৰি বাট চোঁৱা। ইয়ালৈ আহিবলৈতো তোমাৰ তৰণি নাইকিয়া হৈছিল, পিচে বেচেৰা লিণ্টনক দেখা কৰাৰ যি অভিলাষ তোমাৰ আছিল, সি চোন এতিয়া ভাপ হৈ উৰি গ'ল।'

কেথেৰিণে ঘূৰাই মোক সুধিলে, 'মোক লগ পাবলৈ সি কিয় বিচাৰিছিল? আগতে তাৰ মেজাজ একেবাৰে গোমোৰা হোৱা সত্ত্বেও তাক মোৰ ভাল লাগিছিল। এতিয়া কিন্তু তাৰ এই বিষণ্ণ মানসিক অৱস্থাত তাক মোৰ আগৰ সমান ভাল লগা নাই। এই যে আজি লগালগি হলোঁ যেন কিবা নকৰিলে নোহোৱা কাম এটাহে কৰা হ'ল। তাৰ হাবভাবৰ পৰা মোৰ তেনেহে লাগিল। বাপেকৰ গালি খোৱাৰ ভয়তহে সি ইয়ালৈ আহিছিল। লিণ্টনক ইয়ালৈ পঠোৱাত বাপেকৰ কি মতলব আছে নাজানোঁ, কিন্তু হিথক্লিফৰ মন যোগাবৰ বাবে ইয়ালৈ অহাত মই নাই। তাৰ স্বাস্থ্য আগতকৈ ভাল হোৱা দেখি মই ভাল পাইছোঁ যদিও তাক আগৰ সমান ভাল লগা নাই। সি মোলৈ আগৰ সমান মৰমো দেখুওৱা নাই।'

মই তাইক সুধিলোঁ, 'তুমি তেন্তে তাৰ গা আগতকৈ ভাল বুলি ভাবিছা?'

'ভাবিছোঁ তো', তাই উত্তৰ দিলে, 'সি নিজৰ অসুখ অশান্তিৰ কথা বৰকৈ বঢ়াই কয়। তাৰ গা বৰ ভাল নহয় বুলি সি মোক পিতাক কবলৈ কৈছে, কিন্তু খুব সম্ভৱতঃ তাৰ ভাল।'

মই উত্তৰ দিলোঁ, 'তোমাৰ কথাত মই একমত হ'ব নোৱাৰিলোঁ, কেথি আইটি। মোৰ মনেৰে তাৰ গা দেখাতকৈ বহুত বেয়া।'

ঠিক তেনেতে লিণ্টন টোপনি গৈ থকাৰ পৰা হঠাতে ভয়ত চক খাই উঠাদি উঠিল। তাক নাম ধৰি কোনোবাই মাতিছিল নেকি সি সুধিলে।

কেথেৰিণে ক'লে, 'নাই মতা। তুমি টোপনিতহে সেইদৰে ভাবিছা। ৰাতিপুৱাতে, মুকলিখনত তুমিনো কেনেকৈ টোপনি যোৱা মই ভাবি আচৰিত হওঁ।'

আমাৰ পিচফালে থকা কাক টিলাটোলৈ চাই, সেহাই সেহাই সি ক'লে, 'পিতাই কথা কোৱা যেন লাগিছিল। কোনেও যে মতা নাছিল সেই বিষয়ে তুমি নিশ্চিততো?' 'সম্পূৰ্ণ নিশ্চিত' বুলি কেথেৰিনে উত্তৰ দিলে। 'মাত্ৰ এলেন আৰু মই তোমাৰ স্বাস্থ্য সম্পৰ্কে কোৱাকুই কৰি আছিলোঁ। যোৱাবছৰ জাৰকালি আমি এৰাএৰি হোৱাৰ সময়তকৈ, এতিয়া বাৰু তুমি সচাঁকৈয়ে গাত বেচি বল পাইছানে? যদি পাইছা তেন্তে



মই ক'ম যে মোৰ প্ৰতি তোমাৰ মৰম কিন্তু বঢ়া নাই। কোৱাচোন, তোমাৰ গাৰ বল বাঢ়িছেনে?'

'বাঢ়িছে বাঢ়িছে। মই গাত আগতকৈ বহুত বল পাইছোঁ' বুলি লিণ্টনে ক'লে, আৰু কওঁতে তাৰ চকুপানী দুগালেদি বাগৰি আহিল।

তাৰ শুনা যেন লগা মাতটোনো কোনপিনৰ পৰা আহিছে তাকে থিৰাং কৰিবলৈ সি ইপিনে সিপিনে ঘূৰি ঘূৰি চালে।

কেথি বহাৰ পৰা উঠিল। 'আজিলৈ যাওঁ তাক', কেথিয়ে ক'লে। 'লুকচাক কৰাৰ কথা নহয়, পিচে আজি এইদৰে লগালগি হৈ মোৰ অলপো ভাল নালাগিল। মোৰ বৰং বেজাৰহে লাগিল। তোমাৰ আগতহে কৈছোঁ, আনৰ আগত কবলৈ নাযাওঁ। মিঃ হিথক্লিফৰ ভয়ত এইদৰে কৈছোঁ বুলি নাভাবিবা।'

'মনে মনে থাকা', লিণ্টনে ফুচফুচাই ক'লে। 'ভগবানৰ দোহাই, মনে মনে থাকা। তেওঁ আহিছে।' এইবুলি কৈ কেথেৰিণৰ যোৱাত বাধা দিবলৈ বুলি সি তাইৰ কান্ধত ধৰিলে, কিন্তু হিথক্লিফ অহা বুলি শুনি তাই নিজকে তাৰ হাতৰপৰা একবাই আনিলে, আৰু মিন্নিলৈ চাই এটা সুহুৰি মাৰিলে। মিন্নি ওচৰ চাপি আহিল। ঘূঁৰী পোৱালী নহয় যেনিবা প্ৰভুভক্ত কুকুৰহে।

ঘূঁৰীজনীৰ পিঠিত জাপমাৰি উঠি তাই ডাঙৰকৈ ক'লে, 'অহা বৃহস্পতিবাৰে ইয়ালৈ আকৌ আহিম। এতিয়ালৈ যাওঁ দেই। এলেন, আহ, খৰ কৰ।'

আমি তাক তাতে এৰি গুচি আহিলোঁ। বাপেক তাৰ পিনে অহাৰ চিন্তাত সি ইমান বিহ্বল হৈ আছিল যে আমি যে গুচি আহিলোঁ সেই কথা সি কিজানি গমেই নাপালে।

আমি ঘৰ পোৱাৰ আগতেই কেথেৰিণৰ মন সলনি হ'ল। তাইৰ খং আৰু বিৰক্তিৰ ঠাইত লিণ্টনৰ প্ৰতি অনুকম্পাৰ ভাব ফুটি উঠিল। তালৈ তাইৰ বেয়া লাগিল। তাৰ স্বাস্থ্য আৰু তাৰ প্ৰকৃত পৰিস্থিতিৰ কথা ভাবি তাইৰ মনলৈ কিবাকিবি আশংকা নহাকৈ নাথাকিল। মোৰ মনলৈকো তেনেকুৱা চিন্তাই আহিছিল। মই পিচে তাইক কলোঁ যে তাই তেতিয়াই বৰকৈ ভাবিব নালাগে, আন কাকো কবও নালাগে; কাৰণ পিচৰবাৰ লগ পালেহে লিণ্টনৰ স্বাস্থ্যৰ বিষয়ে আমি ভালকৈ জানিব পাৰিম।

ঘূৰি আহি পালত কেথিৰ পিতাকে আমি কলৈ গলোঁ কি কৰিলোঁ জানিবলৈ বিচাৰিলে। ভাগিনীয়েকে ধন্যবাদ জ্ঞাপন কৰা কথা কেথিয়ে তেওঁক জনালে। বাকীবোৰ কথা তেওঁ মোটামুটিভাৱে কৈ থলে। ময়ো দুই এটা কথা যোগ দিলোঁ, কাৰণ ক'মনো কি লুকুৱাম নো কি মই ভাবিয়েই পোৱা নাছিলোঁ।

# ২৭

সাতোটা দিন চকুৰ পচাৰতে পাৰ হ'ল। এই কেইদিনত মোৰ গৃহস্বামীৰ স্বাস্থ্য আৰু বেছিকৈ পৰি আহিলে। বেইবামাহৰ ভিতৰত যিমান বেয়া হৈছিল, এতিয়া এদিনতে সিমান শোচনীয় হ'বলৈ ধৰিলে।

কেথেৰিণৰ পৰা পৰিস্থিতি লুকুৱাই ৰখাটো সম্ভৱ নাছিল। আমি তাইৰপৰা আঁৰ কৰিব খুজিলেও, নিৰ্মম বাস্তৱক তাইৰ চকুত নপৰাকৈ ৰখা টান আছিল। এক ভয়ংকৰ সম্ভাৱনাই ধীৰে ধীৰে যে বাস্তৱত ৰূপ লবলৈ ধৰিছে সেই বিষয়ে তাই লুকাই লুকাই চিন্তা কৰিবলৈ ল'লে।

বৃহস্পতিবাৰ আহি পালত, ফুৰিবলৈ ওলাই যোৱাৰ বাবে পিতাকৰ মত লবলৈ তাইৰ সত নগ'ল। ময়ে তাইৰ হৈ অনুমতি ললোঁ। পিতাক বেছিপৰ বহি থাকিব নোৱাৰে। পৰাকম সময়তে তেওঁ দিনৌ একোবাৰ পুথিভঁৰালটোত সোমায়। সেই পুথিভঁৰালটো আৰু পিতাকৰ কোঠাটো— কেথিৰ বাবে এতিয়া সেয়ে সমস্ত জগতখন যেন হ'ল। তাৰ বাহিৰে তাই কলৈকো নোলায়। তাই হয় তেওঁৰ মূৰশিতানত, নহয় কাষত বহি থাকিব। এক মুহূৰ্ত্তও লৰচৰ নকৰে। বাপেকৰ ওচৰত পৰ দি দি থাকি, লগতে মনৰ দুখৰ বাবেও, তাই শেঁতা পৰিল। গতিকে তাইক এপাক ফুৰাই আনিবলৈ অনুমতি বিচাৰিলত পিতাক তৎক্ষণাত ৰাজি হ'ল। এপাক ওলাই গ'লে তাইৰ গা মন ভাল লাগিব বুলি বোধহয় তেওঁ ভাবিছিল। তেওঁৰ মৃত্যুৰ পিচত তাই একেবাৰে অৱলম্বনীয়া হ'ব নালাগিব বুলি ভাবিবলৈ পাই তেওঁ কিছু স্বস্তিৰ নিশ্বাসো পেলাইছিল।

ভাগিনীয়েক লিণ্টনৰ তেওঁৰ লগত অকল চেহেৰাৰ মিলেই নহয়, মনৰো মিল আছে বুলি তেওঁৰ এটা দৃঢ় ধাৰণা আছিল যেন মোৰ লাগিছিল। তেওঁ মাজে মাজে দিয়া একোটা মন্তব্যৰ পৰা মোৰ এই অনুমান হৈছিল। লিণ্টনৰ চিঠিৰপৰা তাৰ চৰিত্ৰৰ দোষ-ত্ৰুটী কিবা আছে নে নাই বুজা নগৈছিল। ময়ো তেওঁৰ এই ভুল ধাৰণাটো ভাঙি দিয়া নাছিলোঁ। মোৰ কিজানি ভুলেই হৈছিল, হলেও অক্ষমণীয় ভুল নাছিল। শেষ সময়ত তেওঁক মিছামিছি মনোকষ্ট দিয়াৰ পৰা কিবা লাভ হ'ব বুলি মই ভবা নাছিলোঁ। ভাগিনীয়েকৰ চৰিত্ৰৰ কথা জানিলেও তেওঁ সংশোধনেই কৰিব পাৰিব, নে সংশোধন কৰিবলৈকে সময়কে বা পাব?

আমি ওলাই যোৱাটো আবেলিলৈ থলোঁ। আগষ্ট মাহৰ এটা সোণালী আবেলি— ৰ'দ ঝিলমিল। পাহাৰৰ পৰা বলা বতাহৰ ছাটিয়ে দেহমন জুৰ পেলাই নিয়ে, গাত যেন নতুনকৈ জীৱনী শক্তিৰ সঞ্চাৰ কৰে।



কেথেৰিণৰ মুখখন ঠিক প্ৰাকৃতিক ভুদৃশ্যৰ দৰে লাগিছিল— এই ছাঁ, এই পোহৰে যেন ব্যস্তভাৱে তাত লুকাভাকু খেলিছে! কিন্তু ছাঁবোৰ যেন সৰহপৰ বয়, পোহৰৰ ম্যাদ যেন খন্তেকীয়া। পিতাকক এৰি থৈ অহাৰ বাবে তাই যেন নিজকে ক্ষমা কৰিব পৰা নাই।

লিণ্টন আগৰ ঠাইতে থিয় দি থকা দূৰৰ পৰাই আমাৰ চকুত পৰিল। তাৰ ওচৰ পালত কেথেৰিণ ঘোঁৰাৰ পৰা নামিল। তেওঁ মোক ক'লে যে তেওঁ মাত্ৰ খন্তেক সময়হে তাৰ লগত থাকিব, গতিকে মই ঘোঁৰাৰ পৰা নানামিলেও হ'ব। মই কিন্তু মান্তি নহ'লোঁ। কেথিক এক লহমাৰ বাবেও মোৰ চকুৰ আঁৰ হ'বলৈ দিবলৈ মই প্ৰস্তুত নাছিলোঁ। তেনে এটা দায়িত্ব লবলৈ মই নাৰাজ। সেইবাবে আমি দুয়ো খোজকাঢ়ি আগবাঢ়িলোঁ। এইবাৰ লিণ্টন বেগাই আমাক বেচি আলহ-উদহ দেখুৱালে। বৰ স্ফূৰ্তিত থকা যেনো অৱশ্যে নেদেখুৱালে। এটা সমীহৰ ভাবহে তাৰ আচৰণত বিশেষকৈ প্ৰকাশ পালে।

'পলমেই হ'ল', সি লাহেকৈ ক'লে। তাকে কওঁতেই যেন তাৰ কষ্ট হৈছিল। 'তোমাৰ পিতাৰাৰ বৰ টান, নহয় জানো? মই তুমি নাহিবা বুলিহে ভাবিছিলোঁ।'

তাক লগ পাই সৌজন্যসূচক কিবা এষাৰ কথা তাই কবলৈ ওলাইছিল, পিচে মুখৰ কথা মুখতে থাকিল; তাই একেবাৰে জাঙুৰ খাই উঠি তাক সুধিলে, 'মই আহিলত ভালপোৱা নাই বুলি খোলাখুলিকৈ ক'ব নোৱাৰা কিয়? বৰ আচৰিত কথা লিণ্টন। দ্বিতীয়বাৰৰ বাবে মোক তুমি ইয়ালৈ ইচ্ছা কৰি মাতি আনিছা; বোধহয় মনোকষ্ট দিয়াৰ মতলবেৰেই আনিছা, আৰু বিনা কাৰণত আনিছা।'

লিণ্টনৰ কঁপনি উঠিল। কঁপি কঁপি সি তাইলৈ চালে। তাৰ দৃষ্টিত অনুনয় আৰু লজ্জা একেলগে প্ৰকাশ পালে। কিন্তু তাৰ এই অদ্ভুত আচৰণ সহ্য কৰাৰ জোখাৰে ধৈৰ্য্য কেথেৰিণৰ নাছিল।

তেওঁ কৈ গ'ল, 'পিতাৰ বৰ অসুখ। তেওঁৰ কাষৰপৰা মোক আতঁৰাই আনিছা কিয়? মই নহাটোকেই বাঞ্ছা কৰিছিলা যেতিয়া আহিব নালাগে বুলি খবৰ এটা নপঠালা কিয়? দিয়া, মোক জবাব দিয়া। তোমাৰ লগত খেমালি কৰিবলৈ বা চুপতি মাৰিবলৈ মই অহা নাই। আৰু তোমাৰ এই ছল চাতুৰীবোৰ মই সেওভাও হৈ মানি চলিম বুলিও তুমি নাভাবিবা।'

'মোৰ ছলচাতুৰী?' ভোৰভোৰাই সি সুধিলে, 'মোৰ ছলচাতুৰী তুমি ক'ত দেখিলা? ভগৱানৰ দোহাই, কেথেৰিণ, ইমান খং নাথাবা। মোক যিমান অৱজ্ঞাৰ চকুৰে চোৱা, চোৱা। মইতো এটা অকৰ্মণ্য, ভয়াতুৰ প্ৰাণী। কোনোবাই লঘু লাঞ্ছনা কৰিলে প্ৰতিবাদ কৰিব মই নাজানোঁ। কিন্তু মই তোমাৰ খঙৰ উপযুক্ত পাত্ৰ নহয়। মোৰ পিতাক ঘৃণা কৰা। মোক তোমাৰ অৱজ্ঞাৰ কাৰণে ৰাখা।'

'বাজে কথা নক'ৰাঁ।' কেথেৰিণে খঙেৰে উত্তৰ দিলে, 'মূৰ্খ ল'ৰা ক'ৰবাৰ। সেইয়া চোৱা— তাৰ কঁপনি উঠিলেই। যেন মই তাৰ গাত হাত দিবলৈহে ওলাইছোঁ।

কাৰো অৱজ্ঞা তুমি খুজি ল'ব নালাগে। তোমাক দেখা যিকোনো মানুহেই তোমাক অৱজ্ঞা নকৰি নাথাকে। ওচা! মুহালৰ ওৰিৰ পৰা তোমাক আঁতৰাই অনাটো ভুলেই হ'ল। মোৰ ধকটো এৰি দিয়া। তুমি কান্দি থকা বাবে আৰু ইমান ভয়খোৱা যেন দেখুওৱা বাবে মই যদি তোমাক কিবা সহানুভূতি দেখুৱাইছিলোঁ, তেনে সহানুভূতি ভৰিৰে গচকি পেলাবা। এলেন, তেওঁৰ আচৰণ কিমান অশোভনীয় হৈছে তেওঁক কচোন। উঠা। নিজকে সাপ-বেঙৰ পৰ্য্যায়লৈ ননমাবা। উঠা।'

দুগালেদি চকুলো বোৱাই, যন্ত্ৰণাকাতৰ ভাবেৰে লিণ্টনে তাৰ দুৰ্ব্বল দেহাটোৰে মাটিত বাগৰ দিলে। কিবা এক ভয়ৰ ভাবে তাক কাতৰ কৰি পেলাইছিল।

সি উচুপি উচুপি ক'বলৈ ধৰিলে, ''মোৰ সহ্য নহয়, কেথেৰিণ। মই সহ্য কৰিব নোৱাৰিম। কেথেৰিণ, মই এটা বিশ্বাসঘাতকো। কিন্তু কথাটো তোমাক ক'বলৈ মোৰ সাহ নাই। কিন্তু তুমি গুচি গলে মোক মাৰি পেলাব। মৰমৰ কেথেৰিণ, মোৰ জীৱন তোমাৰ হাতত। তুমি মোক ভালপোৱা বুলি কৈছিলা। তুমি মোক ভাল পালেও তোমাৰ একো অনিষ্ট নহয়। তুমি নোযোৱা তেন্তে? দয়াবতী কেথেৰিণ, তুমি নাযাবা। মোক দয়া কৰা। তুমি ইমান ভাল। তুমি বোধহয় সন্মতি দিবা। তেওঁ মোক তোমাৰ লগতে মৰিবলৈকো দিব।'

তাৰ এনে অসহনীয় কষ্ট দেখি কেথেৰিণৰ সহ্য নহ'ল। আগৰ সেই সমবেদনা আৰু মৰমৰ ভাবটো ঘূৰি আহিল। তাক পৰি থকাৰ পৰা তুলি ধৰিবলৈ তেওঁ আগবাঢ়ি গ'ল। তাৰ অৱস্থা দেখি তেওঁ অত্যন্ত বিচলিত হ'ল, আৰু ভয়ো খালে।

'কিহৰ সন্মতি', কেথিয়ে তাক সুধিলে। ইয়াত থাকিবলৈ সন্মতি? তোমাৰ এই আচৰিত কথাবোৰৰ অৰ্থ কি মোক বোৱাচোন। তেতিয়া মই সন্মতি দিম বাৰু। তুমি দেখোন ইটোৰ লগত সিটোৰ মিল নথকা কথাবোৰ কৈছা। তোমাৰ কথাই মোক বিভ্ৰান্ত কৰিছে। অলপ শান্ত হৈ, তোমাৰ বুকুৰ বেদনা নো কি খোলাখুলিকৈ বোৱাচোন। লিণ্টন, তুমি মোৰ মনত আঘাত দিব নোখোজা নিশ্চয়; খোজা জানো? পৰাপক্ষত তো কোনো শত্ৰুকে মোৰ অনিষ্ট কৰিবলৈতো তুমি এৰি নিদিবা— দিবা জানো? মোৰ মতে, তুমি নিজৰ কথাত সাহস দেখুৱাব নোৱাৰা, কিন্তু তোমাৰ পৰম বন্ধুক তুমি কাপুৰুষৰ দৰে বিশ্বাসঘাতকতা নকৰা।'

শুকাই খীণাই যোৱা আঙুলিবোৰ মুঠিমাৰি ধৰি সি সেহাই সেহাই ক'লে, 'পিতাই মোক ভাবুকি দিছে। তেওঁলৈ মোৰ বৰ ভয় লাগে। বৰ ভয় লাগে। কথাটো ক'বলৈ মোৰ সাহ নাই।'

'হয় নেকি।' তাচ্ছিল্যসূচক অনুকম্পাৰ ভাব দেখুৱাই কেথেৰিণে ক'লে, 'তোমাৰ গোপন ৰহস্য তুমি ৰাখি থাকা। কাপুৰুষালি মোৰ নাই। তুমি আত্মৰক্ষা কৰি থাকা। মোৰ কাৰিলৈকো ভয় নাই।'

তাইৰ উদাৰতাত তাৰ চকুপানী ওলাল। সি হুক হুক কৰে কান্দিবলৈ ধৰিলে, আৰু সি ধৰি থকা তাইৰ হাতখনত ঘনে ঘনে চুমা খালে। তথাপিতো ৰহস্যটোৰ ভেদ ভাঙিবলৈ তাৰ সাহ নহ'ল।



গোপনীয় কথাটোনো কি হ'ব পাৰে মষো চিন্তা কৰি আছিলোঁ। মোৰ শুভেচ্ছাৰে কেথেৰিণে লিণ্টনৰে বা আন কাৰোবাৰে কিবা এটা উপকাৰ কৰাটো মই বিচৰা নাছিলোঁ। তেনেতে ওচৰত কিহবাৰ খচমচনি শুনি মূৰ তুলি চাই দেখোঁ যে আমাৰ ওচৰত হিথক্লিফৰ আবিৰ্ভাব হৈছে। সি 'ৱাদাৰিং হাইট্চ'ৰ পৰা ওলাই আহিছে। কেথেৰিণ আৰু লিণ্টনলৈ সি কেৰাহিকৈয়ো নাচালে। অথচ সিহঁত নিচেই ওচৰতে আছিল। ইমান ওচৰতে যে তাৰপৰা লিণ্টনৰ উচুপনি কাণত নপৰাকৈ নাথাকে। মোক কিন্তু সি বৰ আন্তৰিকতাৰে মাত লগালে। ইমান হৃদ্যতাৰে আনক সি নামাতে, মোকহে মাতিলে। আৰু মাতবাৰৰ আন্তৰিকতাত মোৰ সন্দেহ নাছিল। সি মোলৈ চাই ক'লে,

'নেলী দেখোন। মোৰ ঘৰৰ ইমান ওচৰত তই ওলাবিহি বুলি ভাবিবই পৰা নাছিলোঁ। সিপিনে তহঁতৰ খা-খবৰ কেনে? কচোন।' মাতটো সৰু কৰি সি এইবাৰ ক'লে, 'ইয়ে সিয়ে কোৱাকুই কৰা শুনিছোঁ এডগাৰ লিণ্টন বোলে মৃত্যুশয্যাত? সঁচা নেকি গুজবটো? নে এনেয়েহে অতিৰঞ্জিতকৈ ওলাইছে?'

'অতিৰঞ্জিত নহয়, সঁচা কথা। তেওঁৰ দিন টুটি আহিছে। আমাৰ সকলোৰে বাবে বৰ বেজাৰৰ কথা হ'ব, কিন্তু তেওঁৰ নিজৰ বাবে আশীৰ্ব্বাদ স্বৰূপ হ'ব।'

'তেওঁ বাৰু আৰু কিমান দিন বাচি থাকিব পাৰে বুলি তই ভাব?'

'মই কেনেকৈ জানিম।' মই কলোঁ।

হিথক্লিফে কেথেৰিণ আৰু লিণ্টনলৈ চাই আছিল। তেওঁৰ দৃষ্টি সিহঁতৰ পৰা আঁতৰ হোৱা নাছিল। লিণ্টনৰ যেন লৰচৰ্ কৰাৰে বা মূৰটো দঙাৰে শক্তি নাই। কেথেৰিণেও তাৰ বাবেই লৰচৰ্ কৰিব পৰা নাই। হিথক্লিফে সিহঁতলৈ চাই চাই ক'লে, 'সৌ ল'ৰাটোৱে মোৰ সকলো আশা পণ্ড কৰিব যেন পাইছোঁ। মোমায়েকটো তাতকৈ আগতে মৰিলেই ভাল হয়। বোলো হেৰ' কুকুৰ পোৱালি, তই এইদৰে বহুত পৰ এই খেলা দেখুৱাই আছ নেকি? পেনপেনাই থাকিব লাগে কেনেকৈ সেই কথা তাক মই অলপ শিকাইছিলোঁ। মিচ লিণ্টনৰ লগত সি হাঁহি মাতি কথা বতৰা পাতে নেকি?'

'ইহ্য মতাৰ কথা কৈছে? মুঠেই নকৰে। অতিলাত সংকোচ বোধহে কৰে।' মই উত্তৰ দিলোঁ। 'লিণ্টনক দেখিলে এনেহে লাগে যে ভালপোৱা ছোৱালীজনী লগত লৈ পথাৰে সমাৰে ঘূৰি ফুৰাতকৈ, ডাক্তৰৰ চিকিৎসা লৈ, সি বিচনাত পৰি থাকিবহে লাগে।'

'থাকিব, থাকিব, দুই এদিনতে থাকিব,' সৰু সৰুকৈ, মুখৰ ভিতৰতে কোৱাদি হিথক্লিফে ক'লে। 'কিন্তু প্ৰথমতে— এই লিণ্টন, উঠ। উঠি বহ।' হিথক্লিফে চিঞৰি চিঞৰি তাক ক'লে, 'মাটিত লেটি লৈ নাথাকিবি। উঠ এতিয়াই।'

বাপেকৰ মাত শুনি লিণ্টন সেইপিনেই মুচকচ যোৱাদি গ'ল। সি নিতান্তই অসহায় বোধ কৰিলে। বাপেকে তাৰ ফালে চোৱাটোৱেই কাৰণ হ'ব লাগিব, অন্য কাৰণটো দেখাত তেতিয়া একো নাছিল। উঠি বহিবলৈ সি বেছিকৈ চিপো মাৰিলে, কিন্তু তাৰ গাৰ শক্তিয়ে নুকুলালে। সি আকৌ কেঁকনি এটা মাৰি মাটিত লুটি খাই পৰিল।

মিঃ হিথক্লিফ আগুৱাই আহি তাক দাড়ি ধৰিলে, আৰু ওখ ঘাঁহৰ জোপা এটাত আওঁজাই বহুৱাই দিলে।

এইবাৰ তেওঁৰ উগ্ৰতা সামান্য দমাই ৰাখি হিথক্লিফে ক'লে, 'মনটো টান কৰি, বহিবলৈ যত্ন কৰ। নহলে মোৰ এতিয়া খং উঠিব। মই কৈ দিছোঁ। ৰসাতলে যোৱাটো! উঠ বুলিছো নহয়, এতিয়াই!'

'উঠিছোঁ পিতা', সি কোঁপাই কোঁপাই ক'লে। 'মোক মাত্ৰ অকলে থাকিবলৈ দিয়া। নহ'লে মই মূৰ্চ্ছা যাম। মই তুমি কোৱাৰ দৰেই কৰিছোঁ। কেথেৰিণে তোমাক ক'ব যে মই— মই— মই ৰংমনেৰে আছোঁ। উস্। কেথেৰিণ, মোৰ কাষত থাকাঁ। তোমাৰ হাতখন দিয়াচোন।'

বাপেকে ক'লে, 'মোৰ হাতত ধৰি পোন হ। ওঁ, এতিয়া তাইৰ হাতত ধৰ। ঠিক আছে। মোৰ পিনে কি চাইছ? তাইলৈ চা। মিচ লিণ্টন, ইয়াক ইমানকৈ ভয় খুওৱা দেখি মোক কিজানি চয়তান বুলি ভাবিছা। দয়া কৰি তুমি তাৰ লগত ঘৰলৈকে যোৱাচোন। যাবানে? মই তাৰ হাতত ধৰিলেই সি কঁপি উঠে।'

কেথেৰিণে লিণ্টনৰ কাণত ফুচফুচাই ক'লে, ''লিণ্টন, মই 'ৱাদাৰিং হাইটচ্'লৈ যাব নোৱাৰোঁ। পিতাই মোক মানা কৰি দিছে। তেওঁতো তোমাৰ একো অনিষ্ট নকৰে। কিয় ইমান ভয় কৰিছা?''

'মই সেই ঘৰটোত আকৌ সোমাবগৈ নোৱাৰোঁ।' তোমাক লগত নিনিয়াকৈ মই তাত সোমাবগৈ নোৱাৰোঁ, সি উত্তৰ দিলে।

'চুপ কৰ' বুলি হিথক্লিফে তাক এছাটি ধমক শোধালে। 'পিতাকৰ প্ৰতি থকা কেথেৰিণৰ সন্তানোচিত ভাবক আমি শ্ৰদ্ধা কৰিব লাগে। নেলী, তাক তই ভিতৰলৈ লৈ যা। আৰু মই তই কোৱামতে ডাক্তৰৰ ব্যৱস্থা কৰোঁগে। বেচি পলম নকৰোঁ।'

'এৰা, ডাক্তৰৰ ব্যৱস্থা কৰিব খুজিছ, ভালেই হৈছে, কৰ। মই পিচে কেথি আইটিৰ লগতে থাকিম লাগিব। তোৰ ল'ৰাৰ আলপৈচান ধৰাটো মোৰ কাম নহয়।'

হিথক্লিফে ক'লে, 'তই বৰ কঠোৰ অ'। মোৰ ল'ৰাৰ আলপৈচান ধৰাটো তোৰ কাম নহয় বুলি মই জানো নাজানোঁ? কিন্তু দেখিছই নহয়, গাত ধৰিলেই সি কেঁচুৱাটিয়ে কেনেকৈ চিঞৰ বাখৰখন লগায়। শুনিলে তহঁত মৰমত একেবাৰে পমি যাবি। ঠিক আছে, বীৰ পুৰুষ, আহক। মই লগত থাকিম, খুশি হ'ল। যাবি? যাবলৈ সাজুনে তই?'

আকৌ এবাৰ সি পুতেকৰ পিনে আগবাঢ়িল, আৰু নিশকটীয়া ল'ৰাটোক দাঙি ধ'ব যেন কৰিলে। লিণ্টনে কিন্তু পিচহোঁহকা মাৰি কেথেৰিণৰ স্কন্ধটোত খামুচি ধৰিলে আৰু তাইক তাৰ লগত যাবলৈ কাকুতি কৰিবলৈ লাগিলে। বলিয়াৰ দৰে এনেহে ইমান বিননিখন সি জুৰিলে যে কেথেৰিণৰ পক্ষে তাক 'নাযাওঁ' বুলি কোৱা টান হ'ল।



মই ইমান আপত্তি কৰিলোঁ, কিন্তু লিণ্টনৰ লগত যোৱাৰপৰা মই তাইক বিৰত কৰাব নোৱাৰিলোঁ। আচলতে সি যেনেধৰণহে কৰিছিল, কোনেনো পাৰিব। সিনো কিহলৈ ভয় কৰি বিতত হৈছিল আমাৰ জনাৰ উপায় নাছিল। কিন্তু কিবা এটা ভয় যে খাইছিল সেই কথা একেবাৰে স্পষ্ট হৈ পৰিছিল। সেই ভয় আৰু অলপ বাঢ়িলেই তাৰ একেবাৰে কাণ্ডজ্ঞান শূন্য হৈ যোৱাৰ অৱস্থা।

আমি দুৱাৰডলি পালোঁগৈ। কেথেৰিণ ভিতৰ সোমাই গ'ল। মই বাহিৰতে তাই ওলাই অহালৈ ৰৈ থাকিলোঁ। মই ভাবিছিলোঁ— বেমাৰী ল'ৰাটোক চকী এখনত বহুৱাই দিয়েই তাই লগে লগে ওলাই আহিব। তেনেতে মিঃ হিথক্লিফ মোৰ ওচৰত ওলালহি, আৰু মোক ভিতৰলৈ ঠেলা মাৰি দি ক'লে, 'নেলী, মোৰ ঘৰত প্লেগ মহামাৰী লগা নাই নহয়। মই ভাবিছোঁ আজি তহঁতক মই অলপ সোধপোচ কৰিম। বহ। মই দুৱাৰখন জপাই দিওঁ।'

দুৱাৰখন সি জপাই দিয়াই নহয়, তাত তলা লগায়ো দিলে। মই চক খাই উঠিলোঁ।

হিথক্লিফে কৈ গ'ল, 'তই চাহ খাই যাবি। মই অকলেহে আছোঁ। হেয়াৰটন গৰু কেইটামান লৈ চাপৰিলৈ গ'ল। জিল্লা আৰু জোজেফ গৈছে ক'ৰবাত স্ফূৰ্তি কৰিবলৈ। মই অকলে অকলে থকাত অভ্যস্ত হলেও, মোৰ পচন্দৰ লগভাগ পালে মই বিচাৰোঁ। মিচ লিণ্টন, তুমি তাৰ কাষত বহাঁ। মই যি আছে তাকেহে তোমাক দিব পাৰিছোঁ। উপহাৰটো অৱশ্যে একেবাৰে লবলগীয়া নহয়। পিচে ইয়াৰ বাদে মোৰ দিবলৈ আন একো নাই। মই লিণ্টনৰ কথা কৈছোঁ। ও আই, তাই কেনেকৈ থৰ লাগি চাইছে চোৱা। বৰ আচৰিত কথা। মোলৈ ভয়কৰা যিকোনো প্ৰাণীৰে প্ৰতি মোৰ কিবা অমানুষিক ভাব এটা ওপজে। ইয়াত নহৈ গুৰু-গোঁসাই নমনা, হকাবাধা নথকা কোনোবা ঠাইত হ'ব লাগিছিল, আজি সন্ধিয়া এই দুয়োটাকে বেপি বেপি কাটি স্ফূৰ্তি কৰিলোহেঁতেন।'

এইবুলি কৈ সি দীঘলকৈ উশাহ এটা টানি মেজত এভুকু মাৰিলে, আৰু নিজকে কোৱাদি ক'লে ঃ

'নৰকৰ দোহাই। সেই হালক মই ঘিণ কৰোঁ।'

উত্তেজিত হৈ কেথেৰিণে হিথক্লিফক ক'লে, 'মই তোমালৈ পৰোৱাই নকৰোঁ।' হিথক্লিফৰ পিচৰ কথাকেইটা তাইৰ কাণত পৰা নাছিল।

তাই হিথক্লিফৰ ওচৰ চাপি আহিল। খং আৰু মনৰ দৃঢ়তাত তাইৰ ক'লা চকুহাল তিৰবিৰ কৰিছিল।

'চাবিটো দিয়া। মোক লাগিবই। লঘোণত মৰি যাবলগা হলেও মই ইয়াত মুখত পানী এটোপাও নিদিওঁ।' হিথক্লিফে চাবিটো হাতত লৈ আছিল। হাতখন সি মেজত পেলাই থৈছিল। তাইৰ কথা শুনি সি মূৰ দাঙি চালে। তাইৰ সাহস দেখি সি আচৰিত নোহোৱাকৈও নাথাকিল। হয়তো বা তাইৰ মাত আৰু চাৱনিৰ পৰা, তাই এই সাহস ক'ৰপৰা পাইছে, সেই বিষয়ে সি সচেতন হ'ল।

হিথক্লিফৰ হাতৰ পৰা চাবিটো থাপমাৰি তাই প্ৰায় নিছিলেই। কিন্তু সি আকৌ কাঢ়ি ল'লে।

এইবাৰ সি ক'লে, 'কেথেৰিণ লিণ্টন, মই সাৱধান কৰি দিছোঁ তোক, আঁতৰি যা, নহ'লে মই তোক ঘুন্দিয়াই পেলাই দিম। তেনে এটা ঘটনা ঘটিবলৈ হ'লে মিচেছ ডীন পাগলী হ'ব।'

তাৰ সাৱধানবাণী সত্ত্বেও, তাই তাৰ হাতৰ মুঠিৰ পৰা চাবিটো টানি উলিয়াই লবলৈ যত্ন কৰিলে।

'আমি যামেই', তাই আকৌ ক'লে আৰু হিথক্লিফৰ লোহাযেন দৃঢ়বদ্ধ মাংসপেশী শিথিল কৰিবলৈ গাৰ সমস্ত শক্তিৰে হেঁচা দিলে। তাই তাক নখেৰে আঁকুহিলে; তাতো কাম নোহোৱাত এইবাৰ তাৰ গাত দাঁত বহুৱাই দিলে।

হিথক্লিফে মোলৈ এনে এটা চাৱনিৰে চালে যে এক মুহূৰ্তমান সময় মই হস্তক্ষেপ নকৰাকৈ ৰলোঁ। কেথেৰিণে তাৰ হাতততহে মনোনিবেশ কৰিছে, তাৰ মুখলৈ চোৱাই নাই। এসময়ত সি হাতৰ পৰা চাবিটো মাটিত পেলাই দিলে, কিন্তু তাই বস্তুটো বুটলি ন'বলৈ নৌপাওঁতেই, সি তাইক দুহাতেৰে ধৰি টানি আনি আঁঠুৰ মাজত সুমাই লৈ তাইৰ মূৰৰ দুয়োফালে কটপ্ কটপ্‌কৈ থপৰিয়াবলৈ ধৰিলে। তাই পৰি যোৱাহেঁতেন সি কিজানি তাইক বখলিয়াই পেলালেহেঁতেন। তাৰ এই নৃশংস কাৰ্য্য দেখি মই প্ৰচণ্ড খঙত তীব্ৰ বেগেৰে তাৰ ওপৰত জপিয়াই পৰিলোঁ।

'এই পাষণ্ড! পাষণ্ড! দুৰ্বৃত্ত!' বুলি মই তাক আঁজুৰিবলৈ লাগিলোঁ।

সি মোৰ বুকুতে এনে এটা ভুকু মাৰিলে যে মোৰ মাত বন্ধ হৈ গ'ল। মই শকত-আৱত মানুহ, সেইবাবে মোৰ তৎক্ষণাত উশাহ বন্ধ হৈ গ'ল। ভুকু খাই, আৰু লগতে খঙত মোৰ মূৰ ঘূৰাবলৈ ল'লে। মুখেৰে তেজ বমি হ'ব যেন লাগিল।

দুই মিনিটমানহে এই কাণ্ড চলিল। হিথক্লিফৰ হাতৰপৰা এৰা খাই কেথেৰিণে হাত দুখন মূৰৰ দুই দাঁতিয়েদি নি তাইৰ কাণ দুখন আছেনে নাই চালে। তাই বেচেৰী বতাহত লৰা থাগৰিৰ দৰে কঁপিবলৈ ধৰিলে, আৰু কিংকৰ্তব্যবিমূঢ় হৈ মেজত ধৰি আঁউজি দিলে।

টনা-আঁজোৰাত চাবিটো মাটিত পৰি গৈছিল। তাকে তুলি ল'বলৈ লৈ বদমাহিচটোৱে প্ৰচণ্ড খঙেৰে আকৌ কবলৈ ধৰিলে: 'ল'ৰা-ছোৱালী শাসন কৰিব মই জানোঁ, বুজিছ। মই কোৱামতে এতিয়া লিণ্টনৰ কাষলৈ যা। তাৰ ওচৰত যিমান পাৰ হেঁপাহ পুৰাই কান্দ গৈ। কালিলৈ মই তোৰ বাপেৰৰ ঠাই ল'ম। সংসাৰত বাপেৰ বুলিবলৈ দুই চাৰি দিনৰ ভিতৰত ময়েহে ৰ'মগৈ। আৰু এতিয়া যে এমজা পালি— আৰু পাবি। তইতো উজুতিত পৰি মৰাজনী নহয়। তোৰ গাত বেচ বলশক্তি আছে। আৰু পাবি। তোৰ চকুত এনে চাৱনি যেতিয়াই দেখিম তেতিয়াই বেচকৈ এনেকা পাবি।'

লিণ্টনৰ ওচৰলৈ নগৈ কেথি মোৰ কাষলৈ আহিল, আৰু মোৰ ওচৰতে আঁঠুকাঢ়ি বহি লৈ মোৰ কোলাত তাইৰ ফুলফলাই ৰঙাপৰি সেৰাপাতি থকা গাল দুখন গুজি দিলে। তাই ইনাই বিনাই কান্দিছিল। লিণ্টন দীঘল বেঞ্চখনৰ এচুকত কুচিমুচি বহি



আছিল। সাবসুৰ নাই। বাপেকৰ মাৰ তাৰ গাত নপৰি যে আনৰ গাত পৰিল সেয়ে পৰম ভাগ্য বুলি সি নিশ্চয় তেতিয়া ভাবি আছিল।

আমি আটাইবোৰ বিচূৰ্তি হোৱা দেখি হিথক্লিফ বহি থকাৰপৰা উঠি গৈ থৰ্থৰকৈ নিজে চাহ কৰাত লাগিল। কাপপ্লেটবোৰ সজাই থোৱা আছিলেই। একাপ চাহ সি মোলৈ আগবঢ়ালে। সি ক'লে,

'খংটো দমাই ল। তোৰ আৰু মোৰ এই পোহনীয়া দুটাক অলপ সময় সাৰথি কৰি লে। মই বাকিছোঁ বাবেই চাহকাপত বিহ ঢলা আছে বুলি নাভাবিবি। মই তোৰ ঘোঁৰা কেইটা কেনি গ'ল চাওঁগৈ।'

সি ওলাই যোৱা দেখি কেনেবাকৈ কেনিবাদি ওলাই যোৱাটোৱেই হ'ল আমাৰ প্ৰথম চিন্তাৰ বিষয়। পাকঘৰৰ দুৱাৰেদি ওলাবলৈ চালোঁ, নোৱাৰিলোঁ; বাহিৰৰপৰা বন্ধ কৰা আছে। খিৰিকিৰে ওলাবলৈ চালোঁ, নোৱাৰি, অতি ঠেক ঠেক। কেথিৰ লাহী গাটোও নসৰকে।

আমি দস্তুৰমত বন্দীশালত পৰিলোঁ বুলি জানি লিণ্টনক মই ক'লোঁ, 'মোপা লিণ্টন, তোমাৰ এই নাৰকী বাপেৰটোৱে কি কৰিবলৈ ওলাইছে তুমি জানা। গতিকে আমাক তুমি ক'ব লাগে তাৰ অভিপ্ৰায় কি। নহ'লে তোমাৰ বাপেৰে কেথেৰিণৰ কাণমোচৰাদি ময়ো তোমাৰ কাণ মুচৰিম।'

কেথেৰিণেও যোগ দিলে। ক'লে, 'এৰা লিণ্টন, তুমি ক'ব লাগে। তোমাৰ বাবেহে মই ইয়ালৈ আহিছিলোঁ। তুমি নকলে অতি অধৰম আৰু অকৃতজ্ঞতাৰ কথা হ'ব।'

'মোক অলপ চাহ দিয়া। মোৰ পিয়াহ লাগিছে। চাহ এঢোক খাই লৈ মই ক'ম' বুলি সি উত্তৰ দিলে। 'মিচেছ ডীন, তুমি যোৱাগৈ। তুমি মোৰ ওপৰত চৰ্দাৰী কৰি থকাটো মই ভাল পোৱা নাই। এ, কেথেৰিণ, তোমাৰ চকুলো মোৰ চাহকাপত পৰিছে। সেইকাপ মই নাখাওঁ। আন একাপ দিয়া।'

কেথেৰিণে আন একাপ চাহ তাৰ ফাললৈ আগবঢ়াই দিলে, আৰু নিজৰ চকুদুটা মচি ল'লে। দগাবাজ পোৱালিটোৰ যিহে ধীৰ-স্থিৰ গতি যেন একোৱেই হোৱা নাই! দেখি মোৰ বিৰক্তি লাগিল। তাৰ নিজৰ কাৰণে সি যি ভয় কৰিছিল সেই ভয় লেখোন এতিয়া নাইকিয়া হ'ল। মুকলি পথাৰত দেখুওৱা তাৰ দুশ্চিন্তা 'ৱাদাৰিং হাইটচ' সোমোৱাৰ লগে লগে অন্তৰ্হিত হ'ল। আমাক তালৈ চলাই ভুলাই লৈ যাব নোৱাৰিলে সি ভালকৈ এনেকা পাব বুলি তাক ভাবুকি দিয়া হৈছিল বুলি মোৰ ধাৰণা হ'ল। সেই কাম কৰা হোৱাৰ লগে লগে তাৰ ভয়ো আঁতৰিল।

চাহৰ কাপত দুসোহমান মাৰি সি ক'লে, 'পিতাই আমাৰ বিয়া হোৱাটো বিচাৰিছে। তোমাৰ পিতাৰাই এতিয়াই আমাৰ বিয়া হ'বলৈ নিদিয়ে বুলিও তেওঁ জানে। আকৌ পলম কৰিলেও, মই মৰি থাকোঁ বুলি পিতাৰ ভয়। সেইবাবে কালিলৈ পুৱা আমাৰ বিয়া হ'ব, আৰু আজি ৰাতিটো তুমি ইয়াত থাকিব লাগিব। তেওঁ বিচৰা দৰে চলিলে

তুমি বিয়াৰ পাচদিনা ঘৰলৈ যাবলৈ পাবা, আৰু মোকো তোমাৰ লগতে লৈ যাব পাৰিবা।'

মই খঙেৰে ক'লোঁ, 'কটা এলাগীৰ পো, তোক লগত লৈ যাব? তই বিয়া কৰাবি? কৰ কি? মানুহটো হয় পাগল হ'ল, নহয় সি আমাক আটাইকে বুৰ্বক বুলি ভাবিছে। এই সুন্দৰী, স্বাস্থ্যৱতী, প্ৰাণচঞ্চলা গাভৰু গৰাকীয়ে চিপ টানি থকা বান্দৰ এটাৰ লগত নিজকে সাঙুৰিবলৈ যাব বুলি তই ভাবিব পাৰিছ কেনেকৈ? কেথেৰিণ আইটিয়ে নালাগে আন কোনোৱেই তোক বিয়া কৰাবলৈ ওলাব বুলি তই ভাবিছ নেকি? ঠগবাজি কৰি আমাক ইয়ালৈ অনাৰ বাবে তোক চমতাৰ কোব দিব লাগে। এতিয়া অজলাৰ ভাও জুৰিবলৈ নাহিবি। তোৰ বিশ্বাসঘাতকতাৰ বাবে তোক বেচকৈ এসেকা দিবৰ মোৰ মন গৈছে।'

মই তাক গাত ধৰি দুটামান জোকাৰ মাৰি লপা থপা দুটামান নিদিয়াকৈয়ো এৰা নাছিলোঁ। কিন্তু লগে লগেই তাৰ কাহ উঠিল, আৰু পুতৌ আদায় কৰিবৰ বাবে সি বিনাবলৈ লাগিলে। পৰিস্থিতি দেখি কেথেৰিণে মোক গালি পাৰিলে।

চাৰিওপিনে চকুফুৰাই চাই কেথেৰিণে ক'লে, 'গোটেই ৰাতি ইয়াত থাকিব লাগিব? হবই নোৱাৰে। এলেন, মই লাগে দুৱাৰখন জুই দি পুৰিয়েই পেলাম, কিন্তু ওলাই মই যামেই।'

দুৱাৰত জুই লগাই দিব বুলি তাই কৈছিলে, আৰু লগালেহেঁতেনো, কিন্তু প্ৰাণৰ মায়াত লিন্টন আকৌ ভয়ত পেপুৱা লাগিল। উচুপি উচুপি খীণ দুবাহুৰ মাজত সি তাইক সাবটি ধৰি কবলৈ ললে : ''তুমি মোক নিবিচাৰা? মোক তুমি নবচোৱা? 'গ্ৰেঞ্জলৈ' মোক যাবলৈ নিদিয়া? কেথেৰিণ সোণজনী, যিয়েই নহওক লাগিলে, মোক এৰি থৈ তুমি যাব নোৱাৰা। তুমি মোৰ পিতাৰ কথা শুনিবই লাগিব, শুনিবই লাগিব।''

'মই মোৰ নিজৰ পিতাৰ কথা শুনিম,' কেথেৰিণে উত্তৰ দিলে 'আৰু এই নিষ্ঠুৰ অনিশ্চয়তাৰপৰা তেওঁক অব্যাহতি দিমগৈ। গোটেই নিশা ইয়াত থাকিব লাগিব? পিতাই ভাবিব কি? ইতিমধ্যে তেওঁৰ চিন্তা লাগিবই পায়। বেৰখোৰত জুই লগাই হওক, ভাঙিছিঙি হওক, কেনেবাকৈ নহয় কেনেবাকৈ মই এই ঘৰটোৰ পৰা ওলাই যামেই যাম। শান্ত হৈ থাকা। তুমি একো বিপদত পৰা নাই। কিন্তু তুমি যদি মোক বাধা দিয়া, মনত ৰাখিবা লিন্টন, তোমাতকৈ পিতাক মই বেছি ভাল পাওঁ।'

কেথেৰিণ উদ্ভ্ৰান্ত হোৱাৰ দৰে হৈছিল, তথাপিতো তাই যিমান পাৰি শান্তভাৱে কৈছিল যে সাই ঘৰলৈ ঘূৰি যাবই লাগিব। এইবাৰ তাই তাক অনুনয় বিনয় কৰিবলৈ ধৰিলে, আৰু তাৰ স্বাৰ্থপৰ চিন্তা পৰিহাৰ কৰিবলৈ খাটনি ধৰিলে।

সিহঁত দুটাই এইদৰে কথাবতৰা পাতি থাকোঁতেই হিথক্লিফ ঘূৰি আহিল। আহিয়েই মোলৈ চাই ক'লে, 'তোৰ খোঁৱা বেইটো গ'লগৈ অ'। এই লিন্টন, চাওঁ। কৰিছ কি? আকৌ থেন থেন পেন পেন কৰি আছ? তাই তোক কি কৰি আছে? যি হৈছে হৈছে, এতিয়া বিচনালৈ যা। দুই এমাহৰ ভিতৰতে তই তাইক এই উদ্ধতালিৰ সমুচিত জবাব



দিব পৰা হ'বি। তেতিয়ালৈ তোৰ হাতলৈ জোৰ আহিব। তই বিশুদ্ধ প্ৰেম বিচাৰিছ? আন একো বিচৰা নাই? তাই তোক লব লাগিবই। যা। বিচনালৈ যা। জিল্লা আজি ৰাতি ইয়াত নাথাকে। তই নিজেই কাপোৰ-কানি সলাই লব লাগিব। চুপ। গণ্ডগোল বন্ধ কৰ। কোঠাত সোমোৱাৰ পিচত মই তোৰ ওচৰলৈ নাযাওঁ। তই ভয় নকৰিবি। তইতো আজি ঠিকেই চলিছ। যা এতিয়া। বাকীবোৰ মই চম্ভালিম।'

এইকেইটা কথা কৈ থাকোঁতে সি দুৱাৰখন সামান্যকৈ মেলি ৰাখিছিল। লিণ্টন সাউত কৰে ফাঁকেদি সৰকি গ'ল। কুকুৰ নথীয়াটোৱে চেপি মাৰিব বুলি সন্দেহ কৰি কুকুৰ এটা যেনেকৈ ফাঁকেদি সৰকি যায়, ঠিক তেনে ক্ষিপ্ৰতাৰেই সি কোঠাটোৰ পৰা ওলাই গ'ল। দুৱাৰত তলাটো আকৌ সি মাৰি দিলে। হিথক্লিফ জুহালৰ ওচৰলৈ গ'ল। তাতে কেথিয়ে ময়ে থিয়দি আছিলোঁ। সি ওচৰ চাপিলত কেথেৰিণে মুখ তুলি চালে, আৰু আপোনা আপুনি তাইৰ হাত দুখনে গালদুখন চুই চালে। হিথক্লিফৰ সান্নিধ্যই তাইৰ বেদনাৰ পুনৰ উদ্ৰেক কৰিলে। হিথক্লিফৰ বাহিৰে আন কোনেও কিজানি তাইৰ এই কোমলমতীয়া প্ৰতিক্ৰিয়া কঠোৰভাৱে নললেহেঁতেন। সি তাইলৈ পোন্দোৰাকৈ চাই ভোৰভোৰাই ক'লে,

'তই তেনে মোলৈ ভয় নকৰ। তোৰ সাহসকণ ভালদৰে লুকুৱাই ৰাখিছ— তইতো দেখাত অতিপাত ভয় খাইছ।'

তাই উত্তৰত ক'লে, 'মোৰ এতিয়া ভয় লাগিছে। কাৰণ মই যদি আজি ইয়াত থাকোঁ, পিতাই বৰ চিন্তা কৰিব, আৰু চিন্তা কৰি কষ্ট পাব। পিতাক মই কোন সত্বেৰে কষ্ট দিম? সেইটো মোৰ সহ্য নহ'ব। পিতাৰ, পিতাৰ এনেয়ে অৱস্থা এতিয়া...... মিঃ হিথক্লিফ, মোক ঘৰলৈ যাবলৈ দিয়ক। লিণ্টনক বিয়া কৰাম বুলি মই প্ৰতিজ্ঞা কৰিছোঁ। পিতায়ো মত দিব। লিণ্টনক মই ভাল পাওঁ। মই আপোনমনেৰেই কৰিবলৈ ওলোৱা কাম এটা কৰিবলৈ আপুনি মোক জোৰ কৰিব লাগে কিয়?'

মই ডাঙৰকৈ ক'লোঁ, 'সাহ আছে যদি সি জোৰ কৰকচোন বাৰু। ভগৱানৰ কৃপাত দেশত আইন-কানুন বোলা কথা এটা এতিয়াও আছে। এই আওহতীয়া ঠাইত থাকিলেও মই আইনৰ ওচৰত গোচৰ দিম। মোৰ নিজৰ ল'ৰা হ'লেও দিম। গীৰ্জ্জাৰ যাজক সকলক নজনোৱাকৈ এনে কাম কৰাটো মহাপাপ।'

গুণ্ডাটোৱে ভেকাহি মাৰি ক'লে, 'মুখ বন্ধ কৰ। কেপকেপাই নাথাকিবি। মই তোক মুখ মেলিবলৈ কোৱা নাই। মিচ লিণ্টন, তোৰ বাপেৰে মনোকষ্ট পাব বুলি ভাবিবলৈ পালে মই পৰম আনন্দ লাভ কৰিম। আহলাদত মোৰ টোপনিয়েই নাহিব। এনে এটা কথা হ'ব বুলি তই ক'লি যেতিয়া অহা চৌবিশ ঘণ্টাৰ বাবে তোক ইয়াতে মই জন্দ কৰি থ'ম। আৰু তই যে লিণ্টনক বিয়া কৰাবি বুলি কথা দিছ, কথা যাতে ৰাখ মই চাম। কথা কাৰ্য্যত পৰিণত নোহোৱালৈকে তই ইয়াৰ পৰা ওলাব নোৱাৰ।'

শুনিলে হিয়াৰ আমঠু ক'লা পৰি যোৱাকৈ কান্দি কান্দি তাই উত্তেজিত সুৰত ক'লে, 'এলেনকে তেন্তে পঠাই দিয়ক। মই নিৰাপদে থকা বুলি পিতাক তাই কওকগৈ।

নহলে বিয়াখন এতিয়াই সম্পন্ন কৰক। সেইহি ঐ! এলেন, পিতাই ভাবিব আমি ক'ৰবাত হেৰালোঁ। কি কৰিম এতিয়া?'

'বাপেৰে নাভাবে সেইদৰে। সি ভাবিব যে তাৰ আলপৈচান ধৰি ধৰি তইঁতৰ আমনি লাগিল, আৰু সেইবাবে অলপ ৰং-ৰহইচ কৰিবলৈ আঁতৰি আহিছ। সিতো ইচ্ছাৰে ইয়ালৈ আহিছ। এই কথা তই নহয় বুলিব নোৱাৰ। তোৰ বয়সত ৰং-তামাচা কৰিবলৈ বিচৰাটোতো একেবাৰে স্বাভাৱিক কথা। বেমাৰী মানুহ এটাক আলপৈচান ধৰি ধৰি তোৰ আমনি লাগিবই— মানুহটোও হ'ল আৰু' তোৰ বাপেৰহে। কেথেৰিণ, বুজিছোঁ, তই সংসাৰলৈ অহা বাবে সি তোক শাও দিছিল। মই বেচকৈ এতিয়া সি নিজে সংসাৰ এৰি যাবৰ সময়তো শাও দি যাব— তাতনো আচৰিত হ'বলগা কথা কি আছে? তোক অভিশাপ দিয়াত তাৰ লগতে ময়ো যোগ দিম। মই তোক ভাল নাপাওঁ। ভাল পাম কেনেকৈ? কান্দি কান্দি মৰ। মই যি বুজিছোঁ, এতিয়াৰ পৰা কান্দি কাটি সময় কটোৱাই হ'ব তোৰ যাই কাম। অৱশ্যে লিণ্টনে যদি অন্য ব্যৱস্থা কৰে তেন্তে কথা সুকীয়া। ব্যৱস্থা সি কৰোঁ বুলিলেই নহ'ব নহয়, তোৰ দূৰদৰ্শী পিতাৰৰ সন্মতিওতো লাগিব। সি লিণ্টনলৈ সান্ত্বনা আৰু উপদেশ দি লিখা চিঠিবোৰ পঢ়ি মই বৰ ভাল পাইছিলোঁ। একেবাৰে শেহৰ চিঠিত সি মোৰ সোণটোক তাৰ সোণজনীৰ যত্ন ল'বলৈ, আৰু বিয়াৰ পিচত তাইৰ প্ৰতি দয়ালু আচৰণ কৰিবলৈ লিখিছিল। দয়া আৰু যত্ন— একেবাৰে বাপেকীৰ অন্তৰৰ কথা। পিচে লিণ্টনে তাৰ দয়া যত্ন সমস্ত নিজতেই লগাব লাগিব। লিণ্টন বেছ নিষ্ঠুৰ হ'ব পাৰে। দাঁত নিকটাই ভেঙুচালি কৰিলে বা মুখ বিকটাই চিঞৰিলে সি কাকো সহ্য নকৰে। তই ঘৰলৈ গৈ তাৰ মোমায়েকক তাৰ দয়ামায়াৰ নিদৰ্শনৰ বহুতো গল্প ক'ব পাৰিবি। চিন্তাই নকৰিবি।'

'ঠিকেই কৈছ তই। তোৰ ল'ৰাৰ চৰিত্ৰৰ কথা কওঁনে', মই কলোঁ। 'তোৰ লগত তাৰ কণ্ঠ কণ্ঠ মিল আছে দেখুৱা। তেতিয়াহলে মই ভাবো এই কালনাগটোৰ ওচৰত নিজকে অৰ্পি দিয়াৰ আগতে কেথিয়ে আকৌ এবাৰ ভাবি চাব পাৰিব।'

সি উত্তৰ দিলে, 'তাৰ অমায়িক গুণবাজিৰ কথা কোৱাত মোৰ আপত্তি নাই। কাৰণ তাই হয় তাক বিয়া কৰাব লাগিব, নহয় তোৰ গৃহবাসী নসবাসীলৈকে ইয়াতে বন্দী হৈ থাকিব লাগিব। লগতে তয়ো থাকিব লাগিব। তইঁত দুয়োকে মই ইয়াত একেবাৰে লুকুৱাই ৰাখিব পাৰোঁ। কোনেও জানিবলৈ নোপাবি। তোৰ যদি সন্দেহ আছে, তেন্তে তাইক ক। বিয়া কৰাম বুলি দিয়া কথা ঘূৰাই লওক, তেতিয়া তই দেখিবি কি হয়।'

কেথেৰিণে ক'লে, "কথা ঘূৰাই মই নলওঁ। যদি তাক বিয়া কৰোঁৱাৰ পিচত মই থ্ৰাচক্ৰচ গ্ৰেঞ্জলৈ ঘূৰি যাব পাৰোঁ, তেন্তে এঘণ্টাৰ ভিতৰতে মই তাক বিয়া কৰাম। মিঃ হিথক্লিফ, আপুনি নিৰ্দয় লোক, কিন্তু দানৱ নহয়। আৰু কেৱল বিদ্বেষৰ বাবেই মোৰ সমস্ত সুখ চিৰদিনৰ বাবে মচিমূৰ কৰিবলৈ আপুনি নিশ্চয় নিবিচাৰে। পিতাই



যদি মই তেওঁক ইচ্ছাকৃতভাৱে এৰি থৈ অহা বুলি ভাবে, আৰু মই উভতি যোৱাৰ আগেয়েই তেওঁৰ মৃত্যু হয়, তেন্তে মই কেনেকৈ জীয়াই থাকিম? মই কান্দিবলৈ এৰিছোঁ, কিন্তু মই আপোনাৰ ভৰিত পৰি থাকিম। মই লৰচৰ নকৰাকৈ পৰি থাকিম। আপোনাৰ খং উঠা একো কাম মই নকৰোঁ। কিন্তু আপুনি মোৰ মুখলৈ নোচোৱা পৰ্যন্ত মই আপোনাৰ মুখলৈ চাই থাকিম। নহয়, মই মুখ নুঘূৰাওঁ। চাওক মোলৈ। আপোনাৰ খং উঠিব লগা একো নেদেখে। মই আপোনাক ঘিণ নকৰোঁ। মোক আপুনি মৰিওৱাৰ বাবেও আপোনাৰ ওপৰত মোৰ খং নাই। পেহাদেউ, আপুনি জীৱনত কাকো কেতিয়াও ভাল পোৱা নাইনে? কেতিয়াও ভাল পোৱা নাই? ইচ্, আপুনি এবাৰ মোলৈ চাওক। মই ইমান দুৰ্ভগীয়া। আপুনি মোক পুতৌ নকৰি নোৱাৰে।''

'গুচা মোৰ গাৰ পৰা তোৰ কিৰকিৰীয়া আঙুলি কেইটা। আঁতৰ হ, গোৰ মাৰি দিম নহলে'— বুলি হিথক্লিফে চিৎকাৰ কৰি উঠিল, আৰু জোৰেৰে কেথেৰিণক ঠেলা মাৰি দিলে। 'তই মোৰ গা চুই থকাতকৈ ডিঙিত সাপ এটাই মেৰাই থাকিলেই মই ভাল পাম। তই মোক তোষামোদ কৰাৰ কথা ভাবিব পাৰিলি কেনেকৈ? মই তোক ঘিণ কৰোঁ।'

সি দুবাহু জোকাৰি থিয় হ'ল। ঘৃণাত যেন তাৰ মাংসপেশীবোৰেই কোচ খাই গৈছিল। চকীখন সি পিচফাললৈ ঠেকেকো মাৰি থ'লে। লগে লগে ময়ো থিয় দিলোঁ। ভালকৈ এজাউৰি গালি দিওঁ বুলি মুখ মেলিব খুজিছোঁ, কিন্তু প্ৰথম বাক্যটো আধা ওলাওঁতে নোলাওঁতেই সি হুমকি দিলে বোলে আৰু এটা শব্দও মুখেৰে ওলালে সি মোক এটা নিৰ্জন কোঠাত সি আবদ্ধ কৰি থব।

গধূলি হৈ আহিছিল। পদুলিমুখত আমি মানুহৰ মাত শুনিলোঁ। হিথক্লিফ লগে লগে বাহিৰ ওলাই গ'ল। তাৰ উপস্থিত বুদ্ধি ঠিক আছিল। আমাৰ নাছিল। দুই তিনি মিনিটমান কথা পতাৰ পিচতে সি ঘূৰি আহিল।

'মই হেয়াৰটন আহিছে বুলিহে ভাবিছিলোঁ,' কেথেৰিণলৈ চাই মই কলোঁ। 'সি আহি ওলোৱাহেঁতেন ! কোনে জানে সি কিজানি আমাৰ ফলীয়া হলেইহেঁতেন।'

মোৰ কথা কেইটা হিথক্লিফৰ কাণত পৰিল। সি ক'লে, 'গ্ৰেঞ্জ'ৰ পৰা চাকৰ তিনিটা পঠাই দিছিল তইঁতৰ খবৰ কৰিবলৈ। তই খিৰিকি এখন খুলি এটাক মাতিব পাৰিলিহেঁতেন। পিচে তই নমতাত সৌ আপদটোৱে ভালহে পাইছে। মই ডাঠি ক'ব পাৰোঁ। ইয়াত বাধ্যত পৰি থাকিবলগীয়া হোৱাত তাই ভালহে পাইছে। মই ভালকে জানোঁ।''

ওলাই যোৱাৰ এটা সুন্দৰ সুযোগ যে হেৰুৱালোঁ সেই কথা উপলব্ধি কৰাৰ লগে লগে দুয়োজনীয়ে আকৌ ইনাই বিনাই কান্দিবলৈ ধৰিলোঁ। ৰাতি ন বজালৈকে আমাক তাতে কান্দি থাকিবলৈ এৰি দি সি গুচি গ'ল। ন বজাত আহি সি আমাক ৰান্ধনি ঘৰৰ মাজেদি ওপৰমহলত থকা জিল্লাৰ কোঠালৈ যাবলৈ হুকুম দিলে। তাৰ কথা মনাই ভাল হ'ব বুলি মই কেথেৰিণক কাণে কাণে ক'লোঁ। তালৈ গ'লে কিজানি খিৰিকি দুৱাৰ কিবা বগাই কিবা প্ৰকাৰে ওলাই যাব পাৰোঁৱেই বা।

পিছে তলৰ খিৰিকিবোৰৰ দৰেই সেই কোঠাটোৰ খিৰিকিখনো বৰ ঠেক আছিল। অন্য কেনিও ওলোৱাৰ ফাঁক নাছিল। আমি কোঠাটোতে আবদ্ধ হ'লোঁ।

আমি এজনীও শোৱা নাছিলোঁ। কেথেৰিণে খিৰিকিৰ কাষত বৈ কেতিয়া ৰাতি পুৱায় অপেক্ষা কৰি আছিল। শুবলৈ কৈ কতবাৰ মই তাইক কাকুতি-মিনতি নকৰিলোঁ, একো ফল নধৰিলে। প্ৰতিবাৰতে তাই দীঘলকৈ হুমুনিয়াহ একোটাহে কাঢ়িলে।

মই চকী এখনত বহি হেন্দোল দি দি মোৰ কৰ্তব্যৰ ক'ত ক'ত গাফিলতি হ'ল সেইবোৰকে মনত পেলাই নিজৰ গাতে দোষ দি আছিলোঁ। মোৰ আটাইকেইজন গৃহস্বামীৰ দুৰ্ভাগ্য মোৰ পৰাই হ'ল বুলি মই নিজকে দোষাৰোপ কৰিছিলোঁ। মই জানোঁ যে প্ৰকৃততে কথাটো তেনে নহয়। কিন্তু সেই দুৰ্যোগময় নিশা মোৰ মনত হিথক্লিফকো মোতকৈ কম জগৰীয়া যেন লাগিছিল।

পুৱা সাত বজাত হিথক্লিফ আহি কেথেৰিণ উঠিল নে সুধিলে।

দুৱাৰমুখলৈ লৰি গৈ তাই 'উঠিলোঁ' বুলি উত্তৰ দিলে।

'আহ তেন্তে' বুলি কৈ সি তাইক হাতত ধৰি বাহিৰলৈ টানি নিলে। ময়ো লগতে যাব খুজিছিলোঁ, কিন্তু সি দুৱাৰখন জপাই তলা মাৰি দিলে।

মোক উলিয়াই দিবলৈ ক'লত সি ডাঙৰ ডাঙৰকৈ ক'লে, 'অলপ ধৈৰ্য্য ধৰ। মই তোৰ পুৱাৰ জলপান এইমাত্ৰ পঠাই দিছোঁ।'

মই অধৈৰ্য্য হৈ খিৰিকিত ঢকিয়ালোঁ, তলা জোকাৰিলোঁ, একো ফল নহ'ল। মোক হেতিয়াও কিয় আবদ্ধ কৰি থৈছে বুলি কেথেৰিনে সোধা শুনিলোঁ। সি ক'লে যে আৰু এঘণ্টা মই তাত সেইদৰে থাকিব লাগিব। এইবুলি কৈ সি তাইক লৈ গুচি গ'ল।

দুই তিনি ঘণ্টামান মই তাতে থাকিলোঁ। শেহত কাৰোবাৰ খোজৰ শব্দ মোৰ কাণত পৰিল। কিন্তু হিথক্লিফ অহা নাছিল।

'মই তোলৈ খোৱাবস্তু আনিছোঁ, দুৱাৰখন খোল।' বৰ ব্যগ্ৰতাৰে দুৱাৰখন খুলি দেখিলোঁ, হেয়াৰটন ৰৈ আছে। তাৰ হাতত গোটেই দিনটো জোৰাকৈ খোৱাবস্তু।

মোৰ হাতত থালখন গুজি দি সি ক'লে, 'ধৰ'।

'এক মিনিট ৰ চোন', মই তাক অনুৰোধ জনাই কলোঁ। মোৰ কাবৌ কোকালিলৈ আওকাণ কৰি সি 'নহ'ব' বুলি কৈ গুচি গ'ল।

তাতেই মই গোটেই দিন আবদ্ধ হৈ ৰলোঁ। ৰাতিটোও। তাৰ পিচতো দুদিন দুৰাতি তাতেই। মুঠতে নিশাৰে পাঁচ নিশা, দিনেৰে চাৰি দিন। পুৱাতে হেয়াৰটন আহি এথাল খোৱাবস্তু দি থৈ যায়। আন কাকো আৰু দেখিবলৈ নাই। সিও আৰু' বেচ জেল দাৰোগা—মুখেৰে একো নামাতে, গোমোঠা, যেন বোবাহে। দয়া-মমতাৰ বাবে কাকুতি-মিনতিত সি লবডৰ নকৰে। নিৰ্বিকাৰ হৈ থাকে।

## ২৮

পঞ্চম দিনা পুৱা, পুৱা বেলাতকৈ আবেলি বেলাহে ভাল, মোৰ কোঠাৰ সমীপত বেলেগ এটা খোজৰ শব্দ শুনিলোঁ। হেয়াৰটনৰ খোজতকৈ পাতল, আৰু বেছি চুটি চুটি। এইবাৰ আগন্তুক কোঠাত সোমাল। আগন্তুক গৰাকী আছিল জিলা। তাইৰ গাত বেঙুনীয়া চাদৰ, মূৰত ক'লা ৰেচমী ওৰণা। কান্ধত কঁহুৱাৰ ঠাৰিৰে সজা এটা মোনা ওলোমাই লোৱা।

'উস্! মিচেচ ডীন', তাই উত্তেজিত সুৰত মোলৈ চাই ক'লে, 'তোমাৰ কথা লৈ গিমাৰটনত তোলপাৰ লাগিছে। মই বিশ্বাস কৰা নাছিলোঁ কথাটো, কিন্তু সকলোৰে মুখে মুখে একেটা কথা— তুমি বোলে ক'লা যোঁৱাৰ ডুবিত পৰি তল গ'লা, আৰু কেথেৰিণ আইটিও তললৈ গ'ল। পিচতহে গৃহস্বামীৰ পৰা গম পালোঁ বোলে তোমাক তুলি অনা হ'ল, আৰু তেওঁ তোমাক ইয়াতে ৰাখি থৈছে। কি হৈছিলে নো? তুমি নিশ্চয় কোনোবা মাজুলীত লাগিছিলাগৈ, নহয়নে? ডুবিত তুমি কিমান সময় পৰি আছিলা? মোৰ গৃহস্বামীয়েই সঁচাকৈ তোমাক তুলি আনিছিলেনে? কিন্তু তোমাক সেখোন শুকাই খীণাই যোৱা দেখা নাই। তোমাকতো আগতে ইমান চিন্তিত আৰু মনমৰা অৱস্থাত দেখা নাই।'

'তোৰ গৃহস্বামী হ'ল এটা এক নম্বৰ বদমাইচ', মই তাইক উত্তৰ দি ক'লোঁ। 'সি পিচে ইয়াৰ বাবে এদিন পস্তাব। সি সেই সাধুটো প্ৰচাৰ নকৰাহেঁতেনো হ'লহেঁতেন। আটাইবোৰ কথা সদৰি হৈ পৰিব।'

'কিনো কোৱাহে' জিলাই সুধিলে। 'এইটোতো তেওঁ উলিয়াই দিয়া গল্প নহয়। গাওঁৰ সকলোৰে মুখে মুখে এই একেটা কথাই। তুমি বোলে পিটনিত পৰি হেৰালা। আৰু মই ঘূৰি আহি আৰ্ণশ্বক লগ ধৰি কলোঁ, 'মই যোৱাৰ পিচত কেইটামান আচৰিত ঘটনা ঘটিছে নহয়, হেয়াৰটন, গম পইছ নে নাই ? সেই ধুনীয়া ছোৱালীজনী আৰু স্ফূৰ্তিবাজ মিচেচ নেলী ডীনজনীলৈ বৰ বেয়া লাগে পায়।'

সি আচৰিত হৈ মোৰ মুখলৈ ৰ লাগি চাই থকা দেখি সি একোকে শুনা নাই বুলি মই ভাবিলোঁ, আৰু সেইবাবে মোৰ কাণত পৰা গুজবটোৰ আদ্যোপান্ত তাক কলোঁ। সমস্ত শুনাৰ পিচত গৃহস্বামী হিথক্লিফে মিচিকিয়া হাঁহি এটা মাৰি মোক ক'লে, "সিহঁত ঘুলিত পৰিছিল যদিও এতিয়া ওলাল, জিলা। এইটো মুহূৰ্ত্তত নেলী ডীনক তোৰ কোঠাতে সুমুৱাই থৈছোঁ। তই তালৈ গলে কবি, তাই এতিয়া যাব পাৰে। ল, এইটো তোৰ কোঠাৰ চাবি। ঘুলিৰ পানী খাই তাইৰ মূৰৰ ঠিক নোহোৱা যেন হৈছিল।

তাই বলীয়াৰ দৰে দৌৰি দৌৰি ঘৰলৈ যাবলৈকে ওলাইছিল। মইহে পিচে তাইৰ ভালকৈ হুঁচ আহক বুলি ইয়াতে তাইক বাধি থলোঁ। যদি পাৰে, তই তাইক এতিয়াই 'থ্রেঞ্জ'লৈ যাবলৈ কব পাৰ। লগতে, মই কোৱা বুলি কবি, যে কেথেৰিণো তাইৰ পিচতে, বাপেকৰ অন্ত্যেষ্টিক্রিয়া পোৱাকৈ গৈ আছে।''

শুনি মোৰ দম বন্ধ হোৱাৰ অৱস্থা। 'মিঃ এড্‌গাৰ ঢুকাল নেকি? অ' জিল্লা, জিল্লা, জিল্লা, এতিয়া কি হ'ব? মই কি কৰোঁ।'

তাই উত্তৰ দিলে, 'চিন্তা নকৰিবাচোন, বাইটি, তেওঁ ঢুকুৱা নাই। তুমি বহাঁচোন। তোমাৰ গা এতিয়াও খুব বেয়া হৈয়ে আছে। মিঃ এড্‌গাৰে আৰু এদিনমান টানিব পাৰে বুলি ড' কেনেথে কৈছে। মই তেওঁক বাটত লগ পাই সুধি আহিছোঁ।'

বহাৰ সলনি, মই হাততে মোৰ টোপোলা-টাপলি যি পালোঁ থাপতে লৈ তলৰ মহললৈ দৌৰ দিলোঁ। বাট খোলা আছিল।

তলৰ মহল পাই মই কেথেৰিণৰ সম্বেদ দিব পৰা কাৰোবাক পাওঁনে কি বুলি ভাবি ইপিনে সিপিনে চালোঁ। গোটেই ঘৰটোতে ৰ'দ পৰি আছিল। দুৱাৰখনো দুফালকৈ মেলি থোৱা। কিন্তু ওচৰে পাঁজৰে কোনো থকা যেন নালাগিল।

মই ভটিয়েই যাওঁনে নে, কেথেৰিণক বিচাৰোঁ— এই কথাকে গুণাগঁঠা কৰি আছোঁ, এনেতে জুহালৰ পিনে কোনোবাই কহা শুনিলোঁ।

লিণ্টন দীঘল বেঞ্চখনত অকলে কুঁহিয়াৰ চোবাই চোবাই পৰি আছে। মোৰ ফালে নির্বিকাৰ ভাবে চাইছে, কিন্তু মোক মতা নাই।

মই তাক ডাবি দি কেথেৰিণ ক'ত আছে সুধিলোঁ। মই ভাবিছিলোঁ যে সি অকলে আছে, টানকৈ সুধিলে ভয় খাই কৈ দিব।

এবো নজনাৰ ভাও ধৰি সি কুঁহিয়াৰ চোবায়েই থাকিল।

'গ'লগৈ নে কি?' মই তাক সুধিলোঁ।

'নাই যোৱা। ওপৰ মহলত আছে। তাই যাব নোৱাৰে। আমি তাইক যাবলৈ নিদিওঁ।'

'তইহঁত যাবলৈ নিদিয়? বদমাইচ পোৱালি।' মই খঙেৰে কলোঁ। 'মোক তাই থকা কোঠালৈ তৎক্ষণাত লৈ ব'ল, নহলে তোক মই মজা দেখুৱাম।'

'তালৈ গ'লে পিতাই তোক মজা দেখুৱাব,' সি উত্তৰত ক'লে। 'তেওঁ মোক কেথেৰিণৰ লগত নৰম ব্যৱহাৰ নকৰিবলৈ কৈছে। তাই মোৰ ঘৈণী, মোক তাই এৰি যাবলৈ ওলোৱাটো লাজৰ কথা হ'ব। পিতাই কৈছে তাই বোলে মোক ঘিণ কৰে, মই মৰিলেই তাই ভাল পায়। তেতিয়াহ'লে তাই মোৰ ধন সম্পত্তি সোপা পাব। পিচে তাই নাপাব। তাইৰ ঘৰলৈ ঘূৰি যোৱাটোও নহ'ব। কেতিয়াও নহ'ব। তাই যিমান পাৰে কান্দনটো কৰিব পাৰে, কান্দি কান্দি বেমাৰী হৈ যাব পাৰে, কিন্তু যাবলৈ তাই নাপায়।' এইবুলি কৈ সি আকৌ টোপনিয়াই টোপনিয়াই কুঁহিয়াৰ চোবাবলৈ ধৰিলে। সি যেন



এইমাত্ৰ শুৱাহে, এনেহে ভাব। মই তালৈ চাই আকৌ আৰম্ভ কৰিলোঁ, 'হিথক্লিফ বোপা, যোৱাবাৰ শীতকালি কেথেৰিণে তোমাক কিমান দয়া মৰম দেখুৱালে, সেই আটাইবোৰ পাহৰিলা নেকি? তুমিতো তেতিয়া তাইক কৈছিলা তাইক ভালপোৱা বুলি। তোমাক তাই গান গাই শুনাইছিল, কিতাপ আনি দিছিল, আৰু বতাহ বৰষুণ নেওচি কতবাৰ যে তোমাৰ ওচৰলৈ আহিছিল। সেইবোৰ সব পাহৰিলা? এদিন গধূলি তাই আহিব নোৱাৰি কান্দিছে, তুমি তাইলৈ বাট চাই থাকিবা বুলি তাইৰ বেজাৰ। তোমাৰ মতে তাই তোমাতকৈ এশগুণে ভাল, তুমি তাইৰ জোখৰ নহয়। এতিয়া তুমি পিতাৰে কোৱা যতমানে মিছা কথা সোপাকে বিশ্বাস কৰিছা, অথচ তেওঁ তোমালোক দুয়োকে অতিপাত ঘিণ কৰে। তথাচ তুমি তাইৰ বিপক্ষে তেওঁৰ ফলীয়া হৈছা। বেচ কৃতজ্ঞতা দেখুৱাইছা, নহয়?''

লিণ্টনৰ কোৱাৰি অলপ মেল খালে। কুঁহিয়াৰ টুকুৰা সি মুখৰ পৰা আঁতৰাই ললে।

মই কৈ গলোঁ, ''তোমাক ঘিণ কৰা কাৰণে তেওঁ 'বাদাবিং হাইটচ'লৈ আহিছিল নে কি? কথাটো নিজে ভাবি চোঁৱা। তোমাৰ বিষয় সম্পত্তিৰ কথা যে কৈছা, তুমি কিবা পাবানে নাই তাকে তাই নাজানে। তাই এতিয়া অসুস্থ বুলি কৈছা, অথচ তুমি অচিনাকি ঘৰ এটাত সুমাই তাইক অকলশৰে এৰি থৈছা। অনাদৰ কি তুমি নিজেই পাইছা, তৎসত্ত্বেও তুমি তাইক এতিয়া আওকাণ কৰিছা। অনাদৰ-অৱহেলা পাই পাই তুমি নিজকে পুতৌ কৰিছিলা, তায়ো তোমাৰ বাবে সমবাথা দেখুৱাইছিল, কিন্তু এতিয়া তাইৰ প্ৰতি তোমাৰ কোনো সহানুভূতি নাই। হিথক্লিফ বোপা, চোৱা, মই এজনী চাকৰণী মাথোন, এজনী বয়সীয়া তিৰোতা, মই কান্দিছোঁ তাইৰ বাবে, অথচ তুমি, তাইৰ প্ৰতি ইমানবোৰ ভালপোৱা আছে বুলি কোৱাৰ পিচতো তাইৰ দুখত তোমাৰ এটোপাল চকুলো নোলায়। তাইৰ প্ৰতি ভালপোৱা আছে বুলি যে কৈছিলা, সেইটো তোমাৰ ভাও মাথোন। তাকে কৈ তুমি তাইক আতুৰা ভাবিছিলা। তুমি তাইৰ চৰণত পৰিব লাগে। তুমি নিজৰ দুখতহে কান্দিব জানা। তাইক অকলে এৰি থৈ ইয়াত তুমি মহা আৰামত পৰি আছাঁহি। তোমাৰ দৰে কাঠচিতীয়া, স্বাৰ্থপৰ ল'ৰা দ্বিতীয় এটা আৰু মই দেখা নাই।''

সি খঙেৰে উত্তৰ দিলে, 'মই তাইৰ লগত থাকিব নোৱাৰোঁ। মোৰ মতেৰে হলেতো নাথাকোঁৱেই। তাই ইমান কান্দি থাকে, মোৰ সহ্য নহয়। পিতাক মাতি আনিম বুলিলেও তাইৰ কন্দা বন্ধ নহয়। এবাৰতো মাতি আনিছিলোৱেই। কন্দা বন্ধ নকৰিলে টেঁটু চেপি মাৰিব বুলিও তেওঁ তাইক ভাবুকি দিলে, কিন্তু তেওঁ ওলাই যোৱাৰ লগে লগেই আকৌ তাইৰ কান্দোন। গোটেই ৰাতি ইনাই বিনাই আছে। মই কৈছোঁ যে তাইৰ কান্দোনত মই শুব পৰা নাই, তাই কাণেই নকৰে মোৰ কথালৈ।'

মই দেখিলোঁ যে সেই হতভাগাৰ কেথেৰিণৰ মানসিক যন্ত্ৰণাৰ প্ৰতি মুঠেই সমবেদনা নাই। তাক মই সুধিলোঁ, 'পিতাৰ ওলাই গৈছে নেকি?'

সি উত্তৰত ক'লে, 'পিতাই আগকালৰ চোতালত ডাক্তৰ কেনেথৰ লগত কথা পাতি আছে। ডাক্তৰৰ মতে মোমাইদেউৰ সময় হৈ আহিছে। মই শুনি বৰ ৰং পাইছোঁ, কাৰণ মোমাইদেউ মৰিলে ময়েই 'গ্ৰেঞ্জ'ৰ গৰাকী হ'ম। কেথেৰিণে সদায় সেইটো তাইৰ ঘৰ বুলি কৈছিল। তাইৰ নহয়, মোৰ। পিতাই কৈছে নহয়, তাইৰ যি যি বস্তু আছে আটাইবোৰ মোৰ। তাইৰ ভাল ভাল কিতাপবোৰ মোৰ। আমাৰ কোঠাৰ চাবিটো বিচাৰি লৈ তাইক কোঠাৰ পৰা ওলাই যাবলৈ দিলে, তাইৰ ধুনীয়া ধুনীয়া পোহনীয়া চৰাইবোৰ আৰু মিন্নী নামৰ ঘোঁৰীজনীও তাই মোক দিব বুলি কৈছিল। মই পিচে তাইক কৈ দিলোঁ যে সেইবোৰ আটাইবোৰ মোৰ বস্তু, তাইৰ নিজৰ বুলি দিবলৈ একো নাই। মোৰ কথা শুনি তাই কান্দিবলৈ ধৰিলে আৰু ডিঙিত সোণৰ সৰু বাকচ এটাত ভৰাই লৈ ওলোমাই লোৱা দুখন ছবি— এপিনে তাইৰ মাকৰ ছবি, আনপিনে মোমাইদেউৰ ছবি— সেই তেওঁলোকৰ ডেকা বয়সৰ ছবি, তাকো মোক দি দিবলৈ ওলাল। এইটো আছিল কালিৰ কথা। মই কলোঁ যে ছবি দুখনো মোৰ, আৰু তাইৰ হাতৰ পৰা জোৰ কৰি ছবি দুখন লব খুজিলোঁ। খিলাগীজনীয়ে হাতৰ পৰা এৰিবকে নিদিয়ে; তাই মোক গটা মাৰি দিলে, ফলত মই পৰি গৈ গাত দুখ পালোঁ। পৰি গৈ মই চিঞৰ মাৰি দিলোঁ। তাতে তাই ভয় খালে। পিতা অহা গম পাই তাই বাকচটো ভাঙি ছবিখনৰ মাক থকা ফালটো একৰাই মোক দিলে। ইটোফাল তাই লুকুৱাবলৈ যত্ন কৰিছিল। পিতাই মোক কি হৈছে বুলি সুধিলত মই সকলো কথা কলোঁ। মোৰ হাতত থকাখন ছবি পিতাই লৈ গ'ল, আৰু তাইৰ হাতত থকাখন মোক দিবলৈ ক'লে। তাই দিব নুখুজিলত পিতাই তাইক মাৰি পেলাই দিলে আৰু ছবিখন জোৰ কৰি 'চেইন'ডালৰ পৰা একৰাই লৈ ভৰিৰে মোহাৰি পেলালে।'

'তাইক মৰিওৱা দেখি তুমি ভাল পালানে?' মই সুধিলোঁ। সি কথা কৈ থকাটো মই বিচাৰিছিলোঁ।

সি উত্তৰত ক'লে, 'মই নেদেখা ভাও ধৰিলোঁ। পিতাই ঘোঁৰা এটাক বা কুকুৰ এটাক পিটা দেখিলেও মই নেদেখা ভাও ধৰোঁ— ইমান দুখপোৱাকৈ তেওঁ মৰিয়ায়। পিচে, প্ৰথমতে মই ভালেই পাইছিলোঁ। মোক গটা মাৰি দিয়াৰ বাবে তাই শাস্তি পাবই লাগে। পিচে পিতা ওলাই গলত তাই মোক খিৰিকিৰ ওচৰলৈ মাতি নি তাইৰ গালমুখ দেখুৱালে। মুখৰ ভিতৰত দাঁতৰ ঘঁহনি খাই ঘা লাগিছে, আৰু তাইৰ মুখ তেজেৰে ভৰ্ত্তি হৈ গৈছে। ছবিখনৰ টুকুৰাবোৰ বুটলি লৈ তাই বেৰৰ পিনে মূৰ কৰি বহিল, আৰু তেতিয়াৰেপৰা তাই মোৰ লগত কথা পতা নাই। মাজে মাজে মোৰ ভাব হৈছে যে বিষৰ বাবেহে তাই কথা পাতিব পৰা নাই। সেইবুলি ভাবিবৰ মন অৱশ্যে নাযায়। কিন্তু তাই সঁচাকৈয়ে দুষ্ট হ'ব লাগিব— নহলেনো অনবৰত কান্দি থাকেনে? তাই ইমান শেঁতা হৈছে আৰু দেখাত ইমান উদ্ভ্ৰান্ত যেন হৈছে যে মোৰ তাইলৈ ভয়েই হৈছে।'

'চাবিটো তেন্তে তুমি ইচ্ছা কৰিলে আনিব পাৰা?' মই তাক সুধিলোঁ।

'পাৰোঁ। ওপৰ মহলালৈ গ'লে পাৰিম। পিচে মই এতিয়া ওপৰ মহলালৈ যাব নোৱাৰোঁ।'



'কোনটো কোঠাত আছে, তাকে কোঁৱা।'

'এ হে, সেইটি নহৈছে। ক'ত আছে মই নকওঁ। এইটো আমাৰ গোপন কথা। হেয়াৰটন, জিল্লা কোনেও জানিব নোৱাৰিব ক'ত থোৱা আছে। উস্, তই মোক ভাগৰ লগাই দিছ। যা যা।' এইবুলি কৈ সি বাহুত মূৰ গুজিলে আৰু আকৌ চকু মুদি দিলে।

হিথক্লিফক মাত নলগোৱাকৈ গুচি যোৱাটোৱেই ভাল বুলি মই ভাবিলোঁ। 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ পৰা উদ্ধাৰকাৰী দল এটা লৈ অহাৰ কথা মই পাতিছিলোঁ।

মোক দেখি লগৰ চাকৰ-চাকৰণীবোৰে আনন্দ পালে যিমান আচৰিতো হ'ল সিমান। কেথেৰিণ ভালে থকা বুলি শুনি দুই তিনিজনীমান গৃহস্বামীৰ কোঠাৰ দুৱাৰ মুখলৈ লৈ তেওঁক খবৰটো দিবলৈ ওলাল। পিচে খবৰটো মই নিজেই দিলোঁগৈ।

সেই কেইদিনৰ ভিতৰতে তেওঁৰ যিমানহে সলনি হ'ল! মূৰ্তিমান বিষাদ আৰু উদাসীনতা যেন ক্ষণ গণি পৰি আছে। প্ৰকৃত বয়স উনচল্লিচ হ'লেও, দেখাত বৰ কমবয়সীয়া যেনেই লাগে। দেখিলে অন্ততঃ দহ বছৰ কম বয়সৰ বুলি লোকে ক'ব। তেওঁ কেথেৰিণৰ কথা ভাবি আছিল, কাৰণ অস্ফুটস্বৰে তেওঁ তাইৰ নাম লোৱা মোৰ কাণত পৰিছিল। তেওঁৰ হাত এখন মোৰ হাতত লৈ মই তেওঁৰ কাণত ফুচফুচাই ক'লোঁ, 'কেথেৰিণ আহি আছে, মহাশয়। তাই জীৱিত আছে, আৰু ভালে আছে। আজি ৰাতিয়েই এইখিনি পাবহি বুলি ভাবিছোঁ।'

এই খবৰটো দিয়াৰ প্ৰথম পৰিণতি দেখি মই কান্দিবলৈ ধৰিলোঁ। মিঃ লিণ্টন বিচনাতে আধা উঠি বহিল, ব্যগ্ৰভাৱে কোঠাটোৰ চাৰিওপিনে চালে, আৰু লগে লগে মূৰ্চ্ছা গ'ল।

অলপ পিচতে তেওঁৰ সংজ্ঞা ঘূৰি আহিল। 'ৱাদাৰিং হাইট্চ'লৈ আমিনো কি বান্ধত পৰি যাব লগা হ'ল, আৰু কেনেকৈ তাত আবদ্ধ হ'লোঁ, সেইকথা সবিশেষ তেওঁক কলোঁ। হিথক্লিফে মোক জোৰ কৰি ভিতৰ সুমুৱাইছিল বুলি মই কলোঁ; কথাটো প্ৰকৃততে সঁচা নাছিল। লিণ্টনৰ বিপক্ষে মই পৰাপক্ষত একোকে নকলোঁ। তাৰ বাপেকৰ পাশবিক কাৰ্য্যৰ কথাও একো নুলিয়ালোঁ। তেওঁৰ দুখৰ বোজা আৰু গধুৰ কৰিবৰ ইচ্ছা মোৰ নাছিল। তেওঁৰ স্থাবৰ অস্থাবৰ সম্পত্তি পুতেকলৈ, বা পাৰিলে নিজৰ নামলৈকে হস্তান্তৰিত কৰাটোৱেই তেওঁৰ শত্ৰুৰ (হিথক্লিফৰ) অন্যতম উদ্দেশ্য আছিল বুলি এডগাৰ লিণ্টনে জানিছিল। কিন্তু তেওঁ মৰাৰ সময়লৈকেনো সি কিয় বাট চাব নোৱাৰিলে সেইটো তেওঁৰ বাবে এটা সাঁথৰ হৈ ৰ'ল। ভাগিনীয়েক আৰু তেওঁ যে প্ৰায় একেসময়তে ইহলীলা ত্যাগ কৰিব সেই কথা তেওঁ ভাবিবও পৰা নাছিল।

তেওঁৰ দানপত্ৰখনত (উইল) সালসলনি ঘটোৱা উচিত হ'ব বুলি তেওঁ ভাবিলে। কেথেৰিনে উত্তৰাধিকাৰ সূত্ৰে যি পাব সেইখিনি তাইৰ নামত থোৱাৰ পৰিবৰ্তে এটা ন্যাসৰ নামত থোৱাটো উচিত হ'ব বুলি তেওঁ বিবেচনা কৰিলে। তাৰেপৰা কেথেৰিণে তাইৰ দিনকেইটাত চলি থাকিব, আৰু তাইৰ পিচত, তাইৰ সতি-সন্ততি কিবা হ'লে,

সিহঁত চলিব। এনেকুৱা ব্যৱস্থা কৰিলে, লিণ্টন মৰিলেও তেওঁৰ সা-সম্পত্তিবোৰ হিথক্লিফৰ হাতত নপৰাকৈ ৰ'ব।

তেওঁৰ আদেশ অনুসৰি মই উকীলক মাতি আনিবলৈ মানুহ এটা পঠাই দিলোঁ: আৰু চাৰিটা মানুহক, হাতত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ, হিথক্লিফৰ বন্দীশালৰপৰা কেথেৰিণক উদ্ধাৰ কৰি আনিবলৈ পঠালোঁ। কেউটা মানুহৰে ঘূৰি অহাত বহুত পলম হ'ল। উকীলৰ ওচৰলৈ যোৱাটো প্ৰথমে ঘূৰিলে।

সি কলেহি বোলে মিঃ গ্ৰীন নামৰ উকীলজন সি গৈ পাওঁতে ঘৰত নাছিল, আগতেই বৰবালৈ ওলাই গৈছিল, আৰু তেওঁ ঘূৰি অহালৈ সি দুঘণ্টা বাট চাব লগা হ'ল। মিঃ গ্ৰীনে গাঁৱত অলপ কাম কৰিব লগা আছে বুলি তাক ক'লে: হ'লেও, তেওঁ পিচদিনা নিচেই পুৱাতে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' ওলাবহি বুলি মানুহটোৰ মুখে কৈ পঠালে।

বাকী চাৰিটা মানুহৰ দলটোও ঘূৰি আহিল। কিন্তু সিহঁত সুদা হাতেৰে ঘূৰিল। সিহঁতে কলেহি বোলে কেথেৰিণৰ বৰ অসুখ, কোঠাৰ পৰা ওলাবই নোৱাৰে। হিথক্লিফে বোলে সিহঁতক কেথেৰিণৰ ওচৰলৈ যাবলৈ নিদিলে।

সেই সাধুটোকে শুনি ঘূৰি অহা বাবে মানুহ কেইটাক মই বেচকৈ এজাউৰি গালি দিলোঁ। মই পিচে গৃহস্বামীক এই খবৰটো নিদিলোঁগৈ। পিচদিনা দিনৰ পোহৰত এজাক মানুহ লৈ গৈ 'হাইটচ'ৰপৰা কেথেৰিণক উদ্ধাৰ কৰি আনিবলৈ মই মনতে পাঙিলোঁ। কেথেৰিণক ভালে ভালে আনিবলৈ দিলে ভালেই, কিন্তু তাকে নকৰিলে গোটেই ঘৰ লণ্ড ভণ্ড কৰা হ'ব বুলিও মই ঠিক কৰি ললোঁ।

মৰাৰ আগতে বাপেকে জীয়েকক দেখিবলৈ পোৱাৰ ব্যৱস্থা কৰিব লাগিবই বুলি মই মনে মনে শপত খাই ললোঁ। তাকে কৰাত যদি সেই দানৱটোৱে হকাবাধা কৰে, তেন্তে দৰকাৰ হ'লে তাৰ দুৱাৰডলিতে তাৰ প্ৰাণনাশ কৰা হ'ব।

ভাগ্যৰ কেৰত, মই 'হাইটচ'লৈ যাব লগাও নহ'ল, আৰু কাৰো লগত যুঁজ-বাগৰো কৰিব লগা নহ'ল।

পুৱতী নিশা তিনি বজাত মই তলৰ মহলালৈ পানী এঘটি আনিবলৈ বুলি গৈছোঁ। হাতত ঘটিটো আছেই। দীঘল হল ঘৰটোৰ মাজেদি গৈ থাকোঁতে সন্মুখৰ দুৱাৰত টোকৰ পৰা শুনি মই চক খাই উঠিলোঁ।

'মিঃ গ্ৰীনহে হ'ব, গ্ৰীনহে আহিছে হ'ব পায়' বুলি মই মনতে চিন্তা কৰিলোঁ। কাৰণ, গ্ৰীন যে অহাৰ কথা আছিল, মোৰ তেতিয়া মনত পৰিছিল। মই ভাবিলোঁ, কাৰোবাক পঠাই দিওঁগৈ, দুৱাৰ খুলি দিয়ক, উকীলক বহুৱাওক। কিন্তু দুৱাৰত টোকৰ আকৌ পৰিল, ডাঙৰ ডাঙৰকৈ নহয়, কিন্তু অকণো নোৰোৱাকৈ, প্ৰায় অধৈৰ্য্য হৈ, আগন্তুকে দুৱাৰত টুকুৰিয়াই থাকিল।

মই হাতৰ ঘটিটো খিৰিকিৰ কাষত থৈ, নিজে দুৱাৰ খুলি দিবলৈ গলোঁ। বাহিৰত পূৰ্ণিমা নিশাৰ ফৰিংফুটা জোনাক। দুৱাৰ খুলি দেখোঁ, উকীলজো নহয়, মোৰ বুকুৰ পোণা, কেথেৰিণ আইটিজনী হে আছে।



তাই মোক সাৱট মাৰি ধৰি সুধিলে, "এলেন, এলেন, পিতা জীয়াই আছেনে?"

"আছে আছে, মোৰ বাছা, আছে। ভগৱানৰ অশেষ কৃপা, তুমি আকৌ আমাৰ মাজৰ নিৰাপদ আশ্ৰয়লৈ আহিলা।"

ফোঁপাই জোপাই যিদৰে আহিছে সেইদৰেই তাই পিতাকৰ ওচৰলৈ যায়েই আৰু! মই পিচে তাইক জোৰ কৰি চকী এখনত বহুৱাই দিলোঁ, এগিলাচ মদ খাবলৈ দিলোঁ, মই শেতা মুখখন ধুৱাই, মোৰ এপ্ৰনটোকে মোহাৰি কিছু ফৰকাল যেন কৰি দিলোঁ। মই আগতে গৈ তাই অহাৰ খবৰটো দিমগৈ, তেতিয়া তাই সোমাই যাব— এয়ে হ'ল আমাৰ বন্দবস্ত। তাইক মই কাবৌ কোকালি কৰি কলোঁ যে তাই যেন লিণ্টনৰ লগত সুখী হ'ব পাৰিব বুলি কয়। মোৰ কথা শুনি তাই চক খাই উঠিল, কিন্তু কাঁদিটো নিদিলেনো মই কিয় কৈছোঁ সেই কথা বুজি পাই মোৰ কথাত সন্মত হ'ল।

বাপেক-জীয়েক লগালগি হওঁতে চাই থকাৰ সত মোৰ নহ'ল। মই কোঠাৰ বাহিৰত প্ৰায় পোন্ধৰ মিনিটমান বৈ আছিলোঁ। সেইখিনি সময়ত মই লিণ্টনৰ বিচনাৰ কাষলৈ যোৱা নাছিলোঁ।

বাপেক-জীয়েকৰ পুনৰ্মিলন শান্তভাবে পাৰ হ'ল। বাপেকৰ আনন্দ অপাৰ, কিন্তু নীৰৱ। দেখাত তাৰ প্ৰকাশ সৰব নহয়। জীয়েকৰ অন্তৰৰ বিষাদ গভীৰ, কিন্তু নীৰৱ। আনন্দত জিলিকি শান্তভাৱেই তাই পিতাকক নিজৰ গাত হেলান দি বহুৱাই ল'লে।

উইা চন্দ্ৰহালেৰে তেওঁ জীয়েকক ভৰিৰ পৰা মূৰলৈকে চালে।

মহাশয়, মোৰ গৃহস্বামী এড্‌গাৰ লিণ্টনে পৰম শান্তিৰে ইহলীলা সামৰিলে। জীয়েকৰ গালত চুমা খাই তেওঁ কৈছিল:

'মই তেওঁৰ ওচৰলৈ যাওঁগৈ। আৰু আইজনী, সময়ত তয়ো আমাৰ লগ হবিগৈ।' ইমানকে ক'লে। আৰু লৰচৰো নকৰিলে, মুখেৰে কথাও নোলাল। স্থিৰ, অপলক দৃষ্টি জীয়েকত আবদ্ধ কৰি তেওঁ শুটি গ'ল। ঠিক কোনটো মুহূৰ্তত তেওঁ শেষ নিশাস কাঢ়িলে কোৱা টান, কাৰণ মৰণ যন্ত্ৰণা তেওঁ ভোগ নকৰিলেই।

বেলি উঠালৈকে তাই পিতাকৰ কাষতে বহি থাকিল। তাই চকুলো টোকা নাছিল। চকুলো বোধহয় তাইৰ শেষ হৈছিল। হয়তো বা বেদনাৰ গভীৰতাত তাইৰ চকুলোৱে বাগৰিবলৈ বাট বিচাৰি পোৱা নাছিল। দুপৰলৈকে তাই তাবি গুণি তাতে বহি থাকিল। আৰু থাকিলহেঁতেন, পিচে মই জোৰ কৰি আঁতৰাই আনি শুৱাই থলোঁহি।

তাইক পিতাকৰ কাষৰপৰা মই আঁতৰাই অনাটো ভালেই হৈছিল। দুপৰীয়াৰ খোৱা সময়ত উকীল ওলালহি। সি অহাৰ আগতে 'ৰাদাৰিং হাইটচ'ত সোমাই আহিছিল। সি নিজকে হিথক্লিফৰ ওচৰত বিক্ৰী কৰাদি কৰিছিল। মোৰ গৃহস্বামীয়ে মাতি পঠাওঁতে পলম কৰাৰ কাৰণো আছিল সেইটোৱেই। ভাগ্য ভাল, জীয়েক আহি ওলোৱাৰ পিচত বিষয়-সম্পত্তিৰ কোনো কথাই তেওঁৰ মনৰ শান্তি ব্যাঘাত কৰিবলৈ নাপালে।

মিঃ গ্ৰীনে ঘৰৰ সমস্ত দায়িত্ব চম্ভালি ললে। মোৰ বাহিৰে আন আটাইবোৰ চাকৰ-নাকৰক চাকৰি এৰি যাবলৈ জাননী জাৰি কৰিলে। তেওঁৰ মতে হোৱাহেঁতেন, এড্‌গাৰ

লিণ্টনক তেওঁৰ পত্নীৰ ওচৰতে সমাধি দিদি গিমাৰটনৰ গিৰ্জ্জাত তেওঁৰ পৰিয়ালৰ মানুহৰ ওচৰত দিয়া হ'লহেঁতেন। কিন্তু তেওঁ থৈ যোৱা উইলত পত্নীৰ কাষতে সমাধি দিব লাগে বুলি লিখা থকা বাবে সেইটো নহ'লগৈ। উইলত লিখা কথাৰ ইফাল সিফাল হ'ব নোৱাৰিব বুলি মই চিএৰ-বাখৰো বহুত কৰিলোঁ।

সমাধি দিয়া কাৰ্য্য লবালৰিকৈ সামাধা হ'ল। কেথেৰিণ— এতিয়া শ্ৰীমতী লিণ্টন হিথক্লিফ— পিতাকৰ শৱদেহ উলিয়াই নিনিয়া পৰ্য্যন্ত 'গ্ৰেঞ্জ'তে ৰৈ যাব লগা হ'ল।

তাই মোক পিচত ক'লে যে তাইৰ নিদাৰুণ মানসিক আৰু শাৰীৰিক যন্ত্ৰণা লিণ্টনে শেহ পৰ্য্যন্ত সহ্য কৰি থাকিব নোৱাৰিলে, আৰু সেইবাবে, সম্ভাব্য পৰিণামৰ সন্মুখীন হ'বলৈ মাত্ৰ হি তাইক মোকোলাই দিবলৈ স্থিৰ কৰিলে। মই পঠাই দিয়া মানুহ কেইটাই দুৱাৰমুখত উখনা উখনি কৰি থকা তাইৰ কাণত পৰিছিল, আৰু হিথক্লিফে কি কৈছে তাৰো অনুমান কৰিব পাৰিছিল। তাই একেবাৰে পাগলী হোৱাদি হ'ল। মই অহাৰ পিচতে লিণ্টনক তাৰ কোঠাত থৈ অহা হৈছিল। কেথেৰিণৰ মূৰ্ত্তি দেখি এতিয়া তাৰ ইমান চুৰ্ত্তি হ'ল যে বাপেক গৈ আকৌ তাত ওলোৱাৰ আগতেই সি চাবিটো আনি তাইক দিলেহি। তাৰ ধূৰ্ত্তালি নোহোৱা নহয়। সি কৰিলে কি— দুৱাৰখনৰ তলাটো খুলিলে, খুলি আকৌ তলাটো বন্ধ কৰি জপাই থলে, কিন্তু ওপৰৰ খিলিডাল নামাৰিলে। শুবৰ সময়ত সি হেয়াৰটনৰ লগত শুবলৈ যাবলৈ বিচাৰিলে, আৰু শেষবাৰলৈ তাৰ সেই অনুৰোধ মঞ্জুৰ হৈ গ'ল।

ৰাতি নৌ পুৱাওঁতেই কেথেৰিণ কোঠাৰ বাজ হ'ল। তাই দুৱাৰ খুলি বাহিৰ ওলোৱাৰ কথা নাভাবিলে, কাৰণ শব্দ শুনিলেই কুকুৰমাকৰ বৌ-বৌৱনি উঠিব। তাই উদং কোঠাবোৰলৈ গৈ ক'ৰবাত খিৰিকি খোলা আছে নেকি চালে। ভাগ্যক্ৰমে তাই পূৰ্ব্বৰ মাক থকা কোঠাটোৰ খিৰিকি এখন খোলা পালে, আৰু খিৰিকিৰে ওলাই কাষতে থকা গছ এডালত বগৰা বাই উঠি পিচত তললৈ নামিল। তাই পলাই যোৱাত লুকুৱাই সহায় কৰা বাবে লিণ্টনে মজাটো পালে। সি ভয়ত কাতৰ হৈ কত যে কথা সাজি সাজি ক'লে, কামত নাহিল। এপালি তাৰ গাত পৰিলেহি।

# ২৯

মোৰ গৃহস্বামীৰ সমাধিৰ পিচদিনা গধূলি কেথেৰিণ আৰু মই পুথিভঁৰালৰ কোঠাটোতে বিষণ্ণ মনেৰে বহি কি হ'ল, কি হৈছিল বুলি, অনাগত দিনবোৰত কি হ'ব, সেইবোৰ কথাকে গুণি গাঁথি আছিলোঁ। ভৱিষ্যতটো একেবাৰে অন্ধকাৰ যেন লাগিছিল।

লিণ্টন জীয়াই থকালৈকে কেথেৰিণক 'গ্ৰেঞ্জ'তে থাকিবলৈ দিয়াটোৱেই তাইৰ বাবে উত্তম ব্যৱস্থা হ'ব বুলি আমি ভাবি পাইছিলোঁ। সিও আহি ইয়াতে থাকক, আৰু ঘৰ চোৱাচিতা কৰিবলৈ ময়ো থাকোঁ। ইমান ভাল এটা ব্যৱস্থা আশা কৰা টান বুলি আমাৰ মনত খেলাইছিল। তথাপিতো আশা মই কৰিছিলোঁ, ভাবিছিলোঁ যে সেয়ে হ'লে মোৰ থকা ঠায়ো হ'ব, চাকৰিও হ'ব, আৰু অটাইতকৈ ডাঙৰ কথা, মোৰ মৰমৰ কেথি আইটিৰ লগত মই থাকিব পাৰিম। এনে এটা বন্দবস্ত হোৱাৰ আশাত মোৰ মনত বং লাগিছিল। তেনেতে এটা চাকৰ কোঠালৈ সোমাই আহিল। সি আছিল বৰ্খাস্তৰ জাননী পোৱা চাকৰবোৰৰে এটা, কিন্তু তেতিয়ালৈকে তাক এৰি দিয়া হোৱা নাছিল। সি কোবাকুবিকৈ কোঠালৈ সোমাই আহি ক'লে যোলে সেই পিশাচ হিথক্লিফটো চোতালত সোমাইছে। সি কোঠাত সোমাব নোৱাৰাকৈ দুৱাৰখন তাৰ মুখৰ ওপৰতে বন্ধ কৰি দিব নেকি বুলি চাকৰটোৱে আমাক সুধিলে।

'কৰগৈ' বুলি কবলৈ আমি পাগল হ'লেহে হ'ব। পিচে ক'ব খুজিলেও কোৱাৰ সময় নাছিল। দুৱাৰত টুকুৰিওৱাৰ, বা আহিছে বুলি আগজাননী দিয়াৰ শিষ্টাচাৰ কৰা দেখুওৱাৰ প্ৰয়োজনো সি বোধ নকৰিলে। এতিয়া সিয়েই গৰাকী। গতিকে গৰাকী হিচাবে কাকো গম নিদিয়াকৈ নিঃসঙ্কোচে সোমাই অহাৰ অধিকাৰ সি সাব্যস্ত কৰিলে।

আমাক খবৰ দিয়া চাকৰটোৰ মাতৰ পৰাই সি আমি ক'ত আছোঁ বুজি পালে। সি চিধাচিধি পুথিভঁৰালৰ কোঠাটোলৈ সোমাই আহিল। চাকৰটোক ওলাই যাবলৈ কৈ সি দুৱাৰখন বন্ধ কৰি দিলে।

ওঠৰ বছৰ আগতে তাক আলহী হিচাবে আদৰি আনি এই একেটা কোঠাতেই সুমুওৱা হৈছিল। আজি সেই একেটা জোনেই পোহৰ বিলাইছে। একেখন খিৰিকিৰেদিয়েই জোনাকবোৰ সেই দিনাও ভিতৰ সোমাইছিল। বাহিৰত সেই একে শৰতৰ প্ৰকৃতি। তেতিয়াও মম জ্বলাব লগা হোৱা নাছিল। কিন্তু কোঠাৰ ভিতৰত থকা

সকলো বস্তুকে স্পষ্টকৈ দেখা গৈছিল। আনহে নালাগে বেৰত ওলোমাই থোৱা ছবি কেইখনো চিনিব পাৰি। মিচেচ লিণ্টন আৰু আমাৰ গৃহস্বামীৰ সুশোভন, কৰুণাময়, মমতাসিক্ত মুখ দুখন স্পষ্টকৈ ধৰিব পৰা গৈছিল।

হিথক্লিফ জুইশালৰ পিনে আগুৱাই আহিল। সময়ে তাৰ গা-গাৰিৰ একো সলনি কৰা নাছিল। একেটা মানুহেই, তাৰ ক'লা মুখখন আগতকৈও যেন বেছি পাণ্ডুবৰণীয়া হৈছে। আগতকৈ অধিক গম্ভীৰ। বহুত বেছি শকত আৰু ভাৰী। অন্য পাৰ্থক্য একো চকুত পৰা নাছিল।

যোঁ ফোঁৱাই ওলাই যোৱাৰ মতলবেৰে কেথেৰিণ বহাৰপৰা পোন হৈছিলহে, তেনেতে তাক তাই দেখিবলৈ পালে।

তাইৰ কান্ধত থাপ মাৰি ধৰি সি ক'লে, 'ৰবি। আৰু পলাবলৈ নাপাবি। যাবি কলৈ? মই তোক ঘৰলৈ লৈ যাবলৈ আহিছোঁ। আশা কৰিছোঁ তই ভালদৰে কাম কাজ কৰা বোৱাৰী হবি। অবাধ্যতাৰ কোনো কামকে কৰিবলৈ তই মোৰ ল'ৰাক আৰু নুচটাবি বুলি মই আশা কৰিছোঁ। তই পলাই অহাত সি কিদৰে সহায় কৰিলে সেই কথা ধৰা পৰাৰ পিচত তাক কিনো শাস্তি দিম মই ভাবিয়েই পোৱা নাছিলোঁ। সি যিহে অসাঠন ল'ৰা, কাণমোচৰা এটাৰে যেন বহুতি নহয়। পিচে তাৰ চেহেৰা দেখিলে বুজিবি, তাৰ প্রাপ্য সি ভালমতে পাইছে। পৰহি গধূলি তাক মই ওপৰ মহলৰ পৰা নমাই আনি চকী এখনত বহুৱাই দিলোঁ। আৰু তাতে এৰিলোঁ। হেয়াৰটনক বাহিৰলৈ উলিয়াই পঠিয়ালোঁ। কোঠাটোত তেতিয়া অকল আমি দুটা। দুঘণ্টাৰ পিচত মই তাক আকৌ ওপৰলৈ তুলি নিবলৈ জোজেফক মাতিলোঁ। তেতিয়াৰ পৰাই সি মোক দেখিলেই ভূত দেখাদি দেখে। মই ভবাত, মই ওচৰত নাথাকিলেও সি মোক দেখি থকা যেন কৰে। হেয়াৰটনে কৈছে যে সি ৰাতি ঘণ্টাই ঘণ্টাই সাৰ পায় আৰু চিঞৰে। মোৰ পৰা ৰক্ষা কৰিবলৈ তোক মাতে। তই তোৰ এই দুর্মূল্য গিৰিয়েৰটোক ভাল পাব বা নাপাব, তই মোৰ লগত এতিয়া যাবই লাগিব। তাৰ দায়িত্ব এতিয়াৰ পৰা তোৰ হাতত। তাৰ ওপৰত থকা মোৰ সমস্ত অধিকাৰ এতিয়াৰ পৰা তোৰ।'

মই তাক ক'লোঁ, 'কেথেৰিণক ইয়াতে থাকিবলৈ দি, লিণ্টন বোপাকো ইয়ালৈ পঠাই দিদিয় কিয়? তইতো সিহঁত দুয়োটাকে দেখিব নোৱাৰ, গতিকে সিহঁত ওচৰত নাথাকিলে তই বেয়া পোৱাৰ কথা নুঠে। তোৰ এই কৃত্রিম অন্তৰৰ বাবে সিহঁত হ'ল এক প্রাত্যহিক অভিশাপ হে হ'ব।'

''মই 'থ্রাচক্রচ গ্রেঞ্জ'ৰ বাবে ভাড়াতীয়া বিচাৰিছোঁ।'' হিথক্লিফে উত্তৰ দিলে। 'তদুপৰি মোৰ ল'ৰা-ছোৱালী মোৰ আশেপাশে থকাটো মই বিচাৰোঁ। সেইটোৱেই স্বাভাৱিক কথা। আৰু এই বেটীক মই এনেয়ে খুৱাম নে? তই খোৱাগালৰ বিনিময়ত মোক কাম কৰি দিব লাগিব। লিণ্টন মৰাৰ পিচত মই তইক আলাসত আটোলটোলকৈ ৰাখিম বুলি ভাবিছ নেকি? খবৰদাৰ ৰব, ওলা। তোক জোৰ কৰিবলৈ মোক বাধ্য নকৰাবি।'



'মই যাম', কেথেৰিণে উত্তৰত ক'লে, 'সংসাৰত কাৰোবাক ভাল পাবলৈ বুলিবলৈ লিণ্টনৰ বাদে মোৰ আৰু আন কোনো নাই। তাৰ চকুত মোক আৰু মোৰ চকুত তাৰ ঘৃণনীয় কৰি তুলিবৰ বাবে আপুনি কৰিব পৰা খিনিতো কৰিলেই, কিন্তু আমাৰ মাজত পাৰস্পৰিক বিদ্বেষ আপুনি সৃষ্টি কৰিব নোৱাৰিব। মই ওচৰত থাকোঁতে আপুনি তাৰ গাত কেনেকৈ হাত দিয়ে মই চাম। আৰু এটা কথা, আপুনি মোক ভয় খুৱাই কাবু কৰিব পাৰিব বুলি নাভাবিব।'

'তইতো বৰ মদগৰ্বী প্রতিবাদী', হিথক্লিফে উত্তৰত ক'লে, 'পিচে চাবি, তাক দুখ পোৱালে মযো তোক সুদাই নেৰোঁ। বেচ মজা পাবি। তাক তোৰ চকুত ঘৃণনীয় মই নকৰোঁ, তাৰ নিজৰ কু-স্বভাৱেই কৰিব। তই তাক এৰি থৈ আহিলি আৰু তাৰ পৰিণতি স্বৰূপে তাৰ যি হ'ল, তাৰ বাবে সি তোৰ ওপৰত একেবাৰে তিক্ত-বিৰক্ত হৈ আছে। বৰকৈ আনুগত্য চেলাই যে কিবা লাভ হ'ব, নাভাবিবি। মোৰ সমানকৈ তাৰ গাতো বল থকাহেঁতেন সি তোক কি কৰিলেহেঁতেন সেই কথা সি জিলাক কোৱা মোৰ কাণত পৰিছিল। এশিকনি দিয়াৰ ইচ্ছাটো তাৰ আছে। গাত শক্তি নাই বাবেহে। গাৰ বলৰ অভাৱত সি কি চলবুধিৰ আশ্রয় লয়, পিচতহে গম পাবি। সি কিন্তু সুদাই এলা ভকত নহয়।'

কেথেৰিণে ক'লে, 'তাৰ স্বভাৱ যে বেয়া মই জানোঁ। সি আপোনাৰহে ল'ৰা। তাক ক্ষমা কৰি দিবলৈ মোৰ ভাল স্বভাৱ এটা আছে। মই জানো যে সি মোক ভাল পায়, আৰু সেইবাবে মযো তাক ভাল পাওঁ। মিঃ হিথক্লিফ, আপোনাক ভালপাওঁতা কোনো নাই। আপুনি আমাৰ অৱস্থা যিমানেই কাহিল নকৰক, আমি জানো যে আপোনাৰ নিজৰ ততোধিক পীড়াদায়ক অৱস্থাৰ হেতুকেই আপোনাৰ এই নিষ্ঠুৰতাৰ সৃষ্টি হৈছে। আপুনি বৰ দুখী, হয়নে নহয়? চয়তানৰ দৰে নিঃসঙ্গী আৰু ঈৰ্ষান্বিত। নহয় নে ? আপোনাক কোনেও ভাল নাপায়, আপুনি মৰিলে কোনেও কান্দিবলৈ নাথায়। আপোনাৰ লগত ঠাই সলাই বহিবলৈ মই প্রস্তুত নহয়। মই আপোনাৰ দৰে হ'ব নোৱাৰোঁ।'

কেথেৰিণে কথাবোৰ এখোপ ওপৰত উঠি কোৱাদি কৈছিল। হ'লেও, তাইৰ মাতত এক বিষণ্ণতা জড়িত আছিল। ভাবীকালৰ পৰিয়ালটোৰ মানসিকতা আয়ত্ত কৰিবলৈ যেন তাই যত্ন কৰিছিল। তাইৰ প্রতি বিৰোধী ভাবাপন্ন লোকৰ দুখ দুর্দশাত উল্লসিত হ'বলৈ তাই যেন মন বান্ধিছিল।

শহুৰেকে তাইক ক'লে, 'আৰু এক মিনিট সময়ো পলম কৰিলেই নিজমতে চলিবলৈ লোৱাৰ মজাটো পাবি। ওলা তৎক্ষণাৎ, যখিনী, টানি-টোপোলা লৈ আহ।' চৰম তাচ্ছিল্যৰ ভাব দেখুৱাই তাই আঁতৰি গ'ল।

তাই নথকাতে 'হাইট্চ'ত জিলাৰ ঠাইত মোক লবলৈ মই হিথক্লিফক খাটনি ধৰিলোঁ। 'গ্রেঞ্জ'ৰ চাকৰি ইস্তফা দিবলৈ মই সাজু থকা বুলিও ক'লোঁ। সি কিন্তু মোৰ কথাত কোনোপধ্যে মান্তি নহয়। সি মোক চুপ থাকিবলৈ ক'লে, আৰু পোন প্রথমবাৰৰ

ৰাবে কোঠাটোৰ চাৰিওপিনে চালে। ছবিবোৰো চালে। মিচেচ লিণ্টনৰ ছবিখনলৈ চাই চাই সি ক'লে, 'এইখন মই ঘৰলৈ লৈ যাম। দৰকাৰ যে আছে তেনে নহয়, কিন্তু'—

হঠাতে সি জুইৰ ওচৰ চাপিলে আৰু মুখত হাঁহিৰ দৰে বেঙনি এটা বোলাই কৈ গ'ল—

'কালি মই কি কৰিলোঁ কওঁ শুন। লিণ্টনৰ কবৰ খান্দি থকা, গীৰ্জ্জাঘৰৰ চাকৰটোৰ হতুৱাই কেথেৰিণৰ শৱাধাৰৰ ওচৰৰ মাটিবোৰ আঁতৰোৱাই লৈ, তাৰ ওপৰৰ ঢাকনি ছটা খুলিলোঁ। তাইৰ মুখখন দেখি এবাৰলৈ মোৰ ভাব হ'ল, ময়ো তাতেই সোমাই ৰৈ যাওঁ। তাইৰ যেই মুখ সেই মুখেই এতিয়াও আছে, বুজিছ। চাকৰটোৱে মোক কোনোমতেহে তাৰপৰা আঁতৰাই পঠাইছে। সি কলে বোলে বতাহ লাগিলে মুখখন পচি যাব। সেইবাবে কফিনটোৰ এটা ফাল মই কোবাই ঢিলা কৰি ঢাকি পেলালোঁ। লিণ্টনৰ ফালটো নহয়, জাহান্নামে যাওক সি— ইটো ফাল। তাৰ ফালটো সীহেৰে ঝালাই কৰি দিয়াহেঁতেন ঠিক হ'লহেঁতেন। মই কবৰ খন্দা মানুহটোক কিছু ভেটি দি এটা কাম কৰাবলৈ তাক মান্তি কৰাইছোঁ— মোক সমাধি দিওঁতেও তাইৰ দাঁতিতে ৰাখিবলৈ। আৰু লিণ্টন যেতিয়া আমাৰ লগ লাগিবলৈ যাব, কোনটো কাৰ শবদেহ সি চিনিয়েই নাপাব।'

মই খঙেৰে ক'লোঁ, 'তই বৰ দুৰ্জ্জন লোক, হিথক্লিফ। মৃতকক আজোৰ পাঁজোৰ কৰিবলৈ তোৰ লাজ নালাগিল নে?'

সি উত্তৰ দিলে, 'নেলী, মই কাকো একো আমনি কৰা নাই। মই মাত্ৰ নিজে অলপ স্বস্তি লাভ কৰিছোঁ। এতিয়া মই বহুত বেচি আৰামত থাকিব পাৰিম। আৰু মই মৰিলে, মোক মাটিৰ তলত থোৱাৰ বেচি ভাল সুবিধা হ'ব। তাইক আমনি কৰিছোঁ? নাই কৰা। তাই কৰিছে মোক— দিনে নিশাই এই ওঠৰ বছৰ ধৰি কৰিছে, অনবৰত কৰিছে, নিৰ্ম্মমভাৱে কৰিছে, কালি ৰাতিলৈকে কৰিছে। কালি নিশা মই শান্ত হৈ পৰিলোঁ। মই সপোনত দেখিলোঁ যে মই চিৰনিদ্ৰাত পৰিলোঁ, কাষত তাই, মোৰ হৃৎস্পন্দন স্তব্ধ হ'ল, আৰু মোৰ গাল দুখন তাইৰ গালত লাগি গোট মাৰিলে।'

'তাই যদি ধূলিত মিলি গ'লহেঁতেন, বা তাতোকৈ শোচনীয় কিবা হ'লহেঁতেন, তেন্তে কিহৰ সপোন দেখিলিহেঁতেন?' মই হিথক্লিফক সুধিলোঁ।

'তাইৰ লগতে গলি যোৱাৰ সপোন। সেইটো যে আৰু অধিক সুখকৰ অভিজ্ঞতা হ'লহেঁতেন। মই তেনে প্ৰকাৰ কিবা বিকাৰলৈ ভয় কৰোঁ বুলি তই ভাব নেকি? ঢাকনি ছটা দাঙোঁতেই এনে কিবা এটা হ'ব বুলি, এনে কিবা এটা আকৃতি দেখিব পাৰোঁ বুলি মই অনুমান কৰিছিলোঁ। পিচে মই লগ নোহোৱালৈকে এনে ৰূপান্তৰ নহ'ব যেন দেখি মোৰ ভাল লাগিছে। আৰু তাইৰ ভাৱলেশহীন মুখৰ স্পষ্ট ছবি এখন নেদেখাহেঁতেন, সেই অদ্ভুত অনুভূতিটো কেতিয়াও নাতৰিলহেঁতেন। অদ্ভুত ধৰণে ইয়াৰ উদ্ভৱ হৈছিল। তাই মৰাৰ পিচত মই উদ্ভ্ৰান্ত হৈ পৰিছিলোঁ। অনবৰত মই তাইক কাকুতি কৰিছিলোঁ মোৰ ওচৰলৈ ঘূৰি আহিবলৈ। তাইৰ অশৰীৰী আত্মাক কাকুতি কৰিছিলোঁ। অশৰীৰী



জীৱৰ অস্তিত্বত মোৰ দৃঢ় বিশ্বাস আছে— আমাৰ মাজত অশৰীৰী আত্মাবোৰে বাস কৰে, কৰিব পাৰে বুলি মোৰ দৃঢ় ধাৰণা।

তাইক তাত কবৰ দিয়াৰ দিনা বৰফ পৰিছিল। গধূলি মই গীৰ্জ্জাৰ চৌহদলৈ গৈছিলোঁ। শীতকালিৰ দৰে বতাহ বলিছিল। কেউপিনে নিসাৰ সাৰ। মই ভবা নাছিলোঁ যে তাইৰ গিৰিয়েক নামৰ মূৰ্খটো তিমান ৰাতি কবৰৰ ওচৰলৈ যাব। আন কোনোৱা যাব পাৰে বুলি ভবাৰ যে কথাই নাই।

মই অকলে। ওচৰত কোনো জনপ্ৰাণী নাই। দুহাত ঢিলা মাটি মাত্ৰ আমাৰ মাজৰ ব্যৱধান। এটা চিন্তা মোৰ মূৰত সোমাল ঃ মই আকৌ এবাৰ তাইক মোৰ দুবাহুৰ মাজত ল'ম। তাইক যদি অতি শীতল লাগে, ভাবিম, উত্তৰ পিনৰপৰা বলা বতাহে মোক চেঁচা লগাইছে। তাই যদি অসাৰ হৈ থকা পাওঁ, ভাবিম, শুইছে।'

'কোৰ-কুঠাৰ থোৱা কোঠাটোৰপৰা মই এখন কোৰ উলিয়াই আনিলোঁগৈ আৰু প্ৰাণপণে খান্দিবলৈ লাগি গলোঁ। কোৰ গৈ কফিনত লাগিল। এইবাৰ দুহাতেৰে মাটি উজাৰ কৰিবলৈ ললোঁ। গজাল মাৰি থোৱা ঠাইত তক্তাবোৰ ফাটিবলৈ ধৰিলে। মই লক্ষ্য বস্তু পাওঁ পাওঁ হৈছোঁ, তেনেতে ওপৰৰ পৰা অহা এটা হুমুনিয়াহ যেন মোৰ কাণত পৰিল। ঠিক যেন কবৰৰ দাঁতিৰ পৰাহে। তলমূৰ কৰি মই নিজকে নিজে কলোঁ, 'এইখিনি আঁতৰাব পাৰিলেই হ'ল।' আমাৰ দুয়োৰে ওপৰত যদি মাটি জাপি দিলেহেঁতেন! মই আৰু অধৈৰ্য্য হৈ মাটি আঁতৰাবলৈ ধৰিলোঁ। মোৰ কাণৰ কাষতে যেন আৰু এটা হুমুনিয়াহ। শীতল বৰফৰ স্পৰ্শ সত্বেও, হুমুনিয়াহটোৰ উষ্ণতা যেন মই অনুভৱ কৰিলোঁ। তেজ মঙহৰ কোনো জীৱন্ত প্ৰাণী ওচৰত নাছিল বুলি মই জানিছিলোঁ। পিচে, আন্ধাৰত কোনোবা আহি থকা দেখিলে, কোন আহিছে সঠিক ধৰিব নোৱাৰিলেও জান নেজানকৈ কিবা এটা চিন ধৰিব পৰাৰ দৰে, মোৰ ভাব হ'ল যেন কেথি মোৰ ওচৰতে থিয় দি আছে।

এক পৰম স্বস্তিৰ নিশ্বাস মোৰ সৰ্ব্বাংগে বিয়পি গ'ল। মই মাটি আঁতৰ কৰা কষ্টৰ কামটো কৰিবলৈ এৰি দিলোঁ: মোৰ মনলৈ এক সান্ত্বনা আহিল। কথাৰে বুজাব নোৱাৰি কি সেই সান্ত্বনা। তাই মোৰ ওচৰতে আছিল। কবৰটো আকৌ পূৰাই থওঁতেও আছিল। তাই মোক ঘৰলৈকে ঘূৰাই আনিছিল। তই হাঁহিলে হাঁহিব পাৰ, মই কিন্তু তাইক দেখা পাইছিলোঁ বুলি একেবাৰে নিশ্চিত। মই তাইৰ লগত কথা নপতাকৈ থাকিব নোৱাৰিলোঁ।

'ৱাদাৰিং হাইটচ' পাই মই চিধা দুৱাৰৰ পিনে পোনালোঁ। দুৱাৰ বন্ধ। মোৰ মনত আছে, সেই হতশ্ৰী হোৱা আৰ্ণশ্ব আৰু মোৰ ঘৈণীজনীয়ে মোক সোমাবলৈ নিদিলে। দুৱাৰত গুৰিয়াই গুৰিয়াই তাক পাগল কৰি দিলত দুৱাৰ সি খুলিলে, মই পোনচাটেই ওপৰ মহলত থকা মোৰ কোঠাত— ঘৈণীৰো কোঠা সেইটো— সোমালোঁগৈ। মই বৰ উৎকণ্ঠাৰে চাৰিওপিনে চালোঁ— কেথেৰিণ মোৰ ওচৰতে থকা যেন লাগিল। মই তাইক প্ৰায় দেখিছিলোঁৱেই, অথচ দেখাও নাছিলোঁ। আকুল আকাংক্ষাৰ দাৰুণ যন্ত্ৰণাত

মই তেজ ঘামে ঘামিব লাগিছিল। ক্ষণিকৰ দৃষ্টি এটাৰ বাবে কি যে ব্যাকুল বাসনা! মোৰ ভাগ্যত এটাও নিমিলিল। জীৱন কালৰ দৰেই, তাই মোৰ আগত এটা প্ৰহেলিকা হৈ দেখা দিলে। এই দেখিলোঁ। এই নেদেখিলোঁ। এই আছিল। এই নাই! তেতিয়াৰ পৰাই মই সেই অসহ্য যন্ত্ৰণাৰ বলি হৈ আহিছোঁ— কেতিয়াবা কম, কেতিয়াবা বেচি। নাৰকীয় যন্ত্ৰণা। মোৰ স্নায়ুমণ্ডলীৰ ওপৰত কি যে প্ৰচণ্ড চাপ। গুণাৰ দৰে টান খুলিছে! নহ'লে মোৰ স্নায়বিক দুৰ্ব্বলতা লিণ্টনৰ দৰেই হ'লহেঁতেন। কোঠাত হেয়াৰটনৰ লগত বহি থাকোঁতে ভাব হয় যেন বাহিৰলৈ ওলাই গ'লে তাইক লগ পাম; মুকলি প্ৰান্তৰত ফুৰোঁতে তাই মোৰ পিনে অহা যেন লাগে। ঘৰৰ পৰা ওলাই গ'লে লৰালৰিকৈ ঘূৰি আহোঁ, তাই হয়তো 'ৱাদাৰিং হাইটচ'ৰ ক'ৰবাত বৈ আছে! মই নিশ্চিত যে তাই আছে! তাইৰ কোঠাত শুলে (তাইৰ কোঠাৰ পৰা মোক মৰিয়াই উলিয়াই দিয়া হৈছিল) মই শুব নোৱাৰোঁ। চকু মুদিলেই দেখোঁ, তাই হয় খিৰিকিৰ বাহিৰত আছে, কাঠামোটোৰে হয়তো নামি গৈছে, বা কোঠাটোত সোমাইছে, বা তাইৰ মোহ লগা মূৰটো সৰু কালতে যেনেকুৱা হিচাপে শোৱা গাৰুটোত থৈছে। চাবলৈ মই চকু মেলোঁ। এইদৰে এবে ৰাতিটো এশবাৰ চকু মেলা মুদা কৰোঁতেই কাটে। প্ৰতিবাৰতে মাত্ৰ হতাশা। মোক পাগল কৰি দিলে। মই প্ৰায়ে ডাঙৰ ডাঙৰকৈ কেঁকনি মাৰিছোঁ। ফলত, জোচেফ নামৰ সেই দগাবাজ বুঢ়াটোৱে মোৰ গাত চয়তান লম্ভিছে বুলি ভাবিবলৈ আৰু ক'বলৈ চেনু পাইছিল।

সিদিনা তাইক দেখাৰ পৰা মোৰ মনটো শাঁত পৰিছে। ইয়াকে বোলে তিল্ তিল্কৈ মৰা। ওঠৰ বছৰ ধৰি আশা দি আশা ভংগ কৰা। কি যে যন্ত্ৰণা!''

হিথক্লিফ এইখিনিতে ৰ'ল আৰু কপালখন মচি ল'লে। তাৰ চুলিবোৰ কপাললৈ ওলমি পৰিছিল। তাৰ চকুহাল বঙা অঙঠাবোৰত স্থিৰভাৱে নিবিষ্ট আছিল। ভ্ৰূযুগল সি কোচোৰা নাছিল। দেখিলেই ভয়ংকৰ যেন লগা তাৰ মুখৰ ভাবটো তেতিয়া নাছিল, কিন্তু কিবা যেন এক যন্ত্ৰণাৰ ভাব তাৰ মুখত প্ৰতিফলিত হৈছিল। এক অনামী তীব্ৰ বাসনাৰ নিৰ্ম্মম যন্ত্ৰণাত যেন সি অস্থিৰ হৈ ছট্ফটাইছিল।

কথাবোৰ সি মোক উদ্দেশ্য কৰি কোৱাতকৈ স্বগতোক্তি কৰা যেনহে লাগিছিল। মই মনে মনে আছিলোঁ। সি কথাবোৰ শুনিবলৈ মই ভাল পোৱা নাছিলোঁ।

অলপ পৰ পিচত সি আকৌ অপলক দৃষ্টিৰে ছবিখন চাবলৈ ধৰিলে, আৰু বেৰৰ পৰা নমাই আনি চোফাত থৈ ভালকৈ চাবলৈ লাগিলে। তেনেতে কেথেৰিণ ওলাই আহি যাবলৈ সাজু বুলি কলেহি আৰু মিস্ত্ৰী ঘোঁৰাজনীক সাজু কৰাবলৈ ক'লে।

মোলৈ চাই হিথক্লিফে ক'লে, 'ঘোঁৰাজনী কালিলৈ মোৰ তালৈ পঠাই দিবি।' কেথেৰিণলৈ চাই ক'লে, 'ঘোঁৰা নহ'লেও তোৰ চলিব। এতিয়া সুন্দৰ গধূলি বেলা। 'ৱাদাৰিং হাইটচ'ত তোৰ ঘোঁৰাৰ দৰ্কাৰ নহ'ব, কাৰণ যিকণ ওলোৱা সোমোৱা কৰিব লগা হ'ব, খোজকাঢ়িয়েই কৰিব পাৰিবি। আহি থাক।'

মোৰ চেনেহী আইটিজনীয়ে মোৰ কাণত ফুচ্ফুচাই ক'লে, 'বিদায় এলেন।



যাওঁগে।' মোক বিদায় বেলাৰ চুমা দিওঁতে তাইৰ ওঁঠ দুটা বৰফ যেন চেঁচা লাগিল। 'মোৰ ওচৰলৈ আহি থাকিবি, মিচেচ ডীন। নাপাহৰিবি।' তাই ক'লে।

তাইৰ পিতাকৰ ঠাই লোৱা মানুহটোৱে ক'লে, 'সাৱধান, মিচেচ ডীন। এনে কাম যাতে কেতিয়াও নকৰ। তোক কিবা ক'বলগা হ'লে মই ইয়ালৈ আহিম। মোৰ ঘৰত গৈ কোনেও জুমাজুমি কৰা মই নিবিচাৰোঁ।'

সি তাইক আগবাঢ়িবলৈ ইংগিত দিলে। মোৰ ফালে এক অন্তৰ্দাহী চাৱনিৰে চাই তাই খোজ ললে।

বাগিচাৰ বাটেদি সিহঁত যোৱা মই খিৰিকিৰে চাই থাকিলোঁ। হিথক্লিফে কেথেৰিণৰ কান্ধত হাত থৈছিল। তাই প্ৰথমতে প্ৰকাশ্যে আপত্তি কৰিছিল। খৰখোজেৰে সি তাইক তললৈ নামি যোৱা বাটেৰে আগুৱাই লৈ গ'ল। এটা সময়ত গছবোৰৰ আঁৰ হৈ সিহঁত নেদেখা হ'ল।

# ৩০

'ৱাদাৰিং হাইটচ্'লৈ মই এবাৰ গৈছিলোঁ, কিন্তু ইয়াৰপৰা যোৱাৰ পিচত কেথেৰিণক আৰু মই লগ পোৱা নাই। তাইক মাত লগাবলৈ বিচাৰিলত জোজেফে দুৱাৰখনত হাত দি ধৰিলে, মোক আগবাঢ়িবলৈ নিদিলে। মিচেচ লিন্টন ব্যস্ত থকা বুলি সি মোক ক'লে। গৃহস্বামীও ঘৰত নাই বুলি জনালে। সিহঁতেনো তাত কিদৰে দিন কটাইছে সেই বিষয়ে জিল্লাই মোক অলপ কুট দিছিল। তাৰ বাহিৰে তাত কোন মৰিল কোন হাজিল জনাৰ একো উপায় নাছিল।

জিল্লাৰ মতে কেথেৰিণ বৰ উদ্ধত, আৰু তাইক ভাল নাপায় বুলি তাইৰ (জিল্লাৰ) কথাৰ পৰা মই বুজি পালোঁ। প্ৰথমে তালৈ যাওঁতেই কেথেৰিণে তাইৰ পৰা কিবা সহায় বিচাৰিছিল, কিন্তু হিথক্লিফে তাইক নিজৰ কাম কৰি যাবলৈ ক'লে। বোৱাৰীয়েকক নিজৰ কাম নিজে চম্ভালিবলৈ এৰি দিবলৈ তাইক কোৱা হ'ল। জিল্লায়ো আনন্দমনেৰে মান্তি হ'ল। তাই আছিল ঠেকমনা, আপোনপেটীয়া তিৰোতা। এনে ভাবে উপেক্ষিত হৈ কেথেৰিণ ক্ষুব্ধ হ'ল। জিল্লাৰ প্ৰতি তাইৰ বিৰূপ মনোভাব হ'ল, আৰু তাই নিজৰ শত্ৰু বুলি ভবা মানুহবোৰৰ মাজত জিল্লাৰ নামটোও সোমাল। জিল্লাই তাইৰ কিবা ডাঙৰ অনিষ্ট এটাহে কৰাৰ নিচিনাকৈ তাইৰ প্ৰতি কেথেৰিণে বিৰূপ মনোভাব ল'লে।

আপুনি অহাৰ আগতে, ছয় সপ্তাহমানৰ আগত এদিন মুকলি পথাৰত লগ পাই জিল্লাৰ লগত মই বহুতপৰ কথা পাতিছিলোঁ। তাই মোক এইদৰে কৈছিল ঃ

“মিচেচ লিন্টন 'হাইটচ্'লৈ ঘূৰি আহি পোনে পোনে ওপৰ মহলালৈ লৰি উঠি গ'ল। জোজেফ বা মোক কাকো শুভৰাত্ৰিও নজনালে। লিন্টনৰ কোঠাতে দুৱাৰ মাৰি তাই সোমাই থাকিল, আৰু পুৱালৈকে থাকিলেই। পিচত হিথক্লিফ আৰু আৰ্ণশ্বই পুৱাৰ জলপান খাই থাকোঁতে তাই নামি আহি কঁপি কঁপি ডাক্তৰ এজনক মতাই পঠাব পাৰি নেকি সুধিলে। লিন্টনৰ বোলে গা বৰ বেয়া।

হিথক্লিফে উত্তৰ দিলে, 'তাৰ গা বৰ বেয়া বুলি আমি নজনা নহয়। পিচে তাৰ জীৱনটোৰ পায় এটাৰো দাম নাই, সেইবাবে তাৰ বাবে মই পায় এটাও খৰচ নকৰোঁ।'

তাই বিবুধিত পৰি ক'লে, 'কিন্তু মই কি কৰিম ভাবি পোৱা নাই। কোনেও মোক সহায় নকৰিলে সি মৰি থাকিব।'



হিথক্লিফে ক'লে, 'বাহিৰ ওলাই যা। তাৰ বিষয়ে মোৰ আগত আৰু এটা কথাও নকবি। তাৰ কি হয় নহয়, তাৰবাবে কোনেও ইয়াত চিন্তা নকৰে। তোৰ যদি চিন্তা হৈছে, সেৱা-শুশ্ৰূষা কৰ। যদি নাই হোৱা, তেন্তে তাক তলা মাৰি থৈ গুচি আহ।'

তেতিয়া তাই মোক কুটুৰিবলৈ লাগিলে। মই ক'লোঁ যে কলটোপ কলটোপ কৰি থকাটোৰ লগত মই বহুত লেদেনা উকটিলোঁ, এতিয়া আৰু তাৰ আলপৈচান ধৰাত মই নাই। আমাৰ প্ৰত্যেকৰে নিজ নিজ কাম কৰিবলৈ আছে। তাইৰ কাম হ'ল লিন্টনৰ সেৱা-শুশ্ৰূষা কৰা। হিথক্লিফে সেই কাম তাইলৈ এৰিব লাগে বুলি মোক কৈছিল।

সিহঁত দুটা একেলগ হৈ কি কৰিছিলে মই ক'ব নোৱাৰোঁ। মোৰ ধাৰণা যে সি খুব উখ্মা দেখুৱাছিল, আৰু দিনে নিশাই কেঁকাই-গোঁথাই আছিল। তাইৰ অকণো আহৰি নাছিল। তাইৰ শেতা মুখখন আৰু ফুলি থকা চকুযুটা দেখিলেই সেই কথা বুজিব পৰা গৈছিল। মাজে মাজে তাই একেবাৰে পাগলী যেন হৈ পৰকবলৈ আহিছিল। কাৰোবাৰ পৰা সহায় সাৰথি অকণমান বিচাৰিবৰ বাবেই আহিছিল যেন লাগিছিল। মই কিন্তু ওপৰৱালাৰ আদেশ অমান্য কৰা নাছিলোঁ। তেওঁক অমান্য কৰাৰ সাহস মোৰ কোনোদিনেই হোৱা নাই, মিচেচ ডীন। ড° কেনেথক মাতি নপঠিওৱাটো ভাল কাম নহ'ল বুলি বুজিছিলোঁ যদিও সেইটো দায়ে মোক নোচোৱে। আপত্তি কৰিবৰে বা মই কোন, উপদেশ দিবৰে বা কোন। নলগা জেওত লাগিবলৈ যোৱা মোৰ কাম নহয়।

এবাৰ নে দুবাৰ, শুবলৈ যোৱাৰ পিচত, মই আকৌ কোঠাৰ দুৱাৰ খুলিব লগা হৈছিল। খট্‌খটিৰ মূৰত বহি বহি তাইক তেতিয়া মই কান্দি থকা দেখিছিলোঁ। দেখাৰ লগে লগেই, ক'ৰবাত জানোচা লোকৰ কামত সোমাব লগা হয়, সেই ভাবি মই লৰালৰিকৈ আকৌ ভিতৰ সোমাই দুৱাৰ জপাইছোঁ। তেনেবোৰ সময়ত তাইলৈ মোৰ পুতৌ নোহোৱাকৈ থকা নাছিল। তথাপিতো, চাকৰিটো হেৰুৱাব লগা হয় বুলি মোৰ বৰ ভয়, জান।

শেহত, এদিন ৰাতি তাই মৰসাহ দি মোৰ কোঠালৈ সোমাই আহিলে আৰু মোক কলেহি,

'পুতেকৰ টান কৰিছে বুলি মিঃ হিথক্লিফক খবৰটো দি আহ। এইবাৰ সি নাবাচিব বুলি মই বেচ বুজি পাইছোঁ। উঠ বেগেতে, ক গৈ।'

এইবুলি কৈয়েই তাই সেইখিনিৰ পৰা আঁতৰিল। পোন্ধৰ মিনিটমান সময় মই বাহিৰত কঁপি কঁপি কাণ উণাই থিয় দি ৰ'লোঁ। কতো একোৰে সাৰসুৰ নাই। গোটেই ঘৰ নিজম পৰি আছে।

মই তেতিয়া নিজকে নিজে কলোঁ; 'তাইৰ ভুল হৈছে। সি এতিয়া সকাহ পাব পায়। মই কাকো আমনি দিয়াৰ দৰ্কাৰ নাই।' মোৰ আকৌ টোপনি ধৰিব খুজিছিল, কিন্তু দ্বিতীয় বাৰৰ বাবে টোপনিত ব্যাঘাত হ'ল। ক্ৰিং ক্ৰিং ঘন্টি বাজিল— সেইটোৱেই ঘৰটোত একমাত্ৰ ঘন্টি; লিন্টনৰ প্ৰয়োজন হ'ব বুলিয়েই তাক আনি লগোৱা হৈছিল। এইবাৰ গৃহস্বামীয়ে মোক কি হৈছে চাবলৈ ক'লে। তেওঁ আৰু কৈ

দিলে বোলে সেই শব্দ যেন আকৌ নহয় সেই বিষয়ে পুতেক-বোৱাৰীয়েকক সাৱধান কৰি দিব লাগে।

কেথেৰিণে দিয়া খবৰটো মই তেওঁক দিলোঁগৈ। গালি-শপনি এসোপা মুখেৰে বকি বকি তেওঁ শোৱাৰ পৰা উঠি, হাতত ডাঙৰ মম এডাল জ্বলাই লৈ একেবাৰে লিণ্টনৰ কোঠা পালেগৈ। ময়ো পিচে পিচে গলোঁ। হাতদুখনেৰে আঁঠুদুটা মেৰাই ধৰি তলমুৰকৈ মিচেচ হিথক্লিফ (কেথি) বিচনাৰ কাষত বহি আছিল। শহুৰেক আগবাঢ়ি গ'ল, মমবাতিডাল আগবঢ়াই সি পুতেকৰ মুখখন চালে, গাটোও চুই চালে আৰু শেহত তাইৰ পিনে ঘূৰি সুধিলে,

'পিচে কেথেৰিণ, এতিয়া তোৰ কেনে লাগিছে?'

তাইৰ মুখেদি কোনো শব্দ বাজ নহ'ল। তেওঁ আকৌ সুধিলে, 'তোৰ কেনে লাগিছে কেথেৰিণ?'

'সি এতিয়া সম্পূৰ্ণ নিৰাপদ হ'ল। ময়ো মুক্ত হ'লোঁ।' তাই উত্তৰ দিলে। 'মইতো ভালেই পাব লাগে, কিন্তু'—, চেপি ৰাখিব নোৱৰা এক তিক্ততাৰ ভাবেৰে তাই কৈ গ'ল, 'এতদিনে আপুনি মোক মৃত্যুৰ লগত ইমান অকলশৰে যুঁজ দিবলৈ এৰি দিছিলে যে মই এতিয়া মৃত্যুৰ বাহিৰে আন একো অনুভৱ কৰিব নোৱাৰোঁ, মৃত্যুৰ বাহিৰে আন একোকে দেখা নাপাওঁ। মোৰ নিজকে মৰা যেন লাগিছে।'

তাইক দেখাইছিলো মৰা যেন। মই তাইক এটোক মদ দিলোঁ। ঘণ্টিৰ শব্দ আৰু খোজৰ শব্দ শুনি হেয়াৰটন আৰু জোজেফে সাৰ পাই উঠি আহি বাহিৰৰ পৰা আমাৰ কথা-বতৰা শুনি আছিল। এতিয়া সিহঁত সোমাই আহিল। ল'ৰাটো আঁতৰি যোৱাত জোজেফে ভাল পোৱা যেনেই লাগিল। হেয়াৰটনক অলপ চিন্তিত যেন লাগিল, কিন্তু লিণ্টনৰ কথা ভবাতকৈ কেথেৰিণলৈ থৰ লাগি চাই থকাতহে তাৰ অধিক মনোযোগ যেন দেখা গ'ল। হিথক্লিফে তাক আকৌ বিচনালৈ যাবলৈ হুকুম দিলে। তাৰ সহায়ৰ আমাৰ প্ৰয়োজন নাছিল। লিণ্টনৰ মৰা শটো জোজেফৰ হতুৱাই তেওঁ তাৰ কোঠালৈ আঁতৰাই নিয়ালে, মোক মোৰ কোঠালৈ ঘূৰি যাবলৈ ক'লে। কেথেৰিণ অকলে থাকিল।

ৰাতিপুৱা হিথক্লিফে মোৰ হতুৱাই কেথেৰিণক পুৱাৰ চাহ-জলপান খাবলৈ আহিবলৈ কোৱালে। সাজপাৰ সলাই তাই শুবলৈ ওলাইছিল। তাইৰ গা ভাল লগা নাছিল বুলি মোক ক'লে। গা বেয়া হোৱাটোৱেই স্বাভাৱিক বুলি মই বুজিছিলোঁ। মই আহি হিথক্লিফক ক'লত তেওঁ ক'লে, 'হব বাৰু। সমাধিৰ পিচলৈকে তাই তাতে থাকক। তাইৰ ওচৰলৈ গৈ তাইক কি ক'ত লাগে সুধি পুচি লৈগে। তাই অলপ ভালপোৱা যেন দেখিলেই মোক কবিহি।'

জিলাই কোৱামতে কেথি ওপৰমহলাত এপখকাল থাকিল। তাই (জিলা) দিনৌ দুবাৰকৈ তাইৰ ওচৰলৈ গৈছিল। তাই কেথিৰ লগত সেতি পকাবলৈকো যত্ন কৰিছিল, কিন্তু তাইৰ বন্ধুৰে সঁহাৰি কেথিয়ে সগৰ্বে আৰু লগে লগেই প্ৰত্যাখ্যান কৰি দিছিলে।

হিথক্লিফে কেথেৰিণক লিণ্টনৰ ইচ্ছাপত্ৰখন দেখুৱালেগৈ। তাৰ নিজৰ সমস্ত সা-



সম্পত্তি আৰু তাইৰ অস্থাৱৰ সম্পত্তিবোৰ সি হিথক্লিফক দি গৈছে। পিতাক ঢুকাওঁতে তাই কেইদিনমান আঁতৰি থকাৰ সুযোগতে বেচেৰা ল'ৰাটোক ভয় ফুচুলাই, নহয় ভয় দেখুৱাই, হিথক্লিফে এই কামটো কৰালে। প্ৰাপ্তবয়স্ক নোহোৱা বাবে মাটিবাৰীবোৰৰ কথাত সি হাত দিব নোৱাৰিলে। কিন্তু হ'লে কি হ'ব। হিথক্লিফে সেইবোৰ ঘৈণীয়েকৰ আৰু নিজৰ নামতো দাবী কৰি ঘৈণীয়েকৰ জিম্মাত থকা বুলি দেখুৱালে। মই ভবাত আইন সংগতভাৱেই কৰিলে। মুঠতে আপোন বুলিবলৈ এতিয়া কেও কিছু নোহোৱা আৰু সম্বলৰ নামত ফুটাকড়ি এটাও নোহোৱা হোৱা কেথেৰিনে তাৰ অধিকাৰত এতিয়া হাত দিয়াটো অসম্ভৱ কথা হ'ল।

জিলাই কোৱামতে তাইৰ বাদে, আন কোনো সেই এবাৰৰ বাহিৰে, তাইৰ ওচৰলৈ যোৱা নাই। কোনেও তাইৰ একো খা-খবৰো লোৱা নাই। প্ৰথমবাৰৰ বাবে তাই তললৈ নামি আহিছিল ৰবিবাৰৰ আবেলি এটাত।

তাইৰ নিশাৰ সাজ দিবলৈ নিওঁতে তাই কান্দি কান্দি ক'লে যে তাই আৰু জাৰত থাকিব নোৱাৰে। মই তাইক কলোঁ যে আমাৰ ওপৰবালা 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'লৈ যাবলৈ ওলাইছে, আৰু হেয়াৰটন আৰু মই তেওঁক তললৈ নমাত বাধা নিদিওঁ। হিথক্লিফৰ ঘোঁৰা কদমত আঁতৰি যোৱা গম পোৱাৰ লগে লগে তাই তলত ওলালহি। তেতিয়াও তাই ক'লা সাজ পিন্ধি আছিল। হালধীয়া চুলিকোচা পিচলৈ মেটাই বন্ধা। তাই তাক ফণিয়াই চিজিলকৈ বান্ধিব পৰা নাই।

ৰবিবাৰবোৰত সাধাৰণতে জোজেফ আৰু মোৰ গীৰ্জালৈ যোৱাৰ অভ্যাস। (মিচেচ ডীনে মোক কলে যে গীৰ্জাত এতিয়া পাদুৰী নাই, সেইবাবে সিহঁত দুয়ো মেথডিষ্ট নে বেপটিষ্ট কোনোবা এটা গীৰ্জালৈ যায়, কোনটোলৈ যায় তেওঁ নাজানে। মাত্ৰ গিমাৰটনৰ কোনোবা এটা গীৰ্জালৈ যায় বুলি জানে।) 'জোজেফ আগতে গ'ল,' জিলাই কৈ গ'ল, 'মোৰ মন নগ'ল, মই ঘৰতে সোমাই থাকিলোঁ। ডাঙৰে সিহঁতৰ কথাত বৰকৈ চকুকাণ নিদিয়াটোকে ডেকা ল'ৰাবোৰে বিচাৰে। হেয়াৰটন লাজুক ল'ৰা ঠিকেই, কিন্তু শিষ্টাচাৰী বুলি তাক ক'ব নোৱাৰি। মই তাক কৈছিলোঁ যে পেহীয়েকৰ জীয়েক আহি আমাৰ লগত বহাৰ কথা। তাই সদায় 'চাব্বাথ'ৰ কৰ্মবিৰতি মানি আহিছে, গতিকে তাই আমাৰ লগত থকা সময়খিনিত সি বন্দুক-বাৰুদ আৰু ঘৰুৱা কামকাজ বোৰত হাত নিদিয়াকৈ থকাই ভাল হ'ব।

কথাটো শুনি সি ৰঙা-চিঙা পৰিল, আৰু নিজৰ হাত দুখন আৰু পিন্ধি থকা সাজটোলৈ চকু ফুৰালে। হাতৰ তেলকুৰৰ দাগ নিমিষতে আঁতৰ হ'ল। তাই আহিলে সিও ওচৰত বহিবৰ ইচ্ছা কৰিছে বুলি মই বুজিব পাৰিলোঁ। তাৰ ভাবগতি দেখি মই বুজিলোঁ যে সি নিজকে ধুনীয়াকৈ দেখুৱাবলৈ বিচাৰিছে। সেইবাবে মই হাঁহি হাঁহি তাক লাগে যদি সহায় কৰিবলৈ আগবাঢ়িলোঁ। গৃহস্থ ঘৰত নাথাকে বুলিহে হাঁহিব লাগিছোঁ, তেওঁ ঘৰত থাকিলে হঁহাৰ সাধ্য ক'ত। সি লাজ কৰা দেখি মই তাক জোকালোঁ। সি গোমোঠা মাৰিলে আৰু অবাইচ মাতিবলৈ ল'লে।

তইৰ কথাবতৰা শুনি মই বৰ বস নোপোৱা যেন বুলি ভাবি জিন্নাই মোক ক'লে, "পিচে মিচেচ ডীন, আপোনাৰ আদৰৰ ছোৱালীটি হেয়াৰটনৰ বাবে বেচি ওপৰৰ হ'ব বুলি বোধহয় আপুনি ভাবিছে। আপোনাৰ অনুমান বোধহয় সঁচা। পিচে তইৰ অহংকাৰটো অলপ নমোৱা ভাল হ'ব বুলি মই ভাবোঁ। তইৰ সমস্ত লিখাপঢ়া আৰু সুৰুচি সম্পন্নতা এতিয়া তইৰ কি কামত লাগিব? তইৰ অৱস্থা এতিয়া আপোনাৰ মোৰ দৰেহে। একপ্ৰকাৰে আমাতকৈও বেয়া। আপুনিতো যি পাৰে সাঁচিছে, মই জানোঁ নহয়। মৰো যি পাৰোঁ গোটাবলৈ চাইছোঁ। কিন্তু তইৰ কিটো আছে?"

জিন্নাৰ সহায় হেয়াৰটনে ল'লে। তাই তাক ইটো সিটো কথা কৈ তাৰ মনটো ভাল লগালে। কেথেৰিণ ওপৰৰ পৰা নামি আহিলত সি নিজকে তইৰ আগত শোভন আৰু অমায়িক যেন কৈ দেখুৱাবলৈ চালে। তাই আগতে যে তাক অপমান কৰিছিল, সেই কথা প্ৰায় পাহৰিলে। এইবোৰ কথা মই জিন্নাৰ মুখৰ পৰা শুনা।

তাই মোক কৈছিল ঃ "আইদেউ সোমাই আহিল। হাবভাব নিৰ্ব্বিকাৰ, যেন ৰবফৰ দৰে চেঁচা। কিন্তু ধৰণ কৰণ যেন ৰাজকুমাৰীৰহে। মই বহি থকা আৰামী চকীখন তইৰ বাবে এৰি দিলোঁ। তাই মোলৈ গ্ৰাহ্য নকৰিলে। হেয়াৰটনো থিয় দিলে, আৰু জুইৰ ওচৰ চাপি তইক বেঞ্চখনত বহিবলৈ কলে। তাই যে জাৰত কষ্ট পাইছিল সেই কথা দেখিলেই বুজিব পৰা গৈছিল।

'এমাহতকৈ বেচিদিন মই জাৰত কঁপিছোঁ', চৰম অবজ্ঞাৰে তাই কথাষাৰ কলে। নিজে চকী এখন আনি লৈ তাই আমাৰ পৰা দূৰত বহিল।

গাত অলপ গৰম লগালৈকে বহি থকাৰ পিচত তাই ইফালে সিফালে চালে, আৰু মাংস কটা মেজখনৰ ওপৰত কিছুমান কিতাপ দেখা পালে। কিতাপবোৰ দেখা পায়েই তাই সেইবোৰ নমাবলৈ চালে, কিন্তু ওখত আছিল, ঢুকি নাপালে।

তাই কি কৰিছে অলপ সময় চাই থকাৰ পিচত হেয়াৰটন তইক সহায় কৰিবলৈ আগবাঢ়িল। সি ওপৰৰ পৰা কিতাপবোৰ পেলাই দিলে আৰু তাই পিন্ধি থকা ফ্ৰকটোৰ আগটো পাতি সিমান পাৰে ধৰিলে।

হেয়াৰটনৰ বাবে সেইটো এটা লেখত লব লগা কাম হ'ল। কেথেৰিনে কিন্তু তাক ধন্যবাদ নজনালে। তথাপিতো, তাৰ সহায় যে তাই ল'লে, সেইবাবে সি যেন কৃতাৰ্থবোধ কৰিলে। কিতাপবোৰ চাই থাকোঁতে সি তইৰ পিচতে থিয় দি থাকিবলৈকো সাহ গোটালে, আৰু দুই এখন কিতাপত থকা পুৰণা চবিবোৰত কি আছে তাকো আঙুলিয়াই দেখুৱাবলৈ সি সাহস কৰিলে। তাৰ হাতৰপৰা অশিষ্টভাৱে ছবি চোৱা এৰি, তইক চাবলৈ ধৰিলে। কিতাপ এৰোখন আঁতৰাই নিয়াতো সি ক্ষুণ্ণ নহ'ল। সি অলপ পিচলৈ গৈ, কিতাপৰ

তাই কিতাপ পঢ়াতে, নে কিবা এটা উলিয়াই লৈ পঢ়িবলৈ বিচৰাতে ব্যস্ত থাকিল। হেয়াৰটনৰ দৃষ্টি লাহে লাহে তইৰ ঘন, বেচমী চুলিকোচাত আবদ্ধ হ'ল। তইৰ মুখখন সি দেখা নাছিল, আৰু তায়ো তাক দেখা নাছিল। হঠাতে, সি কৰিছে কি তাৰ কোনো



হুঁচ নথকাকৈয়ে, কেঁচুৱা এটাই জ্বলাই থোৱা মমবাতি এডালত হাত দিবলৈ যোৱাৰ দৰে, সি তইৰ চুলিত হঠাতে আলফুলে হাত বুলাই দিলে। ইমান আলফুলে যেন সি এটা চৰাইৰ গাতহে হাত ফুৰাইছে। কিন্তু তাই ইমান চক খাই উঠিল যেন কোনোবাই তইৰ ডিঙিত এখন চুৰী হে বহুৱাই দিলে।

'আঁতৰ হ, এই মুহূৰ্ত্ততে আঁতৰ হ। মোৰ গাত হাত দিবলৈ তোৰ ইমান সাহ! কৈছ কিয় তাত?' একেবাৰে বিৰক্তিৰ সুৰত তাই তালৈ চাই ক'লে, 'তোক মোৰ সহ্য নহয়। তই ওচৰ চাপিলে মই আকৌ ওপৰ মহলালৈ উঠি যাম।'

হেয়াৰটন ভেবাচেকা লাগি ৰ'ল। এখন কাঠৰ বেঞ্চত সি চুপচাপ বহি গ'ল, আৰু তইৰ কিতাপবোৰকে আধাঘণ্টা সময় ধৰি লিবিকি বিদাৰি, তল ওপৰ কৰি থাকিল। তাৰ পিচত সি মোৰ কাষলৈ আহি ফুচফুচাই ক'লে, "জিল্লা, তেওঁক ডাঙৰকৈ পঢ়িবলৈ কচোন। তেওঁ পঢ়িব, আমি শুনিম। একো নকৰি মই বৰ দিগদাৰী পাইছোঁ। তেওঁ কিতাপ পঢ়া শুনিবলৈ মোৰ মন গৈছে। মই কৈছোঁ বুলি নকবি, তই নিজে কোৱা বুলিয়ে কচোন।'

মই লগে লগে কলোঁ, 'আইদেউ, হেয়াৰটনে কৈছে আপুনি বোলে পঢ়িব লাগে। সিয়ে মত্তে শুনিম। সি বৰ ভাল পাব হেনো। আপোনাৰ ওচৰত কৃতজ্ঞ হৈ থাকিব।'

তেওঁ চকুৰ গাথি খোপা খুৱাই মুৰ তুলি ক'লে, 'হেয়াৰটন আৰু তইঁত গোটেই তইঁত গোটেইবোৰৰ ভণ্ডামি মথাই মোক দেখুওৱা কপট মৰম সাদৰ মোক নালাগে। মই তইঁতক ঘিণ কৰোঁ, আৰু তইঁত কাকো মোৰ একো কবলগা মই বুজি পাইছোঁ। মই তইঁতক ঘিণ কৰোঁ, আৰু তইঁত কাকো মোৰ একো কবলগা নাই। এষাৰ সাদৰ মাত শুনিলে, তইঁতৰ এটা মানবো মুখ এখন দেখিলে যি সময়ত মই মোৰ জীৱন দিবলৈকো সাজু আছিলোঁ, সেই সময়ত তইঁত আটায়ে আঁতৰি থাকিলি। মই পিচে তইঁতৰ ওচৰত কোনো আপত্তি কৰা নাই, জাৰৰ বাবেহে ইয়ালৈ মই নামি আহিছোঁ। তইঁতৰ সংগ বিচাৰি অহা নাই, তইঁতৰ মন ভাল লগাবলৈকো অহা নাই।'

'মই কি কৰিলোঁ? মই কি জগৰ লগালোঁ?' আৰ্শিহে মুখপাতি লৈ সুধিলে।

চৰম অবজ্ঞাৰে তাৰ মুখ বন্ধ কৰি কেথেৰিনে ক'লে, 'চুপ কৰ। তোৰ এই অসহ্য কথাবোৰ শুনি থকাতকৈ মই বৰং ওলায়েই যাম। যলৈকে মন যায় যামগৈ।'

হেয়াৰটনে ভোৰভোৰাই ক'লে, 'যলৈকে মন যায় যা গৈ, জহন্নামে গ'লেও যা।' এইবুলি কৈ সি আকৌ তাৰ বন্দুক-বাৰুদ সাজু কৰি ললে, আৰু ৰবিবাৰৰ 'চাব্বাথ'লৈ পিঠি দিলে।

এইবাৰ সি সহজভাৱে কথা কবলৈ ধৰিলে। কেথেৰিনে নিজৰ কোঠালৈ ঘূৰি যোৱাটোকে উচিত বুলি ভাবিলে। পিচে বৰফ তেতিয়া বৰকৈ পৰিছিল। নিজৰ অহংকাৰো আওকাণ কৰি তাই আমাৰ লগতে থাকিবলৈ বাধ্য হ'ল। কিন্তু মোক চিনা যেন পাই তাই যাতে মোক আৰু অবজ্ঞা নকৰে, সেইবিষয়ে মই সচেতন হলোঁ।

তেতিয়াৰ পৰা তাই মোৰ প্ৰতি যিদৰে কঠুৱা ব্যৱহাৰ কৰিছে, ময়ো তাইৰ প্ৰতি তেনে ব্যৱহাৰেই কৰিছোঁ। আমাৰ মাজত কোনেও তাইক ভাল নাপায়। তাইক ভাল পাব পাৰিব কেনে? কোনোবাই তাইক কিবা এটা কলেই যেনেকৈহে গেঙেৰি মাৰি উঠিব! কাকো কোনো শ্ৰদ্ধা দেখুৱাবলৈ নাই! তাই মিঃ হিথ্‌ক্লিফৰো মুখে মুখে জবাব দিয়ে, আৰু গাত হাত দিবৰ সাহ আছে যদি দেহি বুলিও কয়। যিমানেই লঘু-লাঞ্ছনা ভুগিছে, সিমানেই তাইৰ প্ৰবৃত্তিও বিষাক্ত হৈ পৰিছে।"

তিৰোতাৰ পৰা এই কথাখিনি শুনি মই প্ৰথমে ভাবিলোঁ যে মই মোৰ চাকৰিটো ইস্তফা দিম, সৰু ঘৰ এটা ভাৰালৈ ল'ম, আৰু কেথেৰিণকো তালৈ লৈ গৈ একেলগে থাকিম। কিন্তু হিথ্‌ক্লিফে সেইটো হ'বলৈ দিয়াতকৈ হেয়োৰ্টনকে লগে নিজাকৈ ঘৰ বান্ধি থাকিবলৈ দিব। গতিকে কেথেৰিণে আকৌ বিয়া নকৰালে এই পৰিস্থিতিৰ সলনি হোৱাৰ মই আশা দেখা নাই। তেনে এটা সম্ভাৱনাক বাস্তৱত ৰূপ দিয়াটো মোৰ সাধ্যৰো বাহিৰত।

মিচেচ উইনৰ বৃত্তান্ত ইয়াতেই শেষ হ'ল। ডাক্তৰে ভবাতকৈ বেচি সোনকালে মই গাত বল পাই আহিবলৈ ধৰিলোঁ। এতিয়া জানুৱাৰী মাহৰ দ্বিতীয় সপ্তাহহে। তথাপিতো দুই এদিনতে মই ঘোঁৰাত উঠি 'বাদাৰিং হাইইটচ'লৈ যাম বুলি ভাবিছোঁ। তালৈ গৈ মই গৃহস্বামীক কমগৈ যে অহা ছটা মাহ মই লণ্ডনত কটামগৈ। ইচ্ছা কৰিলে তেওঁ আন কোনোবা ভাৰাঘৰীয়া অক্টোবৰৰ পিচৰ পৰা বন্দবস্ত কৰিব পাৰে। আৰু এটা শীতকাল ইয়াত কটোৱাৰ মোৰ মন নাই।

# ৩১

পিচদিনাৰ দিনটো আছিল এটা ব'দালি, শান্ত দিন। বতাহ বলা নাছিল, কিন্তু বৰফ পৰিছিল। ভবামতেই মই 'হাইইটচ'লৈ যাবলৈ ওলালোঁ। মিচেচ উইনে কেথেৰিণলৈ চিঠি এখন লৈ যাবলৈ মোক অনুৰোধ কৰিলে। দেখাত অনুৰোধটো অসঙ্গত নহয় বুলি ভাবি মই আপত্তি নকৰিলোঁ।

আগফালৰ দুৱাৰখন খোলা আছিল, কিন্তু পদূলিৰ জপনাত, মই আগৰবাৰ আহোঁতে পোৱাৰ দৰেই, তলা লগোৱা। হেয়োৰ্টনে বাগানত কাম কৰি আছিল। মই তাকে মাতিলোঁ। সি আহি জপনাখন খুলি দিলে, মই ভিতৰ সোমাই গলোঁ। চহা মানুহ হিচাপে হেয়োৰ্টনৰ চিৰি-চেহেৰা দেখিবলৈ বেয়া নহয়। এইবাৰহে মই তাক ভালকৈ চালোঁ। পিচে তাৰ দোষ-ত্ৰুটীবোৰ ঢাকি ৰাখিবলৈ সি সদায় সচেষ্ট। মিঃ হিথ্‌ক্লিফ ঘৰত আছেনে নাই বুলি সুধিলত সি নাই বুলি ক'লে। দুপৰীয়া খোৱাৰ পৰতহে পাবহি হেনো। তেতিয়া এঘাৰ বাজিছিল। মই ভিতৰতে বহি তেওঁ অহালৈ বাট চাম বুলি ক'লত হেয়োৰ্টনে হাতৰ দা, কাচি পেলাই থৈ মোৰ লগে লগে আহিল। গৃহস্থ নাই বাবে সি মোৰ ওচৰত বহাৰ সৌজন্য দেখুৱাবলৈ অহা নাছিল। আহিছিল মোৰ ওপৰত চকু ৰাখিবলৈ।

আমি দুয়ো একেলগে ভিতৰ সোমালোঁ। কেথেৰিণ তাতে বহি আছিল। বাহিৰৰ বাবে কিবা পাচলি বাচি আছিল। মই প্ৰথমে দেখাতকৈ তেওঁক বেচি মনমৰা আৰু গোমোঠা মুখীয়া যেন লাগিল। মই সোমাই যাওঁতে তেওঁ মূৰ তুলিও নাচালে। সাধাৰণ শিষ্টাচাৰকণো নেদেখুৱাই নিজৰ কামতে লাগি থাকিল। মই সৌজন্যসূচক মূৰ দোঁৱালো, আৰু শুভপ্ৰভাতো জনালোঁ, কিন্তু তেওঁ নিৰ্ব্বিকাৰ হৈয়ে ৰ'ল।

'মিচেচ উইনে কোৱাৰ দৰে ভদ্ৰ মহিলা অমায়িক নহয়' মই মনতে ভাবিলোঁ। দেখিবলৈ ধুনীয়া, সন্দেহ নাই, কিন্তু অপেচৰী যেন নহয়।

হেয়োৰ্টনে তেওঁক কেটেৰা মাৰি বস্তু-বাহানিবোৰ লৈ পাকঘৰলৈ যাবলৈ ক'লে।

কামকৰা হ'লত থবাহিটো তাৰ পিনে ঠেলা মাৰি দি 'তই নিজে নে' বুলি কৈ তেওঁ খিৰিকিৰ কাষৰ টুল এখনত বহিলগৈ। তাতে তেওঁ চালগোমৰ বাকলিৰে চৰাই-চিৰিকতি, জীৱ-জন্তুৰ নক্সা সাজি সাজি সময় কটাবলৈ ধৰিলে।

বাগানখন চোৱাৰ চলেৰে মই তেওঁৰ ওচৰ চাপি গ'লোঁ, আৰু হেয়োৰ্টনৰ অলক্ষিতে, চিঠিখন তেওঁৰ আঁঠু দুটাৰ মাজত পেলাই দিলোঁ। কামটো মই বেচ

চতুৰভাৱে কৰিলোঁ বুলি ভাবিছিলোঁ। কিন্তু তেওঁ মোক ডাঙৰকৈ সুধিলে 'এইখন কি?' আৰু চিঠিখন দূৰলৈ দলিয়াই দিলে।

''সেইখন আপোনাৰ পূৰ্বৰ পৰিচিত, 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'ৰ ঘৰ চোৱাচিতা কৰা মহিলা গৰাকীৰ চিঠি।'' ভালকৈ বুলি মই টিপতে চিঠিখন দিলোঁ, পিচে তেওঁ একেবাৰে জনাজাত কৰি পেলালে— এইবাৰে মই ভাল নাপালোঁ। মোৰে চিঠি বুলি ভাবে কিজানি— এই সন্দেহটোও মোৰ মনলৈ আহিল আৰু পেটে পেটে ভয় লাগিল।

মিচেচ ডীনে দিয়া বুলি ক'লত তেওঁ বৰ আগ্ৰহেৰে চিঠিখন বুটলিবলৈ লৈছিল, কিন্তু হেয়াৰটনে আগতেই খাপমাৰি ধৰি লৈ তাৰ চোলাৰ জেপত ভৰাই থ'লে। সি বোলে মিঃ হিথক্লিফকহে আগতে পঢ়িবলৈ দিব।

এইকথা শুনি কেথেৰিণে আমাৰপৰা মুখ ঘূৰালে আৰু অতি সন্তৰ্পণে জেপৰপৰা ৰুমালখন উলিয়াই চকু মুচিবলৈ ললে। হেয়াৰটনে তাৰ কোমল অনুভূতিক কিছুপৰ চেপি ৰাখিবলৈ চাইছিল, কিন্তু সৰহপৰলৈ নোৱাৰিলে। চিঠিখন সি অভদ্ৰভাৱে তেওঁৰ ওচৰলৈ ঘূৰাই দলি মাৰি পঠিয়ালে।

চিঠিখন লৈ কেথেৰিণে একান্তমনে পঢ়িলে, আৰু পিচত তেওঁ মোক তেওঁৰ পূৰ্বৰ ঘৰত থকা মানুহকেইটা, আৰু জীৱ-জন্তুৰ খা-খবৰ ল'লে। পিচ মুহূৰ্ত্তত তেওঁ আথৰবোৰৰ পিনে চাই চাই এইদৰে স্বগতোক্তি কৰিবলৈ ধৰিলে :

'মিনিৰ পিঠিত উঠি তালে যাবৰ মোৰ বৰ মন যায়। তাত বগাবলৈ মোৰ মন যায়। উস! মই ক্লান্ত! হেয়াৰটন, মোৰ দশা আস্তাবলৰ জীৱৰ দশা।'

মৰমলগা মূৰটো তেওঁ খিৰিকিৰ কাষত হেলান দিলে। মুখৰ পৰা এটা হুমুনিয়াহ ওলাল, ওলাল এটা হামি। কিবা এক বিমূৰ্ত চিন্তাত তেওঁ মগ্ন হ'ল। সেই মুহূৰ্তত আমি তেওঁলৈ চাই আছোঁ নে নাই তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাছিল।

কিছুপৰ নীৰৱে থকাৰ পিচত মই ক'লোঁ, 'মিচেচ হিথক্লিফ, মই আপোনাৰ পৰিচিত লোক বুলি আপুনি পাহৰিছে নে কি? ইমান ভালদৰে জনাশুনা, অথচ আপুনি মোৰ ওচৰলৈকো অহা নাই, কথা বতৰাও পতা নাই। বৰ আচৰিত লাগিছে। মোৰ গৃহকৰ্ত্ৰীয়ে অনবৰত আপোনাৰ কথা কৈ থাকে আৰু আপোনাৰ যহ গায়। এতিয়া মই ঘূৰি গৈ যদি আপোনাৰ কোনো খবৰ-বাতৰি কবগৈ নোৱাৰোঁ, বা আপোনাৰ পৰা কোনো বা-বাতৰি লৈ যাব নোৱাৰোঁ, মাত্ৰ তেওঁৰ চিঠিখন আপুনি পালে, আৰু প্ৰত্যুত্তৰত একো নকলে বুলিহে তেওঁক জনাবগৈ লগা হয়, তেনেহলে তেওঁ বৰ হতাশ হ'ব।'

মোৰ কথা শুনি তেওঁ বৰ আচৰিত হোৱা যেন দেখুৱাই সুধিলে, 'এলেনে আপোনাক ভাল পায়নে?'

'পায়তো, বৰ ভাল পায়', মই নিঃসঙ্কোচে উত্তৰ দিলোঁ। তেওঁ মোক তেতিয়া ক'লে, 'তেন্তে হ'লে আপুনি তেওঁক কবগৈ যে তেওঁৰ চিঠিৰ উত্তৰ মই দিম। কিন্তু চিঠি লিখিবৰ বাবে সাজ-সৰঞ্জাম একো নাই। পাত এখিলা চিৰি লওঁ বুলিবলৈকো কিতাপ এখনো নাই।'



''কিতাপ নাই! কি কথা কয় হে? বেয়া নাপায় যদি সোধোঁচোন, কিতাপ নোহোৱাকৈ আপোনালোক ইয়াত থাকে কেনেকৈ? 'গ্ৰেঞ্জ'ত এটা ডাঙৰ পুথিভঁৰাল থকা সত্ত্বেও মোৰ কিবা বৰ উকা উকা যেন লাগে। কিতাপবোৰ লৈ গ'লে 'গ্ৰেঞ্জ'ত মই একেবাৰে হতাশ হৈ পৰিব লাগিব।''

কেথেৰিণে ক'লে, 'কিতাপবোৰ পোৱাতে থাকোঁতে মই পঢ়িছিলোঁ। কিন্তু মিঃ হিথক্লিফে কেতিয়াও নপঢ়ে। সেইবাবে তেওঁৰ মূৰত খেলালে যে মোৰ কিতাপবোৰ নষ্ট কৰি পেলাব লাগে, আৰু কৰি পেলালেও। কত দিন ধৰি যে মই এখনো কিতাপৰ মুখ দেখা নাই! মাত্ৰ এবাৰ মই জোচেফৰ ধৰ্মগ্ৰন্থবোৰ লুকাকি চাইছিলোঁ। তেতিয়া তাৰ যে কি খং উঠিছিল। আকৌ এবাৰ, হেয়াৰটন, তোৰ কোঠাত লুকুৱাই থোৱা কিছুমান কিতাপ মই পাইছিলোঁ। সেইবোৰৰ কিছুমান লেটিন আৰু গ্ৰীক ভাষাত লিখা, কিছুমান আছিল সাধুকথা আৰু কবিতাৰ কিতাপ। আটাইবোৰ আগতে পঢ়া। পিচৰবোৰ মযে ইয়ালৈ আনিছিলোঁ। পিচে প্ৰবাদৰ নেগপাই চৰায়ে, মাত্ৰ চুৰি কৰাৰ আনন্দতে ক্ষপৰ চামুচ চুৰি কৰি নি লুকুৱাই ৰখাৰ দৰে, তয়ো সেইবোৰ গোটাইহে থৈছিলি। সেইবোৰ তোৰ কোনো কামত অহা নাছিল। সেয়ে নহলে, তই অসৎ উদ্দেশ্যেৰে কিতাপবোৰ লুকুৱাই থৈছিলি। অৰ্থাৎ, তই নিজে পঢ়িব নোৱাৰ যেতিয়া, আনেও পঢ়িবলৈ নাপাওক, এই ভাব। সম্ভৱ তোৰ পৰশ্ৰীকাতৰতাৰেই হিথক্লিফক কিতাপবোৰ নষ্ট কৰিবলৈ উচটনি দিছিল। পিচে সেইবোৰৰ সৰহভাগ মোৰ মগজুত আৰু মোৰ হিয়াত লিপিবদ্ধ হৈ আছে। সেইবোৰৰ পৰাতো তই মোক বঞ্চিত কৰিব নোৱাৰ।''

কেথেৰিণে তাৰ এই ব্যক্তিগত সাহিত্য সংগ্ৰহৰ কথা ক'লত হেয়াৰটন লাজত ৰঙাচিঙা পৰিল আৰু খঙত একো নহি হৈ খোনাই খোনাই প্ৰতিটো অভিযোগ অস্বীকাৰ কৰিলে।

হেয়াটনৰ ফলীয়া হৈ মই কলোঁ, 'মিঃ হেয়াৰটনে তেওঁৰ জ্ঞানৰ পৰিসৰহে বৃদ্ধি কৰিব খুজিছে। আপোনাৰ জ্ঞান-বিদ্যা দেখি তেওঁৰ ঈৰ্ষা ওপজা নাই। আপোনাৰ অনুকৰণ কৰিবলৈহে তেওঁৰ ইচ্ছা। সেই ইচ্ছাহে প্ৰকাশ পাইছে। কেইবছৰমানৰ ভিতৰতে তেওঁ এজন সুবিজ্ঞলোক হৈ ওলাব।'

কেথেৰিণে উত্তৰ দিলে, 'আৰু ইতিমধ্যে মই একেবাৰে গোট গৰু হৈ যাব লাগে, নহয়? ঠিকেই কৈছে আপুনি। সি জোটাই জোটাই পঢ়ি থকা মই শুনিছোঁ। কি যে ভুলবোৰ নকৰে। কালি যে 'চেভিচেজ' পঢ়িছিলি! আকৌ পঢ়িবিচোন। ইমান হাঁহি উঠা হৈছিল শুনিবলৈ। তই পঢ়ি থকা মই শুনিছিলোঁ, টান শব্দবোৰ বুজিবলৈ অভিধানৰ পাত লুটিওৱাও মই গম পাইছিলোঁ। শব্দবোৰৰ ব্যাখ্যাবোৰ পঢ়িব নোৱাৰিলত তোৰ মুখেদি যে কিমান গালি-গালাজ নোলাইছিল।'

অজ্ঞতাৰ বাবে হাঁহিব আৰু অজ্ঞতা দূৰ কৰিবলৈ চেষ্টা কৰাৰ বাবেও ঠাট্টা-বিদ্ৰূপ কৰিব— এইবোৰতো ভাল কথা নহয়— এনে এটা ভাব হেয়াৰটনৰ মনলৈ আহিল। হেয়াৰটনে প্ৰথমবাৰ পঢ়িবলৈ লওঁতে মোৰো মনলৈ তেনে এটা ভাবেই আহিছিল।

কি হৈছিল সেই সম্পৰ্কে মিচেচ ডীনে কোৱা গল্পবোৰ মোৰ মনত পৰিলত মই ক'লোঁ,
'পিচে মিচেচ হিথক্লিফ, এটা কথা। আমি আটায়ে ওৰিবেপৰাহে আৰম্ভ কৰোঁ, আৰু
প্ৰথমতে সকলোৰে ভুল হয়। আমাৰ শিক্ষকসকলে আমাক শিকোৱাৰ সলনি আমাক
ইতিকিং কৰিলে আমি আৰু বেচি ভুলহে কৰিম।'

কেথেৰিণে ক'লে, 'ওহোঁ, তাৰ বিদ্যা অৰ্জনত মই বাধা দিব খোজা নাই। পিচে
মোৰ কিতাপ নি লুকুৱাই ৰখাৰ অধিকাৰ তাৰ নাই। তাকে আকৌ ইমান ভুল কৰি,
ইমান অশুদ্ধ উচ্চাৰণেৰে পঢ়িব। গদ্যই হওক বা কাব্যই হওক, সেই কিতাপবোৰ মই
আনৰ পৰা পোৱা। তাৰ মুখত সেইবোৰ কিতাপৰ বিকৃত উচ্চাৰণ শুনিবলৈ মই ভাল
নাপাওঁ। তদুপৰি, মই বাৰে বাৰে পঢ়িবলৈ ভাল পোৱা পাঠ কেইটাহে সি বিকৃত কৰি
পঢ়িবলৈ বাচি লৈছে। বিদ্বেষবশতঃ কৰোঁ বুলিয়েই যে এনে কৰা নাই, তাৰ কি মানে
আছে?'

এক মিনিটমানৰ বাবে হেয়াৰটনৰ বুকুৰ ধপধপনি উঠিল। খং আৰু অপমানত
সি জৰ্জৰিত হ'ল। তাৰ প্ৰতিক্ৰিয়া সি গোপন কৰিব নোৱাৰিলে।

তাৰ লাজ কমক বুলি, ভদ্ৰজনোচিত বিবেচনাৰে মই তাৰ ওচৰৰ পৰা আঁতৰি
দুৱাৰডলিত থিয় দিলোঁগৈ। তাতে থিয় দি মই বাহিৰখন চাবলৈ ধৰিলোঁ।

সিও মোক অনুকৰণ কৰিলে, কোঠাটোৰ পৰা ওলাই গ'ল। কিন্তু পিচপাকতে সি
ঘূৰি আহিল। তাৰ হাতত আধা ডজনমান কিতাপ। সোপাকে কেথেৰিনৰ কোলালৈ
দলিয়াই দি সি উত্তেজিত স্বৰত ক'লে, 'ল সেইবোৰ। সেইবোৰ মই নিজেও নপঢ়োঁ,
আনে পঢ়ি শুনাবও নালাগে, আৰু সেইবোৰৰ কথা সমূলি নাভাবিমোঁ আৰু।'

কেথেৰিণে উত্তৰ দিলে, 'মই সেইবোৰ নলওঁ আৰু। ললে সেইবোৰৰ লগত তোৰ
সম্পৰ্ক মোৰ মনত পৰিব, আৰু তেতিয়া কিতাপবোৰ চুবলৈকে ঘিণ লাগিব।'

তাৰে এখন কিতাপ হাতত লৈ কেথেৰিণে পাত লুটিয়ালে। পাতটো বহুতবাৰ
লুটিওৱা যেন লাগিছিল। তাৰে কিছু অংশ ন-শিকাৰুৱে পঢ়াদি থৈহাই থৈহাই পঢ়িলে।
পঢ়ি অতাই হাঁহি হাঁহি তেওঁ কিতাপখন আঁতৰলৈ দলি মাৰি দিলে।

'এইবাৰ শুনিব'— এইবুলি কৈ, তাৰ খং তোলাবলৈ বুলি, পুৰণি বেলেড এটাৰ
পৰা এফাঁকি তেওঁ আকৌ আগৰদৰে ঠেও ধৰি গালে।

হেয়াৰটনৰ আত্মসম্মানত আঘাত লাগিল। তাৰ আৰু সহ্য নহ'ল। তেওঁৰ
লাওপাত কচুপাত মুখখন হাতেৰে হেঁচি ধৰিলে। বেয়া হোৱা নাই বুলিয়েই মযো
ভাবিলোঁ। হেয়াৰটনৰ মনত তেওঁ বৰ আঘাত দিছিলে। তাৰ প্ৰত্যুত্তৰ শাৰীৰিকভাৱে
দিয়াৰ বাহিৰে আন বিকল্প সি ভাবি পোৱা নাছিল।

এইবাৰ সি কিতাপবোৰ গোটাই লৈ জুইলৈ দলিয়াই দিলে। কিমান তীব্ৰ বেদনাৰ
ফলত তেনে কাৰ্য ঘটিব পাৰে তাৰ আভাস মই তাৰ চকুৰে মুখে বিৰিঙি উঠা
দেখিলোঁ। সেইসোপা কিতাপৰ পৰা সি কিমান আনন্দ উপভোগ কৰিব পাৰিছিলে



আৰু ভৱিষ্যতে আৰু কিমান অধিক আনন্দ পাব বুলি আশা কৰিছিলে, সেই ভাবে
যেন স্থলি থকা কিতাপবোৰলৈ চাই থাকোঁতে তাৰ মনত তোলপাৰ লগাইছিল।
এইদৰে নিজৰ একান্ত চেষ্টাত লিখা-পঢ়া কৰিব পৰা হোৱাৰ আশাটো তাৰ মনত ক'ৰ
পৰা সোমাইছিল সেই কথাও যেন মই অনুমান কৰিব পাৰিছিলোঁ। কেথেৰিণৰ লগত
দেখাদেখি হোৱাৰ আগলৈকে সি চহাজীৱনৰ শ্ৰম আৰু দৈহিক সুখ-স্বাচ্ছন্দ্যতে সন্তুষ্ট
আছিল। কেথেৰিণৰ নিদাৰুণ অৱজ্ঞাৰ ফলত জন্মা মনৰ লাজ, আৰু তাইৰ প্ৰশংসা
পোৱাৰ আশা এই দুইটাই আছিল এনে একান্ত প্ৰচেষ্টাৰ প্ৰথম উৎস। কিন্তু অভীষ্ট
সিদ্ধি হওক চাৰি, ফল হ'ল হিতে বিপৰীত।

স্থলি থকা কিতাপবোৰলৈ চাই চাই কেথেৰিণে খঙেৰে ক'লে, 'ঠিকেই, তোৰ দৰে
পশু এটাই ইয়াতকৈ বেলেগ আনন্দ পোৱাৰ কথা ভাবিব নোৱাৰে।' কথাকেইটা কওঁতে
তেওঁ ঘা লগা ওঁঠটো চুপি আছিল।

উগ্ৰ মূৰ্তি ধৰি হেয়াৰটনে তেওঁক ক'লে, "তই এতিয়া চুপ কৰাই ভাল বুলিছোঁ,
ওঁ।"

উত্তেজনাত কথা ক'ব নোৱৰা হৈ পৰিলত সি লৰালৰিকৈ দুৱাৰমুখৰ পিনে
আগবাঢ়িল। মই বাট এৰি দিলোঁ। পিচে দুৱাৰডলি পাৰ হোৱাৰ আগতেই, বাগানৰ
দাঁতিৰ ৰাস্তাটোৰেদি আহি থকা হিথক্লিফৰ লগত তাৰ ভেটাভেটি হ'ল। হিথক্লিফে
তাৰ কান্ধত ধৰি সুধিলে ঃ

'এতিয়ানো কি কৰা হৈছে, বাছা?'

'নাই, একো কৰা নাই' বুলি কৈ সি নিৰ্জনত অকলশৰে বহি মনৰ খং-বেজাৰ মাৰ
নিয়াবলৈ বুলি লৰ মাৰিলে।

তাৰপিনে চাই হিথক্লিফে হুমুনিয়াহ এৰিলে।

'নিজৰ ইচ্ছা নিজে ব্যাহত কৰাটো কিবা অদ্ভুত কথা হ'ব,' হিথক্লিফে নক সকাৰ
'পিচে নিজকে কোৱাদি ক'লে। মই যে তাৰ পিচতে থিয় দি আছোঁ, সি গমকে নাপায়। 'পিচে
তাৰ মুখখনত মই বাপেকৰ ছবিখন চাবলৈ বিচাৰিলে, তাইৰ মুখখনহে দেখোন দিনক
দিনে বেচিকৈ দেখা পোৱা হৈছোঁ। কিয় বাৰু আপদটোৰ তাইৰ লগত ইমান মিল?
ভালৈ চালেই মোৰ কষ্ট হয়।'

নখে মাটি লেখি লেখি বিষণ্ণ মনেৰে তেওঁ ভিতৰলৈ সোমাই আহিল। তেওঁৰ
মুখাৱয়বত মই আগতে নেদেখা কিবা এক অস্থিৰতা আৰু উদ্বিগ্নতাৰ চাপ। তেওঁক
খীণোৱা যেনো লাগিছিল।

তেওঁক খিৰিকিৰে দেখা পায়েই বোৱাৰীয়েক পাকঘৰলৈ সাউতকৰে গুচি গ'ল।
ফলত মই অকলে অকলে বহি থাকিব লগা হ'ল।

মোৰ অভিবাদনৰ প্ৰত্যুত্তৰত তেওঁ ক'লে, 'মিঃ লকউদ, আপোনাক আকৌ এবাৰ
বাহিৰত দেখিবলৈ পাই মই ভাল পাইছোঁ। পিচে আধা আধি কিবা স্বাৰ্থতহে

আহিছে নিশ্চয়। এই নিৰ্জ্জন ঠাইত আপোনাৰ যি ক্ষতি হৈছে তাক মই সহজে পূৰাব পাৰিম বুলি নাভাবোঁ। আপোনাক নো কি বাবীৰ ভূতে কিলাই এইখিনি পোৱালেহি মই কেইবাবাৰো চিন্তা কৰি চাইছোঁ, কিন্তু একো ধৰিব পৰা নাই।'

"মই ভৱাত কাৰণটো হ'ল মাত্ৰ এক অলস হুজুগ। একেই এক অলস হুজুগে মোক ইয়াৰ পৰা মন্ত্ৰপুত কৰি লৈ যাবলৈ ওলাইছে— অহা সপ্তাহত মই লণ্ডনলৈ বুলি ওলাম। আপোনাক আগতীয়াকৈ জনাই থৈছোঁ— ভাৰালি লোৱা বাবমাহৰ ম্যাদ উকলিলে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' আৰু মোক নালাগে। তাত আৰু থাকিম বুলি মই ভৱা নাই।"

'এ, হয় নে কি? সংসাৰৰ পৰা নিৰ্ব্বাসিত হৈ থাকি তেন্তে আপোনাৰ ভাগৰ লাগিছে? নাই লগা নে? কিন্তু আপুনি যদি তাত নথকা কেইমাহৰ ভাৰা কটাবলৈ আহিছে তেন্তে জানি লওক, আপোনাৰ এই যাত্ৰা নিষ্ফল। যাৰে পৰাই নহওক, মোৰ প্ৰাপ্য উচল কৰাত মই সদায় কঠোৰ। মোৰ ওচৰত টাং বাং নাখাটে। মই টিলাই দিয়াত নাই।'

মোৰ বৰ খং উঠিছিল। মই তেওঁক প্ৰত্যুত্তৰত কলোঁ, 'ভাৰা বেহাই বিচাৰি মই অহা নাই। আপুনি যদি ইচ্ছা কৰে, কওক, মই এই মাত্ৰকতে হিচাব-নিকাচ সম্পূৰ্ণ কৰি পেলাম।' এইবুলি কৈ মই পকেট বহীখন উলিয়াই ললোঁ।

'নালাগে, নালাগে', তেওঁ শান্তভাবে ক'লে, 'আপুনি ঘূৰি নাহিলে আপোনাৰ ধাৰ উচল কৰিবৰ বাবে আপোনাৰ যথেষ্ট সম্পত্তি ইয়াত ওলাব। মোৰ ইমান লৰালৰি হোৱা নাই। বহকচোন, বহক। আমাৰ লগতে দুপৰীয়াৰ সাজ ধৰক। দ্বিতীয়বাৰ নাহে বুলি জনা আলহীক সোধপোচ কৰিব পাৰি। কেথেৰিণ, বয়বস্তুবোৰ গোটাই আন। আছ ক'ত?'

এখন থালত কটা-চামুচ কিছুমান লৈ কেথেৰিন ওলাই আহিল।

'তই জোজেফৰ লগতে খাবি' বুলি হিথক্লিফে তাইক মুখৰ ভিতৰতে ভোৰ্‌ভোৰাই ক'লে। 'সি যোৱালৈকে পাক ঘৰতে থাকিবি।'

হিথক্লিফৰ আদেশ তেওঁ একান্তভাবে পালন কৰিলে। অবাধ্য হোৱাৰ প্ৰলোভন বোধহয় তেওঁৰ নাছিল। হোৱা, হজুৱা, হেবাং আৰু নবদ্বেষী কিছুমান লোকৰ মাজত থাকি থাকি, ভাল সম্ভ্ৰান্ত লোকক তেওঁ সমাদৰ কৰিব নজনা হৈ পৰিছিল।

খাবলৈ কাষঁতে মোৰ এফালে হিথক্লিফ, আনফালে হেয়াৰটন। হিথক্লিফ ৰুক্ষ আৰু বিষণ্ণ; হেয়াৰটন সম্পূৰ্ণ নিৰ্ব্বাক। নিৰানন্দ মনে খৰখৰকৈ খাই উঠি মই বিদায় ললোঁ। কেথেৰিণৰ শেষ দৰ্শন এটা পোৱাৰ আশাৰে মই পিচ দুৱাৰেদি যাবলৈ ওলাইছিলোঁ। ভাবিছিলোঁ, বুঢ়া জোজেফকো জোকাই যাম। কিন্তু হেয়াৰটনক মোৰ ঘোঁৰাটো উলিয়াই আনিবলৈ আদেশ দিয়া হ'ল, আৰু হিথক্লিফে নিজে মোৰ দুৱাৰমুখলৈ আগবঢ়াই দিলে। ফলত মোৰ উদ্দেশ্য সিদ্ধি নহ'ল।



'সেইখন ঘৰত যে জীৱনৰ কি নিৰানন্দ গতি!', ঘোঁৰাত উঠি ঘূৰোঁতে মই ভাবিলোঁ। মোৰ আৰু মিচেচ হিথক্লিফৰ মাজত প্ৰণয়ৰ বীজ অঙ্কুৰিত হোৱাহেঁতেন কি যে ৰোমাণ্টিক ব্যাপাৰ নহ'লহেঁতেন! মিচেচ ডীনেতো তাৰ ইংগিতেই দিছিল। তেওঁক লৈ মই নগৰৰ প্ৰাণচঞ্চল প্ৰবাহত যদি মিলি যাব পাৰিলোহেঁতেন। ৰূপকথাতকৈও তেতিয়া অধিক ৰোমাঞ্চকৰ হ'লহেঁতেন আমাৰ কাহিনী।

# ৩২

১৮০২ চন।

এইবাৰ চেপ্তেম্বৰ মাহত বন্ধু এজনে উত্তৰ অঞ্চলত থকা তেওঁৰ বিস্তীৰ্ণ জলাহ অঞ্চলত মোক চৰাই চিকাৰ কৰিবলৈ মাতিছিলে। তেওঁৰ ঘৰলৈ বুলি গৈ থাকোঁতে মই একেবাৰে অপ্ৰত্যাশিতভাৱে গিমাৰটনৰ পৰা পোন্ধৰ মাইলৰ ব্যৱধানত ওলালোঁগৈ। বাটৰ দাঁতিৰ চৰাইখানা এটাৰ ঘোঁৰাৰখীয়াজনে মোৰ ঘোঁৰাটোক পানী এবাল্টি দিছে, তেনেতে নতুনকৈ ছিঙা সেউজীয়া উৰহী এদম লৈ গাড়ী এখন সেইখিনিত ওলালহি। তাকে দেখি সি মাত দিলে,

'এইবোৰ গিমাৰটনৰপৰা অনা যেন লাগিছে, নহয়নে? আনে নিজৰ নিজৰ ফচল চপাই নিবৰ তিনি সপ্তাহ হ'ল। তোমাৰবোৰ এতিয়াহে আনিলা?'

'গিমাৰটন' শব্দটো মই উচ্চাৰণ কৰিলোঁ। তাত এসময়ত দিন কটোৱাৰ স্মৃতি মোৰ হৃতিমধ্যে অস্পষ্ট হৈ পৰিছিলেই। 'ঠাই টুকুৰা মোৰ চিনাকি। ইয়াৰ পৰা কিমানদূৰ হ'ব?' মই সুধিলোঁ।

'পাহাৰৰ ওপৰেদি চৌধ মাইলমান হ'ব। ৰাস্তাঘাট ভাল নহয়।' গাড়োৱানে উত্তৰ দিলে।

হঠাতে 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ'লৈ যাবৰ মোৰ বৰ মন গ'ল। তেতিয়া দুপৰীয়া হোৱাই নাই। মই ভাবিলোঁ যে ৰাতিটো চৰাইখানাত কটোৱাতকৈ মোৰ নিজৰ ঘৰতে কটাম। তদুপৰি এটা দিন মোৰ হাতত আছেও। ঘৰৰ মালিকৰ লগত কথা-বতৰা নিষ্পত্তি কৰিবলৈ লাগিব। এতিয়াই তালৈ গৈ আহিলে পিচত আকৌ এবাৰ এইপিনে অহাৰ কষ্টটোও কমিব।

অলপ সময় জিৰাই লৈ গিমাৰটন গাৱঁলৈ যোৱা ৰাস্তাটো কেনি সুধিপুচি ল'বলৈ মোৰ চাকৰটোক হুকুম দিলোঁ। এটা কষ্টকৰ যাত্ৰাৰ অন্তত তিনিঘণ্টামানৰ মূৰত আমি গিমাৰটন পালোঁগৈ। ঘোঁৰা দুটাই বৰ কষ্ট পালে।

চাকৰটোক বাটতে এৰি নামনিৰ বাটটোৰেদি মই আগবাঢ়িলোঁ। ধূসৰ গীৰ্জাটো আগতকৈও ম্লান যেন দেখাইছিল। গীৰ্জাৰ নিৰ্জন চৌহদটো আৰু বেচি নিৰ্জন যেন লাগিছিল। বনৰীয়া ভেৰা এটা কবৰস্থানৰ ঘাঁহনিত চৰি আছিল। বতৰ ভাল আছিল। গৰম বুলি কিন্তু ঠাইখনৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ পৰা মই বিৰত



নাথাকিলোঁ। আগষ্টমাহৰ আগভাগত এই দৃশ্য দেখাহেঁতেন মই নিশ্চয় এই ঠাইৰ নিৰ্জনতা উপভোগ কৰি এমাহমান থাকি যোৱাৰ লোভ সামৰিব নোৱাৰিলোঁহেঁতেন। দুপিনে দুলানি পাহাৰে আৱৰা, মাজে মাজে জান-জুৰি বৈ যোৱা এই উপত্যকাৰ কি যে অপূৰ্ব আবেদন। শীতকালি বিষণ্ণ, গম্ভীৰ; জহকালি কিবা এক স্বৰ্গীয় আমেজেৰে ওপচা। এনে দৃশ্য বিৰল। তাতে আকৌ লগতে আছে বিস্তীৰ্ণ প্ৰান্তৰৰ ওখ ওখ টিপবোৰ।

বেলি মাৰ যোৱাৰ আগতে মই 'গ্ৰেঞ্জ' পালোঁগৈ। দুৱাৰত টুকুৰিয়ালোঁ। কিন্তু কাৰো সাৰসুৰ নাপালোঁ। ঘৰৰ মানুহবোৰ পিচফালে আছিলগৈ কিজানি, কাৰণ পাকঘৰৰপৰা অহা জুইৰ পোহৰৰ আভাস এটা মোৰ চকুত পৰিছিল।

মই পিচ চোতাললৈ গলোঁ। যোঁৱাত উঠিয়েই গলোঁ। বাৰান্দাত বহি ন-বছৰমান বয়সীয়া ছোৱালী একজনীয়ে কিবা গুঠি আছিল, আৰু এগৰাকী বুঢ়াই খুঁটিটোত হেলান দি, পাইপ এটা হুপি হুপি কিবা ভাবি আছিল।

'মিচেচ ডীন ঘৰত আছেনে?' মই বুঢ়াগৰাকীক সুধিলোঁ।

'মিচেচ ডীন? নাই। তেওঁ ইয়াত নাথাকে নহয়। হাইটচত হে থাকে।'

'তুমিয়েই তেন্তে ইয়াত ঘৰ চোৱাচিতা কৰা নেকি?' মই তাইক সুধিলোঁ।

'ওঁ মায়ে কৰোঁ।'

'তেন্তে মোৰ পৰিচয় শুনা। মোৰ নাম মিঃ লকউড। ইয়াতে মই কোঠা এটা ভাৰালৈ লৈ আছিলোঁ। মোক ৰাখিবলৈ কোঠা এটা [illegible] বাক? মই ৰাতিটো থাকিম।'

'আপুনি? ইয়াত থাকি যোৱা মানুহ!' তাই আচৰিত হ'ল। 'আপুনি যে আহিব কোনে জানিছিল! আপুনি খবৰ পঠাব লাগিছিল। এতিয়া হঠাতে ওকান, চাফ-চিকুণ কোঠা এটা পাওঁ ক'ত? এটাও যে নাই।'

মুখৰ পাইপ পেলাই থৈ তাই লৰালৰিকৈ [illegible] ভিতৰলৈ সোমাল। ছোৱালীজনীও পিচে পিচে গ'ল। ময়ো সোমাই গ'লোঁ। [illegible] যে ঠিকেই, তাই কোৱা কথাই সঁচা। হঠাতে খা-খবৰ নিদিয়াকৈ মই যে তাইক বৰ বিপাঙত পেলালোঁ সেইটো কথাও মই বুজিলোঁ।

মই তাইক কলোঁ, 'চিন্তা কৰিব নালাগে, ৰ'বা। তুমি থিৰ হোৱাচোন। মই এতিয়া অলপমান ওলাই যাম।' [illegible] কোনোবাতে চাইচিটি এচুকত বহি ৰাতিৰ আহাৰ খাব পৰাকৈ [illegible] আৰু শোৱা কোঠা এটা উলিয়াই দিলেই হ'ব। [illegible] জুইকুৰা ভালকৈ জ্বলা হ'ব লাগে, আৰু সৰা মচা তেনেকৈ [illegible] লাগে— হৈ যাব।

[illegible] অৱশ্যে বিবুধিত পৰি কি কৰিব কি নকৰিব বিচনাৰ কাপোৰ-কানিবোৰ [illegible]। জুইশালৰ ওৰি সৰা ব্ৰাচটো তাই ভুলতে

তাই যি পাৰে [illegible] নাছিল। [illegible] অৱস্থা তাইৰ [illegible] আৰু কেইবাটাও তাৰ বস্তু নি তাই থোৱা মোৰ চকুত টিফাইখনত [illegible]

পৰিছিল। ঘূৰি আহি পোৱালৈ, ৰাতিৰ দুদণ্ড সময় ৰাতি হৈ থাকিবলৈ তাই মোৰ বাবে ব্যৱস্থা এটা নকৰাকৈ নাথাকিব বুলি মই ধৰি লৈছিলোঁ। তাইৰ ওপৰত সিমানকণ বিশ্বাস মোৰ হৈছিল।

মই 'ৰাদাৰিং হাইটচ'লৈ যাবলৈ ওলাইছিলোঁ। চোতালখন এবাৰ পিচতে মোৰ মনত এটা কথা খেলালে। ঘূৰি গৈ মানুহজনীক মই সুধিলোঁ, 'হাইটচ'ৰ খবৰ ভালনে? আটাইবোৰ ঠিকে ঠাকে আছেনে?'

'আছে, মই যিমান দূৰ জানোঁ, সকলো ঠিকেই আছে।' তাই উত্তৰ দিলে। তাইৰ লৰালৰি। কেৰাহি এখনত অঙঠা এগাল ভৰাই তাই খৰখেদা কৰিছে, জুই ধৰিব লাগে।

মিচেচ ডীনে নো 'গ্ৰেঞ্জ' এৰি কিয় গ'ল মই তাইক সুধিম বুলি ভাবিছিলোঁ, পিচে তাইৰ লৰালৰি দেখি নুসুধিলোঁ। মই চোতালৰ বাজ ওলালোঁ।

অস্তগামী সূৰ্য্যৰ পোহৰ পিঠিত পেলাই মই লাহে ধীৰে গৈ আছিলোঁ। ডাঙৰ বাগিচাখন পাৰ হোৱালৈ পুব ফালে জোন ওলাবৰ হ'ল। এফালে অস্ত। ইফালে উদয়। মই গৈ গৈ 'ৰদাৰিং হাইটচ'লৈ ফাটি যোৱা ঠেক ৰাস্তাটো পালোঁগৈ। বেলিৰ পোহৰ তেতিয়া মাৰ গৈছে, কিন্তু জোনৰ অপূৰ্ব্ব পোহৰত বাটৰ প্ৰতিটো শিলগুটি, প্ৰতিজোপা ঘাঁহ মোৰ চকুত ফটফটিয়াকৈ জিলিকি পৰিছিল।

হাত দিয়াৰ লগে লগে জপনাখন খুলিলে। আগৰ কেইবাৰৰ দৰে মই ওপৰলৈ বগাব লগা নহ'ল, নাইবা জপনাত কোবাই শব্দ কৰি আনৰ সহায় প্ৰাৰ্থনা কৰিব লগাও নহ'ল।

এয়াতো বেচ পৰিবৰ্ত্তন হৈছে, মই মনতে ভাবিলোঁ। আৰু এক পৰিবৰ্ত্তন মোৰ চকুত পৰিল। বতাহত মৃদু মৃদু ফুলৰ সুবাস ভাহি আহি মোৰ নাকত লাগিছিলহি। বাগানৰ বিভিন্ন ফলৰ গছৰ পৰা এই সুগন্ধ আহিছিল বুলি মই লগে লগে ধৰিব পাৰিলোঁ।

দুৱাৰ খিৰিকিবোৰ খোলাই আছিল। চিমনিৰ ওচৰত একুৰা জুই জ্বলি আছিল। কিন্তু 'ৰাদাৰিং হাইটচ' ঘৰটো ইমান আহল বহল যে তাত থকা মানুহবোৰে সকলো সময়তে জুইৰ উত্তাপটো নাপায়। ঘৰত থকা আটাইবোৰ মানুহ এখন খিৰিকিৰ পৰা অলপ দূৰত জুম বান্ধি আছিল। সোমোৱাৰ আগতেই তেওঁলোকক মই দেখা পাইছিলোঁ, তেওঁলোকৰ কথাও মোৰ কাণত পৰিছিল। গতিকে বাহিৰতে ৰৈ, কথা পতাবোৰ নো কোন, আৰু কিনো কথা পাতিছে জানিবলৈ মোৰ মন গ'ল। মই বাহিৰতে থিয় দি কাণ উনাই ৰ'লোঁ। 'কন-ট্ৰেৰি' (বিপৰীত) (এই) শব্দটো কোনোবাই মিহি মাতেৰে উচ্চাৰণ কৰা মোৰ কাণত পৰিল। 'এইবাৰৰ সৈতে তিনিবাৰ হ'ল, গৰু। আকৌ মই নকওঁ। মনত ৰাখিবি। নহ'লে তোৰ চুলি চিঙিম।'

কেঁথো তেন্তে, 'কনট্ৰেৰি'। এইবাৰৰ মাতটো গল্‌গলীয়া, আৰু কোমলসুৰীয়া। 'এতিয়া দিয়া, এটা চুমা দিয়া। ইমান ভালকৈ মনত ৰখাৰ বাবে চুমা এটা দিয়া।'



'নহ'ব, এটাও ভুল নকৰাকৈ আগতে আকৌ ঘূৰাই পঢ়।'

পঢ়োঁতাজন আছিল এজন পুৰুষ। ভেকা মানুহ। সাজপাৰ পৰিপাটি। এখন মেজৰ ওচৰত, কিতাপ এখন আগত লৈ বহি আছিল। তাৰ ধুনীয়া মুখমণ্ডলত এটা আনন্দৰ ভাব ফুটি উঠিছিল। কিতাপৰ পাতৰ পৰা তাৰ চকু তাৰ কান্ধত থোৱা এখন সৰু বগা হাতলৈ বাৰে বাৰে ঘূৰি গৈছিল। সেই সৰু হাতখনে কটোপ কৰে তাৰ গালত চৰ একোটা মাৰি কিতাপৰ পাতলৈ তাৰ দৃষ্টি আৰু মনোযোগ ঘূৰাই দিছিল।

মানুহগৰাকী তাৰ পিচফালেই থিয় দি আছিল। মানুহটোৰ পঢ়া চাবলৈ মূৰ তললৈ কৰোঁতে মাজে মাজে মানুহ গৰাকীৰ কেঁকোৰা-কেঁকুৰি চুলিবোৰ তাৰ মুগাবৰণীয়া চুলিবোৰত সোমাই গৈছিল। তেওঁৰ মুখখন আছিল অপূৰ্ব্ব সুন্দৰ। ভাগ্যক্ৰমে তাৰ চকুত তেওঁৰ মুখখন পৰি থকা নাছিল, নহ'লে সি পঢ়াত ইমান মনোযোগ দিব নোৱাৰিলেহেঁতেন। এনে এগৰাকী অপূৰ্ব্ব সুন্দৰী মহিলাৰ মুখখনলৈ চাই থকাৰ উপৰিও অন্য কিবা এটা কৰাৰ কি যে সুন্দৰ সুযোগ মই নেপাইছিলোঁ, ভাবি মই মোৰ নিজৰে ওঁঠ কামুৰি ধৰিলোঁ।

পঢ়াশুনাৰ তেতিয়ালৈ আধ্যা পৰিল। পঢ়োঁতা মানুহজনে আৰু ভুল নকৰিলে। তেওঁ পুৰস্কাৰ দাবী কৰিলে, আৰু কমেও পাঁচোটা চুমা পালে। পাঁচোটাৰ ঠাইত বহুত বেচি চুমা সিও থালে। ইয়াৰ পিচত তেওঁলোক দুয়ো দুৱাৰমুখলৈ ওলাই আহিল, আৰু তেওঁলোকৰ কথা বতৰাৰপৰা তেওঁলোক মুকলি পথাৰৰ পিনে ফুৰিবলৈ ওলাইছে বুলি মই ধৰিব পাৰিলোঁ। সেই সময়ত মই হতভগীয়াই গা দেখা দিলে হেৱাৰটন আৰ্ণশ্বই মুখেৰে নহলেও পেটেৰে শাপি মোক বৌ বৌ নৰকলৈ পঠাব বুলি মই বেচকৈ বুজিছিলোঁ। নিজকে মোৰ বৰ তুচ্ছ আৰু হিংসাকুৰীয়া যেন ভাব হ'ল। পাকঘৰত সোমাই তেতিয়াৰ বাবে আত্মগোপন কৰিবলৈ বুলি ছপিনে সিপিনে চালোঁ। দুৱাৰমুখতে মোৰ পুৰণা মিত্ৰ নেলী পাকঘৰৰ পিনেও দুৱাৰ খোলা আছিল।

ডীনক বহি থকা দেখিলোঁ। গান গাই গাই কিবা এটা গুঠি আছে। ভিতৰৰ পৰা কোনোবা এটাই কটা মাতেৰে গালি শপনি পাৰি আছে। সেইবোৰ কাণত পৰিলে তাই গান গোৱা এৰি তভক মাৰি খন্তেক ৰয়।

জোজেফৰ ভোৰভোৰণি : নেলীৰ গান গোৱাৰ প্ৰতাপত সি বাইবেলৰ আধ্যা এটাও শান্তিৰে পঢ়িব নোৱাৰা হ'ল। 'কি যে লাজৰ কথা। পবিত্ৰ পুথিখন মেলি লবা, ইফালে তাই চয়তানৰ কীৰ্ত্তন জুৰিবলৈ লব। এদিনে এইজনী সিপিনে সেই চতাই পাথৰীজনী। দুয়োজনীৰ পাল্লাত পৰি বেচেৰা ল'ৰাটো ৰসাতলে যাব এতিয়া। বেচেৰা। তাক সিহঁতে যাদু কৰিলে। মই ঠিক বুজিছোঁ। হায় ভগবান। দেশত নিয়ম-কানুন, বিচাৰ-বিবেচনা একো নাইকিয়া হ'ল দেখিছোঁ।'

'নহয় অ' জোজেফ। তই ভৱাৰ দৰে নহয়। নহলে দেখোন আমি তপত খোলাৰ ওপৰত নাচি থাকিবলগা হ'লহেঁতেন। তই তোৰ ভাগে, খ্ৰিষ্টিয়ানৰ দৰে বাইবেল পঢ়ি থাক। মই কি গাইছোঁ, তালৈ কাণ দিয় কিয়? মইনো কি অবাইচ গানটো গালোঁ?

'এনি পৰীৰ বিয়া' নামৰ গীতটোহে গাইছোঁ। গানৰ সুৰে সুৰে নাচিবও পাৰি।'

মিচেচ ডীনে আকৌ গীতটো জোৰে, এনেতে মই তইৰপিনে আগবাঢ়ি গৈ দেখা দিলোঁ। মোক দেখা মাত্ৰকে তাই জাপ মাৰি থিয় হৈ ক'লে, 'এয়া লকউদ মহাশয় দেখোন! তেৰাই আপোনাৰ মঙ্গল কৰক। ক'ৰপৰা ওলালহি? খবৰ নাই, খাতি নাই, এইদৰেনো আহেনে? 'থ্ৰাচক্ৰচ গ্ৰেঞ্জ' একেবাৰে বন্ধ হৈ গৈছে। আপুনি আগতীয়াকৈ জনাব লাগিছিল।'

মই ক'লোঁ, 'মঃ তাত যিমান দিনলৈ থাকোঁ, থকাৰ ব্যৱস্থা কৰি আহিছোঁ। মই কালিলৈ যাম গৈয়ে। তুমি ইয়ালৈ কেনেকৈ আহিলা, মিচেচ ডীন? সেইটো কথা আগতে কোৱা।'

'জিলা গ'লগৈ। তাই গ'লত হিথক্লিফে মোক আপুনি লণ্ডনলৈ যোৱাৰ পিচতে, আপুনি ঘূৰি নহালেকে ইয়াত থাকিবলৈ মাতিলে। বাহিৰতে বৈ থাকিল দেখোন। সোমাই আহক। এই গধূলিখন আপুনি গিমাৰটনৰ পৰা খোজকাঢ়ি আহিছে?'

'''গ্ৰেঞ্জ'ৰ পৰা আহিছোঁ,'' মই উত্তৰ দিলোঁ। 'সিহঁতে মোলৈ তাত থকামেলাৰ ব্যৱস্থা কৰে মানে মই তোমাৰ গৃহস্থৰ লগত হিচাব-নিকাচ চফা কৰি যাওঁ বুলি আহিলোঁ। মোৰ বৰ লৰালৰি। আকৌ বা কেতিয়া সুবিধা পাওঁ এইফালে অহাৰ।'

ভিতৰলৈ আগবঢ়াই নি নেলীয়ে সুধিলে, 'কিহৰ হিচাব-নিকাচ চফা কৰাৰ কথানো কৈছে? তেওঁ ওলাই গৈছে, সোনকালে নুঘুৰিব।'

'ঘৰভাৰাৰ কথাটো আছিলে।'

'অ'! তেন্তে হ'লে সেইটো কথা মিচেচ হিথক্লিফৰ লগতহে আপুনি পাতিব লাগিব। নহলে মোৰ লগতো পাতিব পাৰে। বৈষয়িক কথাবোৰ তেওঁ চম্ভালিব জনা হোৱাই নাই এতিয়াও। তেওঁৰ হৈ ময়ে চোৱাচিতা কৰি আছোঁ। আন কোনো নাই নহয়।'

মোক বৰ আচৰিত হোৱা যেন দেখি মিচেচ ডীনে ক'লে, 'যি বুজিছোঁ, মিঃ হিথক্লিফ ঢুকোৱাৰ খবৰ আপুনি বোধহয় নাজানে।'

'হিথক্লিফ ঢুকাল? কোঁৱা কি হে? কিমান দিন হ'ল?'

'তিনিমাহ হ'ল। পিচে আপুনি বহকচোন। ব'ব, আপোনাৰ হেটটো মই খুলি দিছোঁ। মই সব কথা আপোনাক ক'ম। পিচে এটা কথা নহয়, আপুনিতো পেটত একোকে পেলোৱা নাই। পেলাইছে জানো?'

'মোৰ বাবে একো যোগাৰ কৰিব নালাগে। 'থ্ৰাচক্ৰচ'ত ৰাতিৰ আহাৰৰ বাবে মই কৈ আহিছোঁ। তুমিও বহাঁচোন। তেওঁ মৰাৰ কথা মই সপোনতো ভবা নাছিলোঁ। কেনেকৈ কি হ'ল, কোৱাচোন। তেওঁলোক, মানে ডেকা-গাভৰুহাল, ঘূৰি আহোঁতে পলম হ'ব বুলি তুমি কৈছা?'

'নহয় হে, ঘূৰি চাকি গধূলি সময় পলমকৈ ঘৰ সোমায়হি বাবে মই সিহঁতক



বকিব লগা হয়। সিহঁতে পিচে মোৰ কথালৈ গ্ৰাহ্যই নকৰে। আপুনি আন বাৰু খাব নালাগে, আমাৰ পুৰণি মদ আছে, তাৰে এঢোক খাওক। ভাল লাগিব। আপোনাক ক্লান্ত যেনো দেখাইছে।'

মই নালাগে বুলি ক'বলৈ নৌ পাওঁতেই তাই মদ আনিবলৈ উঠি গ'লেই। ভিতৰত জোচেফে তাইক ভৰ্ৎসনা কৰা মোৰ কাণত পৰিল— এই বয়সতো তাইৰ বাহিৰৰ মানুহৰ লগত হাতবাটি। কিয়ে লাজ-কাজ নোহোৱা কথা। তাকো আকৌ চলাজলা গৃহস্থৰ গিলাচত মদ ঢালি দিলেহে হয়। এইবোৰকে দেখিবলৈ শুনিবলৈ সি জীয়াই আছে— কিমান লাজৰ কথা।

তাৰ লগত কথা কটাকটি কৰিবলৈ তাই নৰ'ল। এগিলাচ সুন্দৰ ফেনীল মদ আনি তাই মোৰ আগত থলে। দেখিয়েই মোৰ লোভৰ পানী পৰিল। সেইগিলাচ পি শেষ কৰাৰ লগে লগে তাই কাহিনীৰ বাকী থকা অংশ ক'বলৈ আৰম্ভ কৰিলে। হিথক্লিফৰ মৃত্যু বৰ অদ্ভুত ভাৱে হ'ল, তাই মোক ক'লে।

মিচেচ ডীনে কৈ গ'ল, ''আপুনি যোৱাৰ পষেকৰ ভিতৰতে মোক 'ৱাদাৰিং হাইটচ'লৈ মাতি অনা হ'ল। কেথেৰিনৰ কথা ভাবি মই আনন্দমনেৰে হিথক্লিফৰ কথা মতে ইয়ালৈ আহিলোঁ।

প্ৰথমবাৰ তাইৰ লগত মুখামুখি হৈয়েই মই হতভম্ব হৈ গ'লোঁ। তাইৰ অৱস্থাটো দেখি মোৰ মনত বৰ চোট লাগিল, বৰ বেজাৰ পালোঁ। সেই তাহানি দিনতে এবাএৰি হোৱাৰ পিচত সেয়ে প্ৰথম দেখা। তেতিয়াতকৈ তাই কিমান যে সলনি নহ'ল। আগতে উপযাচি আহিব খোজোঁতে হিথক্লিফে মোক আহিব নালাগে বুলি কৈছিল। এতিয়ানো আক' মাতি অনাৰ কাৰণটো কি সি মোক নকলে। মাত্ৰ ক'লে যে মোক তাৰ দৰকাৰ হৈছে। কেথেৰিনক দেখি দেখি তাৰ বোলে অসহ্য হৈছিল। সৰু বৈঠকখানাৰ কোঠাটোত মই নিজৰ আগফালৰ কোঠা কৰি লৈ কেথিৰিনো মোৰ লগতে লোৱাৰ কথা ক'লে। দিনটোৰ ভিতৰত এবাৰ বা দুবাৰ তাইক দেখা পালেই তেওঁৰ হ'ব।

এনে এটা বন্দবস্ত হোৱা দেখি কেথেৰিনে ভাল পোৱা যেনেই লাগিল। লাহে লাহে মই 'গ্ৰেঞ্জ'ৰ পৰা তাইৰ বছা বছা কিতাপ কিছুমান আৰু তাই আগতে ব্যৱহাৰ কৰা চিত্তবিনোদনৰ বস্তু কেইপদমান সৰবৰাই আনিলোঁ। বেচ আৰামত আমি দিন কটাব পাৰিম বুলি মোৰ ভাব হৈছিল।

পিচে মোৰ আশা মিছা বুলি প্ৰমাণিত হ'বলৈ সৰহদিন নলাগিল। যিজনী কেথেৰিনক প্ৰথমতে অতি সন্তুষ্ট যেন দেখিছিলোঁ, সেইজনী ছোৱালীয়েই কেইদিনমানৰ ভিতৰতে খিঙ খিঙিয়া হৈ পৰিল, গাত তাইৰ শান্তি সুতি নোহোৱা হ'ল। কাৰণো অৱশ্যে নোহোৱা নহয়। বাগানৰ সীমাৰ বাজ হৈ কলৈকো তাইক যাবলৈ দিয়া নহৈছিল। চাৰিবেৰৰ মাজতে সোমাই থাকি, বিশেষকৈ বসন্তৰ আগমনৰ কালত, তাই বৰ চটফটাইছিল। তদুপৰি, মই ঘৰুৱা কামকাজত ইফালে সিফালে গ'লে তাই বৰ অকলশৰীয়া হৈছিল। নিজৰ নিৰ্জন কোঠাত অকলে বহি থকাতকৈ তাই জোজেফৰ

লগত পাকঘৰত বাজিয়া পেচাল কৰি সময় কটাবলৈকে ভাল পাইছিল। সিহঁতৰ
খকাখুন্দাবোৰলৈ মই বৰ কাণ দিয়া নাছিলোঁ। পিচে গৃহস্বামী হিথ্‌ক্লিফে কেঠাটোত
অকলে থাকিবলৈ বিচাৰিলে হেয়াৰটন পাকঘৰলৈ যাবলগা হৈছিল। প্ৰথমতে, সি
সোমাই গ'লে তাই হয় সাউতকৰে ওলাই আহে, নহয় মোৰ লগত কামত ধৰে, তাক
নামাতেও, তাৰ কোনো কথাতে মন্তব্যও নিদিয়ে। সিও যিমান পাৰে গোমোঠা মাৰি
থাকে, মুখেৰে নামাতে। কিন্তু অলপদিন পিচত তাইৰ হাৱভাৱ সলনি হোৱা দেখা
গ'ল। তাক তাই নিয়মতে থাকিবলৈ নিদিয়াই হ'ল। সি মাত মাতিলেই তাই তাৰ
মুখতে ধৰিব, সি এলেহুৱাহে, মূৰ্খহে— এইবুলি কৰুৰ্থনা কৰিব, সি নো জীয়াই আছে
কেনেকৈ সেইটো তাইৰ বাবে এটা সাঁথৰহে বুলি ক'ব, গোটেই গধূলিটো জুহালৰ
গুৰিত বহি জপক জপককৈ টোপনিয়াই থাকিব পাৰে কেনেকৈ সুধিব— ইত্যাদি নানা
প্ৰকাৰে তাই তাক অতীষ্ঠ কৰিবলৈ আৰম্ভ কৰিলে।

এদিন তাই মোক ক'লে, 'সি এটা কুকুৰৰ নিচিনা, নহয়নে এলেন? গাড়ীটনা
ঘোঁৰাৰ নিচিনা বুলিও ক'ব পাৰি। সি তাৰ কৰিব লগা কাম কৰে, খোৱাখিনি খায়,
শোৱাখিনি শোৱে। চিৰকাল এইদৰেই কটাই আহিছে। তাৰ মনটোত শূন্যতাৰ বাহিৰে
কি থাকিব পাৰে? তাৰ মনটোততো উচ্ছাহ বোলা বস্তুটো নাই। এই হেয়াৰটন, তই
কেতিয়াবা সমাজিক দেখনে? দেখ যদি, কি দেখ? তই আৰু' মোৰ আগত মুখ মেলিব
নোৱাৰ নহয়।'

এইবুলি কৈ তাই তাৰৈ চালে। সি মুখেৰেও নামাতিলে, তাইলৈ মূৰ তুলিও
নাচালে।

তাই কৈ গ'ল, 'সি বোধহয় এতিয়া সপোন দেখিছে। জুপিটাৰৰ পত্নী জুনৰ দৰে
সি বোধহয় এতিয়া তাৰ বাহু জোকাৰিছে। সোধচোন তাক, এলেন।'

মই ক'লোঁ, 'কেথি আইটি, তুমি যদি ভালেৰে নচলা, তেন্তে তোমাক ওপৰ
মহলালৈ পঠাই দিবলৈ হেয়াৰটনে ঘৰৰ গৃহস্থক ক'ব। সি অকল বাহু জোকৰাই
নাছিল, হয়তো মুঠিয়াইছিলোঁ। যেন সি এইমাত্ৰ কাৰোবাৰ গাত হাতহে দিব।'

আন এদিন তাই কৈছিল, 'মই পাকঘৰত থাকিলে হেয়াৰটনে মুখেৰে কিয় একো
নামাতে মই জানোঁ। মই তাক ঠাট্টা কৰিম বুলি তাৰ ভয়। তই কি ভাব এলেন? এবাৰ
সি নিজে নিজে পঢ়া শিকিবলৈ লৈছিলে নহয়। মই তেতিয়া তাক ঠাট্টা কৰি কিবা এটা
কলতে সি যে কিতাপবোৰ পুৰি পেলাই, পঢ়া বাদ দিছিল! মূৰ্খ নহয় আৰু কি।'

মই কলোঁ, 'তুমি দুষ্টামি কৰা নাছিলানে? আগতে মোক সেইটো কথা কোঁৱা।'

তাই কৈ গ'ল, 'কৰিছিলোঁ কিজানি। কিন্তু সিনো ইমান নিৰ্বোধ কাম কৰিব বুলি
মই কেনেকৈ জানিম। হেয়াৰটন, তোক কিতাপ এখন দিলে তই আকৌ পঢ়িবলৈ
লবিনে? মই সহায় কৰিম।'

তাই পঢ়ি থকা কিতাপ এখন তাৰ মুখত থলে। সি দলিয়াই পেলাই দি ক'লে



বোলে তাক জোকাই থাকিবলৈ নেৰিলে সি তাইৰ গল ভাঙি দিব।

'বাৰু, মই মেজৰ ড্ৰয়াৰতে কিতাপখন থৈছোঁ। মই এতিয়া শোওঁগে।'

মোৰ কাণে কাণে ফুচফুচাই সিনো কিতাপখন চোৱেনে নোচোৱে মোক চাবলৈ
ক'লে। এইবুলি কৈ তাই আঁতৰি গ'ল। সি কিন্তু কিতাপৰ ওচৰেই নাচাপিলে।
বাতিপুৱা মোৰপৰা কথাটো জানি তাই বৰ হতাশ হ'ল। তাৰ এলাহ আৰু মঠ ধৰি
থকা স্বভাৱ দেখি তাই বৰ দুঃখ পালে। ল'ৰাটোৱে নিজে যত্ন কৰি লেখাপঢ়া শিকিবলৈ
লৈছিলে, তাইৰ নিজৰ দোষতে সি সেইবোৰ জলাঞ্জলি দিলে,— এই চিন্তাটোৱে তাইৰ
বিবেকক সদায় তাড়না দি আছিল।

চলচাতুৰী কৰি তাকনো আকৌ কেনেকৈ পঢ়াত লগাব পাৰে তাকে তাই চিন্তা
কৰিবলৈ ধৰিলে। মই কাপোৰ ইস্ত্ৰি কৰি থকাৰ সময়ত, বা বহা কোঠাত কৰিব নোৱৰা
অথচ বহি বহি কৰিব লগা ইটো সিটো কাম কৰি থাকোঁতে, পঢ়িলে শুনি ভাল লগা
কিতাপ একোখন আনি তাই মোৰ ওচৰত ডাঙৰ ডাঙৰকৈ পঢ়েহি। হেয়াৰটন ওচৰত
থাকিলে, পাঠটোৰ আটাইতকৈ ৰসাল অংশটোতে ৰৈ যায়, আৰু কিতাপখন তাতে
পেলাই থয়। তাই কেইবাবাৰো তেনেকুৱা কৰিছিল। কিন্তু সিও কম গোৱাৰ নাছিল।
তাইৰ ফান্দত ভৰি দিয়াৰ পৰিবৰ্তে, ডাৱৰীয়া বতৰত সি জোচেফৰ লগত ধপাত
খাবলৈ ধৰিলে। জুহালৰ দুকাষে দুয়োটা যন্ত্ৰবৎ বহি থাকে। জোচেফ ধুমকলা— তাই
কি পঢ়িছে নপঢ়িছে শুনাৰ সাধ্য তাৰ নাই। তাৰমতে, এই পঢ়াবোৰো ফাকুং কথা,
দুষ্টৰ দুষ্টবুদ্ধিৰ খেলা। হেয়াৰটনে যিমান পাৰে তাই কি পঢ়িছে নুশুনাৰ ফাকতি
জোৰে। ফৰকাল গধূলিবোৰত সি চিকাৰলৈ ওলায়। কেথেৰিণে হামিয়াই হিকটিয়াই,
হুমুনিয়াহ কাঢ়ি থাকে । মোক তাইৰ লগত কথা পাতিবলৈ আমনি কৰি থাকে, অথচ
মই মুখ মেলিলেই চোতাললৈ বা বাগানলৈ ওলাই লৰ মাৰে। শেষত গৈ গৈ কয়গৈ
বোলে তাইৰ জীৱনটো অৰ্থহীন হ'ল, জীয়াই থাকি তাই ক্লান্ত হৈ পৰিছে, ইত্যাদি
কথা।

মিঃ হিথ্‌ক্লিফে দিনে দিনে ক্ৰমাৎ বেচিকৈ মানুহৰ সংগ ভাল নোপোৱা হৈ
আহিছিল। আৰ্ণশ্বক তেওঁ নিজৰ কোঠাৰ পৰা প্ৰায় বাহিৰ কৰিয়েই দিলে। মাৰ্চ মাহৰ
আৰম্ভতে, এটা দুৰ্ঘটনাত পৰি, সি পাকঘৰতে পৰি থাকিব লগা হৈছিল। চিকাৰলৈ
বুলি অকলে অকলে পাহাৰলৈ গৈছিল, তাতে তাৰ বন্দুক ফুটি গ'ল। গুলীৰ এটুকুৰা
আহি তাৰ কান্ধতে লাগিলে, আৰু সি আহি ঘৰ পোৱাৰ আগতে তাৰ ভালেখিনি তেজ
গ'ল। ফলত ঘা নুশুকোৱালৈকে জুহালৰ ওচৰত সি চুপ্ চাপ্ বহি বহি কটাবলগীয়া
হ'ল।

সি তাত থাকিবলগীয়া হোৱাত কেথেৰিণে ভালেই পালে। অন্ততঃ ওপৰ মহলাৰ
কোঠাটোৰ প্ৰতি আকৰ্ষণ তাইৰ আগতকৈও কমিল। তলৰ মহলাতে কাম উলিয়াই
লবলৈ তাই মোক পেৰি থাকিবলৈ ধৰিলে। তেতিয়াহলে তাই মোৰ ওচৰে-পাঁজৰে
থাকিব পাৰিব।

ইষ্টাৰৰ সোমবাৰে, জোজেফে কেইটামান গৰু লৈ গিমাৰটনৰ হাটলৈ গৈছিল। আবেলি বেলিকা মই পাকঘৰত নতুনকৈ পৰ্দা লগাইছোঁ। আৰ্ণশ্বি, সদায় থকাদি, গোমোঠা মাৰি চিমনিৰ কাষত বহি আছে। কেথেৰিণে খিৰিকিৰ কাচত ছবি আঁকি সময় কটাই আছিল। মাজে মাজে তাই গানো গায়; ফুচফুচাই কিবা একোটা গুনা-নুতনাৰ মাজতে কয়, হেয়াৰটনৰ পিনে চুৰকৈ চায়, আৰু বৰ আমনি পোৱা আৰু অধৈৰ্য্য হোৱাৰেন দেখুৱায়। হেয়াৰটনে একান্তমনে ধপাত হুঁপি হুঁপি জুহাললৈ চাই আছিল।

হঠাতে এবাৰ দেখিলোঁ, তাই হেয়াৰটনৰ ওচৰত বহিছেগৈ। তাই কি কৰে নকৰে তালৈ মই বৰ নজৰ দিয়া নাছিলোঁ। কিন্তু তাই এইদৰে কোৱা মোৰ কাণত পৰিল ঃ

'হেয়াৰটন, মই এতিয়া বুজি পাইছোঁ যে তই মোৰ মোমাইৰ পুতেক হয়। খং নুঠিলে আৰু মোৰ প্ৰতি ইমান কঠোৰ আৰু নিৰ্দয় নহলে তোক মোৰ মোমাইদেউৰ পুতেক বুলিয়েই ল'ব খোজোঁ।'

হেয়াৰটনে কোনো উত্তৰ নিদিলে।

'হেয়াৰটন! হেয়াৰটন! হেয়াৰটন! তই শুনিছনে নাই?' তাই তাক সুধিয়েই থাকিল।

কষ্ট হৈ, খটামাতেৰে সি উত্তৰ দিলে, 'তই ইয়াৰ পৰা আঁতৰ হ।'

সাৱধানে হাতখন মেলি তাই তাৰ মুখৰপৰা চিলিমটো কাঢ়ি আনিলে। ঠেঁটামোৱাত পৰি গৈ চিলিমটো ভাগিলে। টুকুৰা দুটা তাই জুইলৈ দলিয়াই দিলে। হেয়াৰটনে গালি গালাজ এসোপা পাৰি আৰু এটা চিলিম মুখত লগালে। তাই তালৈ চাই ক'লে,

'ৰখ। তই প্ৰথমে মোৰ কথা শুনিবই লাগিব। পিচে সেই ধোঁৱা সোপা মোৰ মুখৰ ওপৰত উৰি থাকিলে মই কথা ক'ব নোৱাৰোঁ।'

সি অত্যন্ত উত্তেজিত হৈ ক'লে, 'জহন্নামে যা তই। মোক অকলে থাকিবলৈ দে।'

'নহ'ব', তাই পেৰিয়েই থাকিল। 'মই কি কৰিলে তই মোৰ লগত কথা পাতিবি মই ক'ব নোৱাৰোঁ। তই মোক নুবুজিবলৈ বুলি ঠিক কৰি লৈছ। তোক যে মই মূৰ্খ বুলি কওঁ— মই সঁচাসঁচিকৈ কওঁ বুলি ভাব নেকি? সেইদৰে কওঁ হয়, পিচে মইতো তোক ঘিণ নকৰোঁ। হেয়াৰটন, তই মোৰ মোমাইৰ ল'ৰা। আমাৰ মাজত এটা সম্বন্ধ আছে। খং ৰাগ এৰ। আমাৰ মিলামিছা হওক।'

'তোৰ লগত মই ভাল মিলাবলৈ নাযাওঁ। তই তোৰ অহংকাৰ লৈয়েই থাক। ঠাট্টা-মস্কৰা কৰিব জান, সেইবোৰকে লৈ থাক। তোৰ লগত যদি মই সনা-পেটিকা হ'বলৈ যাওঁ, মই সোঁ-শৰীৰে নৰকত ডুবিম। মোৰ আগৰপৰা গুচ্। এই মাত্ৰকতে। গুচ্ বুলিছোঁ।'

চকু মোপা কৰি, ওঁঠটো কামুৰি কামুৰি, কেথেৰিন খিৰিকিৰ কাষলৈ আঁতৰি গ'ল। তাইৰ কান্দোন ওলাওঁ ওলাওঁ হৈছিল। কিবা এটা বেসুৰীয়া গীত গুণগুণাই তাই



কান্দোন চেপি ধৰিবলৈ চেষ্টা কৰিছিল।

মই এইবাৰ মাত লগালোঁ, 'হেয়াৰটন, তই তোৰ পেহীয়েৰৰ জীয়েকৰ লগত ভাল ভাবেৰে থকাহে ভাল। তাই নিজৰ ধৃষ্টতাৰ বাবে অনুতাপ কৰিছে যেতিয়া তই আৰু তাকে ধৰি থাকিব নালাগে। তাইৰ লগত সদ্ভাৱৰ সম্পৰ্ক ৰক্ষা কৰি থাকিলে তোৰ বহুত লাভ হ'ব। তাইৰ লগ পালে তই এটা বেলেগ মানুহ হৈ যাবি।'

'লগ? তাই মোৰ লগ? তাই মোক ঘিণ কৰে, আৰু মই তাইৰ জোতা চফা কৰাৰ বাবেও উপযুক্ত নহয় বুলি ভাবে। নাই, নালাগে। তাইৰ শুভেচ্ছা লৈ মই ৰজা হ'ব পাৰিলেও সেই খিতাপ মই নিবিচাৰোঁ।'

'মই তোক ঘিণ নকৰোঁ। তইহে মোক ঘিণ কৰ।' বুলি কেথিয়ে কান্দি কান্দি ক'লে। তাই নিজৰ মনৰ দুখ চেপি ৰাখিবলৈ আৰু চেষ্টা নকৰিলে। 'তই মোক হিথক্লিফে কৰা দৰেই ঘৃণা কৰ। বেচিকৈহে কৰ।'

আৰ্ণশ্বই আৰম্ভ কৰিলে, 'তই এজনী লোকটি মিছলীয়া। তোৰ ফলীয়া হৈ যেতে এশবাৰ মই তাক কিয় খং তোলাইছিলোঁ? আৰু কেতিয়া? তই যেতিয়া মোক উপলুঙা কৰিছিলি, ঘিণ কৰিছিলি আৰু— । মোক কিমান পাৰ বিৰক্ত কৰ। মই ওলাই গৈ বাহিৰত ৰৈ থাকিমগৈ। আনৰ আগত মই ক'ম যে তই মোক বিৰক্তি দি দি ৰান্ধনীঘৰৰ পৰা ওলাই আহিবলৈ বাধ্য কৰালি।' চকুলো মচি মচি তাই ক'লে, 'তই মোৰ পক্ষ লৈছিলি বুলি মই জনা নাছিলোঁ। মই বৰ কষ্ট ভুগিছিলোঁ। সকলোৰে প্ৰতি মোৰ তিক্ততাৰ ভাব জন্মিছিল। পিচে এতিয়া মই তোক ধন্যবাদ দিছোঁ। মোক ক্ষমা কৰ। ইয়াতকৈ বেচি আৰু মই কি ক'ব পাৰোঁ?'

জুহালৰ ওচৰ চাপি খোলা মনেৰে তাই তালৈ হাত আগবঢ়াই দিলে। সি মানুহটো ক'লা মলা পৰিল আৰু মেঘে গৰজনি গৰ্জি উঠিল। বজ্ৰমুঠি মাৰি সি তলমূৰকৈ থিয় দি ৰ'ল।

কেথেৰিণে সহজাত বুদ্ধিৰেই নিশ্চয় বুজিব পাৰিলে যে তাইৰ প্ৰতি থকা কিবা বিৰাগ ভাবৰ বাবে সি তেনে আজলমঠালিখন কৰা নাই। তাৰ মনত খোপনি পুতি বহা কিবা এক বিকৃত চিন্তাহে তাৰ কাৰণ হ'ব লাগিব বুলি তাই ভাবিলে, আৰু তেনে ভাব মনলৈ আহিছিল বুলিয়েই বোধহয় তাই, এক মিনিটমান সময় কি কৰোঁ নকৰোঁকৈ থাকি, মূৰটো দোঁৱাই তাৰ গালত টপকৈ এটা চুমা খাই দিলে।

আজলীজনীয়ে মই তাই কি কৰিছে দেখা নাই বুলি ভাবিছিল। ঘূৰি গৈ তাই আকৌ খিৰিকিৰ কাষত অতি গহীন হৈ বহি ললে।

কামটো যে তাই ভাল নকৰিলে, তাকে মই মূৰ জোকাৰি বুজালোঁ। এই লাজত ৰঙাচিঙা পৰি মোৰ কাণত ফুচফুচাই ক'লে,

'এলেন, মইনো বাৰু কি কৰিব পাৰোঁ? সি মোৰ লগত কৰমৰ্দন নকৰে, মোৰ ফালে নাচায়ো। তাক যে মোৰ ভাল লাগে কেনেবাকৈ তো মই দেখুৱাব লাগিব।'

চুনাটোৱে হেয়োৰটনক তাইৰ কথাত পতিয়ন নিয়াব পাৰিলে নে নাই মই নাজানোঁ। তাৰ মুখখন যাতে দেখা পোৱা নাযায়, সেইবিষয়ে কেইমিনিটমানলৈ সি সাৱধানে থাকিল। যেতিয়া সি মূৰ দাঙিলে, তেতিয়াতো সি কেনি চাব সেই কথা ভাবিয়েই বিবুধিত পৰিল।

কেথেৰিণে ধুনীয়া কিতাপ এখন সুন্দৰকৈ বগা কাগজ এখনেৰে মেৰালে। ৰচি এডালেৰে বান্ধি, ওপৰত 'মিঃ হেয়োৰটন আৰ্ণশ্ব' বুলি লিখিলে। তাই মোক কিতাপখন লৈ গৈ হেয়োৰটনক দিবলৈ ক'লে। তাই লগতে ক'লে,

'আৰু তাক কবি, সি যদি কিতাপখন লয়, তেন্তে মই আহি তাক শুদ্ধকৈ পঢ়িবলৈ শিকাম। আৰু যদি নলয়, তেন্তে মই ওপৰ মহলালৈ গুচি যাম, আৰু কেতিয়াও তাক আমনি কৰিবলৈ নাহোঁ।'

কিতাপখন নি মই তাক দিলোঁগৈ, কৈ পঠোৱা কথাবোৰ কলোঁ। কেথেৰিণে ব্যগ্ৰভাৱে আমালৈ চাই আছিল। হেয়োৰটনে হাত নেমেলেহি, সেইবাবে মই তাৰ আঁঠুৰ ওপৰতে কিতাপখন থৈ দিলোঁ। সি কিন্তু জোকাৰি পেলাই নিদিলে। মই মোৰ কামলৈ ঘূৰি আহিলোঁ। কেথেৰিণে মেজৰ ওপৰত হাত দুখন মেলি মূৰ গুজি থাকিল। অলপ পিচতে কাগজৰ টোপোলা খোলাৰ সামান্য খচমচনি শব্দ তাইৰ কাণত পৰিল। তাই লাহেকৈ গৈ হেয়োৰটনৰ ওচৰত বহিল। তাৰ গাত কঁপনি উঠিল, মুখ ৰঙা পৰিল— তাৰ সমস্ত অশিষ্টতা আৰু ছটা মাতৰ কঠোৰতা নাইকিয়া হৈ গ'ল। তাই ওচৰতে বহি লক লককৈ খাটনি ধৰি কৈ আছে, 'তই মোক ক্ষমা কৰিছ বুলি ক, হেয়োৰটন। কচোন। সেই সামান্য এটা শব্দ উচ্চাৰণ কৰিয়েই তই মোক ইমান সুখী কৰিব পাৰ। কচোন।'

প্ৰথমতে, এটা মাত্ৰ শব্দ উচ্চাৰণ কৰাৰ সাহস তাৰ হোৱা নাছিল। অলপ পিচত অস্পষ্ট কিবা এটা পুতপুতালে, কিন্তু কি ক'লে বুজা নগ'ল।

কেথেৰিণে তাক সুধিলে, 'তই মোৰ বন্ধু হবি?'

'নহওঁ। তই মোৰ বাবে তোৰ জীৱনৰ প্ৰতিটো দিনেই লজ্জাবোধ কৰিবি। যিমানেই মই তোৰ ওচৰ চাপিম, যিমানেই তই মোক বেচি ওচৰৰ পৰা পাবি সিমানেই বেচিকৈ তই মোক ঘিণাবি। মোৰ সহ্য নহ'ব।'

তাই তাৰ আৰু ওচৰ চাপি গ'ল, আৰু মৰমলগাকৈ হাঁহি এটা মাৰি মৌ সনা মাতেৰে ক'লে, 'তই তেন্তে মোৰ বন্ধু নহৱ?'

সিহঁতৰ মাজত আৰু কি কথা বতৰা হ'ল, ভালকৈ মোৰ কাণত নপৰিলহি। অলপ পিচতে ঘূৰি চাই দেখোঁ যে সিহঁত দুয়ো কিতাপখনৰ পৃষ্ঠাত আনন্দমনেৰে মনোনিবেশ কৰিছে। সিহঁতৰ ভিতৰত যে সন্ধি স্থাপন হ'ল সেই কথা বুজিবলৈ আৰু মোৰ বাকী নৰ'ল। পূৰ্বৰ শত্ৰু এতিয়া পৰম মিত্ৰ হ'ল।

সিহঁতে পঢ়া কিতাপখনত বহুত দামী দামী ছবি আছিল। জোজেফ ঘৰলৈ ঘূৰি অহালৈকে সিহঁত হালে সেইবোৰকে চাই চাই নিমগ্ন হৈ আছিল। কেথেৰিণৰ



হেয়োৰটনৰ সৈতে একেখন বেঞ্চতে বহি থকা দেখি সি বেচেৰা বিস্ময়ত হতবাক হ'ল। তাতে আকৌ কেথেৰিণে তাৰ কান্ধত হাতখন তুলি থৈছে! তাৰ পৰম প্ৰিয় হেয়োৰটনে কেথেৰিণক সহজভাৱে লব পৰাটোও তাৰ বাবে এটা সাঁথৰ যেন লাগিল। সি ইমান বিচলিত হৈ পৰিছিল যে এই বিষয়ে সেই ৰাতি সি একো কথা নুলিয়ালে। সেৱে বিৰাট আকাৰৰ বাইবেলখন মেজত মেলি লৈ, দীঘল দীঘলকৈ হুমুনিয়াহ কাঢ়ি থকাৰ পৰাহে তাৰ মানসিক অৱস্থাৰ উমান পোৱা গ'ল। বাইবেলখনৰ ওপৰতে আকৌ দিনটোৰ উপাৰ্জ্জনৰ মলিয়ন নোটবোৰো তাৰ জেপৰ পৰা উলিয়াই থৈছিলে। এসময়ত সি হেয়োৰটনক তাৰ মেজৰ পৰা মাতি পঠিয়ালে।

'এই ল'ৰা, এই পয়চাখিনি লৈ গৈ গিৰিহঁতক দেগৈ আৰু তাতে থাকগৈ। মই মোৰ কোঠালৈ যাওঁ। এই জেগা আমাৰ বাবে নহয়। আমি ফালৰি কাটিব লাগিব। বেলেগ ঠাই বিচাৰিব লাগিব।'

মই কেথেৰিণক ক'লোঁ, 'কেথি আইটি, আহাঁ। আমিও ফালৰি কাটো। ইস্ত্ৰি কৰা মোৰ হ'ল। তুমি যাবলৈ সাজু নে?'

অনিচ্ছুকভাৱে বহাৰ পৰা থিয় দি তাই ক'লে, 'আঠ বজাই নাই। হেয়োৰটন, এই কিতাপখন মই চুলাৰ দাঁতিৰ খাপতে থৈ যাওঁ। কালিলৈ মই আৰু কেইখনমান আনিম।'

জোজেফে মাত দিলে, 'তুমি ইয়াত থৈ যোৱা যিকোনো কিতাপকে মই মোৰ কোঠালৈ লৈ যাম। এবাৰ লৈ গলে সহজে আৰু ঘূৰি নাহিব। গতিকে ভাবি চাই যি কৰা কৰিবা।'

দাম ভৰিব লাগিব বুলি তাক ভাবুকি দি কেথি হেয়োৰটনৰ গাৰ কাষেদি হাঁহি হাঁহি ওপৰ মহলালৈ গ'ল। তাইৰ মনত অপাৰ আনন্দ। 'ৱাদাৰিং হাইটচ'ত তাই আগতে ইমান আনন্দমনে থকা মোৰ মনত নপৰে। প্ৰথম কেইবাৰমান লিণ্টনৰ ওচৰলৈ অহাৰ উপলক্ষ অৱশ্যে ইয়াৰ ভিতৰত নপৰে।

হেয়োৰটন আৰু কেথেৰিণৰ মাজত হোৱা ভাব ক্ৰমাৎ দ্ৰুতগতিত বাঢ়িবলৈ ললে। মাজে মাজে অৱশ্যে সিহঁতৰ মাজত খুতখাঁত নলগাকৈ নাছিল। হ'ব বুলি ভাবিলেই মাৰ্জ্জিত ৰুচিৰ হৈ যোৱা লোক হেয়োৰটন নাছিল। কেথেৰিণৰো ধৈৰ্য্য আছিল কম। হ'লেও সিহঁতৰ মন পাৰস্পৰিক প্ৰেম আৰু শ্ৰদ্ধাৰ ফলত সমমুখীয়া হৈ পৰিছিল।

লকউদ মহাশয়, কেথেৰিণৰ অন্তৰ জয় কৰাটো তেনেই সহজ কথা আছিল বুলি আপুনি নিশ্চয় বুজিব পাৰিছে। পিচে আপুনি যে তেতিয়া এই কথা নভাবিলে, ভালেই হ'ল। এই দুটাৰ মাজত মিলন হলেই মোৰ বাঞ্ছা পুৰাপুৰি সফল হ'ব। সিহঁতৰ বিয়াৰ দিনা মোতকৈ সুখী প্ৰাণী আৰু কোনো নোলাব, কাৰো প্ৰতি মোৰ কোনো আক্ৰোশ নাথাকিব।

# ৩৩

সেইটো সোমবাৰৰ পিচদিনা পুৱা হেয়াৰটনে প্ৰাত্যহিক কাম কাজত হাত দিয়া দেখা নগ'ল। কোঠাৰ ভিতৰতে সি ইফাল সিফাল কৰিহে ফুৰিছিল। কেথেৰিণক যে মোৰ ওচৰত আগৰদৰে ৰখাটো আৰু সম্ভৱ নহ'ব, এই কথাটো তৎক্ষণাত মোৰ মনলৈ আহিল।

সেইদিনা তাই মোতকৈ আগেয়েই তলৰ মহলালৈ নামিল। নামিয়েই হেয়াৰটনৰ সৈতে তাই বাগানত সোমাই এটুকুৰা ঠাই চাচি চুকিকি মুকলি কৰা দেখি মই আচৰিত নোহোৱাকৈ নাথাকিলোঁ। ঠাইটুকুৰা মুকলিকৈ উলিয়ালে। আধাঘণ্টা মানৰ ভিতৰতে ইমান টুকুৰা ঠাই মুকলি কৰোঁতে তাত থকা ক'লা কিচমিচৰ জোপোহাবোৰো কাটি পেলালে। অথচ সেইবোৰ জোজেফে বৰ আপডাল কৰি ৰইছিল। কথাটো ভাবি মই ভয় খালোঁ। জোজেফে দেখিলে লগে লগেই গৈ গৃহস্থক ক'ব। তেতিয়াতো এটা বেচ উদগীৰণ হ'ব। মুকলি কৰা ঠাইডোখৰত সিহঁতে হেনো ফুল ৰুব। মই হেয়াৰটনক কলোঁ, 'তইনো একো ভবাচিন্তা নকৰাকৈ তাই ক'লে বুলিয়েই কিচমিচৰ গছবোৰ কাটি পেলাব লাগেনে?'

হেয়াৰটনে থতমত খাই ক'লে, 'সেইবোপা যে জোজেফে লগাইছিল মই পাহৰিয়েই গ'লোঁ। যেই কি নহওক, মইহে কাটিলোঁ বুলি তাক মই ক'ম।'

আমি খাবৰ পৰত সদায় হিথক্লিফৰ সৈতে একেলগে বহিছিলোঁ। ময়ে চাহ কৰিছিলোঁ। সেইবাবে খাবৰ পৰত মই নহ'লেই নহৈছিল। কেথেৰিণ সাধাৰণতে মোৰ কাষতে বহি থাকিছিল। পিচে আজি তাই হেয়াৰটনৰ ওচৰ চাপি বহিল। শত্ৰুতা মিত্ৰতা উভয়তে যে তাইৰ বিচাৰ বিবেচনা কম সেই কথা বুজিবলৈ মোৰ টান নহ'ল। কোঠাটোত সোমাওঁতেই মই তাইক ফুচফুচাই ক'লোঁ, 'চাবা আৰু', হেয়াৰটনৰ লগত বৰকৈ কথা বতৰা নাপাতিবা; তাৰ ফালে নাচাবাঁও। দেখিব লাগিলে হিথক্লিফৰ ৰাগ উঠিব। তোমালোক দুয়োটাকে সুদাই নেবিব।'

তাই ক'লে যে মোৰ কথামতেই তাই চলিব। কিন্তু পিচ পাকতে তাই তাৰ ওচৰ চাপি গ'ল আৰু তাৰ থালত নিজৰ থালৰ পৰা কিবা কিবি খোৱাবস্তু দি দিলে।

হেয়াৰটনৰ কিবা এটা কৰবলৈকো সাহ নাই, তাইৰ পিনে চোৱাৰো উপায় নাই। তাই কিন্তু তাক আমনি কৰিবলৈ নেৰিলে। দুবাৰ তাৰ হাঁহি উঠাৰ উপক্ৰম হৈছিল—



বৰ কষ্টেৰেহে চেপি ৰাখিলে। মই তাইলৈ চকু খোপা কৰি চালোঁ। তাই হিথক্লিফৰ পিনে চালে। হিথক্লিফৰ মন সেই সময়ত আন চিন্তাত মগ্ন— ওচৰত কোনে বহি কি কৰিছে তাৰ হিচাপ তেতিয়া তাৰ নাই। তাৰ মুখৰ চেহেৰাৰ পৰা তেনে থকাহি হৈছিল। কেথেৰিণ এক মুহূৰ্ত সময় বৰ গহীন হৈ ৰ'ল, আৰু গভীৰ মনোযোগেৰে হিথক্লিফলৈ চালে। পিচপাকতে তাই হেয়াৰটনক আকৌ খুচিয়াবলৈ ধৰিলে। উঠি অহা হাঁহিটো হেয়াৰটনে যিমান পাৰে চেপি ৰাখিবলৈ চাইছিল, কিন্তু এপাকত সি খুক খুককৈ হাঁহি দিবলৈ বাধ্য হ'ল।

হিথক্লিফ উচপ খাই উঠিল। তেওঁ আমাৰ মুখবোৰলৈ চালে। কেথেৰিণক তাইৰ সচৰাচৰ বিবুধিত পৰা ভাৱতে দেখা গ'ল, তথাপিতো তাইৰ চকুত যেন এক অবজ্ঞাৰ ভাবো ফুটি উঠিছিল। তেনে দৃষ্টিয়ে সদায় হিথক্লিফৰ বিতৃষ্ণা জন্মায়।

তেওঁ খঙেৰে ক'লে, 'তই মোৰ চকুৰ আগত নোলোৱাই ভাল। সেইদৰে থৰ লাগি যে চাইছ, কোনজনা বাবীৰ ভূতে পাইছে তোক? অজলা হবি তই। তই যে জীয়াই আছ সেইকথা মোক আৰু সোঁৱৰাই নিদিবি। তোৰ হাঁহি থকা বেমাৰটো মই ভাল কৰিলোঁ বুলি ভাবিছিলোঁ।'

'মইহে হাঁহিছিলোঁ,' হেয়াৰটনে লাহেকৈ ক'লে।

'কি কৈছ?' হিথক্লিফে সুধিলে।

হেয়াৰটনে তাৰ খোৱা কাঁহীত মন দিলে, কথাষাৰৰ স্বীকৃতি নকৰিলে। তেওঁৰ মন আকৌ

হিথক্লিফে তালৈ অলপ পৰ চাই থাকি আকৌ খোৱাত লাগিল। তেওঁৰ মন আকৌ পৰম্পৰপৰা চিন্তাত ডুব গ'ল।

খোৱাবোৱা আমাৰ প্ৰায় শেষ হৈছিল, হেয়াৰটন আৰু কেথেৰিনো পৰস্পৰৰপৰা আঁতৰি বহিছিল। সেইবাবে মই ভাবিছিলোঁ যে তেতিয়ালৈ আৰু কোনো অশান্তিৰ উদ্ৰেক নহ'ব। পিচে তেনেতে জোজেফ আহি দুৱাৰমুখত থিয় হ'ল। কিবা ক'ব খুজি তাৰ চেহেৰা দেখিয়েই মই বুজি পাইছিলোঁ যে বাগানত সি ৰোৱা গছ কোনেবাই কটা সি ধৰা পেলালে। কেথি আৰু ওঁঠ দুটা তাৰ কঁপিছিল, চকুহাল ৰঙা পৰিছিল— তাৰ চেহেৰা দেখিয়েই মই বুজি পাইছিলোঁ। হেয়াৰটনক বাগানৰ মুকলি কৰা ঠাইখিনিৰ আশে পাশে সি নিশ্চয় দেখা পাইছিল। ঘাঁহ পাগুলি থকা গৰুৰ দৰে দাঁত দুপাৰি চোবোৱাৰ নিচিনা কৰি কি কৈছে ধৰিব নোৱাৰা ধৰণে সি কৈ গ'লঃ

'মোক হাজিৰাখিনি দিয়ক, মই যাওঁগৈ। যাবই লাগিব। তিনিকুৰি বছৰ য'ত কটালোঁ, তাতে মৰিম বুলি ঠিক কৰিছিলোঁ, মোৰ লাম লাকটু কেইপদ আৰু কিতাপ-পত্ৰখিনি লৈ মই ওপৰৰ কোঠাটোলৈকে যাম বুলি ঠিক কৰিছিলোঁ। পাকঘৰটো তেতিয়া সিহঁতেই এৰনীয়াকৈ পালেহেঁতেন। ময়ো শান্তিত থাকিলোহেঁতেন। মোৰ নিজৰ অতদিনৰ জুহালখন এৰি যাবলৈ দুখ লাগিলহেঁতেন সঁচা, তথাপিতো এৰি যাবলৈকে মই ঠিৰাং কৰিছিলোঁ। পিচে হ'ল কি! এতিয়া দেখিছোঁ মোৰ বাগানখনো বাদ নপৰিল। তাই তাকো কাঢ়ি ল'লে। মোক কিমান আঘাত দিলে। মহাশয়, মই

এইবোৰ সহ্য কৰিব নোৱাৰোঁ। এতিয়া নতুনকৈ বোজা লোৱাৰ বয়স আৰু মোৰ নাই। মই যাম গৈয়ে। বাটত শিলগুটি ভাঙি পেটৰ ভাত মোকলাম, সিও ভাল।'

হিথক্লিফে অধৈৰ্য্য হৈ মাজতে মাত দিলে, 'এই গোট গৰু। কি হৈছে চমুকৈ নকৱ কিয়? তোৰ আৰু নেলীৰ মাজত যদি কাজিয়া, মই তাত সোমাবলৈ নাযাওঁ। তাই তোক বাহিৰলৈ ঠেলি পঠালেও মই নামাতোঁ।'

জোজেফে ক'লে, 'নেলী নহয়। নেলীৰ বাবে মই যাবলগা হোৱা নাই। যাৰ লগা হৈছে এই নিলাজ ছোৱালীজনী আৰু ল'ৰাটোৰ পৰাহে। তাই তাক যাদু কৰিলে। মোৰ অন্তৰ ভাগি যায়। আপুনি তাৰবাবে যতবোৰ কৰিলে, আটাইবোৰ সি পাহৰিলে। সি মত্ত এশাৰী কিচমিচৰ গছ উঘালি পেলাইছে।' এইখিনি অভিযোগ দিয়াৰ পিচত সি হেয়াৰটনক হৃদয়হীন, অকৃতজ্ঞ, আৰু বিপজ্জনক লোক বুলি অভিহিত কৰিলে, আৰু তাৰ যে বিস্তৰ ক্ষতি হ'ল সেই কথা কৈ বিনাবলৈ লাগিলে।

'এই মূৰ্খটো একেবাৰে টং হৈ আছে নেকি? হেয়াৰটন, তই কিবা ভগৰ লগাইছ নেকি?'

'মই দুজোপা কি তিনিজোপা কিচমিচৰ গছ উভালিছিলোঁ। পিচে সেই কেইজোপা মই আকৌ ৰুই থ'ম।'

হিথক্লিফে সুধিলে, 'আকৌ ৰুই থবলৈকে যদি হ'ল, উঘালিছিলি নো কেলেই?'

এইবাৰ কেথেৰিণে কান্দো কান্দো হৈ ক'লে,

'সেই ঠাইত আমি কেইজোপামান ফুল ৰুব খুজিছিলোঁ। দোষ অকল মোৰ গাতহে। তাক মইহে লগ লৈছিলোঁ।'

'এই ঠাইৰ খেৰকুটা এডালতো হাত দিবলৈ তোক কোনে অনুমতি দিলে?' বুলি শহুৰেকে তাইক টান মাতেৰে সুধিলে। তেনে এটা অকাৰ্য্য সংঘটিত হোৱা কথা যেন তেওঁ ভাবিবই নোৱাৰে। তেওঁৰ মাতত তেনে এটা ভাবেই ফুটি উঠিছিল। এইবাৰ তেওঁ হেয়াৰটনক সুধিলে, 'তাইৰ হুকুম মানিবলৈ তোক কোনে কৈছিলে?'

হেয়াৰটন নিৰুত্তৰ হৈ ৰ'ল। কেথেৰিণে উত্তৰ দিলে, 'কেইহাতমান মাটিত মই ফুল দুজোপামান ৰুব খোজাত আপুনি ইমানকৈ ভাবিব নালাগে। মোৰ মাটিবাৰী আটাইবোৰতো আপুনি লৈ ললেই।'

'তোৰ মাটি? বেটী হাৰামী। তোৰ মাটি ক'ত আছিল?' হিথক্লিফে খঙেৰে সুধিলে।

'মাটিয়েই নে অকল? ধনবিত্ত সোপাওতো হাত কৰিলে।' —বাকী থকা ৰুটিৰ টুকুৰা এটাত কামোৰ মাৰি তাই ক'লে।

'চুপ কৰ। হৈছে। যা ইয়াৰ পৰা।'

'অকল সেয়ে নে? হেয়াৰটনৰ ভাগৰ মাটিবাৰী আৰু টকা-পয়চাও আপুনি হস্তগত কৰিলে।' কেথেৰিণৰ যেনিবা মুখৰ বান্ধহে খুলিলে। 'হেয়াৰটন আৰু মই এতিয়া বন্ধু। মই তাক সকলো কথা কৈ দিম।'



হিথক্লিফ খন্তেক সময়ৰ বাবে বিস্মিত হৈ গ'ল। তেওঁ শেঁতা পৰি গ'ল। বহা ঠাইতে থিয় দি তেওঁ কেথেৰিণলৈ তীব্ৰ ঘৃণাৰ দৃষ্টিৰে চালে।

কেথেৰিণে তেওঁলৈ চাই ক'লে, 'মোৰ গাত হাত দিলে, হেয়াৰটনেও তোমাৰ গাত হাত দিব। গতিকে তুমি বহাই ভাল।'

হিথক্লিফ গৰ্জ্জি উঠিল, 'হেয়াৰটনে যদি তোক কোঠাৰপৰা বাহিৰ কৰি নিদিয়ে, মই তোক নৰকলৈ পঠাম। হতচিৰিহতী, যখিনী। তাক মোৰ বিৰুদ্ধে উচটাবলৈ তোৰ সাহ হ'ল? এইক ইয়াৰপৰা লৈ যা। শুনিছনে? গতিয়াই নি পাকঘৰত সুমুৱাই দেগৈ। এলেন ডীন, তাইক মোৰ চকুৰ আগলৈ যদি আহিবলৈ দিয়, চাবি, মই তাইক মাৰি পেলাম।'

হেয়াৰটনে তাইক নিম্নস্বৰে তাৰপৰা যাবলৈ খাটিলে।

হিথক্লিফে উন্মত্তভাবে চিঞৰি চিঞৰি ক'লে, 'তাইক টোচোৰাই লৈ যা। তই কথা পাতিবলৈ বৈছ নেকি?' এইবাৰ তেওঁ নিজৰ আদেশ নিজে তামিল কৰিবলৈ আগবাঢ়িলে।

কেথেৰিণে ক'লে, 'বদমাইচ। তোৰ কথা আৰু হেয়াৰটনে নুশুনে। সিও তোক মই ঘিণ কৰাৰ দৰেই ঘিণ কৰিব। চাই থাক।'

হেয়াৰটনে তাইক কদৰ্থনা কৰাৰ সুৰত ক'লে,

''ছিঃ। ছিঃ। নেপায়। হৈছে। তই তেওঁৰ লগত লাগিব নালাগে।'

'তই তেন্তে তাক মোক মৰিয়াবলৈ এৰি দিবি নেকি?' তাই চিঞৰি চিঞৰি সুধিলে।

'আঁতৰি আহচোন,' সি অনুনয়ৰ সুৰত তাইক ক'লে।

কিন্তু তেতিয়ালৈ বহুত পলম হৈ গ'ল। হিথক্লিফে তাইক ধৰি ললেই।

'তই এতিয়া আঁতৰ হ', হেয়াৰটনলৈ চাই হিথক্লিফে ক'লে, 'নষ্টযাতী যখিনী। মোকো জোকাবলৈ সাহ কৰা হলি। বেচ শিকনি দিম তোক। চিৰদিনলৈ মনত থাকিব।'

হিথক্লিফে তাইৰ চুলিত ধৰিলে। হেয়াৰটনে চুলিকোচাৰপৰা তেওঁৰ হাত একৰাই দিবলৈ চেষ্টা কৰিলে। তাইক সেইবাৰলৈ নামাৰি এৰি দিবলৈকো সি কাকুতি কৰিলে। হিথক্লিফৰ ক'লা চকুহাল খঙত ৰঙা হ'ল, সি যেন কেথেৰিণক টুকুৰা টুকুৰ কৰি পেলাব। তাইক বচাবৰ বাবে ময়ো আগবাঢ়ি অহাৰ মৰসাহ কৰিব লগা হ'ল। পিচে হঠাতে তাইৰ চুলিত থকা তাৰ মুঠি খোল খালে, সি তাইৰ মূৰৰ পৰা হাত আঁতৰাই আনিলে আৰু তাইৰ কান্ধত টানকৈ ধৰি একান্তমনে তাইৰ মুখলৈ চাই ৰ'ল। এইবাৰ সি তাৰ চকুহাল হাতেৰে ঢাকি ধৰিলে, প্ৰকৃতিস্থ হ'বলৈ যেন যত্ন কৰিলে, আকৌ কেথেৰিণৰ পিনে মুখ ঘূৰাই, বাহিৰে বৰ শান্ত যেন দেখুৱাই, ক'লে ঃ

'এনেকুৱাকৈ মোৰ খং তোলাই থকাৰ এই দস্তুৰটো তই বাদ দিব লাগিব। নহ'লে কোনোবাদিনা তোক মই মাৰি পেলাম। যা, মিচেচ ডীনৰ লগত যা, তাইৰ লগত থাকগৈ। যিমানবোৰ গালি গালাজ আছে, তাইৰ কাণতে ঢালগৈ। হেয়াৰটন আৰ্ণশ্বক

যদি তোৰ লগত কথা পতা মই দেখা পাওঁ, মই তোক ঘৰৰ বাজ কৰি দিম। তোৰ প্ৰেমে তাক সমাজচ্যুত কৰিব, মগনীয়া কৰিব। নেলী, তাইক লৈ যা। মোৰ ওচৰৰ পৰা যা। আটাইবোৰ যাহঁক।'

কেথেৰিণক মই উলিয়াই লৈ গ'লোঁ। ওলাই যাবলৈ পাই তাই যেন বাচিলে। হিথ্‌ক্লিফক আকৌ খেপেৰি পাতি ধৰিবলৈ নগ'ল। হেয়াৰটনো পিচে পিচে আহিল। হিথ্‌ক্লিফ দুপৰীয়াৰ খোৱাৰ পৰালৈকে নিজৰ কোঠাতে সোমাই থাকিল।

তাইৰ থালখন ওপৰলৈ লৈ গৈ নিজৰ কোঠাতে খাবলৈ কেথেৰিণক মই পৰামৰ্শ দিছিলোঁ। কিন্তু তাই বহা আসনখন খালি থকা দেখি হিথ্‌ক্লিফে মোক তাইক মাতি আনিবলৈ পঠাই দিলে। সি আমাৰ কাৰো লগত কথা নাপাতিলে, খালেও তেনেই তাকৰলৈ, আৰু খাই উঠিয়েই ওলাই গ'ল। যাওঁতে গধূলিৰ আগতে ঘূৰি নাহে বুলি কৈ গ'ল।

সি নথকা সময়চোৱাত কেথেৰিণ আৰু হেয়াৰটনে কোঠাটোত কথা বতৰা পাতি আছিল। এবাৰ কেথিয়ে হেয়াৰটনৰ বাপেকৰ প্ৰতি হিথ্‌ক্লিফে কি ব্যৱহাৰ কৰিছিল ক'বলৈ ওলোৱা মোৰ কাণত পৰিছিল; হেয়াৰটনে কিন্তু সেই প্ৰসঙ্গটো বন্ধ কৰিবলৈ তাইক ক'লে।

সি তাইক ক'লে যে হিথ্‌ক্লিফৰ গাত দোষ পেলাই এটা কথাও কোৱাটো সি ভাল নাপায়। সি যদি চয়তানো হয়, কোনো কথা নাই। সি সদায় হিথ্‌ক্লিফৰ ঋণীয়াই হ'ব। তাই বৰং আগতে কৰাদি তাকে অপমান কৰক, সিও ভাল, কিন্তু হিথ্‌ক্লিফৰ ৰটনা ৰটিব নালাগে।

হেয়াৰটনৰ কথা শুনি কেথেৰিণৰ খং উঠিছিল। সি পিচে তাইক দমাই ৰাখিলে। তোমাৰ পিতাৰাৰ বদনাম যদি মই গাওঁ, তুমি কেনে পাবা? সি তাইক সুধিছিলে। তাই তেতিয়া বুজি পালে যে হেয়াৰটনে হিথ্‌ক্লিফৰ মান অপমান তাৰ নিজৰ মান অপমান বুলিয়েই মানি লৈছিল। উভয়ৰ মাজৰ সম্বন্ধ যুক্তিৰ ভিত্তিৰ পৰা নহয়। সুদীৰ্ঘদিনৰ অভ্যাসবশতঃ এটা সম্বন্ধ গঢ়ি উঠিছে— সেই সম্বন্ধ ছিন্ন কৰিবলৈ যোৱাটো বৰ বেদনাৰ কথা হ'ব।

তেতিয়াৰে পৰা তাই হিথ্‌ক্লিফৰ বিপক্ষে ওজৰ-আপত্তি বা বিদ্বেষ প্ৰকাশ কৰিবলৈ এৰিলে। হেয়াৰটন আৰু হিথ্‌ক্লিফৰ মাজত অসূয়াৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰাৰ বাবে তাই মোৰ ওচৰত অনুশোচনাও প্ৰকাশ কৰিছিল। তেতিয়াৰেপৰা হেয়াৰটনৰ উপস্থিতিত তাইক নিৰ্য্যাতন ভোগোৱা হিথ্‌ক্লিফৰ বিপক্ষে তাই এবাৰ কথাও কোৱা মই শুনা নাই।

এই সামান্য মতভেদৰ ব্যাপাৰটো তল পৰাৰ লগে লগে সিহঁতৰ সম্বন্ধ আকৌ নিবিড় হ'ল। ছাত্ৰ আৰু শিক্ষয়িত্ৰী হিচাপে সিহঁত নিজ নিজ কামত আকৌ ব্যস্ত হৈ পৰিল। মোৰ কাম শেষ কৰি মই সিহঁতৰ ওচৰতে বহোঁহি। সিহঁতক সেইদৰে পঢ়াশুনা কৰি আনন্দমনেৰে থকা দেখিলে এনে ভাল লাগে যে সময় যে কেনি পাৰ হয় তাৰ



হিচাপেই নাথাকে। আপুনি বুজিব মহাশয়, সিহঁতক মোৰ নিজৰ ল'ৰা-ছোৱালী যেন লাগিছিল। কেথেৰিণক লৈতো মোৰ সদায়েই গৰ্ব, এতিয়া দেখিলোঁ হেয়াৰটনো সমানেই সন্তোষৰ কাৰণ হৈ উঠিব। তাৰ স্বভাৱৰ সততা, অমায়িকতা, আৰু বুদ্ধিয়ে পৰিবেশৰ পৰা আহৰণ কৰা অজ্ঞানতা আৰু নীচতাৰ ক'লা ডাৱৰছটা অতি সোনকালেই আঁতৰাই পেলালে। কেথেৰিণৰ আন্তৰিক প্ৰশংসাই তাক নিজৰ বাটত আগবাঢ়ি যোৱাত আৰু অধিক উদগনি যোগালে। লগে লগে তাৰ চকুমুখতো এক উজ্জ্বলতা যেন বিকশিত হৈ পৰিল। তাৰ মন আৰু চেহেৰাৰ ইমান আমূল পৰিবৰ্তন হ'ল যে তাক আগৰ ল'ৰাটো বুলি ধৰাই টান হৈছিল। সিহঁত দুটালৈ প্ৰসন্ন চিত্তেৰে চাই এইবোৰ কথা ভাবি গুণি থাকোঁতেই গধূলি হ'ল। হিথ্‌ক্লিফো ঘূৰি আহিলে। একেবাৰে অপ্ৰত্যাশিতভাৱে সি ওলালহি। আগফালৰ দুৱাৰেৰেই সি সোমাই আহিছিল, আমাৰ তিনিওকে সি ভালকৈ দেখা পালে।

সিহঁত একেলগে ইমান মিলা-প্ৰীতিৰে থকা দৃশ্যটো সঁচাকৈয়ে অতি সুখদায়ক আছিল। সিহঁতক তেনে অৱস্থাত ককৰ্থনা কৰাৰ কথা ভাবিবও নোৱাৰি। শিশুসুলভ সৰলতাৰে সিহঁতৰ মুখ দুখন জুইৰ পোহৰত উজলি উঠা মই দেখিছিলোঁ। তাৰ বয়স তেতিয়া তেইছ আৰু তাইৰ ওঠৰ হৈছিল যদিও সাবালকত্বৰ লক্ষণ সিহঁতৰ গাত সিমানকৈ দেখা নগৈছিল। সিহঁতে পৰস্পৰৰ পৰা বহুত কথা শিকিবলগা আছে বুলিহে ভাবিছিল।

একে সময়তে দুয়োটাই মূৰ তুলি চাই দেখে সন্মুখত হিথ্‌ক্লিফ। এটা কথা বোধহয় আপুনি লক্ষ্য কৰা নাই। সিহঁতৰ চকুকেইটা প্ৰায় একে আৰু কেথেৰিণ আৰ্ণশ্বৰ লগত বহুত মিল থকা। এতিয়াৰ কেথিৰ, কেথেৰিণ আৰ্ণশ্বৰ লগত আন সাদৃশ্য নাই— কপালখনত আৰু নাকডেওনাত হয়তো সামান্য আভাস আছে। তাৰ ফলত তাইক গৰ্বী যেন লাগে। কিন্তু হেয়াৰটনৰ লগত মিল বেচি। সকলো সময়তে চকুত পৰা।

মই ভবাত এই সাদৃশ্যই হিথ্‌ক্লিফক বিচলিত কৰি তুলিলে। জুহালৰ ওচৰলৈ সি দেখদেখকৈয়ে উত্তেজিত হৈয়ে আগবাঢ়ি গৈছিল, কিন্তু ল'ৰাটোৰ মুখখন দেখাৰ লগে লগে সি শান্ত হৈ পৰিল, আনকি তাৰ চৰিত্ৰই সলনি হৈ গ'ল বুলি ক'ব পাৰি। হেয়াৰটনৰ হাতৰপৰা কিতাপখন লৈ সি প্ৰথমৰ পৃষ্ঠা কেইটা চালে, আৰু একো নোকোৱাকৈ, কিতাপখন ঘূৰাই দিলে। কেথেৰিণক আঁতৰ হ'বলৈ ইংগিত দিলে। তাই গ'লত হেয়াৰটনেও তাইৰ পিচ ল'লে। ময়ো যাবলৈ উঠিছিলোঁ, পিচে সি মোক ৰ'বলৈ ক'লে।

এইমাত্ৰ দেখা দৃশ্যটো মনত পেলাই সি ক'লে, 'মোৰ সমস্ত উন্মত্ততাৰ ই যে কি শোচনীয় পৰিণতি! দুয়োখন ঘৰ ভাঙি-চিঙি চূৰ্ণ কৰিবলৈ মই উন্মাদ, কিন্তু দেখোঁ এচপৰা শিল দাঙি লোৱাৰো মোৰ শক্তি নাই! মোৰ পূৰ্ব শত্ৰুৱে মোক পৰাস্ত কৰা নাই। সিহঁতৰ সতি-সন্ততিৰ ওপৰত প্ৰতিশোধ লোৱৰ এইটোৱেই সময়। প্ৰতিশোধ মই ল'ব পাৰোঁ, মোক বাধা দিওঁতাও কোনো নাই। কিন্তু লাভ কি? মই কাকো মাৰিব

নোখোজোঁ। মই কাৰো গালে হাত দাঙিব নোখোজোঁ। মই এইদৰে ক'লে এনেহে শুনায় যেন গোটেই জীৱনটো মই উদাৰ মন এটাৰ প্ৰমাণ দিবলৈ চেষ্টা কৰি আছোঁ। আচলতে কথাটো তেনে নহয়; সিহঁতৰ অন্যায় কৰি আনন্দ উপভোগ কৰিব পৰা মন এটা এতিয়া মোৰ নাই। আৰু অকাৰণ কিবা এটা বিনষ্ট কৰাৰো উদ্যম মোৰ এতিয়া নাই।'

'নেলী, এটা আচৰিত পৰিবৰ্তন আহিব ধৰিছে, বুজিছ। মই সেই পৰিবৰ্তনৰ কবলত পৰিছোঁ। প্ৰাত্যহিক জীৱনৰ কাম-কাজত মোৰ অলপো মন নবহা হৈছে। মই খাবলৈ পিবলৈকো পাহৰোঁ। এইমাত্ৰ ইয়াৰপৰা যোৱা দুই প্ৰাণীকহে মোৰ জীৱন্ত সত্তা যেন লাগে। অথচ, সিহঁতক দেখিলে মোৰ যন্ত্ৰণা হয়, নিদাৰুণ যন্ত্ৰণা। তাইৰ বিষয়ে মই একো নকওঁ; ভাবিবলৈকো নাযাওঁ। কিন্তু মই মনে প্ৰাণে বাঞ্ছা কৰোঁ তাই যদি দৃষ্টিৰ অগোচৰ হ'লহেঁতেন। তাইৰ উপস্থিতিয়ে কিবা এক উন্মাদনাৰ অনুভূতিৰ উদ্ৰেক কৰে, মোৰ পাগল হৈ যোৱা যেন লাগে। তাৰ প্ৰভাৱ কিন্তু সুকীয়া। পৰাহেঁতেন মই তাক কেতিয়াও নাচালোহেঁতেন— কিন্তু তাকে কৰিলে যি প্ৰতিক্ৰিয়া হ'ব মানুহে মোক পাগল বুলি ক'ব। মুখত হাঁহিৰ আভাস এটা বিৰিঙাই সি ক'লে, 'সি মোৰ মনত উদ্ৰেক কৰা হাজাৰ-বিজাৰ ভাব-অনুভূতি আৰু সান্নিধ্যৰ কথা যদি তোক ক'বলৈ যাওঁ, তই মোক হয়তো পাগল হ'বলৈ ওলোৱা বুলিয়েই ভাবিবি। মই তোক কোৱা কথা তই আনক নকব বুলি জানোঁ। মোৰ মনটো সদায় নিজতেই লেটা পকাই বান্ধ খাই থাকে। কাৰোবাৰ আগত হিয়াৰ দ্বাৰ খুলিব পাৰিলে যেন স্বস্তি পাওঁ।'

'প্ৰথম কথা হ'ল, কেথেৰিণৰ লগত থকা তাৰ সাদৃশ্যই তাইৰ লগৰ সম্বন্ধটো ভীষণভাৱে মনত পেলাই দিয়ে। কোনটো সাদৃশ্য বা সান্নিধ্যইনো তাইৰ স্মৃতি মোৰ মনত উদ্ৰেক নকৰে? এই মজিয়াখন চালে তাইলৈ মনত পৰে। প্ৰতি খোপা ডাৱৰ, প্ৰতি জোপা গছে তাইৰ স্মৃতি মোৰ মনত জাগৰিত কৰে। অহৰ্নিশে মই তাইৰ মূৰ্তিৰ মাজতে যেন পৰিবেষ্টিত হৈ আছোঁ। মুনিহ-তিৰোতাৰ একেবাৰে সাধাৰণ একোখন মুখেও তাইৰ স্মৃতি মোৰ মনত জগাই তোলে। সমগ্ৰ জগতখনেই এটা বিৰাট সাক্ষী যে তাই এদিন আছিল, আৰু মই তাইক হেৰুৱালোঁ।

হেয়াৰটনৰ মুখখনতে মই সেই মুখখন প্ৰতিফলিত দেখিছিলোঁ— মোৰ সত্তা, মোৰ নীচতা, মোৰ গৰ্ব্ব, মোৰ সুখ, মোৰ যন্ত্ৰণা, মোৰ অমৰ প্ৰেম তাতেই যেন উদ্ভাসিত হৈছিল।

কিন্তু এইবোৰ কথা তোৰ আগত গাবলৈ যোৱাটো বলিয়ালি মাথোন। তই মাত্ৰ এটা কথা জানিব পাৰিবি— অকলশৰে থাকিবলৈ ভাল নোপোৱা সত্ত্বেও, হেয়াৰটনৰ সান্নিধ্যই মোক স্বস্তি দিয়াৰ সলনি তীব্ৰ মানসিক অশান্তিহে ভোগায় কিয়? সেইবাবেই তাক মই দূৰত ৰাখোঁ। পেহীয়েকৰ জীয়েকৰ লগত সি কিদৰে চলিছে সেই কথা জানিবলৈ মই সেইবাবেই নিবিচাৰোঁ। সিহঁতৰ প্ৰতি মই আৰু কোনো মনোযোগ দিব নোৱাৰোঁ।'



মই তাক সুধিলোঁ, 'কিন্তু পৰিবৰ্তনটো মানে তই কি বুজাইছ, হিথক্লিফ?' সি কথা কোৱাৰ ধৰণটো দেখি মোৰ চিন্তা হৈছিল। অৱশ্যে তাৰ যে বিচাৰ বুদ্ধি লোপ পাইছিল বা তাৰ মৃত্যু ওচৰ চাপিছিল তেনেও নহয়। মোৰ মতেৰে সি বেচ হৃষ্টপুষ্ট আৰু স্বাস্থ্যবানেই আছিল। অৱশ্যে কিছুমান অদ্ভুত কল্পনা আৰু অমূলক চিন্তা কৰাৰ অভ্যাস তাৰ সৰুকালৰ পৰাই আছিল। নৈৰাশ্যজনক কথাবোৰৰ প্ৰতি তাৰ আগ্ৰহ আছিল অধিক। তাৰ প্ৰয়াত প্ৰেয়সীৰ চিন্তাতে হয়তো সি পাগল হৈ গৈছিল। কিন্তু এই কেইটাৰ বাহিৰে বাকীবোৰ বিষয়ত সি মোৰ দৰেই সুস্থ আৰু স্বাভাৱিক আছিল।

'পৰিবৰ্তনটো নাহে মানে মই ক'ব নোৱাৰোঁ। মই এতিয়া জান-নেজানকৈহে ইয়াৰ আভাস এটা পাইছোঁ।'

'তোৰ কিবা অসুখ-বিসুখ ওলাৰ যেন লগা নাই নহয়?'

'নাই লগা নেলী।' সি উত্তৰত ক'লে।

'তোৰ মনত মৰণ-ভীতি সোমাইছে নেকি?'

'মৰণ-ভীতি? মুঠেই নাই সোমোৱা। মৃত্যুলৈ মোৰ ভয়ো নাই, তাৰ পূৰ্ব্বাভাসো মই পোৱা নাই, মৃত্যুলৈ মোৰ আশাও নাই। মৃত্যুলৈ মোৰ ভয় কিয় হ'ব? মোৰ এই গাঠলু শৰীৰ, সংযত জীৱন-ধাৰণ পদ্ধতি আৰু নিৰাপদ কামকাজ— এই বিলাকৰ পৰাতো মোৰ মূৰত এডাল চুলি থকালৈকে মোৰ আয়ুস থাকিব বুলি মই ভাবোঁ। তথাপিতো এই অৱস্থাত মই চলি থাকিব নোৱাৰোঁ। মই উশাহ লবলৈ যেন নিজকে সৌৱৰাই দিব লগা হয়। মোৰ হৃৎস্পন্দন অব্যাহত ৰখলৈকো যেন মই সৌৱৰাই দিব লগা হয়। মোটা স্প্ৰিং এডাল যেন পিঠি বেঁকা কৰি ভাঁজ দিব খোজাৰ দৰে কথা। সামান্য কাম একোটাও মই যেন বাধ্যবাধকতাত পৰিহে কৰোঁ। মৰাজীয়াৰ ভেদাভেদো যেন মোৰ স্বাভাৱিকতে চকুত নপৰে। মোৰ মনত মাত্ৰ এটাই ভাব— এটাই মাথোন বাসনা। আৰু সেই বাসনাৰ পূৰ্ণতাৰ বাবে মোৰ সমগ্ৰ সত্তাই ব্যাকুল হৈ প্ৰতীক্ষা কৰিছে। এনে অবিৰত আৰু তীব্ৰ এই প্ৰতীক্ষা যে মই ভাবো ই পূৰ্ণ নোহোৱাকৈ নাথাকিব। সোনকালেই হ'ব বুলি মোৰ বিশ্বাস। এই বাসনাই মোৰ সমগ্ৰ অস্তিত্ব গ্ৰাস কৰিছে। এই বাসনা চৰিতাৰ্থ হ'ব— এই আশাত মই নিমজ্জিত হৈ আছোঁ।'

'তোৰ আগত এই স্বীকাৰোক্তি কৰি যে মই স্বস্তি পাইছোঁ তেনে নহয়; কিন্তু মোৰ কিছুমান অদ্ভুত আচৰণৰ কাৰণ ইয়াত হয়তো পোৱা যাব। হায় প্ৰভু, কি সুদীৰ্ঘ এই যুদ্ধ! সোনকালেই ইয়াৰ সমাপ্তি ঘটিলেই হয়।'

কিছুমান ভয়ংকৰ কথা নিজকে নিজে কৈ কৈ সি কোঠাটোত ইফাল সিফাল কৰিবলৈ ধৰিলে। শেষত গৈ মই জোজেফৰ কথাকে বিশ্বাস কৰিলোঁ— বিবেকে তাৰ অন্তৰত তীব্ৰ আঘাত হানিছে, সেইবাবেই তাৰ এই অস্থিৰতা। ক'ত যে কেনেকৈ শেষ হ'ব এই যাত্ৰা কোনে জানে।

এনে এটা মানসিক অৱস্থা তাৰ আগতে নাথাকিলেও নিঃসন্দেহে ই আছিল অভ্যাসগত। তাক দেখিলে তাৰ এনে মানসিক দুশ্চিন্তা থকা বুলি অৱশ্যে কোৱা টান আছিল। লকউদ মহাশয়, আপুনি প্ৰথমবাৰ তাক লগ পাওঁতে তাৰ সম্পৰ্কে আপোনাৰো তেনে এটা ধাৰণা নিশ্চয় হোৱা নাছিল। মই যি সময়ৰ কথা কৈছোঁ সেই সময়তো তাৰ কোনো সননি চকুত পৰা নাছিল। মাত্ৰ সি নিৰ্জ্জনতা অধিক ভাল পোৱা হৈছিল আৰু কথাবাৰ্ত্তা প্ৰায় নোকোৱা হৈছিল।

# ৩৪

সেই সন্ধিয়াৰ পিচৰ কেইটামান দিনত হিথ্‌ক্লিফে আমাক খোৱাৰ সময়ত লগ নিদিয়া হ'ল। ইপিনে আৰু' হেয়াৰটন আৰু কেথিয়ে দেখা দিব নালাগে বুলিও নকয়। নিজৰ আবেগৰ ওচৰত ইমানকৈ আত্মসমৰ্পণ কৰাৰ ইচ্ছা তাৰ নাছিল যেন লাগে। সিহঁত আহিব নালাগে বুলি কোৱাতকৈ নিজে আঁতৰি থাকিব, সেয়ে তাৰ ভাব। দিনটোৰ ভিতৰত এবাৰ খালেই যথেষ্ট বুলি সি ভাবি লৈছিল।

এদিন ৰাতি, পৰিয়ালটো শোৱাৰ পিচত, সি ওপৰ মহলাৰপৰা খটখটিয়েদি নামি গৈ আগফালৰ দুৱাৰেদি ওলাই যোৱা মই গম পাইছিলোঁ। সি সোমাই অহাৰ শব্দ মই শুনা নাছিলোঁ। পিচদিনা পুৱালৈকে সি ঘূৰি অহা নাছিল।

তেতিয়া এপ্ৰিল মাহ। বতৰ আছিল সুন্দৰ, না জাৰ না জহ। প্ৰচুৰ বৰষুণ আৰু বেলিৰ অকৃপণ পোহৰৰ আদৰ পাই ঘাঁহনিবোৰ ডাঠ সেউজীয়া হৈ পৰিছিল। দক্ষিণফালৰ সীমাৰ বেৰৰ কাষত থকা চাপৰ জাতৰ আপেল গছ দুজোপা ডাল ভৰি ফুলিছিল।

পুৱাৰ আহাৰ খোৱাৰ পিচত, ঘৰৰ মূৰত থকা ফাৰ গছ জোপাৰ তলত চকী এখন পাৰি লৈ তাতে বহি মোৰ কাম কৰি থাকিবলৈ কেথেৰিণে মোক বাৰে বাৰে ক'লে। জোজেফৰ আপত্তিৰ পিচত বাগিচাৰ সেইটো মূৰতে তাই ফুলনিখন পাতিবলৈ লৈছিল। হেয়াৰটনক তাই চলাই-ভুলাই তালৈকো নিছিল— তাইৰ মাটিকণ খান্দি-কুৰি যুগুত কৰ পৰা কৰি দিব লাগে।

চাৰিওপিনে বসন্তৰ সুবাস। ওপৰত নীলা আকাশ। প্ৰকৃতিৰ এই মনোৰম পৰিবেশ হিয়াভৰি উপভোগ কৰি আছোঁ, এনেতে কেথেৰিনে উধাতু খাই অহাদি আহি ক'লে গোলে হিথ্‌ক্লিফ আহি আছে। তাই গৈছিল পদুলিৰ ওচৰৰ পৰা প্ৰিমৰ'জৰ শিপা আনিবলৈ। বাগানৰ দাঁতিত সেইবোৰ ৰোৱাৰ মন আছিল তাইৰ। পিচে এখনাহি শিপা তাই পুৰাকৈ নাপালেই। আধা খৰাহিকে লৈ তাই মোৰ ওচৰলৈ ফোঁপাই জোপাই আহি খবৰটো দিছিলহি। জপনামুখতে তাই হিথ্‌ক্লিফক দেখিছিল।

'মোৰ লগত তেওঁৰ কথাও হৈছিল', তাই অপ্ৰতিভ হৈ ক'লে।

'কি কৈছিলে তেওঁ?' হেয়াৰটনে সুধিলে।

'মোক যিমান পাৰি বেগাই আঁতৰ হবলৈ ক'লে', কেথিয়ে উত্তৰ দিলে। 'কিন্তু তেওঁক সাধাৰণতে দেখাতকৈ আজি একেবাৰে বেলেগ দেখিলোঁ। মই তেওঁক চাবলৈ এক মুহূৰ্ত সময় বৈয়ে গ'লোঁ।'

'কিনো বেলেগ দেখিলা?' মই সুধিলোঁ।

'ভাবিবই নোৱাৰি। বৰ স্ফূৰ্ত্তিৰে আছে। মনত বৰ আনন্দ। প্ৰফুল্লিত মনেৰে আছে।' কেথিয়ে উত্তৰ দিলে।

গাত নলগা ধৰণে মই মন্তব্য কৰিলোঁ, 'ৰাতি ফুৰিবলৈ গ'লে তাৰ গা-মন ভাল লাগে চাগে।' আচলতে ময়ো কেথিৰ সমানেই আচৰিত হৈছিলোঁ। তাক মোৰো চাবৰ মন গৈছিল, কাৰণ সি প্ৰফুল্ল মনেৰে থকাটো কাচিৎহে দেখা পোৱা গৈছিল। গতিকে ময়ো অজুহাত এটা উলিয়াই সোমাই গলোঁ।

মেলি থোৱা দুৱাৰখনৰ মুখতে হিথক্লিফ থিয়দি আছিল। তাক একেবাৰে শেঁতা দেখাইছিল, আৰু সি কঁপিছিল। তথাপিতো তাৰ চকুত এক আনন্দৰ দীপ্তিয়ে তিৰবিৰ কৰিছিল, ফলত তাৰ মুখৰ চেহেৰাই সলনি হৈ গৈছিল।

'চা-জলপান কিবা খাবিনে?' মই তাক সুধিলোঁ। 'গোটেই ৰাতি ফুৰি ফুৰিছ, ভোক লাগিব পায়।'

সিনো কলৈ গৈছিল মই জানিব খুজিছিলোঁ, কিন্তু ঢিধাচিধি সোধাৰ সাহ হোৱা নাছিল।

ভোক লগা নাই বুলি সি উত্তৰ দিলে আৰু মোৰ পৰা মুখখন ঘূৰাই ল'লে। উত্তৰটো যেন অৱজ্ঞাৰে দিছিল। তাৰ মনত ইমান স্ফূৰ্ত্তি লগাৰ কাৰণটো মই জানিবলৈ বিচাৰিছোঁ বুলি সি যেন বুজিহে পাইছিল।

মই অলপ বিব্ৰত বোধ কৰিলোঁ। তাক দুটামান কথা শুনাই দিয়াৰ এইটোৱেই সুযোগ বুলি ভাবি কওঁ নকওঁকৈ মই কলোঁ,

'ৰাতি শুই নাথাকি বাহিৰত ঘূৰি ফুৰাটো ভাল হোৱা নাই। বিশেষকৈ এই সেমেকা বতৰত। তোৰ পানী নলগাকৈ নাথাকিব, চাবি বাৰু। জ্বৰো উঠিব পাৰে। তোৰ কিবা হৈছে যেন লাগিছে।'

'যি হৈছে সহি থাকিব পৰাহে হৈছে। পৰম আনন্দেৰে সহি থাকিম। তই বাৰু যাচোন এতিয়া। তই ভিতৰলৈ যাগে। মোক আমনি নিদিবি।'

মই তাৰ ওচৰৰ পৰা আঁতৰি গ'লোঁ, কিন্তু যাওঁতে সি ঘন ঘনকৈ উশাহ লোৱা শুনিলোঁ।

'ঠিকেই। মই ঠিকেই বুজিছোঁ। ঘৰখনত বেমাৰ-আজাৰ এটা নোলোৱাকৈ নাথাকিব। মানুহটোৱে কৰিছে কি মই বুজিব পৰা নাই।' মই মনতে ভাবিলোঁ।

সেইদিনা দুপৰীয়া সি আমাৰ লগত খাবলৈ বহিছিল। খাবলৈ বৰ এদম তাৰ কাঁহীত ভৰাই দিবলৈ সি মোক ক'লে। আগৰ লঘোণটো যেন পূৰাই ল'ব।

মই ৰাতিপুৱা কোৱা কথাৰ সূত্ৰ ধৰি সি ক'লে, 'মোৰ পানীলগাও নাই, জ্বৰো উঠা নাই, নেলী। তই দিয়াখিনি আহাৰ মই খাব পাৰিম।'

কাটা চামুচ লৈ সি খাবলৈ ধৰিলে, কিন্তু আচৰিতে যেন তাৰ খোৱাৰ ইচ্ছা



নাইকিয়া হৈ গ'ল। দিয়া আহাৰ নিয়াতে থাকিল, কাটা চামুচ সি মেজতে এৰিলে, আৰু খিৰিকিৰ পিনে একান্ত দৃষ্টিৰে চালে। অলপ পিচতে সি উঠি ওলাই গ'ল।

আমি আহাৰ খাই থকা সময়খিনিত তাক বাগানত ইপিনে সিপিনে অহাযোৱা কৰি থকা দেখিছিলোঁ। হেয়াৰটনে ক'লে বোলে সি নাখায় কিয় সি গৈ সুধিব। আমি তাৰ কিবা জগৰ লগালোঁ বুলি সি ভাবিছিল।

সি ঘূৰি আহিলত কেথেৰিনে সুধিলে, 'আহিছেনে তেওঁ?'

হেয়াৰটনে ক'লে, 'নাই অহা। কিন্তু তেওঁৰ খং উঠি থকাও নাই। তেওঁ আজি বৰ প্ৰশান্ত মনে আছে। মাত্ৰ মইহে দুবাৰ একেটা কথাকে কৈ তেওঁৰ খং তুলিলোঁ। পিচে তেওঁ মোক তোমাৰ ওচৰলৈ পঠাই দিলে। তোমাৰ বাহিৰে আন কাৰোবাৰ লগ মই ল'ব পাৰোঁ বুলি তেওঁৰ বিশ্বাসেই নহয়।'

মই তাৰ খোৱাখিনি গৰমে থাকিবলৈ চুলাৰ ওচৰতে ঢাকি ৰাখিলোঁ। দুই এঘণ্টামানৰ পিচত সি ঘূৰি আহিল, তাৰ ক'লা ভ্ৰূযুগলৰ তলত সেই একেই অস্বাভাৱিক শান্ত, সৌম্য, আৰু প্ৰফুল্লিত ভাব। সেই একেই শেঁতা ৰং। মাজে মাজে হাঁহিৰ বেঙনি এটা যেন তাৰ মুখত বিৰিঙি উঠিছিল আৰু তাৰ দাঁত দুপাৰী জিলিকি ওলোৱা চকুত পৰিছিল। মানুহটোৰ গাটো কঁপিছিল, পিচে জাৰত বা দুৰ্ব্বলতাত কঁপাদি কঁপা নাছিল। দুমূৰ টানকৈ বন্ধা তাঁৰ এডালত আঙুলিৰ পৰশ বুলালে যেনে মৃদু কঁপনি উঠে, তেনে কঁপনি। ঠিক কঁপনি নহয়, শিহৰণ বুলি ক'লেহে ঠিক হ'ব।

মানুহটোৰ নো হৈছে কি মই সুধিবলৈ ঠিক কৰিলোঁ। মই নুসুধিলেনো কোনে সুধিব।

বিস্ময় প্ৰকাশ কৰি মই তাক সুধিলোঁ, 'হিথক্লিফ, তই কিবা শুভ সংবাদ পাইছনে কি? তই বৰ ৰংমনে আছ। সাধাৰণতে তই ইমান আনন্দমনে নাথাক।'

'মোলৈ শুভ সংবাদ আহিব ক'ৰ পৰা?' সি ক'লে। 'ভোক লাগিছে মোৰ আনন্দ লাগিছে। পিচে মোৰ খাবৰো মন নাই।'

'তোৰ দুপৰীয়াৰ আহাৰ ইয়াতে সজাই থোৱা আছে; নাখাৱ কিয়?'

সি টপৰাই উত্তৰ দিলে, 'এতিয়া মোক একো খাবলৈ নালাগে। গধূলিলৈকে ৰওঁ। আৰু নেলী, মই শেষবাৰৰ কাৰণে কৈছোঁ— হেয়াৰটন আৰু সিটো প্ৰাণী যেন মোৰ আগলৈ নাহে, সাৱধান কৰি দিবি। মোক কোনেও আমনি কৰি থকাটো মই নিবিচাৰোঁ। মই ইয়াত অকলে থাকিম।'

'এই আত্ম-নিৰ্বাসনৰ কিবা নতুন কাৰণ আছে নেকি?' মই তাক সুধিলোঁ। 'হিথক্লিফ, মোক কচোন, তোৰ এই অস্বস্তিৰ কাৰণ কি? যোৱা নিশা তই ক'ত আছিলি? অনৰ্থক কৌতূহলৰ বাবে মই তোক প্ৰশ্নটো কৰা নাই। কিন্তু—'

হাঁহি হাঁহি সি উত্তৰ দিলে, 'অকাৰণ কৌতূহলত তই প্ৰশ্নটো সুধিছ। মই কওঁ বাৰু, শুন। যোৱা নিশা মই নৰকৰ দুৱাৰডলিত ভৰি দিছিলোঁগৈ। আজি মই মোৰ স্বৰ্গ চকুৰ

আগত দেখিবলৈ পাইছোঁ। এতিয়া তাতেই মোৰ দৃষ্টি নিবদ্ধ। তিনি ফুটতকৈও কম ব্যৱধান। তই বাৰু এতিয়া যাচোন। তই জুপি ফুৰিব নালাগে। ভয় খাব লগা একো দেখিবলৈ বা শুনিবলৈ তই নাপাবি।'

জুহালৰ কাষখিনি সাৰি পুচি থৈ, মেজখনো আঁতাই মেলি মই একো উত্তৰদিহ নোপোৱা হৈ তাৰ পৰা আঁতৰি গলোঁ।

সেইদিনা আবেলি সি কোঠাৰ পৰা নোলাল, কোনেও তাৰ নীৰৱতাও ভংগ নকৰিলে। আঠ বজাত, আপোন ইচ্ছাতে, মই তাৰ ৰাতিৰ আহাৰৰ থালখন আৰু মমবাতি এডাল লৈ তাৰ কোঠালৈ গলোঁ। এইটো কাম মই মোৰ কৰ্তব্য বুলি ধৰিছিলোঁ।

সি খোলা খিৰিকি এখনত হেলান দি আছিল, কিন্তু বাহিৰলৈ চাই থকা নাছিল। ভিতৰৰ অন্ধকাৰতহে তাৰ দৃষ্টি নিবদ্ধ আছিল। কোঠাৰ জুই নুমাই পানীছাই হৈছিল। ডাৱৰীয়া পখুলিৰ সেমেকা বতাহ কোঠাটোত সোমাইছিল। কোঠাটো ইমান নিমাওমাও আছিল যে কেৱল গিমাৰটনৰ নিজৰাৰ সোঁতৰ শব্দই কাণত পৰা নাছিল, ডাঙৰ সৰু শিলৰ ওপৰেদি বাগৰি যাওঁতে হোৱা টৌৰ শব্দও মই ধৰিব পাৰিছিলোঁ।

'ছেঃ, জুইকুৰা একেবাৰে নুমাই গ'ল' বুলি মই কলোঁ, কিন্তু তেতিয়াই নতুনকৈ ধৰিবলৈ নলৈ, কোঠাটোৰ খিৰিকিবোৰহে ইখনৰ পিচত সিখনকৈ জপাবলৈ ধৰিলোঁ। তাৰ খিৰিকিখনৰ ওচৰ পাই মই 'জপাই দিওঁনে' বুলি তাক সুধিলোঁ। তাক সাৰপোৱাই দিবলৈকে মই সেইবুলি সুধিলোঁ, কাৰণ সি লৰচৰেই কৰা নাছিল।

তাৰ লগত কথা কওঁতে মমৰ পোহৰ তাৰ মুখত পৰিছিল। খন্তেকলৈ তাৰ মুখখন দেখি মই কিমান যে ভয় খালোঁ, আপোনাক ক'ব নোৱাৰোঁ, মিঃ লকউদ। সেই গভীৰ ক'লা চকু হাল। সেই মিচিকিয়া হাঁহি। সেই ভয়ংকৰ বিবৰ্ণ মুখ— মৰাৰ নে জীয়াৰ ধৰা টান। মোৰ এনেহে লাগিছিল যেন মোৰ আগত থিয় দি থকাটো হিথক্লিফ নহয়, এটা প্ৰেতাত্মাহে। ভয়তে মোৰ হাতভৰি কঁপিবলৈ ধৰিলে, মমবাতিডাল বেৰত ঢোকোৰা খালে আৰু নুমাই থাকিল। আমি গভীৰ অন্ধকাৰত ডুবি গলোঁ।

তাৰ স্বাভাৱিক মাতেৰে হিথক্লিফে ক'লে, 'সে, জপাই দে। এ, সেয়া, খপজপখন কৰিছ কেলৈ? মমডাল পথালিকৈ ধৰিছিলি কেলেই? পোনাই হে ধৰিব লাগিছিল। খৰ কৰ, আন এডাল আনগৈ।'

ভয়ত মোৰ জীৱ বাজ হ'ব যেন হৈছিল। মই কোঠাৰপৰা ওলাই লৰ মাৰিলোঁ, আৰু জোচেফক কলোঁগৈ যে গৃহস্বামীয়ে তাক কোঠাত পোহৰ এটা থৈ আহিবলৈ আৰু জুইকুৰা জ্বলাই দিবলৈ কৈছে। তেতিয়াই আকৌ তাৰ আগলৈ যোৱাৰ সাহস মোৰ নাছিল।

টিকাইখনত অঙঠা এগাল ভৰাই লৈ জোচেফ গ'ল, কিন্তু লগে লগেই যোৱা ভাগেই ঘূৰি আহিলে। এহাতে হিথক্লিফক দিয়া খোৱাবস্তুৰ থালখনো লৈ আহিলে। সি ক'লে বোলে গিৰিহঁত শুবহে, আৰু ৰাতিপুৱালৈকে সি একো খাব খোজা নাই।



লগে লগে সি চিৰি বগাই উঠি যোৱা শব্দ আমাৰ কাণত পৰিল। সাধাৰণতে যিটো কোঠাত সি শোৱে তালৈ সেইদিনা সি নগ'ল, গ'ল ওচৰৰ পালেং থকা কোঠাটোলৈ। সেই কোঠাটোৰ খিৰিকিখন মানুহ সৰকিব পৰা জোখাৰে বহল। সেইদিনা ৰাতিও সি বাহিৰ ওলাই যাবৰ মতলব কৰিছে বুলি মোৰ সন্দেহ হ'ল। আমাৰ মনত সন্দেহ নহবৰ বাবেই তাৰ এইবোৰ ফাকটি।

মই মনে মনে ভাবিলোঁ, 'ভূত নে প্ৰেত?' ভয়ংকৰ পিশাচে মানুহৰ ৰূপ লৈ থাকে বুলি মই কিতাপত পঢ়িছোঁ। লগে লগে মোৰ মন তাৰ ল'ৰাকাললৈ উৰা মাৰিলে। সৰুৰে পৰা মই তাক ডাঙৰ দীঘল কৰিছোঁ। ল'ৰা গুচি ডেকা হোৱা দেখিছোঁ। তাৰ গোটেই জীৱনটো মোৰ আগতে অতিবাহিত হোৱা দেখিছোঁ। তেন্তে আজিনো এনে অদ্ভুত ভয়ংকৰ চিন্তা কিছুমানক মোৰ মূৰত মই ঠাই দিছোঁ কেনে?

মই টোপনিত পৰিলোঁ। সপোনত কিছুমান বিভ্ৰান্তিকৰ চিন্তাই মোক জুমুৰি দি ধৰিলে। এই ল'ৰাটোক ক'ৰ পৰা বুটলি আনিছিলে? ক'লা-ম'লা এই আপদটোক? এজন সৎলোকে ইয়াক ডাঙৰ দীঘল কৰি নিজৰ দুৰ্দশা চপাই ল'লে। বোধহয় তাৰ মাক-বাপেক ভালৰ ঘৰৰে আছিল। তাৰ সমগ্ৰ জীৱনৰ গতি মই আকৌ ইমূৰৰপৰা সিমূৰলৈ ধীৰে ধীৰে অনুধাৱন কৰি চালোঁ। অ'ত ত'ত হতাশজনক পৰ্যায়। সপোনত মই তাৰ মৃত্যু আৰু সমাধিৰ আয়োজন কৰা দেখিলোঁ। তাৰ সমাধিৰ ফলকত কি লিখা হ'ব? কবৰ খন্দা মানুহটোকে আমি সেই কথা সুধিছিলোঁ। তাৰ বংশ পৰম্পৰাৰ উপাধি নাছিল। উকা হিথক্লিফ মাথোন তাৰ নাম। তাৰ বয়স কিমান কোনেও নাজানে। শেষত সেয়ে হ'লগৈ। তাৰ সমাধিৰ প্ৰস্তৰত মাত্ৰ 'হিথক্লিফ' নামটো আৰু মৃত্যুৰ তাৰিখটো লিখা ৰ'ল।

এইবোৰ আছিল মোৰ ক্লান্ত মনৰ অলস চিন্তা। পিচদিনা পুৱালৈ মোৰ চিন্তাৰ আঁত লাগিল। বিচনাৰপৰা উঠিয়েই মই বাগানত সোমালোঁ। তাৰ খিৰিকিৰ তলত খোজৰ চিন চাব কিবা আছেনে নাই মই চাইছিলোঁ। একো চিন নেদেখিলোঁ।

'নিশাটো ঘৰতে আছিল নিশ্চয়। আজি তাৰ মনচন ভাল হ'ব লাগে।'— এইটো আছিল মোৰ ধাৰণা।

সচৰাচৰ কৰাৰ দৰে সেইদিনাও ঘৰ ঘৰোৱাহৰ বাবে মই পুৱাৰ জা-জলপানৰ দিহা কৰিলোঁ। হিথক্লিফৰ পলমকৈ উঠাৰ অভ্যাস। গতিকে সি তললৈ নামি অহাৰ আগতেই হেয়াৰটন আৰু কেথেৰিণক মই সিহঁতৰ জা-জলপান খাই আঁতৰি যাবলৈ কলোঁ। সিহঁতে বাহিৰত গছ এজোপাৰ তলত খাব খুজিলে। মই তালৈকে সৰু মেজ এখন নি দিলোঁ।

ঘূৰি আহি কোঠাটো সোমাই হিথক্লিফক তলৰ মহলাত দেখা পালোঁ। জোচেফৰ লগত সি কিবাকিবি খেতিৰ কথা পাতি আছিল। আলোচ্য বিষয়টোৰ সম্পৰ্কত সি তাক থুলমূল আৰু পুংখানুপুংখকৈ দিহা-পৰামৰ্শ দিলে। পিচে সি কথাবোৰ খৰকৈ কৈ গৈছিল। মাজে মাজে মূৰটো ঘূৰাই এপিনেদি চায়। মনটোত যেন কিবাকিবি ছাটিফুটি ভাব। এক চেপা উত্তেজনা। চকুত সেই একেই তিৰবিৰণি।

'য়োজেফ লোঁঠাটোৰ পৰা যোৱাৰ পিছত সি সদায় বহা ঠাইতে বহিলে। মই তালৈ কৰি এগিলাচ আগবঢ়াই দিলোঁ। সি গিলাচটো ওচৰ চপাই দিলে আৰু হাত দুখন মেজৰ ওপৰত মেলি দিলে। সন্মুখৰ বেৰখনৰ এটা বিশেষ অংশলৈ সি স্থিৰ দৃষ্টিৰে চাই ৰ'ল। ইমান একাত্মমনে চাই আছিল যে এবাৰ আধা মিনিটমান সময় তাৰ উশাহেই বন্ধ হৈ গৈছিল।

তাৰ হাতত ৰুটি এটুকুৰা তুলি দি মই কলোঁ, 'ৰৈ থাকিব নালাগে, খা। তপতে তপতেই খা। এইবোৰ কৰিবলে এঘণ্টামান হ'ল।'

সি মোলৈ চোৱাই নাছিলে। তথাপিতো সি মিচিকিয়াই হাঁহিলে। তাৰ সেই হাঁহিটোকে তাৰ দাঁত কৰচনিকে চাবলৈ মই ভাল পালোহেঁতেন। মই তাক কলোঁ,

'হিথক্লিফ। ভগৱানৰ দোহাই, কিবা ভূত দেখাদি সেইফালে চাই নাথাকিবি।'

সি উত্তৰ দিলে, 'ভগৱানৰ দোহাই। ইমান ডাঙৰকৈ নিচিঞৰিবি। ঘূৰি চাই মোক কচোন, আমি অকলে আছোনে?'

'অকলে তেনে। আমি অকলে আছোঁ। কোনো লগত নাই আমাৰ।'

তথাপিতো, অনিচ্ছাকৃতভাবে তাৰ কথা মানি মই ঘূৰি চালোঁ। মোৰ কথা যে সঁচা সেইটোকে মই তাক দেখুৱাব খুজিছিলোঁ।

মেজৰ ওপৰত বস্তুবোৰ হাতেৰে ঠেলি সি অলপ ঠাই উলিয়াই ল'লে, আৰু আৰামেৰে সন্মুখৰ বেৰৰ সেই ঠাইটুকুৰালৈ চাবলৈ হাতত মূৰ দি হালি দিলে।

এইবাৰহে মই মন কৰিলোঁ যে সি বেৰখনলৈ চাই থকা নাছিল। তালৈ ভালদৰে লক্ষ্য কৰি দেখিলোঁ যে দুগজ দূৰত্বতে থকা কিবা এটালৈহে সি চাই আছিল। যিহকে নাচাওক কিয়, চাই চাই তাৰ মনত আনন্দ লাগিছিল যিমান, দুখো লাগিছিল সিমান। তাৰ বেদনাহত অথচ গভীৰ ভাবাবিষ্ট আৰু উল্লসিত মুখখন দেখিলেই তেনে ধাৰণাহ হৈছিল।

তাৰ দৃষ্টিৰ যি লক্ষ্যবস্তু, সিও স্থিৰ হৈ থকা নাছিল। তাৰ দৃষ্টিয়ে অক্লান্ত সতৰ্কতাৰে যেন তাক অনুধাৱন কৰিছিল। মোৰ লগত কথা কওঁতেও তাৰ দৃষ্টি লক্ষ্যৰ পৰা আঁতৰি যোৱা নাছিল।

সি বহুতপৰ একো নোখোৱা নোবোৱাকৈ থকা কথাটো মই তাক সোঁৱৰাই দিলোঁ, কিন্তু লাভ একো নহ'ল। মই কুটুৰি থকা বাবে কিবা এটাত হাত দিলেও, তাতেই লাগি ধৰা যেন হয়, লৰচৰ নকৰে। ৰুটি এটুকুৰা আঙুলিৰে লিৰিকি বিদাৰি চালে,— কিন্তু মুখলৈ নিনিলে। হাত মেজতে থাকিল। কি কৰিবলৈ ওলাইছিল যেন চালেহে, পাহৰিলেই!

মই পৰম ধৈৰ্য্যৰে তাৰ ওচৰত বহি আছিলোঁ। তাৰ একান্ত অভিনিবিষ্ট মনটো মই শিথিল কৰিবলৈ চাইছিলোঁ। শেষত গৈ খৈ তাৰ খং উঠিল। ঘপকৰে থিয় দি সি মোক ক'লে, 'যেতিয়া খাবৰ মন যায়, খাম নহয়, লাগি আছ কিয়? এতিয়াৰ পৰা আৰু ৰৈ



নাথাকিবি; খোৰাখিনি ঢাকি থৈ গুচি যাবি, হ'ব।' এইবুলি কৈয়েই সি বাহিৰ ওলাল, বাগানৰ আলিয়েদি লাহে লাহে খোজ বুলালে, আৰু এসময়ত জপনা পাৰ হৈ দেখো হৈ আঁতৰি গ'ল।

গোটেই দিনটো মই চিন্তাত কটালোঁ। আকৌ সন্ধিয়া লাগিল। বহুত ৰাতিলৈকে মই পৰ দি থাকিলোঁ। তাৰ পিচতো শুবলৈ গৈ শুব নোৱাৰিলোঁ।

মাজনিশাৰ পিচত সি ঘূৰি আহিল; আহিলহে, শুবলৈ হ'লে নগ'ল। তলৰ মহলাৰ কোঠাটোতে সি সোমাই থাকিল। মই কাণ উনাই, বিচনাতে থৰমৰাই পৰি আছিলোঁ। পিচে এশ এটা অমংগলীয়া ভাবনা মূৰত সুমাই লৈ পৰি থকাটো বৰ ক্লান্তিকৰ হ'ল। শুই থকাৰ পৰা উঠি মই তললৈ নামি আহিলোঁ।

পৰিচিত খোজৰ পৰা, কোঠাৰ ভিতৰতে সি অস্থিৰভাৱে ইফাল সিফাল কৰি আছে বুলি মই ধৰিব পাৰিছিলোঁ। মাজে মাজে দীঘল দীঘলকৈ উশাহ লয়। কেঁকনিৰ দৰে শুনি। ভিতৰৰ নীৰৱতা যেন খণ্ডেকলৈ ভংগ হয়। অসংলগ্ন শব্দ কিছুমান সি উচ্চাৰণ কৰাও মোৰ কাণত পৰিছিল। তাৰ ভিতৰত বুজিব পৰা একমাত্ৰ শব্দটো হ'ল 'কেথেৰিণ'। তাৰ লগতে উন্মত্ত বেদনা বা বাসনা সূচক কেইটামান শব্দ। কোৱাৰ ধৰণটো আগত ৰৈ থকা কাৰোবাৰ পিনে চাই কোৱাৰ দৰে সৰু সৰুকৈ, একান্তভাৱে। যেন আত্মাৰ গভীৰতাৰ পৰাহে বিচ্ছিন্ন হৈ শব্দকেইটা আহিছে।

কোঠাৰ ভিতৰলৈ পোনে পোনে সোমাই যোৱাৰ সাহস মোৰ নাছিল। কিন্তু তাৰ এই একান্ত ভাবাচ্ছন্নতাৰপৰা মুক্ত কৰিবলৈ মই বিচাৰিছিলোঁ। তাৰে উপায় চিন্তি মই পাকঘৰত, নুমাই থকা জুইকুৰা ধৰাব যো-জা কৰিলোঁ। জুই জ্বলাবলৈ লোৱাৰ গম পাই সি মই ভবাতকৈ আগতেই ওলাই আহিল। দুৱাৰখন খুলি সি মোক ক'লে,

'নেলী, এই পিনে আহ। ৰাতিপুৱাল নে কি? তোৰ হাতত থকা মমবাতিডাল লৈ ইয়ালৈ আহ।'

মই কলোঁ, 'চাৰি বজাৰ ঘণ্টা পৰিছে। ওপৰলৈ যাবলৈ তোক মমবাতি এডাল লাগিব। এই জুইতে এডাল জ্বলাই ল'ব পাৰিলোহেঁতেন।'

'ওপৰলৈ মই উঠিব খোজা নাই। সোমাই আহ। মোক জুই একুৰা ধৰি দে। কোঠাটোৰ ভিতৰত যি যি কৰিব লগা আছে, চাই চিতি কৰ।'

'আগতে কয়লাখিনিকে ফুৱাই ফুৱাই জ্বলাব লাগিব। তাৰ পিচতহে আন কামত হাত দিব পাৰিম।'

মই জুই ধৰাত লাগিলোঁ।

প্ৰায় উন্মাদভাৱে সি ভিতৰতে ইফালে সিফালে অহাযোৱা কৰি থাকিল। ঘনে ঘনে দীঘল দীঘল হুমুনিয়াহ। ইমান ঘন যে স্বাভাৱিকভাৱে উশাহ লবলৈ যেন তাৰ অৱকাশেই নাছিল।

'ৰাতিপুৱালে গ্ৰিনক (উকীলজনক) মই মাতি পঠাম।' সি মোক শুনাই ক'লে। 'আইনৰ কথা কেইটামান সুধি লবলগা আছে। ধীৰে সুস্থিৰে চিন্তা-ভাবনা কৰিবপৰা

হৈ থাকোতেই আৰু সময়ো থাকোতেই এইবোৰ কৰি থব লাগিব। মোৰ ইচ্ছাপত্ৰ মই এতিয়াও লিখা নাই। মা-সম্পত্তিৰ ব্যৱস্থানো কি কৰি থৈ যাম একো ঠিকেই কৰিব পৰা নাই। সমস্ত সম্পত্তি নষ্ট কৰি নাইকিয়া কৰিব পাৰিলেই ভাল আছিল।'

মই মুখ পাতি ধৰিলোঁ। 'এইবোৰ কথা এতিয়ালৈ থাকক, হিথক্লিফ। তোৰ ইচ্ছাপত্ৰৰ চিন্তাও সদ্যহতে এৰ। তোৰ অসংখ্য অন্যায়-অবিচাৰৰ বাবে অনুশোচনা কৰিবলৈ তই এতিয়াও বহুত সময় পাবি। তোৰ মানসিক শক্তি যে ইমান সোনকালে বিপৰ্যস্ত হ'ব মই ভবাই নাছিলোঁ। এতিয়া দেখিছোঁ হৈছে, আৰু অতি আশ্চৰ্য্যজনক ভাবেই হৈছে। আৰু হৈছেও প্ৰায় অকল তোৰ দোষতেই। যোৱা তিনিদিন তই যিদৰে কটাইছ, সেইদৰে কটালে ভীমবলী পুৰুষবো টান পৰে। মই কাবৌ কৈ কৈছোঁ, তই অলপ খোৱাবোৱা কৰ, আৰু বিশ্ৰাম ল। আহাৰ আৰু জিৰণিৰ তোৰ কিমান প্ৰয়োজন হৈছে দাপোণত মুখখন চালেই নিজেই বুজিব পাৰিবি। তোৰ গাল সোমাই গ'ল; চকুদুটা লঘোণীয়া মানুহৰ দৰে টৈৰ টৈৰ কৰে বৰ্ডা পৰিছে, আৰু সুদীৰ্ঘ নিদ্ৰাহীনতাৰ বাবে যেন অন্ধ হৈ যাবলৈ ধৰিছে।'

'খাব শুব নোৱৰাটো মোৰ দোষ নহয়', হিথক্লিফে উত্তৰ দিলে। 'ইচ্ছাকৃতো নহয়। মই পৰাহলেই খামো, শুমো, দুয়োটা কৰিম। সাগৰত সাঁতুৰি থকা মানুহ এটাক পাৰ পোৱাৰ আগে আগে সাতোঁৰা বন্ধ কৰিবলৈ কোৱাৰ নিচিনা অবিবেচনাৰ কথা তই কৈছ। আগতে মই পাৰ পাই লব লাগিব, তাৰ পিচত বিশ্ৰামৰ কথা। মিঃ গ্ৰিনক বাৰু মাতিব নালাগে, থাকক। তই যে মই মোৰ অন্যায় অবিচাৰৰ বাবে অনুশোচনা কৰাৰ কথা কৈছ, মই কোনো অন্যায় কৰা নাই। অনুশোচনা কৰাবো মোৰ একো নাই। মই খুব সুখী, অথচ যথেষ্ট সুখী নহয়। মোৰ আত্মাৰ পৰমানন্দই মোৰ শৰীৰৰ বিনাশ ঘটাইছে, কিন্তু ই সন্তুষ্ট নহয়।'

'সুখী? সুখী বুলি তই কৈছ নিজকে?' মই প্ৰায় চিএৰি চিএৰিয়েই কলোঁ। 'আচৰিত সুখ। খং নকৰি যদি শুনিবি বুলি কব, তোক মই কিছু উপদেশ দিম। তই এতিয়াতকৈ অধিক সুখী হবি।'

'কিনো ক'ব খুজিছ, কচোন', সি ক'লে।

মই ক'বলৈ ললোঁ, 'হিথক্লিফ, তই স্বীকাৰ কৰিবি যে তেৰ বছৰ বয়সৰ পৰাই তই এক স্বাৰ্থপৰ, অখ্ৰিষ্টিয়ান জীবন যাপন কৰি আহিছ। খুব সম্ভৱ বাইবেল এখন আজিলৈকে তোৰ হাতত নাই। বাইবেলত কি আছিল তই পাহৰিলি, আৰু এতিয়া নতুনকৈ বিচাৰাৰ সময়ো নাই। যিকোনো পন্দীৰে যাজক এজনক মতাই অনালে কেনে হয়? তেওঁ আহি ক'ত ক'ত ভুল হ'ল, ক'ত ক'ত বাইবেলৰ বাণী তই উলঙ্ঘা কৰিলি তোক দেখুৱাই দিব পাৰিব। চকুমুদাৰ আগতে যদি তোৰ একো সলনি নহয়, তেন্তে বাইবেলত কোৱা স্বৰ্গৰাজ্যলৈ যোৱাৰ অৰ্হতাও তোৰ নহব বুলি পাদুৰী এজনে তোক বুজাব পাৰিব।'

'নেলী, খং উঠক ছাৰি মই ভালহে পাইছোঁ', হিথক্লিফে মোক ক'লে, 'মইনো



মোৰ সমাধি কেনেকৈ দিয়াটো বিচাৰোঁ সেই কথা কবলৈ তোৰ কথাই সোঁৱৰাই দিলে। গধূলি সময়ত গীৰ্জ্জাৰ চৌহদলৈ মোৰ শটো কঢ়িয়াই নিব। মন যায় যদি তয়ো হেয়াৰটনে লগত যাবি। কবৰ খন্দা মানুহটোৱে যাতে মই কফিন দুটাৰ সম্পৰ্কত দিয়া নিৰ্দ্দেশ মনত ৰাখে। কোনো পাদুৰী যোৱাৰ দৰ্কাৰ নাই। মোৰ শটোৰ ওপৰত কোনো প্ৰাৰ্থনা মন্ত্ৰও মাতিব নালাগে। মই তোক কৈছোঁৱেই নহয়, মোৰ স্বৰ্গ মই প্ৰায় পাইছোঁৱেই। আনৰ স্বৰ্গ মই নিবিচাৰোঁও, নালাগেও।'

'এইদৰে আকোঁৰগোজ হৈ অনশন কৰি থাকোঁতেই যদি মৰি থাক তেন্তে কি হ'ব? তোক গীৰ্জ্জাৰ চৌহদলৈ লৈ যাবলৈ যদি কোনো মান্তি নহয়?' তাৰ অধাৰ্মিক, বেপৰোৱা ভাবৰ বাবে চিন্তিত হৈ মই তাক সুধিলোঁ। 'তেতিয়া কেনে পাবি?'

'নকৰে তেনেকুৱা। আৰু যদি কৰেও, তই মোক তালৈ মনে মনে পাৰ কৰাবি। তয়ো আওহেলা কৰিলে কথাই কামে প্ৰমাণ হৈ যাব যে মৃতক হলেই বিলুপ্ত হৈ নাযায়।'

পৰিয়ালৰ বাকী কেইটা প্ৰাণী উঠাৰ গম পায়েই সি নিজৰ কোঠাত সোমালগৈ, ময়ো স্বস্তিৰে উশাহ ল'ব পৰা হলোঁ। কিন্তু আবেলিলৈ, জোজেফ আৰু হেয়াৰটন নিজ নিজ কামত ব্যস্ত থকাৰ সুযোগ লৈ সি আকৌ পাকঘৰলৈ আহিল। এক উদ্ভ্ৰান্ত দৃষ্টিৰে মোলৈ চাই সি মোক তাৰ কোঠালৈ মাতিলে— তাত বোলে বহিবগৈ লাগে। তাৰ লগত কোনোবা থকাটো সি বিচাৰিছে।

মই মান্তি নহলোঁ। তাৰ অদ্ভুত কথাবাৰ্ত্তা আৰু আচৰণৰ বাবেঁ মোৰ ভয় লাগে বুলি মই খোলাখুলিকৈয়ে কলোঁ। অকলে তাৰ সঙ্গী হোৱাৰ সাহস আৰু ইচ্ছা এটাও মোৰ নাছিল।

তাৰ সেই বিষণ্ণ হাঁহিটো মাৰি হিথক্লিফে মোক ক'লে, 'তই কিজানি মোক দানব বুলিয়েই ভাব। সজ লোকৰ সঙ্গত থকাৰ অযোগ্য।'

কেথেৰিণো মোৰ ওচৰতে থিয় দি আছিল। হিথক্লিফক অহা দেখি তাই মোৰ পিচপিনে গা ঢকা দিছিলে। এইবাৰ সি তাইক বিদ্ৰূপৰ সুৰত সুধিলে,

'আহিটি, তই আহিবিনে? মই তোৰ একো অনিষ্ট নকৰোঁ। নাই নহয়? তোৰ ওচৰত মই নিজকে চয়তানতকৈও অধইচ বুলি প্ৰমাণ কৰি থৈছোঁ। ঠিক আছে, মোৰ সঙ্গ কদাপিও পৰিহাৰ নকৰা এগৰাকী কিন্তু আছে। ভগৱান সাক্ষী ৰ'ব, তাই একেবাৰে নিৰ্মম। কি জহান্নামে যোৱা কথা। তেজ মঙহৰ মানুহে এই সঙ্গ সহ্য কৰাটো কিমান টান কোৱা নাযায়। ময়ো নোৱাৰো সহিব।'

আন কাৰো সঙ্গ আৰু সি নিবিচাৰিলে। গধূলি হলত সি নিজৰ কোঠালৈ গ'ল। পুৱালৈকে ৰাতিৰ ৰাতিটো সি কেঁকাই থকা আৰু নিজকে নিজে অস্পষ্টকৈ কিবা কৈ থকা আমাৰ কাণত পৰিছিল। হেয়াৰটন কোঠালৈ সোমাই যাব খুজিছিলে, পিচে মই তাক ডঃ কেনেথক মাতি আনিবলৈহে পঠালোঁ। তেওঁ আহি চাওক হিথক্লিফৰ কি হৈছে।

ডাক্তৰ আহিলত তেওঁক দেখুৱাবলৈ দিবলৈ হিথক্লিফক মই অনুৰোধ কৰিলোঁ, আৰু দুৱাৰখন খুলিবলৈ চালোঁ। দুৱাৰত তলা মৰা। সি আমাক কৰ্কশনাহে কৰিলে। ক'লে যে তাৰ ভাল হৈছে, আৰু তাক নিৰলে থাকিবলৈ লাগে। সেইদেখি ডাক্তৰ গুচি গ'ল।

সেইদিনা গধূলিলৈ বৰ বৰষুণ হৈছিল। পিচদিনা পুৱালৈকে বৰষুণ নেৰিলেই। ৰাতিৰ ৰাতিটো চলিলে। পুৱা ঘৰটোৰ চাৰিওপিনে এপাক মাৰোঁতে দেখোঁ গৃহস্থৰ কোঠাৰ খিৰিকি দুফাল হৈ আছে, আৰু আছাৰেকণিৰ পানীয়ে ভিতৰখন তিয়াইছে।

সি শুই থকা নাই বুলি মোৰ ভাব হ'ল, কাৰণ বিচনাত থাকিবলৈ হ'লে সি তিতিবুৰি জুকলি জুপুৰি নোহোৱাকৈ নাথাকে। সি হয় উঠিছে, নহয় ওলাই গৈছে। পিচে বাহিৰতে ভগাপঁথা কৰি থকাতকৈ চাওঁগৈয়েচোন কি কৰি আছে বুলি মই কোঠাৰ ওচৰ চাপিলোঁ।

আন এটা চাবিৰে তাৰ তলাটো খুলি কোঠালৈ সোমাই গৈ দেখোঁ হিথক্লিফ ওপৰমুৱাকৈ পৰি আছে। চকুকেইটা যেন তিৰবিৰাই আছে, তাত যেন কিবা এক উন্মত্ততা প্ৰকাশ পাইছে। দেখি মোৰ ভয় লাগি গ'ল। সি ইয়া যেনো কৰিছে যেন লাগিল।

সি মৰিল বুলি মই ভাবিব পৰা নাছিলোঁ। কিন্তু তাৰ মুখ আৰু ডিঙিৰ ভাগ বৰষুণত তিতি আছিল। বিচনাৰ কাপোৰ-কানিবোৰৰ পৰা টপটপকৈ পানী পৰিছিল। সি একেবাৰে অঠৰ হৈ আছিল। খিৰিকিৰ গাতে এখন হাত মেলি থৈছিল; খিৰিকিৰ এপাট বতাহত লৰি থাকোঁতে তাৰ হাতত লাগি মাখিছাল এৰাইছিল, কিন্তু তেজ ওলোৱাৰ কোনো চিন নাছিল। গাত হাত দি চাই মই বুজিলোঁ, সি আৰু নাই। হিথক্লিফ ঢুকাল।

খিৰিকিখনৰ দুয়োপাট মই বটাৰে বান্ধিলোঁ। তাৰ দীঘল ক'লা চুলিবোৰ কপালৰ পৰা আঁতৰাই আঁচুৰি দিলোঁ। সেই ভয়ংকৰ, জীৱন্ত যেন লগা মহা আনন্দৰ দৃষ্টিটো যেন আনৰ চকুত নপৰে— সেই মতলবেৰে মই তাৰ চকুৰ পতাত হেঁচা দি চকুহাল জপাই দিবলৈ চালোঁ। জাপ খাবকে নোখোজে। তাৰ মেলখাই থকা ওঁঠ দুটা, আৰু চোকা, বগা দাঁত দুপাৰিয়ে মোক বিদ্ৰূপ কৰা যেন লাগিল। ভয় খাই মই জোচেফক চিঞৰি চিঞৰি মাতিলোঁ। সি আহি চিএৰ বাখৰখন লগালে কিন্তু ক'লে যে তাৰ একো কৰিব লগা নাই।

'চয়তানে তাৰ আত্মাটো নিলে। শটোহে এৰি থৈ গৈছে। এঃ! মৰিলতো তাক কিমান ধূৰ্ত যেন লাগিছে!' এইবুলি কৈ সি পাষণ্ডই মৃতকক বিদ্ৰূপ কৰি দাঁত নিকটালে।

বিচনাখনৰ চাৰিওফালে সি ঘূৰি ঘূৰি নাচিব খুজিছে বুলি মোৰ সন্দেহ হৈছিল। পিচে হঠাতে সি নিজকে সাৱত কৰি লৈ আঁঠু কাঢ়ি বহিল। উৰ্দ্ধবাহু হৈ সি ভগবানক ধন্যবাদ জনালে কাৰণ তেওঁৰ কৰুণাতে পুৰণা পৰিয়ালটোৰ আইনসম্মত উত্তৰাধিকাৰীয়ে তেওঁৰ পূৰ্বপুৰুষৰ সম্পত্তি ঘুৰাই পালে।



এই আচম্বিত ঘটনাত মই একেবাৰে স্তম্ভিত হৈ গলোঁ। মোৰ মন অতীতলৈ উৰা মাৰিলে। বেদনাত মই জৰ্জ্জৰিত হলোঁ। কিন্তু বেচেৰা হেয়াৰটনেই কষ্ট পাইছিল আটাইতকৈ বেচি, অথচ হিথক্লিফে অন্যায়ো কৰিছিল তাকেই আটাইতকৈ বেচিকৈ। গোটেই ৰাতি সি শটোৰ ওচৰত কান্দি কান্দি বহি আছিল। শোকত জৰ্জ্জৰিত হৈ সি মৃতকৰ হাতখন মাজে মাজে চেপি ধৰিছিল, আৰু আনে চাবলৈও সাহ নকৰা, দেখিলে বিদ্ৰূপ কৰা যেন লগা মৃতকৰ মুখখনত চুমা খাইছিল। তাৰ কান্দোন যেন থামিবই নোখোজে। বাহিৰত দেখাত কঠুৱা, কিন্তু ভিতৰি কোমল তাৰ অন্তৰখনৰ পৰাই এই কান্দোন নিগৰি ওলাইছিল।

হিথক্লিফ আচলতে কি হৈ মৰিলে ডাক্তৰ কেনেথে ধৰিব নোৱাৰিলে। সি যে চাৰিদিন ধৰি কণ এটাও মুখত নিদিয়াকৈ আছিলে, সেই কথা মই কাকো নকলোঁ; কলে বা আকৌ কি অথন্তৰ ওলায় বুলি মোৰ ভয় লাগিছিল। তদুপৰি, ইচ্ছা কৰি সি নোখোৱাকৈ থকা নাছিল বুলি মই বুজিছিলোঁ। খাবলৈ ৰবলৈ এৰি দিয়াটো তাৰ অদ্ভুত বিকাৰৰ পৰিণতিহে আছিল, কাৰণ নাছিল। সি বিচৰা মতেই আমি তাক সমাধি দিলোঁ। গোটেই ওচৰ চুবুৰীয়াখনে কিন্তু কথাটো ভাল পোৱা নাছিল। হেয়াৰটন, মই, কবৰ খন্দা মানুহটো, আৰু কফিনটো কঢ়িয়াই নিয়া ছটা মানুহ— শৱযাত্ৰীৰ দলত ইমানেই আছিলোঁহঁক।

কফিনটো কবৰত নমাই দিয়েই সেই ছটা মানুহ গুচি গ'ল। মাটি দিয়ালৈকে আমি ৰ'লোঁ। হেয়াৰটনে কান্দি কান্দি নিজে খান্দি আনি সেউজীয়া বন থকা চপৰা কফিনৰ ওপৰত দিলে। এতিয়া সেইপিনে গ'লে দেখিব হিথক্লিফৰ সমাধি ওচৰৰ সমাধি কেইটাৰ দৰেই সেউজীয়া হৈ আছে। সমাধিস্থ জন চিৰনিদ্ৰাত মগ্ন বুলিয়েই মোৰ বিশ্বাস। পিচে ওচৰ চুবুৰীয়া মানুহবিলাকক সুধিলে ক'ব, হাতত বাইবেলখন লৈ শপত খাই ক'ব, বোলে হিথক্লিফ হেনো ওলায়। গীৰ্জ্জাৰ ওচৰত, মুকলি পথাৰত, আৰু এই ঘৰখনতো অশৰীৰী আত্মা দেখা পোৱা বুলি কওঁতা মানুহ আছে। এইবোৰ যুক্তিহীন কথা বুলিয়েই আপুনি ক'ব। ময়ো তাকেই কওঁ। কিন্তু জুহালৰ ওচৰত থকা সৌ বুঢ়া মানুহটোৰ মতে, হিথক্লিফ মৰাৰ পিচৰপৰা, বৰষুণ দিয়া নিশাত খিৰিকিৰ মুখত সিহঁত দুটা ওলায়। সি বোলে দেখিছে। এমাহমানৰ আগতে মোৰো এটা অদ্ভুত অভিজ্ঞতা হ'ল।

গধূলি সময়। মই 'গ্ৰেঞ্জ'লৈ গৈছোঁ। বতৰ ওন্দোলাই আনিছে। বিজুলী-ঢেৰেকনি মাৰিবৰ উপক্ৰম। ঠিক 'হাইট্‌চ' পাৰ হৈ কেঁকুৰীটোত ভৰি দিছোঁহে মাথোন, এনেতে মোৰ আগত দেখো এজনী ভেৰী আৰু দুটা ভেৰা পোৱালী লগত লৈ সৰু ল'ৰা এটা ৰৈ আছে। সি ৰৰকৈ কান্দি আছে। মই ভাবিলোঁ, ভেৰা কেইটাক সি চম্ভালিব পৰা নাই, এনি তেনি গৈছে, সেইবাবেহে সি কান্দিছে।

'বাছা কি হৈছে?' মই তাক সুধিলোঁ।

'সেইখিনিতে, লগত মানুহ এজনী লৈ হিথক্লিফ ওলাইছে, সেই পাহাৰটোৰ ওপৰতে। সিহঁতক পাৰ হৈ যাবলৈ মোৰ ভয় লাগিছে।' সি থোনথোনাই ক'লে।

মই পিচে একো নেদেখিলোঁ। কিন্তু ল'ৰাটো বা ভেৰাবেইটা কোনোৱেই আগ নাবাঢ়ে। সেইবাবে মই তাক তলৰ ৰাস্তাটোৰে যাবলৈ কলোঁ।

ল'ৰাটোৱে কিজানি মনৰ ভয়তহে সিহঁতহালক দেখা বুলি ভাবিছিল। অকলে অকলে মুকলি পথাৰত সি ঘূৰি ফুৰে। লগৰ ল'ৰা আৰু মাক-বাপেকে কোৱাকুই কৰা বাবেভচহ ভূতৰ গল্পবোৰ কিজানি তাৰ মনলৈ আহিছিল। হলেও, আজিকালি আন্ধাৰত বাহিৰলৈ ওলাবলৈ মোৰ ভাল নালাগে। এই নিমাওমাও ঘৰটোতো অকলে থাকি মই ভাল নাপাওঁ। এতিয়া পিচে উপায়ো নাই। ইহঁত হাল 'গ্ৰেঞ্জ'লৈ নোযোৱালৈকে ইয়াতে থাকিবই লাগিব।'

"সিহঁত তেন্তে 'গ্ৰেঞ্জ'লৈ যাবগৈ?"— মই সুধিলোঁ। মিচেচ ডীনে উত্তৰ দিলে, 'সিহঁত দুটাৰ বিয়াখন হৈ গ'লেই যাব। নতুন বছৰৰ প্ৰথম দিনতে বিয়া।'

'সিহঁত গলেগৈ ইয়াত কোন থাকিব?'

'জোজেফেই ঘৰটো চোৱাচিতা কৰিব। লগতে ল'ৰা এটাও ৰাখিব বোধহয়। সিহঁত দুটা পাকঘৰটোত থাকিব, বাকী ঘৰটো তলা মৰা থাকিব।'

'কোনোবা ভূত-প্ৰেতে বাঁহ বান্ধিব খুজিলে বান্ধিব আৰু, নহয়?' মই ৰসিকতা কৰি ক'লোঁ।

মিচেচ ডীনে মূৰ জোকাৰি ক'লে, 'নাপায়, লকউদ মহাশয়, সেইদৰে ক'ব নাপায়। মই ভাবোঁ প্ৰয়াত লোক মানেই শান্তিত থাকে। তেওঁলোকৰ বিষয়ে লঘু মন্তব্য কৰিব নাপায়।'

তেনে সময়তে বাগানৰ জপনা খোল খালে, ফুৰিবলৈ যোৱা দুগৰাকী ফিৰি আহিল।

সিহঁত অহালৈ চাই থাকি মই ক'লোঁ, 'সিহঁতৰ একোলৈকে ভয় নাই। একেলগে সিহঁত দুটাই চয়তানকো পৰোৱাই নকৰিব যেন লাগে।'

দুৱাৰমুখ পাই সিহঁতে জোনটোলৈ চাবলৈ খন্তেক ৰ'ল। জোনলৈ চাবলৈ বুলি কোৱাতকৈ জোনৰ পোহৰত ইটোৱে সিটোৰ মুখলৈ চাবলৈ বুলি ক'লেহে আচল কথাটো কোৱা হ'ব। তেতিয়াও মই সিহঁতৰ আগত দেখা দিবলৈ মন নকৰিলোঁ। মই লৰালৰিকৈ গা ঢকা দিলোঁ। লৰালৰিকৈ মিচেচ ডীনৰ হাতত স্মাৰক হিচাবে ৰাখিবলৈ কিবা এটা গুজি দি মই পাকঘৰৰ মাজেদি ওলাই উধাও হলোঁ। হাতত বস্তুটো গুজি দিওঁতে মিচেচ ডীনে নলয়, বৰ আপত্তি। আমাক দেখিলে জোজেফে কথাটো বৰ ভালভাবে নললেহেঁতেন, মিচেচ ডীনৰ বিষয়েও তাৰ সন্দেহ হ'লহেঁতেন। পিচে মই তাৰ পিনেও চভাৰিন এটা দলিয়াই দিলত সি মোলৈ চাই মোক চিনি পালে, আৰু মই যে সম্ভ্ৰান্ত লোক, নীচ মতলব মোৰ নাছিল, সেই কথাও বুজিলে।

'গ্ৰেঞ্জ'লৈ ঘূৰোতে মই গীৰ্জ্জাৰ ৰাস্তাইদি গ'লোঁ। অৱশ্যে সেইপিনে অলপ দূৰ হয়। মই জানিশুনিয়েই গলোঁ। মই তাত নথকাৰ সেই সাতমাহৰ ভিতৰতে গীৰ্জ্জাৰ



চেহেৰা ম্লান পৰিছিল। বহুতো খিৰিকিৰ আয়না ভগা। অ'ত ত'ত চুণ্চুৰকৰিৰ টুকুৰাও বেৰবোৰৰ পৰা খহি পৰা মোৰ চকুত পৰিছিল। পিচত শৰত কাললৈ চাগৈ আৰু বহুত খহিব।

গীৰ্জ্জাৰ কাষৰ মুকলি পথাৰত মই তিনিওটা সমাধিৰ চিন দেখা পালোঁ। মাজৰটো ধূসৰ বৰণীয়া, পথাৰত আধাখিনি পোতখাই আছে। এডগাৰ লিণ্টনৰটোৰ ওপৰত সেউজীয়া ঘাঁহৰ দলিচা। হিথক্লিফৰ সমাধি ফলক তেতিয়াও উকা।

প্ৰশান্ত আকাশৰ তলত মই থিয় দি থাকিলোঁ। মুকলি পথাৰত, বননীয়া ফুলৰ মাজে মাজে জোনাকী পৰুৱাৰ জাক উৰি ফুৰা মোৰ চকুত পৰিল। বতাহৰ কোমল স্পৰ্শই ঘাঁহনি লৰাই যোৱাও দেখিলোঁ। সেই নিস্তব্ধ পৰিবেশত, মাটিৰ তলত নিদ্ৰিত থকাসকলৰ নিদ্ৰা ব্যাঘাত হোৱাৰ কথা যে কোনোবাই ভাবিব পাৰে, মোৰ কল্পনা কৰিবলৈকো টান লাগিল।

THE NORTH GAUHATI COLLEGE LIBRARY
DATE R55 3711
26.9.07
COLLEGE NAGAR, GAUHATI-31

DATE LABEL

NORTH GAUHATI COLLEGE LIBRARY

This book was taken from the Library on the date last stamped under the rules of the Library. The book is to be returned within 15 days from the date of issue. A fine of 0·25 paise will be charged for each day the book is kept beyond that time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| 31-3-16 | 6-9-16 | 16-10-16 | |

N.B. Book lost, defaced of injured in any way shall have to be teplaced by the borrower.